# নাট্যৰূপ



শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ, যোৰহাট

1) কৈকসীনন্দনৰ লংকা লাভ, বেদৱতী আখ্যান
2) চ্যৱনৰ  যজমানি, অশ্বিনীকুমাৰৰ দেৱত্ব প্ৰাপ্তি
3) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, যুধিষ্ঠিৰৰ নৰক দৰ্শন
4) পুৰুৰবাৰ প্ৰতিজ্ঞা ভঙ্গ,  উৰ্বশীৰ স্বৰ্গ গমন
5) বিশ্বামিত্ৰৰ যজ্ঞ আয়োজন, তাৰকাৰ মুক্তি লাভ
6) ভাগৱত মাহাত্ম্য, গোকৰ্ণ-ধুন্ধুকাৰী আখ্যান
7) মুৰাৰি কৃষ্ণ, বৰ্বৰিকৰ  শিৰদান
8) শ্ৰীবৎস উপাখ্যান
9) দুৰ্যোধনৰ উৰুভঙ্গ
10) শ্ৰীৰামচন্দ্ৰৰ পঞ্চবটী গমন, জটায়ু আখ্যান
11) প্ৰদ্যুম্ন হৰণ, সম্বৰাসুৰ নিধন
12) সুৰথৰ শ্ৰীৰাম দৰ্শন
13) ইল্বল নিধন, অগস্ত্যৰ দাক্ষিণাত্য গমন
14) পাণ্ডৱৰ অজ্ঞাত বাস, বলোভদ্ৰৰ হস্তিনা বিজয়
15) বৃকোদৰনন্দনৰ কুৰুক্ষেত্ৰ গমন, দুৰ্যোধনৰ দৰ্প হৰণ
16) লক্ষ্মীনন্দনৰ বৈকুণ্ঠ গমন
17) ৰাম-কৃষ্ণৰ শিশু লীলা, প্ৰলম্বাসুৰ বধ
18) শালিবান উপাখ্যান
19) ঋষ্যশৃংগ উপাখ্যান
20 ) শনিৰ প্ৰতিজ্ঞা পূৰণ, দুষ্মন্ত - শকুন্তলাৰ  পুনৰ মিলন
( সম্পাদিত)

জয়  গুৰু শঙ্কৰ



# কৈকসীনন্দনৰ লংকা লাভ, বেদৱতী আখ্যান

নাট্যৰূপ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ , যোৰহাট

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১) সুত্ৰধাৰ
২) শ্ৰীবিষ্ণু
৩) ব্ৰহ্মা
৪) নাৰদ
৫) ইন্দ্ৰদেৱ
৬) অগ্নিদেৱ
৭) পৱনদেৱ
৮) কুবেৰ
৯) বিশ্বশ্ৰবা ঋষি
১০) ৰাৱন -- ( প্ৰধান চৰিত্ৰ )
১১) কুম্ভকৰ্ণ
১২) বিভীষণ
১৩) সুমালী ( ৰক্ষৰাজ )
১৪) মাল্যবান ( ৰক্ষৰাজৰ জ্যেষ্ঠ ভাতৃ )
১৫) মালী ( ৰক্ষৰাজৰ কণিষ্ঠ ভাতৃ )

## নাৰী চৰিত্ৰ

১) কৈকসী / নৈকেষী ---- ( প্ৰধান চৰিত্ৰ )
২) দেৱবৰ্ণিনী
৩) বেদৱতী

## মুখা চৰিত্ৰ

ময়ুৰ পক্ষী

## ।। কৈকসীনন্দনৰ লংকা লাভ ---।।

### শ্ৰীকৃষ্ণায় নমো নমঃ

শ্লোক ঃ নমঃ কৃষ্ণ নিৰাকাৰং জ্যোতি ৰূপং সনাতনম ।
পীত বস্ত্ৰ পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম ।।
সুৰেন্দ্ৰ গৰ্ব গঞ্জনং গাজেন্দ্ৰ দম্ভ খণ্ডনম ।
বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।

অপিচ ঃ যেনাকাৰী প্ৰভূ ভগৱন্ত দুষ্ট অন্তকাৰী
ভূমিভাৰ ৰক্ষাৰ্থেয়ো নানা ৰূপে অৱতাৰ ।।

### গীত - নান্দী

( ৰাগ ঃ সুহাই , তাল ঃ একতাল )

জয় জয় ভৱ ভয়হাৰী ।
তুৰা পাৰে কৰোহো গোহাৰি ।
যুগে যুগে হুয়া অৱতাৰ ।
হৰিলাহা পৃথিৱীৰ ভাৰ ।।
ৰাম কৃষ্ণ পদে মোৰ গতি ।
সৰ্বজনে ঘোষিয়ো সম্প্ৰতি ।।

সূত্ৰ ঃ নাদ্যন্তে সূত্ৰধাৰ, অলমতি বিস্তৰেণ,
প্ৰথমং মাধৱো মাধৱ ইত্যুক্তা নত্বা নাৰায়ণ সভাসদেন সম্বোধায়।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ য়ুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা --- **কৈকসীনন্দনৰ লংকা লাভ, বেদৱতী আখ্যান** --নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

### অথ ভটিমা

জয় জয় জগত জনক যদুদেৱ ।
পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।
কৈকসীৰ গৰ্ভে উপজিলা দশানন ।
মাতৃৰ প্ৰভাৱে হৈলা কলুষিত মন ।।
লংকাৰ ৰাজা হৈয়া ৰাজ্য বিস্তাৰিল ।
যত আছে পাপ তাক আছৰিল ।।
দুষ্টক বধি প্ৰভূ সন্তক পালিলা ।
ধৰ্মক ৰক্ষা কৰি অধৰ্মক নাশিলা ।।
হেনজানি নৰলোকে এৰি আন কাম ।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।

### শ্লোক নৃত্য ঃ

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ----------

সূত্ৰ ঃ আ-হাহা মিলল, মিলল, আহে সভাসদ লোক হামো যাকেৰি কথা কহৈছি পৰম পুৰুষ নাৰায়ণ এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৱত, আৱত, আৱত । তাক দেখহ শুনহ নিৰন্তৰে হৰি বোল, হৰি বোল ------

ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্র ঃ সভাত শ্রীবিষ্ণুৰ প্ৰৱেশ----**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্রীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং ।।

**গীত - ( ৰাগ ঃ সিন্ধুৰা , তাল ঃ একতাল )**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।**
**যাক দেখি মহা সুখী হুৱে সৰ্বজন।।**
**কৰ যোগ কঙ্কন ৰুণ জুন ৰুল ।**
**পীত বস্ত্র পৰিধান সৰ্ব বক্ষ স্থল ।।**
**হেন মতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰ।।**

বিষ্ণু ঃ এই বিনন্দীয়া সৃষ্টিৰ আমিয়েই গৰাকী । আমাৰেই লীলাক্ষেত্ৰ সমস্ত জগত । আমাৰ ধৰ্ম , আমাৰ কৰ্তব্য দুষ্টক দমন, সন্তক পালন । এই উদ্দেশ্যৰ বাবেই আমাৰ যুগে যুগে অৱতাৰ এই বসুধাৰ বক্ষত । কাৰণ আমিয়েই জগতৰ গৰাকী , আমিয়েই বিষ্ণু , আমিয়েই ওঁমকাৰ । এই জগতত যিয়েই আমাক একান্তমনে কৰে চিন্তা তেঁৱেই আমাৰ পৰম ভক্ত ----

**সূত্র ঃ এনেতে নাৰদৰ প্ৰৱেশ-------------**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; সহস্ৰ প্ৰণাম তযু চৰণত ----

বিষ্ণু ঃ তথাস্তু ; কোৱা দেৱৰ্ষি , কিয় আহিলা তুমি বৈকুণ্ঠ ধামে ?

নাৰদ ঃ প্ৰভু, উৎকণ্ঠিত আৰু জিজ্ঞাসু মনে সমিধান নোপোৱা কিছু প্ৰশ্ন লৈ আহিছো আমি আপোনাৰ সমীপে।

বিষ্ণু ঃ দেৱৰ্ষি, এনে কি প্ৰশ্নই তোমাক কৰিছে উৎকণ্ঠিত জানিবৰ বাবে আমিও হৈছো উৎসুক।

নাৰদ ঃ প্ৰভু , নৰসিংহৰূপে ধৰি অৱতাৰ হিৰণ্যকশিপুক আপুনি কৰিলে নিধন । তেওঁৰে পুত্ৰ ভক্ত প্ৰহ্লাদে জগতক দেখুৱালে ভক্তিমাৰ্গ। কিন্তু প্ৰভু, নাজানো কিয় মৰ্ত্ত্যবাসীয়ে নলয় ভক্তিমাৰ্গ । লোৱাজনো মায়া মোহত আবদ্ধ হৈ হৈছে পথভ্ৰষ্ট । এনে কিয় হৈছে প্ৰভু ?

বিষ্ণু ঃ দেৱৰ্ষি, মায়াৰ বান্ধোন চিঙাটো মনুষ্যৰ বাবে নহয় সহজ। কেৱল ভক্তিয়েহে কৰে মুকলি মায়াৰ বান্ধোন। যি মনুষ্যৰ হৃদয়ত ভগৱৎ ভক্তি হ'ব উদয়, তেঁৱেই চিঙিব পাৰিব মায়াৰ বান্ধোন --

নাৰদ ঃ কিন্তু প্ৰভু , ভক্তিমাৰ্গ গ্ৰহণ কৰা মনুষ্যজনেটো ----- ?

বিষ্ণু ঃ তোমাৰ কৌতুহল আমি বুজিছো দেৱৰ্ষি। হৃদয়ক মন্দিৰ কৰি পৰমাত্মাক বিগ্ৰহ কৰি আৰু মনক পূজাৰী কৰি ল'ব পৰা জীৱাত্মাৰূপী মনুষ্যজনে নিশ্চয় পাব মুক্তি ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ , প্ৰভু আমি সকলো বুজিলো। মনৰ উৎকণ্ঠা আমাৰ হৈছে দূৰ। আপোনাৰ বাণী শুনি আমাৰ আনন্দাশ্ৰু হৈছে নিৰ্গত ।

বিষ্ণু ঃ দেৱৰ্ষি , আমাৰ বাবে মনুষ্যই অশ্ৰু বোৱাই চাওঁক , তেনে মনুষ্যৰ জীৱন যদি আমি আনন্দৰে নিদিওঁ ভৰাই তেতিয়া তুমি আমাক...... ?

নাৰদ ঃ নাই নাই প্ৰভু , নকৰোঁ আৰু আমি কোনো প্ৰশ্ন । সকলো প্ৰশ্নৰ আমি পালো সমিধান ।

বিষ্ণু ঃ দেৱৰ্ষী , তুমি অতিকে বিদ্বান। অচিৰেই সত্য যুগৰ ঘটিব অৱসান। কৰিব মৰ্ত্ত্যত প্ৰৱেশ ত্ৰেতা যুগে। যুগে প্ৰতি ভিন্ন হ'ব আমাক প্ৰাপ্তিৰ পথ । সত্য যুগে ধ্যান , ত্ৰেতা যুগে যজ্ঞ , দ্বাপৰত পূজা আৰু কলিত কীৰ্ত্তন -- এই তত্ব তুমি বিলোৱাগৈ জগতত ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ , ধন্য হ'ল আজি আমাৰ জীৱন । পাছে প্ৰভূ , এতিয়াও থাকি গ'ল এক কৌতুহল আমাৰ মনত । পৰিচিত দ্বাৰপাল জয় - বিজয় ---------।

বিষ্ণু ঃ এই কৌতুহল তোমাৰ কৌতুহলেই হৈ থাকক দেৱৰ্ষি। এতিয়াও আহি পোৱা নাই সেই ক্ষণ। কালে নিৰ্ধাৰিত কৰা সময়তহে সকলো হ'ব সমাধান। সেয়ে, এতিয়া তুমি এই বিষয়ত নকৰিবা চিন্তা ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ --- ; তেন্তে প্ৰভূ এতিয়া আমি বিদায়হে মাগো ।

বিষ্ণু ঃ যোৱা দেৱৰ্ষি । আমিও যাওঁ নিজ কৰ্তব্যত ------

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত সৃষ্টিকৰ্তা ব্ৰহ্মাৰ প্ৰৱেশ -------**

**গীত - (ৰাগ ঃ কানাড়া , তালঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে দেৱ সৃষ্টিকৰ।**
**দিব্য বস্ত্ৰে শোভা কৰে গহীন গম্ভীৰ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ব্ৰহ্মা ঃ আমি সৃষ্টিকৰ্তা ; সৃষ্টিয়ে আমাৰ ধৰ্ম , সৃষ্টিয়ে আমাৰ কৰ্ম । ভগৱন্তৰ আদেশ মানি কৰি যাম আমি সৃষ্টি কাৰ্য । যাঁও আমি এতিয়া নিজ কৰ্তব্যত ।

**সূত্ৰ ঃ ব্ৰহ্মাৰ প্ৰস্থান । সভাত দেৱৰাজ ইন্দ্ৰ, অগ্নি আৰু পৱনদেৱৰ প্ৰৱেশ -------**

**গীত- (ৰাগ ঃ নাট মল্লাৰ ; তাল ঃ পৰিতাল, একতাল )**

**অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।**
**সঙ্গে আছে দেৱগণ দেখিতে সুৰেশ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**হৰি হৰি ডাকি বোলা সভাসদ গণ ।।**

ইন্দ্ৰ ঃ ত্ৰিদেৱৰ কৃপা আৰু আমাৰ পৰাক্ৰমত শত্ৰুশূণ্য হৈছে মোৰ ; অসুৰে আৰু কদাপি নকৰে সাহস স্বৰ্গ আক্ৰমণৰ -- দেৱগণ , যক্ষ - ৰক্ষ - নাগ - মনুষ্যই আজি কাৰ কৰিছে গুণগান ?

অগ্নি ঃ আপোনাৰ দেৱৰাজ, সকলোৰে কৰিছে আপোনাৰেই গুণগান ----

ইন্দ্ৰ ঃ গৌৰান্বিত আজি মই আপোনাসৱৰ দৰে অমৰ মণ্ডলীক লৈ । গৌৰান্বিত আজি মই দেৱলোকৰ ঐশ্বৰ্য্য বিভূতিক লৈ । দেৱগণ , আজিও দেৱসভাত কৰিম আয়োজন আনন্দ উৎসৱৰ --

পৱন ঃ নিশ্চয় দেৱৰাজ ; উৎসৱ হওক মহোৎসৱ ; কৰোঁ অনুৰোধ নৃত্যানুষ্ঠানৰ কৰক আয়োজন।

ইন্দ্ৰ ঃ তাৰ বাবে চিন্তা নকৰিব পৱনদেৱ। সাজু আছে অপেশ্বৰীগণ নৃত্যৰ বাবে ----

**সূত্ৰ ঃ এনেতে নাৰদৰ কণ্ঠ শুনা যায় ---**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ-----

ইন্দ্ৰ ঃ আহক দেৱৰ্ষি , দেৱসভাত আপোনাক জনাইছো স্বাগতম ।

নাৰদ ঃ সন্তুষিত হলো দেৱৰাজ আপোনাৰ ভব্য সম্ভাষণত । পাছে দেৱগণ , যি ভাবি আহিছিলো তাৰ দেখো বিপৰীত ৰূপ । কিবা উৎসৱৰ আয়োজন নেকি দেৱগণ ?

ইন্দ্ৰ ঃ দেৱৰ্ষি , দেৱসভাত নিতৌ চলে আনন্দ উৎসৱ আৰু নচলিবই বা কিয় ? ৰোগ , শোক ,জৰা , মৃত্যুৰ আমাৰ নাই শংকা -- একোৰেই নাই অভাৱ আমাৰ অমৰধামত ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, তেন্তে আমাৰ আগমনে আপোনাসৱৰ উৎসৱহে কৰিছে ম্লান । কৰক , কৰক

আনন্দ ; আৰু কিমান দিনলৈ বা আছে এনে আনন্দ আপোনাসবৰ কপালত ? মাল্যবান আৰু তেওঁৰ দুই ভাতৃয়ে কেতিয়া স্বৰ্গ কৰে আক্ৰমণ তাৰটো নাই কোনো ভৰসা ; নাৰায়ণ --

পৱন ঃ কি ক'লে দেৱৰ্ষি -- ? মাল্যবান আৰু তেওঁৰ ভাতৃয়ে আমাৰ স্বৰ্গ কৰিব আক্ৰমণ -- ?

ইন্দ্ৰ ঃ মাল্যবান আৰু তাৰ দুই ভাতৃ ? কোন সিহঁত ? যক্ষ, দানৱ , মনুষ্য নে অসুৰ সিহঁত ?

নাৰদ ঃ জানিছিলোৱেই আমি , দেৱ কায়্যলৈ পিঠি দি এনেদৰে ভোগ বিলাসত মত্ত হৈ থকা দেৱ সমাজ অজ্ঞ আজি আগন্তুক বিপদৰ প্ৰতি। শুনক তেন্তে -- মাল্যবান, মালী আৰু সুমালী হৈছে অতি ভয়ংকৰ , অতি দুৰ্দান্ত ---- ভীষণ ৰাক্ষস ।

দেৱগণ ঃ ৰাক্ষস ------ ?

নাৰদ ঃ অ দেৱগণ, ৰাক্ষসৰাজ বিখ্যাত বীৰ বিদ্যুৎকেশীৰ পুত্ৰ সুকেশ আৰু সুকেশৰে পুত্ৰ হ'ল অতি ভয়ংকৰ, মহাবলবান এই ৰাক্ষস ভাতাত্ৰয় । পাতাল জিনি তিনিও ৰাক্ষস বীৰে মৰতত পুতিছে খোপনি। সাগৰ বেষ্টিত স্বৰ্ণ লংকাত পাতিছে বেষ্টনী । কিন্তু দেৱগণ, এনে প্ৰতাপী ৰাক্ষস জানো লংকাতেই থাকিব সীমাবদ্ধ -- ? পাছে , আমি এতিয়া বিদায়হে মাগিছো । আপোনাসৱেই চিন্তা কৰক স্বৰ্গৰ সুৰক্ষাৰ , নাৰায়ণ নাৰায়ণ ----- ( **প্ৰস্থান** )

দেৱগণ ঃ দেৱৰ্ষি , দেৱৰ্ষি -------

অগ্নি ঃ দেৱৰাজ, ৰাক্ষসৰ আগ্ৰাসন নিশ্চয় আমাৰ বাবে নহয় শুভ সংবাদ । যিকোনো প্ৰকাৰে আমি ৰাক্ষসক বিনাশ কৰিব লাগিব ------

ইন্দ্ৰ ঃ থাকোতে দেৱেন্দ্ৰ চিন্তা নকৰিব দেৱগণ। চলে বলে স্বৰ্গ মই কৰিম সুৰক্ষিত । ব'লক যাওঁ সকলো স্ব-চক্ষে কৰোঁ নিৰীক্ষণ , ৰাক্ষস ভাতাত্ৰয় কিমান ভীষণ -------

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। সভাত ৰাক্ষস সুমালী , মাল্যবান আৰু মালীৰ প্ৰৱেশ ------**

গীত ঃ (ৰাগ - কানাড়া , তাল - পৰিতাল , ৰূপ গঞ্জল )

**প্ৰৱেশ কৰিয়া আহে ৰাক্ষস গণ।**
**পদভৰে বসুমতী কম্পে ঘন ঘন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**হৰি হৰি ডাকি বোলা সভাসদ নৰ।।**

সুমালী ঃ দাদা আৰু বীৰ ভাতৃ মালী , জন্ম লভি আমি ৰাক্ষস কুলত , ৰাক্ষসৰূপে খ্যাতমান হ'লো জগতত । ত্ৰিভূৱন কম্পিত আজি আমাৰ ভয়ত । চক্ৰান্তকাৰী দেৱতাই চল কৰি স্থান দিছিল আমাক পাতালপুৰীত । কিন্তু নিজ বাহুবলে পৰাভূত কৰি পাতাল , প্ৰৱেশিলো মৰ্ত্য ধামত , অধিকাৰ কৰি ললো সুৱৰ্ণ লংকা । আজি সমুদ্ৰইও কৰিছে আমাৰ বশ্যতা স্বীকাৰ । কোৱা ভাতৃ , কি শুনা আজি মহা সমুদ্ৰৰ গৰ্জনত তুমি --------------------------------

মালী ঃ জয় ৰাক্ষসৰ জয় , জয় ৰাক্ষসৰ জয় , জয় ৰাক্ষসৰ জয় -----

সুমালী ঃ হাঃ হাঃ চোৱা হে জগতবাসী, চোৱা হে অহংকাৰী দেৱ সমাজ, স্থিৰ নেত্ৰ কৰি চোৱা সকলোৱে -- বিশ্বৰ ঘৃণিত, অনাৰ্য ৰাক্ষসে আজি জয় কৰি পাতালপুৰী প্ৰৱেশি মৰতত প্ৰতিষ্ঠা কৰিলো ৰাক্ষসৰ ৰাজ্য সুৱৰ্ণ লংকাত । পাতালৰ নাগ আৰু মৰতৰ মনুষ্য আজি আমাৰ পদানত ----

মাল্যবান ঃ আত্মতুষ্টি নল'বা ভাতৃ । লংকাই নহয় আমাৰ অন্তিম লক্ষ্য ; এতিয়াও বাকী আছে বহু কাৰ্য । দেৱতা, অ ভাতৃ, দেৱতাক ৰাক্ষসৰ অধীন নকৰালৈকে চলাব লাগিব আমাৰ বিজয় অভিযান।

মালী ঃ আঃ দেৱতা ; বজ্রপাণি বুলি দেৱেন্দ্রই কৰে মিথ্যা দৰ্প ; ভৰিৰে মোহাৰি তেনে দৰ্পক মই কৰিম চূৰ্ণ -- বন্দী কৰি দেৱতাক আপোনাৰ স্বপ্ন মই কৰিম পূৰ্ণ ----

মাল্যবান ঃ ভাই মালী , তোমাৰ বীৰত্ব আমাৰ স্বাভিমান । পাছে দুৰ্বল বুলি দেৱতাক নকৰিবা জ্ঞান ।

সুমালী ঃ জানো দাদা , পৰৰ বিক্রমত বিক্রমী দেৱতাসমাজ । চক্রান্তকাৰী বিষ্ণু আছে দেৱতাৰ সহায়ত ; সেইবুলি দেৱতাৰ ভয়ত মোৰ নকঁপে হৃদয় ; কিন্তু হওঁ চিন্তিত মই বিষ্ণুৰ চক্রান্তত ----

মালী ঃ বিষ্ণুৰ কথা আৰু নক'ব দাদা । বহুৰূপী সি ; নিজ ৰূপে নোৱাৰি সি বহুৰূপ কৰে ধাৰণ । যিদিনাই পাম তাক মই সন্মুখ সমৰত , চৰম প্রতিশোধ লম মই তাৰ ওপৰত।

মাল্যবান ঃ ভাতৃদ্বয়, নকৰিবা চিন্তা , সন্মুখ সমৰত নহয় , এই মাল্যবানে দেৱ-নাৰায়ণক পৰাস্ত কৰাৰ চিন্তিছে অন্য উপায় -----

সুমালী ঃ কি ক'লা দাদা, দেৱনাৰায়ণক পৰাস্ত কৰাৰ চিন্তিছা অন্য উপায় ? দাদা, তোমাৰ পৰামৰ্শকে কৰি শিৰোগত এই সুমালীয়ে লংকাৰ ৰাজ সিংহাসন কৰিলে গ্রহণ । কিন্তু দাদা সঁচাই আচৰিত হৈছো আজি কিবাদৰে বিনা সমৰে দেৱ - নাৰায়ণক কৰিম পৰাস্ত --- ?

মাল্যবান ঃ ভাতৃ , সকলো সম্ভৱ হ'ব পাৰে । অন্নৰ অভাৱত দুৰ্বল হোৱা বাঘক শৃগালৰ জাকেও কৰিব পাৰে নিধন । তেনেদৰেই প্রথমে আমি শক্তিহীন কৰিব লাগিব দেৱ-নাৰায়ণক । দেৱতাই শক্তি পাই মৰতৰ পূজা আৰু যজ্ঞৰ পৰা ; যদি শক্তিৰ এই উৎসটোকেই আমি কৰোঁ সমাপ্ত হাঃ হাঃ --

সুমালী ঃ উত্তম পৰামৰ্শ দাদা তোমাৰ । সঁচা কথা দেৱতাই শক্তি লাভ কৰে যজ্ঞৰ পৰা । বন্ধ কৰি দিওঁ যদি যাগ যজ্ঞ মৰতৰ পৰা শক্তিহীন হ'ব দেৱতা। কৰিছো সংকল্প গ্রহণ, দেৱনাশী যজ্ঞ মই কৰিম আৰম্ভণ। আছে মানে জগতত যত দেৱ ভক্ত, বিষ্ণু ভক্ত, ঋষি - মুনি , তপস্বী সকলোকে এটি এটি কৰি কৰিম নিৰ্মূল । ভাতৃ মালী, বন্ধ কৰাবা মত্যধামত দেৱতাৰ যাগ যজ্ঞ , পূজা পাৰ্বন । মনত ৰাখিবা আজি হন্তে দেৱ শূন্য, বিষ্ণু শূন্য আমাৰ জীৱনৰ পণ ------

মালী ঃ চিন্তা নকৰিব দাদা , মালীৰ যাতনা হ'ব অতি ভয়ংকৰ । যজ্ঞৰ আহুতি , পূজাৰ নৈবেদ্য দিয়া অধম মনুষ্যৰ দুয়ো হাত মই দেহৰপৰা কৰিম ছেদন --- দেৱ মন্ত্র উচ্চাৰিত জিহ্বাক টানি উলিয়াই কণ্ঠতে তাৰ মই কৰিম ছেদন ---- যাৰ নয়নে দেখে বিষ্ণুময় , তাৰ নয়ন এই তীক্ষ্ণ অস্ত্ৰৰে খুঁচি গৰ্ত্তৰ পৰা মই দিম উলিয়াই ----

সুমালী ঃ অ দিবা দিবা এনে শাস্তি দিবা যি শাস্তি দেখি স্বৰ্গৰ দেৱতা , মত্যৰ মানৱ , পাতালৰ মহা ভুজঙ্গমো হওক কম্পমান। হত্যা কৰিবা যাকে য'তে পোৱা বিষ্ণু ভক্তক। আমাক লাগে দেৱ ধ্বংস, বিষ্ণু ধ্বংস । ব'লা সকলোটি আঁচনি বাস্তৱত কৰোঁগৈ ৰূপায়ন -----

**সূত্র ঃ ৰাক্ষসগণৰ প্রস্থান । আনহাতে সুমালী নন্দিনী কৈকসীৰ প্ৰৱেশ ---**

**গীত -(ৰাগ ঃ শ্রী , তাল ঃ ধৰমজ্যোতি )**

**আৱত সভাৰ মাজে ৰাক্ষস নন্দিনী ।**
**সুমালীৰ কন্যা ইটো নামে কৈকসী ।।**
**চলি আহে ৰঙ্গমনে সভাৰ ভিতৰে ।**
**হৰি হৰি ডাকি বোলা সভাসদ নৰে ।।**

কৈকসী ঃ সুমালীনন্দিনী মই কৈকসী ; নৈকেষী বুলিও লংকাবাসীয়ে মোক কৰে সম্বোধন । সঁচাই দেৱ

শিল্পী বিশ্বকৰ্মাই অপূৰ্ব কলাৰে নিৰ্মাণ কৰিছে আমাৰ বাবে এই স্বৰ্ণলংকা । এনেহেন লংকা আমাৰ গৌৰৱ । নাজানো তথাপি কিয় মোৰ পিতা সুমালী আৰু জ্যেষ্ঠজনে বিচাৰে দেৱেন্দ্ৰৰ দেৱলোক । সঁচাই জানো দেৱলোক লংকাতকৈও বিতোপন ? যি নহওঁক জ্যেষ্ঠজনে কৰক তেওঁলোকৰ কাৰ্য । অ বহু পলম হ'ল যাওঁ মই এতিয়া নিজ কক্ষলৈ ----

**সূত্ৰ ঃ কৈকসীৰ প্ৰস্থান। আনহাতে বিষ্ণু আহে---------------------------------**

বিষ্ণু ঃ পুনৰবাৰ পটভূমি ৰচিত হ'ব আজি দেৱাসুৰ সংগ্ৰামৰ । আমাৰ ভক্তৰ ওপৰত ৰাক্ষসৰ অত্যাচাৰ ক্ৰমে বাঢ়িব ধৰিছে । ভক্তৰ পীড়া আমিও পাইছো , ভক্তৰ কষ্ট আমিও ভুগিছো --- আৰু নসহো আমি , দুষ্টক দমনৰ হেতু পুনৰবাৰ আমিয়ে হম অগ্ৰসৰ । অ' ব্ৰহ্মা সহিতে দেৱগণ আহিব ধৰিছে আমাকেই উদ্দেশ্যি ।

**সূত্ৰ ঃ ব্ৰহ্মাসহিতে দেৱগণ সোমাই আহে-----**

ব্ৰহ্মা ঃ হে পালনকৰ্তা নাৰায়ণ , দেৱ সহিতে আমাৰ সেৱা কৰক গ্ৰহণ।

বিষ্ণু ঃ স্বাগতম জনাইছো সৃষ্টিকৰ্তা সহিতে দেৱগণক । পাছে দেৱগণৰ আগমনৰ উদ্দেশ্যবা কি ?

ইন্দ্ৰ ঃ হে প্ৰভূ , সৰ্বজ্ঞ আপুনি , ৰাক্ষসৰ আগ্ৰাসনৰ পৰা আমাক কৰক ৰক্ষা ।

বিষ্ণু ঃ কিন্তু --; স্বৰ্গপুৰীতো সুৰক্ষিত হৈ আছে দেৱগণ । কোন অসুৰেনো স্বৰ্গ কৰিছে আক্ৰমণ ?

ব্ৰহ্মা ঃ আপোনাৰ কথা সত্য নাৰায়ণ। বৰ্তমানলৈকে কোনো অসুৰে স্বৰ্গপুৰী কৰা নাই আক্ৰমণ । কিন্তু নাই আৰু বেছি ক্ষণ , মৰ্ত্যৰ ৰাক্ষসৰ কু-দৃষ্টি পৰিছে দেৱেন্দ্ৰৰ স্বৰ্গপুৰীত ।

ইন্দ্ৰ ঃ প্ৰভূ ; মালী, সুমালী, মাল্যবান নামে ৰক্ষগণ হৈ উঠিছে তীব্ৰ দেৱ বিৰোধী । বন্ধ কৰি দিছে সিহঁতে দেৱ পূজা ধৰণীত । সংহাৰ কৰক প্ৰভূ আপুনি অধৰ্মী ৰক্ষগণক ---

বিষ্ণু ঃ দেৱেন্দ্ৰ, সংহাৰকৰ্তাৰ দায়িত্বটো মহাদেৱৰ ; তেখেতে শক্তি প্ৰয়োগ কৰিলে ৰাক্ষসনো কি ?

ব্ৰহ্মা ঃ হে নাৰায়ণ, ৰাক্ষসৰাজ সুকেশৰ পুত্ৰ মালী , সুমালী আৰু মাল্যবান আৰু সুকেশ আছিল মহাদেৱৰ পৰম ভক্ত। দেৱগণে কৰিছিল প্ৰাৰ্থনা মহাদেৱৰ ওচৰতো ; কিন্তু অপাৰগ মহাদেৱ ; ভক্তৰ তনয়ৰ ওপৰত মহাদেৱেনো কিদৰে মহাশূল কৰিব নিক্ষেপ ? উপায়হীন দেৱগণ সেয়ে আজি আপোনাৰ চাপিছে কাষ । আপুনিয়ে উদ্ধাৰ কৰক দেৱগণক ।

বিষ্ণু ঃ তেন্তে পুনৰবাৰ আমাৰ হাতেৰেই দুষ্ট হ'ব নিধন। কিন্তু দেৱগণ, মনত ৰাখিবা সাগৰবেষ্টিত স্বৰ্ণ লংকাত গৈ দেৱশক্তিয়ে ৰাক্ষসক নোৱাৰিবা কৰিব পৰাজিত ।

পৱন ঃ তেন্তে প্ৰভূ , ৰাক্ষস নিধন হ'ব কেনেকৈ ?

বিষ্ণু ঃ ৰাক্ষসেই প্ৰথমে স্বৰ্গ কৰিব আক্ৰমণ ; লংকাৰ দুৰ্গৰ পৰা ৰাক্ষসক আনিব লাগিব উলিয়াই -

ইন্দ্ৰ ঃ কিন্তু প্ৰভূ , কোনে কিদৰে ৰাক্ষসক লংকাৰ পৰা আনিব উলিয়াই ? বলৱন্তই নহয় সিহঁত , বুদ্ধিমানো । মাথো কৰি আছে সিহঁতে সুযোগৰ অপেক্ষা -----

বিষ্ণু ঃ তাৰ বাবে তুমি চিন্তা নকৰিবা দেৱেন্দ্ৰ । আমি ইয়াৰ কৰিম ব্যৱস্থা । তোমালোক এতিয়া নিজ স্থানলৈ গমন কৰি ৰণৰ বাবে হোৱাগৈ প্ৰস্তুত ।

ব্ৰহ্মা ঃ পালনকৰ্তাই দায়িত্ব লৈছে যেতিয়া নিশ্চিন্তে থাকা দেৱগণ। প্ৰভূ, আমি এতিয়া বিদায়হে মাগো --

বিষ্ণু ঃ যাওঁক দেৱগণ , আমিও কাৰ্য্যত হওঁগৈ অগ্ৰসৰ ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত বিশ্বশ্ৰবা আৰু দেৱবৰ্ণিনীৰ প্ৰৱেশ ------**

**গীত - ( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে ঋষি বিশ্বশ্ৰবা।**
**সঙ্গে আহে তাৰ ভাৰ্যা কুবেৰৰ মাতা।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**সভাসদে হৰি হৰি বোলা নিৰন্তৰ ।।**

বিশ্ব ঃ হে প্ৰভূ , আমাৰ সেৱা কৰিবা গ্ৰহণ --( স্তুতি )

নমো নমো নাৰায়ণ কমললোচন।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণাম।।
ধূপদীপ পুষ্পাঞ্জলী কৰিছো অৰ্পণ।
নিজ গুণে তুষ্ট হৈয়া কৰিবা গ্ৰহণ।।

( কথা )হে কমললোচন শ্ৰীহৰি, কৃপা কৰিবা ; কুশলে ৰাখিবা আশ্ৰমৰ পশু - পক্ষী আৰু তপস্বীগণক -

দেৱবৰ্ণিনী ঃ স্বামী, পত্নীৰ সেৱা কৰক গ্ৰহণ ----

বিশ্ব ঃ উঠা দয়িতা, তোমাৰ বাবেই আমাৰ এই আশ্ৰম ফলে - ফুলে হৈছে জাতিষ্কৃত । শিষ্যগণো হৈছে আনন্দিত । তোমাৰ ত্যাগ আৰু কষ্টক শলাগিছো আমি ।

দেৱবৰ্ণিনী ঃ স্বামী , শলাগ জনাই মোক নকৰিব লজ্জিত । মই মাথো পত্নীৰ ধৰ্মহে কৰিছো পালন ।

বিশ্ব ঃ দেৱবৰ্ণিনী , তোমাৰ দৰে পত্নীক পাই নিজকে মানিছো ধন্য । কান্তা , অপেক্ষা কৰি আছে শিষ্যগণে আমাৰ বাবে । তেওঁলোকৰ লগতে আমিও আহাৰ গ্ৰহণ কৰোঁগৈ ব'লা ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত সুমালী, মাল্যবান আৰু মালী ------**

সুমালী ঃ দাদা, আপোনাৰ কৌশল , আপোনাৰ চিন্তন অতি চমৎকাৰ । তীক্ষ্ণ দৃষ্টি ৰাখিছো মৰতত ; ৰাক্ষসৰ বিভীষিকা বিস্তাৰিছো জগতত ; হ'ব দিয়া নাই যজ্ঞ এই মৰতত , হাঁহাকাৰ লাগিছে নিশ্চয় স্বৰ্গলোকত হাঃ হাঃ --

মালী ঃ সঁচা কথা দাদা। যজ্ঞৰ পূণ্য নাপাই নিশ্চয় দেৱতাই কৰিছে ক্ৰন্দন। মৰতৰ যি মুৰ্খ ভক্তই বিষ্ণুক বুলিছিল ভগৱান, সেই বিষ্ণু ভগৱানো আজি মালীৰ নিষ্ঠুৰতাত হৈছে কম্পমান হাঃ হাঃ

**সূত্ৰ ঃ এনেতে নাৰদ-----**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ------

সুমালী ঃ আঃ দেৱৰ্ষি , কিয় লৈছা তুমি নাৰায়ণৰ নাম আমাৰ সন্মূখত ? নাৰায়ণ আমাৰ চিৰ শত্ৰু , নাৰায়ণৰ তপ, জপ বন্ধ কৰিছো এই জগতত । তেনেস্থলত তুমি নাৰায়ণৰ নাম উচ্চাৰণ কৰিছা আমাৰ সন্মুখত

মাল্যবান ঃ ভাতৃ সুমালী , দেৱৰ্ষিৰ প্ৰতি কটু বাক্য নকৰিবা প্ৰয়োগ । এখেত সকলোৰে আদৰৰ , নাই এখেতৰ হৃদয়ত কোনো কপট ভাৱ । আহক আহক দেৱৰ্ষি, স্বাগতম জনাইছো আপোনাক স্বৰ্ণলংকাত ।

নাৰদ ঃ ধন্যবাদ ; বাঃ সঁচাই অতিকে বিতোপন এই স্বৰ্ণলংকা । দেৱেন্দ্ৰৰ অমৰাৱতীতকৈও বিতোপন । হাঃ হাঃ কিয়বা নকৰিব -- ? জেউতি বঢ়াইছে তাতে আপোনাসৰ তিনিও ভাতৃৰ অতুলনীয় পৰাক্ৰমে । যি ভাৱি আহিছিলো আমি আ-হাহা তাতকৈ শতগুণে শ্ৰেষ্ঠ আপোনাসৰৰ ৰাজ্য।

সুমালী ঃ লংকাৰ প্ৰশংসা শুনি সুখী হ'লো দেৱৰ্ষী । কোৱা দেৱৰ্ষি, আছেনেকি কিবা নতুন সংবাদ সেই স্বাৰ্থপৰ নিলাজ দেৱতাৰ --- ?

নাৰদ ঃ নাৰা... দেৱতাৰ সংবাদ নুসুধিব ৰাক্ষসৰাজ। স্বৰ্গৰ বাবে এতিয়া যোগ্য নহয় দেৱতা । দেৱেন্দ্ৰ আজি শক্তিহীন, মতিভ্ৰষ্ট ; দেৱগণো হৈছে অপেশ্বৰীৰ নৃত্যত আচ্ছন্ন। মুঠতে অৰাজক এতিয়া স্বৰ্গপুৰীত।

মাল্যবান ঃ দেৱৰ্ষি, দেৱগণৰ এনে কাৰ্যত দেৱতাৰ হিতৈষী নাৰায়ণে জানো লোৱা নাই কোনো পদক্ষেপ ? তেওঁটো দেৱতাৰ হিতৰ বাবে সদা তৎপৰ ।

নাৰদ ঃ বহু কষ্ট কৰিলে নাৰায়ণে দেৱতাক সুমতি দিবলৈ। কিন্তু দেৱগণে ----বুজিছে ৰাক্ষস ভ্ৰাতাত্ৰয়, দেৱতাৰ এনে অধঃপতন দেখি নাৰায়ণো হৈছে ক্ষুণ্ণ। অ--হে প্ৰভূ, এইয়া মই কি কৰিলো ? দেৱতাৰ বৰ্তমানৰ স্থিতি মই মৰ্ত্ত্যবাসীক কৰিলো অৱগত । হে ৰাক্ষস ভাতাত্ৰয়, বিশ্বাস কৰি আপোনাসৱক দেৱতাৰ দুৰ্বলতা কৰিলো ব্যক্ত। কৃপা কৰি আপোনাসৱে এই কথা মৰ্ত্ত্যত নকৰিব প্ৰকাশ। নতু কোনো বীৰ মনুষ্য, যক্ষ, দৈত্য নতুবা ৰাক্ষসে এই সুযোগতে স্বৰ্গ কৰিব দখল।

মাল্যবান ঃ হাঃ হাঃ আপুনি নিশ্চিন্ত থাকক দেৱৰ্ষি, আমি নহওঁ আপোনাৰ দৰে বিশ্বাসঘাটক ----

নাৰদ ঃ ধন্যবাদ জ্যেষ্ঠ ৰাক্ষস । তেন্তে এতিয়া মই বিদায়হে মাগিছো --- নাৰায়ণ, নাৰায়ণ। **(প্ৰস্থান)**

মালী ঃ দাদা, এয়াই সুৱৰ্ণ সুযোগ । দুৰ্বল দেৱতাক আক্ৰমণ কৰি দখল কৰোঁ স্বৰ্গৰাজ্য ।

সুমালী ঃ ক্ষান্ত হোৱা ভাই, নহ'বা উত্তেজিত । দাদা, দেৱৰ্ষিৰ বক্তব্যত মোৰ জাগিছে সন্দেহ ---

মাল্যবান ঃ দেৱৰ্ষিৰ বচনত সন্দেহৰ অৱকাশ মই দেখা নাই ভাতৃ । দেৱতাৰ আচৰণত দুখিত হৈয়ে অকস্মাতে সত্য ঘটনাকেই বৰ্ণনা কৰিলে যেন লাগিছে দেৱৰ্ষিয়ে ------

মালী ঃ দাদা, বিষ্ণুৱে দেৱতাক সহায় কৰক বা নকৰক সেইটো নহয় আমাৰ বিচাৰ্য । বিষ্ণুসহ দেৱতাক পৰাস্ত কৰাৰ শক্তি আছে মোৰ দুবাহুত । গতিকে ব'লক খলকনি তুলি সমুদ্ৰত, গৰ্জন তুলি আকাশত প্ৰলয়ংকাৰী ধুমুহাৰ দৰে মষিমুৰ কৰোঁ দেৱগণক ।

সুমালী ঃ তেন্তে সেয়াই হওক ভাতৃ, ওলোৱা সকলোটি যুদ্ধৰ সাজেৰে ; ঘোষণা প্ৰচাৰ কৰা মোৰ ৰক্ষ বাহিনীত বজায় প্ৰলয় ভেৰী, বিজয় দুন্দুভী, পদভৰে কঁপাই ধৰিত্ৰী, সিংহনাদে গৰজি উঠি ৰাক্ষসৰ যুদ্ধযাত্ৰা হওক আৰম্ভণ ---

মালী ঃ জয় ৰক্ষৰাজ সুমালীৰ, জয় ৰক্ষৰাজ সুমালীৰ, জয় ৰক্ষৰাজ সুমালীৰ ---

**সূত্ৰ ঃ ৰাক্ষসগণৰ প্ৰস্থান । আনফালে ৰণসাজে দেৱগণ --**

ইন্দ্ৰ ঃ হাঃ হাঃ দেৱগণ, আমাৰ ষড়যন্ত্ৰ হৈছে সফল ; দেৱৰ্ষীৰ কৌশল হৈছে সফল ; সৱগৰ দিশে আহিছে অধম ৰাক্ষস ; ৰণৰ বাবে সৱে হওক প্ৰস্তুত --

**সূত্ৰ ঃ এনেতে ৰাক্ষসগণ আহে --**

সুমালী ঃ হাঃ হাঃ অধম দেৱতা, চা সন্মূখত আজি তহঁতৰ এই ৰাক্ষস ভাতাত্ৰয় । সিংহৰ সন্মূখত শিয়াল যেনে, হস্তীৰ সন্মূখত শহা যেনে -- আমাৰ সন্মূখত তহঁত তেনে ---

ইন্দ্ৰ ঃ অধম ৰাক্ষস, ৰণ কৰিলেই বুজি পাবি কাৰ কিমান পৰাক্ৰম ?

সুমালী ঃ উত্তম, অতি উত্তম, ভাতৃ কৰা আক্ৰমণ ---

**সূত্ৰ ঃ দুয়ো দলৰ যুদ্ধ ------- ( বাজনা ভঙ্গী ) ----**

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি মালীক বাদ দি বাকীসকলৰ প্ৰস্থান।**

মালী ঃ হাঃ হাঃ পলাইছে সৰগৰ দেৱগণ আজি ৰণ এৰি পলাইছে --- নেৰিবা দাদা , নেৰিবা সেনাগণ এটা এটাকৈ দেৱতাক কৰা হত্যা ----

**সূত্ৰ ঃ এনেতে হাতে সুদৰ্শন ধৰি বিষ্ণু--------**

বিষ্ণু ঃ সাৱধান মালী , বহু অন্যায় , বহু কষ্ট দিলি তই আমাৰ ভক্তৰ ওপৰত আৰু তাৰেই পৰিণতিত আজি আমি তোৰ সন্মূখত ।

মালী ঃ ই কি বিষ্ণু , তাকো ৰণৰ সাজে ? আঃ চক্ৰান্ত এয়া দেৱ-নাৰায়ণৰ । বুজিলো , দেৱৰ্ষিৰ জড়িয়তে চল কৰিলে দেৱতাই ; তথাপি নকৰোঁ ভয় । বিষ্ণু, সহজেই সাক্ষাত পালো তোৰ। পৰাস্ত কৰি আজি তোক দেখুৱাম জগতবাসীক নহয় ভগৱান তই , চক্ৰান্তকাৰী এক পাষণ্ডহে তই ----

বিষ্ণু ঃ অহংকাৰী ৰাক্ষস , আজি তই নাপাবি পৰিত্ৰাণ । এই সুদৰ্শনে আজি তোৰ কৰিম শিৰচ্ছেদ-

গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল , ৰচক )

নাৰায়ণক নিচিনিলি দুৰাচাৰী মালী ।
মিথ্যা দম্ভে মৰণক ললি আঁকোৱালি ।।
দেখা দেখা সভাসদ যুদ্ধ ভয়ংকৰ ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন ।।

**সূত্ৰ ঃ সুদৰ্শনে মালীক শিৰচ্ছেদ কৰে। দেৱগণ আহে ---**

অগ্নি ঃ জয় নাৰায়ণৰ জয় , জয় নাৰায়ণৰ জয় , ------

বিষ্ণু ঃ দেৱগণ, মালীৰ মৃত্যুত ভীতিগ্ৰস্ত হৈ ৰাক্ষসে স্বৰ্গৰ পৰা কৰিছে পলায়ন। কিন্তু , স্বৰ্গ যদি কৰা নিষ্কণ্টক তেন্তে যোৱা দেৱগণ , মৰ্ত্যৰ পৰাই আঁতৰ কৰোঁৱা ৰাক্ষসক ।

ইন্দ্ৰ ঃ আদেশ পালন কৰা হ'ব প্ৰভু । ব'লক দেৱগণ , মৰ্ত্যৰ পৰাই ৰাক্ষসক কৰোঁগৈ বিতাৰণ ।

**সূত্ৰ ঃ প্ৰথমে দেৱগণ, পাছত নাৰায়ণৰ প্ৰস্থান। আনফালে সভাত কুবেৰৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ গান্ধাৰ, তাল ঃ ধৰমজ্যোতি, একতাল )

প্ৰৱেশয় সভাৰ মাজে বিশ্বশ্ৰবা সুত।
কুবেৰ নামে ইটো জগতত খ্যাত ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
সভাসদে হৰি হৰি বোলা নিৰন্তৰ।।

কুবেৰ ঃ বিশ্বশ্ৰবা তনয় মই, নাম মোৰ কুবেৰ । মোৰ বৈভৱত হৈ প্ৰভাৱিত দেৱগণেও পাতে মিত্ৰতা মোৰেই লগত ; আদৰ কৰে মোক নাৰায়ণেও । নিমন্ত্ৰণ দিছে সেয়ে দেৱ-নাৰায়ণে ; নিশ্চয় পাম কিবা শুভ সংবাদ । নাপাম কিয় ? কুবেৰ মই বিশ্বশ্ৰবা তনয়, যাঁও মই নাৰায়ণৰ পাশে --

**সূত্ৰ ঃ কুবেৰৰ প্ৰস্থান । আনহাতে বিশ্বশ্ৰবা ------**

বিশ্ব ঃ হে দয়াময় শ্ৰীহৰি নাৰায়ণ , তুমিয়েই সৃষ্টিৰ অধিকাৰী । দুষ্টক দমন আৰু সন্তক পালনেৰে জগত কৰি আছা উদ্ধাৰ । কৃপাদৃষ্টি বৰষিবা এনেদৰেই জগতৰ জীৱকুলৰ ওপৰত ---হৰি ঔম ---

**সূত্ৰ ঃ বিশ্বশ্ৰবা ধ্যানত বহে । এনেতে কৈকসী -----**

কৈকসী ঃ হে ঋষিশ্ৰেষ্ঠ , মোৰ সেৱা গ্ৰহণ কৰক।

বিশ্ব ঃ উঠা , উঠা , ভাগ্যৱতী হোৱা । কোন তুমি ? কিয় আহিলা মোৰ আশ্ৰমলৈ ?

কৈকসী ঃ মোৰ দৰে অভাগিনীক ভাগ্যৱতী হোৱাৰ আৰ্শীৰ্বাদ দি উপহাস নকৰিব ঋষিবৰ ; মোৰ নাম কৈকসী ।

বিশ্ব ঃ কৈকসী -- ; কিয় কোৱা তুমি নিজকে অভাগিনী বুলি ? ভগৱন্তই সকলোকে কৰিব দয়া।

কৈকসী ঃ কিয় নক'ম নিজকে অভাগিনী বুলি ? ঋষিবৰ ,সকলোৰে ঘৃণীত ৰাক্ষস কুলত জন্ম মোৰ । সুমালী নন্দিনী মই । কিন্তু, দেৱতাৰ হাতত ৰাজ্যহাৰা হৈ পলাই ফুৰিছো আমি । জাতত ৰাক্ষস যদিও মোৰ হৃদয়ত তপশালী এজন মহান তপস্বীক স্বামীৰূপে দিলো স্থান। পাছে লাগিছে ভয়, ল'ব জানো তপস্বীয়ে ঘৃণীত , অস্পৃশ্য এই ৰাক্ষসীক পত্নীৰূপে আদৰি ?

বিশ্ব ঃ দৈত্য , দানৱ , মনুষ্য সকলো প্ৰভূৰ সৃষ্টি । জাতত নহয় অসৎ, কৰ্মকহে ঘৃণা কৰে তপস্বীয়ে। তাতে তোমাৰ দৰে গুণৱতী , ৰূপৱতী নাৰীক কিয় পত্নী ৰূপে নল'ব সেই তপস্বীয়ে ?

কৈকসী ঃ যদি সেই তপশালী মহান তপস্বীজন আপুনিয়ে হয় ----- ?

বিশ্ব ঃ কৈকসী , ----- কি কৈছা এয়া তুমি ?

কৈকসী ঃ কিয় ঋষিবৰ ? নিজৰ বেলিকা আপুনি কিয় হ'ল আঁচৰিত ? জানিছিলোৱেই মই , মোৰ দৰে এক নীচ জাতিৰ , কুৰূপা নাৰীক পত্নীৰূপে আপুনি কদাপি নকৰে গ্ৰহণ ।

বিশ্ব ঃ তুমি কুৰূপা নহয় কৈকসী ; জাতত নীচ বুলিও নকওঁ মই। কিন্তু মই যে বিবাহিত। আছে মোৰ পত্নী - পুত্ৰ। তেনেস্থলত যদি মই কৰোঁ বিবাহ , যুৱ পুত্ৰ - পত্নীৰ লগতে জগতে নিন্দিব মোক ।

কৈকসী ঃ আপোনাৰ বংশ পৰিয়ালৰ বিষয়ে জ্ঞাত মই, তথাপি আকৃষ্ট হৈছিলো আপোনাৰ প্ৰতি। নালাগে নালাগে আপুনি লোক সমাজত হ'ব নিন্দিত । অভাগি হৈ জনম লভিছো যেতিয়া অভাগিনী হৈয়ে থাকিম জীয়াই । মোহভঙ্গ হ'লে এই জীৱনৰো মই ঘটাম অৱসান ।

বিশ্ব ঃ কৈকসী ; নক'বা নিজকে আৰু অভাগিনী বুলি । ভাগ্যৰ লিখন আৰু প্ৰভূৰ ইচ্ছা বুলি ল'লো মই সিদ্ধান্ত , পত্নীৰূপে মই তোমাক কৰিম গ্ৰহণ । অ কৈকসী , হে আকাশৰ দেৱগণ আৰু যত আছে জগতৰ তৰু , তৃণ , জীৱগণ সকলোকে সাক্ষী কৰি সুমালীনন্দিনী কৈকসীক আজিৰ পৰা পত্নীৰূপে মই কৰিলো গ্ৰহণ --- ( **মাঙ্গলিক বাদ্য বাজে** )

কৈকসী ঃ আশীৰ্বাদ কৰিব নাথ , পত্নীৰ দায়িত্ব যেন মই কৰিব পাঁৰো পূৰণ ---

বিশ্ব ঃ উঠা কৈকসী , এতিয়া যাওঁ আমি ব'লা আমাৰ কুটীৰলৈ ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দুখমনে দেৱবৰ্ণিনী ---; পাছত বিশ্বশ্ৰবা আহে ---**

**গীতঃ ( ৰাগ - বেলুৱাৰ ; তাল - ৰূপক )**

**চলি আহে মন দুখে দেৱবৰ্ণিনী।**
**কিনো কাৰ্য কৰে স্বামী সতিনীক আনি ।।**

বিশ্ব ঃ দেৱবৰ্ণিনী , কান্তা মোৰ , কিয় কৰিছা আজি তুমি মোৰ প্ৰতি এনে আচৰণ ?

দেৱবৰ্ণিনী ঃ তেন্তে কি কৰোঁ মই ? সতিনীৰ আগমনত কি মই আনন্দত কৰোঁ নৃত্য ? ধূপ দীপ জ্বলাই জনাওঁ সম্ভাষণ , নে সুমিষ্ট আহাৰেৰে কৰাওঁ আপ্যায়ন ? কওঁক স্বামী কি কৰোঁ মই ?

বিশ্ব ঃ কান্তা, মোৰ অৱস্থাৰ কথাও এবাৰ কৰা চিন্তা । ৰাক্ষস জাতিৰ বুলি যদি কৈকসীৰ প্ৰস্তাৱ মই কৰোঁ অগ্ৰাহ্য , জাত পাতৰ কৰিলে বিচাৰ কৰিলে বুলি জগতে নিন্দিব মোক । আশ্ৰয় বিচাৰি অহা অভাগিনী কৈকসীক যদি মই কৰোঁ প্ৰত্যাখ্যান তেন্তে সেয়াও জানো নহ'ব পাপ ?

দেৱবৰ্ণিনী ঃ নিজৰ বাবে নহয় স্বামী , অন্ততঃ এবাৰ হ'লেও ভাবিব লাগিছিল যুৱ পুত্ৰ কুবেৰৰ কথা । কন্যাসম

কৈকসীক বিবাহ কৰাওঁতে এবাৰো নাভাৱিলে নিজৰ লগতে পুত্ৰৰ পদমৰ্য্যাদাৰ কথা। অ , মোৰেই ভুল , ক'ত ভাৱিব আপোনালোকে ? পুৰুষ শাসিত সমাজত কেইবাগৰাকী পত্নী ৰখাটোত পুৰুষৰ বাবে নাই বাধা , অথচ এই কাৰ্য যদি কৰে কোনো নাৰীয়ে তেন্তে সেই নাৰী হ'ব পতিতা । কৈকসী আজি পূৰ্ণিমাৰ চন্দ্ৰমা আৰু আমি হৈছো অমানিশাৰ পপীয়া তৰা । যাওক স্বামী , চন্দ্ৰমাৰ আভাত হওকগৈ উদ্ভাসিত ---- ( যাব খোজে )

সূত্ৰ ঃ **এনেতে হাতত ফল -মূল লৈ কৈকসী আহে -------------**

কৈকসী ঃ অ বাইদেউ , মোৰ সেৱা কৰক গ্ৰহণ --

সূত্ৰ ঃ **দেৱবৰ্ণিনীয়ে দুখমনে প্ৰস্থান কৰে ( কৈকসীৰ মুখত কুটিলতাৰ হাঁহি বিয়পি পৰে )--**

বিশ্ব ঃ কান্তা , কান্তা ----

কৈকসী ঃ বুজিছো স্বামী , মোৰ আগমনে আপোনাৰ জীৱনলৈ আনিছে অশান্তি । কি কৰিম নাথ ?ময়ে কুলক্ষণী, লৈছো সিদ্ধান্ত গুচি যাম মই আপোনাৰ কাষৰ পৰা বহু দুৰলৈ ।

বিশ্ব ঃ এয়া তুমি কি কৈছা কৈকসী ? তোমাক লৈ মই কিয় ভুগিম অশান্তিত ?

কৈকসী ঃ তেন্তে স্বামী আনিছো আপোনাৰ বাবে এই সুমিষ্ট ফল । গ্ৰহণ কৰি মোক কৰক কৃতাৰ্থ ।

বিশ্ব ঃ দিয়া কৈকসী, সঁচাই সুমিষ্ট ফল। প্ৰিয়ে, ৰক্ষৰ নন্দিনী হৈও আদৰি লৈছা তুমি আশ্ৰমী জীৱন। তোমাৰ শুশ্ৰূষাত মই হৈছো সন্তুষ্ট । আছে নেকি কিবা অপূৰ্ণ আশা তোমাৰ মনত -- ?

কৈকসী ঃ (স্বগতঃ) এয়াই সুবৰ্ণ সুযোগ -- ( প্ৰকাশ্যে ) স্বামী, যদি সন্তুষ্ট আপুনি মোৰ ওপৰত তেন্তে কৰি সহবাস এই ক্ষণত আমাৰ সঙ্গে অদ্ভুত , বলবান পুত্ৰৰ জননী হোৱাত আমাক কৰক কৃপা --

বিশ্ব ঃ কৈকসী , এই অশুভ সন্ধ্যা বেলাত কিয় কৰা তুমি এনে কামনা ?

কৈকসী ঃ স্বামী, নহয় অশুভ এই ক্ষণ ; পাইছো আপোনাক কাষত, কৃপা কৰি মোক কৰক আলিঙ্গন --

বিশ্ব ঃ কৈকসী ; তপস্বিনী হৈ তুমি বেশ্যাৰ দৰে কৰিছা আচৰণ ---

কৈকসী ঃ জানিছিলো স্বামী, দেৱবৰ্ণিনীহে আপোনাৰ প্ৰিয় ; সেয়ে কান্তা, কান্তা বুলি আপুনি কৰিছিলে ক্ৰন্দন। কাতৰ কৰি আমি মাগিলো প্ৰেম ভীক্ষা, কিন্তু বেশ্যা বুলিহে আমাক কৰিলে নিন্দা -

বিশ্ব ঃ তেনে ভাৱ মনলৈ তুমি কিয় আনিছা প্ৰিয়ে ? শুভ ক্ষণত তোমাৰো কামনা --

কৈকসী ঃ নালাগে স্বামী, নালাগে ; নিবিচাৰো একো আপোনাৰ পৰা । বাধ্যত পৰিহে আপুনি মোক ---

বিশ্ব ঃ প্ৰিয়ে ; নকৰিবা বেজাৰ ; ---- বাৰু, তোমাৰ মনোবাঞ্ছা মই কৰিম পূৰণ ।

কৈকসী ঃ স্বামী -- ; তেন্তে ব'লক স্বামী , ধন্য হ'ব আজি মোৰ জীৱন ----

সূত্ৰ ঃ **দুয়োৰে প্ৰস্থান। আনফালে শ্ৰীবিষ্ণু--------**

বিষ্ণু ঃ বিধাতাৰ লিখন কোনেও নোৱাৰে খণ্ডাব । ঋষি বিশ্বশ্ৰবা , কৈকসীৰ লগত তোমাৰ বিবাহ পূৰ্ব নিৰ্ধাৰিত ; আৰু কৈকসী অদ্ভুত পুত্ৰৰ জননী হোৱাৰ তোমাৰ বাসনাও পূৰ্ব নিৰ্দ্ধাৰিত , আমাৰদ্বাৰাই ৰচিত । নহ'লে বৈকুণ্ঠৰ দ্বাৰপাল জয় আৰু বিজয়ে অভিশাপৰ পৰা কেনেকৈ পাব মুক্তি ?

সূত্ৰ ঃ **এনেতে নাৰদ ----**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ --- আপোনাৰ লীলা সঁচাই বিচিত্ৰ প্ৰভূ ।

বিষ্ণু ঃ দেৱৰ্ষি , কিয়বা বুলিলা এনে বচন ?

নাৰদ ঃ প্ৰভূ, বিশ্বশ্ৰবাৰ দৰে মহৰ্ষিয়ে কৈকসীক ললে পত্নীৰূপে আদৰি আৰু কৈকসীয়ে জন্ম দি সন্তান মহৰ্ষিৰ সংসাৰ কৰিছে পূৰ্ণ । এয়া জানো প্ৰভূ আপোনাৰেই নহয় লীলা ?

বিষ্ণু ঃ তোমাৰ দৃষ্টিত যদি পৰিলেই ধৰা আমিনো কেনেকৈ তাক কৰিম অগ্ৰাহ্য ?

নাৰদ ঃ নাৰায়ণ-- পাছে প্ৰভূ, কৈকসীৰ পুত্ৰ ৰাৱন আৰু কুম্ভকৰ্ণৰ প্ৰতি আমাৰ জাগে সন্দেহ --

বিষ্ণু ঃ কথাৰ ৰহণ সানিছা দেৱৰ্ষি ; বাৰু শুনা তেন্তে সত্য বৈকুণ্ঠৰ দ্বাৰৰক্ষী শাপিত জয়েই জনম লৈছে কৈকসীৰ গৰ্ভত ৰাৱন ৰূপে আৰু বিজয়ে জনম লৈছে কুম্ভকৰ্ণ ৰূপে ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ ; প্ৰভূ , চাৰি সিদ্ধৰ দ্বাৰা শাপিত হৈ যেতিয়া জয় আৰু বিজয়ে আপোনাত লৈছিল শৰণ , দিছিল আপুনিয়ে তেওঁলোকক বিধান শত্ৰুৰূপে আচৰণ কৰি আপোনাৰ লভিব মুকুতি । কিন্তু প্ৰভূ , ৰাৱন আৰু কুম্ভকৰ্ণই ---- ?

বিষ্ণু ঃ আমাৰ কথন জানো কেতিয়াবা মিথ্যা হয় দেৱৰ্ষি ? সকলো কাম সময়ত হ'ব সমাধা ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, বুজিলো প্ৰভূ, আমি সকলো বুজিলো । এতিয়া আমি বিদায়হে মাগো প্ৰভূ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত ৰাৱন আৰু কুম্ভকৰ্ণৰ প্ৰৱেশ ( আশ্ৰমী সাজত ) ------</u>**

**<u>গীত ঃ ( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল , একতাল )</u>**

**প্ৰৱেশয় দশানন সভাৰ ভিতৰ ।**
**ভাতৃ সঙ্গে চলি আহে দেখিতে সুন্দৰ ।।**
**দেৱ কাৰ্য সাধে সৱে পিতৃৰ আদেশে।**
**হৰি হৰি ডাকি বোলা সামাজিক লোকে।।**

কুম্ভ ঃ প্ৰণাম দাদা -----

ৰাৱন ঃ উঠা ভাতৃ, পাছে তোমাৰ কাৰ্যত মই নহওঁ সন্তুষ্ট । কিয় কৰা তুমি দেৱেন্দ্ৰৰ লগত অহেতুক ৰণ ?

কুম্ভ ঃ কৰা নাছিলো দাদা মই অহেতুক ৰণ ; দেৱেন্দ্ৰই প্ৰথমে দিছিল বাধা মোক ক্ষুধা পূৰণত । সেয়ে ঐৰাৱতৰ দন্ত উঘালি বজ্ৰমুষ্টিৰে কৰিলো প্ৰহাৰ দেৱেন্দ্ৰৰ বক্ষত । কওক দাদা, ইয়াত জানো মোৰ হৈছে কিবা ভুল ?

ৰাৱন ঃ কম ভাতৃ কম ; প্ৰথমে নিজ আসন কৰা গ্ৰহণ ( বহে )-- ভাই কুম্ভ , ৰাখিবা মনত যদিওবা মাতৃ আমাৰ জাতত ৰাক্ষস , পিতৃ আমাৰ মহৰ্ষি বিশ্বশ্ৰবা । তোমাৰ কাৰ্যত যাতে পিতাৰ কুলত নালাগে কলংক তাৰবাবে লোভ আৰু ক্ৰোধ তুমি কৰিবা সম্বৰণ। ঋষিৰ পুত্ৰ হৈ পুনৰ যদি কৰা তেনে অকাৰ্য জগতে নিন্দিব তোমাক ।

কুম্ভ ঃ ক্ষমিব দাদা , নকৰোঁ আৰু তেনে ভুল । কিন্তু দাদা নোৱাৰোঁ দমাব মই সহজে ক্ৰোধৰ দাবানল । কওক দাদা কিবাদৰে মই নিজকে কৰিম নিয়ন্ত্ৰণ ?

ৰাৱন ঃ তেজিবা দুৰ্জনৰ সঙ্গ, ল'বা সাধু সঙ্গ ; ইন্দ্ৰিয়ক দমন কৰি লভিবা সম্পদ । অপ্ৰাপ্য বস্তুলৈ নকৰিবা ইচ্ছা ; যিমানেই আসক্তি বাঢ়িব , সিমানেই বাঢ়িব দুখ । মনত ৰাখিবা ভাতৃ , ত্যাগৰ সমান নাই সুখ ।

**<u>সূত্ৰ ঃ এনেতে বিশ্বশ্ৰবা আহি পুত্ৰগণৰ বাৰ্তালাপ শুনে ----</u>**

বিশ্ব ঃ ধন্য ধন্য ৰাৱন , এনেদৰেই শাস্ত্ৰবাণী কৰিবা আলাপ --

ৰা+কু ঃ প্ৰণাম পিতৃদেৱ ---

বিশ্ব ঃ উঠা পুত্ৰগণ ; ৰাৱন, জ্যেষ্ঠ ভাতৃৰ কৰ্তব্য সুন্দৰকৈ কৰিছা পালন । শাস্ত্ৰজ্ঞ, বেদজ্ঞ ৰূপেও তুমি হৈছা নিপুণ । অচিৰেই দিম তোমাক মই শৰীৰ চৰ্চা আৰু অস্ত্ৰৰ শিক্ষণ । আশা কৰিম জ্যেষ্ঠ

ভ্ৰাতা কুবেৰৰ দৰে তুমিও জগতত হবা খ্যাতিমান ।

ৰাৱন ঃ পিতৃৰ এনে আশীষ পালে পুত্ৰৰ জীৱন হব ধন্য ।

বিশ্বশ্ৰবা ঃ ধন্য ৰাৱন ; বাৰু , এতিয়া ব'লা , সন্ধ্যা আৰতিৰ হৈছে সময় --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত এটা ময়ুৰ পক্ষীৰ প্ৰৱেশ ----**

**-----( বাজনা ঃ ভঙ্গী ) -----**

**সূত্ৰ ঃ ময়ুৰে চালি ধৰে ; এনেতে সুমালী আহে । পাছে পাছে মাল্যবান -----**

সুমালী ঃ আঃ চালি ধৰি আমাক কৰিছ উপহাস । এতিয়াই ইয়াক মই --( **খেদি যায়, ময়ুৰ পলাই যায়** )

মাল্যবান ঃ ভাতৃ , সুমালী -- এয়া কি কৰা তুমি ? আঃ ভাতৃ , কিয় তুমি হৈছা ইমান অস্থিৰ ?

সুমালী ঃ অ দাদা , মই অস্থিৰ হৈ পৰিছো ; প্ৰতিশোধ , প্ৰতিহিংসাৰ তীব্ৰ দাবানল জ্বলি আছে হিয়াৰ মাজত । যি পৰ্যন্ত কুবেৰক লংকাৰপৰা কৰিব নোৱাৰোঁ বহিস্কাৰ সেই পৰ্যন্ত শান্ত নহয় প্ৰতিশোধৰ দাবানল । ব'লা দাদা, বক্ষ ফালি কুবেৰৰ, কুবেৰৰ ৰক্তৰে প্লাৱিত কৰি বসুন্ধৰা, উদ্ধাৰ কৰোঁগৈ সুৱৰ্ণ লংকা ।

মাল্যবান ঃ ভাতৃ , মইয়ো ৰাক্ষস , মোৰ হৃদয়টো জ্বলি আছে প্ৰতিশোধৰ দাবানল । কিন্তু ভাতৃ , নহয় আমাৰ বাবে এয়া সুভ ক্ষণ । ধৰা ধৈৰ্য , কৈকসীয়ে নিশ্চয় আমাৰ সপোন কৰিব পূৰণ --

সুমালী ঃ ধৈৰ্য ধৰাৰ ক্ষমতা আৰু নাই মোৰ । ৰচিছিলো কৌশল, ভাবিছিলো বিশ্বশ্ৰবাৰ ঔৰসে কৈকসীৰ গৰ্ভে জন্ম হ'ব দুৰ্জয় সন্তান যাক দেৱ বিৰোধী কৰি উদ্ধাৰ কৰিব পাৰিম আমাৰ হেৰুৱা গৌৰৱ। কিন্তু নাতি মোৰ ৰাৱনৰ দেহত এই পৰ্যন্ত নেদেখিলো ৰক্ষ ৰক্ত । নেদেখিলো তাৰ উচ্চাকাংক্ষা । ধাৰ্মিক প্ৰৱৰ হৈ পিতৃ বিশ্বশ্ৰবাৰ আদৰ্শকে লৈছে সাৰটি ; আৰু তাৰ ভাতৃগণো হৈছে মাথো তাৰেই আজ্ঞাবাহী ভৃত্য ----------

**সূত্ৰ ঃ এনেতে কৈকসী-------**

কৈকসী ঃ প্ৰণাম জ্যেষ্ঠ পিতা , প্ৰণাম পিতা ।

সুমালী ঃ কিয় আহিলি কৈকসী, পিতাৰ দুৰৱস্থাৰ আমোদ লবলৈ ? নে নিজৰ অসমৰ্থতা ব্যাখ্যা কৰিবলৈ ?

কৈকসী ঃ পিতা , কি কৈছা এয়া তুমি ? কন্যাৰ ওপৰত কি তোমাৰ নাই ভৰসা ?

সুমালী ঃ নাই আৰু ভৰসা তোৰ ওপৰত ; কৰিছিলো বহু আশা , ৰচিছিলো ৰঙীন সপোন , ভাবিছিলো তোৰ গৰ্ভজাত সন্তানে উদ্ধাৰ কৰিব ৰাক্ষসৰ গৌৰৱ । কিন্তু সেই আশা মোৰ কদাপি নহব পূৰণ । ৰাক্ষসৰ জীয়ৰী হৈ এতিয়াও দিব নোৱাৰিলি তই ৰাৱনক ৰক্ষ সংস্কৃতি দান ।

কৈকসী ঃ নিৰাশ নহ'বা পিতা , মই তোমাৰ তনয়া আৰু ৰাৱন মোৰেই তনয় ।

সুমালী ঃ আৰু কি তাকে লৈ মই লভিম সান্তনা ? বুজিলো মই , নোৱাৰ তই বিশ্বশ্ৰবাই কৰিলে গ্ৰাস তোৰ ৰাক্ষসী সত্বাক ।

কৈকসী ঃ পিতা , নোৱাৰে গ্ৰাস কৰিব মোক ঋষি বিশ্বশ্ৰবাই । কেনেকৈ দেৱবিদ্ৰোহী কৰিব লাগে ৰাৱনক জানো মই । সময়ৰ শৰ মই সময়তেই কৰিম নিক্ষেপ । আছো মাথো সুযোগৰ অপেক্ষাত ।

সুমালী ঃ সুযোগলৈ আৰু নকৰিবা অপেক্ষা ; সময় গৈছে তীব্ৰ গতিত । তোমাৰ পুত্ৰগণো এতিয়া সৰ্ব দিশে সক্ষম । এতিয়াই যদি ৰাক্ষসৰ হিতৰ বাবে সিহঁতে নলয় পদক্ষেপ , তেন্তে সমস্ত ৰক্ষকুলে কৰিব আক্ষেপ , সময়েও দুষিব তোমাক আৰু তোমাৰ পুত্ৰগণক ---

কৈকসী ঃ তেনে ক্ষণ আহিব নিদিয়ে কৈকসীয়ে। মোৰ পুত্ৰ ৰাৱনেই উৰুৱাব ৰাক্ষসৰ বিজয় পতাকা, উদ্ধাৰ কৰিব স্বৰ্ণলংকা হাঃ হাঃ-- ; পিতা, এবে মই মাগিছো বিদায়, দিছো আশ্বাস, ৰাখিবা বিশ্বাস, এই কৈকসীয়ে কদাপি তোমাক পিতা নকৰে হতাশ -----

**সূত্ৰ ঃ ক্ৰোধেৰে কৈকসীৰ প্ৰস্থান ----**

সুমালী ঃ যোৱা আই, প্ৰজ্বলিত অগ্নিত ঢালি দিলো ঘৃতাহুতি। এইবাৰ অৱশ্যে প্ৰবল বেগেৰে বলিব ধুমুহা। শুভ দিন, শুভ লগ্ন চাপিলে ওচৰ। ৰাক্ষসৰ উন্নতি অতি সন্নিকট। ব'লা দাদা, সেই শুভ ক্ষণৰ বাবে আমি কৰোঁগে অপেক্ষা ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত বিভীষণৰ প্ৰৱেশ -----**

**গীত - (ৰাগ ঃ আশোৱাৰী, তাল ঃ একতাল )**

**চলি আহে সভাৰ মাজে ভক্ত বিভীষণ।**
**ধন জন ত্যেজি সৰ্ব চিন্তে নাৰায়ণ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে।**
**ডাকি হৰি হৰি বোলা সামাজিক নৰে।।**

বিভীষণ ঃ হে প্ৰভু, কৃপা কৰিবা তুমি আমাৰ ওপৰত। ভক্তি মাৰ্গৰ পৰা যাতে আমি নহওঁ বিচলিত।

**সূত্ৰ ঃ এনেতে ৰাৱন আৰু কুম্ভকৰ্ণ------**

ৰাৱন ঃ ভাই বিভীষণ-------

বিভীষণ ঃ হে মোৰ পূজনীয় জ্যেষ্ঠ ভাতৃগণ, কণিষ্ঠৰ সেৱা কৰক গ্ৰহণ।

ৰাৱন ঃ উঠা কণিষ্ঠ, তোমাৰ স্থান মোৰ হৃদয়ত।

কুম্ভ ঃ অটুত থাকে যেন আমাৰ তিনিওৰে মাজত এই ভাতৃত্বৰ বান্ধোন।

**(সূত্ৰ ঃ এনেতে বাহিৰত ৰথৰ শব্দ শুনা যায়---)**

কুম্ভ ঃ দাদা, গগণ ভেদি আহিছে এয়া কিহৰ শব্দ ? যদি কোনোবা আহিছে শত্ৰু তেন্তে নাপাব নিস্তাৰ সি মোৰ হাতৰ পৰা।

ৰাৱন ঃ উত্তেজিত নহ'বা ভাতৃ। ব'লা, প্ৰথমে কৰোঁগে নিৰীক্ষণ -----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনহাতে পুষ্পক ৰথত উঠি কুবেৰ আহে -----------**

কুবেৰ ঃ যোগ্যজনক যোগ্য সন্মান দেৱ - নাৰায়ণে কৰিলে প্ৰদান, স্বৰ্ণ লংকাৰ দায়িত্ব মোকেই কৰিলে অৰ্পণ, পালনকৰ্তা বিষ্ণুৱে চতুৰ্থ লোকপাল পদবীৰে সন্মানীত কৰিলে মোক। ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱৰ পাছতে এতিয়া স্থান মোৰ। সুদূৰ লংকাৰ পৰা আৰোহি পুষ্পকত নিমিষতে আহি পালোহি মই পিতাৰ আশ্ৰমত -- এয়াইতো মোৰ পৰাক্ৰম, কুবেৰ মই বিশ্বশ্ৰবা নন্দন --

**সূত্ৰ ঃ এনেতে ৰাৱন, কুম্ভকৰ্ণ আৰু বিভীষণ আহে ---**

ৰাৱন ঃ ভাতৃগণ, চোৰা শত্ৰু নহয়, আহিছে আশ্ৰমলৈ আমাৰ জ্যেষ্ঠ ভ্ৰাতা কুবেৰ ---

কুবেৰ ঃ অ ভাতৃগণ, আঁহা ভাতৃগণ আঁহা ------।

ৰাৱন ঃ প্ৰণাম দাদা, ভাতৃসহিতে ৰাৱনৰ ভক্তিভৰা সেৱা কৰক গ্ৰহণ।

কুবেৰ ঃ মোৰ স্নেহৰ ভাতৃ ৰাৱন, তোমাৰ স্থান মোৰ হৃদয়ত। আঁহা ভাতৃগণ, লওঁ আকোঁৱালি।

কুম্ভ ঃ দাদা, এয়াই নেকি আপোনাৰ ৰথ ? শুনিছিলো আমি এই ৰথৰ বিষয়ে।

কুবেৰ ঃ অ ভাতৃ , দেৱশিল্পী বিশ্বকৰ্মাৰ দ্বাৰা কৰালো নিৰ্মাণ মোৰ বাবে এই ৰথ ; নাম পুষ্পক । অতি বেগৱান , চালকৰ ইচ্ছা মতেই জল , স্থল , আকাশ মাৰ্গতো ই কৰে চলাচল ; পাছে ভাতৃগণ নাই আজি মোৰ হাতত বেছি সময় । মাতা - পিতাক সাক্ষাত কৰি যাত্ৰা কৰিম মই দেৱলোকলৈ

বিভীষণ ঃ তেন্তে ব'লক দাদা , পিতা আৰু জ্যেষ্ঠা মাতৃৰ সমীপে লৈ যাঁও আপোনাক ।

**সূত্ৰ ঃ কুবেৰক লৈ বিভীষণৰ প্ৰস্থান --------**

ৰাৱন ঃ সঁচাই অপূৰ্ব , অতি বিচিত্ৰ এই পুষ্পক ৰথ। সোণ আৰু ৰূপেৰে নিৰ্মিত ইয়াৰ স্তম্ভ । নক্ষত্ৰই যেনেদৰে নভোমণ্ডল কৰে শোভিত , তেনেদৰেই ইয়াত অংকিত প্ৰাকৃতিক শোভাই কৰিছে শোভিত । অতি ভাগ্যবান আমাৰ দাদা কুবেৰ , পুষ্পক ৰথত উঠি কৰে বিচৰণ।

**সূত্ৰ ঃ এনেতে ক্ৰোধমূৰ্ত্তি ধৰি কৈকসী -----------**

কৈকসী ঃ আৰু তুমি কি কৰিছা ৰাৱন ? কুবেৰৰ ভাগ্য আৰু বৈভৱক ৰ লাগি চাইছা । তোমাকো চাব জগতে যদিহে মাতৃৰ লগতে তোমাৰ মাতামহ সুমালীৰ পূৰণ কৰা আকাংক্ষা ।

ৰাৱন ঃ মাতৃ , কিয় বাৰে বাৰে মোৰ অন্তৰত জগাব খোজা শাসনৰ লিপ্সা ? কিয় দিব খোজা মোক শিক্ষণ প্ৰতিহিংসাৰ ?

কৈকসী ঃ প্ৰতিহিংসা নহয় পুত্ৰ । এয়া তোমাৰ কৰ্তব্য । অ পুত্ৰ , তুমি ৰাক্ষস জাতিৰ ভৱিষ্যতদ্ৰষ্টা ; তুমি ৰাক্ষস জাতিৰ ত্ৰাণকৰ্তা । পুত্ৰ , লংকাৰ ভাগ্যৰবি উদ্ধাৰৰ বাবে ৰাক্ষস জাতিয়ে আজি আশাৰে চাইছে তোমালৈ -----

ৰাৱন ঃ ক্ষমা কৰিবা মাতৃ , পূৰ্বেও কৈছো , এতিয়াও কঁও নোৱাৰিম মই তোমাৰ আদেশ পালিব ।

কৈকসী ঃ (খঙেৰে) ইমান অকৃতজ্ঞ , স্বাৰ্থপৰ নহবি ৰাৱন ----

ৰাৱন ঃ মাতৃ, মই নহয় স্বাৰ্থপৰ ; ৰাক্ষস কুল যেনেকৈ তোমাৰ বংশৰ , দেৱকুলো মোৰ পিতৃ বংশৰ । তেনেস্থলত কেনেদৰে হব পাঁৰো মই পিতৃকুলৰ বৈৰী ?

কৈকসী ঃ পিতৃকুলৰ মোহত তুমি নপৰিবা ৰাৱন । নাজানা তুমি বহু ৰহস্য ; আছে বহু নিৰ্মম সত্য --

**সূত্ৰ ঃ এনেতে সভাত পুনৰ কুবেৰ আৰু বিভীষণ আহে -----------**

কুবেৰ ঃ প্ৰণাম সৰুআই , যাবৰ পৰত আপোনাৰো পালো সাক্ষাত । কুবেৰৰ সেৱা গ্ৰহণ কৰক মাতৃ ।

কৈকসী ঃ উঠা কুবেৰ , তোমাক দেখি মই হ'লো অতিকে প্ৰসন্ন । পাছে , শীঘ্ৰেই কৰিছা যে প্ৰস্থান ?

কুবেৰ ঃ মাতৃ , দেৱলোকলৈ যাওঁ এক বিশেষ কাৰ্যত ; এতিয়া মই বিদায়হে মাগিছো -- ( **প্ৰস্থান** )

কৈকসী ঃ দেখিলা ৰাৱন , একেজন পিতৃৰ পুত্ৰ হৈ আজি কুবেৰৰ স্থান ক'ত আৰু তোমালোকৰ স্থান ক'ত ? যি লংকা আছিল এসময়ত তোমাৰ মাতামহৰ , চল কৰি দেৱতাই , চল কৰি বিষ্ণুৱে গটালে কুবেৰক । এতিয়া সেই কুবেৰক আঁতৰাই কিয় নোহোৱা তুমি লংকাৰ অধিপতি ?

ৰাৱন ঃ মাতৃ , ৰাক্ষস জাতিৰ পুনৰ উত্থানত মোৰ নাই আপত্তি । কিন্তু তাৰ বাবেতো মই জ্যেষ্ঠ ভাতৃ কুবেৰৰ বিৰুদ্ধে --- নাই নাই মাতৃ , কেনেদৰে হ'ব পাৰে জ্যেষ্ঠভাতৃ মোৰ প্ৰধান শত্ৰু ?

কৈকসী ঃ তুমি ভুল বুজিছা ৰাৱন, কুবেৰ নহয় তোমাৰ প্ৰধান শত্ৰু । আমাৰ প্ৰধান শত্ৰু হ'ল দেৱ নাৰায়ণ

ৰাৱন ঃ মাতৃ -- ? কেনেদৰে শত্ৰু হব পাৰে মোৰ প্ৰভূ নাৰায়ণ ? মোক আৰু বিচলিত নকৰিবা মাতৃ ; নোৱাৰিম মই তোমাৰ আদেশ পালিব ।

কৈকসী ঃ ৰাৱন; উসঃ ভবা নাছিলো মই তোৰ পৰা পাম বুলি এনে আচৰণ। অতদিন গৰ্ভত তোক মই

করিলো ধাৰণ ; বুকুৰ দুগ্ধ পান কৰাই লৈছিলো তোক বুকুত সাৱটি ¯আৰু এতিয়া প্ৰতিদান দিলি মাতৃৰ আশাক তই ভৱিৰে মোহাৰি । যা ৰাৱন, মাতৃ - পুত্ৰৰ সম্বন্ধ মই কৰিলো ছিন্ন।

ৰাৱন ঃ মাতৃ -------

কৈকসী ঃ মাতৃ বুলি মোক নকৰিবি সম্বোধন ----

ৰাৱন ঃ মাতৃ , ইমান নিষ্ঠুৰা নহবা তুমি ------------- ( **বিলাপ** )

ক্ষমা কৰা মাতৃ মোক ধৰোঁ চৰণত ।
কেনদৰে শত্ৰু মোৰ দেৱ - নাৰায়ণ ।।
দয়া কৰা মাতৃ মোক কৰোঁহো প্ৰাৰ্থনা ।
মোৰ দোষ মাতৃ তুমি কৰাহা মাৰ্জনা ।।

বিভীষণ ঃ মাতৃ, নিদিবা আমাক এনে কঠোৰ আদেশ । নোৱাৰোঁ কৰিব আমি নাৰায়ণৰ বিৰুদ্ধাচৰণ ---

কৈকসী ঃ তুমি মনে মনে থাকা বিভীষণ। তুমিটো কেৱল পিতাৰাৰ শিষ্য , দেৱতাৰ ভৃত্য । নেদেখো মই তোমাৰ গাত ৰাক্ষসৰ ৰক্ত। জ্যেষ্ঠ আৰু মাজুক লৈহে দেখিছিলো ৰাক্তসকুলৰ মুক্তিৰ স্বপ্ন---কিন্তু সিও আজি হ’ল মোৰ মোহ ভংগ ----

কুম্ভ ঃ মাতৃ, তোমাৰ বচনে মোক কৰিছে ব্যথিত । উৎকন্ঠা বাঢ়িছে হৃদয়ত । কোৱা মাতৃ , কিবাদৰে দেৱ - নাৰায়ণে ৰাক্ষসকুলৰ ঘটালে বিঘিনী ?

কৈকসী ঃ পুত্ৰ , কি ক’ম ৰাক্ষসৰ দুখৰ কাহিনী । দেৱতাই ৰাক্ষসক সদায় কৰে তুচ্ছ জ্ঞান । নাৰায়ণো নহয় ব্যতিক্ৰম । অদিতিৰ সন্তানক দেৱবংশ নামে নাৰায়ণে দিলে স্বৰ্গ আৰু দিতিৰ নন্দন হিৰণাক্ষ্য আৰু হিৰণ্যকশিপুক বিচিত্ৰ ৰূপ ধাৰণ কৰি নাৰায়ণেই দিলে প্ৰাণদণ্ড। তোমালোকৰ মাতামহ মালীকো নাৰায়ণেই কৰিলে হত্যা । এয়াই হৈছে তোমালোকৰ মাতৃকুলৰ দুৰ্ভাগ্যৰ কাহিনী ----

ৰাৱন ঃ আঃ মাতৃ, আৰু নুশুনাবা ৰাক্ষসৰ দুৰ্ভাগ্য । প্ৰতিশোধ, প্ৰতিহিংসাৰ দাবানল জ্বলিছে মোৰ হৃদয়ত।

কৈকসী ঃ জ্বলিছে ; অ জ্বলিবই লাগিব , জগাই তোল তোৰ প্ৰতিশোধৰ দাবানল --

ৰাৱন ঃ মাতৃ, শৰীৰত প্ৰবাহিত মোৰ তোমাৰ প্ৰাণদায়ী সঞ্জিৱনী দুগ্ধ । আঃ মাতৃ, আজি উঠিছে উঠলি ; মাতৃ , আৰু নকৰিবা ক্ৰন্দন ; তোমাৰ অশ্ৰু হাতত লৈ কৰিছো ঘোষণা আজি হন্তে চিৰ শত্ৰু হল মোৰ দেৱ-নাৰায়ণ ; উদ্ধাৰ কৰি প্ৰথমে স্বৰ্ণ লংকা তোমাৰ চৰণত মই কৰিম অৰ্পণ --

কৈকসী ঃ অ পাৰিবা, পাৰিবা ; তুমি মোৰ যোগ্য সন্তান। তুমিয়ে দিবা ৰাক্ষস জাতিক আলোকৰ সন্ধান -

কুম্ভ ঃ দাদা, আৰু নকৰোঁ অপেক্ষা ; ৰণোমত্ত মই । নহয় কেৱল লংকা উদ্ধাৰ ; দেৱ ৰক্তৰে প্লাৱন তুলি দেৱলোকত কাঢ়ি লম মই ইন্দ্ৰৰ ইন্দ্ৰাসন হাঃ হাঃ -- আই , আৰু নকৰিবা দুখ, অমৰাৱতীৰ গৰাকিনী হৈ স্বৰ্গৰ বৈভৱ তুমিও কৰিবা উপভোগ ----

বিভীষণ ঃ দাদা , এয়া কি কৈছে আপোনালোকে ? দেৱতাৰ বিৰুদ্ধে যাব আপোনাসৱ --- ?

ৰাৱন ঃ অ বিভীষণ, চিনিলো আমাৰ ধৰ্ম কি ? জানিলো আমাৰ কৰ্ম কি ? দেৱতাক কৰিলো চিৰ শত্ৰু জ্ঞান। ভাই কুম্ভ , ওলোৱা ত্ৰিভূৱণ কঁপাই কৰোঁ যাত্ৰা প্ৰথমে স্বৰ্গ আৰু তাৰ পাছত নাৰায়ণ --

কৈকসী ঃ ৰ’বা পুত্ৰ, দেৱতাক দুৰ্বল নকৰিবা জ্ঞান । প্ৰথমে নিজক কৰা প্ৰস্তুত। কৰা তপ সৃষ্টিকৰ্তাক -- কঠোৰ তপে হৃদয় জিনা দেৱ ত্ৰিপুৰাৰিৰ । লাভ কৰি অমৰত্ব দেৱতাক কৰিবা পদানত --

ৰাৱন ঃ উচিত পৰামৰ্শ মাতৃ , তেন্তে আজিয়েই যাত্ৰা কৰোঁ আমি তপস্যাৰ হেতু ।

কুম্ভ ঃ ব’লক দাদা , মইয়ো যাওঁ আপোনাৰ লগত । তুমি কি কৰিবা বিভীষণ ?

বিভীষণ ঃ দাদা , তপ যজ্ঞৰ প্ৰতি ময়ো নকৰোঁ অৱহেলা । ময়ো যাম সৃষ্টিকৰ্তাৰ তপস্যাৰ হেতু।

ৰাৱন ঃ তেন্তে মাতৃ , তিনিও ভাতৃ ওলালো সৃষ্টিকৰ্তাৰ তপস্যাৰ হেতু । আশীৰ্বাদ কৰা মাতৃ ---

কৈকসী ঃ যোৱা বাচাহঁত , মাতৃৰ আশীৰ্বাদ থাকে সদায় পুত্ৰৰ শিৰত ।

**সূত্ৰ ঃ তিনিওৱে তপস্যাৰ হেতু গমন কৰে । কৈকসীয়ে অকলে যি কয়-----------**

কৈকসী ঃ হাঃ হাঃ জানিছিলো মই, বিশ্বাস আছিল মোৰ ৰাৱনৰ ওপৰত । ৰাক্ষসৰ তেজ পৰিস্ফুট হ'ব এদিন পুত্ৰৰ দেহত । স্বামীৰ চেষ্টা গ'ল বিফলে , ৰাৱনক দেৱভক্ত হ'বলৈ নিদিলে কৈকসীয়ে --- সাৱধান দেৱতা , মোৰ দুই পুত্ৰ কালৰূপে তহঁতৰ ওপৰত পৰিব জঁপিয়াই। ৰাক্ষসক কৰা অপমানৰ, লংকাচ্যুত কৰি কৰা অপৰাধৰ ল'ব প্ৰতিশোধ , অ ল'ব চৰম প্ৰতিশোধ হাঃ হাঃ --

**সূত্ৰ ঃ কৈকসীৰ প্ৰস্থান । আনহাতে ৰাৱন, কুম্ভকৰ্ণ আৰু বিভীষণ-----**

ৰাৱন ঃ ভাতৃগণ , ইয়াতেই আমি সৃষ্টিকৰ্তাক কৰোঁ তপস্যা ।

বিভীষণ ঃ হয় দাদা , তপস্যাৰ বাবে এই স্থানেই হ'ব অতিকৈ উপযুক্ত ।

ৰাৱন ঃ তেন্তে ভাতৃগণ, আঁহা সৱে কৰোঁ আৰাধনা সৃষ্টিকৰ্তাক -------ঔম ব্ৰহ্মাদেৱায় নমঃ, ঔম ব্ৰহ্মাদেৱায় নমঃ, ঔম ব্ৰহ্মাদেৱায় নমঃ -----------

**সূত্ৰ ঃ ব্ৰহ্মাদেৱৰ আৱিৰ্ভাৱ হয় ---**

ব্ৰহ্মা ঃ ভক্তগণ, তোমালোকৰ তপস্যাত তুষ্ট হ'লো আমি ।

ৰা+কু+বি ঃ প্ৰণাম সৃষ্টিকৰ্তা ---।

ব্ৰহ্মা ঃ বিভীষণ, কণিষ্ঠ বুলি তোমাকেই দিছো প্ৰথম সুযোগ । কোৱা , কি বৰ লাগে তোমাক ?

বিভীষণ ঃ হে ব্ৰহ্মাদেৱ, নাই মোৰ ইচ্ছা ঐশ্বৰ্যশালী হোৱাৰ , নাই মোৰ ইচ্ছা পৰাক্ৰমী হোৱাৰ, কৰোঁ মাথো এটাই কামনা ভক্তি মাৰ্গত থাকি প্ৰভুৰ চৰণত যেন মই পাওঁ স্থান।

ব্ৰহ্মা ঃ সাধু সাধু ; অতি উত্তম বিভীষণ। তুমি মহান , তোমাৰ মনোবাঞ্চা হ'ব পূৰণ । তুমি হ'বা নাৰায়ণৰ এক মহান ভক্ত। কুম্ভকৰ্ণ, এইবাৰ তুমি কোৱা , তোমাৰ কামনা কি ?

কুম্ভ ঃ হে ব্ৰহ্মাদেৱ , এটাই আছে কামনা মোৰ --- হাঃ হাঃ দিয়ক দেৱ মোক নিদ্ৰাসন ----।

ব্ৰহ্মা ঃ তথাস্তু -------

ৰাৱন ঃ ভাতৃ , কি বৰ ল'লা তুমি ? নিবিচাৰি ইন্দ্ৰাসন , মাগিলা নিদ্ৰাসন । জানা ইয়াৰ পৰিণাম কি ?

কুম্ভ ঃ নিদ্ৰা---, আঃ দাদা এয়া মই কি বিচাৰিলো ? নিদ্ৰাসন নহয় দেৱ , মোক লাগে ইন্দ্ৰাসন ।

ব্ৰহ্মা ঃ কুম্ভকৰ্ণ , এবাৰ দিয়া বৰ আকৌ ঘুৰাই ল'ব পৰা নাযায় ।

কুম্ভ ঃ নাই নাই ব্ৰহ্মাদেৱ, মোৰ দোষ মাৰ্জনা কৰক। অনুগ্ৰহ কৰি এই বৰ আপুনি লওঁক ঘূৰাই। ই বৰ নহয় মোৰ বাবে, ই অভিশাপ । কৃপা কৰক দেৱ, কৃপা কৰক -- ( চৰণত পৰি কান্দে )

ৰাৱন ঃ হে বিৰিঞ্চি, অল্পমতি মোৰ ভাতৃয়ে অজ্ঞানবশতঃ নিদ্ৰাসন বুলি কৰে উচ্চাৰণ। মোৰ অধম ভাতৃক কৰক উদ্ধাৰ ------------------ ( স্তুতি )

নমো নমো চতুৰ্মুখ ভক্তৰ চিদাত্মা ।
প্ৰকৃতিৰ স্ৰষ্টা তুমি বেদৰ স্ৰজন্তা ।।
মূঢ়মতি অল্পমতি আমি যে অজ্ঞান ।
দয়া কৰি মোৰ ভাতৃক কৰা কৃপাদান ।।

ব্ৰহ্মা ঃ ৰাৱন, তোমাৰ স্তুতিত সন্তুষ্ট হৈ কুম্ভকৰ্ণক দিয়া বৰৰ কৰিছো কিছু সলনি -- শুনা, একেৰাহে ছমাহ নিদ্ৰাত থাকিব এওঁ। ছমাহৰ অন্তত এদিন হ'ব জাগ্ৰত। কৰিব উদৰ পূৰাই ভোজন উক্ত দিনাই। অজেয় হৈ ৰ'ব উক্ত দিনা। কিন্তু সাৱধান, ছমাহ পূৰ নহওঁতেই জাগ্ৰত কৰি কুম্ভকৰ্ণক ৰণলৈ পঠালে নিশ্চিত এওঁৰ মিলিব মৰণ, এই কথা মনত ৰাখিবা দশানন।

কুম্ভ ঃ ধন্যবাদ সৃষ্টিকৰ্তা ---; তযু চৰণত যাঁচিছো প্ৰণাম।

ব্ৰহ্মা ঃ ৰাৱন, কিয় আৰাধিলা তুমি আমাক ? কি ইচ্ছা পূৰণ কৰিব লাগিব আমি তোমাৰ ?

ৰাৱন ঃ হে সৃষ্টিকৰ্তা, সৰ্বজ্ঞ আপুনি; তথাপিও সুধিছে যেতিয়া দিয়ক মোক অমৰত্ব বৰদান।

ব্ৰহ্মা ঃ ৰাৱন, অমৰত্ব বৰ দিবলৈ অপাৰগ আমি।

ৰাৱন ঃ আপোনাৰ বাবে দেৱ নহয় একো অসম্ভৱ। ইচ্ছা কৰিলে আপুনি সলাব পাৰে এই সৃষ্টি। তেন্তে কিয় মোক অমৰত্ব প্ৰদানত কৰিছে কৃপাণালী ----

ব্ৰহ্মা ঃ অবুজ নহ'বা ৰাৱন, তুমি শাস্ত্ৰজ্ঞ, জানাই তুমি জন্মিলে জীৱই ধৰাত মৃত্যু অনিবাৰ্য। ৰাৱন অমৰত্বৰ বাহিৰে যিহকেই বিচাৰা তুমি তাকে আমি কৰিম প্ৰদান।

ৰাৱন ঃ যদিহে নিদিয়ে অমৰত্ব বৰ, তেন্তে প্ৰদান কৰি আপোনাৰ অমোঘ অস্ত্ৰ দিয়ক মোক অজেয় বৰ -

ব্ৰহ্মা ঃ তথাস্তু; প্ৰদান কৰিলো তোমাক আমাৰ অমোঘ অস্ত্ৰ আৰু দিছো বৰ যক্ষ, ৰক্ষ, দেৱ, গন্ধৰ্ব কাৰোৰে হাতত তোমাৰ নহ'ব মৰণ। পাছে ৰাৱন, কৰিছো সাৱধান মনুষ্যৰ লগত তুমি কদাপি নকৰিবা বৈৰীতা আচৰণ --

ৰাৱন ঃ কৃতাৰ্থ হ'লো ব্ৰহ্মাদেৱ -- ( **সকলোৰে প্ৰণাম কৰে; ব্ৰহ্মা অন্তধ্যান হয়** ) হাঃ হাঃ ভাতৃ, অজেয় হ'লো মই। দেৱতা, দানৱ, যক্ষ, নাগ, অসুৰ কাৰো হাতত মোৰ নহয় মৰণ -- আৰু মনুষ্য হাঃ হাঃ ব্ৰহ্মাদেৱ, মনুষ্যক মই নকৰোঁ সমীহ। মনুষ্য তেনেই তুচ্ছ ৰাৱনৰ সন্মূখত। ভাতৃ, ল'লো পণ, অতি শীঘ্ৰে উদ্ধাৰ কৰি লংকা মাতৃৰ চৰণত কৰিম অৰ্পণ।

কুম্ভ ঃ তেন্তে ব'লক দাদা, মাতামহক দিয়া অপমানৰ লওঁ প্ৰতিশোধ; পৰাস্ত কৰি কুবেৰক, উদ্ধাৰ কৰি লংকা, দেৱতাৰ ধাৰ কৰোঁ পৰিশোধ।

বিভীষণ ঃ দাদা, যদি নকৰে ক্ৰোধ কৰোঁ অনুৰোধ, কুবেৰ হৈছে সম্বন্ধত আমাৰ জ্যেষ্ঠ ভাতৃ। যিহেতু লংকা পূৰ্বে আছিল ৰাক্ষসৰ সম্পত্তি সেয়ে জ্যেষ্ঠ ভ্ৰাতা কুবেৰক কৰক অনুৰোধ লংকা যাতে পুনৰ ৰাক্ষসক কৰে প্ৰদান।

ৰাৱন ঃ কি কৈছা বিভীষণ, লংকা বিচাৰি এই ৰাৱনে কুবেৰৰ ওচৰত মাগিব ভীক্ষা ? অসম্ভৱ, অসম্ভৱ এয়া নহয় সম্ভৱ --- --

বিভীষণ ঃ দাদা, মাতাৰ আশা, ৰাক্ষসৰ আশা লংকা প্ৰাপ্তি। তেনেস্থলত জ্যেষ্ঠ ভাতৃ কুবেৰৰ লগত শত্ৰুতা কৰাৰ আমাৰ কিয় প্ৰয়োজন ? দাদা, কণিষ্ঠ হৈ জ্যেষ্ঠৰপৰা কিবা বিচৰাটো নহয় একো অশুদ্ধ।

ৰাৱন ঃ অৱশ্যে মোৰো নাই শত্ৰুতা দাদা কুবেৰৰ লগত। বিভীষণ, কেৱল তোমাৰ বাবেই এই প্ৰস্তাৱত মই দিছো সন্মতি। শীঘ্ৰেই কুবেৰলৈ পঠোৱা হ'ব এই বাৰ্তা। কিন্তু যদি কৰে অগ্ৰাহ্য; কৰে অপমান; পাহৰি যাম তেতিয়া একেজন পিতৃৰে সিও সন্তান। এতিয়া যাওঁ ব'লা শুভ সংবাদ আমি দিওঁগৈ মাতৃক ------

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে দেৱৰাজ ইন্দ্ৰ --------**

ইন্দ্ৰ ঃ হাঃ হাঃ দেৱেন্দ্ৰৰ কৌশল কাৰ্যত হ'ল পৰিণত । অধম ৰাক্ষস কুম্ভকৰ্ণ, কাম্য তোৰ ইন্দ্ৰাসন হাঃ হাঃ ৰাক্ষসে মৰতত তপ কৰি বিচাৰিব ইন্দ্ৰাসন আৰু কি দেৱেন্দ্ৰই সৰগত কৰিব নিদ্ৰাসন ? মূৰ্খ, তোকহে দিলো নিদ্ৰাসন মই ; অজ্ঞাতে তোৰ মুখত হোৱা নাই নিদ্ৰাসন উচ্চাৰণ। দেৱতাৰ অনুৰোধত বীণাপাণিয়ে তোৰ জিহ্বাত কৰিলে অৱস্থান । ইন্দ্ৰাসনৰ পৰিৱৰ্তে নিদ্ৰাসন কৰালে উচ্চাৰণ হাঃ হাঃ দেৱেন্দ্ৰ মই চলে-বলে -কৌশলে ৰক্ষা কৰিম মোৰ ইন্দ্ৰাসন হাঃ হাঃ ------

**<u>সূত্ৰ ঃ ইন্দ্ৰৰ প্ৰস্থান । আনফালে লংকাৰ ৰাজসভাত আনন্দিত মনে কুবেৰ ; এনেতে ৰাৱন, আৰু কুম্ভকৰ্ণ ---------------</u>**

ৰা+কুম্ভ ঃ প্ৰণাম দাদা ----------

কুবেৰ ঃ উঠা উঠা ভাতৃগণ , ৰাৱন , স্বাগতম জনাইছো তোমাক লংকাপুৰীত । প্ৰহস্তৰ পৰা পালো প্ৰস্তাৱ। উত্তম হ'ব ৰাৱন , তুমি লংকাৰ যোগ্য উত্তৰাধিকাৰী। এনে এজন যোগ্য ব্যক্তিৰ হাতত স্বৰ্ণ লংকাৰ দায়িত্ব অৰ্পণ কৰিববলৈ পালে নিশ্চয় সুখী হ'ম মই । ৰাৱন , ল'লো সিদ্ধান্ত , আজিয়েই প্ৰদান কৰিম মই তোমাক লংকাৰ দায়িত্ব । আঁহা ভাতৃ , লংকাৰ সিংহাসনত কৰা আৰোহন ।

ৰাৱন ঃ দাদা , লংকাৰ অধিপতি আছিল মোৰ মাতামহ সুমালী। তেখেতেই হ'ব ইয়াৰ অধীশ্বৰ । মই মাথো তেখেতক ৰাজকাৰ্যত কৰিম সহায় । আপুনি মোক কৰক আশীৰ্বাদ ----

কুবেৰ ঃ নিশ্চয় , আশীৰ্বাদৰ লগতে আছে বিশ্বাসো দেৱ সংস্কৃতিৰ ৰক্ষক হ'বা তুমি । ভাতৃ কুম্ভকৰ্ণ , তোমালোকেও ৰাৱনক কৰিবা সহায় । যাওঁ মই এতিয়া অলকাপুৰীলৈ --- ( **প্ৰস্থান** )

ৰাৱন ঃ যাওক দাদা ; লংকা, লংকা, অৱশেষত কৈকসীনন্দনে লভিলে লংকা হাঃ হাঃ -- হে মোৰ পূৰ্বজগণ, যত আছে ধৰণীত ৰক্ষগণ, চোৱা তোমালোকে ৰাৱনে আজি উদ্ধাৰিলে লংকা হাঃ হাঃ ---

**<u>সূত্ৰ ঃ এনেতে সুমালী আৰু মাল্যবান আহে ----</u>**

সুমালী ঃ ধন্য ৰাৱন , ধন্য তুমি , ৰাক্ষসৰ শিৰোমণি তুমি ---

ৰাৱন ঃ প্ৰণাম মাতামহ , আমাৰ সেৱা কৰক গ্ৰহণ ---

মাল্যবান ঃ উঠা বাচাগণ , দশানন তোমাৰ গৌৰৱেৰে আজি গৌৰান্বিত আমি । দীৰ্ঘায়ু হোৱা ---

ৰাৱন ঃ হে পৰম পূজ্য মাতামহ সুমালী , সমৰ্পিলো লংকাৰ ভূষণ আপোনাৰ চৰণত ---

সুমালী ঃ নহয় দশানন , তুমি আজি ৰাক্ষসৰ উদিত সুৰুজ ; তোমাক লৈ ৰাক্ষস জাতিয়ে দেখিছে সপোন । লোৱা তুমি লংকাৰ দায়িত্ব ----

**<u>(সূত্ৰ ঃ সুমালীয়ে ৰাৱনক মুকুট পিন্ধাই ----- )</u>**

কুম্ভ ঃ জয় লংকেশ্বৰ ৰাৱনৰ , জয় লংকেশ্বৰ ৰাৱনৰ , জয় লংকেশ্বৰ ৰাৱনৰ ।

সুমালী ঃ ব'লা যাওঁ এতিয়া লংকাৰ শুভা তোমালোকক কৰোঁৱাও দৰ্শন ----

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে কুবেৰ ---</u>**

কুবেৰ ঃ বিৰক্ত হৈছিলো মই স্বৰ্ণ লংকাত । কি আছে ইয়াত ? নাই ইয়াত স্বৰ্গপুৰীৰ বিলাস । নাই অপেশ্বৰীৰ নৃত্য , নাই সোমৰসৰ স্বাদ ---- বিচাৰি আছিলো মাথো সুযোগ আৰু আহিল ক্ষণ ; অৰ্পণ কৰিলো লংকা ভাতৃ ৰাৱনৰ হাতত । দৃঢ় বিশ্বাস আছে মোৰ ৰাৱনৰ ওপৰত দেৱ সংস্কৃতিৰ সি হ'ব ৰক্ষক । ব'লা পুষ্পক লৈ যোৱা মোক অলকাপুৰীলৈ হাঃ হাঃ ---

**<u>সূত্ৰ ঃ কুবেৰৰ প্ৰস্থান। আনফালে সভাত বেদৱতী আহে ----</u>**

গীত ঃ ( ৰাগ - সুহাই ; তাল - একতাল )

আৰত সভাৰ মাজে দেৱী বেদৱতী ।
ৰাজাৰ কন্যা ইটো অতি গুণৱতী ।
ধীৰে ধীৰে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

বেদ ঃ কুশধবজৰ কন্যা মই, নাম মোৰ বেদৱতী । যোগীজনে ভজে প্ৰভু নাৰায়ণক মুকুতিৰ বাবে ; কিন্তু আমি, তোমাকেই ভজিছো প্ৰভু পতিৰূপে পাবৰ বাবে । আশা বুকুত বান্ধি পিতাই তেজিলে প্ৰাণ মাতাইও তেজিলে প্ৰাণ, তোমাকেই অৰ্পিম বুলি একমাত্ৰ জীক । জানো প্ৰভু , তুমি নকৰা ভক্তক নিৰাশ । কৰি যাম তপ , কৰি যাম জপ তোমাকেই পতিৰূপে পাবলৈ আমি ওৰেটো জীৱন । যাঁও এৰে মই বনৰ মাজে শ্ৰীহৰিক কৰোঁগৈ ধ্যান ---

**সূত্ৰ ঃ বেদৱতীৰ প্ৰস্থান। সভাত প্ৰথমে দেৱবৰ্ণিনী ; পাছত অট্টহাস্য কৰি কৈকসী আহে ---**

দেৱবৰ্ণিনীঃ কৈকসী , এয়া তোমাৰ কেনে ৰাক্ষসী আচৰণ ?

কৈকসী ঃ আজি মই অতিকে সুখী , অতিকে আনন্দিত , সেয়েহে ৰাক্ষসী ৰক্ত আজি হৈছে উল্লাসিত ।

দেৱবৰ্ণিনীঃ কৈকসী, পাহৰি গৈছা তুমি শিষ্টাচাৰ। পাহৰি গৈছা তুমি আশ্ৰমৰ সদাচাৰ । মনত ৰাখিবা , তুমি স্বামীৰ দ্বিতীয়া পত্নী আৰু মই তোমাৰ জ্যেষ্ঠা ---

কৈকসী ঃ তাকে লৈ নকৰিব গৌৰব ; অহা নাছিলো মই অকাৰণত সতিনী খাটিবলৈ । আহিছিলো ৰাক্ষসকুলৰ ভাগ্যৰবি হৈ ; আহিছিলো দেৱসহ কুবেৰৰ বাবে কালসৰ্পিনী হৈ ---

দেৱবৰ্ণিনীঃ কৈকসী ----।।

কৈকসী ঃ নিচিঞৰিব ; আজি মই মাতা লংকাপতি ৰাৱনৰ । মোৰ পুত্ৰ ৰাৱনে তৱ পুত্ৰক বিতাৰিত কৰি উদ্ধাৰ কৰিলে স্বৰ্ণলংকা ; ৰাৱনৰ বীৰত্বত ভীতিগ্ৰস্ত কুবেৰে বিনাযুদ্ধেই অৰ্পণ কৰিলে লংকাপুৰী --- হাঃ হাঃ ভবা নাছিলো আপোনাৰ পুত্ৰ ইমান কাপুৰুষ বুলি --হাঃ হাঃ

দেৱবৰ্ণিনীঃ উল্লাসিত নহবা কৈকসী, কুবেৰক জানো মই ; নহয় কাপুৰুষ , দয়ালু সি । ভাতৃৰ লগত নকৰি বিবাদ ৰাৱনক স্বেচ্ছাই প্ৰদান কৰিছে লংকাপুৰী ।

কৈকসী ঃ স্তব্ধ হওক , স্তব্ধ ; মোৰ পুত্ৰ নহয় ভিক্ষাৰী । ৰাৱনৰ পৰাক্ৰম , ৰাৱনৰ তপস্যা কি সকলো মিথ্যা ? অ' পুত্ৰৰ ভীৰুতাক ঢাকিবলৈ সজাইছে কুবেৰক দানী - দয়ালু বুলি --

**সূত্ৰ ঃ এনেতে বিশ্বশ্ৰবা----------**

বিশ্ব ঃ ( খঙেৰে ) কৈকসী, তুমি মহা ভুল কৰিছা । ধাৰ্মীক ৰাৱনক তুমি কিয় কৰিব লৈছা অধৰ্মী ? ভকতি পথৰ পৰা আঁতৰাই নি ৰাৱন আৰু কুম্ভকৰ্ণক অত্যাচাৰী , অনাচাৰী , বৰ্বৰ কৰি তুলিবলৈ কিয় তুমি কৰিছা চেষ্টা ?

কৈকসী ঃ অ' আপুনিও তেন্তে অসন্তুষ্ট । মৰমৰ পুত্ৰ কুবেৰৰ স্থানত ৰাৱন লংকাৰ অধীশ্বৰ হোৱাটো আপুনিও নিবিচাৰে । দেৱবৰ্ণিনীৰ পুত্ৰ চতুৰ্থ লোকপাল পদেৰে হওঁক সন্মানিত আৰু মোৰ পুত্ৰগণ ভিকহু সন্ন্যাসীৰ দৰে আশ্ৰমতে কৰক জীৱন যাপন । এয়াটো আপোনাৰো অভিপ্ৰায় ।

বিশ্ব ঃ ক্ষমতাৰ ৰাগীত তুমি হৈছা অন্ধ। দেৱ-নাৰায়ণৰ কৰি বিৰোধীতা অসুৰগণৰ কি অৱস্থা হৈছিল তাক দেখিও তুমি নল'লা শিক্ষা ? মাতৃ হৈ কেনেদৰে দিছা তুমি পুত্ৰক অধৰ্মৰ শিক্ষা ?

কৈকসী ঃ পুত্ৰক দিয়া নাই মই কোনো অধৰ্মৰ শিক্ষা ? লংকা ৰাৱনৰ প্ৰাপ্য ; নিজ অধিকাৰ সাব্যস্ত

করাতো কদাপি হব নোৱাৰে অধৰ্ম --

বিশ্ব ঃ কৈকসী, মোৰ ক্ৰোধক তুমি নিদিবা নিমন্ত্ৰণ। বোকাৰ পদুম যেনেদৰে মই লৈছিলো তুলি তাক দিবও জানো মোহাৰি ---

দেৱবৰ্ণিনীঃ ক্ষান্ত হওক স্বামী, ক্ষান্ত হওক। যি হৈছে ভগৱন্তৰ ইচ্ছামতেই হৈছে। কৈকসী, এই বিষয়ত তুমি আৰু নিদিবা যুক্তি।

বিশ্ব ঃ তুমি নুবুজিবা দয়িতা এই কালসৰ্পিনীৰ হৃদয় কিমান বিষাক্ত ? মনত ৰাখিবা কৈকসী, লংকা ৰাৱনৰ বাবে হব অভিশাপ আৰু তাৰবাবে দায়ী তুমি ; অ কৈকসী, কেৱল তুমি। এই কথা আজিয়েই মই তোমাক দিলো সকীয়াই --

দেৱবৰ্ণিনীঃ স্বামী, আৰতিৰ হৈছে সময়। আহক স্বামী, কৰোঁগে আৰাধনা - ( বিশ্বশ্ৰৱাক লৈ যায় )

কৈকসী ঃ যাওক স্বামী, পূৰ্বেই জানো মই ৰাৱনৰ উন্নতি আপুনি নোৱাৰে সহিব। কুবেৰ লংকাৰ হওঁতে অধিপতি দিলে আপুনি আশীষ হিয়া উজাৰি ; আৰু আজি সেই সুযোগ ৰাৱনে পোৱাতো হৈছে অভিশাপ ? বুজিলো স্বামী, সকলোৰে ৰাৱনক কৰে হিংসা ---

**সূত্ৰ ঃ এনেতে আনন্দিত মনে ৰাজকীয় সাজত ৰাৱন আহে --**

ৰাৱন ঃ মাতৃ, মাতৃ চোৱা মাতৃ পূৰ্ণ কৰিলে ৰাৱনে তোমাৰ মনৰ কামনা --( কৈকসীক নিমাত দেখি ) কিয় মাতৃ তুমি আছা নিমাতে ? চোৱা তোমাৰ তনয় দশাননৰ শিৰত আজি জিলিকিছে লংকাৰ ভূষণ -- মাতৃ, উদ্ধাৰিলো লংকা তোমাৰ বাবে, তথাপি তুমি কিয় নোহোৱা সন্তুষ্ট ?

কৈকসী ঃ কিয় হম মই সন্তুষ্ট ? সতিনীৰ ঠাট্টা বাণীত আজি মই দগ্ধ --

ৰাৱন ঃ মাতৃ, কি কৈছা এয়া তুমি ?

কৈকসী ঃ সত্যই কৈছো ; দুৰ্বল ভিক্ষাৰীৰ দৰে মাগি লংকা সতিনীৰ আগত মোক তই দিলি লজ্জা

ৰাৱন ঃ আঃ মাতৃ, দুৰ্বল ভিক্ষাৰী বুলি মোক নকৰিবা অপমান ; ব্ৰহ্মাৰ বৰত তোমাৰ পুত্ৰ আজি অজেয় বলবান ; ৰাৱনৰ ভয়ত আজি জগত কম্পমান ---

কৈকসী ঃ কেনেকৈ দিবা তাৰ প্ৰমাণ ? আজি কৈছে সতিনীয়ে, কাইলৈ ক'ব জগতে কুবেৰকে দয়াবান -

ৰাৱন ঃ আঃ মাতৃ, দিম মই তাৰ প্ৰমাণ; তোমাৰ চৰণ সেৱি কৰিছো প্ৰতিজ্ঞা বিশ্বজয়ী, কালজয়ী দশাননৰূপে জগতত হম খ্যাতমান। আশীষ দিয়া মাতৃ লক্ষ্যৰ দিশে মই হওঁ ধাৱমান --

কৈকসী ঃ মাতৃৰ হৃদয়ত গৰ্ব ঢালি হ বাচা তই জগত বন্দিত। যা বাচা, মাতৃয়ে দিলো আশীৰ্বাদ --

**সূত্ৰ ঃ ৰাৱনৰ প্ৰস্থান --**

কৈকসী ঃ জলাঞ্জলি দি কামনা ৰক্ষ বালিকাৰ অহেতুক নাছিলো হোৱা মই দয়িতা ঋষি বিশ্বশ্ৰৱাৰ। নাছিল মোৰ যৌৱনৰ ৰাগী, প্ৰতিশোধৰ তাপে দহি, ঋষিৰ বাসনা পূৰ্ণ কৰি জনম দিছিলো পুত্ৰগণক ৰক্ষৰ গৌৰৱ উদ্ধাৰৰ বাবে। আজি সেই গৌৰৱ তুলি দিলা তুমি মাতৃৰ হাতত হাঃ হাঃ -- কিন্তু লংকাই জানো হ'ব পাৰে ৰাৱনৰ শেষ পৰিধি ? নহয়, কদাপি নহয়, হ'ব লাগিব মোৰ পুত্ৰ জগত বন্দিত। সেইহেতু বিশ্ববিজেতাৰ বাসনা জগাই তুলিলো মই ৰাৱনৰ প্ৰাণত। যোৱা, যোৱা ৰাৱন, তুমি যোৱা আগুৱাই। তুমি পাৰিবা, অ তুমি পাৰিবা তুমি কৈকসীনন্দন হাঃহাঃ -

**সূত্ৰ ঃ কৈকসীৰ প্ৰস্থান। আনফালে সভাত দুখমনে বিশ্বশ্ৰৱা ------------**

বিশ্ব ঃ হে প্ৰভূ, মোৰ কাৰ্যৰ ফল মই কৰিছো ভোগ। কালশত্ৰুক চপাই লৈছিলো মোৰ জীৱনত।

আজি দংশন কৰিলে তাই মোৰ মধ্যম তালুত। তাইৰ প্ৰৰোচনাতে ৰাৱনে লৈছে অধৰ্মক আঁকোৱালি প্ৰচাৰ কৰিছে আজি জগতত ৰাক্ষস সংস্কৃতি -----

**সূত্ৰ ঃ** **এনেতে ৰাৱন আহে -------**

ৰাৱন ঃ প্ৰণাম পিতা -----

বিশ্ব ঃ অ ৰাৱন, ত্যাগ কৰি আশ্ৰমী জীৱন দেহত ল'লা ৰাজ আৱৰণ। পাছে পাইছানে সুখ, পৰিলনে শাঁত তোমাৰ দেহ আৰু মন ?

ৰাৱন ঃ তোষামোদ নকৰিবা পিতা ; নাই এতিয়া ক্ষণ মোৰ হাতত তোমাৰ লগত তৰ্ক কৰাৰ।

বিশ্ব ঃ তেন্তে কিয় আহিলা তুমি আমাৰ সমীপে ?

ৰাৱন ঃ জগত বিজয়ী হোৱাৰ বাসনা জাগিছে মনত। সেইহেতু আশীষ বিচাৰি আহিলো তয়ু চৰণত।

বিশ্ব ঃ ৰাৱন, তুমিতো মোৰেই সন্তান ; শাস্ত্ৰ জ্ঞান, ধৰ্ম জ্ঞান কিয় তুমি গৈছা পাহৰি ? মায়া - মোহ ঐশ্বৰ্য - বিভূতিত অন্ধ হৈ নিজৰ পতন মাতি নানিবা বাচা।

ৰাৱন ঃ পিতা, বহুত লভিলো শাস্ত্ৰ জ্ঞান, অহা নাই এতিয়া আৰু তাৰ কৰিবলৈ সন্ধান। সত্য মই তোমাৰ সন্তান, সেয়ে দিছো সন্মান। কিন্তু মনত ৰাখিবা পিতা, মই মাতা কৈকসীৰো সন্তান। মাতৃকুলৰ আশা, মাতৃকুলৰ সপোন ময়েই কৰিব লাগিব পূৰণ।

বিশ্ব ঃ তাৰবাবে কি তুমি সাধু-সন্তৰ ওপৰত কৰিবা অত্যাচাৰ ? দেৱতাৰ বিৰুদ্ধেও কি ধৰিবা অস্ত্ৰ ?

ৰাৱন ঃ নিশ্চয় পিতা ; ৰাক্ষসৰ উত্থানৰ বাবে যদি হয় প্ৰয়োজন নাৰায়ণৰ বিৰুদ্ধেও ধৰিম অস্ত্ৰ --

বিশ্ব ঃ হে প্ৰভু, এয়া কি শুনিছো মই, আমাৰ সন্তানে তোমাৰ বিৰুদ্ধে ধৰিব অস্ত্ৰ। উসঃ আজি মোৰ নিজৰ ওপৰতে জন্মিছে সন্দেহ। কেনেকৈ মোৰ ঔৰসজাত সন্তান হৈছে তোমাৰ বিদ্ৰোহী ?

ৰাৱন ঃ পিতা, তুমিও অন্ধ ভক্ত দেৱনাৰায়ণৰ। চল কৰি দেৱতাই মাতামহৰ পৰা কাঢ়িছিল লংকা। সেয়া কি নহ'ল অধৰ্ম ? চল কৰি নাৰায়ণে দেৱতাক কৰাইছিল অমৃত পান ; সেয়া জানো হৈছিল ধৰ্ম ? নিচিনে পিতা, নিচিনে আজি ৰাৱনে কাকো ; কৰিছো পণ, ৰাক্ষসৰ উত্থানৰ বাবে কৰিম ৰণ ; -- শত্ৰু মোৰ দেৱ - নাৰায়ণ, শত্ৰু মোৰ বৈমাত্ৰেয় ভাতৃ কুবেৰ -----

বিশ্ব ঃ ( খঙেৰে ) ৰাৱন -----।।

ৰাৱন ঃ নিচিঞৰিবা পিতা, তোমাৰ উচ্চ স্বৰে নোৱাৰে লুকোৱাব সত্যক। তোমাৰ ৰঙা চকুৱে দমাব নোৱাৰে ৰাৱনৰ উদ্যমক।

বিশ্ব ঃ ৰাৱন, ইমান অহংকাৰী, ইমান আঁকোৰ গোজ, পাপী হ'লি তই ?

ৰাৱন ঃ অ মই অহংকাৰী, হয় মই আঁকোৰ গোজ, হয় মই মহা পাপী। কিন্তু মনত ৰাখিবা পিতা ৰাৱন মই শক্তিৰ প্ৰতীক। আৰু নকৰোঁ পলম, দিয়া আশীৰ্বাদ, ৰণযাত্ৰা কৰোঁ মই কুবেৰৰ বিৰুদ্ধে

বিশ্ব ঃ আঃ ইমান অধঃপতনে গ'লি তই। জ্যেষ্ঠ ভাতৃৰ বিৰুদ্ধেও তই ধৰিবি অস্ত্ৰ ? অধম, বৰ্বৰ ; নাই নাই আৰু মই নকৰোঁ সহ্য, তপোবলে এতিয়াই তোক মই কৰি দিওঁ ভস্ম --

**সূত্ৰ ঃ** **এনেতে বিভীষণ আহে ----**

বিভীষণ ঃ ক্ষান্ত হোৱা পিতা, ক্ষান্ত হোৱা, ক্ৰোধ সম্বৰণ কৰা পিতা ---

ৰাৱন ঃ হাঃ হাঃ বুজিলো, বুজিলো পিতা তোমাৰ মনোভাৱ ; পুত্ৰৰ কৰ্তব্য মানি আহিছিলো মই। নালাগে মোক তোমাৰ আশীষ, নিজ বাহুবলে কুবেৰক মই কৰিম পৰাস্ত -- আৰু তাৰ পাছত দেৱ - নাৰায়ণ হাঃ হাঃ ---- ( **যাব খোজে** )

বিভীষণ ঃ দাদা, -- দাদা আপোনাৰ লক্ষ্য হ'ল পূৰণ, ঘূৰাই পালে ৰাক্ষসে স্বৰ্ণলংকা। সেয়ে কৰোঁ অনুৰোধ, ইমানতে হওঁক শান্ত।

ৰাৱন ঃ শুভ ক্ষণ নামিছে আজি ৰক্ষ কুলৰ ।মোক বাধা নিদিবা ভাতৃ --

বিভীষণ ঃ নহয় দাদা, কুবেৰৰ বিৰুদ্ধে, দেৱতাৰ বিৰুদ্ধে নধৰিব অস্ত্ৰ। ই আপোনাৰ বাবেই মংগল ---

ৰাৱন ঃ বিভীষণ, জানো মই, জানা তুমি, জানে জগতে যিজনে যিভাৱে ভজে নাৰায়ণক সেইৰূপে লভে তেওঁক। ভক্তি কৰি বিভীষণ তুমি লভা মুক্তি আৰু মই বৈৰীভাৱে নাৰায়ণক ল'লো চিন্তি।

বিভীষণ ঃ দাদা, কিয় হৈছে অবুজন; নাৰায়ণৰ আপুনি কৰিব বিৰুদ্ধাচৰণ ------

ৰাৱন ঃ বিভীষণ, এই সন্দৰ্ভত আৰু নিদিবা যুক্তি; ৰাৱন মই; এবাৰেই লওঁ মই সিদ্ধান্ত। মনত ৰাখিবা মোৰ লক্ষ্য, মোৰ বাক্য, মোৰ সিদ্ধান্ত অলৰ অচৰ। যক্ষ, ৰক্ষ, দেৱ, দানৱ কাৰোৰেই হাতত যদি মোৰ নঘটে মৰণ তেন্তে কোন হ'ব মোৰ মৃত্যুদাতা ? --- ( **প্ৰস্থান** )

বিভীষণ ঃ দাদা, দাদা ---

বিশ্ব ঃ নুশুনে বিভীষণ, নুশুনে আজি ৰাৱনে কাৰো হিত বচন। হে প্ৰভূ, এয়া কি দেখিছো মই ? ধৰ্ম, সত্য, সদাচাৰক পুত্ৰই দিলে জলাঞ্জলি; কেনেদৰে তাক সহো মই ? প্ৰভু, কিয় মোক ৰাখিছা জীয়াই -- ? আৰু কিমান যাতনা দিবা মোক --- ( কান্দে )

বিভীষণ ঃ বেজাৰ নকৰিবা পিতা -- ব'লা পিতা আৰু নকৰিবা ক্ৰন্দন --

**সূত্ৰ ঃ দুখমনে সকলোৰে প্ৰস্থান। আনহাতে পুষ্পকত ৰণৰ সাজে কুবেৰ -----**

কুবেৰ ঃ আঃ ৰাৱনৰ উদ্ধতালিক মই নকৰোঁ গ্ৰহণ; দয়া কৰি তাক দিলো লংকাপুৰী, নহৈ কৃতজ্ঞ আজি আহে সি মোৰ বিৰুদ্ধে অস্ত্ৰ ধৰি। ময়ো বিশ্বশ্ৰবানন্দন, কৰক আক্ৰমণ, বন্দী কৰি ৰাখিম তাক অলকাপুৰীৰ অন্ধ কুঠৰীত ---

**সূত্ৰ ঃ এনেতে ৰণসাজে ৰাৱন -----------**

ৰাৱন ঃ কুবেৰ ----- কুবেৰ, ভালেই হল; অলকাপুৰীৰ অন্তেষপুৰৰ পৰা সহজেই ওলাই আহিলি তই। তোক পৰাস্ত কৰি আজি দেখুৱাম জগতক ৰাৱনৰ পৰাক্ৰম -----

কুবেৰ ঃ ভাতৃ, মহা ভুল কৰিছ তই। দেৱবিদ্ৰোহী কাৰ্য কৰি নচপাবি বিপদ নিজৰ জীৱনলৈ। যা ভাতৃ, ঘূৰি যা তই লংকাপুৰীলৈ ---

ৰাৱন ঃ জানো ভালদৰে মই ; দেৱতাৰ পদলেহনকাৰী তই। বৈমাত্ৰেয় ভাতৃ বুলি মোৰ পৰিচয় দিবলৈও লাগে লজ্জা; আৰু নকৰোঁ পলম। প্ৰথমেই পৰাস্ত কৰি তোক, পাছে জুখি চাম পৰাক্ৰম দেৱ - নাৰায়ণৰ ---

কুবেৰ ঃ অহংকাৰী ৰাৱন, অহংকাৰেই তোৰ আনিব পতন। ভাতৃস্নেহ মই কৰিলোঁ ত্যাগ। ল'লো অস্ত্ৰ হাতে, চাওঁ বাৰু তোৰ শকতি কিমান ?

গীত - ( ৰাগ ঃ নাট মল্লাৰ; তাল ঃ চুতকলা ভঙ্গী )

দেখা দেখা নৰলোকে ঈশ্বৰৰ লীলা।
মহাক্ৰোধে ভায়ে ভায়ে যুদ্ধ আৰম্ভিলা।।
বাৰে বাৰে অস্ত্ৰ মাৰে দুয়ো মহাবীৰ।
সূৰ্য পথক ভেদি ভৈলা অন্ধকাৰ ।।

**সূত্ৰ ঃ ৰণত পৰাস্ত হৈ কুবেৰ পলাই যায়। দেখি ৰাৱনে যি কয় ---------------**

ৰাৱন ঃ হাঃ হাঃ এই শক্তি লৈয়ে ৰাৱনৰ লগত কৰ ৰণ। যা ভাতৃ বুলি তোক নকৰোঁ বধ । পুষ্পক, পুষ্পক , আজিৰ পৰা পুষ্পকৰ গৰাকী লংকাপতি ৰাৱন। চোৱা জগতবাসী, নিজ বাহুবলে আজি মই কুবেৰৰ পুষ্পক বিমান কৰিছো হৰণ -- হাঃ হাঃ ( ৰথত উঠে ) -- । ব'লা পুষ্পক , লৈ যোৱা মোক সুৱৰ্ণ লংকালৈ হাঃ হাঃ ------

**সূত্ৰ ঃ ৰাৱনৰ প্ৰস্থান । আনহাতে সভাত বেদৱতী --**

বেদ ঃ হে প্ৰভূ , কত দিন , কত কাল কৰিছো তপ তোমাক দৰ্শনৰ বাবে । আৰু কিমান পৰীক্ষা লবা তুমি এই বেদৱতীৰ ? শুনিছিলো তুমি ভকতবৎসল ; ভক্তৰ কামনা তুমি কৰা পূৰণ । তেন্তে এই বেদৱতীৰ ক্ষেত্ৰত কিয় তুমি হৈছা ইমান কঠোৰ ? তোমাক পতিৰূপে পাবলৈ কামনা কৰাটো জানো হৈছে আমাৰ ভুল ? দেখা দিয়া প্ৰভূ, দেখা দিয়া এই দুখুনীক --ঔম বিষ্ণুদেৱায় নমঃ -

**( আঃবাণী ঃ বেদৱতী , তোমাৰ তপত সন্তুষ্ট আমি ; পাছে এই জনমত তুমি নাপাবা পতিৰূপে আমাক । অপেক্ষা কৰা তুমি অহা জনমলৈ । )**

বেদ ঃ প্ৰভূ , ধন্য হলো মই, ধন্য হলো তোমাৰ কৃপা লভি । তোমাক পাবৰ বাবে অপেক্ষা কৰিম মই অহা জনমলৈ ---আমাৰ ভক্তিভৰা সেৱা গ্ৰহণ কৰা প্ৰভূ --

**সূত্ৰ ঃ এনেতে ৰাৱন আহে ---**

ৰাৱন ঃ আঃ কি দেখো এয়া মোৰ নয়নে ? অপূৰ্ব সুন্দৰী আছে বনৰ মাজত । হে সুন্দৰী , কোন তুমি , সৰগৰ দেৱী নে মৰতৰ মানৱী ?

বেদ ঃ প্ৰণাম দেৱ , নহয় আমি সৰগৰ দেৱী , মৰতৰ মানৱী আমি, কুশধবজৰ কন্যা বেদৱতী আমি ।

ৰাৱন ঃ বেদৱতী --; বাঃ যেনে ৰূপ তেনে নাম । পাছে , কিয় আছা তুমি এনে সন্যাসিনীৰ বেশে ---

বেদ ঃ সন্যাসিনীৰ বেশেই আমাৰ প্ৰিয় ; আছো তপ কৰি নাৰায়ণক পতিৰূপে বাঞ্ছা কৰি ---

ৰাৱন ঃ হাঃ হাঃ কিয় কৰিছা ব্যয় অমূল্য সময় ? কিয় দিছা কষ্ট অপূৰ্ব যৌৱনত তোমাৰ ? নোহে যোগ্য পতি তোমাৰ কপটীয়া নাৰায়ণ , আছে তাতোকৈ বীৰ এই ধৰাৰ বক্ষত ।

বেদ ঃ দেৱ , শুনিব নিবিছাৰো মই প্ৰভূৰ নিন্দা । কৰিছো অনুৰোধ, যদি নোৱাৰে দিব নাৰায়ণক সন্মান কৃপা কৰি ত্যাগ কৰক এই স্থান ---

ৰাৱন ঃ বেদৱতী, হয়তো নাজানা তুমি মোক । তৃণ যেন নাৰায়ণ মোৰ বীৰত্বৰ আগত । লংকেশ্বৰ মই জগত ভূষণ, সসাগৰা পৃথিবীৰময়ে অধীশ্বৰ। অজেয় মই সৃষ্টিকৰ্তাৰ বৰত ; বলবান মই মহাদেৱৰ বৰত । হ'ব যদি বিচাৰা তুমি জগত জননী আমাকেই তুমি পতিৰূপে কৰা বৰণ --

বেদ ঃ আপুনি কিমান বীৰ তাৰ মই নকৰোঁ বিচাৰ । জানো মাথো বেদৱতী মই ; নাৰায়ণেই মোৰ কাম্য পতি । বাট এৰক ৰাজন , যাঁও মই নিজ স্থানলৈ ---

ৰাৱন ঃ হাঃহাঃ ৰাৱন মই , লংকাৰ দশানন । হোৱা নাই , কদাপি নহওঁ মই লক্ষ্যৰ পৰা বিমুখ । বেদৱতী তোমাৰ ৰূপে মুহিলে মোক ; আঁহা বেদৱতী, লৈ যাঁও তোমাক লংকাপুৰে -(হাতত স্পৰ্শ কৰে )

বেদ ঃ ৰাৱন ; দুৰাচাৰী , পাপাত্মা এয়া কি কাৰ্য তই কৰিলি সাধন ? কলুষিত মনে তই স্পৰ্শ কৰিলি এই বেদৱতীৰ হাতে । অপবিত্ৰ কৰিলি মোক ; আঃ মহাপাপ কৰিলি তই এক সতী সন্যাসিনীক অপমান কৰি । কি কৰোঁ , কি কৰোঁ মই ; নাথাকো ধৰাত আৰু এই অপবিত্ৰ শৰীৰ লৈ । ৰাৱন দিলো শাপ যি লংকাক লৈ তই কৰিছ গৌৰৱ তোৰ সমে সেই লংকা এদিন এগৰাকী নাৰীৰ বাবেই হ'ব ধ্বংস -- হে অগ্নিদেৱ , দাহ কৰা এই বেদৱতীৰ কলুষিত শৰীৰ --ঔম --

**সূত্ৰ ঃ বেদৱতী আত্মজাহ যায় ---**

ৰাৱন ঃ বেদৱতী -- ; আঃ এয়া কি ঘটিল ? আচম্বিতে আমাক দি গ'ল অভিশাপ এগৰাকী নাৰী হ'ব মোৰ মৃত্যুৰ কাৰণ --- হাঃ হাঃ এগৰাকী নাৰী হ'ব মোৰ মৃত্যুৰ কাৰণ ? দশানন মই জগত ভূষণ ; যদি আহে তেনে ক্ষণ নিজ বলে তাক মই কৰিম নিবাৰণ --হাঃ হাঃ

**সূত্ৰ ঃ ৰাৱনৰ প্ৰস্থান । আনফালে সভাত শ্ৰীবিষ্ণু ---**

বিষ্ণু ঃ আমাৰ ইচ্ছাতে জগত চলিছে ; আমাৰ ইচ্ছাতে ৰাৱন চলিছে । দেৱদ্ৰোহী, বিশ্বদ্ৰোহী, আমাৰ দ্ৰোহী হৈ ৰাৱন এতিয়া জগতৰ বিভীষিকা । আমিও ৰাখিম নিজ বচন , শত্ৰুৰূপে হৈ সন্মুখীন মুক্তি দিম আমি ৰাৱন আৰু কুম্ভকৰ্ণক । সেই হেতু অচিৰেই অযোধ্যাৰাজ দশৰথৰ পুত্ৰৰূপে আমি মৰতত নৰৰূপে লম অৱতাৰ । যাওঁ এতিয়া নিজ কৰ্তব্যৰ দিশে ।

গীত ঃ ( ৰাগ - বসন্ত ; তাল - চুতকলা )

এহিবুলি ৰঙ্গমনে চলে পদ্মপাণি ।
নৰৰূপে অৱতৰোঁ বুলি ধৰণীত ।।
দুষ্টক বধি প্ৰভু ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।

**সূত্ৰ ঃ সকলোৱে প্ৰস্থান । ইমানতে নাটভাগিৰ সমাপ্তি ঘটে ।**

গীত ঃ ( ৰাগ - কল্যাণ, তাল - খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি ।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি ।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে ।
আন গতি নাহিকে মৰণে ।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ।।

মুক্তিমঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ ।।
মুকুত সকলে সদা যাৰ গুণ গায় ।
হেন গুৰু চৰণত প্ৰণামো সদায় ।।
সৰ্ব অপৰাধ কৰাহা মোচন ।
চৰণে শৰণ লৈলো কমললোচন ।।

ইতি, কৈকসীনন্দনৰ লংকা লাভ, বেদৱতী আখ্যান নাটকং সম্পূৰ্ণম ।।

সমাপ্ত

জয় গুৰু শঙ্কৰ



# চ্যৱনৰ যজমানি,
# অশ্বিনীকুমাৰৰ দেৱত্ব প্ৰাপ্তি


**নাট্যৰূপ**

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ, যোৰহাট

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। নাৰদ
৪। চ্যৱন ঋষি -- ( প্ৰধান চৰিত্ৰ )
৫। ইন্দ্ৰদেৱ
৬। সূৰ্যদেৱ
৭। অগ্নিদেৱ
৮। পৱনদেৱ
৯। অশ্বিনীকুমাৰ ( নাসত্য )
১০। অশ্বিনীকুমাৰ ( দস্ৰ )
১১। শয্যাতি (মানৱ ৰজা)
১২। মন্ত্ৰী
১৩। বিক্ৰমসেন (সেনাপতি)
১৪। কালদম্ভা (অসুৰ ৰাজ)
১৫। জলদম্ভা (ভাতৃ)
১৬। প্ৰলম্ভা (সেনাপতি)
১৭। লিগিৰা

## নাৰী চৰিত্ৰ

১। সুকন্যা ( ৰাজকুমাৰী ) -- ( প্ৰধান চৰিত্ৰ )
২। সুকীৰ্ত্তি (সখী)
৩। ৰম্ভা (অপেশ্বৰী)

## মুখা

১। অশ্ব
২। অশ্বিনী

শ্লোক ঃ **যৎপাদ পংকজ ৰজঃ শিৰসা সুৰেশাঃ-- সৰ্বাদয়ো দিবিশ্চঃ দুহিতম উদ্দোহন্তি -- যৎকৃৰ্তনাৎ কলিমলং মনোজান্ত্য জন্তি -- কৃষ্ণস্য তস্য চৰনং শৰনং ব্ৰজামঃ ।।**

অপিচ ঃ যেনাকাৰী সমস্তে দেৱতা নাথ নমস্তে গৰুড়ধবজ শংখ চক্ৰ গদা পদ্ম বাসুদেৱ নমোহস্ততে ।

**গীত ঃ নান্দী ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )**

**জয় জয় দেৱ নাৰায়ণ । তুৱা পাৰে কৰহো বন্দন।।**
**নানা ৰূপে লোৱা অৱতাৰ। কৰিলাহা ভকতক উদ্ধাৰ।।**
**হেনজানি এৰা আন কাম । সভাসদে বোলা ৰাম ৰাম।।**

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃনধ্বং শ্ৰদ্ধায়ে ধৃণা,-- **চ্যৱনৰ যজমানি, অশ্বিনীকুমাৰৰ দেৱত্ব প্ৰাপ্তি --** নাম নাটকং শ্ৰৱণে মুক্তি সাধকম ।

## অথ ভটিমা

**জয় জয় জগত জনক যদুদেৱ ।**
**পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।**
**দিনমণিৰ তনয় অশ্বিনীকুমাৰ ।**
**অশ্বিনীৰ নাসিকাৰে জন্ম হৈলে যাৰ ।.**
**তপস্যাত আছিল চ্যৱন মহৰ্ষি।**
**সুকন্যাৰ দোষে হেৰুৱালে দৃষ্টি ।।**
**দিলে নৱ জীৱন অশ্বিনীকুমাৰে।**
**যজমানি কৰে ঋষি শৰ্য্যাতিৰ যজ্ঞে ।।**
**যজ্ঞৰ ভাগ দিলে অশ্বিনীকুমাৰক।**
**তপোবলে বশ কৰে দেৱ পুৰন্দৰক।।**
**দুষ্টক বধি প্ৰভু সন্তক থাপিবা।**
**ধৰ্মক ৰক্ষা কৰি অধৰ্মক নাশিবা।।**
**হেনজানি নৰলোকে এৰি আন কাম।**
**পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।**

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ।

সূত্ৰ ঃ আ- হা -হা মিলল মিলল। আহে সামাজিক লোক, হামো যাকেহি কথা কহৈছো , ওহি পৰম ব্ৰহ্ম শ্ৰীবিষ্ণু এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৱত , আৱত , আৱত । তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

ইতি সূত্ৰ নৃত্য নিস্ক্ৰান্তঃ

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ -----**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং ।।

**গীত - ( ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )**

**সভাত প্ৰৱেশ কৰে দেৱ নাৰায়ণ।**
**শংখ চক্ৰ গদা পদ্ম অতি বিতোপন।।**
**এহিৰূপে প্ৰৱেশিলা প্ৰভু নাৰায়ণ।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ।।**

বিষ্ণু ঃ আমি সত্য , আমি নিত্য , চৰাচৰ জগত আমাৰ পৰাই সৃষ্ট । নাই আমাৰ আগ, নাই আমাৰ পাছ, নাই আমাৰ জন্ম, নাই আমাৰ মৃত্যু। আমি দুষ্টক দমনকাৰী , আমি সন্তক পালনকাৰী । ধৰ্ম ৰক্ষাৰ হেতু যুগে যুগে ধৰাত আমিয়ে লওঁ অৱতাৰ -- অ দূৰণিত শুনিছো বীণাৰ ঝংকাৰ আৰু সুমধুৰ কণ্ঠস্বৰে লৈছে আমাৰে নাম । বুজিছো দেৱৰ্ষীৰ আগমন ঘটিছে বৈকুণ্ঠধামে ---

**সূত্ৰ ঃ নাৰদ সোমাই আহে ----**

নাৰদ ঃ প্ৰণাম প্ৰভু -----

বিষ্ণু ঃ দেৱৰ্ষি, দেখিছো তোমাৰ আজি দ্বিধাগ্ৰস্ত মন ; কোৱা দেৱৰ্ষী কি ভাবিছা ?

নাৰদ ঃ প্ৰভু, মনত আমাৰ জাগিছে সন্দেহ আপোনাৰ হৃদয়ৰ হৈছে পৰিৱৰ্তন ; হৈছে অতিকে কঠোৰ

বিষ্ণু ঃ কিয় এনেদৰে আমাক দোষাৰূপ কৰিলা দেৱৰ্ষি ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, প্ৰভু আপুনি সৰ্বজ্ঞ ; তথাপি সোধে আমাক -- তেন্তে কওক প্ৰভু, নকৰে জানো সহায় আপোনাক দিনমণিয়ে পালন কাৰ্যত ?

বিষ্ণু ঃ নিশ্চয় পালন কাৰ্যত আমাক দিনমণিৰ হয় প্ৰয়োজন ।

নাৰদ ঃ তেন্তে প্ৰভু, দিনমণিৰ অৱস্থাই জানো আপোনাক কৰা নাই ব্যথিত ? কিয় নকৰে আপুনি দূৰ দিনমণিৰ দুখ ? এনেদৰে থাকিলেতো জগত ---

বিষ্ণু ঃ তোমাৰ চিন্তা অমূলক নহয় দেৱৰ্ষী ; দেৱহিতৈষী আমি ; দেৱতাৰ দুখত আমিও হওঁ ম্ৰিয়মান । নকৰিবা চিন্তা অচিৰেই দিনমণিৰ দুখ বাৰু আমি কৰিম হৰণ -- আৰু তুমিটো জানাই দেৱৰ্ষী জগতৰ প্ৰত্যেক ঘটনাৰে থাকে এক বিশেষ উদ্দেশ্য । আমাৰ ইচ্ছাতেই ঘটিছে সকলো । নতু দেৱেন্দ্ৰৰ গৰ্ব কেনেদৰে হ'ব খৰ্ব ? তোমাৰ ভূমিকাও আহিব পাছত । মৰতৰ কোনো সাধু- সন্ত যদি হয় বিচলিত উচিত মাৰ্গ প্ৰদৰ্শনৰ দ্বায়িত্ব তোমাৰ ওপৰত ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- বুজিলো লীলাময়ে নিশ্চয় ৰচিব লীলা আৰু আমাকো সুযোগ প্ৰদানেৰে কৰিলে কৃপা । প্ৰভু , আমি পাতকীয়ে আপোনাক নিচিনি কৰিলো অপৰাধ ; আমাৰ শত কোটি অপৰাধ মাৰ্জনা কৰক --

বিষ্ণু ঃ উঠা দেৱৰ্ষি, যোৱা এতিয়া তুমি নিজ কৰ্তব্যত । আমিও যাঁও দিনমণিৰ সহায়ৰ হেতু --

**সূত্ৰ ঃ প্ৰথমে নাৰদ পাছত বিষ্ণুৰ প্ৰস্থান । সভাত সূৰ্যদেৱৰ প্ৰৱেশ ----**

**গীত ( ৰাগ ঃ গান্ধাৰ ; তাল ঃ ধৰমজ্যোতি , একতাল )**

**প্ৰৱেশিলা সভাৰ মাজে দেৱ দিনমণি ।**
**গহীন গম্ভীৰ ইটো মনে চিন্তা কৰি ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

সূৰ্য ঃ দিনমণি মই হতভগীয়া । নিজ জ্যোতিৰে জগত পোহৰাই হৈছিলো গৰ্বিত । নাছিলো এবাৰো ভবা নিজ সংসাৰতে যে নামি আহিব ঘন ঘোৰ অমানিশা । কেনেদৰে কৰোঁ বিশ্বাস প্ৰাণৰ প্ৰিয়ে সন্ধ্যা মোৰ নাই আজি কাষে ? সন্ধ্যা, কেনেদৰে সহো মই তোমাৰ বিৰহ ? নক'লা

এবাৰো, নিৰৱেই সহি গ'লা হলাহলৰূপী আমাৰ ৰৌদ্ৰ তাপ। সৃষ্টি কৰি নিজৰে ছায়া ৰাখি থৈ আমাৰ কাষে কেনি গ'লা তুমি আঁতৰি ? তোমাকে বিচাৰি খাঁও হাবাথুৰি ; নাযায় সাৰি জগতৰ ক্ষুদ্ৰ জীৱও আমাৰ দৃষ্টিৰপৰা ; কিন্তু প্ৰিয়ে কিয় নাপাওঁ মই আজি তোমাক বিচাৰি ? আঁহা সন্ধ্যা, মাতিছো কাতৰে, নতু আজি এই দিনমণিৰ প্ৰাণ যাব ফুটি তোমাৰ বিৰহে --

**সূত্ৰ ঃ এনেতে শ্ৰীবিষ্ণু আহে ---**

বিষ্ণু ঃ দিনমণি --- কিয় কৰিছা ক্ৰন্দন ?

সূৰ্য ঃ প্ৰভু, অশ্ৰুৰ সাগৰত আজি ডুবিছো মই । নিস্তেজ আজি দিনমণি নিজৰ ভুলত --

বিষ্ণু ঃ ধৈৰ্য ধৰা দিনমণি , সকলো বুজিছো মই --

সূৰ্য ঃ কেনেকৈ ধৰোঁ ধৈৰ্য প্ৰভূ, পৰা নাই নিজকে ক্ষমিব । ধিক্কাৰ জন্মিছে মোৰ নিজৰ ওপৰত । নুবুজিলো মই নিজ পত্নীৰ দুখ যান্ত্ৰনা । অপদাৰ্থ স্বামী মই ; নিচিনি সন্ধ্যাৰ প্ৰতিবিম্ব ছাঁয়াক প্ৰথম দৰ্শনতে ; কৰিলো সহবাস । যেতিয়া চিনিলো বহু হ'ল পলম । নাপাওঁ বিচাৰি আজি মই প্ৰাণৰ প্ৰিয়েক জগতৰ দশোদিশে ।

বিষ্ণু ঃ নুদুষিবা কাকো তুমি ; সকলো বিধিৰ লিখন । পতিব্ৰতা নাৰী তোমাৰ ভাৰ্যা সন্ধ্যা । নিৰৱে সহি তোমাৰ ৰৌদ্ৰ তাপ যম আৰু যমী নামে দুটি সন্তান দিলে তোমাক উপহাৰ । কোমলাঙ্গী নাৰী তেওঁ ; কিমান সহিব ? নোৱাৰি আৰু সহিব তোমাৰ ৰৌদ্ৰ তাপ গুচি গ'ল সন্ধ্যা , ৰাখি থৈ তোমাৰ কাষে নিজৰে প্ৰতিবিম্ব ছাঁয়াক । এতিয়াও আছে সন্ধ্যা ধৰাৰ বক্ষত --

সূৰ্য ঃ কি শুনালে প্ৰভু ? আছে মোৰ ভাৰ্যা ধৰাৰ বক্ষত ?

বিষ্ণু ঃ যোৱা তুমি উত্তৰকুৰু নামে পুণ্যস্থানে ; তাতে পাবা তোমাৰ সন্ধ্যাক অশ্বিনীৰূপে --

সূৰ্য ঃ অশ্বিনীৰূপে --- ?

বিষ্ণু ঃ হয় অশ্বিনীৰূপে ; যোৱা তুমি , আমিও যাঁও নিজ কৰ্তব্যত -- ( **প্ৰস্থান** )

সূৰ্য ঃ ধন্যবাদ প্ৰভু , মোৰ শতকোটি সেৱা কৰক গ্ৰহণ -- উসঃ উত্তৰকুৰুত আছেগৈ মোৰ প্ৰাণৰ প্ৰিয়ে অশ্বিনীৰূপত । নাই, নাই এনে হব নোৱাৰে ; এতিয়াই যাঁও মই ভাৰ্যাৰ কাষে --

**সূত্ৰ ঃ সূৰ্যদেৱৰ প্ৰস্থান । সভাত অশ্বিনীৰূপী সন্ধ্যাৰ প্ৰৱেশ -- ( বাজনা - ভংগী ) --**

**সূত্ৰ ঃ অশ্বিনী সভাৰ মাজ পাই ; এনেতে সূৰ্যদেৱ ---**

সূৰ্য ঃ হায় হায়, প্ৰাণৰ পুতলী মোৰ সন্ধ্যা আছে আজি এনে ৰূপত ? ময়ে দায়ী ; মোৰ বাবেই প্ৰিয়তমা আছে আজি অশ্বিনী ৰূপত । ৰ'বা প্ৰিয়ে ময়ো লওঁ আজি অশ্বৰ ৰূপ --

**সূত্ৰ ঃ সূৰ্যই অশ্বৰ ৰূপ ধাৰণ কৰে -----**

সূচনা

এহি বুলি সূৰ্যদেৱে অশ্বৰূপ ধৰে।
কিনো কাৰ্য কৰে ইটো দেৱ অংশুমানে ।।

গীত ঃ

অশ্বৰূপ ধৰি আহে দেৱ দিবাকৰ ।
প্ৰেমভাৱে পৰশিলা পত্নী অশ্বিনীক ।।
কাম কেলি কৰে দুয়ো মদনে দহিয়া ।
যত কাৰ্য ঘটে সব ঈশ্বৰৰ লীলা ।।

**সূত্ৰ ঃঅশ্বিনীয়ে অনুতপ্ত হৈ নাকেৰে অশ্বৰ বীৰ্য বাহিৰ কৰি অস্বাভাৱিক আচৰণ কৰে-**

(আকাশবাণী ঃহে অশ্বিনীৰূপী সন্ধ্যা, ক্ষান্ত হোৱা । নহয় এয়া সাধাৰণ অশ্ব । আহিছে তোমাৰ পতি সূৰ্যদেৱ অশ্বৰূপে তোমাৰ কাষে । তোমাৰ নাসিকাৰে বাহিৰ কৰা বীৰ্যৰ পৰাই জনম ল'ব তোমালোকৰ যমজ সন্তান । অশ্বিনীকুমাৰ ৰূপে জগতত তেওঁলোক হ'ব বিখ্যাত । যোৱা তুমি এতিয়া সূৰ্যদেৱৰ সঙ্গে ---)

সূত্র ঃ দুয়ো অশ্বই সেৱা জনাই প্রস্থান কৰে। আনফালে মহৰ্ষি চ্যৱনৰ প্ৰৱেশ----

গীতঃ( ৰাগ - পয়াৰ , তাল - পৰিতাল )

প্ৰৱেশয় সভাৰ মাজে মহৰ্ষি চ্যৱন।
নিজ গুণে হৈলা তুমি অতিকে মহান।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

চ্যৱন ঃ হে প্ৰভূ, এয়া কি ঘটিছে মৰতত ? কিয় আজি ধৰ্মৰ ওপৰত অধৰ্মই কৰিছে প্ৰভাৱ বিস্তাৰ। ভক্তি মাৰ্গৰ পৰা আজি কিয় মনুষ্যগণ হৈছে বিচলিত ? যিজনে ভক্তিমাৰ্গ কৰিছে গ্ৰহণ তেওঁচোন মায়া মোহত হৈছে আৱদ্ধ ? হৈছো শংকিত , নাথাকিব নেকি মৰতত ধৰ্মৰ অস্তিত্ব । ৰক্ষা কৰা প্ৰভূ , উদ্ধাৰ কৰা তুমি মনুষ্যগণক ---- হৰি ঔম তৎসৎ --- ঔম নমো ----।। আঃ মোৰ হৈছে কি ? কিয় মই একান্তচিত্তে ভগৱন্তক কৰিব পৰা নাই ধ্যান ? হে প্ৰভূ , এয়া কি হৈছে মোৰ -- ? কিয় মই তোমাক কৰিব পৰা নাই ধ্যান ?

সূত্র ঃ এনেতে গীত গাই দেৱৰ্ষি নাৰদৰ প্ৰৱেশ ---------------

চ্যৱন ঃ দেৱৰ্ষি , স্বাগতম জনাইছো আপোনাক ; হে দেৱৰ্ষি, উদ্ধাৰ কৰক আমাক ; উদ্ধাৰ কৰক ---

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ -- হে ভৃগুনন্দন , কি হৈছে আপোনাৰ ?

চ্যৱন ঃ দেৱৰ্ষি, সন্তৰ ওপৰত দুষ্টৰ প্ৰাদুৰ্ভাৱ দেখি আমাৰ মনত বাঢ়িছে অস্থিৰতা । মনুষ্যৰ মানৱতা কেনিবা হেৰাল ; তাকে দেখি আমাৰ বাঢ়িছে মনৰ উদ্বিগ্নতা । ধ্যানমগ্ন হ'ব পৰা নাই আমি হৰি আৰাধনাতো

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, হে ভৃগুনন্দন, হৰিক নভজি মনুষ্য হয় নষ্ট, হৰিক ভজি মনুষ্যই পাই সদগতি

চ্যৱন ঃ কিন্তু দেৱৰ্ষী , এই তত্ব যে মৰতৰ মনুষ্যই নলয় আদৰি ।

নাৰদ ঃ মনুষ্য নিজে নিজৰ বন্ধু , নিজে নিজৰ শত্ৰু। নিজে নিজক ৰাখে, নিজে নিজক মাৰে । তথাপি ঋষিবৰ, আপুনি নহ'ব চিন্তিত ; ধৰ্মৰে শেষত হ'ব নিশ্চিত জয় ।

চ্যৱন ঃ দেৱৰ্ষি , আপোনাৰ বাণীয়ে আমাক কৰিছে আপ্লুত ; আনন্দাশ্ৰু আমাৰ হৈছে নিৰ্গত ।

নাৰদ ঃ ভৃগুনন্দন, ৰাখিব মনত বিষয় সুখ জীৱই সকলো জন্মতে পাব , কিন্তু হৰি সেৱাৰ সামৰ্থ পাই কেৱল মনুষ্য জন্মতহে । গতিকে হৃদয়ত স্থাপন কৰি ভগৱন্তক , ভক্তিভাৱে ভজিলে শ্ৰীহৰিক নিশ্চয় পাব প্ৰভূ নাৰায়ণক । শাম কাটিব মনৰ অস্থিৰতাও ------

চ্যৱন ঃ দেৱৰ্ষি, আপোনাক জনাইছো আমি সহস্ৰ কোটি প্ৰণাম। সঁচাই সন্তৰ সঙ্গতে পাই মুক্তিৰ পথ। অশান্ত মন আমাৰ হ'ল শান্ত , বাঢ়িছে হাবিয়াস আমাৰ তপৰ প্ৰতি ।

নাৰদ ঃ তেন্তে আপুনি সৌ হ্ৰদৰ পাৰতে আচৰি তপ লওক ধ্যানৰ সমাধি। আমিও যাওঁ নিজ কৰ্তব্য কৰোঁগৈ পালন , ---- নাৰায়ণ নাৰায়ণ --- (প্ৰস্থান)

চ্যৱন ঃ যাওঁক দেৱৰ্ষি , আমিও যাওঁ ভগৱন্তক কৰোঁগৈ ধ্যান।

সূত্র ঃ চ্যৱনৰ প্ৰস্থান । আনহাতে সভাত ইন্দ্ৰ, পৱন আৰু অগ্নিদেৱৰ প্ৰৱেশ----

গীত- (ৰাগ ঃ মাহুৰ ; তাল ঃ একতাল, পৰিতাল )

অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।
সঙ্গে আছে দেৱগণ দেখিতে সুৱেশ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

ইন্দ্ৰ ঃ ইন্দ্ৰ মই সৰগৰ ৰজা । লভি অমৰত্ব অমৃত পানেৰে , লভি দেৱত্ব দেৱযজ্ঞৰে তেত্ৰিশ কোটি দেৱতাৰ মই হৈছো পালক হাঃ হাঃ -- কিন্তু দেৱগণ , তথাপি মনত মই নাপাওঁ শান্তি । নাজানো কিয় মৰতৰ ৰক্ষ, অসুৰ , দানৱে বাৰে বাৰে মোৰ অমৰধাম কৰে আক্ৰমণ --- ?

অগ্নি ঃ দেৱৰাজ, আমাৰ যি প্ৰাপ্তি অসুৰ- দানৱৰ বাবে সি নহয় সৃষ্টি ; তেনেস্থলত অসুৰ - দানৱৰ সৰগ আক্ৰমণ অতিকে স্বাভাৱিক । তথাপি দেৱৰাজ, নকৰিব চিন্তা , অগ্নিদেৱ মই , মোৰ এক পৰশতে ত্ৰিভূৱন হয় ধ্বংস ; সাজু আছো মই অহৰ্নিশে সৰগৰ প্ৰহৰী হৈ ---

পৱন ঃ মোৰ শক্তিক কি আপোনাসৱে গৈছে পাহৰি ? পৱনদেৱ মই ; গিৰি হিমালয়ো মই হেলাৰঙ্গে নিব পাৰোঁ উৰুৱাই । জননী ৰক্ষাৰ হেতু প্ৰতি পলে , প্ৰতি ক্ষণে সাজু আছো মই ---

ইন্দ্ৰ ঃ হাঃহাঃ আপোনাসৱৰ দৰে অমৰমণ্ডলী স্বাভিমান মোৰ । মনৰ সংশয় মোৰ গ'ল আঁতৰি । ব'লক দেৱগণ , মুক্ত মনে সৰগত সৱে কৰোঁ বিচৰণ ----

**<u>সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। সভাত অসুৰাজ কালদন্তা, জলদন্তা আৰু প্ৰলম্ভাৰ প্ৰৱেশ----</u>**

**<u>গীত - (ৰাগ ঃ কানাড়া, তাল ঃ পৰিতাল )</u>**

**প্ৰৱেশ কৰিয়া আহে অসুৰ সেনানী ।**
**তল বল কৰি আহে কম্পয় ধৰণী । ।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা সভাসদ নৰ । ।**

কালদন্তা ঃ কালদন্তা , কালদন্তা মই ; সমগ্ৰ পাতাল জিনি প্ৰৱেশিলো মৰ্ত্ত্যত , তথাপি নাপালো মোৰ সমকক্ষ বীৰ । নপলাল মোৰ ৰণতৃষ্ণা । আঃ কেনেদৰে পলোৱাঁও মই ৰণৰ হেপাঁহ ? কোৱা ভাতৃ , কৰোঁ নেকি এইবাৰ স্বৰ্গ আক্ৰমণ ? জুখি চাওঁ দেৱেন্দ্ৰৰ কিমান পৰাক্ৰম ?

জলদন্তা ঃ উত্তম চিন্তা কৰিছে দাদা । চল কৰি ব্ৰহ্মাই , চল কৰি বিষ্ণুৱে দেৱতাক দিলে স্বৰ্গপুৰী , কৰিছে সিহঁতে অমৃত পান ; অমৰ দেৱতা বুলি কৰে স্বাভিমান ; পদে পদে আমাক সিহঁতে কৰে অপমান

কালদন্তাঃ আঃ দেৱতা, এইবাৰ তহঁতে নাপাবি পৰিত্ৰাণ । জাগি উঠ অসুৰৰ আসুৰিক শক্তি ; জ্বলি উঠ প্ৰতিশোধৰ প্ৰচণ্ড অগ্নি, বক্ষ ফালি দেৱতাৰ, দেৱতাৰ ৰক্তৰে প্লাৱিত কৰি স্বৰ্গ , দখল কৰোঁ ইন্দ্ৰাসন । লভো অমৰত্ব কৰি অমৃতপান হাঃ হাঃ ----

প্ৰলম্ভা ঃ অসুৰেশ্বৰ , বিলম্বৰ আৰু নোহে প্ৰয়োজন । প্ৰলয়ৰ সুচনা কৰি স্বৰ্গপুৰীত , দেৱেন্দ্ৰৰ বজ্ৰ কাঢ়ি এই প্ৰলম্ভাই আপোনাক কৰিম প্ৰদান ।

কালদন্তা ঃ হাঃ হাঃ -- হীন বুলি , নীচ বুলি দেৱগোষ্ঠীয়ে আমাক কৰা অপমানৰ দিম যোগ্য প্ৰতিদান । ওলোৱা ভাতৃ, ওলোৱা সেনাপতি, কম্পিত কৰি ত্ৰিভূৱণ বজোৱা ৰণডংকা আমাৰ । লাগক দেৱতাৰ মাজত হাঁহাকাৰ ; দিয়া অভ্ৰভেদী অসুৰৰ জয়কাৰ হাঃ হাঃ ------

প্ৰলম্ভা ঃ জয় অসুৰেশ্বৰ কালদন্তাৰ জয় , জয় অসুৰেশ্বৰ কালদন্তাৰ জয় , জয় অসুৰেশ্বৰ কালদন্তাৰ জয় -----

**<u>সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান। আনফালে সভাত দেৱগণ -------</u>**

ইন্দ্ৰ ঃ দেৱগণ, সৰগৰ শান্তি কৰি বিনষ্ট আহিব ধৰিছে যেন কিবা অশুভ শক্তি --

পৱন ঃ আপোনাৰ আশংকা সঠিক দেৱৰাজ ; আহিছে কোনোবা অসুৰ সৰগৰ দিশে --

**<u>সূত্ৰ ঃ জয়ধ্বনী দি অসুৰগণ আহে -----</u>**

ইন্দ্ৰ ঃ সাৱধান, সাধাৰণ এক অসুৰ হৈ কিয় আহ স্বৰ্গধামে ?

কালদম্ভা ঃ হাঃ হাঃ নহয় আমি সাধাৰণ অসুৰ ; জিনি মত্যপুৰী , কৰি পদানত পাতালপুৰী আহিছো আমি সৰগৰ দিশে। সেনাগণ, কৰা আক্ৰমণ --

ইন্দ্ৰ ঃ দেৱগণ , কৰক আক্ৰমণ ----

**সূত্ৰ ঃ সমদল যুদ্ধ হয় ------ ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ কালদম্ভা আৰু দেৱেন্দ্ৰক বাদ দি সকলোৱে ৰণ কৰি প্ৰস্থান ------**

কালদম্ভা ঃ হাঃহাঃ দেৱেন্দ্ৰ, শুনিছো তই বোলে অতি চতুৰ, মহা বলবান। ময়ো ৰণমত্ত ; বিচাৰি ফুৰিছো বীৰ মোৰ সমকক্ষ ।নাপালো পাতালত , নাপালো ধৰণীত , আজি তোৰ সমে কৰি ৰণ পলোৱাম মোৰ ৰণতৃষ্ণা । কিন্তু সাৱধান , ৰণাংগন এৰি তই নকৰিবি পলায়ন ।

ইন্দ্ৰ ঃ ময়ো ৰণৰংগী ; সুৰপতি মই , বজ্ৰপাণি মই , তোৰ দৰে কত অসুৰক এই বজ্ৰৰে নিধন কৰি সৰগৰ জেউতি বঢ়াইছো মই । আহ অসুৰ , ৰণতৃষ্ণা আজি তোৰ পূৰ্ণ কৰিম মই ।

**গীত - ( ৰাগ ঃ মল্লাৰ , তাল ঃ ৰচক )**

**এহি বুলি দুয়োবীৰে ৰণ আৰম্ভিলা ।**
**চোকা চোকা অস্ত্ৰ দুয়ো প্ৰহাৰ কৰিলা ।।**
**অস্ত্ৰঘাটে কালদম্ভা হৈলা পৰাভূত ।**
**ৰাম হৰি ডাকি বোলা সামাজিক লোক ।।**

**সূত্ৰ ঃকালদম্ভা যুদ্ধত পলাই যায়। দেৱেন্দ্ৰই খেদি নিয়ে । সভাত অশ্বিনীকুমাৰদ্বয়ৰ প্ৰৱেশ --**

**গীত- (ৰাগ ঃ গান্ধাৰ, তাল ঃ ৰচক )**

**প্ৰৱেশয় সভাৰ মাজে অশ্বিনী কুমাৰ।**
**দিব্য বস্ত্ৰে শোভে দুয়ো অতি চমৎকাৰ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

**সূত্ৰ ঃ অশ্বিনীকুমাৰদ্বয়ৰ প্ৰস্থান। সভাত অপেশ্বৰী ৰম্ভাৰ প্ৰৱেশ------**

**গীত- ( ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )**

**সভাত চলিয়া আহে ৰম্ভা অপেশ্বৰী।**
**স্বৰ্গৰ অপ্সৰা ইটো অতিকে সুন্দৰী।।**
**লয়লাসে চলি আহে সভাৰ ভিতৰে।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।**

ৰম্ভা ঃ স্বৰ্গৰ অপেশ্বৰী নাম মোৰ ৰম্ভা। মোৰ ৰূপৰ জানো আছে তুলনা ? যোগীৰ হৃদয়টো জগাঁও যৌৱনৰ কামনা হাঃহাঃ আৰু নৃত্যত পাৰিব জানো মেনকাই, পাৰিব জানো তিলোত্তমাই মোক কৰিব পৰাস্ত ? নোৱাৰে, মইয়ে নৃত্যত অদ্বিতীয়া সৰগৰ সৰ্বশ্ৰেষ্ঠা অপ্সৰা। সেই হেতু দেৱ সমাজত আজি নৃত্যৰ বাবে দেৱৰাজে মোকেই কৰিছে নিৰ্বাচন । যাওঁ মই দেৱগণক নৃত্যৰে কৰোঁগৈ সন্মোহন।

**সূত্ৰ ঃ ৰম্ভাৰ প্ৰস্থান। সভাত ইন্দ্ৰ , অগ্নি আৰু পৱনদেৱ----**

ইন্দ্ৰ ঃ দেৱগণ, দেৱাসুৰ সংগ্ৰামত আমি পুনৰ পালো বিজয়। শেনৰ দৰে আহি কালদম্ভা অসুৰ ফেঁচাৰ দৰে গ'ল উলতি -- হাঃ হাঃ--দেৱেন্দ্ৰ মই অপ্ৰাৱতীৰ , তেত্ৰিশ কোটি দেৱতাৰ পালক মই ; চলে বলে কিম্বা কৌশলে ৰক্ষা কৰিছো মই স্বৰ্গৰ বৈভৱ আৰু কৰি যাম সুৰক্ষা হাঃ হাঃ-

**সূত্র ঃ এনেতে অশ্বিনীকুমাৰদ্বয়------**

না+দ ঃ দেৱৰাজৰ জয় হওঁক ---

ইন্দ্ৰ ঃ অ' অশ্বিনীকুমাৰদ্বয় , কিয় অকস্মাত হ'ল আগমণ অম্ৰাৱতীপুৰত ?

নাসত্য ঃ দেৱৰাজ , দেৱাসুৰ সংগ্ৰামত বিজয়ৰ বাবে আপোনাসৱক ওলগ জনাবলৈ আহিলো আমি । দেৱতাৰ জয় হওঁক , স্বৰ্গৰ গৌৰৱ বৃদ্ধি পাওঁক ।

ইন্দ্ৰ ঃ হাঃ হাঃ ধন্যবাদ ; নিশ্চয় সৱগৰ গৌৰৱ , দেৱতাৰ জয়গান কদাপি নহ'ব ম্লান ।

অগ্নি ঃ দেৱৰাজ , বিজয়ৰ আনন্দ চৰক দুগুণে । কৰক আয়োজন অপ্সৰাৰ নৃত্যানুষ্ঠান।

ইন্দ্ৰ ঃ চিন্তা নকৰিব অগ্নিদেৱ । সাজু হৈ আছে অপ্সৰা নৃত্যৰ বাবে । ৰম্ভা .,..ৰম্ভা...

**সূত্র ঃ হাতত সোমৰসৰ ভাণ্ড লৈ ৰম্ভা-----**

ৰম্ভা ঃ প্ৰণাম দেৱৰাজ------------

ইন্দ্ৰ ঃ ৰম্ভা , তোমাৰ নৃত্য উপভোগৰ বাবে ব্যাকুল আজি দেৱগণ । আৰম্ভ কৰা তোমাৰ মোহিনী নৃত্য ; আলোড়িত কৰি মোৰ অম্ৰাৱতীপুৰ , মোহিত কৰোৱা দেৱসমাজক।

ৰম্ভা ঃ দেৱৰাজ , নৃত্যৰ বাবে সদা প্ৰস্তুত মই। আনিছো লগত এয়া সোমৰসৰ ভাণ্ড । দেৱগণ, নিয়ন্ত্ৰণ ৰাখিব আপোনাসৱে নিজৰ ওপৰত । পাছত কিন্তু নুদুষিব এই অপেশ্বৰী ৰম্ভাক ।

ইন্দ্ৰ ঃ দিয়া ৰম্ভা , সোমৰস অবিহনে আনন্দ উৎসৱ নহয় সম্পূৰ্ণ। পান কৰোৱা সোমৰস নিজ হাতে তুমি আমাক । পাছে কৰিবা নৃত্যাৰম্ভ।

ৰম্ভা ঃ যিবা আজ্ঞা দেৱৰাজ -------

## গীত

সোম ৰসৰ ভাণ্ড লৈয়া ৰম্ভা অপেশ্বৰী ।
বিতৰণ কৰে দেৱক পুলকিত কৰি ।।
তাঙ্ক দেখি অশ্বিনীদ্বয় গৈলা আগুৱাই ।
দিয়া ৰম্ভা আমাক দিয়া পৰাণ জুৰাই ।।

**সূত্র ঃ ৰম্ভাই অশ্বিনীকুমাৰদ্বয়ক সোমৰস দিব বিচাৰে ; দেখি ইন্দ্ৰই যি কয় ----**

ইন্দ্ৰ ঃ ( খঙেৰে ) ৰম্ভা , কি কাৰ্য্য কৰিব ওলাইছা ?

ৰম্ভা ঃ ক্ষমা দেৱৰাজ , অজানিতে মই কিবা কৰিলো নেকি ভুল -----?

ইন্দ্ৰ ঃ অপৰাধ ; ঘোৰ অপৰাধ কৰিবলৈ ওলাইছা তুমি। নাজানা নেকি তুমি , এয়া দেৱতাৰ সোমৰস ; দেৱতাৰ স্বাভিমান । যোৱা, লৈ যোৱা তুমি সোমৰস ততালিকে ইয়াৰ পৰা - **(ৰম্ভাৰ প্ৰস্থান )**

নাসত্য ঃ দেৱৰাজ, এয়া কি কৈছে আপুনি ? আমিওটো দেৱ । দেৱতাৰ বৈদ্য আমি । তেনেস্থলত আমি কিয় নাপাম সোম ৰসৰ স্বাদ ? কিয় নাপাম আমি দেৱৰ দেৱত্ব ?

ইন্দ্ৰ ঃ হাঃ হাঃ দেৱত্ব আৰু আপোনাসৱ ; জন্ম যাৰ অতি নীচ ভাৱে , বৈদ্য ৰূপে যি পৰিচিত , বৈদ্য ৰূপতে থাকক সন্তুষ্ট । দেৱতাৰ শাৰীত বহি সোমৰস পান কৰিবলৈ নকৰিব চেষ্টা ।

দস্ৰ ঃ দেৱৰাজ , -- আমাৰ প্ৰতি এনে কটু বাক্য প্ৰয়োগ ----??

পৱন ঃ উচিত কথাই কৈছে দেৱৰাজে । বৈদ্য আপোনালোক, দেৱত্ব প্ৰাপ্তি আপোনাসৱৰ নহয় অধিকাৰ। যক্ষ, ৰক্ষ, মনুষ্যইও যজ্ঞৰ ভাগ আপোনাসৱক আজিলৈকে দিয়া নাই আৰু নিদিয়ে কদাপি।

অগ্নি ঃ অশ্বৰূপী সূৰ্যৰ তনয় আপোনালোক । নিজৰ স্থান , নিজৰ মান নিজেই জনা উচিত। বাওনা হৈ চন্দ্ৰলৈ নেমেলিব হাত ।

নাসত্য ঃ নক'ব দেৱগণ, নক'ব আৰু। ইমান অপমান আমি নোৱাৰোঁ সহিব । আমিয়ে কৰিলো ভুল, বাওনা হৈ চন্দ্ৰলৈ মেলিছিলো হাত । আমাৰ স্থান , আমাৰ মান গৈছিলো পাহৰি ।

দস্ত্ৰ ঃ ধন্যবাদ দেৱগণ , আমাৰ স্থান , আমাৰ মান আপোনাসৱে আজি দিলে সোঁৱৰাই। এনে অপৰাধ আৰু আমি নকৰোঁ দুনাই। ব'লা নাসত্য , উচ্চ দেৱসমাজত আৰু আমাৰ নাই স্থান ।

**সূত্ৰ ঃ অশ্বিনীকুমাৰদ্বয়ৰ প্ৰস্থান------------**

ইন্দ্ৰ ঃ যাওক যাওক , অশ্বিনীৰ নাসিকাত জনম লোৱা অযোগ্যজনক দেৱৰাজে কদাপি প্ৰদান নকৰে দেৱত্ব । আঃ আনন্দ উল্লাস কৰিলে ম্লান । দেৱগণ, সভা আজিলৈ কৰা হওঁক ভঙ্গ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত শৰ্য্যাতি, মন্ত্ৰী আৰু সেনাপতি বিক্ৰমসেনৰ প্ৰৱেশ----**

**গীত - ( ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল )**

**পাত্ৰ মন্ত্ৰী সমে আহে শৰ্য্যাতি ৰাজন।**
**ধৰ্মপ্ৰাণ ৰাজা ইটো অতিকে মহান।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

শৰ্য্যাতি ঃ মন্ত্ৰীবৰ , ৰাজ্যৰ সকলো প্ৰজাৰ কুশলনে --- ? আছে নেকি কিবা সমস্যা সমাধান কৰিবলৈ --- ?

মন্ত্ৰী ঃ মহাৰাজ , সকলো প্ৰজাই ভগৱন্তৰ কৃপাত কুশলে কৰিছে বাস আৰু নাই কোনো সমস্যা বৰ্তমান আমাৰ ৰাজ্যত ।

শৰ্য্যাতি ঃ প্ৰভুৰ কৃপাদৃষ্টি যেন সদায় থাকে আমাৰ ওপৰত। সেনাপতি, দুষ্টৰ ওপৰত তুমি ৰাখিবা দৃষ্টি ; তপস্বীগণে যাতে নিৰ্ভয়ে আমাৰ ৰাজ্যত কৰিব পাৰে শ্ৰীহৰিক আৰাধনা তাৰ প্ৰতি ৰাখিবা ধ্যান। তপস্বীৰ তুষ্টিত ভগৱন্তৰ সন্তুষ্টি আৰু তেতিয়া আমাৰ ৰাজ্যৰো বাঢ়িব জেউতি ----

বিক্ৰম ঃ তাৰ বাবে চিন্তা নকৰিব মহাৰাজ । নিৰ্ভয়ে আশ্ৰমৰ ঋষিগণে কৰিছে তপ আৰু যদি কোনো দুষ্টই কৰে অশান্তি তেন্তে বিক্ৰমসেনৰ এই তীক্ষ্ণ তৰোৱালে দিব সমুচিত উত্তৰ।

শৰ্য্যাতি ঃ আপোনাসবৰ দৰে পাৰিষদ পাই ধন্য মানিছো মই । তেন্তে আজিলৈ সভা সামৰা হওঁক।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে অসুৰৰ সভা। প্ৰথমে জলদম্ভা আৰু প্ৰলম্ভা আহে। পাছত চিন্তিত মনে কালদম্ভা সোমাই আহে ------**

কালদম্ভা ঃ পৰাস্ত হৈ দেৱেন্দ্ৰৰ হাতত অপমান , দুৰ্নাম , কলংক সানিলো মই অসুৰ জাতিত । স্বৰ্গাভিলাষী কালদম্ভাই আশ্ৰয় লৈছেহি আজি ধৰণীত আহি । আঃ পৰাজয়ৰ গ্লানি মোৰ নহয় সহ্য ---

জলদম্ভা ঃ দাদা , নকৰিব চিন্তা , নকৰিব দুখ ; অচিৰেই হৰিম আমি দেৱতাৰ সুখ । পুনৰ স্বৰ্গ কৰি আক্ৰমণ দেখুৱাঁও দেৱতাক অসুৰৰ পৰাক্ৰম ।

কালদম্ভা ঃ নহয় ভাতৃ, এই দুবাহুৰে পাতাল জিনিলো ; এই দুবাহুৰে মৰত জিনিলো । অথচ পুৰন্দৰৰ হাতত ঘটিল মোৰ পৰাজয় ? কিয় -- , কিয় ? দেৱতা কিদৰে হ'ল ইমান শক্তিশালী ? জানিব লাগিব আমি প্ৰথমে তাৰ কাৰণ ---

জলদম্ভা ঃ যজ্ঞ ; অ দাদা , যজ্ঞৰ পৰা শক্তি পাই সৰগৰ দেৱতাই । মৰতৰ সাধু সন্তই পাতে যজ্ঞ দেৱতাৰ । যত যজ্ঞ হয় ধৰণীত তত শক্তি বাঢ়ে সৰগত দেৱতাৰ ।

কালদন্তাঃ যত যজ্ঞ হয় ধৰণীত তত শক্তি বাঢ়ে দেৱতাৰ ? উচিত ক্ষণত সঠিক সন্ধান দিলা ভাতৃ । হাঃ হাঃ এতিক্ষণে কৰিলো পণ, দেৱনাশী যজ্ঞ মই কৰিম আৰম্ভণ। আছে মানে জগতত যত দেৱ ভক্ত, ঋষি - মুনি সকলোকে এটি এটি কৰি কৰিম নিৰ্মূল । সেনাগণ , শুনা মোৰ প্ৰচণ্ড আদেশ বন্ধ কৰি দিয়া মত্যধামত দেৱ- নাৰায়ণৰ যাগ যজ্ঞ --- ।

প্ৰলম্ভা ঃ চিন্তা নকৰিব অসুৰেশ্বৰ , পূৰণ কৰা হ'ব আপোনাৰ আদেশ। বন্ধ কৰি দিম তিনি ত্ৰৈলোক্যত দেৱ - নাৰায়ণৰ যজ্ঞ আৰু যদি কোনোবাই আপোনাৰ আদেশ কৰে অৱজ্ঞা ------

জলদন্তা ঃ কাৰ আছে সাহস, কোনে কৰিব দাদাৰ আদেশ কৰিব অৱজ্ঞা ? যদিহে কোনোবাই আদেশ অমান্য কৰি দেৱ মন্ত্ৰ , বিষ্ণু মন্ত্ৰ কৰে উচ্চাৰণ তাৰ জিহ্বা কাটি , দুই চকু অন্ধ কৰি ঠেলি দিম তাক মই পংকিলতাৰ অটল গৰ্ভত । বিস্তাৰ কৰিম জগতত অসুৰৰ প্ৰলয় বিভীষিকা ----

কালদন্তা ঃ অ ভাতৃ দিবা এনে চৰম শাস্তি যি শাস্তি দেখি স্বৰ্গৰ দেৱতা , মত্যৰ মানৱ , পাতালৰ মহা ভুজঙ্গমো হওক কম্পমান । ক্ষমা নাই দয়া নাই আজি আমাৰ অন্তৰত । লাগে আজি আমাক দেৱ ধবংস । ব'লা সকলোটি আঁচনি বাস্তৱত কৰোঁগৈ ৰূপায়ন ---

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান । সভাত এজন লিগিৰাৰ প্ৰৱেশ ---( তাল - ভংগী )**

**সূত্ৰ ঃ লিগিৰাৰ প্ৰস্থান । আনফালে ৰাজকুমাৰী সুকন্যা আৰু সখী সুকীৰ্তিৰ প্ৰৱেশ -**

**গীত - ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )**

**আৱত সভাৰ মাজে শয্যাতি নন্দিনী ।**
**সুকন্যা নামে ইটো অতিকে সুন্দৰী ।।**
**সখী সমে চলি আহে বনৰ উদ্যানে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

সুকন্যা ঃ অপূৰ্ব আমাৰ ৰাজ উদ্যান । বিনন্দীয়া প্ৰকৃতিৰ অপৰূপা ৰূপ পৰিস্ফুট হয় এই উদ্যানত । চাৰিওদিশে দেখো কেৱল স্নিগ্ধ শ্যামল । চোৱা সখী , বিহগ - বিহগীও উৰি যায় নীল আকাশত দূৰ দিগন্ত ধিয়াই । অ সখী , মুগ্ধ মই প্ৰকৃতিৰ বিনন্দীয়া ৰূপত ।

সুকীৰ্তি ঃ সঁচাই বিতোপন উদ্যানৰ ৰূপ। পাছে আমাৰ ৰাজকন্যাৰ ৰূপো নহয় কম । কত যে ৰাজকুমাৰ হৈ আছে ব্যাকুল আমাৰ সখীক পত্নীৰূপে পাবলৈ ।

সুকন্যা ঃ সখী, তোমাৰ আৰু আন কথা নাই। এনেহেন মুক্ত পৰিৱেশতো কোৱা তুমি সাংসাৰিক বান্ধোনৰ কথা। মুক্ত বিহংগৰ দৰেহে থাকিবৰ মন মোৰ , চাবা , নোসোমাও মই সাংসাৰিক বান্ধোনত ।

সুকীৰ্তি ঃ হয়নে -- ? সন্মূখীন হোৱা নাই আমাৰ সখী এতিয়ালৈকে কোনো সুদৰ্শন যুৱকৰ , পোৱা নাই তেওঁৰ পৰা প্ৰেম নিবেদন। যিদিনাই দেৱযেন কুমাৰে দিবহি প্ৰেমৰ প্ৰস্তাৱ সকলোকে এৰি থৈ শুকুলা ঘোঁৰাত উঠি গুচি যাব আমাক কন্দুৱাই ।

সুকন্যা ঃ সখী, যদি আহে তেনে দিন তোমাকো লগত লৈ যাম মই । পাছে, এতিয়া যাওঁ ব'লা পিতাৰ সমীপেহে । কাৰেঙত নেদেখি আমাক পিতা হ'ব চিন্তিত ।

সুকীৰ্তি ঃ তুমি যোৱা সখী ; সন্ধ্যা আৰতিৰ বাবে মই কিছু পুষ্প যোগাৰ কৰি নিওঁ ।

সুকন্যা ঃ বাৰু , সোনকালে আহিবা তুমি ---

**সূত্ৰ ঃ সুকন্যাৰ প্ৰস্থান। সুকীৰ্তিয়ে পুষ্প চিঙে। এনেতে লিগিৰাই আহি সুকীৰ্তিক চাই থাকে-**

সুকীৰ্তি ঃ (লিগিৰাক হঠাৎ দেখি )--- আই ঔ ; কটা নিধকটো কি কৰিছহি ইয়াত ?

লিগিৰা ঃ হেঃ হেঃ পুষ্প য'ত ভোমোৰা ত'ত । আই ঐ দেহি মোৰ কলিজাজনী , বনৰ পুষ্পতকৈও তই মোহনীয়া ; যেন সৰগৰ পাৰিজাত , মৰতৰ চেনিচম্পা ----

সুকীৰ্তি ঃ এই আঁতৰ হ, আঁতৰত থাক ; তোৰ দৰে ক'লা এন্দুৰটো নাহিবি কাষে ---

লিগিৰা ঃ ক'লা এন্দুৰ ? অ তই মোক তেনেদৰেহে ক'লি ? অত কষ্ট মোৰ কৰিলি পানী । হেৰ' তোৰ বাবেই ৰাতি দুপৰৰ পৰা সাজোন - কাচোন কৰোঁ মই --

সুকীৰ্তি ঃ এন্দুৰে সেন্দুৰ লগালেও এন্দুৰেই হয় । পাছে তোৰ লগত মই কিয় কৰোঁ তৰ্ক ? আছে মোৰ বহু কাম । মই কোন জান ? ৰাজকন্যা সুকন্যাৰ সখী মই ---

লিগিৰা ঃ হয়নে, ময়ো জানো কম ; মহাৰাজৰ প্ৰধান লিগিৰা মই । বাৰু ৰূপৰ কথাটো পাহৰি যোৱা । ৰূপেনো কি গুণেহে সংসাৰ তৰে । তাতে আমাৰ জোৰাটো আকৌ বৰ পাভ জোৰা হ'ব ; নহয়নে ? বোলো শাস্ত্ৰটো জানো কোৱা নাই -- সমানে সমানে কৰিবা কাজ , হাৰিলে - নাহাৰিলে -----এই তেনেকৈ কিবা এষাৰ কৈছিল । বহুদিন চৰ্চা কৰা নাই যে ---

সুকীৰ্তি ঃ আ-হাহা ক বুলিব নাজানে ৰত্নাৱলী পঢ়ে । আমাক ভুলাবলৈ শাস্ত্ৰজ্ঞ দেখায় । কি চাবা এওঁৰ ৰেহ-ৰূপ -- আলিবাটত চুৰিয়াৰ ফেৰ , ঘৰত আকৌ ঢকুৰাৰ বেৰ ।

লিগিৰা ঃ হেৰ' মোক জোকাই নলবি ; কেঁচা বৰলক জোকাই ললে গা সৰা টান ------

সুকীৰ্তি ঃ এহ থ থ ঢোৰা সাপৰ ফোঁচফোঁচনিলৈ অমুকীয়ে নকৰে ভয় । এই জনমতটো বাদেই সাত জনমতো নাপাব তই মোক ; এই কথা মনত ৰাখিবি তই ---- ( প্ৰস্থান )

লিগিৰা ঃ এই এই সুকীৰ্তি ---- আও এইজনীৰ ভেমটো চা । খঙ কৰিলে যে তোক একেবাৰে ৰাঙলী মদাৰ যেন লাগে ঔ --- হেৰ' সংসাৰ পাতিবলৈ শাস্ত্ৰজ্ঞ হোৱাৰ প্ৰয়োজন নাই । পাছে তই কি বুজিবি ? ৰাজকন্যাক সজাঁওতে সজাঁওতে তোৰ যৌৱনেই দিব ভাটি । আও শেষত ঢোৰা সাপৰ লগতো ৰিজালে মোক । পাছে চাই থাকিবি এদিন এই ঢোৰা সাপে অজগৰ হৈ তোক থম গিলি -- আমাৰ আহিবলগা পোণাকেইটাৰ ময়ে হম বাপেকী হেঃ হেঃ ---

**সূত্ৰ ঃ লিগিৰাৰ প্ৰস্থান । আনফালে সভাত শৰ্য্যাতি , মন্ত্ৰী আৰু সেনাপতি------**

শৰ্য্যাতি ঃ মন্ত্ৰীবৰ আৰু সেনাপতি, ৰাজ্যৰ চাৰিওদিশে এতিয়া শান্তি বিৰাজমান। প্ৰজাগণে সুখেৰে কৰিছে বাস। সেয়ে ভাৱিছো সময় পাওঁতেই আত্মতুষ্টিৰ বাবে কৰোঁ মৃগয়া যাত্ৰা ।

মন্ত্ৰী ঃ উত্তম বিচাৰ মহাৰাজ । যাওঁক আপুনি মৃগয়া যাত্ৰালৈ , মনো হ'ব প্ৰফুল্ল -----

শৰ্য্যাতি ঃ ভাবিছো সুকন্যাকো লৈ যাম আমাৰ লগত । প্ৰকৃতিৰ মুক্ত বেশত আনন্দিত হ'ব তাই । সেনাপতি, কালিলৈ প্ৰভাততে কৰিম আমি মৃগয়া যাত্ৰা ।

বিক্ৰম ঃ আপুনি নিশ্চিন্ত থাকক মহাৰাজ , সকলো ব্যৱস্থা মই কৰিম পূৰ্ণ।

শৰ্য্যাতি ঃ তেন্তে আজিলৈ সভা সামৰা হওঁক ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। মৃগয়া যাত্ৰা কৰি শৰ্য্যাতি আৰু সেনাপতি আগে আগে, পাছত সুকন্যা আৰু সুকীৰ্তিয়ে প্ৰৱেশ কৰি প্ৰস্থান কৰে ---**

গীত

চলি আহে শৰ্য্যাতি ৰাজ মৃগয়াৰ হেতু ।
কন্যাসহ পাত্ৰগণক লগে লৈয়া সঙ্গে ।।
ধনু ধৰি প্ৰৱেশিলা গভীৰ বনত ।
ৰাম হৰি ৰাম হৰি বোলা অবিৰত ।।

**সূত্ৰ ঃ সভাত পুনৰ সুকন্যা আৰু সুকীৰ্তি আহে ----**

সুকন্যা ঃ আ- হা হা, কিযে সুন্দৰ বনৰ পৰিৱেশ। ফুলি আছে চম্পা , কেতেকী , গোন্ধে আমোলমোল । সখী, আপোন পাহৰা হওঁ মই এনে পৰিৱেশত ---

সুকীৰ্তি ঃ সখী, আমি আমাৰ দলৰ পৰা ব হুদুৰ আহিলো আগুৱাই । ব'লা সখী, এই স্থান কৰোঁ পৰিত্যাগ । নতু আহিব পাৰে ইয়ালৈ কোনো হিংস্ৰ জন্তু ।

সুকন্যা ঃ ৰ'বা সখী, এনেহেন পৰিৱেশ এৰি যাবৰ মোৰ নিবিচাৰে মনে। চোৱাচোন সখী সৌ হ্ৰদৰ জল কিমান নিৰ্মল ? নীল পদ্মৰে আছে জকমকাই ; আৰু কিছুপৰ থাকো আঁহা সখী এই স্থানে --- ( অলপ আগুৱাই ) সখী , চোৱা এইটো -- উঁইসাঁফলু -- আছে এক মনুষ্যৰ মূৰ্ত্তি হৈ ।

সুকীৰ্তি ঃ আঁহা সখী , বহু পলম হৈছে আমাৰ । মহাৰাজে নিশ্চয় কৰিছে খং আমাৰ ওপৰত ।

সুকন্যা ঃ সখী , বল্মীকৰ মাজত ৰঙাকৈ এই দুটা কি জিলিকিছে ? চোৱাহি সখী , কি বাৰু এয়া -- ?

সুকীৰ্তি ঃ ( জুমি চাই ) মোৰ কিন্তু লাগিছে সমীহ ? যিয়েই নাথাকক ইয়াত ব'লা যাওঁ আমি --

সুকন্যা ঃ কিয় কৰিছা ভয় ? ৰ'বা মই এই গছৰ ডালেৰে খুচি চাওঁ ৰঙাকৈ কিনো জিলিকিছে এই দুটা। চাবা সখী , এয়া জোনাকী পৰুৱাহে ------

**সূত্ৰ ঃ সুকন্যাই খুঁচ মাৰি দিয়ে। উঁইসাঁফলু কঁপি উঠে ----**

সুকন্যা ঃ সখী , এয়াচোন বৈ আহিছে দুধাৰি ৰক্ত। কঁপি উঠিছে সাফলু , কি এইয়া ------ ?

সুকীৰ্তি ঃ পলোৱা সখী , এয়া নিশ্চয় কোনো মায়াবী ৰাক্ষস ----।

সুকন্যা ঃ হয় সখী , নিশ্চয় কোনোবা ৰাক্ষস । পিতা , পিতা ------

**সূত্ৰ ঃ ভীতিগ্ৰস্ত হৈ দুয়োৰে প্ৰস্থান। উঁইসাফলৰু মাজৰ পৰা আৰ্ত্তনাদ কৰি উঠি আহে বৃদ্ধ ৰূপত মহৰ্ষি চ্যৱন ------**

চ্যৱন ঃ আঃ আঃ কিহে বিন্ধিলে মোৰ দুই চক্ষুত। একো দেখা নাই। আঃ অসহ্য যান্ত্ৰণাত মোৰ প্ৰাণ যাব উৰি । হে প্ৰভু, কি ভুল কৰিছিলো মই ? তপস্যা মোৰ হৈছিল সমাপ্ত তেনে সময়তে মোক তুমি দিলা এনে দাৰুণ শাস্তি । কি পাপ কৰিলো মই ? তপ কৰি কিয় আজি হ'লো মই অন্ধ । আঃ অন্ধকাৰ কেনেদৰে যাওঁ মই নিজ আশ্ৰমলৈ । প্ৰভূ , প্ৰভূ ------

গীত - (ৰাগ ঃ ধনশ্ৰী ; তাল ঃ পৰিতাল )

কিনো ভাগ্য কিনো ভাগ্য কপালে লিখিলা।

কিনো দোষে মহৰ্ষিয়ে অন্ধত্ব লভিলা।।

**সূত্ৰ ঃ চ্যৱনৰ প্ৰস্থান । আনফালে অসুস্থ ৰূপত লিগিৰা ----**

লিগিৰা ঃ আঃ আঃ -- হে হৰি , সুকীৰ্তি ঔ , মৰিলো আজি -- আঃ আঃ --

**সূত্ৰ ঃ এনেতে সেনাপতি বিক্ৰমসেন আহে ---**

বিক্ৰম ঃ লিগিৰা , লিগিৰা , কি হৈছে তোৰ ?

লিগিৰা ঃ সেনাপতিদেৱ , মোক বচাওক ; আঃ উদৰত মোৰ অসহ্য বিষ --আঃ হোৱা নাই আজি পুৱাৰ পৰা মোৰ মল - মূত্ৰ বাজ । মই মৰিব নিবিচাৰোঁ ; মোক বচাওক দেৱ , মোক বচাওক --

বিক্ৰম ঃ আচৰিত , ৰাজ্যৰ প্ৰায় প্ৰজাৰেই হৈছে এনে অৱস্থা ? এয়া কেনে ধৰণৰ ৰোগ ?

লিগিৰা ঃ চেনিচম্পা ঔ , মোৰ আশা নহ'ব পূৰণ । বৰলা হৈয়ে মই যাবলৈ ওলালো -- আঃ আঃ --

বিক্ৰম ঃ চিন্তা নকৰিবি লিগিৰা ; এতিয়াই তোক নিম মই বৈদ্যৰ সমীপে । উঠ লিগিৰা, উঠ ---

**সূত্ৰ ঃ লিগিৰাক লৈ বিক্ৰমৰ প্ৰস্থান । আনফালে সভাত শয্যাতি আৰু মন্ত্ৰী---------**

শয্যাতি ঃ মন্ত্ৰীবৰ, নাজানো কিয় মোৰ মন হৈছে অশান্ত। নাই মনত মোৰ কোনো আনন্দ । কিবা যেন পাপ, কিবা যেন অপৰাধ বোধেৰে ভৰিছে মন। অজান বেদনাত হৃদয়ে মোৰ কৰিছে ক্ৰন্দন

মন্ত্ৰী ঃ একেই অৱস্থা মোৰো হৈছে মহাৰাজ । নাজানো কিয় শৰীৰো মোৰ হৈছে অসুস্থ ?

**সূত্ৰ ঃ এনেতে সেনাপতি বিক্ৰম----**

বিক্ৰম ঃ মহাৰাজ ৰক্ষা কৰক ; উদ্ধাৰ কৰক প্ৰজাগণক -----

শয্যাতি ঃ কি হৈছে মোৰ প্ৰজাৰ -- ? কোৱা সেনাপতি ----

বিক্ৰম ঃ মহাৰাজ , হঠাৎ ৰাজ্যৰ প্ৰজাগণ হৈছে অসুস্থ। কাৰোবাৰ হৈছে উদৰত অসহ্য বিষ, কাৰোবাৰ উখহিছে উদৰ ; কোনোজনৰ আকৌ হোৱা নাই মল - মূত্ৰ বাজ ।

শয্যাতি ঃ সেনাপতি, মুক্ত হস্তে কৰা ব্যয় ৰাজকোষৰ ধন । অসুস্থ প্ৰজাৰ চিকিৎসাৰ কৰাগৈ ব্যৱস্থা ।

বিক্ৰম ঃ ভাল মহাৰাজ , মই সকলো ব্যৱস্থাৰ কৰিম যোগাৰ ---- ( **প্ৰস্থান** )

শয্যাতি ঃ আচৰিত , একেই সমস্যা সকলো প্ৰজাৰ । মন্ত্ৰীবৰ, ই কেনে ৰোগ ? নাই নাই এয়া কোনো ৰোগ হ'ব নোৱাৰে ? হে প্ৰভূ , কিবা বিপদৰ এয়া আগজাননী নেকি ?

মন্ত্ৰী ঃ মহাৰাজ , মোৰ মনে কয় আমাৰ কোনোবাই কৰিছে ঘোৰ অপৰাধ । তাৰেই ফল ভূগিছে ৰাজ্যৰ সমস্ত প্ৰজাই। নিশ্চয় এয়া অভিশাপৰ পৰিণাম ---

শয্যাতি ঃ অভিশাপ ? মন্ত্ৰীবৰ কোনে , আৰু কিয় দিব আমাক অভিশাপ ? সদ্যহতে অহা নাই কোনো মহৰ্ষি আমাৰ ৰাজ্যলৈ যাক অজানিতে কৰিব পাৰোঁ অপমান । তপস্বীগণেও সন্তুষিত মনেই কৰিছে তপ - জপ । সাধু - সন্তৰ হোৱা নাই দুৰ্যোগ । তেনেস্থলত কোনে দিব অভিশাপ আমাক ?

মন্ত্ৰী ঃ ৰাজন, ৰাজ্যত ঘটিছে এই ঘটনা আজিৰ পৰা আৰু কালি গৈছিল আপোনাসৰ মৃগয়া যাত্ৰালৈ। বনত কোনো অপ্ৰীতিকৰ ঘটনা ঘটিছিল নেকি ৰাজন ?

শয্যাতি ঃ নাই নাই মন্ত্ৰীবৰ, বনত ঘটা নাই কোনো অপ্ৰীতিকৰ ঘটনা। লগো পোৱা নাই বনত আমি কোনো তপস্বীক । অ' মনত পৰিছে জীৰণি লৈছিলো আমি মহৰ্ষি চ্যৱনৰ আশ্ৰমৰ সমীপে । কিন্তু চ্যৱনটো আছে অনেক বছৰ ধৰি তপস্যাত বহি । তেনেস্থলত তেওঁকটো অপমান কিম্বা অপৰাধ... ?

**সূত্ৰ ঃ এনেতে লাহে লাহে সুকন্যা সোমাই আহে----**

সুকন্যা ঃ (স্বগতঃ) কি - মহৰ্ষি চ্যৱন আছিল তপস্যাত বহি। তেন্তে সেই কঁপি উঠা উঁইহাঁফলুটো ; পিতা , পিতা-

শয্যাতি ঃ সুকন্যা , কোৱা আই , কি ক'বা তুমি ?

সুকন্যা ঃ পিতা, পিতা, -- অপৰাধ কৰিলো মই। নিশ্চয় সেই উঁইহাঁফলুৰ ভিতৰত দেখা ৰঙা বস্তু দুটা -- আঃ পিতা অপৰাধী মই , পাপীনি মই , দুৰ্ঘোৰ পাপ কৰিলো মই ।

শয্যাতি ঃ সুকন্যা , কি হৈছে তোমাৰ ? কিয় দুষিছা নিজকে ?

সুকন্যা ঃ পিতা, কালি তোমালোকে বনত জীৰণি লওঁতে অজানিতে প্ৰৱেশিলো মই নিশ্চয় মহৰ্ষি চ্যৱনৰ তপস্যাস্থলীত। দেখিছিলো মনুষ্য মূৰ্ত্তি যেন এক বল্মীক । জিলিকি আছিল দুটা ৰঙা বস্তু বল্মীকৰ ভিতৰে। জোনাকী পৰুৱা বুলি মই দিলো কাঁইটেৰে বিন্ধি, বৈ আহিছিল, বৈ আহিছিল পিতা দুধাৰী ৰক্ত, কঁপি উঠিছিল সাঁফলু আৰু ভীতিগ্ৰস্ত হৈ মই উক্ত স্থানৰ পৰা --- ( কান্দে )

শয্যাতি ঃ এয়া কি কৰিলি আই ? বল্মীক নহয় , সেয়া আছিল নিশ্চয় মহৰ্ষি চ্যৱন। মন্ত্ৰীবৰ, বুজিলো মহৰ্ষি হৈছে ক্ৰোদ্ধ, দিছে অভিশাপ। সেয়ে মোৰ ৰাজ্যৰ প্ৰজাগণৰ হৈছে এনুৱা অৱস্থা। মই , মই এতিয়াই চ্যৱনৰ আশ্ৰমলৈ কৰোঁ যাত্ৰা । ক্ষমা বিচাৰি মহৰ্ষিক কৰোঁগৈ সন্তুষ্ট ।

মন্ত্ৰী ঃ উত্তম বিচাৰ মহাৰাজ , যাওঁক আপুনি চ্যৱনৰ সমীপে। নিশ্চয় মহৰ্ষি হ'ব সন্তুষ্ট ।

সুকন্যা ঃ পিতা , দোষ কৰিছো মই । গতিকে মইয়ো যাওঁ আপোনাৰ লগত।

শৰ্য্যাতি ঃ নাই নাই সুকন্যা, এবাৰ নি তোমাক মই কৰিলো ভুল ; পুনৰবাৰ নকৰোঁ কদাপি ; থাকা তুমি ৰাজকাৰেঙত । মন্ত্ৰীবৰ , আহিলো মই । হে প্ৰভূ , হে প্ৰভূ , ঋষিবৰ ------ **(প্ৰস্থান )**

মন্ত্ৰী ঃ যাওঁক ৰাজন, ভগৱন্তই নিশ্চয় কৰিব দয়া । আই সুকন্যা, তুমি দুখ নকৰিবা । অজানিতেহে কৰিলা তুমি সেই কাৰ্য্য । এতিয়া যাওঁ ব'লা খন্তেক কৰোঁগে বিশ্ৰাম।

**সূত্ৰ ঃ প্ৰথমে মন্ত্ৰী আৰু পাছত চিন্তিত মনে সুকন্যাৰ প্ৰস্থান। আনফালে সভাত চ্যৱন ---**

চ্যৱন ঃ হে প্ৰভূ , নাজানো কি পাপৰ ফলত মোৰ হ'ল এনে অৱস্থা ? নিদিওঁ মই কাকো দোষ। হয়তো ময়ে কৰিছিলো পাপ। নতু মোৰ ভকতিত হৈছিল ত্ৰুটি , যিয়েই নহওক ভাগ্যৰ লিখন বুলি মই লৈছো মানি । কৃপা কৰা প্ৰভূ , কৃপা কৰা --

**সূত্ৰ ঃ এনেতে শৰ্য্যাতি---( ঋষিক অন্ধ দেখি আচৰিত হয় )-----**

শৰ্য্যাতি ঃ হায় হায় যি আশংকা কৰিছিলো সেয়াই ঘটিল -- । ঋষিবৰ , আমাক ক্ষমা কৰক --

চ্যৱন ঃ কোন ? কোন আপুনি --- ?

শৰ্য্যাতি ঃ হে ঋষিবৰ, আপোনাৰ অপৰাধী সুকন্যাৰ পিতৃ মই শৰ্য্যাতি --- ( স্তুতি )

ক্ষমিয়োক ঋষিবৰ কৰোঁহো প্ৰাৰ্থনা ।
দয়া কৰক ঋষিবৰ কৰক মাৰ্জনা ।।
মূঢ়মতি অল্পমতি অজ্ঞানী যুৱতী ।
অজানিতে কৰে তাই আপোনাৰ দুৰ্গতি ।।

( কথা ) ক্ষমা কৰক ঋষিবৰ, কন্যাই কৰা অপৰাধৰ বাবে ক্ষমাপ্ৰাৰ্থী আজি মই । আপোনাক দিয়া কষ্টৰ ফল আজি ভুগিছে মোৰ প্ৰজাই ; অচিন ৰোগত আজি আক্ৰান্ত মোৰ সমস্ত প্ৰজা ---

চ্যৱন ঃ মনুনন্দন শৰ্য্যাতি , নকৰিব দুখ ; হে ৰাজন , দিব্য দৃষ্টিৰে জানিলো মই আপোনাৰ কন্যাই অজ্ঞানবশতঃ কৰিলে মোৰ এনে অৱস্থা । ক্ৰোধ নকৰোঁ মই আপোনাৰ কন্যাৰ ওপৰত। দিয়া নাই মই কোনো অভিশাপ ; যদি আমাৰ দুখত বিধাতাই ৰুষ্ট হৈ আপোনাৰ প্ৰজাক দিছে কষ্ট তেন্তে মই কৰিম প্ৰাৰ্থনা, দূৰ হব প্ৰজাৰ কষ্ট --

শৰ্য্যাতি ঃ আপুনি মহান ঋষিবৰ । কিন্তু ঋষিবৰ , আপোনাৰ অৱস্থাই মোক কৰিছে ব্যথিত ---

চ্যৱন ঃ প্ৰভূৰ ইচ্ছা ৰাজন, নকৰিব দুখ । যদিওবা তপ কৰি লভিছিলো জ্ঞান সাংসাৰিক দায়িত্ব পালনেৰে জীৱই পায় পৰিত্ৰাণ। কিন্তু বুজিলো মোৰ ভাগ্যত নাই সাংসাৰিক জীৱন । কোন নাৰীয়েনো মোৰ দৰে এক অন্ধ বৃদ্ধক -- হাঃ হাঃ তথাপি ৰাজন মই নকৰোঁ আক্ষেপ--

শৰ্য্যাতি ঃ ঋষিবৰ , আপোনাৰ দৰে মহৰ্ষিক যিকোনো নাৰীয়েই স্বামীৰূপে পাবলৈ কৰিব হেঁপাহ ।

চ্যৱন ঃ ক'বলৈ সহজ ৰাজন, বাস্তৱ অতিকে কঠিন । কৰিব জানো স্বেচ্ছাই আপোনাৰ কন্যাই মোক বিবাহ ? পাৰিব জানো আপুনিয়ে দিব আপোনাৰ কন্যাক মোৰ দৰে এক অন্ধলৈ দান ?

শৰ্য্যাতি ঃ মই...; মোৰ কন্যা ----

চ্যৱন ঃ চিন্তিত হৈছে ৰাজন ? যুক্তিৰ খাতিৰতহে ক'লো আপোনাক কথাষাৰ । কোন পিতৃয়ে এক অন্ধ বৃদ্ধক নিজ কন্যাক কৰিব অৰ্পণ ? যাওক ৰাজন, আমাৰ বাবে নকৰিব দুখ --

শৰ্য্যাতি ঃ মহৰ্ষি, কন্যাৰ লগত মই এই সন্দৰ্ভত কৰিম বাৰ্তালাপ। এতিয়া বিদায়হে মাগিছো । **(প্ৰস্থান)**

চ্যৱন ঃ যাওক ৰাজন, যাওক -- হাঃ হাঃ কন্যাৰ লগত কৰিব আলোচনা। জানো মই, নাহে আৰু আপুনি দুনাই মোৰ সমীপে। সত্য অতিকৈ কঠোৰ। প্ৰভূ, তোমাৰ আৰাধনাৰ সময় হৈছে। যাওঁ মই, যি পাওঁ গোটাই লৈ তোমাক কৰোঁগৈ আৰাধনা। প্ৰভূ... প্ৰভূ...

গীত- ( ৰাগ ঃ শ্ৰীগান্ধাৰ ; তাল ঃ ধৰমজ্যোতি )

দেখা দেখা নৰলোক সাধুৰ জীৱন।

নানা দুখ পায়ো নেৰে হৰিৰ চিন্তন।।

**সূত্ৰ ঃ ঋষিৰ প্ৰস্থান। সভাত উদ্বিগ্ন মনে সুকন্যা----**

সুকন্যা ঃ মোৰ বাবেই আজি প্ৰজাগণে পাইছে কষ্ট। কিয় বাৰু মই শুনা নাছিলো সখী সুকীৰ্তিৰ কথা ? বহু পলম হ'ল পিতা মহৰ্ষিৰ আশ্ৰমলৈ যোৱা। এতিয়াও অহা নাই ঘূৰি। ক্ৰোদ্ধ হৈ মহৰ্ষিয়ে পিতাৰ কিবা অনিষ্ট -- নাই নাই, হে প্ৰভূ, কুশলে ৰাখিবা মোৰ পিতাক

**সূত্ৰ ঃ এনেতে চিন্তান্বিত মনে শৰ্য্যাতি----**

সুকন্যা ঃ পিতা, পিতা আপুনি পালেহি। মহৰ্ষিৰ পালেনে সাক্ষাৎ---? তেখেতৰ মঙ্গলনে ---?

শৰ্য্যাতি ঃ ( নিমাত হৈ থাকে )

সুকন্যা ঃ পিতা, কি হৈছে আপোনাৰ ? মহৰ্ষিৰ মঙ্গলনে --? ক্ৰোধান্বিত নেকি তেখেত আমাৰ ওপৰত ? নে ক্ৰোদ্ধ হৈ মহৰ্ষিয়ে মোকেই দিছে কিবা অভিশাপ ?

শৰ্য্যাতি ঃ কিয় মই মৃগয়া যাত্ৰাৰ কৰিছিলো আয়োজন ? শেষ কৰি দিব লাগিছিল মোৰ জীৱন। আই, অভিশাপ দিয়া হলেই আছিল ভাল। যি প্ৰস্তাৱ আজি পালো, সি অভিশাপতকৈয়ো ভয়ংকৰ।

সুকন্যা ঃ পিতা, পিতা ; কি প্ৰস্তাৱ পিতা ? কিয় ইমান আপুনি হৈছে চিন্তিত ----?

শৰ্য্যাতি ঃ কি ক'ম আই, সুস্থ নহয় মহৰ্ষি। সিদিনাৰ ঘটনাত তেখেতে হেৰুৱালে দৃষ্টিশক্তি।

সুকন্যা ঃ কি পিতা------? হেৰুৱালে দৃষ্টিশক্তি। হে প্ৰভু, এয়া কি কৰিলো মই ---

শৰ্য্যাতি ঃ বৃদ্ধ চ্যৱন আজি দুৰ্দশাগ্ৰস্ত। সহায়ৰ অৰ্থে লাগে তেখেতক এগৰাকী ভাৰ্যা ---

সুকন্যা ঃ তাৰবাবে আপুনি কিয় চিন্তিত হৈছে পিতা ? চ্যৱনৰ দৰে মহৰ্ষিক শুশ্ৰূষা কৰাটো জানো এগৰাকী নাৰীৰ বাবে নহব পৰম ভাগ্য ? সেই দায়িত্ব জানো মই নোৱাৰিম কৰিব পালন ?

শৰ্য্যাতি ঃ সুকন্যা, কি কৈছা এয়া তুমি ? চ্যৱন এতিয়া নহয় তৰুণ। শীৰ্ণ দেহ, শুক্ল কেশেৰে চ্যৱন এতিয়া বৃদ্ধ ; তাতে অন্ধ। তেনে অৱস্থাত তুমি পতিবৰণ কৰিবা চ্যৱনক ? নাই নাই অসম্ভৱ সযত্নে পালিতা মোৰ আলাসৰ কন্যাক কদাপি নকৰোঁ প্ৰদান এক অন্ধ বৃদ্ধক --

সুকন্যা ঃ অপৰাধ কৰিছো মই ; মহৰ্ষিক অন্ধত্ব প্ৰদান কৰিলো মই ; গতিকে পিতা স্বামীৰূপে বৰণ কৰি তেখেতক প্ৰায়শ্চিত কৰিম নিজকে মই। মোৰ এই কাৰ্য্যৰ দ্বাৰা ৰাজ্যৰ প্ৰজাগণো হ'ব সুস্থ। ললো স্থিৰ পণ তেখেতকে স্বামীৰূপে মই কৰিম বৰণ ; তুমি মোক বাধা নিদিবা পিতা ---

শৰ্য্যাতি ঃ সুকন্যা, পিতা হয় মই তোমাৰ ; কোন পিতাই নিজৰ আলাসৰ কন্যাক এক অন্ধ বৃদ্ধৰ হাতত কৰিব অৰ্পণ ? নাই নাই, এয়া অসম্ভৱ, পাঁওক প্ৰজাই কষ্ট, পাওঁক মহৰ্ষিয়ে কষ্ট ; তথাপি মই মোৰ কন্যাক অশ্ৰুৰ সাগৰত ডুবাই কদাপি নকৰোঁ অৰ্পণ মহৰ্ষি চ্যৱনক ---

সুকন্যা ঃ নহয় পিতা, আনন্দিত মনেই মই মহৰ্ষি চ্যৱনক পতিৰূপে কৰিম বৰণ। নাথাকে মোৰ অন্তৰত তাৰ বাবে কোনো বেথা। অ পিতা, চাওক মোৰ চকুলৈ ; চাওক পিতা, দেখিছে জানো মোৰ নয়নত দুখৰ অশ্ৰুকণা ?

শৰ্য্যাতি ঃ আই (সাৱটি ধৰে) ইমান ডাঙৰ হলা তুমি ? প্ৰজাৰ কষ্ট আজি লৈছা শিৰ পাতি ----

সুকন্যা ঃ বেজাৰ নকৰিব পিতা, ভগৱন্তৰ ইচ্ছা বুলি মোৰ এই সিদ্ধান্তক আপুনিও দিয়ক সন্মতি। মোৰ বাবে আপুনি অলপো চিন্তা নকৰিব পিতা।

শয্যাতি ঃ ধন্য ধন্য আই, সুকন্যা নাম তোমাৰ হ'ল সাৰ্থক। পিতাৰ বাবে, প্ৰজাৰ বাবে তুমি আকোঁৱালী লৈছা বনবাসী জীৱন। তোমাৰ দৰে কন্যাৰ পিতা হ'বলৈ পাই ধন্য মানিছো মই। এতিয়া আই কৰাগৈ বিশ্ৰাম। কালিলৈ প্ৰভাততে মহৰ্ষিৰ আশ্ৰমলৈ আমি কৰিম যাত্ৰা -- ( **প্ৰস্থান** )

**সূত্ৰ ঃ শয্যাতিৰ প্ৰস্থান। এনেতে সুকীৰ্তি সোমাই আহে-----**

সুকীৰ্তি ঃ সখী, নিদিওঁ মই তোমাক বাধা। স্বেচ্ছাই কৰিবা তুমি স্বামী নিৰ্বাচন। পাছে সখী, আছেনে মনত নিম বুলি কৈছিলা মোকো তোমাৰ লগত। ৰাখিবানে এতিয়া তুমি নিজৰ বচন ?

সুকন্যা ঃ সখী, নাথাকে মোৰ স্বামী কোনো ৰাজকাৰেঙত, নাহে শুকুলা ঘোঁৰাত উঠি, বনৰ তপস্বী তেওঁ। গতিকে মোক ক্ষমা কৰিবা সখী। নোৱাৰিম মই নিজ কথা ৰাখিব। ক্ষমা কৰা তুমি মোক।

সুকীৰ্তি ঃ সখী, কিয় কোৱা এনেদৰে... ? (কান্দে)

সুকন্যা ঃ ব'লা সখী, নতুন সাজেৰে সজোৱাগৈ মোক ----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত বিষ্ণু -----**

বিষ্ণু ঃ মৰতত আমাৰ ভক্তৰ ওপৰত বাঢ়ি আহিছে অসুৰৰ তাণ্ডৱ। তথাপি বিচলিত হোৱা নাই আমাৰ ভক্তগণ; কতজনে দিছে প্ৰাণাহুতি নিজ ধৰ্ম, নিজ কৰ্তব্যত অটল থাকি। ধন্য ধন্য ভক্তগণ তোমালোকৰ এই ত্যাগ নাযায় অথলে। বৈকুণ্ঠত তোমালোকে পাবা স্থান ----

সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ; অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।

**সূত্ৰ ঃ এনেতে অশ্বিনীকুমাৰদ্বয় আহে ----**

নাসত্য ঃ হে দয়াময়, দয়াৰ সাগৰ দয়া কৰক আমাক ---

দস্ত্ৰ ঃ হে কৃপাময়, কৃপা কৰক আমাক।

বিষ্ণু ঃ দিনমণিৰ তনয় অশ্বিনীকুমাৰদ্বয়, কি দুখে দগ্ধ আজি তোমালোকৰ হৃদয় ?

নাসত্য ঃ হে প্ৰভূ, সৰ্বজ্ঞ হৈও সুধিছে আপুনি আমাৰ বেথা। কি দোষ আমাৰ ? স্বৰ্গত থাকিও নাপাম নেকি আমি অন্য দেৱৰ দৰে দেৱত্ব ?

দস্ত্ৰ ঃ তিৰস্কাৰ কৰে দেৱসমাজে আমাক। ঘৃণা কৰে আমাক নীচভাৱে জনম বুলি। বৈদ্য বুলি দেৱতাই নিদিয়ে আমাক সম স্থান। যজ্ঞৰ ফল প্ৰাপ্তিৰ পৰাও বঞ্চিত আমি। আমাৰ প্ৰতি এনে অবিচাৰ কিয় প্ৰভূ ? নহ'ব নেকি আমাৰ দেৱত্ব প্ৰাপ্তি -- ?

বিষ্ণু ঃ দেৱত্ব প্ৰাপ্তিয়েই যদি একান্ত বাঞ্চা তোমালোকৰ তেন্তে আমাৰ সমীপে অহাৰ নাই প্ৰয়োজন। মৰ্ত্যৰ তপস্বীয়ে পূৰ্ণ কৰিব পাৰে তোমালোকৰ মনৰ অভিলাষ। যদি বিচাৰা মুক্তি ----

নাসত্য ঃ মৰ্ত্যৰ তপস্বীয়ে পূৰ্ণ কৰিব আমাৰ অভিলাষ ? কওঁক প্ৰভূ, কোন সেই মহান তপস্বী ?

বিষ্ণু ঃ ভৃগুনন্দন মহান তপস্বী তেওঁ মহৰ্ষি চ্যৱন ---

না+দ ঃ মহৰ্ষি চ্যৱন----- ?

বিষ্ণু ঃ অৱশ্যে যদি তোমালোকে বিচাৰা মুক্তি ---

দস্ত্ৰ ঃ প্ৰভূ, এতিয়াই যাম আমি তেখেতৰ সমীপে।

বিষ্ণু ঃ নহয় দস্ত্ৰ, আৰু কিছু সময় কৰা অপেক্ষা। যথা সময়ত যাবা তোমালোক চ্যৱনৰ কাষে।

নাসত্য ঃ ধন্যবাদ প্ৰভূ, তেন্তে আমি এতিয়া বিদায়হে মাগো --- ( **দুয়োৰে প্ৰস্থান** )

বিষ্ণু ঃ হাঃহাঃ দেৱতাই নেৰে কদাপি দেৱৰ চৰিত্ৰ । ৰজগুণী দেৱতাই নিবিচাৰে মুক্তি। অশ্বিনীকুমাৰেও বিচাৰে কেৱল দেৱত্ব প্ৰাপ্তি। যি নহওঁক ভক্তৰ মনোবাঞ্চা আমিও কৰোঁ পূৰণ । দেৱেন্দ্ৰৰ দৰ্পও চ্যৱনেই কৰিব হৰণ । আমিও যাঁও এৱে নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান । আনফালে সভাত চ্যৱন আহি তপ কৰে ----**

চ্যৱন ঃ --- হৰি ঔম তৎসৎ , ঔম নমো ভগৱতে বাসুদেৱায় ; ঔম নমো ভগৱতে বাসুদেৱায় --

**সূত্ৰ ঃ এনেতে শয্যাতি----**

শয্যাতি ঃ প্ৰণাম ঋষিবৰ -----; মনুনন্দন শয্যাতিৰ সেৱা গ্ৰহণ কৰক ।

চ্যৱন ঃ পুনৰ কিয় আহিলে ৰাজন ?

শয্যাতি ঃ ঋষিবৰ , মই অহা নাই অকলে ; সুকন্যাও আহিছে মোৰ সঙ্গে ----

চ্যৱন ঃ কি কয় ৰাজন , সুকন্যা স্বয়ং আহিছে আপোনাৰ লগত ? কিন্তু কিয় --- ?

শয্যাতি ঃ --- আই সুকন্যা , আঁহা আই , মহৰ্ষিৰ সমীপে আঁহা -----

**সূত্ৰ ঃ আশ্ৰমী বেশেৰে সুকন্যা সোমাই আহে । লগতে সখী সুকীৰ্তি আহে ----**

শয্যাতি ঃ ঋষিবৰ , মোৰ কন্যা সুকন্যা আহিছে আশ্ৰমী সাজত । আপুনি ভাৰ্যাৰূপে ---

চ্যৱন ঃ ৰাজন, এয়া উচিত কায্য কৰা নাই আপুনি । কন্যাৰ ইচ্ছাক দিব লাগে সন্মান । আপুনি কেৱল এওঁৰ জন্মদাতাহে ; কন্যাৰ জীৱন ধংস কৰাৰ আপোনাৰ নাই অধিকাৰ ।

সুকন্যা ঃ নহয় ঋষিবৰ ; পিতাক নিদিব দোষ । নিজ ইচ্ছাৰে , নিজা সিদ্ধান্তৰে আহিছো মই --

চ্যৱন ঃ সুকন্যা , এই অন্ধক আজি পুতৌ কৰি নকৰিবা আৰু উপহাস ।

সুকন্যা ঃ ঋষিবৰ , আৰু দুখ নিদিব মোৰ অন্তৰত -- ( পয়াৰ / ধৰম জেউতি )

ক্ষমা কৰক ঋষিবৰ ধৰোঁ চৰণত ।
মোৰ দোষে আজি তৱ লভিলে অন্ধত্ব ।।
ময়ে পাপী মূঢ়মতি সৰ্বদোষৰ দায়ী ।
চৰণত পৰি মাগো ক্ষমা ভীক্ষা আজি ।।

( কথা ) কৃপা কৰক ঋষিবৰ, প্ৰায়শ্চিতৰ দি সুযোগ তৱ ভাৰ্যা ৰূপে মোক লওক আদৰি ।।

চ্যৱন ঃ এয়া কি কৈছা সুকন্যা ? তুমি হৈছা উদিত সুৰুযৰ দৰে উদ্ভিন্ন যৌৱনা আৰু মই হৈছো অস্তগামী সুৰুযৰ দৰে মৃত্যুমুখী এক বৃদ্ধ , তাতে অন্ধ । কেনেকৈ সুখী হ'বা তুমি মোৰ লগত ?

সুকন্যা ঃ মোৰ বাবেই আপুনি হেৰুৱালে দৃষ্টিশক্তি । সেয়ে ময়ে হ'ব খোজো এতিয়া আপোনাৰ দৃষ্টি। অন্তৰত বহুৱাই লৈছো স্বামীৰূপে আপোনাৰেই মূৰ্ত্তি ।

চ্যৱন ঃ পকা সৰা পাতক সেউজ বোলেৰে বোলাবলৈ বৃথা চেষ্টা নকৰিবা সুকন্যা ।

সুকন্যা ঃ নহয় ঋষিবৰ ; প্ৰেম - শ্ৰদ্ধা , সেৱা শুশ্ৰূষা হৈছে স্বৰ্গীয় ; বিষয় - বাসনা হৈছে গৌণ । দয়া কৰি আপোনাক শুশ্ৰূষা কৰাৰ মোক দিয়ক সুযোগ ।

চ্যৱন ঃ ধন্য ধন্য সুকন্যা । তোমাৰ বচনে সন্তোষিত কৰিলে মোক । ৰাজন, আপোনাৰ কন্যা সঁচাই গুণৱতী । এনেহেন নাৰীক পত্নীৰূপে পাই হ'ম মই ধন্য । সুকন্যা, আশীষ লৈ ভগৱন্তৰ, সাক্ষী কৰি জগতৰ যত জীৱগণ, তোমাক পত্নীৰূপে মই কৰিলো গ্ৰহণ - **(মাঙ্গলিক বাদ্য বাজে)**

সুকন্যা ঃ আৰ্শীবাদ কৰিব স্বামী , আজীৱন পুঁজিব পাৰোঁ যেন মই তৱ চৰণ।

শয্যাতি ঃ ঋষিবৰ, আলাসৰ কন্যাক সঁপিলো আজি আপোনাক । যদি তাই কৰে অপৰাধ অবোধ বুলি, অজ্ঞান বুলি কৰিব ক্ষমা । আই সুকন্যা, ঋষিবৰৰ তই আজিৰপৰা লবি যতন --

সুকন্যা ঃ পিতা ---

সুকীৰ্তি ঃ সখী, আজিৰ পৰা মই হ'লো অকলশৰীয়া। কুশলে থাকা তুমি, নাযাবা মোক পাহৰি।(কান্দে)

শয্যাতি ঃ ঋষিবৰ, আমি এতিয়া বিদায়হে মাগিছো। উস ঃ বুকুৰ কলিজাক আজি এৰি থৈ যাম মোৰ পৰা নিলগত। আই সুকন্যা, কুশলে থাক তই এই আশ্ৰমত -- ব'লা সুকীৰ্তি -----

**সূত্ৰ ঃ <u>শয্যাতি আৰু সুকীৰ্তিৰ প্ৰস্থান----</u>**

সুকন্যা ঃ পিতা... পিতা ... সখী। (কান্দে)

চ্যৱন ঃ নাকান্দিবা সুকন্যা, নাৰী হৈ জন্মিছা যেতিয়া পিতৃগৃহ এদিন ত্যাগ কৰি স্বামীগৃহক ল'ব লাগিব আকোঁৱালী। ওচৰতে দেখিছানে, আছে আমাৰ আশ্ৰমৰ কুটীৰ। ব'লা যাঁও কুটীৰলৈ ---

**সূত্ৰ ঃ <u>দুয়োৰে প্ৰস্থান। আনফালে সভাত অশ্বিনীকুমাৰদ্বয় -----</u>**

অশ্বিনী ১ ঃ ভাতৃ, সৌৱা মহৰ্ষি চ্যৱনৰ আশ্ৰম ---- আৰু সৌৱা চোৱা, চ্যৱনৰ পত্নী সুকন্যা আহিব ধৰিছে এই হ্ৰদৰ দিশে।

অশ্বিনী ২ ঃ সঁচাই অপৰূপা চ্যৱনৰ পত্নী সুকন্যা। নাসত্য, আমি ইয়াতে লুকাই সুকন্যাক কৰোঁ নিৰীক্ষণ -

**সূত্ৰ ঃ <u>হাতত কলহ লৈ সুকন্যা আহে আৰু পানী ভৰাই যাব খোজে। তেনেতে অশ্বিনীকুমাৰদ্বয় ----</u>**

নাসত্য ঃ মিছা, সকলো মিছা, যদিহে যৌৱনে নাপায় আদৰ -----

দস্ত্ৰ ঃ কেনেকৈ কৰিব আদৰ ? নাই সামৰ্থ দেহত যৌৱন পানৰ ----

সুকন্যা ঃ কোন আপোনালোক ? কিয় মোৰ বাট ধৰিছে আগচি ? নাজানে নেকি মই মহৰ্ষি চ্যৱনৰ পত্নী।

নাসত্য ঃ জানো দেৱী, সেয়েটো আহিছো তোমাৰ সমীপে হাঃ হাঃ ----

সুকন্যা ঃ কি ? মোক বাট এৰি দিয়ক। স্বামীদেৱ আছে অকলে কুটীৰত, মোলৈ কৰিছে অপেক্ষা।

দস্ত্ৰ ঃ দেৱী, কিয় যাব লাগে সেই জীৰ্ণ শীৰ্ণ বৃদ্ধৰ কাষলৈ ? তাতে আকৌ অন্ধ -----

সুকন্যা ঃ সাৱধান, স্বামীৰ বিৰুদ্ধে কোনো কটু বাক্য নকৰিব প্ৰয়োগ। নোৱাৰোঁ সহিব মই পতিনিন্দা।

নাসত্য ঃ দেৱী, ত্যাগ কৰা বৃদ্ধক। কি দিব পাৰিছে তোমাক সেই বৃদ্ধৰ কলেৱৰে ? তাৰ পৰিৱৰ্তে আমাৰ দৰে সুঠাম যৌৱনক কৰা গ্ৰহণ। জীৱন ধন্য হ'ব তোমাৰ হাঃ হাঃ হাঃ ---

সুকন্যা ঃ আঃ আৰু নহয় সহ্য; আৰু নসহো পতিনিন্দা। অধম, বৰ্বৰ, পতিব্ৰতা নাৰীক দিছ তহঁতে অশ্লীল প্ৰস্তাৱ। যদি মই সৎভাৱে, নিস্বাৰ্থভাৱে পতিসেৱা কৰি আৰ্জিছো পুণ্য, তেন্তে সেই পুণ্যৰে আজি মই তহঁতক দিম অভিশাপ ---

নাসত্য ঃ অভিশাপ, নাই নাই দেৱী; নিদিব অভিশাপ ---

দস্ত্ৰ ঃ ক্ষমা কৰক দেৱী, আমাৰ অপৰাধ আপুনি কৰক মাৰ্জনা। আপুনি মহান, আপুনি পতিব্ৰতা নাৰী সুকন্যা। আপোনাৰ চৰণত আমি কৰোঁ প্ৰণিপাত।

নাসত্য ঃ হে দেৱী, আমি হ'লো মহামুৰ্খ অশ্বিনীকুমাৰ। প্ৰলোভিত কৰি আপোনাক কৰিব ওলাইছিলো আমি আমাৰ স্বাৰ্থ পূৰণ। আমাক ক্ষমা কৰক দেৱী --

সুকন্যা ঃ হে দেৱ, নুবুজিলো আমি আপোনাৰ বচন ---

দস্ত্ৰ ঃ দেৱী, মহৰ্ষিৰ দুখে আমাৰ হৃদয়তো দিছে দুখ। দেৱ বৈদ্য আমি; কৰিব পাৰিম আমি মহৰ্ষিক যৌৱন প্ৰদান; ---- অন্ধত্বও কৰিব পাৰিম দূৰ।

সুকন্যা ঃ যৌৱন প্ৰদান, অন্ধত্ব দূৰ -- নাই নাই, ই কেনেদৰে সম্ভৱ হ'ব ?

নাসত্য ঃ সকলো সম্ভৱ হ'ব পাৰে দেৱী । মহৰ্ষিয়ে হয়তো নকৰিব পাৰে গ্ৰহণ আমাৰ প্ৰস্তাৱ । যদি আপুনি কৰে অনুৰোধ মহৰ্ষিয়ে নিশ্চয় নকৰিব অগ্ৰাহ্য ---

সুকন্যা ঃ কিন্তু কেনেদৰে মই ----

দস্ৰ ঃ সকলো এতিয়া আপোনাৰ ওপৰত দেৱী । আমি বাৰু এতিয়া মাগো বিদায় । কিন্তু দেৱী, পুনশ্চ কওঁ সকলো এতিয়া আপোনাৰ হাতত -- ( **দুয়োৰে প্ৰস্থান** )

সুকন্যা ঃ এয়া কেনে প্ৰস্তাৱ ; সম্ভৱ হ'লেও মই ঋষিবৰক । নাই নাই স্বামীৰ বৃদ্ধ ৰূপকেই অন্তত স্থাপন কৰি মই হৈছো বিবাহ । কৈছিলো বিষয় সুখ গৌণ বুলি । এতিয়া আকৌ মই কোন মুখে কওঁ স্বামীক যৌৱনৰ কথা । নাই নাই নোৱাৰিম ক'ব , কি ভাৱিব স্বামীয়ে মোক ?

**সূত্ৰ ঃ সুকন্যাৰ প্ৰস্থান । আনফালে সভাত চিন্তিত মনে চ্যৱন । এনেতে সুকন্যা আহে --**

সুকন্যা ঃ প্ৰণাম নাথ, ক্ষমা কৰিব পলম হ'ল আজি মোৰ ।

চ্যৱন ঃ প্ৰিয়ে , চিন্তান্বিত যেন লাগিছে তোমাক । কি হৈছে তোমাৰ ?

সুকন্যা ঃ না--ই , নাই নাথ , একো হোৱা নাই মোৰ ।

চ্যৱন ঃ প্ৰিয়ে, দৃষ্টি নাথাকিলেও অন্তৰে অনুভৱ কৰিব পাৰোঁ মই তোমাৰ প্ৰতিটো কাৰ্য । অৱশ্যে জোৰ নকৰোঁ মই । ইচ্ছা নাই যদি তোমাৰ ---

সুকন্যা ঃ নাথ , কিয় কয় তেনেকৈ ? --- পাইছিলো লগ মই আজি দেৱ বৈদ্য অশ্বিনীকুমাৰক । দিছে তেওঁলোকে এক আচৰিত প্ৰস্তাৱ ---

চ্যৱন ঃ অশ্বিনীকুমাৰ ; --- কি আচৰিত প্ৰস্তাৱ দিলে তোমাক দেৱ বৈদ্যই ?

সুকন্যা ঃ দিছিল প্ৰস্তাৱ মোক --- কৰিব পাৰিব তেওঁলোকে দুৰ আপোনাৰ অন্ধত্ব ।

চ্যৱন ঃ কি, মোৰ অন্ধত্ব কৰিব দূৰ ? পুনৰ দেখিম মই ভগৱন্তৰ সৃষ্টিক ---প্ৰভু, প্ৰভূ --

সুকন্যা ঃ আৰু এক দিছে প্ৰস্তাৱ --- আপোনাক -- আপোনাক নাথ দিব পাৰিব --- যৌৱন ।

চ্যৱন ঃ কি ক'লা প্ৰিয়ে ? যৌৱনপ্ৰাপ্ত -- কৰিব মোক ? আঃ কি শুনিলো ? প্ৰভূ , প্ৰভূ --- প্ৰিয়ে, গ্ৰহণ কৰিলানে তুমি তেওঁলোকৰ প্ৰস্তাৱ ?

সুকন্যা ঃ মই -- মই নাথ ----

**সূত্ৰ ঃ এনেতে অশ্বিনীকুমাৰদ্বয় আহে ---**

চ্যৱন ঃ কোৱা প্ৰিয়ে, কৰিলানে গ্ৰহণ তুমি দেৱৰ প্ৰস্তাৱ -- ?

না+দস্ৰ ঃ প্ৰণাম ঋষিবৰ , অশ্বিনীকুমাৰৰ সেৱা গ্ৰহণ কৰক ---

চ্যৱন ঃ দেৱ, কিদৰে ধন্যবাদ দিম আপোনাসৱক ---

নাসত্য ঃ তেন্তে ঋষিবৰ আমাৰ উপচাৰ গ্ৰহণ কৰাত আপোনাৰ নাই আপত্তি ---

চ্যৱন ঃ কিয় কৰিম আপত্তি ? যদিওবা তপস্বী আমি তেজ - মঙহেৰেই গঢ়া -- বুজিছো প্ৰভু , সকলো তোমাৰ কৃপা । তুমিয়েই পঠাইছা দেৱক আমাৰ সমীপে ।

দস্ৰ ঃ ঋষিবৰ, অনুমতি পালো যেতিয়া আপোনাৰ উপচাৰ আমি কৰিম আৰম্ভ । সেইহেতু আপুনি ব'লক আমাৰ সঙ্গে সৌ হ্ৰদৰ পাৰলৈ ---

সুকন্যা ঃ হ্ৰদ -- ? কিয় যাব স্বামী হ্ৰদৰ পাৰলৈ ? দেৱ, ইয়াতেই জানো উপচাৰ নহয় সম্ভৱ ?

চ্যৱন ঃ প্ৰিয়ে, কিয় কৰিছা তুমি ভয় ? নকৰিবা প্ৰিয়ে ; দেৱ বৈদ্যৰ ওপৰত ৰাখা বিশ্বাস । ভগৱন্তৰ ওপৰত ৰাখা বিশ্বাস --- একো অনিষ্ট নহয় আমাৰ --

সুকন্যা ঃ যাওক স্বামী , আপোনাৰ আগমনলৈ মই কৰিম অপেক্ষা --

নাসত্য ঃ তেন্তে ঋষিবৰ আৰু নকৰোঁ পলম ; আহক আপুনি আমাৰ সঙ্গে --

**সূত্র ঃ চ্যৱনক লৈ অশ্বিনীকুমাৰৰ প্ৰস্থান ; পাছত সুকন্যাৰ প্ৰস্থান । আনফালে নাৰদ ----**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- হে প্ৰভূ, তোমাৰ লীলাৰ নপৰে পৰিচ্ছেদ ; বুজিছো তোমাৰ ইচ্ছাতে জগত চলিছে ; তোমাৰ ইচ্ছাতে সকলো ঘটিছে । নহলেনো চ্যৱনৰ দৰে বৃদ্ধ মহৰ্ষিৰ মনত কেনেকৈ জাগিব পাৰে পুনৰ যৌৱন প্ৰাপ্তিৰ হাবিয়াস ? হাঃ হাঃ অশ্বিনীদেৱৰ উদ্দেশ্য হৈছে সফল ; আমিও নিশ্চিত প্ৰভূ ভগৱন্তৰ কৃপাত ঘটিব চমৎকাৰ । অ সৌৱা, সঙ্গে লৈ মহৰ্ষি চ্যৱনক দেৱদ্বয় যাব ধৰিছে হ্ৰদৰ পাৰে । নাৰায়ণ, নাৰায়ণ -- আমিও যাঁও দূৰৰপৰা প্ৰভূৰ লীলা কৰোঁগৈ নিৰীক্ষণ

**সূত্র ঃ নাৰদৰ প্ৰস্থান। আনহাতে হ্ৰদৰ পাৰত চ্যৱনক লৈ অশ্বিনীকুমাৰদ্বয় -----**

নাসত্য ঃ মহৰ্ষি, আপুনি ইয়াতে বহক । বনৌষধিৰে নিৰ্মিত এই মহৌষধ মই আপোনাৰ দেহত কৰিম লেপন।

**সূত্র ঃ নাসত্যই চ্যৱনৰ দেহত ঔষধ সানে। দস্ৰই পথ্য তৈয়াৰ কৰে -----**

দস্ৰ ঃ মহৰ্ষি, এই ঔষধ আপুনি কৰক সেৱন ; প্ৰভুৱে কৃপা কৰিলে পাব ঘূৰাই আপুনি দৃষ্টিশক্তি ।

**সূচনা**

**দেখা দেখা সৰ্বজন ভগৱন্তৰ লীলা ।**
**দেৱ বৈদ্যৰ হাতে ঋষিক দৃষ্টিদান দিলা।।**

চ্যৱন ঃ ( সেৱন কৰে ) প্ৰভূ, প্ৰভূ -- দেৱ, ঘূৰাই পাইছো মই দৃষ্টিশক্তি , দেখিছো ধৰণী ; ধন্যবাদ দেৱ --

নাসত্য ঃ ঋষিবৰ, আপুনি দৃষ্টিশক্তি ঘূৰাই পাব বুলি আমাৰ আছিল দৃঢ় বিশ্বাস । অন্তিম উপচাৰ এতিয়া আছে বাকী । যৌৱন প্ৰদানৰ বাবে আপোনাক লৈ প্ৰৱেশ কৰিম আমি সৌ হ্ৰদৰ জলত । নকৰিব শংকা ডুব মাৰি ৰ'ম কিছু সময় জলৰাশিত আমি ।

চ্যৱন ঃ হ্ৰদৰ পাৰতে তপ কৰি হেৰুৱাইছিলো যৌৱন - দৃষ্টি আৰু দেৱ আজি আপোনাসৱৰ কৃপাত ইয়াতেই লভিম মই নৱ জীৱন । ব'লক দেৱ সাজু আছো মই --

**সূত্র ঃ চ্যৱনক লৈ অশ্বিনীকুমাৰদ্বয়ৰ প্ৰস্থান। আনফালে সভাত কালদম্ভা আৰু জলদম্ভা ---**

কালদম্ভা ঃ ভাতৃ, আমাৰ আঁচনি হৈছে সফল । হোৱা নাই মৰ্ত্যত বিষ্ণুপূজা তথা দেৱপূজা। চাৰিওদিশে আজি অসুৰৰ জয়গান আৰু সৰগত হৈছে দেৱতা কম্পমান হাঃ হাঃ হাঃ।

জলদম্ভা ঃ দাদা, ত্ৰিভূৱণ কম্পিত আজি আপোনাৰ নামত । তেনেস্থলত কোন মূৰ্খই কৰিব দেৱপূজা ? যি কৰিছিল তাকো আমি কৰিলো নিধন ; আকাশে বতাহে আজি মাথো আমাৰেই জয়গান হাঃহাঃ-

**সূত্র ঃ এনেতে প্ৰলম্ভা আহে -----------------------------------------**

প্ৰলম্ভা ঃ অসুৰেশ্বৰ , অসুৰেশ্বৰ -----

কালদম্ভা ঃ সেনাপতি , কিয় আহিছা এনে উত্ৰাৱল হৈ ---

প্ৰলম্ভা ঃ অসুৰেশ্বৰ, মনুনন্দন শয্যাতিয়ে আপোনাৰ আদেশ অমান্য কৰি আয়োজন কৰিব খোজে দেৱযজ্ঞৰ।

কালদম্ভা ঃ কি -- ? মনুষ্যই , এক সামান্য মনুষ্যই মোৰ আদেশ কৰিছে অমান্য। আয়োজন কৰিব খোজে দেৱযজ্ঞৰ । আঃ শয্যাতি , তোৰ ইমান সাহস ---

জলদম্ভা ঃ শয্যাতিৰ দম্ভ আমি কৰিম চূৰ্ণ । আদেশ কৰক দাদা, আক্ৰমণ কৰোঁ আমি শয্যাতিৰ ৰাজ্য।

কালদম্ভা ঃ শয্যাতি, ঘৃতাহুতি ঢালিলি তই মোৰ দগ্ধ হিয়াত ; কালক তই দিলি নিমন্ত্ৰণ দেৱযজ্ঞ পাতি । সেনাগণ, উচ্চ গিৰি চূৰ্ণ কৰি , গভীৰ গহ্বৰ পূৰ্ণ কৰি শয্যাতিৰ ৰাজ্যলৈ কৰোঁ যুদ্ধযাত্ৰা --

প্ৰলম্ভা ঃ জয় অসুৰেশ্বৰ কালদম্ভাৰ , জয় অসুৰেশ্বৰ কালদম্ভাৰ , জয় অসুৰেশ্বৰ কালদম্ভাৰ ---

গীত

ৰণ হেতু চলি চলি যাই অসুৰ দুৰ্জন ।
তলবল কৰে ধৰা কম্পে ঘনে ঘন ।।
ৰণসাজে চলি আহে শয্যাতি ৰাজন ।
ৰাম হৰি ডাকি বোলা সভাসদ গণ ।।

সূত্ৰ ঃ যুদ্ধযাত্ৰা কৰি প্ৰস্থান। আনফালে ৰণসাজে শয্যাতি আৰু সেনাগণ--

শয্যাতি ঃ সেনাগণ, হোৱা সাজু দুৰাচাৰী অসুৰৰ আক্ৰমণ আমি কৰিম প্ৰতিৰোধ --

সূত্ৰ ঃ অসুৰগণ সোমাই আহে ------

শয্যাতি ঃ অধম অসুৰ , কিয় কৰ তহঁতে আমাৰ ৰাজ্য আক্ৰমণ ?

কালদম্ভা ঃ দুৰাচাৰী মনুষ্য, দেৱ যজ্ঞ বন্ধ ধৰাত আজি মোৰ নিৰ্দেশত । তেনেস্থলত আদেশ অমান্য কৰি এই কালদম্ভাৰ কিয় আয়োজন কৰ তই দেৱযজ্ঞৰ ?

শয্যাতি ঃ দেৱপূজা, হৰিপূজা বন্ধ কৰিবলৈ কোনে দিলে তোক অধিকাৰ ? আঃ হৰি বিমুখ পাষণ্ড , আজি তই পাবি উচিত দণ্ড।

কালদম্ভা ঃ আঃ শৃগালৰ মুখত শুনো সিংহৰ গৰ্জন । সেনাগণ কৰা আক্ৰমণ ---

সূত্ৰ ঃ সমদল যুদ্ধ হয় । কালদম্ভা আৰু শয্যাতিৰ বাদে বাকীসকলৰ প্ৰস্থান --

শয্যাতি ঃ সাৱধান কালদম্ভা, কৰি যজ্ঞৰ বিৰোধীতা মৰণ চপালি তই নিজৰ বাবে ---

কালদম্ভাঃ কালদম্ভা মই জগতৰ ত্ৰাস ; দেখা যাওক কোনে কৰে আজি কাৰ বিনাশ --

গীত- ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ ৰূচক )

এহিবুলি দুয়োবীৰে ৰণ আৰম্ভিলা।
পদভৰে বসুমতী কম্পিব লাগিলা।।
বাৰে বাৰে অস্ত্ৰ মাৰে দুয়ো মহাবীৰ।
সূয্য পথক ভেদি ভৈলা অন্ধকাৰ।।

সূত্ৰ ঃ যুদ্ধত কালদম্ভাৰ মৃত্যু হয় --

শয্যাতি ঃ পৰি থাক অধম । অধৰ্মীৰ শেষ পৰিণতি তোৰ দৰেই হয় ---

সূত্ৰ ঃ শয্যাতিৰ প্ৰস্থান। আনফালে সভাত সুকন্যা-------------

সুকন্যা ঃ স্বামী বাৰু মোৰ কুশলে আছেনে ? নাজানো কিয় মোৰ অন্তৰাত্মা দুৰু দুৰুকৈ কঁপিব ধৰিছে। নৱ ৰূপ, যৌৱন প্ৰাপ্তি এয়া জানো সম্ভৱ ? কিয় দেৱবৈদ্যই আমাক কৰিছে ইমান দয়া ? নহয়তো এয়া কোনো চালনা দেৱৰ , কিবা অঘটন মোৰ স্বামীৰ । হে প্ৰভূ, দয়া কৰা স্বামীক।

সূত্ৰ ঃ যৌৱনপ্ৰাপ্ত চ্যৱনক লগত লৈ অশ্বিনীকুমাৰদ্বয় সোমাই আহে-----

সুকন্যা ঃ ( চ্যৱনক নিৰীক্ষণ কৰে ---- ) স্বামী, --- মোৰ সেৱা গ্ৰহণ কৰক ।

চ্যৱন ঃ ধন্য ধন্য সুকন্যা , আমাৰ এই নব্য ৰূপটো তুমি সহজেই চিনিলা আমাক । উঠা প্ৰিয়ে --

দস্ৰ ঃ পতিব্ৰতা নাৰীৰ বাবে সকলো সম্ভৱ , প্ৰমাণ কৰিলে আজি দেৱী সুকন্যাই ---

চ্যৱন ঃ প্ৰিয়ে , তুমি সঁচাই মহান । হে অশ্বিনীকুমাৰদেৱ, ধন্যবাদ আজি হ'ব তুচ্ছ আমাক নতুন জীৱন দিয়াৰ বাবে। কওঁক দেৱ , কি দি পুজিঁম আপোনাসৱৰ এই ঋণ -- ?

নাসত্য ঃ হে ঋষিবৰ , এটাই কামনা আমাৰ । দেৱসমাজে নিদিয়ে আমাক সম স্থান। যজ্ঞৰ পুণ্য লভাৰ

পৰাও বঞ্চিত আমি। কৃপা কৰি অন্য দেৱতাৰ দৰে দেৱত্ব আমাকো কৰক প্ৰদান ।

চ্যৱন ঃ হে দেৱ , দিছো প্ৰতিশ্ৰুতি , যেতিয়াই পাওঁ সুযোগ যজ্ঞৰ ভাগ আপোনাসৱলৈকো আমি দিম আগবঢ়াই । দেৱত্ব প্ৰদানৰ বাবে আমি সৰ্বতো প্ৰকাৰে কৰিম চেষ্টা ।

নাসত্য ঃ কৃতাৰ্থ হ'ম ঋষিবৰ , কৃতাৰ্থ হ'ম আমি । ঋষিবৰ, আমি এতিয়া বিদায়হে মাগো --( **প্ৰস্থান** )

চ্যৱন ঃ যাওঁক দেৱ ; প্ৰিয়ে, নাছিলো এবাৰো ভবা এই জীৱনত তোমাক এই দুই নয়নে দৰ্শন কৰিম বুলি । লৈ ফুৰিছিলো মনৰ মাজতে যি ৰূপ তোমাৰ তাতোকৈ তুমি শতগুণে অপৰূপা । ম্লান পৰিব তোমাৰ ৰূপৰ আগত সৰগৰ চন্দ্ৰমা । চাই লওঁ তোমাক নয়ন ভৰাই --

সুকন্যা ঃ কি কয় স্বামী --( লাজ কৰি আঁতৰি যায় )

চ্যৱন ঃ বাৰু কোৱাচোন প্ৰিয়ে কিদৰে চিনাক্ত কৰিলা আমাক -- ?

সুকন্যা ঃ নয়নে নকয় কেতিয়াও মিথ্যা । আপোনাৰ নয়নত প্ৰকাশিত সঁচা প্ৰেমেই দিলে মোক সন্ধান ।

**(সূত্ৰ ঃ এনেতে শয্যাতি সোমাই আহে ----)**

চ্যৱন ঃ আৰু আমাৰ এই ৰূপ , যৌৱনৰ কথা নক'লা যে ?

সুকন্যা ঃ (লাজ কৰি ) ছিঃ কি কয় --

চ্যৱন ঃ কিয় -- ? নহয় নেকি তুমি সন্তুষ্ট আমাৰ ৰূপত ?

সুকন্যা ঃ জানিবই যদি বিচাৰে তেন্তে আপোনাৰ দুই নয়ন হ'ল অতি চঞ্চল ---

শয্যাতি ঃ (খঙেৰে ) সুকন্যা -------

সুকন্যা ঃ পিতা -----

শয্যাতি ঃ পিতা বুলি মোক নকৰিবি সম্বোধন। উসঃ এনে দৃশ্য দেখাৰ পূৰ্বে মই অন্ধ নহলো কিয়? মোৰ বিশ্বাস, মোৰ আস্থা তই আজি কৰি দিলি চুৰমাৰ । ভবা নাছিলো মই তোক এনে কু চৰিত্ৰৰ বুলি । নিজ স্বামীক এৰি প্ৰেমালাপ কৰিছ তই এই যুৱকৰ লগত ?

সুকন্যা ঃ পিতা , আপুনি মোক ভুল বুজিছে ।

শয্যাতি ঃ ভুল বুজিছো ? নিজ দৃষ্টিৰে দেখিলো মই , নিজ কৰ্ণই শুনিলো মই , ব্যভিচাৰিণী তই ; তোৰ দৰে কন্যা জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেয় --- ( অস্ত্ৰ দাঙে )

চ্যৱন ঃ ৰ'ব ৰাজন, সুকন্যাই কোনো ভুল কৰা নাই , সুকন্যাই কোনো পাপ কৰা নাই। কোনো পৰ পুৰুষৰ লগত কৰা নাই প্ৰেমালাপ । কৰিছে নিজ স্বামী চ্যৱনৰ লগতেই । আমিয়েই চ্যৱন ।

শয্যাতি ঃ চ্যৱন ? নহয় মূৰ্খ মই । ক'ত সেই বৃদ্ধ চ্যৱন আৰু কি এয়া ৰূপহ যুৱক । অ' বুজিছো, হত্যা কৰি চ্যৱনক দুয়ো অধৰ্মীয়ে পাতিছ ইয়াত যৌৱনৰ বেহা।

চ্যৱন ঃ নহয় ৰাজন, বিশ্বাস কৰক আমিয়ে চ্যৱন । অশ্বিনীকুমাৰৰ কৃপাত লভিলো নতুন জীৱন ।

শয্যাতি ঃ আঃ বৃদ্ধই পাব পাৰে নৱ যৌৱন ? অসম্ভৱ কথা নক'বি দুনাই ; নতু ---

চ্যৱন ঃ ৰাজন, মোক বিশ্বাসত নল'লেও আপোনাৰ কন্যাক নকৰিব সন্দেহ । পতিব্ৰতা নাৰী এওঁ --

শয্যাতি ঃ স্তব্ধ হ পাষণ্ড ; সত্য কি মিথ্যা কি তাৰ জ্ঞান তই মোক নালাগে দিব --

সুকন্যা ঃ স্বামীয়ে যি কৈছে সেয়াই সত্য । ভগৱন্তৰ শপত পিতা, নহয় মই ব্যভিচাৰিণী, নহয় কুলাঙ্গিনী। পিতা, সুকন্যা মই আপোনাৰ বিশ্বাসৰ জী । পত্নীৰ মান, কন্যাৰ মান জানো মই । যদি এতিয়াও নকৰে বিশ্বাস তেন্তে কৰক মোৰ শিৰচ্ছেদ ।

**সূত্ৰ ঃ এনেতে গীত গাই নাৰদ আহে ---------------------**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ ; ৰাজন, সুকন্যাই কোনো ভুল কৰা নাই । সঁচাই এওঁ মহৰ্ষি চ্যৱন, অশ্বিনীকুমাৰৰ প্ৰচেষ্টাত পালে নতুন জীৱন । সুকন্যাৰ দৰে পতিব্ৰতা নাৰীক অকাৰণত নকৰিব তিৰস্কাৰ । দশ পুত্ৰ এক কন্যা সম , দশ কন্যা এক বৃক্ষ সম ; প্ৰমাণ কৰিলে আজি সুকন্যাই । চোৱা জগতবাসী, পুত্ৰ পুত্ৰ বুলি খোৱা হাবাথুৰি, কন্যাক কৰা অৱহেলা , কিন্তু সুকন্যাৰ দৰে কন্যাই গৌৰৱ বঢ়াইছে আজি পিতৃ কুলৰ । ৰাজন, এয়া আনন্দৰ সময় ; অ আনন্দৰ সময় --

শয্যাতি ঃ সুকন্যা , আই মোৰ চেনেহৰ জী। তোৰ দৰে কন্যাক, তোৰ দৰে সতী নাৰীক নিছিনিলো মই। চাক্ষুস দৃষ্টিকে সঁচা বুলি মানি তোকা কৰিলো সন্দেহ ; কটু বাক্যৰে তোৰ কৰিলো নিন্দা । আঃ পিতা হব মই তোৰ নহয় যোগ্য ---

সুকন্যা ঃ তেনেকৈ নক'বা পিতা ; নহয় নিন্দা , স্নেহ তোমাৰ এয়া কন্যাৰ প্ৰতি যেন মন্দাকিনী ধাৰা -

শয্যাতি ঃ( সাৱটি ) সুকন্যা --; লব লাগে যদি পুনৰ জনম এই ভাৰস্তে, তোকেই যেন পাঁও কন্যাৰূপে । হে ঋষিবৰ , নিচিনি আপোনাকো কৰিলো দুব্যৱহাৰ । সৰ্বদোষ মোৰ কৰিব মাৰ্জনা ।

চ্যৱন ঃ ৰাজন , কি কৰিছে এয়া ? সম্পৰ্কত আপোনাৰ জোঁৱাই মই । ক্ষমা বিচাৰি মোক নকৰিব লজ্জিত । পাছে , জানিব পাৰোনে আপোনাৰ আগমনৰ কাৰণ ?

শয্যাতি ঃ জগতৰ কল্যাণৰ অৰ্থে আয়োজন কৰিছো এক দেৱ যজ্ঞৰ । সেই হেতু আহিছিলো আপোনাৰ আশ্ৰমে । ভাগ্যক্ৰমে দেৱৰ্ষিৰো লভিলো সাক্ষাত । দেৱৰ্ষি, দয়া কৰি যজ্ঞত উপস্থিত থাকি আমাক কৰে যেন কৃতাৰ্থ ----

নাৰদ ঃ নিশ্চয় ৰাজন ; সকলো ভগৱন্তৰে লীলা। পাছে এতিয়া আমি বিদায়হে মাগো ---- **(প্ৰস্থান )**

চ্যৱন ঃ যাওক দেৱৰ্ষি ; ৰাজন, এক মহৎ কাৰ্য কৰিবলৈ লৈছে আপুনি ।

শয্যাতি ঃ মহৰ্ষি , গুণীজনৰ পৰামৰ্শত আপোনাকেই দিব বিচাৰো যজ্ঞৰ যজমানৰ দায়িত্ব ।

চ্যৱন ঃ গধুৰ দায়িত্ব দিলে ৰাজন ; তথাপি প্ৰভুৰ ইচ্ছা বুলি আপোনাৰ প্ৰস্তাৱ সাদৰেৰে কৰিলো গ্ৰহণ ।

শয্যাতি ঃ ধন্যবাদ, এপযেক পাছতে আৰম্ভ হ'ব যজ্ঞ । আই সুকন্যা সহিতে উপস্থিত থাকিব যজ্ঞত।

চ্যৱন ঃ নিশ্চয় ৰাজন , সময়ত আমি হ'মগৈ উপস্থিত ।

শয্যাতি ঃ তেন্তে মই এতিয়া বিদায়হে মাগো -----

**সূত্ৰ ঃ প্ৰথমে শয্যাতিৰ প্ৰস্থান। পাছত বাকী সকলৰ প্ৰস্থান। সভাত দেৱৰাজ ইন্দ্ৰ----**

ইন্দ্ৰ ঃ সন্দেহ জন্মিছে মোৰ শয্যাতিৰ যজ্ঞক লৈ --সন্দেহ বাঢ়িছে মোৰ চ্যৱনৰ যজমানি আৰু অশ্বিনীকুমাৰৰ দেৱত্ব প্ৰাপ্তিৰ হাবিয়াসকলৈ । নাই নাই যিমানেই চেষ্টা নকৰক অশ্বিনীকুমাৰে নাপায় দেৱত্ব, বৈদ্য ৰূপে পৰিচিত , বৈদ্যৰ মৰ্যদাই সিহঁতৰ যোগ্য । দেৱেন্দ্ৰ মই, সংকল্প মোৰ অলৰ অচৰ । থাকোতে দেৱেন্দ্ৰ , স্বপ্ন হৈয়ে ৰ'ব অশ্বিনীকুমাৰৰ দেৱত্ব হাঃ হাঃ---

**সূত্ৰ ঃ ইন্দ্ৰৰ প্ৰস্থান। আনফালে যজ্ঞস্থলীৰ দৃশ্য। সভাত শয্যাতি আৰু মন্ত্ৰীবৰ ---**

শয্যাতি ঃ মন্ত্ৰীবৰ , যজ্ঞৰ ক্ষণ সমাগত ; নিমন্ত্ৰিত অতিথিসকলক আদৰ সম্ভাষণৰ ব্যৱস্থা কৰা হৈছেনে ?

মন্ত্ৰী ঃ চিন্তা নকৰিব মহাৰাজ, সেনাপতিসহ যুৱৰাজগণে নিমন্ত্ৰিত অতিথিগণক আদৰ সম্ভাষণেৰে কৰাইছে আপ্যায়ন । বিশিষ্ট তপস্বীগণক আসন দিয়া হৈছে এই যজ্ঞস্থলীত --

শয্যাতি ঃ উত্তম , অতি উত্তম । আহিব ধৰিছে অতিথিগণ ; অ' সৌৱা দেৱৰ্ষি নাৰদৰ ঘটিছে আগমণ --

**সূত্ৰ ঃ এনেতে নাৰদ আহে---; শয্যাতি আৰু মন্ত্ৰীবৰে আদৰি নিয়ে ---**

শয্যাতি ঃ আহক দেৱৰ্ষি, আপোনাৰ আগমণে পবিত্ৰ কৰিলে আজি যজ্ঞৰ স্থলী ; এই আসন গ্ৰহণ কৰক।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ ----; ধন্যবাদ ৰাজন । আমিও হলো ধন্য এনে পুণ্যস্থানে আহি ---

<u>সূত্ৰ</u> ঃ <u>এনেতে মহৰ্ষি চ্যৱন আহে ----; শৰ্য্যাতি আৰু মন্ত্ৰীবৰে আদৰি নিয়ে ---</u>

শৰ্য্যাতি ঃ আহক ঋষিবৰ, এই আসন গ্ৰহণ কৰক ---- পাছে , মোৰ চেনেহৰ জী সুকন্যা ক'ত ?

চ্যৱন ঃ ৰাজন , পিতৃ গৃহত যজ্ঞানুষ্ঠান আৰু কন্যা অনুপস্থিত থকাটো জানো সম্ভৱ। সুকন্যা গৈছে অন্তেষপুৰে মাতৃ আৰু সখীগণক সাক্ষাতৰ হেতু ।

শৰ্য্যাতি ঃ হে নিমন্ত্ৰিত অতিথিগণ, ধন্য কৰিলে আপোনাসৱে আমাৰ জীৱন ; পবিত্ৰ হল আজি আমাৰ ৰাজ্য আপোনাসবৰ পদ ধূলাৰে । হে পূজ্যগণ, জগত কল্যাণৰ হেতু আয়োজন কৰা এই যজ্ঞৰ যজমানৰ দায়িত্ব বিজ্ঞজনৰ পৰামৰ্শত ভৃগুনন্দন মহৰ্ষি চ্যৱনক অৰ্পণ কৰিলো ----

নাৰদ ঃ উত্তম সিদ্ধান্ত ৰাজন , ভৃগুনন্দনেই হৈছে যোগ্য এই যজ্ঞৰ বাবে ।

চ্যৱন ঃ তেন্তে ভগৱন্তৰ আশীষ লৈ আমি যজ্ঞৰ পূৰ্ণাহুতি কৰোঁ আৰম্ভ -- ঔম হৃষীকেশায় নমঃ । ঔম মহেশ্বৰায় নমঃ। ঔম ব্ৰহ্মায় নমঃ। ঔম গণেশায় নমঃ। ঔম ইন্দ্ৰায় নমঃ। ঔম অগ্নিদেৱায় নমঃ। ঔম অশ্বিনীকুমাৰায় নমঃ। ঔম শান্তি, শান্তি, শান্তি -- সকলোকে সাক্ষী কৰি আমি ভৃগুনন্দন চ্যৱনে এই যজ্ঞৰ ভোগ ত্ৰিদেৱৰ লগতে সৰগৰ দেৱগণ আৰু অশ্বিনীকুমাৰদ্বয়লৈ কৰিলো আগ

<u>সূত্ৰ</u> ঃ <u>এনেতে হাতে বজ্ৰ লৈ ইন্দ্ৰ আহে -------</u>

ইন্দ্ৰ ঃ চ্যৱন, চ্যৱন, সাৱধান চ্যৱন, কি কাৰ্য কৰিলি তই ? কিয় দিলি অশ্বিনীকুমাৰক যজ্ঞৰ ভাগ ? নাজান নেকি নীচভাৱে জন্ম সিহঁত , বৈদ্য সিহঁত , দেৱতাৰ পদমৰ্যদা নাই সিহঁতৰ ভাগ্যত । তেনেস্থলত , কি যুক্তিৰে , কি সাহসেৰে বৈদ্যক দিলি দেৱ মৰ্য্যদা ?

শৰ্য্যাতি ঃ ক্ৰোধ সম্বৰণ কৰক দেৱৰাজ , যজ্ঞৰ পূণ্য মোৰ নকৰিব হ্ৰাস ----

ইন্দ্ৰ ঃ আঃ শৰ্য্যাতি, তয়ে অথন্তৰৰ মূল। পতা নাই যজ্ঞ তই কোনো পূণ্যৰ হেতু । ভণ্ড জোঁৱায়ে লভিলে নৱ যৌৱন আৰু তাৰ বিনিময়ত যজ্ঞ পাতি প্ৰতিদানৰূপে দেৱবৈদ্যক দিয়ালি যজ্ঞৰ ভাগ।

চ্যৱন ঃ দেৱেন্দ্ৰ ----।।

ইন্দ্ৰ ঃ মহৰ্ষি --।।

চ্যৱন ঃ তপ - যজ্ঞ আমাৰ কৰ্তব্য ।

ইন্দ্ৰ ঃ দেৱত্ব ৰক্ষণ আমাৰ দায়িত্ব ।।

চ্যৱন ঃ অহংকাৰী -- ।।

ইন্দ্ৰ ঃ স্বাৰ্থলোভী ---।।

চ্যৱন ঃ আঃ পুৰন্দৰ, পাহৰিলা তুমি শিষ্টাচাৰ । সভ্যজন বিৰাজমান এই যজ্ঞস্থলীত । নকৰি কাকো সন্মান, দাম্ভিক বচনেৰে প্ৰকাশিছা নিজৰেই চৰিত্ৰ তোমাৰ । নহয় অশ্বিনীকুমাৰ জাৰজ সন্তান ; অশ্বৰূপী সূৰ্য আৰু অশ্বিনীৰূপী সংজ্ঞাৰ তেওঁলোক বৈধ সন্তান ।

ইন্দ্ৰ ঃ আঃ চ্যৱন , তোৰ ইমান দুঃসাহস । বৈধ - অবৈধৰ দিয় পাঠ এই দেৱ পুৰন্দৰক । বজ্ৰপানি মই এই বজ্ৰৰে আজি মই তোৰ দম্ভ কৰিম চূৰ্ণ ।

চ্যৱন ঃ ইন্দ্ৰ, বজ্ৰক লৈ তোৰ ইমান অহংকাৰ । নিচিনিলি তই এই ভৃগুনন্দনক । নিচিনিলি তই মোৰ তপোবলক । ইন্দ্ৰ , আজি তই দেখিবি স্বচক্ষে এই চ্যৱনৰ তপোবল -- ঔম , ঔম -- চা দেৱেন্দ্ৰ যি বজ্ৰ লৈ তই কৰিছ অহংকাৰ সেই বজ্ৰ তোৰ হাততে ধৰক লাগি ---

ইন্দ্ৰ ঃ আঃ ই কি ? বজ্ৰ মোৰ নেৰাই হাতৰ পৰা । নাই নাই, এনে হ'ব নোৱাৰে । দধিচীৰ অস্থিৰে নিৰ্মিত বজ্ৰ চলে মোৰ নিৰ্দেশত ---আঃ কি আচৰিত, বজ্ৰ মোৰ নেৰাই হাতৰ পৰা। দেৱৰ্ষি, ৰক্ষা কৰক , মোক ৰক্ষা কৰক।

নাৰদ ঃ দেৱেন্দ্ৰ, মহৰ্ষি চ্যৱনক নিচিনিলে আপুনি। এনেহেন তপশালী তপস্বীৰ ওপৰত বজ্ৰ প্ৰহাৰ কৰিব খোজে আপুনি ? নাৰায়ণ, নাৰায়ণ নোৱাৰিম মই আপোনাক সহায় কৰিব ।

ইন্দ্ৰ ঃ হে ভৃগুনন্দন, মোৰ অপৰাধ আপুনি মাৰ্জনা কৰক --- ( স্তুতি )

ক্ষমিয়োক মুনিবৰ কৰোঁ প্ৰণিপাত ।
অহংকাৰত মত্ত হৈয়া কৰোঁ অপৰাধ ।।
মূঢ়মতি বুলি মোক কৰক উদ্ধাৰ ।
দুনাই দুনাই কৰোঁ সেৱা তয়ু চৰণত ।।

----( কথা ) হে মহৰ্ষি, বৈদ্য বুলি অশ্বিনীকুমাৰক আৰু নকৰোঁ তিৰস্কাৰ । দেৱত্ব প্ৰাপ্তিত আৰু তেওঁলোকৰ মই নিদিওঁ বাধা । কৃপা কৰি ঘুৰাই লওঁক আপোনাৰ অভিশাপ।

চ্যৱন ঃ দেৱৰাজ, ভুল তুমি কৰিলা স্বীকাৰ, ময়ো তোমাক দিছিলো শিক্ষণ ; অপৰাধ তোমাৰ কৰিলো মাৰ্জনা --ঔম, ঔম -- যোৱা দেৱেন্দ্ৰ, দেৱতাৰ মাজতে নানিবা বিভেদ ।

ইন্দ্ৰ ঃ ধন্যবাদ মহৰ্ষি, হে মনুনন্দন শৰ্য্যাতি, অপৰাধ মোৰ কৰিব ক্ষমা, সকলোলৈকে পুনৰবাৰ কৰোঁ নিবেদন অপৰাধ মোৰ কৰিব ক্ষমা । যাওঁ মই এতিয়া অমৰাৱতীলৈ ----

**<u>সূত্ৰ ঃ</u> <u>দেৱেন্দ্ৰৰ প্ৰস্থান । এনেতে অশ্বিনীকুমাৰদ্বয় আহে -----</u>**

না+দ ঃ ধন্যবাদ মহৰ্ষি, --- আপোনাক জনাইছো আমাৰ সশ্ৰদ্ধ প্ৰণাম ।

নাসত্য ঃ হে মহৰ্ষি, কিদৰে কৃতজ্ঞতা জনাওঁ আপোনাক । আপোনাৰ কৃপাতে আমি লভিলো দেৱত্ব ।

চ্যৱন ঃ হে দেৱদ্বয়, মই মাথো কৰ্তব্য কৰিলোঁ পালন ; আমি নিমিত্তহে মাথো । বাকী সকলো ভগৱন্তৰ কৃপা -- দিয়ক সৱে জয় ভগৱন্তৰ -- জয় শ্ৰীহৰি, জয় শ্ৰীহৰি, জয় শ্ৰীহৰি ।

শৰ্য্যাতি ঃ হে অতিথিগণ, আপোনাসবৰ কৃপাত যজ্ঞ হ'ল সফল ; সৱাকো পুনৰ জনাওঁ কৃতজ্ঞতা । আৰু মহৰ্ষি, আপোনাক কৰোঁ নিবেদন কিছুদিন আমাৰ আতিথ্য কৰক গ্ৰহণ ।

চ্যৱন ঃ কিন্তু ----- ?

নাৰদ ঃ মহৰ্ষি, এনে সুযোগ নকৰিব অগ্ৰাহ্য । জোঁৱাই ৰূপে আতিথ্য কৰক গ্ৰহণ । আমাৰ দৰে নিঃকিনকহে কোনোৱে নকৰে নিবেদন, নাৰায়ণ নাৰায়ণ --

চ্যৱন ঃ দেৱৰ্ষিৰ পৰামৰ্শ মানি ৰাজনৰ প্ৰস্তাৱ কৰিলো গ্ৰহণ । পাছে দেৱৰ্ষি, ইচ্ছা কৰিলে আপুনিও.--

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, ধন্যবাদ মহৰ্ষি । আমাৰ দৰে ব্ৰহ্মচাৰীক নাবান্ধিব সাংসাৰিক মোহত ---হাঃ হাঃ আমি এতিয়া বিদায়হে মাগিছো -- নাৰায়ণ, নাৰায়ণ ---

দস্ৰ ঃ দেৱৰ্ষিৰ লগতে আমিও বিদায় মাগিছো ৰাজন ; প্ৰণাম মহৰ্ষি --- ( প্ৰস্থান )

শৰ্য্যাতি ঃ যাওঁক দেৱৰ্ষি, যাওক দেৱ ----- ব'লক সৱে আমিও কৰোঁগৈ বিশ্ৰাম -----

<u>গীত ঃ( ৰাগ - ভাটিয়ালী, তাল - পৰিতাল )</u>

**এহিবুলি ৰঙ্গমনে চলে দেৱঋষি ।
দেৱেন্দ্ৰক দিলে শিক্ষা চ্যৱন মহৰ্ষি ।।
দুষ্টক দমিয়া প্ৰভু ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।**

**<u>সূত্ৰ ঃ</u> <u>সকলোৱে প্ৰস্থান । ইমানতে নাটভাগ সমাপ্ত হয় ।</u>**

গীত - ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৱ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আনগতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি ---- চ্যৱনৰ যজমানি , অশ্বিনীকুমাৰৰ দেৱত্ব প্ৰাপ্তি ---- নাম নাটকং সম্পূৰ্ণ মিতি।।

**সমাপ্ত**

জয় গুৰু শঙ্কৰ



# শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, যুধিষ্ঠিৰৰ নৰক দৰ্শন


নাট্যৰূপ ঃ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ , যোৰহাট
যোঃ নঃ ৮৪০৪০৫১৪৬৯

# পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীকৃষ্ণ
৩। নাৰদ
৪। উদ্ধৱ
৫। দাৰুক
৬। কলি
৭। ধৰ্ম
৮। ইন্দ্ৰদেৱ
৯। পৱনদেৱ
১০। যম ৰজা
১১। যুধিষ্ঠিৰ ---( প্ৰধান চৰিত্ৰ )
১২। ভীম
১৩। অৰ্জুন
১৪। নকুল
১৫। সহদেৱ
১৬। মৈত্ৰেয় ঋষি
১৭। বিষ্ণুস্বামী (শিষ্য)
১৮। দেৱস্বামী (শিষ্য)
১৯। দেৱদুত
২০। জৰা ব্যাধ

## নাৰী চৰিত্ৰ

১। ভীষণা (ৰাক্ষসী) ২। দ্ৰৌপদী ৩। অপেশ্বৰী

মুখা

কুকুৰ , ময়ুৰ

শ্লোক ঃ মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰঃ স্থল । আৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম ।।
মুক্তাহীৰক হেমহাৰ বলয়ালঙ্কাৰ কান্তি দ্যুতিম । কৃষ্ণং শাৰদ সান্দ্ৰ চন্দ্ৰ সদৃশং হৃদপঙ্কজেহ হস্তজে ।।

অপিচ ঃ যেনাকাৰি ভকত বৎসল দেৱ জনাৰ্দন --- ভূমিভাৰ ৰক্ষাৰ্থেয়ো যুগে যুগে অৱতাৰ ।।

## গীত ঃ নান্দী ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় দেৱ নাৰায়ণ।
তুৱা পাৰে কৰহো বন্দন।।
কৃষ্ণ ৰূপে লোৱা অৱতাৰ।
দিলা পন্থ ভক্তৰ উদ্ধাৰ।।
হেনজানি এৰা আন কাম।
সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা, ইয়ং -- শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, যুধিষ্ঠিৰৰ নৰক দৰ্শন ---নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

## ( অথ ভটিমা )

জয় জয় জগজন জীৱন যাদৱ
দেৱৰো দেৱক দেৱা ।
চতুৰ বয়ন ভৱ সুৰপতি যাকৰ
কৰোঁ নিতে চৰণেহি সেৱা ।।
নৰ লীলা তেজি কৃষ্ণ বৈকুণ্ঠক গৈলা ।
তাৰ পূৰ্বে ভক্তগণক ভক্তিতত্ব দিলা।।
কৃষ্ণ বিনে পাণ্ডৱগণ ম্ৰিয়মান ভৈলা ।
ভগৱন্তক ভজি সৱে স্বৰ্গপুৰী গৈলা ।।
অধৰ্মক নাশ কৰি ধৰ্মক থাপিলা।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সখী আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আকাশে দেৱ দুন্দুভী বাজত , বাজত, বাজত ---

সূত্ৰ ঃ আ-হাহা মিলল, মিলল। আহে সামাজিক লোক, হামো যাকেহি কথা কহৈছি, ওহি পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণ এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৱত । তাক সাৱধানে দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।।

ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্ৰ ঃ সভাত শ্ৰীকৃষ্ণৰ প্ৰৱেশ ----**

**শ্লোক ঃ প্ৰৱেশম কৰোত জগতপতি শ্ৰীকৃষ্ণ জনাৰ্দন।
যস্য চৰণযুগলম চিন্তিত্বা ভক্তাঃলভন্তি পৰমগতিম।।**

গীত - (ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল)
সভাত প্ৰৱেশ কৰে দৈৱকী নন্দন ।
পীত বস্ত্ৰে সুশোভিলা দেখিতে শোভন ।।
দিব্য ৰূপে প্ৰৱেশিলা প্ৰভূ জনাৰ্দন।
ডাকি হৰি হৰি বোলা সভাসদ গণ।।

শ্ৰীকৃষ্ণ ঃ সকলো কাৰ্য্য আমাৰ ঘটিছে সমাপ্তি এই প্ৰভাস তীৰ্থৰ পাৰত । অহংকাৰত মদমত্ত হৈ পৰা যদুবংশও আজি হ'ল নিপাত । নিজ কাৰ্য্য কৰি সমাপন বলৰামৰূপী অনন্তইও গতি কৰিলে বৈকুণ্ঠধামে। দুষ্টক দমন কৰি আমিও হৰিলো ভূমিৰ ভাৰ। সময় এতিয়া সমাগত আমাৰো বৈকুণ্ঠ গমনৰ। কিন্তু ভক্তৰ কাষৰ পৰা আঁতৰি যোৱাটো আমাৰ বাবে যে নহয় সম্ভৱ । চলেৰে পঠালো সেয়ে উদ্ধৱক বদৰিকাশ্ৰমলৈ। আঁতৰাই পঠাইছো সাৰথি দাৰুকক সখা ধনঞ্জয়ক নিমন্ত্ৰণ দিবলৈ। ধনঞ্জয় অহাৰ পূৰ্বেই আমিও নৰ লীলা কৰিব লাগিব সমাপ্তি। অ , প্ৰাণৰ সখা অহাৰ পূৰ্বেই যাব লাগিব আমি মৰ্ত্ত্যপুৰীৰ পৰা ।

সূত্ৰ ঃ **দুখমনে কৃষ্ণৰ প্ৰস্থান। আনফালে সভাত শিৰে পাদুকা লৈ উদ্ধৱৰ প্ৰৱেশ----**

গীত
সভাত প্ৰৱেশ কৰে উদ্ধৱ মহন্ত ।
শিৰে লৈয়া পাদপদ্ম প্ৰভূ ভগৱন্ত ।।
ধীৰে ধীৰে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

উদ্ধৱ ঃ বুজিলো, আমি সকলো বুজিলো। নৰলীলা সামৰি প্ৰভূ তুমি মৰ্ত্ত্যৰ পৰা যোৱাৰ চলাইছা প্ৰস্তুতি। আমাৰ সঙ্গৰ পৰা তুমি যোৱাটো নহয় সম্ভৱ। সেয়ে তোমাৰ পাদুকা দি পঠাইছা আমাক বদৰিকাশ্ৰমলৈ । যদিওবা আজ্ঞা মানি আহিছো, তথাপি প্ৰভূ বুজাব পৰা নাই আমাৰ মনক । নাই নাই , ক্ষমা কৰিবা প্ৰভূ , তোমাৰ আজ্ঞা আমি নোৱাৰিম ৰাখিব । তোমাক যাব নিদিওঁ , আমিও যাম ; অ প্ৰভূ আমিও যাম তোমাৰ সঙ্গে --- প্ৰভূ , প্ৰভূ ----

সূত্ৰ ঃ **উদ্ধৱৰ প্ৰস্থান। আনহাতে সভাত ইন্দ্ৰ আৰু পৱনদেৱৰ প্ৰৱেশ ------**

গীত- (ৰাগ ঃ মাহুৰ, ধনশ্ৰী ; তাল ঃ একতাল ,পৰিতাল )
অদিতি নন্দন ইন্দ্ৰ কয়ো পৱেৰেশ।
সঙ্গে আছে পৱনদেৱ দেখিতে সুৰেশ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

ইন্দ্ৰ ঃ পৱনদেৱ , আপোনাসবৰ দৰে অমৰ মণ্ডলীক পাই আজি মই অতিকে আনন্দিত ; স্বৰ্গৰ বৈভৱ জগতত আলোকিত ; দেৱতাৰ জয়গান সৰ্বত্ৰে আলোচিত হাঃ হাঃ ----

সূত্ৰ ঃ **এনেতে হৰিনাম গায় নাৰদ ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ---------

ইন্দ্ৰ ঃ প্ৰণাম দেৱৰ্ষি, আপোনাকো আজি দেখিছো আনন্দিত । অম্ৰাৱতীৰ বৈভৱত , দেৱতাৰ জয়গানত নিশ্চয় আপুনিও হৈছে উৎফুল্লিত ?

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, আপোনাৰ অনুমান অসত্যও নহয় দেৱৰাজ । সঁচাই আমি উৎফুল্লিত । পাছে আপোনাৰ বচন অৰ্দ্ধসত্য । আমাৰ দৰে সন্ন্যাসীৰ বাবে জানো দেৱতাৰ বৈভৱৰ কিবা থাকিব

পাৰে মূল্য ? নাৰায়ণ, নাৰায়ণ ----

পৱন ঃ তেন্তে দেৱৰ্ষি, জানিব পাৰোঁনে আমি আপোনাৰ উল্লাসৰ কাৰণ ?

নাৰদ ঃ হে দেৱগণ, প্ৰভূ নাৰায়ণে নৰৰূপে কৃষ্ণ অৱতৰি পৱিত্ৰ কৰিলে মৰ্ত্ত্যধাম। নৰলীলা সামৰি আমাৰ প্ৰভুৱে অনতিপলমে মৰ্ত্ত্যধাম কৰিব ত্যাগ । অধীৰ অপেক্ষা কৰিছো আমি সেই ক্ষণলৈ, কি লীলা কৰি প্ৰভুয়ে মৰ্ত্ত্যধাম কৰিব ত্যাগ ? তাকে ভাবি প্ৰতি ক্ষণে আমাৰ বাঢ়িছে উল্লাস ।

পৱন ঃ নাৰায়ণে মৰ্ত্ত্য ত্যাগ কৰাৰ দৃশ্য নিশ্চয় হ'ব অতি অনুপম । দেৱৰাজ, সেই ক্ষণৰ সাক্ষী হ'বলৈ আমিও যোৱা উচিত।

ইন্দ্ৰ ঃ উত্তম প্ৰস্তাৱ পৱনদেৱ, নিশ্চয় সাক্ষী হ'ম আমি সেই ক্ষণৰ। লগতে যদুপতিক কৰিম অনুৰোধ চিৰদিনৰ বাবে কৰি নিষ্কণ্টক মোৰ স্বৰ্গপুৰীত তেওঁ কৰক পদাৰ্পণ ----

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- হে দেৱগণ, কত যোগীয়ে কতবাৰ কৰে তপ প্ৰভু শ্ৰীহৰিক দৰ্শনৰ হেতু, তথাপি নাপায় দৰ্শন -- তেনেস্থলত হাঃ হাঃ নিষ্কাম ভকতি কৰক দেৱগণ, নিষ্কাম ভকতি কৰক স্বয়ং আহিব প্ৰভু এই অম্ৰাৱতীলৈ । পাছে আমি এতিয়া আহিলোহে -- **(প্ৰস্থান)**

ইন্দ্ৰ ঃ দেৱৰ্ষি, নিবিচাৰে আপুনি মোৰ স্বৰ্গপুৰী হোৱাটো নিষ্কণ্টক। ব'লক দেৱ, আমিও কৰোঁ যাত্ৰা -

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান । আনহাতে সভাত মৈত্ৰেয় ঋষিৰ শিষ্যসহ প্ৰৱেশ ----**

**গীত ( ৰাগ ঃ পয়াৰ , তাল ঃ একতাল )**

**শিষ্যসহ চলি আহে ঋষি মৈত্ৰেয়।**
**গহীন গম্ভীৰ সৱে কৰয় প্ৰৱেশ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

মৈত্ৰেয় ঃ শিষ্যগণ, যাঁও মই দ্বাৰকা নগৰে । তোমালোকে পঞ্চানন পৰ্বতৰ সমীপতে আমালৈ কৰিবা অপেক্ষা

বিষ্ণুস্বামী ঃ ঋষিবৰ, আমাৰ বাবে আপুনি নকৰিব চিন্তা । নিশ্চিন্ত মনে যাওক আপুনি দ্বাৰকা নগৰে ।

**সূত্ৰ ঃ প্ৰথমে মৈত্ৰেয়ৰ আৰু পাছত শিষ্যগণৰ প্ৰস্থান। আনফালে সভাত দাৰুকৰ প্ৰৱেশ --**

**গীত ঃ ( ৰাগ - গান্ধাৰ , তাল - ৰচক )**

**সভাত প্ৰৱেশ কৰে সাৰথি দাৰুক।**
**কৃষ্ণৰ সাৰথি ইটো অতিকে মহান।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা সভাসদ গণ।।**

**সূত্ৰ ঃ দাৰুকৰ প্ৰস্থান। আনফালে সভাত পঞ্চ পাণ্ডৱৰ প্ৰৱেশ ----**

**গীত : (ৰাগ ঃ আশোৱাৰী ; তাল ঃ পৰিতাল)**

**সভাত প্ৰৱেশ কৰে পাণ্ডুৰ নন্দন।**
**দিব্য বস্ত্ৰে সুশোভিত যেন দেৱগণ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ।।**

যুধি ঃ ভাতৃগণ, প্ৰভু জনাৰ্দনৰ কৃপাত আৰু তোমালোকৰ সহযোগত হস্তিনাৰ সৰ্বদিশতে আজি সুখ

শান্তি কৰিছে বিৰাজ। তথাপিও নাজানো কিয় মোৰ অন্তৰাত্মা কিবা যেন এক অজান আশংকাত দুৰুদুৰুকৈ কঁপিব ধৰিছে । বাৰে বাৰে মনত পৰে মোৰ যদুপতিলৈ ? কিয় পাৰ্থ কিয় ?

অৰ্জুন ঃ আপোনাৰ দৰে মোৰো হৈছে এনে অনুভৱ দাদা । যোৱা ৰাতি স্বপ্নতো মই দেখিছো জনাৰ্দনক। বহুদিন সখাৰ পোৱা নাই সাক্ষাত । ভাৱিছো দ্বাৰকালৈ গৈ মই সখাক কৰি আঁহো দৰ্শন ।

**সূত্ৰ ঃ এনেতে দাৰুক ---**

দাৰুক ঃ প্ৰণাম পাণ্ডৱগণ ----

যুধি ঃ দাৰুকদেৱ ; কি সংযোগ, কি প্ৰভুৰ লীলা । জনাৰ্দনৰ বিষয়েই আমি কৰিছিলো আলোচনা -- কিন্তু , জনাৰ্দন ক'ত ? কিয় প্ৰৱেশ কৰা নাই তেওঁ আমাৰ ৰাজসভাত ? জনাৰ্দন --------

দাৰুক ঃ জ্যেষ্ঠ পাণ্ডৱ , যদুপতি অহা নাই আমাৰ লগত । যদুপতিৰ বাৰ্তা লৈ আমিহে আহিছো । সাক্ষাত লভিব বিচাৰিছে আমাৰ প্ৰভুৱে সব্যসাচীৰ । সেই হেতু দ্বাৰকালৈ নিমন্ত্ৰণ দিছে তেওঁক ।

অৰ্জুন ঃ ( স্বগতঃ ) জনাৰ্দনে হঠাৎ সাক্ষাত লভিব বিচাৰিছে আমাৰ । কিন্তু কিয় ---- ?

ভীম ঃ দেৱ, ঘটিছে নেকি দ্বাৰকাত কিবা অথন্তৰ ? কৰিছে নেকি কোনো শত্ৰুৱে দ্বাৰকাত আক্ৰমণ ? কওঁক দেৱ, আছে এতিয়াও বৃকোদৰ ধৰাৰ বক্ষত । পাৰ্থৰ লগত ময়ো গৈ হাতে ধৰি দুৰ্জয় গদা শত্ৰু নিপাত কৰিম আমি দ্বাৰকাৰ ।

দাৰুক ঃ নহয় বৃকোদৰ, তেনে পৰিৱেশ ঘটা নাই দ্বাৰকাত। মাথো যদুপতিয়ে সাক্ষাতহে লভিব বিচাৰিছে পাৰ্থৰ । উদ্দেশ্যৰ বিষয়ে আমিও অজ্ঞাত । যদুপতিৰ লীলা জানো বুজিব পাৰে কোনোৱে ?

যুধি ঃ অৰ্জুন , নিশ্চয় যদুপতিয়ে জৰুৰী বাৰ্তালাপ কৰিব তোমাৰ লগত। অতি শীঘ্ৰে যাত্ৰা কৰিবা তুমি দ্বাৰকাপুৰীলৈ । দাৰুকদেৱ , বহুদুৰ যাত্ৰা কৰি আহিছে আপুনি । এতিয়া ৰাজ আতিথ্য কৰক গ্ৰহণ। শীঘ্ৰে যাত্ৰা কৰিব দুয়ো একেলগে দ্বাৰকা নগৰে।

দাৰুক ঃ ক্ষমা কৰিব জ্যেষ্ঠ পাণ্ডৱ । ৰাজ আতিথ্য আমি নকৰোঁ গ্ৰহণ। যদুপতিৰ শুশ্ৰূষাই হৈছে আমাৰ জীৱন । সেয়ে শীঘ্ৰে উলটি যাওঁ আমি । মাথো দিয়ক অনুমতি ।

যুধি ঃ তেন্তে যাওঁক আপুনি । অতি শীঘ্ৰে উপস্থিত হ'ব অৰ্জুন দ্বাৰকাত। এই বাৰ্তা দিব জনাৰ্দনক।

দাৰুক ঃ ভাল, তেন্তে আমি আঁহো পাণ্ডৱগণ ------ ( **প্ৰস্থান** )

যুধি ঃ অৰ্জুন, কালিলৈ প্ৰভাততে তুমি যাত্ৰা কৰিবা দ্বাৰকা নগৰে। আজিলৈ সভা ভঙ্গ কৰা হওক ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ব্যাধ জৰাৰ প্ৰৱেশ ----**

**( বাজনা - ভঙ্গী )**

ব্যাধ ঃ চিকাৰ বিচাৰি অতবেলি কৰিছো বনত বিচৰণ । আঁচৰিত , পক্ষী এটিও নিমিলিল আজি মোৰ ভাগ্যত । কি কৰোঁ, গভীৰ বনৰ মাজত কৰিলো প্ৰৱেশ। নাই নাই , এতিয়া আৰু শুদা হাতে নাযাওঁ উলটি, আৰু কিছু দুৰলৈ গৈ কৰোঁ অন্বেষণ, নিশ্চয় কোনো বন্য জন্তু মোৰ মিলিব ভাগ্যত

**সূত্ৰ ঃ ব্যাধৰ প্ৰস্থান। আনহাতে চিন্তান্বিত মনে কৃষ্ণ ---**

কৃষ্ণ ঃ এই স্থানেই হ'ব উপযুক্ত আমাৰ বাবে ------

**সূত্ৰ ঃ দক্ষিণ ফালে উৰু থৈ বাওঁ চৰণ উৰুত তুলি কৃষ্ণ ধ্যানত বহে আৰু চৰণ লৰাই থাকে ; এনেতে ব্যাধ জৰা আহে ---**

গীত ঃ

চলি আহে জৰা ব্যাধ হাতে ধনু ধৰি ।
মৃগ মাৰোঁ বুলি আজি মন স্থিৰ কৰি ।।

ব্যাধ ঃ অ' সৌটো নিশ্চয় এটা হৰিণেই হ'ব ; ৰঙাকৈ কাণখন সি আছে লৰাই । ভাগ্য মোৰ হ'ল উদয় ; এটা হৰিণ পালো দেখা। এতিয়াই ইয়াক মই কৰিম নিধন -- ( শৰ প্ৰহাৰ কৰে )

**সূত্ৰ ঃ ব্যাধৰ শৰে কৃষ্ণৰ চৰণ বিন্ধে। ওচৰ চাপি ব্যাধে কৃষ্ণক দেখি যি কয়----**

ব্যাধ ঃ ( ধনু বাণ পেলাই ) প্ৰভু, হায় হায় , এয়া মই কি কৰিলো ? হৰিণ বুলি মই যদুপতিক আজি শৰবিদ্ধ কৰিলো । হে জনাৰ্দন , মই মহাপাপীয়ে তোমাক নিচিনি কৰিলো দুৰ্ঘোৰ পাপ । শৰে বিন্ধি তোমাক মই কৰিলো সৰ্বনাশ । হাঁয় হাঁয় মই মৰি নাযাওঁ কিয় ? হে প্ৰভু , কৰিলো মহাপাপ ; তোমাৰ সুদৰ্শন মোলৈ কৰা নিক্ষেপ -- ( কান্দে ) জীয়াই থকাৰ আৰু মোৰ নাই হাবিয়াস । চিৰ মুক্তি দিয়া মোক , চিৰ মুক্তি দিয়া --

কৃষ্ণ ঃ দুখ নকৰিবা জৰা; তোমালৈকে আমি কৰিছো অপেক্ষা । নাই ইয়াত তোমাৰ দোষ । পূৰ্বজন্মত আছিলা তুমি বালীৰ তনয় অংগদ । ৰাম অৱতাৰত যেতিয়া আমি তোমাৰ পিতা বালীক শৰ প্ৰহাৰ কৰি কৰিছিলো বধ, তেতিয়া বালীৰ পত্নী তথা তোমাৰ মাতা তাৰাই আমাৰ মৃত্যুও এদিন তোমাৰ শৰৰ প্ৰহাৰত হ'বলৈ দিছিল অভিশাপ। ফলিয়ালে এতিয়া সেই অভিশাপ। তুমিও উদ্ধাৰ হ'লা জৰা । সৌৱা চোৱা স্বৰ্গৰ পৰা দেৱগণে পঠাইছে ৰথ। যোৱা জৰা তুমি স্বৰ্গধামে ---

ব্যাধ ঃ তোমাৰ মহিমা অপাৰ প্ৰভু । তুমি কৰুণাময়, ভকত বৎসল , সকলো দোষ আমাৰ কৰি মাৰ্জনা স্বৰ্গত দিলা আমাক স্থান । আমি আহিলো প্ৰভু -----

সূচনা ঃ

দেখা দেখা নৰলোক ঈশ্বৰৰ লীলা ।
ব্যাধৰূপী জৰাক আজি স্বৰ্গত থাপিলা ।।

**সূত্ৰ ঃ কৃষ্ণক প্ৰদক্ষিণ কৰি ব্যাধৰ প্ৰস্থান। এনেতে আঁতৰত উদ্ধৱ ----**

কৃষ্ণ ঃ সখা, তুমি আমাৰ উত্তম বান্ধৱ ; আমাৰ কাষলৈ আঁহা । তোমাৰ শ্ৰীমুখ আমি এবাৰ কৰোঁ দৰ্শন

উদ্ধৱ ঃ (আগবাঢ়ি) প্ৰভু, দেৱৰো উত্তম আপুনি, অথচ আমাক সম্বোধন কৰে উত্তম বান্ধৱ । দেৱৰো দেৱ আপুনি, অথচ আমাক মাতে সখা বুলি । আঃ এয়া কি ? যি চৰণক কৰিছিলো সেৱা সেই চৰণ হৈছে শৰবিদ্ধ ? বুজিলো, লীলা ৰচি শৰবিদ্ধ কৰালা তুমি আপোন চৰণ ---

কৃষ্ণ ঃ সখা, তুমি নহ'বা বিচলিত ; এয়া যে পূৰ্ব নিৰ্দ্ধাৰিত ।

উদ্ধৱ ঃ সখা, তোমাৰ অবিহনে উদ্ধৱৰ জীৱন অসাৰ । আমাকো নিয়া লগত --

কৃষ্ণ ঃ আমি দুয়ো গুচি গ'লে জীৱৰ মিলিব অথন্তৰ ; তুমি কিছুদিন মৰ্ত্ত্যত থাকিব লাগিব সখা --

উদ্ধৱ ঃ প্ৰভু ; ইমান নিষ্ঠুৰ নহ'বা তুমি । নোৱাৰোঁ থাকিব মই এক পল তোমাৰ বিনে --( কান্দে )

কৃষ্ণ ঃ সখা, নাকান্দিবা তুমি ; আমি যাঁও, আমি যাবই লাগিব বৈকুণ্ঠ ধামে --

উদ্ধৱ ঃ তুমিহীন ধৰাত প্ৰভু মই থাকিম কিদৰে ? ক'ত বিচাৰি পাম মই তোমাৰ সঙ্গ ?

কৃষ্ণ ঃ সখা , আছিলো, থাকি যাম আমি তোমাৰ হৃদয় পংকজত । আঁহা সখা, দিওঁ তোমাৰ পৰিচয় -- পূৰ্বজন্মত তুমি আছিলা বসু ; আছিলা তুমি আমাৰ পৰম ভক্ত ; সেই হেতু এই জনমত

তুমি আমাক পালা সখাৰূপে। আমাৰ প্ৰস্থানৰ পাছত দুৰ্জন কলিয়ে জীৱক কৰিব পীড়ন। ধৰ্মলৈ আহিব সংকট ; সখা , ধৰ্ম ৰক্ষাৰ দায়িত্ব তোমাৰ ওপৰতে এৰি যাম আমি ।

উদ্ধৱ ঃ এয়া কি দায়িত্ব দিলা প্ৰভু ? কি দায়িত্ব দিলা --- ( কান্দে )

**সূত্ৰ ঃ এনেতে মৈত্ৰেয় আহে ---------**

মৈত্ৰেয় ঃ প্ৰভু, এয়া কি দেখিছো মই ----

কৃষ্ণ ঃ আঁহা মৈত্ৰেয়, আমাৰ ইচ্ছাতে তোমাৰো ঘটিছে আগমণ । যি ঘটিছে তাত নহবা চিন্তিত । যোৱাৰ আগে দি যাঁও তোমালোকক আমি ভকতি তত্ব । আঁহা উদ্ধৱ, তুমিও আমাৰ কাষতে বহা --

মৈত্ৰেয় ঃ ভগৱন্তৰ মুখপদ্মৰে শ্ৰৱণ কৰিম আমি ভকতি তত্ব । কিযে পৰম ভাগ্য আমাৰ --

কৃষ্ণ ঃ শুনা তোমালোকে আমাৰ বচন --- যি ৰূপে দেখিছা আমাক তেনে ৰূপ নাই আমাৰ । সকলো জীৱৰ হৃদয়তে আছো আমি । যদিও লৈছো বিদায় কায়িকভাৱে থাকি যাম ভাগৱত সমুদ্ৰে আমি চৈতন্য ৰূপে। আমাৰ নাম কৰিবা কীৰ্তন, আমাৰ নাম কৰিবা শ্ৰৱণ, জানিবা নাহিকে উত্তম গতি ভকতিৰ বিনে । আমাৰ এই বাৰ্তা দিবা জগতবাসীক । অন্তিম ক্ষণত ভক্ত বিদুৰক নাপালো দেখা । তেওঁকো দিবা তোমালোকে এই তত্ব । এতিয়া যোৱা তোমালোক ----

উদ্ধৱ ঃ সখা ; কিয় আমাক দিছা এনে নিষ্ঠুৰ আদেশ ? তোমাৰ সঙ্গ কেনেদৰে যাঁও এৰি ?

কৃষ্ণ ঃ আমাৰো দশা বুজা উদ্ধৱ ; যোৱা সখা, কিছু ক্ষণ আমি থাকিব বিচাৰোঁ একাত্মভাৱে ---

উদ্ধৱ ঃ যাম সখা, তোমাৰ আজ্ঞা আমি কৰিম পালন ; প্ৰভু , অন্তিম সেৱা আমাৰ কৰা গ্ৰহণ --

**সূচনা**

**তোমাৰ চৰণ হৰি নেদেখো দুনাই ।**
**সখা বিনে উদ্ধৱৰ প্ৰাণ ফুটি যাই ।।**

**সূত্ৰ ঃ মৈত্ৰেয় - উদ্ধৱৰ প্ৰস্থান । কৃষ্ণ ধ্যানত বহি থাকে এনেতে দাৰুক -----**

দাৰুক ঃ প্ৰভু, প্ৰভু, কি হৈছে আপোনাৰ ? কিয় আপুনি এনেদৰে বহিছে ভূমিত ? ( শৰ দেখি ) প্ৰভু, কোনে আপোনাক কৰিলে আঘাট ? কাৰ এনে সাহস , ব্ৰহ্মায়ো ভজে যাক , তেনে পৰম ব্ৰহ্মক আজি কোন পাতকীয়ে কৰিলে আঘাট ? ব'লক প্ৰভু , ৰথ লৈ আহিছো মই ।

কৃষ্ণ ঃ দাৰুক, তুমি নকৰিবা বেজাৰ । যাবৰ সময় হ'ল আমাৰ --- সৌৱা চোৱা আকাশলৈ চাৰি অশ্বই আমাৰ অস্ত্ৰ সমূহ লৈ ৰথৰ সৈতে গৈছে বৈকুণ্ঠলৈ। দাৰুক, তুমি থাকা কিছুদিন মৰ্ত্ত্যপুৰীত।

দাৰুক ঃ প্ৰভু, নাই নাই আমি কি পাপ কৰিলো প্ৰভু ? বৈকুণ্ঠৰ পৰা মৰ্ত্ত্যপুৰীলৈ আপোনাক ৰথত আনিছিলো আমি । এতিয়া কি অপৰাধত আপুনি আমাক দিছে এনে নিদাৰুণ দণ্ড --( কান্দে )

কৃষ্ণ ঃ নাকান্দিবা দাৰুক, মৰ্ত্ত্যপুৰীত আৰু কৰ্তব্য আছে তোমাৰ । আমাৰ প্ৰস্থানৰ পাছতে সাগৰে বুৰাই পেলাব দ্বাৰকাক । দ্বাৰকাবাসীক তুমিয়েই কৰিব লাগিব উদ্ধাৰ । সখা ধনঞ্জয়ো আহি পাবহি তেতিয়ালৈ । অৰ্জুনৰ হাতত দ্বাৰকাবাসীক অৰ্পণ কৰি তুমি যাবা বৈকুণ্ঠলৈ । এই দায়িত্ব জানো তুমি পালন নকৰিবা দাৰুক ?

দাৰুক ঃ গধূৰ দায়িত্ব দিলে প্ৰভু । মৰতত আপুনি আমাৰ অন্তিম সেৱা গ্ৰহণ কৰক -- ( কান্দে )

কৃষ্ণ ঃ যোৱা দাৰুক, কৰ্তব্য কৰাগৈ সমাপন --

দাৰুক ঃ আপোনাৰ আদেশ আমি কৰিম পালন ----- বিদায় প্ৰভু , বিদায় --

সূত্ৰ ঃ **দাৰুকৰ প্ৰস্থান। এনেতে দুৰত দেৱগণ আৰু দেৱৰ্ষি । কৃষ্ণ ধ্যানত মগ্ন থাকে।**

ইন্দ্ৰ ঃ হে জনাৰ্দন , আমি দেৱগণে কৰিছো আহ্বান ; অম্ৰাৱতীপুৰত আপুনি কৰক পদাৰ্পন । আপোনাৰ চৰণ স্পৰ্শই পৱিত্ৰ কৰিব আমাৰ স্বৰ্গ । নিষ্কণ্টক হ'ব স্বৰ্গপুৰী অসুৰ - দানৱৰ পৰা --

সূত্ৰ ঃ **দবা - শংখ বাজি উঠে । তীব্ৰ জ্যোতিৰ সৃষ্টি হয়। নাৰদৰ বাদে সকলো দেৱগণ মূৰ্চ্ছিত হয় । শ্ৰীকৃষ্ণই বৈকুণ্ঠলৈ গমন কৰে----**

নাৰদ ঃ আ- হাহা , কি অপূৰ্ব দৃশ্য আজি দেখিছো আমাৰ নয়নে। প্ৰভুয়ে বৈকুণ্ঠলৈ কৰিছে গমন ; আৰু দেৱগণ হাঃ হাঃ ---- প্ৰণাম প্ৰভু , নয়ন তৃপ্ত হ'ল আজি আমাৰ । নাৰায়ণ, নাৰায়ণ --

সূত্ৰ ঃ **নাৰদৰ প্ৰস্থান । দেৱগণে চেতন পাই ------**

ইন্দ্ৰ ঃ পৱনদেৱ, নিৰাশ কৰি আমাক যদুপতি গ'ল বৈকুণ্ঠধামে । দেৱৰ্ষিৰ কথা বুজিলো এতিয়া। নিষ্কাম ভক্তিয়েহে পাব পাৰি জনাৰ্দনক । হে প্ৰভু , আমাক কৰিব ক্ষমা । আপোনাৰ মহিমা নুবুজিলো আমি । পৱনদেৱ, ব'লক যাওঁ আমি এতিয়া স্বৰ্গপুৰীলৈ ----

সূত্ৰ ঃ **সকলোৰে প্ৰস্থান। আনহাতে অৰ্জুন -----**

অৰ্জুন ঃ আঁচৰিত, ইমান নিজান নিস্তব্ধ আজি দ্বাৰকা , ক'ত গল ইয়াত প্ৰৱাহিত শীতল মলয়া ? পোৱা নাই গন্ধ তুলসীৰ । চাৰিওফালে শূণ্যতাই কৰিছে বিৰাজ। মোৰ হৃদয়ো হঠাৎ হৈছে অশান্ত। দাৰুকেটো কৈছিল কোনো বিপদ অহা নাই দ্বাৰকালৈ ? তেন্তে ইমান বিচিত্ৰ পৰিৱেশ কিয় আজি দেখো দ্বাৰকাত ?

সূত্ৰ ঃ **এনেতে দাৰুক ---**

দাৰুক ঃ হে ধনঞ্জয়, আপুনি পালেহি ? পাছে , বহু পলম হ'ল আপোনাৰ -- (কান্দে )

অৰ্জুন ঃ দেৱ, কিয় কৰিছে ক্ৰন্দন ? কি পলম হোৱাৰ কথা কৈছে আপুনি ?

দাৰুক ঃ হে প্ৰভু , কিদৰে মই বুজাওঁ পাৰ্থক ? কিয় দিলে মোক ইমান গধুৰ দায়িত্ব ?

অৰ্জুন ঃ মোৰ উৎকণ্ঠা বাঢ়িছে দুগুণে। কওঁক দেৱ, কি ক'ব বিচাৰে আপুনি ? দ্বাৰকাবাসীৰ মঙ্গলনে ?

দাৰুক ঃ সকলো শেষ হৈ গ'ল ধনঞ্জয় । সমুলঞ্চে ধবংস হৈ গ'ল পৰাক্ৰমী যদুবংশ -- শাম্ব , সাত্যকী, প্ৰদ্যুম্ন কোনো নাই আজি দ্বাৰকাপুৰীত । সকলোৱে ল'লে মৃত্যুক আকোঁৱালী ।

অৰ্জুন ঃ দাৰুক -- ? যাৰ স্বামী জগতৰ গৰাকী তেনে যদুবংশৰ জানো পতন সম্ভৱ ? দাদা বলোভদ্ৰ যিজনে হাতে হ'ল ধৰি বসুমতী কৰে ছেদ, তেনেহেন বীৰ থাকোতে কোনে নাশ কৰিব পাৰে যদুবংশক ? পাৰ্থৰ সন্মূখত নামাতিব এনে মিথ্যা বচন । নতু পাহৰি যাম মই আপুনি কোন ?

দাৰুক ঃ ধনঞ্জয়, নিক্ষেপ কৰক শৰ এই দাৰুকৰ বুকুলৈ ; বেদনাতকৈ মৃত্যুয়ে শ্ৰেয় মোৰ । কোৱা নাই মই কোনো মিথ্যা বচন । নিজৰ মাজতে কৰি ৰণ লুপ্ত হৈ গ'ল এই ধৰাৰ পৰা যদুবংশ। নাই এতিয়া ধৰাত হলধৰ , নৰলীলা সমাপ্ত কৰি গুচি গ'ল তেওঁ বৈকুণ্ঠধামে ।

অৰ্জুন ঃ নাই নাই এনে হ'ব নোৱাৰে । জগতৰ বাবে আদৰ্শ স্বৰূপ যদুবংশ হ'ব নোৱাৰে গৃহ কন্দলত লুপ্ত । কিয় সখা জনাৰ্দনে নিদিলে বাধা ? দেৱ , ক'ত আছে মোৰ সখা যদুপতি -- ?

দাৰুক ঃ সৱাকে তেজি -- গুচি গ'ল , গুচি গ'ল যদুপতি বৈকুণ্ঠধামে ----

অৰ্জুন ঃ অসম্ভৱ , এয়া নহয় সম্ভৱ । সখাই মোক এৰি নোৱাৰে যাব । ( খঙেৰে ) দাৰুক -- ?

দাৰুক ঃ এয়া যে সত্য পাৰ্থ ------ এয়াই সত্য --

অৰ্জুন ঃ কি -- ? সত্য ; এয়াই সত্য ? উসঃ, সখা ---- ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা।
কিনো দোষে মোক সখা মৰ্ত্ত্যত ৰাখিলা।।
তোমাৰ অবিহনে সখা থাকো কেন কৰি।
প্ৰাণ বায়ু যাওঁক মোৰ মই যাওঁ মৰি ।।

দাৰুক ঃ জানিছিলো, জানিছিলো মই এনে এক পৰিস্থিতিৰেই হম সন্মূখীন । হে প্ৰভূ, কিদৰে সান্ত্বনা দিওঁ এতিয়া মই তোমাৰ সখাক ? --- ধনঞ্জয় , নকৰিব শোক ; আপুনিয়ে যদি হয় শোকাতুৰ কোনে বুজাব আজি দ্বাৰকাবাসীক -- ?

অৰ্জুন ঃ কিয় মই শোক নকৰিম দেৱ ? প্ৰাণৰ সখা গুচি গ'ল ধৰণীৰ পৰা , অথচ মই নাপালো সংবাদ । শূন্য আজি পাৰ্থৰ জীৱন । কিয় এনে কৰিলা সখা ? জগতে কয় আমাক নৰ নাৰায়ণ বুলি। তুমি কোৱা আমাক প্ৰাণৰ সখা বুলি ; তেন্তে কোনে মাতিব মোক প্ৰাণৰ সখা বুলি ? উসঃ কি পাপ মই কৰিছিলো সখা যে অন্তিম ক্ষণতো তুমি মোক ৰাখিলা নিলগত ?

দাৰুক ঃ নহয় পাৰ্থ ; অন্তিম সময়তো বাৰে বাৰে যদুপতিয়ে আপোনাক কৰিছিল স্মৰণ । দি গৈছে প্ৰভূয়ে আদেশ আমাক আপোনাৰ হাততেই অৰ্পন কৰিব লাগে দ্বাৰকাবাসীৰ দায়িত্ব --

অৰ্জুন ঃ সখা, নিদি সাক্ষাত আনৰ আগত দি গৈছা আমাৰ বাবে আজ্ঞা ? কৰিম সখা কৰিম, তোমাৰ অন্তিম আজ্ঞাও মই কৰিম পালন । দাৰুকদেৱ, ব'লক তেন্তে যদুপতিৰ ইচ্ছা কৰোঁ পূৰণ --

দাৰুক ঃ ব'লক ধনঞ্জয় , আপোনাক দেখিলে দুখ পাতলিব দ্বাৰকাবাসীৰ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনহাতে সভাত কলিৰ প্ৰৱেশ ---**

**গীতঃ ( ৰাগ - আশোৱাৰী; তাল ঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে কলি মহাবীৰ।**
**ধৰণীত লীলাৰ হেতু মন কৰি স্থিৰ।।**
**মহাগৰ্বে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

কলি ঃ হাঃ হাঃ নৰলীলা সামৰি বৈকুণ্ঠপতিয়ে স্থিতি ল'লে বৈকুণ্ঠপুৰীত । দ্বাপৰ যুগৰো মৰ্ত্ত্যত পৰিব সমাপ্তি হাঃ হাঃ শীঘ্ৰেই সৃষ্টিত আৰম্ভ হব এই যুগপতি কলিৰ লীলা --- কলিৰ লীলা হ'ব অতি বিচিত্ৰ, অতি চমৎকাৰ । দুৰ্মতি মনুষ্য, এইবাৰ তহঁত সাজু কৰিবি দৰ্শন আমাৰ লীলা হাঃ হাঃ-

**সূত্ৰ ঃ এনেতে নাৰদ ---------**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; হে যুগপতি কলি , বৰ উল্লাহিত যেন দেখিছো আপোনাক ?

কলি ঃ আহক আহক দেৱৰ্ষি, উচিত সময়তেই উত্তম প্ৰশ্ন কৰিলেহি আপুনি ? উল্লাসিত হাঃ হাঃ দেৱৰ্ষি, সত্য বচন আপোনাৰ । সঁচাই আজি মই আনন্দিত আৰু নহ'ম কিয় -- ? যি ক্ষণৰ বাবে কৰি আছিলো অধীৰ অপেক্ষা , সেই ক্ষণ আজি হৈছেহি উপস্থিত।

নাৰদ ঃ বুজিছো দেৱ , আপোনাৰ মৰ্ত্ত্যপুৰীত শাসনৰ ক্ষণ যে হৈছেহি সমাগত । হে দেৱ , মোৰ প্ৰভূ নাৰায়ণে নৰৰূপে শ্ৰীকৃষ্ণ লৈ অৱতাৰ মৰ্ত্ত্যপুৰীক পৰিণত কৰিলে পূণ্যধাম । তেনেহেন পুণ্যধামত আপুনি পাইছে শাসন কৰিবলৈ সুযোগ। ধৰ্ম প্ৰতিষ্ঠা কৰাত আপুনি নাপাব কোনো অসুবিধা।

কলি ঃ দেৱৰ্ষি , আপুনি হয়তো মোৰ বৈশিষ্ট গৈছে পাহৰি ? হৈছে নেকি আপোনাৰ মতিভ্ৰষ্ট ? নে জানি বুজিয়ে এনে বাক্য প্ৰয়োগেৰে লৈছে মোৰ ধৈৰ্যৰ পৰীক্ষা ? ধৰ্ম প্ৰতিষ্ঠা আৰু এই কলিৰ দ্বাৰা ? হাঃ হাঃ হহোঁৱালে দেৱৰ্ষি , হহোঁৱালে আপুনি ------

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --- ( স্বগতঃ ) যি আশংকা কৰিছিলো সেয়াই যেন ঘটিব, দুৰাচাৰী কলিয়ে নিজৰ স্বভাৱ মৰ্ত্ত্যপুৰীতো কৰিব বিস্তাৰ ।

কলি ঃ শুনক দেৱৰ্ষি, ধৰ্ম প্ৰতিষ্ঠা মোৰ নহয় উদ্দেশ্য । নহয় উদ্দেশ্য মোৰ দুষ্টক দমন আৰু সন্তক পালন। অসত্য , অধৰ্ম , অমঙ্গল , অনাচাৰ হাঃ হাঃ এয়াই হৈছে কলিৰ অলংকাৰ আৰু মৰ্ত্ত্যৰ মানৱৰ জৰিয়তে সৌষ্ঠৱ বঢ়াম আমাৰ হাঃ হাঃ হাঃ ----

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; হে প্ৰভূ এয়া কি শুনিছো আমি ? ৰক্ষা কৰিবা তুমি জগতবাসীক । ৰক্ষা কৰিবা তুমি ধৰ্মক । নতু তুমি প্ৰতিষ্ঠা কৰা ধৰ্ম বিনষ্ট হ’ব যুগপতিৰ হাতত ।

কলি ঃ হাঃ হাঃ দেৱৰ্ষি, জনা আছে মোৰ নহয় আপুনি মোৰ হীতাকাংখী । শুনক মোৰ পণ - আপোনাৰ প্ৰিয় ধৰ্মৰ সত্য , শৌচ , ক্ষমা , দয়া -- এই চাৰি চৰণ ভাঙিব কলিয়ে আপোন হাতে হাঃ হাঃ -

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ , ------ দেৱ , কি কৈছে এয়া আপুনি ?

কলি ঃ আৰু শুনক দেৱৰ্ষি, মোৰ প্ৰভাৱত মনুষ্যই এৰি সৰলতা , নিৰ্দয়তাক ল’ব আদৰি । স্ত্ৰীবধ, ব্ৰহ্মবধ গো-বধ সকলো হ’ব সুলভ কলিৰ শাসনত -- হাঃহাঃ নামানিব পুত্ৰই পিতা-মাতাক, নাথাকিব বিশ্বাস স্বামী -স্ত্ৰীৰ , কামাতুৰ মনুষ্যই নাবাচি জাতি কুল হ’ব ব্যভিচাৰী হাঃ হাঃ --

নাৰদ ঃ নাই নাই , মই আৰু শুনিব নোৱাৰোঁ । মৰ্ত্ত্যবাসীৰ এনে ৰূপ নসহে মোৰ হৃদয়ে । মই, মই এতিয়া আহিলো দেৱ , মই আহিলো ---- **(প্ৰস্থান )**

কলি ঃ যাওঁক দেৱৰ্ষি , আমাৰ লীলাৰ অল্প বিৱৰণতে আপুনি হ’ল শংকিত হাঃ হাঃ -- সাৱধান জগতবাসী, সাজু হ, সাজু হ তহঁত ; প্ৰত্যক্ষ কৰিবি তহঁতে এইবাৰ কলিৰ মহিমা । যাওঁ, যাওঁ মই মোৰ কাৰ্যত হওঁগৈ অগ্ৰসৰ হাঃ হাঃ -----

**সূত্ৰ ঃ কলিৰ প্ৰস্থান । আনফালে সভাত দ্ৰৌপদীৰ প্ৰৱেশ ---**

**গীত ( ৰাগ ঃ সুহাই , তাল ঃ একতাল )**

**সভাত চলিয়া আছে কৃষ্ণা মহাৰাণী ।**
**ৰূপে গুণে বিভূষিতা তুমি সতী নাৰী ।।**
**লয় লাসে চলি আহে সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

**সূত্ৰ ঃ দ্ৰৌপদীৰ প্ৰস্থান । আনহাতে সভাত ভীম, নকুল আৰু সহদেৱ । পাছত দুখমনে যুধিষ্ঠিৰ -**

ভী+ন+স ঃ প্ৰণাম দাদা ----

ভীম ঃ দাদা, চিন্তিত যেন দেখিছো আপোনাক ? আপোনাৰ চিন্তিত বদন মই নোৱাৰো সহিব । যদি কোনোবাই আপোনাৰ অন্তৰত দিছে আঘাট তেন্তে কওঁক দিম মই তাক উচিত দণ্ড ।

যুধি ঃ ভাই বৃকোদৰ, মন মোৰ সঁচাই হৈছে অস্থিৰ। সঘনাই লৰিব লাগিছে মোৰ বাওঁ চকু, দেখিছো অমঙ্গল হস্তিনাপুৰে । নাজানো এয়া কিহৰ ইংগিত ? হয়তো জ্যেষ্ঠ পিতা আৰু দুই মাতাৰ বিয়োগৰ বাৰ্তাই মন মোৰ কৰিছে অশান্ত ।

নকুল ঃ কি কৈছে দাদা ? জ্যেষ্ঠ পিতা ধৃতৰাষ্ট্ৰ আৰু দুই মাতাৰ ---

যুধি ঃ দেৱৰ্ষিয়ে দিলেহি মোক জ্যেষ্ঠ পিতা , জননী কুন্তী আই আৰু মাতা গান্ধাৰীয়ে পৰম গতি লভাৰ বাৰ্তা ---- অ ভাতৃগণ , যোগাগ্নিয়ে দহিলে তেওঁলোকৰ শৰীৰ ।

সহ ঃ হে মোৰ মাতৃ স্বৰূপা কুন্তী আই আৰু জ্যেষ্ঠ পিতা - মাতা । কিয় তোমালোক নিৰৱে গুচি গ'লা ? কি যে দুৰ্ভগীয়া আমি , অন্তিম ক্ষণত আমি তেওঁলোকক নাপালোঁ দেখা ।

ভীম ঃ হে মাতৃ, অধম আমি ; পুত্ৰৰ দায়িত্ব আমি নোৱাৰিলো কৰিব পালন । দুৰ্ভগীয়া আমি , মুখাগ্নিও দিব নোৱাৰিলো তোমালোকৰ । তথাপি লৈছো সান্ত্বনা তোমালোকে লভিছা পৰম গতি বুলি ।

যুধি ঃ সত্যক স্বীকাৰ কৰা ভাতৃগণ, জনম ললে জীৱই ধৰাত লব লাগিব এদিন মৃত্যুক আঁকোৱালি । ভাই বৃকোদৰ, অন্য এক কাৰণটো মই হৈছো চিন্তিত । ধনঞ্জয় দ্বাৰকালৈ যোৱা হ'ল বহু দিন । আজিও পৰা নাই জানিব কিয় ধনঞ্জয়ক মতালে যদুপতিয়ে ----

**<u>সূত্ৰ</u> ঃ <u>এনেতে দুখমনে অৰ্জুন আহে । দেখি সহদেৱে যি কয়-------</u>**

সহ ঃ দাদা , ধনঞ্জয় আহিছে ; সৌৱা চাওঁক ধনঞ্জয় আহিছে আমাৰ সমীপে। ( আগবাঢ়ি ) আহক আহক দাদা , আপোনাৰ কথাই কৰিছিলো আলোচনা ---- ( অৰ্জুন নিমাত )

ভীম ঃ পাৰ্থ, তুমি নিমাত কিয় ? কিয় মাতিছিল যদুপতিয়ে তোমাক দ্বাৰকা নগৰে ?

যুধি ঃ পাৰ্থ , তোমাৰ মৌনতাই মোৰ কঁপাইছে অন্তৰ । আশংকা মোৰ বাঢ়িছে দুগুণে । মঙ্গল নে দ্বাৰকাবাসীৰ ? কিবা অঘটন --- ?

অৰ্জুন ঃ শেষ, সকলো শেষ হৈ গ'ল দাদা । অনাথ কৰি জগতক , অনাথ কৰি পাণ্ডৱক, সখাহীন কৰি দুৰ্ভগীয়া পাৰ্থক গুচি গ'ল যদুপতি বৈকুণ্ঠধামে ।

যুধি ঃ পাৰ্থ ? কি কৈছা তুমি ? নাই , নাই এইয়া অসম্ভৱ ------।

অৰ্জুন ঃ এয়াই সত্য দাদা, প্ৰাণৰ সখা আৰু নাই বসুন্ধৰাত । মই শতভগীয়াই অন্তিম সময়তো নাপালো দৰ্শন । মহাপাপী মই , সাক্ষাত নিদি মোক গুচি গ'ল যদুপতি ধৰণীৰ পৰা -- ( কান্দে )

যুধি ঃ হাঁয় হাঁয়, যাৰ কৃপাত আমি জিনিলো কুৰুক্ষেত্ৰ ৰণ । যাক ভজো দিবা ৰাত্ৰিয়ে, সেইজন বান্ধৱ কৃষ্ণই নিৰৱে এৰি থৈ গ'ল আমাক । উসঃ কৃষ্ণ বিনে জীৱন অসাৰ আমাৰ --কৃষ্ণ (কান্দে )

ভীম ঃ অৰ্জুন , কি দুখত জনাৰ্দনে ল'লে এই সিদ্ধান্ত ? কিয় যদুবংশই নিদিলে বাধা যদুপতিক ইহলীলা সম্বৰণত ? কিয় নিদিলে বাধা দাদা বলোভদ্ৰই ?

অৰ্জুন ঃ শেষ, সকলো শেষ, বলোভদ্ৰসহ সমগ্ৰ যদুবংশ নাই ধৰাত ; বিলীন হল সমুদ্ৰত দ্বাৰকা নগৰ ।

ভীম ঃ নাই, নাই ই অসম্ভৱ -- গুৰুদেৱ গুচি গ'ল, যদুবংশ নিপাত হ'ল ? অথচ তাৰ কোনো বাৰ্তা নাপালো আমি ? কাৰ এনে সাহস, জীয়াই থাকোতে পাণ্ডৱ কোনে কৰিলে এনে অকাৰ্য ?

অৰ্জুন ঃ দাদা , স্ব-জাতিৰ মাজতে কন্দল লাগি ধ্বংস হ'ল যদুকুল । অৱশিষ্ট যি আছিল বৃদ্ধ - বৃদ্ধা, বালক -নাৰী সবাকে আনিছিলো মই হস্তিনাপুৰে । কিন্তু আঁচৰিত দাদা , সাধাৰণ দুৰ্বৃত্তই মোক ৰণত পৰাস্ত কৰি কাঢ়ি লৈ গ'ল ধন জন সকলো সম্পদ । ধিক্কাৰ জন্মিছে দাদা আজি মোৰ নিজৰ বীৰত্বৰ ওপৰত । সখাৰ শেষ অনুৰোধো মই নোৱাৰিলো ৰাখিব --- ( কান্দে )

ভীম ঃ পাৰ্থ, তোমাৰ দৰে বীৰক পৰাস্ত কৰিলে সাধাৰণ দুৰ্বৃত্তই ? কেনেকৈ, কেনেকৈ পাৰ্থ, ক'ত গ'ল তোমাৰ বীৰত্ব ? ক'ত হেৰাল তোমাৰ গাণ্ডীৱৰ পৰাক্ৰম ?

যুধি ঃ বুজিছো, কৃষ্ণ বিনে নাই পাণ্ডৱৰ অস্তিত্ব । ভাতৃগণ, বুজিছো মই কালৰ আহ্বান । ৰাজভোগ অসাৰ এতিয়া আমাৰ বাবে । মৰ্ত্ত্যপুৰী ত্যাগৰ সময় আমাৰো হ'ল সমাগত । আমিও যাম স্বৰ্গপুৰে ; অ ভাতৃগণ, ললো সিদ্ধান্ত, অভিমন্যু তনয় পৰীক্ষিতক হস্তিনাৰ সিংহাসন কৰিম অৰ্পণ।

ভীম ঃ উত্তম সিদ্ধান্ত লৈছে দাদা , আমিও দিছো ইয়াত সন্মতি । কৃষ্ণ বিহীন বসুমতীত আৰু থকাৰ অভিলাষ নাই আমাৰ । গুচি যাম আমিও স্বৰ্গধামে ।

যুধি ঃ তেন্তে অনতিপলমে আমি পৰীক্ষিতৰ ৰাজ অভিষেক সম্পন্ন কৰি স্বৰ্গ অভিমুখে কৰিম যাত্ৰা । আজিলৈ সভা সামৰা হ'ল ভাতৃগণ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত ধৰ্মৰ প্ৰৱেশ ------**

**গীত ( ৰাগ - গান্ধাৰ , তাল - ৰচক )**

**প্ৰৱেশিলা সভাৰ মাজে ধৰ্ম মান্যবৰ।**
**দিব্য বস্ত্ৰে শোভে আতি অতি মনোহৰ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ধৰ্ম ঃ আমিয়ে ধৰ্ম, আমাৰ প্ৰভাৱতে হৈছে জগতৰ কল্যাণ। ভগৱন্তৰো আমি অতি প্ৰিয় ; সেয়ে যুগে যুগে প্ৰভু ভগৱন্তই লৈ অৱতাৰ এই বসুন্ধৰাত আমাকেই কৰিছে প্ৰতিষ্ঠা । ভক্তগণে আমাৰ মাধ্যমতেই পাই আহিছে ভগৱন্তক। আৰু যুধিষ্ঠিৰ, উচিত সিদ্ধান্তই লৈছা তুমি । স্বৰ্গ তোমাৰ প্ৰাপ্য , তোমাৰ দৰে পূণ্যাত্মা এই জগতত আৰু জন্ম নহ'ব কিজানি --------

**সূত্ৰ ঃ এনেতে গীত গাই দেৱৰ্ষী নাৰদ সোমাই আহে ----**

ধৰ্ম ঃ ধৰ্মৰ সেৱা গ্ৰহণ কৰক দেৱৰ্ষি। আপোনাৰ দৰে সন্ত জনক সাক্ষাত পাই হ'লো ধন্য ।

নাৰদ ঃ আমিও সুখী হ'লো আপোনাক সাক্ষাত পাই। পাছে জটিল ক্ষণ আহিছে মৰ্ত্ত্যপুৰীলৈ। আগমন ঘটিছে মৰ্ত্ত্যলৈ কলিৰ । সেই হেতু উৎকণ্ঠিত মনে আহিলো আমি আপোনাৰ সমীপে।

ধৰ্ম ঃ কলিৰ আগমনৰ বাবে আপুনি চিন্তিত নহ'ব দেৱৰ্ষি। ধৰ্মৰ ভেটি জানো ইমান ঠুনুকা যে কলিৰ প্ৰভাৱত হ'ব অস্থিৰ ? মহান তপস্বী আৰু মৰ্ত্ত্যৰ সাধু সন্তগণে সৱল কৰি ৰাখিব আমাৰ ভেঁটি।

নাৰদ ঃ নাৰায়ণ --, মৰ্ত্ত্যবাসীৰ প্ৰতি আপোনাৰ এনে দৃঢ় বিশ্বাস দেখি আপ্লুত হ'লো আমি । কিন্তু কলিৰ দুৰাকাংক্ষাই মোক কৰিছে শংকিত । অন্যায় , অধৰ্ম , অনাচাৰ বিস্তাৰেই হ'ল কলিৰ লক্ষ্য । আপ্ৰাণ চেষ্টা চলাব কলিয়ে আপোনাক পৰাভূত কৰিবলৈ ।

ধৰ্ম ঃ জানো দেৱৰ্ষি, কলিৰ চৰিত্ৰ জানো আমি। কিন্তু নাৰায়ণৰ ওপৰত আছে আমাৰ দৃঢ় বিশ্বাস । নৰ ৰূপে অৱতাৰ লৈ নাৰায়ণে অধৰ্মক বিনাশী ধৰ্মৰূপে আমাক কৰিছে প্ৰতিষ্ঠা । আমাৰ বিনাশ হোৱাটো নিশ্চয় নিবিচাৰিব প্ৰভু ভগৱন্তই । দি গৈছে সেয়ে প্ৰভুৱে ভক্তি তত্ব তেওঁৰ পৰম ভক্তগণক । দেৱৰ্ষী , শ্ৰীহৰিৰ ভক্তগণেই আমাক কৰিব ৰক্ষণ ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; হে জগতবাসী, শুনিলানে তোমাসৱে ধৰ্মৰ আছে অগাধ বিশ্বাস তোমালোকৰ ওপৰত । এই বিশ্বাসৰ তোমালোকে ৰাখিবা মান । আমি এতিয়া বিদায়হে মাগো - ( **প্ৰস্থান** )

ধৰ্ম ঃ যাওঁক দেৱৰ্ষি ; --- আমিও যাঁও নিজ কৰ্তব্যত --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ৰাক্ষসী ভীষণাৰ প্ৰৱেশ ---( বাজনা - ভঙ্গী )**

ভীষণা ঃ ৰক্ত , ৰক্ত , লাগে আজি এই ভীষণাক বৃকোদৰৰ ৰক্ত । জনা নাই , চিনা নাই তই এই ৰাক্ষসী ভীষণাক । আছিলো মই দাদা বকাসুৰৰ চেনেহৰ ভগিনী । আঃ বৃকোদৰ কিয় তই মোৰ দাদাক বধিলি ? লৈছো পণ , নৰশূন্য কৰিম ধৰণী , বৃকোদৰৰ কৰি ৰক্ত পান শাঁত পেলাম মোৰ প্ৰতিশোধৰ অগনি --হাঃ হাঃ মোৰ ঘ্ৰাণ শক্তি হৈছে সক্ৰিয় ; নিশ্চয় আহিছে কোনো মনুষ্য । যদি হয় সি বৃকোদৰ , নাপাব নিস্তাৰ , ভগিনী মই বকাসুৰৰ -- হাঃ হাঃ ---

**সূত্ৰ ঃ ভীষণাৰ প্ৰস্থান। আনহাতে মৈত্ৰেয় ঋষিৰ দুই শিষ্য বিষ্ণুস্বামী আৰু দেৱস্বামী---**

বিষ্ণুস্বামী ঃ সখা দেৱস্বামী , সৌযে দেখিছা গিৰি সেয়াই গিৰি পঞ্চানন ----

দেৱস্বামী ঃ তেন্তে সখা , গুৰুদেৱৰ আজ্ঞা মানি আমি এই স্থানতে গুৰুদেৱলৈ কৰোঁ অপেক্ষা --

**সূত্ৰ ঃ এনেতে অট্টহাস্য কৰি ভীষণা আহে ---------**

ভীষণা ঃ হাঃ হাঃ দুই তপস্বী উপস্থিত হৈছেহি আজি মোৰ সন্মূখত । তথাপি নাপাব নিস্তাৰ ; ইহঁতৰ ৰক্তৰেই আজি মোৰ তৃষ্ণা কৰিম পূৰণ হাঃ হাঃ ---

দেৱস্বামী ঃ সখা, আজি আমাৰ কি দশা হ'ব ? গুৰুদেৱ , গুৰুদেৱ ,---- প্ৰভূ , ৰক্ষা কৰা আমাক ।

বিষ্ণুস্বামী ঃ হে ৰক্ষ মাতা , আমাক তুমি নামাৰিবা । আমি কৰা নাই তোমাৰ কোনো অপকাৰ ।

ভীষণা ঃ অপকাৰ , মনুষ্যই কৰা নাই অপকাৰ । আঃ, তহঁতৰ দৰে মনুষ্যই মোৰ জ্যেষ্ঠ ভাতৃক কৰিলে বধ। সন্মূখত মৃত্যুক দেখি মাতা বুলি আমাক কৰিছ সম্বোধন -- হাঃ হাঃ পাছে নাযায় ভোল এই ভীষণা মনুষ্যৰ বন্দনাত হাঃ হাঃ ---

দেৱস্বামী ঃ হে দেৱী , আমি হ'লো ঋষি । অহিংসাৰ পূজাৰী আৰু অতি দুৰ্বল আমি । আমাক বধ কৰিলেনো তোমাৰ লাভ হ'ব কি ? কৰিছো মিনতি জীৱন দান দিয়া আমাক ---

ভীষণা ঃ হাঃ হাঃ তহঁত ঋষি , অহিংসাৰ পূজাৰী , জীৱন বিচাৰি কৰিছ মিনতি । মুক্তি লাগে ? জীৱন লাগে ? শুন তেন্তে , যদি তহঁতে মোৰ দুটা চৰ্ত্ত কৰ পূৰণ প্ৰাণদান দিম তহঁতক।

বিষ্ণুস্বামী ঃ চৰ্ত্ত ------- ; কি চৰ্ত্ত দিব আপুনি ?

ভীষণা ঃ মোৰ ঘোৰ শত্ৰু বৃকোদৰক বন্দী কৰি তহঁতে মোৰ সন্মূখলৈ আনিব পাৰিবি ? যদি পাৰ আনিব তেন্তে তহঁতক মই দিম প্ৰাণদান ।

দেৱস্বামী ঃ বৃ-কোদৰ --; কোন বৃকোদৰ ?

ভীষণা ঃ দ্বিতীয় পাণ্ডৱ বৃকোদৰ ; সি মোৰ ঘোৰ শত্ৰু --

বিষ্ণুস্বামী ঃ অ -- বৃকোদৰক বন্দী ; হে ৰাক্ষসী , আমিনো মহাবলী বৃকোদৰক কেনেকৈ কৰিম বন্দী ?

ভীষণা ঃ আঃ নোৱাৰ । তেন্তে, শুন মোৰ দ্বিতীয় চৰ্ত্ত, ঋষি বুলি তহঁতে কৰিছ গৰ্ব। পাৰিবিনে তহঁতে মোক মুক্তি দিব এই ৰাক্ষসী জীৱনৰ পৰা ?

দেৱস্বামী ঃ মুক্তি ; হে প্ৰভূ , কি কৰোঁ এতিয়া আমি ? হে ৰাক্ষসী , আমি নহয় তপশালী ঋষি । কাৰোবাক মুক্তি দিয়াটো আমাৰ পক্ষে নহয় সম্ভৱ ।

ভীষণা ঃ আঃ তহঁতে মোৰ কোনো কাম্যই নোৱাৰিলি সাধন কৰিব । জীয়াই থকাৰ সুযোগ হেৰুৱালি তহঁতে । আহ , প্ৰথমতে তোকেই কৰোঁ ভক্ষণ ---- ( দেৱস্বামীৰ হাতত ধৰে )

দেৱস্বামী ঃ নামাৰিবা , নামাৰিবা , মোক নাখাবা , মোক এৰি দিয়া । সখা , মোক ৰক্ষা কৰা ।

ভীষণা ঃ হাঃ হাঃ ভীষণাৰ হাতৰ মুঠি নহয় শিথিল । আহ , হ আজি তই মোৰ প্ৰথম ভোজন ----

**সূত্ৰ ঃ দেৰস্বামীক লৈ ভীষণাৰ প্ৰস্থান। দেখি বিষ্ণুস্বামীয়ে যি কয় -----**

বিষ্ণুস্বামী ঃ সখা , সখা -- হে প্ৰভু ৰক্ষা কৰা -- গুৰুদেৱ, গুৰু-দে-ৱ ( মূৰ্চা যায় )---

**সূত্ৰ ঃ এনেতে মৈত্ৰেয় ঋষি আহে ----**

মৈত্ৰেয় ঃ বিষ্ণুস্বামী , বিষ্ণুস্বামী , কি হ'ল তোমাৰ ? ---- বিষ্ণুস্বামী ?

বিষ্ণুস্বামী ঃ ( চেতন পাই ) -- কোন ? অ মোক নাখাব , মোক নামাৰিব -------

মৈত্ৰেয় ঃ বিষ্ণুস্বামী, মই গুৰুদেৱ । কি হৈছে তোমাৰ ? -- দেৰস্বামী ক'ত ?

বিষ্ণুস্বামী ঃ গুৰুদেৱ ; সৰ্বনাশ হ'ল গুৰুদেৱ। পূজাৰ সম্ভাৰ আমি কৰিছিলো সংগ্ৰহ । কিন্তু ভীষণা নামৰ ৰাক্ষসী এজনীয়ে সখা দেৰস্বামীক -- নোৱাৰিলো মই ৰক্ষা কৰিব সখাক ।

মৈত্ৰেয় ঃ ভীষণা, ভীষণা নামৰ ৰাক্ষসী ? ( ধ্যানস্থ হয় ) অ' বুজিলো ; বিষ্ণুস্বামী , ভীষণা হৈছে এগৰাকী শাপগ্ৰস্তা ৰাক্ষসী। প্ৰকৃততে তাই আছিল এগৰাকী সৰগৰ অপেশ্বৰী । ঋষি দুৰ্বাসাৰ শাপত তাই মৰ্ত্ত্যত ৰাক্ষসী ৰূপে লৈছে জনম । মুক্তিৰ পথ বিচাৰি তাই হৈছে ব্যাকুল ।

**সূত্ৰ ঃ এনেতে পুনৰ অট্টহাস্য কৰি ভীষণা সোমাই আহে----------**

ভীষণা ঃ হাঃহাঃ পুনৰ আহিল আন এক ঋষি মোৰ উদৰৰ ক্ষুধা পূৰাবলৈ -- ভাগ্যত মিলিছে আজি মোৰ মনুষ্যৰ ভোজন হাঃ হাঃ হাঃ---

বিষ্ণুস্বামী ঃ গুৰুদেৱ, গুৰুদেৱ, পুনৰ আহিছে তাই । এইবাৰ মোক মাৰিব । ৰক্ষা কৰক, ৰক্ষা কৰক --

মৈত্ৰেয় ঃ সাৱধান ভীষণা আৰু এখোজো আগনাবাঢ়িবি । নতু তপোবলে মই তোক কৰিম ভস্ম।

ভীষণা ঃ তই কৰিবি মোক ভস্ম ? আঃ ইমান তোৰ গৰ্ব । ৰ তোকেই প্ৰথমে কৰোঁ ভক্ষণ ।

মৈত্ৰেয় ঃ ভীষণা, মোৰ তপোবলক তই নকৰিবি তিৰস্কাৰ । এতিয়াই তোক মই - ঔম --

ভীষণা ঃ আঃ আঃ --, ক্ষমা ক্ষমা হে ঋষিবৰ ; জানিলো মই আপুনি তপশালী । হে ঋষিবৰ , মোক দিয়ক মুক্তি এই ৰাক্ষসী জীৱনৰ পৰা ।

মৈত্ৰেয় ঃ ভীষণা , ৰাক্ষসী ৰূপত থকা বাবে পাহৰিছ তই মুক্তিৰ পথ । শুন , বৃকোদৰৰ হাততেই আছে তোৰ মুক্তি ।

ভীষণা ঃ কি -- ? ঘোৰ শত্ৰু মোৰ বৃকোদৰ । দাদা মোৰ বকাসুৰক যি বৃকোদৰে কৰিলে নিধন , তাৰ হাততেই আছে মোৰ মুক্তি ?

মৈত্ৰেয় ঃ অ' ভীষণা, দ্বিতীয় পাণ্ডৱ বৃকোদৰে তোক ৰাক্ষসী জীৱনৰ পৰা দিব মুক্তি। এতিয়া তই যা মেঘবৰ্ণ গিৰিলৈ । তাতে কিছুদিন কৰিবি অপেক্ষা, মুক্তিদাতা ৰূপে তোৰ দ্বিতীয় পাণ্ডৱ স্বয়ং উপস্থিত হ'ব তাত ।

ভীষণা ঃ ধন্যবাদ ঋষিবৰ, আপোনাৰ আদেশ মানি যাত্ৰা কৰোঁ মই মেঘবৰ্ণ গিৰিলৈ । হাঃ হাঃ মুক্তি, মুক্তি লাগে মোক ---- **( প্ৰস্থান )**

মৈত্ৰেয় ঃ বিষ্ণুস্বামী আৰু নকৰিবা ভয়, ব'লা আমিও এই স্থান এতিয়া কৰোঁ পৰিত্যাগ ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনহাতে সন্ন্যাসীৰ বেশত পাণ্ডৱগণ----------**

যুধি ঃ ভ্ৰাতৃগণ, ব্যাসদেৱৰ লগতো মই কৰিলো আলোচনা । তেখেতেও দিছে অনুমতি। ৰাজসুখৰ আৰু আমাক নাই প্ৰয়োজন । সেইহেতু যাত্ৰা কৰি স্বৰ্গ অভিমুখে, সাক্ষাত লভিমগৈ আমাৰ পূৰ্বজগণক

**সূত্ৰ ঃ এনেতে সন্ন্যাসিনীৰ বেশে দ্ৰৌপদী-----**

দ্ৰৌপদী ঃ ৰ’ব স্বামীগণ --

অৰ্জুন ঃ পাঞ্চালী , তুমি কিয় কৰিলা এই বেশ ধাৰণ ?

দ্ৰৌপদী ঃ নাথ, পাঞ্চালীক এৰি যাত্ৰা কৰে আপোনাসৱে স্বৰ্গ অভিমুখে ? এবাৰো মনত নপৰিল মোলৈ আপোনালোকৰ ? পত্নী মই আপোনাসবৰ ; প্ৰাণ থাকে মানে থাকিম মই আপোনাসৱৰ লগত ।

যুধি ঃ স্বৰ্গ পথৰ যাত্ৰা অতিকে দুৰ্গম পাঞ্চালী ; পদে পদে আছে নানা বিঘিনী। পাৰিবা জানো তুমি যাব আমাৰ লগত ? তাতকৈ থাকা তুমি কুশলে এই ৰাজকাৰেঙতে ---।

দ্ৰৌপদী ঃ হে ধৰ্মৰাজ , ৰাজকাৰেঙত কুশলে থকাৰ কথা কৈছে আপুনি । ৰাজকাৰেঙতে জানো আপুনি মোৰ অনুমতি নোলোৱাকৈ পাশাখেলত জানো ৰখা নাছিল পণ ? দুষ্ট দুঃশাসনে জানো ৰাজকাৰেঙৰ পৰাই মোৰ কেশত ধৰি নিয়া নাছিল টানি ? ৰাজকাৰেঙতেই জানো কীচকে মোৰ ---(কান্দে)

যুধি ঃ নাকান্দিবা পাঞ্চালী , তোমাৰ ইচ্ছাই হওঁক পুৰণ। ওলোৱা তুমিও আমাৰ লগত।

দ্ৰৌপদী ঃ স্বামীগণ, শতকোটি ধন্যবাদ মোক এই সুযোগ দিয়াৰ বাবে ।

যুধি ঃ তেন্তে আঁহা যাত্ৰাৰ পূৰ্বে সৱে মিলি কৰোঁ ভগৱন্তক আৰাধনা --

( স্তুতি )

নমো নমো নাৰায়ণ প্ৰভু ভগৱন্ত ।
তোমাৰ মহিমা প্ৰভু অপাৰ অনন্ত ।।
নমো নমো ভগৱন্ত কমল লোচন ।
তোমাৰ চৰণে আমি পশিলো শৰণ ।।

( কথা ) কৃপা কৰিবা প্ৰভূ আমাৰ ওপৰত । ব’লা, সৱে এতিয়া যাত্ৰা কৰোঁ স্বৰ্গ অভিমুখে।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত যমৰাজৰ প্ৰৱেশ ---**

**গীত ঃ ( ৰাগ -আশোৱাৰী , তাল- পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে যম মহাৰাজ।**
**গহীন গম্ভীৰ ইটো অতি বলবান।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

**সূত্ৰ ঃ এনেতে দেৱৰাজ আহে --------**

ইন্দ্ৰ ঃ প্ৰণাম নৰকপতি , দেৱেন্দ্ৰৰ সেৱা গ্ৰহণ কৰক।

যম ঃ প্ৰণাম দেৱৰাজ , যমৰ সেৱাও কৰক গ্ৰহণ । পাছে দেৱৰাজ, অকস্মাতে কিয় আগমণ ঘটিল আপোনাৰ আমাৰ ধামে ?

ইন্দ্ৰ ঃ হে নৰকপতি , পালনকৰ্তাই আমাক দিয়া দায়িত্ব পালনৰ সময় সমাগত । পাণ্ডৱগণে আৰম্ভ কৰিছে যাত্ৰা সৰগৰ দিশে ----

যম ঃ নিশ্চয় , পালনকৰ্তাই অৰ্পণ কৰা দায়িত্ব পালনৰ বাবে সদা প্ৰস্তুত আছো মই । আমাৰেই অংশ হৈছে যুধিষ্ঠিৰ আৰু আপোনাৰ অংশ হৈছে ধনঞ্জয় ।

ইন্দ্ৰ ঃ হয় নৰকপতি , মহান কৰ্ম কৰি তেওঁলোকে জগতত কীৰিতি ৰাখিলে আমাৰ । সেই হেতু আমিসৱেও নিশ্চয় পাণ্ডৱক স্বৰ্গযাত্ৰাত কৰিম সহায় ।

যম ঃ কিন্তু দেৱৰাজ, নৰকপতি মই, সৰ্বদা লওঁ জীৱৰ পৰীক্ষা। আমাৰেই অংশ যুধিষ্ঠিৰৰ লব বিচাৰোঁ মই এক ধৰ্ম পৰীক্ষা। চাব বিচাৰোঁ অন্তিম ক্ষণতো যুধিষ্ঠিৰ ধৰ্ম পথত থাকেনে অটল হৈ ?

ইন্দ্ৰ ঃ নৰকপতি, জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰ ধৰ্মৰাজ বুলি পৰিচিত হৈছে জগতত। আমাৰ দৃঢ় বিশ্বাস আপোনাৰ পৰীক্ষাত উত্তীৰ্ণ হব যুধিষ্ঠিৰ।

যম ঃ ময়ো তাকে কামনা কৰোঁ। পাছে ইয়াৰ বাবে লাগিব নাৰায়ণৰ অনুমতি। ব'লক দেৱৰাজ, নাৰায়ণৰ পৰা লৈ অনুমতি কাৰ্যত হওঁ অগ্ৰসৰ ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনহাতে পাণ্ডৱগণ আৰু দ্ৰৌপদী ----**

যুধি ঃ ভাতৃগণ আৰু পাঞ্চালী, এইয়া হৈছে মেঘবৰ্ণ গিৰি; অলপ দূৰতে আছে ভদ্ৰাৱলী গিৰি।

**সূত্ৰ ঃ এনেতে পৱনদেৱ ---**

পৱন ঃ পাণ্ডৱগণ, স্বৰ্গপথত আপোনাসৱক মই জনাইছো স্বাগতম।

যুধি ঃ প্ৰণাম পৱনদেৱ। অহো ভাগ্য আমাৰ; সাক্ষাত পালো আপোনাৰ। আমাৰ সেৱা কৰক গ্ৰহণ।

পৱন ঃ তোমালোক মোৰ অতিকে প্ৰিয়। পাছে মই আহিলো বৃকোদৰৰ সহায়ৰ অৰ্থে।

ভীম ঃ পৱনদেৱ, আৰাধ্য পিতৃ মোৰ। জানিছিলো আপোনাৰে মোৰে সম্পৰ্কৰ বিষয়ে মহান ৰামভক্ত হনুমানৰ পৰা। গন্ধমাদন পৰ্বতত কমল আনিবলৈ যাওঁতে মহাবীৰ হনুমানে দিছিল মোক প্ৰকৃত পৰিচয়। পাছে দেৱ, আপোনাৰ পৰা কি সহায়ৰ প্ৰয়োজন হ'ব মোক ?

পৱন ঃ বৃকোদৰ, এই মেঘবৰ্ণ গিৰিতে আছে ভীষণা নামৰ এক ভয়ংকৰ ৰাক্ষসী। তাইৰ অত্যাচাৰৰ পৰা সাৰি যোৱা নাই ঋষি মুণিগণো। তাইক তুমি বধ কৰি নিৰীহ প্ৰাণীৰ কৰা প্ৰাণৰক্ষা।

ভীম ঃ হে দেৱ, বধিছিলো বকাসুৰক, বধিছিলো হিড়িম্বক; কিন্তু স্বৰ্গযাত্ৰাৰ শুভ ক্ষণত ভীষণাক বধি কেনেদৰে মই আৰ্জো পাপ? ৰাক্ষসী যদিও ভীষণা জানো নহয় জাতত নাৰী ---

পৱন ঃ বৃকোদৰ, তোমাৰ মন্তব্যত সন্তুষ্ট হ'লো মই। পাছে ভীষণাক বধিলে নহ'ব তোমাৰ কোনো পাপ। ভীষণা হৈছে প্ৰকৃততে শাপগ্ৰস্তা স্বৰ্গৰ এক অপেশ্বৰীহে। প্ৰকৃততে নাম তাইৰ চিত্ৰাহে। মহৰ্ষি দুৰ্বাসাৰ শাপত হ'ল তাই ৰাক্ষসী। তাইৰ মুক্তি আছে তোমাৰ হাততে।

ভীম ঃ যদি সেয়ে হয় ৰণ কৰিবলৈ মই নকৰোঁ ভয়। নিমিষতে ভীষণাক মই দিম মুক্তি।

পৱন ঃ বৃকোদৰ, ভীষণা প্ৰৱল পৰাক্ৰমী। দুৰ্বল বুলি নকৰিবা ভুল। তাইক বধিবৰ হেতু তোমাক মই মোৰ শক্তি নিহিত এই গদা কৰিম প্ৰদান। লোৱা ভীম, ভীষণাক মুক্তি দি কৰা উপকাৰ।

ভীম ঃ দিয়ক দেৱ আপোনাৰ দিব্য অস্ত্ৰ। আশীৰ্বাদ কৰিব এই কাযত যেন মই হওঁ সফল।

পৱন ঃ বিজয়ী হোৱা বৃকোদৰ, অতি শীঘ্ৰে প্ৰৱেশিব ভীষণা এই স্থানে। ঘ্ৰাণ শক্তি অতি প্ৰৱল ভীষণাৰ। মনুষ্যৰ গন্ধ নিশ্চয় পাইছে তাই।

**সূত্ৰ ঃ তেনেতে বাহিৰত ভীষণাৰ চিঞৰ শুনা যায়-----( বৃকোদৰ, বৃকোদৰ )**

পৱন ঃ সেয়া ভীষণাৰ কণ্ঠস্বৰ। সাজু হোৱা ভীম, প্ৰৱল শক্তিৰে ৰণ কৰিবা তুমি ভীষণাৰ লগত। তেহে হ'ব তাইৰ পৰাজয়।

ভীম ঃ চিন্তা নকৰিব দেৱ; ৰণত হেমাহি নকৰে বৃকোদৰে। আহক ভীষণা, প্ৰস্তুত আছো মই।

**সূত্ৰ ঃ এনেতে ভীষণা ----**

ভীষণা ঃ বৃকোদৰ, বৃকোদৰ ----

ভীম ঃ সাৱধান ভীষণা, কিয় মোৰ নাম তই কৰ উচ্চাৰণ ?

ভীষণা ঃ অ' তইয়ে তেন্তে বৃকোদৰ ? তোকেই বিচাৰি আছিলো মই। আজি ভাতৃহন্তাৰ ওপৰত ল'ম মই ভীষণ প্ৰতিশোধ। নতু মৃত্যুক আকোঁৱালী ল'ম মই তোৰ হাততে।

ভীম ঃ উত্তম , তোৰ ইচ্ছাই হওঁক পুৰণ। শক্তি আছে যদি প্ৰহাৰ কৰ মোক।

**সূত্ৰ ঃ যুদ্ধ হয় -------- ( বাজনা - ভংগী )**

**সূত্ৰ ঃ যুদ্ধত ভীষণাৰ মৃত্যু হয় । দেখি পৱনদেৱে যি কয় ----**

পৱন ঃ ধন্য বৃকোদৰ, অৱশেষত ভীষণা ৰূপী চিত্ৰাই পালে মুক্তি। চোৱা পাণ্ডৱগণ, সৌৱা স্বৰ্গ অভিমুখে গতি কৰিছে চিত্ৰাই। প্ৰণামিছে তোমালোকক। ভীম , তোমাৰ বীৰত্বত আমিও হ'লো সুখী। কাৰ্য্য আমাৰ হ'ল সমাপ্ত । দিয়া আমাক এতিয়া অস্ত্ৰ ঘূৰাই ।

ভীম ঃ আপোনাৰ কৃপাতহে এই কাৰ্য হল সমাপ্ত । লওঁক দেৱ , অস্ত্ৰ দিলো ঘূৰাই ।

যুধি ঃ হে পৱনদেৱ , আশীৰ্বাদ কৰিব আমাক।

পৱন ঃ আমাৰ আশীৰ্বাদ সদায় তোমালোকৰ লগত ; যোৱা তোমালোক স্বৰ্গ অভিমুখে -- **( প্ৰস্থান )**

যুধি ঃ ভাতৃগণ আৰু পাঞ্চালী , ব'লা আমিও পুনৰ যাত্ৰা কৰোঁ আৰম্ভ ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনহাতে কুকুৰ ৰূপে যমৰাজৰ প্ৰৱেশ ---**

**( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ কুকুৰৰূপী যমৰাজ সভাৰ মাজ পাই । এনেতে পাণ্ডৱগণ ----**

সহ ঃ দাদা , স্বৰ্গপথত হঠাতে এই কুকুৰটো আহিল ক'ৰ পৰা ?

নকুল ঃময়ো হৈছো আঁচৰিত । দাদা , ই বাৰু কোনোবা মায়াবী ৰাক্ষস নেকি ?

যুধি ঃ চিন্তা নকৰিবা ভাতৃগণ, নহয় ই কোনো মায়াবী, নিশ্চয় কুকুৰেই হয় । নকৰিবা ঘৃণা ইয়াক । ভগৱন্তই ইয়াকো কৰিছে সৃজন । বাৰু এতিয়া ব'লা , আমি যাওঁ আগুৱাই।

**সূত্ৰ ঃ পাণ্ডৱগণ যাব খোজে। কুকুৰটো আগবাঢ়ি যায়। দেখি নকুলে যি কয়--------**

নকুল ঃ আচৰিত , কুকুৰটোচোন আমাৰ লগতেই গৈছে আগে আগে । কি কৰোঁ এতিয়া ?

ভীম ঃ নিশ্চয় ই কোনোবা মায়াবী ; যাত্ৰাপথত আমাক কৰিছে ভ্ৰমিত । এতিয়াই ইয়াক মই --

যুধি ঃ তাক বাধা নিদিবা ভীম । হয়তো হেৰুৱাইছে সি তাৰ গৰাকীক । সেয়ে আমাকেই লৈছে সম্বলৰূপে। ব'লা, যাত্ৰা কৰিব লগা আছে বহুদুৰ ।

গীত

যাত্ৰা কৰে পাণ্ডৱগণ স্বৰ্গপুৰীৰ দিশে।
ভগৱন্তক ভজি সৱে মন কৰি স্থিৰ।।
কতোক্ষণে পাইলা গৈয়া গিৰি শিলাবৰণ।
সামাজিক লোকে ডাকি বোলা নাৰায়ণ।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত পুনৰ পাঞ্চালীসহ পঞ্চপাণ্ডৱ, আগে আগে কুকুৰ ৰূপী যমৰাজ ------**

যুধি ঃ ভাতৃগণ, এইটো শিলাবৰণ গিৰি ; হৰি পৰ্বত নামেৰেও ই জনাজাত । আঁহা যাঁও আগুৱাই ।

দ্রৌপদী ঃ স্বামীগণ , মোৰ শৰীৰ অৱশ হৈ পৰিছে । নোৱাৰোঁ আৰু এখোজো যাব আগুৱাই --

যুধি ঃ তেন্তে পাঞ্চালী, ক্ষন্তেক কৰা বিশ্ৰাম । পুনৰ আমি কৰিম যাত্ৰা ----

দ্রৌপদী ঃ ( বহি পৰে ) পুনৰ যাত্ৰা আৰু মোৰ নহব সক্ষম ; সৰ্বশৰীৰ মোৰ হৈছে জঠৰ --

সহদেৱ ঃ পাঞ্চালী, হতাশ নহ'বা । উঠা, ভগৱন্তক চিন্তা কৰি আগবাঢ়ি যাওঁ ব'লা ----

দ্রৌপদী ঃ দেহত আৰু মোৰ নাই শক্তি --মৰণ কাল যেন মোৰ চাপিছে ওচৰ ---

ভীম ঃ অসম্ভৱ, তেনে কথা নক'বা পাঞ্চালী ; থাকোতে পঞ্চপতি কেনেকৈ চাপিব কাল তোমাৰ সমীপে ? যদি নোৱাৰা পদব্ৰজে চলিব কোলাত লৈ যাব তোমাক এই বৃকোদৰে --

দ্রৌপদী ঃ নহয় স্বামী ; আৰু নোৱাৰিছো মই (শুই পৰে ) ; আঃ - স্বামী (পাৰ্থক চাই) প্ৰভূ, প্ৰভূ ( মৃত্যু )

অৰ্জুন ঃ পাঞ্চালী , পাঞ্চালী , উঠা পাঞ্চালী । দাদা , পাঞ্চালীয়ে নামাতে কিয় ?

যুধি ঃ পাৰ্থ, পাঞ্চালীৰ সঙ্গ ইয়ালৈকেহে আছিল আমাৰ লগত । পাঞ্চালীৰ ঘটিছে মৰণ ।

ভী+ন+স ঃ পাঞ্চালী ------

অৰ্জুন ঃ নাই নাই এনে হ'ব নোৱাৰে । কিয় গুচি গ'লা তুমি আমাক এৰি ? পাঞ্চালী --- ( কান্দে )

ভীম ঃ কত লাঞ্চনা ভুগি যি গৰাকী নাৰীয়ে মৰ্ত্যত স্বামীগণক কৰিছিলে শুশ্ৰূষা তেনে নাৰীয়ে কিয় স্বৰ্গলৈ যাব নোৱাৰি বাটতে এৰিলে প্ৰাণ ? কওঁক দাদা, নিশ্চয় আপুনি জানে ইয়াৰ কাৰণ।

যুধি ঃ ভীম, যদিওবা আমি পাঁচোজনেই আছিলো দ্রৌপদীৰ স্বামী, কিন্তু এওঁ অৰ্জুনকহে কৰি অধিক স্নেহ কৰিলে পক্ষপাত । সেই পক্ষপাতী দোষৰ বাবে পাঞ্চালীয়ে কৰিব লগা হ'ল প্ৰাণত্যাগ।

অৰ্জুন ঃ পাঞ্চালী ? কিয় কৰিলা তুমি এনে ভুল ? কৰিছিলা যদি আমাকেই অধিক প্ৰেম ; লৈছিলা যদি আমাকেই অধিক বিশ্বাসত তেন্তে চোৱা আজি তোমাৰ স্বামী পাৰ্থৰ দশা। অসহায়ভাৱে আজি মাথো কৰিলো দৰ্শন তোমাৰ মৰণ। নোৱাৰিলো মই ৰক্ষা কৰিব তোমাৰ জীৱন -- (কান্দে)

যুধি ঃ পাৰ্থ, নকৰিবা বেজাৰ । জীৱৰ মৃত্যু আৰম্ভণি মাথো অন্য এক যাত্ৰাৰ । আঁহা ভাতৃগণ, মৃতকৰ প্ৰতি সন্মান জনাই যাত্ৰা কৰোঁ আমিও আমাৰ লক্ষ্যস্থানে ---

**গীত**

**কৃপা কৰা ভগৱন্ত জীৱৰ তাৰণ ।**
**মন দুখে পাণ্ডৱগণে কৰিলা গমন ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে চিন্তিত মনে ধৰ্ম -------------------------**

ধৰ্ম ঃ যি আশংকা জাগিছিল মনত সেয়াই ঘটিছে মৰ্ত্য ধামত । হৈছে এনে ভাৱ মৰতৰ মনুষ্যই যেন নিচিনে আমাক ; হে প্ৰভূ , কিয় হেৰুৱাইছো স্থিতি মই মৰ্ত্য ধামত ?

**সূত্ৰ ঃ এনেতে কলি আহে -----------**

কলি ঃ হাঃ হাঃ ধৰ্ম ; তোমাকেই মৰ্ত্ত্যত মই আছো বিচাৰি ।

ধৰ্ম ঃ অ যুগপতি, কিবা প্ৰয়োজন আছে তোমাৰ ধৰ্মৰ ওচৰত ?

কলি ঃ হাঃ হাঃ মৰ্ত্ত্যপুৰীত চলিছে এতিয়া মোৰ শাসন। শংকিত হৈ দ্বাপৰ যুগে মাগিছে বিদায় ধৰণীৰ পৰা । কৃষ্ণহীন, দ্বাপৰ হীন এই মৰ্ত্ত্যত ধৰ্মৰ কি আছে প্ৰয়োজন ? দিছো উপদেশ যোৱা ধৰ্ম তুমিও যোৱা মৰতৰ পৰা । পাপ আৰু অধৰ্মহে আজি মিত্ৰ আমাৰ ---

ধৰ্ম ঃ কলি, নাৰায়ণে নৰ ৰূপে অৱতৰি মৰ্ত্ত্যপুৰী কৰিলে পৱিত্ৰ। প্ৰতিষ্ঠা কৰিছে আমাক। ক্ষণস্থায়ী প্ৰভাৱ তোমাৰ। ভক্তগণে সৌষ্ঠৱ বৃদ্ধি কৰিব আমাৰ --

কলি ঃ ধৰ্মৰ সৌষ্ঠৱ ম্লান কৰিব এই কলিয়ে আৰু কি মনুষ্যৰ ওপৰত তোমাৰ ভৰষা ? শুনা, মোৰ প্ৰভাৱত মনুষ্যই এৰিব ধৰ্ম আঁচৰণ। পাপ আৰু অধৰ্মই এই মৰ্ত্ত্যপুৰীত কৰিব বিৰাজ। আজিহন্তে আমাৰহে আছে প্ৰয়োজন এই ধৰণীত হাঃ হাঃ ---

ধৰ্ম ঃ অলীক কল্পনা নকৰিবা কলি। মহান তপস্বীৰ বাসভূমি হৈছে এই ধৰণী। ধৰ্ম পথত অটল তেওঁলোক। তোমাৰ প্ৰৰোচনাত নপৰিব কদাপি।

কলি ঃ হাঃ হাঃ ধৰ্ম, তুমি কলিৰ লীলা নুবুজিবা। মোৰ প্ৰভাৱত তপস্বীও হ'ব অজ্ঞানী। পাহৰি পেলাব শাস্ত্ৰ জ্ঞান। সৎ সঙ্গ হ'ব দুৰ্লভ। অধৰ্মীৰ সংখ্যা বাঢ়িব দুগুণে। মনুষ্য হ'ব অল্পায়ু মোৰ কালত। মতিভ্ৰষ্ট হৈ হ'ব অৰ্থলোভী, হ'ব কামাতুৰ আৰু -----

ধৰ্ম ঃ আঃ কলি, আৰু নহয় সহ্য। এনে ক্ষণ অহাৰ আগতেই তোক মই ধৰণীৰ পৰা দিওঁ বিদায়।

কলি ঃ তেন্তে দেখা যাওঁক কাৰ শকতি কিমান ---

**গীত**

**লাগিল লাগিল ৰণ অতি ভয়ংকৰ।**
**পদভৰে বসুমতী কম্পে থৰথৰ ।।**
**অস্ত্ৰঘাটে ধৰ্মৰায় ভূমিত পৰিলা ।**
**সমাজৰ লোকে ডাকি হৰি হৰি বোলা ।।**

**সূত্ৰ ঃ যুদ্ধত ধৰ্ম মাটিত পৰি যায়। দেখি কলিয়ে যি কয় ----------**

কলি ঃ হাঃহাঃ কিয় ভাগৰিছা ধৰ্ম ? দেখিছা মোৰ প্ৰভাৱ, এয়াই মোৰ পৰাক্ৰম। মোৰ আগমনত তুমি হৈছা বিচলিত। মোৰ প্ৰভাৱত মনুষ্যও হ'ব মিছলীয়া। ক্ষমা গুণ পাব লুপ্ত, অল্প দোষতে ৰজাই দিব গুৰু দণ্ড ; দিক বিদিক হেৰুৱাব মনুষ্যই ; ধৰ্ম বুলি মনুষ্যই কৰিব যি কাম্য সিওঁ হ'ব অধৰ্ম হাঃ হাঃ

ধৰ্ম ঃ কলি, মনুষ্যৰ ওপৰত আছে মোৰ দৃঢ় বিশ্বাস। তোৰ প্ৰভাৱত বিচলিত নহ'ব তেওঁলোক। আৰু শেষ মুহূৰ্ত্তলৈকে দিম ময়ো তোক বাধা। চা কলি, এইবাৰ কৰিছো মই তোক প্ৰহাৰ।

**সূত্ৰ ঃ পুনৰ যুদ্ধ হয় --- ( বাজনা - ভংগী )**

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি দুয়োৰে প্ৰস্থান। আনফালে সভাত পাণ্ডৱগণ ( সঙ্গে কুকুৰ ) ---**

সহ ঃ দাদা, নোৱাৰোঁ আৰু মই যাব। সৰ্বশৰীৰ মোৰ হৈছে অৱশ --( বহি পৰে ) -

নকুল ঃ ভাতৃ, কণিষ্ঠ হৈ তুমি কিয় পৰিছা ভাগৰি ? উঠা সহদেৱ, পাৰিবা তুমি ---

সহ ঃ নাই দাদা, কোনোপধ্যে মই নোৱাৰোঁ উঠিব। অন্তিম ক্ষণ মোৰ পালেহি যেন লাগিছে দাদা --

নকুল ঃ সাৱধান, সাৱধান ; কি কৈছা তুমি ? মাদ্ৰীতনয় তুমি সহদেৱ ; হাতে অস্ত্ৰ ধৰি কুৰুক্ষেত্ৰত কপট মাতুলক নিধন কৰোঁতা তুমি বীৰ সহদেৱ। উঠা ভাতৃ, উঠা --

সহ ঃ ( শুই পৰে ) আঃ-- নোৱাৰোঁ দাদা ; মোক ক্ষমিবা --- দাদা ----- ( মৃত্যু )

নকুল ঃ ভাতৃ ; সহদেৱ ; তই নামাত কিয় ? উঠ ভাতৃ ; দাদা, সহদেৱে নামাতে কিয় ?

যুধি ঃ ( সহদেৱক পৰীক্ষা কৰি ) বেজাৰ নকৰিবা নকুল ; সহদেৱ আৰু নাই জীৱিত অৱস্থাত।

নকুল ঃ সহদেৱ, সহোদৰ হৈ জনম লভি একেলগে কৰিছিলো শৈশৱত খেলা ? একে পাত্ৰতে বনত কৰি

ভোজন সৰ্বক্ষণতে মোক দিছিলি সঙ্গ। কিয় তই আজি গুচি গলি মোক এৰি থৈ-- (কান্দে)

ভীম ঃ দাদা, এয়া কি ঘটিছে আমাৰ লগত ? প্ৰথমে হেৰুৱালো প্ৰাণৰ পাঞ্চালীক । থাকোতে জীৱিত জ্যেষ্ঠগণ, কেনেদৰে হ'ব পাৰে মৰণ কণিষ্ঠজনৰ ? কোৱা দাদা, কি ইয়াৰ ৰহস্য ?

যুধি ঃ বৃকোদৰ, ত্ৰিকালদৰ্শী, বিদ্বান আছিল সহদেৱ । পাছে আছিল এওঁৰ অভিমান । জানিছিল পূৰ্বেই পাশাখেলৰ পৰিণাম ; তথাপি নকৰিলে আমাক বাৰণ । সেই দোষে সহদেৱৰ ঘটিল মৰণ --- উসঃ কণিষ্ঠৰ বিয়োগত ময়ো পাইছো সন্তাপ ; আহিছে মনলৈ ভাৱ ময়ে মহাপাপী ; মোৰ ভুলতে তোমালোকে খাটিছিলা বনবাস । অ মোৰ ভুলতে আজি প্ৰিয়জনৰ জীৱন হৈছে নাশ । ভাতৃগণ, এতিয়াও বেছিদূৰ অহা নাই আমি আগুৱাই । নালাগে তোমালোক যাব মোৰ লগত -

অৰ্জুন ঃ দাদা, এনে কথা নক'ব দুনাই । পঞ্চপাণ্ডৱ নামে জনাজাত আমি জগতত । ভাতৃপ্ৰেম আমাৰ জগত বিখ্যাত । মৰণলৈ আমি নকৰোঁ ভয় ; সুখে-দুখে, জীৱনে- মৰণে আমি একেলগে যাম আগুৱাই

যুধি ঃ পাৰ্থ, পুণ্যবলে মই লভিলো তোমালোকক । তোমালোকেই মোৰ সাহস ; তোমালোকেই মোৰ সম্বল । পাছে লক্ষ্যস্থান আমাৰ এতিয়াও সুদূৰত । উঠা নকুল, যাঁও আমি আগুৱাই ----

নকুল ঃ ৰ'ব দাদা, চাই যাঁও ভাতৃৰ মুখ অন্তিম বাৰৰ বাবে ; বিদায় ভাতৃ ---

গীত

**বিদায় ভাতৃ বিদায় ভাতৃ বিধিৰ লিখন ।**
**মনৰ দুখে চাৰি ভায়ে কৰিলা গমন ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনহাতে এক দেৱদুতৰ প্ৰৱেশ ---( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ দেৱদূতৰ প্ৰস্থান । আনফালে স্বৰ্গপথত পুনৰ পাণ্ডৱগণ ; সঙ্গে কুকুৰৰূপী যমৰাজ ---**

নকুল ঃ দাদা, আৰু কিমান দুৰ আছে স্বৰ্গলৈ ? মোৰ শৰীৰো অৱশ হৈ পৰিছে ।

যুধি ঃ নকুল, হতাশ নহ'বা ; আমি আছো বৰ্তমান চন্দ্ৰকালী গিৰিত, আৰু যাব লাগিব কিছুদুৰ ।

নকুল ঃ নোৱাৰোঁ দাদা ; আৰু এখোজো আগবাঢ়িব নোৱাৰো । সৰ্ব শৰীৰ মোৰ হৈছে জঠৰ -- প্ৰাণবায়ু যেন মোৰ যাব উৰি -- আঃ -- (শুই পৰে আৰু মৃত্যু হয়)

অৰ্জুন ঃ নকুল, বীৰ ভাতৃ মোৰ, উঠা তুমি, শয়ন কৰি এনেদৰে নিদিবা দুৰ্বলীৰ পৰিচয় --নকুল, নকুল

যুধি ঃ বৃথা চেষ্টা নকৰিবা পাৰ্থ ; নকুলেও মাগিলে বিদায় ------

ভীম ঃ নকুল ; দাদা, কিয় নোৱাৰিলে নকুলে আমাৰ লগত যাব ? সিটো কৰা নাছিল কোনো পাপ ?

যুধি ঃ অতি ৰূপবান বুলি গৰ্ব আছিল নকুলৰ আৰু কৰিছিলে এক ভুল কুৰুক্ষেত্ৰ ৰণত কৰ্ণৰ আগত মই পৰোঁতে বিপদত দেখিও নকুলে মোক নকৰিলে সহায় । সেই দোষে নকুলৰ আজি --- পাৰ্থ আৰু বৃকোদৰ, এতিয়া আৰু বেজাৰ নকৰিবা । ব'লা যাওঁ আগুৱাই --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত এক অপেশ্বৰীৰ প্ৰৱেশ --------**

গীত - (ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল)

**সভাত চলিয়া আহে এক অপেশ্বৰী ।**
**দিব্য বস্ত্ৰে শোভে অতি স্বৰ্গৰ সুন্দৰী ।।**
**লয় লাসে চলি আহে সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ অপেশ্বৰীৰ প্ৰস্থান। আনফালে সভাত দেৱৰাজ ; খন্তেক পাছতে অপেশ্বৰী আহে ---**

অপেশ্বৰী ঃ প্ৰণাম দেৱৰাজ , কিবা কাৰ্য্য আছে মোৰ বাবে ?

ইন্দ্ৰ ঃ আঁহা অপ্সৰা , আছে তোমাৰ এক গুৰু দায়িত্ব। নৰকপতিয়ে লৈছে পৰীক্ষা ; মোৰো জাগিছে ইচ্ছা যুধিষ্ঠিৰৰ এক পৰীক্ষা লবলৈ । জগতে জানে তেওঁক ধৰ্মৰাজ বুলি। চাব বিছাৰো নই মায়াৰ বন্ধন তেওঁ কৰিব পাৰেনে ছেদ ? স্বৰ্গৰ যাত্ৰা পথত আছে বৰ্তমান যুধিষ্ঠিৰ । গতিকে অপ্সৰা যোৱা তুমি তোমাৰ ৰূপেৰে মোহিত কৰোৱাগৈ যুধিষ্ঠিৰক -------

অপেশ্বৰী ঃ দেৱৰাজ, আপোনাৰ আদেশ মই কৰিম পালন। এনে ৰূপৰ মায়াজাল মই কৰিম সৃষ্টি, তপস্বীও হ'ব মোহিত । মই এতিয়া যাত্ৰা কৰোঁ দেৱৰাজ --- (প্ৰস্থান )

ইন্দ্ৰ ঃ যোৱা অপ্সৰা , হাঃ হাঃ চাওঁ বাৰু ধৰ্মৰাজৰ খ্যাতি ৰাখিব পাৰেনে যুধিষ্ঠিৰে । মৰ্ত্ত্যৰ লোভ, মোহ, কাম, ক্ৰোধ তেজিব পাৰিছেনে তেওঁ ? কৰোঁগৈ মইয়ো প্ৰত্যক্ষ ----

**সূত্ৰ ঃ ইন্দ্ৰৰ প্ৰস্থান। আনহাতে যুধিষ্ঠিৰ, ভীম, অৰ্জুন আৰু কুকুৰ ৰূপী যমৰাজ ----**

**গীত**

**চলি আহে তিনি ভাতৃ স্বৰ্গপুৰীৰ দিশে।**
**ভগৱন্তক ভজি সৱে মন কৰি স্থিৰে।।**

অৰ্জুন ঃ আৰু কিমান দুৰ যাত্ৰা কৰিব লাগিব দাদা ? মই যে ভাগৰত অৱশ হৈ পৰিছো ।

যুধি ঃ পাৰ্থ, এইয়া নন্দীঘোষ পৰ্বত। আৰু বেছিদুৰ নাই । মন দৃঢ় কৰা, ব'লা যাঁও আগবাঢি ।

অৰ্জুন ঃ ( বহি পৰে ) নাই দাদা, মনে বিচাৰিলেও শৰীৰে নাটানে। অৱশ হৈ পৰিছে মোৰ শৰীৰ।

ভীম ঃ অৰ্জুন, বীৰ ভাতৃ মোৰ, কি হৈছে তোমাৰ ? উঠা ভাতৃ , নহ'বা দুৰ্বল --

অৰ্জুন ঃ ক্ষমা কৰিবা দাদা , শৰীৰত নাই আৰু মোৰ অলপো শক্তি -- ( শুই পৰে )

ভীম ঃ পাৰ্থ, কিয় কৰিলা শয়ন ; দাদা, পাৰ্থই কৰিছে শয়ন । উঠা পাৰ্থ, উঠা --

অৰ্জুন ঃ নহয় দাদা, বুজিছো জীৱন নাটৰ মোৰ পৰিব সমাপ্তি -- সখা, প্ৰভূ --

ভীম ঃ চিন্তা নকৰিবা ভাই, কান্ধত তুলি মই লৈ যাম তোমাক । পাৰ্থ , পাৰ্থ -----

যুধি ঃ বৃকোদৰ , পাৰ্থই আৰু নাপাই সাৰ ---

ভীম ঃ অৰ্থাৎ ? আঃ অসম্ভৱ; পাৰ্থৰ দৰে বীৰে নোৱাৰে মানিব হাৰ মৃত্যুৰ আগত । তুমি ভুল কৰিছা দাদা ; পাৰ্থই মাথো কৰিছে শয়ন ; চাবা, ক্ষন্তেকতে উঠি মাতিব আমাক । পাৰ্থ, পাৰ্থ --

যুধি ঃ সত্যক গ্ৰহণ কৰা বৃকোদৰ ; শ্ৰেষ্ঠ ধনুৰ্দ্ধৰ বুলি অহংকাৰত মত্ত হৈ সৱাকে পাৰ্থই কৰিছিল তৃণজ্ঞান । সেই অপৰাধত অৰ্জুনৰ মিলিল মৰণ। অহংকাৰ মহাপাপ বৃকোদৰ, মহাপাপ ; যিটো আৰ্জিলে পাৰ্থই মৰ্ত্যপুৰীত । কি কৰিম ভীম , এয়া যে ভাগ্যৰ লিখন । আমি নিৰুপায় -

ভীম ঃ পাৰ্থ, কিয় তুমি এই পাপ আৰ্জিলা মৰতত ? যোৱা পাৰ্থ, তোমাক দিছো বিদায় -- (স্বগতঃ) এনে ভাৱটো ময়ো ৰাখিছিলো ; অৰ্থাৎ ময়ো আৰ্জিলো পাপ ?

যুধি ঃ ভীম, কি চিন্তিলা ? নকৰিবা আৰু বেজাৰ ; নাই আৰু স্বৰ্গলৈ বেছি দুৰ ।

ভীম ঃ নাই দাদা , স্বৰ্গ পথে দিছে আমাক বহু শিক্ষণ । মনুষ্য জনম লভি সৱে মাথো আৰ্জিলো পাপ ? পাছে দাদা, হৈছো আচৰিত, আমাৰ সঙ্গী এই কুকুৰটো এতিয়াও আছে অক্ষত ভাৱে ? নাই নেকি ইয়াৰ পাপ ? পাৰ্থতকৈও মহান নেকি এই ইতৰ পশু --

যুধি ঃ ভীম, সকলো জীৱৰে দেহত ভগৱন্ত বিৰাজমান ; পশু বুলি নকৰিবা ঘৃণা । ইয়াক নিদিবা বাধা যিমান দুৰলৈকে ই থাকিব আমাৰ সঙ্গত থাকিব দিয়া । এতিয়া ব'লা যাওঁ আগুৱাই ।

গীত

যাত্ৰা কৰে দুয়ো ভাতৃ স্বৰ্গপুৰীৰ দিশে।
চিন্তা কৰি চৰণ প্ৰভূৰ মন কৰি স্থিৰে ।।
কতোক্ষণে পাইলা গৈয়া সোমেশ্বৰ গিৰি।
সামাজিক লোকে ডাকি বোলা ৰাম হৰি।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। পুনৰ সভাত যুধিষ্ঠিৰ, ভীম আৰু কুকৰ ৰূপী যমৰাজ ----**

ভীম ঃ ৰ'ব দাদা , নোৱাৰিছো আৰু মই যাব ---- ( বহি পৰে )

যুধি ঃ উঠা ভীম, আৰু বেছিদুৰ নাই স্বৰ্গলৈ। এইয়া সোমেশ্বৰ গিৰি । মন দৃঢ় কৰা ভীম, তুমি পাৰিবা -

ভীম ঃ দাদা, পাঞ্চালী আৰু ভাতৃগণেই নোৱাৰিলে হাৰিব । তেনেস্থলত অহংকাৰী , হিংসুক, লুব্ধমতি এই বৃকোদৰ জানো পাৰিব হাৰিব ? বুজিছো দাদা , মৃত্যু মোৰো চাপিছে ওচৰ ।

যুধি ঃ নহয় ভাতৃ, তুমি বলবান, বকাসুৰ বিজেতা, জৰাসন্ধ বিজেতা তুমি মহাবলী বৃকোদৰ । এনেদৰে যাত্ৰা আধৰুৱা তুমি নোৱাৰা কৰিব ।

ভীম ঃ কি কৰিম দাদা, সহস্ৰ হস্তীৰ সমান বলবান বুলি ওৰেটো জীৱন কৰিলো স্বাভিমান । আৰু এতিয়া চাওক মোৰ দশা ইচ্ছা থাকিলেও নোৱাৰোঁ উঠিব । মোক ক্ষমা কৰিব দাদা, ইচ্ছা নাছিল মোৰ আপোনাৰ সঙ্গ ত্যাগ কৰাৰ ; দাদা, দাদা কৰোঁ অনুৰোধ কওঁক দাদা , এয়াই নাছিল জানো মোৰ আৰ্জিত পাপ ?

যুধি ঃ ভীম, সকলো কৈছাই তুমি । কিয় কৰিলা ভীম তুমি পাৰ্থৰ দৰে নিজৰ বলৰ ওপৰত গৰ্ব অহংকাৰ ? কিয় তুমি মহান ৰথীসকলক কৰিলা তৃণজ্ঞান ? প্ৰাণ কাঢ়ি কাৰোবাৰ নশ্বৰ দেহত কিয় কৰিলা পদাঘাত ? অল্প ভোজনত নহৈ সন্তুষ্ট কিয় তুমি হ'লা লুব্ধ ? এনেবোৰ পাপতেই --( ভীমৰ মৃত্যু ) ভীম, -- উঠা ভীম ; ভীম ------ **( বিলাপ )**

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
স্বৰ্গ পথে যাত্ৰা কৰি হলো সৰ্বহাৰা ।।
ভাৰ্যা যাই ভাতৃ যাই সৱে যাই চলি ।
সৱাৰো লগত মই কিয় নাযাঁও মৰি ।।

--( কথা ) কিয় মই কৰিছো ক্ৰন্দন ? সকলো বিধাতাৰ লিখন। যাওঁ মই অকলেই স্বৰ্গপুৰীলৈ নিশ্চয় লগ পাম তাত আত্মীয় গণক।

**সূত্ৰ ঃ যুধিষ্ঠিৰৰ প্ৰস্থান; পাছে পাছে কুকুৰৰূপী যমৰাজৰ প্ৰস্থান। আনহাতে অপেশ্বৰী ----**

অপেশ্বৰী ঃ ইয়াতেই মই ৰচো মায়াজাল। মদনৰ শৰ মাৰি সৃষ্টি কৰিম বিতোপন মধুবন -- ফুলি উঠ, ফুলি উঠ অজস্ৰ সুগন্ধি পুষ্প, বিলাই সুগন্ধ মলয়া বতাহত মন -প্ৰাণ কৰ মতলীয়া ধৰ্মৰাজ যুধিষ্ঠিৰৰ ( শৰ মাৰে ) --হাঃ হাঃ সৃষ্টি হ , সৃষ্টি হ প্ৰেম সৰোবৰ পূৰ্ণ হৈ নিৰ্মল জলেৰে নাশ কৰি ক্লান্তি ধৰ্মৰাজৰ যৌৱনৰ ৰাগীত কৰ মতলীয়া --( শৰ মাৰে )--- হাঃ হাঃ আঁহা, আঁহা পক্ষী -

**সূত্ৰ ঃ অপেশ্বৰীৰ সৃষ্টি মধুবনত এটি ময়ুৰপক্ষীৰ প্ৰৱেশ --- ( বাজনা - ভংগী ) ;**

অপেশ্বৰী ঃ পক্ষী, মোৰেই সৃষ্ট তুমি -- চালি ধৰি ইয়াত ধৰ্মৰাজৰ তুমি কাঢ়িবা দৃষ্টি ---

**সূত্ৰ ঃ অপেশ্বৰীৰ প্ৰস্থান। ময়ুৰে চালি ধৰে। আনফালে সভাত যুধিষ্ঠিৰ ----**

যুধি ঃ আঁচৰিত, সুদীৰ্ঘ শিলাময় আৰু হিম শীতল গিৰি অতিক্ৰমী হঠাতে পালোহি এই মনোমোহা উদ্যান। বনৰ পক্ষীয়ে মনৰ উলাহতে ধৰিছে চালি। শীতল সমীৰে আমাৰ শৰীৰো পেলাইছে জুৰ। ফুলৰ সুবাসে মন প্ৰাণ হৰিছে মোৰ। এয়াই নেকি পালোহি সৰগ ?

**সূত্ৰ ঃ এনেতে নুপুৰৰ ধ্বনি তুলি অপেশ্বৰী সোমাই আহে ; ময়ুৰ পক্ষীৰ প্ৰস্থান ---**

অপেশ্বৰী ঃ নহয় সৰগ ; এয়া মোৰ উদ্যান। পাছে হে বিপ্ৰবৰ, কোন আপুনি ?

যুধি ঃ মই জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰ। যাত্ৰা মোৰ সৰগৰ দিশে। পাছে তুমি কোন ?

অপেশ্বৰী ঃ মোৰ পৰিচয়নো কিয় লাগে আপোনাক ? মোৰ এই ৰূপ যৌৱনেই পৰিচয়। হে জ্যেষ্ঠপাণ্ডৱ, কিয় যাব লাগে আপুনি স্বৰ্গ পুৰীলৈ ? স্বৰ্গৰ অপ্সৰাৰ ৰূপ জানো মোতকৈ হ'ব অধিক ? ইয়াতে থাকি আপুনি মোক পত্নীৰূপে কৰক গ্ৰহণ। মোৰ হৃদয়েও আপোনাক পাবলৈ হৈছে উন্মাদ --

যুধি ঃ সাৱধান সুন্দৰী, নাবাঢ়িবা আগ। তোমাৰ ৰূপ - যৌৱনে মোক নোৱাৰে মোহিত কৰিব।

অপেশ্বৰী ঃ হাতলৈ অহা এনে অপূৰ্ব সুযোগ কিয় কৰে নষ্ট ? পৰম যোগীৰো কাম্য আমি।

যুধি ঃ ৰূপ যৌৱন, ঐশ্বয্য বিভূতি সকলো মিথ্যা আমাৰ বাবে। আপোনজনৰ সঙ্গ, কৃষ্ণ দৰ্শনত পাওঁ আমি সৰ্বসুখ। আমাক বাট এৰি দিয়া। যাওঁ আমি সৰগৰ দিশে --- ( **যাব খোজে** )

**সূত্ৰ ঃ এনেতে সভাত কুকুৰ ৰূপী যমৰাজ আহে আৰু যুধিষ্ঠিৰৰ পাছে পাছে যাব ধৰে। দেখি যুধিষ্ঠিৰে যি কয় ------**

যুধি ঃ চোৱা দেৱী, আমাৰ সঙ্গী হৈ অহা এই নিৰীহ জন্তুয়েও তোমাৰ ৰম্যস্থান কৰিছে ত্যাগ --

**সূত্ৰ ঃ যুধিষ্ঠিৰ আৰু কুকুৰৰূপী যমৰাজৰ প্ৰস্থান ---**

অপেশ্বৰী ঃ ধন্য ধন্য যুধিষ্ঠিৰ, ধন্য আপুনি। মহান তপস্বীয়েও নোৱাৰে মোৰ ৰূপক অৱজ্ঞা কৰিব, অথচ আপুনি গুচি গ'ল অগ্ৰাহ্য কৰি। আপুনি নিশ্চয় পাব স্বৰ্গ। মইও যাওঁ এতিয়া স্বৰ্গপুৰে।

**সূত্ৰ ঃ অপেশ্বৰীৰ প্ৰস্থান। আনহাতে স্বৰ্গৰ দ্বাৰমুখত যুধিষ্ঠিৰ আৰু কুকুৰ ৰূপী যম --**

যুধি ঃ অৱশেষত পালোহি আমি স্বৰ্গৰ দ্বাৰ। যাত্ৰাৰ সঙ্গী হৈ আমাৰ এই কুকুৰটোও পালেহি এই স্থান

**সূত্ৰ ঃ এনেতে ৰথ লৈ দেৱৰাজ আহে -----**

ইন্দ্ৰ ঃ হে জ্যেষ্ঠপাণ্ডৱ, আপুনি সঁচাই মহান ধাৰ্মিক। ধৰ্মৰ বলতে আপুনি সুঁশৰীৰে পালেহি স্বৰ্গ। আহক ধৰ্মৰাজ, ইয়াৰ পৰা আপোনাক ৰথত তুলি ময়ে লৈ যাম স্বৰ্গপুৰী ---

**সূত্ৰ ঃ যুধিষ্ঠিৰ যাব খোজে। কুকুৰটোও আগবাঢ়ি যায়। দেখি ইন্দ্ৰই যি কয় -----**

ইন্দ্ৰ ঃ এই সাৱধান, ক'ৰ কুকুৰ এইটো ? স্বৰ্গত কুকুৰবদৰে জন্তুৰ নাই স্থান। আঁতৰ হ, আঁতৰি যা --

যুধি ঃ দেৱৰাজ, মৰ্ত্যৰ পৰা মোৰ বাটৰ সঙ্গী হৈ আহিছে এই কুকুৰটো। অনুগ্ৰহ কৰি ইয়াকো স্বৰ্গত প্ৰৱেশ কৰিবলৈ আপুনি দিয়ক অনুমতি।

ইন্দ্ৰ ঃ অসম্ভৱ জ্যেষ্ঠপাণ্ডৱ, সৰ্বোত্তম স্থান মোৰ স্বৰ্গপুৰী ; কুকুৰৰ তাত নাই স্থান।

যুধি ঃ কিন্তু সমগ্ৰ পথত আমাৰ সঙ্গী হোৱা এই কুকুৰটোক এতিয়া মই কেনেকৈ কৰোঁ নিৰাশ্ৰয় ?

ইন্দ্ৰ ঃ এক ইতৰ প্ৰাণীলৈ আপুনি নকৰিব চিন্তা ; আহক আপুনি, আৰোহণ কৰক আমাৰ ৰথত ---

যুধি ঃ আঃ ভবা নাছিলো দেৱতাৰ মন ইমান সংকীৰ্ণ। যি স্বৰ্গত জীৱৰ মাজত ৰাখে প্ৰভেদ তেনে স্বৰ্গ আৰু মোৰ নহয় কাম্য। দেৱৰাজ, আপুনি ৰথ লৈ উলটি যাওঁক। মোক আৰু নালাগে স্বৰ্গ ; যাঁও মই মৰতলৈ ঘূৰি -- ( যাব খোজে )

ইন্দ্ৰ ঃ ব’ৰ জ্যেষ্ঠপাণ্ডৱ , চাওকচোন এওঁবা প্ৰকৃততে হয় কোন ---

**সূচনা**

**এহি ক্ষণে ধৰ্মৰাজে নিজ ৰূপ লৈলা ।**

**তাক দেখি যুধিষ্ঠিৰ আচম্বিত হৈলা ।।**

**সূত্ৰ ঃ যমৰাজে নিজ ৰূপ ধাৰণ কৰে ------**

যুধি ঃ ই কি , ধৰ্মৰাজ -- ? প্ৰণাম ধৰ্মৰাজ --তেন্তে এয়া আপোনাৰ চালনা ?

যম ঃ যুধিষ্ঠিৰ, নহয় চালনা ; তোমাক পৰীক্ষা কৰিবৰ বাবে মইয়ে কুকুৰৰ বেশ কৰিছিলো ধাৰণ। আমাৰ পৰীক্ষাত তুমি হ’লা উত্তীৰ্ণ । ব’লা, প্ৰৱেশ কৰোঁ এতিয়া আমি স্বৰ্গপুৰীত।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত দেৱৰ্ষী নাৰদ ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- চোৱা জগতবাসী, ধৰ্মবলে আজি নৰ তনুৰে ধৰ্মৰাজ যুধিষ্ঠিৰ আজি হলহি উপস্থিত স্বৰ্গধামে। পাছে এতিয়াও আছে দেৱসভাত বিস্ময় আশ্চৰ্য যুধিষ্ঠিৰৰ বাবে। নিশ্চয় তেওঁ হ’ব হতভম্ব , কৰিব অনাকাংখিত আচৰণ। আমিও যাঁও পৰিস্থিতি কৰোঁগে নিৰীক্ষণ --

**সূত্ৰ ঃ নাৰদৰ প্ৰস্থান। সভাত বেগেৰে যুধিষ্ঠিৰ আহে; পাছে পাছে ইন্দ্ৰ আৰু যমৰাজ --**

ইন্দ্ৰ ঃ ধৰ্মৰাজ , কি হৈছে আপোনাৰ ? কিয় আপুনি মোৰ স্বৰ্গপুৰী কৰিব বিচাৰে ত্যাগ ?

যুধি ঃ মোক বাধা নিদিব দেৱৰাজ ; নালাগে মোক স্বৰ্গ সুখ --

**সূত্ৰ ঃ এনেতে নাৰদ -----------------**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; হে ধৰ্মৰাজ যুধিষ্ঠিৰ দানৱ , অসুৰ , মনুষ্যই কৰে কামনা স্বৰ্গ প্ৰাপ্তি । অত কষ্ট কৰি আপুনি পালেহি স্বৰ্গ ; এতিয়া কিয় কৰিছে এনে আচৰণ ?

যুধি ঃ আঁচৰিত হৈছো মই দেৱৰ্ষি ; নেদেখিলো মোৰ স্নেহৰ ভাতৃগণক ; নেদেখিলো পিতামহ আৰু মোৰ পূৰ্বজগণক ? হৈছো আচৰিত দেৱ সমাজত দেখি মই জ্যেষ্ঠ কৌৰৱ দুৰ্যোধনক ।

নাৰদ ঃ আচৰিত হ’ব লগা বিষয় ইটো নহয় ধৰ্মৰাজ ----

যুধি ঃ কি কয় দেৱৰ্ষী ? তেন্তে কি স্বৰ্গ হ’ল দুৰ্যোধনৰ দৰে মহাপাপীৰ বাবেহে ?

যম ঃ ধৰ্মৰাজ যুধিষ্ঠিৰ, স্বৰ্গত শত্ৰুভাৱ ৰখা অনুচিত । দুৰ্যোধনে কৰিছিলে পাপ ; সত্য সি । কিন্তু ক্ষত্ৰিয় ধৰ্ম মানি কুৰুক্ষেত্ৰত সন্মুখত থাকি তেওঁ কৰিলে ৰণ। সেই পূণ্যৰ ফলতে দুৰ্যোধনে প্ৰথমে লভিছে স্বৰ্গসুখ । পাপৰ ফল অৱশ্যেই পাছত পাব তেওঁ।

যুধি ঃ কিন্তু ধৰ্মৰাজ, দুৰ্যোধনৰ আদেশত যিসকলে কৰিছিল ৰণ সেই কৰ্ণ, দ্ৰোণ, ভীস্ম আদি বীৰগণে কি কৰা নাছিল পূণ্য অৰ্জন ? ক্ষত্ৰিয় ধৰ্ম মানি বীৰগতি হোৱা অভিমন্যু আৰু ঘটোৎকচে কি কৰা নাছিল পূণ্য অৰ্জন ? যদুপতিৰ আদেশকে সাৰ বুলি মানি কৰ্তব্য পালন কৰি যোৱা মোৰ ভাতৃগণে নাপালে নেকি সৰগত স্থান ? ক’ত আছে তেওঁলোক বৰ্তমান ?

ইন্দ্ৰ ঃ হে জ্যেষ্ঠপাণ্ডৱ, আপুনি যি সকলৰ নাম ল’লে তেওঁলোকে নিজ কৰ্ম অনুযায়ী কৰিছে ফল ভোগ । তেওঁলোকক সাক্ষাত পাবলৈ হ’লে আপুনি যাব লাগিব সেই স্থানলৈহে ।

যুধি ঃ তেন্তে মই সেই স্থানলৈকে যাবলৈ প্ৰস্তুত । কওঁক দেৱৰাজ , কোন দিশে গ’লে সাক্ষাত পাম মোৰ আত্মীয়গণক ?

ইন্দ্ৰ ঃ তাৰ ব্যৱস্থা কৰা হ’ব ধৰ্মৰাজ ; দূত , দূত -------

**সূত্ৰ ঃ দেৱদূত আহে -----------**

দুত ঃ আদেশ কৰক দেৱৰাজ ----

ইন্দ্ৰ ঃ দূত, জ্যেষ্ঠ পাণ্ডৱক তেওঁৰ আত্মীয়সকল থকা স্থানলৈ লৈ যোৱা তুমি ---

দুত ঃ যিবা আজ্ঞা দেৱৰাজ; আহক জ্যেষ্ঠ পাণ্ডৱ।

যুধি ঃ তেন্তে মই যাওঁ দেৱগণ, প্ৰণাম ----

**সূত্ৰ ঃ দেৱদুতে যুধিষ্ঠিৰক লৈ যায়। বাকীসকলৰো প্ৰস্থান। পুনৰ যুধিষ্ঠিৰক লৈ দেৱদুত ---**

যুধি ঃ হে দেৱ, আমি ক'ত আছোহি ? ইমান অন্ধকাৰ আৰু ভয়ানক এই পথ। আঃ ইমান দুৰ্গন্ধ, সহিব পৰা নাই মই। আচৰিত, এনে কদৰ্য স্থানো থাকিব পাৰেনে স্বৰ্গপুৰীত ?

দুত ঃ ধৰ্মৰাজ, এয়া নহয় স্বৰ্গ; এইখনেই নৰক।

যুধি ঃ নৰক ? আঃ দেৱ, এয়া আপোনাৰ কেনে কাৰ্য ? দেৱৰাজে আপোনাক দিছে আজ্ঞা আমাৰ আত্মীয়গণক সাক্ষাত কৰোৱাৰ। তেনেস্থলত নকৰি সেই আজ্ঞা পালন কিয় আপুনি আনিলে আমাক এই নৰকপুৰীলৈ ?

দূত ঃ খং নকৰিব দেৱ; যদি আপুনি পাইছে অশান্তি তেন্তে ব'লক ইয়াৰ পৰা যাওঁ উলটি।

যুধি ঃ কোনে পাব শান্তি এনেহেন নৰকত থাকি ? সহ্য নহয় মোৰ এই স্থান। এতিক্ষণো আৰু নাথাকো মই এই স্থানত। ঘূৰাওক দেৱ, ৰথ ঘূৰাওক আপুনি ----

**নেপথ্যত ঃ ( হে ধৰ্মপুত্ৰ, হে ধৰ্মৰাজ, আপুনি উভটি নাযাব। আপোনাৰ উপস্থিতিত আমি কৰিছো সুখ অনুভৱ )**

যুধি ঃ কোনে মোৰ নাম ধৰি মাতিছে ঘনাই ? ঘোৰ অন্ধকাৰত মই দেখা নাই কাকো।

**নেপথ্যত ঃ ( মই কৰ্ণ, মই ভীম, মই দ্ৰোণ, মই নকুল, মই সহদেৱ ---)**

যুধি ঃ এয়া, এয়াচোন কণ্ঠস্বৰ মোৰ আত্মীয়গণৰ ? কি শুনিছো, স্বপ্ন নে এয়া দিঠক মোৰ -- দেৱ, মই যি শুনিছো আপুনিও পাইছেনে শুনা ---

দূত ঃ ধৰ্মৰাজ, আপোনাৰ দৰে আমিও পাইছো শুনা; নাম ধৰি ডাকিছে আপোনাক।

যুধি ঃ কি -- ? ( ৰথৰপৰা নামে ) হে মোৰ আত্মীয়গণ, ক'ত আছে আপোনাসৰ ? দেৱ, এওঁলোকে কি সঁচাই ভোগ কৰিছে নৰক যান্ত্ৰণা ? আচৰিত, অতি আচৰিত ? আৰু মই -- আঃ কিমান যে স্বাৰ্থপৰ এই যুধিষ্ঠিৰ ? এওঁলোকক এৰি যাব ওলাইছো স্বৰ্গলৈ বুলি। নাই নাই মই আৰু নাযাঁও স্বৰ্গলৈ ঘূৰি। দেৱ, আপুনি ঘুৰি যাওঁক স্বৰ্গ ধামে ।

দুত ঃ কিন্তু ধৰ্মৰাজ, অত কষ্টেৰে আহিছে আপুনি স্বৰ্গপুৰীলৈ ?

যুধি ঃ স্বৰ্গপুৰীৰ আৰু নাই মোৰ মনত হাবিয়াস। মনৰ আনন্দহে প্ৰকৃত সুখ। ইয়াতে থাকিম মই আত্মীয়গণৰ সৈতে। ইয়েই হ'ব মোৰ বাবে স্বৰ্গ সুখ।

**সূত্ৰ ঃ এনেতে পোহৰে জাতিস্কাৰ হয়। ইন্দ্ৰ, নাৰদ আৰু যম সোমাই আহে --**

যম ঃ ধন্য যুধিষ্ঠিৰ, ধন্য তুমি। মোৰ এই পৰীক্ষাতো তুমি হ'লা উত্তীৰ্ণ। প্ৰকৃততে এই নৰক ময়ে কৰিছিলো সৃষ্টি। কুৰুক্ষেত্ৰ ৰণত তুমি গুৰু দ্ৰোণাচাৰ্য্যক পুত্ৰ অশ্বত্থামাৰ মৃত্যু হ'ল বুলি যি মাতিছিলা মিথ্যা বচন তাৰেই ফলস্বৰূপে মই তোমাক কৰালো এই নৰক দৰ্শন। তোমাৰ আত্মীয় গণে ভোগ কৰা নাই নৰক যান্ত্ৰণা। আছে তেওঁলোক সুখেৰে স্বৰ্গত।

যুধি ঃ হে ধৰ্মৰাজ , সৰ্বদোষ মোৰ কৰিব মাৰ্জনা ।

নাৰদ ঃ ধৰ্মৰাজ, ধৰ্মৰ বলতে আপুনি সকলো পৰীক্ষাতে উত্তীৰ্ণ হৈ মনুষ্য কলেৱৰে পালেহি স্বৰ্গ । দেৱৰাজ, শ্বেতদ্বীপ সৰোবৰত ধৰ্মৰাজ যুধিষ্ঠিৰক স্নান কৰাই দেৱ কলেৱৰ কৰোঁৱাকগৈ ধাৰণ ।

ইন্দ্ৰ ঃ নিশ্চয় দেৱৰ্ষী , তেন্তে ব'লক সকলো ।

গীত

এহি বুলি ৰঙ্গমনে চলি যায় সৱে।
চলি গৈলা শ্বেতদ্বীপ মন কৰি স্থিৰে।।
ভক্তি মাৰ্গে পাণ্ডৱগণে স্বৰ্গপুৰী পাইলা।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান। ইমানতে নাটভাগৰ সমাপ্তি ঘটে ।

গীত - ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৱ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি, -- শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, যুধিষ্ঠিৰৰ নৰক দৰ্শন -- নাটকং সম্পূৰ্ণম ।

সমাপ্ত

জয় গুৰু শঙ্কৰ



# পুৰুৰবাৰ প্ৰতিজ্ঞা ভঙ্গ, উৰ্বশীৰ স্বৰ্গ গমন


নাট্যৰূপ ঃ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ ( যোৰহাট )
যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সুত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। নাৰদ
৪। ভৰতমুনি
৫। পুৰুৰবা ( চন্দ্ৰবংশী ৰজা ) -- ( প্ৰধান চৰিত্ৰ )
৬। মন্ত্ৰী
৭। বিক্ৰমসেন (সেনাপতি )
৮। ইন্দ্ৰ ( দেৱৰাজ )
৯। অগ্নি ( দেৱতা )
১০। বৰুণ ( দেৱতা )
১১। বিশ্বৰূপ (গন্ধৰ্ব )
১২। বজ্ৰকাল ( অসুৰ ৰাজ )
১৩। কালন্তক (সেনাপতি )
১৪। প্ৰজংঘ (সেনাপতি )
১৫। কেশী ( ৰক্ষৰাজ )
১৬। ৰূপসিংহ ( প্ৰহৰী )
১৭। বীৰসিংহ ( প্ৰহৰী )

## নাৰী চৰিত্ৰ

১। উৰ্বশী (অপেশ্বৰী) -- ( প্ৰধান চৰিত্ৰ )
২। কৰ্ণিকা (অপেশ্বৰী)
৩। অচিতা (অপেশ্বৰী)

## মুখা

ভেড়া ছাগলী
ময়ুৰ পক্ষী

শ্ৰী বিষ্ণুদেৱায় নমো নমঃ

শ্লোক ঃ নমঃ কৃষ্ণ নিৰাকাৰং জ্যোতি ৰূপং সনাতনম ।
পীত বস্ত্ৰ পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম ।।
সুৰেন্দ্ৰ গৰ্ব গঞ্জনং গাজেন্দ্ৰ দম্ভ খণ্ডনম ।
বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।

অপিচ ঃ যেনাকাৰী সমস্তে দেৱতা নাথ নমস্তে গৰুড়ধবজ -- শংখ চক্ৰ গদা পদ্ম বাসুদেৱ নমোহস্ততে।

গীত - নান্দী ( ৰাগ ঃ সুহাই , তাল ঃ একতাল )

জয় জয় ভৱ ভয়হাৰী ।
তুৱা পাৱে কৰোহো গোহাৰি।
চতুৰ্ভুজ দেৱ ধৰাধৰ ।
ভক্তক কৰাহা উদ্ধাৰ ।।
ৰাম কৃষ্ণ পদে মোৰ গতি।
সৰ্বজনে ঘোষিয়ো সম্প্ৰতি ।।

সূত্ৰ ঃ নাদ্যন্তে সূত্ৰধাৰ, অলমতি বিস্তৰেণ, প্ৰথমং মাধৱো মাধৱ ইত্যুক্তা নত্বা নাৰায়ণ সভাসদেন সম্বোধায়।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ য়ুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা --- পুৰুৰবাৰ প্ৰতিজ্ঞা ভঙ্গ, উৰ্বশীৰ স্বৰ্গ গমন --- নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

অথ ভটিমা

জয় জয় জগত জনক যদুদেৱ ।
পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।
চন্দ্ৰবংশী পুৰুৰবা মৰ্ত্ত্যৰ ৰাজন।
দুৰ্জনক বধি কৰিলে শাসন।।
সৰগৰ উৰ্বশীয়ে মৰ্ত্ত্যত ভ্ৰমিলে ।
ধনু ধৰি পুৰুৰবাই ৰাক্ষসক বধিলে ।।
প্ৰেমাসক্ত উৰ্বশীয়ে পালে অভিশাপ।
পুৰুৰবাৰ পত্নীৰূপে কৰিলেহি বাস ।।
চল কৰি দেৱতাই প্ৰতিজ্ঞা ভাঙিলে।
সেহিদোষে উৰ্বশীয়ে পুৰুৰবাক তেজিলে।।
দুষ্টক বধি প্ৰভূ সন্তক থাপিবা।
ধৰ্মক ৰক্ষা কৰি অধৰ্মক নাশিবা।।
হেনজানি নৰলোকে এৰি আন কাম।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সখী, আকাশে দেৱ বাদ্য বাজত - বাজত - বাজত ।

সূত্ৰ ঃ আ-হাহা মিলল মিলল । আহে সামাজিক লোক, হামো যাকেহি কথা কহেছি , ওহি পৰম ব্ৰহ্ম শ্ৰীবিষ্ণু এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৰত। তাক সাৰধানে দেখহ , শুনহ নিৰন্তৰে হৰি বোল , হৰি বোল ------

ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ ------------**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং ।।

**গীত - ( ৰাগ ঃ সিন্ধুৰা , তাল ঃ একতাল )**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।**
**যাক দেখি মহা সুখী হুৱে সৰ্বজন।।**
**কৰ যোগ কঙ্কন ৰুণ জুন ৰুল ।**
**পীত বস্ত্ৰ পৰিধান সৰ্ব বক্ষ স্থল ।।**
**হেন মতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰ।।**

বিষ্ণু ঃ আমি পালনকৰ্ত্তা নাৰায়ণ। সম্পূৰ্ণ জগতৰ উৎপত্তিৰ আমি কাৰণ আৰু প্ৰলয়ৰ কাৰণো আমিয়ে। আমি নিৰাকাৰ, অথচ সৰ্বব্যাপ্ত । যেতিয়াই ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ হয় বৃদ্ধি , তেতিয়াই আমি নিজকে সৃষ্টি কৰি জগতত হওঁ আৱিৰ্ভৰ্ৱ । সন্তক উদ্ধাৰ আৰু দুষ্টক বিনাশ কৰি ধৰ্মৰ সু-সংস্থাপনৰ কাৰণে যুগে যুগে আমি লওঁ অৱতাৰ --

**সূত্ৰ ঃ এনেতে নাৰদ-----**

নাৰদ ঃ হে পদ্মনাভ , দিব্য মালাধাৰী ভকতৰ ভয়হাৰী , আপোনাৰ চৰণ কমলত নাৰদে কৰোঁ সহস্ৰ প্ৰণাম ।

বিষ্ণু ঃ উঠা দেৱৰ্ষি ; পাছে আছে ভোগ্যস্থলী স্বৰ্গপুৰী , নকৰি প্ৰৱেশ তাত আহিলা এই স্থানে ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, অচল সম্পত্তিৰ আশাত ব্ৰহ্মাদি দেৱগণে যি লক্ষ্মীক কৰে তপ, সেই গৰাকী লক্ষ্মীয়েও ভজে আপোনাক । তেনেস্থলত আমাৰ দৰে তপস্বী কিয় নাহিম আপোনাৰ ধামে ?

বিষ্ণু ঃ তুমি বৰ চতুৰ দেৱৰ্ষি ; নোৱাৰি তোমাক কথাৰে জিনিব । বাৰু দেৱৰ্ষি , ৰাখিবা মনত জলত আমি ৰস ; চন্দ্ৰত আমি চন্দ্ৰমা, সূৰ্য্যত প্ৰভা , আকাশত শব্দ, পুৰুষৰ আমি পৌৰুষত্ব, তপস্বীৰ তপস্যাত আমি আৰু সমস্ত প্ৰাণীৰ জীৱন আমি -- **নাহং তিষ্ঠামি বৈকুণ্ঠে যোগীনং হৃদয়ে ন চ । মদ্ভক্তা যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ।।**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ , ধন্য হ’লো আমি আপোনাৰ মুখ পদ্মৰে আপোনাৰেই মহিমা শুনি। কিন্তু প্ৰভু , আপোনাৰ এই মহিমা কিয় নুবুজে অসুৰ আৰু দানৱ সমাজে ? মনুষ্যগণো নহয় ব্যতিক্ৰম , ভক্তিমাৰ্গ এৰি মায়া - মোহত আৱদ্ধ হৈ মৰতৰ মনুষ্যই আজি কৰে অধৰ্ম ।

বিষ্ণু ঃ মৰ্ত্ত্যলোকৰ চৰিত্ৰই তেনে দেৱৰ্ষি । মায়াৰে আৱৰা মৰ্ত্যপুৰীত লোভ , মোহ , কাম , ক্ৰোধে সততে আৱৰে জীৱকুলক । ইয়াৰপৰা জীৱই সহজে নাপায় পৰিত্ৰাণ ; তথাপি যিজনে নকৰি ব্যভিচাৰ পবিত্ৰভাৱে আমাতেই ল’ব শৰণ, আমাৰেই যশ কীৰ্তনত সমৰ্পিব জীৱন তেনে মনুষ্যই লভিব মোক্ষ । এই কথা তুমি ৰাখিবা মনত আৰু আমাৰ ভক্তগণকো কৰিবা প্ৰদান ।

নাৰদ ঃ হৃদয়ংগম কৰিলো প্ৰভু আপোনাৰ বাণী। মৰ্ত্ত্যপুৰীৰ বাসিন্দাৰ মোক্ষ লাভৰ জানিলো উপায়। পাছে প্ৰভু, স্বৰ্গপুৰীৰ দেৱতাৰ বেলিকা --- ? নাথাকিব নেকি প্ৰভু মোক্ষ প্ৰাপ্তি দেৱতাৰ ভাগ্যত ?

বিষ্ণু ঃ হাঃ হাঃ দেৱৰ্ষি , তুমি কৰিছা আমাক এই প্ৰশ্ন -- ? জানাই তুমি ভক্তৰ অধীন ভগবান ; পাছে বিচাৰে জানো দেৱতাই এৰিব স্বৰ্গ সুখ ? পাৰিব জানো দেৱেন্দ্ৰই কৰিব ত্যাগ অমৰাৱতীৰ অময়া সুখ ? দেৱৰ্ষি, বিচাৰিছে জানো কোনো দেৱে কদাচিত তোমাৰ পৰাই মুকুতিৰ উপায় ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ , প্ৰভু আমি সকলো বুজিলো । নালাগে আৰু দেৱতাৰ চৰিত্ৰ কৰিব বৰ্ণন ।

বিষ্ণু ঃ তথাপি দেৱৰ্ষি , দেৱগণ আমাৰ প্ৰিয় ; ধৰ্ম প্ৰতিষ্ঠাত দেৱগণৰ সহায়ৰ হয় প্ৰয়োজন । সেই হেতু সৰ্বদা থাকিবা তুমি দেৱগণৰ সুচিন্তকৰূপে। সজাগ কৰি ৰাখিবা দেৱগণক অসুৰৰ কু অভিপ্ৰায়ৰ পৰা ।

নাৰদ ঃ প্ৰভূ, বুজিলো আমি আপোনাৰ কথনৰ তাৎপয্য। জানেই আপুনি কৰ্মত নাৰদে নকৰে হেলা । প্ৰয়োজন সাপেক্ষে আমি দেৱতাক কৰিম সচেতন । এতিয়া বিদায়হে মাগো প্ৰভূ ।

বিষ্ণু ঃ যোৱা দেৱৰ্ষি , আমিও নিজ কৰ্তব্যত হওঁ অগ্ৰসৰ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত মনুষ্য ৰাজন পুৰুৰবা, মন্ত্ৰীবৰ আৰু সেনাপতি বিক্ৰমসেনৰ প্ৰৱেশ---------**

**গীত - (ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল)**

**সভাত প্ৰৱেশ কৰে পুৰুৰবা ৰাজন।**
**সঙ্গে আছে পাত্ৰ মন্ত্ৰী প্ৰসন্ন বদন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

পুৰুৰবা ঃ পৰম পূজ্য মোৰ সভাসদগণ , পূণ্যবলে লভিলো আমি মনুষ্য জনম । মনু , সুদ্যুন্নৰ দৰে মহান পূৰ্বজৰ এই গৰিমামণ্ডিত ৰাজ্যৰ ৰাজ ৰাজেশ্বৰ বুলি নিজকে ভাবো ভাগ্যবান । তাতোকৈ ভাগ্যবান মই আপোনাসবৰ দৰে গুণী - মানী সভাসদ লভি । পাছে নাজানো কিমান সফল হঁও মই ৰাজ্য শাসনত । মন্ত্ৰীবৰ, কৰিব পাৰিছোনে মই প্ৰজাৰ মঙ্গল সাধন ? কৰিছেনে বাৰু সকলো প্ৰজাই শান্তিৰে জীৱন যাপন ?

মন্ত্ৰী ঃ মহাৰাজ, প্ৰজাপালক ৰাজনৰূপে আপুনিও প্ৰজাৰ মাজত অতি জনপ্ৰিয় । আপোনাৰ দৰে ভক্তপ্ৰাণ ৰাজনক লৈ ৰাজ্যৰ প্ৰজাগণো হৈছে আনন্দিত । ৰাজ্যৰ বিষয় লৈ আপুনি নহব চিন্তিত । সকলো প্ৰজাই সুখে সন্তোষেৰে কৰিছে জীৱন যাপন ।

পুৰুৰবা ঃ উত্তম মন্ত্ৰীবৰ , উত্তম। সেনাপতি , ৰাজ্যৰ শান্তি বজাই ৰখাৰ দায়িত্ব তোমাৰ । চাবা যাতে ৰাজ্যৰ ঋষি, মুনি আৰু তপস্বীগণে শান্তিৰে কৰিব পাৰে তপ জপ। কোনো অসুৰ বা অধৰ্মীয়ে ঋষিগণৰ আশ্ৰমত যাতে নঘটাই বিঘিনী , তাৰ প্ৰতি তুমি ৰাখিবা সতৰ্ক দৃষ্টি ।

বিক্ৰম ঃ আপুনি নিশ্চিন্ত থাকক মহাৰাজ । সদা সতৰ্ক দৃষ্টি ৰাখিছো মই । অসুৰে কুদৃষ্টি দিবলৈ নকৰে সাহস , অধৰ্মীৰো নাই স্থান আমাৰ ৰাজ্যত। যদিওবা কোনোবাই কৰে অধৰ্ম আচৰণ, বিক্ৰমসেনৰ এই তীক্ষ্ণ তৰোৱালে দিব তাক সমুচিত সমিধান।

পুৰুৰবা ঃ অতিকে আনন্দিত মই আপোনাসবৰ বচনত । আৰতিৰ সময়ো হৈছে । তেন্তে আজিলৈ সভা ইমানতে সামৰা যাওক।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ইন্দ্ৰ , বৰুণ আৰু অগ্নিদেৱৰ প্ৰৱেশ --**

**গীত- (ৰাগ ঃ মাহুৰ , ধনশ্ৰী ; তাল ঃ একতাল ,পৰিতাল )**

**অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।**
**সঙ্গে আছে দেৱগণ দেখিতে সুৰেশ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ইন্দ্ৰ ঃ কেনে বিতোপন , কেনে মনোৰম আমাৰ স্বৰ্গধাম । দেৱগণ, অন্য কি স্থান হ'ব পাৰে আমাৰ সৰগৰ সমান ?

অগ্নি ঃ দেৱৰাজ, নোহে জগতৰ কোনো স্থান সৰগৰ সমান ।

ইন্দ্ৰ ঃ হাঃ হাঃ ফুলি আছে পাৰিজাত নন্দন কাননে সুগন্ধি বিলাই মোৰ স্বৰ্গপুৰীত ; লভি অমৰত্ব আমি অমৃত পানেৰে , লভি দেৱত্ব আমি দেৱ কাৰ্যৰে কৰিছো শাসন আমি অমৰাৱতীত । দেৱতাৰ দেৱত্ব আজি বিকশিত সৰগত , দেৱতাৰ দেৱত্ব আজি বিস্তাৰিত জগতত হাঃ হাঃ -- ব'লক দেৱগণ, সৰগৰ শোভা পৰাণ জুৰাই কৰোঁগৈ দৰ্শন --

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। অসুৰৰাজ বজ্ৰকাল, সেনাপতি কালন্তক আৰু প্ৰজংঘৰ প্ৰৱেশ-**

**গীত - (ৰাগ ঃ কানাৰা, তাল ঃ পৰিতাল )**
**প্ৰৱেশ কৰিয়া আহে অসুৰ সেনানী।**
**তলবল কৰি আহে কম্পেয় ধৰণী।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা সভাসদ নৰ।।**

বজ্ৰকাল ঃ অসুৰগণ, সহ্য আৰু নকৰোঁ মই, কি গুণে আমাতকৈ শ্ৰেষ্ঠ দেৱগণ ? কিয় বিষ্ণুৱে চল কৰি দেৱতাক দিলে স্বৰ্গপুৰী, কৰালে অমৃত পান তাৰ লাগে মোক সমিধান। অমৰত্ব লভি দুৰ্বল দেৱতাই কৰিব সৰগত অমৃত পান আৰু আমি বলশালী অসুৰে ---আঃ অপমান , অপমান, ঘোৰ অপমান ----

কালন্তক ঃ নহয় দেৱতা অসুৰতকৈ বলবান, অথচ পৰাক্ৰমী বুলি সিহঁতে কৰে স্বাভিমান !! অসুৰেশ্বৰ, বহু ভোগ কৰিলে দেৱতাই স্বৰ্গসুখ , আমি কৰিম সিহঁতক তাৰপৰা বিমুখ ।

বজ্ৰকাল ঃ উত্তম অতি উত্তম ; দেৱতা , স্বৰ্গচ্যুত কৰি দেৱতাক দেখুৱাম জগতক অসুৰৰ পৰাক্ৰম । অসুৰ মই বজ্ৰকাল , দেৱতাৰ বাবে মই মহাকাল হাঃ হাঃ হাঃ ----

প্ৰজংঘ ঃ অসুৰেশ্বৰ , আছে তৱ সেনাপতি এই প্ৰজংঘ ; মাথো দিয়ক অনুমতি , আক্ৰমণ কৰি স্বৰ্গপুৰী দৰ্প চূৰ্ণ কৰিম দেৱতাৰ । হাতে গলে জিঞ্জিৰি লগাই চোঁচৰাই লৈ আনিম অদিতীৰ নন্দনক আপোনাৰ সমীপে ; বন্দী কৰি অমৰ দেৱতাক ৰাখিব আমাৰ পোতাশালত , প্ৰদান কৰিব আপুনি সিহঁতক যমৰ যাতনা হাঃ হাঃ ------------

বজ্ৰকাল ঃ যমৰ যাতনা -- ? আঃ তুমি ভুল কৰিছা প্ৰজংঘ । বজ্ৰকালৰ যাতনা নহয় যমৰ সমান । তাতোকৈ ভয়ানক , তাতোকৈ নিৰ্মম যাতনা দিম মই সিহঁতক । বন্দী কৰি প্ৰথমে দেৱতাক বিচাৰ কৰিম মই চলনাকাৰী দেৱ নাৰায়ণৰ হাঃ হাঃ ---

কালন্তক ঃ উপযুক্ত সিদ্ধান্ত অসুৰেশ্বৰ , চালনাকাৰী সি , অসুৰৰ শুভচিন্তক সি নহয় কদাপি । দেৱহিতৈষী নাৰায়ণকো আপুনি দিব উচিত শাস্তি হাঃ হাঃ ---।

বজ্ৰকাল ঃ বন্দী কৰি ৰাখিম নাৰায়ণকো মোৰ পোতাশালত । কি কয় সি নিজকে -- ? চৰাচৰ জগতৰ পালনকৰ্তা হাঃ হাঃ---বজ্ৰকালৰ পোতাশালত নাৰায়ণে কৰিব ক্ৰন্দন , মুক্তি লাগে মুক্তি লাগে বুলি স্বৰ্গচ্যুত দেৱতাই কৰিব ৰোদন । কিন্তু এই বজ্ৰকালে হাতৰ মুঠিত ৰাখিব দেৱতাৰ জীৱন । অমৰত্ব হ'ব অভিশাপ দেৱতাৰ , মৃত্যু বিচাৰি সিহঁতে কৰিব হাঁহাকাৰ হাঃ হাঃ--

কালন্তক ঃ উত্তম অসুৰেশ্বৰ অতি উত্তম , বহু তাচ্ছিল্য কৰিলে আমাক দেৱতাই । হীন বুলি , নীচ বুলি কৰে ঘৃণা । আঃ বহু পালো অপমান ; অসুৰেশ্বৰ , আৰু নকৰোঁ পলম , স্বৰ্গৰ দিশে হওঁ ধাৱমান।

প্ৰজংঘ ঃ অসুৰেশ্বৰ , ৰণৰ বাবে মই হৈছো ব্যাকুল। প্ৰতিশোধৰ দাবানল জ্বলিছে দেহত ; ৰক্ত , লাগে মাথো মোক আজি দেৱতাৰ তপ্ত ৰক্ত --

বজ্ৰকাল ঃ হাঃ হাঃ বীৰোচিত সেনানী মোৰ অসুৰৰ গৌৰৱ , তোমালোকৰ উদ্যমে মোৰ বঢ়ালে বিশ্বাস ; নিশ্চয় পাম আমি বিজয় দেৱতাৰ ওপৰত । ওলোৱা সেনাগণ কম্পিত কৰি ত্ৰিভূৱণ , ত্ৰাহিত কৰি স্বৰ্গপুৰী , দেৱতাৰ গৰ্ব কৰোঁ ধূলিস্যাত ----

কালন্তক ঃ জয় অসুৰেশ্বৰ বজ্ৰকালৰ , জয় অসুৰেশ্বৰ বজ্ৰকালৰ , জয় অসুৰেশ্বৰ বজ্ৰকালৰ --

**যুদ্ধ যাত্ৰা**
**যুদ্ধ হেতু চলি যায় অসুৰ দুৰ্জন।**
**কোলাহল কৰি চলে মেঘৰ গৰ্জন।।**

**সূত্ৰ ঃ অসুৰগণে যুদ্ধ যাত্ৰা কৰে । আনফালে ইন্দ্ৰ আৰু বৰুণদেৱ আহে ---**

ইন্দ্ৰ ঃ (হঠাৎ অম্ৰাৱতী কঁপি উঠে ) ই কি ! কম্পিত আজি স্বৰ্গপুৰী ! এয়া কিহৰ লক্ষণ ? বৰুণদেৱ , কিয় কঁপিছে মোৰ স্বৰ্গপুৰী ?

বৰুণ ঃ দেৱৰাজ, এয়া অশুভ লক্ষণ । নিশ্চয় কাৰোবাৰ কুদৃষ্টি পৰিছে আমাৰ স্বৰ্গপুৰীত ।

**সূত্ৰ ঃ এনেতে বেগেৰে অগ্নিদেৱ----------------------**

অগ্নি ঃ -- দেৱৰাজ , দেৱৰাজ , সাজু হওক , সাজু হওক ৰণৰ বাবে --- আহিব ধৰিছে স্বৰ্গৰ দিশে কোনোবা অসুৰ । তাৰেই পদভৰত কম্পিত অম্ৰাৱতীপুৰ --

ইন্দ্ৰ ঃ কি ক'লে অগ্নিদেৱ , অসুৰ ! পুনৰ অসুৰে কৰে মোৰ স্বৰ্গ আক্ৰমণ । আঃ ইমান সাহস সিহঁতৰ। বাৰে বাৰে পৰাস্ত হৈওঁ স্বৰ্গলৈ কৰে হাবিয়াস । দেৱগণ , সাজু হওক পুনৰ আহিছে অসুৰ , পৰাস্ত কৰি সিহঁতক সুৰক্ষিত কৰোঁ আমাৰ অম্ৰাৱতীপুৰ ।

বৰুণ ঃ চিন্তা নকৰিব দেৱৰাজ , আহক অসুৰ , কৰিছে সিহঁতে মিছাতেই গৰ্জন । বৰুণ দেৱ মই ; প্ৰৱল বৃষ্টিপাতে প্লাৱন সৃষ্টিৰে দুৰ্মতি অসুৰক মই কৰিম নিধন।

অগ্নি ঃ অগ্নিদেৱ মই । উষ্ণ বহ্নি ঢালি চাৰখাৰ কৰি দিম মই অসুৰ বাহিনীক, ভস্মধূলা হৈ সিঁচৰিত হ'বগৈ সিহঁত ধৰাৰ বক্ষত । ব'লক দেৱৰাজ, জয় দেৱৰাজৰ, জয় দেৱৰাজৰ, জয় দেৱৰাজৰ -

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। আনফালে বজ্ৰকাল , কালন্তক আৰু প্ৰজংঘ সোমাই আহে-----**

বজ্ৰকাল ঃ সেনাগণ, সৌৱা স্বৰ্গৰ দ্বাৰ । হোৱা সাজু, সিংহৰ দৰে জঁপিয়াই পৰোঁগৈ আমি দেৱতাৰ বক্ষত

**সূত্ৰ ঃ এনেতে দেৱগণ-------------------**

ইন্দ্ৰ ঃ সাৱধান অসুৰ , জাতত হীন , কুলত হীন , বলত দুৰ্বল তহঁত মোৰ শৰণাগত । তেনেস্থলত কোন সাহসেৰে তহঁতে কৰ মোৰ স্বৰ্গত প্ৰৱেশ ?

বজ্ৰ ঃ সাৱধান , তহঁতৰ অহংকাৰ আৰু নসহে অসুৰে । হীন বুলি , নীচ বুলি আৰু আমাক নকৰিবি তাচ্ছিল্য । মনত ৰাখিবি, অসুৰ নহয় কদাপি ভীৰু , অসুৰ নহয় কাৰো শৰণাগত । সিংহ আমি আৰু সিংহই কদাপি নলয় শৰণ ভালুকৰ ওচৰত হাঃ হাঃ হাঃ ---

অগ্নি ঃ ভুল কৰিছ অসুৰ , দেৱতাক দুৰ্বল বুলি নকৰিবি তাচ্ছিল্য । দেৱশক্তিক কৰি তাচ্ছিল্য কোনো অসুৰে আজিলৈকে পোৱা নাই পৰিত্ৰাণ , আজিয়েই পাবি তহঁতে ইয়াৰ প্ৰমাণ।

বজ্ৰকাল ঃ উত্তম ; সেনাগণ, কৰা আক্ৰমণ , কাঢ়ি লওঁ মই ইন্দ্ৰৰ ইন্দ্ৰাসন ----

গীত

মহাক্ৰোধে দুয়ো দলে ৰণ আৰম্ভিলা ।
জিনো বুলি ৰণ আজি প্ৰহাৰ কৰিলা ।।
হেন জানি নৰলোকে এৰা আন কাম ।
নিৰন্তৰে সৱে ডাকি বোলা ৰাম ৰাম ।।

**সূত্ৰ ঃ সমদল যুদ্ধ হয়। যুদ্ধ কৰি কৰি বাকীসকলৰ প্ৰস্থান। সভাত বজ্ৰকাল আৰু ইন্দ্ৰ--**

ইন্দ্ৰ ঃ দুৰ্মতি অসুৰ , নাজান তই, দেৱেন্দ্ৰ মই , কত অসুৰৰ মই হৰিলো প্ৰাণ । তথাপি নিচিনিলি তই মোৰ শক্তিক ---

বজ্ৰকাল ঃ --- দেৱেন্দ্ৰৰ শক্তি -- হাঃ হাঃ হেৰ' দুৰ্মতি দেৱেন্দ্ৰ, মিথ্যা অহংকাৰত গৰ্বিত দেৱতা । জানো, কিমান শকতি ৰাখিছ দুবাহুত তই । বিষ্ণুৰ আশ্ৰিত , বিষ্ণুৰ পালিত তই দুৰ্বল দেৱতা । চল কৰি জিনিছিলি পূৰ্বে দুৰ্দান্ত অসুৰক । এইবাৰ নাপাবি সেই সুযোগ । নিচিনিলি তই মোক -- অসুৰ মই বজ্ৰকাল , দেৱতাৰ বাবে মই মহাকাল হাঃ হাঃ হাঃ---

ইন্দ্ৰ ঃ মুখৰ কথাৰ নাই প্ৰয়োজন অসুৰ। মাথো ৰণ কৰ তই মোৰ সমে ।

**সূত্ৰ ঃ যুদ্ধ হয়------ ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ যুদ্ধত বজ্ৰকাল পলাই যায় । এনেতে অগ্নি আৰু বৰুণ সোমাই আহে ------**

অগ্নি ঃ জয় দেৱৰাজ ইন্দ্ৰৰ , জয় দেৱৰাজ ইন্দ্ৰৰ , জয় দেৱৰাজ ইন্দ্ৰৰ ---

বৰুণ ঃ দেৱৰাজ , দেৱশক্তিৰ আগত নোৱাৰি তিষ্ঠিব বাকী অসুৰেও কৰিছে পলায়ন । সৌৱা , সৌৱা চাওক দেৱৰাজ , ভীতিগ্ৰস্ত অসুৰে ত্ৰাহি ত্ৰাহি কৰি কৰিছে পলায়ন হাঃ হাঃ ---

ইন্দ্ৰ ঃ দেৱগণ , অসুৰক নিদিব পলায়নৰ সুযোগ । যাওক খেদি সিহঁতক । এটাও অসুৰ যাতে নাথাকে জীৱিত। নতু সিহঁতে মোৰ স্বৰ্গ পুনৰ কৰিব আক্ৰমণ। যাওক দেৱগণ ,অসুৰ নিধন কৰি স্বৰ্গক চিৰদিনৰ বাবে কৰক সুৰক্ষিত ।

অগ্নি ঃ আদেশ পালন কৰা হ'ব দেৱৰাজ ; বধ কৰিম আজি সমস্ত অসুৰক -- ব'লক বৰুণদেৱ --

**সূত্ৰ ঃ অগ্নি আৰু বৰুণ বেগেৰে প্ৰস্থান কৰে। পাছত ইন্দ্ৰৰ প্ৰস্থান। আনহাতে সভাত ৰাক্ষস কেশীৰ প্ৰৱেশ ----------------**

**গীত - (ৰাগ ঃ কানাড়া; তাল ঃ ভঙ্গী )**

**প্ৰৱেশ কৰিয়া আহে কেশী মহাবীৰ।**
**ৰাক্ষসৰ ৰূপ দেখা অতি ভয়ংকৰ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ঘোষিওক ৰাম হৰি পাপ হৌক দুৰ।।**

কেশী ঃ হাঃ হাঃ ৰাক্ষস মই পাতালৰ , মহাবলী মহা ৰাক্ষস মই কেশী -- সমগ্ৰ পাতাল আজি কম্পিত মোৰ পৰাক্ৰমত । আঃ নাপালো পাতালত মোৰ সমকক্ষ বীৰ, পলোৱা নাই মোৰ ৰণ তৃষ্ণা । সেয়ে কৰিছো স্থিৰ , প্ৰৱেশিম মৰ্ত্ত্যত , বিচাৰিম মোৰ সমকক্ষ বীৰ। প্ৰথমে মৰ্ত্ত্য, পাছে স্বৰ্গ হাঃ হাঃ ত্ৰিলোকবিজেতা হ'ব এদিন এই ৰাক্ষস কেশী । দশোদিশে উৰিব মোৰ বিজয় পতাকা , দেৱ - দানৱ, যক্ষ, ৰক্ষ, নাগ, মনুষ্য সকলোৱে কৰিব মোকেই বন্দনা । সাৱধান মৰ্ত্ত্যবাসী , সাৱধান স্বৰ্গবাসী , মহা কালৰূপে গৈ আছে তহঁতৰ বাবে এই মহা ৰাক্ষস কেশী হাঃ হাঃ হাঃ -----

**সূত্ৰ ঃ বেগেৰে কালন্তক আৰু প্ৰজংঘ আহে ---------------**

কা+প্ৰ ঃ ৰক্ষা কৰক , ৰক্ষা কৰক -------- দেৱতাৰ কোপৰ পৰা আমাক ৰক্ষা কৰক।

কেশী ঃ কোন তহঁত ? কিয় আৰু কোন দেৱতাৰ ভয়ত তহঁত এনেদৰে হৈছ ভীতিগ্ৰস্ত ?

কালন্তক ঃ হে বীৰ, মহাক্ৰোধে দেৱতাই আমাক আহিছে খেদি । প্ৰাণৰ মমতাত আমি প্ৰৱেশিলো পাতালত । ক্ৰোদ্ধ দেৱতা প্ৰৱেশিব ইয়াত । আমাক ৰক্ষা কৰক , দেৱতাৰ ক্ৰোধৰ পৰা আমাক ৰক্ষা কৰক ।

কেশী ঃ হাঃ হাঃ নিৰ্ভয়ে থাক তহঁত । দেৱতাৰ নাই সাহস পাতালত প্ৰৱেশৰ । যদিওবা কৰে প্ৰৱেশ, তেন্তে এই ৰাক্ষস কেশীয়ে হাঃ হাঃ --- কিন্তু , কিয় দেৱতাই তহঁতক কৰিলে ক্ৰোধ ?

প্ৰজংঘ ঃ হে ৰাক্ষস ৰাজ, আমি সেনাপতি অসুৰেশ্বৰ বজ্ৰকালৰ , নাম মোৰ প্ৰজংঘ আৰু এওঁ কালন্তক। গৈছিলো আমি স্বৰ্গ আক্ৰমণৰ হেতু ।

কেশী ঃ গৈছিলি স্বৰ্গ আক্ৰমণৰ হেতু ? বাঃ উত্তম ; পাছে কিয় সোমালিহি এই পাতালপুৰীত ?

প্ৰজংঘ ঃ দেৱতাৰ বলক আগে নাজানিলো আমি , ৰণত দেৱতাৰ হাতত হ'লো ধৰাশায়ী । দেৱেন্দ্ৰৰ হাতত আমাৰ অসুৰেশ্বৰ বজ্ৰকালো হ'ল পৰাস্ত। পৰাক্ৰমী দেৱতাই খেদি আহিছে আমাক ---

কেশী ঃ স্তব্ধ হ নিৰ্লজ অসুৰ । বলবান দেৱতা --পৰাক্ৰমী দেৱতা --আঃ নিজ পৰাজয়ক নিদি ধিক্কাৰ শত্ৰুৰ প্ৰশংসাত তহঁত হৈছ পঞ্চমুখ ।

কালন্তক ঃ ৰাক্ষসৰাজ , শৰণাগত হৈছো আমি আপোনাৰ ; আশ্ৰয় দিয়ক আমাক আপোনাৰ ৰাজ্যত ।

**সূত্ৰ ঃ এনেতে বজ্ৰকাল আহে ------**

বজ্ৰকাল ঃ কালন্তক --, প্ৰজ

কালন্তক ঃ অসুৰেশ্বৰ ; অসুৰেশ্বৰ আপুনি আছে জীৱিত ---- ?

প্ৰজংঘ ঃ অসুৰেশ্বৰ , আমাক ক্ষমা কৰক । নোৱাৰিলো আমি দেৱতাক জিনিব , প্ৰাণৰ মমতাত প্ৰৱেশিলো পাতালত ---- শৰণ ললোহি আমি এই ৰাক্ষসৰাজ কেশীৰ --

বজ্ৰকাল ঃ আঃ কলংক তহঁত অসুৰৰ নামত । কলংক তহঁত অসুৰ সেনাপতিৰ নামত । ৰণত ৰাজনক নকৰি সহায় , নকৰি পুনৰ দেৱতাক আক্ৰমণ, পলাই আহি লৈছহি শৰণ এক অচিন ৰাক্ষসৰ ।

কেশী ঃ বজ্ৰকাল ; কোনে কলংক সানিলে নিজৰেই অসুৰ জাতত ? কিমান শক্তি তোৰ জানিলো মই । অসুৰেশ্বৰ আছিলি তই অসুৰ সেনাৰ । সুৰক্ষা দিব লাগিছিল তই নিজ সেনাক । পাছে, হাঃ হাঃ নিজে পৰাস্ত হ'লি তই দেৱেন্দ্ৰৰ হাতত । শতবাৰ ধিক্কাৰ দিছো মই তোৰ বীৰত্বত ।

বজ্ৰকাল ঃ আঃ ৰাক্ষস , তোৰ ইমান সাহস । অসুৰৰাজ বজ্ৰকালক তই কৰ তিৰস্কাৰ । তোৰ লগত মোৰ নাই শত্ৰুতা , নিজ সীমাৰ ভিতৰত থাক তই । নতু -------

কেশী ঃ নতু --; নতু কি কৰিবি তই ?
বজ্ৰকাল ঃ নতু শাস্তি হ'ব তোৰ অতিকে ভীষণ, নিমিষতে অন্ত কৰিম মই তোৰ জীৱন।
কেশী ঃ পাতাল বিজেতা এই মহা ৰাক্ষসক আজি পলৱীয়া অসুৰে দিয়ে প্ৰাণৰ ভাবুকি হাঃ হাঃ আঃ দুৰ্মতি অসুৰ, নিচিনিলি তই মোক। ময়ে হ'লো পাতাল বিজেতা মহাবীৰ, মহাকায়, মহা ৰাক্ষস কেশী। জিনিম মৰ্ত্ত্য মই শীঘ্ৰেই প্ৰৱেশি। মৰ্ত্ত্য জিনি মই প্ৰৱেশিম সৰগত, শাসন কৰিম মই তিনি ত্ৰৈলোক্যত হাঃ হাঃ --শুন অসুৰ, দিছো উপদেশ, তোৰে মোৰে নাই বিভেদ; কৰ বশ্যতা স্বীকাৰ তই ৰাক্ষস কেশীৰ। দুয়ো মিলি দেৱতাক জিনি দূৰ কৰিম তোৰ পৰাজয়ৰ গ্লানি।
বজ্ৰকাল ঃ অসম্ভৱ, হ'ব পাঁৰো পৰাস্ত দেৱেন্দ্ৰৰ হাতত, তথাপি নহওঁ মই বিচলিত। নিজ বলেৰে পুনৰ স্বৰ্গ কৰি আক্ৰমণ উদ্ধাৰিম মোৰ হেৰুৱা মান। আৰু -- হাঃ হাঃ ৰাক্ষস হৈ তই দিয় মোক প্ৰস্তাৱ তোৰ বশ্যতা স্বীকাৰ; আঃ ৰাক্ষস, কিয় দিয় মোক এনে অপমান ? মোৰো আছে স্বাভিমান, ময়ো অসুৰ বজ্ৰকাল, শক্তি আছে যদি জিনি ল তই উচ্চ স্থান।
কেশী ঃ দিছিলো এক সুযোগ তোক জীয়াই থকাৰ। নল'লি আদৰি তই নিজৰ মূৰ্খামিত। উত্তম, অতি উত্তম, ৰণৰ বাবে প্ৰস্তুত মই ----
বজ্ৰকাল ঃ সেয়ে হওক, ধৰ অস্ত্ৰ।

**গীত**

**এহিবুলি দুয়োবীৰে যুদ্ধ আৰম্ভিলা।**
**চোকা চোকা অস্ত্ৰ দুয়ো প্ৰহাৰ কৰিলা।।**
**অস্ত্ৰঘাটে বজ্ৰকাল হৈলা পৰাভূত।**
**ৰাম হৰি ডাকি বোলা সামাজিক লোক।।**

**সূত্ৰ ঃ যুদ্ধত বজ্ৰকাল নিহত হয়। দেখি কেশীয়ে যি কয়--**

কেশী ঃ এই শক্তিৰেই বলশালী কেশীক দিয় তই ৰণৰ প্ৰস্তাৱ ? বজ্ৰকাল, নিজৰ মৃত্যুক তই নিজেই ললি চপাই। তহঁতেও লৰ নেকি ------ ?
কালন্তক ঃ হে ৰাক্ষস বীৰ শিৰোমণি, আমি আপোনাৰ বশ্যতা কৰিছো স্বীকাৰ। অসুৰৰাজ বজ্ৰকালৰ দৰে আমি নকৰোঁ ভুল। প্ৰাণ থকা লৈকে পদসেৱা কৰিম আপোনাৰ। কৃপা কৰি নবধিব আমাক।
প্ৰজংঘ ঃ হয় ৰাজন, আপোনাৰ ভৃত্য হৈ থাকিম আমি ওৰেটো জীৱন। প্ৰয়োজন হ'লে আপোনাৰ বাবে নিজ প্ৰাণকো দিম বিসৰ্জন। কৃপা কৰি নবধিব আমাক।
কেশী ঃ হাঃ হাঃ সন্তোষিত হ'লো তহঁতৰ বচনত। শুন তেন্তে, মই ৰাক্ষস তহঁত অসুৰ। ৰাক্ষস আৰু অসুৰৰ এই যুগল বন্দীৰে শাসন কৰিম আমি ত্ৰিভূৱণত। স্বৰ্গৰ দেৱতা, মৰ্ত্যৰ মানৱ, পাতালৰ বাসুকী সৱে হ'ব আমাৰ পদানত। সেই হেতু অভ্ৰভেদী দে জয়ধ্বনি ৰাক্ষসৰাজ কেশীৰ; সচকিত হওক মৰ্ত্ত্যবাসী, শংকিত হওক স্বৰ্গবাসী আমাৰ উত্থানত হাঃ হাঃ হাঃ ---
প্ৰজংঘ ঃ জয় ৰাক্ষস ৰাজ কেশীৰ, জয় ৰাক্ষস ৰাজ কেশীৰ, জয় ৰাক্ষসৰাজ কেশীৰ -----
কেশী ঃ তেন্তে যাওঁ আমি এতিয়া মৰ্ত্ত্যপুৰী। মৰ্ত্ত্য জিনি যাত্ৰা কৰিম সৱে স্বৰ্গপুৰীলৈ হাঃ হাঃ হাঃ ---

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান। সভাত গন্ধৰ্ব বিশ্বৰূপৰ প্ৰৱেশ---------------**

**গীত ঃ (ৰাগ ঃ গান্ধাৰ, তাল ঃ ৰচক )**

**আৱত সভাৰ মধ্যে গন্ধৰ্ব বিশ্বৰূপ।**
**দিব্য বস্ত্ৰে শোভে দেৱ ৰূপে অপৰূপ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

বিশ্বৰূপ ঃ দেৱতাৰ সখা মই গন্ধৰ্ব বিশ্বৰূপ; যাত্ৰা মোৰ সৌ অমৰাৱতীপুৰে; যাঁও নকৰোঁ পলম ---

**সূত্ৰ ঃ বিশ্বৰূপৰ প্ৰস্থান। সভাত স্বৰ্গৰ অপেশ্বৰী উৰ্বশী, কৰ্ণিকা আৰু অচিতাৰ প্ৰৱেশ-**

গীত- (ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )
সভাত চলিয়া আহে অপ্সৰা উৰ্বশী।
সঙ্গে আহে সখীগণ স্বৰ্গৰ সুন্দৰী।।
লয় লাসে চলি আহে সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।

**সূত্ৰ ঃ অপেশ্বৰীগণৰ প্ৰস্থান। সভাত ইন্দ্ৰ, অগ্নি আৰু বৰুণ দেৱৰ প্ৰৱেশ---**

ইন্দ্ৰ ঃ ইন্দ্ৰ মই দেৱলোকৰ , দেৱৰাজ মই দেৱ সমাজৰ। নহয় কাৰো দ্বাৰা পালিত, নহয় কাৰো দ্বাৰা আশ্ৰিত মই ; তেত্ৰিশ কোটি দেৱতাৰ পালক মই । এই দুবাহুৰে হৰুৱালো বজ্ৰকাল অসুৰক , সুৰক্ষিত কৰি যাম অম্ৰাৱতীক নিজ বাহু বলেৰে মই হাঃ হাঃ --

বৰুণ ঃ অমৃতৰ আশাৰে অসুৰে কৰিছিল স্বৰ্গ আক্ৰমণ। কিন্তু নোৱাৰিলে , দেৱতাৰ পৰাক্ৰমত অসুৰে ল'লেগৈ আশ্ৰয় আজি পাতালপুৰীত হাঃ হাঃ ---

অগ্নি ঃ আৰু নকৰিব সাহস স্বৰ্গ আক্ৰমণৰ । দেৱতাৰ বিজয় গাঁথা পুনৰবাৰ আজি প্ৰচাৰিত জগতত , বন্দিত আজি আমি মৰতত । তিনি ত্ৰৈলুক্যত গুঞ্জৰিত হৈছে আমাৰেই বন্দনা ---

**সূত্ৰ ঃ এনেতে গন্ধৰ্ব বিশ্বৰূপ আহে --**

বিশ্বৰূপ ঃ প্ৰণাম দেৱৰাজ, প্ৰণাম দেৱগণ, দেৱাসুৰ সংগ্ৰামত বিজয় প্ৰাপ্তিৰ বাবে আপোনাৰক জনালোঁ ওলগ

ইন্দ্ৰ ঃ আঁহা বিশ্বৰূপ আঁহা , দেৱতাৰ শুভচিন্তকক সদা আদৰোঁ মই । ধন্যবাদ তোমাৰ শুভ কামনাৰ বাবে । উচিত সময়তেই আহিলা তুমি ।

বৰুণ ঃ দেৱৰাজ , পাইছো বিজয় শত্ৰুৰ ওপৰত , আহিছে গন্ধৰ্বদেৱ , সেয়ে কৰোঁ অনুৰোধ সোণত সুৱগা চৰক , আয়োজন কৰক অপেশ্বৰীৰ নৃত্যানুষ্ঠান ।

ইন্দ্ৰ ঃ হাঃ হাঃ বৰুণদেৱ , অমৰমণ্ডলীৰ মনৰ অভিপ্ৰায় জানো মই । চিন্তা নকৰিব , সাজু হৈ আছে মোৰ অপেশ্বৰীগণ । উৰ্বশী -------------

**সূত্ৰ ঃ উৰ্বশী, কৰ্ণিকা আৰু অচিতা সোমাই আহে-------------**

উৰ্বশী ঃ প্ৰণাম দেৱৰাজ , প্ৰণাম দেৱগণ ---

ইন্দ্ৰ ঃ আঁহা উৰ্বশী, স্বৰ্গৰ বৈভৱ তুমি, দেৱগণৰ তুমি নয়নৰ মণি। সৃষ্টি কৰি নাৰায়ণে নিজ উৰুৰ পৰা তোমাক আমাকেই কৰিলে অৰ্পণ। উৰ্বশী, আছে গন্ধৰ্ব বিশ্বৰূপ ; আৰম্ভ কৰা নৃত্যানুষ্ঠান । মোহিত কৰা দেৱ সমাজক তোমাৰ নৃত্যৰে। প্ৰমাণিত কৰা তুমিয়েই সৰ্বশ্ৰেষ্ঠা নৃত্যাঙ্গনা এই দেৱলোকৰ ।

উৰ্বশী ঃ ধন্যবাদ দেৱগণ ; অপ্সৰা মই , দেৱসমাজক মনোৰঞ্জন দিয়াই কৰ্তব্য আমাৰ । সদা প্ৰস্তুত আছো মই নৃত্যৰ বাবে। আঁহা সখীগণ , নৃত্যানুষ্ঠানৰ কৰোঁ আয়োজন ।

**সূত্ৰ ঃঅপেশ্বৰীয়ে নৃত্য আৰম্ভ কৰে। দেৱগণ আত্মহাৰা হয়। নাৰদৰ কণ্ঠস্বৰ শুনা যায় -**

ইন্দ্ৰ ঃ ৰ'বা , দেৱৰ্ষিৰ আগমন ঘটিছে যেন পাওঁ ----

**সূত্ৰ ঃ নাৰদ সোমাই আহে----------**

নাৰদ ঃ নাৰায়ণ--,আ-হাহা যি ভাবি আহিছিলো সেয়াই সত্য। দেৱগণ উল্লাহিত আজি বিজয় উৎসৱত । দেৱগণ আত্মহাৰা আজি অপেশ্বৰীৰ নৃত্যত ----

ইন্দ্ৰ ঃ দেৱৰ্ষি, কিয় নাপাতিম আমি বিজয় উৎসৱ ? কিয় নকৰিম উপভোগ আমি অপেশ্বৰীৰ নৃত্য ? সৰগৰ বিভূতি এই সুন্দৰী অপেশ্বৰীগণ । এওঁলোকৰ নৃত্য উপভোগ কৰাটো দেৱতাৰ অধিকাৰ ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, নিশ্চয় এয়া দেৱতাৰ অধিকাৰ -- হাঃ হাঃ পাছে স্বৰ্গই যেতিয়া নহ'ব সুৰক্ষিত, তেনেস্থলত আকৌ ক'ত দেৱতাই সাব্যস্ত কৰিব অধিকাৰ ?

অগ্নি ঃ দেৱৰ্ষি , কিয় নহ'ব স্বৰ্গ সুৰক্ষিত ? নিজ বলে পালো বিজয় আমি অসুৰৰ ওপৰত । দেৱতাৰ ভয়ত দুৰ্মতি অসুৰে মৰত এৰি পাতালত ললেগৈ শৰণ --

নাৰদ ঃ হাঃ হাঃ অগ্নিদেৱ, বিজয় মাথো চমকণি ; ৰাখিব মনত এই আনন্দ , এই বিলাস মাথো ক্ষণস্থায়ী দেৱতাৰ ভাগ্যত ---

ইন্দ্ৰ ঃ আপোনাৰ কথনৰ তাৎপৰ্য নুবুজিলো দেৱৰ্ষী ----

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --আমাৰ অনুমানেই তেন্তে সত্য -- ক'ত বুজিব ? কিয় বুজিব ? অসতৰ্ক দেৱগণ, অদুৰদৰ্শী দেৱৰাজ । দেৱগণ , মৰ্ত্ত্যত এইবাৰ অসুৰ আৰু ৰাক্ষস হৈছে একত্ৰিত । আঁচনি পাঙিছে পুনৰ স্বৰ্গ আক্ৰমণৰ ।

ইন্দ্ৰ ঃ কি ক'লে দেৱৰ্ষি ? স্বৰ্গ আক্ৰমণ ! **(অপেশ্বৰীগণক যাবলৈ ইঙ্গিত দিয়ে )** আঃ বাৰে বাৰে অসুৰে কৰে মোৰ স্বৰ্গ আক্ৰমণ !

বৰুণ ঃ দেৱৰাজ , দেৱতাৰ সুখ শান্তি নহ'ব কিজানি । সৰ্বদা ব্যস্ত থাকিম নেকি আমি অসুৰ দমনত ?

ইন্দ্ৰ ঃ দেৱৰ্ষি, দিয়ক আপুনিয়ে উপায় , কিদৰে সুৰক্ষিত কৰোঁ মোৰ অম্ৰাৱতীক চিৰকালৰ বাবে।

নাৰদ ঃ দেৱৰাজ, আমি হ'লো ব্ৰহ্মচাৰী নাৰদ। কিদৰেনো দিম ৰাজনীতিৰ জ্ঞান ? উপায় যদি লাগে যাওক আমাৰ প্ৰভু নাৰায়ণৰ কাষে । আমি এতিয়া বিদায়হে মাগো ---- **( প্ৰস্থান )**

ইন্দ্ৰ ঃ দেৱগণ , নাৰায়ণেই একমাত্ৰ ভৰষা আমাৰ । ব'লক যাওঁ সকলো বৈকুণ্ঠধামলৈ।

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। সভাত বিষ্ণু------**

বিষ্ণু ঃ ভয়তহে ভজে দেৱগণে আমাক । আজি পুনৰবাৰ প্ৰতীয়মান হ'ব এই বৈকুণ্ঠধামতে দেৱতাৰ বেলিকা। হাঃ হাঃ স্বৰ্গহাৰা হওঁ বুলি , ভোগ বিলাসৰ পৰা বঞ্চিত হওঁ বুলি দেৱতা আহিব ধৰিছে আমাৰেই ধামলৈ । যিয়েই নহওক নকৰোঁ আমি কাকো নিৰাশ , যিয়েই যিটো ৰূপে ভজে আমাক সেই ৰূপেই পাব আমাক ----

**সূত্ৰ ঃ দেৱগণ আৰু বিশ্বৰূপ সোমাই আহে---------**

ইন্দ্ৰ ঃ ৰক্ষা কৰক , আমাক ৰক্ষা কৰক ;-- হে লক্ষ্মীপতি , বিপদ ভঞ্জনকাৰী , আমাক ৰক্ষা কৰক ।

বিষ্ণু ঃ দেৱগণ , কিয় আতুৰ হৈ প্ৰৱেশিছা আমাৰ ধামত ?

ইন্দ্ৰ ঃ হে পদ্মলোচন , প্ৰভু নাৰায়ণ , আপুনি সৰ্বজ্ঞ। অসুৰৰ হাতৰ পৰা স্বৰ্গপুৰী ৰক্ষাৰ উপায় দিয়ক আমাক । স্বৰ্গই মুহিছে অসুৰক, স্বৰ্গই মুহিছে ৰাক্ষসক। আক্ৰমণৰ আঁচনি পাঙিছে সিহঁতে মনত।

অগ্নি ঃ বাৰে বাৰে অসুৰে স্বৰ্গ কৰে আক্ৰমণ। দেৱতাৰ সুখ শান্তি হৰে অসুৰে। আমাক উদ্ধাৰ কৰক প্ৰভু।

বিষ্ণু ঃ স্বৰ্গ হৈছে ভোগৰ স্থান। তেনে স্থানলৈ অসুৰ কিম্বা ৰাক্ষসে বাঞ্চা কৰাটো স্বাভাৱিক । স্বৰ্গৰ গৰাকী হৈছা যেতিয়া দেৱেন্দ্ৰ , সুৰক্ষাৰ দায়িত্বও ল'বা কান্ধ পাতি ।

ইন্দ্ৰ ঃ আমাক নিৰাশ নকৰিব প্ৰভু । বাৰে বাৰে অসুৰৰ লগত কৰি ৰণ আমি হৈছো বিব্ৰত। হে নাৰায়ণ, দেৱৰ্ষিয়ে দিলে বাৰ্তা পুনৰ ৰাক্ষস আৰু অসুৰে কৰিব স্বৰ্গ আক্ৰমণ। হে পদ্মনাভ, দয়া কৰক, কৃপা কৰক আমাক , অসুৰ নাশ কৰি শান্তি প্ৰতিষ্ঠা কৰক সৰগ ধামত ।

বিষ্ণু ঃ দেৱগণ , বিধাতাৰ লিখন আমি নোৱাৰো খণ্ডাব । তদুপৰি সকলো অসুৰৰ আমাৰ হাতত নাথাকে মৰণ । তথাপি শৰণাগতক ৰক্ষা কৰাটো কৰ্তব্য আমাৰ , সেয়ে দিছো সমিধান , সকলো সমস্যাৰে থাকে বিধান , চন্দ্ৰবংশী মনুষ্য ৰাজন পুৰুৰবাৰৰ তোমালোকে লোৱা সহায় ।

ইন্দ্ৰ ঃ মনুষ্য ৰাজন পুৰুৰবাই আমাক কৰিব সহায় !

বিষ্ণু ঃ নিশ্চয় ; দেৱতাৰ হিতাকাংখী পুৰুৰবাটো তোমাৰ মিত্ৰ দেৱৰাজ। বাৰু , দেৱৰ্ষিয়ে এই কায্যতো তোমালোকক কৰিব সহায় ।

ইন্দ্ৰ ঃ ধন্য ধন্য প্ৰভূ, কৃতাৰ্থ হ'লো আমি । তেন্তে আমি এতিয়া বিদায়হে মাগো ।

বিষ্ণু ঃ যোৱা দেৱগণ , আমিও নিজ কায্যত হওঁ অগ্ৰসৰ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত ধূপ - দীপ লৈ পুৰুৰবাৰ প্ৰৱেশ-----**

পুৰুৰবা ঃ --( স্তুতি )-----------নমো নমো নাৰায়ণ কমল লোচন।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণাম ।।
ধূপদীপ পুষ্পাঞ্জলী কৰিছো অৰ্পণ ।
নিজ গুণে তুষ্ট হৈয়া কৰিবা গ্ৰহণ ।।
---- হে প্ৰভূ, কৃপা দৃষ্টি ৰাখিবা তুমি মোৰ আৰু প্ৰজাগণৰ ওপৰত।

**সূত্ৰ ঃ এনেতে গীত গাই নাৰদ আহে ----------------**

পুৰুৰবা ঃ সুমধুৰ হৰিনাম শুনিছো মই ; -- ই কি দেৱৰ্ষিৰ ঘটিছে আগমণ ? আহক আহক দেৱৰ্ষি, অহো ভাগ্য মোৰ , আপোনাৰ পদধূলাৰে পবিত্ৰ হ'ল আজি মোৰ ৰাজ্য ।

নাৰদ ঃ হে বুধ নন্দন পুৰুৰবা , মহান কুলত জনম লভি , নিজ গুণেৰে হৈ খ্যাতিমান ধৰাত আপুনি কৰিছে শাসন । সেইহেতু আহিছো আমি আপোনাৰ সমীপে দেৱেন্দ্ৰৰ অনুৰোধত --

পুৰুৰবা ঃ দেৱেন্দ্ৰৰ অনুৰোধ --; কিবা বিপদ হৈছে নেকি দেৱপুৰীত ? কওক দেৱৰ্ষি, কিয় মিত্ৰ দেৱৰাজে পঠালে আপোনাক মোৰ সমীপে।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ -- আপোনাৰ অনুমান সত্য ৰাজন । দেৱ সমাজ আজি চিন্তিত মৰ্ত্যৰ অসুৰ আৰু ৰাক্ষসক লৈ। বাৰে বাৰে অসুৰে স্বৰ্গ আক্ৰমণ কৰি দেৱতাৰ শান্তি কৰিছে বিনষ্ট। সেই হেতু দেৱেন্দ্ৰই বিচাৰিছে ইয়াৰ পৰিত্ৰাণ ---

পুৰুৰবা ঃ বুজিছো দেৱৰ্ষি ; কোন অসুৰে পুনৰ স্বৰ্গ কৰে আক্ৰমণ ? পুৰুৰবাই দিব তাক উচিত দণ্ড ।

নাৰদ ঃ সদ্যহতে কৰা নাই অসুৰে স্বৰ্গ আক্ৰমণ । কিন্তু সম্ভাৱনা অতিকে প্ৰৱল ; যিহেতু মহাবলী ৰাক্ষস কেশীয়ে সৰগ আক্ৰমণৰ ৰাখিছে হাবিয়াস । সেয়েহে.-------

পুৰুৰবা ঃ নিশ্চিন্ত থাকক দেৱৰ্ষি ; হে দেৱগণ, মনৰ শংকা ত্যেজক এতিক্ষণে ; হাতে অস্ত্ৰ লৈ কেশীকে ধৰি মৰ্ত্যৰ সকলো অসুৰকে এই পুৰুৰবাই কৰিব নিধন । যতদিন মৰতত থাকিব এই পুৰুৰবা ততদিন কোনো অসুৰ , দানৱ কিম্বা ৰাক্ষসে কুদৃষ্টি দিব নোৱাৰিব সৰগত ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ -- আপুনি পৰাক্ৰমী ইলা নন্দন। নিশ্চয় আপুনি হ'ব সফল ।

পুৰুৰবা ঃ আশীৰ্বাদ কৰিব দেৱৰ্ষি।

নাৰদ ঃ ভগৱন্তই আপোনাক কৰিব সহায়। পিছে আমি এতিয়া বিদায়হে মাগো, নাৰায়ণ নাৰায়ণ।

পুৰুৰবা ঃ যাওক দেৱৰ্ষি, অচিৰেই মই অসুৰ নিধন অভিযানৰ কৰিম আৰম্ভ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত কেশী আৰু কালন্তক -----**

কেশী ঃ কালন্তক, হেলাৰঙে মই মৰতত সাম্ৰাজ্য কৰিছো বিস্তাৰ । পোৱা নাই অদ্যপি মোৰ সমকক্ষ বীৰ এই ধৰাৰ বক্ষত । আঃ নহ'ব নেকি পূৰণ মোৰ ৰণৰ হেঁপাহ ---

কালন্তক ঃ ৰাজন, মৰতৰ মনুষ্য নহয় আপোনাৰ সমকক্ষ। যদি নকৰে ক্ৰোধ , দিওঁ প্ৰস্তাৱ স্বৰ্গই কৰক আক্ৰমণ । অ ৰাজন, স্বৰ্গৰ অপ্সৰা অতি মোহনীয়া, অতিকে অপৰূপা । দেৱতাক যদি কৰে পৰাস্ত তেনেহেন ৰূপৱতী অপ্সৰাও হ'ব আপোনাৰে অধীন হাঃ হাঃ -------

কেশী ঃ উত্তম প্ৰস্তাৱ কালন্তক । দেৱেন্দ্ৰই হ'ব মোৰ সমকক্ষ বীৰ । পৰাস্ত কৰি দেৱতাক , পদতলত ৰাখি দেৱেন্দ্ৰক সৰগৰ সৌন্দৰ্যক আমি কৰিম উপভোগ হাঃ হাঃ হাঃ ---

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ প্ৰজংঘ ------------**

প্ৰজংঘ ঃ ৰাজন , ৰাজন --------

কেশী ঃ কোৱা প্ৰজংঘ , কিয় এনেদৰে হৈছা উত্ৰাৱল ?

প্ৰজংঘ ঃ ৰাজন, হয়-হস্তী , গজ-বাজীৰে সজ্জিত হৈ প্ৰৱল বেগেৰে পুৰুৰবা আহিছে আমাকে ধীয়াই ।

কেশী ঃ প্ৰজংঘ , অসুৰৰ নামত কলংক তই । আহিছে শত্ৰু আমাকে ধীয়াই ; নকৰি প্ৰতিহত , নকৰি গ্ৰাস সিহঁতক শৃগালৰ দৰে আহিছ লৰি । কোন, কোন পুৰুৰবা ? কিয় আমাক সি কৰে আক্ৰমণ ?

প্ৰজংঘ ঃ দোষ ক্ষমিব ৰাজন । দেৱতাৰ মিত্ৰ চন্দ্ৰবংশী মনুষ্য ৰাজন পুৰুৰবা । দেৱশত্ৰু বিনাশৰ সি কৰিছে প্ৰতিজ্ঞা । সেই হেতু প্ৰচণ্ড বেগেৰে ধুমুহাৰ গতিৰে আহিছে আমাক বধিবৰ হেতু ।

কেশী ঃ প্ৰজংঘ !! তোৰ বচনত দেখিছো মই ভীৰুতাৰ পৰিচয় । পুৰুৰবা , এক সাধাৰণ মনুষ্যই ৰাক্ষস অসুৰক কৰিব নিধন । আঃ ইমান সাহস তাৰ ।

কালন্তক ঃ ৰাজন, মৃত্যুয়েহে তাক আনিছে টানি । আহক সিহঁত, চগা হৈ জাহ যাব আমাৰ অগ্নিকুণ্ডত ।

কেশী ঃ সেনাগণ , বজোৱা ৰণভেৰী , দিয়া জয়কাৰ , কঁপি উঠক গগন মণ্ডল । চাওঁ বাৰু কোন পুৰুৰবাই মোক বধিবৰ বাবে কৰে আগমণ -----

প্ৰজংঘ ঃ জয় ৰাক্ষসৰাজ কেশী , জয় ৰাক্ষসৰাজ কেশী , জয় ৰাক্ষসৰাজ কেশী ---

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান । আনহাতে যুদ্ধযাত্ৰা কৰি সেনাসহ পুৰুৰবাৰ প্ৰৱেশ আৰু প্ৰস্থান -**

গীত

যুদ্ধযাত্ৰা কৰি আহে পুৰুৰবা ৰাজন ।
দুৰ্জনক বধো বুলি স্থিৰ কৰি মন ।।
ৰণসাজে পাইলা গৈয়া সৱে ৰণাঙ্গন ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন ।।

**সূত্ৰ ঃ ৰণ কৰি কৰি সভাত কালন্তক আৰু বিক্ৰমসেন, প্ৰজংঘ আৰু মন্ত্ৰীবৰ ---------**

প্ৰজংঘ ঃ দুৰ্মতি মনুষ্য , নিজকে কৰ তহঁতে বুদ্ধিয়ক বুলি। তেন্তে কিয় আহিলি তহঁত অসুৰৰ লগত ৰণ কৰিববলৈ । প্ৰাণৰ মমতা কি তহঁতৰ হ'ল সমাপ্তি ?

মন্ত্ৰী ঃ বহুত অত্যাচাৰ কৰিলি তহঁতে দুৰ্বলীৰ ওপৰত, আজি পাবি তহঁতে তাৰ উচিত দণ্ড ।

কালন্তক ঃ আঃ শিয়ালৰ মুখত শুনো সিংহৰ গৰ্জন । নিশ্চিত মৰণ মিলিব আজি তহঁতৰ অসুৰৰ হাতত ।

বিক্ৰম ঃ মুখৰ কথাৰ আৰু নাই প্ৰয়োজন । অস্ত্ৰেৰে দেখুৱা তহঁতে বল বিক্ৰম। (যুদ্ধ )

গীত - (ৰাগ ঃ ভাটিয়ালী ; তাল ঃ ৰচক )

মহা ক্ৰোধে চাৰি বীৰে যুদ্ধ আৰম্ভিলা ।
পদভৰে বসুমতী কঁপিব লাগিলা ।।
অস্ত্ৰঘাটে অসুৰ বীৰ হৈলা পৰাভূত ।
বোলা হৰি হৰিয়োক সামাজিক লোক ।।

**সূত্ৰ ঃ যুদ্ধত বিক্ৰমসেনৰ হাতত কালন্তক আৰু মন্ত্ৰীৰ হাতত প্ৰজংঘৰ মৃত্যু হয়। সেই সময়তে পুৰুৰবাই ভীতিগ্ৰস্ত কেশীক খেদি আনে ----------------**

পুৰুৰবা ঃ সাৱধান ৰাক্ষস, ৰণ এৰি কিয় কৰিছ পলায়ন ?

কেশী ঃ হাঃ হাঃ সাহস যদি তোৰ আছে আহ তই মোৰ পাছে -- ( **কেশী পাতালত প্ৰৱেশ কৰে** )

পুৰুৰবা ঃ ৰ ৰ ৰাক্ষস , পাতালতো তই নাপাবি নিস্তাৰ , গৈছো মই তোৰ পাছে ----

মন্ত্ৰী ঃ ৰ'ব ৰ'ব ৰাজন , পাতালত আপুনি নকৰিব প্ৰৱেশ। পাতাল মনুষ্যৰ বাবে নহয় সুৰক্ষিত । নিশ্চয় এদিন পাতালৰ পৰা পুনৰ আহিব সেই দুষ্ট ৰাক্ষস । সেই সুযোগতে তাক কৰিব নিধন ।

পুৰুৰবা ঃ উচিত পৰামৰ্শ মন্ত্ৰীবৰ । অপেক্ষা কৰিম মই তালৈ। ব'লক যাওঁ এতিয়া ৰাজ্যলৈ ঘূৰি ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত উৰ্বশী, কৰ্ণিকা আৰু অচিতা আহে -----------**

উৰ্বশী ঃ সখীগণ , স্বগৰ্ব পৰিৱেশে আমুৰাইছে মোক । অমৰাৱতীৰ দেৱসমাজত কিমান থাকিম আৰু নৃত্যত আবদ্ধ হৈ ? এনে লাগে মোৰ যেন মুক্ত বিহংগৰ দৰে ত্ৰিভূৱণত কৰোঁ বিচৰণ।

কৰ্ণিকা ঃ সঁচা কথা সখী , আমাৰো লাগিছে আমনি এই স্বৰ্গপুৰীত । কিমাননো আৰু নৃত্যৰে মনোৰঞ্জন দিম দেৱগণক আমি ?

অচিতা ঃ তেন্তে ব'লা কৰোঁ আমি ভ্ৰমণ বিহাৰ । নব্য পৰিৱেশত মনো হ'ব আমাৰ প্ৰফুল্লিত । মুক্ত বিহংগৰ দৰে বিচৰণৰ হেঁপাহো পূৰ হ'ব সখী উৰ্বশীৰ ।

উৰ্বশী ঃ অতি উত্তম কথা ক'লা অচিতা , তেন্তে ব'লা যাওঁ আমি , কৰোঁ ভ্ৰমণ বিহাৰ।

কৰ্ণিকা ঃ পাছে সখী , কোন স্থানে কৰিবা গমন ? কোন স্থানে দিব আমাক মনত আনন্দ।

উৰ্বশী ঃ মায়াৰে আৱৰা মৰ্ত্ত্যলৈকে ব'লা সখী কৰোঁ গমন। মৰ্ত্ত্যৰ পৰিৱেশ অতি বিনন্দীয়া।

অচিতা ঃ উত্তম প্ৰস্তাৱ সখী উৰ্বশী। ব'লা কৰ্ণিকা , মৰ্ত্ত্যলৈকে আমি কৰোঁ গমন।

**সূত্ৰ ঃ অপেশ্বৰীগণে মৰ্ত্ত্যলৈ যাত্ৰা কৰে---------------**

গীত

চলি যাই মৰ্ত্ত্যৰ দিশে অপেশ্বৰীগণ ।
নানা ক্ৰিয়া কৰি চলে আনন্দিত মন ।।

**সূত্ৰ ঃ** **অপেশ্বৰীগণৰ প্ৰস্থান। আনহাতে সভাত পুৰুৰবা, মন্ত্ৰী আৰু সেনাপতি-------**

পুৰুৰবা ঃ মন্ত্ৰীবৰ , পূৰ্বেও কৰিছিলো বহুবাৰ ৰণ অসুৰৰ লগত , হোৱা নাছিলো মই ক্লান্ত, কিন্তু নাজানো কিয় এইবাৰ ৰণ কৰি মোৰ দেহ মন হ'ল ক্লান্ত। চেষ্টা কৰিও ৰাজকাৰ্য্যত বহাৱ পৰা নাই মন। কি কৰোঁ মই , দিয়ক এক উপায় ।

মন্ত্ৰী ঃ ৰণৰ পাছত দেহ মন ক্লান্ত হোৱাটো স্বাভাৱিক। গতিকে ৰাজন দিওঁ পৰামৰ্শ, মৃগয়া যাত্ৰাৰ আপুনি কৰক আয়োজন। মৃগ চিকাৰে আপোনাৰ মন কৰি তুলিব প্ৰফুল্লিত। দেহৰ ক্লান্তিৰো ঘটিব উপশম।

পুৰুৰবা ঃ উচিত পৰামৰ্শ দিলে মন্ত্ৰীবৰ , বহুদিন হ'ল কৰা নাই মই মৃগ চিকাৰ । শান্ত সমাহিত বন্য পৰিৱেশে নিশ্চয় মোৰ মন কৰিব প্ৰফুল্লিত। ল'লো সিদ্ধান্ত শীঘ্ৰেই আৰম্ভ কৰিম মই মৃগয়া যাত্ৰা।

বিক্ৰম ঃ ৰাজন , আপোনাৰ সঙ্গে ময়ো যাম। বনত আছে অনেক হিংস্ৰ পশু আৰু ৰাজন যাত্ৰা পথত আপোনাৰো হ'ব সহায় ।

পুৰুৰবা ঃ নহয় সেনাপতি, তুমি ৰাজকাৰ্য্যত মন্ত্ৰীবৰক কৰা সহায়। নিবিড় একাত্মভাৱে মই বনত কৰিম বিচৰণ। মোৰ বাবে চিন্তা নকৰিবা সেনাপতি , তোমাৰ ৰাজন ইমান দুৰ্বল নহয় যে বন্য জন্তুলৈ কৰিব সমীহ । আজিলৈ তেন্তে সভা ইমানতে সামৰা হওক ।

**সূত্ৰ ঃ** **সকলোৰে প্ৰস্থান। আনফালে ৰাক্ষস কেশী ---**

কেশী ঃ আঃ অসম্ভৱ , অসম্ভৱ , এক তুচ্ছ মনুষ্যৰ হাতত কেশীৰ পৰাজয় , এই ৰাক্ষসৰাজ কেশীৰ পৰাজয় । আঃ অসম্ভৱ , এয়া নহয় সম্ভৱ ; মৰতৰ মানৱে নোৱাৰে মোৰ স্বপ্ন কৰিব ভঙ্গ । ত্ৰিলোক বিজেতা হম মই -- ত্ৰিলোকবিজেতা ; মৰতৰ মানৱে আৰু মোক নোৱাৰে দিব বাধা। পুৰুৰবা , পুৰুৰবা -- নাভাবিবি তই এই কেশীৰ এতিয়াও হোৱা নাই পৰাজয় । প্ৰতিশোধৰ দাবাগ্নি তই এই ৰাক্ষসৰ হৃদয়ত দিলি জ্বলাই । কৰিছো পণ , তোৰ ৰক্ত পান কৰিহে নুমোৱাম এই প্ৰতিশোধৰ দাবাগ্নি হাঃ হাঃ -- সাৱধান পুৰুৰবা , পুনৰ মৰতলৈ গৈছে এই ৰাক্ষসৰাজ কেশী হাঃ হাঃ হাঃ ----

**সূত্ৰ ঃ** **সভাত এটা ময়ুৰ পক্ষীৰ প্ৰৱেশ -------**

গীত

চলি আহে ময়ুৰ পক্ষী অতি বিতোপন ।
মন ৰঙ্গে ধৰে চালি দেখিতে শোভন ।।

**সূত্ৰ ঃ** **ময়ুৰে চালি ধৰে। এনেতে অপেশ্বৰীগণ আহে -------**

কৰ্ণিকা ঃ চোৱা সখী , কি সুন্দৰ ময়ুৰ পক্ষী সৌটো। কেনেদৰে ধৰিছে ময়ুৰে চালি। আ -হাহা ইমান মনোমোহা ইয়াৰ সৌন্দৰ্য ।

উৰ্বশী ঃ সঁচাই মনোৰম এই পক্ষী। মৰ্ত্তৰ পৰিৱেশে মোক মুগ্ধ কৰিছে সখী , ইমান শান্ত ,ইমান সমাহিত ইয়াৰ পৰিৱেশ। এনে লাগিছে মোৰ যেন চিৰদিন ইয়াতেই কৰোঁ বাস । আহ পক্ষী , মোৰ ওচৰলৈ আহ ---( **ময়ুৰ পক্ষীৰ প্ৰস্থান** ) আসঃ সখীগণ , গুচি গ'ল পক্ষী ইয়াৰ পৰা --

কৰ্ণিকা ঃ পক্ষীৰ বাবে বেজাৰ নকৰিবা সখী । চোৱাচোন সৌৱা , নিৰ্মল জলেৰে ভৰি আছে সৰোবৰ ।

অচিতা ঃ সঁচাই অপূৰ্ব সৰোবৰ । ( পানী চুৱে ) আ-হাহা অতিকে নিৰ্মল ইয়াৰ জল । আঁহা সখী, আঁহা উৰ্বশী , সৰেমিলি কৰোঁ জলকেলি ।

উৰ্বশী ঃ উচিত কথা কৈছা অচিতা । নিশ্চয় আমি কৰিম জলকেলি ; দূৰ কৰিব ই আমাৰ শৰীৰৰ ক্লান্তি । আঁহা সখীগণ , নামো সৰোবৰত ---

গীত

সখীসমে উৰ্বশী সৰোবৰত নামে ।
জলকেলি কৰে সৱে আনন্দিত মনে ।।

**সূত্ৰ ঃ** **এনেতে বাহিৰত ৰাক্ষস কেশীৰ অট্টহাস্য শুনা যায় ---**

অচিতা ঃ সখী , এয়া কাৰ অট্টহাস্য , আঃ ইমান বিকট , ইমান ভয়ানক --

কৰ্ণিকা ঃ উৰ্বশী, এয়া আমি ক'ত সোমালোহি ? উঠা সখীগণ, পাৰলে উঠা --( **পাৰলে সকলো উঠে** )

অচিতা ঃ মোৰ বৰ ভয় লাগিছে সখী ----

**সূত্ৰ ঃ এনেতে কেশী সোমাই আহে -------------**

অচিতা ঃ আঃ সখী , এয়া কোন --- ? ইমান ভয়ংকৰ ৰূপ ইয়াৰ । পলোৱা সখীগণ , পলোৱা ---

**সূত্ৰ ঃ অচিতা আৰু কৰ্ণিকাই পলায়ন কৰে। উৰ্বশীক কেশীয়ে বাট ভেটি ধৰে --**

কেশী ঃ হাঃ হাঃ কি যে অপৰূপা এই নাৰী। ইমান ৰূপৱতী নাৰী মই দেখা নাই পাতালত। ল'ম মই তোমাকেই নিজৰ ভাৰ্য্যা কৰি । সুন্দৰী, নকৰিবা ভয় মোৰ বিৰাট ৰূপ দেখি, ময়ে হ'লো ৰাক্ষসৰাজ কেশী -- হাঃ হাঃ সুন্দৰী , হ'বানে তুমি পাতালৰ ৰানী ?

উৰ্বশী ঃ সাৱধান ৰাক্ষস , কুদৃষ্টি তই নিদিবি মোৰ ওপৰত। অপেশ্বৰী মই দেৱলোকৰ।

কেশী ঃ অপেশ্বৰী ! দেৱলোকৰ অপেশ্বৰী , প্ৰজংঘই সত্য কথাই কৈছিল। স্বৰ্গৰ অপেশ্বৰী সঁচাই সুন্দৰী । প্ৰাণেশ্বৰী, তুমি কেৱল ৰাক্ষসৰ বাবেহে । আঁহা সুন্দৰী , দিয়া মোক তোমাৰ প্ৰেম আলিঙ্গন ---

উৰ্বশী ঃ সাৱধান ৰাক্ষস , মোক তই নকৰিবি স্পৰ্শ । নতু দেৱেন্দ্ৰই দিব তোক প্ৰাণদণ্ড ।

কেশী ঃ দেৱেন্দ্ৰ , হাঃহাঃ দেৱেন্দ্ৰলৈ মই নকৰোঁ সমীহ । শৃগাল যেন সি মোৰ আগে । দেৱী, স্বৰ্গতকৈও বিতোপন মোৰ পাতালপুৰী । আঁহা সুন্দৰী , আঁহা তুমি পাতালপুৰীলৈ -----

উৰ্বশী ঃ ৰক্ষা কৰা , মোক ৰক্ষা কৰা।

**সূত্ৰ ঃ কেশীয়ে উৰ্বশীক খেদি নিয়ে । সভাত মৃগয়া যাত্ৰা কৰি পুৰুৰবা ---------**

**গীত**

**মৃগৰ হেতু চলে পুৰুৰবা ৰাজন।**
**ধনুধৰি প্ৰৱেশিলা গভীৰ বনত।।**

**সূত্ৰ ঃ (বাহিৰত উৰ্বশীৰ চিৎকাৰ শুনে) ------**

পুৰুৰবা ঃ ই কি আচৰিত ! এনেহেন নিৰ্জন বনৰ মাজত শুনো নাৰীৰ চিৎকাৰ । নিশ্চয় হৈছে বিপদ কোনো অৱলাৰ । তৎকালে মই তেওঁক কৰিম উদ্ধাৰ । সৌ দিশৰ পৰাই ভাঁহি আহিছে নাৰীৰ কণ্ঠস্বৰ ৰ'বা ৰ'বা , গৈছো মই উদ্ধাৰ কৰিম তোমাক ।

**সূত্ৰ ঃ পুৰুৰবাৰ প্ৰস্থান। সভাত চিৎকাৰ কৰি উৰ্বশী। পাছে পাছে কেশী------**

উৰ্বশী ঃ ৰক্ষা কৰক , কোন ক'ত আছে মোক ৰক্ষা কৰক । দেৱৰাজ , দেৱৰাজ ------

কেশী ঃ কিয় আস্ফালন কৰিছা সুন্দৰী ? কোন আহিব ইয়ালৈ ? চোৱা, চাৰিওকাযে নিৰ্জন বন, সন্মুখত দেখিছো মই ভিজা যৌৱন ; আঃ তোমাৰ ৰূপে মোক কৰিলে চঞ্চল । আঁহা সুন্দৰী , আঁহা দিয়া মোক তোমাৰ মিঠা আলিঙ্গন ---

উৰ্বশী ঃ নাই নাই তই মোক নকৰিবি স্পৰ্শ। দেৱৰাজ , --- ৰক্ষা কৰক মোক ----

কেশী ঃ হাঃ হাঃ ---- **বিলাপ ( ৰাগ ঃ বেলোৱাৰ , তাল ঃ ৰূপক )**

আঁহা আঁহা প্ৰাণ প্ৰিয়ে দিয়া আলিঙ্গন ।
কামাগ্নিত দহি মই হ'লো বিমোহন ।।
একো অঙ্গে নাহি খুত তুমি মধ্যক্ষিণী ।
ৰমণীয় ৰূপে মোৰ হৃদয় নিলা হৰি ।।

**সূত্ৰ ঃ এনেতে পুৰুৰবা ---**

পুৰুৰবা ঃ সাৱধান ৰাক্ষস , কিয় অৱলাৰ ওপৰত কৰ অত্যাচাৰ ?

উৰ্বশী ঃ মোক ৰক্ষা কৰক দেৱ। এই ৰাক্ষসৰ হাতৰ পৰা মোক ৰক্ষা কৰক ।

**(সূত্ৰ ঃ উৰ্বশীয়ে পুৰুৰবাক সাৱটি ধৰে, পুৰুৰবাই উৰ্বশীৰ দেহত নিজৰ বস্ত্ৰ দিয়ে )**

কেশী ঃ আঃ শুভ কৰ্মত তই কিয় দিয় বাধা ? যা -- হাঃ হাঃ পুৰুৰবা ; পুনৰ সাক্ষাত পালো তোৰ ।

পুৰুৰবা ঃ অ' তয়ে আছিলি সেই পলৰীয়া ৰাক্ষস । তোলৈকে মই কৰিছিলো অপেক্ষা । আহ পাপীষ্ঠ আজি পাবি তই চৰম শাস্তি ।

কেশী ঃ উত্তম ; তেন্তে সেয়ে হওক --------- ( যুদ্ধ )

গীত -( ৰাগ ঃ ভাটিয়ালী ,তাল ঃ ৰচক )

মহাক্ৰোধে দুয়োবীৰে যুদ্ধ আৰম্ভিলা।
পদভৰে বসুমতী কঁপিব লাগিলা।।
অস্ত্ৰঘাটে ৰাক্ষসবীৰ হৈলা পৰাভূত।
বোলা হৰি হৰিয়োক সামাজিক লোক।।

**সূত্ৰ ঃ যুদ্ধত কেশীৰ মৃত্যু হয়। এনেতে কৰ্ণিকা আৰু অচিতা সোমাই আহে -------**

কৰ্ণিকা ঃ সখী উৰ্বশী , তুমি কেনে আছা ? ক্ষমা কৰিবা ৰাক্ষসৰ ভয়ত আমি কৰিছিলো পলায়ন।

উৰ্বশী ঃ আমি কুশলে আছো সখীগণ -------

পুৰুৰবা ঃ হে দেৱী, জানিলো সখীৰ মুখৰ পৰা আপোনাৰ নাম । দিবনে আপোনাৰ আৰু পৰিচয় ? অ' দিছো মই মোৰো পৰিচয় । ময়ে হ'লো চন্দ্ৰবংশী ৰাজন পুৰুৰবা --

উৰ্বশী ঃ আমি হ'লো স্বৰ্গৰ অপেশ্বৰী । পৰিচয়তো জানিলেই মোৰ । তথাপি কৈছো নাম মোৰ উৰ্বশী।

অচিতা ঃ সখী, বহু পলম হ'ল । দেৱৰাজে কৰিব ক্ৰোধ যদিহে সময়ত নহওঁ দেৱ সভাত উপস্থিত । গতিকে ব'লা যাওঁ আমি স্বৰ্গপুৰীলৈ ।

কৰ্ণিকা ঃ সঁচা কথা অচিতা, বহু পলম হ'ল। ধন্যবাদ দেৱ, আপুনি আমাৰ সখীক কৰিলে উদ্ধাৰ। পাছে আমি এতিয়া বিদায়হে মাগিছো , আঁহা উৰ্বশী । ( হাতত ধৰি টানে )

উৰ্বশী ঃ কিন্তু , এখেতক--------- !!

অচিতা ঃ নহয় নহয় আৰু নকৰোঁ পলম , ব'লা সখী।

পুৰুৰবা ঃ দেৱী , দেৱী ------ ।

**সূত্ৰ ঃ কৰ্ণিকা আৰু অচিতাই উৰ্বশীক টানি লৈ যায়। পুৰুৰবাই যি কয় ---------**

পুৰুৰবা ঃ ইমান অপৰূপ সৌন্দয্য উৰ্বশীৰ । তপ্ত সুৱৰ্ণৰ দৰে দেহ নিৰুপম । নয়ন নহয় যেন কমলৰ পাহি মুখে বিৰাজমান কমনীয় হাঁহি ; ৰুণুজুনু বাজে ভৰিত নুপুৰৰ ধবনি। উসঃ উৰ্বশী, কাম বাণে জৰ্জৰিত কৰি কিয় গুচি গ'লা তুমি ? নাযাবা উৰ্বশী , উৰ্বশী ----- ( প্ৰস্থান )

**সূত্ৰ ঃ পুৰুৰবাৰ প্ৰস্থান। সভাত ভৰত মুনিৰ প্ৰৱেশ --------------**

গীত - (ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )

প্ৰৱেশিলা সভাৰ মাজে মুনিবৰ ভৰত।
নাট্যশাস্ত্ৰ কৰে সৃষ্টি দেৱৰ সভাত।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

**সূত্ৰ ঃ ভৰত মুনিৰ প্ৰস্থান। সভাত উৰ্বশী ( হাতত পুৰুৰবাৰ বস্ত্ৰ ) -----**

উৰ্বশী ঃ পুৰুৰবা, কি যে সুন্দৰ নাম । এতিয়াও লাগি আছে মোৰ দেহত স্পৰ্শ তোমাৰ। এতিয়াও তোমাৰ সুবাসে ৰোমাঞ্চিত কৰিছে মোৰ প্ৰাণ। মই বাৰু পৰিছো নেকি পুৰুৰবাৰ প্ৰেমত ?

**সূত্ৰ ঃ এনেতে দেৱৰ্ষি নাৰদ----------------**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ,--- ( উচ্চস্বৰে ) --- নাৰায়ণ।

উৰ্বশী ঃ অ' দেৱৰ্ষি ; প্ৰণাম --- আপোনাৰ আগমণ ঘটিল কেতিয়া ?

নাৰদ ঃ কেতিয়া মানে ? নাৰায়ণ নাৰায়ণ, বুজিলো সৰগৰ অপেশ্বৰীৰ মন এতিয়াও আছে ধৰণীত। কিয়বা নাথাকিব , হাঃ হাঃ পুৰুৰবাৰ দৰে বীৰে যে উদ্ধাৰ কৰিছে উৰ্বশীক --

উৰ্বশী ঃ দেৱৰ্ষি !! ---- ( লাজ কৰে )

নাৰদ ঃ অতিকে মহান ৰাজন পুৰুৰবা । চন্দ্ৰদেৱৰ পুত্ৰ বুধৰ সন্তান পুৰুৰবা --- নাৰায়ণ নাৰায়ণ, অতিকে বিচিত্ৰ তাতে পুৰুৰবাৰ জন্ম বৃত্তান্ত ।

উৰ্বশী ঃ কি বিচিত্ৰ দেৱৰ্ষি ? কৃপা কৰি জনাবনে মোক ?

নাৰদ ঃ নিশ্চয়, তুমিতো জানিবই লাগিব । বাৰু শুনা, মনুনন্দন সুদ্যুম্ন জন্মতে আছিল কন্যা ৰূপে। নাম ৰাখিছিল ইলা। কিন্তু পিতৃ মনুৰ অনুৰোধত ঋষি বশিষ্ঠই তপোবলে দিলে ইলাক বালকৰ ৰূপ।

উৰ্বশী ঃ বালকৰ ৰূপ !! আচৰিত ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ -- পাছে মহাদেৱৰ দ্বাৰা শাপিত অঞ্চলত ভুল ক্ৰমে প্ৰৱেশি সুদ্যুম্ন পুনৰ পৰিৱৰ্তন হ'ল নাৰী ৰূপলৈ।

উৰ্বশী ঃ পুনৰ নাৰী ৰূপ ? অতি বিচিত্ৰ দেৱৰ্ষী ।

নাৰদ ঃ নাৰী ৰূপে সুদ্যুম্ন আছিলে বনত ভ্ৰমি, চন্দ্ৰতনয় বুধে মোহিত হৈ নাৰী ৰূপী সুদ্যুম্নক কৰিলে বিবাহ। তাৰেই ফলশ্ৰুতিত জন্ম হ'ল পুৰুৰবাৰ। পাছে, এতিয়া মই বিদায়হে মাগিছো -- **( প্ৰস্থান )**

উৰ্বশী ঃ আচৰিত জন্ম বৃত্তান্ত পুৰুৰবাৰ। যিমানেই জানিছো তেওঁৰ বিষয়ে সিমানেই আসক্তি বাঢ়িছে মোৰ

**সূত্ৰ ঃ এনেতে ভৰত মুনি আহে -----**

ভৰত ঃ উৰ্বশী -----

উৰ্বশী ঃ গুৰুদেৱ ! তযু চৰণত কৰিছো শতকোটি প্ৰণাম গুৰুদেৱ।

ভৰত ঃ ধ্যানমূলং গুৰুমূৰ্ত্তি , পূজামূলং গুৰুপদং। মন্ত্ৰমূলং গুৰুবাক্যং মোক্ষমূলং গুৰুকৃপা।।---উঠা উৰ্বশী, তুমি মোৰ অতি প্ৰিয় শিষ্যা । সৃষ্টি কৰিছো আমি এক নৃত্য নাটিকা । অতি শীঘ্ৰে পৰিৱেশন কৰিম দেৱেন্দ্ৰৰ দেৱসভাত । তুমিও ৰূপায়ণ কৰিব লাগিব এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ ।

উৰ্বশী ঃ অহো ভাগ্য মোৰ, নিশ্চয় কৰিম গুৰুদেৱ।

ভৰত ঃ তেন্তে, ৰঙ্গমঞ্চত আহি কৰিবাহি অনুশীলন। সকলোকে মই দিছো বাৰ্তা। সময়ত তুমিও যাবা।

উৰ্বশী ঃ নিশ্চয় গুৰুদেৱ, নিশ্চয় যাম মই।

ভৰত ঃ তেন্তে মই আঁহো উৰ্বশী, ৰঙ্গমঞ্চত হ'ম সাক্ষাত --- **( প্ৰস্থান )**

**সূত্ৰ ঃ ভৰত মুনিৰ প্ৰস্থান। উৰ্বশী যাব খোজে, এনেতে বৰুণদেৱ---------------**

বৰুণ ঃ উৰ্বশী-------------

উৰ্বশী ঃ অ' বৰুণদেৱ , প্ৰণাম ---------

বৰুণ ঃ উৰ্বশী, শুনা পালো মৰতত তুমি পৰিছিলা বিপদত। কোনো ৰাক্ষসে তোমাক কৰিছিলে হৰণ। নাযাবা আৰু মৰ্ত্ত্যলৈ তুমি । অসুৰ-দানৱৰ বাসভূমি হৈছে মৰ্ত্ত্যপুৰী , স্বৰ্গৰ দৰে তাত নোপোৱা প্ৰেম।

উৰ্বশী ঃ দেৱ, মৰ্ত্ত্যত কেৱল নাথাকে অসুৰ ; সুহৃদয় মনুষ্যইও বাস কৰে তাত । তেনে এজন মনুষ্যই মোক কৰিলে উদ্ধাৰ।

বৰুণ ঃ নাৰায়ণক অশেষ ধন্যবাদ ; তোমাৰ যে নহ'ল ক্ষতি। উৰ্বশী, আছে তোমালৈ মোৰ এটি প্ৰস্তাৱ --

উৰ্বশী ঃ কি প্ৰস্তাৱ দেৱ ----- ?

বৰুণ ঃ যদিওবা আছে মোৰ পত্নী বাৰুণী , কিন্তু তোমাৰ ৰূপ যৌৱনে মোক মোহিত কৰিছে উৰ্বশী, স্বামীৰূপে মোক কৰা গ্ৰহণ। চিৰদিন আঁকোৱালী ৰাখিম তোমাক মোৰ বুকুৰ মাজত।

উৰ্বশী ঃ হাঃ হাঃ দেৱ , ই যে নহয় সম্ভৱ ।

বৰুণ ঃ নহয় সম্ভৱ ! কিয় উৰ্বশী ? মোৰ প্ৰেমত কি আছে কমি ! কোৱা উৰ্বশী , তোমাক পাবলৈ মই সকলো কৰিব পাৰোঁ । বাৰুণীৰ বাবে যদি হৈছা শংকিত , তেওঁকো মই কৰিম পৰিত্যাগ ।

উৰ্বশী ঃ দেৱ, মোৰ হৃদয়ত সেই স্থানত বহুৱালো আন এজনক । দেহ, মন মই সঁপি দিব বিচাৰো আজি সেইজনকহে । নোৱাৰিম দেৱ , নোৱাৰিম মই আপোনাৰ প্ৰস্তাৱ গ্ৰহণ কৰিব। অ গুৰুদেৱে মোক দিছে নিমন্ত্ৰণ ৰঙ্গমঞ্চলৈ । মই আহিলো দেৱ ------- **( প্ৰস্থান )**

বৰুণ ঃ উৰ্বশী --- ! আঃ ইমান অহংকাৰ । অৱজ্ঞা কৰিলে দেৱতাৰ প্ৰেম প্ৰস্তাৱক। তাচ্ছিল্য কৰি গুচি গ'ল সন্মূখৰ পৰা। নাই নাই অপমান, বহু পালো অপমান। এগৰাকী সাধাৰণ অপেশ্বৰীৰ ইমান অহংকাৰ । আঃ ক্ষমা নকৰোঁ মই উৰ্বশীক , নকৰোঁ ক্ষমা মই উৰ্বশীক ।

**সূত্ৰ ঃ খঙেৰে বৰুণদেৱৰ প্ৰস্থান। আনহাতে সভাত ইন্দ্ৰ, অগ্নি, বৰুণদেৱ----**

ইন্দ্ৰ ঃ দেৱগণ , দেৱসভাৰ বাবে অজি এক সোনালী ক্ষণ । সাক্ষী হৈ ৰ'ব আপোনাসৱো সৱগৰ

এই সোনালী ক্ষণৰ । আমাৰ গৌৰৱ ভৰত মুনিয়ে পুনৰ সৃষ্টি কৰিছে এক নৃত্য নাটিকা। প্ৰদৰ্শন কৰাব আজিৰ সভাত । অ' সৌৱা মুনিবৰ ভৰত আহিছে দেৱ সভালৈ ।

**সূত্ৰ ঃ এনেতে ভৰত মুনি----**

ভৰত ঃ প্ৰণাম দেৱৰাজ, প্ৰণাম দেৱগণ।

ইন্দ্ৰ ঃ প্ৰণাম, আহক মুনিবৰ , আপোনাৰ আগমণলৈকে আমি আগ্ৰহেৰে কৰিছো অপেক্ষা। দেখুৱাওক আপোনাৰ নৱ সৃষ্টি , কৃতাৰ্থ হওঁ আমি ।

ভৰত ঃ তেন্তে দেৱগণ , নকৰোঁ বিলম্ব । সৃষ্টি কৰিছো নাৰায়ণৰ মহিমা প্ৰকাশক এক নৃত্য - নাটিকা । আজিৰ দেৱসভাত তাক প্ৰাণৱন্ত কৰি তুলিব গন্ধৰ্ব আৰু অপেশ্বৰীগণে। নাটিকাত নাৰায়ণৰ চৰিত্ৰ ৰূপায়ণ কৰিছে গন্ধৰ্ব বিশ্বৰূপে আৰু লক্ষ্মীৰ চৰিত্ৰত মোৰ প্ৰিয় শিষ্যা উৰ্বশী । তেন্তে দেৱগণ, আহক কৰোঁ উপভোগ এয়া সভাত প্ৰৱেশিছে বিষ্ণু আৰু দেৱী লক্ষ্মীয়ে ।

**সূত্ৰ ঃ বিষ্ণুৰ ৰূপে বিশ্বৰূপ আৰু লক্ষ্মীৰূপে উৰ্বশীৰ প্ৰৱেশ -----**

বিশ্বৰূপ ঃ চৰাচৰ জগতৰ পালন কৰ্ত্তা আমিয়ে নাৰায়ণ। পালন কায্যত আমাৰ দেৱী লক্ষ্মীয়ে কৰে সহযোগ । দেৱী, তোমাৰ অবিহনে আমি নহওঁ সম্পূৰ্ণ । নহয়নে বাৰু দেৱী -- ?

**সূত্ৰ ঃ উৰ্বশী মৌন হৈ থাকে। দেৱগণ আচৰিত হয়। ভৰত মুনি ক্ৰোধিত হয়।)**

বিশ্বৰূপ ঃ নহয়নে বাৰু দেৱী !!

উৰ্বশী ঃ অ' হয় পুৰুৰবা ।

ভৰত ঃ উৰ্বশী ! এয়া তুমি কি কৈছা ? নুবুলি পুৰুষোত্তম বুলিছা পুৰুৰবা । আঃ তোমাৰ ইমান ধৃষ্টতা, মোৰ সৃষ্টিক তুমি বিকৃত কৰিছা ।

বৰুণ ঃ মুনিবৰ, দেৱৰাজ, এয়া উৰ্বশীৰ চূড়ান্ত ধৃষ্টতা । দেৱসভাৰ নাটিকাত অংশলৈও উৰ্বশীৰ মন আছে মৰ্ত্ত্যপুৰীত । মত্ত্যই মুহিলে উৰ্বশীক। সেয়ে প্ৰতিনিতে থাকে মন মৰ্ত্ত্যপুৰীত। অপমান নহয় জানো এয়া স্বৰ্গপুৰীৰ বাবে, অপমান নহয় জানো এয়া দেৱ সমাজৰ বাবে ?

উৰ্বশী ঃ দেৱ !! অপৰাধ মই কৰিছো স্বীকাৰ , ক্ষমা কৰক মোক।

ভৰত ঃ তোমাৰ অপৰাধ অক্ষমণীয় । মোৰ নাটিকাক , মোৰ সৃষ্টিক তুমি কৰিলা অপমান। সেয়ে দিছো অভিশাপ -- যি পুৰুৰবাৰ বাবে তুমি হৈছা আত্ম বিভূৰ , তেওঁৰে ভাৰ্য্যা হৈ থাকাগৈ মৰ্ত্ত্যত ।

উৰ্বশী ঃ ক্ষমা কৰক গুৰুদেৱ, আপোনাৰ চৰণত ধৰি কৰোঁ মিনতি ---

ভৰত ঃ মোৰ শাপ নহয় ব্যৰ্থ -----

উৰ্বশী ঃ দয়া কৰক দেৱৰাজ ; আপোনাসৱৰ পৰা নিলগত মই নোৱাৰিম থাকিব --

ইন্দ্ৰ ঃ উৰ্বশী, সৰগৰ বিভুতি বুলি তোমাক মই দিছিলো মান ; কিন্তু কি দিলা তুমি তাৰ প্ৰতিদান ? সৰগত থাকি মৰতৰ মনুষ্যক প্ৰেম ; আঃ উচিত হৈছে তোমাৰ বাবে এই অভিশাপ।

উৰ্বশী ঃ ইমান কঠোৰ নহব দেৱৰাজ ---- ( **বিলাপ** )

ক্ষমা কৰক গুৰুদেৱ কৰোঁহো মিনতি ।
অল্পমতি নাৰী মই অতি মূঢ়মতি ।।
কৃপা কৰক দেৱৰাজ মাগো ক্ষমাদান ।
কিমতে থাকিম মই তেজি এহি স্থান ।।

ইন্দ্ৰ ঃ বাৰু উৰ্বশী, চিৰদিন তুমি মৰ্ত্ত্যত নালাগে থাকিব । প্ৰতিজ্ঞাবদ্ধ কৰাই পুৰুৰবাক তুমি স্বামীবৰণ কৰাগৈ আৰু সেই প্ৰতিজ্ঞা ভঙ্গ কৰাই পুনৰ ঘুৰি আহিবা তুমি এই স্বৰ্গপুৰীলৈ ।

উৰ্বশী ঃ দেৱৰাজ , কিদৰে প্ৰতিজ্ঞাৱদ্ধ কৰাম মই ৰাজন পুৰুৰবাক ?

ইন্দ্ৰ ঃ তুমি বুদ্ধিয়ক উৰ্বশী, তাৰ উপায় নিজেই উলিয়াবা । যোৱা উৰ্বশী, এতিক্ষণে তুমি যোৱা মৰ্ত্যপুৰীলৈ । দেৱগণ , আজিলৈ সভা ভঙ্গ কৰা হ'ল ।

উৰ্বশী ঃ দেৱ , ইমান নিষ্ঠুৰ নহ'ব আপোনালোক ---- ( কান্দে )

**সূত্ৰ ঃ বৰুণক বাদ দি বাকীসকলৰ প্ৰস্থান । বৰুণে উৰ্বশীক যি কয়----**

বৰুণ ঃ উৰ্বশী, মোক অপমান কৰাৰ, মোৰ প্ৰেমক অৱজ্ঞা কৰাৰ পালা তুমি যোগ্য পুৰস্কাৰ । যোৱা তুমি এতিয়া মৰ্ত্ত্যৰ মায়া মোহৰ মাজত পৰি জীয়াতু ভোগাগৈ হাঃ হাঃ হাঃ -- ( প্ৰস্থান )

উৰ্বশী ঃ বুজিলো দেৱ, আপোনাৰ প্ৰেম প্ৰস্তাৱক অৱজ্ঞা কৰাৰ বাবেই আপুনিয়েই প্ৰথমে দেৱগণক দিলে উচতাই । যাওঁ মই , অভাগিনী অপেশ্বৰী মই স্বৰ্গলোকৰ , দেৱতাৰ অভিশাপক আশীৰ্বাদ বুলি শিৰে লৈ গুচি যাওঁ মই মৰ্ত্ত্যধামলৈ ।

**গীত -( ৰাগ ঃবেলোৱাৰ , ভূপালী ; তাল ঃ ধৰমজ্যোতি )**

**কিনো ভাগ্য কিনো ভাগ্য কঁপালে লিখিলা।**
**শাপগ্ৰস্তা হৈয়া তুমি মৰতে চলিলা।।**

**সূত্ৰ ঃ উৰ্বশীৰ প্ৰস্থান। সভাত মন্ত্ৰীবৰ আৰু বিক্ৰমসেন। পাছত উদাস মনে পুৰুৰবা--**

মন্ত্ৰী ঃ মহাৰাজ, কৰিব ক্ষমা কৰোঁ এক প্ৰশ্ন ? মৃগয়া যাত্ৰাৰ পৰা ঘূৰি অহাৰ দিন ধৰি দেখো আপোনাক কিবা উদাস ভাৱত। গৈছিল আপুনি মন প্ৰফুল্লিত কৰিবলৈ, কিন্তু দেখো আপোনাক বিপৰীত ৰূপত -

পুৰুৰবা ঃ আপুনি সঠিক অনুমান কৰিছে মন্ত্ৰীবৰ। গৈছিলো বনলৈ মন প্ৰফুল্লিত হওক বুলি , কিন্তু বনৰ মাজত পায়ো হেৰুৱালো এক অমূল্য ৰতন । সেই দুখতে মই হৈছো ম্ৰিয়মান । অহৰ্নিশে ভাঁহি থাকে মনত প্ৰতিচ্ছবি সেই নাৰী ৰত্নৰ ।

মন্ত্ৰী ঃ নাৰীৰত্ন !! সেয়াটো কোনো চিন্তনীয় বিষয় নহয় মহাৰাজ। বিশেষকৈ আপোনাৰ দৰে এজন প্ৰতাপী ৰাজনৰ ক্ষেত্ৰত । বিবাহ যোগ্য আপুনি, যদি নাৰীৰত্নই মুহিলে আপোনাৰ মন, নিজৰ কৰি লওক চিৰ জীৱনলৈ । পিছে ৰাজন , ল'লেনে পৰিচয় কোন সেই নাৰী ৰত্ন ?

পুৰুৰবা ঃ মন্ত্ৰীবৰ কি ক'ম আপোনাক ? আন্ধাৰ বিনাশি যেনেকৈ সূয্য নামে নিৰ্জন বনলৈ , আহিছিল তেনেকৈ সেই সুন্দৰী জোনাক হৈ বনৰ মাজলৈ । মোহিত হৈ ৰাক্ষসেও কৰিছিলে হৰণ , উদ্ধাৰিলো মই ; কিন্তু হঠাৎ গুচি গ'ল তেওঁ সৰগলৈ , জানিলো মাথোঁ নাৰী ৰত্নৰ নাম উৰ্বশী ।

বিক্ৰম ঃ উৰ্বশী---- !! অৰ্থাৎ সৰগৰ অপেশ্বৰী উৰ্বশী ----- ?

মন্ত্ৰী ঃ অহ ৰাজন, সেই নাৰী ৰত্নটো দুৰ্লভ মনুষ্যৰ বাবে। নাৰায়ণে নিজ উৰুৰ পৰা সৃষ্টি কৰি উৰ্বশীক উপহাৰ ৰূপে দিছিল দেৱৰাজক । সেই উৰ্বশীকে আপুনি -- মহাৰাজ, কৰোঁ অনুৰোধ, কৰিব ক্ষমা , পাহৰি যাওক আপুনি তেওঁক। ভাৱি ল'ব আপুনি এক স্বপ্নহে আছিল তেওঁ ।

পুৰুৰবা ঃ তেওঁক পাহৰিব নোৱাৰো মন্ত্ৰীবৰ। উৰ্বশীয়ে মোৰ হৃদয় কৰিলে জয়। এতিয়া আৰু তেওঁক মোৰ হৃদয়ৰ পৰা আঁতৰাই নোৱাৰো পঠাব। মন্ত্ৰীবৰ, এটাই লক্ষ্য মোৰ এতিয়া ভাৰ্য্যা ৰূপে উৰ্বশীক প্ৰাপ্তি। সেইহেতু পুনৰ যাম মই উক্ত বনলৈ, কিজানিবা পুনৰ লগ পাওঁ তেওঁক।

মন্ত্ৰী ঃ ৰাজন , ৰাজন , এক অসম্ভৱ লক্ষ্যৰ পিছত কিয় আপুনি ------ ?

পুৰুৰবা ঃ মোক বাধা নিদিব মন্ত্ৰীবৰ । আপোনাসৱে ৰাজ্যৰ দিশ কৰক নিৰীক্ষণ। উৰ্বশীৰ ৰূপে মোক কৰিলে মুগ্ধ, যাওঁ মই উক্ত স্থানলৈ, কিজানিবা পুনৰ লগ পাওঁ মোৰ প্ৰেমাস্পদক । মন্ত্ৰীবৰ, পুনৰ যাওঁ মই উক্ত বনলৈ ----------( প্ৰস্থান )

বিক্ৰম ঃ মহাৰাজ , মহাৰাজ , ৰ'ব মহাৰাজ --- মন্ত্ৰীবৰ , মহাৰাজৰ এনে অৱস্থা মোৰ নহয় সহ্য । কি কৰিম মই এতিয়া ? কিদৰে বুজাঁও ৰাজনক ?

মন্ত্ৰী ঃ মহান তপস্বীও মুগ্ধ হয় নাৰীৰ প্ৰেমত । সেনাপতি , আমাৰ ৰাজনটো এক সাধাৰণ মনুষ্যহে । কিন্তু এক অসম্ভৱ লক্ষ্য প্ৰাপ্তিৰ দিশে ধাৱমান আজি আমাৰ ৰাজন । নাজানো কি হ'ব ইয়াৰ শেষ পৰিণাম। সকলো এতিয়া ভগৱানৰ হাতত । হে প্ৰভু, কুশলে ৰাখিবা আমাৰ ৰাজনক । ব'লা সেনাপতি , ৰাজ্যৰ দিশ কৰোঁগৈ নিৰীক্ষণ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনহাতে উৰ্বশী---------------**

**গীত**

**চলি আহে মনৰ দুখে অপেশ্বৰী উৰ্বশী।**
**শাপগ্ৰস্তা নাৰী তুমি কিনো অভাগিনী।।**

উৰ্বশী ঃ হ'লোহি উপস্থিত মৰ্ত্ত্যপুৰীত। এফালে প্ৰাপ্তিৰ আকুলতা আৰু আনফালে হেৰুৱাৰ বেদনাত জৰ্জৰিত মন। পুৰুৰবা, প্ৰেমাস্পদ মোৰ, তোমাক পাবলৈও ব্যাকুল মন, কিন্তু সৰগ এৰি চিৰদিন মৰ্ত্ত্যতো মই নোৱাৰো থাকিব। কি কৰোঁ, পুৰুৰবাক প্ৰতিজ্ঞাবদ্ধ দেৱৰাজৰ সমিধান আৰু সেই প্ৰতিজ্ঞাভঙ্গৰ দ্বাৰাই হ'ব মোৰ পুনৰ স্বৰ্গ গমন । কিন্তু, কি চৰ্ত্তৰে বান্ধিম মোৰ প্ৰেমাস্পদক ? অ' পাইছো উপায় , এতিয়াই মই মায়াৰ যোগেদি সৃষ্টি কৰোঁ দুটা ছাগ -- ঔম, ঔম , ঔম --

**সূত্ৰ ঃ দুটা ভেড়া ছাগলীৰ সৃষ্টি হয়। ছাগলী দুটাৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )**

উৰ্বশী ঃ আহ ছাগ আহ ; ময়ে কৰিলো সৃষ্টি তহঁতক । তহঁতেই হ'বি মোৰ মুক্তিৰ মাধ্যম । এতিয়া যাওঁ ব'ল পুৰুৰবাক বিচাৰি ------

**সূত্ৰ ঃ উৰ্বশীৰ পাছে পাছে দুই ভেড়াৰ প্ৰস্থান। আনফালে সভাত পুৰুৰবা---------**

পুৰুৰবা ঃ এই বনতে, এই স্থানতে মই উৰ্বশীক পাইছিলো সাক্ষাত। উৰ্বশী -- তোমাৰ বিৰহত মই মৰোঁ দেই পুৰি। হে ৰূপৰ প্ৰতিমা উৰ্বশী, ক'ত পাম , ক'ত যাওঁ তোমাক বিচাৰি। আঁহা প্ৰিয়ে , তোমাৰ প্ৰেমিক এই পুৰুৰবাই কাতৰে মাতিছো তোমাক ---- উৰ্বশী,--- উৰ্বশী ।

**সূত্ৰ ঃ উৰ্বশী সোমাই আহে-------------**

উৰ্বশী ঃ ৰাজন ------

পুৰুৰবা ঃ উৰ্বশী, মোৰ আহ্বান কৰিলা গ্ৰহণ। হে সুন্দৰী, কওঁ কিদৰে চন্দ্ৰবংশী ৰাজন পুৰুৰবাক প্ৰথম দৰ্শনতে তুমি কৰিলা মোহিত -- পৰিলো মই তোমাৰ প্ৰেমত --

উৰ্বশী ঃ ( লাজ কৰে ) ৰাজন , কি কয় আপুনি ?

পুৰুৰবা ঃ সত্য কৈছো উৰ্বশী ; লভা নাছিলো পূৰ্বে তোমাৰ সম ৰূপৱতী নাৰীৰ দৰ্শন । যিদিনাই দেখিলো তোমাক নিজকে হেৰুৱালো মই । দেৱী, দিছো তোমাক মই বিবাহৰ প্ৰস্তাৱ --

উৰ্বশী ঃ প্ৰথম দৰ্শনতে, প্ৰথম স্পৰ্শতে আপুনিও মোৰ অন্তৰ কৰিলে জয়। কোমল অন্তৰত বহুৱালো মই তেতিয়াই আপোনাৰে প্ৰতিচ্ছবি ।

পুৰুৰবা ঃ অ'হ প্ৰিয়ে, তেন্তে তুমি মোৰ প্ৰস্তাৱ কৰিবা গ্ৰহণ ? ভাৰ্য্যা হৈ তুমি মোৰ জীৱন কৰিবা ধন্য-

উৰ্বশী ঃ আপোনাৰ ভাৰ্য্যা হোৱাত মোৰ নাই আপত্তি। কিন্তু তাৰ বাবে আপুনি কৰিব লাগিব তিনিটা চৰ্ত্ত পূৰণ।

পুৰুৰবা ঃ মাথো তিনিটা চৰ্ত্ত !! কোৱা উৰ্বশী , তোমাৰ বাবে মই সকলো কৰিবলৈ প্ৰস্তুত।

উৰ্বশী ঃ ৰাজন, আছে মোৰ দুটা পুত্ৰসম ভেড়া, সিহঁতকো ৰাখিম মই নিজৰ লগত। সিহঁতৰ সুৰক্ষাৰ দায়িত্ব ল'ব লাগিব আপুনি । কওক পাৰিবনে ল'ব আপুনি ?

পুৰুৰবা ঃ হাঃ হাঃ বিশাল ৰাজ্যৰ গৰাকী মই। অযুত প্ৰজাক কৰোঁ পালন। তোমাৰ দুটা ভেড়াক মই কিয় নোৱাৰিম সুৰক্ষা দিব ? উৰ্বশী, কৰিলো প্ৰতিজ্ঞা মই তোমাৰ এই চৰ্ত্ত কৰিম পূৰণ।

উৰ্বশী ঃ ধন্যবাদ ৰাজন, শুনক মোৰ দ্বিতীয় চৰ্ত্ত, স্বৰ্গৰ অপেশ্বৰী মই, মৰ্ত্ত্যৰ আহাৰে নুসুজে মোক। সেই হেতু নিতৌ ঘৃতৰে সিদ্ধ আহাৰ ভোজন কৰাব লাগিব মোক । কঁওক ৰাজন পাৰিবনে আপুনি ?

পুৰুৰবা ঃ নিশ্চয় পাৰিম , একোৰে অভাৱ নাই মোৰ ৰাজ্যত। ঘৃত কিয় যদি বিচাৰা স্বৰ্গৰ পৰা আনি অমৃত পান কৰাবলৈও প্ৰস্তুত আছো মই।

উৰ্বশী ঃ ধন্যবাদ ৰাজন, তেন্তে শুনক এইবাৰ মোৰ তৃতীয় চৰ্ত্ত। নিবিড় সময়ৰ বাদে অন্য সময়ত নগ্নৰূপত আপুনি বা মই কোনোৰে নিদিঁও আনজনক দেখা । পাৰিবনে পূৰণ কৰিব ৰাজন এই চৰ্ত্তও ?

পুৰুৰবা ঃ হাঃ হাঃ আচৰিত চৰ্ত্ত ৰাখিলা এইবাৰ। কিয় নোৱাৰিম এই চৰ্ত্তও কৰিব পূৰণ ? তোমাক পাবৰ বাবে তিনি সত্য কৰি কৰিছো প্ৰতিজ্ঞা এই চৰ্ত্তও মই কৰিম পূৰণ।

উৰ্বশী ঃ তেন্তে ৰাজন , আপোনাৰ ভাৰ্য্যা হ'বলৈ প্ৰস্তুত মই। আশীৰ্বাদ কৰিব পত্নীৰূপে যাতে মই দায়িত্ব কৰিব পাৰোঁ পালন ---- ( সেৱা কৰে , মঙ্গল বাদ্য বাজে )

পুৰুৰবা ঃ উঠা উঠা প্ৰিয়ে , তোমাৰ স্থান মোৰ বুকুৰ মাজত , তোমাকেই পাবৰ বাবে ব্যাকুলিত মই । আজি আহিল সেই মধুৰ ক্ষণ। ধন্য কৰিলা তুমি এই পুৰুৰবাৰ জীৱন । হে চন্দ্ৰ, সূৰ্য আৰু আকাশৰ দেৱগণ , আপোনাসৱৰ বৈভৱ এই উৰ্বশীক মই মৰতৰ পুৰুৰবাই পত্নীৰূপে কৰিলো গ্ৰহণ -------

উৰ্বশী ঃ কিন্তু স্বামী , মনত ৰাখিব এই তিনি চৰ্ত্তৰ যিকোনো এটা চৰ্ত্ত আপোনাৰ দ্বাৰা ভঙ্গ হ'লেই হেৰুৱাব আপুনি মোক । ঘুৰি যাম মই স্বৰ্গধামলৈ ।

পুৰুৰবা ঃ এনেহেন মিলনৰ ক্ষণত নক'বা তুমি প্ৰিয়ে বিচ্ছেদৰ কথা। কমল নয়নী , তোমাৰ নয়নত দেখো মই সপোনৰ মায়া , সুশ্ৰী বদনত তোমাৰ দেখো মই চন্দ্ৰমাৰ স্নিগ্ধ আভা। জানা উৰ্বশী, তুমিয়েই মোৰ প্ৰেম মন্দিৰৰ আলোকিত শিখা।

উৰ্বশী ঃ (লাজ কৰি ) স্বামী ---! ইমান মৰম মই নোৱাৰো সহিব। লাগে ভয় যদি আমাৰ প্ৰেমত লাগে গ্ৰহণ , ইৰ্যান্বিত হৈ যদি দেৱতায়েই লয় প্ৰতিশোধ।

পুৰুৰবা ঃ ৰক্ষক হৈ থাকিম মই তোমাৰ কাষত। তাৰ বাবে তুমি নকৰিবা চিন্তা। মাথো ভ্ৰমণ কৰিবা তুমি আমাৰ সঙ্গে ধৰণীৰ বিভিন্ন ৰম্য স্থানে। ব'লা ব'লা প্ৰিয়ে , যৌৱনৰ ৰাগীত দুয়ো হওঁগৈ একাত্ম।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত প্ৰহৰী বীৰসিংহ আৰু ৰূপসিংহৰ প্ৰৱেশ --( বাজনা - ভঙ্গী)**

বীৰ ঃ সখা, আমাৰ ৰাজনৰ যে কি কপাল ঔ ; আনে অৰণ্যত গৈ বাঘ -সিংহৰ হয় সন্মুখীন ; আৰু আমাৰ ৰাজনে গৈ পালেগৈ সৰগৰ অপেশ্বৰী ; তাকো নহয় এলাপেচা , ৰূপৱতী উৰ্বশীক ।

ৰূপ ঃ অ' তোৰ কপটীয়া পেটৰ আজিহে পালো প্ৰমাণ । ইৰ্যাত দহিছ তই । কেনেবাকৈ যদি ৰাজনৰ কাণত এই কথা পৰে তোৰ শিৰ এইহেন শিঙৰা কায়টোৰ ওপৰত নথয় ৰাখি । তোৰ দৰে উলুৰ লগতে বগৰীও পুৰা যাব । এইকথা কিন্তু মই তোক ক'লো এতিয়াই ।

বীৰ ঃ নহয় অ' ; তই ভুল বুজিছ । ৰাজনৰ ভাগ্যক মই ইৰ্ষা কৰা নাই । দুষিছো মই নিজৰ ফুটা কপালকহে । হেৰ বয়সে দুকুৰি কৰিলে অতিক্ৰম , আজিলৈকে গৃহিনী এজনীকে মই নোৱাৰিলো গোটাব । হে প্ৰভু , মই বাৰু বৰলা হৈয়ে চকু মুদিম নেকি --- ?

ৰূপ ঃ হেৰ' সংসাৰ পতা নাই ভালেই কৰিছ ; ভগৱন্তই তোক কৃপাহে কৰিছে বুজিছ । সংসাৰ পাতি কি যান্ত্ৰনা সি আমাৰ দৰে ভুক্ত ভোগীয়েহে জানে । শাস্ত্ৰটো কৈছে নহয় --

সিটো গৃহবাস, ভাৰ্যাৰেসে দাস, কহিলো পৰম আৰ্য্যা ।
বানৰক যেন নৰ্তকে নচাৰে, স্বামীক নচাৰে ভাৰ্যা ।।

বীৰ ঃ অ' এই বুঢ়াৰ পেটটোযে ইমান মলিন মই আজিহে বুজিলো । মোক শাস্ত্ৰৰ বাণী শুনাই ; ইফালে নিজে আকৌ ৰূপেশ্বৰীৰ লগত পাতিছে সংসাৰ । হেৰ' ভোমোৱা হৈ নোপোৱাই পোৱাদি মধু পান কৰিলি । যদি সংসাৰত ইমানেই যান্ত্ৰনা , কেনেকৈনো আঠটাকৈ সন্তানৰ হলি বাপেকী ?

ৰূপ ঃ হেৰ' পৰুৱাৰ পাখী গজে মৰিবলৈ ; বৰলাইও বিয়া পাতে মৰিবলৈহে । বুজিছ, দূৰৰ পাহাৰখন দূৰৰপৰাই চাবি ; ওচৰলৈ গ'লে তাৰ সৌন্দৰ্য হেৰাই । দেহি ঐ, বিবাহৰ আগতে মোৰ সাদৰীজনীৰ মাতটো কিযে আছিল কুলিৰ দৰে মৌ মিঠা ; তাই যেন কৈয়ে থাকক , মই যেন শুনিয়ে থাকিম । হেৰ' এতিয়া তাই যিহে হুদুৰদৰে চিঞৰে গোটেই ৰাইজখনে কাণত সোপা মাৰে । সুখ- শান্তি মোৰ নোহোৱা হ'ল অ' বোপা । তোক দিঁও আশীষ তই চিৰকুমাৰ হৈয়ে থাক --

বীৰ ঃ অহ অহ এই হতশ্ৰী বুঢ়াই মোক চিৰকুমাৰৰহে দিলে আশীৰ্বাদ । ই মোৰ বাবে নহয় আশীৰ্বাদ ই অভিশাপ । চাই থাক , চাই থাক ৰাজনৰ দৰে কালিলৈ ময়ো যাম বনলৈ । ৰাজনে লভিলে উৰ্বশীক ; মই লভিমগৈ ৰম্ভা অপেশ্বৰীক ----

ৰূপ ঃ হেঃ হেঃ পাছে মনত ৰাখিবি -- ভালে পায় ভাল ; জাৰৱে কিন্তু খালহে পাই হেঃ হেঃ ---

বীৰ ঃ অৰ্থাৎ ? মই জাৰৱ ? আঃ মোক তই কৰিলি অপমান ; নাম মোৰ বীৰসিংহ । নসহো অপমান; প্ৰেমৰস থলো আঁতৰাই, বীৰৰসে বকবকাই উঠলি উঠিলো ; মোক অপমান কৰাৰ চা ললো তোৰ ওপৰত ভীষণ প্ৰতিশোধ -----

ৰূপ ঃ ( বীৰৰ হাতত ধৰি ) আও তোৰ ইমান সাহস । কি অনিষ্ট কৰিবি তই মোৰ ?

বীৰ ঃ এৰি দিয়ক ঔ , এৰি দিয়ক ; আপোনাৰ বজ্ৰমুষ্ঠিত মোৰ এই কোমল হাতখন ভাগিব এতিয়া । অ' দেউতা ঈশ্বৰ , কাবৌ কৰিছো মোক নকৰিব ঘূণীয়া ------

ৰূপ ঃ বুঢ়াৰ হাতত পৰি চেঙেলীয়ে কিয় কেঁকা ; এই বীৰত্ব লৈয়ে ৰম্ভাক লভাৰ সপোন দেখা হেঃ হেঃ

**সূত্ৰ ঃ এনেতে মন্ত্ৰীবৰ আহে -----**

মন্ত্ৰী ঃ এই কি হৈছে তহঁতৰ ? কিয় কৰ হুলস্থূল --- ?

বী+ৰূ ঃ প্ৰণাম মন্ত্ৰীবৰ -----

মন্ত্ৰী ঃ শুন তহঁতে, মৰতৰ বিভিন্ন স্থানত ভ্ৰমি ৰানীৰ সৈতে আমাৰ ৰাজন আহিছে ৰাজ্যলৈ । আদৰিব লাগিব আমি দুয়োকে অতি আড়ম্বৰেৰে । সেইহেতু যা তহঁত ৰাজভৱন পুষ্পৰে সজ্জিত কৰগৈ

ৰূপ ঃ যিবা আজ্ঞা মন্ত্ৰীবৰ ; আমি এতিয়াই পুষ্পৰ কৰিম যোগাৰ । বীৰসিংহ, ব'ল যাওঁ নানাৰঙী সুগন্ধী পুষ্পৰ কৰোঁগৈ যোগাৰ ---

বীৰ ঃ ব'লক, তেহে যদি মোৰো ভাগ্য হয় উদয় ----

**সূত্ৰ ঃ প্ৰহৰীদ্বয়ৰ প্ৰস্থান ---**

মন্ত্ৰী ঃময়ো যাঁও অভ্যৰ্থনা অনুষ্ঠানৰ কৰোঁগৈ নিৰীক্ষণ -----

**সূত্ৰ ঃ মন্ত্ৰীৰ প্ৰস্থান । আনফালে সভাত ইন্দ্ৰ, অগ্নি, বৰুণ আৰু বিশ্বৰূপ ----**

অগ্নি ঃ দেৱৰাজ, বহুদিন দেৱসভাত অনুষ্ঠিত কৰা নাই অপেশ্বৰীৰ দ্বাৰা নৃত্য অনুষ্ঠান। দেৱগণেও কৰিছে ইচ্ছা নৃত্য উপভোগৰ । সেয়ে কৰোঁ অনুৰোধ, নৃত্যানুষ্ঠানৰ আজি কৰক আয়োজন।

ইন্দ্ৰ ঃ অগ্নিদেৱ, উৰ্বশীহীন নৃত্যানুষ্ঠান অৰ্থহীন দেৱ সভাত । সেয়ে কৰা নাছিলো নৃত্যৰ আয়োজন । যদি আপোনাসৱে কৰিছে হাবিয়াস তেন্তে নিশ্চয় কৰিম আয়োজন নৃত্যানুষ্ঠানৰ। অপেশ্বৰী, অপেশ্বৰী-

**সূত্ৰ ঃ অচিতা আৰু কৰ্ণিকা সোমাই আহে-----**

দুয়ো ঃ আদেশ কৰক দেৱৰাজ।

ইন্দ্ৰ ঃ অপেশ্বৰীগণ, অমৰমণ্ডলীয়ে কৰিছে ইচ্ছা নৃত্য উপভোগৰ। গতিকে কৰা তোমালোকে নৃত্য, মনোৰঞ্জন দিয়া অমৰমণ্ডলীক ।

কৰ্ণিকা ঃ যিবা আজ্ঞা দেৱৰাজ, এতিয়াই আৰম্ভ কৰিম আমি নৃত্যানুষ্ঠান।

**সূত্ৰ ঃ অপেশ্বৰীগণে নৃত্য আৰম্ভ কৰে। দেৱগণ অসন্তুষ্ট হয়। ক্ৰোধ কৰি ইন্দ্ৰই যি কয়----**

ইন্দ্ৰ ঃ বন্ধ কৰা, বন্ধ কৰা নৃত্য তোমালোকে । দিব পৰা নাই আমাক আনন্দ, কৰিব পৰা নাই মোহিত অমৰমণ্ডলীক । নোহোৱা তোমালোক উৰ্বশীৰ সম নৃত্যাঙ্গনা । যোৱা তুৰন্তে ইয়াৰ পৰা --

**সূত্ৰ ঃ অপেশ্বৰীগণৰ প্ৰস্থান----**

অগ্নি ঃ সঁচা দেৱৰাজ, উৰ্বশীৰ অভাৱ অনুভৱ কৰিছো আমি। বহুদিন হ'ল মৰ্ত্ত্যত থকা উৰ্বশীৰ। কিবা দৰে তেওঁক পুনৰ স্বৰ্গলৈ অনাৰ ব্যৱস্থা কৰিব নোৱাৰিনে দেৱৰাজ ?

ইন্দ্ৰ ঃ মনুষ্য ৰাজন পুৰুৰবাৰ প্ৰেমত আজি অন্ধ উৰ্বশী । প্ৰতিজ্ঞাবদ্ধ পুৰুৰবাৰ প্ৰতিজ্ঞা ভঙ্গৰ বাবে কৰা নাই উৰ্বশীয়ে কোনো ব্যৱস্থা। মৰ্ত্ত্যই মুহিছে উৰ্বশীক, পুৰুৰবাই মুহিছে উৰ্বশীক !! স্বৰ্গলৈ তাইৰ নপৰে মনত । দেৱগণ, কৰক উপায় উৰ্বশীক স্বৰ্গলৈ উভতাই অনাৰ ।

অগ্নি ঃ দেৱৰাজ, দিয়ক অনুমতি পৰাস্ত কৰি পুৰুৰবাক লৈ আহিম মই উৰ্বশীক পুনৰ স্বৰ্গলৈ ।

ইন্দ্ৰ ঃ বলেৰে নহয় অগ্নিদেৱ, চলেৰে আনিব লাগিব উৰ্বশীক ইয়ালৈ । বিশ্বৰূপ, যোৱা তুমি মৰ্ত্ত্যলৈ উৰ্বশীক স্বৰ্গলৈ অনাৰ কৰা ব্যৱস্থা ।

বিশ্বৰূপ ঃ চিন্তা নকৰিব দেৱৰাজ, এই গন্ধৰ্ব বিশ্বৰূপৰ ওপৰত আপুনি ৰাখক বিশ্বাস । উৰ্বশীয়ে পুৰুৰবাক দিয়া চৰ্তৰ সুবিধা লৈ, চলেৰে ঘুৰাই আনিম মই উৰ্বশীক পুনৰ স্বৰ্গধামলৈ।

ইন্দ্ৰ ঃ হাঃ হাঃ বিশ্বৰূপ তোমাৰ সামথ্যৰ ওপৰত মোৰ আছে দৃঢ় বিশ্বাস । অগ্নিদেৱ, আপুনিও যাওক লগত । মনত ৰাখিব, পুৰুৰবা আমাৰ মিত্ৰ ; কদাপি নকৰিব ৰণ তেওঁৰ সমে । কেৱল চলেৰে --হাঃ হাঃ যাওক, আমিও স্বৰ্গৰপৰা কৰিম সহায় ।

অগ্নি ঃ যিবা আজ্ঞা দেৱৰাজ, ব'লক গন্ধৰ্বদেৱ।

**সূত্ৰ ঃ বিশ্বৰূপ আৰু অগ্নিদেৱৰ প্ৰস্থান। পাছত বাকী সকলৰো প্ৰস্থান। সভাত ভেড়া এটা টানি বিশ্বৰূপ আৰু অগ্নিদেৱ আহে----**

অগ্নিদেৱ ঃ হাঃ হাঃ বিশ্বৰূপ, আঁচনি মতেই ৰাত্ৰিক্ষণত আমি হৰণ কৰিলো উৰ্বশীৰ এই ভেড়া ।

বিশ্বৰূপ ঃ অগ্নিদেৱ, অৰ্দ্ধ কাৰ্যহে আমাৰ হৈছে সাধন ; উদ্দেশ্য এতিয়াও হোৱা নাই পূৰণ । ৰাজন পুৰুৰবা এতিয়া শয়নাৱস্থাত । আনিব লাগিব তেওঁক ; কৰক দেৱ , ইয়াক প্ৰহাৰ কৰক । নিশ্চয় তেতিয়া ইয়াক উদ্ধাৰ কৰিবলৈ আহিব পুৰুৰবা --

**সূত্ৰ ঃ অগ্নিদেৱে ভেড়াক প্ৰহাৰ কৰে; ভেড়াই চিঞৰে। এনেতে হাতে অস্ত্ৰ লৈ পুৰুৰবা --**

পুৰুৰবা ঃ সাৱধান, সাৱধান, কোন তহঁত ? আজি মোৰ হাতৰ পৰা নাপাবি নিস্তাৰ ।

**সূত্ৰ ঃ ( বিশ্বৰূপ আৰু অগ্নিদেৱে ভেড়া এৰি পলাই যায়। খেদি আহোঁতে পুৰুৰবাৰ দেহৰ পৰা বস্ত্ৰ পৰি যায়। পুৰুৰবা বস্ত্ৰহীন হয় ----- ----**

পুৰুৰবা ঃ আঃ কিয় পলালি অধম ? ( ভেড়াক উদ্দেশ্যি ) যা যা তই , নিজ স্থানে যা ---

**(সূত্ৰ ঃ ভেড়াৰ প্ৰস্থান। এনেতে উৰ্বশী আহে -- হঠাতে বিজুলীৰ চমকণিৰ সৃষ্টি। পুৰুৰবাৰ নগ্নৰূপ দেখি উৰ্বশীৰ চিৎকাৰ -------**

উৰ্বশী ঃ নাথ--! এয়া আপুনি --- ? মুক্ত স্থানে আছে নিবস্ত্ৰ হৈ ---

পুৰুৰবা ঃ অ প্ৰিয়ে , মোক ভুল নুবুজিবা ; অকস্মাতে ঘটি গ'ল মোৰ এনে অৱস্থা --

উৰ্বশী ঃ মুক্ত স্থানে দেখিলো আপোনাক বস্ত্ৰহীন ৰূপত ; অৰ্থাৎ প্ৰতিজ্ঞা ভঙ্গ হ'ল আপোনাৰ ; অ নাথ, প্ৰতিজ্ঞা ভঙ্গ হ'ল আপোনাৰ ----- **( কান্দি কান্দি বেগেৰে প্ৰস্থান )**

পুৰুৰবা ঃ কি ঘটিল এয়া মোৰ অজানিতে ? নহয় প্ৰিয়ে নহয় --- উৰ্বশী ----- উৰ্বশী ----

**সূত্ৰ ঃ পুৰুৰবাৰ প্ৰস্থান । সভাত শোকাতুৰ হৈ উৰ্বশী -----**

উৰ্বশী ঃ বুজিছো, সকলো বুজিছো মই ; এয়া দেৱতাৰ চালনা । সেয়ে শুভ্ৰ আকাশতো দেখো বিদ্যুল্লতা । ভঙ্গ হ'ল প্ৰিয়তম পুৰুৰবাৰ পণ -- সমাগত আজি আমাৰ বিচ্ছেদৰ ক্ষণ --( কান্দে )

**সূত্ৰ ঃ এনেতে পুৰুৰবা আহে ------**

পুৰুৰবা ঃ উৰ্বশী, প্ৰিয়ে, কিয় কৰিছা ক্ৰন্দন ? ভুল নুবুজিবা মোক । শয়নাৱস্থাত আছিলো মই । ভেড়াৰ চিঞৰত সাৰ পাই হঠাত আহিলো খেদি । বস্ত্ৰ মোৰ গাৰ পৰা অকস্মাতে পৰিল খহি ---

উৰ্বশী ঃ কাৰণ যিয়েই নহওক নাথ ই জানো নহয় সত্য -- আমাক দিয়া পণ আপোনাৰ হৈছে ভঙ্গ -

পুৰুৰবা ঃ নাই নাই প্ৰিয়ে -- ভঙ্গ কৰা নাই মই পণ স্ব-ইচ্ছাৰে ---

উৰ্বশী ঃ মই নিৰুপায় নাথ, সত্য ভঙ্গ হ'ল আপোনাৰ ----

পুৰুৰবা ঃ আঃ প্ৰিয়ে, কিয় তুমি কোৱা বাৰে বাৰে সত্য ভঙ্গৰ কথা ?

উৰ্বশী ঃ সত্যতেই জানো চলা নাই জগত ; সত্যই জানো নহয় বিশ্বাস ? সত্য ৰক্ষা জানো নহয় কৰ্তব্য আপোনাৰ ?

পুৰুৰবা ঃ তোমাৰ ভেড়াক ৰক্ষণ -- এই কৰ্তব্যই জানো মই কৰা নাই পালন ?

উৰ্বশী ঃ মই কি কৰিম নাথ ? অঙ্গীকাৰবদ্ধ ময়ো দেৱেন্দ্ৰৰ ওচৰত । সত্য ভঙ্গ হ'লেই আপোনাৰ, যাব লাগিব মই স্বৰ্গধামলৈ । উসঃ ঘটিব এতিয়া আমাৰ বিচ্ছেদ ---

পুৰুৰবা ঃ আমাৰ প্ৰেম, আমাৰ বিবাহ, ইমান ঠুনুকা নহয় প্ৰিয়ে যে এক প্ৰতিজ্ঞা ভঙ্গৰ বাবে মোৰ পৰা তোমাৰ হ'ব বিচ্ছেদ ?

উৰ্বশী ঃ কি কৰিম নাথ প্ৰথম পৰিচয় যে মোৰ সৰগৰ অভাগিনী অপ্সৰা --

পুৰুৰবা ঃ কিন্তু বৰ্তমান তুমি মোৰ প্ৰিয়তমা --

উৰ্বশী ঃ অবুজন নহ'ব নাথ ---

পুৰুৰবা ঃ বুজাবলৈও আৰু তুমি নকৰিবা চেষ্টা ; ব'লা প্ৰিয়ে, যাঁও আমি নিজ কক্ষলৈ --

উৰ্বশী ঃ মই অপাৰগ নাথ । যাবই লাগিব মই , নতু দেৱৰাজ হ'ব ক্ৰোদ্ধ ।

পুৰুৰবা ঃ তোমাক ৰক্ষা কৰিবলৈ মই দায়বদ্ধ ; অ উৰ্বশী, বৰণ কৰি মোক চিঙি পেলাইছা তুমি দেৱৰাজৰ দাসত্বৰ শিকলি । তেনেস্থলত কিয় দেৱেন্দ্ৰলৈ তুমি কৰিছা সমীহ ? যদি হয় প্ৰয়োজন সন্মুখ সমৰত মই নামিম দেৱেন্দ্ৰৰ । চাঁও বাৰু কোন দেৱতাই কৰে সাহস ? প্ৰিয়ে উৰ্বশী, নকৰিবা ভয় ; তুমি মোৰ , মোৰ হৈয়ে থাকিবা ; মাথোঁ তুমি এই ক্ষণত দিয়া মোক সঙ্গ ।

উৰ্বশী ঃ নাথ -- (কান্দে) এক দুঃস্বপ্ন বুলি মোক যাওক পাহৰি। যদি মই নাযাওঁ স্বৰ্গলৈ ঘুৰি ক্ৰোদ্ধ দেৱতাই ধ্বংস কৰিব এই ধৰণী। নৰ্ত্তকী বুলি জগতে কৰে আমাক উপহাস, আৰু এক কলংক মই নোৱাৰিম লব। মোক ক্ষমা কৰক নাথ ---

পুৰুৰবা ঃ উৰ্বশী, তেনে বাক্য আৰু নুবুলিবা দুনাই। পুৰুৰবাৰ পৰা উৰ্বশীৰ বিচ্ছেদ ; নাই নাই ই অসম্ভৱ। ভাবি চোৱা প্ৰিয়ে কেনেকৈ পূৰাম মই তোমাৰ প্ৰেমে মোৰ অন্তৰত দিয়া আত্মিক নাটনি ?

উৰ্বশী ঃ মই নিৰুপায়, মই অপাৰগ নাথ -------- ( কান্দে )

পুৰুৰবা ঃ বাৰে বাৰে নিৰুপায়, বাৰে বাৰে অপাৰগ বুলি কিয় কৰিছা উচ্চাৰণ ? অ' বুজিছো, তুমিও চলনাময়ী ; তোমাৰ প্ৰেম এক চালনা মাথোঁন। নোৱাৰে অপেশ্বৰী কাৰোবাৰ হ'ব অৰ্ধাঙ্গিনী। বিবাহৰ নাম দি মাথোঁ তুমিও মনুষ্যৰ দ্বাৰা তোমাৰ জৈৱিক বাসনা কৰিলা পূৰণ। পূৰ্ণ হ'ল তোমাৰ দেহৰ বাসনা, সেয়ে এতিয়া যাবলৈ ওলালা তুমি নিজ ধামলৈ।

উৰ্বশী ঃ নাথ ! নকৰিব সন্দেহ মোৰ প্ৰেমক। বিষয় বাসনাৰ উৰ্দ্ধত আমাৰ এই সম্পৰ্ক। আপোনাৰ সঙ্গ স্বৰ্গতকৈও সুন্দৰ নাথ। কিন্তু কি ক'ম মই আপোনাক ? কেনেদৰে বুজাওঁ আপোনাক ? জানি লওক এয়া আছিল শাপগ্ৰস্তা উৰ্বশীৰ এক অভিশপ্ত মিলন। মোক ক্ষমা কৰক নাথ, যাওঁ মই স্বৰ্গধামলৈ। ক্ষমিব মোক নাথ, ক্ষমিব মোক ------------------- ( প্ৰস্থান )

**গীত**

**কিনো ভাগ্য কিনো ভাগ্য লিখিলা দুয়োৰে।**
**বিচ্ছেদৰ পীড়াই দহে দুয়োৰে হৃদয়ে।।**

পুৰুৰবা ঃ উৰ্বশী, উৰ্বশী, উসঃ এয়া কি কৰিলো মই ! কটু বাক্য প্ৰয়োগ কৰি মই দয়িতাৰ হৃদয়ত দিলো সন্তাপ। গুচি গ'ল উৰ্বশী মোৰ কাষৰ পৰা ; ৰ'বা প্ৰিয়ে, নাযাবা তুমি। উৰ্বশী, উৰ্বশী ---

**সূত্ৰ ঃ পুৰুৰবাৰ প্ৰস্থান। আনফালে সভাত বিষ্ণু-----**

বিষ্ণু ঃ মায়াময় সংসাৰত কাম, ক্ৰোধ, লোভ, মোহেৰে আবৃত্ত জীৱকুল। যিজনে এই চাৰি ৰিপুক দমন কৰি নিজৰ কৰ্তব্য পালনেৰে আমাক কৰিব ভকতি, সংসাৰ সাগৰ পাৰ কৰি লভিব মুকুতি -- আৰু যিজনে নোৱাৰে তেওঁৰ অৱস্থা হাঃ হাঃ, পুৰুৰবাৰ দৰেই হ'ব মায়া সংসাৰত।

**সূত্ৰ ঃ এনেতে নাৰদ-----**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ --------

বিষ্ণু ঃ দেৱৰ্ষি, চিন্তান্বিত দেখো আজি তোমাক।

নাৰদ ঃ প্ৰভু, সঁচাই মই চিন্তিত, লগতে হৈছো বিস্মিত। মহা পৰাক্ৰমী জ্ঞানী ৰাজন পুৰুৰবাৰ আজি এনে অৱস্থা ? ভকতি মাৰ্গ ত্যাগ কৰি নিজ কৰ্তব্যৰ প্ৰতিও পিঠি দি উৰ্বশীৰ দৰে এগৰাকী নাৰীৰ প্ৰেমত অন্ধ !! কিয় প্ৰভু, কিয় হৈছে পুৰুৰবাৰ এনে অৱস্থা ?

বিষ্ণু ঃ এয়াইটো মায়াৰ বান্ধোন দেৱৰ্ষি। লোভ, মোহ, কাম ক্ৰোধত আজি আৱদ্ধ পুৰুৰবা। যি জীৱই মায়াৰ এনে বান্ধোন চিঙি আমাক পাবলৈ কৰিব চেষ্টা, সেইজনৰ নহয় পুৰুৰবাৰ দৰে অৱস্থা।

নাৰদ ঃ তথাপি প্ৰভু, পুৰুৰবাৰ দৰে জ্ঞানী আৰু প্ৰজাহিতৈষী ৰাজনৰ এনে পৰিৱৰ্তনে আমাৰ মনত দিছে বিষাদ। প্ৰভু, পুৰুৰবাক বাৰু শুদ্ধ পথলৈ নিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

বিষ্ণু ঃ নিশ্চয় পাৰি, যদিহে তেওঁ কৰিব চেষ্টা। কিন্তু পুৰুৰবাই জানো এতিয়া হাঃ হাঃ -----

নাৰদ ঃ প্ৰভু, যদি আপুনি দিয়ে অনুমতি আমি কৰি চাওঁ চেষ্টা। আমি বুজালে নিশ্চয় বুজিব তেওঁ।

বিষ্ণু ঃ আমাৰ কোনো আপত্তি নাই দেৱৰ্ষি।

নাৰদ ঃ তেন্তে প্ৰভু, মই কৰোঁগৈ পুৰুৰবাক সাক্ষাত, নাৰায়ণ নাৰায়ণ ----- (প্ৰস্থান)

বিষ্ণু ঃ যোৱা নাৰদ, মনুষ্যই নিজকে সংসাৰ সমুদ্ৰৰ পৰা কৰিব লাগিব উদ্ধাৰ। মনুষ্য নিজে নিজৰ বন্ধু, নিজে নিজৰ শত্ৰু। নিজে নিজক ৰাখে, নিজে নিজক মাৰে। সন্তজনে এই কথা হৃদয়ঙ্গম কৰা উচিত।

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান। আনফালে উত্ৰাৱল হৈ পুৰুৰবা----**

পুৰুৰবা ঃ উৰ্বশী -- প্ৰিয়ে, কিয় গ'লা তুমি মোক এৰি -- ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপে আজি মোক এনে দুখ দিলা ।।
আঁহা প্ৰিয়ে ঘূৰি আঁহা মাতিছো কাতৰে ।
তোমাৰ অবিহনে প্ৰিয়ে থাকো কিবা দৰে ।।

**সূত্ৰ ঃ এনেতে উৰ্বশী আহে ----------**

উৰ্বশী ঃ ছিঃ ছিঃ স্বামী, কি কায্য কৰে আপুনি ! আপোনাৰ দৰে ৰাজনে মোৰ দৰে এগৰাকী নাৰীৰ প্ৰতি এনেদৰে বিলাপ কৰাটো উচিত হোৱা নাই।

পুৰুৰবা ঃ উৰ্বশী , তুমি আহিলা ! জানো , জানো মই তুমিও মোক সমানেই কৰা প্ৰেম। প্ৰিয়ে , দিয়া শপত পুনৰবাৰ আৰু নোযোৱা তুমি মোক পৰিত্যাগ কৰি । অগ্নিয়ে স্বাহাক , সূৰ্যই সংজ্ঞাক , মদনে ৰতীক যেনেকৈ ৰাখিছেময়ো তেনেকৈ তোমাক আলফুলকৈ ৰাখিম মোৰ বুকুৰ মাজত ----

উৰ্বশী ঃ স্বামী , দুখ লাগিছে, লজ্জিত হৈছো মই, মোৰ দৰে এগৰাকী নাৰীৰ মোহত আপোনাক হোৱা দেখি অন্ধ । নহব উল্লাসিত , অহা নাই মই আপোনাৰ সমীপে চিৰ জীৱনলৈ ।

পুৰুৰবা ঃ তেন্তে কিয় আহিছিলা তুমি মোৰ জীৱনলৈ । দুদিনীয়া সান্নিধ্যৰে জীপাল কৰিলা মোৰ হৃদয়। কিন্তু এতিয়া ৰিক্ত কৰি মোৰ হৃদয় , ঢালি বিৰহৰ হলাহল ঘুৰি গৈছা তুমি স্বৰ্গ সুখ লবলৈ ।

উৰ্বশী ঃ প্ৰলাপ নবকিব ৰাজন, পাহৰি নাযাব চন্দ্ৰবংশী ৰাজন আপুনি। আছে আপোনাৰ বহু কৰ্তব্য । নিজ কৰ্তব্য পালন কৰাটোহে আপোনাৰ ধৰ্ম । মোৰ দৰে এগৰাকী সামান্য অপ্সৰাৰ প্ৰেমত মজি নাযাব নিজ কৰ্তব্য পাহৰি , নকৰিব অধৰ্ম ---

পুৰুৰবা ঃ কিন্তু , গৃহস্থী ধৰ্মমতে নিজ পত্নীক প্ৰেম কৰাটো জানো মোৰ কৰ্তব্য নহয় ? প্ৰিয়ে, জগতক সাক্ষী কৰি তোমাক কৰিছো বিবাহ ; গতিকে নাযাবা তুমি আৰু স্বৰ্গলৈ ঘুৰি । থাকিবা তুমি পুনৰ মোৰ লগত , নিজ কৰ্তব্য , ৰজাৰ দায়িত্বও পালন কৰিম মই ।

উৰ্বশী ঃ ই সম্ভৱ নহয় ৰাজন , মৰ্ত্ত্যপুৰীত আপোনাৰ কাষত নিতে আৰু নাথাকো মই । কিন্তু মোৰ প্ৰতি থকা আপোনাৰ প্ৰেম দেখি দিছো বচন, প্ৰতি বছৰে অন্তিম দিনত সঙ্গ দিম মই আপোনাক । আপোনাৰ বীৰ্য্য ধাৰণ কৰি সন্তান সুখো কৰিম প্ৰদান আপোনাক।

পুৰুৰবা ঃ উৰ্বশী, এয়া কি কৈছা তুমি ! বছৰত মাত্ৰ এটা দিনহে থাকিবা তুমি মোৰ লগত ?

উৰ্বশী ঃ দেৱ আৰু গন্ধৰ্বক নিতৌ কৰিব পূজা । এই জনমৰ পাছত আপুনি স্বৰ্গত কৰিব পাৰিব বাস, নিতৌ পাব তেতিয়া আপুনি মোক। এতিয়া মই কৰোঁ প্ৰস্থান । যাওঁক আপুনিও ৰজাৰ ধৰ্ম কৰকগৈ পালন। মই আহিলো স্বামী ; মই আহিলো --- ( **প্ৰস্থান** )

পুৰুৰবা ঃ উৰ্বশী, প্ৰিয়ে মোৰ, তুমি নাযাবা পুনৰ মোৰ পৰা আঁতৰি। উৰ্বশী, উৰ্বশী -- হে পুৰন্দৰ , মই কৰা উপকাৰৰ কি এয়াই প্ৰতিদান আপোনাৰ ? মোৰ সুখ আপোনাৰ নহ'ল সহ্য । হে দেৱগণ, কৰোঁ অনুৰোধ, কৰিছো মিনতি -- উৰ্বশীক মোক দিয়ক ঘুৰাই ।

**সূত্ৰ ঃ এনেতে নাৰদ -----------**

নাৰদ ঃ চন্দ্ৰবংশী ৰাজন পুৰুৰবা , এয়া আপোনাৰ কেনে আচৰণ ? কিয় মনুষ্য জীৱন কৰিছে বৃথা ?

পুৰুৰবা ঃ প্ৰণাম দেৱৰ্ষি , আপোনাৰ কথনৰ তাৎপয্য নুবুজিলো মই ।

নাৰদ ঃ ৰাজন, মনুষ্য জনম লভি হৰি বিমুখ হৈ বিষয় সুখত মজি কিয় কৰিছে পাপ ? কিয় কৰিছে নিজৰহে ক্ষতি ? মনত ৰাখিব ৰাজন , নাৰীত আসক্ত লোক যমৰ আলহী ----

পুৰুৰবা ঃ হওক পাপ, হওক ক্ষতি, যদি বিষয় সুখত মজি মই পাওঁ স্বৰ্গ তাকে ল'ম আদৰি । সেই হেতু কৰি গন্ধৰ্ব পূজন, স্থান লভি স্বৰ্গপুৰীত উৰ্বশীৰ সঙ্গ লভিবলৈ মই কৰিম চেষ্টা ।

নাৰদ ঃ নাৰায়ণ --, হে ৰাজন, বিষয় সুখ সকলো জীৱই লভে, কিন্তু হৰি নাম মনুষ্যৰ মুখেৰেহে পাৰে ল'ব । আপুনি হ'ল মহান ৰাজন মনুৰ নাতি । গতিকে মায়া সংসাৰত নাযাব ভুল ।

পুৰুৰবা ঃ ক্ষমা কৰিব দেৱৰ্ষি, মেলি দিলো মই প্ৰেমৰ ডিঙৰা মায়া সাগৰত ; নুজুখো এতিয়া সি কিমান

গভীৰ । যদিওবা হৈছো দিগভ্ৰান্ত, আছে বিশ্বাস মোৰ নিজৰ প্ৰেমৰ ওপৰত , উপনীত হম মই মোৰ ইপ্সিত লক্ষ্যত --- ( যাব খোজে )

নাৰদ ঃ ৰাজন ---

পুৰুৰবা ঃ দেৱৰ্ষি, আপোনাৰ দৰে ব্ৰহ্মচাৰীয়ে কি বুজিব বিষয় সুখ ? কি বুজিব সুন্দৰতা নাৰীৰ ? যাঁও দেৱৰ্ষি, দেৱ পূজনৰ লগতে ৰাজকাৰ্য্যও কৰোঁগৈ পালন -- (**প্ৰস্থান** )

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, এনেহেন ৰাজনে যদি বুজিবলৈ নকৰে চেষ্টা, স্বৰ্গ সুখকেই লক্ষ্য প্ৰাপ্তি বুলি লয় সিদ্ধান্ত , তেন্তে সাধাৰণ মনুষ্যৰ কি গতি হ'ব ?

**সূত্ৰ ঃ এনেতে শ্ৰীবিষ্ণু---------------**

বিষ্ণু ঃ দেৱৰ্ষি, কি চিন্তা কৰিলা ? বুজালানে বাৰু তুমি পুৰুৰবাক ? নিশ্চয় তোমাৰ উপদেশ বাণীক পুৰুৰবাই লৈছে আদৰি ?

নাৰদ ঃ প্ৰভূ , বহু চেষ্টা কৰিও নোৱাৰিলো পুৰুৰবাক দিব ভক্তিজ্ঞান । কিয় প্ৰভূ , কিয় ---- ?

বিষ্ণু ঃ দেৱৰ্ষি , ধোঁৱাই যেনেকৈ অগ্নিক , ময়লাই যেনেকৈ দৰ্পনক ৰাখে ঢাকি । কামনা - বাসনাই মনুষ্যৰ জ্ঞানকো ৰাখে ঢাকি। পুৰুৰবাৰ ক্ষেত্ৰটো সেয়াই হৈছে ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ -- প্ৰভূ, ইমানেই শক্তিশালীনে কামনা বাসনা ? ইমানেই মধুৰনে সুন্দৰী ৰমনীৰ সঙ্গ ? যে মনুষ্যই মোক্ষ প্ৰাপ্তিকো আজি কৰে অৱজ্ঞা ?

বিষ্ণু ঃ যদি তুমিও ল'ব বিচাৰা ইয়াৰ সুখ , সাজু আছে স্বৰ্গত ৰম্ভা-মেনকা । ইচ্ছা কৰিলেই তুমি --

নাৰদ ঃ নাৰায়ণ নাৰায়ণ , নালাগে প্ৰভূ আমাক সেই সুখ , আপোনাৰ চৰণ সেৱী পাওঁ মই অনাবিল সুখ । হে মৰতৰ মনুষ্যগণ, ভাগ্যক্ৰমে লভিছা মনুষ্য জনম । পুৰুৰবাৰ দৰে কেৱল বিচাৰি স্বৰ্গ সুখ নকৰিবা ভুল । ৰাখিবা মনত কাম, ক্ৰোধ, লোভ মহাশত্ৰু জীৱনৰ । মায়াই হেৰুৱাব জ্ঞান, তথাপি নহৈ বিচলিত প্ৰভূতেই লবা শৰণ , সৱাকে উদ্ধাৰিব প্ৰভূ নাৰায়ণ । হে কমল লোচন, হে দয়াময়, ভকতৰ ভয়হাৰী আপোনাৰ চৰণতহে আমাৰ শতকোটি প্ৰণাম।

বিষ্ণু ঃ উঠা দেৱৰ্ষি , সেয়েহে তুমি মোৰ অতিকৈ প্ৰিয় । এতিয়া যাওঁ ব'লা আমি নিজ নিজ স্থানে।

নাৰদ ঃ ব'লক প্ৰভূ ।

**গীতঃ ( ৰাগ - বসন্ত ; তাল - চুতকলা )**

**দেৱৰ্ষিক সঙ্গে লৈয়া প্ৰভূ জনাৰ্দন ।**
**ৰঙ্গমনে দুয়ো চলে নিজ নিজ স্থান ।।**
**দুষ্টক দমন কৰি সন্তক থাপিলা ।**
**সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ।**

গীত- (ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান)

জয় জয় নাৰায়ণ তযু বিনে নাই কেৱ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি, - পুৰুৰবাৰ প্ৰতিজ্ঞা ভঙ্গ, উৰ্বশীৰ স্বৰ্গ গমন - নাটকং সম্পূৰ্ণম ।।

সমাপ্ত

জয় গুৰু শঙ্কৰ



# বিশ্বামিত্ৰৰ যজ্ঞ আয়োজন, তাৰকাৰ মুক্তিলাভ

নাট্যৰূপ ঃ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ ( যোৰহাট )

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ

২। শ্ৰীবিষ্ণু

৩। শ্ৰীৰামচন্দ্ৰ

৪। লক্ষ্মণ

৫। ব্ৰহ্মা

৬। বিশ্বামিত্ৰ

৭। অগস্ত্য

৮। দেৱভূতি ( অগস্ত্যৰ শিষ্য )

৯। যজ্ঞস্বামী ( অগস্ত্যৰ শিষ্য )

১০। মাৰীচ ( শিশু )

১১। সুবাহু ( শিশু )

১২। মাৰীচ ( ৰাক্ষস ৰূপত ) --( প্ৰধান চৰিত্ৰ )

১৩। সুবাহু ( ৰাক্ষস ৰূপত )

১৪। সুকেতু ( যক্ষৰাজ )

১৫। ৰক্ষজিত ( যক্ষৰ সেনাপতি )

১৬। সুন্দ ( ৰক্ষৰাজ )

১৭। বজ্ৰকেতু ( অসুৰৰাজ )

১৮। বিকাল ( অসুৰ সেনাপতি )

## নাৰী চৰিত্ৰ

১/ লক্ষ্মী

২/ তাৰকা --( প্ৰধান চৰিত্ৰ )

মুখা

মৃগ পহু

শ্ৰী শ্ৰী কৃষ্ণায়ে নমঃ

শ্লোক ঃ নমঃ কৃষ্ণ নিৰাকাৰং ৰূপ জ্যোতি সনাতনম ।
পীত বস্ত্ৰ পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম ।।
সুৰেন্দ্ৰ গৰ্ব গঞ্জনং গাজেন্দ্ৰ দম্ভ খণ্ডনম ।
বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।

অপিচ ঃ বিশ্ব পালনং দেৱ বিষ্ণু চতুৰ্ভূজম । লক্ষ্মীনাথম দুষ্ট বিনাশং ।।
প্ৰণমং চৰণে দেৱ নাৰায়ণম । ৰামচন্দ্ৰৰূপে অৱতাৰ ধাৰনং ।।

গীত ঃ নান্দী (ৰাগ ঃ সুহাই , তাল ঃ একতাল)

জয় জয় দেৱ নাৰায়ণ। তুৱা পাৱে কৰহো বন্দন।।
নানা ৰূপে লোৱা অৱতাৰ। কৰিলাহা ভক্তক উদ্ধাৰ।।
হেন জানি এৰা আন কাম। সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা, ইয়ং -- **বিশ্বামিত্ৰৰ যজ্ঞ আয়োজন, তাৰকাৰ মুক্তিলাভ** -- নাম নাটকং শ্ৰৱণে মুক্তি সাধকম --

অথ ভটিমা

জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন
তুৱা পাৱে কৰোহো বন্দন ।
দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি
ৰক্ষা কৰা সাধু সন্ত গণ ।।
মাৰীচ - সুবাহু বীৰ তাৰকাৰ নন্দন
নিজদোষে শাপিত হৈলা ।
কিনো বিধি বিধাতাৰ লিখিলা তাৰকাৰ
ঋষিশাপে নিশাচৰী হৈলা ।
নাৰায়ণে নৰৰূপে কৌশিকৰ সঙ্গে আহি
দুষ্টক দমন কৰিলা ।
দেখা দেখা সৰ্বজন কথা তাৰকাৰ
নিৰন্তৰে হৰি হৰি বোলা ।।

শ্লোক নৃত্য ঃ

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত বাজত বাজত ।

সূত্ৰ ঃ আ-হাহা মিলল মিলল, আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু লক্ষ্মীসহ এহি সভাৰ মধ্যে আৱত, আৱত , আৱত। তাক দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

ইতি সুত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণু আৰু লক্ষ্মীৰ প্ৰৱেশ ----

শ্লোক ঃ প্ৰৱেশম কৰোৎ দেৱ শ্ৰীবিষ্ণু কমললোচন। লক্ষ্মী ভ্যাং সহ সভাৰ মধ্যে উপস্থিতং।।

গীত -( ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )

সভাত প্ৰৱেশ কৰে দেৱ নাৰায়ণ।
লক্ষ্মীৰ সহিতে আহে কমল লোচন।।
দিব্য বস্ত্ৰে প্ৰৱেশিলা সভাৰ ভিতৰ।
ডাকি হৰি হৰি বোলা সভাসদ নৰ।।

লক্ষ্মী ঃ প্ৰণাম প্ৰভু ---

বিষ্ণু ঃ উঠা দেৱী ----

লক্ষ্মী ঃ নুবুলিলে প্ৰভু আজি আপুনি আমাক পদ্মাসনা বুলি, নুবুলিলে আপুনি আজি আমাক হৰিপ্ৰিয়া বুলি। প্ৰভু, দেখো আপোনাক আজি চিন্তিত, উদ্বিগ্ন ৰূপে। কওক প্ৰভু, সদাহাস্য আপোনাৰ বদনত কি দুশ্চিন্তাই সানিছে বিষণ্ণতাৰ চাপ ?

বিষ্ণু ঃ তুমি ঠিকেই অনুমান কৰিছা দেৱী; নৰ অৱতাৰৰ ক্ষণ যে আমাৰ নিচেই সন্নিকট। এফালে নৰৰূপে ভক্তক উদ্ধাৰৰ আনন্দই পুলকিত কৰে আমাৰ হৃদয়, আনফালে সুপ্ত বেদনাৰ অনাকাংক্ষিত অনুভূতিয়ে বাৰে বাৰে আমাৰ হৃদয়ক কৰে বিহ্বল।

লক্ষ্মী ঃ শব্দৰ মায়াজাল প্ৰভু নকৰিব সৃষ্টি। দয়া কৰি বুজাই দিয়ক আমাক।

বিষ্ণু ঃ দেৱী, ধৰ্ম প্ৰতিষ্ঠাৰ হেতু, দুষ্টক দমন আৰু সন্তক পালনৰ হেতু অচিৰেই মৰতত আমি নৰৰূপে ল'ম অৱতাৰ। তুমিও মানৱীৰূপে জনম লৈ আমাৰেই অৰ্দ্ধাঙ্গিনীৰ দায়িত্ব কৰিবা পালন।

লক্ষ্মী ঃ সেয়াটো অৱশ্যম্ভাৱী প্ৰভু; আপুনি য'ত, আমিও ত'ত। আ-হাহা মানৱী ৰূপতো আমি আপোনাৰ কৰিম সেৱা। পাছে প্ৰভু, এয়াতো হ'ব নোৱাৰে কোনো শংকাৰ বিষয় ?

বিষ্ণু ঃ দেৱী, ধৰাৰ ধৰ্ম নহয় বৈকুণ্ঠৰ দৰে। নৰৰূপে জনম লৈ আমি নৰ ধৰ্ম, নৰ কৰ্ম কৰিব লাগিব পূৰণ। তাকে পালন কৰিব যাওঁতে যদি আমি মায়া - মোহত আবদ্ধ হৈ হওঁ নাৰীবধী, আমাৰ হাততে যদি হয় কোনো নাৰী দণ্ডিতা আৰু যদি ঘটে তোমাৰপৰা আমাৰ বিচ্ছেদ --

লক্ষ্মী ঃ নাই নাই প্ৰভু, আপোনাৰপৰা আমাৰ বিচ্ছেদ ? ই কদাপি নহয় সম্ভৱ। তেন্তে সঁচাই বিচিত্ৰ কি মনুষ্য জীৱন ? নাই নাই, তেনে মনুষ্যৰূপ আমাৰ নহয় কাম্য --

বিষ্ণু ঃ হাঃহাঃ তুমিও হ'লা বিহ্বলা; চিন্তা নকৰিবা দেৱী, মনুষ্য জনমৰ এটা দিশহে আমি তোমাক দিলো উদঙাই। মনত ৰাখিবা, দেৱৰো দুৰ্লভ মনুষ্য জনম। যি মনুষ্যই আমাক ভজিব তেওঁৱেই লভিব মুক্তি, স্থান পাব এই বৈকুণ্ঠধামে। আমি অৱশ্যে ভাগ্যবান, মানৱীৰূপে কাষত থাকি তুমি প্ৰেমেৰে জীপাল কৰিবা আমাৰ জনম। এতিয়া যাঁও ব'লা, সেই ক্ষণলৈ কৰোঁ অপেক্ষা।

সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত সৃষ্টিকৰ্তা ব্ৰহ্মাদেৱৰ প্ৰৱেশ -------

গীত - ( ৰাগ ঃ আশোৱাৰী, তালঃ পৰিতাল )

প্ৰৱেশিলা সভাৰ মাজে দেৱ সৃষ্টিকৰ।
দিব্য বস্ত্ৰে শোভা কৰে গহীন গম্ভীৰ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সূত্ৰঃ ব্ৰহ্মাদেৱৰ প্ৰস্থান। সভাত যক্ষৰাজ সুকেতু আৰু সেনাপতি ৰক্ষজিতৰ প্ৰৱেশ ---

**গীত - (ৰাগ ঃ মাহুৰ , তাল ঃ পৰিতাল )**

**প্ৰৱেশ কৰিয়া আহে সুকেতু ৰাজন।**
**সঙ্গে আহে সেনাপতি চিন্তান্বিত মন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি নাৰায়ণ বোলা সভাসদ নৰ।।**

সুকেতু ঃ সেনাপতি ৰক্ষজিত , দেখো আজি তোমাক চিন্তান্বিত মনে ? কোৱা ইয়াৰ কাৰণ ?

ৰক্ষজিতঃ মহাৰাজ, নধৰিব দায় ; আছে বহু কথা, কৰিছিলো সমীহ ব্যক্ত কৰাৰ ; আজি পাইছো সুযোগ -- যক্ষৰাজ সুকেতু নামে আপুনি জগত বিখ্যাত । নাগ, নৰ, ৰক্ষ, দানৱ সকলোকে কৰি পৰাভূত কৰিলে প্ৰতিষ্ঠা আপুনি এই বিশাল ৰাজ্য । কিন্তু মহাৰাজ হঠাত যেন আপুনি হল ব্যতিক্ৰম ; দেখা নাই আপোনাৰ পূৰ্বৰ সেই অদম্য উদ্যম যাৰ সুযোগত শত্ৰু আমাৰ বাঢ়িছে দুগুণে ; ৰাজ্যৰ প্ৰজাগণ ভীতিগ্ৰস্ত হৈছে সঘনে ---

সুকেতু ঃ তোমাৰ কথা সত্য ৰক্ষজিত ; নাই আৰু উদ্যম মোৰ ৰাজ্য শাসনত । যদিওবা ৰাজসিংহাসনত বহি কৃত্ৰিমতাৰ ৰূঢ় ৰূপ ধৰি ৰাজ্য কৰিছো শাসন কিন্তু হৃদয়ত কঢ়িয়াই ফুৰিছো অজস্ৰ বেদনা । কত ৰাত্ৰি চকুৰ অশ্ৰু বোৱাই উজাগৰে কটাইছো কোনে জানে, কোনে কৰিছে তাৰ হিচাপ ?

ৰক্ষজিত ঃ মহাৰাজ, এয়া কি কৈছে আপুনি ? যদি অজানিতে আমি আপোনাক কৰিলো অপমান ; যদি আমাৰ বচনে আপোনাৰ অন্তৰত দিছে আঘাট তেন্তে ক্ষমিব মোক ; নতু মোক দিয়ক ইয়াৰ যথা পৰিণাম

সুকেতু ঃ ৰক্ষজিত, তুমি কোনো ভুল কৰা নাই। জানো মই ৰজাৰ কৰ্তব্য কি ? আৰু এইটোও জানো মই কৰিছো কি ? কিন্তু নিৰুপায় মই ? হতাশা, নিৰাশাই সততে আৱৰে মোক । নোৱাৰো আনৰ চক্ষুত দৃষ্টি ৰাখিব । সকলোৱে মাথো পুত্ৰহীন সুকেতু বুলি বিদ্ৰুপৰ চাৱনিৰে মোক কৰে উপহাস ।

ৰক্ষজিত ঃ আঃ মহাৰাজ, কোনে কৰে আপোনাক এনে অপমান ; কাৰ মৃত্যু চাপিল ওচৰ । আদেশ কৰক মহাৰাজ এই তীক্ষ্ণ অস্ত্ৰৰে কাঢ়ি আনিম মই কুদৃষ্টি তাৰ ---

সুকেতু ঃ কাক তুমি শাস্তি দিবা ৰক্ষজিত ? ৰজা অপুত্ৰক হোৱাটো জানো প্ৰজাৰ দোষ ? আৰু শাস্তি দি জানো ঢাকিব পাৰিবা নিদাৰুণ সত্যক ? নোৱাৰা ৰক্ষজিত , নোৱাৰা ; এয়া সুকেতুৰ ভাগ্যৰ লিখন ; শাস্তি দি প্ৰজাক নোৱাৰা সলাব ভাগ্যৰবি ৰজাৰ ---

ৰক্ষজিত ঃ মহাৰাজ, কৰোঁ নিবেদন ; আপোনাৰ দৰে ধৰ্মপ্ৰাণ ৰাজনৰ বাবে নহয় একো অসম্ভৱ । সাক্ষী আছে অতীত, তপ কৰি সলাইছে বহুতে নিজৰ জীৱন । আপুনিও পাৰে সলাব ভাগ্যৰ লিখন --

সুকেতু ঃ ময়ো সলাব পাৰোঁ ভাগ্যৰ লিখন ? অ ৰক্ষজিত, ময়ো সলাব পাৰোঁ, ময়ো সলাম নিজ ভাগ্যৰ লিখন। কৰিছো পণ, তপ কৰি সৃষ্টিকৰ্তাক লভিম এক পুত্ৰ সন্তান । সেনাপতি, ল'লো সংকল্প আজিয়ে যাত্ৰা কৰিম মই তপৰ বাবে । সফল হৈ নাহো মানে ঘূৰি, ৰাজ্য শাসন কৰিবা তুমি --

ৰক্ষজিত ঃ আদেশ শিৰোধাৰ্য মহাৰাজ --

সুকেতু ঃ তেন্তে মই কৰোঁ গমন --- ( **প্ৰস্থান** )

ৰক্ষজিত ঃ যাওক ৰাজন ; হে বিধাতা, মহাৰাজৰ প্ৰতি তুমি সদয় হোৱা --

**সূত্ৰ ঃ সকলোৱে প্ৰস্থান । সভাত সুকেতু আহে -------------------------------**

সুকেতু ঃ ঔম ব্ৰহ্মদেৱায় নমঃ , ঔম ব্ৰহ্মদেৱায় নমঃ, ঔম ব্ৰহ্মদেৱায় নমঃ ---

**সূত্ৰ ঃ ব্ৰহ্মাৰ আৱিৰ্ভাৱ হয় ----------------**

ব্ৰহ্মা ঃ ভক্ত সুকেতু ------

সুকেতু ঃ দেৱ ------( **স্তুতি** ) --------- নমো নমো সৃষ্টিকৰ চতুৰ্মুখ দেৱ ।
তোমাৰ মহিমা দেৱ নপাৱন্ত কেৱ ।।
দিলা দেৱ দৰিশন কৰিছো মিনতি ।
কিমতে পুজিম দেৱ আমি মূঢ়মতি ।।

ব্ৰহ্মা ঃ ভক্ত , তোমাৰ তপস্যাত সন্তুষ্ট আমি । কোৱা , কি বৰ লাগে তোমাক ?

সুকেতু ঃ হে দেৱ, দুখৰ বেদনা বুকুত লৈ যাম্ত্ৰনাৰ শৃংগ বগাই ভাৰাক্ৰান্ত হ'লো মই । অত শ্ৰমেৰে প্ৰতিষ্ঠা কৰা মোৰ এই বিশাল ৰাজ্যৰ কোন হ'ব উত্তৰাধিকাৰী ? তাৰে দুঃচিন্তাত হেৰাল নিদ্ৰা মোৰ । কৃপা কৰক দেৱ , দিয়ক মোক এক পুত্ৰ সন্তান ।

ব্ৰহ্মা ঃ সুকেতু, পুত্ৰ সন্তান নাই তোমাৰ ভাগ্যত । আছিল এক কন্যা সন্তান , তাৰকাৰূপে সেই কন্যাক লভিছা তুমি । তাৰকাকে দিবা তোমাৰ ৰাজ্যৰ দায়িত্ব ।

সুকেতু ঃ নোৱাৰে কন্যা তাৰকাই নিজকে কৰিব সুৰক্ষিত ; নাৰী তাই স্বভাৱতে দুৰ্বলা । তেনেস্থলত কিদৰে তাইক মই গতাম মোৰ বিশাল ৰাজ্য ? কৃপা কৰক দেৱ , কৃপা কৰক ---

ব্ৰহ্মা ঃ হাঃ হাঃ তেন্তে যক্ষৰাজ , চিন্তিত তুমি তোমাৰ কন্যাৰ দুৰ্বলতাক লৈ ? বাৰু , আমি দিছো বৰ কন্যাৰ শাৰীৰিক দুৰ্বলতাক লৈ আৰু নকৰিবা চিন্তা । সময়ত সহস্ৰ হস্তীৰ সমান বলৰ গৰাকী হ'বগৈ তোমাৰ কন্যা তাৰকা ; আৰু দিছো বৰ যক্ষ , ৰক্ষ , দেৱ , দানৱ , নাগ কিন্নৰ আৰু সাধাৰণ মনুষ্যৰ হাতত তোমাৰ কন্যাৰ নহব মৃত্যু ।

সুকেতু ঃ তথাপি প্ৰভু , দিয়ক এক পুত্ৰ সন্তান ---

ব্ৰহ্মা ঃ আঁকোৰগোজ নহ'বা সুকেতু ; নিৰুপায় আমি ; বিধিৰ বিধান আমি নোৱাৰোঁ খণ্ডাব -- ( প্ৰস্থান )

সুকেতু ঃ দেৱ -- দেৱ ; আঃ নকৰিলা দয়া । নলভিলো মনোমত বৰ । শূন্য আজি সুকেতুৰ শ্ৰম ----

**সূত্ৰ ঃ দুখমনে সুকেতুৰ প্ৰস্থান । আনফালে সভাত তাৰকাৰ প্ৰৱেশ -------**

**গীত - ( ৰাগ ঃ শ্ৰীগান্ধাৰ , তাল ঃ ধৰমজ্যৌতি )**

**আৱত সভাৰ মাজে যক্ষৰ নন্দিনী ।**
**সুকেতুৰ কন্যা ইটো তাৰকা সুন্দৰী ।।**
**চলি আহে ৰঙ্গমনে সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

তাৰকা ঃ যক্ষৰাজৰ একমাত্ৰ কন্যা নাম মোৰ তাৰকা । এই সুন্দৰ শ্যামলী উদ্যানৰ মাজত হওঁ মই আপোন পাহৰা --- আঃ কি হৈছে মোৰ ? কোনোবাই যেন কয় কাণে কাণে -- সাৰধান তাৰকা., সুখৰ স্বপ্ন মাথো তোৰ প্ৰহেলিকা ? নাভাবো বুলিলেও কিয় আহে মোৰ মনলৈ ভাৱ পিতাৰ যেন মই অৱহেলিতা । নাই নাই, এয়া মোৰ ভ্ৰান্ত ধাৰণা ; কিয় কৰিব মোক পিতাই অৱহেলা ? যাঁও, যাঁও মই এতিয়া পিতাৰ সমীপে --

**সূত্ৰ ঃ তাৰকাৰ প্ৰস্থান । আনফালে সভাত দুখমনে সুকেতু ; এনেতে তাৰকা আহে -**

তাৰকা ঃ পিতা ; -- পিতা ধৰ্ম পিতা স্বৰ্গ পিতাহি পৰমং তপঃ --( সুকেতু উদাস হৈ থাকে ) পিতা, দেখো তোমাক চিন্তান্বিত মনে । কিয় পিতা ? অ' বুজিলো আমাৰ ৰাজ্যৰ কিছু অঞ্চল শত্ৰুৱে কৰিছে দখল, তাৰবাবে তুমি হৈছা চিন্তিত ? চিন্তা নকৰিবা পিতা, তোমাৰ দৰে বীৰে অনায়াসে উদ্ধাৰ -

সুকেতু ঃ কিয়, কাৰ বাবে কৰিম মই উদ্ধাৰ ? কোনে কৰিব শাসন মোৰ এই বিশাল ৰাজ্যত ? যাওক, সকলো অঞ্চল যাওক শত্ৰুৰ হাতলৈ ; অকৰ্মণ্য যক্ষৰাজ , ভীৰু যক্ষৰাজ বুলি হাঁহক জগতে । জীৱিত কালতে দেখি যাঁও , সহি যাঁও মই নিজ ৰাজ্য ধ্বংস হোৱাৰ নিদাৰুণ দৃশ্য ।

তাৰকা ঃ পিতা , কিয় কোৱা তেনেকৈ ? তুমিতো নহয় নিঃসহায় ; তুমিতো নহয় অকলশৰীয়া । আছে তোমাৰ কাষত কন্যা এই তাৰকা ---

সুকেতু ঃ তোমাক লৈ মই কি স্বপ্ন দেখিম তাৰকা ? তুমিতো নোৱাৰা মোৰ স্বপ্ন কৰিব পূৰণ। তুমিতো নোৱাৰা এই বিশাল ৰাজ্য কৰিব শাসন ; কদাপি কন্যাই ল'ব নোৱাৰে পুত্ৰৰ আসন ----

তাৰকা ঃ পিতা, মোৰ প্ৰতি তোমাৰ এনে বিদ্বেষ আচৰণ ? বুজিলো, বুজিলো তোমাৰ চিন্তাৰ কাৰণ । নাৰী হোৱাটোৱে কি মোৰ অপৰাধ আছিল ? সেয়া যদি অপৰাধেই আছিল জন্মতেই কিয় মোক কণ্ঠ চেপি নকৰিলা হত্যা ? নুশুনিলোহেঁতেন আজি এনে নিৰ্মম বাণী---( **কান্দি কান্দি প্ৰস্থান** )

সুকেতু ঃ তাৰকা , হায় হায় এয়া মই আবেগত কি কৈ পেলালো ? তাৰকা , -- আই তাৰকা ---

<u>সূত্ৰ ঃ সুকেতুৰ প্ৰস্থান। সভাত অসুৰৰাজ বজ্ৰকেতু আৰু সেনাপতি বিকালৰ প্ৰৱেশ --</u>

<u>গীত - (ৰাগ ঃ গৌৰি, তাল ঃ পৰিতাল, একতাল )</u>

**প্ৰৱেশয় বজ্ৰকেতু অসুৰ ৰাজন ।**
**সঙ্গে আহে সেনাপতি অতিকে দুৰ্জন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি নাৰায়ণ বোলা সভাসদ নৰ ।।**

বজ্ৰ ঃ অসুৰ মই বজ্ৰকেতু , কৰিছো পণ, বিশ্ববিজেতাৰ পিন্ধি ভূষণ পদতলত ৰাখি যক্ষ, ৰক্ষ, দেৱ, গন্ধৰ্বক চৰাচৰ জগতত মই কৰিম শাসন হাঃ হাঃ -- সেনাপতি, পূৰ্ণ হলনে সমৰ প্ৰস্তুতি আমাৰ ?

বিকাল ঃ অসুৰেশ্বৰ, সৰ্ব প্ৰকাৰে আমি হলো সক্ষম । হয় - হস্তী , মায়া শক্তিৰে আমি হৈছো বলীয়ান ; মাথো দিয়ক আদেশ দেৱেন্দ্ৰইও নাপাব পৰিত্ৰাণ হাঃ হাঃ ---

বজ্ৰ ঃ সন্তুষিত মই তোমাৰ বচনত ; পাছে সেনাপতি , প্ৰথমে মোৰ দৃষ্টি মৰতত । মৰত জিনি প্ৰৱেশিম সৰগত ; কিন্তু বিকাল , শুনিছো জম্ভনন্দন সুন্দইও কৰিছে দিগ্বিজয়ৰ আয়োজন ?

বিকাল ঃ আপুনি সত্য শুনিছে অসুৰেশ্বৰ ; পাছে , আপোনাৰ বীৰত্বৰ আগত সুন্দ ? হাঃ হাঃ অসুৰেশ্বৰ , পিপৰাই জানো দাঙিব পাৰে গিৰি ; বাওনাই জানো পাই স্বৰ্গ ঢুকি ?

বজ্ৰ ঃ হাঃহাঃ সেনাপতি, ভাবিছো প্ৰথমে সুকেতুৰ ৰাজ্যকে কৰি আক্ৰমণ , দিগ্বিজয়ৰ কৰোঁ সূচনা --

বিকাল ঃ ক্ষমা কৰিব অসুৰেশ্বৰ , সুকেতুৰ ৰাজ্য আক্ৰমণ কৰি আমাৰ অস্ত্ৰবল নাশ কৰাৰ নেদেখো প্ৰয়োজন ? অনায়াসে কৰিব পাৰে হস্তগত আপুনি সুকেতুৰ ৰাজ্য বিনা যুদ্ধেই ---

বজ্ৰ ঃ বিনাযুদ্ধে - ; বিনা যুদ্ধেই লাভ কৰিব পাৰোঁ মই সুকেতুৰ ৰাজ্য ? কিন্তু কেনেকৈ ---- ?

বিকাল ঃ অসুৰেশ্বৰ , জানেই আপুনি , অপুত্ৰক সুকেতু ; আছে মাত্ৰ এগৰাকী তাৰকা নামে কন্যা সন্তান। অসুৰেশ্বৰ , শুনিছো অতিকে সুন্দৰী তাৰকা , বিবাহৰ হৈছে উপযুক্তা হাঃ হাঃ ------

বজ্ৰ ঃ উত্তম , তুমি মোৰ যোগ্য সেনাপতি । বুজিলো , চলে - বলে - কৌশলে লভিব লাগিব সুকেতু নন্দিনীক। সফল হলে মই এই কাৰ্যত তাৰকাৰ লগতে সুকেতুৰ ৰাজ্যও লভিম । হাঃহাঃ বিকাল, তোমাৰ পৰামৰ্শ মই কৰিলো গ্ৰহণ ; চলেৰে , নোৱাৰিলে বলেৰে মই তাৰকাক কৰিম হৰণ ---

বিকাল ঃ তেন্তে অসুৰেশ্বৰ, পলম কিয় ? শুভস্য শীঘ্ৰম --- হাঃ হাঃ ---

বজ্ৰ ঃ শুভস্য শীঘ্ৰম -- সেনাপতি , যাত্ৰা মই কৰোঁ আৰম্ভ সেই উদ্দেশ্যত হাঃ হাঃ ---

**সূত্ৰ ঃ** **প্ৰথমে বজ্ৰকেতু আৰু পাছত বিকালৰ প্ৰস্থান। সভাত দুখমনে তাৰকা --**

তাৰকা ঃ স্বাৰ্থপৰ, তুমিও পিতা হ'লা স্বাৰ্থপৰ । বুজিলো , কন্যাৰ পিতৃত্ব লভি পিতা আজি নহয় সন্তুষ্ট । কন্যাৰ প্ৰতি তোমাৰ ইমান অবিশ্বাস কিয় পিতা ? কন্যাই নোৱাৰে পূৰাব পুত্ৰৰ স্থান এনে কি কাৰ্য আছে ধৰাৰ বক্ষত, যি কন্যাই কৰিব নোৱাৰে সমিধান । হে বিধাতা, যদি মই জনমেই লব লাগে মৰতত কিয় মোক পিতাৰ পুত্ৰৰূপে নিদিলা জনম ? কিয় পিতাৰ অৱহেলিতা কন্যা ৰূপে মোক পঠালা মৰতত ---

**সূত্ৰ ঃ** **এনেতে বজ্ৰকেতু আহে ----**

বজ্ৰ ঃ কোনে ক'লে তোমাক অৱহেলিতা বুলি ? তুমি জগতৰ প্ৰত্যেক পুৰুষৰ আকাংক্ষিত প্ৰতিমা --

তাৰকা ঃ কোন আপুনি ? কাৰ অনুমতিত প্ৰৱেশিলে আপুনি এই উদ্যানত ?

বজ্ৰ ঃ আমি হ'লো সুন্দৰৰ সাধক , তোমাৰ দৰে সুন্দৰীৰ প্ৰেম ভিক্ষাৰী। হে তাৰকা , তুমি অপৰূপা ; তোমাৰ ৰূপ-সৌন্দৰ্যৰ মই কৰোঁ আৰাধনা । অসুৰৰাজ বজ্ৰকেতু মই, দিছো মই তোমাক বিবাহৰ প্ৰস্তাৱ ; ৰাখিম আঁকোৱালি তোমাক মোৰ বুকুৰ মাজত ---

তাৰকা ঃ আপোনাৰ প্ৰস্তাৱক মই কৰিছো সন্মান । কিন্তু হে অসুৰৰাজ , নাই আজি তাৰকাৰ হৃদয়ত বিবাহৰ কামনা । নোৱাৰিম ৰাখিব মই আপোনাৰ প্ৰস্তাৱ -----

বজ্ৰ ঃ নহয় তাৰকা , মোক পাবৰ বাবে সৰগৰ ইন্দ্ৰানীও হৈছে ব্যাকুল । তথাপি মই তোমাকেই দিছো হৃদয়, বুদ্ধিমতী তুমি , মোৰ প্ৰস্তাৱ অমান্য কৰি নচপাবা বিপদ । স্বামীবৰণ কৰিলে মোক কেৱল তোমাৰেই নহয় , তোমাৰ ৰাজ্য -- তোমাৰ বৃদ্ধ দুৰ্বল পিতাৰাৰো হ'ব মঙ্গল ---

তাৰকা ঃ স্তব্ধ হ দূৰন্ত অসুৰ ; কাক তই বুলিছ দুৰ্বল ? মোৰ পিতৃ অতি বলবান । পাপীষ্ঠ অসুৰ , চলাহী কথাৰে তই মোক ভুলাই , মোৰ সান্নিধ্য লবৰ বাবে পিতৃক কৰিছ তিৰস্কাৰ । তোৰ এই উদ্দেশ্য কদাপিতো নহ'ব পূৰণ। শুন হেৰ' অধম, তোৰ সেই পাপী মুখত মই শতবাৰ কৰোঁ পদাঘাট ।

বজ্ৰ ঃ আঃ অসুৰ মই বজ্ৰকেতু , সুন্দৰী ৰমণী বাবেহে ভদ্ৰভাৱে কৰিছিলো প্ৰেম নিবেদন ; তাকো নকৰিলা গ্ৰহণ । আছে বল , আছে বীৰ্য , উদাৰতাৰ আৰু নকৰোঁ প্ৰদৰ্শন ; বলেৰে আজি কৰিম মই তোমাৰ সতীত্ব হৰণ হাঃ হাঃ ----

তাৰকা ঃ নাই নাই , তেনে কাৰ্য নকৰিবি তই ; মনত ৰাখিবি যক্ষৰ তনয়া মই -- চাঁও বাৰু তই কেনেদৰে মোক কৰ হৰণ ---

বজ্ৰ ঃ ( হাতত ধৰি ) হাঃহাঃ জানো যক্ষৰ তনয়া তুমি তাৰকা, সুকোমল হস্ত যাৰ কোমলাঙ্গী নাৰী তুমি তাৰকা । আঁহা প্ৰিয়ে , তোমাৰ হাতৰ মৃদু স্পৰ্শৰে দিয়া মোক আনন্দ অপাৰ হাঃ হাঃ --

তাৰকা ঃ এৰি দে , মোক এৰি দে ; পিতা , --- পিতা ---

বজ্ৰ ঃ হাঃ হাঃ ---- ( তাৰকাক হাতত ধৰি নিব খোজে )

**সূত্ৰ ঃ** **এনেতে সুকেতু আৰু ৰক্ষজিত আহে -----**

সুকেতু ঃ সাৱধান , সাৱধান -- কোন তই ? আঃ কিয় মোৰ কন্যাৰ ওপৰত তই কৰ অত্যাচাৰ --- ?

বজ্ৰ ঃ অ' সুকেতু , তয়ো আহিলি ; ভালেই হ'ল। তহঁতক আজি মই কৰিম নিধন --

ৰক্ষজিত ঃ অধম অসুৰ, থাকোতে জীৱিত এই ৰক্ষজিত, নীচ উদ্দেশ্য তোৰ নহ'ব পূৰণ ----

বজ্ৰ ঃ উত্তম , অতি উত্তম ; সাজু হ তেন্তে ৰণৰ বাবে ।

**সূত্ৰ ঃ** **যুদ্ধ হয় ( বাজনা - ভঙ্গী ) ; বজ্ৰকেতু পলাই যায় ; ৰক্ষজিতে খেদি নিয়ে। দেখি সুকেতুৱে যি কয় ----**

সুকেতু ঃ কিয় পলালি অসুৰ ? ৰক্ষজিত , চাবা যাতে সি নাপায় নিস্তাৰ ; ( **খঙেৰে** )-- তাৰকা, কিয় আহিছিলা অকলে তুমি এই উদ্যানলৈ ? ৰাজ কাৰেঙেই হৈছে তোমাৰ নিৰাপদ স্থান । নাজানা নেকি অৱলা , দুৰ্বলাৰ পদে পদে থাকে বিপদ ---

তাৰকা ঃ পিতা , কিয় কৰা তুমি মোক ইমান ক্ৰোধ ?

সুকেতু ঃ কিয় নকৰিম ক্ৰোধ ? হলা গছত আটায়ে মাৰে বাগী কুঠাৰ ; আজিয়ে পালা ইয়াৰ প্ৰমাণ । যোৱা তুৰন্তে তুমি ৰাজকাৰেঙলৈ --

তাৰকা ঃ ক্ষান্ত হোৱা পিতা ; বাৰে বাৰে কিয় মোক দুৰ্বলা , অৱলা বুলি কৰা অপমান ? উসঃ --, কিমান সহিম আৰু পিতাৰ নিৰ্মম বাক্য প্ৰহাৰ । হে প্ৰভু, এই দুখৰপৰা মোক দিয়া পৰিত্ৰাণ -- দিয়া পৰিত্ৰাণ --- **( কান্দি কান্দি প্ৰস্থান )**

সুকেতু ঃ তাৰকা , হায় হায় পুনৰবাৰ আজি মই কন্যাৰ অন্তৰত দিলো আঘাট । মোক ভুল নুবুজিবি আই ; তয়ে মোৰ বুকুৰ ৰতন । কিন্তু কি কৰিম , যেতিয়াই দেখো ৰাজ্যৰ অন্ধকাৰ ভৱিষ্যত , মনৰ কীটে মোৰ বিবেকত গৈ কৰে দংশন । হেৰুৱাওঁ হিতাহিত জ্ঞান, ওলাই মুখৰ পৰা মোৰ কটু বচন। হে সৃষ্টিকৰ্তা, তুমি মিছলীয়া, মিথ্যা তোমাৰ বচন। কি দিছিলা তুমি বৰ -- সহস্ৰ হস্তীসম বলশালী হব কন্যা মোৰ । তেন্তে কিয় আজি এক সাধাৰণ অসুৰকে তাই নোৱাৰিলে দিব বাধা ? নাই নাই কন্যাই শাসন কৰিব বুলি ৰাজ্য আৰু নেদেখোঁ সপোন । এক যোগ্য বৰৰ সন্ধান কৰি তাৰকাসহ মোৰ বিশাল ৰাজ্য তেওঁকে কৰিম অৰ্পণ ; অ তেওঁকে কৰিম অৰ্পণ --

**সূত্ৰ ঃ সুকেতুৰ প্ৰস্থান । সভাত ৰক্ষৰাজ সুন্দৰ প্ৰৱেশ -------**

**গীত - (ৰাগ ঃ নাটমল্লাৰ, তাল ঃ ৰূপগঞ্জল )**

**প্ৰৱেশয় ৰক্ষৰাজ জম্ভৰ নন্দন ।**
**বীৰদৰ্পে চলি আহে দেখিতে শোভন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি নাৰায়ণ বোলা সভাসদ নৰ ।।**

সুন্দ ঃ দিগ্বিজয় , দিগ্বিজয় মৰতৰ দশোদিশে জম্ভনন্দন এই সুন্দই কৰিব দিগ্বিজয় । পিতাৰ আশা , মোৰ আকাংখ্যাক অচিৰেই বাস্তৱত কৰিম ৰূপায়ণ । গগণভেদী বাজিব মোৰ ৰণবাদ্য, দশোদিশে উৰিব মোৰ বিজয় পতাকা ; গুঞ্জৰিত হ'ব আকাশে-বতাহে, গিৰি -কন্দৰে ৰক্ষৰাজ সুন্দৰ জয়কাৰ হাঃহাঃ

**সূত্ৰ ঃ এনেতে ৰক্ষজিত সোমাই আহে ---**

ৰক্ষজিত ঃ ৰক্ষৰাজৰ জয় হওক --

সুন্দ ঃ কোন তুমি ? কিবা হেতু আহিলা সুন্দৰ সমীপে ?

ৰক্ষজিত ঃ হে ৰক্ষৰাজ, যক্ষৰাজ সুকেতুৰ প্ৰধান সেনাপতি মই ৰক্ষজিত ; আহিছো আপোনাৰ সমীপে যক্ষৰাজৰ এক প্ৰস্তাৱ লৈ --

সুন্দ ঃ যক্ষৰাজ সুকেতুৰ প্ৰস্তাৱ ? দ্বিগ্বীজয়ৰ বাসনাত আতুৰ মই ; কোৱা কেনে প্ৰস্তাৱ ; কৰিব নেকি যক্ষৰাজে শত্ৰুতা আচৰণ ? কৰিব নেকি ৰণ মোৰ সমে ? হাঃ হাঃ --

ৰক্ষজিত ঃ শত্ৰুতা নহয় ৰক্ষৰাজ ; যক্ষৰাজে কৰিব বিচাৰে আপোনাৰ লগত বৈবাহিক সম্বন্ধ স্থাপন । আছে যক্ষৰাজৰ দুহিতা নামে তাৰকা ; অতি ৰূপৱতী, অতি গুণৱতী । সেই তাৰকাৰে বিবাহৰ প্ৰস্তাৱ যক্ষৰাজে দিছে আপোনালৈ ---

সুন্দ ঃ আচৰিত ; যক্ষ হৈ নিজ কন্যাক বিবাহ দিব বিচাৰে এক ৰক্ষলৈ ? আছে নেকি ইয়াত কিবা চক্ৰান্ত ?

ৰক্ষজিত ঃ নহয় ৰক্ষৰাজ, আমাৰ ৰাজনৰ মন অতিকে নিৰ্মল ; যোগ্যজনক তেওঁ দিয়ে যথাযোগ্য মান । জম্ভনন্দন আপুনি জগতখ্যাত ৰক্ষৰাজ । সেইহেতু যক্ষৰাজে দিছে আপোনাক কন্যাৰ বিবাহৰ প্ৰস্তাৱ ।

সুন্দ ঃ হাঃ হাঃ সন্তুষিত মই তোমাৰ বচনত ; অতিকে সন্তুষিত মই যক্ষৰাজৰ প্ৰস্তাৱত । ৰক্ষজিত, যক্ষৰাজৰ প্ৰস্তাৱ মই কৰিলো গ্ৰহণ ---

ৰক্ষজিত ঃ ধন্যবাদ ৰাজন ; তেন্তে মই এতিয়া বিদায়হে মাগো -- ( **প্ৰস্থান** )

সুন্দ ঃ যোৱা ৰক্ষজিত -- হাঃ হাঃ তাৰকা, তুমি মোৰ বাবেই হৈছা সৃজন । অচিৰেই বৰৰূপে গৈ সুন্দৰী তাৰকাক পত্নীৰূপে কৰিম গ্ৰহণ হাঃ হাঃ ---

**সূত্ৰ ঃ সুন্দৰ প্ৰস্থান । আনফালে সভাত প্ৰথমে ৰক্ষজিত আহে । পাছত বৰৰূপী সুন্দ আৰু কইনা তাৰকাক লৈ সুকেতু আহে --**

সুকেতু ঃ ৰাক্ষসৰাজ সুন্দ , কিদৰে মই তোমাক জনাম কৃতজ্ঞতা ? পিতৃৰ বোজা তুমি কৰিলা লাঘৱ । হে জগতবাসী, সকলোকে সাক্ষী কৰি আজি মই মোৰ একমাত্ৰ কন্যা তাৰকাক ৰাক্ষসৰাজ সুন্দৰ হাতে কৰিম অৰ্পণ। ৰক্ষৰাজ , তাৰকাক তুমি পত্নীৰূপে কৰা গ্ৰহণ --; তাৰকা, যোৱা বৰমাল্য অৰ্পণ কৰা ৰক্ষৰাজক ---

( সূত্ৰ ঃ তাৰকাই বৰমাল্য পিন্ধাই , মংগল বাদ্য বাজে --------- )

সুন্দ ঃ হে যক্ষৰাজ , জগতক সাক্ষী কৰি আপোনাৰ গুণৱতী কন্যা তাৰকাক এই জম্ভনন্দন সুন্দই পত্নীৰূপে কৰিলো গ্ৰহণ -- তাৰকা , পতিবৰণ কৰি মোক কৰিলা কৃতাৰ্থ । হে পিতৃস্বৰূপ ৰাজন, আমাক দিয়ক আশীৰ্বাদ।

সুকেতু ঃ সৌভাগ্যশালী হোৱা। ৰাক্ষসৰাজ, তাৰকা মোৰ আলাসৰ জী ; যদি তাই কৰে কিবা ভুল, অবোধ বুলি কৰিবা মাৰ্জনা । আই তাৰকা, পুত্ৰ মোহত পৰি তোক মই কৰিছিলো ৰোক্ষ ব্যৱহাৰ । মোৰ দোষ তই ক্ষমিবি আই ।

তাৰকা ঃ পিতা --( কান্দে ) পিতা , তুমি অকলশৰে কেনেকৈ থাকিবা ? নাযাওঁ পিতা মই তোমাক তেজি -

সুকেতু ঃ নহয় আই; পিতৃ ঋণৰ পৰা মই আজি হৈছো মুক্ত ; ৰক্ষৰাজ, লৈ যোৱা তোমাৰ তাৰকাক --

সুন্দ ঃ আঁহা তাৰকা, পত্নীৰূপে লৈ যাঁও তোমাক নিজ ৰাজ্যলৈ --

গীত ঃ

**স্বামীৰ সঙ্গে তাৰকাই কৰিলা গমন ।**
**কন্যাদানৰ শোকে দহে সুকেতু ৰাজন ।।**

**সূত্ৰ ঃ তাৰকাক লৈ সুন্দৰ প্ৰস্থান । শোকাতুৰ সুকেতুক ৰক্ষজিতে লৈ প্ৰস্থান কৰে। আনফালে সভাত দুই শিষ্যসহ ঋষি অগস্ত্যৰ প্ৰৱেশ -**

গীত-( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )

**প্ৰৱেশয় শিষ্যৰ সঙ্গে মহৰ্ষি অগস্ত্য ।**
**মহাগুণী ঋষি তুমি ভাতা বশিষ্ঠৰ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

অগস্ত্য ঃ শিষ্যগণ , অচিৰেই জগতত ত্ৰেতা যুগৰ হ'ব আগমণ ; যজ্ঞই হ'ব মনুষ্যৰ মুক্তিৰ সাধন । বৃত্ৰাসুৰক বধি দেবেন্দ্ৰই এই স্থানতে লৈছিল বিশ্ৰাম । সৌৱা চোৱা , বৈ আছে সৰযু নৈ ,

তাতে স্নান কৰি দেবেন্দ্ৰই আঁতৰাইছিল শৰীৰৰ মল । সেয়ে এই স্থানৰ নাম হয় মলদ ; আৰু সৰযুৰ সিপাৰে সৌৱা কৰুষ । শিষ্যগণ, সুকেতুৰ দখলত থকা এই অঞ্চল দখল কৰি দেৱতাই আমাক কৰিছে প্ৰদান । লৈছো নিৰ্ণয়, এই স্থানতে আমি পাতিম আশ্ৰম ।

দেৱভূতি ঃ আশ্ৰমৰ বাবে অতি উত্তম স্থান হ'ব ঋষিবৰ । নাথাকিব ইয়াত কোনো শত্ৰুৰ ভয় ।

অগস্ত্য ঃ যজ্ঞৰ বাবেও উপলব্ধ ইয়াত অজস্ৰ সম্ভাৰ। সহজেই তোমালোকে কৰিব পাৰিবা যোগাৰ ---

যজ্ঞস্বামী ঃ তাৰবাবে চিন্তা নকৰিব ঋষিবৰ ; নিতৌ আমি যোগাৰ কৰি দিম যজ্ঞৰ সম্ভাৰ ---

অগস্ত্য ঃ উত্তম , উত্তম ; ব'লা এতিয়া খন্তেক কৰোঁগৈ বিশ্ৰাম ----

**সূত্ৰ ঃসকলোৰে প্ৰস্থান। আনফালে সভাত সুকেতু আৰু ৰক্ষজিত ; এনেতে সুন্দ আহে --**

সুন্দ ঃ প্ৰণাম ৰাজন ; কিয় মতালে আমাক ? কিবা আছে কাৰ্য আমাৰ ?

সুকেতু ঃ আঁহা ৰক্ষৰাজ, আছে এক অনুৰোধ মোৰ -- বাৰ্ধক্যই দুৰ্বল কৰিছে মোক ; নোৱাৰো আৰু ল'ব ৰাজ্যৰ বোজা । দুৰ্ভাগ্য মোৰ, নাই পুত্ৰ সন্তান ; জোঁৱাই ৰূপে তোমাকেই কৰিছো পুত্ৰৰূপে জ্ঞান। সেয়েহে লৈছো সিদ্ধান্ত মোৰ এই বিশাল ৰাজ্য তোমাকেই কৰিম অৰ্পণ ।

সুন্দ ঃ কিন্তু পিতা -----

সুকেতু ঃ মোক নিৰাশ নকৰিবা বাচা , এয়া মোৰ তোমাৰ প্ৰতি কাতৰ অনুৰোধ ---

সুন্দ ঃ এয়া আপুনি কি কৰিছে ; আপুনি মোৰ পিতৃতুল্য , পৰম পুজনীয় । অনুৰোধ নহয় , আদেশ বুলি আপোনাৰ প্ৰস্তাৱ মই কৰিলো গ্ৰহণ ----

সুকেতু ঃ অ'হ ৰক্ষৰাজ, কেনেদৰে বুজাঁও কিমান সন্তুষিত আজি মই । সেনাপতি, দিয়া জয়কাৰ সুন্দ ৰাজনৰ, জানক জগতে , বুজক জগতে সুকেতু নহয় ভাগ্যহীন ---

ৰক্ষজিত ঃ জয় ৰাজন সুন্দৰ , জয় ৰাজন সুন্দৰ , জয় ৰাজন ---

**সূত্ৰ ঃ এনেতে ক্ৰোদ্ধমূৰ্তি ধৰি বজ্ৰকেতু আৰু বিকাল আহে -----**

বজ্ৰ ঃ সুকেতু, সুকেতু , এয়া কি অকাৰ্য তই কৰিব ওলাইছ ?

সুকেতু ঃ আঃ বজ্ৰকেতু, ইমান দুঃসাহস তোৰ ? গ্ৰহণ হৈ কিয় আহ তই এই শুভ ক্ষণত ?

বজ্ৰ ঃ অধম যক্ষ, কৰিছ তই বাৰে বাৰে অকাৰ্য । পূৰ্বে মোক দিলি অপমান , বৃদ্ধ বুলি তোক দিছিলো ক্ষমাদান ; সুন্দৰী তাৰকাক দিলি ৰাক্ষসক দান , তাতো কৰিছো ক্ষমাদান ; কিন্তু ৰাজ্যকো কৰি দান প্ৰতিশোধৰ অগনি মোৰ জ্বলালি দুৰ্বাৰ। কি গুণে মোতকৈ হ'ব পাৰে শ্ৰেষ্ঠ এই অধম ৰাক্ষস ?

ৰক্ষজিত ঃ সাৱধান অসুৰ, শিয়াল হৈ পলাইছিলি পূৰ্বৰ ৰণত । আজি নাপাবি নিস্তাৰ তই মোৰ হাতে --

সুন্দ ঃ ৰ'বা ৰক্ষজিত ; ৰক্ষৰাজ সুন্দ মই ; আছিলো ধৈৰ্য ধৰি নলগাঁও চেঁকা বুলি এই শুভক্ষণত । যক্ষৰাজ, ই মোৰ বীৰত্বত কৰিলে সন্দেহ । চা পাষণ্ড, তুলি ল'লো মই এই তীক্ষ্ণ অস্ত্ৰ, জুখি চাঁও কিমান শকতি ৰাখিছ দুবাহুত তই ----

বজ্ৰ ঃ উত্তম , অতি উত্তম --- তেন্তে নকৰি পলম ধৰ অস্ত্ৰ ---

**সূত্ৰ ঃ যুদ্ধ হয় --( বাজনা- ভঙ্গী ) ---**

**সূত্ৰ ঃ বজ্ৰকেতু মাটিত পৰি যায় । বিকাল আগবাঢ়ি আহে । সুন্দৰ এটা প্ৰহাৰতে বিকাল বাগৰি পৰে। দেখি বজ্ৰকেতুয়ে যি কয় ----**

বজ্ৰ ঃ ক্ষমা, ক্ষমা হে বীৰশ্ৰেষ্ঠ ; ক্ষমা কৰক । বুজিলো, আপুনি বীৰৰ শিৰোমণি । নিচিনি আপোনাৰ

পৰাক্ৰমক আমি কৰিলো অপৰাধ । আমাৰ অপৰাধ আপুনি কৰক মাৰ্জনা ; দয়া কৰি আমাক দিয়ক প্ৰাণদান । আপোনাৰ বশ্যতা আমি কৰিলো স্বীকাৰ --

সুন্দ ঃ যা অধম, শৃগালক নিধন কৰি এই শুভ ক্ষণত নকৰোঁ মোৰ এই দুহাত ৰাঙলী । প্ৰাণ দান দিলো তহঁতক । কিন্তু ৰাখিবি মনত , পুনৰবাৰ যাতে আমাৰ নহয় সাক্ষাত ---

বজ্ৰ ঃ হে বীৰ , আপুনি মহান ; আমি এতিয়া মাগো বিদায় --- ( **দুয়ো অসুৰৰ প্ৰস্থান** )

সুকেতু ঃ ধন্য ধন্য সুন্দ, ধন্য তোমাৰ বীৰত্ব ; ধন্য তোমাৰ মহত্ব । স্বচক্ষুৰে আজি তাৰ পালো প্ৰমাণ। নিশ্চিত হ'লো , যোগ্যজনকে অৰ্পণ কৰিলো মই ৰাজ্যভাৰ ।

সুন্দ ঃ আশীৰ্বাদ কৰিব পিতা ; ৰাজ্য চলোৱাত যাতে মই হওঁ সফল --

সুকেতু ঃ কীৰ্তিমান হোৱা ; এতিয়া ব'লা ক্ষন্তেক কৰিবা বিশ্ৰাম ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত শিশু মাৰীচ আৰু সুবাহুৰ প্ৰৱেশ ---**

**গীত - (ৰাগ ঃ নাটমল্লাৰ , তাল ঃ ধৰমজ্যোতি)**

**সভাত প্ৰৱেশ কৰে তাৰকাৰ তনয় ।**
**মাৰীচ সুবাহু নামে দেখিতে শোভয় ।।**
**চলি আহে দুয়ো ভাতৃ সভাৰ ভিতৰ ।**
**ডাকি নাৰায়ণ বোলা লোক সমাজৰ ।।**

মাৰীচ ঃ ভাই সুবাহু , আজি যে আমি মাতাৰ অজ্ঞাতে আহিছো এই বনলৈ সেই কথা কদাপি মাতৃৰ আগত তুমি নকৰিবা ব্যক্ত । নতু আয়ে আমাকেই কৰিব ক্ৰোধ ---

সুবাহু ঃ তুমি চিন্তা নকৰিবা দাদা , তোমাক মই কদাপি বিপদত পৰিব নিদিওঁ ---

মাৰীচ ঃ এয়াহে প্ৰকৃত ভাতৃৰ বচন । ব'লা ভাতৃ, যাঁও আগুৱাই ; আগৰ বনত আছে জীৱন্ত মৃগ --

সুবাহু ঃ জীৱন্ত মৃগ --- ?? তেন্তে ব'লা দাদা , ব'লা ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত এটা মৃগ পহুৰ প্ৰৱেশ --- ( বাজনা - ভঙ্গী ) ----**

**সূত্ৰ ঃ মৃগ সভাৰ মাজে গৈ পাই । এনেতে মাৰীচ আৰু সুবাহু আহে ----**

মাৰীচ ঃ চোৱা ভাই , সৌটো জীৱন্ত মৃগ ----

সুবাহু ঃ আ-হাহা ইমান সুন্দৰ --; দাদা , মাৰা ইয়ালৈ তোমাৰ বাণ ---

মাৰীচ ঃ নিচিঞৰিবা , মই ইয়াক ধৰিম জীৱন্তে । মৃগৰ দৰে মই ইয়াৰ চাপিম কাষ --( মৃগৰ কাষলৈ গৈ মৃগক ধৰে )--ধৰিলো , ধৰিলো ভাই ; তুমিও ধৰাহি , নতু ই যাব মোৰ হাতৰ পৰা এৰাই --

সুবাহু ঃ বাঃ দাদা বাঃ ; ৰ'বা ময়ো ধৰিছো -----

**সূত্ৰ ঃ দুই ভাতৃয়ে মৃগক ধৰে। এনেতে হাতে ফল লৈ অগস্ত্যৰ শিষ্যগণ আহে ---**

দেৱভূতি ঃ অহ অহ কি বাঘৰ আগতেল খোৱা ল'ৰা ঔ এই দুটা ; জীৱন্ত মৃগক ধৰে থপিয়াই । দেহি ঐ, কেনেদৰে মৃগটোৰে চটফটাইছে । নাপায় নাপায় ; অ' পোণা দুটা, এৰি দিয়া মৃগয়াটো --

মাৰীচ ঃ এৰি দিবৰ বাবে আমি ধৰা নাই এই মৃগ ; বন্দী কৰি ৰাখিম ইয়াক আমাৰ উদ্যানত ----

যজ্ঞস্বামী ঃ বনৰ পশুক বন্দী কৰি নকৰিবা অকাৰ্য । নতু তোমালোককো এই বনৰ মাজত বন দেৱতাই ৰাখিব বন্দী কৰি ----

সুবাহু ঃ অ আমাক যদি ৰাখে বন্দী কৰি, কেনেকৈ যাম আমি পিতা - মাতাৰ সমীপে ? মোৰ বৰ ভয় লাগিছে দাদা ; ইয়াক মই দিওঁ এৰি ---( এৰি দিয়ে )

**সূত্ৰ ঃ সুবাহুৰ হাতৰ পৰা এৰা খাই মৃগ পলাই যায় ---**

মাৰীচ ঃ এই কি কৰিলা, কি কৰিলা ভাই ? কিয় তুমি দিলা এৰি ? মৃগ গ'ল পলাই । আঃ আপোনাসবৰ বাবেই মৃগ গ'ল পলাই । ইয়াৰ মূল্য আপোনাসৱেই এতিয়া ভৰিব লাগিব ----

দেৱভূতি ঃ হাঃ হাঃ বালক , আমি হ'লো বনৰ তপস্বী ; মূল্য দিবলৈ আমাৰ হাতত নাথাকে ধন-সোণ-- থাকে মাত্ৰ পূজাৰ সম্ভাৰহে ।

মাৰীচ ঃ তাকে দিয়ক আমাক ----

যজ্ঞস্বামী ঃ হেঃ -- অসম্ভৱ, অতি কষ্টৰে যোগাৰ কৰি আনিছো আমি পূজাৰ বাবে এই সুমিষ্ট ফল --

সুবাহু ঃ সুমিষ্ট ফল -( লোভ কৰে ) ঋষিবৰ , দয়া কৰি দিব নোৱাৰেনে মোক এটি ফল ?

দেৱভূতি ঃ তোমালৈ অৱশ্যে মোৰ জাগিছে দয়া ; আমাৰ উপদেশ মানি তুমিহে এৰি দিছিলা মৃগয়া । গতিকে সখা , এওঁৰ ক্ষুধা নিবাৰণৰ বাবে দিওঁ বাৰু এটা ফল --- লোৱা , লোৱা এই ফল ---

**সূত্ৰ ঃ এনেতে মাৰীচে ঋষিৰ হাতৰপৰা ফলৰ টোপোলা কাঢ়ি লয় ----**

মাৰীচ ঃ হাঃ হাঃ পলোৱা ভাতৃ , ঋষিৰ টোপোলা আনিলো মই ----

যজ্ঞস্বামী ঃ অ' এই বাঘৰ আগ তেল খোৱাটোৱে পূজাৰ ফল নিলে থপিয়াই। আমাৰ শ্ৰম গ'ল অথলে । এই কি কৰ ? নিনিবি , দে আমাক , দে ঘূৰাই ; সখা , ধৰা এই অঘাইটং হালক ---

**সূত্ৰ ঃ মাৰীচ-সুবাহু পলাই যায়; ঋষিদ্বয়ে খেদি যায়। আনফালে সভাত প্ৰথমে সুন্দ। পাছত তাৰকা আহে ---**

তাৰকা ঃ নাথ, নাথ পুত্ৰ মাৰীচ আৰু সুবাহুক পাইছেনে দেখা --- ? পোৱা নাই মই সিহঁতক বিচাৰি --

সুন্দ ঃ প্ৰিয়ে, কিয় কৰিছা চিন্তা ? বালক সিহঁত এতিয়া । নকৰিবা ইমান কঠোৰ শাসন --

তাৰকা ঃ নাথ, পুত্ৰদ্বয় আমাৰো হৃদয়ৰ ধন । কিন্তু অতিমাত্ৰা আদৰে বঢ়াই সন্তানৰ দোষ ; শাসন কৰিলেহে বাঢ়িব সিহঁতৰ গুণ । সেইহেতু কৰোঁ মই অলপ শাসন ---

সুন্দ ঃ অহেতুক চিন্তা নকৰিবা প্ৰিয়ে ; বিশ্বাস আছে মোৰ পুত্ৰদ্বয়ৰ ওপৰত । বিশেষকৈ আছে বিশ্বাস মোৰ জ্যেষ্ঠ পুত্ৰ মাৰীচৰ ওপৰত । বুদ্ধিয়ক সি ; যদিওবা মাৰীচ মোৰেই পুত্ৰ , তথাপি দেখা নাই মই মাৰীচৰ দেহত ৰাক্ষসৰ অশুভ গুণ , তোমাৰেই ৰূপ আৰু গুণেৰে সমৃদ্ধ মাৰীচ ।

তাৰকা ঃ কিয় কয় এনেকৈ ? নাজানো কিয় অজান আশংকাত কঁপি থাকে মোৰ অশান্ত হৃদয় ; বাৰে বাৰে অদৃশ্যজনক কৰোঁ প্ৰাৰ্থনা নালাগে যেন আমাৰ এই সোণৰ সংসাৰত কুদৃষ্টিৰ কৰাল গ্ৰহণ --

সুন্দ ঃ তাৰকা ; নুবুলিবা পুনৰ এনে অশুভ বচন ; পত্নী তুমি এতিয়া ৰক্ষৰাজৰ -- ( সাৰটি ধৰে )

**সূত্ৰ ঃ এনেতে মাৰীচ আৰু সুবাহু আহে ----------**

মা+সু ঃ প্ৰণাম পিতা , প্ৰণাম মাতা ---

সুন্দ ঃ উঠা --- , উঠা বাচা , তোমালোক দুয়ো আমাৰ হৃদয়ৰ ধন ----

তাৰকা ঃ অত বেলি ক'ত আছিলা তোমালোক ?

মাৰীচ ঃ মাতৃ , আমি আমাৰ উদ্যানতে কৰিছিলো ক্ৰীড়া ---

তাৰকা ঃ মিথ্যা বচন নুবুলিবা মাৰীচ । সমগ্ৰ উদ্যান মই তোমালোকক বিচাৰি কৰিলো চলাথ । ক'তা , নাপালো যে মই তোমালোকক তাত -- ? সুবাহু ---

সুবাহু ঃ মাতৃ , আমি কৰিছিলোগৈ মৃগ চিকাৰ -----

মাৰীচ ঃ অ মাতৃ , মৃগ চিকাৰৰ ক্ৰীড়া কৰিছিলো আমি । মৃগ হৈ আমি উদ্যানৰ এচুকত আছিলো লুকাই । তোমাক যোৱা দেখিছিলো মাতৃ ; মৃগ হৈ থকা বাবেহে নাহিলো ওলাই --

তাৰকা ঃ সত্যনে তোমাৰ বচন মাৰীচ ? মোৰ কিন্তু এতিয়াও আছে সন্দেহ ---

মাৰীচ ঃ মই জানো মিছা কথা কওঁ মাতা ? পাছে বৰ ভোক লাগিছে ; দিয়া কিবা এক আহাৰ --

সুন্দ ঃ অ পুত্ৰৰ দৰে পিতৃও ভোকত হৈছো আতুৰ । নিদিবা নেকি আজি আমাক ভোজন ?

তাৰকা ঃ ব'লক তেন্তে সকলো ভোজন কক্ষলৈ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত প্ৰথমে অগস্ত্য; পাছত যজ্ঞৰ সামগ্ৰী লৈ শিষ্যগণ আহে -**

অগস্ত্য ঃ শিষ্যগণ , যথাস্থানত ৰাখি সকলো সম্ভাৰ নিজ নিজ আসন কৰা গ্ৰহণ --( বহে ) শুনা শিষ্যগণ, পৰমেশ্বৰেই সৰ্বচ্চ ; তেওঁ পৰম কৃপালু ; তেওঁ কৰ্তা , তেওঁৰেই ধৰ্তা । সৃষ্টিৰ আদিতে তেওঁ , সকলো ভুততে বিৰাজমান তেওঁ । তেনেহেন পৰম কৃপালুক সৱে মিলি আমি যুগধৰ্ম মানি যজ্ঞৰ মাধ্যমেৰে কৰোঁ আৰাধনা ------ওঁম নাৰায়ণায় নমঃ ----

**সূত্ৰ ঃ এনেতে মাৰীচ আৰু সুবাহু আহে ------**

মাৰীচ ঃ চোৱা ভাতৃ , ঋষিগণে কৰিছে যজ্ঞ ; সুমিষ্ট ফল সৌৱা আছে সন্মূখত। ভাই , তুমি কৰা অপেক্ষা যজ্ঞৰ ফল মই কৰিম হৰণ ---

**সূত্ৰ ঃ মাৰীচে ফল হৰণ কৰে । শিষ্যগণে দেখি যি কয় --**

যজ্ঞস্বামী ঃ অ অঘাইতং দুটা আজি পালেহি ইয়াতো । গুৰুদেৱ , যজ্ঞৰ ফল কৰিছে হৰণ ----

মাৰীচ ঃ হাঃ হাঃ কিয় কৰিছে কোলাহল ? আমি মাত্ৰ আনিছো এই সুমিষ্ট ফল --।

অগস্ত্য ঃ কি অশিষ্ট বালক , যজ্ঞৰ ফলো কৰে হৰণ । হেৰ' দুৰ্মতি বালক, কোন তহঁত ? কোন তহঁতৰ অধম মাতা - পিতা ? অদ্ভুত , বালকক শিকোৱা নাই শিষ্টাচাৰ -- ?

মাৰীচ ঃ আমাৰ মাতা - পিতাক কিয় কৰিছ নিন্দা ? নিচিন তই আমাক, নিচিন তই আমাৰ পিতাক ? সেইহেতু কৰিছ পিতাক নিন্দা । শুন আমি সুন্দ ৰাজনৰ পুত্ৰ ---।

অগস্ত্য ঃ সুন্দ ৰাজনৰ পুত্ৰ --।। অৰ্থাৎ তাৰকাৰ তনয় তহঁত -- ?

সুবাহু ঃ সঠিক চিনাক্ত কৰিছ তই ? আমাক অপমান কৰিলে পিতাই দিব তহঁতকো উচিত শাস্তি ।

অগস্ত্য ঃ মোৰ অনুমান নাছিল মিছা ; হ'ব নোৱাৰ তহঁত মনুষ্যৰ সন্তান । ৰাক্ষসৰ সন্তানৰ পৰা ইয়াতকৈ আৰু কি আশা কৰিব পাৰি ?

মাৰীচ ঃ সাৱধান , কাক তই ৰাক্ষস বুলিছ ? ভাতৃ , কি কৈছে এই পাষণ্ডই শুনিলানে তুমি ? আমি বোলে ৰাক্ষস । ৰ পাষণ্ড , এতিয়াই তহঁতৰ যজ্ঞ আমি কৰিম ধ্বংস -----

অগস্ত্য ঃ অবুজ বালক, সীমা তই গৈছ চেৰাই । নিচিনিলি তহঁতে যজ্ঞৰ মহিমা, নিচিনিলি তহঁতে ঋষিৰ তপোবল । তহঁতক আজি মই দি অভিশাপ কৰিম ৰাক্ষসত পৰিণত --

মাৰীচ ঃ কিযে অদ্ভুত কথা কয় এইজনা ঋষিয়ে , -- আমি ৰাক্ষসত হম পৰিণত -- ? হাঃ হাঃ ---

অগস্ত্য ঃ ঋষিৰ তপোবলক কৰ তাচ্চিল্য । আঃ বালক বুলি আৰু নসহো মই । এতিয়াই দিওঁ অভিশাপ -ওঁম -ওঁম - অচিৰেই তহঁত বৃহৎ ৰাক্ষসত হ পৰিণত ---

মা+সু ঃ নাই নাই , নাই নাই ---

অগস্ত্য ঃ শিষ্যগণ, ব'লা এই স্থান আমি কৰোঁ পৰিত্যাগ ---- ( **শিষ্যসহ ঋষিৰ প্ৰস্থান** )

সুবাহু ঃ দাদা, আমি কি সঁচাই হ'ম ৰাক্ষস ? আঃ আঃ এয়া মোৰ কি হৈছে দাদা ? মাতা , পিতা --

মাৰীচ ঃ আঃ আঃ, পিতা, ৰক্ষা কৰা, মাতা ------

**সূত্ৰ ঃ মাৰীচ আৰু সুবাহু বৃহৎ ৰাক্ষসত পৰিণত হয় -------**

সু+মা ঃ মাতা , পিতা , মাতা , পিতা -------

সুবাহু ঃ আঃ দাদা , এয়া তোমাৰ কেনে বীভৎস ৰূপ ---।।

মাৰীচ ঃ ভাতৃ , কি দেখিছো মই ? তোমাৰো বীভৎস ৰূপ --।।

সুবাহু ঃ অৰ্থাৎ, অৰ্থাৎ দাদা আমি ৰাক্ষসত --- নাই নাই, আমি নহয় ৰাক্ষস । মাতা (কান্দে) দাদা, এই ৰূপে আমি কেনেকৈ যাম পিতাৰ সমীপে ? কেনেকৈ যাম মাতাৰ সমীপে ? হে ঋষিবৰ, ক্ষমা কৰক, দয়া কৰক আমাক । ব'লা দাদা, ঋষিবৰৰ চৰণত ধৰি মাগো ক্ষমা ভীক্ষা ----

মাৰীচ ঃ অসম্ভৱ ভাতৃ , অসম্ভৱ । যি ঋষিয়ে আমাক দিলে এই বীভৎস ৰূপ তাৰ চৰণত পৰি মাগিম ভীক্ষা ? আঃ মাৰীচ মই , পিতৃলব্ধ ৰক্ষ ৰক্ত মাতৃৰ মমতাত হৈ আছিল সুপ্ত ; কিন্তু আজি অগস্ত্যই তাক কৰিলে জাগ্ৰত হাঃ হাঃ -- প্ৰতিশোধ, অ তাৰ ওপৰত লম মই ভীষণ প্ৰতিশোধ । ভাতৃ, তুমি যদি বিচাৰা মাগাগৈ তাৰ চৰণ তলত ভীক্ষা ।

সুবাহু ঃ নহয় দাদা, তোমাৰ ভাতৃ মই ; প্ৰতিক্ষণতে তোমাক দিছো সঙ্গ, এইবাৰো নহ'ব ব্যতিক্ৰম । কৰিছো পণ নাশ কৰিম আমি অগস্ত্যৰ জীৱন ।

মাৰীচ ঃ উত্তম ভাতৃ , উত্তম । ব'লা , অগস্ত্যক যাওঁ বিচাৰি । অগস্ত্য , অগস্ত্য ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে উত্ৰাৱল হৈ সুন্দ --------**

সুন্দ ঃ নাই নাই, এনে হ'ব নোৱাৰে, এয়া কি শুনিলো মই ? অসম্ভৱ, তপস্বীয়ে দিব নোৱাৰে মোৰ পুত্ৰক অভিশাপ । সুন্দৰ তনয়ক দিব শাস্তি ? কি ভুল কৰিলে মোৰ পুত্ৰই ? নিশ্চয় মোৰ গুপ্তচৰৰ হৈছে দৃষ্টিভ্ৰম । মই , মই নিজে গৈ কৰোঁ অনুসন্ধান - - ( **যাব খোজে** )

**সূত্ৰ ঃ এনেতে তাৰকা ---------**

তাৰকা ঃ স্বামী, কি হৈছে আপোনাৰ ? কিয় দেখো আপোনাক এনে উত্তেজিত , চিন্তান্বিত ৰূপত ।

সুন্দ ঃ অ প্ৰিয়ে , নাই নাই একো হোৱা নাই মোৰ । সুন্দ মই , তুমি তাৰকা । কাৰ আছে সাহস আমাৰ অনিষ্ট কৰাৰ ? তুমি চিন্তা নকৰিবা , কোনো অনিষ্ট হোৱা নাই আমাৰ ---

তাৰকা ঃ তেন্তে মোৰ অন্তৰাত্মা কিয় কঁপিছে স্বামী ? মোৰ মনে কৈছে আপুনি মিথ্যা মাতিছে । কওক স্বামী ঘটিছে নেকি কিবা অমংগল ?

সুন্দ ঃ প্ৰিয়ে , ----- তুমি নকৰিবা বিশ্বাস , ময়ো নকৰোঁ , হ'ব নোৱাৰে আমাৰ পুত্ৰৰ অনিষ্ট ।

তাৰকা ঃ পুত্ৰৰ -- ? কিয় ল'লে আপুনি পুত্ৰৰ নাম ? কওক সত্য বচন , কি হৈছে আমাৰ পুত্ৰৰ - ?

সুন্দ ঃ প্ৰিয়ে , শুনিছো , শুনা পাইছো প্ৰিয়ে ঋষি অগস্ত্যই আমাৰ পুত্ৰদ্বয়ক দিছে অভিশাপ ----

তাৰকা ঃ অভিশাপ -- , আমাৰ পুত্ৰক -- ?

সুন্দ ঃ অ তাৰকা , অভিশাপ দি আমাৰ পুত্ৰক অগস্ত্যই পৰিণত কৰালে বৃহৎ ৰাক্ষসত ----

তাৰকা ঃ ৰা-ক্ষ-স --; অসম্ভৱ, অসম্ভৱ -- আঃ স্বামী, কি শুনিলো ? পুত্ৰ মোৰ আলাসৰ ধন ; কেনেদৰে কি দোষে হব অভিশপ্ত ? স্বামী, কিয় কঁপিছে ধৰা -- দেখিছো অন্ধকাৰ ; আঃ ( মুৰ্চ্ছা যায় )

সুন্দ ঃ প্ৰিয়ে ; উসঃ কি কৰোঁ মই ? নাই নাই এতিয়াই মই অগস্ত্যৰ ওচৰলৈ কৰিম যাত্ৰা। ক্ষমা খুজি ঋষিবৰৰ চৰণত আমাৰ পুত্ৰক অভিশাপৰ পৰা কৰাম মুক্ত -- ঋষিবৰ, ঋষিবৰ --

**সূত্ৰ ঃ সুন্দৰ প্ৰস্থান । তাৰকাই চেতন পাই যি কয় ----**

তাৰকা ঃ মোৰ পুত্ৰক দিলে অভিশাপ ? স্বামী, স্বামী ---অ স্বামী মোৰ গ'ল ঋষিৰ সমীপে ? ক্ৰোধত হেৰুৱাই হিতাহিত জ্ঞান যদি স্বামীয়ে কৰে কিবা অনুচিত কাৰ্য ? উসঃ কি কৰোঁ মই ? নাই নাই ময়ো যাম , ময়ো যাঁও স্বামীৰ পাছে । স্বামী , স্বামী -----

**সূত্ৰ ঃ তাৰকাৰ প্ৰস্থান । আনফালে ঋষি অগস্ত্য ----**

অগস্ত্য ঃ বালকক অভিশাপ দি আজি মই মোৰ তপোবল কৰিলো নষ্ট । জানো মই , ধৈৰ্য হৈছে তপস্বীৰ ভূষণ ---কিন্তু নোৱাৰিলো মই নিজৰ ক্ৰোধক কৰিব নিয়ন্ত্ৰণ । হে প্ৰভু, মোক কৰিবা ক্ষমা --

**সূত্ৰ ঃ এনেতে সুন্দ আহে -----**

সুন্দ ঃ ঋষিবৰ, ঋষিবৰ --- ঋষিবৰ, শুনিলো মোৰ পুত্ৰই কৰিলে কিবা অপৰাধ -- ?

অগস্ত্য ঃ সত্য শুনিছা ৰাজন । নিজ দোষে ভূগিলে সিহঁতে উচিত দণ্ড --

সুন্দ ঃ ঋষিৰৰ, পুত্ৰৰ ভুলৰ বাবে পিতৃয়ে মাগিছো ক্ষমা ভিক্ষা --- ( স্তুতি )

ক্ষমা কৰক ঋষিবৰ কৰোঁহো মিনতি ।
অবোধ তনয় মোৰ নাজানে ভকতি ।।
মূঢ়মতি অল্পমতি অজ্ঞান বালক ।
নাজানি কৰিলে দোষ ক্ষমা কৰিয়োক ।।

অগস্ত্য ঃ ৰাজন, যি পিতৃয়ে নিজ সন্তানক নিশিকাই সজ আচৰণ তেনে পিতাই হয় সন্তানৰ দুৰ্গতিৰ প্ৰথম দায়ী । কিয় নিশিকালা পুত্ৰক শিষ্টাচাৰ আৰু সজ আচৰণ ?

সুন্দ ঃ ৰাক্ষস মই, নাজানো শিষ্টাচাৰ ; কেনেদৰে শিকাওঁ পুত্ৰক সজ আচৰণ ? তথাপি আছিল বিশ্বাস মোৰ পুত্ৰৰ ওপৰত, সেয়ে কৰোঁ প্ৰশ্ন, সঁচাই জানো মোৰ পুত্ৰৰ দোষ আছিল অভিশাপৰ যোগ্য ?

অগস্ত্য ঃ অৰ্থাৎ, অকাৰণতে কি মই তোমাৰ পুত্ৰক দিলো অভিশাপ ? মনত ৰাখিবা ৰাজন , কুপুত্ৰই নিজ কুলক কৰে কলঙ্কিত । বালক হৈ তোমাৰ পুত্ৰই জ্যেষ্ঠক কৰে অপমান ; যজ্ঞৰ সম্ভাৰ হৰণ কৰি, আমাৰ অনুৰোধক তাচ্ছিল্য কৰি ৰাক্ষসৰ দৰে কৰে আচৰণ ।

সুন্দ ঃ সেই দোষতে কি আপুনি বালকক দিব পাৰে ইমান কঠোৰ শাস্তি ?

অগস্ত্য ঃ অ ; অগস্ত্যই পাৰে সকলো সহিব ; কিন্তু কোনোবাই যজ্ঞত দিব বাধা আৰু তাক মই কি কৰিম ক্ষমা ? উপযুক্ত শাস্তিয়ে কৰিলো প্ৰদান । ৰাক্ষসৰ পুত্ৰ ৰাক্ষস হোৱাৰেই যোগ্য --

সুন্দ ঃ আঃ অগস্ত্য, বাৰে বাৰে ৰাক্ষস বুলি কৰ তাচ্ছিল্য । আমাৰ এই অঞ্চল চলেৰে দেৱতাই দখল কৰি ভিক্ষুকৰূপী নিলাজ তহঁতক কৰিলে প্ৰদান আৰু এতিয়া এই স্থানতে তই আমাকেই কৰ অপমান । আঃ সুপ্ত আছিল মোৰ ৰক্ষ ৰক্ত ; পুনৰ তই কৰিলি জাগ্ৰত ----

অগস্ত্য ঃ সাৱধান, অগস্ত্যৰ তপোবলক নকৰিবি অবজ্ঞা ; তপোবলে শেষ কৰিব পাঁৰো তোৰ জীৱন ---

সুন্দ ঃ হাঃ হাঃ তপোবলে শেষ কৰিবি এই ৰাক্ষসৰ জীৱন ? চাঁও বাৰু তোৰ কিমান তপোবল ---

অগস্ত্য ঃ আঃ অবজ্ঞা কৰি তপোবলক নিজৰেই মৰণ মাতিলি তই । চা তেন্তে তই তপস্বীৰ তপোবল --- ওঁম , ওঁম , ওঁম -- হৈ যা তই ভস্ম ----

সুন্দ ঃ আঃ আঃ -- ঋষিবৰ , ক্ষমা কৰক , -- ক্ষমা আঃ আঃ --- তাৰকা ---- ( মৃত্যু )

অগস্ত্য ঃ সুন্দ, তপোবলক অবজ্ঞা কৰি নিজৰ মৰণ মাতিলি নিজেই --

**সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান । আনফালে তাৰকা -----**

তাৰকা ঃ স্বামী, স্বামী - ? ই কি পৰি আছে ভূমিত মোৰ স্বামী দেৱতা ? উঠক স্বামী -- স্বামী -- নাই নাই এনে হ'ব নোৱাৰে । উকা কৰি মোৰ কপাল, ৰিক্ত কৰি মোৰ কোলা গুচি যাব নোৱাৰে মোৰ বুকুৰ আপোন ----- **( বিলাপ - ৰাগ ঃ বেলোৱাৰ ; তাল ঃ ৰূপক )**

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপে আজি মোৰ স্বামীক হৰিলা ।।
উঠা স্বামী এবাৰ মাতা প্ৰিয়তমা বুলি ।
তোমাৰ বিহনে মই থাকো কেন কৰি ।।

-- কিয় মই দুষিছো বিধিক ? মোৰ স্বামীক বধিলে অগস্ত্যই । মোৰ পুত্ৰক শাপিলে অগস্ত্যই । অ অগস্ত্যই হৰিলে মোৰ সোণৰ সংসাৰ । কিয় নিঃশেষ কৰিলে মোৰ সুখৰ পৰিক্ৰমা ? যাঁও মই অগস্ত্যৰ কাষে ; দিব লাগিব সি মোক ইয়াৰ উত্তৰ । অগস্ত্য , অগস্ত্য --- ( **প্ৰস্থান** )

**সূত্ৰ ঃ এনেতে অগস্ত্য আহে --- ( নেপথ্যত তাৰকাৰ কণ্ঠস্বৰ -- অগস্ত্য, অগস্ত্য )**

অগস্ত্য ঃ কোন, কোনে আমাৰ আশ্ৰমৰ শান্তি পুনৰ আহি কৰিছে ভঙ্গ ?

তাৰকা ঃ( সোমাই আহে ) মই তাৰকা, আহিছো মই মোৰ প্ৰতি আপুনি কৰা অন্যায়ৰ উত্তৰ বিচাৰি ।

অগস্ত্য ঃ মিথ্যা অপবাদ নিদিবা তাৰকা । কৰা নাই মই কোনো অন্যায় -----

তাৰকা ঃ কৰা নাই আপুনি অন্যায় ? এগৰাকী সধবাক বিধবাত পৰিণত কৰাতো কি নহয় আপোনাৰ অন্যায় কাৰ্য ? বালকৰ বাৎসল্য ক্ৰীড়াক সহিব নোৱাৰি অভিশাপ দিয়াতো কি উচিত কাৰ্য ? কওক ঋষিবৰ কি দোষে আপুনি দিলে মোক বৈধব্য , বিচ্ছেদ আৰু বিষাদৰ যান্ত্ৰনা ?

অগস্ত্য ঃ তোমাৰ দৃষ্টিৰে তুমি অন্যায় দেখিছা , কিন্তু মোৰ দৃষ্টিৰে যি কৰিছো মই শুদ্ধই কৰিছো --।

তাৰকা ঃ অৱলা নাৰী বুলি মোক নকৰিব অৱজ্ঞা ; সৰ্বহাৰা আজি মই বিষধৰ কাল সৰ্পিনী --দিয়ক উত্তৰ নতু জাহ যাব আপুনি মোৰ প্ৰচণ্ড অগ্নিত --

অগস্ত্য ঃ তাৰকা --।।

তাৰকা ঃ অগস্ত্য --।।

অগস্ত্য ঃ গৰ্বিনী নাৰী --।।

তাৰকা ঃ ভণ্ড তপস্বী --।।

অগস্ত্য ঃ আঃ তাৰকা, তয়ো কৰিছ আজি স্বামীৰ দৰে ৰক্ষৰ আচৰণ । নিচিন তয়ো অগস্ত্যৰ তপোবল ? নিদিবি তাৰকা, নিদিবি মোৰ ক্ৰোধক নিমন্ত্ৰণ। নহ'বি তই আত্মঘাতী ; যা, ইয়াৰ পৰা আঁতৰি যা।

তাৰকা ঃ নাযাওঁ আঁতৰি ; ক্ৰোধ দেখুৱাই তই নোৱাৰ ঢাকিব নিজৰ পাপ, যি তপোবলে সধবাক বিধবাত কৰে পৰিণত, যি তপোবলে নিচিনিলে নিস্পাপ শিশুক, তেনে তপোবলক মই শতবাৰ দিওঁ ধিক্কাৰ

অগস্ত্য ঃ তাৰকা, আঃ আৰু নসহো মই ; সামান্য নাৰীয়ে আজি মোৰ তপোবলক কৰে নিন্দা । তাৰকা, পাহৰি নাৰীৰ আভূষণ ৰাক্ষসীৰ দৰে কৰ আচৰণ । এতিয়াই তোক মই --ওঁম, ওঁম, ওঁম - যা তাৰকা দিলো অভিশাপ, তয়ো পৰিণত হ ৰাক্ষসীত ---

সূচনা ঃ

ক্ৰোধান্বিত হৈয়া ঋষি অভিশাপ দিলা ।
হেন মতে তাৰকা ৰাক্ষসী ৰূপ হৈলা ।।

তাৰকা ঃ আঃ আঃ ঋষিবৰ, এক দুৰ্ভগীয়া নাৰীৰ ওপৰত তপশক্তিৰ কৰিলে প্ৰয়োগ --আঃ অসহ্য , তথাপি নালাগে মোক দয়া -- আঃ সমগ্ৰ শৰীৰ মোৰ দহিব লাগিছে পুত্ৰ, স্বামী-- ( তীব্ৰ যান্ত্ৰনাৰে প্ৰস্থান )

অগস্ত্য ঃ তাৰকা -- এয়া মই কি কৰিলো ? ক্ষমা ধৰ্ম, ক্ষমা যজ্ঞ এই কথা জানিও এক অবলাক মই কৰিলো শাপগ্ৰস্তা। হে প্ৰভু, তপস্বীৰ নামত মই কলংক লগাইছো ; তপ কৰি, জপ কৰি, লভি ব্ৰহ্মত্ব তপস্বী হয় ধৈৰ্যবান ; তেন্তে মোৰ ক্ষেত্ৰত এই ব্যতিক্ৰম কিয় ? কিয় মই নোৱাৰিলো নিজ ক্ৰোধক কৰিব নিয়ন্ত্ৰণ ? প্ৰথমে পুত্ৰক , পাছে পিতৃক আৰু এইবাৰ অবলা মাতৃক দি অভিশাপ মই মোৰ তপোবল কৰিছো নষ্ট । মোক ক্ষমা কৰা প্ৰভু, ক্ষমা কৰা ---

*(আঃ বাণীঃ অগস্ত্য, নুদুষিবা নিজকে ; তুমি মাথো নিমিত্তহে ; এয়া ভাগ্যৰ লিখন তাৰকাৰ)*

অগস্ত্য ঃ ধন্যবাদ প্ৰভু , দূৰ কৰিলে আপুনি মোৰ মনৰ বেথা । আপোনালৈ শতকোটি প্ৰণাম ---

সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান । সভাত শ্ৰীবিষ্ণু ---

বিষ্ণু ঃ বিধিৰ বিধান নহয় খণ্ডন ; নহয় মিথ্যা সৃষ্টিকৰ্তাৰ বচন । তোমাৰ দুখত তাৰকা আমিও হৈছো ম্ৰিয়মান । পাছে আমিও নিৰুপায় ; বিধিৰ বিৰুদ্ধে নাযাঁও আমি । তথাপি নৰৰূপে ধৰাত লৈ অৱতাৰ আমিয়ে তোমাক কৰিম উদ্ধাৰ -- যাঁও এৰে নিজ কৰ্তব্যত হওঁ অগ্ৰসৰ ---

সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান । সভাত মহৰ্ষি বিশ্বামিত্ৰৰ প্ৰৱেশ -----

গীত-( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )

প্ৰৱেশয় বিশ্বামিত্ৰ গাধীৰ নন্দন ।
তপোবলে সিদ্ধ হৈলা অতিকে মহান।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

বিশ্বা ঃ গাধিনন্দন আমি বিশ্বামিত্ৰ । ক্ষত্ৰিয়ত্বক তেজি ব্ৰাহ্মণত্বক আঁকোৱালি লোৱা আমিয়ে বিশ্বামিত্ৰ । যিদিনাই মহৰ্ষি বশিষ্ঠৰ তপোবলৰ আগে মোৰ হৈছিল পৰাজয় , সিদিনাই বুজিলো কি আছে গৌৰৱ ক্ষত্ৰিয়ৰ অস্ত্ৰত ? কি আছে দৰ্প ক্ষত্ৰিয়ৰ বাহু বলত ? আছে মাথো মিথ্যা গৌৰৱ, মিথ্যা দৰ্প । সেইহেতু কৰি কঠোৰ তপ, লভি সিদ্ধি পৰিচয় পালো জগতত মহৰ্ষি বিশ্বামিত্ৰ নামে । যাঁও এৰে স্থাপন কৰি নিজা আশ্ৰম ধৰাৰ বক্ষত কৰি যাঁও তপ-যজ্ঞ ধৰাৰ মঙ্গলৰ হেতু ----

সূত্ৰ ঃ বিশ্বামিত্ৰৰ প্ৰস্থান । সভাত মাৰীচ আৰু সুবাহু আছে -----

সুবাহু ঃ দাদা, অভিশপ্ত ৰাক্ষসৰূপে বনত কৰিছো বিচৰণ । বাৰে বাৰে পিতা মাতালৈ মনত পৰি হৃদয়ে কৰে হাহাঁকাৰ। কেনে আছে বাৰু পিতা -মাতা আমাৰ ? নিশ্চয় পাইছে আমাৰ অভিশপ্তৰ বতৰা।

মাৰীচ ঃ সেই চিন্তাই মোকো দহিছে ; ভাতৃ , মোৰ বাবেই তই হলি মাতৃৰ পৰা বিচ্ছেদ ; মোৰ বাবেই তয়ো হলি অভিশপ্ত। ক্ষমা কৰ ভাতৃ , মোক ক্ষমা কৰ ----

সুবাহু ঃ দাদা, কিয় কোৱা তেনেকৈ ? তোমাৰ সঙ্গকেই লৈছো মই জীৱনৰ পণ । কৰিছো মিনতি , পুনৰবাৰ যেন নোকোৱা এনুৱা বচন ।

মাৰীচ ঃ ভাতৃ -- ( **সাৰটি ধৰে** )

**সূত্ৰ ঃ এনেতে নেপথ্যত তাৰকাৰ কণ্ঠ -- পুত্ৰ মাৰীচ, পুত্ৰ সুবাহু ----**

মা+সু ঃ মাতৃ , মাতৃ , ---- মাতৃ , --- মা --

তাৰকা ঃ ( সোমাই আহে ) পুত্ৰ ----- ( **কান্দে** )

মা+সু ঃ মাতৃ , --- তুমি --- ?

তাৰকা ঃ অ বাচা , তহঁতৰ অভাগিনী মাতৃ আজি মই ৰাক্ষসী ---- ( **সাৰটি সকলোৰে কান্দে** )

সুবাহু ঃ মাতৃ , কোনে কৰিলে তোমাৰ এনে দশা -- ?

তাৰকা ঃ শেষ কৰি দিলে পুত্ৰ আমাৰ সংসাৰ ঋষি অগস্ত্যই ----

মা+সু ঃ অগস্ত্য ---- ?

তাৰকা ঃ অ, তহঁতৰ দৰে মোকো অগস্ত্যই দিলে অভিশাপ ; তহঁতৰ পিতৃৰ জীৱনো সি কৰিলে নাশ ।

সুবাহু ঃ কি ক'লা মাতৃ ? পিতাৰ জীৱনো সি -- ? উসঃ পিতা, কেনেদৰে সহো তোমাৰ বিয়োগ --

মাৰীচ ঃ হেৰাল ছত্ৰছায়া আজি আমাৰ শিৰৰ । পিতা, গুচি গ'লা তুমি আমাক নিঠৰুৱা কৰি -- (কান্দে ) মাতৃ, ময়ে দায়ী ; কুলাঙ্গাৰ পুত্ৰৰূপে জন্মিলো তোমাৰ উদৰে । অ মাতৃ, মিথ্যা বচনেৰে তোমাক কৰিছিলো ভ্ৰান্ত । মোৰ বাবেই পিতাৰ জীৱন হ'ল ধ্বংস ; মোৰ বাবেই তোমালোকো হ'লা অভিশপ্ত -- আঃ মাতৃ, অধম পুত্ৰ মই তোমাৰ কোলাৰ ; শেষ কৰা মাতৃ এই মহাপাপীৰ জীৱন ---

তাৰকা ঃ নাকান্দিবি পুত্ৰ ; ক্ৰন্দনৰ সময় নহয় এয়া । ভণ্ড তপস্বীৰ ভণ্ডামিত জাগ ; চেনেহৰ পিতাৰাৰ মৃত্যুত জাগ ; প্ৰতিশোধৰ অগনি জ্বলা হৃদয়ত ; লৌহ কৰি ৰক্ষ তনু পিতৃ ঋণ তহঁতে কৰ পৰিশোধ -

সুবাহু ঃ জাগিছে, জাগিছে মাতৃ মোৰ ৰক্ষ ৰক্ত ; আঃ অগস্ত্য, নাশ কৰি পিতাৰ জীৱন, নাশ কৰি মাতাৰ যৌৱন, উচিত কাৰ্য নকৰিলি তই । মাতৃৰ চৰণ চুই কৰিছো পণ, অগস্ত্যক আমি কৰিম নিধন।

তাৰকা ঃ অগস্ত্যই নহয়, কেৱল অগস্ত্যই নহয় ; আৰু কোনো পুত্ৰই যাতে নেহেৰুৱাই পিতৃক ; আৰু কোনো সধবা যাতে নহয় বিধবা, তাৰবাবে অগস্ত্যৰূপী সকলো তপস্বীকে আমি কৰিব লাগিব নিধন ।

মাৰীচ ঃ চিন্তা নকৰিবা মাতৃ ; ঋষি হত্যা, তপস্বী হত্যা আজি হন্তে আমাৰ জীৱনৰ পণ । এনে শাস্তি দিম সিহঁতক যি শাস্তি দেখি স্বৰ্গৰ দেৱতা, মত্যৰ মানৱ, পাতালৰ মহা ভূজঙ্গমো হ'ব কম্পমান । ভাতৃ হত্যা কৰিবা যাকে য'তে পোৱা ঋষি তপস্বীক । ক্ষমা নাই দয়া নাই আজি আমাৰ অন্তৰত । মাতৃ, দিয়া আশীষ, চূৰ্ণ কৰি অগস্ত্যৰ অহমিকা, সৃষ্টি কৰিম জগতত তপস্বী বধৰ বিভীষিকা হাঃ-

তাৰকা ঃ মহাপ্ৰলয়ৰ তাণ্ডৱ নাচি , ভীষণ ৰাক্ষসৰ মূৰ্তি ধৰি তপস্বীৰ ৰক্তৰে ধৰাৰ বক্ষত সৃষ্টি কৰ ৰক্তৰ মহা প্লাৱন । শুনিব লাগিব মই তপস্বীৰ আৰ্তনাদ ; দেখিব লাগিব মই অগস্ত্যৰ তপ্ত ৰঙা ৰক্ত । যা মাৰীচ , যা সুবাহু , মাতৃৰ আজ্ঞা পালন কৰি উত্তম পুত্ৰ বুলি দে পৰিচয় ---

মাৰীচ ঃ শুনিবা মাতৃ, অচিৰতে শুনিবা তুমি তপস্বীৰ আৰ্তনাদ । বক্ষ ফালি অগস্ত্যৰ, অগস্ত্যৰ মঙহেৰে আয়োজন কৰি মহাভোজৰ মাতৃ তোমাক আমি দিম নিমন্ত্ৰণ । ব'লা ভাতৃ ---

**সূত্ৰ ঃ প্ৰথমে মাৰীচ-সুবাহুৰ ; পাছত তাৰকাৰ প্ৰস্থান। আনফালে যজ্ঞৰ সামগ্ৰী লৈ প্ৰথমে অগস্ত্যৰ দুই শিষ্য আহে । পাছত অগস্ত্য আহে ---**

অগস্ত্য ঃ শিষ্যগণ, যজ্ঞৰ শুভক্ষণ সমাগত, আৰম্ভ কৰোঁ আমি দেৱযজ্ঞ -- হে কৃপাময়, কৃপা কৰিবা জগত কল্যাণৰ হেতু যজ্ঞ যাতে হয় সফল---ঔম বিষ্ণুদেৱায় নমঃ স্বাহা, ঔম নাৰায়ণায় নমঃ স্বাহা -

**সূত্ৰ ঃ এনেতে মাৰীচ আৰু সুবাহু আহে ---**

সুবাহু ঃ আঃ দাদা , চোৰা অগস্ত্যই পুনৰ আৰম্ভ কৰিছে যজ্ঞ ---

মাৰীচ ঃ নোৱাৰে ভাতৃ নোৱাৰে অগস্ত্যই যজ্ঞ কৰিব সমাপন । চোৱা কিদৰে মই ইয়াৰ যজ্ঞ কৰিম ধবংস ( নৰমুণ্ড উলিয়াই যজ্ঞত পেলাই দিয়ে ) হাঃ হাঃ --

যজ্ঞস্বামী ঃ গুৰুদেৱ, কি পৰিল এয়া ? ই কি নৰমুণ্ড ? অ এফালে নৰমুণ্ড , আনফালে ভয়ংকৰ ৰাক্ষস ।

অগস্ত্য ঃ আঃ কোন তহঁত ? নৰমুণ্ড পেলাই কিয় মোৰ যজ্ঞ কৰিলি অপবিত্ৰ ?

সুবাহু ঃ আচৰিত অগস্ত্য, আচৰিত ; আমাক নিচিন তই ? ইমান দুৰ্বল তোৰ স্মৰণ শক্তি ?

অগস্ত্য ঃ অ চিনিলো, তাৰকা তনয় ; অভিশপ্ত হৈও তহঁতে নললি শিক্ষণ --

মাৰীচ ঃ অ অভিশপ্ত, আমি তোৰ অভিশাপৰ পৰাই সৃষ্ট আজি দুৰ্দান্ত ৰক্ষ। হলাহল ঢালি আমাৰ জীৱনত যজ্ঞ কৰি তই লভিছ আনন্দ । শুন অগস্ত্য, আমিও কৰিছো পণ ঋষি শূন্য , তপস্বী শূন্য , যজ্ঞশূন্য কৰিম ধৰাৰ বক্ষ হাঃ হাঃ --

অগস্ত্য ঃ আঃ, যজ্ঞত বিঘিনী নসহোঁ মই । মাৰীচ, এবাৰ যজ্ঞ নষ্ট কৰি তহঁত ৰাক্ষসত হলি পৰিণত । তথাপি নিচিনিলি তই মোৰ তপোবলক । পিতৃৰ দৰে তহঁতকো মই কৰিম ভস্ম ---

মাৰীচ ঃ পিতৃঋণ এদিন পূৰাব পুত্ৰই । কিন্তু অগস্ত্য, তাৰ পূৰ্বে যতবাৰ তই কৰিবি যজ্ঞ ততবাৰ আমি কৰিম নষ্ট ; অ ততবাৰ আমি কৰিম নষ্ট হাঃ হাঃ --- **( মাৰীচ-সুবাহুৰ প্ৰস্থান )**

অগস্ত্য ঃ মাৰীচ , মাৰীচ -- যজ্ঞ নষ্ট কৰি আৰ্জিছ পাপ , ইয়ে তহঁতৰ জীৱন কৰিব নাশ -- শিষ্যগণ, আজিলৈ আৰু যজ্ঞ নহয় সম্ভৱ ; অপবিত্ৰ হ'ল দেহ - মন । ব'লা স্নান কৰি হওঁগৈ পবিত্ৰ ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে দুখমনে বজ্ৰকেতু -------**

বজ্ৰ ঃ বাৰে বাৰে মই শত্ৰুৰ হাতত হৈছো লাঞ্চিত । ৰাক্ষসৰ দাসত্বৰ শিকলি পিন্ধি অসুৰ সমাজত মই হৈছো ঘৃণীত । আঃ দাসত্বৰ জীৱনতকৈ মৃত্যুৱেই মোৰবাবে শত গুণে শ্ৰেয় ----

**সূত্ৰ ঃ এনেতে বিকাল আহে -------**

বিকাল ঃ অসুৰেশ্বৰ , অসুৰেশ্বৰ ------ হাঃ হাঃ ----

বজ্ৰ ঃ আচৰিত, অসুৰৰ এই অমানিশাৰ ক্ষণতো তোমাৰ বদনত দেখো আজি সন্তুষ্টিৰ হাস্য -- ?

বিকাল ঃ অসুৰেশ্বৰ , আমাৰ ভাগ্য ৰবিত নাথাকে অমানিশা ; আনিছো মই এনে দিপ্ত বাৰ্তা যাৰদ্বাৰা আপুনিও হ'ব দীপ্তিমান । অসুৰেশ্বৰ , আমাৰ চিৰশত্ৰু সুন্দ ৰাক্ষস হ'ল নিধন হাঃ হাঃ ---

বজ্ৰ ঃ কি ক'লা বিকাল ? মোৰ এই কৰ্ণই পুনৰ শুনিব বিচাৰে এই বাৰ্তা দুনাই --

বিকাল ঃ অ অসুৰেশ্বৰ , আমাৰ চিৰশত্ৰু সুন্দ ৰাক্ষসক অগস্ত্যই কৰিলে নিধন ----

বজ্ৰ ঃ হাঃ হাঃ অনুপম বাৰ্তা শুনালা বিকাল ; অশান্ত প্ৰাণ মোৰ আজি হ'ল শান্ত --

বিকাল ঃ অসুৰেশ্বৰ, তাৰকাসহিতে তাইৰ পুত্ৰদ্বয়কো অগস্ত্যই শাপ দি কৰিলে ৰাক্ষস । অ, এতিয়া সিহঁত বনৰ ৰাক্ষস । অসুৰেশ্বৰ, এয়াই সুবৰ্ণ সুযোগ, আমাক দিয়া সেই অপমানৰ তুলো পোতক ।

বজ্ৰ ঃ উত্তম , উত্তম তুমি মোৰ যোগ্য সেনাপতি । ৰাক্ষসৰ দাসত্বক ভৰিৰে মোহাৰি কৰিছো পণ উৰুৱাম জগতত পুনৰ অসুৰৰ বিজয় পতাকা । সেনাপতি, ওলোৱা হয় -হস্তীৰে সজ্জিত হৈ, কম্পিত হওক মেদিনী , শংকিত হওক জগতবাসী , দিয়া আমাৰ জয়কাৰ হাঃ হাঃ --

বিকাল ঃ জয় অসুৰেশ্বৰ বজ্ৰকেতুৰ , জয় অসুৰেশ্বৰ বজ্ৰকেতুৰ , জয় অসুৰেশ্বৰ বজ্ৰকেতুৰ --

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান । আনফালে সভাত মাৰীচ - সুবাহু ---**

মাৰীচ ঃ ভাতৃ , আচম্বিতে শুনো কোলাহল ---কাৰ ঘটিছে আগমন ?

**সূত্ৰ ঃ অট্টহাস্য কৰি বজ্ৰকেতু আৰু বিকাল সোমাই আহে -----**

বিকাল ঃ চাওক, চাওক অসুৰেশ্বৰ, এয়াই তাৰকা তনয় ----

বজ্ৰ ঃ হাঃহাঃ তাৰকা তনয়ৰ আজি এনে গতি ? আকুল প্ৰেমক মোৰ ভৰিৰে মোহাৰি গৰ্বিনী তাৰকাই ৰক্ষৰ বক্ষত গৈ লৈছিলে আশ্ৰয় ; পাছে কি হল তাৰ পৰিণাম ? হাঁ স্বামী, হাঁ স্বামী বুলি বৈধব্যৰ বসন পিন্ধি হৈছে আজি অনাচাৰী , বনাচাৰী বনৰ ৰাক্ষসী ---

মাৰীচ ঃ আঃ অধম , কোন তই দুৰাচাৰ ? পুত্ৰৰ সন্মুখত কি সাহসেৰে মাতৃক তই কৰ নিন্দা ?

বজ্ৰ ঃ বজ্ৰকেতু মই অসুৰেশ্বৰ ; সৰ্বজনৰ পূজ্য মই জগতৰ ঈশ্বৰ । তীব্ৰ হলাহল বুকুত লৈ আহিছো তহঁতৰ মাতৃসমে পুত্ৰক কৰি যাম নিধন ---

মাৰীচ ঃ আঃ আৰু নসহো মই ; ভাতৃ, মাতৃনিন্দুক এই অধম অসুৰক কৰা আক্ৰমণ ---

বজ্ৰ ঃ উত্তম , বিকাল ; কৰা আক্ৰমণ --

**সূত্ৰ ঃ সমদল যুদ্ধ হয় (বাজনা - ভঙ্গী ) বিকাল পলাই যায় ; বজ্ৰকেতু বন্দী হয় --**

সুবাহু ঃ অধম অসুৰ ; এয়াই তোৰ পৰাক্ৰম ? এই শক্তিৰেই তই আমাৰ মাতাক কৰিছিলি নিন্দা ? চা , এই সুবাহুৰ শক্তি , এই প্ৰচণ্ড অস্ত্ৰৰে তোৰ মুণ্ড মই কৰিম ছেদন --

মাৰীচ ঃ ৰবা ভাতৃ, নিন্দা কৰি কৰিছিলে ই আমাৰ মাতৃক অপমান ; লৈ যাঁও ইয়াক, দিওঁগৈ মাতাক উপহাৰ । ব'ল অধম , বিচাৰ তোৰ কৰিব আমাৰ মাতৃয়ে ---

**সূত্ৰ ঃ বন্দীক লৈ দুয়োৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে তাৰকা আহে। খন্তেক পাছত বজ্ৰকেতুক বন্দীৰূপে লৈ মাৰীচ সোমাই আহে -----**

মাৰীচ ঃ ( ঠেলা মাৰি ) যা অধম , মাতৃৰ চৰণত পৰি তই কৰ সেৱা ----

তাৰকা ঃ কোন ই ? কি অপৰাধ ইয়াৰ --- ?

মাৰীচ ঃ মাতৃ , কৰিছিলে ই আপোনাৰ নিন্দা । সেই হেতু লৈ আহিছো ইয়াক আপোনাৰ সমীপে --

তাৰকা ঃ কোন ই অধম দুৰাত্মা ? ( ওচৰ চাপি ) হাঃহাঃ চিৰশত্ৰু মোৰ বজ্ৰকেতু -- ধন্য, ধন্য পুত্ৰ , যোৱা তুমি এতিয়া অগস্ত্যক বিচাৰি ; ইয়াৰ বিচাৰ মই নিজেই কৰিম --

মাৰীচ ঃ কিন্তু মাতৃ , অকলে এৰি তোমাক এই অসুৰৰ সন্মূখত --- ?

তাৰকা ঃ ( খঙেৰে ) মাৰীচ , তোমাৰ মাতৃ নহয় অবলা , তোমাৰ মাতৃ নহয় দুৰ্বলা ------

মাৰীচ ঃ ক্ষমিবা মাতৃ , আদেশ পালন কৰিম তোমাৰ ----( **মাৰীচৰ প্ৰস্থান** )

তাৰকা ঃ বজ্ৰকেতু, কিয় আজি দেখো তোক পাষাণ পুতলা ? উৰ্দ্ধ কৰি নেত্ৰ চা আমালৈ --হাঃ হাঃ বজ্ৰকেতু, এপলক দৃষ্টিৰে চা মোৰ মুখলৈ । তোৰ সন্মূখত আছে আজি তাৰকা --

বজ্ৰ ঃ তাতা--ৰকা ---, তোমাৰ এনে ৰূপ --- ? ?

তাৰকা ঃ অ তাৰকা ; কিয়, আজি দেখোন তই মোক দেখি হোৱা নাই কামাৰ্ত ? মোৰ হাতৰ পৰশ লভিবলৈ হোৱা নাই লালায়িত ? তেন্তে ক'ত গ'ল তোৰ অসুৰত্ব ? হাঃ হাঃ হেৰাল নেকি তোৰ পুৰুষত্ব ? আহ , আহ পাষণ্ড, কৰ আলিঙ্গন ; সন্মূখত আছে তোৰ আকাংখিত প্ৰতিমা ---

বজ্ৰ ঃ ক্ষমা , ক্ষমা , মোক ক্ষমা কৰা দেৱী -----

তাৰকা ঃ দেৱী, আৰু মই ? হাঃ হাঃ নাই আজি মোৰ দেৱীত্বৰ গুণ । আজি মই নিশাচৰী , পিশাচনী ,

নিৰ্দয়া তাৰকা । আঃ বজ্ৰকেতু , আজি তাৰকাই দিব তোক উচিত সমিধান ( পদাঘাত কৰে )

বজ্ৰ ঃ আঃ বহু কৰিলো সহ্য ; ময়ো অসুৰ বজ্ৰকেতু , নসহো নাৰীৰ পদাঘাত । যদি তোৰ হাতত আছে মোৰ মৰণ , দুৰ্বল শহাৰ দৰে নমৰোঁ মই । আহ তাৰকা, ৰণ কৰি মৃত্যুক লম সাৰটি ---

( গীতঃ ৰাগ- সাৰেং ; তাল - থুকুনি )

**লাগিল লাগিল ৰণ অতি ভয়ংকৰ ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**
**মুষ্টিঘাতে বজ্ৰকেতু ধৰাশায়ী হৈলা ।**
**সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।**

**সূত্ৰ ঃ বজ্ৰকেতু মাটিত বাগৰি পৰে ---------**

তাৰকা ঃ হাঃ হাঃ ইমানেই শক্তি তোৰ ? এই হাতেৰে তই মোক এদিন কৰিছিলি স্পৰ্শ ; চা পাষণ্ড , আজি তোৰ এই হাত মই কৰিম চূৰ্ণ ----

বজ্ৰ ঃ নাই নাই --; আঃ দয়া কৰা , দয়া কৰা তাৰকা ---

তাৰকা ঃ দয়া নাই, ক্ষমা নাই আজি তাৰকাৰ হৃদয়ত ; আজি মই দয়াহীনা ৰাক্ষসী তাৰকা । দেখিব আজি জগতে তাৰকাৰ কঠোৰতা -- ( প্ৰহাৰ কৰে ) -- চা আজি তই ৰাক্ষসী তাৰকাৰ নৃশংসতা --- **( বাৰে বাৰে কৰা প্ৰহাৰত বজ্ৰকেতুৰ মৃত্যু হয় )** বজ্ৰকেতু, কিয় কৰিলি শয়ন ? উঠ অধম, উঠ -- আঃ মৃত্যু -- ইমান সহজতে তোৰ মৃত্যু ? আঃ হোৱা নাই মোৰ ৰণতৃষ্ণা পূৰণ -- হোৱা নাই মোৰ প্ৰতিশোধৰ জ্বালা পূৰণ ; আঃ প্ৰতিশোধ, প্ৰতিশোধ -- অগস্ত্য -----

**সূত্ৰ ঃ তাৰকাৰ প্ৰস্থান । আনফালে আৰ্তনাদ কৰি অগস্ত্যৰ শিষ্যগণ । যজ্ঞস্বামীৰ শৰীৰত অস্ত্ৰ সোমাই থাকে ----**

দেৱভূতি ঃ ৰক্ষা কৰক, ৰক্ষা কৰক , গুৰুদেৱ ---তুমি চিন্তা নকৰিবা সখা ; লৈ যাম মই তোমাক ---

যজ্ঞস্বামী ঃ আঃ মোৰ বাবে মিছাতেই কষ্ট নকৰিবা সখা -- তুমি তোমাৰ প্ৰাণ বচোৱা -- ( পৰি যায় )

**সূত্ৰ ঃ এনেতে মাৰীচ আৰু সুবাহু সোমাই আহে ----------**

সুবাহু ঃ হাঃ হাঃ --- যিমানেই চেষ্টা নকৰ কিয় , মৃত্যু তহঁতৰ অনিবাৰ্য ---

দেৱভূতি ঃ হে ৰাক্ষসদেৱ ; আমাক নামাৰিব প্ৰাণে ।

মাৰীচ ঃ প্ৰাণভিক্ষা আজি লাগে তহঁতক ? অগস্ত্যই হৰিলে পিতাৰ জীৱন ; অগস্ত্যই দিলে আমাক ৰাক্ষসৰ জীৱন ; প্ৰতিশোধৰূপে আজি নাশ কৰিম আমি তহঁতৰ জীৱন হাঃ হাঃ ----

যজ্ঞস্বামী ঃ ( সেহাই সেহাই ) দয়া কৰক , আমাক ক্ষমা কৰক দেৱ ---

সুবাহু ঃ হাঃ হাঃ দয়া নাই , ক্ষমা নাই আজি সুবাহুৰ অন্তৰত , প্ৰতিশোধৰ অগনি জ্বলিছে হৃদয়ত -- **( যজ্ঞস্বামীক পদাঘাত কৰে )** উঠ পাষণ্ড, ভাও ধৰি মৃত্যুৰ পৰা নাপাৱ পৰিত্ৰাণ ------

যজ্ঞস্বামী ঃ আঃ --হে ৰাক্ষসদেৱ , চৰণত ধৰি কৰিছো কাকুতি , নামাৰিব আমাক প্ৰাণে --

মাৰীচ ঃ তহঁতৰ অশ্ৰুৱে আমাৰ হৃদয় নকৰে বিগলিত, তহঁতৰ ৰোদনে আমাক নকৰে পথচ্যুত, কৰিছো সংকল্প তপস্বীৰ ৰক্তৰে প্লাৱিত কৰিম বসুমতীৰ বক্ষ । ৰাক্ষস আমি অতি দুৰ্দান্ত ; জাগি উঠিছে আমাৰ ৰক্ষ ৰক্ত । ভাতৃ, তপস্বী বধৰ বিভীষিকা কৰা আৰম্ভ হাঃ হাঃ ----**( প্ৰহাৰ কৰে )**

য + দে ঃ আঃ -- আঃ -- প্ৰভু ----**( দুয়োৰে মৃত্যু )**

সুবাহু ঃ ৰুধিৰাক্ত কৰি তপস্বীৰ দেহ , জীপাল কৰিলো বসুমতীৰ বক্ষ তপস্বীৰ ৰঙা ৰক্তৰে । আঁহা

দাদা নৰ ৰক্তৰে কৰি স্নান প্ৰতিশোধৰ অগনি আমাৰ কৰোঁ শাম --

মাৰীচ ঃ হাঃ হাঃ প্ৰতিশোধ লৈছো আমি শাপিত হোৱাৰ -- প্ৰতিশোধ লৈছো পিতৃহত্যাৰ -- মাতৃ, মাতৃ --

**সূত্ৰ ঃ এনেতে তাৰকা আহে ----( পুত্ৰ, পুত্ৰ বুলি মাতে )---**

মাৰীচ ঃ আঁহা মাতৃ , শাম কটোৱা তুমিও প্ৰতিশোধৰ অগনি তপস্বীৰ ৰক্তেৰে ---

তাৰকা ঃ ৰক্ত , তপস্বীৰ ৰক্ত , অৰ্থাৎ নিধন হ'ল অগস্ত্য ? ধন্য , ধন্য পুত্ৰ ; কৰ্তব্য কৰিলা পালন ; প্ৰতিশোধ কৰিলা পূৰণ । ক'ত , ক'ত অগস্ত্য ? বক্ষ ফালি তাৰ পান কৰোঁ মই ৰক্ত ।

মাৰীচ ঃ ক্ষমিবা মাতৃ ; হোৱা নাই নিধন অগস্ত্য ; কৰিছো নিধন আমি অগস্ত্যৰ দুই শিষ্যক ---

তাৰকা ঃ আঃ মাৰীচ, তৃণ যেন ঋষিক বধি মাতৃ, মাতৃ বুলি ডাকি কৰিছ উল্লাহ । সাধাৰণ তপস্বীৰ ৰক্তৰে নাকাটে শাম মোৰ হৃদয়ত জ্বলি থকা প্ৰচণ্ড অগ্নিৰ । বুজিলো , ভীৰু তহঁত ; নোৱাৰ তহঁতে প্ৰতিশোধ পুৰাব , নোৱাৰ তহঁতে পিতৃঋণ শোধাব । অগস্ত্য , অগস্ত্য --- ( **প্ৰস্থান** )

মা+সু ঃ মাতৃ , মাতৃ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে ভীতিগ্ৰস্ত হৈ অগস্ত্য আহে ---**

অগস্ত্য ঃ আঃ হাতে বহ্নি শিখা লৈ ক্ৰোদ্ধ মূৰ্তি ধৰি আহিব ধৰিছে তাৰকা মোৰ আশ্ৰমৰ দিশে । কি কৰোঁ ? সৃষ্টিকৰ্তাৰ বৰত বলীয়ান তাৰকা ; প্ৰতিশোধৰ অগনিত দহিতা তাৰকা । নোৱাৰোঁ তাইক ৰুধিব , নোৱাৰোঁ তাইক মই আজি কৰিব পৰাস্ত । প্ৰভূ , প্ৰভূ ---- ( **প্ৰস্থান** )

**সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান । আনফালে জ্বলন্ত অগ্নি হাতত লৈ তাৰকা আহে ----**

তাৰকা ঃ অগস্ত্য, অগস্ত্য -- ভণ্ড তপস্বী, কাপুৰুষ তই । নহে সন্মুখীন এই তাৰকাৰ অৰণ্যৰ নিভৃত স্থানত আশ্ৰম পাতি কৰিছহি আত্মগোপন । এই জ্বলন্ত অগ্নিতকৈও ভয়ংকৰ দাবানল জ্বলি আছে মোৰ হৃদয়ত । নাপাবি নিস্তাৰ তই ; জ্বলাই চাৰখাৰ কৰি দিম আজি আশ্ৰমসহ তোক -- হাঃ হাঃ-- ( আশ্ৰমত জুই লগাই ) হাঃ হাঃ -- প্ৰতিশোধ , প্ৰতিশোধ --- ( প্ৰস্থান )

**সূত্ৰ ঃ তাৰকাৰ প্ৰস্থান । আনফালে সভাত প্ৰথমে বিশ্বামিত্ৰ ; পাছত অগস্ত্য আহে --**

অগস্ত্য ঃ মহৰ্ষি বিশ্বামিত্ৰক অগস্ত্যই জনালো প্ৰণাম ----

বিশ্বা ঃ প্ৰণাম , প্ৰণাম মহৰ্ষি ---

অগস্ত্য ঃ হে কৌশিক, হৈছো আচৰিত ; শাস্ত্ৰই কয় হস্তীৰ পৰা থাকিবা সহস্ৰ হস্তৰ দূৰত, অশ্বৰ পৰা থাকিবা শত হস্ত দূৰত আৰু দুৰ্জনৰ পৰা উক্ত স্থান কৰিবা ত্যাগ । তাৰকাৰ ভয়ত আমি কৰিছো আত্মগোপন ; অথচ আপুনি তাৰকাবনৰ সমীপতে প্ৰতিষ্ঠা কৰিছে আশ্ৰম ?

বিশ্বা ঃ দেখিছো মহৰ্ষি আমি তপস্বীৰ দুৰ্দশা । তথাপি তাৰকাৰ ভয়ত কি আমি নকৰিম যজ্ঞ ? এজনী সামান্য ৰাক্ষসীৰ ভয়ত কি আমি নকৰিম পালন আমাৰ ধৰ্ম ?

অগস্ত্য ঃ ঋষিবৰ , জানো আমি সবিশেষ আপোনাৰ বিষয়ে আৰু জানিলো সবিশেষ তাৰকাৰ বিষয়েও । নহয় তাৰকা সামান্য ৰাক্ষসী , সৃষ্টিকৰ্তাৰ আশীৰ্বাদ পুষ্টা তাই । যক্ষ , ৰক্ষ , অসুৰ , দানৱ , নাগ - কিন্নৰ আৰু সাধাৰণ মনুষ্যৰ হাতত তাইৰ নহয় মৃত্যু ।

বিশ্বা ঃ ঋষিবৰ, আপোনাৰ চিন্তা নহয় অমূলক ; তথাপি নকৰিব চিন্তা । সৃষ্টিকৰ্তাৰ বাৰ্তা পাইছো আমি ; সেয়ে আগমণ হৈছে আমাৰ তাৰকা বনলৈ । আৰম্ভ কৰিম দেৱ যজ্ঞ, উদ্দেশ্য হব ৰাক্ষস ধ্বংস -

অগস্ত্য ঃ কিন্তু , কেনেকৈ সমাপন কৰিব যজ্ঞ --- ? ৰাক্ষসে যজ্ঞ কৰে অনিষ্ট ----

বিশ্বা ঃ আৰম্ভ কৰিম আমি যজ্ঞানুষ্ঠান ৰক্ষকৰূপে লৈ দাশৰথিক ---

অগস্ত্য ঃ দাশৰথি ----- ? ?

বিশ্বা ঃ দুষ্টক দমনৰ হেতু অযোধ্যাৰাজ দশৰথৰ গৃহে নৰৰূপে লৈছে অৱতাৰ প্ৰভু নাৰায়ণে । অ ঋষিবৰ নৰৰূপী নাৰায়ণৰ নাম শ্ৰীৰাম ; ধৈৰ্যশীল, শৌৰ্যশীল, মিষ্টভাষী, পুৰুষোত্তম ৰাম --- ঋষিবৰ, নহয় সমাপ্ত শ্ৰীৰামৰ ৰূপ বৰ্ণনৰ ; মাথো জানক, যজ্ঞ মাথো এক মাধ্যম ৰাক্ষস নিধনৰ ।

অগস্ত্য ঃ বুজিলো বুজিলো মই, ভক্তৰ দুখ ভগৱন্তই নোৱাৰে সহিব । হে প্ৰভূ, তুমি দয়াময়, তুমি ভকত বৎসল। কৌশিক, আশংকিত মন মোৰ হল আশ্বস্ত । এতিয়া মই মাগিছো বিদায় ---(প্ৰস্থান )

বিশ্বা ঃ যাওক ঋষিবৰ , যাত্ৰা কৰোঁ আমিও অযোধ্যা ৰাজ্যলৈ ---

**<u>সূত্ৰ ঃ</u> <u>বিশ্বামিত্ৰৰ প্ৰস্থান । আনফালে সভাত শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণৰ প্ৰৱেশ ---</u>**

শ্লোক ঃ প্ৰৱেশম কৰোৎ কামং ৰামো ৰাজীৱলোচনঃ ; সসোদৰো ধনুঃ স্পাণীৰূপেণা প্ৰতিমো ভুৱি ।।

<u>গীত- ( ৰাগ ঃ সিন্ধুৰা ; তাল ঃ ৰক্ত তাল )</u>

**প্ৰৱেশয় ৰামচন্দ্ৰ কৌশল্যা নন্দন ।**
**সঙ্গে আছে লক্ষ্মণ ভাতৃ দেখিতে শোভন ।।**
**সুন্দৰ সুঠাম দেহা অতি মনোহৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ৰাম ঃ ভাই লক্ষ্মণ, জন্ম লভি মহান ৰঘু কুলত , পিতৃৰূপে লভি ৰাজন দশৰথক আৰু শিক্ষা লভি মহৰ্ষি বশিষ্ঠৰ পৰা জীৱন আমাৰ কৰিলো ধন্য । ভাতৃ, পালন কৰিব লাগিব আমি পুত্ৰ ধৰ্ম --

লক্ষ্মণ ঃ দাদা, তৱ ভাতৃ মই লক্ষ্মণ ; আপোনাৰ বাক্য পালনেই হৈছে ধৰ্ম আমাৰ ----

ৰাম ঃ তোমাৰ দৰে ভাতৃ ৰামৰ গৌৰৱ ; তোমাৰ স্থান মোৰ হৃদয়ত ; ব'লা ভাতৃ এতিয়া যাঁও আমি নিজ কৰ্তব্যত ----

**<u>সূত্ৰ ঃ</u> <u>ৰাম - লক্ষ্মণৰ প্ৰস্থান । আনফালে তাৰকা আহে -------</u>**

তাৰকা ঃ ক'ত সাৰিবি, পলাই ক'ত সাৰিবি অগস্ত্য ? এদিন নহয় এদিন তাৰকাই হৰিব তোৰ প্ৰাণ। হে পিতা, চোৱা তোমাৰ কন্যা আজি নহয় অৱলা ; আজি তোমাৰ কন্যা জগতৰ বিভীষিকা । আজি মই ৰক্তস্নাতা , নৰমুণ্ডৰ মালাধাৰী পিশাচিনী তাৰকা -- আঃ আৰু কিমান সহিম ; শোকৰ বেগত আজি বিষাই বুকু । নোৱাৰোঁ সহিব , নোৱাৰোঁ ভেটিব ; অশ্ৰুৰ বন্যা বোৱাই কান্দো আজি মই অৰণ্যৰ নিৰ্জন স্থানত --- ( কান্দে )

**<u>সূত্ৰ ঃ</u> <u>এনেতে মাৰীচ আৰু সুবাহু ------</u>**

মাৰীচ ঃ মাতৃ, মাতৃ ; ই কি দেখো তোমাৰ নয়নত অশ্ৰুকণা ? আঃ মাতৃ, নোৱাৰো সহিব তোমাৰ অশ্ৰু। কোৱা মাতৃ কোনে দিলে তোমাৰ হৃদয়ত সন্তাপ ? নিমিষতে মই তাৰ জীৱন কৰিম নিপাত ।

তাৰকা ঃ আজন্ম প্ৰাপ্তি তোমাৰ মাতৃৰ সন্তাপ, তাৰবাবে নকৰিবা চিন্তা। কিন্তু কিয় আহিলা উত্ৰাৱল হৈ ?

সুবাহু ঃ মাতৃ , আমাৰ ভয়ত অগস্ত্যকে ধৰি সকলো ঋষিয়ে কৰিছে পলায়ন । তপ - যজ্ঞ হ'ব দিয়া নাই সাধন। কিন্তু মাতৃ, দেখিলো এক বিপৰীত দৃশ্য ; হ'ল চাক্ষুস অভিজ্ঞতা এক বৈপৰীত চৰিত্ৰৰ -

তাৰকা ঃ কথাৰ ৰহণ কিয় সানিছা সুবাহু , স্পষ্টকৈ কোৱা কি দেখিলা ?

সুবাহু ঃ মাতৃ, ঋষি বিশ্বামিত্ৰই কৰে দুঃসাহস। কৰিব ওলাইছে সি দেৱযজ্ঞ ৰক্ষক কৰি ৰাম-লক্ষ্মণক ।

তাৰকা ঃ ৰাম - লক্ষ্মণ --- ? কোন ৰাম ? কোন লক্ষ্মণ ?

মাৰীচ ঃ অযোধ্যাৰ ৰজা দশৰথৰ তনয় ৰাম আৰু লক্ষ্মণ । মাতৃ , শুনিছো ৰামৰ বীৰত্ব হেনো অতি

চমৎকাৰ, চলিছে প্ৰচাৰ সভ্য সমাজত ৰাম হেনো নাৰায়ণৰ অৱতাৰ ----

তাৰকা ঃ নাৰায়ণৰ অৱতাৰ -- হাঃ হাঃ তথাপি তাৰকাই নকৰে সমীহ । সভ্যতাৰ বিৰুদ্ধে যি ৰথত মই কৰিলো আৰোহণ তাৰপৰা আৰু নানামো মই । হাতৰ মুঠিত লৈ আছো প্ৰাণ, যদি ৰাম হয় নাৰায়ণৰ অৱতাৰ তেওঁৰ হাততে হ'ব তাৰকাৰ মুক্তিলাভ হাঃ হাঃ -- ( যাব খোজে )

মাৰীচ ঃ মাতৃ, একেলগে চলাইছো আমি তপস্বী সংহাৰ । এই অভিযানটো আমি হওঁ সহায় ------

তাৰকা ঃ নহয় পুত্ৰ, আৰম্ভিছিলো মই এই অভিযান, ময়ে ইয়াৰ কৰিম অৱসান। আৰু শুনা পুত্ৰ, ৰামৰ হাতত যদি মোৰ যায় প্ৰাণ , তেন্তে জানিবা সাধাৰণ মনুষ্য নহয় ৰাম । নচলাবা তোমালোকে ৰামৰ বিৰুদ্ধে কোনো ৰণৰ অভিযান । মই আহিলো -- ৰাম , ৰাম -- **( প্ৰস্থান )**

মাৰীচ ঃ মাতৃ, মাতৃ -- ভাতৃ, নোৱাৰোঁ অকলে মাতৃক পঠাব সন্মুখ বিপদত । ব'লা ভাতৃ --মাতৃ , মাতৃ --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে ৰাম - লক্ষ্মণক লৈ বিশ্বামিত্ৰ -----**

ৰাম ঃ ঋষিবৰ, পিতৃৰ আমি অতি আলাসৰ ; সেইবাবে যজ্ঞৰ ৰক্ষাৰ দায়িত্ব আমাক দিবলৈ কৰিছিল সংকোচ । ঋষিৱৰ, পিতৃৰ বাক্যত আপুনি নাপাব দুখ ; পিতৃৰ হৈ আমিয়েই কৰিছো অনুৰোধ।

বিশ্বা ঃ ৰাম , অযোধ্যাৰাজৰ পুত্ৰ প্ৰেম জানো আমি ; অৱশ্যে কোন পিতৃয়েনো নিজ পুত্ৰক ৰাক্ষসৰ সন্মূখলৈ পঠাব স্বেচ্ছাই ? যি নহওক আমাৰ অযোধ্যা গমন হ'ল সাৰ্থক ; আনিব গৈছিলো ৰামক, আহিল ৰামৰ লগতে ভাতৃ লক্ষ্মণ ----

লক্ষ্মণ ঃ ঋষিবৰ , দাদাৰ বাহিৰে মই নিচিন্তো আন । কেনেকৈ হ'ব সম্ভৱ দাদা ৰামে ৰাক্ষসৰ লগত কৰিব সংগ্ৰাম আৰু অনুজ লক্ষ্মণে ৰাজ কাৰেঙত কৰিব বিশ্ৰাম ?

বিশ্বা ঃ ধন্য লক্ষ্মণ, ধন্য তোমাৰ ভাতৃপ্ৰেম । ৰামেও কৰে তোমাক অকৃত্ৰিম প্ৰেম , এক আত্মা মাথো দুই কায়া । অক্ষুণ্ণ থাকক তোমালোকৰ এই ভাতৃপ্ৰেম । পাছে ৰাম , চোৱা , সৌয়ে দেখিছা বন সেয়াই তাৰকাবন ; তাতে থাকে ৰাক্ষসী তাৰকা । তাইক তুমি বধ কৰিব লাগিব ৰাম ---

ৰাম ঃ ক্ষমা কৰিব ঋষিবৰ , ৰাক্ষসী যদিও তাৰকা, তথাপিতো তাৰকাতো এগৰাকী নাৰী । তেনেস্থলত তাৰকাক বধ কৰি আমি নাৰীবধৰ খ্যাতি অৰ্জন কৰোঁ কেনেকৈ ?

বিশ্বা ঃ তেনে সংশয় মনত নানিবা ৰাম । তাৰকা এতিয়া অধৰ্মী, তাৰকা এতিয়া ব্ৰহ্মবধী, নৰবধী, নিৰ্দয়া পিশাচিনী । নহয় তোমাৰ পাপ বধিলে তেনে এজনী পাপিনীক ---।

ৰাম ঃ ঋষিবৰ, পিতৃয়ে কৰিছিল আদেশ আপোনাৰ বাক্য পালন কৰিবলৈ আৰু আপুনি দিছে আদেশ তাৰকাক বধ কৰিবলৈ । দুয়োৰে আজ্ঞা মানি যাম আমি কৰ্তব্য কৰি --

**সূত্ৰ ঃ ৰামে ধনুত টঙ্কাৰ দিয়ে । বাহিৰত তাৰকাৰ অট্টহাস্য -----**

বিশ্বা ঃ সেয়া , সেয়া , তাৰকাৰ অট্টহাস্য ; সাজু হোৱা ৰাম আহিছে তাৰকা ---

**সূত্ৰ ঃ তাৰকা সোমাই আহে ------------**

তাৰকা ঃ হাঃ হাঃ ---- কোন ৰাম ? কোন লক্ষ্মণ ?

ৰাম ঃ আমিয়েই ৰাম ; আৰু এওঁ অনুজ লক্ষ্মণ ---।

তাৰকা ঃ সঁচাই ৰাম - লক্ষ্মণক দেখিলে হৃদয়ত জাগে মমতা । নাই নাই, তাৰকা নহয় পুনৰ মমতাময়ী, তাৰকা আজি হৃদয়হীনা নিৰ্দয়া পিশাচিনী । ৰাম, মোৰ হাতৰ পৰা আজি নাপাবি নিস্তাৰ ---

লক্ষ্মণ ঃ সাৱধান তাৰকা , লক্ষ্মণ থাকোতে জীৱিত দাদাক দিয় প্ৰাণে মৰাৰ হুংকাৰ ----

ৰাম ঃ লক্ষ্মণ, সঁচাকৈয়ে ভয়ংকৰ ৰূপ তাৰকাৰ । হে তাৰকা , আমিয়ে ৰঘুবংশী ৰাম, সেইবাবে নাৰীৰ ওপৰত প্ৰথমে নকৰোঁ প্ৰহাৰ। ইচ্ছা যদি ৰণলৈ তোমাৰ, তেন্তে তুমিয়ে প্ৰথমে কৰা প্ৰহাৰ --

তাৰকা ঃ ন্যায় - অন্যায়ৰ তাৰকাই নকৰে বিচাৰ । কৰিলো প্ৰহাৰ , শক্তি আছে যদি নিজক ৰক্ষা কৰ -

( গীত ঃ ৰাগ- বসন্ত ; তাল - পৰিতাল )

**মহাক্ৰোধে তাৰকাই প্ৰহাৰ কৰিলা ।**
**হেলাৰঙে ৰামচন্দ্ৰই তাক বিদাৰিলা ।।**
**যুদ্ধ দেখি দেৱগণ মনত শংকিলা ।**
**নিৰন্তৰে লোকে ডাকি ৰাম ৰাম বোলা।।**

**সূত্ৰ ঃ হঠাৎ তাৰকা অদৃশ্য হয় । দেখি বিশ্বামিত্ৰই যি কয় ---------------**

বিশ্বা ঃ ৰাম , তাৰকাক নল'বা সাধাৰণভাৱে । আৰম্ভ কৰিব তাই মায়া যুদ্ধ । ৰাত্ৰি হোৱাৰ পূৰ্বেই তাইক কৰা নিধন ; নতু শক্তি বৃদ্ধি পাব তাৰকাৰ ----

ৰাম ঃ ঋষিবৰ, আপোনাৰ আদেশ অচিৰতে কৰিম পালন । সাৱধান তাৰকা, ( স্বগতঃ ) ললো আমি শব্দভেদী বাণ ; ৰক্ষা কৰা তুমি তোমাৰ প্ৰাণ ---

**সূত্ৰ ঃ ৰামে বাণ মাৰে। আৰ্তনাদ কৰি শৰবিদ্ধ তাৰকা আহে --**

তাৰকা ঃ আঃ আঃ কিযে ভীষণ যান্ত্ৰণা ; ৰামৰ বাণে আজি শক্তিশেল হৈ বিন্ধিলে বুকুত । স্বামী, ক্ষমিবা মোক; অপূৰ্ণ হৈ ৰ'ল তাৰকাৰ পণ। প্ৰতিশোধৰ তীব্ৰ অনলৰ পূৰ্ণাহুতি নহ'ল পূৰণ। বুজিলো, বুজিলো ৰাম , তুমি নহয় সাধাৰণ মনুষ্য । মৃত্যুদাতা আজি তুমি তাৰকাৰ ; ৰাম, ৰাম --( মৃত্যু )

ৰাম ঃ যোৱা তাৰকা ; মৃত্যু নহয় , এয়া তোমাৰ চিৰমুক্তি --

বিশ্বা ঃ ধন্য ধন্য ৰাম , ধন্য তোমাৰ বীৰত্ব । পাছে ৰাম , কাৰ্য আমাৰ আধাহে হৈছে সম্পন্ন ; জীৱিত আছে এতিয়াও তাৰকা তনয়। কিছু দূৰতে আছে সিদ্ধাশ্ৰম, তাতে আমি যজ্ঞৰ কৰিম আৰম্ভ । নিশ্চিত মই , যজ্ঞ ৰোধৰ বাবে আহিব তাৰকাৰ তনয় ---

ৰাম ঃ তেন্তে ব'লক ঋষিবৰ যাঁও আমি সিদ্ধাশ্ৰমলৈ ----

**সূত্ৰ ঃ ৰাম - লক্ষ্মণ - বিশ্বামিত্ৰৰ প্ৰস্থান। উত্ৰাৱল হৈ মাৰীচ - সুবাহু ----------**

মা+সু ঃ মাতা , মাতা ----

সুবাহু ঃ আঃ এয়া কি ? ৰুধিৰাক্ত হৈ মাতৃ পৰি আছে ধৰাৰ বক্ষত। উঠা মাতা, তোমাৰ দৰে জগজ্জয়ী জননীয়ে ভূমিত শয়ন কৰাতো নাপায় শোভা । মাতা , কণিষ্ঠ পুত্ৰই তোমাৰ কৰিছে মিনতি , উঠা মাতা , দিয়া আশীষ ; নতু অযোগ্য পুত্ৰ বুলি আমাক কৰা ক্ৰোধ --- মাতা -- ( কান্দে )

মাৰীচ ঃ বৃথা চেষ্টা নকৰিবা ভাতৃ ; চিৰনিদ্ৰা গ'ল আমাৰ জননী । অ ভাতৃ , ক্ৰন্দন কৰি মাতৃৰ আত্মাক নিদিবা সন্তাপ । আঃ পুনৰ এক নৰই দিলে আমাক দাৰুণ আঘাট । আৰু নসহো মই ; উঠ ভাতৃ, ক্ৰন্দনৰ এয়া নহয় সময় । জাগ ভাতৃ জাগ , নৰাধম নৰৰ অন্যায়ত জাগ ; প্ৰতিশোধৰ অগনিত জাগ , নতু আজি পলাব মাতৃহন্তা ৰাম ---

সুবাহু ঃ আঃ ৰাম , নকৰিলি তই উচিত কাৰ্য । বধি মাতৃক , পুত্ৰৰ হৃদয়ত মাৰিলি তই বজ্ৰ আঁচোৰ । প্ৰতিশোধৰ অগনি জ্বলিছে ভীষণ ; উঠলি উঠিছে ৰক্ষ ৰক্ত মোৰ ; দুবাহু নাচিছে মোৰ ৰণৰ উন্মাদত । আঃ ক'ত গ'ল, ক'ত গ'ল ৰাম ? স্বৰ্গ, মৰ্ত্য , পাতাল মোহাৰি কৰিম একাকাৰ ৰামক বিচাৰি । ব'লা দাদা, মাতৃহন্তাৰ ওপৰত লওঁ ভীষণ প্ৰতিশোধ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। ( নেপথ্যত যজ্ঞৰ মন্ত্ৰ -- ঔম বিষ্ণুদেৱায় নমঃ -- )**
**এনেতে সভাত ৰাম - লক্ষ্মণ ----------------------**

লক্ষ্মণ ঃ দাদা, যোৱা পাঁচোটা দিনে যক্ষৰ ৰক্ষকৰূপে নিৰন্তৰ ৰাখিছো চোকা দৃষ্টি আমি । কিন্তু নাহিল যজ্ঞ ৰোধৰ হেতু তাৰকা তনয় ? হয়তো মাতৃৰ নিধনে ভয়াতুৰ কৰি তুলিলে সিহঁতক ---

ৰাম ঃ লক্ষ্মণ, ৰক্ষৰ ক্ৰোধ নিচিনা তুমি ; তাতে ক্ৰোধ মাতৃ হত্যাৰ । নিশ্চয় আহিব তাৰকাৰ তনয় -

**সূত্ৰ ঃ ক্ৰোদ্ধমূৰ্তি ধৰি মাৰীচ আৰু সুবাহু আহে -----------------------**

মাৰীচ ঃ ৰাম, ৰাম --আঃ মাতৃক বধি তই নকৰিলি উচিত কাৰ্য । মাৰীচৰ হাতে তই নাপাবি পৰিত্ৰাণ -

ৰাম ঃ তুমিয়ে মাৰীচ ; তোমাৰ জীৱন গাঁঠা শুনিছো আমি । মাৰীচ , তোমাক আমি নকৰোঁ নিধন ---

মাৰীচ ঃ হাঃ হাঃ মাৰীচে নিবিচাৰে প্ৰাণৰ ভীক্ষা ; যদি আহে মৃত্যু নকৰোঁ চিন্তা । ৰাম, নিচিন তই মাৰীচৰ মায়া ; হ সাৱধান , মাতৃহত্যাৰ আজি দিম প্ৰতিদান । ভাতৃ, কৰা আক্ৰমণ ---

**গীত**

মহাক্ৰোধে চাৰিও বীৰে ৰণ আৰম্ভিলা ।.
সূৰ্যপথ ৰুদ্ধ কৰি অন্ধকাৰ ভৈলা ।।

**সূত্ৰ ঃ ৰামে বাণ মাৰে । মাৰীচক ৰামৰ বাণে উৰুৱাই নিয়ে --**

মাৰীচ ঃ ভাতৃ ----- ( উৰুৱাই নিয়াৰ দৰে প্ৰস্থান )

সুবাহু ঃ দাদা ---- ৰাম , এয়া কি কৰিলি তই ?

ৰাম ঃ আমাৰ বচন ৰাখিলো সুবাহু ; নামাৰি প্ৰাণে তোমাৰ জেষ্ঠ ভাতৃক বায়ৱীয় বাণেৰে উৰুৱাই পঠালো আকাশ মাৰ্গেৰে ---

সুবাহু ঃ আঃ ৰাম, উচিত কাৰ্য নকৰিলি তই ; সুবাহু মই , সাৱধান , সাৱধান ৰাম বক্ষ ফালি আজি তহঁত দুই ভাতৃৰ তপ্ত ৰক্ত মই কৰিম পান ---

ৰাম ঃ সুবাহু, অতি দৰ্প তোৰ নিজক লৈ । চা জুৰিলো অগ্নি বাণ, তোৰ মিলিব মৰণ --

**সূত্ৰ ঃ ৰামে বাণ মাৰে । সুবাহুৰ মৃত্যু হয় । এনেতে বিশ্বামিত্ৰ আহে ------**

বিশ্বা ঃ ৰাম , উত্তম তোমাৰ ৰণ কৌশল ; ৰাক্ষস হ'ল নিধন, আমাৰ যজ্ঞও হ'ল সমাপন । এতিয়া ব'লা এই স্থানৰপৰা অন্য দিশে আমি কৰোঁ গমন ---

ৰা+ল ঃ ব'লক ঋষিৱৰ --

গীত - ( ৰাগ ঃ শ্যাম , তাল ঃ দোমানী )

এহিবুলি তিনিওজনে চলে অন্যস্থানে ।
জগতৰ কল্যাণ হেতু যজ্ঞ সমাপিলে ।।
দুষ্টক দমন কৰি সন্তক পালিলা ।
সমাজৰ লোকে ডাকি ৰাম ৰাম বোলা।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ।**

গীত- ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় ৰঘূপতি কৰা দয়া মায়া হৰি
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো শ্ৰীৰাম কৰুণা সাগৰ ।
ৰঘূবংশে অৱতৰি জগত ঈশ্বৰ ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন প্ৰভূ চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো ৰঘূৰ নন্দন ।।

ইতি, বিশ্বামিত্ৰৰ যজ্ঞ আয়োজন , তাৰকাৰ মুক্তিলাভ নাটৰ সমাপতি ভেল ।

**সমাপ্ত**

জয় গুৰু শংকৰ



# ভাগৱত মাহাত্ম্য ;
# গোকৰ্ণ - ধুন্ধুকাৰী আখ্যান


নাট্যৰূপ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ , যোৰহাট
যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। নাৰদ
৪। জ্ঞান
৫। বৈৰাগ্য
৬। কলি
৭। পাপ
৮। অধৰ্ম
৯। আত্মদেৱ ( ব্ৰাহ্মণ )
১০। গোকৰ্ণ ( শিশু )
১১। ধুন্ধুকাৰী ( শিশু )
১২। গোকৰ্ণ ( যুৱক )
১৩। ধুন্ধুকাৰী ( যুৱক ) -- ( প্ৰধান চৰিত্ৰ )
১৪। অন্ধ ভীক্ষুক
১৫। ঋষি -১
১৬। ঋষি-২
১৭। প্ৰেতৰূপী ধুন্ধুকাৰী
১৮। সন্যাসী

## নাৰী চৰিত্ৰ

১। ভক্তি দেৱী
২। ধুন্ধুলী ( ব্ৰাহ্মণী ) -- ( প্ৰধান চৰিত্ৰ )
৩। মোহিনী ( বেশ্যা নাৰী )
৪। কামিনী ( বেশ্যা নাৰী )

## মুখা

১। ধেনু ( গাই গৰু )
২। ভেড়া ছাগলী

শ্ৰী কৃষ্ণায়ে নমো নমঃ

শ্লোক ঃ যৎপাদ পংকজ ৰজঃ শিৰসা সুৰেশাঃ-- সৰ্বাদয়ো দিবিশ্চঃ দুহিতম উদ্দোহন্তি -- যৎকৃৰ্তনাৎ কলিমলং মনোজাস্ত্য জন্তি -- কৃষ্ণস্য তস্য চৰনং শৰনং ব্ৰজামঃ ।।

অপিচ ঃ যেনাকাৰী পাপমতি ধুন্ধুকাৰী বলৰন্ত । যেনাকাৰী ভাগৱত শ্ৰৱণে মুক্তি লভন্ত ।।

## গীত ঃ নান্দী (ৰাগ ঃ সুহাই, তাল ঃ একতাল )

**জয় জয় দেৱ নাৰায়ণ।**
**তুৱা পাৰে কৰহো বন্দন।।**
**নানা ৰূপে লোৱা অৱতাৰ।**
**দিলা পন্থ ভক্তৰ উদ্ধাৰ।।**
**হেনজানি এৰা আন কাম।**
**সভাসদে বোলা ৰাম ৰাম।।**

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ুং শৃণুধং শ্ৰদ্ধয়াধুনা ; ইয়ং - **ভাগৱত মাহাত্ম্য, গোকৰ্ণ - ধুন্ধুকাৰী আখ্যান** - নাম নাটকং শ্ৰৱণে মুক্তি সাধকম ।

## অথ ভটিমা

**জয় জয় জগত জনক যদুদেৱ ।**
**পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।**
**পাপ আৰু অধৰ্মক কৰি লৈয়া সঙ্গে ।**
**বিস্তাৰিলা জগতত ঘোৰ কলি কালে ।।**
**মলমতি ধুন্ধুকাৰী অতি অনাচাৰী ।**
**আৰ্জিলে পাপ সঙ্গে বেশ্যা নাৰী ।।**
**ভাৰ্যাৰ হাতে ধুন্ধুই প্ৰাণক তেজিলে ।**
**ভাগৱত কীৰ্ত্তনেৰে গোকৰ্ণই উদ্ধাৰে ।**
**চাৰিয়ো বেদৰ সাৰ শাস্ত্ৰ ভাগৱত ।**
**মুকুতিৰ পথ আছে শ্ৰৱণ কীৰ্ত্তনত ।।**
**হেনজানি নৰলোকে এৰা আন কাম ।**
**পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।**

সূত্ৰ ঃ আহে সখী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আকাশে দেৱ দুন্দুভী বাজত , বাজত , বাজত -------------

সূত্ৰ ঃ আঃ মিলল মিলল , আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু পীত বস্ত্ৰে পৰিধান কৰি সভাৰ মধ্যে আৱত , আৱত , আৱত । তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

( ইতি সূত্ৰ নৃত্য নিস্ক্ৰান্তঃ )

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ**---------

**শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু কাম কৌটিজিত জগতং জনকো ধাতা সাধু বান্ধৱ ।।**

**গীত -( ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন।**
**যাক দেখি মহা সুখী হোৱে সৰ্বজন।।**
**এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

বিষ্ণু ঃ আমি অদ্বিতীয়, আমি নিৰাকাৰ, আমিয়েই বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো জীৱৰ আত্মাত বিৰাজমান । সৃষ্টি, স্থিতি আৰু প্ৰলয়কালত তিনি গুণৰদ্বাৰা তিনি মূৰ্তি ধৰোঁ আমি। সৃষ্টিৰ আদিতো আমি আৰু সৃষ্টিৰ অন্ততো থাকিম আমি ; কাৰণ আমিয়ে ওঁমকাৰ ---

**সূত্ৰ ঃ এনেতে নাৰদৰ মুখত হৰিনাম ভাঁহি আহে -----**

বিষ্ণু ঃ অ দেৱৰ্ষী নাৰদৰ ঘটিছে আগমন আজি আমাৰ ধামে ---

নাৰদ ঃ ( সোমাই আহে ) নাৰায়ণ, নাৰয়ণ -; নিঃকিন নাৰদৰ সেৱা গ্ৰহণ কৰক প্ৰভূ ---

বিষ্ণু ঃ উঠা নাৰদ ; --- কিন্তু দেখিছো তোমাক আজি উদাস উদ্বিগ্ন ভাৱত । কিয় নাৰদ ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ; সৰ্বজ্ঞ হৈয়ো প্ৰভূ সুধে আমাক ? প্ৰভূ, শ্ৰীকৃষ্ণৰূপে মৰতত নৰলীলা সামৰি বৈকুণ্ঠলৈ আহিল আপুনি । দ্বাপৰ যুগৰো হ'ল সমাপ্তি । জগতত চলিছে এতিয়া কলিৰ শাসন । দুৰাচাৰী কলিৰ প্ৰভাৱত মৰতৰ মনুষ্য আজি দিশহাৰা ; অ'হ প্ৰভূ, এনেদৰে থাকিলেচোন মোক্ষ প্ৰাপ্তিৰ পৰা বঞ্চিত হ'ব জীৱশ্ৰেষ্ঠ মনুষ্য ।

বিষ্ণু ঃ তাৰবাবে তুমি চিন্তিত নহ'বা নাৰদ ; যদিওবা কলিৰ এয়া স্বভাৱজাত দুৰাচাৰী ৰূপ , কলিয়ে হৈছে যুগশ্ৰেষ্ঠ ; আৰু মনুষ্যই কলি যুগতেই পাইছে আমাক লভিবলৈ সহজ পথ ।

নৰদ ঃ আমি -- আমি নুবুজিলো প্ৰভূ । দয়া কৰক এই নিঃকিন নাৰদক ।

বিষ্ণু ঃ নাৰদ, কলিৰ প্ৰভাৱৰ বিষয়ে পূৰ্বেই জ্ঞাত আমি । ভকতবৎসল আমি , ভক্তৰ দুখ আমিও নোৱাৰোঁ সহিব । সেয়ে সৃষ্টি কৰিছিলো আমিয়ে দেৱী ভক্তিক । মুক্তি হৈছে ভক্তিৰেই দাসী । সত্য যুগৰপৰাই মনুষ্যৰ মোক্ষ প্ৰাপ্তিৰ সাধন হৈ তেওঁলোক আছিল মৰতত । বৈকুণ্ঠলৈ আমি অহাৰ পাছত দ্বাপৰ যুগৰো পৰিছে অন্ত ; ভক্তিৰ সন্মতি লৈ মুক্তিও আহিল মৰতৰ পৰা ।

নাৰদ ঃ কি কৈছে প্ৰভু , -- মুক্তিয়ে কৰিলে প্ৰস্থান মৰতৰপৰা -- ? -- কিয় --- ?

বিষ্ণু ঃ চিন্তিত নহ'বা নাৰদ, যদি কোনো মনুষ্যই ভক্তিক এতিয়াও কৰে স্মৰণ মুক্তি উপস্থিত হ'ব তেওঁৰ সন্মূখত । তদুপৰি ভক্তিৰ দুই তনয় জ্ঞান আৰু বৈৰাগ্য এতিয়াও আছে মৰতত ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; এয়া আপোনাৰেই কৃপা প্ৰভূ --- ।

বিষ্ণু ঃ মনত ৰাখিবা নাৰদ, একমাত্ৰ ভক্তিয়ে হৈছে কলিত মোক্ষ প্ৰাপ্তিৰ সাধন । যি মনুষ্যই নিষ্কাম ভাৱেৰে আমাকেই কৰিব ভকতি সেই মনুষ্যই নিশ্চয় লভিব মুক্তি ---

নাৰদ ঃ নাৰায়ণঃ পৰং ব্ৰহ্ম তত্ত্বং নাৰায়ণঃ পৰম্ । নাৰায়ণঃ পৰং জ্যেতিৰাত্মা নাৰায়ণঃ পৰঃ।।-- প্ৰভূ, আপোনাৰ শ্ৰীমুখে তত্ত্বজ্ঞান লভি ধন্য হ'ল আমাৰ জীৱন ; আমি এতিয়া বিদায়হে মাঁগো। **(প্ৰস্থান)**

বিষ্ণু ঃ যোৱা নাৰদ , ইচ্ছা কৰিয়ে আমি সম্পূৰ্ণ জ্ঞান নিদিলো তোমাক । মৰতত গৈ তুমি প্ৰত্যক্ষভাৱে লভিবা সম্পূৰ্ণ জ্ঞান । আমিও যাঁও এতিয়া নিজ কৰ্তব্যত -----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত জ্ঞান আৰু বৈৰাগ্যৰ প্ৰৱেশ ----**

গীত ঃ (ৰাগ- গান্ধাৰ, তাল - ৰচক )
সভাৰ মাজে প্ৰৱেশিলা ভক্তিৰ নন্দন।
ধীৰে ধীৰে চলি আহে দেখিতে শোভন।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰে।।

সূত্ৰ ঃ জ্ঞান আৰু বৈৰাগ্যৰ প্ৰস্থান । সভাত ভক্তি দেৱীৰ প্ৰৱেশ --------

গীত - (ৰাগ ঃ সুহাই , তাল ঃ একতাল )
প্ৰৱেশয় ভক্তি দেৱী গোবিন্দৰ সৃষ্টি।
বিষাদ বদনে আহে মনে ভাৱি গুণী ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

ভক্তি ঃ ভগৱন্তৰ সৃষ্টি আমি ভক্তি , আমিয়ে অহিংসাৰ শক্তি । আমি পূজাৰ সমৰ্পণ, আৰাধ্যৰ আৰাধনা, তপৰ তাপ আৰু আমিয়ে পাপক কৰোঁ নাশ । প্ৰভুৰ প্ৰস্থানৰ সুযোগ লৈ দুৰাচাৰী কলিয়ে অহৰহ চলাইছে প্ৰয়াস জগতত অধৰ্ম বিস্তাৰৰ । সেয়ে আমাৰো কৰ্তব্য বাঢ়িল দুগুণে ---

সূত্ৰ ঃ এনেতে জ্ঞান আৰু বৈৰাগ্য আহে -----

জ্ঞা+বৈ ঃ প্ৰণাম মাতৃ ----

ভক্তি ঃ কল্যাণ হওক --- বাচা জ্ঞান , বৈৰাগ্য -- কিয় তোমালোকক দেখো চিন্তান্বিত মনে ?

জ্ঞান ঃ কিয় চিন্তিত নহ'ম মাতা ? আজি আমি সংকটৰ গৰাহত । দুৰাচাৰী কলিৰ প্ৰভাৱ দিনক দিনে বাঢ়িছে জগতত । পাপ কি , পুণ্য কি আজি নিচিনে মৰতৰ মনুষ্যই ---

বৈৰাগ্য ঃ আজি আমি অৱহেলিত মৰতত ; হেৰুৱাই শ্ৰী আমি হৈছো দুৰ্বল। কিয় মাতা, কিয় তুমি আমাক ৰাখিলা মৰতত ? মুক্তিৰ লগতে কিয় আমাকো বৈকুণ্ঠলৈ যাবলৈ নিদিলা অনুমতি ?

ভক্তি ঃ বাচা, মাতা মই তোমালোকৰ ; কিদৰে ৰাখো তোমালোকক মোৰ পৰা নিলগত ? অধৈৰ্য নহ'বা তোমালোক ; শ্ৰীহৰিৰ ওপৰত ৰাখা বিশ্বাস ; তেখেতৰে সৃষ্ট এই বিনন্দীয়া ধৰণী, পালনকৰ্তা তেওঁ। যুগে যুগে অৱতাৰ লৈ তেখেতে দুষ্টক দমন আৰু সন্তক কৰি আহিছে পালন । মোৰ দৃঢ় বিশ্বাস , প্ৰভুৱে তেওঁৰ সৃষ্টিক ধ্বংস হ'ব নিদিয়ে কদাপি --

জ্ঞান ঃ তোমাৰ কথাই যেন সত্য হওক মাতা । কিন্তু নাজানো কিয় মোৰ অন্তৰাত্মা কঁপিব ধৰিছে , জাগিছে মনত সংশয় , আহি আছে যেন দুৰ্ঘোৰ বিপদ আমাৰ বাবে ?

ভক্তি ঃ জ্ঞান, তুমিয়েই যদি হোৱা এনেদৰে বিচলিত, কিদৰে কলিৰ সন্মুখীন হব মৰতৰ অজ্ঞান মনুষ্য ? বিশ্বাস ৰাখা মৰতৰ সাধু - সন্তৰ ওপৰত, বিশ্বাস ৰাখা তোমালোকে ধৰ্মৰ ওপৰত ; নোৱাৰে কলিয়ে জগতত অধৰ্ম বিস্তাৰিব ; সদা জাগ্ৰত হৈ বাধা দিম আমি কলিৰ দুস্কাৰ্যক। এতিয়া ব'লা , কৰ্তব্যত হওঁ অগ্ৰসৰ ।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত এজন সন্যাসীৰ প্ৰৱেশ ---

প্ৰৱেশিলা সভাৰ মাজে এক সাধুজন ।
কাম ক্ৰোধ ৰিপু তেজি হৰিত মগন ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্ব নৰ ।।

সন্যাসী ঃ হৰি ঔম , হৰি ঔম ---

সূত্ৰ ঃ সন্যাসীৰ প্ৰস্থান । সভাত ব্ৰাহ্মণ আত্মদেৱৰ প্ৰৱেশ -----

গীত- ( ৰাগ ঃ পয়াৰ , তাল ঃ একতাল )

আৱত সভাৰ মাজে আত্মদেৱ ব্ৰাহ্মণ।
চিন্তান্বিত মনে আছে মলিন বদন ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

আত্ম ঃ হে প্ৰভু, আৰু কিমান দুখ দিবা এই অধমক ? সবাৰে ইচ্ছা তুমি কৰিছা পূৰণ ; কিন্তু নিৰ্দয় তুমি এই নিঃকিন ব্ৰাহ্মণৰ প্ৰতি ? পুত্ৰহীন ব্ৰাহ্মণ বুলি সৱে কৰে মোক উপহাস ; বুজিলো প্ৰভু, নাই আৰু মোৰ সম কোনো দুৰ্ভগীয়া -- ( কান্দে )

**সূত্ৰ ঃ এনেতে সন্যাসী আহে ---**

সন্যাসী ঃ হৰি ঔম, হৰি ঔম --হে মনুষ্য, দেখাতটো লাগে তোমাক জ্ঞানী ব্ৰাহ্মণ ; কিন্তু কিয় কৰিছাহি ক্ৰন্দন এই বনৰ মাজত ?

আত্ম ঃ কি কৰিম দেৱ ? দুখৰ সাগৰত ডুবি লোকসমাজৰ আগত হেঁচুকি ৰখা বুকুৰ ক্ৰন্দন এই বনতেই দিছো উলিয়াই ; কিজানিবা বুকুৰ যান্ত্ৰনা মোৰ পৰে শাম ---

সন্যাসী ঃ কি দুখত ডুবিছা তুমি ?

আত্ম ঃ কি ক'ম দেৱ এই দুৰ্ভগীয়াৰ কাহিনী ? জাতত ব্ৰাহ্মণ মই , নামে আত্মদেৱ । পাতিলো সংসাৰ, ভাবিছিলো পুত্ৰ-পৌত্ৰাদিৰে ভৰিব গৃহ । পাছে, পূৰ্ণ নহ'ল আজিও মোৰ মনৰ কামনা। পুত্ৰহীন হৈ গৃহশূন্য মোৰ ।ময়ে পাপী নে অদৃষ্টৰ অভিশাপ মোৰ ওপৰত নাজানো দেৱ ৰুইছো বৃক্ষ নালাগে ফল, পুহিছো গৃহত মাথো এজনী ধেনু তাইৰো আজিলৈকে নহ'ল সন্তান । তেনেস্থলত এই পাপী ব্ৰাহ্মণে জানো নকৰিব ক্ৰন্দন ? কওক দেৱ, মই কৰিম কি ? দেৱ, দেৱ আপুনি মোক কৰক কৃপা ; দয়া কৰি এক পুত্ৰ সন্তান মোক কৰক প্ৰদান ।

সন্যাসী ঃ অসম্ভৱ ব্ৰাহ্মণদেৱ ; চালো মই তোমাৰ কপালৰ লিখন , জানি লোৱা এই জনম কি অহা সাত জনমতো তোমাৰ ভাগ্যত নাই পুত্ৰ সন্তান ।

আত্ম ঃ এয়া কি কৈছে দেৱ ? পুত্ৰ সন্তান নাই মোৰ ভাগ্যত ? নাই নাই দেৱ কৃপা কৰক --

সন্যাসী ঃ পুত্ৰ মোহত পৰি কিয় এই মনুষ্য জনম তুমি কৰা নাশ ? ভগৱন্তই তোমাক দিছে সুযোগ, সন্যাস তুমি লোৱা আদৰি --

আত্ম ঃ সন্যাস লোৱাতকৈ মই মৃত্যুক লম সাৱটি। পুত্ৰহীন বুলি পুতৌ লভাতকৈ মৰণকে মই লম আদৰি । হে দেৱ, আপুনি তপোধৰ ; কৰিছো মিনতি কৃপা কৰি মোক এক পুত্ৰ সন্তান কৰক প্ৰদান । নতু মই আজি গৃহলৈ নাযাঁও উলটি । এই বনৰ মাজতে মৰণক লম সাৱটি --

সন্যাসী ঃ নিৰ্বোধ মনুষ্য, পুত্ৰ মোহত হ'লা অন্ধ । বাৰু, তোমাৰ মনোকষ্ট লাঘৱৰ হেতু এক ফল মই তোমাক কৰিম প্ৰদান । কৰোৱাবা ভক্ষণ তোমাৰ পত্নীক ; ৰাখিবা পত্নীক সাত্বিকভাৱে পূৰ্ণ গৰ্ভকালে । নিশ্চয় এক পুত্ৰ সন্তান লভিবা তুমি । লোৱা তুমি এই ফল ---

আত্ম ঃ দিয়ক, দিয়ক দেৱ ---

সন্যাসী ঃ কিন্তু মনত ৰাখিবা, বলেৰে নোৱাৰা সলাব তুমি ভাগ্যৰ লিখন । দুখ তোমাৰ আছে জীৱনত -- হৰি ঔম, হৰি ঔম ---- ( প্ৰস্থান )

আত্ম ঃ ধন্যবাদ দেৱ , যদি পাঁও পুত্ৰ সন্তান তেন্তে হাজাৰ দুখকো মই যাম পাহৰি । হে প্ৰভু, কৃপা কৰিলা তুমি এই অধমক । যাঁও, এই শুভ সংবাদ দিওঁগৈ পত্নীক --

**সূত্ৰ ঃ আত্মদেৱৰ প্ৰস্থান । সভাত ধুন্ধুলীৰ প্ৰৱেশ -----------**

গীত - ( ৰাগ ঃ সুহাই , তাল ঃ পৰিতাল )

প্ৰৱেশয় সভাৰ মাজে ধুন্ধুলী ব্ৰাহ্মণী ।
লয়লাসে চলি আহে দেখিতে সুন্দৰী।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰ ।।

ধুন্ধুলী ঃ ব্ৰাহ্মণী মই, নাম মোৰ ধুন্ধুলী। স্বামীয়ে সততে কয় মোক তেজি মায়া-মোহ শ্ৰীহৰিক কৰিবা ধ্যান। কিন্তু নোৱাৰোঁ তেজিব মই মায়া-মোহ, নোৱাৰোঁ তেজিব মই ঐশ্বৰ্য বিভূতি। কৰি যাম আভূষণ, সজাই যাম মই মোৰ এই সুন্দৰ কলেৱৰ। ভকতি যদি হয় স্বামী আপোনাৰ প্ৰাণ, সৌন্দৰ্য চৰ্চা কৰিয়েই সমাজত মই ৰাখি যাম মান -----

**সূত্ৰ ঃ এনেতে আত্মদেৱ আহে -------------------**

আত্ম ঃ প্ৰিয়ে, প্ৰিয়ে আমাৰ দুখৰ দিনৰ পৰিব অন্ত -- প্ৰভুয়ে আমাক কৰিছে কৃপা --

ধুন্ধুলী ঃ হাঃহাঃ প্ৰভুয়ে কৰিছে কৃপা ? তেনেহ'লে কি আমাক প্ৰদান কৰিলে সন্তান ? ক'তা স্বামী মইতো দেখা নাই তাৰ একো প্ৰমাণ ---- ?

আত্ম ঃ উপহাস নকৰিবা ভাৰ্যা, প্ৰভুৰ কৃপাতে আজি মই বনত সাক্ষাত লভিছিলো এক সন্ন্যাসীৰ। দণ্ডৱতে পৰি মই সন্ন্যাসীৰ চৰণত মাগিছিলো সন্তানৰ ভীক্ষা। মোৰ কাতৰ অনুৰোধত তেখেতে দিছে আমাক সন্তানপ্ৰাপ্তিৰ আশীষ ---।

ধুন্ধুলী ঃ কি কৈছে নাথ , দিছে সন্তান প্ৰাপ্তিৰ আশীষ ?

আত্ম ঃ অ প্ৰিয়ে , তাৰবাবে সন্ন্যাসীয়ে দিলে মোক এই আশীৰ্বাদপুষ্ট ফল। এই ফল তুমি কৰিব লাগিব ভক্ষণ। লোৱা প্ৰিয়ে, অনাদৰ নকৰি ভক্তিভাৱে লোৱা তুমি এই ফল।

ধুন্ধুলী ঃ অ , দি-য়ক , দিয়ক নাথ ------

আত্ম ঃ প্ৰিয়ে , এই ফল খোৱাৰ পাছত এবছৰলৈ লিপ্ত হব লাগিব সত্য, শৌচ, দয়া, দান আদি সৎকৰ্মত। প্ৰতিদিনে মাত্ৰ এবাৰহে গ্ৰহণ কৰিব লাগিব আহাৰ ; তাকো সাত্বিক আহাৰ ---

ধুন্ধুলী ঃ ইমান কঠোৰ নিয়ম ; স্বামী , কোনে পালন কৰিব লাগিব এই নিয়ম , আপুনিনে --- ?

আত্ম ঃ হাঃ হাঃ হহোঁৱালা দয়িতা হহোঁৱালা তুমি মোক ; গৰ্ভধাৰণ তুমি কৰিবা নে মই ? তুমিয়েই পালন কৰিব লাগিব। এনে নিয়মেৰে থাকিলে সৎ সন্তানৰ জননী হ'বা তুমি। অৱশ্যে ময়ো পালন কৰিম এই নিয়ম। বাৰু, তুমি স্নান কৰি পবিত্ৰ হৈ এই ফল কৰিবা ভক্ষণ। যাঁও মই সন্ধ্যা আৰাধনাৰ বাবে সামগ্ৰী কৰোঁগৈ যোগাৰ --- ( প্ৰস্থান )

ধুন্ধুলী ঃ এবছৰলৈ এনে কঠোৰ নিয়ম , সাত্বিক আহাৰ , তাকো দিনে মাত্ৰ এবাৰ। ই জানো সম্ভৱ মোৰ বাবে ? এনেদৰেতো মোৰ এই সুন্দৰ দেহা যাব খীণাই ; হম কুৰূপা। তাতে আছে প্ৰসৱৰ বেদনা ? যদিও পোৱা নাই অভিজ্ঞতা , দেখিছো - শুনিছো মই প্ৰসুতীৰ যান্ত্ৰনা। আঃ কেনেবাকৈ যদি প্ৰসৱ যান্ত্ৰনাতে মোৰ যায় প্ৰাণ ? নাই নাই সন্তানহীনতাই ভাল ; অ বন্ধ্যা হৈ থকাই মোৰ বাবে মঙ্গল। সেইহেতু নকৰোঁ ভক্ষণ মই এই ফল, কদাপি নকৰোঁ ভক্ষণ। কিন্তু স্বামীক মই -- ? কিবা এটা উপায় উলিয়াব লাগিব , নিশ্চয় উলিয়াম মই কিবা উপায় -----

**সূত্ৰ ঃ ধুন্ধুলীৰ প্ৰস্থান। সভাত এজনী গৰুৰ ( ধেনু ) প্ৰৱেশ ---**

**গীত**

**প্ৰৱেশয় ধেনু মাতা দেখিতে শোভন ।**
**ধীৰে ধীৰে চলি আহে অতি বিতোপন ।।**
**এহিমতে প্ৰৱেশিলা সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ ধেনু আহি সভাৰ মাজত ৰয়। এনেতে ধুন্ধুলী সোমাই আহে ---**

ধুন্ধুলী ঃ পাইছো বতৰা, মোৰ সহোদৰা ভগ্নী পুনৰ হৈছে সন্তান সম্ভৱা। দৰিদ্ৰই কোঙা কৰিছে মোৰ ভগ্নীৰ পৰিয়ালক , তাতে আকৌ পুনৰ -- হাঃ হাঃ ধন থাকিলে সকলো সম্ভৱ ; ভগ্নী মোৰ হৈছে মান্তি ধনৰ বিনিময়ত দিব মোক তাইৰ গৰ্ভজাত সন্তান। কিন্তু কি কৰোঁ এই ফল ? অ পালো মই বিচাৰি উপায়। আমাৰ এই ধেনুৱেই কৰিব মোক সহায়। ল ধেনু, তয়ে ভক্ষণ কৰ এই সন্ন্যাসীপ্ৰদত্ত ফল হাঃ হাঃ---

সূত্ৰ ঃ ধেনুক ফল দিয়ে । ধেনুয়ে ফল ভক্ষণ কৰে -----

ধুন্ধুলী ঃ কৰ সোনকালে কৰ ভক্ষণ, নতু স্বামী আহিব পাৰে এই স্থানে --- হাঃ হাঃ ধেনুৱে কৰিলে ফল ভক্ষণ, সাপো মৰিল লাঠীও নাভাগিল ; হাঃ হাঃ তুমি কি বুজিবা স্বামী তিৰোতাৰ চালনা ?

**সূত্ৰ ঃ এনেতে আত্মদেৱ সোমাই আহে----**

আত্ম ঃ দয়িতা , দিব্য ফল খালানে তুমি ?

ধুন্ধুলী ঃ ফল , --- খালো নাথ , খালো --- ।

আত্ম ঃ কৃপা কৰিবা প্ৰভু , প্ৰিয়ে এই সন্ধ্যাবেলা আজিৰ পৰা তুমি নাথাকিবা বাজত । যোৱা তুমি কুটীৰলৈ ;ময়ে ধেনুক নি আহাৰৰ কৰোঁ যোগাৰ। আহ , ধেনু আহ -- ( **ধেনুক লৈ প্ৰস্থান** )

ধুন্ধুলী ঃ হাঃ হাঃ স্বামী, কি বুজিব আপুনি ? এতিয়া মাথো স্বামীক দেখুৱাই মই কৰিব লাগিব গৰ্ভৱতী হোৱাৰ অভিনয় । মই পাৰিম, পাৰিবই লাগিব ; প্ৰসৱ যান্ত্ৰনা লভাতকৈ অভিনয়ে সহজ হাঃ হাঃ

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত কলিৰ প্ৰৱেশ ---------------**

**গীত ঃ ( ৰাগ - -----; তাল -------)**

**প্ৰৱেশিলা সভাৰ মাজে কলি মহাবীৰ।**
**ধৰণীত লীলাৰ হেতু মন কৰি স্থিৰ।।**
**মহাগৰ্বে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

কলি ঃ হাঃহাঃ যুগপতি মই ; ভীতিগ্ৰস্ত হৈ মোৰ পৰাক্ৰমত দ্বাপৰে মৰতৰপৰা কৰিলে পলায়ন। আৰম্ভ কৰিছো জগতত মোৰ শাসন । অ, এই যুগশ্ৰেষ্ঠ কলিৰ শাসন । পাপ আৰু অধৰ্মক সঙ্গী কৰি প্ৰচাৰ কৰিছো জগতত কলিৰ মাহাত্ম্য যাক দেখি চিন্তিত হ'ব নাৰায়ণ, বিস্মিত হ'ব দেৱগণ আৰু বিতত হ'ব মৰতৰ মনুষ্য হাঃহাঃ । যাঁও, পাপ আৰু অধৰ্মক কৰোঁগৈ সাক্ষাত ---

**সূত্ৰ ঃ কলিৰ প্ৰস্থান । সভাত পাপ আৰু অধৰ্মৰ প্ৰৱেশ ---( বাজনা - ভংগী )**

**সূত্ৰ ঃ পাপ আৰু অধৰ্ম সভাৰ মধ্যে পাই । এনেতে কলি সোমাই আহে ---**

পা-অ ঃ প্ৰণাম যুগপতি ----

কলি ঃ মোৰ বিচক্ষণ সঙ্গী পাপ আৰু অধৰ্ম , কি শুনিছা , কি দেখিছা আজি তোমালোকে জগতত ?

পাপ ঃ যুগপতি , শুনিছো আপোনাৰেই জয়গান আৰু দেখিছো কেৱল আপোনাৰেই মায়াজাল হাঃ হাঃ ; সততাক তেজি শঠতাক , সদাচাৰ এৰি অনাচাৰক মনুষ্যই লৈছে আঁকোৱালি হাঃ হাঃ ---

অধৰ্ম ঃ আপোনাৰ ভয়ত আজি ত্ৰিজগত কম্পমান । কৃপা লভি আপোনাৰ এই অধৰ্ম আৰু পাপ আজি জগতত বলবান। পাছে যুগপতি, কৰিব মাৰ্জনা, দশোদিশে বিচাৰিও নাপালো আমি ধৰ্মৰ সন্ধান।

কলি ঃ হাঃ হাঃ অধৰ্ম, ধৰ্মৰ বাবে তুমি নকৰিবা চিন্তা । পঙ্গু হৈ , বিষত জৰ্জৰিত হৈ পৰি আছে ধৰ্ম মৰতৰ কোনোবা কোণত । শৌচ, ক্ষমা, দয়া এই তিনি চৰণ ধৰ্মৰ নিৰ্দয়ভাৱে ভাঙিলো মই । বাকী আছে কেৱল তাৰ সত্যৰূপী চৰণ, অচিৰতে তাকো ভাঙিম মই হাঃ হাঃ --

**সূত্ৰ ঃ এনেতে জ্ঞান আৰু বৈৰাগ্য ----------**

বৈৰাগ্য ঃ সাৱধান কলি , তোৰ অন্যায় আৰু নচলিব জগতত ----

কলি ঃ আঃ কোন তই ? কি সাহসেৰে তই যুগপতি কলিক দিয় প্ৰত্যাহ্বান ?

বৈৰাগ্য ঃ সাহসৰ কথা নক'বি তই ; সাহস আছে বাবেই সৰ্বচ্ছ ত্যাগ কৰিব পাৰিছো মই । শুন কলি, আমি ভক্তিৰ নন্দন ; মই বৈৰাগ্য ---

জ্ঞান ঃ আৰু মই মনুষ্যৰ লগতে তহঁতৰ দৰে অজ্ঞানীৰো মনৰ অজ্ঞানতা কৰোঁ দূৰ; নাম মোৰ জ্ঞান --

কলি ঃ অ ভক্তিৰ তনয় বৈৰাগ্য আৰু জ্ঞান ; শুন অধম, দ্বাপৰেও পৰা নাই, ধৰ্মইও পৰা নাই তিষ্ঠিব মোৰ সন্মূখত । তেনেস্থলত তহঁতে -- হাঃ হাঃ হাঃ

বৈৰাগ্য ঃ অট্টহাস্য নকৰিবি কলি ; আমাৰ মাহাত্ম্য নুবুজ তই । আছো আমি জগতত সত্য যুগৰপৰাই ; আমাৰ মাধ্যমেৰেই মনুষ্যই পাইছে মোক্ষ প্ৰাপ্তি আৰু সেই ধাৰা তোৰ কালতো ৰাখিম বৰ্তাই।

পাপ ঃ আঃ ইমান দাম্ভিক বচন ইহঁতৰ । যুগপতি , দিয়ক আদেশ ইহঁতকো জগতৰপৰা দিওঁ বিদায়।
জ্ঞান ঃ সেই সুযোগ তই নাপাবি পাপ ; প্ৰথমে চিন্তা কৰ তই নিজৰ বাবেহে ।
কলি ঃ আঃ ইমান অহংকাৰ নসহে কলিয়ে । অধৰ্ম আৰু পাপ , উচিত শাস্তি দিয়া ইহঁতক --
অধৰ্ম ঃ যিবা আজ্ঞা যুগপতি ; সাৱধান আজি তহঁতে নাপাবি নিস্তাৰ ।
বৈৰাগ্য ঃ উত্তম , চাঁও বাৰু কাৰ শকতি কিমান ---।

**গীত -( ৰাগ ঃ মল্লাৰ , তাল ঃ ৰচক )**

**মহাক্ৰোধে চাৰিওবীৰে আৰম্ভিলা ৰণ।**
**কতবেলি লাগে ৰণ নাহি নিবাৰণ।।**
**অৱশেষত ভক্তিতনয় হৈলা পৰাভূত।**
**বোলা হৰি হৰিয়োক সামাজিক লোক।।**

**সূত্ৰ ঃ যুদ্ধত জ্ঞান আৰু বৈৰাগ্য পৰাস্ত হয় । দেখি কলিয়ে যি কয় ---**

কলি ঃ হাঃহাঃ ইমানেই শক্তি ভক্তি তনয়ৰ ? এটাই কৰে সৰ্বচ্ছ ত্যাগ আৰু এটাই কৰে জগতৰ অজ্ঞানতা নাশ-- হাঃহাঃ জ্ঞান, তুমিতো জ্ঞানী। চোৱা, মোৰ সান্নিধ্যত পাপ আৰু অধৰ্ম আজি তেজস্বী, পৰাক্ৰমী যেন উদিত সুৰুজ ; আৰু তোমালোক --- হাঃ হাঃ-- মনত ৰাখিবা, নহয় এয়া সত্য, নহয় এয়া ত্ৰেতা কিম্বা যুগ দ্বাপৰ ; যুগাধিপতি কলিৰ শাসন চলিছে জগতত । দিছো সুযোগ, দিছো উপদেশ আত্ম অভিমান কৰি পৰিত্যাগ হোৱা তোমালোক মোৰ সহচৰ ------
জ্ঞান ঃ অসম্ভৱ , কদাপি আমি নহওঁ কলিৰ সহচৰ ---
পাপ ঃ যুগপতিৰ আদেশ নকৰিবি অবজ্ঞা । আঁতৰাই ল তহঁতে নিজৰে অজ্ঞানতা ; আমাৰ সঙ্গী হৈ তই জগতত জ্ঞানৰ জ্যোতিৰ সলনি অজ্ঞানতাৰ আন্ধাৰ দে বিয়পাই । নহয় বৈৰাগ্য , লোভত অন্ধ কৰ মৰতৰ মনুষ্যক --
বৈৰাগ্য ঃ স্তব্ধ হ পাপ , আৰু নুবুলিবি একো বচন ---
অধৰ্ম ঃ নিচিঞৰিবি বৈৰাগ্য ; চিঞৰি নোৱাৰ লুকোৱাব নিজৰ দুৰ্বলতাক । ভাগ্যবলে পাইছ সুযোগ , সন্মতি দি যুগপতিৰ প্ৰস্তাৱত ধন্য কৰ তহঁতৰ জীৱন ---
বৈৰাগ্য ঃ বৃথা চেষ্টা কৰিছ তহঁতে , কদাপি নাযায় ভুল ভক্তিৰ তনয় মিছা প্ৰলোভনত ।
কলি ঃ নহয় মিছা প্ৰলোভন ; অসত্য, অধৰ্ম, অন্যায়, অনাচাৰ বিয়পাইছে কলিয়ে এই জগতত। মোৰ প্ৰভাৱত মনুষ্য হৈছে অন্ধ ; মহান তপস্বীয়েও আজি পাহৰি শাস্ত্ৰ জ্ঞান হৈছে দিগ্‌ভ্ৰান্ত ---
বৈৰাগ্য ঃ নাই নাই এনে হ'ব নোৱাৰে ; এয়া অসত্য --
কলি ঃ এয়াই সত্য ; বৈৰাগ্য, মনুষ্যই নিবিচাৰে আজি তোক । মনুষ্য আজি লোভত অন্ধ, মনুষ্য আজি কামত আসক্ত । লোভান্ধ মনুষ্যই আজি পৰৰ সামগ্ৰী কৰিছে হৰণ, কামাতুৰ মনুষ্যই আজি বিচৰা নাই জাতিকুল আৰু এইবোৰ মোৰেই প্ৰভাৱ , অ মোৰেই মহত্ব হাঃ হাঃ ---
জ্ঞান ঃ নাই নাই ইমান অনাচাৰ মই নোৱাৰোঁ সহিব । এতিয়াই দিম তোক মই উচিত দণ্ড --
কলি ঃ আঃ নুবুজে, নুবুজিলে ইহঁতে মোৰ মহত্ব । অধৰ্ম, মৰতত থকাৰ অধিকাৰ হেৰুৱালে ইহঁতে। চিৰবিদায় দিয়া ইহঁতক মৰতৰ পৰা ।
অধৰ্ম ঃ আদেশ শিৰোধাৰ্য যুগপতি ; এতিয়াই মই ইহঁতক চিৰবিদায় দিম মৰতৰপৰা । পাপ, হত্যা কৰা তুমি জ্ঞানক ; বৈৰাগ্যক মই কৰোঁ হত্যা --- ।

**সূত্ৰ ঃ পাপ আৰু অধৰ্মই ভক্তিৰ পুত্ৰদ্বয়ক বধিবলৈ সাজু হয়। এনেতে ভক্তি ---**

ভক্তি ঃ সাৱধান দুৰাচাৰ , কিয় মোৰ পুত্ৰৰ ওপৰত কৰ অত্যাচাৰ ?
কলি ঃ হাঃ হাঃ ভক্তি , পুত্ৰক ৰক্ষাৰ্থে আজি মাতৃ উপস্থিত ; উত্তম , অতি উত্তম তিনিওটাকে নিধন কৰি মোৰ পথ কৰিম নিষ্কণ্টক ।
ভক্তি ঃ সাৱধান কলি ; শক্তিহীনা বুলি নাভাবিবি ভক্তিক । এতিয়াই পাবি তই ইয়াৰ প্ৰমাণ ----
( মন্ত্ৰ মাতে ) ওঁম নমো বিষ্ণুদেৱায় নমঃ , ওঁম নমো বিষ্ণুদেৱায় নমঃ -----

**(সূত্ৰ ঃ ভক্তিৰ মন্ত্ৰত কলি , পাপ আৰু অধৰ্ম স্থবিৰ জড় মূৰ্তিৰ দৰে হয় -- )**

ভক্তি ঃ বাচাহঁত , শ্ৰীহৰিৰ কৃপাত ইহঁত হৈছে জড় । এই সুযোগতে এই স্থান আমি কৰোঁ ত্যাগ --

বৈৰাগ্য ঃ ব'লক মাতৃ ----

**সূত্ৰ ঃ ভক্তি , জ্ঞান আৰু বৈৰাগ্যৰ প্ৰস্থান । কলিসহ অনুচৰগণে চেতন পাই---**

কলি ঃ আঃ ক'ত গ'ল ? ক'ত গ'ল ভক্তি আৰু তাইৰ পুত্ৰদ্বয় ? বুজিলো, ভক্তিৰ এতিয়াও আছে শক্তি ; দিব পাৰে মনুষ্যক মোক্ষ প্ৰাপ্তি । পাপ, অধৰ্ম -- হোৱা নাই আমি লক্ষ্যত উপনীত । বহু কাৰ্য আছে আমাৰ কৰিবলৈ সাধন । যোৱা তোমালোক , বাচি লোৱাগৈ কোনো লুব্ধ , স্বাৰ্থপৰ মনুষ্যক ; বিস্তাৰ কৰা অন্যায়, অনীতি, অনাচাৰ সমগ্ৰ মৰতত --

অধৰ্ম ঃ চিন্তা নকৰিব যুগপতি, মনুষ্যই নাপাব নিস্তাৰ ; সাৱধান মনুষ্য , নিষ্ঠুৰ হৈছে আজি যুগপতি , নিষ্ঠুৰ হৈছে আজি পাপ আৰু অধৰ্ম -- ব'লা পাপ, কৰ্তব্যত হওঁ অগ্ৰসৰ --

**সূত্ৰ ঃপ্ৰথমে পাপ - অধৰ্মৰ ; পাছত কলিৰ প্ৰস্থান । আনফালে আনন্দিত মনে আত্মদেৱ -**

আত্ম ঃ ধন্য ধন্য প্ৰভু, বিশ্বাস আছিল মোৰ তোমাৰ ওপৰত। ভক্তক তুমি নকৰা নিৰাশ আৰু সেয়ে তোমাৰ কৃপা লভিলো মই । অৱশেষত প্ৰদান কৰিলা মোক পিতৃত্বৰ গৌৰৱ । হে করুণাময়, তোমাক যাঁচিলো মই অজস্ৰ প্ৰণাম ----

**সূত্ৰ ঃ কোলাত কেঁচুৱা লৈ ধুন্ধুলী সোমাই আহে ; দেখি আত্মদেৱে যি কয় --**

আত্ম ঃ অ প্ৰিয়ে , তুমি কিয় কষ্ট কৰিছা ? আমাৰ সন্তানৰ জন্মৰ আজি দহোটা দিনেই হোৱা নাই পূৰ । এই সময়ত তুমি বাচাৰ লগতে নিজৰ স্বাস্থ্যৰ প্ৰতিও ৰাখিবা যতন ।

ধুন্ধুলী ঃ মোৰ বাবে চিন্তা নকৰিব নাথ , অত কষ্টৰ মূৰত লভিলো আমি এই বাচাক । পাছে নাথ , পুত্ৰক বাচা বুলিয়ে কৰিব নেকি সম্বোধন --- ?

আত্ম ঃ অ হয়তো আমাৰ পুত্ৰৰ দিব লাগিছিল এক উত্তম নাম । আত্মহাৰা হৈ মইতো ভবাই নাই, তুমি ৰাখিছা নেকি কিবা নাম ?

ধুন্ধুলী ঃ মই কিয় দিম নাম ?---অৰ্থাৎ, আপোনাৰ ভক্তিৰ বলতহে লভিলো মই এই অমূল্য ৰতন । সেয়ে আপুনিয়ে দিয়ক পুত্ৰৰ বাবে এটি নাম ------ ।

আত্ম ঃ নহয় নহয় প্ৰিয়ে , তুমি ভুল কৰিছা , অতদিন গৰ্ভত তুমি নিৰাপদে ৰাখিলা মোৰ পুত্ৰক । কৃতজ্ঞ মই তোমাৰ ওচৰত । সেয়ে ললো সিদ্ধান্ত তোমাৰ নামেৰেই পৰিচয় লভিব আমাৰ সন্তানে । ধুন্ধুলী নাম তোমাৰ , গতিকে আমাৰ পুত্ৰৰ ৰাখিলো নাম --- ধুন্ধুকাৰী ---।

ধুন্ধুলী ঃ ধুন্ধুকাৰী ---আ-হাহা , অতি সুন্দৰ নাম ৰাখিলে মোৰ পুত্ৰৰ । পাছে স্বামী, হৈছে এক চিন্তা মোৰ পুত্ৰ ধুন্ধুকাৰীৰ বাবে ---।

আত্ম ঃ কিয় , কি হৈছে মোৰ বাচাৰ --- ?

ধুন্ধুলী ঃ বিশেষ চিন্তাজনক নহয় নাথ ; নাজানো কিয় মোৰ দুগ্ধ গৈছে কমি ?

আত্ম ঃ তোমাৰ দুগ্ধ গৈছে কমি ? এয়াতো মোৰ পুত্ৰৰ বাবে গভীৰ চিন্তাৰ বিষয় । দুগ্ধ অবিহনে এই সদ্যোজাত শিশুৰ কি হ'ব অৱস্থা ? অমৃততুল্য মাতৃ দুগ্ধৰপৰা মোৰ পুত্ৰ হব বঞ্চিত ?

ধুন্ধুলী ঃ চিন্তিত নহব নাথ ; আছে এক উপায় , যদি আপুনি দিয়ে অনুমতি পুত্ৰৰ বাবে মই মাতৃসম দুগ্ধৰ কৰিব পাৰোঁ যোগাৰ -----।

আত্ম ঃ মোৰ অনুমতিৰ কিয় প্ৰয়োজন প্ৰিয়ে ? কোৱা , কি উপায় আছে তোমাৰ হাতত --- ?

ধুন্ধুলী ঃ নাথ , পাইছো খবৰ , মোৰ সহোদৰা ভগ্নীৰো এটি সন্তান হৈছিল প্ৰসৱ । কিন্তু , -- নিয়তিৰ কি পৰিহাস , জন্ম হৈয়ে ভগ্নীৰ সন্তানৰ হ'ল মৃত্যু ।

আত্ম ঃ হে প্ৰভু , হে প্ৰভূ কি শুনিছো মই এয়া -- ? কিয় তুমি দিছা ইমান দাৰুণ বেদনা ?

ধুন্ধুলী ঃ নাথ, যদি আপুনি দিয়ে অনুমতি মোৰ ভগ্নীকে আমাৰ গৃহলৈ আনি বাচা ধুন্ধুকাৰীৰ লালন পালনৰ দিঁও দায়িত্ব ---।

আত্ম ঃ ইয়াতকৈ আৰু কি শুভ সিদ্ধান্ত হব পাৰে ? কমিব তেওঁৰ পুত্ৰশোকৰ বেজাৰ আৰু আমাৰ পুত্ৰৰো হব মঙ্গল। তুমি শীঘ্ৰেই ভনীয়েৰাক ইয়ালৈ দিয়া নিমন্ত্ৰণ। মই যাঁও বাচাৰ বাবে কিছু নৰ বস্ত্ৰৰ কৰোঁগৈ যোগাৰ । শুনা , তুমি আজিয়েই ভনীয়েৰাক দিয়া নিমন্ত্ৰণ -- **( প্ৰস্থান )**

ধুন্ধুলী ঃ হ’ব নাথ ; -- হাঃ হাঃ কাৰ্য মোৰ হ’ল সাধন । বিনা গৰ্ভ ধাৰণেৰে , বিনা কষ্টেৰে মোৰ এই সুন্দৰ দেহাক অক্ষত ৰাখি ভগ্নী পুত্ৰক আনি মই লভিলো মাতৃত্ব । যদিওবা হানি হৈছে কিছু অৰ্থ, হওক হানি , তাৰবাবে মই নকৰোঁ চিন্তা ; মোৰ অজ্ঞ স্বামীয়ে ভীক্ষা মাগি পূৰাব সেই ঘাটি । নুবুজে নাৰীৰ মহিমা স্বৰ্গৰ দেৱতায়ো, সত্য প্ৰমাণিত হৈছে আজি মোৰ পণ্ডিত স্বামীৰ ক্ষেত্ৰতে হাঃ হাঃ -- যাঁও এতিয়া পুত্ৰৰ দৰে ভগ্নীকো অনাৰ কৰোঁগৈ ব্যৱস্থা ----

**সূত্ৰ ঃ ধুন্ধুলীৰ প্ৰস্থান । আনফালে কলি ----**

কলি ঃ কলিৰ মহত্ব আজি বিকশিত, কলিৰ প্ৰভাৱ আজি জগতত বিস্তাৰিত । চোৰা নাৰায়ণ, মৰতত অৱতৰি যেনেদৰে তুমি কৰিছিলা লীলা , আজি যুগপতি এই কলিয়েও জগতত ৰচিছে লীলা -- হাঃ হাঃ পাছে আছে ইয়াত অনেক প্ৰভেদ ; তুমি আছিলা সন্তৰ ৰক্ষক আৰু মই হ’লো আজি দুষ্টৰ সংৰক্ষক ; তুমি আছিলা ধৰ্মৰ পূজাৰী আৰু মই হ’লো অন্যায় -অনাচাৰৰ তপস্বী হাঃহাঃ। মৰতত ধৰ্মৰ বীজ সিঁচি যি বৃক্ষ ৰুইছিলা সেই বৃক্ষক এই কলিয়ে দুহাতেৰে উঘালি অধৰ্মৰ বীজ দিলে চটিয়াই; অচিৰেই সমস্ত জগতত অন্যায় অধৰ্মই ধৰিব ছানি হাঃহাঃ-

**সূত্ৰ ঃ এনেতে গীত গাই নাৰদ আহে -----**

কলি ঃ আহক , আহক দেৱৰ্ষী , মৰতত আপোনাক জনাইছো স্বাগতম ----

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; যুগপতিক আজি বৰ উৎফুল্লিত যেন লাগিছে -----

কলি ঃ হাঃ হাঃ দেৱৰ্ষী , যেতিয়া পূৰণ হয় আকাংক্ষিত উদ্দেশ্য , আত্মাৰ লগতে মনো হয় প্ৰফুল্লিত আৰু তাৰ প্ৰতিফলন ঘটে মুখমণ্ডলতো ----।

নাৰদ ঃ নাৰায়ণ , নাৰয়ণ ,---যুগপতিৰ কথনৰ তাৎপৰ্য বুজিলো মই । আকাংক্ষিত উদ্দেশ্য আপোনাৰ পূৰ্ণ হৈছে যেতিয়া মৰতত আপোনাৰ প্ৰভাৱ ইমানতে ৰাখিব সীমাবদ্ধ ----।

কলি ঃ হাঃহাঃ দেৱৰ্ষী, পূৰ্বেও নিচিনিলে, এতিয়াও নুবুজিলে আপুনি মোৰ চৰিত্ৰ । কলিৰ আকাংক্ষা কি ইমান ক্ষুদ্ৰ হব পাৰে ? শুনক দেৱৰ্ষী, এয়া মাথো আৰম্ভণী ; সমস্ত জগতত অন্যায়, অধৰ্ম, অনাচাৰ, ব্যভিচাৰ বিস্তাৰ নকৰালৈকে ক্ষান্ত নাথাকে এই যুগপতি কলি হাঃ হাঃ ----

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ; হে দেৱ , আমাৰ প্ৰভূ শ্ৰীহৰিয়ে নৰৰূপে অৱতৰি জগতত প্ৰতিষ্ঠা কৰি থৈ গৈছে ধৰ্ম । তাক আপুনি বিনষ্ট কৰি নকৰিব অনৰ্থ ---

কলি ঃ দেৱৰ্ষী, আপোনাৰ চিন্তন সদায় আমাৰ বৈপৰীত । ধৰ্ম মোৰ চিৰ শত্ৰু ; মোৰ প্ৰভাৱত ধৰ্ম হ’ব বিনষ্ট ; ব্ৰহ্মবধ, গোবধ, বেশ্যাগমন সকলো হ’ব সুলভ মৰতত এই কলিৰ প্ৰভাৱত --

নাৰদ ঃ নাৰায়ণ, নাৰয়ণ ; হে প্ৰভূ , ৰক্ষা কৰিবা তুমি তোমাৰ ভক্ত আৰু তপস্বীগণক ----

কলি ঃ তপস্বী -- হাঃ হাঃ দেৱৰ্ষী, মোৰ প্ৰভাৱত মৰতৰ তপস্বী হ’ব ভোগী । পাহৰি শাস্ত্ৰজ্ঞান জ্ঞানী হ’ব অজ্ঞানী ; কামাতুৰ মনুষ্যই নিবিচাৰি জাতি-কুল কৰিব ব্যভিচাৰ । দিক্ বিদিক্ হেৰুৱাই অধম মনুষ্যই কৰিব যি কৰ্ম সিও হ’ব অধৰ্ম হাঃ হাঃ ---

নাৰদ ঃ নাই নাই দেৱ, আৰু নকৰিব বৰ্ণনা আপোনাৰ মহিমা ; এই নিঃকিন নাৰদে নোৱাৰে সহিব । মই এতিয়া বিদায়হে মাগিছো । পাছে কৈ যাঁও মোৰ প্ৰভূ ভকতবৎসল , ভক্তৰ মুক্তিৰ ব্যৱস্থা কিবাদৰে কৰি থৈ গৈছে মৰতত । নাৰায়ণ , নাৰায়ণ --- ( **প্ৰস্থান** )

কলি ঃ দেৱৰ্ষী , ভক্তৰ মুক্তিৰ ব্যৱস্থা হাঃ হাঃ -- যাওক, যাওক টুটকীয়া দেৱৰ্ষী , কলিৰ মহিমা দেখি ঈৰ্ষাত জ্বলিছে আপুনি । ভক্তৰ মুক্তিৰ ব্যৱস্থা আছে বুলি লভিছে মিথ্যা সান্ত্বনা -- হাঃ হাঃ ময়ো যুগপতি , চাম বাৰু কেনেদৰে মনুষ্যই পাই মোক্ষ প্ৰাপ্তি ---

**সূত্ৰ ঃ কলিৰ প্ৰস্থান । সভাত ধেনু আহি হেম্বেলিয়াব ধৰে । বেগেৰে আত্মদেৱ আহে --**

আত্ম ঃ অ অ আজি দেখোন ধেনুজনীয়ে বৰকৈ চিঞৰিছে । দয়িতা, দয়িতা -- শুনিছানে -----

**সূত্ৰ ঃ খঙেৰে ধুন্ধুলী সোমাই আহে ----**

ধুন্ধুলী ঃ শান্তি নাই , শান্তি নাই মোৰ । কিয় , কিয় ইমানকৈ চিঞৰত গগণ ফালিছে ?

আত্ম ঃ আঃ প্ৰিয়ে , তুমি জানো শুনা নাই আজি আমাৰ ধেনুজনীয়ে বৰকৈ মাতিছে । গৰ্ভিনী এই , নিশ্চয় আৰম্ভ হৈছে প্ৰসৱ বেদনা । মনুষ্যৰ দৰেই জীৱ -জন্তুয়েও পায় প্ৰসৱ যান্ত্ৰনা । নাৰী তুমি , জানাই নহয় কি কৰিব লাগে এই ক্ষণত ?

ধুন্ধুলী ঃ মই -- মই ---

**সূত্র ঃ ধেনুয়ে বেছিকৈ হেম্বেলিয়াব ধৰে ---**

আত্ম ঃ অ বাৰ্তালাপৰ সময় নহয় এয়া, ধেনুৱে বৰকৈ চিঞৰিছে । আঁহা প্ৰিয়ে, ধেনুৰ লওঁগৈ যতন।

**সূত্র ঃ ধেনুক লৈ আত্মদেৱৰ প্ৰস্থান ----**

ধুন্ধুলী ঃ শান্তি নাই, শান্তি নাই এফালে কেঁচুৱাৰ কান্দোন , আনফালে ধেনুৰ চিঞৰ --( **প্ৰস্থান** )

**সূত্র ঃ ধুন্ধুলীৰ প্ৰস্থান। আনফালে কোলাত কেঁচুৱা লৈ আত্মদেৱ -----**

আত্ম ঃ হে প্ৰভু , কি আচৰিত , ধেনুৱে প্ৰসৱিলে এয়া কি ? ই জানো সম্ভৱ ? বুজিছো , চলিছে ঘোৰ কলি কাল, সেয়ে ধেনুৱে প্ৰসৱ কৰিলে সাইলাখ মনুষ্যৰ দৰে শিশু ।

**সূত্র ঃ এনেতে ধুন্ধুলী আহে --------------------**

ধুন্ধুলী ঃ(স্বগতঃ) আচৰিত, দেখা নাই আগে এনে অদ্ভুত কাণ্ড। এয়া বাৰু সন্ন্যাসীপ্ৰদত্ত ফলৰ প্ৰভাৱ নেকি ?

আত্ম ঃ অ প্ৰিয়ে ; চোৱাচোন প্ৰিয়ে এই শিশুক কেনে মনোহৰ ; লোৱা প্ৰিয়ে, তুমি ইয়াক লোৱা কোলাত । ভগৱন্তৰ দান বুলি এই শিশুক আমি কৰিম গ্ৰহণ ; আজিৰ পৰা আমিয়েই ইয়াৰ মাতা - পিতা ।

ধুন্ধুলী ঃ দি-য়ক নাথ , ( চিৎকাৰ কৰে ) নাথ , এয়া কি বিচিত্ৰ ৰূপ । মই শংকিত হৈছো নাথ--

আত্ম ঃ কিয় হৈছা শংকিত , কি বিচিত্ৰ ৰূপ দেখিলা এই শিশুৰ ; কেৱল কান দুখনহে ইয়াৰ গো মাতাৰ কৰ্ণৰ দৰে । তুমি ইয়াক অৱজ্ঞা নকৰিবা , ভগৱন্ত আমাৰ প্ৰতি হৈছে সদয় -; সন্তানৰ বাবে আমি হৈছিলো কাতৰ আৰু আজি আমাৰ ধেনুৱেও দিলে আমাক মনুষ্যৰূপী শিশু ---

ধুন্ধুলী ঃ তথাপি আপুনিয়ে লওকচোন এই বালকক । মোৰ মূৰতো কিবা আচন্দ্ৰাই কৰিছে । স্বামী , স্বামী -- বসুমতী যেন ঘূৰিব লাগিছে , মাথো অন্ধকাৰ ---

আত্ম ঃ প্ৰিয়ে, প্ৰিয়ে --দিয়া প্ৰিয়ে, ময়ে লওঁ শিশুক কোলাত -( কোলাত লয় ) তুমি ইয়াতে খন্তেক বিশ্ৰাম কৰা , নকৰিবা চিন্তা প্ৰিয়ে তুমি হ'বা সুস্থ ; ময়ে শিশুৰ লওঁগৈ যতন -- ( **প্ৰস্থান** )

ধুন্ধুলী ঃ ধেনুয়ে প্ৰসৱিলে সাইলাখ মনুষ্যৰ সন্তান । বুজিলো , মোৰ কাৰ্যৰ বাবেই ধেনুৰ গৰ্ভত এই শিশুৰ হৈছে জনম । মই বাৰু কিবা পাপ কৰিলো নেকি ? হে গোমাতা, মোৰ দোষ ক্ষমা কৰিবা । কিন্তু এই ৰহস্য যদি মোৰ স্বামীয়ে কৰে উদঘাটন ; তেতিয়া নিশ্চয় স্বামীয়ে তেজিব মোক । কি কৰোঁ , কি কৰোঁ মই ? নাই নাই এই শিশুক মই অৱজ্ঞা কৰিব নোৱাৰোঁ , ইয়াকো পুত্ৰৰূপে মই লম আঁকোৱালি যাতে স্বামীয়ে মোক নকৰে সন্দেহ । নাথ, নাথ ---

**সূত্র ঃ ধুন্ধুলীৰ প্ৰস্থান । সভাত শ্ৰীবিষ্ণু ----**

বিষ্ণু ঃ তীব্ৰ গতিত বাঢ়িব ধৰিছে জগতত কলিৰ প্ৰভাৱ । তাৰ প্ৰমাণ আজি ধুন্ধুলী । পণ্ডিত আত্মদেৱো আজি কলিৰ গৰাহত , পুত্ৰ মোহত মোহান্ধ আজি --হাঃ হাঃ যি নহওক , ঘটাতো ঘটিবই। এয়া বিধিৰ লিখন ; এয়াই কলি যুগ । অৱশ্যে তাৰ মাজতো মৰতত জন্মিছে আমাৰ পৰম ভক্ত । চোৱা জগতবাসী, ধেনুৰ গৰ্ভে জনম লভা গোকৰ্ণক । শয়নে -দিঠকে আজি তেওঁ আমাকেই কৰিছে ধ্যান। তুমি মহান গোকৰ্ণ, জগতত খ্যাতি ৰাখিবা তুমি । আনহাতে মনুষ্য গৰ্ভে জনম লভা ধুন্ধুকাৰী -- হাঃ হাঃ আমিনো কিয় কৰোঁ তাৰ চৰিত্ৰ বৰ্ণন ? জগতবাসীয়ে স্বয়ং প্ৰত্যক্ষ কৰিব ধুন্ধুকাৰীৰ চৰিত্ৰ । যাঁও আমি নিজ কৰ্তব্যত ----

**সূত্র ঃ শ্ৰীবিষ্ণুৰ প্ৰস্থান। সভাত শিশু গোকৰ্ণ আৰু ধুন্ধুকাৰীৰ প্ৰৱেশ ----**

**গীত - ( ৰাগ ঃ---- ; তাল ঃ-----)**

**চলি আহে দুয়ো ভাতৃ দেখিতে সুৰেশ ।**
**জ্যেষ্ঠ ভাতৃ ধুন্ধুকাৰী গোকৰ্ণ কণিষ্ঠ ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

গোকৰ্ণ ঃ চোৱা দাদা, ইয়াতেই আছে অজস্ৰ পুষ্প। আঁহা, এই পুষ্পকে লৈ যাঁও আমি পিতাৰ বাবে।

ধুন্ধুকাৰী ঃ ভাই গোকৰ্ণ, তুমিয়েই লোৱা পুষ্প । পুষ্প যোগাৰত মোৰ নাই আনন্দ ।

গোকৰ্ণ ঃ কি কোৰা দাদা ? এই পুষ্প নিম আমি শ্ৰীহৰিক আৰাধনাৰ হেতু । নাপায় দাদা , নাপায় ইয়াক এনেদৰে অনাদৰ কৰিব ।

ধুন্ধুকাৰী ঃ ভাই , পুৰুষ হৈ জন্মিছা যেতিয়া পুৰুষৰ দৰে কৰিবা কাৰ্য । পুষ্প ছিঙাটো নহয় আমাৰ দৰে বালকৰ কাৰ্য ।

গোকৰ্ণ ঃ দাদা --; দাদা, ব্ৰাহ্মণ কুলত জনম আমাৰ ; পূজা - পাঠ, তপ-জপ জানো নহয় আমাৰ কাৰ্য ? তেনেস্থলত নিজ কৰ্তব্যক কিয় কৰা অবজ্ঞা ?

ধুন্ধুকাৰী ঃ আঃ ভাতৃ , কৰ্তব্যৰ জ্ঞান নিদিবা মোক । এই ধুন্ধুকাৰীয়ে যি কৰ্মত নাপায় আনন্দ, কদাপি নকৰে তেনে কাৰ্য । চোৰা, সৌৱা চোৰা বিৰিষৰ ডালত আছে পক্ষীৰ বাহ ; শুনা , শুনা ভাঁহি আহিছে পক্ষীৰ পোৱালীৰ মাত । ব'লা ভাই , ধৰি আনি লৈ যাঁও গৃহে তাক ---

গোকৰ্ণ ঃ ছিঃ ছিঃ দাদা , এনে কাৰ্য কদাপি নকৰিবা । পক্ষীৰ পোৱালীক যদি তুমি লৈ যোৱা ধৰি সিহঁতৰ মাতা- পিতাই জানো নকৰিব ক্ৰন্দন ? ভাবাচোন দাদা , আমাকো যদি কোনো দুৰ্বৃত্তই কৰে হৰণ কি দশা হ'ব আমাৰ মাতা - পিতাৰ ?

ধুন্ধুকাৰী ঃ ইমান ভাবিব নোৱাৰোঁ মই । মনে মোৰ যি কয় ; হৃদয়ে য'ত লভে আনন্দ তেনে কাৰ্যকেই মই কৰিম সাধন । তুমি পুষ্প ছিঙা ভাই , মই যাঁও পক্ষীৰ সন্ধানত -- ( **প্ৰস্থান** )

গোকৰ্ণ ঃ দাদা, দাদা -- উসঃ কি কৰোঁ মই ? দুপাহমান পুষ্প ছিঙি লৈ যাঁও দাদাক গৃহলৈ ঘূৰাই - দাদা , দাদা, পুষ্পৰ যোগাৰ হ'ল । আঁহা , ঘূৰি আঁহা -- দাদা , দাদা ---

**<u>সূত্ৰ ঃ গোকৰ্ণৰ প্ৰস্থান । সভাত আত্মদেৱ ---</u>**

আত্ম ঃ বহু পলম কৰিছে আজি পুত্ৰদ্বয়ে পুষ্প অনাত । শ্ৰীহৰিক আৰাধনাৰ ক্ষণ যাবই এতিয়া । কি কৰোঁ ? কিবা বিপদ হোৱা নাইতো সিহঁতৰ ? হে প্ৰভূ সিহঁতক কৰিবা সহায় -----

**<u>সূত্ৰ ঃ এনেতে সভাত প্ৰথমে গোকৰ্ণ আৰু পাছত ধুন্ধুকাৰী আহে ---</u>**

গোকৰ্ণ ঃ প্ৰণাম পিতা, ক্ষমা কৰিব, আজি পুষ্প যোগাৰ কৰোঁতে আমাৰ বহু পলম হ'ল। লওক পিতা-

আত্ম ঃ দিয়া গোকৰ্ণ , পাছে ধুন্ধুকাৰী , তুমি আহিলা যে খালী হাতে ? তোমাৰ পুষ্প ক'ত ?

ধুন্ধু ঃ পুষ্প --- পুষ্প --- মানে পিতা ---

গোকৰ্ণ ঃ পিতা , আজি আমি দুয়োজনে একেটা পাত্ৰতে পুষ্প গোটালো ।

ধুন্ধু ঃ হয় পিতা , ময়ো তাকে ক'ব খুজিছিলো ----

আত্ম ঃ বাৰু হ'ব , হ'ব ; আঁহা এতিয়া সৱে মিলি আমি শ্ৰীহৰিক আৰাধনা কৰোঁগৈ ---

**<u>(সূত্ৰ ঃ ধুন্ধুকাৰী ৰৈ থাকে --- )</u>**

আত্ম ঃ কিয় বাচা ধুন্ধু , তুমি নাহা কিয় ?

ধুন্ধু ঃ পিতা, আপোনালোকেই হৰিক কৰক পূজা । এনেয়ো মই ইয়াত নাপাঁও আনন্দ ।

আত্ম ঃ বাচা , এয়া কি কৈছ তই ? শ্ৰীহৰিৰ আৰাধনাত তই নাপাৰ আনন্দ । ব্ৰাহ্মণ কুলত জনম লভি তোৰ মুখত এনে অশুভ বচন ?

ধুন্ধু ঃ মোৰ মনৰ কথা মই কৰিলো ব্যক্ত ; তাত তুমি পিতা কিয় কৰিছা ক্ৰোধ ? জোৰ কৰি অন্তৰত নাহে ভকতি ; সেই কথা জানো নাজানা তুমি ?

আত্ম ঃ হে হৰি, এয়া কি শুনিছো মই ? মোৰ পুত্ৰ আজি তোমাৰ বিৰোধী ? নাই নাই বাচা শ্ৰীহৰিক

নকৰিবা নিন্দা ; তেঁৰে আমাৰ ভাগ্যনিয়ন্তা । সন্তুষ্ট হ'লে তেওঁ হ'বা সুখী, লভিবা মুকুতি ।

ধুন্ধু ঃ হৰিক ভজি পিতা তুমিয়ে হোৱা সুখী, লভা মুকুতি । যাঁও মই নিজ কাৰ্যত -- ( **প্ৰস্থান** )

আত্ম ঃ বাচা, বাচা -- বুজিলো এক অধম পুত্ৰৰ হ'লো পিতৃ ---- (কান্দে)

গোকৰ্ণ ঃ নাকান্দিবা পিতা ; আছো মই তোমাৰ কাষত । পাছে পিতা, কিয় বুলিলা দাদাক অধম পুত্ৰ বুলি ? ক'বানে পিতা কাক কয় অধম পুত্ৰ ?

আত্ম ঃ ইচ্ছা কৰিছা যেতিয়া শুনা গোকৰ্ণ -- তিনি প্ৰকাৰে আছে পুত্ৰৰ পৰিচয় ; পিতৃৰ বাক্য সততে মানি, শ্ৰদ্ধা - ভকতি ৰখা পুত্ৰক বোলে উত্তম পুত্ৰ । যি পুত্ৰৰ কৰ্তব্য পালনত পিতৃৰ সকীয়নিৰ বাৰে বাৰে হয় প্ৰয়োজন তাকে বোলে মধ্যম পুত্ৰ আৰু যি পুত্ৰই পিতৃ বাক্য কৰি উলংঘন উচ্ছৃংখল জীৱন কৰে যাপন সিয়ে হৈছে অধম পুত্ৰ । মোৰেই দুৰ্ভাগ্য পুত্ৰ মোৰ ধুন্ধুকাৰীৰ দেহত দেখো আজি সেই লক্ষণ ---

গোকৰ্ণ ঃ দাদাৰ বাবে নাকান্দিবা পিতা ; চাবা মই হম তোমাৰ উত্তম পুত্ৰ ---

আত্ম ঃ বাচা গোকৰ্ণ --ভাগ্যবলে লভিলো মই তোক --( সাৰটি কান্দে )

গোকৰ্ণ ঃ ব'লা পিতা, তোমাৰ লগত মই শ্ৰীহৰিক কৰিম আৰাধনা -- আঁহা পিতা, আঁহা --

**গীত**

**দেখা দেখা নৰলোক ঈশ্বৰৰ লীলা ।**
**কিনো ভাবি কিনো পালা সৰে আজি মিছা ।।**

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত দুজন ঋষিৰ প্ৰৱেশ -------**

**গীত - ( ৰাগ ঃ আশোৱাৰী ; তাল ঃ একতাল )**

**আৱত সভাৰ মাজে ঋষি মুনিগণ ।**
**পৰম বিদগ্ধ সবে গুণী জ্ঞানী জন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ডাকি বোলা সভাসদ নৰ ।।**

ঋষি-১ ঃ প্ৰভু, -- গুচায়োক মায়া স্বামী তোমাৰ চৰণে আমি ভজিলোহো জয় জয় বুলি --- ঋষিৱৰ , আপোনাক দেখো আজি চিন্তিত , উদাস ভাৱত । কিয় ঋষিৱৰ ---- ?

ঋষি-২ ঃ আপুনি সঠিক অনুমান কৰিছে ঋষিৱৰ । সঁচাই মোৰ মন অশান্ত ; নাজানো ইয়াৰ কাৰণ । কৰিছো তপ, লভিছো জ্ঞান, তথাপি মনত মোৰ নাই শান্তি । অজান আশংকাত শংকিত মই ।

ঋষি-১ ঃ চিন্তা নকৰিব ঋষিৱৰ ; এয়া আপোনাৰ মনৰ দুৰ্বলতা । সাধুৰ সঙ্গে শাস্ত্ৰৰ আলাপেৰে আপোনাৰ মনলৈ নিশ্চয় আনিব শান্তি ।

ঋষি-২ ঃ আপোনাৰ কথা সত্য ; সজ্জনৰ সঙ্গেহে দিব আমাক মুকুতিৰ সন্ধান । তেন্তে ব'লক ঋষিৱৰ কোনো পুণ্যস্থানে বহি আমি শাস্ত্ৰৰ তত্ত্ব কৰোঁগৈ আলাপ ।

**সূত্ৰ ঃ ঋষিদ্বয়ৰ প্ৰস্থান । সভাত ধূপ - দীপ লৈ যুৱক গোকৰ্ণ ---**

**গীত**

**ধূপ দীপ লৈয়া আহে গোকৰ্ণ সজ্জন ।**
**দিবা - ৰাত্ৰি থাকে ইটো হৰিত মগন ।।**
**দেখা দেখা সৰ্বজন হুয়া এক মন ।**
**ৰাম হৰি বোলা সবে সভাসদ গণ ।।**

গোকৰ্ণ ঃ প্ৰভূ , প্ৰভূ --------------- (স্তুতি )

নমো নমো নাৰায়ণ অগতিৰ গতি ।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণতি ।।
কি দিয়া পুঁজিম প্ৰভু তোমাৰ চৰণ।
নিজ গুণে তুষ্ট হৈবা তুমি নাৰায়ণ ।।

-- প্ৰভূ , পূণ্যবলে জীৱই লভে মনুষ্য জনম ; আমিও লভিলো ; পাছে নুবুজিলো কিয় পালো এই বিচিত্ৰ ৰূপ ? তাৰবাবে প্ৰভূ নাই আমাৰ কোনো আক্ষেপ ; মাথো তুমি কৰিবা কৃপা । যাঁও মই এতিয়া পিতাৰ সমীপে।

**সূত্ৰ ঃ গোকৰ্ণৰ প্ৰস্থান । সভাত যুৱক ধুন্ধুকাৰী --- ( বাজনা - ভঙ্গী )**

ধুন্ধুকাৰী ঃ ওঁম --ওঁম --আঃ কিয় মই জনম লভিলো ব্ৰাহ্মণ কুলত ? নোৱাৰোঁ কৰিব মই অৰ্চন -বন্দন ; নোৱাৰোঁ কৰিব মই হৰিৰ কীৰ্তন । নোৱাৰো পিতাৰ দৰে তপ - যজ্ঞ কৰিব , নোৱাৰো পিতাৰ দৰে সদাচাৰ পালিব । নালাগে মোক শাস্ত্ৰ জ্ঞান , নিবিচাৰোঁ সত্য , নালাগে দয়া আৰু নিদিওঁ দান । ব্ৰাহ্মণত্বক আজিয়ে মই কৰিম পৰিত্যাগ হাঃ হাঃ --

**সূত্ৰ ঃ এনেতে পাপ আৰু অধৰ্ম----**

পাপ ঃ হাঃ হাঃ উত্তম , অতি উত্তম কাৰ্য কৰিলা তুমি , কি আছে আচাৰ - বিচাৰ আৰু সদাচাৰত ?
ধুন্ধুকাৰী ঃ কোন তহঁত ? কিয় মোৰ অসহায়তাক কৰিছ তোষামোদ ---- ?
অধৰ্ম ঃ তোমাৰ অসহায়তাক তোষামোদ কৰা নাই সখা ---।
ধুন্ধুকাৰী ঃ সখা ------ ? ?
অধৰ্ম ঃ অ সখা ; অসহায়জনক আমি লওঁ আকোঁৱালি, কৰোঁ সহায় । যদি তুমি আমাক লোৱা আঁকোৱালি , তোমাকো আমি সহায় কৰিম সৰ্বচ্ছ উজাৰি ------
ধুন্ধুকাৰী ঃ মিছা, মিছা ; নোৱাৰা তোমালোকে মোক সহায় কৰিব, নোৱাৰা তোমালোকে মোৰ অভাৱ পূৰাব।
পাপ ঃ কি লাগে তোমাক ? ধন , ৰত্ন , মদিৰা নে সুন্দৰী ৰমণী -- ? একোৰেই অভাৱ নাই আমাৰ , মাথো লোৱা তুমি আমাক আঁকোৱালি ।
ধুন্ধুকাৰী ঃ মদিৰা , সুন্দৰী ৰমণী , সকলো দিব পাৰা তোমালোকে ? কিন্তু , এইবোৰতো পাপৰ সাধন ---
পাপ ঃ পাপৰ সাধন ? হাঃ হাঃ তুমি ভুল কৰিছা যুৱক , এয়া হৈছে পাপৰ অলংকাৰ, অ পাপৰেই ভূষণ -- যাক পৰিধান কৰিলে তুমি পাবা পাপৰ আশীৰ্বাদ ।
ধুন্ধুকাৰী ঃ ব্ৰাহ্মণৰ তনয় হৈ মই এনে কাৰ্য -- ? নাই নাই এয়া নহয় ধৰ্ম ----
অধৰ্ম ঃ আঃ ধৰ্ম , ধৰ্ম --- । কি পাইছে তোমাৰ পিতৃয়ে ধৰ্মক আদৰি ? গৃহে গৃহে ভীক্ষা বিচাৰি খাইছে হাবাথুৰি । পাৰিবা জানো তুমি ভীক্ষা মাগিব ? নোৱাৰা, তুমি নোৱাৰা ধুন্ধুকাৰী ; লোৱা তুমি অধৰ্মক আদৰি । অধৰ্মতে আছে সুধা যৌৱনৰ, অধৰ্মতে আছে অনিন্দ্য সুখ জীৱনৰ --
ধুন্ধুকাৰী ঃ নাই নাই তোমালোকে মোক দিছা মিছা প্ৰলোভন ।
পাপ ঃ হাঃ হাঃ চোৱা ধুন্ধুকাৰী এয়া ধনৰ টোপোলা -- স্বৰ্ণ মুদ্ৰা ; মিছা প্ৰলোভন নিদিয়ে এই পাপে-
ধুন্ধুকাৰী ঃ পাপ ---- ? ?
পাপ ঃ অ ময়ে পাপ, আৰু এওঁ অধৰ্ম, আমাক তুমি লোৱা আঁকোৱালি ; ধন্য হ'ব তোমাৰ জীৱন --
ধুন্ধুকাৰী ঃ মোক ক্ষমিবা পাপ, তোমাক কৰিছিলো অৱজ্ঞা । লম মই আজিৰ পৰা তোমাক আঁকোৱালি --
পাপ ঃ উত্তম , তেন্তে আঁহা পাপক তুমি লোৱাহি আঁকোৱালি -( আঁকোৱালি লয় )-- হাঃ হাঃ ধুন্ধুকাৰী, ধন্য হ'লা তুমি, দেহৰ শিৰাই শিৰাই তোমাৰ আজি প্ৰবাহিত হ'ব পাপৰ অনুভূতি ।
ধুন্ধুকাৰী ঃ অ সখা, জাগিছে দেহত কিবা অবুজ শিহৰণ । জাগিছে প্ৰাণত কিবা দুৰ্বাৰ আশা যেন কৰি যাঁও পাপ কিবা তোমাৰ কৃপাত --
পাপ ঃ কৰিবা, নিশ্চয় কৰিবা ; প্ৰথমে লোৱা তুমি এই বিভুতি ।
ধুন্ধুকাৰী ঃ দিয়া , দিয়া সখা , দিয়া মোক হাঃ হাঃ -----
অধৰ্ম ঃ ধুন্ধুকাৰী, আঁহা অধৰ্মক লোৱা আঁকোৱালি -- ( ধুন্ধুকাৰীয়ে আঁকোৱালি লয় ) -- হাঃ হাঃ সখা ,

আজিৰ পৰা অধৰ্ম হৈছে তোমাৰ পৰম মিত্ৰ। লোৱা তোমাক দিলো এই ধন --

ধুন্ধুকাৰী ঃ দিয়া সখা দিয়া -- হাঃ হাঃ পাপ আৰু অধৰ্ম হ'ল আজিৰ পৰা মোৰ পৰম সখা ; তেজিলো আজিৰ পৰা ব্ৰাহ্মণত্ব , কৰিম মদিৰা পান , গ্ৰহণ কৰিম তামসিক আহাৰ আৰু সুযোগ পালেই সুন্দৰী ৰমণীক কৰিম ৰমন হাঃ হাঃ ---

পাপ ঃ হাঃ হাঃ যদি লাগে এতিক্ষণে সুন্দৰী ৰমণী , তাৰো দিব পাৰোঁ আমি সন্ধান ----।

ধুন্ধুকাৰী ঃ দিয়া , দিয়া সখা , এতিয়াই দিয়া সন্ধান ক'ত পাম মই সুন্দৰী ৰমণী ---- ?

অধৰ্ম ঃ সখা , সৌ পশ্চিম দিশে তুমি কৰা গমন , তাতেই পাবা তুমি সুন্দৰী ৰমণী হাঃ হাঃ --।

ধুন্ধুকাৰী ঃ ধন্যবাদ , ধন্যবাদ সখা , এতিয়াই মই কৰোঁ গমন । হাঃ হাঃ ৰমণী , ৰমণী --- **(প্ৰস্থান )**

পাপ ঃ হাঃ হাঃ চোৱা জগতবাসী, আজি কেনেদৰে কলিৰ সহচৰ এই পাপ আৰু অধৰ্মই কলিৰ সাম্ৰাজ্য কৰিছে বিস্তাৰ । ব'লা অধৰ্ম , আমাৰ সাম্ৰাজ্য আৰু কৰোঁগৈ বিস্তাৰ হাঃ হাঃ ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে কামিনী আৰু মোহিনীৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ ধনশ্ৰী , তাল ঃ একতাল )

**সভাত চলিয়া আহে মোহিনী কামিনী।**
**লয় লাসে চলি আহে দুয়ো ৰতায়নী ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

**সূত্ৰ ঃ এনেতে ধুন্ধুকাৰী----**

ধুন্ধুকাৰী ঃ সুন্দৰী ---- ( লাজ কৰে )

মোহিনী ঃ আ-হা-হা , কিযে সুন্দৰ যুৱক , আহিছে আজি আমাৰ এই স্থানলৈ ---।

কামিনী ঃ হয়তু এই সুঠাম যুৱকে পূৰ্বে লোৱা নাই কোনো গণিকাৰ সঙ্গ । চোৱা সখী , লজ্জাত ৰক্তিম হৈ পৰিছে এওঁৰ সুন্দৰ বদন হাঃ হাঃ ---

মোহিনী ঃ এনে গ্ৰাহক যে মোৰ অতিকে প্ৰিয় । হাঃ হাঃ কোৱা যুৱক কিয় আহিলা এই স্থানলৈ ?

ধুন্ধুকাৰী ঃ মই আহিছো -- মই আহিছো --- তোমালোকৰ প্ৰেম বিচাৰি ----।

কামিনী ঃ হাঃহাঃ প্ৰেম, আৰু আমাৰ ওচৰত ? হে যুৱক, আমি কোন তুমি জানা ? সমাজৰ আমি ঘৃণিতা, আমি অপবিত্ৰা, আমি লাঞ্চিতা নাৰী বেশ্যা ; ভদ্ৰতাৰ মুখা পিন্ধা সমাজৰ ভদ্ৰ পুৰুষৰ বাবে আমি মাথো ৰাতিৰ পুষ্প যেন শেৱালি , পুৱা হলে আমাক দিয়ে ভৰিৰে মোহাৰি --

ধুন্ধুকাৰী ঃ চিনা নাই তোমালোকে মোক । নহয় মই কোনো মুখাধাৰী সাধু - সন্ত, ব্ৰাহ্মণত্বক দলিয়াই, সদাচাৰক ভৰিৰে মোহাৰি ধূলিসাৎ কৰা ধুন্ধুকাৰী মই । কৰিম মই আজি তোমালোকক ৰমন, যদি মোক কৰা সন্তুষ্ট জীৱন লগৰীও কৰিম তোমালোকক --।

মোহিনী ঃ হাঃ হাঃ বেচ সাহসী পুৰুষ তুমি । তোমাৰ কথাই মোহিছে আমাক। নিশ্চয় আমি তোমাৰ কামনা কৰিম পূৰণ । চোৱা তুমি এই মোহিনীৰ ৰূপ --

কামিনী ঃ আৰু চোৱা এই কামিনীৰ যৌৱন ---

গীত

**নাৰীৰ যৌৱন ৰূপ অতি অনুপম ।**
**যাক দেখি ধুন্ধুকাৰী হৈল বিমোহন ।।**
**দিয়া দেৱী দিয়া প্ৰেম দিয়া আলিংগন ।**
**মধুৰ পৰশ দিয়া ৰাখা মোৰ প্ৰাণ ।।**

ধুন্ধুকাৰী ঃ হে সুন্দৰীগণ, নকৰিবা আৰু চালনা ; নল'বা আৰু মোৰ ধৈৰ্যৰ প্ৰমাণ । কৰা কৃপা , দিয়া তোমালোকৰ মধুৰ আলিংগন --

মোহিনী ঃ হাঃহাঃ আমাৰ দুয়োকে ৰমনৰ কৰিছা অভিলাষ ; পাছে বিনা মূল্যে জানো আমি হাঃ হাঃ ---

ধুন্ধুকাৰী ঃ কি লাগিব তোমালোকক ? ধন , ৰত্ন -- ? হাঃ হাঃ এয়া চোৱা লৈ আহিছো মই স্বৰ্ণ মুদ্ৰা --

মোহিনী ঃ বাঃ , স্বৰ্ণ মুদ্ৰা ; দিয়া বীৰ , আমাক দিয়া এই ধনৰ টোপোলা ---।

ধুন্ধুকাৰী ঃ দিম নিশ্চয় দিম , কিন্তু , প্ৰথমে মোক তোমালোকে কৰোৱা সন্তুষ্ট হাঃ হাঃ -----

কামিনী ঃ তেন্তে পলম কিয় বীৰ, ব'লা যাঁও আমাৰ কুটীৰলৈ, প্ৰথমে কৰোঁৱাম তোমাক মদিৰা পান ; তাৰপাছত তুমি আমাৰ হাঃ হাঃ ---.

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত হৰি নাম গায় এজন অন্ধ ভীক্ষুক আহে ---**

অন্ধ ঃ (গীত )--কৃষ্ণ কৃষ্ণ, কৃষ্ণ বুলি যাওক মোৰ প্ৰাণ । কোন বন্ধু হব পাৰে কৃষ্ণৰ সমান ।। --(কথা) নাজানো প্ৰভু, কি পাপৰ ফলত মই হলো জন্মান্ধ। জীয়াই থাকিবলৈ ভীক্ষা মাগিছো আজি পৰৰ গৃহে গৃহে । কোনো হৃদয়বানে দিয়ে অন্ন - ধন, আৰু কোনোৱে অন্ধ বুলি মোক কৰে ককৰ্থনা । মোৰ কোনো আক্ষেপ নাই প্ৰভু, কৰিছো মই তেওঁক ক্ষমা । তুমিও অজ্ঞানী বুলি তেওঁক কৰিবা ক্ষমা । কোন আছা, ভীক্ষা দিয়া ; কোন আছা এই অন্ধক দয়া কৰা ---

**সূত্ৰ ঃ এনেতে ধুন্ধুকাৰী ---------------**

ধুন্ধুকাৰী ঃ মদিৰা -- মোক মদিৰা লাগে , নহ'লে মোৰ প্ৰাণ যাব উৰি । সখা অধৰ্ম , সখা পাপ ----

অন্ধ ঃ কোন , কোনে কাক মাতিছে --- ?

ধুন্ধুকাৰী ঃ কোন তই --- ?

অন্ধ ঃ অ বুজিছো , তুমিও তেন্তে মোৰ দৰেই অন্ধ ----।

ধুন্ধুকাৰী ঃ এই সাৱধান , সাৱধান ; কাক তই বুলিছ অন্ধ ? দৃষ্টিশক্তি আছে মোৰ ।

অন্ধ ঃ দৃষ্টি থাকিও তেন্তে এই অন্ধ ভীক্ষুকক কোন বুলি কিয় কৰা সম্বোধন ?

ধুন্ধুকাৰী ঃ অ' -- তই ভীক্ষুক । পাছে কি পালি আজি তই ভীক্ষা মাগি ?

অন্ধ ঃ কিনো পাম , অশেষ কষ্টৰে হৰি নাম গায় পাইছো এমুঠি অন্ন আৰু কিছু ধন ।

ধুন্ধুকাৰী ঃ ধন ; হাঃ হাঃ ভালেই হ'ল ; দে ভীক্ষুক, তোৰ হাতত থকা ধন মোকেই দে ; তাৰে আজি মই কৰোঁ মদিৰা পান ।

অন্ধ ঃ কি কৈছা ? মোৰ ধনেৰে তুমি কৰিবা মদিৰা পান ? শুনা, মদিৰা পান কৰি নপৰিবা পাপত । আছে তোমাৰ দৃষ্টি ,নিশ্চয় শৰীৰতো আছে বল । কৰ্ম কৰি সৎ পথেৰে জীৱন কৰা যাপন ।

ধুন্ধুকাৰী ঃ স্তব্ধ হ স্তব্ধ হ তই ; আঃ এক অন্ধই আজি মোক দিয়ে কৰ্মজ্ঞান । দে মোক তোৰ ধন --

অন্ধ ঃ নাই নাই ; এয়া মোৰ আৰ্জিত ধন । কদাপি তোমাক নিদিওঁ মই --

ধুন্ধুকাৰী ঃ আঃ তই নিদিলেও কাঢ়ি অনাৰ সামৰ্থ আছে মোৰ -- দে অন্ধ, তোৰ হাতত থকা ধন দে মোক ---( অন্ধৰ ধন কাঢ়ে আৰু অন্ধক প্ৰহাৰ কৰে )

**সূচনা**

**দেখা দেখা নৰলোক অধৰ্মীৰ কাৰ্য ।**

**ৰাম নাম লৈয়া কৰা অধৰ্মক নাশ ।।**

ধুন্ধুকাৰী ঃ হাঃ হাঃ পালো আজিৰ বাবে মোৰ পৰ্যাপ্ত ধন । পৰি থাক পৰি থাক অন্ধ , তোৰ বাবে এয়া উপযুক্ত পুৰস্কাৰ । যাঁও মই মদিৰা কৰোঁগৈ পান হাঃ হাঃ হাঃ ----( **প্ৰস্থান** )

অন্ধ ঃ মৰাকে আজি মাৰিছা প্ৰভু , আৰু কিমান কষ্ট দিবা মোক ? মোক মৃত্যু দিয়া প্ৰভু, মুক্তি দিয়া -

**সূত্ৰ ঃ এনেতে হৰি নাম গায় নাৰদ ----**

নাৰদ ঃ নাৰায়ণ , নাৰা ----, কোন আপুনি , কিয় এনেদৰে মাটিত কৰিছে শয়ন ?

অন্ধ ঃ মই শয়ন কৰা নাই ; এক পাষণ্ডৰ অত্যাচাৰতহে পৰি আছে এই অন্ধ আজি ধৰাৰ বুকুত ।

নাৰদ ঃ নাৰায়ণ, অন্ধ আপুনি, উঠক উঠক ; কিয় আৰু কোন পাষণ্ডই আপোনাৰ কৰিলে এনে গতি ?

অন্ধ ঃ কি ক'ম মোৰ দুখৰ কাহিনী , হৰি নাম গায় ভীক্ষা মাগি পাইছিলো কেইটামান ধন , তাকো কাঢ়ি নিলে এক অচিনাকী দুৰ্বত্তই মদিৰা পানৰ বাবে -- ।

নাৰদ ঃ নাৰায়ণ -- ঘোৰ কলিকাল নামিল জগতত , আজি অন্ধৰ ভীক্ষাৰ ধনো কাঢ়ি নিছে দুৰ্মতি মনুষ্যই । হে প্ৰভু , ৰক্ষা কৰা তুমি তোমাৰ ভক্তক ---।

অন্ধ ঃ আপোনাক হৰি ভক্ত যেনেই লাগিছে । দিয়কচোন আপোনাৰ পৰিচয় ।

নাৰদ ঃ মই , মই -- ময়ো আপোনাৰ দৰেই হৰি নাম গায় সন্ত জনক কৰোঁ সন্তোষিত ।

অন্ধ ঃ এইমাত্ৰ শুনা হৰিনাম তেন্তে আপোনাৰ মুখ পদ্মৰপৰাই আহিছিল ভাঁহি। মন - প্ৰাণ মোৰ হৈছিল পুলকিত । কৰোঁ অনুৰোধ, গাওকচোন আপুনি পুনৰ হৰিনাম --

নাৰদ ঃ বাৰু, আপোনাৰ অনুৰোধ ৰাখিছো আমি -- ( **হৰিনাম গাই ; অন্ধ আত্মহাৰা হয়** )

অন্ধ ঃ আ -হাহা আপোনাৰ হৰিনামত দেহৰ যান্ত্ৰনা মই গৈছো পাহৰি । পুনৰ গাওক পুণ্যবৰ --

**সূত্ৰ ঃ হৰি নাম গায় নাৰদে অন্ধক লৈ যায়। আনফালে সুৰাসক্ত হৈ ধুন্ধুকাৰী --**

ধুন্ধুকাৰী ঃ হাঃ হাঃ সুমিষ্ট মদিৰা আজি কৰিলো পান। পুলকিত হ'ল আজি মোৰ দেহ আৰু প্ৰাণ। মিছা ভকতি , মিছা ধ্যান ; একো নাই তাত ; মদিৰাতেই আছে জীৱনৰ সৰ্বোত্তম প্ৰাপ্তি হাঃ হাঃ ---

**সূত্ৰ ঃ এনেতে জ্ঞান আৰু বৈৰাগ্য ---**

জ্ঞান ঃ নাপায় নাপায় ধুন্ধুকাৰী , জীৱশ্ৰেষ্ঠ মনুষ্য আৰু উচ্চ ব্ৰাহ্মণ কুলত জন্ম তোমাৰ । কিয় আজি তুমি মদিৰা কৰিছা পান ?

ধুন্ধুকাৰী ঃ আঃ বাৰে বাৰে বাধা দিয়ে মোক মদিৰা পানত । কোন তহঁত ?

জ্ঞান ঃ আমি ভক্তিৰ নন্দন , মনুষ্যৰ মুক্তিৰ সাধন । মই জ্ঞান আৰু এওঁ বৈৰাগ্য ।

ধুন্ধুকাৰী ঃ শুন , তহঁত কোন তাত মোৰ নাই প্ৰয়োজন ; এই জীৱন মোৰ । নিজ ইচ্ছামতেই মই কৰিম উপভোগ । আঁতৰ হৈ যা তহঁত মোৰ সন্মুখৰ পৰা ।

বৈৰাগ্য ঃ তুমি ভুল কৰিছা ধুন্ধুকাৰী , তোমাৰ পিতা বিদগ্ধ ব্ৰাহ্মণ পণ্ডিত , তাতোকৈ মহান তোমাতকৈ মাত্ৰ তিনিমাহৰ সৰু ভাতৃ গোকৰ্ণ । তেওঁলোকৰ আদৰ্শ তুমি কৰা গ্ৰহণ । বেশ্যাগমন, মদিৰা পান , লুটপাত কৰি নকৰিবা তুমি পাপ অৰ্জন ।

ধুন্ধুকাৰী ঃ আঃ বন্ধ কৰ, বন্ধ কৰ ; বিষধৰ সৰ্পৰ দৰে তহঁতৰ বাণীয়ে মোৰ কৰ্ণত কৰিছে দংশন। বেশ্যা গমন, মদিৰা পান, লুটপাত কৰিলে যদি হয় পাপ অৰ্জন তাকে মই আদৰেৰে কৰিম গ্ৰহণ ।

জ্ঞান ঃ বৈৰাগ্য, এনেদৰে ই নামানিব ; ইয়াৰ মঙ্গলৰ বাবে বলপূৰ্বক ভাৱে ইয়াক কৰিব লাগিব বশ।

ধুন্ধুকাৰী ঃ হাঃ হাঃ যাৰ কৃপা আছে পাপ আৰু অধৰ্মৰ সেই ধুন্ধুকাৰীক তহঁতে কৰিবি বশ , নিচিনিলি তহঁতে মোক , আজি দেখুবাম তহঁতক মোৰ পৰাক্ৰম ।

বৈৰাগ্য ঃ উত্তম ; তোমাৰ যদি এয়াই ইচ্ছা , তেন্তে তোমাক সৎ মাৰ্গলৈ আনিবলৈ আমিও কৰিম যতন --

গীত

**এহি বুলি তিনিওজনে ৰণ আৰম্ভিলা।**
**কলিযুগে ধুন্ধুকাৰী মহাবলী ভৈলা।।**

**সূত্ৰ ঃ ৰণত জ্ঞান আৰু বৈৰাগ্য পৰাস্ত হৈ ভূমিত বাগৰি পৰে ----**

ধুন্ধুকাৰী ঃ হাঃ হাঃ এই শক্তিৰেই তহঁতে ধুন্ধুকাৰীক আন সৎ পথলৈ ---। চাওক আজি জগতে যদি মই কৰিছো পাপ , যদি মই কৰিছো অধৰ্ম , তেন্তে কি ভুল কৰিছো ? হাঃ হাঃ জ্ঞান আৰু বৈৰাগ্যক মই কৰিলো পৰাস্ত। এয়াই নেকি জ্ঞান আৰু বৈৰাগ্যৰ শক্তি ? ইমান দুৰ্বল হাঃ হাঃ--

জ্ঞান ঃ ধুন্ধুকাৰী , তুমি মহা ভুল কৰিছা , আমাক নকৰিবা অৱজ্ঞা , লোৱা আমাক আকোঁৱালি ।

ধুন্ধুকাৰী ঃ লম মই তহঁতক আঁকোৱালি ? চা তেন্তে , লৈছো আকোঁৱালি মই জ্ঞানক ( পদাঘাত কৰে ) - হাঃ হাঃ চা বৈৰাগ্য, তোকো লৈছো আঁকোৱালি ( পদাঘাত কৰে ) হাঃ হাঃ হাঃ -----( **প্ৰস্থান** )

**সূত্ৰ ঃ জ্ঞান আৰু বৈৰাগ্য ভূমিত পৰি থাকে । এনেতে ভক্তি ---**

ভক্তি ঃ পুত্ৰ , পুত্ৰ জ্ঞান , বাচা বৈৰাগ্য , কি হৈছে তোমালোকৰ ? উঠা বাচা , উঠা তোমালোক ।

বৈৰাগ্য ঃ মাতৃ , চোৱা মাতৃ আজি তোমাৰ পুত্ৰ এই বৈৰাগ্য আৰু জ্ঞানৰ দশা ---।

ভক্তি ঃ কোনে কোনে পুত্ৰ , কোনে কৰিলে তোমালোকৰ এনে দশা ?

জ্ঞান ঃ মৰতৰ মনুষ্যই আজি আমাক কৰিলে এই দশা। মাতৃ, নলয় মনুষ্যই আজি আমাক আদৰি ; আজি তোমাৰ পুত্ৰদ্বয়ক মনুষ্যই কৰিলে পদাঘাত ----- ( কান্দে )

ভক্তি ঃ হে প্ৰভু নাৰায়ণ, কিয় নিক্ষেপ নকৰা তোমাৰ চক্ৰ দুৰাচাৰী কলিৰ ওপৰত ? বাচাহঁত, চিন্তা নকৰিবা তোমালোকে । ব'লা, যাঁও আমি নাৰায়ণৰ প্ৰিয় তীৰ্থস্থানে, সাধু সন্তজনে বাস কৰে তাত । মোৰ বিশ্বাস তেওঁলোকৰ সঙ্গত তোমালোকে পুনৰ ঘূৰাই পাবা পূৰ্ব শক্তি ।

বৈৰাগ্য ঃ তোমাৰ কথা যেন সত্য হওক মাতা ; লৈ ব'লা আমাক ---

**গীত -(ৰাগ ঃ মাহুৰ , তাল ঃ পৰিতাল )**

**পুত্ৰদ্বয়ক লৈয়া যাই দেৱী ভক্তি মাতা ।**
**জগতক ৰক্ষা কৰা চিন্তিয়া বিধাতাক ।।**

**সূত্ৰ ঃ ভক্তিয়ে পুত্ৰদ্বয়ক লৈ যায়। আনফালে সভাত আত্মদেৱ ----**

আত্ম ঃ হে প্ৰভূ , আজি ভীক্ষা মাগি এয়াহে পালো । হ'ব প্ৰভূ , তোমাৰ ইচ্ছা বুলি ইয়াতে মই হৈছো সন্তুষ্ট । কৃপা কৰিবা প্ৰভূ , কৃপা কৰিবা ---

**সূত্ৰ ঃ এনেতে গোকৰ্ণ ---**

গোকৰ্ণ ঃ প্ৰণাম পিতা ; পিতা স্বৰ্গ , পিতা ধৰ্ম , পিতাহি পৰমং তপঃ ---

আত্ম ঃ সদা সুখী হোৱা বাচা -----

গোকৰ্ণ ঃ আপোনাৰ দৰে পিতা পাই ধন্য হ'ল মোৰ জীৱন । কওক পিতা , কিবা কাৰ্য আছে মোৰ বাবে , পিতৃৰ কাৰ্য কৰি সমাপন পুত্ৰৰ জীৱন কৰোঁ সাৰ্থক ।

আত্ম ঃ অহ বাচা, তোমাৰ মধুৰ বচনে মোৰ হৃদয় কৰে শাঁত ; তোমাৰ দৰেই সদাচাৰী ধুন্ধুকাৰীও হোৱা হ'লে সাৰ্থক হ'লহেঁতেন মোৰ পিতৃত্ব ।

গোকৰ্ণ ঃ দাদাৰ বাবে চিন্তা নকৰিব পিতা, নিশ্চয় তেওঁৰ এদিন আহিব সুমতি । পাছে পিতা আহিলো মই এক বিশেষ উদ্দেশ্যত ।

আত্ম ঃ কোৱা বাচা , কি উদ্দেশ্য ? তোমাৰ বাবে মই মোৰ সৰ্বচ্ছ দিব পাৰোঁ ।

গোকৰ্ণ ঃ নালাগে পিতা, নালাগে মোক কোনো ঐশ্বৰ্য বিভূতি ; শাস্ত্ৰ জ্ঞান লভি আৰু হৰি ভকতিতে পাঁও মই অনাবিল সন্তুষ্টি । দিব লাগে মাথো মোক আপুনি এক অনুমতি ----

আত্ম ঃ অনুমতি ; --- কি অনুমতি বাচা ?

গোকৰ্ণ ঃ পিতা, সাংসাৰিক বান্ধোনত শাস্ত্ৰ অধ্যয়ন আৰু হৰি আৰাধনাত মোৰ হৈছে কষ্ট । সেয়ে ভাবিছো কিছুকাল বনৰ নিজানত গৈ কৰোঁ শ্ৰীহৰিক আৰাধনা । তাৰবাবে লাগে মোক ---

আত্ম ঃ নাই নাই বাচা ; বনত তুমি কেনেদৰে ---

গোকৰ্ণ ঃ তাৰবাবে চিন্তা নকৰিব পিতা । শ্ৰীহৰিয়ে মোক কৰিব সহায় । মোক বিমুখ নকৰিব পিতা ।

আত্ম ঃ বাচা ; -- হৰি ভকতিত বাধা দিলে হব মহাপাপ । যোৱা বাচা, নিদিওঁ মই তোমাক বাধা ।

গোকৰ্ণ ঃ আশীৰ্বাদ কৰিব পিতা হৰি ভকতিত যাতে মই হওঁ সফল -----

আত্ম ঃ মোৰ আশীৰ্বাদ সদায় থাকিব ; হে প্ৰভূ , কৃপা কৰিবা তুমি গোকৰ্ণক ----

**সূত্ৰ ঃ এনেতে ধুন্ধুলী সোমাই আহে ---**

ধুন্ধুলী ঃ পিতা - পুত্ৰৰ বা কি বাৰ্তালাপ চলিছে ?

গোকৰ্ণ ঃ প্ৰণাম মাতা --- পুত্ৰই ৰাখিলো শিৰ তয়ু চৰণত ; দিয়া আশীৰ্বাদ ---

ধুন্ধুলী ঃ উঠা পুত্ৰ উঠা ---

আত্ম ঃ প্ৰিয়ে, পুত্ৰ গোকৰ্ণই মোৰ কুলক কৰিব উদ্ধাৰ । প্ৰভূ নাৰায়ণক আৰাধনাৰ হেতু পুত্ৰ যাব বিচাৰিছে নিৰ্জন বনৰ মাজলৈ । মই নিদিওঁ বাধা আৰু তুমিও নিদিবা বাধা ----

ধুন্ধুলী ঃ কি কৈছে নাথ ; গোকৰ্ণই বনত গৈ কৰিব আৰাধনা ? ( স্বগতঃ ) কিয় দিম বাধা ? ভালেই হব ; ই আঁতৰত থকাতো মোৰ বাবেই মঙ্গল ----

গোকৰ্ণ ঃ কি চিন্তা কৰিছা মাতা -- ?

ধুন্ধুলী ঃ চিন্তা -- নহয় বাচা , জাগিছে শংকা ; কেনেদৰে তুমি থাকিবা জয়াল বনত ?
গোকৰ্ণ ঃ ৰাখে হৰি মাৰে কোনে , মাৰে হৰি ৰাখে কোনে ? মোৰ বাবে চিন্তা নকৰিবা মাতা । তুমি মাথো পিতাক সুখত ৰাখিবা ।
ধুন্ধুলী ঃ সেই চিন্তা নকৰিবা বাচা , পিতাৰাৰ সুখৰ বাবেই মই এই জীৱন কৰিছো উৎসৰ্গা ।
গোকৰ্ণ ঃ পিতা , মই এতিয়া বিদায়হে মাগো । প্ৰণাম পিতা , প্ৰণাম মাতা --- ( **প্ৰস্থান** )
আত্ম ঃ যোৱা বাচা যোৱা ; প্ৰিয়ে, গোকৰ্ণৰ দৰে যদি মোৰ বাচা ধুন্ধুকাৰীও হোৱা হলে ; হওঁ আচৰিত ধেনুৰ গৰ্ভজাত সন্তান গোকৰ্ণ আজি ইমান জ্ঞানী ; অথচ, তোমাৰ গৰ্ভজাত ধুন্ধুকাৰী আজি ইমান অজ্ঞানী, ইমান বৰ্বৰ । নাভাবো বুলিলেও কেতিয়াবা মোৰ মনত জাগে সন্দেহ ------
ধুন্ধুলী ঃ সন্দেহ --- ; কি সন্দেহ নাথ --- ?
আত্ম ঃ জাগে সন্দেহ প্ৰকৃততে ধুন্ধুকাৰী সন্ন্যাসী প্ৰদত্ত সন্তান হয় নে নহয় --- ?
ধুন্ধুলী ঃ নাথ , --- অৰ্থাৎ --- আপুনি মোকেই কৰে সন্দেহ ? মই , মইতো আপোনাৰ দিহা মতেই সন্ন্যাসীপ্ৰদত্ত ফল কৰিছিলো ভক্ষণ -- । এতিয়া যদি পুত্ৰ হৈছে অনাচাৰী তাত মোৰ কি দোষ ? মোৰ বোধেৰে নাথ সেই সন্ন্যাসী আছিল ছদ্মবেশী দানৱ ; চল কৰি আমাক দিলে --
আত্ম ঃ স্তব্ধ হ মূৰ্খ নাৰী, নিজৰেই নাই তোৰ সজ আচৰণ অথচ সাধু -সন্তক তই সজাইছ দানৱ । সন্তানৰ ওপৰত মাতৃৰ প্ৰভাৱ অধিক। শৈশৱ অতিক্ৰমী এদিন দুদিনকৈ ধুন্ধুকাৰী হ'ল যুৱক, দিলানে তুমি তাক ভক্তিজ্ঞান ? এদিনলৈও তাক লগত লৈ তুমি কৰিছানে শ্ৰীহৰিক ধ্যান ? কেনেকৈ দিবা ? নিজৰে নাই , নকৰাও চেষ্টা ; সদা ব্যস্ত থাকা এই নশ্বৰ দেহৰ শোভা বৰ্ধনত । বুজিলো , তহঁত দুই মাতৃ - পুত্ৰই নৰকত পেলাবি মোক --

**সূত্ৰ ঃ এনেতে ধুন্ধুকাৰী----------------**

ধুন্ধুকাৰী ঃ নৰকত পৰিলেও তুমি চিন্তা নকৰিবা পিতা । পুত্ৰৰ ধৰ্ম মই কৰিম পালন । উদ্ধাৰ কৰি আনিম তোমাক নৰকৰ পৰা হাঃ হাঃ ---
আত্ম ঃ পুত্ৰ , পুত্ৰ মোৰ ধুন্ধু --- ( ওচৰ চাপি ) ছিঃ ছিঃ কুলাঙ্গাৰ , তই কৰিছ মদিৰা পান --- ?
ধুন্ধুকাৰী ঃ পিতা , কিয় তুমি কৰিছা ক্ৰোধ -- ? মইতো কৰা নাই কোনো অখাদ্য পান হাঃ হাঃ ---
ধুন্ধুলী ঃ বাচা ধুন্ধু , কিয় তই কৰিছ এনে পাপ ?
ধুন্ধুকাৰী ঃ মাতৃ , পাপকেই লৈছো মই সখাৰূপে আদৰি । কৰি যাম , কৰি গৈছো তেনে কৰ্ম য'ত পাপ হয় সন্তুষ্ট । পাছে বাৰ্তালাপৰ বাবে নাই মোৰ সময় , দিয়া পিতা মোক কিছু ধন ---
ধুন্ধুলী ঃ ধন , ধন কিয় বাচা , অবাবত তই নষ্ট নকৰিবি ধন --।
ধুন্ধুকাৰী ঃ অবাবত নহয় মাতৃ , নিজ প্ৰয়োজন , অপূৰ্ণ ক্ষুধা পূৰাবলৈকে লাগে মোক আজি ধন ।
ধুন্ধুলী ঃ বাচা , ৰন্ধন কৰি ৰাখিছো মই সুমিষ্ট পৰমান্ন , তাক গ্ৰহণ কৰি তই পূৰ্ণ কৰ ক্ষুধা --
ধুন্ধুকাৰী ঃ হ'ব পাৰে মাতৃ পৰমান্ন তোমাৰ বাবে সুমিষ্ট, কিন্তু নাপাওঁ তাত মই তৃপ্তি । লাগে মোক মদিৰা আৰু লাগে সুস্বাদু মঙহ হাঃ হাঃ ----
আত্ম ঃ (খঙেৰে ) ধুন্ধুকাৰী -----
ধুন্ধুকাৰী ঃ নিচিঞৰিবা , উচ্চ কণ্ঠ সহ্য নকৰোঁ মই , তোমাৰ ৰঙা চকুলৈও সমীহ নকৰোঁ মই । দিয়া, দিয়া মোক তোমাৰ ধন -- তাকে লৈ আজিও সুন্দৰী ৰমণীক দিওঁগৈ সঙ্গ হাঃ হাঃ--
ধুন্ধুলী ঃ ছিঃ ছিঃ পুত্ৰ ; পিতা-মাতাৰ আগত এনে নিকৃষ্ট বচন। এনে অকাৰ্য কৰি মহাপাপ নকৰিবি বাচা
ধুন্ধুকাৰী ঃ পাপ কি, পুণ্য কি নালাগে শিকাব । আৰু কাৰবাবে তোমালোকে সাঁচিচা ধন ? ভাতা মোৰ গোকৰ্ণ হ'ল নিৰাসক্ত, তেনেস্থলত আসক্ত পুত্ৰৰূপে ময়েই জানো ধনৰ নহয় উত্তৰাধিকাৰী ? হাঃ হাঃ দিয়া , দিয়া পিতা ভদ্ৰ ভাৱে মাগিছো , দিয়া মোক কিছু ধন ---।
আত্ম ঃ ভীক্ষা মাগি মাগি আৰ্জিছো মই ধন , পাপ কৰ্মত হানি কৰিবলৈ কদাপি নিদিওঁ তোক ।
ধুন্ধুকাৰী ঃ আঃ, তই নিদিলেও কাঢ়ি নিব পৰাৰ আছে মোৰ বল। এতিয়াই তোৰ ধন মই কৰিম হৰণ -
আত্ম ঃ সাৱধান, নাবাঢ়িবি আগ -- মই জীয়াই থাকোতে কদাপি নিব নোৱাৰ তই মোৰ আৰ্জিত ধন।
ধুন্ধুকাৰী ঃ মোক বাধা নিদিবি পিতা, নতু পাহৰি যাম মই তয়েই জন্মদাতা পিতা বুলি। দে, মোৰ হাতত দে তোৰ আৰ্জিত ধন ; আঃ নিদিয় ; ল, ল তেন্তে, তোৰ যোগ্য পুৰস্কাৰ হাঃ হাঃ ( **প্ৰহাৰ কৰে** )
ধুন্ধুলী ঃ স্বামী , স্বামী ---- নাপায় বাচা , নাপায় -- নামাৰিবি পিতাক -- আঃ ---

**সূত্ৰ ঃধুন্ধুলীয়ে স্বামীক বচাব আহে , ধুন্ধুকাৰীয়ে মাকক গতিয়াই ভূমিত পেলাই দিয়ে --**

**সূচনা**

**দেখা দেখা নৰলোক মনুষ্যৰ ভাগ্য ।**
**পুত্ৰৰ হাতে পিতা আজি হৈলা প্ৰহাৰিত।।**

ধুন্ধুকাৰী ঃ পৰি থাক, পৰি থাক ; তহঁতৰ ধনেৰে মই বেশ্যালয়ত কৰিম ৰাত্ৰিযাপন হাঃ হাঃ -- ( **প্ৰস্থান** )

ধুন্ধুলী ঃ পুত্ৰ , পুত্ৰ ---নাই নাই তই নিনিবি ধন --- ঘূৰি আহ বাচা ----

আত্ম ঃ ------------------------ ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপৰ ফলে মোক এনে পুত্ৰ দিলা ।।
পুত্ৰ পুত্ৰ বুলি মই খালো হাবাথুৰি ।
সেহি পুত্ৰই আজি মোক কৰে এনে গতি ।।

ধুন্ধুলী ঃ স্বামী, স্বামী ---- দুখ নকৰিব স্বামী ; বাচাক বুজাম মই ; হব সি সলনি ----

আত্ম ঃ নোৱাৰা প্ৰিয়ে, ভাঁজ লোৱা বুঢ়া বাঁহক চেষ্টা কৰিলেও নোৱাৰা পোনাব । পুত্ৰৰ হাতত আজি লাঞ্চিত হোৱাতকৈ মই সন্তানহীন হোৱাই আছিল ভাল । আজিহে বুজিলো কিয় সন্যাসীয়ে দিব নিবিচাৰিছিল মোক পুত্ৰ সন্তান। প্ৰিয়ে, ললো সিদ্ধান্ত এই নৰকসদৃশ গৃহত আৰু নাথাকো মই -

ধুন্ধুলী ঃ নাথ, এয়া কি কৈছে আপুনি ? অত কষ্টৰে সজা এই সংসাৰ তেজিব আপুনি ?

আত্ম ঃ মই উচিত সিদ্ধান্তই লৈছো প্ৰিয়ে ; যি গৃহত পুত্ৰই নকৰে পিতাক আদৰ, তেনে গৃহ নৰক তুল্য । গুচি যাম মই গোকৰ্ণৰ কাষলৈ, যদি ইচ্ছা কৰা তুমিও ওলোৱা ---

ধুন্ধুলী ঃ মই - ? নাথ, ক'ত যাব, কোনে আমাক দিব আশ্ৰয় ? কেনেকৈ বাৰু এই দুহাতেৰে সজা --

আত্ম ঃ অ বুজিলো, দেৱতায়ো যি স্থানলৈ কৰে ভয়, মূৰ্খই তাতে লয় আশ্ৰয় । প্ৰিয়ে, নালাগে যাব তুমি । ইয়াতেই থাকা পাপী পুত্ৰৰ হাতত যান্ত্ৰনা ভূগি । মই আহিলো প্ৰিয়ে -- ( **প্ৰস্থান** )

ধুন্ধুলী ঃ নাথ , নাথ -- উসঃ কি কৰোঁ মই , যদি মই স্বামীৰ লগত বনলৈ যাওঁ কি হ'ব আমাৰ এই সম্পত্তিৰ ? নাই নাই ৰখীয়া হৈ থাকিম মই এই গৃহৰ । পুত্ৰ ধুন্ধুকাৰী নহয় অবুজ, বুজালে নিশ্চয় তাৰ আহিব সুমতি ; অ মই তাৰ আনিম সুমতি । পুত্ৰ , পুত্ৰ ধুন্ধুকাৰী -----

**সূত্ৰ ঃ ধুন্ধুলীৰ প্ৰস্থান । আনফালে বনৰ মাজত গোকৰ্ণ ------**

গোকৰ্ণ ঃ লভি শাস্ত্ৰজ্ঞান , কৰি হৰিক আৰাধনা বুজিলো আমি মায়াৰে ভৰা এই সংসাৰ জীৱৰ বাবে অসাৰ । হৰি ভক্তিয়ে হৈছে একমাত্ৰ সাৰ । হে দয়াময় , কৃপা কৰা তুমি আমাক ---

**সূত্ৰ ঃ এনেতে আত্মদেৱ --**

আত্ম ঃ পুত্ৰ , পুত্ৰ গোকৰ্ণ --( কান্দে )

গোকৰ্ণ ঃ ই কি পিতা ; আপুনি ইয়াত ? পিতা, কিয় কৰিছে ক্ৰন্দন ? কি হৈছে আপোনাৰ ?

আত্ম ঃ বাচা, কি ক'ম, তোৰ জ্যেষ্ঠ ভাতৃ ধুন্ধুকাৰীৰ চৰিত্ৰ নহ'ল সলনি। পুত্ৰ পুত্ৰ বুলি এসময়ত খাইছিলো হাবাথুৰি, ভগৱন্তই মোক দিলে পুত্ৰ । কিন্তু আজি সেই পুত্ৰই ধনৰ বাবে মোক কৰিলে প্ৰহাৰ। মই কি কৰোঁ বাচা, ক'লৈ যাঁও, কোনে মোক এই বিপদত কৰিব সহায় ?

গোকৰ্ণ ঃ ন চেন্দ্ৰস্য সুখং কিঞ্চিন্ন সুখং চক্ৰবৰ্ত্তিনঃ । সুখমস্তি বিৰক্তস্য মুনেৰেকান্তজীৱিনঃ।। পিতা, ই মোৰ পুত্ৰ, তাই মোৰ কন্যা, এই মনোভাৱ কৰক ত্যাগ। এনে মোহে মনুষ্যক ঘটাই নৰক প্ৰাপ্তি --

আত্ম ঃ নৰক ; নাই নাই বাচা, মই নৰকত পৰিব নিবিচাৰো ; স্নেহ পাশত পৰি মই অতদিনে অন্ধ কূপত আছিলো পৰি । মোক উদ্ধাৰ কৰা বাচা । তুমি বেদজ্ঞ, কোৱা বাচা কি কৰিম মই ?

গোকৰ্ণ ঃ পিতা, সংসাৰৰ মায়াৰ পৰা আপুনি নিজকে কৰক মুক্ত ; গ্ৰহণ কৰক আপুনি বৈৰাগ্যক। বৈৰাগ্য ৰসত ডুবি ভগৱন্তৰ ভকতিত হওক লিপ্ত । নিশ্চয় প্ৰভূ ভগৱন্তই আপোনাক কৰিব দয়া ।

আত্ম ঃ হে মহাত্মা গোকৰ্ণ, তোমালৈ অজস্ৰ প্ৰণাম -----

গোকৰ্ণ ঃ এয়া কি কৰে পিতা --- ? নাপায় , নাপায় পিতা -----

আত্ম ঃ বাচা , জ্ঞান চক্ষু মোৰ কৰিলা মুকলি । তোমাৰ উপদেশকে সাৰোগত কৰি এই ক্ষণৰ পৰাই বৈৰাগ্যক মই ল'লো আঁকোৱালি । সৌ বনৰ মাজতে গৈ মই শ্ৰীহৰিক কৰোঁগৈ আৰাধনা । মই এতিয়া কৰোঁ যাত্ৰা -- হৰি ঔম , হৰি ঔম -- ( **প্ৰস্থান** )

গোকর্ণ ঃ যাওক পিতা ; কোন কাৰ পিতা , কোন কাৰ মাতা ; সংসাৰৰ কোনো বস্তুৱেই নহয় স্থায়ী । এই তেজ মঙহৰ দেহা এদিন প্ৰত্যেক জীৱই কৰিব ত্যাগ । হৰি ঔম প্ৰভূ , হৰি ঔম --

**সূত্ৰ ঃ গোকৰ্ণৰ প্ৰস্থান । আনফালে মলিন বেশেৰে ধুন্ধুলী সোমাই আহে ----**

ধুন্ধুলী ঃ শেষ, সকলো শেষ কৰি দিলে ধুন্ধুকাৰীয়ে ; কি নাছিল মোৰ গৃহত ? কি ভোজন কৰা নাছিলো মই ? কি পৰিধান কৰা নাছিলো মই ? কিন্তু আজি গৃহত নাই এপদো সম্পদ , এমুঠি অন্নৰ বাবে আজি মই কৰিছো হাঁহাকাৰ । উসঃ জীৰ্ণ - শীৰ্ণ আজি মোৰ দেহ , আজি মই অভাগিনী , আজি মই সৰ্বহাৰা এক ভীক্ষাৰিণী --

**সূত্ৰ ঃ এনেতে মোহিনী আৰু কামিনীক লগত লৈ ধুন্ধুকাৰী আহে ---**

ধুন্ধুকাৰী ঃ নহয় মাতৃ তুমি সৰ্বহাৰা ভীক্ষাৰিণী --; অ মাতৃ , তুমি ভাগ্যৱতী ; তুমি সম্পদশালী ; চোৰা , চোৰা মাতৃ , পুত্ৰই আজি লৈ আহিছে তোমাৰ বাবে দুগৰাকী পুত্ৰবধু হাঃ হাঃ ---

ধুন্ধুলী ঃ পুত্ৰবধু ? সাৱধান, জীয়াই থকালৈকে মই নোৱাৰ তই মোৰ গৃহলৈ আনিব এনে কুলটা নাৰীক। তহঁতেই মোৰ পুত্ৰক কৰিলি নষ্ট ; আঁতৰ হ, গুচি যা ; অপবিত্ৰ নকৰিবি তহঁতে মোৰ গৃহ -

কামিনী ঃ নাথ, এনে অপমান পাবলৈ অহা নাছিলো আমি আপোনাৰ সঙ্গে ---

ধুন্ধুকাৰী ঃ মাতৃ , সাৱধান ; কাক তুমি কৰিছা অপমান ? মনত ৰাখিবা এওঁলোক ভাৰ্যা এই ধুন্ধুকাৰীৰ । পুত্ৰবধুৰূপে এওঁলোকক তুমি কৰা সম্ভাষণ, দিয়া এওঁলোকক তোমাৰ আভুষণ ।

ধুন্ধুলী ঃ আভুষণ ; কি ৰাখিছুগৈ তই গৃহত ? কি আছে , কি আছে আজি মোৰ ওচৰত ? তোৰ বাবেই তোৰ পিতাৰাই এৰিলে গৃহ, এৰি দিব্য বস্ত্ৰ মই আজি পিন্ধিছো এই ফটাকানি।

ধুন্ধুকাৰী ঃ যদি পৰিধানেই কৰিছা ফটাকানি, তেন্তে নাপায় শোভা তাৰ লগত তোমাৰ হাতৰ আৰু গলৰ এই স্বৰ্ণ অলংকাৰ । দিয়া মাতা, তাকেই দিয়া তুমি তোমাৰ পুত্ৰ বধুগণক --।

ধুন্ধুলী ঃ পুত্ৰ --; এই অলঙ্কাৰ মই কদাপি নিদিঁও ; এয়া আমাৰ পূৰ্বজৰ অলঙ্কাৰ । তোৰ পিতাৰাই এই ভূষণ পিন্ধায়েই নৱ বধূৰূপে আনিছিল মোক এই গৃহলৈ ---

ধুন্ধুকাৰী ঃ ময়ো আনিছো এওঁলোকক নৱ বধূৰূপেই । গতিকে মাতৃ , দিয়া তোমাৰ ভূষণ --

ধুন্ধুলী ঃ নাই নাই মই কদাপি নিদিঁও মোৰ ভূষণ এই কালসৰ্পিনীহঁতক ---

ধুন্ধুকাৰী ঃ আঃ মোৰ আজ্ঞাক তই কৰিলি অমান্য । গৰ্বিনী নাৰী , কাঢ়ি আনিব পাৰোঁ মই তোৰ গলৰ ভূষণ । তেন্তে চা , কেনেদৰে কাঢ়ো তোৰ ভূষণ --

ধুন্ধুলী ঃ নাই নাই বাচা , মই তোৰ চৰণত ধৰিছো তই নকৰিবি তেনে কাৰ্য ---

**সূত্ৰ ঃ ধুন্ধুকাৰীয়ে মাকক প্ৰহাৰ কৰে। বেশ্যাগণে ধুন্ধুলীৰ অলঙ্কাৰ কাঢ়ি লয় ----**

মোহিনী ঃ আ-হাহা কিযে সুন্দৰ অলংকাৰ --

ধুন্ধুকাৰী ঃ প্ৰিয়ে , আজিৰ পৰা এই অলঙ্কাৰৰ গৰাকী তোমালোক --।

কামিনী ঃ ধন্যবাদ নাথ, গ্ৰহণ কৰিলো আমি আপোনাৰ উপহাৰ ---

ধুন্ধুলী ঃ সাৱধান অসতী নাৰী , মোৰ অলংকাৰ তহঁতে নকৰিবি অপবিত্ৰ ----

ধুন্ধুকাৰী ঃ স্তব্ধ হ পাপিনী, নাই আৰু তোৰ অধিকাৰ এই অলংকাৰত । পৰি থাক, পৰি থাক তই ; প্ৰিয়েগণ , প্ৰৱেশ কৰি মোৰ গৃহত কৰা পবিত্ৰ হাঃ হাঃ -- ( **তিনিওৰে প্ৰস্থান** )

ধুন্ধুলী ঃ পুত্ৰ, এয়া তই কি কাৰ্য কৰিলি ? স্বামী, স্বামী -- ( **বিলাপ** )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
পাপৰ ফল আজি মোক এনেদৰে দিলা ।।
কৈত আছে স্বামী মোৰ কৈত আছে আজি ।
চাই যাওক ভাৰ্যাক আহি কেনে অভাগিনী ।।

--( কথা ) কি আশা লৈ জীয়াই আছো মই ? সমাপ্ত কৰিম মোৰ এই দুৰ্বিসহ জীৱন । ক্ষমিবা স্বামী, ক্ষমিবা প্ৰভূ এনে কুলাঙ্গাৰ পুত্ৰৰ হাতত মৰাতকৈ নিজ হাতে সমাপ্ত কৰোঁ মোৰ জীৱন । সৌ জলকুণ্ডই হ’ব মোৰ লক্ষ্যস্থান, অ সৌ জলকুণ্ডই হ’ব মোৰ লক্ষ্যস্থান ---

**সূত্ৰ ঃ ধুন্ধুলীৰ আত্মহত্যাৰ উদ্দেশ্যে প্ৰস্থান । আনফালে কলি ----**

কলি ঃ হাঃ হাঃ সঁচাই পাপ আৰু অধৰ্ম বিচক্ষণ সঙ্গী মোৰ -- হাঃ হাঃ য'ত ধৰ্মৰ সঙ্গী জ্ঞান আৰু বৈৰাগ্য হৈছে নিস্তেজ , পাপ আৰু অধৰ্ম নিজ শক্তিৰে হৈছে সতেজ । কৰি গৈছে এনে কৰ্ম যাৰ জৰিয়তে এই যুগপতি কলিৰ প্ৰভাৱ জগতত হৈছে বিস্তাৰিত হাঃ হাঃ ---

**<u>সূত্ৰ ঃ এনেতে পাপ আৰু অধৰ্ম ---</u>**

পা+অ ঃ প্ৰণাম যুগপতি --

কলি ঃ আঁহা পাপ, আঁহা অধৰ্ম ; সন্তুষ্ট মই তোমালোকৰ কাৰ্যত ---

পাপ ঃ যুগপতি, আপোনাৰ আজ্ঞা আমি কৰিছো পালন। ধুন্ধুকাৰীৰ দৰে মৰতৰ লোভান্ধ আজি আমাৰ হাতত । পুত্ৰৰ অত্যাচাৰত গৃহ তেজি পিতৃয়ে কৰিছে বনে গমন ; মাতৃয়ে কৰিছে আত্মহনন ---

কলি ঃ হাঃ হাঃ উত্তম , অতি উত্তম পাপ হাঃ হাঃ --- অধৰ্ম , কোৱা তোমাৰ কাৰ্য ----

অধৰ্ম ঃ যুগপতি, সুলভ হৈছে মৰতত বেশ্যাগমন । এজনী নহয়, দুজনী নহয় পাঁচজনী বেশ্যাক পত্নীৰূপে ধুন্ধুকাৰীয়ে কৰিছে গ্ৰহণ হাঃ হাঃ -- আৰু যুগপতি, আমাৰ বুদ্ধি মতে গৈছে আজি ধুন্ধুকাৰী অন্য এক মহান অভিযানত হাঃ হাঃ ---

কলি ঃ হাঃহাঃ আৰু বাঢ়িব অনাচাৰ, আৰু বাঢ়িব ব্যভিচাৰ, কামান্ধ মনুষ্যই নকৰিব জাতি -কুল বিচাৰ ; কৰিব পাপ, কৰিব অধৰ্ম আৰু তেনেদৰেই বিস্তাৰিত হ'ব জগতত কলিৰ ৰাজত্ব--হাঃ হাঃ হে দেৱগণ, হে জগতবাসী, চাবা তোমালোকে কেনেদৰে এই যুগপতি কলিয়ে মৰতৰ সকলো মনুষ্যক ধুন্ধুকাৰীত কৰাব পৰিণত --হাঃ হাঃ ব'লা পাপ, ব'লা অধৰ্ম ধুন্ধুকাৰীক কৰোঁ নিৰীক্ষণ--

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত এটা টোপোলা লৈ ধুন্ধুকাৰী আহে আৰু বেগেৰে প্ৰস্থান কৰে। আনফালে মোহিনী আৰু কামিনী সোমাই আহে ----</u>**

মোহিনী ঃ সখী, হৈছে ভাৱ পূৰ্বৰ আমাৰ বেশ্যা বৃত্তিয়ে আছিল বহু ভাল । নিতৌ পাইছিলো ধন, পিন্ধিছিলো দিব্য আভূষণ ; নাছিল আমাৰ একোৰে অভাৱ ।

কামিনী ঃ সত্য কথা ক'লা সখী, মোৰো আহে তেনে ভাৱ ; পাঁচজনী সতিনী হ'লো আমি । প্ৰতি পদতে আমি পাইছো অভাৱ । সামান্য অৰ্থৰ বাবে হাত পাতিব লাগে আমি স্বামীৰ আগত --

**<u>সূত্ৰ ঃ এনেতে হাতত টোপোলা লৈ ধুন্ধুকাৰী সোমাই আহে ---</u>**

ধুন্ধুকাৰী ঃ প্ৰিয়ে , প্ৰিয়েগণ , চোৱা আজি কি লৈ আহিছো মই তোমালোকৰ বাবে ---

মোহিনী ঃ কি আনিলে স্বামী ?

ধুন্ধুকাৰী ঃ হাঃ হাঃ চোৱা , চোৱা নিজেই চোৱা খুলি এই টোপোলা ---

কা+মো ঃ --- ধন -- ?

মোহিনী ঃ নাথ , ইমান ধন আপুনি পালে ক'ত ?

ধুন্ধুকাৰী ঃ হাঃ হাঃ প্ৰিয়ে , আজি মই এজন মহাজনৰ গৃহৰপৰা এই ধন কৰিলোঁ হৰণ ---

মো+কা ঃ হৰণ -- ? অৰ্থাৎ স্বামী ----

ধুন্ধুকাৰী ঃ অ প্ৰিয়ে , চৌৰ্যবৃত্তি মই কৰিলোঁ গ্ৰহণ ; নকৰিবা কোনো চিন্তা , তোমালোকক সুখত ৰাখিবৰ বাবে যিকোনো পন্থাই মই কৰিম গ্ৰহণ। পাছে, নিদ্ৰাই মোক কৰিছে আমনি । শুনা, টোপোলাটো ৰাখিবা যতনাই । যাঁও মই কৰোঁগৈ শয়ন --- ( **প্ৰস্থান** )

মোহিনী ঃ সখী, মোৰ কিন্তু লাগিছে সংশয় , অসৎ কৰ্ম দিনক দিনে বাঢ়িছে স্বামীৰ । চৌৰ্য বৃত্তিও স্বামীয়ে কৰিলে গ্ৰহণ। আজি মহাজনৰ গৃহত, কালিলৈ ৰজাৰ গৃহত ---

কামিনী ঃ আৰু যদি কেতিয়াবা ৰজাৰ প্ৰহৰীৰ হাতত পৰে ধৰা তেতিয়া -- ?

মোহিনী ঃ তেতিয়া ইয়াৰ নিশ্চিত মৰণ ---

কামিনী ঃ লগতে আমাৰো --

মোহিনী ঃ আমাৰো --- ? সখী, মোৰ লাগিছে ভয় ; কৰিলোনেকি ভুল আমি ইয়াক স্বামীবৰণ কৰি --

কামিনী ঃ হাঃ হাঃ চিন্তা নকৰিবা মোহিনী, আমাৰ মুক্তিৰ উপায় পাইছো বিচাৰি ; শুনা - (কাণে কাণে কয় )

মোহিনী ঃ কি কৈছা সখী -- ? যিজনে আমাৰ দৰে সমাজত ঘৃণীতাক পত্নীৰূপে আদৰি দিছে সন্মান তেওঁৰ বিৰুদ্ধে -- নাই নাই এয়া মহাপাপ হ'ব আমাৰ --

কামিনী ঃ পাপ কি , পুণ্য কি তাৰ নকৰিবা বিচাৰ ; মনত ৰাখিবা, বেশ্যা আমি, হ'ব নোৱাৰে আমাৰ

কোনো স্থায়ী স্বামী । শুনা , প্ৰথমে নিজক বচোৱা ----

মোহিনী ঃ কিন্তু , ই জানো সম্ভৱ হ'ব ?

কামিনী ঃ বিশ্বাস ৰাখা এই কামিনীৰ ওপৰত । ৰূপেৰে যদি পাৰোঁ পুৰুষক ভুলাব , হলাহলো পাৰিম ধালিব তাৰ জীৱনত হাঃ হাঃ --- ব'লা, নকৰি পলম অন্য সতিনীগণৰ লগত কৰি আলোচনা শুভ কাৰ্যত হওঁ অগ্ৰসৰ --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে ধুন্ধুকাৰী আহি শয়ন কৰে ----**

ধুন্ধু ঃ ওৰে ৰাতি থাকিলো উজাগৰে ; নিদ্ৰাই হেঁচি ধৰিছে মোক । খন্তেক কৰোঁ শয়ন ---

**সূত্ৰ ঃ হাতত ৰচী - লাখুটি লৈ কামিনী আৰু মোহিনী আহে ----**

মোহিনী ঃ সখী, মোৰ হ'লে লাগিছে ভয় ---

কামিনী ঃ নকৰিবা ভয় , কৰা সাহস -- ( ধুন্ধুকাৰীৰ ওচৰ চাপি ) গভীৰ নিদ্ৰা গৈছে ই । সখী , এয়াই সুৱৰ্ণ সুযোগ ; মই ইয়াৰ গলত লগাম ফাঁচ ; তুমি কৰিবা প্ৰহাৰ ।

মোহিনী ঃ হ'ব সখী, এই লাখুটিৰে মই ইয়াক কৰিম প্ৰহাৰ --

**সূত্ৰ ঃ কামিনীয়ে ৰচীৰে ফাঁচ লগাই ; মোহিনীয়ে প্ৰহাৰ কৰে---**

ধুন্ধুকাৰী ঃ আঃ আঃ, কোন -- ? কি কৰ -- ? --- আঃ -- আঃ ---- ( মৃত্যু হয় )

কামিনী ঃ হ'ব হ'ব সখী ; --( ধুন্ধুকাৰীক পৰীক্ষা কৰে ) ই এৰিলে প্ৰাণ ---

মোহিনী ঃ ( পৰীক্ষা কৰে ) অ সখী , এৰিলে প্ৰাণ --

কামিনী ঃ হাঃ হাঃ বাটৰ কাঁইট আমাৰ কৰিলো দূৰ -- ক্ষমিবা স্বামী, আমাৰ হাতত যে আৰু নাছিল উপায় । ব'লা সখী, সকলোৰে ইয়াৰ ধন ভগাই লৈ ইয়াৰ পৰা কৰোঁ পলায়ন ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শ্ৰীবিষ্ণু ---**

শ্ৰীবিষ্ণু ঃ যুগপতি কলি , তুমিও বুজা নাই আমাৰ মহিমা । যি যেনে কৰ্ম কৰে সি তেনেদৰেই ফল লভে । হে জগতবাসী , কলিৰ প্ৰাদুৰ্ভাৱত নহ'বা শংকিত। আমাৰ মহাত্মাৰ কথা কৰিবা শ্ৰৱণ কীৰ্ত্তন ; আমাৰেই চৰিত্ৰক কৰিবা বিশ্লেষণ ; হৃদয়ক মন্দিৰ কৰি , পৰমাত্মাক বিগ্ৰহ কৰি আৰু মনক পূজাৰী কৰি নিষ্কাম ভক্তিৰে আমাকেই আৰাধিবা । মুক্তি দিম আমি তেনে ভকত বৈষ্ণৱক । দৃষ্টি ৰাখা তোমালোকে গোকৰ্ণৰ ওপৰত । সন্ধান পাবা তাতে পথ মোক্ষ প্ৰাপ্তিৰ ।

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান। আনফালে সভাত প্ৰেতৰূপে ধুন্ধুকাৰী আহে -- ( বাজনা- ভঙ্গী )**

**সূত্ৰ ঃ প্ৰেতৰ প্ৰস্থান। আনফালে সভাত গোকৰ্ণ আহে ---**

গোকৰ্ণ ঃ শূন্য আজি আমাৰ গৃহ । যোগৰ বলত জানিলো জ্যেষ্ঠ ভাতৃৰ জীৱন লীলা হ'ল সমাপ্তি । বহু কৰিলা অধৰ্ম, বহু আৰ্জিলা পাপ । সেইহেতু দাদা , তোমাৰ আত্মাই যাতে লভে শান্তি তাৰবাবে কণিষ্ঠৰ দ্বায়িত্বও আমি কৰিলো পালন । পাছে এই সন্ধ্যা বেলা যাঁও কেনি ? শূন্য গৃহৰ এই বাৰান্দাতে খন্তেক কৰোঁ শয়ন ---

**সূত্ৰ ঃ গোকৰ্ণই শয়ন কৰে। তেনেতে এটা ভেড়া গোকৰ্ণৰ সন্মূখেদি আহি প্ৰস্থান কৰে --- ( বাজনা - ভঙ্গী )**

গোকৰ্ণ ঃ হঠাৎ যেন কিবা এটা গ'ল ইয়াৰ পৰা । কি হ'ব পাৰে ? কাকো দেখা নাই ; হয়তু স্বপ্নহে আছিল । বাৰু, পুনৰ কৰোঁ শয়ন --- প্ৰভু , প্ৰভু ----

**সূত্ৰ ঃ গোকৰ্ণই পুনৰ শয়ন কৰে। প্ৰেতৰূপী ধুন্ধুকাৰী আহে। গোকৰ্ণ চক্ খাই উঠে -**

গোকৰ্ণ ঃ কোন , কোন তই --- ?

প্ৰেত ঃ ( কান্দে ) ------

গোকৰ্ণ ঃ কোন তই ? কিয় কান্দিছ তই ? কিয় এই ৰাত্ৰিকালত বিকটৰূপে আহিলি তই ?

প্ৰেত ঃ ( কথা ক'ব নোৱাৰি বৰকৈ কান্দে )

গোকৰ্ণ ঃ ৰ , ৰ তই -- ওঁম , ওঁম --- ( মন্ত্ৰপুত পানী ছটিয়াই দিয়ে ) এতিয়া ক কোন তই ?

প্ৰেত ঃ ভাতৃ, মই ধুন্ধুকাৰী, নিজ পাপৰ ফলত মই নাপালো মুক্তি ; বিচৰণ কৰিছো মই প্ৰেতৰূপে।

গোকৰ্ণ ঃ ই কেনে অদ্ভুত কথা দাদা ; তোমাৰ আত্মাৰ মুক্তিৰ বাবে গয়া আদি তীৰ্থত কৰিলো শ্ৰাদ্ধ , দিলো দান । তথাপিও তোমাৰ নহ'ল মুক্তি ? ই কেনে আচৰিত ---

প্ৰেত ঃ শ শ তীৰ্থত শ্ৰাদ্ধ কৰিলেও মোৰ পাপ নহয় খণ্ডন ; মোৰ মুক্তি নহয় সম্ভৱ । প্ৰেতৰূপে মই বৰ পাইছো কষ্ট । তুমি অন্য উপায় কৰা ; মোক উদ্ধাৰ কৰা গোকৰ্ণ, মোক উদ্ধাৰ কৰা ।

গোকৰ্ণ ঃ তুমি নিশ্চিন্ত হোৱা ; তোমাৰ মুক্তিৰ মই কৰিম সন্ধান । এতিয়া যোৱা তুমি নিজ স্থানে ।

প্ৰেত ঃ অশেষ আশাৰে মই কৰিম অপেক্ষা । এতিয়া মই যাঁও গোকৰ্ণ --- ( **প্ৰস্থান** )

গোকৰ্ণ ঃ যদিওবা জ্যেষ্ঠ ভাতৃক মই দিছো আশ্বাস নিজেই নাজানো কি উপায়েৰে প্ৰেত ৰূপৰ পৰা তেওঁক কৰাম মুক্ত ? -- অ পাইছো উপায় ; এই বিষয়ে মই সাধু-সন্তজনৰ লগত কৰিম আলোচনা। নিশ্চয় তেওঁলোকে দিব মোক ইয়াৰ সমিধান। যাঁও মই সাধু-সন্তজনৰ সমীপে--

**সূত্ৰ ঃ গোকৰ্ণৰ প্ৰস্থান । সভাত ঋষিদ্বয় আহে -------**

ঋষি-১ ঃ ঋষিবৰ, এই পুণ্য স্থানতে আমি শাস্ত্ৰৰ কথা আলোচনা কৰোঁ আহক ----

ঋষি-২ ঃ উত্তম কথা ঋষিবৰ, আহক আসন গ্ৰহণ কৰোঁ ----( বহে ) বাৰু ঋষিবৰ, কওকচোন ভগৱন্তৰ বিষয়ে আপুনি কি পাইছে শাস্ত্ৰত ?

ঋষি-১ ঃ হে ঋষিবৰ , চাৰি বেদ অধ্যয়ন কৰি বুজিলো আমি --এক এব নমস্যো বিক্ষীভ্যঃ -- অৰ্থাৎ মনুষ্যৰ বাবে এজনেই মাত্ৰ স্তুতিৰ যোগ্য ; তেৰেঁই হৈছে প্ৰভূ নাৰায়ণ --।

ঋষি-২ ঃ শুনালে উত্তম বাণী ; আমিও বুজিলো -- ন তস্য প্ৰতিমা অস্তি -- অৰ্থাৎ তেওঁ নিৰাকাৰ , নাই তেওঁৰ কোনো মূৰ্তি , সমস্ত ভূততে তেওঁ বিৰাজমান ।

**সূত্ৰ ঃ এনেতে গোকৰ্ণ সোমাই আহে ---------**

গোকৰ্ণ ঃ প্ৰণাম ঋষিগণ ---

ঋষি-১ ঃ কিযে পৰম ভাগ্য আমাৰ , মহাত্মা গোকৰ্ণৰ আজি আমি পাইছো সঙ্গ ।

ঋষি-২ ঃ আহক ধৰ্মাত্মা , এই আসন গ্ৰহণ কৰি দিয়ক আমাক শাস্ত্ৰৰ তত্ব জ্ঞান ।

গোকৰ্ণ ঃ হে পুণ্যগণ, আমি নহয় ইমানৰ যোগ্য , নিজেই আজি সমস্যাত দিগ্‌ভ্ৰান্ত । আহিছো আজি আমি আপোনাসৰৰ সমীপে বিচাৰি নোপোৱা সমস্যাৰ সমাধান বিচাৰি ?

ঋষি-১ ঃ আপোনাৰ দৰে মহাত্মাইনো কেনে সমস্যাৰ পোৱা নাই সমাধান --- ?

গোকৰ্ণ ঃ হে পুণ্যজন, আপোনাসৰ নিশ্চয় জ্ঞাত আমাৰ জ্যেষ্ঠ ভাতৃ ধুন্ধুকাৰীৰ বিষয়ে ; ভাতৃৰ আত্মাৰ মুক্তিৰ বাবে আমি গয়া আদি তীৰ্থত কৰিলো শ্ৰাদ্ধ , দিলো দান । লভিছিলো সান্তনা মুক্তি দিয়ালো বুলি দাদাৰ আত্মাক । কিন্তু হে ঋষিগণ, আমাৰ ধাৰণা ভুল ; দাদাৰ আত্মাক আমি নোৱাৰিলো দিয়াব মুক্তি । তাতোকৈ হলো আচৰিত , দাদাই পালে স্থান প্ৰেতৰ সমাজতহে।

ঋষি-১+২ঃ প্ৰেতৰ সমাজত --- ?

ঋষি-১ ঃ হে ধৰ্মাত্মা , ক্ষমিব আমাক , আপোনাৰ দৰে আমাৰো আছিল ধাৰণা শ্ৰাদ্ধ , দানৰ দ্বাৰা মহা পাপীয়েও পাব মুক্তি । যদি আপুনিয়ে হৈছে বিফল নোৱাৰিম দিব ইয়াৰ সমিধান ।

ঋষি-২ ঃ হে ধৰ্মাত্মা, সত্যৰ সন্ধান মনুষ্যৰ বাবে যেতিয়া হয় ৰুদ্ধ শৰণাপন্ন হ'ব লাগে আমি প্ৰভূ নাৰায়ণৰ ; আমাৰ বোধেৰে আপুনি শ্ৰীহৰিৰ লওক সহায় ---

গোকৰ্ণ ঃ উচিত পৰামৰ্শ আপোনাৰ ; হে প্ৰভূ দয়াময়, তুমি দয়াৰ সাগৰ ; হে প্ৰভূ কৃপাময়, তুমি কৰুণাময় কৃপা কৰা প্ৰভূ কেনেদৰে দাদা ধুন্ধুকাৰীক প্ৰেত ৰূপৰ পৰা দিয়াঁও মুক্তি ? ---

***(আঃ বাণীঃ হে গোকৰ্ণ, শ্ৰীমদ্ভাগৱতে দিব মুক্তি ; সপ্ত দিন ধৰি তুমি ভাগৱত পাঠৰ কৰা আয়োজন ; অ গোকৰ্ণ , সপ্ত দিন ধৰি ভাগৱত পাঠৰ তুমি কৰা আয়োজন ---)***

গোকৰ্ণ ঃ অশেষ ধন্যবাদ প্ৰভূ , মাৰ্গ দৰ্শন কৰিলে আমাক । ঋষিগণ, শুনিলেনে আপোনাসৰে প্ৰভূৰ বাণী ? বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰই দিব দাদা ধুন্ধুকাৰীক প্ৰেতৰ পৰা মুক্তি ।

ঋষি-১ ঃ শুনিলো মহাত্মা, আয়োজন কৰক আপুনি সপ্ত দিৱসৰ ভাগৱত পাঠ। শ্ৰৱণ কৰি আমিও আমাৰ জীৱনো কৰোঁ ধন্য ।

গোকৰ্ণ ঃ ব'লক তেন্তে সকলোৰে কৰিব সহযোগ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে কলি সোমাই আহে । পাছত উত্ৰাৱল হৈ পাপ আৰু অধৰ্ম ---**

পা+অ ঃ যুগপতি , যুগপতি -----

কলি ঃ কি হৈছে তোমালোকৰ ? কিয় দেখিছো আজি তোমালোকক নিস্তেজ আৰু শংকিত ৰূপত ?

পাপ ঃ যুগপতি , সঁচাই আজি আমি চিন্তিত , শংকিত আজি আমি নিজ অস্তিত্বক লৈ ----

কলি ঃ পাপ, কি কৈছা তুমি ? তোমালোক মোৰ অত্যন্ত বিশ্বস্ত প্ৰহৰী , মহা পৰাক্ৰমী । তেনেস্থলত কোনে দিলে তোমালোকক প্ৰত্যাহ্বান ? কোনে তোমালোকক কৰিলে শংকিত ?

অধৰ্ম ঃ যুগপতি, ভাগৱত শাস্ত্ৰই আমাক কৰিছে শংকিত -----

কলি ঃ ভাগৱত শাস্ত্ৰ ? এখন সাধাৰণ শাস্ত্ৰই হাঃ হাঃ হহোঁৱালা অধৰ্ম , মোৰ মহা পৰাক্ৰমী সহচৰ পাপ আৰু অধৰ্ম আজি হৈছে ভীতিগ্ৰস্ত এখন সাধাৰণ শাস্ত্ৰৰ প্ৰতি হাঃ হাঃ---

অধৰ্ম ঃ যুগপতি, নহয় সাধাৰণ শাস্ত্ৰ ভাগৱত ; বুজিলো আমি শাস্ত্ৰৰ মহিমা। জ্যেষ্ঠ ভাতৃ ধুন্ধুকাৰীৰ আত্মাক মুক্তি দিয়াৰ উদ্দেশ্যে গোকৰ্ণই আয়োজন কৰিছে সপ্ত দিনৰ ভাগৱত পাঠ । আগমন ঘটিছে তালৈ মনুষ্যকে ধৰি স্বৰ্গৰ দেৱগণৰ । আজি হৈছে ষষ্ঠ দিৱস ।

পাপ ঃ সৃষ্টি হৈছে তাত দ্বিতীয় বৈকুণ্ঠপুৰী । অধৰ্মৰ সৈতে মই গৈছিলো সেই স্থানে । কিন্তু যুগপতি, নোৱাৰিলো চাপিব ওচৰ --আঃ কি শব্দ, নোৱাৰিলো সহিব, আমাৰ কৰ্ণ গ'ল ফাটি।

কলি ঃ আঃ বুজিলো , চল কৰিলে নাৰায়ণে মোক । আঃ নাৰায়ণ, তুমি চলনাকাৰী, কলিৰ সাম্ৰাজ্য বিস্তাৰত তুমি সুদৰ্শনৰূপে চলালা ভাগৱত শাস্ত্ৰ । পাপ আৰু অধৰ্ম, নিজক ৰাখিবা বচাই ; যি স্থানে, যি গৃহে ভাগৱত শাস্ত্ৰৰ চলিব চৰ্চা তাত নকৰিবা প্ৰৱেশ --- আমিও গ্ৰহপতি , নহওঁ বিচলিত ; প্ৰত্যাহ্বান লৈছো আদৰি । ব'লা পাপ, ব'লা অধৰ্ম, যাঁও আমি মৰতৰ অন্য দিশে চলাওঁগৈ আমাৰ সাম্ৰাজ্য বিস্তাৰ --

**সূত্ৰ ঃ তিনিওৰে প্ৰস্থান। আনফালে নাৰদ -----**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; প্ৰভু , তুমি কৰুণাময়, তুমি দয়াময়, বেদৰ গুপুত বিত্ত ৰাখি গৈছা তুমি ধৰাৰ বক্ষত মহাভাগৱত শাস্ত্ৰ ৰূপে । প্ৰভু, তোমাৰ গুণনাম প্ৰকাশে সৃষ্ট শব্দ বাণত কলিসহ অনুচৰগণে কৰিছে পলায়ন । বুজিলো প্ৰভু, মনৰ সংশয় আমাৰ গ'ল আঁতৰি । যিমানেই নকৰক কিয় কলিয়ে চেষ্টা নোৱাৰে কৰিব বিচলিত মৰতৰ মনুষ্যক । হে জগতবাসী, -- নিষ্কামে কৰিয়া সকল কৰ্ম । বিষ্ণুত অৰ্পিব সি সৱ ধৰ্ম ।।

শ্ৰৱণ কীৰ্তন তাহাৰ ফল -- নাৰায়ণ, নাৰায়ণ ; তোমাৰ চৰণত প্ৰভু এই নিঃকিন নাৰদৰ শতকোটি প্ৰণাম । যাঁও এৱে গোকৰ্ণৰদ্বাৰা আয়োজিত মহাভাগৱত শাস্ত্ৰৰ শ্ৰৱণ - কীৰ্তনে কেনেদৰে ধুন্ধুকাৰীক দিয়াব মুক্তি তাক কৰোঁগৈ নিৰীক্ষণ -----

**সূত্ৰ ঃ নাৰদৰ প্ৰস্থান। আনফালে শিৰে ভাগৱত শাস্ত্ৰ লৈ আগে আগে গোকৰ্ণ আৰু পাছত ঋষিগণ আহে -- ( মাঙ্গলিক বাদ্য বাজে )**

**গীত**

**শিৰে লৈয়া ভাগৱত আহে গোকৰ্ণ ।**
**সপ্ত দিনা কৰোঁ বুলি শ্ৰৱণ কীৰ্ত্তন ।।**
**দেখা দেখা সৰ্বজন হুয়া একমন ।**
**ৰাম হৰি বোলা সৱে সভাসদ গণ ।।**

গোকৰ্ণ ঃ পুণ্যগণ , আজি এই পবিত্ৰ ভাগৱত শাস্ত্ৰভাগৰ শ্ৰৱণ কীৰ্তনৰ সপ্তম তথা অন্তিম দিৱস । আশা কৰিম আজিৰ পাঠৰ অন্তত দাদা ধুন্ধুকাৰীৰ আত্মাই পাব মুক্তি ।

ঋষি-১ ঃ নিশ্চয় মুক্তি পাব ; ধৰ্মাত্মা , আজি অন্তিম দিৱসৰ পাঠৰ কীৰ্ত্তন আপুনি কৰক আৰম্ভ --

গোকৰ্ণ ঃ নিশ্চয় , আপোনাসৱেও কৰিব আশীৰ্বাদ --- ওঁম নমো ভগৱতে বাসুদেৱায় --

**সূত্ৰ ঃ ডবা-শংখ বাজে। এনেতে দিব্যৰূপ ধাৰণ কৰি ধুন্ধুকাৰী সোমাই আহে -**

ধুন্ধুকাৰী ঃ হে মহাত্মা গোকৰ্ণ, তোমাক যাঁচিছো প্ৰণাম ----

গোকৰ্ণ ঃ দাদা --, আপোনাৰ এনে দিব্যৰূপ ?

ধুন্ধুকাৰী ঃ গোকৰ্ণ, তুমি আমাক কৰিলা উদ্ধাৰ । প্ৰেতৰূপে সৌ সাতোটা পাবৰ বাঁহডালত সোমাই তোমাৰ মুখপদ্মৰে শ্ৰৱণ কৰিলো বৈকুণ্ঠৰ কল্পতৰু এই ভাগৱত শাস্ত্ৰভাগি । ক্ৰমে আমাৰ পাপ হ'ব ধৰিলে ক্ষয়। প্ৰতিদিনে সান্ধ্য বেলা যেতিয়া তুমি সামৰা পবিত্ৰ ভাগৱতৰ কীৰ্ত্তন বাঁহৰ এপাব

ফুটি আমি আঁহো আগুৱাই । তেনেদৰে সপ্ত দিৱসত বাঁহৰ সাতোটা পাব ফালি প্ৰেত ৰূপৰ পৰা আমি পালো মুক্তি ; ধাৰণ কৰিলো এই দিব্য কলেবৰ। সৌৱা, বৈকুণ্ঠৰ পাৰিষদ আহিছে আমাক নিবলৈ । ভাতৃ, তোমাক জনাইছো প্ৰণাম আৰু এই মহান ভাগৱত শাস্ত্ৰভাগিক সাষ্টাংগে কৰোঁ প্ৰণিপাত ( সেৱা কৰে ) এতিয়া আমি আঁহো পুণ্যগণ --- ( **প্ৰস্থান** )

গোকৰ্ণ ঃ যাওক দাদা , জগতেও দেখিলে আজি ভাগৱতৰ মাহাত্ম্য । হে পুণ্যগণ , আজি সাতোটা দিনে আপোনাসৱে আমাক দিলে সঙ্গ । তাৰবাবে জনাইছো আপোনাসৱক অশেষ ধন্যবাদ ।

ঋষি-২ ঃ হে ধৰ্মাত্মা, আপোনাৰ মুখপদ্মৰে এই পবিত্ৰ শাস্ত্ৰভাগ শ্ৰৱণ কৰাৰ সৌভাগ্য মিলিল আমাৰ । আমিও আপোনাক জনাইছো অশেষ ধন্যবাদ -----

গোকৰ্ণ ঃ পুণ্যগণ, আহক আমি বৈকুণ্ঠৰ কল্পতৰু এই ভাগৱত ভাগ ভক্তিভাৱে থওঁগৈ যথা স্থানত ।

ঋষিগণ ঃ ব'লক মহাত্মা ---

গীত - ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ পৰিতাল )

**শিৰে লৈয়া ভাগৱত চলি যায় সৱে।**
**শ্ৰৱণ কীৰ্ত্তন কৰি জীৱই মুকুতি লভে ।।**
**পাপক নাশিয়া প্ৰভূ ধৰ্মক থাপিলা ।**
**সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগ সমাপ্ত হয় ।**

গীত - (ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি , ভাগৱত মাহাত্ম্য , গোকৰ্ণ - ধুন্ধুকাৰী আখ্যান নাটকং সম্পূৰ্ণ মিতি ।।

**সমাপ্ত**

জয় গুৰু শঙ্কৰ



# মুৰাৰি কৃষ্ণ;
# বৰ্বৰিকৰ শিৰদান

নাট্যৰূপ ঃ শ্ৰীৰাজীৱ গগৈ
তিতাবৰ, যোৰহাট
যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১. সূত্ৰধাৰ
২. শ্ৰীকৃষ্ণ
৩. বলৰাম
৪. ইন্দ্ৰদেৱ
৫. অগ্নিদেৱ
৬. ভীম
৭. ঘটোৎকচ --( প্ৰধান চৰিত্ৰ )
৮. বৰ্বৰিক
৯. মুৰ দৈত্য
১০. বজ্ৰবাহু ( দৈত্যৰ সেনাপতি )
১১. অলম্বুষ ( ৰাক্ষস )
১২. বাসুকী ( নাগ ৰাজ )
১৩. তক্ষক ( নাগৰাজৰ ভাতৃ )
১৪. দণ্ডকা ( পাতাল দৈত্য )
১৫. জংঘা ( দৈত্য ভাতৃ )
১৬. কলংঘ ( দৈত্য ভাতৃ )
১৭. প্ৰহৰী

## নাৰী চৰিত্ৰ

১. মৌৰবী -- ( প্ৰধান চৰিত্ৰ )
২. হিড়িম্বা
৩. কামাখ্যা দেৱী

## মুখা

১/ ময়ুৰ পক্ষী
২/ ডিঙিলৈকে কটা এটা নৰ মস্তক

শ্ৰী কৃষ্ণায়ে নমো নমঃ

শ্লোক ঃ **যশোদানন্দনং কৃষ্ণং ব্ৰহ্মাদিদেৱ বন্দিতম্ ।**
**পাপী নিস্তাৰকং সৰ্বলোকানাং পৰিপালকম্ ।।**
**চৰাচৰানাং লোকানামাশ্ৰয়ং পাপনাশনম্ ।**
**ভূ-ভাৰ হৰকং দেৱ ৱন্দেহং জগতাং গুৰুম্ ।।**

অপিচ ঃ যেনাকাৰি ভকত বৎসল দেৱ জনাৰ্দন --- ভূমিভাৰ ৰক্ষাৰ্থেয়ো যুগে যুগে অৱতাৰ ।।

**গীত ঃ নান্দী (ৰাগ ঃ সুহাই ; তাল ঃ একতাল )**

**জয় জয় দেৱ নাৰায়ণ ।**
**তুৱা পাৱে কৰহো বন্দন ।।**
**নানা ৰূপে হুয়া অৱতাৰ ।**
**হৰিলাহা পৃথিৱীৰ ভাৰ ।।**
**যেন হৰি পদে মোৰ গতি ।**
**ৰাম হৰি ঘোষিও সম্প্ৰতি ।।**

--- নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা ইয়ং -- **মুৰাৰি কৃষ্ণ, বৰ্বৰিকৰ শিৰদান** -- নাটকং শ্ৰৱনে মুক্তি সাধকম -----

**অথ ভটিমা**

**জয় জয় কৃষ্ণ যদুপতি ।**
**তুৱা পাৱে কৰোহো মিনতি ।।**
**মৰ্ত্ত্যত আছিল মুৰ দৈত্যপতি ।**
**তাহাক বধিলা প্ৰভূ যদুপতি ।।**
**মুৰৰ নন্দিনী মৌৰবী সুন্দৰী ।**
**বিবাহিলা ঘটোৎকচক কৃষ্ণৰ আজ্ঞা পালি ।।**
**মৌৰবীৰ গৰ্ভে বৰ্বৰিক জন্মিলা ।**
**নিজ গুণে জগতত খ্যাতি লভিলা ।।**
**হেন জানি নৰলোকে এৰি আন কাম ।**
**পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।**

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ।

সূত্ৰ ঃ আ -হাহা মিলল , মিলল, আহে সভাসদ হামো যাকেৰি কথা কহেছি উহি জগত পতি শ্ৰীকৃষ্ণ পীত বস্ত্ৰে পৰিধান কৰিয়ে সভাৰ মধ্যে এ... আৱত , আৱত , আৱত ; তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল ।।

( শ্লোক নৃত্য )

ইতি সুত্ৰ নৃত্য নিস্ক্ৰান্ত ঃ

**সূত্ৰ ঃ সভাত শ্ৰীকৃষ্ণৰ প্ৰৱেশ -------**

শ্লোক ঃ প্ৰৱেশম কৰোত কৃষ্ণ, চক্ৰান্ত কাম কৌটিজীত , জগতং জনক ধাতা , দুষ্ট দানৱ দাৰণ ----

গীত ( ৰাগ- সিন্ধুৰা , তাল- একতাল )

পৰম পুৰুষ প্ৰভু দিলা দৰিশন।
যাক দেখি মহা সুখী হোৱে সৰ্বজন।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা নিৰন্তৰে ।।

কৃষ্ণ ঃ আমিয়েই বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীৰ শৰীৰত স্থিত প্ৰাণ । আমাৰ পৰাই উৎপন্ন হয় অপোহন , স্মৃতি আৰু জ্ঞান । অবিনাশী জীৱাত্মাতকৈও আমি উত্তম , আমিয়ে হ'লো পুৰুষোত্তম । যিজনে কদাপি নকৰে হিংসা, নকৰে শোক, নাই কামনা, নাই বাসনা আৰু আমাতেই চিত্ত অৰ্পণ কৰা তেনে ভক্তজনক মৃত্যুৰূপী সংসাৰ সাগৰৰ পৰা আমিয়ে কৰোঁ উদ্ধাৰ -- যাঁও এৱে ভক্তৰ কল্যাণৰ বাবে নিজ কৰ্তব্য কৰোঁগৈ পালন।

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান। আনফালে সভাত বলৰামৰ প্ৰৱেশ -------------**

গীত ঃ (ৰাগ- আশোৱাৰী , তাল - ৰক্ত )

প্ৰৱেশ সভাৰ মাজে ৰোহিণী নন্দন ।
ধীৰে ধীৰে চলি আহে দেখিতে শোভন ।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰে ।।

বলো ঃ বলৰাম মই ৰোহিনীনন্দন । সত্য , ধৰ্মতেই অৰ্পিছো জীৱন । কিন্তু দেখি পাপ , দেখি অধৰ্ম, প্ৰতি পলে জাগে ক্ৰোধ মোৰ হৃদয়ত । কি যক্ষ, কি ৰক্ষ, কি মনুষ্য সৱে আচৰে পাপ , সৱে কৰে অধৰ্ম । এনে লাগে হাতে হল ধৰি জগতৰ সমস্ত পাপীক মই কৰিম নিধন । কিন্তু নোৱাৰোঁ ; নাজানো কি আছে কৃষ্ণৰ সম্মোহন ; অদম্য ক্ৰোধকো মোৰ কৃষ্ণই কৰে শান্ত । যাঁও এৱে মই কৃষ্ণৰ সমীপে, লভি সান্নিধ্য মন মোৰ কৰোঁ প্ৰফুল্ল ----

**সূত্ৰ ঃ বলৰামৰ প্ৰস্থান । আনফালে সভাত দেৱী কামাখ্যাৰ প্ৰৱেশ ----**

গীত ঃ ( ৰাগ- সুহাই , তাল- একতাল )

আৱত সভাৰ মাজে দেৱী কামাখ্যা ।
অসুৰ বিনাশী তুমি সবাৰে আৰাধ্যা ।।
কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে।
ডাকি হৰি হৰি বোলা সভাসদ নৰে।।

**সূত্ৰ ঃ কামাখ্যাৰ প্ৰস্থান । সভাত দেৱৰাজ ইন্দ্ৰ আৰু অগ্নিদেৱৰ প্ৰৱেশ ---**

গীত- (ৰাগ ঃ নাটমল্লাৰ ; তাল ঃ যতি )

অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।
সঙ্গে আহে অগ্নিদেৱ দেখিতে সুৱেশ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।

ইন্দ্ৰ ঃ সৰগৰ অধীশ্বৰ মই দেৱ পুৰন্দৰ। দেৱতাৰ দেৱত্ব আজি বিকশিত, গুণগান আজি জগতত বিস্তাৰিত আৰু মন মোৰ অতিকে আনন্দিত হাঃহাঃ। অগ্নিদেৱ, কি শুনিছে আপুনি মৰতত ?

অগ্নি ঃ শুনো দেৱৰাজ আজি মৰতত কেৱল দেৱ মন্ত্ৰ, শৰনাগত মনুষ্য আজি আমাৰ চৰণত ; ঈৰ্ষান্বিত , শংকিত আজি দানৱ - অসুৰ দেৱতাৰ উত্থানত হাঃ হাঃ--

ইন্দ্ৰ ঃ উত্তম বচন বুলিলে অগ্নিদেৱ , ঈৰ্যান্বিত আজি দানব -অসুৰ দেৱতাৰ উত্থানত, দেৱতাৰ উজ্বলিত বৈভৱত । কি নাই মোৰ এই অমৰাপুৰীত --হাঃহাঃ আছে শক্তিশালী অমৰমণ্ডলী, সুশোভিত মোৰ ইন্দ্ৰাসন , জাতিস্কৃত সৌ নন্দন-কানন, লোভনীয় সোমৰস আৰু আছে কামিনী অপেশ্বৰীগণ হাঃহাঃ-

অগ্নি ঃ দেৱৰাজ , কৰোঁ অনুৰোধ , মহোৎসৱৰ কৰক আয়োজন ; দেখক জগতে দেৱতাৰ বৈভৱ --

ইন্দ্ৰ ঃ অতি উত্তম প্ৰস্তাৱ আপোনাৰ । নিশ্চয় প্ৰকাশি সৰগৰ বৈভৱ, আয়োজন কৰিম এক মহোৎসৱৰ । ব'লক অগ্নিদেৱ , মহোৎসৱৰ কৰোঁগৈ আয়োজন --

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। আনফালে সভাত মুৰনন্দিনী মৌৰৱীৰ প্ৰৱেশ-------**

**গীত - (ৰাগ ঃ ধনশ্ৰী ; তাল ঃ একতাল )**

**প্ৰৱেশিলা সভাৰ মাজে মৌৰবী সুন্দৰী।**
**লয়লাসে চলি আহে দৈত্যৰ নন্দিনী ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰে।।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।**

মৌৰৱী ঃ হে মা, জগত ঘৃণীত দৈত্য কুলত জন্ম মোৰ। আমি মূঢ়মতি, অজ্ঞান বৰ্বৰ । নাজানি তোমাৰ মহিমা পূৰ্বজ গণে তোমাক কৰিছে অপমান। তাৰ ফলো পাইছে তেওঁলোকে তোমাৰ হাতত । মা , অজ্ঞান বুলি তুমি আমাক কৰিবা ক্ষমা । কি দি সন্তুষ্ট কৰিম এই অৱলা নাৰীয়ে নাজানো সমূলি ? তোমাৰ চৰণত নিবেদিছো সেৱা তাকে লৈ সন্তুষ্ট হোৱা মা ---

ওঁম হ্ৰীং হ্ৰীং ক্লীং ক্লীং কামাখ্যায়ে নমঃ।।

**সূত্ৰ ঃ কামাখ্যা দেৱীৰ আৱিৰ্ভাৱ হয় ----------------**

কামাখ্যা ঃ উঠা মৌৰৱী , তোমাৰ ভক্তিত আমি হৈছো সন্তুষ্ট ।

মৌৰৱী ঃ মা ; অহোভাগ্য মোৰ ; মোৰ সেৱা কৰিব গ্ৰহণ ।

কামাখ্যা ঃ উঠা মৌৰৱী , কিয় আৰাধিলা আমাক ?

মৌৰৱী ঃ মা , পিতা মোৰ প্ৰাগজ্যোতিষৰ অধিপতি দৈত্যৰাজ মুৰ । পিতা মোৰ পূজনীয় , অতিকে মৰমৰ। পিতাৰ বাবেই মই কৰিছো তপ ; দিয়ক মা, দিয়ক মোৰ পিতাক আপুনি অমৰত্ব বৰ।

কামাখ্যা ঃ সংসাৰ সাগৰত জন্মিছে যেতিয়া জীৱৰ মৰণ নিশ্চিত। তোমাৰ পিতাও নহ'ব ব্যতিক্ৰম। বিধাতাৰ লিখন খণ্ডি আমিও কদাপি দিব নোৱাৰিম অমৰত্ব বৰ ; তুমি অন্য বৰ বিচাৰা পুত্ৰী ।

মৌৰৱী ঃ পিতাই কৰে হাবিয়াস ত্ৰিলোকবিজেতা হোৱাৰ। কৰিব বিচাৰে স্বৰ্গ জয় । হে মা , তেন্তে আপুনি এই বৰকে কৰক প্ৰদান -- দেৱতা, গন্ধৰ্ব, যক্ষ, ৰক্ষ, নাগ, দানব আৰু অসুৰৰ হাতত যাতে মোৰ পিতাৰ নহয় মৃত্যু ।

কামাখ্যা ঃ তথাস্তু ; মৌৰৱী , মোৰ প্ৰিয় ভক্ত , ইমান কঠোৰ তপ কৰিলা কি কেৱল পিতাৰ বাবেহে ?

মৌৰৱী ঃ পিতা স্বৰ্গ, পিতা ধৰ্ম, পিতাহি পৰমং তপঃ--সেয়ে মা , পিতাৰ কল্যাণেই একমাত্ৰ কাম্য মোৰ।

কামাখ্যা ঃ ধন্য ধন্য মৌৰৱী, জগতত উৎকৃষ্ট নিদৰ্শন ৰাখিলা কন্যাৰ। তোমাৰ ভক্তিত আমি অতিকে আনন্দিত । দিছো আশীৰ্বাদ বীৰৰ পত্নী হৈ হ'বা খ্যাতিমান , তোমাৰ পুত্ৰ হব অতি গুণৱান।

মৌৰৱী ঃ অশেষ ধন্যবাদ কৰিছো জ্ঞাপন তোমাৰ চৰণত ।

কামাখ্যা ঃ ভাগ্যৱতী হোৱা --- ( **প্ৰস্থান** )

মৌৰৱী ঃ পিতা , তোমাৰ মনৰ আশা পূৰ্ণ হ'বলৈ আৰু বেছি ক্ষণ নাই ---

**সূত্ৰ ঃ মৌৰৱীৰ প্ৰস্থান । সভাত দৈত্যৰাজ মুৰ আৰু সেনাপতি বজ্ৰবাহুৰ প্ৰৱেশ--**

গীত ঃ ( ৰাগ - কানাড়া ; তাল-পৰিতাল , একতাল )
প্ৰৱেশ কৰিয়া আহে মুৰ দৈত্যপতি।
পদভৰে থৰাথৰ কম্পে বসুমতী ।।
হেনজানি নিৰন্তৰে এৰা আন কাম ।
সামাজিক লোকে ডাকি বোলা ৰাম ৰাম।।

মুৰ ঃ দৈত্যৰাজ মই মুৰ, দৈত্যৰ শক্তি বিস্তাৰৰ আছে মোৰ দুৰ্বাৰ আকাংখ্যা হাঃ হাঃ ; কিন্তু, লক্ষ্য মোৰ এতিয়াও সুদূৰত । আঃ আৰু কিমান কৰিম অপেক্ষা ? সেনাপতি বজ্ৰবাহু , নহ'বনেকি মোৰ স্বপ্ন পূৰণ , নহ'মনেকি মই জগত বন্দিত ?

বজ্ৰ ঃ দৈত্যপতি, কিয় কয় তেনেকৈ ? শুনক দৈত্যপতি, আজি আকাশে , বতাহে , গিৰি , কন্দৰে ধ্বনিত হৈছে কেৱল আপোনাৰেই জয়কাৰ -- ( **নেপথ্যত জয়কাৰ -- জয় প্ৰাগজ্যোতিষৰাজ দৈত্যপতি মুৰৰ , জয় প্ৰাগজ্যোতিষৰাজ দৈত্যপতি মুৰৰ** )

মুৰ ঃ আঃ ; বন্ধ কৰ, বন্ধ কৰ --- তহঁতৰ জয়কাৰে মোৰ হৃদয়ত জ্বলাইছে অগনি--

বজ্ৰ ঃ দৈত্যপতি, যদি অজানিতে কৰিলে অপৰাধ প্ৰধান সেনাপতিৰূপে মোক কৰক ক্ষমা ----

মুৰ ঃ দৈত্যপতি মুৰৰ জয়কাৰ কেৱল প্ৰাগজ্যোতিষ ৰাজ বুলি ? স্বপ্ন মোৰ ত্ৰিলোকবিজেতাৰ ; স্বৰ্গৰ দেবেন্দ্ৰ, পাতালৰ বাসুকী, নৰকৰ যমক কৰিম মোৰ পদানত । স্বৰ্গ, মৰ্ত্য, পাতাল দশোদিশে হ'ব লাগিব গুঞ্জৰিত ত্ৰিলোকবিজেতা দৈত্যৰাজ মুৰৰ নাম --- হাঃ হাঃ বজ্ৰবাহু, তেহে মোৰ ৰণতৃষ্ণা পৰিব শাম -----

বজ্ৰ ঃ তেন্তে পলম কিয় দৈত্যপতি , ৰণৰ বাবে সদা প্ৰস্তুত তৱ সেনাপতি এই বজ্ৰবাহু । ব'লক দৈত্যপতি, স্বৰ্গই প্ৰথমে কৰোঁ আক্ৰমণ, পৰাস্ত কৰি দেৱতাক কৰোঁ অমৃত পান , হাঃ হাঃ অমৰত্ব লভি মই পাতালৰ বাসুকীকো আপোনাক কৰিম প্ৰদান ।

মুৰ ঃ হাঃ হাঃ তোমাৰ বীৰত্ব হৈছে মোৰ স্বাভিমান ; পাছে ৰাখিবা মনত--ধৈৰ্য , কৌশল হৈছে প্ৰকৃত বীৰৰ সোপান। ময়ো সেয়ে ধৰিছো ধৈৰ্য , কৰিছো অপেক্ষা কন্যাৰ সফলতালৈ । পিতৃৰ যশস্যা বৃদ্ধিৰ বাবে মোৰ কন্যা মৌৰবীয়ে কৰিছে দেৱী কামাখ্যাক ধ্যান, মৌৰবীৰ ওপৰত আছে দৃঢ় বিশ্বাস -- হাঃ হাঃ বজ্ৰবাহু আৰু কিছুদিন মাথো কৰা অপেক্ষা --

**সূত্ৰ ঃ এনেতে মৌৰবী--------------------**

মৌৰবী ঃ পিতা , আৰু নালাগে অপেক্ষা কৰিব । কঠোৰ তপেৰে দৰ্শন লভি মা কামাখ্যাৰ আহিছে তোমাৰ কন্যা ।

মুৰ ঃ মৌৰবী, কন্যা মোৰ তুমি আহিলা । দৰ্শন লভিলা তুমি মা কামাখ্যাৰ -- অৰ্থাৎ হাঃহাঃ অমৰত্ব লভিলে তোমাৰ পিতাই ; সেনাপতি , অমৰত্ব লভিলে এই দৈত্যৰাজ মুৰে হাঃ হাঃ হাঃ----

মৌৰবী ঃ ক্ষমা কৰিবা পিতা , ক্ষমা কৰিবা ; অমৰত্ব বৰ লভাত অক্ষম হ'লো মই ------

মুৰা ঃ মৌৰবী --, এয়া কি কৈছ তই ? তোৰ ওপৰত আছিল মোৰ অগাধ বিশ্বাস ; অথচ তয়ে হ'লি বিফল। আঃ ধৈৰ্য মোৰ গ'ল বিফলে ; অমৰত্ব নলভিলে এই দৈত্যৰাজ মুৰে ; হে দেৱীমা, স্বপ্ন মোৰ --- স্বপ্ন মোৰ নহ'বনেকি পূৰণ ?

মৌৰবী ঃ বেজাৰ নকৰিবা পিতা , অমৰত্বৰ পৰিৱৰ্তে মা কামাখ্যাই দিছে তোমাক অজেয় বৰ । অ পিতা, তুমি অজেয়। দেৱতা - গন্ধৰ্ব, যক্ষ-ৰক্ষ, নাগ-দানব আৰু অসুৰৰ হাতত তোমাৰ পিতা নহয় মৃত্যু ।

মুৰ ঃ দেৱতা , যক্ষ , ৰক্ষ , নাগ , দানব আৰু অসুৰৰ হাতত যদি মোৰ নহয় মৃত্যু তেন্তে কোনে মাৰিব মোক ? হাঃ হাঃ এয়াইতো অমৰত্ব । অ মৌৰবী, এয়াইতো অমৰত্ব । হাঃ হাঃ-- ধন্য , ধন্য মৌৰবী , চল কৰি ল'লা তুমি দেৱীৰপৰা মোৰ অমৰত্ব বৰ --- হাঃ হাঃ অমৰ হ'লো মই । সেনাপতি , অমৰ হ'লো মই -- সাৱধান স্বৰ্গৰ দেৱতা , সাৱধান পাতালৰ বাসুকী , মহাকাল ৰূপে তহঁতৰ গৈ আছে এই দৈত্যৰাজ মুৰ ।

বজ্ৰবাহু ঃ দৈত্যপতি, প্ৰথমে স্বৰ্গই কৰোঁ আক্ৰমণ। হীন বুলি , নীচ বুলি , আমাক সিহঁতে কৰে অপমান , গৰ্বিত দেৱতাৰ বুকু ফালি মই কৰিম ৰক্ত পান হাঃ হাঃ--

মুৰ ঃ উত্তম উত্তম অতি উত্তম । মৌৰবী , তুমি কৰাগৈ বিশ্ৰাম ; যাঁও মই স্বৰ্গৰ দিশে --

মৌৰবী ঃ যাওক পিতা, দেৱীমাৰ কৃপাত আপুনি নিশ্চয় বিজয়ী হ'ব। ময়ো যাঁও কৰোঁগৈ বিশ্ৰাম - - (প্ৰস্থান )

মুৰ ঃ সেনাপতি, ওলোৱা স্বৰ্গৰ দিশে, চক্ৰ ধৰি যদি বিষ্ণুয়েও কৰে যুদ্ধ , মহাশূল ধৰি যদি ৰুদ্ৰই কৰে বাট ৰুদ্ধ, তথাপি স্বৰ্গচ্যুত কৰি দেৱতাক, পদতলত ৰাখি দেৱেন্দ্ৰক শাসন কৰোঁগৈ আমি স্বৰ্গলোকত -- কৰা এৱে জয়ধবনি মেদিনী কঁপাই; স্বৰ্গ, মৰ্ত্য পাতাল উঠক উতলি -

বজ্ৰ ঃ জয় দৈত্যৰাজ মুৰৰ, জয় দৈত্যৰাজ মুৰৰ, জয় দৈত্যৰাজ মুৰৰ -----

**যুদ্ধযাত্ৰা ঃ গীত - ( ৰাগঃ ভাটিয়ালি, তাল ঃ ৰচক )**

**ৰণ হেতু চলি যাই অসুৰ দুৰ্জন।**
**কোলাহল কৰি চলে মেঘৰ গৰ্জন ।।**

**সূত্ৰ ঃ দৈত্যগণৰ যুদ্ধযাত্ৰা কৰি প্ৰস্থান। আনফালে ৰণসাজে দেৱগণ ----------**

ইন্দ্ৰ ঃ দেৱগণ হওক সাজু , কু অভিপ্ৰায়ে অধম দৈত্য আহিছে আমাৰ সৰগৰ দিশে --

**সূত্ৰ ঃ এনেতে জয়ধবনি কৰি দৈত্যগণ আহে ----------------------**

ইন্দ্ৰ ঃ সাৱধান অধম দৈত্য , সৰগৰ বৈভৱত , দেৱতাৰ মহোৎসৱত ইৰ্ষান্বিত হৈ চুৰৰ দৰে কৰিছ প্ৰৱেশ । সাৱধান , আৰু এখোজো নাবাঢ়িবি আগ ; ইয়াৰ পৰাই তহঁত যা উলতি -------

মুৰ ঃ হাঃ হাঃ এখোজো নাবাঢ়িম আগ , ইয়াৰপৰাই যাম উলতি হাঃ হাঃ যদি নাযাঁও -- ?

ইন্দ্ৰ ঃ মৃত্যু অনিবাৰ্য তোৰ ; বজ্ৰপাণি মই, এই বজ্ৰ হানি চিৰ বিদায় দিম তোক জগতৰ পৰা ---

মুৰ ঃ নৰকাসুৰৰ মিত্ৰ এই মুৰ দৈত্যক দিবি চিৰ বিদায় ? হাঃ হাঃ -- শুনিলা বজ্ৰবাহু, মুৰ দৈত্যই ল'ব চিৰ বিদায় হাঃ হাঃ -- অহংকাৰী দেৱেন্দ্ৰ, বজ্ৰক লৈ তোৰ ইমান অহংকাৰ । আছো সাজু হৈ ; কৰ প্ৰহাৰ ; ময়ো চাঁও কিমান শক্তিশালী তোৰ বজ্ৰ ------

ইন্দ্ৰ ঃ ইমান গৰ্ব, ইমান অহংকাৰ, মোৰ বজ্ৰক তই কৰ তিৰস্কাৰ । বৃত্ৰাসুৰৰ দৰে অসুৰক মোৰ এই বজ্ৰই কৰিলো নিধন । চা অধম, ল'লো হাতে বজ্ৰ তুলি, তোৰো আজি হ'ব পতন ।

মুৰ ঃ উত্তম , অতি উত্তম ; সেনাপতি কৰা আক্ৰমণ ----

**সূচনা**

**এহিবুলি দেৱাসুৰে ৰণ আৰম্ভিলা।**
**পদভৰে বসুমতী কঁপিব লাগিলা ।।**

**সূত্ৰ ঃ যুদ্ধত দেৱগণ পলাই যায় ------**

বজ্ৰ ঃ হাঃ হাঃ দৈত্যপতি, আমাৰ ভয়ত, স্বৰ্গ এৰি দেৱতাই কৰিলে পলায়ন হাঃ হাঃ--

মুৰ ঃ হাঃ হাঃ চোৱা জগতবাসী, হীন, নীচ বুলি ঘৃণিত এই মুৰ দৈত্যই আজি দেৱতাক কৰিলে পৰাস্ত ; মুৰৰ শাসন চলিব অমৰাৱতীত হাঃ হাঃ -- ব'লা সেনাপতি , স্বৰ্গৰ বৈভৱ কৰোঁগৈ উপভোগ -

**সূত্ৰ ঃ দৈত্যগণৰ প্ৰস্থান। আনফালে সভাত চিন্তিত মনে শ্ৰীকৃষ্ণ। এনেতে বলৰাম --**

বল ঃ কৃষ্ণ , --- কৃষ্ণ ---

কৃষ্ণ ঃ অ দাদা , প্ৰণাম ---

বল ঃ কৃষ্ণ , কিয় দেখো আজি তোমাক চিন্তিত মনে ?

কৃষ্ণ ঃ চিন্তিত --, নাই নাই দাদা , নহয় আমি চিন্তিত । আপোনাৰ দৰে জ্যেষ্ঠ থাকোতে কণিষ্ঠ জানো হ'ব চিন্তিত ?

বল ঃ তোমাক মই ভালদৰে জানো কৃষ্ণ, লুকুৱাইছা তুমি মোৰপৰা কোনো বাৰ্তা । কোৱা কানাই, কিবা বিপদ আহিছে নেকি দ্বাৰকাত ; নে আমাৰ কোনো আত্মীয়ৰ হৈছে কিবা অনিষ্ট ?

**সূত্ৰ ঃ এনেতে দেৱগণ-------------------------------**

ই+অ ঃ ৰক্ষা কৰক , ৰক্ষা কৰক --

বল ঃ দেৱগণ , কিয় আপোনাসৱ হৈছে ব্যাকুল ?

ইন্দ্ৰ ঃ হে দেৱ, হে প্ৰভু, স্বৰ্গলৈ আহিছে সংকট, ধৰ্মলৈ নামিছে সংকট । আমাক উদ্ধাৰ কৰক, ধৰ্ম ৰক্ষা কৰক প্ৰভু ------

বল ঃ দেৱগণ , কি সংকট আহিছে স্বৰ্গলৈ , কি সংকট আহিছে ধৰ্মলৈ ?
ইন্দ্ৰ ঃ হে বলদেৱ , স্বৰ্গহাৰা হ'লো আজি দেৱগণ ; দৈত্যপতি মুৰে স্বৰ্গ কৰিলে দখল ।
বল ঃ মুৰ -- ? অ নৰকাসুৰৰ সখা , প্ৰাগজ্যোতিষৰ ৰাজন সেই মুৰ দৈত্য --- ?
কৃষ্ণ ঃ হয় দাদা -- আপোনাৰ চিনাক্তকৰণ অতিকে নিখুঁত ।
বল ঃ আঃ সেই পাষণ্ডৰ ইমান পৰাক্ৰম ; বলবান দেৱেন্দ্ৰকো সি কৰিলে পৰাস্ত ?
অগ্নি ঃ হে বলদেৱ , সেই পাষণ্ডই প্ৰভূৰ নাম লোৱাতো দিছে বাধা । এনেদৰে থাকিলে জগতত ধৰ্ম হ'ব বিনষ্ট , অধৰ্মই কৰিব বিৰাজ ---
বল ঃ তেনে নোৱাৰে হ'ব কদাপি , থাকোতে জীৱিত বলৰাম দৈত্যই নোৱাৰিব কৰিব অধৰ্ম। কৃষ্ণ---
কৃষ্ণ ঃ নিশ্চয় দাদা, অধৰ্মীক বিধিৰ বিধান মতেই আমি দিম দণ্ড । দেৱগণ, অচিৰেই মুৰ দৈত্য হব নিধন ; আপোনাসৱে নিশ্চিন্তে কৰক গমন ।
ইন্দ্ৰ ঃ অশেষ ধন্যবাদ প্ৰভু , আমি তেন্তে বিদায়হে মাগো -- ( **দেৱগণৰ প্ৰস্থান** )
বল ঃ তেন্তে কানাই তোমাৰ চিন্তাৰ কাৰণ আছিল দৈত্যৰাজ মুৰ ----- ?
কৃষ্ণ ঃ আপোনাৰপৰা জানো আমি মনৰ ভাৱ লুকুৱাব পাঁৰো দাদা ? নিশ্চয় আমাৰ চিন্তাৰ কাৰণ দৈত্যৰাজ মুৰ । দেৱী কামাখ্যাৰ আশীষধন্য সি । এতিয়া আছে সি প্ৰাগজ্যোতিষপুৰে ।
বল ঃ আৰু সুযোগ দিব নোৱাৰি তাক ; ব'লা কানাই নিধন কৰোঁগৈ সেই দুৰাত্মাক --

**গীত ( ৰাগ ঃ পূৰ্বী ; তাল ঃ একতাল )**

**চলি যাই ৰাম - কৃষ্ণ প্ৰাগজ্যোতিষপুৰে।**
**মুৰ দৈত্যক বধো বুলি মন কৰি স্থিৰে ।।**
**এহিমতে পাইলা গৈয়া নিজ লক্ষ্য স্থানে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে ভীতিগ্ৰস্ত হৈ মুৰ। পাছত শ্ৰীকৃষ্ণ আহে--**

কৃষ্ণ ঃ দৈত্যপতি , সকলো সৈন্য তোমাৰ হৈছে নিধন। পাছে , অধৰ্মীক দিওঁ মই এক সুযোগ। তোমাৰ ক্ষেত্ৰতো নহ'ব ব্যতিক্ৰম । দিছো তোমাকো সুযোগ , নিজকে লোৱা শুধৰাই। অধৰ্মক কৰি পৰিহাৰ ধৰ্মক লোৱা আকোঁৱালি । মৃত্যুৰপৰা পাবা পৰিত্ৰাণ , ধন্য হ'ব তোমাৰ জীৱন ।
মুৰ ঃ হাঃ হাঃ গোপিনীৰ বস্ত্ৰ হৰণকাৰী , মাখনচুৰ কলীয়া কৃষ্ণই আজি দৈত্যক শিকাই ধৰ্মৰ পাঠ । নিচিনিলি মোক, মহাবলশালী মুৰ দৈত্য মই ; নিজ প্ৰাণ ৰক্ষাৰ বাবেহে তই কৰ চিন্তন । শুন কৃষ্ণ মনুষ্যৰ লগত মোৰ নাই শত্ৰুতা , দিছো তোক শেষ সুযোগ । চৰণত ধৰি মোৰ মাগ ক্ষমা ভীক্ষা ; কৰ তই মোৰ বশ্যতা স্বীকাৰ -- হাঃ হাঃ দয়া কৰি দিম তোক মই প্ৰাণ ভীক্ষা ।
কৃষ্ণ ঃ অহংকাৰী দৈত্য, অতি দৰ্পে তই হেৰুৱালি জীয়াই থকাৰ অধিকাৰ । চা, ল'লো হাতে মই সুদৰ্শন, পাৰ যদি নিজক ৰক্ষা কৰ ।
মুৰ ঃ উত্তম , চাওঁ বাৰু তোৰ কিমান পৰাক্ৰম -----

**(গীত ঃ ৰাগ - সাৰেং ; তাল ঃ পৰিতাল )**

**মহাক্ৰোধে দুয়োজনে যুদ্ধ আৰম্ভিলে ।**
**নিচিনিলা নাৰায়ণক দৈত্যৰাজ মুৰে ।।**
**চক্ৰঘাটে মুৰ দৈত্য হৈলা পৰাভূত ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ ৰণত মুৰ দৈত্যৰ মৃত্যু হয় । এনেতে বলৰাম , ইন্দ্ৰ আৰু অগ্নিদেৱ আহে---**

বল ঃ বাঃ বাঃ কানাই চমৎকাৰ তোমাৰ ৰণ কৌশল , চমৎকাৰ তোমাৰ পৰাক্ৰম । সমস্ত সেনাক তাৰ বধিলো মই আৰু তুমি বধিলা মুৰ দৈত্যক । কানাই, তুমি মুৰাৰি --অ তুমি মুৰাৰি কৃষ্ণ ---
অগ্নি ঃ জয় মুৰাৰি কৃষ্ণৰ , জয় মুৰাৰি কৃষ্ণৰ , জয় মুৰাৰি কৃষ্ণৰ --

ইন্দ্ৰ ঃ যদুপতি, দুষ্টক দমন কৰি পুনৰ সন্তক কৰিলে পালন । আপোনাক জনাইছো সহস্ৰ প্ৰণাম -
কৃষ্ণ ঃ দেৱগণ, মুৰক বধি স্বৰ্গ কৰিলো নিস্কণ্টক। যাওক দেৱেন্দ্ৰ , ইন্দ্ৰাসনত কৰকগৈ আৰোহণ ।
ইন্দ্ৰ ঃ পুনশ্চ সেৱা যাচিলোঁ আপোনাক ; প্ৰভু , আমি এতিয়া বিদায়হে মাগো --( **দেৱগণৰ প্ৰস্থান** )
বল ঃ কানাই , অধম দৈত্য হ'ল নিধন । ব'লা , আমিও ইয়াৰ পৰা কৰোঁ প্ৰস্থান ---

**সূত্ৰ ঃ ৰাম - কৃষ্ণৰ প্ৰস্থান । এনেতে ৰণৰ সাজে মৌৰবী--------------------**

মৌৰবী ঃ পিতা, পিতা, -- উঠা পিতা, তোমাৰ দৰে বীৰে এনেদৰে ভূমিত শয়ন কৰাতো নাপায় শোভা। তুমি পৰাস্ত হ'ব নোৱাৰা পিতা, দেৱীমাৰ আশীষ আছে তোমাৰ শিৰত । হ'বা তুমি ত্ৰিলোক বিজেতা । চোৱা পিতা, তোমাৰ কন্যা আহিছে আজি ৰণভূমিলৈ। ¯পিতা, এবাৰ মোলৈ চকু মেলি চোৱা ; এবাৰ মোক মৌৰবী বুলি মাতা ---- পিতা , পিতা --

**বিলাপ ( ৰাগ ঃ গান্ধাৰ ; তাল ঃ ৰূপক )**

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো দোষে মোক আজি এনে দুখ দিলা ।।
উঠা পিতা উঠা আৰু নকৰা শয়ন ।
আমি দুয়ো মিলি আজি জিনিমক ৰণ ।।

--- কিয় মই কৰিছো ক্ৰন্দন ? পিতাৰ কন্যা মই মৌৰবী ; বীৰৰ শিৰোমণি পিতাৰ ৰক্ত মোৰ দেহত হৈছে প্ৰবাহিত । আঃ পিতৃলব্ধ ৰক্ত মোৰ উঠিছে উথলি ; হৃদয়ত জাগিছে প্ৰতিশোধৰ অগনি ; অ প্ৰতিশোধৰ ভীষণ অগনি ; যি কৃষ্ণই মোৰ পিতাক বধিলে সেই কৃষ্ণকো মই কৰিম নিধন -- কৃষ্ণ, কৃষ্ণ, কৃষ্ণ ---- ( **প্ৰস্থান** )

**সূত্ৰ ঃ সভাত ৰাম - কৃষ্ণ । এনেতে ক্ৰোধান্বিত হৈ মৌৰবী আহে ---**

মৌৰবী ঃ কৃষ্ণ , কৃষ্ণ ---------
কৃষ্ণ ঃ কিয় মাতিলা দেৱী ? আমিয়ে কৃষ্ণ ------
মৌৰবী ঃ নিধন কৰি মোৰ পিতৃক উচিত কাৰ্য তই নকৰিলি কৃষ্ণ । তোকো আজি মই কৰিম নিধন ।
বল ঃ সাৱধান , সামান্য এজনী নাৰী হৈ কৃষ্ণক দিয় তই মৃত্যুৰ ভাবুকি ।
মৌৰবী ঃ মুৰ্খ মনুষ্য , সামান্য নাৰী বুলি নকৰিবি ভুল । মুৰনন্দিনী মৌৰবী মই । এই বাণেৰে মই কৃষ্ণ সহিতে সমস্ত জগতৰ কৰিম সংহাৰ ।
বল ঃ নাৰী বুলি ধৰিছিলো ধৈৰ্য , কিন্তু যেন পিতা তেন কন্যা । আহ গৰ্বিনী নাৰী , আৰু সুযোগ তোক নিদিয়ে এই বলৰামে । তুলি ল'লো এই অস্ত্ৰ , নিজক ৰক্ষা কৰ ।
মৌৰবী ঃ বেছ , তোৰ ইচ্ছাই হওক পূৰণ ; প্ৰথমে তোকেই আজি কৰিম নিধন ।

**সূত্ৰ ঃ যুদ্ধ হয় ---- ( বাজনা -- ভংগী )**

**সূত্ৰ ঃ যুদ্ধত বলৰাম মূৰ্চা যায় । মৌৰবীয়ে অস্ত্ৰ প্ৰহাৰ কৰিব খোজে । খণ্ডেৰে শ্ৰীকৃষ্ণই যি কয় ---**

কৃষ্ণ ঃ সাৱধান মৌৰবী , বহু ধৈৰ্য ধৰিলো আমি । অহংকাৰী , গৰ্বিনী নাৰী ; শিষ্টাচাৰ তই গলি পাহৰি । নিচিনিলি তই আমাক ; চা এই সুদৰ্শনে আজি তোৰ গৰ্বিত জীৱন কৰিব অন্ত ----
মৌৰবী ঃ নাই নাই ; ৰক্ষা কৰা, হে দেৱীমা ৰক্ষা কৰা ; হে মা কামেশ্বৰী ৰক্ষা কৰা -----

**সূত্ৰ ঃ এনেতে দেৱী কামাখ্যাৰ আৱিৰ্ভাব হয় ---------**

কামাখ্যা ঃ প্ৰভু, মৌৰবীৰ দোষ মাৰ্জনা কৰক । দিছিলো মই এওঁক বীৰ পুত্ৰৰ জননী হোৱাৰ বৰ। যদি আপুনি মৌৰবীক কৰে নিধন অথলে যাব আমাৰ আশীৰ্বাদ । প্ৰভু, আমাৰ বৰৰ ৰাখক মান । মৌৰবী, শ্ৰীকৃষ্ণ নহয় সাধাৰণ মনুষ্য , নৰৰূপে সাক্ষাত নাৰায়ণ । তোমাৰ পিতাই পালে মুক্তি । তুমিও এখেতৰ চৰণত লোৱা শৰণ , ধন্য হ'ব তোমাৰো জীৱন ।
মৌৰবী ঃ প্ৰভু , নিচিনি আমি আপোনাক কৰিলো তিৰস্কাৰ , আমাৰ শত অপৰাধ মাৰ্জনা কৰক প্ৰভু --
কৃষ্ণ ঃ উঠা মৌৰবী , দেৱী কামাখ্যাৰ অনুৰোধ ৰাখিলো আমি । মৌৰবী , পিতৃক বধিলো যেতিয়া তোমাৰ বাবে বৰ নিৰ্বাচনৰ দায়িত্ব আমিয়ে ল'লো । পঠাম এজন সুযোগ্য বীৰক তোমাৰ কাষলৈ --
কামাখ্যা ঃ ধন্যবাদ প্ৰভু ,আমাৰ ভক্তকো আপুনি কৰা এই দয়াৰ বাবে । এতিয়া বিদায়হে মাগো প্ৰভু--

**সূত্ৰ ঃ কামাখ্যাৰ প্ৰস্থান--- বলৰামে চেতনা পাই যি কয়-------------**

বল ঃ ই কি ; এই গৰ্বিনী নাৰী এতিয়াও জীৱিত । এতিয়াই তোক মই ---
মৌৰবী ঃ ক্ষমা কৰক দেৱ , নাজানি , নিচিনি মই কৰিলো অপৰাধ, প্ৰভু , মোক ৰক্ষা কৰক ----
কৃষ্ণ ঃ ক্ষান্ত হওক দাদা, মুৰ নন্দিনীয়ে বিচাৰিছে ক্ষমা । শৰণাগত এওঁ আমাৰ, শৰণাগতক দণ্ড দিয়াতো জানো উচিত হ'ব দাদা ?
বল ঃ কিন্তু , হঠাৎ যে এওঁৰ এনে পৰিবৰ্তন ----
কৃষ্ণ ঃ পিতৃৰ অধৰ্ম বুজিলে এওঁ । নাই আৰু এওঁৰ মনত কোনো দুখ কিম্বা ক্ৰোধ। গতিকে দাদা, আমিও কৰোঁ প্ৰস্থান । আপুনি যাওক দ্বাৰকাপুৰী , দেখা কৰি যাঁও আমি ইন্দ্ৰপ্ৰস্থত পাণ্ডৱগণক ।
বল ঃ উত্তম অতি উত্তম , তেন্তে সেয়ে হওক ।
কৃষ্ণ ঃ ব'লক দাদা , মৌৰবী তুমি কৰিবা অপেক্ষা ---- ( **দুয়োৰে প্ৰস্থান** )
মৌৰবী ঃ যাওক যদুপতি --- নিশ্চয় মই কৰিম অপেক্ষা । যাঁও নিজ কৰ্তব্য মই কৰোঁগৈ পালন ---

**সূত্ৰ ঃ মৌৰবীৰ প্ৰস্থান । আনফালে সভাত ঘটোৎকচৰ প্ৰৱেশ--------------**

**গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ একতাল)**

**প্ৰৱেশয় সভাৰ মাজে হিড়িম্বা নন্দন ।**
**ঘটোৎকচ নামে ইটো আকাৰে ভীষণ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ঘটোৎ ঃ ঘটোৎকচ, মই ঘটোৎকচ ; মাতৃ মোৰ হিড়িম্বা জাতত ৰাক্ষস ; পিতা মোৰ মহাবলী বৃকোদৰ । জগতত মহান মোৰ পিতৃকুল। হে মোৰ পিতা বৃকোদৰ, তুমি নকৰিবা চিন্তা এই ঘটোৎকচে নকৰে কোনো নীচ কৰ্ম ; তোমাৰ বংশলৈ কদাপি নানে কলংক । মাতাসহ তেজিছো মই ৰাক্ষসৰ পৰম্পৰা ; কৰা নাই নৰ ভোজন, দিয়া নাই নৰবলি আৰু নিদিঁও কদাপি। কৰি যাম এনে কৰ্ম যাক লৈ পিতাই কৰিব গৌৰৱ, মাতাই কৰিব গৌৰৱ আৰু সকলোৱে কৰিব গৌৰৱ হাঃহাঃ--

**সূত্ৰ ঃ ঘটোৎকচৰ প্ৰস্থান । সভাত ৰাক্ষস অলম্বুষৰ প্ৰৱেশ ----------------**

**গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল /ৰূপগঞ্জল )**

**প্ৰৱেশয় সভাৰ মাজে ৰাক্ষস অলম্বুষ ।**
**বীৰ দৰ্পে আহে ৰাক্ষস মনে কৰি ক্ৰোধ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

অলম্বুষ ঃ ৰাক্ষস মই অলম্বুষ, কৰিছো অপেক্ষা, ধৰিছো পণ বৃকোদৰৰ ৰক্ত পানেৰে প্ৰতিশোধৰ জ্বালা মই কৰিম নিবাৰণ। সখা মোৰ হিড়িম্ব, কত যুদ্ধৰ তই আছিলি সহচৰ । হিমালয় পৰ্বতো তোৰ বজ্ৰ মুষ্টিৰে কৰিব পাৰ চূৰ্ণ ; অথচ এক সাধাৰণ মনুষ্যই তোৰ হৰিলে গৰ্ব ? আঃ বৃকোদৰ, কিয় দিলি তই মোক দাৰুণ আঘাট ? শয়ন কৰিছে মোৰ সখাই মৃত্যুৰ শীতল কোলাত আৰু অধম বৃকোদৰে লভিছে আনন্দ এই বসুন্ধৰাত । নাই নাই অসম্ভৱ, ই কদাপি নহয় সম্ভৱ ; এতিয়াও জীৱিত এই ৰাক্ষস অলম্বুষ ; লম ভীষণ প্ৰতিশোধ মই তোৰ ওপৰত । তোৰ দৰে মনুষ্যক অৰ্পণ কৰিম মই দেৱী মাৰ চৰণত হাঃ হাঃ -----

**সূত্ৰ ঃ এনেতে ঘটোৎকচ ----------------------------**

ঘটোৎ ঃ হে জ্যেষ্ঠ ৰাক্ষস, প্ৰণাম --। কিয় কৰিছে ক্ৰোধ ? কাক কৰিব দেৱীমাৰ চৰণত অৰ্পণ ? নিদিব আৰু নৰবলি দেৱীৰ চৰণত । ময়ো কৰিছো , আপুনিও কৰক পৰিহাৰ ।

অলম্বুষ ঃ দেৱীৰ চৰণত আৰু নিদিব নৰবলি -- ঘটোৎকচ, এয়া কি কৈছা তুমি ? ৰাক্ষস পন্থাৰ তুমি কৰিছা বিদ্ৰোহ। সন্দেহ জাগিছে মোৰ তোমাৰ ওপৰত, মহাবলশালী ৰাক্ষস জাতিৰ ভৱিষ্যত তুমি হোৱানে নোহোৱা ? অ মোৰেই ভুল, তুমি কেনেকৈ হ'বা ৰাক্ষস ? তুমিতো নৰাধম বৃকোদৰৰ সন্তান --

ঘটোৎ ঃ অলম্বুষ , ঘটোৎকচে সকলো পাৰে সহিব , কিন্তু নোৱাৰে সহিব পিতাৰ তিৰস্কাৰ । পিতা স্বৰ্গ , পিতা ধৰ্ম, পিতাহি পৰমং তপঃ --- তেনেহেন পিতা মোৰ বৃকোদৰক কৰি তিৰস্কাৰ মাতিলি আজি তই নিজ মৃত্যুক ।

অলম্বুষ ঃ ঘটোৎকচ, তোৰ ইমান সাহস, ৰাক্ষস বীৰ এই অলম্বুষক দিয় তই প্ৰাণৰ ভাবুকি । উত্তম, অতি উত্তম, ভাবুকি তোৰ মই কৰিলো গ্ৰহণ , তোৰ দৰে কলংকক নিজহাতে কৰিম নিধন ।

ঘটোৎ ঃ চাঁও বাৰু তেন্তে কোনে কাক কৰে নিধন --

**সূত্ৰ ঃ যুদ্ধ হয় --------- ( বাজনা ঃ ভঙ্গী )**

**সূত্ৰ ঃ ৰণত অলম্বুষ পলাই যায় ----------------------**

ঘটোৎ ঃ কিয় পলালি অলম্বুষ ? এই শক্তিৰেই তই মহাবলশালী পিতা মোৰ বৃকোদৰক কৰিবি নিধন হাঃ পুত্ৰৰ হাততেই তই কৰিলি পলায়ন --হাঃ হাঃ ঘটোৎকচ মই ঘটোৎকচ হাঃ হাঃ --

**সূত্ৰ ঃ ঘটোৎকচৰ প্ৰস্থান । আনফালে সভাত ঘটোৎকচৰ মাতৃ হিড়িম্বাৰ প্ৰৱেশ---**

**গীত - ( ৰাগ ঃ বেলুৱাৰ , তাল ঃ ৰূপক )**

**প্ৰৱেশয় সভাৰ মাজে হিড়িম্বা ৰাক্ষসী ।**
**ভীমৰ ভাৰ্যা ইটো ঘটোৎকচৰ মাতা ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

হিড়িম্বা ঃ ৰাক্ষসী হ'লেও প্ৰতিগৰাকী পত্নীৰ দৰে ময়ো বিচাৰো স্বামী মোৰ সৰ্বদা থাকক সন্মুখত , নিতৌ পূজিব পাৰোঁ যেন স্বামীৰ চৰণ । কিন্তু এই অভাগিনীৰ ভাগ্যত ---- ঘটোৎকচৰ জন্মৰ পাছতে কৰ্তব্যৰ দুহাই দি গুচি গ'ল স্বামী মোৰ কাষৰপৰা । অশেষ কষ্টেৰে মই পিতৃ-মাতৃৰ দায়িত্ব পালনেৰে ঘটোৎকচক কৰিলো ডাঙৰ । মই মোৰ প্ৰতিশ্ৰুতি ৰাখিছো স্বামী , পৰিব দিয়া নাই ৰাক্ষসৰ কু-চাপ পুত্ৰৰ গাত --সভ্য , সদাচাৰী , বীৰৰূপে গঢ়িছো আমাৰ পুত্ৰক ----

**সূত্ৰ ঃ এনেতে অলম্বুষ আহে ---**

অলম্বুষ ঃ ভগ্নী হিড়িম্বা ----

হিড়িম্বা ঃ ই কি ; দাদা অলম্বুষ ; আহক দাদা , আনন্দিত আজি মই আপোনাক দেখি মোৰ গৃহত ।

অলম্বুষ ঃ হিড়িম্বা , তুমি মোৰ সখা হিড়িম্বৰ ভগ্নী ; সেইসূত্ৰে তুমি মোৰ ভগ্নীসম আৰু তুমিও মোক দাদা বুলি কৰা সন্মান। হিড়িম্বা , আমি ৰাক্ষস, কিন্তু তোমাৰ পুত্ৰ ঘটোৎকচক লৈ মই হৈছো চিন্তিত --

হিড়িম্বা ঃ কিয় দাদা , কি কৰিলে মোৰ পুত্ৰই --- ?

অলম্বুষ ঃ কি ক'ম হিড়িম্বা , হ'লো অপমানিত ; ঘটোৎকচে আজি মোৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ।

হিড়িম্বা ঃ কি কৈছে দাদা ? ঘটোৎকচে আপোনাৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ; কিন্তু কিয় ---- ?

অলম্বুষ ঃ দেৱীমাৰ চৰণত মনুষ্যক অৰ্পণ, এয়াইটো আমাৰ পৰম্পৰা ; কিন্তু ঘটোৎকচে তাৰ কৰি বিৰোধীতা মোৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ; পাপ , ঘোৰ পাপ কৰিলে সি দেৱীমাৰ ওচৰত ; তুমি মোৰ ভগ্নীসম আৰু ঘটোৎকচ তোমাৰেই পুত্ৰ। গতিকে তুমি পুত্ৰক বুজাবা হিড়িম্বা --

হিড়িম্বা ঃ হাঃ হাঃ -- দাদা , কি বুজাম তাক ? যদি কৰিছে কিবা ভুল তেতিয়াহে বুজনিৰ হয় প্ৰয়োজন । মোৰ দৃষ্টিতটো এয়া নহয় পাপ , প্ৰশংসনীয় কাম কৰিছে মোৰ পুত্ৰ ঘটোৎকচে ।

অলম্বুষ ঃ হিড়িম্বা , পুত্ৰৰ পাপ কৰ্মতো তুমি দিছা সমৰ্থন ; কোনে দিছে তাক এনে শিক্ষা --- ?

হিড়িম্বা ঃ এয়া মোৰেই শিক্ষাৰ ফল , আজি মই আনন্দিত , আজি মই গৌৰান্বিত পুত্ৰৰ কৰ্মক লৈ হাঃ হাঃ

অলম্বুষ ঃ হিড়িম্বা , কি কৈছ তই এয়া ? অ বুজিলো, মনুষ্যই তোৰ ৰাক্ষসী সত্তাক কৰিলে গ্ৰাস, বৃকোদৰে তোৰ জ্ঞান - বুদ্ধিও কৰিলে নাশ । নৰাধম বৃকোদৰে তোৰ সন্মুখতে হিড়িম্বক কৰিছিলে বধ , নহলে প্ৰতিশোধ ভাতৃহন্তা বৃকোদৰৰ ওপৰত , বৰৰূপে আদৰিলি তই সেই পাষণ্ডক --

হিড়িম্বা ঃ অলম্বুষ , পতিনিন্দা নসহে এই ৰাক্ষসী হিড়িম্বাই । কৰিছো সাৱধান , ৰাক্ষসী সত্তাক মোৰ নলবি জগাই , নতু এই স্থানতে , এই ক্ষণতে তোৰ মুণ্ড চিঙি মই তোৰ কৰিম ৰক্তপান ।

অলম্বুষ ঃ আঃ অপমান , অপমান আজি পুত্ৰই কৰে অপমান , মাতৃয়ে কৰে অপমান এই ৰাক্ষস শ্ৰেষ্ঠ অলম্বুষক । সখা হিড়িম্ব , কেৱল তোমাৰ কথা ভাবিয়েই মই মাতৃ-পুত্ৰক দিছো প্ৰাণদান । হিড়িম্বা তই মহা ভুল কৰিছ , ইয়াৰ প্ৰতিফল তই এদিন পাবি হাতে হাতে ---(**খঙেৰে প্ৰস্থান**)

হিড়িম্বা ঃ যা অলম্বুষ , তোৰ ভাবুকিলৈ ভয় নকৰে হিড়িম্বাই । ধন্য ধন্য মোৰ পুত্ৰ ঘটোৎকচ , তোমাৰ কাৰ্যই আজি গৌৰান্বিত কৰিলে মোক । নিশ্চিত হলো মই হিড়িম্বাপুৰৰ দায়িত্ব বহনৰ বাবে তুমি হৈছা যোগ্য । যাঁও এই সন্দৰ্ভত মই পুত্ৰৰ লগত কৰোঁগৈ আলোচনা -------

**<u>সূত্ৰ ঃ হিড়িম্বাৰ প্ৰস্থান । আনফালে সভাত দ্বিতীয় পাণ্ডৱ ভীমৰ প্ৰৱেশ----</u>**

**<u>গীত ঃ (ৰাগ ঃ বসন্ত ; তাল ঃ পৰিতাল, একতাল)</u>**

**প্ৰৱেশয় সভাৰ মাজে বীৰ বৃকোদৰ ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ভীম ঃ অন্যায় , অন্যায় , পদে পদে কৰে আজি কৌৰৱে অন্যায় । চল কৰি কৌৰৱে মোক কৰাইছিলে বিহপান , পাঁচো ভাইক একেলগে মাৰোঁ বুলি জতুগৃহ কৰিছিলে দাহ আৰু হাঃ হাঃ অৰ্ধৰাজ্য বুলি অন্ধ ধৃতৰাষ্ট্ৰই খাণ্ডৱ বনহে কৰিলে দান । আঃ ইমান অন্যায় মোৰ নহয় সহ্য নহওঁ মই ধৈৰ্যবান , হিংসা - দ্বেষহীন মহান ধৰ্মৰাজ ; দ্বিতীয় পাণ্ডৱ মই বৃকোদৰ , দুবাহুত আছে মোৰ সহস্ৰ হস্তীৰ বল। হাতে দুৰ্জয় গদা ধৰি কৌৰৱ কুলত মই বোৱাই দিব পাঁৰো মৃত্যুৰ ঢল ৰাঙলী কৰিব পাঁৰো বসুন্ধৰা শত কৌৰৱৰ লগতে কৰ্ণ আৰু শকুনিৰ কলুষিত ৰক্তৰে -----

**<u>সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ-----------------</u>**

কৃষ্ণ ঃ দ্বিতীয় পাণ্ডৱ দাদা বৃকোদৰক কৃষ্ণই জনালো প্ৰণাম ।

ভীম ঃ অ যদুপতি , আঁহা আঁহা ; আচম্বিতে প্ৰৱেশিলা তুমি আজি ইন্দ্ৰপ্ৰস্থে ----।

কৃষ্ণ ঃ দাদা , গৈছিলো এক বিশেষ উদ্দেশ্যত প্ৰাগজ্যোতিষপুৰে । ভাবিলো আমাৰ পৰম মিত্ৰ পাণ্ডৱগণক ইন্দ্ৰপ্ৰস্থত এবাৰ কৰি যাঁও দৰ্শন ।

ভীম ঃ যদুপতি , কৌৰৱে কৰিছে অন্যায় , কৰিছে ষড়যন্ত্ৰ , অৰ্ধৰাজ্য বুলি দিলে আমাক অনুৰ্বৰ মানব বৰ্জিত খাণ্ডৱপ্ৰস্থ । তোমাৰ কৃপা আৰু শুভাকাংখীৰ কঠোৰ শ্ৰমেৰে নিৰ্মাণ কৰিলো ইয়াতেই আমি দেৱপুৰী যেন ৰাজধানী , নাম দিলো সেয়ে ইন্দ্ৰপ্ৰস্থ ।

কৃষ্ণ ঃ দাদা , মন কৰিলেই চন । ইচ্ছা কৰিলে মনুষ্যই কৰিব পাৰে সকলো । তাৰেই নিদৰ্শন দেখুৱালে আপোনাসৱে জগতবাসীক ।

**<u>সূত্ৰ ঃ এনেতে ঘটোৎকচ--------------------</u>**

ঘটোৎ ঃ আজি মোৰ পৰম সৌভাগ্য ; পিতাৰ লগতে যদুপতিৰো আজি মোৰ হ'ল দৰ্শন ; সেৱা মোৰ কৰক গ্ৰহণ ।

কৃষ্ণ ঃ কীৰ্তিমান হোৱা ঘটোৎকচ ।

ভীম ঃ দীৰ্ঘায়ু হোৱা পুত্ৰ , হঠাৎ আহিলা যে ইন্দ্ৰপ্ৰস্থে ; মাতাৰ মংগলনে ?

ঘটোৎ ঃ চিন্তা নকৰিব পিতা , ভগৱন্তৰ কৃপাত সকলোৰে মংগল । মাতাৰ আদেশতেই আহিছো মই আপোনাৰ সমীপে । কৰিছে মাতাই আপোনাক এক অনুৰোধ ----।

ভীম ঃ হিড়িম্বাই কৰিছে অনুৰোধ ; কোৱা পুত্ৰ কি অনুৰোধ মাতাৰ ?

ঘটোৎ ঃ পিতা , মাতাই কৰিছে ইচ্ছা হিড়িম্বাপুৰৰ নেতৃত্ব ল'ব লাগে মই । সেই হেতু পঠাইছে মোক আপোনাৰ সমীপে--------

ভীম ঃ অতি উত্তম চিন্তা কৰিছে তোমাৰ মাতাই । তুমি এতিয়া নেতৃত্ব ল'বৰ বাবে যোগ্য । কিন্তু পুত্ৰ , ইয়াত অনুৰোধৰ কিয় প্ৰয়োজন--- ?

ঘটোৎ ঃ প্ৰয়োজন ---- প্ৰয়োজন মানে পিতা --------

কৃষ্ণ ঃ প্ৰয়োজন মানে --- নিশ্চয় এওঁলোকৰ আছে পৰম্পৰা নেতৃত্ব লোৱাজনে প্ৰথমে কৰাব লাগে বিবাহ । আমি কিবা ভুল কৈছো নেকি ঘটোৎকচ ?

ঘটোৎ ঃ ভুল --; নাই নাই যদুপতি আপুনি সত্য কথাটোৰেই কৰিলে ব্যক্ত । মাতাই সেয়ে পঠাইছে মোক পিতাৰ সমীপে , কৰিছে অনুৰোধ পিতাক পুত্ৰৰ বাবে এগৰাকী যোগ্য পাত্ৰী নিৰ্বাচন কৰিবলৈ ।

ভীম ঃ অহ যদুপতি , এয়াটো গধুৰ দায়িত্ব দিলে ভাৰ্যা হিড়িম্বাই মোক । এই বৃকোদৰৰ দৃষ্টি আবদ্ধ আছিল কেৱল শত্ৰু আৰু ভোজনত । ৰূপৱতী , গুণৱতী কোনো কন্যাৰ প্ৰতি দিয়া নাই দৃষ্টি , তেনেস্থলত হঠাত পুত্ৰৰ বাবে যোগ্য কন্যা মই কেনেদৰে কৰোঁ নিৰ্বাচন ?

কৃষ্ণ ঃ আপুনি চিন্তা নকৰিব দাদা , ঘটোৎকচৰ বাবে যোগ্য কন্যাৰ আমি কৰি থৈছো নিৰ্বাচন। ঘটোৎকচ তুমি যোৱা প্ৰাগজ্যোতিষপুৰে , বৰৰ অপেক্ষাৰত বৰ্তমান মুৰনন্দিনী মৌৰৱী । কিন্তু , মনত ৰাখিবা ঘটোৎকচ , মৌৰৱীক পত্নীৰূপে লভাতো নহয় সহজ ; লয় মৌৰৱীয়ে বৰপ্ৰাৰ্থীৰ জ্ঞান আৰু বলৰ পৰীক্ষা । তাত উত্তীৰ্ণ হ'লেহে তুমি লভিবা মৌৰৱীক ।

ঘটোৎ ঃ যদুপতি, মহা বলবান বৃকোদৰৰ নন্দন মই , আছে মোৰ শৰীৰতো শত হস্তীৰ বল । মাতাৰ পৰা লভিছো মই বুদ্ধি আৰু জ্ঞান ; নিশ্চয় মুৰনন্দিনীক দিম মোৰ সামৰ্থ্যৰ প্ৰমাণ ।

কৃষ্ণ ঃ তোমাৰ দৃঢ় বিশ্বাস দেখি সুখী হ'লো আমি , যোৱা তেন্তে । কিন্তু ৰাখিবা মনত , আমাৰ নাম মুৰনন্দিনীৰ আগে প্ৰথমেই নকৰিবা প্ৰকাশ ।

ঘটোৎ ঃ নিশ্চয় যদুপতি , নকৰোঁ প্ৰকাশ ; পিতা দিয়ক আশীৰ্বাদ ।

ভীম ঃ যা বাচা , সফল হ তোৰ উদ্দেশ্যত ।

**<u>সূত্ৰ ঃ ঘটোৎকচে যাত্ৰা কৰে ----------------------------------------</u>**

ভীম ঃ যদুপতি , ব'লা দাদা যুধিষ্ঠিৰ আৰু ভাতৃগণৰ লগতো কৰা সাক্ষাত ।

কৃষ্ণ ঃ নিশ্চয় নিশ্চয় দাদা , ব'লক সকলোকে কৰোঁগৈ সাক্ষাত ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত এজন প্ৰহৰীৰ প্ৰৱেশ --- ( তাল - ভঙ্গী )</u>**

প্ৰহৰী ঃ দেহি ঐ , আঁহ লুকাব, বাঁহ লুকাব , গালৰ সোতোৱা মোৰ ক'ত লুকাব ? তথাপি চেষ্টাৰ ত্ৰুটি কৰা নাই মই । কথাতে কয় নহয় বোলে ছোৱালী হ'ল বৰশীৰ টোপ, তাতে আকৌ আমাৰ আইদেউক দেখিলে মোৰ দৰে বুঢ়াইও মাৰিব খোঁট । কিয় নামাৰিম ? প্ৰাগজ্যোতিষৰ উত্তম গণকেও কৈছে মোক মৌৰৱী আইদেউ মোৰেই হ'ব আৰু তাৰবাবে এই মাদলি মোক দিছে গলত । দেহি ঐ কিমানযে ধুনীয়া লাগিব মৌৰৱী আইদেউক মোৰ কইনাৰূপে ----

**<u>সূত্ৰ ঃএনেতে ঘটোৎকচ আহে । প্ৰহৰীয়ে চক খাই ভালদৰে নিৰীক্ষণ কৰে ---</u>**

প্ৰহৰী ঃ অ এইটো কোন ? কি অদ্ভুত ? কি বিশাল ? আঃ হেৰা কোন তুমি ----- ?

ঘটোৎ ঃ পৰিচয় পাছত নিজেই জানিবা । প্ৰথমে মোক ৰাজকুমাৰী মৌৰৱীৰ কাষে নিয়া ।

প্ৰহৰী ঃ ( গহীন হৈ ) উদ্দেশ্য মই পাৰোঁনে জানিব --- ?

ঘটোৎ ঃ উদ্দেশ্য --- তোমাক কিয় ? ৰাজকুমাৰীক মই কৰিম ব্যক্ত ---

প্ৰহৰী ঃ( স্বগতঃ) আউ ইমান অহংকাৰ; বুজিছো তোৰো আজি মিলিব মৰণ ; উদৰ আগত শাল পোণাহে তই। আইদেউতো মোৰেই হব ; পিন্ধি আছো গণকৰ এই মাদলি গলত ; তথাপি সাৱধান হোৱা ভাল -

ঘটোৎ ঃ কি চিন্তা কৰিলা ? নিনিয়া নেকি মোক তোমাৰ আইদেউৰ কাষলৈ ?

প্ৰহৰী ঃ আইদেউ --- ? অ অ আইদেউ ; আহক -- আহক আপুনি ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত মৌৰৱী---**

মৌৰৱী ঃ যদুপতিয়ে কৈছিল এজন বীৰক পঠাব মোৰ কাষলৈ ; কিন্তু আজিলৈকে নাহিল সেই বীৰজনা । যদিওবা আহিছে বহু পুৰুষ মোক বিবাহৰ উদ্দেশ্যে , হ'ব পৰা নাই মোৰ পৰীক্ষাত উত্তীৰ্ণ। এগৰাকী নাৰীৰ আগত নিজৰ সামৰ্থ দেখুৱাব নোৱাৰা দুৰ্বল পুৰুষৰ জীয়াই থকাৰ নাই অধিকাৰ । সেইবাবে তেনে দুৰ্বল পুৰুষক সেয়ে চিৰ বিদায় দিছো ধৰণীৰ পৰা ----

**সূত্ৰ ঃএনেতে ঘটোৎকচক লৈ প্ৰহৰী আহে ----------------------------**

প্ৰহৰী ঃ আহক --; আইদেউ প্ৰণাম , এখেত -- মানে এখেত আহিছে --

মৌৰৱী ঃ তুমি যোৱা প্ৰহৰী ----

প্ৰহৰী ঃ ভাল আইদেউ ---( দুখোজ পিছুৱাই ৰৈ থাকে )

মৌৰৱী ঃ (খঙেৰে ) প্ৰহৰী ---

প্ৰহৰী ঃ যিবা আজ্ঞা, মই আহিলো ----- ( **খৰকৈ প্ৰস্থান কৰে** )

ঘটোৎ ঃ মুৰনন্দিনী মৌৰৱীক জনাইছো প্ৰণাম ।

মৌৰৱী ঃ কোন তুমি ? আগমণৰ উদ্দেশ্য কি ?

ঘটোৎ ঃ উদ্দেশ্য মোৰ অতিকে মহান ; আছে অভিপ্ৰায় মোৰ মুৰনন্দিনীক বিবাহৰ ---

মৌৰৱী ঃ মুৰনন্দিনীক বিবাহ , হাঃ হাঃ উত্তম , অতি উত্তম ; কিন্তু জানানে তুমি ----

ঘটোৎ ঃ জানো দেৱী , প্ৰস্তুত হৈয়ে আহিছো মই । ল'ব পাৰা তুমি মোৰ বুদ্ধি আৰু বলৰ প্ৰমাণ । যদি দিয়া অনুমতি , প্ৰথমে ময়ে কৰোঁ আৰম্ভ বুদ্ধিৰ প্ৰমাণ ।

মৌৰৱী ঃ বাঃ যত পুৰুষ আহিছে বৰপ্ৰাৰ্থী হৈ মোৰ ---- তুমি ব্যতিক্ৰম । কৰা আৰম্ভ ----

ঘটোৎ ঃ তেন্তে শুনা দেৱী , আছিল এক কামাতুৰ পুৰুষ । পৰিল সি প্ৰেমত এক সুন্দৰী বেশ্যাৰ, দুয়োৰে মাজত ঘটিল অনৈতিক সম্বন্ধ ; জন্ম হ'ল সিহঁতৰ এক কন্যা সন্তান । পাছে কুলটা নাৰী পুনৰ প্ৰেমত পৰি অন্য এজন পুৰুষৰ , তেজিলে কন্যাসহ পূৰ্ব পুৰুষক । কামাতুৰ পুৰুষজনেই তুলি-তালি ডাঙৰ কৰিলে কন্যা শিশুক ; কন্যা যুৱতীত হ'ল পৰিণত । মাতাতকৈও হ'ল কন্যা অধিক ৰূপৱতী , কন্যাৰ ৰূপে মুহিলে পিতৃক ।

মৌৰৱী ঃ কি কৈছা তুমি ? কন্যাৰ ৰূপে মুহিলে পিতৃক ?

ঘটোৎ ঃ হয় দেৱী , দুৰাচাৰী মনুষ্যই কামান্ধ হৈ বুলিলে কন্যাক মিথ্যা বচন ---তই মোৰ তোলনীয়া জী । গতিকে তই তোৰ যৌৱন মোকেই কৰ সমৰ্পন ।

মৌৰৱী ঃ পিতৃয়ে দিলে কন্যাক এনে ঘৃণনীয় প্ৰস্তাৱ । তাৰপাছত ----

ঘটোৎ ঃ কামাতুৰ পুৰুষৰ কথাত ভুল গৈ দুয়োৰে মাজত ঘটিল অনৈতিক সম্বন্ধ । আৰু জন্ম হ'ল তেওঁলোকৰ এটি কন্যা সন্তান ।

মৌৰৱী ঃ ছিঃ ছিঃ ঘৃণনীয় , অতি ঘৃণনীয় -----

ঘটোৎ ঃ বাৰু দেৱী , কোৱাচোন এতিয়া জন্ম হোৱা কন্যাটি কামাতুৰ পুৰুষজনৰ সম্বন্ধত হ'ব কি ?

মৌৰৱী ঃ নিশ্চিতৰূপে কন্যা হ'ব ----

ঘটোৎ ঃ আৰু ---, শিশু কন্যাটিৰ মাতৃগৰাকী কামাতুৰ পুৰুষজনৰ সম্বন্ধত আছিল কোন ?

মৌৰৱী ঃ -- এয়াই নেকি প্ৰশ্ন তোমাৰ ? কন্যা আছিল -----

ঘটোৎ ঃ কন্যাৰ সন্তান জানো পিতৃৰ বাবে হয় কন্যা ? প্ৰকৃততে দেৱী শাস্ত্ৰমতে কাৰোৰেই হোৱা নাছিল বিবাহ ; ঘটিছিল অনৈতিক সম্বন্ধ । তেনেস্থলত দেৱী, বুদ্ধিৰ পৰীক্ষাত তুমি হ'লা পৰাস্ত হাঃ হাঃ-

মৌৰৱী ঃ উল্লাহিত নহ'বি তই , এতিয়াও বাকী আছে তোৰ বলৰ পৰীক্ষা ।

ঘটোৎ ঃ তাৰ বাবে সাজু আছো মই , নাৰী বুলি প্ৰথমে তুমিয়ে কৰা প্ৰহাৰ ---

মৌৰৱী ঃ আঃ ইমান স্পৰ্ধা --- ( প্ৰহাৰ কৰে )

**সূত্ৰ ঃ যুদ্ধ হয় ---- ( বাজনা - ভঙ্গী ) ; ৰণত মৌৰৱী পৰাস্ত হৈ যি কয় -----------**

মৌৰৱী ঃ হে বীৰ , কোন আপুনি ? দিয়ক মোক আপোনাৰ সত্য পৰিচয় ।

ঘটোৎ ঃ দেৱী , মহাবলী বৃকোদৰৰ পুত্ৰ মই ঘটোৎকচ । আহিছো তোমাৰ সমীপে যদুপতিৰ আদেশত --

মৌৰৱী ঃ বৃকোদৰনন্দন -- ? আহিছে যদুপতিৰ আদেশত ? হে বীৰ, মোৰ অপৰাধ মাৰ্জনা কৰক --

ঘটোৎ ঃ উঠা দেৱী , পাছে এতিয়া চৰ্তমতে তুমি মোক স্বামীৰূপে কৰিবানে গ্ৰহণ ?

মৌৰবী ঃ অহোভাগ্য মোৰ ; হে বীৰশ্ৰেষ্ঠ , এই অভাগিনীক পত্নীৰূপে আপুনি কৰক গ্ৰহণ ---

**সূত্ৰ ঃ মাংগলিক বাদ্য বাজে -- । এনেতে প্ৰহৰী আহি হতবাক হয় ----**

ঘটোৎ ঃ উঠা মৌৰবী , তোমাৰ দৰে বীৰাঙ্গনাক পত্নীৰূপে পাই ধন্য হ'লো মই -- ব'লা প্ৰিয়ে , প্ৰথমে পিতাৰ আশীৰ্বাদ লৈ মাতাৰ কাষলৈ আমি কৰিম গমন -- ( মৌৰবীক লৈ প্ৰস্থান )

প্ৰহৰী ঃ( কান্দে ) অহ অহ লৈ গ'ল, লৈ গ'ল ভোমোৰা আহি ফুল পাহেই লৈ গ'ল --হেৰ' আৰ্জিলে নন্দ গোৱালে , খালেহি বোন্দা শিয়ালে । হে ভগবান, এয়া মোৰ কপালত কি লিখিলা ? আনে আহি লৈ গ'ল মণিক আৰু মই গলত পিন্ধি ---( খঙত ছিঙি পেলাই )-- আইদেউ, আইদেউ --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত নাগৰাজ বাসুকী আৰু তক্ষকৰ প্ৰৱেশ--**

**গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল; ৰূপগঞ্জল; একতাল )**

**প্ৰৱেশয় সভাৰ মাজে কদ্ৰুৰ নন্দন ।**
**তক্ষকৰ সঙ্গে আহে বাসুকী ৰাজন ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

বাসুকী ঃ কাশ্যপনন্দন আমি ; বাসুকী মই আৰু তুমি মোৰ ভাতৃ বিষধৰ তক্ষক । নাগকুলৰ অধিপতি হৈ যদিওবা পাতালত মই কৰিছো শাসন তথাপি ভাতৃ মই নহওঁ সন্তুষ্ট, মন মোৰ হৈছে অশান্ত ।

তক্ষক ঃ দাদা , কিয় কয় তেনেকৈ ? কৰি'ছে নেকি কোনোবাই আপোনাক অপমান ? এই বিষধৰ তক্ষকে এটি মাত্ৰ দংশনতে তাৰ জীৱনৰ কৰিব অৱসান ।

বাসুকী ঃ কাক তুমি দূষিবা ভাতৃ ? নিজ ভাগ্যকে আজি দূষিছো মই । নিজ মাতৃৰ কুকাৰ্যই কলুষিত কৰিলে সৰ্পকুলক , লজ্জাত শিৰনত কৰোঁ আজি মই জগতবাসীৰ আগত । হে মাতা কদ্ৰু , তোমাৰ কৰ্মৰ ফল ভূগিছে আজি তোমাৰ পুত্ৰগণে ---

তক্ষক ঃ দাদা , মাতৃৰ কাৰ্যক যাওক পাহৰি । নিজ কৰ্মৰ জৰিয়তে হওঁ আমি জগতত বিখ্যাত ।

বাসুকী ঃ কৰিছো ভাতৃ, কৰিছো চেষ্টা ; কিন্তু সহো কিদৰে ? একে পিতাৰ পুত্ৰ হৈ গৰুড়ই পাইছে নাৰায়ণৰ সঙ্গ, আৰু আমি পাতালবাসী হৈ সকলোৰে পাইছো ঘৃণা ।

তক্ষক ঃ দাদা , এয়া আপোনাৰ ভ্ৰান্ত ধাৰণা। মহাদেৱৰ শৰীৰৰ হৈ'ছো আমিয়েই ভূষণ ; জগতবাসীয়ে আমাক নকৰে ঘৃণা , কৰে আমালৈ সমীহ ; অ দাদা--- যক্ষ , ৰক্ষ , অসুৰ , মনুষ্য সকলোৰেই কৰে সমীহ আমাৰ হলাহললৈ হাঃ হাঃ--

বাসুকী ঃ সমীহ আদায় কৰাতো মোৰ নহয় উদ্দশ্য ; মনত ৰাখিবা ভাতৃ , কেৱল আত্মৰক্ষাৰ বাবেহে আমাৰ হলাহল । আনন্দ প্ৰাপ্তিৰ বাবে ইয়াক নকৰিবা প্ৰয়োগ । প্ৰেমেৰে জিনিব বিচাৰোঁ মই সমস্ত জগত । বিচাৰোঁ জগতবাসীয়েও বুজক আমাক , অন্তৰৰ পৰা আমাক লওক আকোঁৱালি । বাৰু , ব'লা যাঁও , উপাসনাৰ ক্ষণ হৈছে এতিয়া ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত বৰ্বৰিকৰ প্ৰৱেশ ---**

**গীত - ( ৰাগ ঃ মল্লাৰ ; তাল ঃ ৰচক )**

**প্ৰৱেশয় সভাৰ মাজে মৌৰবী নন্দন ।**
**সুন্দৰ সুঠাম দেহা দেখিতে শোভন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বজনে ।।**

বৰ্ব ঃ মাতা মৌৰবী আৰু পিতা ঘটোৎকচৰ মই আদৰৰ সন্তান , নাম মোৰ বৰ্বৰিক । শুনিছো মাতামহৰ মুখে বীৰশ্ৰেষ্ঠ বৃকোদৰ আমাৰ পিতামহ জগতশ্ৰেষ্ঠ গদাধৰ । ৰাখিছো হেঁপাহ বুকুৰ মাজত, কৰি'ছো মিনতি নিতৌ ভগৱন্তক কিবাদৰে যেন লভো সাক্ষাত মই বীৰশ্ৰেষ্ঠ পিতামহৰ -

**সূত্ৰ ঃ এনেতে ঘটোৎকচ আৰু মৌৰবী আহে ---**

মৌৰৱী ঃ বাচা বৰ্বৰিক ---

বৰ্ব ঃ দেৱ যেন পিতা - মাতাৰ শ্ৰীচৰণত পুত্ৰই ৰাখিলো শিৰ ; দিয়ক আশীৰ্বাদ ।

মৌৰৱী ঃ উঠ বাচা , তোৰ স্থান আমাৰ হৃদয়ত ---

বৰ্ব ঃ মাতা , লভি মায়াবিদ্যা তোমাৰ পৰা ধন্য হ'ল আমাৰ জীৱন ---

ঘটোৎ ঃ বাচা, এইবাৰ তুমি ল'ব লাগিব অস্ত্ৰ শিক্ষা । মাতাৰ লগত কৰি আলাপ যদুপতিৰ পৰা ল'লো সন্মতি । লৈ যাম আজি তোমাক অস্ত্ৰ শিক্ষা প্ৰদানৰ বাবে যদুপতিৰ কাষে ---

মৌৰৱী ঃ যদুপতি ? কিন্তু সুদূৰ দ্বাৰকালৈ পঠাই পুত্ৰধনক কেনেদৰে থাকিম মই হিড়িম্বাপুৰত ? আন বিকল্প নাইনে নাথ ?

ঘটোৎ ঃ যদুপতিতকৈ কোন হ'ব পাৰে উত্তম গুৰু এই ধৰাৰ বক্ষত ? পুত্ৰ স্নেহত অন্ধ নহ'বা প্ৰিয়ে । জীৱনৰ বাট নহয় মসৃণ; পদে পদে থাকিব বিপদ । মায়া বিদ্যাই নহয় পৰ্যাপ্ত পুত্ৰৰ বাবে , অস্ত্ৰশিক্ষাৰ অতি প্ৰয়োজন ।

বৰ্ব ঃ মোৰ বাবে চিন্তা নকৰিবা মাতা ; তোমাৰ স্নেহ , তোমাৰ স্মৃতি সযতনে ৰাখি বুকুত অতি শীঘ্ৰে আহিম উলটি অস্ত্ৰশিক্ষা লভি ---

ঘটোৎ ঃ বাঃ বাচা বাঃ, এয়াই বীৰৰ বচন । তেন্তে ওলোৱা পুত্ৰ, লৈ যাঁও তোমাক যদুপতিৰ কাষে--

বৰ্ব ঃ আশীৰ্বাদ দিয়া আই , তোমাৰ পুত্ৰ যাতে হয় সফল ---

মৌৰৱী ঃ যা বাচা , অপেক্ষা কৰিম মই তোৰ সফল আগমণলৈ --

**সূত্ৰ ঃ প্ৰথমে ঘটোৎকচ আৰু বৰ্বৰিকৰ প্ৰস্থান ; পাছত মৌৰৱীৰ প্ৰস্থান । আনফালে সভাত পাতাল দৈত্য দণ্ডকা, জংঘা আৰু কলংঘৰ প্ৰৱেশ --------**

**গীত ঃ ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল, ৰূপগঞ্জল )**

**প্ৰৱেশয় সভাৰ মাজে দৈত্যৰ সেনানী ।**
**তলবল কৰি আহে মনতে অগনি ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

দণ্ডকা ঃ চালনা, চালনা, সকলোৰে কৰে চালনা ; কৰে সৃষ্টিকৰ্তাই , কৰে পালনকৰ্তাই , কৰে জগতবাসীয়ে দৈত্য - দানৱৰ লগত চালনা । নুবুজিলো , নাজানিলো কি গুণে দেৱতাই পালে অমৃতসহ স্বৰ্গ, মনুষ্যই পালে শ্যামলী মেদিনী ? আৰু কি দোষত আমাক দিলে এই পাতালপুৰী ---

জংঘা ঃ মোৰ মনতো বাৰে বাৰে জাগে সেই প্ৰশ্ন দাদা ; যত আছে উৎকৃষ্ট স্থান কিম্বা সম্পদ সৰ্বচ্ছ লভে দেৱতাই আৰু পদে পদে আমাক হীন বুলি নীচ বুলি কৰে লাঞ্চনা ----

কলংঘ ঃ কৰক লাঞ্চনা , কৰক বঞ্চনা , তাৰবাবে দাদা নকৰিব চিন্তা । আছে দুবাহুত আমাৰ বল , স্বৰ্গ, মৰ্ত্য, পাতাল তিনিও ত্ৰৈলুক্যত লগাম হাঁহাকাৰ ; আঁজুৰি আনিম আমাৰ অধিকাৰ হাঃ হাঃ --

দণ্ডকা ঃ হাঃ হাঃ আঁজুৰি আনিম আমাৰ অধিকাৰ ; উত্তম, অতি উত্তম বচন ভাতৃ তোমাৰ, তিনি ত্ৰৈলুক্যত উৰিব পাতাল দৈত্যৰ বিজয় পতাকা হাঃ হাঃ হাঃ ---

জংঘা ঃ দাদা , সাজু আছে আমাৰ পাতালী দৈত্য , কৰিব দেৱ - মনুষ্যৰ ৰক্ত পান । মাথো লাগে দাদা আপোনাৰ আদেশ ; ৰাখক বিশ্বাস আমাৰ ওপৰত -- নিমিষতে বধিম দুৰ্বল মনুষ্যক, অনায়াসে কৰিম বন্দী অমৰাৱতীৰ দেৱেন্দ্ৰক হাঃ হাঃ হাঃ-----

দণ্ডকা ঃ আছে বিশ্বাস মোৰ নিজৰ ওপৰত ; আছে বিশ্বাস মোৰ তোমালোকৰ ওপৰত । স্বৰ্গ , মৰ্ত্যত আমি নিশ্চয় কৰিম আক্ৰমণ । কিন্তু , পাতালতেই আছে আমাৰ অন্য এক শত্ৰু । তাক কি তোমালোকে গ'লা পাহৰি ? --- বাসুকী , -- অ বাসুকী হ'ল মোৰ প্ৰথম শত্ৰু । নকৰি মোৰ বশ্যতা স্বীকাৰ বাসুকীয়ে মোক আজি কৰে অপমান ---

কলংঘ ঃ তেন্তে পলম কিয় দাদা , অতৰ্কিতে প্ৰথমেই কৰোঁ আক্ৰমণ নাগকুলৰ ওপৰত ।

দণ্ডকা ঃ হাঃ হাঃ যোগ্য ভাতৃৰ পৰা পালো সুযোগ্য সমিধান । তেন্তে ব'লা , কৰি অদ্ভুত মায়াজালৰ ৰচনা বাসুকীসহ সমস্ত নাগকুলক দিম মৃত্যুৰ যাতনা ------

সূত্ৰ ঃ দৈত্যগণে যুদ্ধযাত্ৰা কৰে । আনফালে বাসুকী আৰু তক্ষক আহে ------

বাসুকী ঃ আঃ বাসুকীৰ উদাৰতাক নুবুজিলে দৈত্যই । ভাতৃ, হোৱা সাজু , কু অভিপ্ৰায়ে আহিছে দৈত্য , ঢালি সিহঁতৰ শৰীৰত হলাহল , নাশ কৰিবা সিহঁতৰ জীৱন ----

**সূত্ৰ ঃ এনেতে দৈত্যগণ আহে ----**

বাসুকী ঃ অধম দৈত্য , নুগুচিল নীচ প্ৰবৃত্তি তহঁতৰ । চুৰৰ দৰে আহি পৰৰ ৰাজ্য কৰিছ আক্ৰমণ --

জংঘা ঃ শুন হেৰ বাসুকী কাশ্যপ নন্দন , পাতালৰ অধীশ্বৰ মোৰ দাদা দণ্ডকা আহিছে আজি তোৰ সন্মুখে ; নকৰি ৰণ নাগ ৰাজ্য তোৰ দাদাৰ চৰণত কৰ অৰ্পণ --

তক্ষক ঃ সাৱধান দৈত্য , এই তক্ষকক কি তই নাপাৱ চিনি ? কোন সাহসেৰে তহঁতে কৰ আমাৰ ৰাজ্য আক্ৰমণ । প্ৰাণবায়ু তহঁতৰ কাঢ়িবলৈ প্ৰয়োজন মাথো মোক এক দংশনৰ ।

দণ্ডকা ঃ আঃ ইমান দম্ভ, ইমান অহংকাৰ ; ভাতৃগণ, কৰা আক্ৰমণ এটাও নাগ যাতে নাবাচে আজি ।

**গীত - ( ৰাগ ঃ কানাড়া, তাল ঃ পৰিতাল )**

**নাগে দৈত্যই কৰে ৰণ অতি ভয়ংকৰ ।**
**যুদ্ধভৰে ত্ৰিভূৱন কম্পে থৰাথৰ ।।**
**অৱশেষে দৈত্যৰাজে মায়াক ৰচিলা ।**
**ৰাম হৰি ৰাম হৰি সৰ্বজন বোলা ।।**

**সূত্ৰ ঃদৈত্যগণ পৰাস্ত হোৱা যেন দেখি দণ্ডকাই মায়াৰ বলে নাগকুলক বশ কৰে ---**

দণ্ডকা ঃ হাঃ হাঃ বাসুকী , বাসুকী এয়াই নেকি তোৰ শক্তি ? আৰু তই মহা বিষধৰ তক্ষক , দৈত্যৰ জীৱন নাশক -- হাঃ হাঃ মাথো এক দংশন -- হাঃ হাঃ এই শক্তিকে লৈ তই কৰিছিলি দম্ভ --

তক্ষক ঃ অধম দৈত্য , নোৱাৰি অস্ত্ৰই , নোৱাৰি বলেৰে মায়াবিদ্যাৰে আমাক তই কৰিলি বশ । সাহস আছে যদি তোৰ কৰ মোক মুক্ত --

দণ্ডকা ঃ আঃ বন্দী হৈও ইয়াৰ নুগুছিল অহংকাৰ । মহাপ্ৰতাপী , মায়াৰ অধিপতি পাতাল দৈত্য দণ্ডকাক তই কৰ তিৰস্কাৰ (প্ৰহাৰ কৰে ), হাঃ হাঃ যি বিষ দন্তক লৈ তই কৰ দম্ভ , আজি মই উঘালি দিম তোৰ সেই দন্ত হাঃ হাঃ হাঃ ----

কলংঘ ঃ অতি উত্তম দাদা , অহংকাৰ ইয়াৰ কৰক চূৰ্ণ , দিয়ক উঘালি ইয়াৰ বিষ দন্ত ---

বাসুকী ঃ নাই নাই দৈত্যপতি , ভাতৃৰ অপৰাধ কৰক মাৰ্জনা ; আপোনাক মই কৰিছো প্ৰাৰ্থনা , ক্ষমা কৰক মোৰ ভাতৃক আপুনি --

দণ্ডকা ঃ ভাতৃগণ, চোৱা নাগৰাজ বাসুকীয়ে মোক কৰিছে মিনতি ; হাঃ হাঃ চা তক্ষক , বাসুকীয়ে আজি চৰণত পৰি মোৰ মাগিছে প্ৰাণ ভিক্ষা তোৰ হাঃ হাঃ -- ভাতৃগণ , লৈ যোৱা এতিয়া ইহঁতক । মায়াৰে আবৃত কোঠাত ৰাখাগৈ আবদ্ধ কৰি । পাছত ইহঁত দুয়োটাৰে মই কৰিম বিচাৰ --

জংঘা ঃ আদেশ পালন কৰা হ'ব দাদা ; আহাঁ কলংঘ , ব'ল পাষণ্ড ব'ল ---

**সূত্ৰ ঃজংঘা আৰু কলংঘই বন্দীক লৈ যায়; দণ্ডকাৰ প্ৰস্থান । আনফালে সভাত বৰ্বৰিক-**

বৰ্ব ঃ ধন্য হ'ল মোৰ জীৱন , যদুপতিৰ পৰা লভিলো অস্ত্ৰ শিক্ষা । পোৱা নাই সাক্ষাত বহুদিন মাতা - পিতাৰ ; অন্তৰত জাগে হাবিয়াস মাতাৰ সান্নিধ্য লভাৰ। কিন্তু যদুপতিৰ দিহামতে আহিলো বনত হৰ - গৌৰীক তপৰ হেতু । নাই নাই কৰিছো পণ, কঠোৰ তপেৰে সন্তুষ্ট কৰিম মই প্ৰথমে মহাদেৱক । যাঁও এতিয়া তপৰ হেতু জলৰ কৰোঁগৈ যোগাৰ --

**সূত্ৰ ঃ বৰ্বৰিকৰ প্ৰস্থান । আনফালে সভাত এটি ময়ুৰ পক্ষীৰ প্ৰৱেশ ---**

**( বাজনা ঃ ভঙ্গী )**

সূত্ৰ ঃ ময়ুৰে সভাত চালি ধৰে । এনেতে বনবাসী ৰূপত ভীমসেন । ভীতিগ্ৰস্ত হৈ ময়ুৰ পক্ষীৰ প্ৰস্থান --

ভীম ঃ বহুদূৰ আহিলো বনত জলৰ সন্ধানত । পাঞ্চালী হৈছে জলত আতুৰ । পোৱা নাই জলৰ সন্ধান ---অ পাইছো , সৌৱা এক সৰোবৰ , আছে জলেৰে ভৰি । হেঁপাহ পলোৱাই ময়ো পান কৰোঁ জল আৰু লৈ যাম পাঞ্চালী আৰু ভাতৃগণলৈ --

সূত্ৰ ঃ ভীমে জল পান কৰি মুখ ধুই থাকে । এনেতে বৰ্বৰিক ------

বৰ্ব ঃ ই কি -----?? হেৰ' মনুষ্য, কিয় তই কৰ সৰোবৰৰ জল কলুষিত ?
ভীম ঃ দুৰাচাৰী বালক, বনৰ জলত সকলোৰে আছে অধিকাৰ। তাত তই কিয় দিয় বাধা ?
**সূত্ৰ ঃ ( ভীমে পুনৰ মুখ ধোৱে -------- )**
বৰ্ব ঃ আঃ এই জল মই মহাদেৱৰ পূজাত কৰিছো ব্যৱহাৰ। কিন্তু, আজি ই কৰিলে কলুষিত ; দুৰাচাৰী অধম মনুষ্য ----
ভীম ঃ সাৱধান, কাক কৰ তই অধম সম্বোধন ? অশিষ্ট বালক, নাজান তই কেনেদৰে জ্যেষ্ঠক কৰিব লাগে ব্যৱহাৰ ? শিষ্টাচাৰ কি তোক নিশিকালে তোৰ অধম পিতৃ - মাতৃয়ে ?
বৰ্ব ঃ সাৱধান, মোৰ পিতা -মাতাক তই কোন সাহসেৰে কৰ অধম সম্বোধন ? পিতা -মাতাৰ অপমান নসহো মই। আঃ, মহাকালেও আজি তোক নোৱাৰে বচাব ; তোৰ কৰিম আজি মই জীৱন নাশ।
ভীম ঃ আঃ সামান্য এটা বালকৰ ইমান অহংকাৰ। হেৰ অহংকাৰী দুৰাচাৰ, নিচিনি তই মোক কৰিলি অপমান, আজি তোক দিম মই ইয়াৰ যোগ্য প্ৰতিদান --
বৰ্ব ঃ হাঃ হাঃ ৰণলৈ মই নকৰোঁ ভয়, বাহু যুদ্ধৰ বাবে তোক মই দিলো আহ্বান।
ভীম ঃ অতি উত্তম ; তেন্তে, সেয়ে হওক ---

## সূচনা

**বাহু যুদ্ধ কৰে দেখা এ দুয়ো মহাবীৰ।**
**বলদৰ্পে দুয়ো দুয়োকে কৰিলা প্ৰহাৰ।।**

**সূত্ৰ ঃ ৰণত ভীমসেন পৰাস্ত হৈ যি কয় --**
ভীম ঃ আচৰিত, আচৰিত এক বালকৰ প্ৰহাৰত আজি ভূমিত পৰিলো মই ? এয়া সপোন নে দিঠক ? হে বালক, চমৎকাৰ তোমাৰ বীৰত্ব। ৰণ কৌশলত তোমাৰ হ'লো মই মুগ্ধ। বুজিলো তুমি নোহোৱা সাধাৰণ বালক, দিয়া তোমাৰ সত্য পৰিচয়।
বৰ্ব ঃ হে মান্যবৰ, নাম মোৰ বৰ্বৰিক। মাতৃ মোৰ মৌৰবী আৰু পিতা মোৰ বৃকোদৰনন্দন ঘটোৎকচ-
ভীম ঃ কি তুমি ঘটোৎকচনন্দন ? আঃ কিযে সুন্দৰ, কিযে বলবান নাতি মোৰ। উসঃ নিচিনি তোমাক মই বজ্ৰ মুষ্টিৰে কৰিলো প্ৰহাৰ। আঁহা বাচা, তোমাক লওঁ আকোঁৱালি ---
বৰ্ব ঃ ক্ষমা কৰিব দেৱ, এতিয়াও মই নিচিনিলো আপোনাক -----
ভীম ঃ ময়ে দ্বিতীয় পাণ্ডৱ, তোমাৰ পিতা ঘটোৎকচ মোৰেই পুত্ৰ ---
বৰ্ব ঃ কি আপুনি মহাবলী বৃকোদৰ ? হায় হায়, মহাপাপী মই। নিচিনি পিতামহক মই কৰিলো তিৰস্কাৰ, কৰিলো আঘাট। হে পিতামহ, মোৰ শতকোটি অপৰাধ আপুনি কৰক মাৰ্জনা।
ভীম ঃ উঠা বাচা, কৰা নাই তুমি কোনো অপৰাধ। কিন্তু এই বনৰ মাজত তুমি -----
বৰ্ব ঃ পিতামহ, যদুপতিৰ আদেশত মই এই বনৰ মাজত হৰ-গৌৰীক কৰিছো আৰাধনা। পাছে পিতামহ, জাগিছে কৌতুহল, কিয় দেখো আপোনাক এনে ৰূপত তাকো এই বনৰ মাজত ---
ভীম ঃ আছে বহু কথা ; বাৰু ব'লা, কিছু দুৰতে আছে পাঞ্চালী সহ তোমাৰ অন্য পিতামহগণ, তেওঁলোকৰ লগতো তোমাক কৰাওঁগৈ সাক্ষাত। হ'ব সুখী তেওঁলোক, তোমাক দেখা পাই ---
বৰ্ব ঃ কি যে শুভক্ষণ আজি, সকলোকে মই পাম দেখা। ব'লক পিতামহ --
**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দণ্ডকা, জংঘা আৰু কলংঘ ----**
জংঘা ঃ দাদা, সমগ্ৰ পাতাল কৰিলো দখল। শত্ৰু বাসুকী আজি বন্দী আমাৰ মায়াজালত হাঃ হাঃ---
কলংঘ ঃ হাঃ সমগ্ৰ পাতাল কম্পিত আমাৰ ভয়ত, কৰিছে পাতালবাসীয়ে আজি আমাৰেই জয়গান --
দণ্ডকা ঃ স্তব্ধ হোৱা ভাতৃগণ, কেৱল পাতাল বিজয়ে মোৰ মনলৈ নানে শান্তি ; লাগে মোক এইবাৰ মৰতৰ বতৰা। চলিছেনে মৰতত আমাৰ অৰ্চনা, কৰিছেনে মনুষ্যই আমাৰ বন্দনা ? দিয়া ভাতৃগণ, দিয়া মোক ইয়াৰ বৰ্ণনা।
জংঘা ঃ দাদা,----মৰতত -- মৰতত আমাক -----
দণ্ডকা ঃ নোকোৱা কিয় ? কি মৰতত --- ?
কলংঘ ঃ দাদা, মৰতত আমাৰ চলা নাই অৰ্চন ----

জংঘা ঃ হয় দাদা, মৰতৰ মনুষ্যই নকৰে আমাৰ বন্দন ---

দণ্ডকা ঃ আঃ মৰতত আমাৰ চলা নাই অৰ্চনা, মৰতত আমাৰ কৰা নাই বন্দনা। তেন্তে কি মনুষ্য হ'ল নিৰীশ্বৰ, নভজে কাকো ভগবান বুলি ? ক'ত গ'ল মৰতৰ ঋষি - তপস্বী ?

জংঘা ঃ দাদা, মৰতৰ তপস্বীয়ে ভজিছে কৃষ্ণক ; অ দাদা, কয় সিহঁতে কৃষ্ণই হেনো নাৰায়ণ ; নৰৰূপে মৰতত লৈছে অৱতাৰ ---

দণ্ডকা ঃ হাঃ হাঃ হহোঁৱালা ভাতৃ, হহোঁৱালা মোক। কৃষ্ণ, -- দ্বাৰকাৰ সেই মাখন চুৰ মুৰুলীবাদক --- নাৰায়ণৰ অৱতাৰ --- ? হাঃ হাঃ হাঃ --

কলংঘ ঃ দাদা, কৃষ্ণ নহয় সাধাৰণ মনুষ্য ; মুৰুলীবাদক বুলি তুমি নকৰিবা ভুল। মহাবলী মুৰ দৈত্য, কংস, অঘাসুৰৰ দৰে বীৰক কৃষ্ণই কৰিছে নিধন।

দণ্ডকা ঃ আঃ তেন্তে মহা ভুল কৰিলে কৃষ্ণই, আজিৰপৰা সি আমাৰ চৰম শত্ৰু। ভাতৃ, হত্যা কৰিব লাগিব তাক, হত্যা কৰিব লাগিব তাৰ ভক্তগণক। বন্ধ কৰি কৃষ্ণৰ অৰ্চনা, স্তব্ধ কৰি তাৰ বন্দনা, বিয়পাব লাগিব জগতত পাতাল দৈত্য দণ্ডকাৰ বিভীষিকা হাঃ হাঃ --

জংঘা ঃ আদেশ পালন কৰা হ'ব দাদা ; কৃষ্ণ ভক্ত, বিষ্ণু ভক্তক আমি দিম দণ্ড, অচিৰেই কৃষ্ণৰ নাম ধৰণীৰ পৰা কৰিম লুপ্ত ---

কলংঘ ঃ মৰতত বাজিব দাদা দৈত্যৰ বিজয় ডংকা, চৰণত পৰি অবাধ্য মনুষ্যই কৰিব কাকুতি, কৰিব মিনতি আৰু হাঃ হাঃ মোৰ এই তীক্ষ্ণ তৰোৱালে নুমুৰাই দিব সিহঁতৰ জীৱন বন্তি ---

দণ্ডকা ঃ তেন্তে কলংঘ, যোৱা তুমি সঙ্গে লৈ বিশাল সৈন্য বিয়পোৱা মৰতত বিভীষিকা পাতাল দৈত্যৰ --

কলংঘ ঃ আদেশ শিৰোধাৰ্য দাদা -- এৱে মই কৰোঁ যাত্ৰা ----- ( **প্ৰস্থান** )

দণ্ডকা ঃ আঁহা ভাতৃ, আমিও নিজ কাৰ্যত হওঁ অগ্ৰসৰ ---

**সূত্ৰ ঃ দৈত্যগণৰ প্ৰস্থান। আনফালে সভাত দুখমনে মৌৰৱী -----------------**

মৌৰৱী ঃ পুত্ৰই মোৰ বনৰ মাজত অনাহাৰে অনিদ্ৰাই কৰি আছে হৰ-গৌৰীক তপ। জানো মই, সফল নোহোৱালৈকে নাহে সি মোৰ সমীপে। হে মহাদেৱ, হে মাতা গৌৰী, সন্তুষ্ট হোৱা তোমালোক, সন্তুষ্ট হোৱা মোৰ পুত্ৰৰ তপস্যাত ---

**সূত্ৰ ঃ এনেতে ঘটোৎকচ ---------**

ঘটোৎ ঃ মৌৰৱী, প্ৰিয়ে মৌৰৱী কি হৈছে তোমাৰ ? কিয় দেখো তোমাক আজি মলিন বদনে ?

মৌৰৱী ঃ নাথ, নাথ পুত্ৰ কাষত নাথাকিলে পিতৃৰ হৃদয়ে কি কয় নাজানো মই, কিন্তু মাতৃৰ হৃদয়ে কৰে হাঁহাকাৰ। নাথ, বৰ্বৰিকৰ বাবে চিন্তিত আজি মই। সহিব পৰা নাই মই পুত্ৰৰ বিচ্ছেদ।

ঘটোৎ ঃ বিচ্ছেদ বুলি কিয় কোৱা প্ৰিয়ে ? তোমাৰ পৰা মায়াবিদ্যা আৰু যদুপতিৰ পৰা লৈ অস্ত্ৰ শিক্ষা আমাৰ পুত্ৰ বৰ্বৰিকে নিজৰ মংগলৰ বাবেই কৰিছে হৰ-গৌৰীক তপ। বিশ্বাস আছে মোৰ পুত্ৰৰ ওপৰত ; অচিৰেই সফল হৈ আহিব আমাৰ পুত্ৰ---

**সূত্ৰ ঃ এনেতে বাহিৰত বৰ্বৰিকৰ কণ্ঠস্বৰ ---- ( মাতৃ , মাতৃ )------------------**

মৌৰৱী ঃ পুত্ৰ ,---- পুত্ৰ মোৰ বৰ্বৰিক ---

বৰ্ব ঃ ( **সোমাই আহি প্ৰণাম কৰে** ) প্ৰণাম মাতা, --- প্ৰণাম পিতা।

মৌৰৱী ঃ বাচা, তই আহিলি বাচা ; আহ বাচা, তোক মই লওঁ আঁকোৱালি ---

**সূত্ৰ ঃ এনেতে হিড়িম্বা ----------------------------**

হিড়িম্বা ঃ বৰ্বৰিক, বাচা বৰ্ব --------

বৰ্ব ঃ প্ৰণাম মাতামহ। মোৰ সেৱা গ্ৰহণ কৰক ----

হিড়িম্বা ঃ দীৰ্ঘজীৱী হ বাচা। হ'লনে তোৰ তপস্যা সফল ------ ?

বৰ্ব ঃ হে মাতামহ, হে মোৰ পূজনীয় পিতা - মাতা, তোমালোকৰ পুত্ৰ এই বৰ্বৰিকে তপস্যা কৰি মহাদেৱক কৰিলে সন্তুষ্ট। চোৱা পিতা মহাদেৱে আশীৰ্বাদসহ দিছে মোক এই তিনিপাত অক্ষয় বাণ আৰু অগ্নিদেৱে প্ৰদান কৰিলে মোক এই দিব্য ধনু।

ঘটোৎ ঃ হে মহাদেৱ, তোমাক কয় আশুতোষ বুলি। মোৰ পুত্ৰই তোমাক কৰিলে অত তপ, কিন্তু প্ৰতিদানৰূপে তুমি দিলা মাত্ৰ তিনিপাত বাণ ? বুজিছো, জাতত ৰাক্ষস বাবেই বৰ্বৰিকৰ প্ৰতি কৰিলা তুমি এনে অন্যায় ?

বৰ্ব ঃ পিতা, মহাদেৱৰ প্ৰতি তুমি নুবুলিবা কটু বচন । মাত্ৰ তিনিপাত বাণ বুলি তুমি নকৰিবা অৱজ্ঞা । আছে ঐশ্বৰিক শক্তি এই তিনিপাত অক্ষয় বাণত । প্ৰথম পাত বাণে যিমানেই লক্ষ্য মোৰ সকলোতে লগাব চিহ্ন, দ্বিতীয় পাত বাণে মোৰ যত চিহ্নিত লক্ষ্য ততৰ লব প্ৰাণ আৰু তৃতীয় পাত বাণে মোৰ সমস্ত সৃষ্টিক পিতা কৰিব নিঃশেষ --

মৌৰবী ঃ হে মহাদেৱ, পুত্ৰ বৰ্বৰিকৰ ওপৰত কৃপা কৰাৰ বাবে দুয়োৰে চৰণত যাঁচিছো মই সহস্ৰ প্ৰণিপাত । কিন্তু বাচা বৰ্বৰিক, কৰিব লাগিব আজি তই এক অঙ্গীকাৰ । অ বাচা, অবাবত তই কেৱল আনন্দ প্ৰাপ্তিৰ বাবে এই বাণ যেন কদাপিতো নকৰ নিক্ষেপ --

হিড়িম্বা ঃ লগতে তই কৰিব লাগিব আৰু এক অঙ্গীকাৰ -- ; দুৰ্বলীৰহে তই হবি সহায়, ৰণত সৰ্বদা তই দুৰ্বল পক্ষকহে কৰিবি সহায় --

বৰ্ব ঃ হে মাতৃ আৰু মাতামহ, আপোনাসবৰ উপদেশ সৰ্বদা মই কৰিম পালন । কৰিছো পণ জগতৰ কল্যাণৰ বাবেহে এই বাণ প্ৰয়োগ কৰিম মই, সৰ্বদা দুৰ্বলীৰহে সহায় হ'ম মই ।

মৌৰবী ঃ উত্তম বাচা, অতি উত্তম । এতিয়া ব'ল তোক আজি মই হেঁপাহ পলোৱাই কৰোঁৱাম ভোজন । আহক মাতা, আহক স্বামী সবে আমি কৰোঁগৈ ভোজন ।

**<u>সূত্ৰ ঃ</u>** **<u>সকলোৰে প্ৰস্থান । আনফালে সভাত প্ৰথমে দণ্ডকা আৰু পাছত বন্দী ৰূপে বাসুকী আৰু তক্ষকক লৈ জংঘা আহে--</u>**

জংঘা ঃ দাদা, লৈ আহিছো বন্দীক । কৰক বিচাৰ ইহঁতৰ ----

দণ্ডকা ঃ আঁহা বাসুকী -- আঁহা সখা, বন্দীৰূপে আছা যদিও তোমাক মই জনাইছো স্বাগতম ।

বাসুকী ঃ আচৰিত ; কিয়বা বন্দীক জনাই আজি এনে সম্ভাষণ --- ?

দণ্ডকা ঃ জানো মই বাসুকী তুমি বুদ্ধিয়ক । তুমি ৰাজন সৰ্পকুলৰ ; তুমি আৰু আমি দুয়ো ৰাজন এই পাতালপুৰৰ হাঃ হাঃ আৰু নিশ্চিত মই তুমি মোৰ প্ৰস্তাৱো কৰিবা গ্ৰহণ ---

বাসুকী ঃ কেনে প্ৰস্তাৱ ----- ?

দণ্ডকা ঃ চল কৰি বিষ্ণুয়ে, চল কৰি ব্ৰহ্মাই, চল কৰি দেৱ -মনুষ্যই আমাক দিছে এই পাতালপুৰী । দেৱতাই ল'লে স্বৰ্গলোক, মনুষ্যই ল'লে মৰ্ত্যলোক আৰু আমি পালো কি ? আঃ আমাৰ ভাগ্যত এই পাতাল লোক। চোৱা বাসুকী,ময়ো পাতালৰ তুমিও পাতালৰ ; পাহৰি পেলাওঁ আমাৰ শত্ৰুতা । তোমাৰ হলাহল আৰু মোৰ বাহুবলে জয় কৰোঁ তিনি ত্ৰৈলুক্য ; হাঃ হাঃ ত্ৰিজগতত গুঞ্জৰিত হ'ব কেৱল আমাৰ জয়গান । জয় দণ্ডকাৰ, জয় বাসুকীৰ হাঃ হাঃ--

বাসুকী ঃ অধম দৈত্য, কেনেকৈ ভাবিলি তই বাসুকী ইমান নীচ বুলি ? জগত জিনিম মই প্ৰেমৰ ডোলেৰে ; তোৰ এনে নীচ প্ৰস্তাৱ কদাপি গ্ৰহণ নকৰে এই বাসুকীয়ে ---

দণ্ডকা ঃ ( খঙেৰে ) বাসুকী -------

তক্ষক ঃ হাঃ হাঃ -- জয় নাগৰাজৰ জয়, জয় নাগৰাজৰ জয়, জয় নাগৰাজৰ জয় ---

জংঘা ঃ আঃ দাদা, কিয় দিয়ে মূৰ্খক ইমান সন্মান ? ইমান দম্ভ, ইমান অহংকাৰ ইহঁতৰ। দাদা, দিয়ক আদেশ ইহঁতক মই এতিয়াই কৰোঁ নিধন ।

দণ্ডকা ঃ আঃ বন্দী অৱস্থাতো ইহঁতৰ ইমান গৰ্ব ; ভাতৃপ্ৰেম, বিশ্বপ্ৰেমত হৈছে অন্ধ । ভাতৃ, ধৰা বাসুকীক, প্ৰথমে কৰোঁ মই ইয়াৰ শিৰচ্ছেদ -------

জংঘা ঃ উচিত দণ্ড হ'ব ইয়াৰ বাবে, লওক দাদা এই তীক্ষ্ণ তৰোৱালে কৰক ইয়াৰ শিৰচ্ছেদ--

বাসুকী ঃ মৃত্যুলে মই নকৰোঁ ভয়, দিছো শিৰ পাতি কৰ শিৰচ্ছেদ ----

তক্ষক ঃ নাই নাই দাদা ; দণ্ডকা নকৰিবি তেনে কাৰ্য -----

**<u>সূত্ৰ ঃ</u>** **<u>দণ্ডকাই বাসুকীক শিৰচ্ছেদ কৰিব খোজে। এনেতে উত্ৰাৱল হৈ কলংঘ -</u>**

কলংঘ ঃ দাদা, দাদা ----

দণ্ডক ঃ ভাতৃ, কিয় শুভ ক্ষণত আহি কৰিছ চিৎকাৰ ?

কলংঘ ঃ দাদা, মৰ্ত্যত আমাৰ আদেশ অমান্য কৰি এক মনুষ্যই কৰিছে দেৱ যজ্ঞৰ আয়োজন ।

দণ্ডকা ঃ আঃ সামান্য মনুষ্যই কৰে মোৰ আদেশ অমান্য ? ভাতৃ, তই কৰিছ কি ? নলৈ তাৰ ওপৰত

চৰম প্ৰতিশোধ দৌৰি আহিছু তই পাতালপুৰীলৈ -----

কলংঘ ঃ দাদা, সমাপ্ত কৰিব বিচাৰিছিলো মই তাৰ জীৱন। কিন্তু, এক বীৰে দিলেহি বাধা; কৰিলো প্ৰচণ্ড ৰণ, পাছে নোৱাৰিলো জিনিব তাক। প্ৰাণ লৈ প্ৰৱেশিলো মই পাতালপুৰীত; কিন্তু দাদা পাতালতো মোৰ পাছে পাছে সি কৰিছে প্ৰৱেশ --

দণ্ডকা ঃ ধিক্কাৰ, শতবাৰ ধিক্কাৰ দিওঁ কলংঘ তোক; ভাতৃ বুলিবলৈ তোক মোৰ লাগিছে ঘৃণা। ৰণত পৰাস্ত হৈ তই কৰিলি পলায়ন ? মহাবলী দৈত্য কুলত জন্ম তোৰ, পলায়ন কৰাতকৈ তই কিয় নকৰিলি মৃত্যুকে গ্ৰহণ ?

**সূত্ৰ ঃ এনেতে বৰ্বৰিক ----------------------------**

বৰ্ব ঃ ইচ্ছা কৰিয়েই মই নামাৰিলো ইয়াক। নহ'লেযে তহঁতৰ মই নাপাম সাক্ষাত।

কলংঘ ঃ দাদা, দাদা ইয়ে মোক দিছিলে বাধা আৰু এতিয়া আমাৰ সন্মূখত ---

বৰ্ব ঃ অধম দৈত্য, কোনে দিলে তহঁতক অধিকাৰ জগতত দেৱযজ্ঞ, হৰি পূজা বন্ধ কৰাৰ ? থাকোতে ধৰাত বৰ্বৰিক ক'ত পালি সাহস সাধু-সন্তক অত্যাচাৰ কৰাৰ ? আজি ভুগিবি তহঁতে ইয়াৰ পৰিণাম

দণ্ডকা ঃ হাঃ হাঃ মৃত্যুৱে তোক আনিলে টানি। আমিয়ে মহাবলী পাতাল দৈত্য, অগনন আমাৰ সেনানী। চা আমাৰ পৰাক্ৰম, নাগৰাজ বাসুকী আৰু বিষধৰ তক্ষক পৰি আছে আজি আমাৰেই চৰণত হাঃ --

বৰ্ব ঃ এই দম্ভালি আৰু তহঁতৰ নাথাকে বেছি পৰ। অগনন সেনানীলৈ মই নকৰোঁ ভয়। তহঁতক বিনাশ কৰিবৰ বাবে মোৰ এই দুপাত বাণেই যথেষ্ট।

জংঘা ঃ হাঃ হাঃ দাদা, কিযে বহুৱা ই; মোৰ বোধেৰে ইয়াৰ মগজুৰ ঘটিছে বিকৃতি। সেয়ে মাৰে দম্ভালি -- দুপাত বাণেৰেই ই কৰিব নাশ আমাৰ সেনানী হাঃ হাঃ --

বৰ্ব ঃ মুখৰ কথাৰ আৰু নাই প্ৰয়োজন; চা, চা তেন্তে তহঁতে মোৰ প্ৰথম পাত বাণৰ প্ৰভাৱ --

**সূত্ৰ ঃ বৰ্বৰিকে প্ৰথমপাত বাণ মাৰে-------------**

কলংঘ ঃ দাদা, এয়া মোৰ দেহত কিহৰ চিহ্ন ?

জংঘা ঃ ভাতৃ, আচৰিত মোৰ দেহতো আহিল এই চিহ্ন। দাদা, আপোনাৰ শৰীৰতো --- ?

বৰ্ব ঃ এয়া মোৰ প্ৰথম পাত বাণৰ প্ৰভাৱ। তহঁতৰ দেহত অংকিত কৰিলে মৃত্যুচিহ্ন। এইবাৰ চা মোৰ দ্বিতীয় পাত বাণৰ প্ৰভাৱ। এই বাণে তহঁতক কৰিব বিনাশ --

কলংঘ ঃ নাই নাই, তুমি তেনে নকৰিবা --- দাদা, ৰক্ষা কৰক, আমাক ৰক্ষা কৰক ---

**সূত্ৰ ঃ বৰ্বৰিকে দ্বিতীয়পাত বাণ মাৰে ---**

দৈত্যগণঃ আঃ আঃ ---

**সূত্ৰ ঃ দৈত্যগণৰ মৃত্যু হয়। মায়াজালৰ পৰা নাগগণ মুক্ত হয়। বাসুকীয়ে যি কয় --**

বাসুকী ঃ ধন্য ধন্য বীৰ, ধন্য আপোনাৰ বীৰত্ব, ভাতৃ তক্ষকসহ মই বাসুকীয়ে আপোনাক কৰিছো প্ৰণাম। দিবনে আপোনাৰ প্ৰকৃত পৰিচয় ?

বৰ্ব ঃ হে নাগৰাজ, ঘটোৎকচনন্দন মই বৰ্বৰিক, দ্বিতীয় পাণ্ডৱ ভীমসেন মোৰ পিতামহ।

বাসুকী ঃ হে ঘটোৎকচনন্দন বৰ্বৰিক, ধন্য আপোনাৰ পৰাক্ৰম; নাগৰাজ্য আজিৰ পৰা হ'ল আপোনাৰ --

বৰ্ব ঃ ৰাজ্যলাভ মোৰ নহয় অভিপ্ৰায়, মই মাথো দুৰ্বলীৰ ৰক্ষক। হে নাগৰাজ, নাগৰাজ্য আপোনাৰ আৰু সদায় আপোনাৰেই হৈ থাকিব।

বাসুকী ঃ হে ঘটোৎকচনন্দন বৰ্বৰিক, আপুনি মহান। ভাই তক্ষক, দিয়া জয় বৰ্বৰিকৰ --

তক্ষক ঃ জয় বীৰ বৰ্বৰিকৰ --, জয় বীৰ বৰ্বৰিকৰ --, জয় বীৰ বৰ্বৰিকৰ

বৰ্ব ঃ নাগৰাজ, মই এতিয়া বিদায়হে মাগো -----

বাসুকী ঃ যাওক দেৱ, আপোনালৈ পুনৰ যাঁচিছো অশেষ ধন্যবাদ।

**সূত্ৰ ঃ প্ৰথমে বৰ্বৰিকৰ প্ৰস্থান। পাছত বাসুকী আৰু তক্ষকৰ প্ৰস্থান। আনফালে সভাত প্ৰথমে চিন্তিত মনে হিড়িম্বা। পাছত মৌৰবী আহে----**

মৌৰবী ঃ মাতৃ, মাতৃ কি হৈছে মাতৃ, কি হৈছে আপোনাৰ ? কিয় দেখো আজি আপোনাক চিন্তিত মনে ?

হিড়িম্বা ঃ মৌৰবী, তুমি থিকেই অনুমান কৰিছা; নাজানো কিয় মোৰ আজি অন্তৰে কান্দিব ধৰিছে। কত পল, কত দিন মই কটালো দুখেৰে পুত্ৰ ঘটোৎকচক বুকুত সাৰটি; কেতিয়াও মনলৈ

অহা নাছিল আজিৰ দৰে দুখৰ অনুভূতি । কোনোবাই যেন কয় মোৰ কাণে কাণে সাৱধান হিড়িম্বা, কাল অমানিশা আহিব ধৰিছে তোৰ জীৱনলৈ । শেষ কৰি দিব তোৰ সোণালী সপোন , অ মৌৰবী , শেষ কৰি দিব মোৰ সোণালী সংসাৰ ---

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ ঘটোৎকচ---------------------**

ঘটোৎ ঃ মাতৃ , মাতৃ------মাতৃ ,--

হিড়িম্বা ঃ পুত্ৰ , পুত্ৰ মোৰ কি হৈছে তোৰ ? কিয় তই হৈছ উত্ৰাৱল ?

ঘটোৎ ঃ মাতৃ আছে এক দুঃসম্বাদ -----।

হিড়িম্বা ঃ দুঃসম্বাদ ----। কি বাচা --------? উসঃ , মোৰ অন্তৰাত্মা কঁপিব ধৰিছে ।

ঘটোৎ ঃ মাতৃ , সমাগত কুৰুক্ষেত্ৰ মহাসমৰ । পাণ্ডৱ আৰু কৌৰৱগণ নামিছে সন্মুখ সমৰত ।

হিড়িম্বা ঃ কি ক'লি বাচা ---- সন্মুখ সমৰত নামিছে পাণ্ডৱ আৰু কৌৰৱগণ ।

ঘটোৎ ঃ অ মাতৃ, পিতৃগণে বনবাস সমাপ্ত কৰি বিচাৰিছিল নায্য প্ৰাপ্তি। কিন্তু অহংকাৰী দুৰ্যোধনে পাঁচ খন গাঁৱো পিতৃগণক দিবলৈ কৰিলে অস্বীকাৰ। ফলশ্ৰুতিত দুয়োপক্ষ এতিয়া নামিছে সন্মূখ সমৰত।

হিড়িম্বা ঃ হে যদুপতি --- তুমি থাকোতেও কিয় এনে হ'বলৈ পালে ?

ঘটোৎ ঃ যদুপতিক দোষ নিদিবা মাতৃ । শ্ৰীকৃষ্ণইও দুৰ্যোধনক বুজাবলৈ কৰিছিল অনেক কষ্ট। কিন্তু ৰণৰ বাদে দুৰ্যোধনে নকৰে আন চিন্তা। মাতা , যদুপতি এতিয়া পাণ্ডৱৰ পক্ষত ; জগতৰ ৰথী - মহাৰথীগণো আজি ধাৱমান কুৰুক্ষেত্ৰ দিশে , উদ্দেশ্য এটাই প্ৰিয় পক্ষক ৰণত কৰাব বিজয়ী---

হিড়িম্বা ঃ মৌৰবী , মোৰ অন্তৰাত্মাৰ কান্দোন নাছিল মিছা ; মোৰ সংশয় নাছিল মিছা । হে প্ৰভু কি কৰোঁ মই এতিয়া স্বামীৰ বিপদকালত ?

ঘটোৎ ঃ মাতৃ , আছে তৱ পুত্ৰ জীয়াই , তুমি মাথো মোক দিয়া আশীৰ্বাদ , যাঁও মই পিতাৰ সমীপে --

হিড়িম্বা ঃ কিন্তু পুত্ৰ ---, পাৰিবি জানো তই ------

ঘটোৎ ঃ আজি মোক বাধা নিদিবা মাতৃ , জ্যেষ্ঠ ৰাক্ষস অলম্বুযেও কুৰুক্ষেত্ৰলৈ কৰিছে গমন , কৌৰৱ পক্ষত যোগদান কৰি মোৰ পিতা বৃকোদৰক হত্যা কৰাৰ সি কৰিছে পণ ---

হিড়িম্বা ঃ আঃ অলম্বুষ, স্বামীৰ প্ৰতি শত্ৰুতা নেৰিলি তই ; গৈছ সুযোগ বিচাৰি এতিয়া কুৰুক্ষেত্ৰলৈও । বাচা, বাচা ঘটোৎকচ, আজি নিদিওঁ মই তোক বাধা । যা বাচা , তই পিতাৰ সমীপে, পলায়ন কৰি মাতৃদুগ্ধক নকৰিবি অপমান । নিজ প্ৰাণ দি হ'লেও ৰক্ষা কৰিবি তই পিতৃৰ প্ৰাণ ।

ঘটোৎ ঃ মোৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস ৰাখা মাতৃ, যদি আহে তেনে ক্ষণ মৰিও যাম মাৰিও যাম অধৰ্মী কুৰুসেনাক । নুমুৱাই দিম জীৱন বন্তি পিতৃদ্ৰোহী অলম্বুষৰ । মাথো মোক দিয়া আশীষ ----

হিড়িম্বা ঃ বিজয়ী হৈ আহ বাচা --

ঘটোৎ ঃ মৌৰবী , ৰণলৈ ওলালো মই ; হাঁহি মুখে জানো মোক নিদিবা বিদায় ?

মৌৰবী ঃ স্বামী, ময়ো যোদ্ধা, বীৰৰ কন্যা, বীৰৰ ভাৰ্যা মই । কেনেদৰে বীৰক পঠাব লাগে ৰণে ময়ো জানো ভালদৰে । যাওক নাথ , বিজয়ী হৈ আহক --

ঘটোৎ ঃ হাঃ হাঃ পত্নীৰ শুভাশীষ আৰু মাতৃৰ আশীষ লভিলো যেতিয়া কুৰুক্ষেত্ৰত মই সৃষ্টি কৰিম বিভীষিকা । সাৱধান অলম্বুষ , সাৱধান কৌৰৱকুল , মহাকাল ৰূপে তহঁতৰ গৈ আছে এই ঘটোৎকচ -- **( যাব খোজে )**

**সূত্ৰ ঃ এনেতে বৰ্বৰিক সোমাই আহে---------**

বৰ্ব ঃ পিতা , কোনদিশে যোৱা তুমি ?

ঘটোৎ ঃ বাচা, যাত্ৰাৰ পূৰ্বে সাক্ষাত পালো তোৰ । পুত্ৰৰ দায়িত্ব মই কৰোঁগৈ পালন ; নাজানো কি হ'ব ইয়াৰ পৰিণাম । বাচা, মাতৃসহ মাতামহৰ তুমি ৰাখিবা ধ্যান । মই আহিলো মাতৃ --- **( প্ৰস্থান )**

বৰ্ব ঃ পিতা , পিতা -- মাতৃ, দেখো পিতাৰ মুখত ক্ৰোধৰ দাবানল, অস্ত্ৰ - শস্ত্ৰৰে সুসজ্জিত হৈ কোন দিশে গৈছে মোৰ পিতা ?

মৌৰবী ঃ বাচা , -- বাচা --- পিতা তোৰ ---

বৰ্ব ঃ কোৱা মাতৃ মোক সত্য ঘটনা -- কোন দিশে গৈছে মোৰ পিতা ?

মৌৰবী ঃ বাচা , তোৰ পিতা গৈছে কুৰুক্ষেত্ৰলৈ --

হিড়িম্বা ঃ মৌৰবী ------ ??

মৌৰবী ঃ মাতৃ, সত্য এদিন প্ৰকাশ পাবই , গতিকে পিতা ক'ত গৈছে তাক পুত্ৰই জনাটো উচিত । বাচা , কুৰুক্ষেত্ৰত তোৰ পিতামহ সকলে নিজ অধিকাৰৰ বাবে কৌৰৱৰ লগত কৰিব ৰণ । সেইবাবে পাণ্ডৱক সহায়ৰ হেতু তোৰ পিতাইও কুৰুক্ষেত্ৰ সমৰে কৰিছে যাত্ৰা---

বৰ্ব ঃ তেন্তে মই ইয়াত কিয় মাতৃ ? ময়ো যাঁও কুৰুক্ষেত্ৰ সমৰে ।

হিড়িম্বা ঃ বাচা---- কি কৈছ তই এয়া ? কদাপি যাব নোৱাৰ তই কুৰুক্ষেত্ৰ সমৰে ।

বৰ্ব ঃ মোক বাধা নিদিবা তোমালোকে , পিতাক সহায় কৰাতো জানো নহয় পুত্ৰৰ কৰ্তব্য ? পিতাই কৰিব সমৰ শত্ৰুৰ বিৰুদ্ধে আৰু পুত্ৰ হৈ কি মই থাকিম হাত সাৱটি ? এয়া অন্যায়, এয়া মহাপাপ হ'ব মোৰ । মোক পাপৰ ভাগী তোমালোকে নকৰাবা মাতৃ , নকৰাবা----

মৌৰবী ঃ যা বাচা , পিতাৰাক তই ৰণক্ষেত্ৰত কৰিবি সহায়। কিন্তু বাচা, মনত ৰাখিবি তই তোৰ পণ --

বৰ্ব ঃ জীৱন থাকে মানে অক্ষুণ্ণ ৰাখিম মোৰ পণ , মাতৃ দিয়া আশীৰ্বাদ ।

মৌৰবী ঃ বিজয়ী হৈ আহ বাচা ।

বৰ্ব ঃ মাতামহ , নকৰিব চিন্তা ; তোমাৰ নাতি বৰ্বৰিক এতিয়া নহয় বালক । দিয়ক আশীৰ্বাদ , তোমাৰ আশীৰ্বাদ ৰক্ষা কবচ হ'ব মোৰ ।

হিড়িম্বা ঃ যা বাচা ভগৱন্তই ৰক্ষা কৰিব তোক ---

বৰ্ব ঃ তেন্তে মই এতিয়া কৰোঁ যাত্ৰা ---

**সুত্ৰ ঃ প্ৰথমে বৰ্বৰিকৰ, পাছত সকলোৰে প্ৰস্থান। আনফালে সভাত শ্ৰীকৃষ্ণ ---**

কৃষ্ণ ঃ সমাগত আজি কুৰুক্ষেত্ৰ ৰণ। আমাৰ ইচ্ছাতে জগতৰ সহস্ৰ ৰথীৰ কুৰুক্ষেত্ৰলৈ আজি ঘটিছে আগমন । পাছে এজনৰ আগমণত যে আমি হৈছো শংকিত । কিয় আহিলা বৰ্বৰিক ? তোমাৰ আগমণে দ্বায়িত্বও বঢ়ালে আমাৰ --যাঁও এৰে কৰ্তব্য কৰোঁগৈ পালন --

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান । আনফালে সভাত ভীমসেন ---**

ভীম ঃ অধীৰ অপেক্ষাৰ পেলাই অন্ত আহিছে শুভ ক্ষণ, সমাগত কুৰুক্ষেত্ৰ ৰণ হাঃ হাঃ--পদে পদে পোৱা অপমানৰ তুলিম পোতক -- আঃ ব্যাকুল বৃকোদৰ আজি ৰণৰ উন্মাদ, হাতে ধৰি এই দুৰ্জয় গদা মহাপ্ৰলয়ৰ সৃষ্টি কৰিম মই কুৰুক্ষেত্ৰ সমৰত হাঃ হাঃ --

**সূত্ৰ ঃ এনেতে ঘটোৎকচ আহে ---**

ঘটোৎকচঃ প্ৰণাম পিতা --

ভীম ঃ বাচা ঘটোৎকচ, কিয় আহিলা তুমি মাতা হিড়িম্বা আৰু পুত্ৰ-ভাৰ্যাক এৰি ?

ঘটোৎকচঃ কিয় নাহিম পিতা ? অধৰ্মীৰ বিৰুদ্ধে আপোনাসৰে কৰিব ৰণ আৰু পুত্ৰৰ দ্বায়িত্ব কি মই নকৰিম পালন ? মাতৃৰ বাবে নকৰিব চিন্তা; পুত্ৰ বৰ্বৰিক আছে সহায় হৈ ---

ভীম ঃ উত্তম অতি উত্তম ; আছে যদুপতি, আহিছে মৎস্যৰাজ, পুত্ৰসহ আহিছে পাঞ্চালৰাজ । কিন্তু পুত্ৰ, তোমাৰ আগমণে আমাৰ বঢ়ালে মনোবল। এই দুহাতেৰে বধিলো জটাসুৰক, এই দুহাতেৰে বধিলো বকাসুৰক ; তনু ফালি দুচেও কৰিলো জৰাসন্ধক আৰু নকঁপে মোৰ হৃদয় হাতে গদা ধৰি সৃষ্টি কৰি গদাৰ মণ্ডল, কুৰুক্ষেত্ৰত তুলিম মই ৰক্তৰ প্লাৱন --

ঘটোৎ ঃ মাতাৰ আশীষ শিৰে লৈ আহিছো মই ; পিতাৰ শৌৰ্য, মাতাৰ গৰ্ব অক্ষুণ্ণ ৰাখি কুৰুক্ষেত্ৰত মহানাশী যজ্ঞৰ কৰিম আয়োজন ----

ভীম ঃ নিশ্চয় , নিশ্চয় পিতা -পুত্ৰৰ সংহাৰকাৰী ৰূপ কুৰুক্ষেত্ৰত দেখিব জগতে । এতিয়া ব'লা বহুদূৰ কৰিলা ভ্ৰমণ , ক্ষন্তেক কৰাগৈ বিশ্ৰাম ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে উত্ৰাৱল হৈ মৌৰবী ---**

মৌৰবী ঃ বাচা , বাচা বৰ্বৰিক -----( কান্দে )

**সূত্ৰ ঃ বেগাই হিড়িম্বা আহে ---**

হিড়িম্বা ঃ মৌৰৱী, মৌৰৱী; কি হৈছে তোমাৰ ? কিয় এই ৰাত্ৰি ক্ষণত মুক্ত অম্বৰৰ তলত কৰিছা ক্ৰন্দন ?

মৌৰৱী ঃ দুস্বপ্ন আই ; দুস্বপ্ন দেখিলো মই -- মাতৃ বুলি মোক কৰি সম্বোধন বাচা বৰ্বৰিক গুচি গৈছে অজান লোকলৈ । বাচাক পঠাই ৰণাঙ্গনলৈ মই বাৰু ভুল কৰিলো নেকি আই ?

হিড়িম্বা ঃ নাকান্দিবা মৌৰৱী , দুস্বপ্ন মাথো দুৰ্বল মনৰ চিন্তন । নানিবা মনলৈ এনে দুশ্চিন্তা ।

মৌৰৱী ঃ নহয় আই, মোৰ অন্তৰাত্মা কঁপিব ধৰিছে । অজান আশংকাই মন মোৰ ধৰিছে ছানি । সৌৱা, সৌৱা মহাকালে মোৰফালে চাই মাৰিছে কুটিল হাঁহি । বাচা, বাচা বৰ্বৰিক তই উলটি আহ --

হিড়িম্বা ঃ মৌৰৱী, কিয় হৈছা তুমি বিচলিত ? তুমি বীৰৰ জননী, বীৰৰ দুহিতা । দুস্বপ্ন দেখি নহ'বা দুৰ্বলা। কৰা নাই আমি কাৰো অনিষ্ট ; আমাৰো নহয় একো অনিষ্ট । অ , ভগৱন্তই সকলোৰে কৰিব মঙ্গল । ব'লা মৌৰৱী , বিশ্ৰামৰ তোমাৰ হৈছে প্ৰয়োজন ; ব'লা , নকৰিবা চিন্তা ---

**সূত্ৰ ঃ হিড়িম্বাই মৌৰৱীক লৈ যায় । আনফালে বৰ্বৰিক -------**

বৰ্ব ঃ বহুদূৰ কৰিলো যাত্ৰা , লাগিছে ভাগৰ ; এই স্থানতে বিশ্ৰাম কৰি পুনৰ কৰিম যাত্ৰা --

**সূত্ৰ ঃ বৰ্বৰিকে জিৰণী লয় । এনেতে বামুণৰ বেশেৰে শ্ৰীকৃষ্ণ ----**

কৃষ্ণ ঃ হে ৰাম ---হে ৰাম , উস , বৰ ভাগৰ লাগিছে ; অলপমান লওঁ জিৰণী -- ( **বৰ্বৰিকৰ প্ৰতি** ) হে পথিক , তোমাৰ কাষতেময়ো অলপ লওঁ বিশ্ৰাম ; পাছে অসুবিধা পাবা নেকি তুমি ?

বৰ্ব ঃ নাই নাই ব্ৰাহ্মণদেৱ , কিয় পাম অসুবিধা । আহক আহক ---

কৃষ্ণ ঃ হে ৰাম , হে ৰাম , ধন্যবাদ পথিক । পাছে , জানিব পাৰোঁনে মই তোমাৰ পৰিচয় --

বৰ্ব ঃ নিশ্চয় , মই ঘটোৎকচনন্দন বৰ্বৰিক ।

কৃষ্ণ ঃ বৰ সুন্দৰ নাম -- বৰ্বৰিক । পাছে -- কোনদিশে বা তোমাৰ যাত্ৰা ?

বৰ্ব ঃ যাত্ৰা মোৰ কুৰুক্ষেত্ৰ ৰণলৈ ---

কৃষ্ণ ঃ কুৰুক্ষেত্ৰ---অ শুনিছো হ'ব হেনো তাত এখন মহাসমৰ । তুমি ৰণ চাবলৈ যোৱা ?

বৰ্ব ঃ হাঃ হাঃ দেৱ, হহোঁৱালে আপুনি । কোনোবাই চাবলৈ যায় জানো ৰণ ? ৰণত মই লম অংশগ্ৰহণ।

কৃষ্ণ ঃ হাঃ হাঃ পাছে --- এইবাৰ তুমি মোক হহোঁৱালা বৰ্বৰিক , তুমি হহোঁৱালা মোক ।

বৰ্ব ঃ কিয় হাঁহিলে আপুনি ? কৰা নাই মই কৌতুক । সঁচাই কুৰুক্ষেত্ৰ ৰণত মই কৰিম অংশগ্ৰহণ -

কৃষ্ণ ঃ হাঃ হাঃ কুৰুক্ষেত্ৰ সমৰ সাধাৰণ বুলি ভাবিছা । নামিব সমৰত ভীষ্ম , দ্ৰোণ , কৰ্ণ, বৃকোদৰ আৰু পাৰ্থৰ দৰে মহাৰথী। আছে তেওঁলোকৰ প্ৰাণঘাটী অস্ত্ৰ । পাছে ,-- তোমাৰ নাই কোনো সেনা , দেখা নাই অস্ত্ৰ , হাঃ হাঃ -- দেখিছো মাত্ৰ তিনিপাত বাণ ।

বৰ্ব ঃ দেৱ , নাজানে আপুনি মোৰ এই বাণৰ মহত্ব ; জনা হ'লে কদাপি নকৰে তাচ্ছিল্য ।

কৃষ্ণ ঃ থাকিব পাৰে অদ্ভূত মহিমা -- পাছে , আছে মোৰ সন্দেহ নহ'ল দূৰ --

বৰ্ব ঃ আপোনাৰ সন্দেহ এতিয়াই কৰিম দূৰ। বাৰু কওকচোন, এই গছজোপাত কিমান আছে পাত ?

কৃষ্ণ ঃ গছজোপাত পাত ? কেনেদৰে কৰিম পাতৰ গণনা ? অগণন , অগণন পাত---

বৰ্ব ঃ মোৰ প্ৰথমপাত বাণে যত আছে গছজোপাত পাত সকলোতে লগাব চিহ্ন ; আৰু দ্বিতীয় পাত বাণে মোৰ যত চিহ্নিত পত্ৰ সকলোতে কৰিব ছিদ্ৰ । চাওক ইয়াৰ প্ৰমাণ---

**সূত্ৰ ঃ ( বৰ্বৰিকে ধনুত বাণ জুৰি মন্ত্ৰ মাতে । শ্ৰীকৃষ্ণই মনে মনে এখিলা পাত চিঙি আনি ভৰিৰে গচকি থাকে। বৰ্বৰিকে বাণ মাৰে। কৃষ্ণই গচকি থকা পাততো চিহ্ন লাগে )**

বৰ্ব ঃ চাওক দেৱ , সকলো পাতত লাগিল চিহ্ন -------

কৃষ্ণ ঃ উত্তম , অতি উত্তম --

বৰ্ব ঃ এইবাৰ চাওক দেৱ , এই বাণে চিহ্নিত পত্ৰক কৰিব ছিদ্ৰ ।

**(সূত্ৰ ঃ মন্ত্ৰ মাতি বৰ্বৰিকে দ্বিতীয়পাত বাণ মাৰে। কৃষ্ণই গচকি থকা পাততো ছিদ্ৰ বহে -)**

কৃষ্ণ ঃ চমৎকাৰ , অতি উত্তম , জানিলো মই তুমি মহাবীৰ । পাছে, তুমি কোন পক্ষৰ হৈ কৰিবা ৰণ ?

বৰ্ব ঃ আছে পণ মোৰ যি পক্ষই ৰণত হ'ব দুৰ্বল সেই পক্ষৰ হৈয়ে মই কৰিম ৰণ ।

কৃষ্ণ ঃ অৰ্থাৎ , ধৰিলো তুমি প্ৰথমে পাণ্ডৱ পক্ষৰ হৈ কৰিলা ৰণ আৰু ৰণৰ মধ্যম ক্ষণত যদি কৌৰৱ পক্ষ হৈ যায় দুৰ্বল তেতিয়া ---- ?

বৰ্ব ঃ মই নিৰুপায় দেৱ , যদি আহে তেনে ক্ষণ পণ অনুসৰি মই তেতিয়া কৌৰৱপক্ষৰ হৈ কৰিম ৰণ।

কৃষ্ণ ঃ ( **স্বগতঃ** ) তেনেহ'লেতো হ'ব অথন্তৰ , উদ্দেশ্য মোৰ নহ'ব পূৰণ -----

বৰ্ব ঃ কি চিন্তা কৰিলে দেৱ ? নে এতিয়াও আছে মনত সন্দেহ ?

কৃষ্ণ ঃ তোমাৰ বীৰত্বত আৰু মোৰ নাই সন্দেহ। কৰিছো মই মোৰ জীৱিকাৰ বিষয়েহে চিন্তা। কাৰো পৰা আজি মই নাপালো দান। পাছে, তোমাৰপৰা ল'বলৈ তুমিনো মোক কি দিবা দান ?

বৰ্ব ঃ এজন ব্ৰাহ্মণক দান দিয়াৰ সামৰ্থ্য আছে মোৰ। কওক দেৱ, কি দান লাগে আপোনাক ?

কৃষ্ণ ঃ এহঃ তুমি নোৱাৰিবা দিব মোক দান। তোমাৰ পৰা বিচাৰি দান কিয় লওঁ মই অপমান ?

বৰ্ব ঃ ব্ৰাহ্মণদেৱ, নকৰোঁ মই আপোনাক বিমুখ, জগতক সাক্ষী কৰি কৰিছো পণ যি বিচাৰে আপুনি তাকেই মই কৰিম দান। প্ৰাণ গ'লেও নহয় ভঙ্গ এই বৰ্বৰিকৰ বচন --

কৃষ্ণ ঃ যদি দান দিবলৈ কৰিছা ইচ্ছা তেন্তে কৰা মোক তোমাৰ --- এই --- শিৰকে দান।

বৰ্ব ঃ দেৱ, কি বিচাৰিলে আপুনি ? মোৰ শিৰ,-- ব্ৰাহ্মণে এনে দান ? নাই নাই ব্ৰাহ্মণে কদাপি নিবিচাৰে এনে দান। আপুনি ব্ৰাহ্মণ হ'ব নোৱাৰে ; হে দেৱ, কোন আপুনি ? দিয়ক আপোনাৰ সত্য পৰিচয়।

কৃষ্ণ ঃ বৰ্বৰিক, কৰা তুমি তোমাৰ গুৰুদেৱ আৰু ইষ্ট দেৱতাক ধ্যান।

বৰ্ব ঃ হে গুৰুদেৱ, হে যদুপতি, তোমাক কৰিছো স্মৰণ ----

**সূত্ৰ ঃ শ্ৰীকৃষ্ণই নিজ ৰূপ ধাৰণ কৰে ------------------**

কৃষ্ণ ঃ বৰ্বৰিক, আমিয়ে তোমাৰ পৰা মাগিলো দান ---

বৰ্ব ঃ প্ৰভু, -------------------- ( স্তুতি )

নমো নমো জনাৰ্দন দৈৱকী নন্দন।
চৰাচৰ জগতক কৰাহা পালন ।।
যোগীজনে কৰে কাম্য তোমাৰ দৰ্শন।
দান মাগি আমাৰ জনম কৰিলাহা ধন্য ।।

-- পাছে প্ৰভু, জাগিছে প্ৰশ্ন মনত কিয় মোক নিদিলে সুযোগ কুৰুক্ষেত্ৰ ৰণত অংশগ্ৰহণৰ ?

কৃষ্ণ ঃ বৰ্বৰিক, আমিয়ে আয়োজন কৰিছো কুৰুক্ষেত্ৰ ৰণৰ। যত আছে পাপী এই জগতত, সকলোকে একত্ৰিত কৰাই সংহাৰ কৰাম কুৰুক্ষেত্ৰ ৰণে। আমিয়ে এই ৰণৰ ভাগ্যবিধাতা, পাৰ্থ হ'ব আমাৰেই চালিকাশক্তি। তোমাৰ পণ আৰু ঐশ্বৰিক বাণে মোৰ কাৰ্যত দিব বাধা সেয়ে তোমাক আমি এই ৰণৰ পৰা ৰাখিলো নিলগত -----

বৰ্ব ঃ প্ৰভু, দিছো মই শিৰ পাতি, লওক আপোনাৰ দান।

কৃষ্ণ ঃ বৰ্বৰিক, এই কাৰ্য আমি নোৱাৰিম কৰিব। যদি আমি নিজ হাতে তোমাক কৰোঁ শিৰচ্ছেদ তেন্তে নহ'ব এয়া দান ; হ'ব এক হত্যা, আমাক জানো তুমি হত্যাকাৰী ৰূপে জগতত ----

বৰ্ব ঃ নাই নাই প্ৰভু ; তেন্তে -- নিজ হাতে মই কৰোঁ শিৰচ্ছেদ ---- লওক প্ৰভু এই তুচ্ছ শিৰ --

**সূচনা**

**দেখা দেখা সৰ্বজন সাধুৰ লক্ষণ ।.
নিজ হাতে বৰ্বৰিকে কৰে শিৰদান ।।**

**সূত্ৰ ঃ বৰ্বৰিকে শিৰচ্ছেদ কৰে। এনেতে ঘটোৎকচ আৰু পাছত ভীম আহে-----**

ঘটোৎ ঃ পুত্ৰ, আঃ কি কাৰ্য কৰিলি এয়া ? কিয় আহিলি তই ইয়ালৈ ? উঠ বাচা, কি উত্তৰ দিমগৈ মই তোৰ মাতৃ মৌৰৱীক ? উসঃ কি বুলি সান্ত্বনা দিম মই তোৰ মাতৃক ?

ভীম ঃ যদুপতি, তুমি থাকোতে কিয় আজি মোৰ নাতিৰ হ'ল এনে দশা ? লাগে মোক ইয়াৰ উত্তৰ।

**আকাশবাণী ঃ ( বৃকোদৰ, নুদুষিবা যদুপতিক । আছিল বৰ্বৰিক এজন শাপিত যক্ষ, যদুপতিৰ হাতত তেওঁ পাব মুক্তি ; অ ঘটোৎকচ, যদুপতিৰ হাততে তেওঁ পাব মুক্তি )**

ঘটোৎ ঃ যদুপতি, এয়া কি -- ? কিয় শুনিলো মোৰ পুত্ৰ এক শাপিত যক্ষ বুলি ? কি ইয়াৰ ৰহস্য ?

কৃষ্ণ ঃ ঘটোৎকচ, বৈকুণ্ঠত এদিন সৃষ্টিকৰ্তাই নাৰায়ণৰ লগত কৰিছিলে বাৰ্তালাপ ; সেই ক্ষণত তাত উপস্থিত আছিল সূৰ্যব্ৰজা নামৰ এক যক্ষ। নিজৰ বলৰ ওপৰত সূৰ্যব্ৰজাৰ আছিল অতি অহংকাৰ। অহংকাৰত মদমত্ত হৈ তেওঁ সৃষ্টিকৰ্তাক কৰিলে অপমান, ব্ৰহ্মাদেৱে দিলে তেওঁক শাপ মৰতত ৰাক্ষস কুলত জনম লভিবলৈ আৰু তাৰেই ফলশ্ৰুতিত তোমাৰ পুত্ৰৰূপে জনম লৈছেহি শাপিত যক্ষ ৰাজে --( **বৰ্বৰিকৰ কটা শিৰত স্পৰ্শ কৰি** ) বৰ্বৰিক -- বৰ্বৰিক ---

**(সূত্ৰ ঃ বৰ্বৰিকৰ কটা শিৰে প্ৰাণ পায় )**

বৰ্ব ঃ প্ৰভূ ---

কৃষ্ণ ঃ তুমি মহান বৰ্বৰিক, জগতত খ্যাতি ৰ'ব তোমাৰ । আজিৰপৰা আমাৰ শ্যাম নাম তোমাকো কৰিলো প্ৰদান । শ্যাম নামেৰেও জনাজাত হ'বা তুমি। আছে নেকি তোমাৰ কিবা অন্তিম ইচ্ছা ?

বৰ্ব ঃ ধন্যবাদ প্ৰভূ । প্ৰভূ , কৰক কৃপা , মৃত্যুৰ পূৰ্বে চাই যাব বিচাৰোঁ মই কুৰুক্ষেত্ৰ ৰণ ।

কৃষ্ণ ঃ তোমাৰ ইচ্ছা আমি কৰিম পূৰণ। সৌ পাহাৰৰে যথাস্থানত ৰাখিম তোমাৰ এই কটা মস্তক । তাৰ পৰাই তুমি সমগ্ৰ কুৰুক্ষেত্ৰ ৰণৰ কৰিবা দৰ্শন । কুৰুক্ষেত্ৰ ৰণ সমাপ্তিৰ পাছত পুনৰ আমাৰ দৰ্শন লভি তুমিও পাবা মুক্তি ----

বৰ্ব ঃ ধন্যবাদ প্ৰভূ , ধন্যবাদ ।

কৃষ্ণ ঃ দাদা বৃকোদৰ আৰু ঘটোৎকচ , ব'লা বৰ্বৰিকৰ এই মস্তক ৰাখোঁগে সৌ পাহাৰৰ যথা স্থানত , য'ৰ পৰা এওঁ দৰ্শন কৰিব পাৰিব কুৰুক্ষেত্ৰ ৰণ ।

**গীত- ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ চুতকলা )**

বৰ্বৰিক শিৰে লৈয়া কৃষ্ণ যদুপতি।
চলি গৈলা ওখ স্থানে মন কৰি স্থিৰ।।
দুষ্টক বধিয়া প্ৰভূ ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান। ইমানতে নাট ভাগিৰ সমাপ্তি ঘটে ।

**গীত ঃ ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )**

জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন
জয় নমো আদি নিৰন্তৰ ।
তুমি স্ৰজা তুমি পালা তুমিহে সংসাৰ তৰা
তুমি বিনে আছে কোন আন ।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

**মুক্তি মঙ্গল ভটিমা**

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি ,----- মুৰাৰি কৃষ্ণ , বৰ্বৰিকৰ শিৰদান ----- নাটকং সম্পূৰ্ণ মিতি ।।

সমাপ্ত

জয় গুৰু শঙ্কৰ



# শ্ৰীবৎস উপাখ্যান

নাট্যৰূপ ঃ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ ( যোৰহাট)
যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সুত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। শনিদেৱ
৪। শ্ৰীবৎস ( অযোধ্যাৰাজ ) -- ( প্ৰধান চৰিত্ৰ )
৫। দিব্যধনু ( মন্ত্ৰী )
৬। কালজিত ( অযোধ্যাৰ প্ৰধান সেনাপতি )
৭। সিংহজিত ( অযোধ্যাৰ সহঃ সেনাপতি )
৮। অনন্ত ( মন্ত্ৰীপুত্ৰ )
৯। বাহু ( অৱন্তীৰাজ )
১০। মন্ত্ৰী
১১। সুৰজিত ( অৱন্তীৰ সেনাপতি )
১২। পদ্মসেন ( সদাগৰ )
১৩। মাছুৰৈ
১৪। প্ৰহৰী

## নাৰী চৰিত্ৰ

১। লক্ষ্মী
২। চিন্তা ( অযোধ্যাৰ মহাৰাণী ) -- ( প্ৰধান চৰিত্ৰ )
৩। ভদ্ৰা ( অৱন্তীৰ ৰাজকুমাৰী )

## মুখা

ময়ুৰ পক্ষী

## শ্রীকৃষ্ণায় নমো নমঃ

শ্লোক ঃ নমঃ কৃষ্ণ নিৰাকাৰং জ্যোতি ৰূপং সনাতনম। পীতবস্ত্র পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম ।।
সুৰেন্দ্র গৰ্ব গঞ্জনং গাজেন্দ্র দন্ত খণ্ডনম ।বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।

অপিচ ঃ যেনাকাৰী প্ৰভূ ভগৱন্ত দুষ্ট অন্তকাৰী -- ভূমিভাৰ ৰক্ষাৰ্থেয়ো যুগে যুগে অৱতাৰ ।

### গীত - নান্দী ( ৰাগ ঃ সুহাই , তাল ঃ একতল )

জয় জয় ভৱ ভয়হাৰী ।
তুৱা পাৱে কৰোহো গোহাৰি।
শ্ৰীবৎসক কৰিলা উদ্ধাৰ ।
হৰিলাহা পৃথিৱীৰ ভাৰ ।।
ৰাম কৃষ্ণ পদে মোৰ গতি ।
সৰ্ব্বজনে ঘোষিয়ো সম্প্ৰতি ।।

সূত্ৰ ঃ নাদ্যন্তে সূত্ৰধাৰ, অলমতি বিস্তৰেণ, প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা নাৰায়ণ সভাসদেন সম্বোধায়।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা --- **শ্ৰীবৎস উপাখ্যান** -- নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

### অথ ভটিমা

**জয় জয় জগত জনক যদুদেৱ ।**
**পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।**
**একদিনা শনিদেৱ লক্ষ্মীৰ সতে ।**
**শ্ৰীবৎসৰ ৰাজ্যত প্ৰৱেশ কৰে ।।**
কোন শ্ৰেষ্ঠ হ’ব আমাৰ মাজত।
বোল ৰাজা শ্ৰীবৎস তোমাৰ বিচাৰত।।
হৰিক চিন্তিয়া ৰাজা লক্ষ্মীৰ পক্ষ লৈলা।
এহিক্ষণে শনিদেৱ ক্ৰোধ হৈয় গৈলা।।
কোপ কৰি ৰাজাক অনেক দুখ দিলা।
নাৰায়ণে আহি পাছে উদ্ধাৰ কৰিলা।।
হেন জানি নৰলোকে এৰা আন কাম।
সমাজৰ লোকে ডাকি হৰি হৰি বোলা।।

### ( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ।

সূত্ৰ ঃ আ.হা.হা..মিলল, মিলল, আহে সভাসদ, হামো যাকেৰি কথা কহৈছি উহি জগত পতি শ্ৰীবিষ্ণু লক্ষ্মীসমে সভাৰ মধ্যে আৱত, আৱত , আৱত । তাক সাৱধানে দেখহ, শুনহ নিৰন্তৰে হৰি বোল, হৰি বোল ------------- ( ইতি সূত্ৰ নৃত্য নিস্ক্ৰান্তঃ )

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণু আৰু লক্ষ্মীদেৱীৰ প্ৰৱেশ ---**

শ্লোক ঃ **প্ৰৱেশম কৰোৎ দেৱ শ্ৰীবিষ্ণু কমললোচন -- । লক্ষ্মী ভ্যাং সহ সভাৰ মধ্যে উপস্থিতঃ ।।**

গীত - (ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )

সভাত প্ৰৱেশ কৰে দেৱ নাৰায়ণ ।
লক্ষ্মীৰ সহিতে আহে কমল লোচন।।
দিব্যবস্ত্ৰে প্ৰৱেশিলা লক্ষ্মী জনাৰ্দন।
ডাকি হৰি হৰি বোলা সভাসদ গণ।।

লক্ষ্মী ঃ( প্ৰসন্ন বদনে ) প্ৰণাম প্ৰভু -----

বিষ্ণু ঃ উঠা দেৱী , অতিকে আনন্দিত যেন দেখো আজি তোমাক ----------

লক্ষ্মী ঃ প্ৰভু, অতিকে সুখী মই ; আপোনাৰ অৰ্দ্ধাংগিনী আৰু ঐশ্বৰ্যৰ দেৱী ৰূপে আজি আমি হৈছো জগত বন্দিতা । কওক প্ৰভু, নহয় জানো ঐশ্বৰ্য্য বিভূতিৰ অবিহনে জগত অসাৰ ? দেৱ, গন্ধৰ্ব, যক্ষ, ৰক্ষ, পাৰিব জানো কোনোবাই আমাক অমান্য কৰিব ?

বিষ্ণু ঃ ( স্বগতঃ) বুজিলো , অহংভাৱ জাগিছে দেৱীৰ মনত । ( প্ৰকাশ্য ) নিশ্চয় দেৱী, কোনে কৰিব তোমাক অৱজ্ঞা ? তুমি হৈছা ঐশ্বৰ্য্য বিভূতিৰ গৰাকিনী। তুমি লক্ষ্মী, তোমাৰ কৃপা অবিহনে জীৱৰ মঙ্গল জানো হ'ব পাৰে সম্ভৱ ? তোমাৰ অবিহনে আমিও নহয় পূৰ্ণ ---

লক্ষ্মী ঃ ধন্যবাদ প্ৰভু, -- (স্বগতঃ) বুজিলো , জগতৰ শান্তি স্থাপন প্ৰক্ৰিয়াত নাৰায়ণ মোৰ বাবেহে হৈছে সফল ; নিজ মুখে আজি কৰিছে স্বীকাৰ --- ( হাঁহে )

বিষ্ণু ঃ কি চিন্তা কৰিলা দেৱী ? ( ওচৰ চাপি ) বাৰু যাওঁ এতিয়া , আমাৰ যে কৰ্তব্য আছে বহুত ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত গ্ৰহপতি শনিৰ প্ৰৱেশ ---------**

গীতঃ ( ৰাগ ঃ------, তাল ঃ-------)

সভাত প্ৰৱেশ কৰে গ্ৰহৰাজ শনি।
দেৱগণো ভীত হৈৰে যাৰ কোপ দেখি।।
কতোক্ষণে প্ৰৱেশিলে সভাৰ ভিতৰ ।
সামাজিক লোকে ডাকি বোলা ৰাম হৰি।।

শনি ঃ ময়েই সমস্ত গ্ৰহৰ অধিপতি , জগতৰ শ্ৰেষ্ঠ দেৱতা গ্ৰহৰাজ শনি -- দেৱ , যক্ষ, ৰক্ষ, অসুৰ, কিন্নৰ সকলোৰেই কৰে সমীহ মোক হাঃ হাঃ । তথাপি যেন মই নহয় পূৰ্ণ । প্ৰথম পূজ্য ৰূপে গজাননে , দেৱৰাজ ৰূপে দেৱেন্দ্ৰই লভিলে স্বীকৃতি , আৰু মই - ? নাই নাই, গ্ৰহপতি মই মোকো লাগিব স্বীকৃতি । ল'লো পণ, নাৰায়ণৰ পৰা লম মই স্বীকৃতি শ্ৰেষ্ঠ দেৱত্বৰ । অ নাৰায়ণ , যাত্ৰা কৰোঁ মই বৈকুণ্ঠধামলৈ হাঃ হাঃ --

**সূত্ৰ ঃ শনিৰ প্ৰস্থান । আনফালে বৈকুণ্ঠপুৰীত লক্ষ্মীদেৱী -------**

লক্ষ্মী ঃ হ'ব পাৰে ৰুদ্ৰাণী অসুৰমৰ্দিনী , হ'ব পাৰে সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী , পাছে জগতত সৰ্বোৎকৃষ্ট হৈছে ঐশ্বৰ্য্য বিভূতি আৰু মই দেৱী লক্ষ্মীয়ে হৈছো ইয়াৰ গৰাকিনী হাঃহাঃ --

**সূত্ৰ ঃ এনেতে শনিদেৱ ---------**

শনি ঃ প্ৰণাম দেৱী, বৈকুণ্ঠপুৰীত আপোনাক দেখো অকলে , নাৰায়ণ ক'ত ---- ?

লক্ষ্মী ঃ শনিদেৱ, স্বাগতম জনাইছো আপোনাক বৈকুণ্ঠপুৰীত । প্ৰভুকযে বিচাৰিছে, আছিল নেকি কিবা বিশেষ প্ৰয়োজন ?

শনি ঃ আপুনি সঠিক অনুমান কৰিছে দেৱী । নাৰায়ণৰ সমীপে আহিছো মই এক বিশেষ উদ্দেশ্যত ।

লক্ষ্মী ঃ শনিদেৱ, প্ৰভুৰে কৰিছে বিশ্ৰাম। আপোনাৰ আগমনৰ উদ্দেশ্য আমাকেই কৰক ব্যক্ত ।ঐশ্বৰ্যৰ গৰাকিনী মই লক্ষ্মীয়ে নিশ্চয় আপোনাৰ প্ৰয়োজন কৰিম পূৰ্ণ -----

শনি ঃ আপুনি মোৰ প্ৰয়োজন হাঃহাঃ নোৱাৰিব দেৱী, নোৱাৰিব আপুনি । নাৰায়ণৰ বাদে অন্য দেৱ --- তাতে এগৰাকী দেৱীৰ নাই সামৰ্থ্য এই গ্ৰহপতিৰ উদ্দেশ্য পূৰণত ----

লক্ষ্মী ঃ দেৱ, সামৰ্থ্যৰ কথা কৈ আপুনি মোক কৰিছে অপমান। মনত ৰাখিব মই নাৰায়ণৰ অৰ্দ্ধাংগিনী ঐশ্বয্য বিভূতিৰ ময়েই গৰাকিনী ।

শনি ঃ খং নকৰিব দেৱী ; অপমান কৰাতো মোৰ নাছিল উদ্দেশ্য। যদি আপুনি জানিবই বিচাৰে তেন্তে শুনক, চৰাচৰ জগতত সকলোৰে সমীহ কৰি চলিছে মোক । সকলোৰেই মানি লৈছে মোৰ শ্ৰেষ্ঠতাক । সেয়েহে আজি আহিছো মই স্বয়ং নাৰায়ণৰ পৰা স্বীকৃতি ল'বলৈ শ্ৰেষ্ঠ দেৱতাৰ --

লক্ষ্মী ঃ শ্ৰেষ্ঠ দেৱতা ? হাঃ হাঃ আপোনাৰ ধাৰণা ভুল শনিদেৱ। নহয় আপুনি জগতৰ শ্ৰেষ্ঠ দেৱতা ।

শনি ঃ আঃ দেৱী ; আপুনি মোক কৰিছে অপমান ।

লক্ষ্মী ঃ অপমান নহয়, সত্যটোহে কৰিছো অৱগত। যি গৃহত মই কৰোঁ বাস আনন্দ বিৰাজ কৰে তাত । যক্ষ, ৰক্ষ, মনুষ্য সকলোৰে বিচাৰে আমাক ----

শনি ঃ আঃ দেৱী , চিনে মোক আকাশে- পাতালে ; ভজে মোক দেৱ - মনুষ্যই ----

লক্ষ্মী ঃ পুনৰ ভুল কৰিছে দেৱ ; নভজে কোনেও আপোনাক হৃদয়ৰ পৰা। যিজনে ভজিছে আপোনাক , সেয়া মাথো ভয়তহে ভজে ; যিদিনাই আঁতৰিব ভয় সেইদিনাই হাঃ হাঃ ----

শনি ঃ অপমান, অপমান কৰে আজি মোক বৈকুণ্ঠপুৰীত। এগৰাকী নাৰীয়ে মানি নলয় মোৰ শ্ৰেষ্ঠতা । ক'ব খোজে তেওঁহে শ্ৰেষ্ঠ , আঃ বিশ্বাস নকৰোঁ মই , নকৰে জগতে বিশ্বাস হাঃ হাঃ -----

লক্ষ্মী ঃ নাহাঁহিব শনিদেৱ, মোৰ কথাৰ সত্যতা হ'ব প্ৰমাণিত । নাৰায়ণেই দিব ইয়াৰ সমিধান।

শনি ঃ যেতিয়া অৰ্দ্ধাঙ্গিনীয়ে শ্ৰেষ্ঠতাৰ আসনৰ হয় দাবীদাৰ তেতিয়া নাৰায়ণে কেনেকৈ দিব ইয়াৰ নিৰপেক্ষ সমিধান ?

লক্ষ্মী ঃ তেন্তে কওঁক আপুনিয়েই , আছে কোনোবা আপোনাৰ দৃষ্টিত ----- ?

শনি ঃ মোৰ দৃষ্টিত -- ? কোনে, কোনে দিব নিৰপেক্ষ সমিধান ? আঃ পৰা নাই মোৰ দৃষ্টিত ---

লক্ষ্মী ঃ তেন্তে মোৰ দৃষ্টিমতেই হওক । তিনি ত্ৰৈলোক্যত মোৰ দৃষ্টিত এজনেই আছে ব্যক্তি ।তেখেত হৈছে অযোধ্যাৰাজ শ্ৰীবৎস। যদি আপুনি নকৰে আপত্তি তেন্তে তেখেতৰ ওচৰলৈকে যাওঁ আমি --

শনি ঃ নাই আমাৰ আপত্তি ; তেন্তে ব'লক যাত্ৰা কৰোঁ আমি অযোধ্যা ৰাজ্যলৈ ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত শ্ৰীবিষ্ণু ---</u>**

বিষ্ণু ঃ দেৱতাৰো মনত আজি স্থান ল'লে অহংভাৱে। অহংভাৱত মত্ত হৈ দুই দেৱ দেৱীয়ে কৰিলে তৰ্ক আৰু ইয়াৰ ন্যায় বিচাৰ কৰিবলৈ আমাৰ প্ৰভাৱতে লক্ষ্মীয়ে ললে আমাৰেই ভক্ত শ্ৰীবৎসৰ নাম । আছে আমাৰ ভক্তৰ ওপৰত দৃঢ় বিশ্বাস, দেৱী লক্ষ্মীৰ অহংকাৰ শ্ৰীবৎসই কৰিব দূৰ । আমিও যাঁও কৰ্তব্য যে বাঢ়িল আমাৰো ।

**<u>সূত্ৰ ঃবিষ্ণুৰ প্ৰস্থান। সভাত অযোধ্যাৰাজ শ্ৰীবৎস, মন্ত্ৰী দিব্যধনু, সেনাপতি সিংহজিতৰ প্ৰৱেশ -</u>**

<u>গীত -( ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল )</u>

**সভাসদ সঙ্গে আহে শ্ৰীবৎস ৰাজন।**
**বিষ্ণুভক্ত ৰাজন ইটো অতিকে মহান।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ গণ।।**

শ্ৰীবৎস ঃ মন্ত্ৰীবৰ আৰু সেনাপতি, গৌৰৱোজ্বল অযোধ্যাৰ নৃপতি মই । নাজানো কিমান সফল হৈছো মই ৰাজকাৰ্যত ? সকলো প্ৰজাই বাৰু কুশলে কৰিছেনে বাস ? হৰি ভক্তিত কৰে নেকি অৱহেলা ?

দিব্য ঃ মহাৰাজ, আপোনাৰ দৰে ধৰ্মপ্ৰাণ ৰজাৰ ৰাজ্যত কোন প্ৰজা হ'ব অসুখী ? সকলোৱেই কুশলে কৰিছে বাস আৰু শ্ৰীহৰিৰ বাহিৰে নিচিন্তে আন।

সিংহ ঃ মহাৰাজ , ৰাজ্যৰ সকলোতে এতিয়া মাথো শান্তি আৰু যদি কোনো দুষ্টই কৰে বিদ্ৰোহ, তেন্তে তাক প্ৰতিফল দিবৰ বাবে সাজু হৈ আছে সিংহজিতৰ এই তীক্ষ্ণ তৰোৱাল ।

শ্ৰীবৎস ঃ শুনি সুখী হ'লো মই, আপোনাসৱৰ দৰে পাৰিষদ পাই ধন্য হলো মই । প্ৰধান সেনাপতি কালজিতেও নিজ কাৰ্য সুকলমে কৰিছে পালন । পঠাইছো তেওঁক ৰাজ্যৰ পূব দিশ নিৰীক্ষণৰ হেতু । নিশ্চয় আহি পাবহি তেওঁ দুই এদিনতে । বাৰু, আজিলৈ সভা ইমানতে ভঙ্গ কৰা হওঁক

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত অযোধ্যাৰ সেনাপতি কালজিতৰ প্ৰৱেশ ---**

**গীত- ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল )**

**প্ৰৱেশয় সভাৰ মাজে বীৰ কালজিত ।**
**দুৰাচাৰী মন ইটো চিন্তে বিপৰীত ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

কালজিত ঃ কালজিত, মই কালজিত ; প্ৰতিশোধ, প্ৰতিহিংসাৰ দাবানলত দগ্ধ মই কালজিত । প্ৰতিক্ষণে, প্ৰতিদিনে অধম শ্ৰীবৎসৰ আদেশে বিন্ধে মোৰ হৃদয়ত বাক্যশেল হৈ । যদিও আহিছো আজি অযোধ্যাৰ পূব দিশে তোৰ বাক্য মানি উদ্দেশ্য মোৰ নহয় নিৰীক্ষণ, গণিছো মাথো মই তোৰ মুক্তিৰ , চিৰমুক্তিৰ ক্ষণ হাঃ হাঃ --যাঁও আজিয়েই ৰচো অভিসন্ধি মই অযোধ্যা প্ৰাপ্তিৰ ---

**সূত্ৰ ঃ কালজিতৰ প্ৰস্থান । আনফালে হৰি মন্দিৰত শ্ৰীবৎস --------**

শ্ৰীবৎস ঃ হে প্ৰভূ , অধমৰ সেৱা কৰিবা গ্ৰহণ ----- ( স্তুতি )

হে প্ৰভূ নাৰায়ণ দৈৱকী নন্দন ।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণাম।।
ধূপ দ্বীপ পুষ্পাঞ্জলী কৰিছো অৰ্পন।
নিজ গুণে তুষ্ট হৈয়া কৰিবা গ্ৰহণ ।।

**সূত্ৰ ঃ এনেতে লক্ষ্মীদেৱী আৰু শনিদেৱ ------------------------------------**

লক্ষ্মী ঃ ৰাজন , তুমি সঁচাই ধাৰ্মিক । স্থান হ'ব লাগে তোমাৰ দেৱমণ্ডলীত ।

শ্ৰীবৎস ঃ আঁচৰিত --; দেৱী লক্ষ্মী আৰু শনিদেৱে দৰ্শন দিছে আজি এই অধমক । হে দেৱ, হে দেৱী , দৰ্শন লভি আপোনালোকৰ ধন্য হ'ল মোৰ জীৱন । শতকোটি সেৱা মোৰ কৰক গ্ৰহণ ।

শনি ঃ ৰাজন, তোমাৰ সেৱাত সন্তুষ্ট আমি । পাছে আহিলো আমি এক বিশেষ উদ্দেশ্যত । লাগে আমাক তোমাৰ সহায় ।

শ্ৰীবৎস ঃ কওঁক দেৱ কিদৰেনো এই অধম মনুষ্যই আপোনালোকক কৰোঁ সহায় --- ?

শনি ঃ ৰাজন, সমস্ত গ্ৰহৰ অধিপতি মই গ্ৰহৰাজ শনি আৰু দেৱী লক্ষ্মী হৈছে ঐশ্বৰ্যৰ দেৱী ।

শ্ৰীবৎস ঃ এয়া সৰ্বজনবিদিত দেৱ ---

শনি ঃ কিন্তু ৰাজন, প্ৰকৃততে আমাৰ দুজনৰ মাজত কোন শ্ৰেষ্ঠ ? তুমি ন্যায়বান, তোমাৰ ন্যায় বিচাৰত আমাৰ আছে দৃঢ় বিশ্বাস । সেইহেতু তুমিয়ে কৰা ইয়াৰ বিচাৰ --

শ্ৰীবৎস ঃ (স্বগতঃ) হে প্ৰভূ, এইয়া মোক কি বিপদত পেলাইছা ? (প্ৰকাশ্য) হে দেৱ, অজ্ঞান মনুষ্য মই। কেনেদৰে কৰোঁ মই মীমাংসা দেৱৰ শ্ৰেষ্ঠত্ব ?

লক্ষ্মী ঃ ৰাজন, নকৰিবা ভয়, তোমাৰ বিচাৰত যিজনেই শ্ৰেষ্ঠ তেওঁৰেই নাম কোৱা। মানি ল'ম আমি তোমাৰ সিদ্ধান্তক।

শ্ৰীবৎস ঃ হে দেৱী, হে দেৱ, দয়া কৰি মোক অলপ সময় দিয়ক। অন্ততঃ দিয়ক এদিনৰ সময়।

শনি ঃ ৰাজন, তোমাৰ দৰে ৰাজনে এটা প্ৰশ্নৰ সমিধান দিবলৈ এদিনৰ সময় বিচৰাটো নাপায় শোভা।

লক্ষ্মী ঃ ক্ৰোধ নকৰিব শনিদেৱ। ৰাজনে যেতিয়া এদিনৰ বিচাৰিছে সময়, তেখেতক এদিন সময় দিয়াটো উচিত। ৰাজন, দিছো আমি তোমাক এদিনৰ সময়। কালিলৈ তোমাৰ ৰাজসভাত আমি দুয়ো হ'ম উপস্থিত। এতিয়া আমি আহিলো ৰাজন।

শ্ৰীবৎস ঃ যাওঁক দেৱী, যাওঁক দেৱ। দিছো প্ৰতিশ্ৰুতি কালিলৈৰ সভাত মই দিম ইয়াৰ সমিধান।

**<u>সূত্ৰ ঃ</u>** **<u>দুয়োৰে প্ৰস্থান। শ্ৰীবৎসই চিন্তিত মনে প্ৰস্থান কৰে। আনহাতে অযোধ্যাৰ ৰাজ সভাত প্ৰথমে মন্ত্ৰীবৰ আৰু সেনাপতি সিংহজিত। পাছত চিন্তিত হৈ শ্ৰীবৎস--</u>**

দিব্য ঃ মহাৰাজ, আপোনাক আজি বৰ চিন্তিত যেন লাগিছে। কি হৈছে আপোনাৰ ? ৰাজ্যতটো ঘটা নাই কোনো বিঘিনী। তেনেস্থলত আপুনি ---- ?

শ্ৰীবৎস ঃ মন্ত্ৰীবৰ, এক গভীৰ সমস্যাই দিছেহি দেখা। হৰি মন্দিৰত দেৱী লক্ষ্মী আৰু শনিদেৱে দৰ্শন দি আমাক কৰিলে প্ৰশ্ন তেওঁলোক দুজনৰ ভিতৰত কোন শ্ৰেষ্ঠ ? মনুষ্য হৈ দেৱতাৰ বিচাৰ কৰোঁ কেনেকৈ ? উত্তৰ দিবৰ বাবে মই বিচাৰিলো এদিনৰ সময়। নাই আৰু বেছি ক্ষণ, খন্তেকতে আহি তেওঁলোক হ'ব উপস্থিত এই ৰাজদৰবাৰত। কিন্তু কাক মই এতিয়া বোলো শ্ৰেষ্ঠ ?

দিব্য ঃ সঁচাই জটিল সমস্যা মহাৰাজ। দেৱী লক্ষ্মীৰ অসন্তুষ্টি মানে অনাটনক নিমন্ত্ৰণ, আনহাতে শনিদেৱৰ কোপদৃষ্টি অতিকে ভয়ানক। দুয়ো ফালেই গভীৰ বিপদ আমাৰ। এতিয়া কি কৰিব ৰাজন ?

শ্ৰীবৎস ঃ অযোধ্যাৰাজ মই ; বিপদৰ আশংকাত মই নাপাহৰোঁ প্ৰতিশ্ৰুতি। পাছে কিদৰে মই --- ? মন্ত্ৰীবৰ, বহুবাৰ আমাক বিপদৰ পৰা আপুনি বুদ্ধিৰে কৰিছে উদ্ধাৰ ; এইবাৰো দিয়ক সমিধান --

দিব্য ঃ মহাৰাজ, মোৰ বোধেৰে আপুনি নিজ মুখে কাকো নুবুলিব শ্ৰেষ্ঠ। কৰিম মই এটা উপায়। ইয়াত আছে এইখন স্বৰ্ণসিংহাসন আৰু এখন আসনৰ কৰক ব্যৱস্থা। হ'ব লাগিব সেয়া ৰূপৰ আসন। বহাৰ এই আসন দুখনেই কৰিব সমস্যাৰ সমাধান।

শ্ৰীবৎস ঃ মন্ত্ৰীবৰ, আসনৰ ব্যৱস্থা কৰিব পৰা যাব। প্ৰহৰী, প্ৰহৰী --

**<u>সূত্ৰ ঃ</u>** **<u>এজন প্ৰহৰীৰ প্ৰৱেশ ---</u>**

প্ৰহৰী-১ ঃ আদেশ কৰক মহাৰাজ।

শ্ৰীবৎস ঃ যোৱা, তুৰন্তে লৈ আনা এখন ৰূপৰ আসন।

প্ৰহৰী-১ ঃ এতিয়াই আনিম মহাৰাজ -- ( প্ৰস্থান )

সিংহ ঃ মহাৰাজ, চিন্তা নকৰিব ; মন্ত্ৰীবৰৰ বুদ্ধি আৰু প্ৰভূ ভগৱন্তৰ ওপৰত ৰাখক বিশ্বাস ---

**<u>সূত্ৰ ঃ</u>** **<u>আসন লৈ প্ৰহৰী আহে---</u>**

প্ৰহৰী-১ ঃ আসন লৈ আহিছো মহাৰাজ।

দিব্য ঃ প্ৰহৰী, সৌ সিংহাসনৰ বাওঁফালে ৰাখা এই আসন।

**<u>সূত্ৰ ঃ</u>** **<u>আসন থৈ প্ৰহৰীৰ প্ৰস্থান -----</u>**

দিব্য ঃ মহাৰাজ, চিন্তা নকৰিব। শ্ৰীহৰিৰ কৰুণা আছে আমাৰ ওপৰত। তেখেতেই ৰক্ষা কৰিব বিপদত।

শ্ৰীবৎস ঃ আপোনাৰ কথা যেন সত্য হওঁক মন্ত্ৰীবৰ। হে প্ৰভূ, অধমক এই বিপদৰ সময়ত কৰিব সহায় ।

**সূত্ৰ ঃ এনেতে লক্ষ্মী আৰু শনিৰ প্ৰৱেশ---**

শনি ঃ ৰাজন , আমি আহিছো ।

শ্ৰীবৎস ঃ দাসৰ সেৱা কৰক গ্ৰহণ । আহক আহক দেৱ, আহক দেৱী। আপোনাসৱে আসন কৰক গ্ৰহণ -

**সূত্ৰ ঃ লক্ষ্মীয়ে সোণৰ আসনত আৰু শনিয়ে ৰূপৰ আসনত নিজে গৈ বহে -----**

শনি ঃ ৰাজন , নকৰি সময় অপব্যয় কোৱা আমাৰ দুজনৰ ভিতৰত কোন শ্ৰেষ্ঠ ?

শ্ৰীবৎস ঃ মইনো কি ক'ম, আপোনালোক বহা আসন দুখনৰ মূল্যই দেখুৱাই কোন শ্ৰেষ্ঠ। তদুপৰি সোঁফালে সদায় উত্তম আৰু বাওঁফালে.------------

শনি ঃ আঃ অপমান ; বৈকুণ্ঠত কৰে মোক নাৰীয়ে অপমান , মৰতত কৰে মোক মনুষ্যই অপমান । ৰাজন, গভীৰ বিশ্বাসেৰে তোক দিছিলো দায়িত্ব, কৰিছিলো সন্মান, কিন্তু প্ৰতিদান ৰূপে মোক হলাহল কৰালি পান। প্ৰতিশোধৰ অগনি জ্বলাই কৰিছো গমন, কিন্তু ৰাখিবি মনত গ্ৰহৰাজ মই শনি, তোৰ সহিতে সমস্ত ৰাজ্যত অচিৰেই বৰষিম মোৰ কোপাগ্নি। আঃ অপমান, অপমান - **(প্ৰস্থান )**

শ্ৰীবৎস ঃ দেৱ , দেৱ , ---- শনিদেৱ হ'ল ক্ৰোদ্ধ ; উসঃ কি কৰোঁ এতিয়া মই ?

লক্ষ্মী ঃ ৰাজন, তুমি ন্যায়বান । শ্ৰেষ্ঠ বুলি আমাক দিলা মান । দিম তোমাক মই অজস্ৰ ঐশ্বৰ্য- বিভূতি দান । আৰু ৰাজন, শনিদেৱৰ ক্ৰোধলৈ নকৰিবা ভয় । বিপদত মই তোমালোকক কৰিম সহায় । এতিয়া ময়ো যাওঁ নিজ স্থানলৈ । **(প্ৰস্থান)**

শ্ৰীবৎস ঃ যাওঁক দেৱী ; মন্ত্ৰীবৰ , শনিদেৱৰ কোপক দিলো নেকি নিমন্ত্ৰণ ? হে প্ৰভু ----

দিব্য ঃ চিন্তিত নহ'ব মহাৰাজ । ভগৱন্তৰ কৃপা আৰু আশীষ থাকিব আমাৰ ওপৰত । মহাৰাজ , আপোনাক বিশ্ৰামৰ হৈছে প্ৰয়োজন । ব'লক আৰু নকৰিব চিন্তা ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত অযোধ্যাৰ সেনাপতি কালজিত ----**

কালজিত ঃ আঃ বৃথা চেষ্টা, মিছা সপোন ৰচিলো মই ; মিছাতেই কৰিলো অযোধ্যাৰ সিংহাসন মোৰ জীৱনৰ পণ । এতিয়াও লক্ষ্য মোৰ আছে সুদূৰত । হতাশাৰ ধূম্ৰই আবৰে মোৰ লক্ষ্য । আঃ নহ'ব নেকি মোৰ স্বপ্ন পূৰণ ? -------

**সূত্ৰ ঃ এনেতে শনিদেৱ ---**

শনি ঃ যদি আমাকেই ভজা হতাশাৰ ধূম্ৰ ফালি উপনীত কৰোঁৱাম তোমাক লক্ষ্য স্থানত -----

কালজিত ঃ কোন তই ? কিয় তই কৰিছ উপহাস ?

শনি ঃ আচৰিত, তিনি ত্ৰৈলোক্যই পুঁজে মোক, অথচ এই দুৰ্মতি মনুষ্যই নিচিনে মোক। হেৰ' নিবোধ মনুষ্য, ময়েই হ'লো গ্ৰহপতি শনি, যি তোৰ সপোনক বাস্তৱত কৰিম পৰিণত ।

কালজিত ঃ ই কি, গ্ৰহপতি আজি মোৰ সমীপত । হে গ্ৰহপতি, হতাশাৰ ডাৱৰে মোৰ মন-মগজুক ধৰিছে ছানি । নিৰাশাই নুমুৱালে মোৰ জ্ঞানৰ বন্তি । সেয়ে এই অধম মুৰ্খই নিচিনিলো আপোনাক । মোৰ শতদোষ আপুনি কৰক মাৰ্জনা । ভক্ত ৰূপে মোক কৰক গ্ৰহণ।

শনি ঃ উঠা কালজিত , তোমাৰ ভক্তিত মই অতিকে সন্তুষ্ট । কালজিত , তোমাক মই দিলো আশ্বাস , শ্ৰীবৎসক আঁতৰাই অযোধ্যাৰ ৰাজসিংহাসন তোমাকেই কৰিম অৰ্পণ ।

কালজিত ঃ আপোনাৰ আৰ্শীবাদ থাকিলে একো অসম্ভৱ নহয় । তথাপি মনত মোৰ জাগে সংশয়। ৰাজ্যৰ পাত্ৰ মন্ত্ৰীসকল আছে যে শ্ৰীবৎসৰ পক্ষত ।

শনি ঃ ভজিছা যেতিয়া মোক নকৰিবা চিন্তা । মাথো চলিবা তুমি মোৰ ইচ্ছাত । দেখিবা পাত্ৰ মন্ত্ৰী সৱো তোমাৰ হাতৰ মুঠিত। ব'লা যাওঁ , এইক্ষণৰ পৰাই আমাৰ কাযত হওঁগৈ অগ্ৰসৰ ।

সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত সিংহজিত -- --

সিংহ ঃ ৰাজ্যত এইয়া কি হ'ব ধৰিছে ? অকালতে মানুহৰ গৈছে প্ৰাণ । চাৰিওদিশে ঘটিছে অশান্তি। নিশ্চয় এয়া শনিদেৱৰ কোপদৃষ্টিৰ ফল । হে দেৱ, আমাক ক্ষমা কৰক, কৃপা কৰক আমাক --

সূত্ৰ ঃ এনেতে কালজিত ---

কালজিত ঃ সিংহজিত , কি হৈছে তোমাৰ ? কিয় এনেদৰে হৈছা অস্থিৰ ?

সিংহ ঃ প্ৰধান সেনাপতি কালজিত । পালাহি তুমি ; ভালেই হ'ল ; ৰাজ্যৰ চৌদিশে ঘটিছে অথন্তৰ ।

কালজিত ঃ অথন্তৰ, ৰাজ্যৰ চৌদিশে অথন্তৰ । ক'ত -- ? মোৰ দৃষ্টিয়েচোন ক'তো দেখা নাই অথন্তৰ ।

সিংহ ঃ সূৰ্য্যৰ পোহৰত হৈছে প্ৰবল বৃষ্টিপাত ; হৈছে শিলাবৃষ্টি । এয়া কি তুমি দেখা নাই ?

কালজিত ঃ সিংহজিত , নহয় শিলাবৃষ্টি , এয়া পুষ্পবৃষ্টি ।

সিংহ ঃ কি কৈছা তুমি --- ? অসময়ত আহিছে ৰাজ্যত প্ৰবল বান ---

কালজিত ঃ নহয় প্ৰলয়কাৰী , প্ৰচুৰ আশা কঢ়িয়াই অনা এয়া আশাৰ বান ।

সিংহ ঃ প্ৰলাপ নবকিবা কালজিত । হৈছে মোৰ সন্দেহ , তুমি হৈছা অন্ধ ---

কালজিত ঃ প্ৰলাপ নহয় সিংহজিত, তোমাৰহে হৈছে দৃষ্টিভ্ৰম । মোৰ দৃষ্টিৰে চোৱা সিংহজিত ; দেখিবা আশাৰ বন্তি ; শুনিবা শিয়াল কাউৰীৰ মাততো মঙ্গলময় ধ্বনি হাঃ হাঃ -- অথন্তৰ ঘটিব কেৱল অধম, পাষণ্ড সেই শ্ৰীবৎসৰ , আমাৰ নহয় ।

সিংহ ঃ জিভা সংযত কৰি কথা ক'বা কালজিত । মহাৰাজৰ বিৰুদ্ধে কুৎসিত বচন কদাপি নুশুনে এই সিংহজিতে । তুমি নহৈ আজি আন হোৱা হ'লে দিলোহেঁতেন মই উচিত দণ্ড।

কালজিত ঃ আঃ সিংহজিত, ইমান দম্ভালি কালজিতেও নকৰে সহ্য । এতিয়াই কৰিম মই তোৰ শিৰচ্ছেদ ।

সিংহ ঃ বেচ তেন্তে , চাওঁ কোনে কৰে কাৰ শিৰচ্ছেদ ।

সূত্ৰ ঃ দুয়ো ৰণৰ বাবে সাজু হয়। শনিদেৱ আহি যি কয় --------

শনি ঃ ক্ষান্ত , ক্ষান্ত হোৱা সেনাপতিদ্বয় । কিয় কৰা দ্বণ্ড নিজৰ মাজত ---- ?

সিংহ ঃ ই কি ? শনিদেৱ, হে দেৱ ক্ষমা কৰক আমাক । জানিছো মই আপোনাৰ কোপদৃষ্টি পৰিছে আমাৰ ওপৰত । কৃপা কৰক দেৱ, আপোনাৰ কৰুণাবিনে আমাৰ নাই গতি । আপুনিয়ে শ্ৰেষ্ঠ দেৱ , এই সত্য মই কৰিছো স্বীকাৰ।

শনি ঃ উঠা সিংহজিত, তোমাৰ ভক্তিত মই হৈছো সন্তোষ্ট । তোমাৰ প্ৰতি নাই মোৰ কোনো ক্ষোভ । আছে ক্ষোভ কেৱল শ্ৰীবৎসৰ প্ৰতি। তোমালোক দুজনে যিদৰে মানি লৈছা মোৰ শ্ৰেষ্ঠতা, যদি ৰাখা মোৰ প্ৰতি আস্থা, তেন্তে সিংহজিত তুমি হ'বা অযোধ্যাৰ প্ৰধান সেনাপতি আৰু কালজিত হ'ব অযোধ্যাৰ গৰাকী।

সিংহ ঃ কিন্তু দেৱ---------

কালজিত ঃ অবুজন নহ'বা সিংহজিত ; জানি বুজি মন্ত্ৰীৰ লগলাগি মহাৰাজে শনিদেৱক কৰিলে অপমান । লুপ্ত আজি অযোধ্যাৰ শৌৰ্য ; প্ৰজাই ভূগিছে দুখ । সেয়েহে লৈছো পণ, কাঢ়ি লম সিংহাসন সেই অধম শ্ৰীবৎসৰ পৰা ; হ'ম মই অযোধ্যাৰ ৰাজ ৰাজেশ্বৰ আৰু তুমি হ'বা মোৰ প্ৰধান সেনাপতি । দেখিব জগতে আমাৰ বিক্ৰম, লুপ্ত শৌৰ্য অযোধ্যাৰ আমি আনিম ঘূৰাই । বিশ্বজয়ী, সৰ্বজয়ী হৈ জিলিকি ৰম আমি ধৰাৰ বক্ষত -------

শনি ঃ আমিও কৰিছো পণ এই কাযত মই কৰিম সহযোগ । সিংহজিত , আৰু নাভাবিবা ; তুমি হ'বা অযোধ্যাৰ প্ৰধান সেনাপতি -----

সিংহ ঃ উচিত কথা কৈছে শনিদেৱ। এতিয়াহে পালো মই শুদ্ধ পথৰ সন্ধান -- হাঃ হাঃ মইও আছো আপোনাসৱৰ লগত। কিন্তু মন্ত্ৰীদেৱ আৰু তেওঁৰ পুত্ৰ অনন্ত জানো থাকিব আমাৰ পক্ষত ?

কালজিত ঃ শ্ৰীবৎসক আঁতৰাবলৈ সখা তোমাৰ সঙ্গ আৰু শনিদেৱৰ কৃপাই যথেষ্ট --

শনি ঃ অ পাৰিবা, তোমালোকেই পাৰিবা। এতিয়া ব'লা, আঁচনি কৰোঁগৈ ৰূপায়ণ --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত ৰানী চিন্তাৰ প্ৰৱেশ -----**

**গীত - ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )**

**সভাত চলিয়া আহে চিন্তা মহাৰাণী।**
**ৰূপে গুণে বিভূষিতা তুমি সতী নাৰী।।**
**লয়লাসে চলি আহে সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

চিন্তা ঃ অযোধ্যাৰ মহাৰানী মই চিন্তা; নিজকে ভাৰো ভাগ্যৱতী বুলি। পাছে নাজানো কিয় মোৰ মন হয় অশান্ত; কিবা যেন অজান আশংকাত দুৰু দুৰুকৈ কঁপে মোৰ বুকু। এনে ভাৱ জাগে মনত বিধাতাৰ কুদৃষ্টি -- আঃ এয়া কি কিয় মোৰ বাঁও চকু লৰিব ধৰিছে ? হে প্ৰভু, কুশলে ৰাখিবা মোৰ স্বামীক; কুশলে ৰাখিবা আমাক। যাঁও, যাঁও মই ভগৱন্তক কৰোঁগৈ আৰাধনা ---

**সূত্ৰ ঃ চিন্তাৰ প্ৰস্থান। আনফালে সভাত শ্ৰীবৎস আৰু মন্ত্ৰী দিব্যধনু----**

শ্ৰীবৎস ঃ মন্ত্ৰীবৰ, ৰাজ্যৰ পৰিস্থিতিয়ে মোক কৰিছে উদ্বিগ্ন। চাৰিওদিশে মাথো দেখো অমঙ্গল। শান্তিৰে কৰিব নোৱাৰো শয়ন; দুঃস্বপ্নই কৰে আমনি -- লহ লহ জিহ্বা মেলি জ্বলন্ত অগ্নিয়ে মোক খেদি ফুৰে সপোনত ওৰেটো নিশা ----

দিব্য ঃ ৰাজন, নকৰিব চিন্তা; এয়া দুৰ্বল মনৰ অশুভ চিন্তন। শ্ৰীহৰিৰ ওপৰত ৰাখক ভৰষা ---

**সূত্ৰ ঃ এনেতে চিন্তিত বেশ ধৰি প্ৰধান সেনাপতি কালজিত আহে ---**

শ্ৰীবৎস ঃ কালজিত, কি হৈছে তোমাৰ ? গৈছিলা তুমি মন্দিৰৰ কাম নিৰীক্ষণ কৰিবলৈ ---

কালজিত ঃ প্ৰণাম মহাৰাজ; কি ক'ম, মন্দিৰৰ কাম হৈছিল সম্পূৰ্ণ; কিন্তু হঠাৎ মন্দিৰটো ভাগি কেইবাজনো প্ৰজাই ললে মৃত্যুক আকোঁৱালি।

শ্ৰীবৎস ঃ কি, সম্পূৰ্ণ হোৱা মন্দিৰ পৰিল ভাগি ? কেইবাজনো প্ৰজাৰ হ'ল মৃত্যু। হে প্ৰভু --

কালজিত ঃ মহাৰাজ, আৰু আছে তেনে বহু সংবাদ। কিন্তু মই নোৱাৰিম মহাৰাজ, নোৱাৰিম ক'ব ---

শ্ৰীবৎস ঃ নহয় নহয় কালজিত। নিঃসংকোচে কোৱা তুমি। ৰাজ্যৰ প্ৰতিটো ঘটনাৰ বিষয়ে জনোৱাটো কৰ্তব্য তোমাৰ। কোৱা কালজিত, আৰু কি সংবাদ ? --- কোৱা, ই মোৰ আদেশ।

কালজিত ঃ মহাৰাজ, আঁহোতে দেখিলো হঠাৎ এখন গাঁও বনাগ্নিয়ে ধৰিছে আগুৰি। প্ৰজাবোৰ জীৱন্তে জাহ গৈছে অগ্নিশিখাত। যান্ত্ৰণাত সিহঁতে চিঞৰিব ধৰিছে, মহাৰাজ আমাক ৰক্ষা কৰক, আমাক উদ্ধাৰ কৰক; গৈছিলো মই বেগাই, কিন্তু মহাৰাজ বনাগ্নিয়ে সকলোকে --------

শ্ৰীবৎস ঃ নাই নাই আৰু নক'বা, আৰু নোৱাৰিম শুনিব। প্ৰজাৰ এনে দুখ মোৰ হৃদয়ে নোৱাৰে সহিব।

**সূত্ৰ ঃ এনেতে বেগেৰে সিংহজিত ----**

সিংহ ঃ সৰ্বনাশ হ'ল মহাৰাজ, সৰ্বনাশ হ'ল ---

শ্ৰীবৎস ঃ তুমি কি বাৰ্তা আনিছা সিংহজিত -- ?

সিংহজিত ঃ মহাৰাজ, নাই কোনো বাৰিষাৰ আগজাননী, হঠাৎ হৈছে ৰাজ্যৰ পশ্চিম দিশে মুষলধাৰ বৃষ্টিপাত, হৈছে শিলাবৃষ্টি। প্ৰলয়কাৰী বানে শ শ প্ৰজাক নিছে উটুৱাই। প্ৰজাই মাথো কৰে আৰ্তনাদ --

শ্রীবৎস ঃ উসঃ সিংহজিত আৰু নুশুনাবা। হে প্ৰভূ, মোৰ ৰাজ্যত এয়া কি ঘটিছে ? ৰজা হৈ আজি মই প্ৰজাক পৰা নাই ৰক্ষা কৰিব। উসঃ কি কৰোঁ মই ?

কালজিত ঃ মহাৰাজ, এয়া আপোনাৰ ভুলৰ পৰিণতি ; কেৱল আপোনাৰ বাবেই প্ৰজাৰ হৈছে এনে দুৰ্দশা।

দিব্য ঃ জিভা সংযত কৰি কথা ক'বা কালজিত। তুমি মহাৰাজৰ বিৰুদ্ধে বাক্য কৰিছা উচ্চাৰণ।

সিংহ ঃ খং নকৰিব মন্ত্ৰীদেৱ, কালজিতে প্ৰজাৰ কথাহে কৈছে। প্ৰজাৰ মাজত আজি হৈছে চৰ্চা, মহাৰাজে শনিদেৱক ৰুষ্ট কৰাৰ বাবেহে ৰাজ্যত এনে বিপত্তিয়ে দিছে দেখা। গতিকে মহাৰাজে প্ৰজাৰ মঙ্গলৰ কথা চিন্তা কৰি স্বেচ্ছাই ত্যাগ কৰিব লাগে ৰাজ সিংহাসন। এয়া প্ৰজাৰ বচন ---

দিব্য ঃ সিংহজিত, আৰু কোনো কথা নক'বা তুমি। সেনাপতিৰ দায়িত্ব কি তোমালোকে গ'লা পাহৰি ? যি দুৰ্বৃত্তই ৰচিছে এনে অপবাদ কিয় এতিয়াও আছে সি জীৱিত ?

শ্রীবৎস ঃ সিংহজিতক ক্ৰোধ নকৰিব মন্ত্ৰীবৰ। শনিদেৱক ৰুষ্ট কৰিলো মই আৰু তাৰ ফল এতিয়া ভোগিছে মোৰ প্ৰজাগণে। ৰক্ষা কৰিব পৰা নাই আজি মই মোৰ প্ৰজাগণক। তেনেস্থলত অযোধ্যাৰ সিংহাসনত বহাৰ মোৰ নাই অধিকাৰ। অ মন্ত্ৰীবৰ, প্ৰজাই কৰিছে শুভ চিন্তন ; ল'লো সিদ্ধান্ত, অযোধ্যাৰাজ্য মই কৰিম ত্যাগ ----

দিব্য ঃ মহাৰাজ, এয়া আপুনি কৈছে কি ? আপোনাৰ বাবে প্ৰজাৰ বিপত্তি হোৱা নাই। এয়া, এয়া মাথো প্ৰকৃতিৰ অশান্ত ৰূপ। আছো আমি সৱ আপোনাৰ কাষত ; সৱে মিলি কৰিম প্ৰতিৰোধ। বাৰিষাৰ প্ৰৱল বৰষুণক জানো দুৰ্বল খেৰবোৰে একেলগ হৈ নিদিয়ে বাধা ?

শ্রীবৎস ঃ মন্ত্ৰীবৰ, মিথ্যা সান্তনা নিদিব মোক ; ৰাজ্যৰ শাসনভাৰ গটালো মই আপোনাৰ ওপৰত।

দিব্য ঃ মহাৰাজ ; মোক ৰাজসিংহাসন নালাগে ; ওৰেটো জীৱন মই দাস হৈয়ে কটাম আপোনাৰ।

শ্রীবৎস ঃ নহয় মন্ত্ৰীবৰ। আপোনাৰ দৰে যোগ্য ব্যক্তিক মই শাসনভাৰ অৰ্পন কৰি নিশ্চিন্ত হ'ব পাৰিম। ভগৱন্তক সাক্ষী কৰি জননী জন্মভূমি মোৰ অযোধ্যাৰ মঙ্গল কামনা কৰি আপোনাক ৰাজ্যভাৰ কৰিলো অৰ্পণ। লওক মন্ত্ৰীবৰ এই ৰাজমুকুট আৰু মুক্ত মনেৰে মোক দিয়ক বিদায়।

দিব্য ঃ মহাৰাজ, এয়া কি কাৰ্য কৰিলে ? ৰাজ্যৰ ভূষণ হৈছে ৰাজন। কেনেকৈ বিদায় দিওঁ মই তেনে ৰাজনক ? হে প্ৰভূ, এনে দিন দেখাৰ পূৰ্বেই মোক মাৰি নিনিলা কিয় প্ৰভূ ?

সিংহ ঃ মহাৰাজ, কি কৰোঁ আমি ? এনেদৰে আপোনাক বিদায় ---

শ্রীবৎস ঃ দুখ নকৰিবা সিংহজিত ; স্বেচ্ছাই মই প্ৰজাৰ মঙ্গলৰ বাবে এই ৰাজ্য কৰিছো ত্যাগ। তোমালোক দুয়ো সেনাপতি আছিলা মোৰ ভাতৃসম। আগৰদৰেই এতিয়াও মাতৃভূমিক কৰিবা সেৱা। মোৰ বাবে নকৰিবা বেজাৰ ; মই আহিলো ----

**সূত্ৰ ঃ এনেতে ৰাজ আৱৰণ খুলি চিন্তা আহে ---**

চিন্তা ঃ ৰ'ৱ নাথ ---

শ্রীবৎস ঃ প্ৰিয়ে, ৰাজ আৱৰণ তুমি কিয় কৰিলা ত্যাগ ?

চিন্তা ঃ যি ৰাজসুখ আপুনি কৰিছে ত্যাগ তাক মই কেনেদৰে কৰিম গ্ৰহণ ? যি স্থান আপুনি কৰিছে পৰিত্যাগ সেই স্থানত মই কিয় থাকিম নাথ ?

দিব্য ঃ মহাৰানী, এয়া আপোনাসৱে কি কাৰ্য কৰিব ওলাইছে ? নাযাব দেৱী, বুজাওক আপুনি মহাৰাজক

চিন্তা ঃ নহয় মন্ত্ৰীবৰ, সৰগৰ দেৱতাই মৰতৰ মনুষ্যৰ হতুৱাই নিজৰ শ্ৰেষ্ঠতাৰ কৰালে বিচাৰ আৰু প্ৰতিদানৰূপে আমাক দিলে এই পুৰস্কাৰ। নাথ, আপুনি উচিত সিদ্ধান্তই লৈছে।

শ্রীবৎস ঃ জানো প্ৰিয়ে, তুমি মোৰ সিদ্ধান্তৰ নকৰিবা বিৰোধ। ওলোৱা প্ৰিয়ে তোমাক পিতাৰাৰ গৃহে থৈ

গুচি যাম মই মৰতৰ কোনো স্থানে ।

চিন্তা ঃ নাথ ; এয়া কি কৈছে আপুনি ? পিতৃ গৃহে মই ? নাই নাই অসম্ভৱ, এনে বিচাৰ আপোনাৰ মনলৈ আহিল কিদৰে ?

শ্ৰীবৎস ঃ প্ৰিয়ে , দীন দৰিদ্ৰ আজি মই । আছিলা তুমি পিতাৰাৰ আলাসৰ জী । মোৰ লগত ৰাখি কি যুক্তিত দিওঁ তোমাক কষ্ট ?

চিন্তা ঃ পত্নী মই আপোনাৰ ; আপোনাৰ চৰণতে আছে মোৰ স্থান । আপোনাৰ চৰণ সেৱাতে আছে পুণ্য আমাৰ । মোক ইয়াৰ পৰা বঞ্চিত নকৰিব নাথ ; সুখে দুখে মিলি দুয়ো থাকিম একেলগে -

শ্ৰীবৎস ঃ নাকান্দিবা প্ৰিয়ে ; ওলোৱা তুমিও মোৰ লগত গুচি যাওঁ ক'ৰবালৈ । হে মোৰ জননী জন্মভূমি, তোমাৰ অপৰাধী মই, মোক তুমি ক্ষমা কৰিবা --( **চিন্তাৰ সৈতে প্ৰস্থান** )

**গীত - (ৰাগ ঃ গান্ধাৰ, তাল ঃ পৰিতাল )**

**হে হৰি কিনো এয়া ভাগ্যৰ লিখন।**
**ৰাজ্য এৰি চলি যায় শ্ৰীবৎস ৰাজন।।**

দিব্য ঃ মহাৰাজ , মহাৰাজ, নাই -- গুচি গ'ল , শূন্য কৰি অযোধ্যা , নিঠৰুৱা কৰি আমাক গুচি গ'ল ৰাজন আমাৰ । সিংহজিত আৰু কালজিত, মন মোৰ হৈছে অস্থিৰ । যাওঁ প্ৰভূ শ্ৰীহৰিক কৰোঁগৈ আৰাধনা --- প্ৰভু , প্ৰভু ---- (প্ৰস্থান )

কালজিত ঃ অধম শ্ৰীবৎস ; আছিলো আমি তোৰ ভাতৃসম ? তেন্তে কিয় এই ভাতৃক নিদি অযোধ্যাৰ ৰাজ সিংহাসন বৃদ্ধ মন্ত্ৰীক কৰিলি অৰ্পণ ? কদাপি নামানো তাক মই অযোধ্যাৰ ৰাজন ---

সিংহ ঃ চিন্তিত নহ'বা কালজিত । শনিদেৱৰ আশীষ আছে আমাৰ শিৰত । আমাৰ আঁচনিমতেই কাৰ্য হৈছে সমাপন । অচিৰেই পাবা তুমি অযোধ্যাৰ ৰাজ সিংহাসন হাঃ হাঃ ----

কালজিত ঃ সেয়া নিশ্চিত সখা । এতিয়া ব'লা পৰবৰ্তী কাৰ্যও কৰোঁগৈ সাৰ্থক ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত মন্ত্ৰীপুত্ৰ অনন্তৰ প্ৰৱেশ -----------**

**গীত ঃ ( ৰাগ - গান্ধাৰ , তাল - ৰচক )**

**প্ৰৱেশয় সভাৰ মাজে মন্ত্ৰীৰ তনয় ।**
**দিব্য বস্ত্ৰে শোভে আতি দেখিতে শোভয় ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

অনন্ত ঃ শিক্ষা অৰ্জন মোৰ হ'ল সমাপ্ত। বহুদিন আঁতৰি আছিলো মই মাতৃভূমিৰ পৰা । কেনে আছে বাৰু অযোধ্যাৰাজন শ্ৰীবৎস ? নিশ্চয় থাকিব কুশলে । তেখেতৰ দৰে ৰাজনক পোৱাটো সঁচাই আমাৰ পূণ্য ফল । যাওঁ মই তেখেতক দৰ্শন কৰিবলৈ, যাওঁ মই আজি মাতৃভূমিৰ চৰণ পুঁজিবলৈ।

**সূত্ৰ ঃ অনন্তৰ প্ৰস্থান। আনফালে চিন্তিত মনে মন্ত্ৰীবৰ দিব্যধনু ---**

দিব্য ঃ হে শ্ৰীবৎস, এয়া কি কৰিলা তুমি ? তুমি স্বাৰ্থপৰ, নাভাবিলা মোৰ কথা ; গুচি গ'লা ত্যাগ কৰি নিজ ৰাজ্য । যদিওবা কৰিছো ধাৰণ অযোধ্যাৰ ৰাজমুকুট পাৰিম জানো এই সিংহাসনত মই কৰিব আৰোহণ ? নাই নাই নোৱাৰোঁ মই এই আসনত কৰিব আৰোহণ। হে প্ৰভু, কি কৰোঁ মই ?

**সূত্ৰ ঃ এনেতে অনন্ত আহে ----**

অনন্ত ঃ ( পাছফালৰ পৰা ) প্ৰণাম মহাৰাজ -------

দিব্য ঃ কোন ---- ? বাচা অনন্ত , তই আহিলি বাচা ।

অনন্ত ঃ পিতা ? আঁচৰিত , আপোনাৰ শিৰে ৰাজমুকুট ? কিয় পিতা ?

দিব্য ঃ সকলো শেষ হৈ গ'ল বাচা। শনিদেৱ ৰুষ্ট শ্ৰীবৎসৰ প্ৰতি। ৰাজ্যৰ চৌদিশে মাথো অমঙ্গল । প্ৰজাৰ মাজত উঠিল হাঁহাকাৰ । দুষ্টমতি কিছুমান পাষণ্ডই চলালে প্ৰচাৰ মহাৰাজৰ বাবেই প্ৰজাৰ হৈছে অত অথন্তৰ। প্ৰজাৰ দুখ নোৱাৰি সহিব শ্ৰীবৎস ৰাজনে অৰ্পন কৰি ৰাজ্যভাৰ এই অভাগাৰ ওপৰত ৰানীৰ সৈতে গুচি গ'ল অন্য স্থানে ---

অনন্ত ঃ উসঃ পিতা, কি শুনিলো মই ? শিক্ষা জীৱন সমাপ্ত কৰি আহিছো মই মাতৃভূমিলৈ । ভাৰিছিলো মহাৰাজৰ চৰণ স্পৰ্শ কৰি জীৱন কৰিম ধন্য । নাই নাই এনে হ'ব নোৱাৰে, ৰাজনক ঘুৰাই আনিব লাগিব । অ পিতা , মহাৰাজক মই আনিম ঘুৰাই ।

দিব্য ঃ পাৰিবি জানো বাচা তই ৰাজনক ঘুৰাই আনিব ? শ্ৰীবৎসক মই জানো ভালদৰে। নিজ সিদ্ধান্তত তেওঁ অলৰ অচৰ । তোৰ প্ৰস্তাৱ তেখেতে নকৰিব গ্ৰহণ ।

অনন্ত ঃ মোৰ ওপৰত বিশ্বাস ৰাখক পিতা । ৰাজনক মই আনিম ঘুৰাই । এতি ক্ষণে মই যাত্ৰা কৰিম আমাৰ দেৱতুল্য ৰাজনক বিচাৰি । আশীৰ্বাদ কৰক পিতা , মই যেন হওঁ সফল ।

দিব্য ঃ যা বাচা , ভগৱন্ত তোৰ সহায় হওক । অপেক্ষা কৰিম মই অধীৰ আগ্ৰহেৰে ---

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সদাগৰ পদ্মসেনৰ প্ৰৱেশ -----( বাজনা - ভংগী )</u>**

**<u>সূত্ৰ ঃ পদ্মসেনৰ প্ৰস্থান । সভাত অৱন্তীৰাজ বাহু, মন্ত্ৰী আৰু সেনাপতি সুৰজিতৰ প্ৰৱেশ-</u>**

**<u>গীত - ( ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল )</u>**

**সভাত প্ৰৱেশ কৰে অৱন্তীৰ ৰাজন।**
**সঙ্গে আহে পাত্ৰ মন্ত্ৰী দেখিতে শোভন ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ গণ।।**

বাহু ঃ মন্ত্ৰীবৰ আৰু সেনাপতি, কুশলে আছেনে মোৰ ৰাজ্যৰ প্ৰজাগণ। কৰে নেকি কোনোবাই বিদ্ৰোহ আঁচৰণ ?

মন্ত্ৰী ঃ মহাৰাজ, ৰাজ্যৰ বিষয়লৈ কোনো নকৰিব চিন্তা । সকলো প্ৰজাই শান্তিৰে কৰিছে বাস । কৰা নাই কোনেও বিদ্ৰোহ আঁচৰণ আৰু নকৰে কদাপি ।

বাহু ঃ তোমালোকৰ দৰে সভাসদ থাকোতে ৰাজ্যৰ বিষয়লৈ মই নহওঁ চিন্তিত। কিন্তু শুনিবলৈ পাইছো মহাধাৰ্মিক শ্ৰীবৎসৰ ৰাজ্যত হেনো ঘটিছে অথন্তৰ। সেই হেতু শংকিত হৈছো মই ।

সুৰজিত ঃ মহাৰাজ, আপুনি সঠিক সংবাদেই লাভ কৰিছে। গ্ৰহপতি শনিদেৱক অৱজ্ঞা কৰাৰ বাবে শ্ৰীবৎসৰ ৰাজ্যত ঘটিছে অথন্তৰ । পাইছো সংবাদ তেখেতে নিজ ৰাজ্যও কৰিলে ত্যাগ।

বাহু ঃ শ্ৰীবৎসৰ দৰে মহাধাৰ্মিক, ন্যায় পৰায়ন ৰাজনৰো হৈছে এনে গতি ? হে দয়াময় , শ্ৰীবৎসক তুমি কৃপা কৰা। আমাৰ ওপৰতো কৃপাদৃষ্টি ৰাখিবা প্ৰভু।

**<u>সূত্ৰ ঃ এনেতে পদ্মসেন সোমাই আহে ---</u>**

পদ্মসেন ঃ মহাৰাজৰ জয় হওঁক । দাসৰ সেৱা কৰক গ্ৰহণ ।

বাহু ঃ কোন , কোন তুমি ---- ? আগমনৰ উদ্দেশ্য কি ---- ?

পদ্মসেন ঃ মহাৰাজ, মই আপোনাৰেই প্ৰজা । নাম মোৰ পদ্মসেন । দেশে - বিদেশে মই কৰোঁ বেহা ।

বাহু ঃ অৰ্থাৎ তুমি এজন সদাগৰ। পাছে পদ্মসেন আজিনো কিয় আহিলা তুমি আমাৰ ৰাজসভালৈ ?

পদ্মসেন ঃ মহাৰাজ, ৰাজ্যৰ পশ্চিম দিশলৈ যাত্ৰা কৰিম মই এইবাৰ বাণিজ্যৰ উদ্দেশ্যে। শুনিছো সেই দিশৰ

যাত্ৰা পথত আছে বহুতো বিপদ। সেয়েহে মহাৰাজ , আহিলো মই আপোনাৰ আশীষ বিচাৰি।

বাহু ঃ মইনো কি আশীষ দিম পদ্মসেন, আশীষ যদি বিচাৰিছা ভগৱন্তৰ চৰণত বিচাৰা । বিপদবাৰণ তেওঁ। তেখেতেই যাত্ৰা পথত তোমাক কৰিব সহায় । মই মাথো তোমাক শুভকামনাহে যাঁচিছো

পদ্মসেন ঃ জীৱন মোৰ ধন্য হ'ল । ৰাজন, আপোনাৰ বাবে মই বিদেশৰ পৰা উপহাৰ স্বৰূপে লৈ আহিছো এই ৰত্নহাৰ । অনুগ্ৰহ কৰি গ্ৰহণ কৰক ।

বাহু ঃ দিয়া পদ্মসেন , সঁচাই অনুপম এই হাৰ। প্ৰসন্ন হলো মই । পদ্মসেন , তুমি এতিয়া ৰাজ আতিথ্য কৰা গ্ৰহণ । সেনাপতি সুৰজিত, পদ্মসেনৰ আতিথ্যৰ ভাৰ তোমাক দিলো। সময় হৈছে আৰতিৰ । ব'লক মন্ত্ৰীবৰ , আজিলৈ সভা সামৰা যাওক ---- ( **ৰজা আৰু মন্ত্ৰীৰ প্ৰস্থান** )

সুৰজিত ঃ যাওঁক মহাৰাজ , আতিথ্যত কোনো কৃপনালি নকৰোঁ মই । পদ্মসেন হৈছে আমাৰ বিশেষ অতিথি।

পদ্মসেন ঃ সেনাপতি সুৰজিত , আছেনে কিবা শুভ সংবাদ --- ? কাৰ্য্যত তুমি হৈছানে সফল ?

সুৰজিত ঃ কি ক'ম সখা, যতবাৰ দিছো মই ভদ্ৰাক প্ৰেমৰ প্ৰস্তাৱ, ততবাৰ তাই কৰিছে প্ৰত্যাখ্যান । আঃ ৰাজ্যৰ সামান্য প্ৰহৰী বুলি কৰে উপহাস । সখা , আশাবোৰ নিৰাশাত মোৰ হৈছে পৰিণত ---

পদ্মসেন ঃ নিৰাশ নহ'বা সখা ; হলাহললৈ কৰি সমীহ যদি তুমি নাচাপা কাষ বিষধৰ সৰ্পৰ, তেন্তে কেনেদৰে লভিবা তাৰ ফণাত থকা মণি ? বাৰু, জানানে তুমি নাৰীৰ দুৰ্বলতা ক'ত ? হাঃ হাঃ সোণ, ৰত্ন, হীৰাৰ অলংকাৰতেই আছে নাৰীৰ দুৰ্বলতা ; লোৱা এই হীৰাৰ আঙঠি উপহাৰ স্বৰূপে দিবা ভদ্ৰা সুন্দৰীক হাঃ হাঃ ----

সুৰজিত ঃ হাঃ হাঃ দিয়া সখা দিয়া শেষবাৰৰ বাবে মই কৰিম চেষ্টা ---

পদ্মসেন ঃ পাছে ৰাখিব লাগিব সখা তুমিও তোমাৰ প্ৰতিশ্ৰুতি --

সুৰজিত ঃ প্ৰতিশ্ৰুতি নাপাহৰে সুৰজিতে ; যদি হওঁ সফল তোমাকেই পাতিম মোৰ মহামন্ত্ৰী হাঃ হাঃ --

পদ্মসেন ঃ হাঃ হাঃ শুভেচ্ছা যাঁচিলো সখা । তেন্তে এতিয়া কৰোঁ যাত্ৰা বাণিজ্যৰ হেতু --- ( **প্ৰস্থান** )

সুৰজিত ঃ যোৱা সখা, এইবাৰ হ'ব মোৰ অন্তিম প্ৰয়াস ; যদি নোৱাৰোঁ চলেৰে প্ৰয়োগ কৰি বলেৰে লভিব লাগিব মই ভদ্ৰা সুন্দৰীক হাঃ হাঃ -- আৰু যদি মই হওঁ সফল তেন্তে ৰাজ ৰাজেশ্বৰো হ'ম মই অৱন্তী ৰাজ্যৰ হাঃ হাঃ ---- ভদ্ৰা, ভদ্ৰা --

**সূত্ৰ ঃ সুৰজিতৰ প্ৰস্থান। আনফালে শ্ৰীবৎস আৰু চিন্তা --**

চিন্তা ঃ নাথ , মোৰ বৰ ভাগৰ লাগিছে ।

শ্ৰীবৎস ঃ তেন্তে প্ৰিয়ে এই স্থানতে খন্তেক বিশ্ৰাম কৰোঁ আঁহা --

**সূত্ৰ ঃ দুয়ো বিশ্ৰাম কৰে । এনেতে লক্ষ্মীদেৱী -----**

লক্ষ্মী ঃ ভক্ত শ্ৰীবৎস ---

শ্ৰীবৎস ঃ ই কি দেৱী লক্ষ্মী -- ? হে মাতৃ , আমাৰ সেৱা কৰক গ্ৰহণ ।

লক্ষ্মী ঃ উঠা শ্ৰীবৎস । ৰুষ্ট শনিদেৱৰ কু প্ৰভাব এয়া । তথাপি তোমালোকে নকৰিবা ভয় । দিছো মই তোমালোকক এই অক্ষয় ভাণ্ডাৰ । সৰ্ব প্ৰয়োজন তোমালোকৰ কৰিব পূৰণ এই ভাণ্ডাৰত থকা স্বৰ্ণ মুদ্ৰাই । লোৱা শ্ৰীবৎস , সাৱধানে ৰাখিবা ইয়াক ---

চিন্তা ঃ আমাৰ ওপৰত কৃপাদৃষ্টি ৰাখিব মাতৃ --

লক্ষ্মী ঃ এই স্থান নহয় নিৰাপদ । অন্যস্থানে যোৱা তোমালোক , মইও যাওঁ এতিয়া --- ( **প্ৰস্থান** )

শ্ৰীবৎস ঃ যাওক দেৱী ; প্ৰিয়ে , আৰু নকৰোঁ পলম । ব'লা, আশ্ৰয়স্থল যাঁও বিচাৰি --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। পুনৰ সভাত শ্ৰীবৎস আৰু চিন্তা ( হাতে টোপোলা লৈ ) ----**

চিন্তা ঃ নাথ , সৌখনচোন নৈ , তাকো আছে পানীৰে উপচি ।

শ্ৰীবৎস ঃ আঁচৰিত, এই খৰাং বতৰটো নদীত উঠিছে প্ৰচুৰ বান । প্ৰিয়ে, শুনিছিলো এই নৈৰ সিপাৰে আছে এখন আশ্ৰম । কিন্তু এতিয়া কেনেকৈ পাৰ হওঁ এই ভৰা নদী ?

চিন্তা ঃ কোনোবা এজন এইফালে আহিব ধৰিছে নাথ -----

**<u>সূত্ৰ ঃ এনেতে নাৱৰীয়া বেশেৰে শনি----</u>**

শনি ঃ হেৰা পথিক , পাৰ হ'ব নেকি এই নদী ? এই নাৱৰীয়া থকালৈকে নকৰিব কোনো চিন্তা।

শ্ৰীবৎস ঃ হে নাৱৰীয়া , ভগৱন্তৰ কৃপাত আপোনাক লগ পাইছো। আমি দুয়ো এই নদী পাৰ হ'ব বিচাৰো ।

শনি ঃ নিশ্চয় পাৰ কৰাম। পাছে এটা আছে সমস্যা । মোৰ নাওখনত আছে কিছু ফুটা । আপোনালোকক একেলগে নদী পাৰ কৰাবলৈ সেয়ে হ'ব অসুবিধা ।

শ্ৰীবৎস ঃ তেন্তে কি কৰিব ? পাৰ নকৰাব নেকি আমাক ?

শনি ঃ কৰাম কৰাম , এজন এজনকৈ পাৰ কৰাম । প্ৰথমে আহক এজন ---- এই টোপোলাটো লৈ।

শ্ৰীবৎস ঃ (স্বগতঃ) প্ৰথমে কোন যাওঁ ? টোপোলাটো লৈ প্ৰথমে মই , নাই নাই ভাৰ্যাক নো অকলে নদীৰ এইটো পাৰত তাতে এই অৰণ্যৰ মাজত কেনেকৈ থৈ যাম । আকৌ এই অচিনাকি মানুহজনৰ লগত মোৰ ভাৰ্যাকনো প্ৰথমে কি বিশ্বাসত পঠাওঁ -- ? হে প্ৰভু , কি কৰোঁ মই ?

শনি ঃ পথিক, ইমান চিন্তা কিয় কৰিব লাগে ? পত্নীক যদি অকলে পঠাব নিবিচাৰে তেন্তে এই টোপোলাটোকেই প্ৰথমে পাৰ কৰি থৈ আহো দিয়ক। পাছত দুয়োজনকে একেলগে কিবাদৰে নিম বাৰু । পাছে টোপোলাটো দিবলৈ আকৌ আপুনি মোক অবিশ্বাস কৰিছেনেকি ?

শ্ৰীবৎস ঃ নহয় নহয় পূণ্যবৰ , আপুনি আহিছে আমাক বিপদত উদ্ধাৰকৰ্তাৰূপে । আপোনাক মই কিয় কৰিম অবিশ্বাস ? আপোনাৰ দিহামতেই টোপোলাটোকে প্ৰথমে কৰক পাৰ ।

চিন্তা ঃ ৰ'ব নাথ, কি কৰে ? এজন অচিনাকি লোকক এই টোপোলাটো দিব কি বিশ্বাসত ? তাতে ইয়াতে আছে দেৱী লক্ষ্মীৰ দান ।

শনি ঃ (খঙেৰে) পথিক, আপোনাৰ পত্নীয়ে মোক কৰিছে অবিশ্বাস, এয়া মোৰ অপমান। আপোনালোকক আৰু মই নকৰোঁ সহায় । আপোনালোকে নিজেই কৰক ব্যৱস্থা । ( যাব খোজে )

শ্ৰীবৎস ঃ ৰ'ব, ৰ'ব নাৱৰীয়া ; প্ৰিয়ে , পূণ্যবৰৰ ওপৰত ৰাখা বিশ্বাস । ভাগ্যবলে পাইছো এই নাৱৰীয়াক। তদুপৰি সন্ধ্যা লগাৰ পূৰ্বেই পাৰ হ'ব লাগিব আমি এই ভৰা নদী । হে দেৱ , লওঁক, এই টোপোলাটোৰেই আপুনি প্ৰথমে কৰাওক পাৰ -- ( টোপোলা দিয়ে )

শনি ঃ হাঃ হাঃ চিন্তা, তোমাৰ আশংকা নাছিল অমূলক । তোমাৰ ধাৰণা নাছিল ভ্ৰান্ত । মূৰ্খ শ্ৰীবৎস , নিচিনিলি মোক ; এক সামান্য মনুষ্য হৈ মোক কৰ অপমান ; চা মোৰ হাতত এতিয়া লক্ষ্মীৰ দান । কিয় তোৰ শ্ৰেষ্ঠ দেৱীয়ে এতিয়া তোক নকৰিলে সহায় ?

শ্ৰীবৎস ঃ শনিদেৱ , নহ'ব ইমান নিষ্ঠুৰ ; দয়া কৰি ঘূৰাই দিয়ক আমাক দেৱী লক্ষ্মীৰ দান ।

শনি ঃ দয়া নাই, ক্ষমা নাই এই শনিৰ হৃদয়ত । শ্ৰীবৎস, আপোন হাতে ৰচিলি তই মৰণৰ ফান্দ । -- প্ৰতিশোধ, প্ৰতিশোধ, চৰম প্ৰতিশোধ ল'ম মই তোৰ ওপৰত হাঃ হাঃ-- ( **প্ৰস্থান** )

চিন্তা ঃ হে প্ৰভূ, আৰু কিমান শাস্তি ভোগ কৰিব লাগিব আমি। নাথ , মইতো আপোনাক কৰিছিলো সাৱধান । কিয় নুশুনিলে আপুনি মোৰ কথা ? দেৱী লক্ষ্মীৰ দান আজি নিলে চলেৰে --

শ্ৰীবৎস ঃ বেজাৰ নকৰিবা আৰু প্ৰিয়ে । বিশ্বাস ৰাখা ভগৱন্তৰ ওপৰত । নিশ্চয় তেখেতে আমাক বিপদত কৰিব সহায় । এতিয়া যাওঁ ব'লা নদীৰ এই পাৰতেই আমি আশ্ৰয়ৰ স্থান বিচাৰি যাওঁ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে এজন মাছুৱৈৰ প্ৰৱেশ ---( বাজনা - ভংগী )</u>**

মাছুৰৈ ঃ অহ অহ --প্ৰভূ অ' মোৰ কপালখন জালৰ এই ফুটাবোৰৰ নিচিনাকৈয়ে বনালা। বুজিছে, ৰাতিপুৱাৰ পৰা মাৰিয়েই আছো মাৰিয়েই আছো --বুজিছে -- বেলি লহিয়ালেগৈ ---উসঃ উসঃ দৰিকণা এটাও নালাগেনে পৰিব ? আজি বাৰু মই কাৰ মুখখন চাই ওলাই আহিলো ? --বুজিছে --নুবুজে-- ঘৈণীজনীৰ মুখখন চাই আহিবলৈ নিলিখিলেই ভাগ্যত। হে প্ৰভূ, ঘৈণীটো নিদিলাই --বুজিছা -- আজি মোৰ অন্নমুঠিও নিদিলা --(বহি পৰে )

**সূত্ৰ ঃ এনেতে শ্ৰীবৎস আৰু চিন্তা---------------------**

শ্ৰীবৎস ঃ প্ৰিয়ে , সৌজন চোন মনুষ্য। বৰ চিন্তিত মনেৰে আছে বহি । ব'লাচোন যাওঁ কাষলৈ । (ওচৰ চাপি) হে পূণ্যবৰ , আপোনাৰ হৈছে কি ? চিন্তিত যেন লাগিছে আপোনাক ।

মাছুৰৈ ঃ কি ক'ম আপোনাক ; বুজিছে-- মৎস্য বিক্ৰী কৰিয়ে এই দৰিদ্ৰই অন্ন মুঠি উলিয়াওঁ । পাছে , আজিনো হ'ল কি -- পুৱাৰ পৰা এতিয়ালৈকে দৰিকণা এটাও ধৰিব পৰা নাই -- বুজিছে ---

শ্ৰীবৎস ঃ আপোনাৰ জালখন বাৰু এবাৰ মোক দিবনে ?

মাছুৰৈ ঃ কিয় --- ? (দেখুৱাই) হেৰৌ ইমানটোৰ পৰাই জাল মাৰি মাৰি এইটো হ'লোহি, মোক আকৌ কেনেকৈ জাল মাৰিব লাগে এতিয়া শিকাব নালাগে --- বুজিছে ----

শ্ৰীবৎস ঃ মই জাল নামাৰো পূণ্যবৰ , মাত্ৰ এবাৰ দিয়কচোন , পুনৰ মই আপোনাকেই ঘূৰাই দিম ।

মাছুৰৈ ঃ এহ , ইমানকৈ বিচাৰিছে যেতিয়া লওঁক । কিন্তু আপুনি কৰিব কি ? -- নুবুজিলো --

শ্ৰীবৎস ঃ (জাল লৈ, স্বগতঃ) হে প্ৰভূ , এই দৰিদ্ৰক সহায় কৰা। আজিৰ অন্নমুঠি যোগাৰ কৰাত এওঁক সহায় কৰা । ( প্ৰকাশ্যে ) পূণ্যবৰ , এইবাৰ এখেও মাৰি চাওঁকচোন।

মাছুৰৈ ঃ ( বিদ্ৰুপ কৰি ) হেঃ হেঃ এইবাৰ কি তেনেহ'লে মোৰ খালৈ মাছেৰে যাব ভৰি ? বাৰু , আপোনাৰ কথামতেই হওঁক ; দেখা যাওক -- বুজিছে ---

**সূত্ৰ ঃ মাছুৰৈয়ে মাছ মাৰিবলৈ জাল মাৰে। জালত কেইবাটাও মাছ অহা দেখি ---**

মাছুৰৈ ঃ আঁচৰিত, ইমানবোৰ মাছ ? (জাল এৰি) হে প্ৰভূ , মাতা লক্ষ্মীসঙ্গে আপুনি আজি মোক দিলে দৰিশন । মই মুৰ্খই আপোনাসৱক নিচিনি কৰিলো তিৰস্কাৰ । মোৰ দোষ মাৰ্জনা কৰক --

শ্ৰীবৎস ঃ কি কৰে পূণ্যবৰ ? উঠক পূণ্যবৰ উঠক , মই এজন ক্ষুদ্ৰ দৰিদ্ৰ মনুষ্যহে আৰু এয়া মোৰ পত্নী। নাই আমাৰ কোনো আশ্ৰয়স্থল । অনাই বনাই ঘুৰি ফুৰি আজি ইয়াত হৈছো উপস্থিত ।

মাছুৰৈ ঃ তেন্তে মই কৰোঁ আপোনালোকক এটি অনুৰোধ। বুজিছে, অলপ আঁতৰত আছে মোৰ কুটীৰ। অকলশৰে বাস কৰোঁ তাত । যদি নাপায় অসুবিধা মোৰ লগতে আপোনালোকো থাকক --

শ্ৰীবৎস ঃ কিদৰে আপোনাক কৃতজ্ঞতা জনাম সখা ?

মাছুৰৈ ঃ কি বুলিলে আপুনি ? সখা -- ? মোৰ দৰে এজন মাছুৰৈক বুলিছে সখা ?

শ্ৰীবৎস ঃ কিয় নুবুলিম ? সুখত, দুখত, দুৰ্ভিক্ষত, ৰাজগৃহ আৰু শ্মশানত যিলোকে কৰে সহায় তেৱেঁই হৈছে প্ৰকৃত সখা ---

চিন্তা ঃ নাথ, মোৰ মনত জাগিছে সংশয় ; এওঁ বাৰু গ্ৰহপতি নেকি ? ছদ্মবেশে পুনৰ কৰিছে চালনা --

শ্ৰীবৎস ঃ প্ৰিয়ে, তুমি নিশ্চিন্তে থাকা, নহয় এওঁ গ্ৰহপতি ; এজন সহজ সৰল মনুষ্যহে । সখা, তোমাৰ প্ৰস্তাৱ আমি কৰিছো গ্ৰহণ । পাছে , আমাৰো আছে এক চৰ্ত । আমিও শ্ৰম কৰিম জীৱিকা নিৰ্বাহৰ বাবে। তাত তুমি নকৰিবা আপত্তি ।

মাছুৰৈ ঃ হ'ব, হ'ব, -- বুজিলো , বুজিলো -- তেনেদৰেই হ'ব , তেন্তে ব'লা মোৰ কুটীৰলৈ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত এক ময়ূৰ পক্ষীৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )**

সূত্ৰ ঃ ময়ূৰে চালি ধৰে। আনফালে সভাত অৱন্তীৰাজ্যৰ ৰাজকুমাৰী ভদ্ৰাৰ প্ৰৱেশ ---

গীত - (ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )

সভাত চলিয়া আহে ভদ্ৰা সুন্দৰী ।
দিব্য বস্ত্ৰে শোভে আতি বাহুক নন্দিনী ।।
লয় লাসে চলি আহে সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।

ভদ্ৰা ঃ কি যে মোহনীয় উপবন। তৰু , তৃণ , গছ-বিৰিষ সকলোতে যে সুন্দৰতাই কৰিছে বিৰাজ। এই ফুলবিলাক আৰু এই পক্ষী , কি যে সুন্দৰ । আহ , মোৰ কাষলৈ আহ ----

সূত্ৰ ঃ এনেতে সুৰজিত --- ভীতিগ্ৰস্ত হৈ ময়ুৰ পক্ষীৰ প্ৰস্থান --

সুৰজিত ঃ তোমাৰ ৰূপৰ লগত যে কাৰো তুলনা নহয় ; তুমি অপৰূপা , মোৰ প্ৰাণৰ তুমিয়েই পুতলা -

ভদ্ৰা ঃ সুৰজিত , তোমাক পূৰ্বেও দিছো মই সকীয়াই। এজন সেনাপতিৰ মুখত ৰাজকন্যাৰ প্ৰতি এনে বচনে নাপায় শোভা । তাতে অসময়ত কাৰ আদেশত তুমি আহিছা এই উপবনলৈ ?

সুৰজিত ঃ অসময়ত কিয় হ'ব ভদ্ৰা ? চোৱা কেনে নিৰ্জন এই উপবন । প্ৰেমালাপৰ বাবে এয়াইতো হৈছে উত্তম স্থান আৰু উপযুক্ত ক্ষণ----

ভদ্ৰা ঃ মুখ বন্ধ কৰা সেনাপতি। সাধাৰণ নাৰী নহওঁ মই । অৱন্তীৰ ৰাজকুমাৰী মই । এনে অভদ্ৰ ব্যৱহাৰৰ বাবে মোৰ পিতাই তোমাক কি শাস্তি দিব তাক জানো নাজানা তুমি ?

সুৰজিত ঃ খং নকৰিবা ভদ্ৰা। তোমাৰ মুখপদ্মত এনে কঠোৰ বচনে নাপায় শোভা । চোৱা চোৱা ভদ্ৰা , এইটো হীৰাৰ আঙঠি , লৈ আহিছো কেৱল তোমাৰ বাবে। ভদ্ৰা , আহাঁচোন কাষে দিওঁ পিন্ধাই ---

ভদ্ৰা ঃ আঁতৰ হৈ যা দুৰাচাৰ , তই মোক স্পৰ্শ নকৰিবি ।

সুৰজিত ঃ আঃ গৰ্বিনী নাৰী ; নিচিনিলি তই এই সুৰজিতক ; অৱজ্ঞা কৰি মোৰ প্ৰেমৰ প্ৰস্তাৱক যৌৱন ক্ষুধা মোৰ জগালি দুৰ্বাৰ । চাওঁ বাৰু কেনেদৰে তোৰ সতীত্ব আজি কৰ ৰক্ষণ হাঃ হাঃ---

ভদ্ৰা ঃ নাই নাই সুৰজিত , এনে কাৰ্য্য নকৰিবি । ৰক্ষা কৰা কোন ক'ত আছা , মোক ৰক্ষা কৰা --

সুৰজিত ঃ ------------- ৰাগ ঃ বেলোৱাৰ ; তাল ঃ ৰূপক

আঁহা আঁহা প্ৰাণেশ্বৰী দিয়া আলিঙ্গন ।
তোমাৰ ৰূপত মই হলো বিমোহন ।।
একো অঙ্গে নাহি খুত তুমি মধ্যক্ষিণী ।
মোহিনীৰ ৰূপে মোৰ হৃদয় নিলা হৰি ।।

সূত্ৰ ঃ এনেতে খৰিকটীয়া বেশে শ্ৰীবৎস ---

শ্ৰীবৎস ঃ সাৱধান পাষণ্ড , নাৰীৰ ওপৰত কৰ তই পাষবিক অত্যাচাৰ ; আজি তই নাপাবি নিস্তাৰ ।

সুৰজিত ঃ হাঃ হাঃ এক সাধাৰণ খৰিকটীয়াই মোক দিব দণ্ড । হেৰ' মূৰ্খ , তোৰ কি নিজ প্ৰাণৰ প্ৰতি নাই মমতা ? এই কালন্তক যমক তই দিবি বাধা ? যা আঁতৰি যা ----

শ্ৰীবৎস ঃ নাৰী অত্যাচাৰী লম্পট , মুখৰ কথাৰ নাই প্ৰয়োজন ; মাথো অস্ত্ৰ ধৰ ।

গীত (ৰাগ ঃ ভাটিয়ালী , তাল ঃ ৰচক )

মহাক্ৰোধে দুয়ো বীৰে যুদ্ধ আৰম্ভিলা।
চোকা চোকা অস্ত্ৰ দুয়ো প্ৰহাৰ কৰিলা।।
অস্ত্ৰাঘাটে সুৰজিত পৰাজিত হৈলা ।
ৰাম হৰি ৰাম হৰি সৰ্বজনে বোলা ।।

**সূত্ৰ ঃ** **যুদ্ধত সুৰজিত পলাই যায়। দেখি শ্ৰীবৎসই যি কয়----------------------**

শ্ৰীবৎস ঃ কিয় পলালি পাষণ্ড ; এয়াই আছিল নেকি তোৰ পৰাক্ৰম ?

ভদ্ৰা ঃ সুন্দৰ শৰীৰ, দুবাহুত আছে হস্তী সমান বল। হে পূণ্যবৰ, আপুনি জানো সঁচাই হয় সাধাৰণ খৰিকটীয়া ? দয়া কৰি দিবনে আপোনাৰ প্ৰকৃত পৰিচয় ?

শ্ৰীবৎস ঃ দেৱী, সঁচাই মই এজন খৰিকচীয়া। থাকো এই উপবনৰ সমীপৰে এক কুটীৰত। পাছে আপুনি কোন ? আপোনাকতো দেখাত নালাগে কোনো সাধাৰণ নাৰী।

ভদ্ৰা ঃ পূণ্যবৰ, মই ভদ্ৰা, অৱন্তীৰাজ বাহুৰ কন্যা। মোৰ প্ৰতি অভদ্ৰ আঁচৰণ কৰাজন আছিল আমাৰ ৰাজ্যৰে প্ৰধান সেনাপতি সুৰজিত। মোক ৰক্ষা কৰাৰ বাবে আপোনাৰ ওচৰত কৃতজ্ঞ মই --

শ্ৰীবৎস ঃ দেৱী, সুৰজিতৰ আৰু নাই ভয়। এতিয়া যাওঁক আপুনি পিতাৰ কাষে, ময়ো যাওঁ নিজ স্থানে।

ভদ্ৰা ঃ যাওঁ পূণ্যবৰ। ভদ্ৰাক যেন আপুনি নাপাহৰিব। পুনৰ যেন দেখা পাওঁ আপোনাক।

**সূত্ৰ ঃ** **প্ৰথমে ভদ্ৰা আৰু পাছত শ্ৰীবৎসৰ প্ৰস্থান। আনফালে অনন্ত----**

অনন্ত ঃ কত যে ঠাইত বিচাৰিলো মহাৰাজ আৰু মহাৰাণীক। কিন্তু নহ'লো সফল। কি কৰোঁ এতিয়া মই ? ক'ত বিচাৰি যাওঁ ৰাজনক ? পিতাইও চাগে বাট চাই আছে অধীৰ আগ্ৰহেৰে। হে প্ৰভু, মোক সহায় কৰা। কোন বাটে গ'লে মই আমাৰ ৰাজনক বিচাৰি পাম ?

**সূত্ৰ ঃ** **এনেতে কালজিত আৰু সিংহজিত ----**

কালজিত ঃ অনন্ত, ইমান অধীৰ হৈছা কিয় ?

অনন্ত ঃ কোন ? অ আপোনালোকো তেন্তে আহিছে মহাৰাজৰ সন্ধানত। বিশ্বাস মোৰ হৈছে দৃঢ়, যিকোনো উপায়েৰে আমি মহাৰাজক পুনৰ ৰাজ্যলৈ নিম ঘুৰাই --

সিংহ ঃ কিয় অনন্ত ? কিয় ঘুৰাই নিব লাগে সেই দুৰাচাৰীক ? ৰাজ্যত পুনৰ অশান্তিৰ সৃষ্টি কৰিবলৈ ?

অনন্ত ঃ এয়া কি কৈছে সিংহজিত ? সেনাপতি হৈ মহাৰাজৰ দৰে পূণ্য ব্যক্তিৰ প্ৰতি কৰে এনে কটু বাক্য প্ৰয়োগ ? এয়াই কি আপোনাৰ ৰাজভক্তি ?

কালজিত ঃ সাৱধান, ৰাজভক্তিৰ পাঠ তই নিদিবি অনন্ত। যা, ঘূৰি যা তই পিতাৰ সমীপে দিবি পৰামৰ্শ তোৰ বৃদ্ধ পিতাৰাক -- অযোধ্যাৰ ৰাজমুকুট অৰ্পন কৰক এই কালজিতৰ হাতত। নতু, জানিবি যমালয়ৰ দুৱাৰ মুকলি কৰিম তহঁতৰ বাবে।

অনন্ত ঃ কালজিত ; অনন্ত নহয় দেশদ্ৰোহী। অ' বুজিলো, তহঁতৰ চালনাতে মহাৰাজে কৰিলে ৰাজ্য ত্যাগ। অধম বৰ্বৰ, তহঁত অযোধ্যাৰ পপীয়া তৰা।

কালজিত ঃ আৰু কি তই জ্যোতিৰে ভৰা ? হাঃ হাঃ শুনা শুনা সিংহজিত, শৃগালৰ মুখত আজি সিংহৰ গৰ্জন। আঃ বেঢ়ি ধৰা ইয়াক, প্ৰথমে ইয়াকেই কৰোঁ নিধন ---

অনন্ত ঃ তেনে ক্ষণ নাহে কদাপি। আহ পাষণ্ড দে ৰণ ---

**সূত্ৰ ঃ** **যুদ্ধ হয় --- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ** **যুদ্ধত অনন্তৰ মৃত্যু হয় -----**

কালজিত ঃ হাঃ হাঃ বাকী আছে মাথো মন্ত্ৰীবৰ। ব'লা সিংহজিত, তাৰো কৰোঁগৈ ব্যৱস্থা ----

**সূত্ৰ ঃ** **দুয়োৰে প্ৰস্থান। আনফালে চিন্তিত মনে পদ্মসেন---**

পদ্মসেন ঃ অসম্ভৱ অসম্ভৱ, কত বিশাল নদ নদীয়েদি চলাই নিছো মই নৌকা, ক'তো হোৱা নাই একো বিপদ। কিন্তু আজি এই সৰু নৈখনতে মোৰ নৌকা ধৰিছে লাগি। বহু চেষ্টা কৰিও নোৱাৰিলো লৰাব। কি কৰোঁ মই এতিয়া ---- ?

**সূত্ৰ ঃ এনেতে বামুণৰ বেশে শনিদেৱ ---**

শনি ঃ পথিক, আপোনাক বৰ চিন্তিত যেন লাগিছে। কিবা সহায় কৰিব পাৰিম নেকি আপোনাক ?

পদ্মসেন ঃ হে ব্ৰাহ্মণদেৱ, মোৰ নৌকা সৌ নদীৰ বালিত ধৰিলে লাগি। বহু চেষ্টা কৰিও নৌকা উদ্ধাৰত সফল হোৱা নাই মই। মোক অলপ সহায় কৰি দিবনে ?

শনি ঃ এইটোতো তেনেই সাধাৰণ সমস্যা। বাৰু, জ্যোতিষ চৰ্চাৰে পলকতে মই ইয়াৰ কৰিম সমাধান।

পদ্মসেন ঃ জ্যোতিষ চৰ্চা -- ? হে দেৱ , যদি আপুনি মোক সহায় কৰিব পাৰে তেন্তে চিৰদিন মই ঋণী হৈ থাকিম আপোনাৰ ওচৰত । দিয়ক দেৱ, মোক এটা উপায় দিয়ক।

শনি ঃ ( জ্যোতিষ চৰ্চা কৰি ) হে পথিক, আপোনাৰ সমস্যা নহয় সাধাৰণ , গভীৰ সংকট আপোনাৰ ওপৰত । গ্ৰহদোষ, গ্ৰহদোষ দুৰ্ঘোৰ গ্ৰহদোষ । আপোনাৰ নৌকা সহজে নহয় মুক্ত ---

পদ্মসেন ঃ কি ? গ্ৰহদোষ ? হে ব্ৰাহ্মণদেৱ , নাইনে খণ্ডাব পৰা ইয়াৰ কোনো উপায় ?

শনি ঃ উপায়, উপায় এটাই আছে পথিক । সতী নাৰী, এগৰাকী সতী নাৰী, তাৰ বাদে নাই গত্যন্তৰ ।

পদ্মসেন ঃ সতী নাৰী ---- ?

শনি ঃ হয় পথিক, আপোনাৰ নৌকা স্পৰ্শ কৰিব লাগিব এগৰাকী সতী নাৰীয়ে । তেতিয়াহে হব মুক্ত । তাৰ বাহিৰে কাৰো সাধ্য নাই ।

পদ্মসেন ঃ কিন্তু ব্ৰাহ্মণদেৱ, এগৰাকী পতিব্ৰতা সতী নাৰী হঠাতে কেনেদৰে কৰোঁ যোগাৰ ? চিন্তা মোৰ বাঢ়িলহে আগতকৈ।

শনি ঃ চিন্তা নকৰিব পথিক -- হাঃ হাঃ চিন্তাইহে আপোনাক চিন্তাৰ পৰা কৰিব মুক্ত ।

পদ্মসেন ঃ চিন্তাইহে মোক চিন্তাৰ পৰা কৰিব মুক্ত ----- ? মই একো বুজিব পৰা নাই ব্ৰাহ্মণদেৱ ?

শনি ঃ পথিক, নাতি দূৰতে আছে এটি মাছুৰৈৰ কুটীৰ। তাতে পাব চিন্তা নামে এক সতী নাৰী । তেওঁৰেই আপোনাক বিপদৰ পৰা কৰিব উদ্ধাৰ ।

পদ্মসেন ঃ উদ্ধাৰ কৰিব মোক বিপদৰ পৰা ? হাঃ হাঃ -- আৰ্শীবাদ কৰক ব্ৰাহ্মণদেৱ ----

শনি ঃ ( শিৰত স্পৰ্শ কৰে ) যোৱা পথিক, তুমি সফল হোৱা ---- ( পদ্মসেন যায় ) -- হাঃ হাঃ মৰু, মেৰু , গিৰি, কন্দৰ যতেই যাব শ্ৰীবৎস তাতে পাব মোক । য'তেই পৰিব মোৰ কোপাগ্নি তাতে বাঢ়িব অশান্তি -- অ পদ্মসেন, উচিত কাৰ্য কৰিছা তুমি ; শ্ৰীবৎসৰ অনুপস্থিতিৰ লোৱা সুযোগ। আনা, আনা, লৈ আনা তুমি তাৰ বুকুৰ ৰতন চিন্তা ৰানীক -- হাঃ হাঃ প্ৰতিশোধ, প্ৰতিশোধ --

**সূত্ৰ ঃ শনিৰ প্ৰস্থান। আনফালে দেৱী চিন্তাক টানি আনে পদ্মসেনে ----**

চিন্তা ঃ স্বামী, স্বামী -- এৰি দিয়ক, হে দেৱ, বিবাহিতা মই, মোক এৰি দিয়ক ; এয়া মহাপাপ।

পদ্মসেন ঃ পাপ কি, পূণ্য কি, তাৰ বিচাৰ নকৰে এই পদ্মসেনে। য'তেই দেখো লাভ তাকেই লওঁ নিজৰ কৰি । তোমাৰ দৰে গুণৱতী নাৰীক মোৰ নৌকাতে চিৰদিন ৰাখিম বন্দী কৰি হাঃ হাঃ --

চিন্তা ঃ নাই নাই দেৱ এনে অকাৰ্য নকৰিব কদাপি --

পদ্মসেন ঃ আঃ পলম নকৰিবা দেৱী ; আঁহা , আঁহা দেৱী --

চিন্তা ঃ Rab ÿ Rab ÿ ---------- **( ৰাগ ঃ পয়াৰ ; তাল ঃ ধৰমজ্যোতি )**

ৰক্ষা কৰক স্বামী মোৰ ঘোৰ বিপদত ।
কিনো ভাগ্য কিনো ভাগ্য মোৰ কপালত ।।
কোন কৈত আছা মোক উদ্ধাৰা এখন ।
দুষ্টৰ হাতে মোৰ নৰহে জীৱন ।।

**সূত্ৰ ঃ এনেতে মাছুৰৈ------------------**

মাছুৱৈ ঃ এই কি হৈছে ---- ? দেৱী , কোন এওঁ ------ ?

চিন্তা ঃ হে পূণ্যবৰ , এই দুষ্টই বলপূৰ্বক ভাৱে মোক কৰিছে হৰণ , মোক ৰক্ষা কৰক ।

মাছুৱৈ ঃ সাৱধান, মোৰ অতিথিক কৰ অপমান। আও, ইয়াৰ মৰসাহটো চা । বুজিছে, আজি ইয়াক মই -

পদ্মসেন ঃ খং নকৰিব পূণ্যবৰ , আপুনি হয়তো মোক নিচিনে। মই এজন সদাগৰ , এই নাৰীক আপুনি মোক কৰক বিক্ৰী । দিম মই আপোনাক অজস্ৰ সোণ। দৰিদ্ৰতাৰ পৰা আপুনি পাব পৰিত্ৰাণ হাঃহাঃ--

মাছুৱৈ ঃ মুখ বন্ধ কৰ পাপীষ্ঠ। হ'ব পাৰোঁ মই দৰিদ্ৰ, কিন্তু তোৰ দৰে মানুহৰ বেপাৰ কৰা বেপাৰী নহওঁ মই -- বুজিছে -- দেহত প্ৰাণ থকালৈকে মই দিম বাধা তথাপি এই দেৱীক নিব নিদিওঁ।

পদ্মসেন ঃ আঃ ইমান অহংকাৰ এই দৰিদ্ৰৰ। এগৰাকী নাৰীৰ বাবে যদি তই দিব খোজ প্ৰাণ , তেন্তে সেয়ে হওঁক । ল ল তই উচিত পুৰস্কাৰ ।

**<u>সূত্ৰ ঃ পদ্মসেনে মাছুৱৈৰ বুকুত অস্ত্ৰ বহুৱাই। মাছুৱৈ ঢলি পৰে আৰু মৃত্যু হয় ---</u>**

**<u>সূচনা</u>**

**দেখা দেখা নৰলোক সাধুৰ কৰ্মক ।**
**ধৰ্ম ৰক্ষাৰ হেতু তেজে নিজ প্ৰাণক ।।**

মাছুৱৈ ঃ প্ৰভু , নোৱাৰিলো দেৱীক ৰক্ষা কৰিব ---( মৃত্যু হয় )

চিন্তা ঃ পূণ্যবৰ , পৰস্ত্ৰীক ৰক্ষাৰ হেতু নিজ প্ৰাণ দিলে বিসৰ্জন । উঠক , উঠক পূণ্যবৰ -----

পদ্মসেন ঃ বিলাপৰ সময় নাই দেৱী ; ব'লা , ব'লা মোৰ নাৱলৈ ব'লা ---- ( হাতত ধৰি টানে )

চিন্তা ঃ এৰি দে মোক , স্বামী মোক ৰক্ষা কৰক --, স্বামী ---

**<u>সূত্ৰ ঃ চিন্তাক লৈ পদ্মসেনৰ প্ৰস্থান। আনফালে বাহু ৰজা আৰু মন্ত্ৰী-----</u>**

বাহু ঃ মন্ত্ৰীবৰ ,ভাবিলে এতিয়াও মোৰ প্ৰাণ উঠে শিয়ঁৰি ; মোৰ আলাসৰ জী ভদ্ৰাৰ ওপৰত কৰে সি এনে অত্যাচাৰ। সুৰজিত, পুত্ৰসম তোক মই কৰিছিলো স্নেহ , তাৰ তই দিলি এনে প্ৰতিদান ?

মন্ত্ৰী ঃ মহাৰাজ, তাৰ ফল সি পালে ; দেশান্তৰিত কৰি সুৰজিতক আপুনি উচিত শাস্তিয়ে কৰিলে প্ৰদান ।

বাহু ঃ মৃত্যুদণ্ডই তাক দিব লাগিছিল মন্ত্ৰীবৰ । কিন্তু --- বাৰু , এই ঘটনাই মোক কৰিলে সজাগ , ভাৱি আছিলো কন্যা মোৰ ভদ্ৰা এতিয়াও বালিকা । কিন্তু মন্ত্ৰীবৰ, পিতাৰ দৃষ্টিৰ আঁৰতেই কন্যা হ'ল গাভৰু । তাইক এজন সুপাত্ৰৰ হাতত গতাব লাগিব -----

মন্ত্ৰী ঃ অতি উত্তম চিন্তা কৰিছে ৰাজন ; ভদ্ৰা এতিয়া বিবাহৰ যোগ্যা । এজন যোগ্য পাত্ৰক ৰাজকন্যাক অৰ্পণ কৰি পিতৃৰ দায়িত্বও আপুনি কৰক পালন ।

বাহু ঃ তেন্তে মন্ত্ৰীবৰ আজিয়ে ল'লো সিদ্ধান্ত, নিমন্ত্ৰণ দি জগতৰ ৰথী - মহাৰথীক শীঘ্ৰেই অনুষ্ঠিত কৰিম মই কন্যাৰ সয়ম্বৰ । আপোনাৰ ওপৰতো দায়িত্ব থাকিব মন্ত্ৰীৱৰ --

মন্ত্ৰী ঃ নিশ্চয় মহাৰাজ , ভদ্ৰা মোৰ বাবেও কন্যাসদৃশ ; সৰ্বচ্চ উজাৰি দিম মই সয়ম্বৰৰ আয়োজনত ।

বাহু ঃ শুনি সুখী হ'লো মন্ত্ৰীবৰ , ব'লক যাঁও সয়ম্বৰৰ কৰোঁগৈ আয়োজন ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে শ্ৰীবৎস-----</u>**

শ্ৰীবৎস ঃ চিন্তা, চিন্তা -- ক'ত গ'ল, ক'ত গ'ল মোৰ প্ৰাণৰ প্ৰিয়ে ? নাপালো কুটীৰত প্ৰাণৰ পুতলীক, আছিল মাথো দয়াবান মাছুৱৈৰ নিথৰ মৃতদেহ পৰি । কোনে কৰিলে হত্যা মাছুৱৈক ? নিশ্চয় মোৰ ভাৰ্যাকো -- আঃ নাই নাই হৃদয়ে কয় মোৰ প্ৰাণৰ পুতলী আছে জীয়াই । এই পথে গলে নিশ্চয় পাম মই প্ৰিয়েৰ সন্ধান । চিন্তা , প্ৰিয়ে চিন্তা ---

**সূত্ৰ ঃ শ্ৰীবৎসৰ প্ৰস্থান । আনফালে কালজিত, সিংহজিত আৰু শনিদেৱ ----**

শনি ঃ হাঃহাঃ চোৱা জগতবাসী আমাৰ মহিমা ; আমাৰ কুদৃষ্টিত শ্ৰীবৎসই কৰিলে বনে গমন আৰু আমাৰ কৃপাতে কালজিতে লভিব আজি অযোধ্যাৰ সিংহাসন ।

কালজিত ঃ ধন্যবাদ দেৱ, এই ক্ষণলৈকে মই কৰিছিলো অধীৰ অপেক্ষা । এই সিংহাসন, এই সিংহাসনত বহি যেতিয়া শ্ৰীবৎসই মোক দিয়ে আদেশ , জ্বলি উঠে মোৰ শৰীৰত প্ৰতিশোধৰ তীব্ৰ দাবানল । এনে লাগে যেন সিংহৰ দৰে জঁপিয়াই বক্ষ ফালি তাৰ অৱসান কৰিম জীৱন ।

সিংহ ঃ শ্ৰীবৎস আছে বনৰ মাজত ; অনন্তক পথালো অনন্তধামত আৰু মন্ত্ৰী আছে অন্ধকাৰ কাৰাগাৰত

শনি ঃ শুভ ক্ষণত পাপীগণৰ কথা নকৰিবা আলচ । লোৱা কালজিত , শিৰে পিন্ধাওঁ তোমাক অযোধ্যাৰ ৰাজমুকুট । ৰাজ ৰাজেশ্বৰ হৈ অযোধ্যাত কৰা শাসন ---( মুকুট পিন্ধাই )

সিংহ ঃ জয় মহাৰাজ কালজিতৰ , জয় মহাৰাজ কালজিতৰ , জয় মহাৰাজ কালজিতৰ --

শনি ঃ সিংহজিত, প্ৰধান সেনাপতি ৰূপে তুমি মহাৰাজক কৰিবা সহায় । যাঁও মই এতিয়া নিজ কৰ্তব্যত । হাঃ হাঃ প্ৰতিশোধ , প্ৰতিশোধ ---- ( **প্ৰস্থান** )

কাল ঃ সিংহজিত , ব'লা খন্তেক কৰোঁগৈ বিশ্ৰাম ----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। এনেতে শ্ৰীবিষ্ণু ----**

বিষ্ণু ঃ অন্ধ আজি সকলো মায়া, মোহ, ক্ষমতাৰ লোভত। দেৱতাও নহ'ল ব্যতিক্ৰম । আসক্তিয়ে আনে দুখ, ত্যাগতহে পোৱা যায় প্ৰকৃত সুখ আৰু তাকে দেখুৱালে আমাৰ ভক্ত শ্ৰীবৎসই । প্ৰজাৰ হিতৰ বাবে স্বেচ্ছাই কৰিলে ৰাজ্য ত্যাগ, লৈছে বনত আশ্ৰয় । ধন্য শ্ৰীবৎস , ধন্য তুমি ---

**সূত্ৰ ঃ এনেতে লক্ষ্মী আহে --------------**

লক্ষ্মী ঃ প্ৰভু, ক্ষমা কৰক ; সহায় কৰক প্ৰভু । মোৰ ভুলৰ বাবে সাধু সন্তই আজি ভূগিছে যান্ত্ৰণা।

বিষ্ণু ঃ কিয় , তুমিটো শ্ৰেষ্ঠ দেৱী । তেনেস্থলত আমাৰ সহায়ৰ তোমাক কিয় প্ৰয়োজন ?

লক্ষ্মী ঃ প্ৰভূ, ত্যাগ কৰি ঐশ্বৰ্য বিভুতিক, ত্যাগ কৰি ৰাজসুখক মৰতৰ মনুষ্যই দিলে মোক শিক্ষণ ।

বিষ্ণু ঃ ধাৰ্মিক শ্ৰীবৎসক বলপূৰ্বকভাৱে পাতিলা বিচাৰক । আমাৰ প্ৰয়োজনো নকৰিলা অনুভৱ । এয়া জানো উচিত হৈছিল দেৱী ? তাতে -- মহত্ব , শ্ৰেষ্ঠত্ব আদি জানো আঁজুৰি লোৱা সন্মান ? উদাৰতাৰে, সৰলতাৰে নিজ গুণেৰেহে জগত জিনাৰ কৰিবা প্ৰয়াস ---

লক্ষ্মী ঃ আৰু মোক লজ্জিত নকৰিব প্ৰভু ; হে কৃপাময়, কৃপা কৰক আমাক ; হে কৰুণাময়, ভকতবৎসল শ্ৰীবৎসক বিপদৰ পৰা কৰক উদ্ধাৰ । তযু চৰণত আমি কৰিছো মিনতি --

বিষ্ণু ঃ উঠা দেৱী, শ্ৰীবৎসৰ বিষয়ে আৰু চিন্তা নকৰিবা । উদ্ধাৰৰ দায়িত্ব ললো আমি শ্ৰীবৎসক । ব'লা যাওঁ এতিয়া কৰ্তব্য পালন কৰোঁগৈ --- ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে শনি ----**

শনি ঃ হাঃ হাঃ দেখিলা দেখিলা জগতবাসী , শনিক অৱমাননা কৰাৰ শাস্তি কিমান ভয়ানক । ৰুষ্ট হ'লে মই ৰাজন পৰিণত হয় বাটৰ ভিকহুত । শ্ৰীবৎসৰ বেলিকাও ইয়াকে ঘটিছে । সি এতিয়া ৰাজ্যহাৰা, পত্নীহাৰা এক বাটৰ ভিকহু হাঃ হাঃ -----

**সূত্ৰ ঃ এনেতে বিষ্ণু -----**

বিষ্ণু ঃ গ্ৰহপতিক আজি বৰ উৎফুল্লিত যেন লাগিছে । নিশ্চয় ইয়াৰ কিবা গুপুত ৰহস্য আছে।

শনি ঃ প্ৰণাম নাৰায়ণ, প্ৰভূ জগতবাসীয়ে আজি বুজি উঠিছে মোৰ পৰাক্ৰম। মানি লৈছে মোকেই শ্ৰেষ্ঠ দেৱতা বুলি আৰু যি মনা নাই সিহঁতৰ ওপৰত মোৰ পৰিছে কোপদৃষ্টি, দুখত কৰিছে হাহাঁকাৰ

আৰু সিহঁতৰ অৱস্থা দেখি মই হৈছো আনন্দিত হাঃ হাঃ ----

বিষ্ণু ঃ শনিদেৱ, আপোনাৰ কোপদৃষ্টি পৰা সকলৰ ভিতৰত যে আমাৰো এজন ভক্ত আছে, সেই কথা নিশ্চয় আপুনি গৈছে পাহৰি ?

শনি ঃ পাহৰি যোৱাটো নহয় সম্ভৱ ; অপমানৰ অঘয়া শূলেৰে সি বিন্ধিলে মোক । পৰিছে , পৰি যাব তাৰ ওপৰত মোৰ তীব্ৰ কোপদৃষ্টি ----

বিষ্ণু ঃ গ্ৰহপতি, অযোধ্যাৰাজ শ্ৰীবৎসক আপোনালোকেই পাতিলে বিচাৰক । বিচাৰক ৰূপে তেওঁ যি সিদ্ধান্ত দিয়ে তাক মানি লোৱাটো ধৰ্ম । কিন্তু পৰাজিত জনে বিচাৰকৰূপী শ্ৰীবৎসৰ ওপৰত অত্যাচাৰ চলোৱাটো জানো হৈছে উচিত ? তাকো আপোনাৰ দৰে গ্ৰহপতিয়ে ?

শনি ঃ কোনোবাই মোক অৱমাননা কৰাটো নকৰোঁ সহ্য । দেৱেই হওঁক অসুৰেই হওঁক যক্ষ, ৰক্ষ কিম্বা মনুষ্যই হওঁক । শ্ৰীবৎসক মই নকৰোঁ ক্ষমা । আৰু ভূগিব , আৰু আছে শাস্তি তাৰ --

বিষ্ণু ঃ গ্ৰহপতি, ভক্তৰ দুখ আমিও নোৱাৰোঁ সহিব । অহংকাৰত তই হৈছ উন্মাদ । এই অহংকাৰ আজি মোৰ সুদৰ্শনে কৰিব শূণ্য । খৰ্ব কৰিম আমি তোৰ গৰ্ব ।

শনি ঃ (সেৱা কৰি) হে নাৰায়ণ , লক্ষ্মীপতি , ভকত বৎসল শ্ৰীহৰি, আপোনাৰ ক্ৰোদ্ধ সম্বৰণ কৰক । জ্ঞান চক্ষু মোৰ হ'ল মুকলি ; অহংকাৰ আৰু ক্ৰোধত পৰি মই হৈছিলো উন্মাদ । হেৰুৱাই পেলাইছিলো দেৱত্ব । মোক ক্ষমা কৰক প্ৰভূ ।

বিষ্ণু ঃ শনিদেৱ, দোষ স্বীকাৰ কৰিছে যেতিয়া কৰিছো ক্ষমা । মনত ৰাখিব দেৱতাৰ ক্ষেত্ৰত অহংভাৱে নাপায় শোভা । যদি আপুনি সকলোকে দয়াৰ চকুৰে চাই তেন্তে দেখিব সকলোৱে আপোনাকো শ্ৰেষ্ঠ দেৱতা কৰিছে জ্ঞান।

শনি ঃ প্ৰভূ, মই মোৰ কাৰ্য্যৰ বাবে লজ্জিত । শ্ৰীবৎসক মই ন্যায় কৰিম প্ৰদান ।

বিষ্ণু ঃ তেন্তে যাওঁক শনিদেৱ, আপোনাৰ দয়ালু গুণো দেখুৱাওক জগতবাসীক। আমি এতিয়া আহিলো।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে শ্ৰীবৎস-----</u>**

শ্ৰীবৎস ঃ চিন্তা, চিন্তা ; ক'ত গ'ল, ক'ত গ'ল মোৰ প্ৰাণৰ প্ৰিয়ে ? হাবি - বন, গিৰি-কন্দৰত কৰিলো চলাথ । তথাপি নাপাওঁ সন্ধান মোৰ প্ৰাণৰ প্ৰিয়েক । হে দিনমণি, হে সমীৰ দিয়া মোক ভাৰ্য্যাৰ বাতৰি । নাই কোনেও নকৰে সহায় -- প্ৰিয়ে ------ ( **বিলাপ** )

কৈত আছা প্ৰাণ প্ৰিয়ে কৈত আছা তুমি ।
তোমাৰ অবিহনে মই থাকো কেন কৰি ।।
হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপৰ ফলে মোক এনে দুখ দিলা ।।

**<u>সূত্ৰ ঃ এনেতে ভদ্ৰা -----</u>**

ভদ্ৰা ঃ অ' মোৰ স্বপ্নৰ পুৰুষজনক পালোহি বিচাৰি । ( ওচৰ চাপি ) পূণ্যবৰ, কি হৈছে আপোনাৰ ?

শ্ৰীবৎস ঃ চিন্তা --- অ নহয় , কোন তুমি --- ?

ভদ্ৰা ঃ পূণ্যবৰ , আপুনি মোক পাহৰিয়েই পেলালে। কিয় আপুনিয়েটো এদিন দুষ্ট সুৰজিতৰ হাতৰ পৰা মোক কৰিছিল উদ্ধাৰ । মই বাহুৰজাৰ কন্যা ভদ্ৰা।

শ্ৰীবৎস ঃ অ' ভদ্ৰা , মনত পৰিছে মোৰ । ক্ষমা কৰিবা দেৱী -- কিন্তু ইয়াত কিয় ?

ভদ্রা ঃ মই আপোনাকেই বিচাৰি ফুৰিছো । হে পুণ্যবৰ , পিতাই মোৰ সয়ম্বৰৰ কৰিছে আয়োজন ।

শ্ৰীবৎস ঃ প্ৰত্যেক পিতৃয়ে কন্যাৰ বিবাহৰ বাবে কৰে চিন্তা । তোমাৰ পিতাৰাও নহয় ব্যতিক্ৰম ।

ভদ্রা ঃ কিন্তু , মোৰ বাবে সয়ম্বৰ অৰ্থহীন । হে দেৱ, প্ৰথম দৰ্শনতে মই আপোনাৰ প্ৰেমত পৰিলো ; এতিয়া শয়নে সপোনে মাত্ৰ আপোনাৰ কথাকে ভাবো -----।

শ্ৰীবৎস ঃ দেৱী, কি কৈছা এয়া ? নাজানা তুমি মোৰ দুৰ্দশা ; নাজানা তুমি মোৰ প্ৰকৃত পৰিচয় --

ভদ্রা ঃ আপুনি কোন জনাৰ নাই প্ৰয়োজন। আপোনাৰ বাহিৰে মই আনৰ কথা আৰু নোৱাৰোঁ ভাৱিব

শ্ৰীবৎস ঃ ভদ্রা , তুমি নুবুজা কিয় ? বিবাহিত মই, দেৱী চিন্তা হৈছে অৰ্দ্ধাংগিনী মোৰ । ৰাজ্যত্যাগী, সৰ্বহাৰা অযোধ্যাৰ ৰাজন শ্ৰীবৎস মই।

ভদ্রা ঃ দয়া কৰি মোক অৱজ্ঞা নকৰিব । মোৰ মন মন্দিৰত আপোনাকেই পতিৰূপে কৰিছো গ্ৰহণ।

শ্ৰীবৎস ঃ ভদ্রা ; পোৱা নাই মোৰ প্ৰাণৰ প্ৰিয়ে চিন্তাৰ সন্ধান । ধৰাৰ বক্ষত পাগলৰ দৰে ফুৰিছো বিচাৰি । তেনেক্ষণত ভদ্রাই দিছে মোক বিবাহৰ প্ৰস্তাৱ। পত্নীক নকৰি অন্বেষণ দ্বিতীয় বিবাহ --- নাই নাই এনে দুস্কৰ্ম কৰাতকৈ মোৰ মৃত্যুৰেই শ্ৰেয়।

ভদ্রা ঃ মোৰ বাবে আপুনি কিয় লব মৃত্যুক সাৱটি ? ময়ে অভাগিনী , ময়ে লম মৃত্যুক সাৱটি -- ( শ্ৰীবৎসৰ অস্ত্ৰ লৈ আত্মহত্যা কৰিব খোজে --- )

শ্ৰীবৎস ঃ ভদ্রা, কি কৰা তুমি ? আঃ এনে নীচ কাম --তাকো মোৰ সন্মূখতে , মোৰ বাবে ? হে প্ৰভূ , তোমাৰ এয়া তোমাৰ কেনে পৰীক্ষা ? এফালে যদি হয় পাপ, আনফালে ঘোৰ মহাপাপ ।

ভদ্রা ঃ মোক বাধা নিদিব দেৱ ; স্বেচ্ছাই তেজিছো মই এই জীৱন --

শ্ৰীবৎস ঃ ভদ্রা ; নাই , নাই ললো সিদ্ধান্ত ভদ্রাক মই পত্নীৰূপে কৰিম গ্ৰহণ । অ ভদ্রা, আজিৰ পৰা তুমি মোৰ দ্বিতীয় পত্নী । সাক্ষী আছে চন্দ্ৰ - দিবাকৰ আমাৰ এই সম্পৰ্কত ---

ভদ্রা ঃ হে দেৱ, ক্ষমিব আমাক ; কি কৰিম ? এই ভদ্রাৰ হৃদয়ত আপোনাকেই দিলো স্থান ; আজি আপুনি আমাক পত্নীৰ স্বীকৃতি দি ধন্য কৰিলে আমাৰ জীৱন। মোৰ সেৱা গ্ৰহণ কৰক -----

**সূত্ৰ ঃ মঙ্গলধ্বনি বাজে । এনেতে ৰাহুৰজা আহে -----**

বাহু ঃ ভদ্রা, ইয়াত কৰিছাহি কি ? নাজানা নেকি তোমাৰ সয়ম্বৰ আজি ? জগতৰ ৰথী - মহাৰথী আহি সয়ম্বৰত কৰিছেহি ভিৰ । অথচ তুমি ইয়াত , আৰু কোন এই অচিনাকি পুৰুষ ?

ভদ্রা ঃ পিতা, ক্ষমা কৰিব মোক ; আপোনাৰ অপৰাধী মই । নলৈ আপোনাৰ অনুমতি মই স্বামীৰূপে বৰিলো এখেতক --

বাহু ঃ (খঙেৰে) ভদ্রা ; পত্নীৰূপে পাবলৈ আহিছে তোক জগতৰ ৰথী - মহাৰথী । নিদি বৰমাল্য কোনো মহাৰথীক স্বামীৰূপে বৰণ কৰ তই এই বাটৰ ভিকহুক ?

ভদ্রা ঃ পিতা, এওঁ ভিকহু নহয় । মহা পৰাক্ৰমী অযোধ্যা ৰাজন শ্ৰীবৎসহে এওঁ ।

বাহু ঃ অবাঞ্চিত বচন নুবুলিবি ভদ্রা ; কুলে-শীলে, বলে-বীৰ্যে একোতে নেদেখো মই ইয়াক ৰাজনৰ যোগ্য । পিন্ধনত যাৰ মাথো ফটাকানি, কি যুক্তিৰে তাক কৈছ ৰাজন শ্ৰীবৎস বুলি ?

শ্ৰীবৎস ঃ কন্যাক নুদুষিব মহাৰাজ ; মিথ্যা বচন বোলা নাই ভদ্রাই । ময়ে শ্ৰীবৎস --

বাহু ঃ মুখ বন্ধ কৰ পাষণ্ড ; অন্নহীন , বস্ত্ৰহীন ভিকহুৱে কয় নিজকে শ্ৰীবৎস ? উসঃ কি যে মধুৰ স্বপ্ন দেখিছিলো মই কন্যাক লৈ । ভদ্রা, পিতৃৰ স্বপ্ন তই ভৱিৰে মোহাৰি কৰিলি চুৰমাৰ --

ভদ্রা ঃ তেনেকৈ নক'বা পিতা, মই তোমাৰ ধৰিছো চৰণত --

বাহু ঃ সাৱধান, তই মোক নকৰিবি স্পৰ্শ । পিতা - পুত্ৰীৰ মাজৰ সম্পৰ্ক আজিহন্তে মই কৰিলো ছেদ । নকৰোঁ দৰ্শন আৰু মই তোৰ মুখ --

**সূত্ৰ ঃ এনেতে শনিদেৱ ----**

শনি ঃ হে অৱন্তীৰাজ , খং নকৰিব কাকো -----

বাহু ঃ শনিদেৱ ---- ; প্ৰণাম গ্ৰহণ কৰক দেৱ ----

শনি ঃ অৱন্তীৰাজ, ভদ্ৰাই কোনো ভুল কৰা নাই। অযোধ্যাৰাজ শ্ৰীবৎসকেই এওঁ স্বামী ৰূপে কৰিছে বৰণ । শ্ৰীবৎস, তোমাৰ প্ৰতি আৰু মোৰ কোনো ক্ষোভ নাই। সঁচাই প্ৰজাপালক, ন্যায়বান ৰাজন তুমি । যোৱা তুমি নিজ ৰাজ্যলৈ । কালজিত এতিয়া অযোধ্যাৰ ৰাজন ; সিংহজিত আৰু বাহুৰাজৰ শত্ৰু সুৰজিতৰ লগ লাগি অযোধ্যাবাসীৰ ওপৰত সি কৰিছে অত্যাচাৰ। সকলোকে উচিত শাস্তি প্ৰদান কৰি অযোধ্যাত শান্তি স্থাপন কৰাগৈ ।

শ্ৰীবৎস ঃ হে গ্ৰহপতি, দয়া কৰি কওক পামনে বাৰু পুনৰ সাক্ষাত মোৰ প্ৰাণৰ চিন্তাক ?

শনি ঃ চিন্তা আছে জীয়াই । এই ৰাজ্যৰে পদ্মসেন নামৰ এক দুষ্টই চিন্তাক ৰাখিছে বন্দী কৰি ।

শ্ৰীবৎস ঃ কি কলে দেৱ, প্ৰাণৰ পুতলী মোৰ চিন্তা আছে বন্দী হৈ ?

শনি ঃ চিন্তা নকৰিবা শ্ৰীবৎস, চিন্তাৰ নহয় কোনো অনিষ্ট । উদ্ধাৰিবা তুমি পত্নী ৰাজ্য ধন নিজ বাহুবলে । তোমাক দিছো আশীষ দুই ৰাণীৰ গৰ্ভে তুমি যশবান সন্তানৰ লভিবা পিতৃত্ব । বিয়পি পৰিব তোমাৰ যশস্যা ধৰাৰ দশোদিশে । যাওঁ মই এতিয়া নিজ ধামে ---- ( প্ৰস্থান )

বাহু ঃ হে অযোধ্যাৰাজ , নিচিনি মই আপোনাক কৰিলো হীন ব্যৱহাৰ। মোৰ দোষ ক্ষমা কৰক --

শ্ৰীবৎস ঃ ৰাজন, আপুনি মোৰ পিতৃতুল্য । আপোনাৰ কন্যাক পত্নীৰূপে কৰিছো গ্ৰহণ।

বাহু ঃ ৰাজন, ভাষাহীন আজি মই আপোনাক জোঁৱাই ৰূপে পাই । ভদ্ৰা, আহ আই , এবাৰ তই মোৰ বুকুৰ মাজলৈ আহ । খঙত অন্ধ হৈ তোকো কৰিলো নিন্দা । মোক ক্ষমিবি আই ।

ভদ্ৰা ঃ পিতা ----

শ্ৰীবৎস ঃ মহাৰাজ, এতিয়া যাওঁ মই দুষ্ট পদ্মসেনক উচিত শাস্তি দি দেৱী চিন্তাক কৰোঁগৈ উদ্ধাৰ।

বাহু ঃ U'লা ৰাজন, তোমাক এই কাৰ্য্যত মইও কৰিম সহায় । পদ্মসেনক মই পাওঁ চিনি।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে পদ্মসেনে চিন্তাক বল প্ৰয়োগ কৰি টানি আনে --**

চিন্তা ঃ এৰি দে , এৰি দে মোক আৰু কিমান যাতনা দিবি মোক ।

পদ্মসেন ঃ এৰি দিম ? হাঃ হাঃ তোৰ দৰে গুণৱতী তিৰোতাক মই এৰি দিম -- হাঃ হাঃ কদাপি নহব ইটো । তোক মোৰ নাৱতে বান্ধি বাণিজ্যৰ বাবে মই কৰোঁ যাত্ৰা ।

চিন্তা ঃ মোক এৰি দিয়ক দেৱ ; আপোনাৰ চৰণত ধৰি কৰিছো কাকুতি । স্বামীয়ে মোৰ বাবে কৰিছে অপেক্ষা । মোৰ দৰে অবলা নাৰীৰ আপোনাক কি প্ৰয়োজন ?

পদ্মসেন ঃ তোৰ দৰে এজনী সতী তিৰোতা পালো অল্প প্ৰয়াসতে। এটা স্পৰ্শতে তোৰ বলুকাত আৱদ্ধ মোৰ নৌকা হৈছিল মুক্ত। তেনেস্থলত তোৰ দৰে তিৰোতাক মই কিয় কৰোঁ মুক্ত হাঃ হাঃ -

**সূত্ৰ ঃ এনেতে শ্ৰীবৎস, বাহু আৰু ভদ্ৰা-----**

শ্ৰীবৎস ঃ সাৱধান নৰাধম , চিন্তাৰ ওপৰত কৰ তই এনে অত্যাচাৰ -- ?

চিন্তা ঃ স্বামী ----

পদ্মসেন ঃ অ তয়েই তেন্তে এই সতীৰ স্বামী দেৱতা ? হাঃ হাঃ ----

বাহু ঃ ছিঃ ছিঃ পদ্মসেন, এয়া তোৰ কেনে কাৰ্য ঘৃণনীয় ? অবলা নাৰীক তই ৰাখ বন্দী কৰি ?

পদ্মসেন ঃ পাপ কি, পুণ্য কি তাৰ মই নকৰোঁ বিচাৰ। সদাগৰ মই; যতেই দেখো লাভ তাতেই দিওঁ মই হাত --

শ্ৰীবৎস ঃ বহু আৰ্জিলি পাপ; আজি তাৰ তই পাবি মোৰ হাতে যোগ্য পৰিণাম--

পদ্মসেন ঃ তেন্তে সেয়ে হওঁক, ধৰ অস্ত্ৰ ----

**গীত**

**এহি বুলি দুয়োজনে ৰণ আৰম্ভিলা।**
**মহাক্ৰোধে দুয়ো দুয়োক অস্ত্ৰ প্ৰহাৰিলা।।**
**অস্ত্ৰাঘাটে পদ্মসেন ভূমিত পৰিলা।**
**ৰাম হৰি ৰাম হৰি সৰ্বজনে বোলা।।**

**সূত্ৰ ঃ দুয়োৰে যুদ্ধ হয়। ভদ্ৰাই চিন্তাৰ বান্ধোন খোলে। যুদ্ধত পদ্মসেনৰ মৃত্যু হয় ---**

শ্ৰীবৎস ঃ অধৰ্মীৰ গতি এনেকুৰাই হয়। ( চিন্তাৰ প্ৰতি ) প্ৰিয়ে, দয়িতা মোৰ, আহিলো মই ----

চিন্তা ঃ নাথ, এদিন আহিব বুলিয়েই আপুনি মই আছিলো জীয়াই। কিন্তু আপোনাৰ লগত অহা এই মান্যবৰ আৰু দেৱীক নাপালো চিনি ?

শ্ৰীবৎস ঃ প্ৰিয়ে, এয়া মোৰ... ?

চিন্তা ঃ নক'লে যে, কওঁক স্বামী, এওঁলোকৰ পৰিচয় জানিবৰ বাবে আগ্ৰহী মই ---

ভদ্ৰা ঃ মইয়ে দিওঁ আমাৰ পৰিচয়। এয়া মোৰ পিতা অৱন্তীৰাজ বাহু আৰু মই ভদ্ৰা। হে দেৱী, অপৰাধী মই আপোনাৰ; যি শাস্তি দিয়ে আপুনি মোক তাকে কৰিম গ্ৰহণ আপোনাৰ সতিনীৰূপে --

শ্ৰীবৎস ঃ মোক ক্ষমা কৰা চিন্তা। বিচাৰি তোমাক পাগলৰ দৰে ফুৰিছিলো ভ্ৰমি। তেনে ক্ষণতে ভদ্ৰাৰ লগত বিবাহ পাশত আৱদ্ধ হ'লো তোমাৰ অজ্ঞাতে। সঁচাই মই তোমাৰ অপৰাধী দেৱী --

চিন্তা ঃ নাথ, কাকো দোষ নিদিওঁ মই; সকলো বিধিৰ লিখন। কিন্তু ভদ্ৰাক মই নিশ্চয় দিম শাস্তি -- সতিনীৰূপে নহয় ভনীৰ দৰে থাকিব লাগিব তাই মোৰ লগত।

ভদ্ৰা ঃ বাইদেউ, আপোনাৰ অন্তৰ সঁচাই অতি বিশাল -- ( আকোঁৱালী লয় )

বাহু ঃ ব'লক ৰাজন, ৰাজদ্ৰোহী, বিশ্বাসঘাটক কালজিতহঁতক দিওঁগৈ উচিত দণ্ড।

শ্ৰীবৎস ঃ নিশ্চয় ৰাজন; প্ৰিয়ে চিন্তা আৰু ভদ্ৰা, তোমালোকে অৱন্তীৰাজ্যতে কৰা বিশ্ৰাম। দুষ্টক বধি লৈ যামহি তোমালোকক অযোধ্যা ৰাজ্যলৈ। ব'লক মহাৰাজ ----

**সূত্ৰ ঃ দুয়ো ৰাজনৰ প্ৰস্থান। পাছত সকলোৰে প্ৰস্থান। আনফালে কালজিত আৰু সুৰজিত --**

কালজিত ঃ সুৰজিত, কি প্ৰভেদ দেখিছা তুমি মোৰ আৰু বাহুৰজাৰ মাজত ?

সুৰজিত ঃ আপোনাৰ তুলনা বাহুৰজাৰ লগত ? হাঃ হাঃ তৃণ যেন বাহুৰজা আপোনাৰ আগত। শৌৰ্যশালী, বলশালী অনন্য আপুনি; দেৱসম কীৰিতি আপোনাৰ বাঢ়িব জগতত ---

কালজিত ঃ তোষামোদ কৰিছা মোক সুৰজিত ?

সুৰজিত ঃ তোষামোদ ? নাই নাই মহাৰাজ, তেনে ধৃষ্টতা নাই আমাৰ। বিনা দোষতে দি নিৰ্বাসন দণ্ড বাহুৰাজে মোক কৰিছিলে নিৰাশ্ৰয়; তেনে ক্ষণতে আপুনি দি মোক আশ্ৰয় কৰিলে উদ্ধাৰ। বিশাল হৃদয় আপোনাৰ দয়াৰে ভৰা; মহাৰাজ, কৰিছো পণ অৰ্পণ কৰিম আপোনাৰ বাবে মোৰ এই তুচ্ছ জীৱন

কালজিত ঃ হাঃ হাঃ সন্তুষ্ট হলো মই তোমাৰ বচনত। কালজিত মই অযোধ্যাৰ ৰাজন। ইপ্সিত লক্ষ্য মোৰ কৰিলো পূৰণ; পিন্ধি শিৰে এই অযোধ্যাৰ ভূষণ সমস্ত জগতত মই কৰিম শাসন ---

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ সিংহজিত আহে ---**

সিংহ ঃ মহাৰাজ, মহাৰাজ , সাজু হওক মহাৰাজ , সাজু হওক ৰণৰ বাবে ---

কালজিত ঃ সিংহজিত , কিয় হৈছা উত্ৰাৱল ; কাৰ মৃত্যু চাপিল ওচৰ ?

সিংহ ঃ মহাৰাজ, হাতে অস্ত্ৰ ধৰি ধুমুহাৰ বেগে আহিছে শ্ৰীবৎস আমাৰ ৰাজ্যে । সৌৱা, সৌৱা চাওক ৰাজন , সঙ্গে লৈ অজস্ৰ বীৰক মহা ক্ৰোধে আহি পালে শ্ৰীবৎস ----

**সূত্ৰ ঃ শ্ৰীবৎস আৰু বাহুৰজা সোমাই আহে --**

শ্ৰীবৎস ঃ কালজিত , কালজিত ; আঃ ভবা নাছিলো মই তই ইমান নৰাধম ---

কালজিত ঃ শ্ৰীবৎস, কি সাহসত তই মোক বুলিছ নৰাধম ? কালজিত মই অযোধ্যাৰ ৰাজন ; সম্ভ্ৰমেৰে মোৰ নাম কৰিবি উচ্চাৰণ ।

শ্ৰীবৎস ঃ কালজিত, নসহো মই তোৰ ইমান দম্ভ ----

কালজিত ঃ উচ্চ কণ্ঠ ময়ো নকৰোঁ সহ্য ----

সুৰজিত ঃ মহাৰাজ, শ্ৰীবৎসৰ সঙ্গে আহিছে নৰাধম বাহুৰাজো । দিয়ক ইহঁতক উচিত শাস্তি ----

বাহু ঃ সুৰজিত, নিচিনি তোক মই বুকুত লৈছিলো আদৰি । নিদি তাৰ প্ৰতিদান কৰিলি দংশন মোৰ বক্ষস্থলত । আহ, আজি পাবি তাৰ উচিত দণ্ড --

কালজিত ঃ সেনাগণ , নিদিঁও আৰু ইহঁতক সুযোগ ; কৰা আক্ৰমণ --

**সূত্ৰ ঃ সমদল যুদ্ধ হয় । কালজিত আৰু শ্ৰীবৎসৰ বাদে বাকীসকলৰ ৰণ কৰি কৰি প্ৰস্থান --**

শ্ৰীবৎস ঃ কালজিত, এতিয়াও আছে সময় । স্বেচ্ছাই ৰাজসিংহাসন কৰি অৰ্পন মাগ তই ক্ষমা ভিক্ষা , সৰ্ব দোষ তোৰ কৰিম মাৰ্জনা ।

কালজিত ঃ হাঃ হাঃ শ্ৰীবৎস, শক্তিহীনজনে তোৰ দৰেই মাগে ভিক্ষা । কিন্তু এই কালজিত নহয় দাতা ; শক্তি আছে যদি মূৰ্খ জিনি ল তই তোৰ ৰাজ্য ।

শ্ৰীবৎস ঃ উত্তম , তেন্তে আহ পাষণ্ড দে যুদ্ধ ----

**গীত ঃ ( ৰাগ- গান্ধাৰ ; তাল - ৰক্ত )**

**মহাক্ৰোধে দুয়ো বীৰে যুদ্ধ আৰম্ভিলা ।**
**পদভৰে বসুমতী কঁপিব লাগিলা ।।**
**দেখা দেখা সভাসদ যুদ্ধ ভয়ংকৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন ।।**

**সূত্ৰ ঃ যুদ্ধত কালজিতৰ মৃত্যু হয়। দেখি শ্ৰীবৎসই যি কয় ----**

শ্ৰীবৎস ঃ লোভত অন্ধ হৈ পৰিছিলি কালজিত । সেয়েহে আজি তোৰ হ'ল এনে অৱস্থা ।

**সূত্ৰ ঃ এনেতে বাহুৰজা আহে ---**

বাহু ঃ উত্তম, অতি উত্তম । সকলো শত্ৰুক ময়ো কৰিলো নিধন । শত্ৰু শূণ্য হ'ল অযোধ্যা ৰাজ্যত । এতিয়া পূৰ্বৰ দৰে আপুনি ৰাজ্য কৰিব শাসন ।

শ্ৰীবৎস ঃ আশীৰ্বাদ কৰিব যাতে প্ৰজাক মই কুশলে ৰাখিব পাৰোঁ ---

বাহু ঃ ভগৱন্তই কৃপা কৰিব ৰাজন -----

শ্ৰীবৎস ঃ ব'লক যাওঁ এতিয়া অৱন্তী ৰাজ্যলৈ। ভদ্ৰা আৰু চিন্তাক লৈ প্ৰৱেশিম অযোধ্যাৰ কাৰেঙত।

গীত ঃ (ৰাগ ঃ বসন্ত , তাল ঃ চুতকলা )

এহি বুলি ৰঙ্গমনে দুয়ো মহাবীৰ ।
চলি গৈলা অৱন্তী ৰাজ্য মন কৰি স্থিৰ।
দুষ্টক দমিয়া প্ৰভূ ধৰ্মক থাপিলা।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ----

গীত - ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ মতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আনগতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমল লোচন।।

ইতি , শ্ৰীবৎস উপাখ্যান নাটকং সম্পূৰ্ণম ।।

**সমাপ্ত**

জয় গুৰু শঙ্কৰ



# দুৰ্যোধনৰ উৰুভঙ্গ

নাট্যৰূপ
শ্ৰীৰাজীৱ গগৈ
তিতাবৰ, যোৰহাট
যোঃ নঃ ৮৪০৪০৫১৪৬৯

পুৰুষ চৰিত্ৰ ঃ

১। সুত্ৰধাৰ
২। শ্ৰীকৃষ্ণ
৩। বলোভদ্ৰ
৪। যুধিষ্ঠিৰ
৫। ভীম
৬। অৰ্জুন
৭। নকুল
৮। সহদেৱ
৯। অভিমন্যু
১০। ধৃতৰাষ্ট্ৰ
১১। দুৰ্যোধন -- ( প্ৰধান চৰিত্ৰ )
১২। দুঃশাসন
১৩। কৰ্ণ
১৪। শকুনি
১৫। ভীষ্ম
১৬। দ্ৰোণাচাৰ্য্য
১৭। কৃপাচাৰ্য্য
১৮। অশ্বত্থামা
১৯। জয়দ্ৰথ

নাৰী চৰিত্ৰ ঃ

১। গান্ধাৰী
২। কুন্তী
৩। দ্ৰৌপদী

শ্রীকৃষ্ণায়ে নমঃ

**শ্লোক ঃ মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰঃ স্থল । আৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম।। মুক্তাহীৰক হেমহাৰ বলয়ালঙ্কাৰ কান্তি দ্যুতিম। কৃষ্ণং শাৰদ সান্দ্ৰ চন্দ্ৰ সদৃশং হৃদপঙ্কজেহ হৃম্ভজে।।**

অপিচ ঃ যেনাকাৰী নাৰায়ণ শ্ৰীকৃষ্ণ ৰূপেনং । যেনাকাৰী কুৰুক্ষেত্ৰে দুষ্টক নিধনং ।।

## গীত ঃ নান্দী

## ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় গোলোকৰ পতি। তুৰা পাৰে কৰোহো প্ৰণতি।।
দৈৰকীত ভৈলা অৱতাৰ । কৰিলাহা ভক্তক উদ্ধাৰ ।।
হেনজানি এৰা আন কাম। সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা ; ইয়ং **দুৰ্যোধিনৰ উৰুভঙ্গ** নাটকং শ্ৰৱণে মুক্তি সাধকম।।

## অথ ভটিমা

জয় জয় জগজন জীৱন যাদৱ
দেৱৰো দেৱক দেৱা ।
চতুৰ বয়ন ভৱ সুৰপতি যাকৰ
কৰোঁ নিত চৰণেহি সেৱা ।।
দুৰ্মতি দুৰ্যোধিন স্থিৰ কৰি মন
আৰম্ভিলা কুৰুক্ষেত্ৰ ৰণ।
ভীষ্ম দ্ৰোণ কৰ্ণ অভিমন্যু জয়দ্ৰথ
বিৰাট পাণ্ডৱ দুঃশাসন।।
যত বীৰ আছে ধৰণীৰ মাজে
সৱে আহি কৰে ৰণ।
লীলা যদুপতি স্ৰজিলা সমৰে
বধিলা দুষ্টক জন।।
অধৰ্মকো জিনিয়া ধৰ্মক থাপিলা
ৰাখিলা ভকতিৰ মান ।
হেনজানি সৱে এৰা আন কাম
ডাকি বোলা ৰাম ৰাম ।।

---------- ( শ্লোক নৃত্য )----------------------------------------

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সখী, আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ----

সূত্ৰ ঃ আ -হাহা মিলল, মিলল । আহে সভাসদ, হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীকৃষ্ণ সভাৰ মধ্যে আৱত । তাক সাৱধানে দেখহ , শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।।

( ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ )

সূত্ৰ ঃ সভাত শ্ৰীকৃষ্ণৰ প্ৰৱেশ ------

শ্লোক ঃ প্ৰৱেশম কৰোত জগতপতি শ্ৰীকৃষ্ণ জনাৰ্দ্দন। যস্য চৰণযুগলম চিন্তিত্বা ভক্তাঃলভন্তি পৰমগতিম।।

গীত- ( ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )

আৰে জগত গুৰু কয়ো পৰৱেশ।
পীত বস্ত্রে শোভে আতি দেখিতে সুৱেশ।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ঘোষিয়োক সভাসদ নৰ।।

কৃষ্ণ ঃ এই বিনন্দীয়া সৃষ্টিৰ আমিয়ে পালক । জগত সৃষ্টি আৰু প্রলয় আমাৰ ইচ্ছাতে হয় । যেতিয়াই দুষ্টৰ প্রাদুৰ্ভাৱ বাঢ়ে ধৰণীত নৰৰূপে আমি লওঁ অৱতাৰ --- আনৰ শক্তিৰ ওপৰত ভৰসা কৰি মদগৰ্বী দুৰ্যোধনে কৰিছে কল্পনা পাণ্ডৱক বিনাশ কৰাৰ হাঃ হাঃ -- পাৰিবা জানো তোমালোকে ধৰ্মক পৰাস্ত কৰিব ? মনত ৰাখিবা যথা ধৰ্ম তথা জয় -- যাঁও এৱে আমি নিজ কৰ্তব্যত -

সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান। সভাত বলোভদ্ৰৰ প্ৰৱেশ -----------

গীত - (ৰাগ ঃ গান্ধৰ, তাল ঃ ৰচক )

প্ৰৱেশয় সভাৰ মাজে ৰোহিনী নন্দন।
বলোভদ্ৰ যাৰ নাম কৰাহা বন্দন।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

বলো ঃ আশংকা যি কৰিছিলো সেয়াই ঘটিবলৈ গৈছে ভাৰস্তে । কেনেকৈ সহো , নিজ কুলৰ মাজতেই ঘটিব সংহাৰকাৰী ৰণ। শিষ্যই কৰিব ৰণ গুৰুৰ লগত , ভাগিনে কৰিব ৰণ মাতুলৰ লগত । নাই নাই, এনে হ'ব দিব নোৱাৰি । অশান্ত হ'ব ধৰণী, মনুষ্যই কৰিব ৰক্তেৰে স্নান । আঃ এনে দৃশ্য মই নোৱাৰিম কৰিব দৰ্শন।

সূত্ৰ ঃ এনেতে কৃষ্ণ -----

কৃষ্ণ ঃ প্ৰণাম দাদা , দেখো আপোনাক অতি চিন্তিত ৰূপত ---- ?

বলো ঃ সত্যটোৰেই তুমি দেখিছা কৃষ্ণ। আমি চিন্তিত, আজি আমি উত্তেজিত , ভাৰাক্ৰান্ত মনে আজি হেৰুৱাইছো হিতাহিত জ্ঞান। বুজা নাই আজি আমি ধৰ্ম ক'ত আৰু অধৰ্ম ক'ত ? আৰু আমাৰ এই অৱস্থাৰ বাবে আন কোনো নহয় দায়ী, বৰঞ্চ আমাৰ চেনেহৰ ভাতৃ -- তুমি --

কৃষ্ণ ঃ আমি ----- ? কি কৈছে এয়া আপুনি ?

বলো ঃ অ কৃষ্ণ তুমি ; তোমাৰ অসাধ্য একো নাই এই জগতত । ইচ্ছা কৰা হ'লে তুমি এই যে ৰণৰ পৰিৱেশ আজি হৈছে সৃষ্টি তাক জানো নোৱাৰা দিব বাধা ? নাই ইচ্ছা তোমাৰ , সেয়ে পৰোক্ষভাৱে ৰণৰ বাবে তুমিয়ে পাণ্ডৱক দিছা উচটনি ।

কৃষ্ণ ঃ দাদা , আমি সদায় ধৰ্মৰ পক্ষতহে , ইয়াত পাণ্ডৱ বা কৌৰৱৰ নাহে প্ৰশ্ন ।

বলো ঃ যুক্তিৰে আমাক বিভ্ৰান্ত নকৰিবা কৃষ্ণ। আমাৰ দৃষ্টিত কৌৰৱৰ দৰে পাণ্ডৱেও কৰিছে অধৰ্ম। ধৰ্মৰাজৰ দৰে মহাত্মাই পাশাখেলত ৰাজ্য , ধন , পত্নীক পণ ৰখাটো জানো হৈছিল উচিত ? যিয়েই নহওঁক, শান্তিৰে আলোচনাৰ জৰিয়তে এই যুদ্ধ জানো তুমি বাৰণ কৰাব নোৱাৰা কৃষ্ণ ?

কৃষ্ণ ঃ তেনে চেষ্টা কৰা হৈছে দাদা, কিন্তু মদগৰ্বী দুৰ্যোধনে জ্যেষ্ঠজনৰ পৰামৰ্শক কৰিছে অৱজ্ঞা । বিচাৰে কেৱল ৰণৰ জৰিয়তে সমস্যাৰ সমাধান । আমি সেয়ে নিৰুপায় দাদা ।

বলো ঃ আপোনৰ ৰক্তেৰে দুহাত ৰাঙলী হোৱা মই নোৱাৰোঁ সহিব। আঁতৰি থাকো সেয়ে মই দ্বাৰকা

কিম্বা হস্তিনাৰ পৰা। যাত্ৰা কৰোঁ এতিয়াই তীৰ্থ দৰ্শনাৰ্থে। তেহে মোৰ মন হ'ব শান্ত। তুমিয়েই লোৰা আনন্দ, উপভোগ কৰা তুমিয়েই দৃশ্য সৰ্বনাশী যুদ্ধৰ। মই আহিলো কৃষ্ণ ---(প্ৰস্থান)

কৃষ্ণ ঃ দাদা --- জানো দাদা নোৱাৰা তুমি সহিব --। পাছে, কি কৰিম দাদা ? বিধাতাৰ লিখন আমিও নোৱাৰোঁ খণ্ডাব। দুৰ্যোধন এক নিমিত্তহে। আমিও আবদ্ধ কৰ্তব্য পালনত ; জগতৰ সমস্ত পাপীক জাহ যোৱাব লাগিব কুৰুক্ষেত্ৰ ৰণত। যাঁও এতিয়া আমি নিজ কৰ্তব্যত --------

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান । সভাত পঞ্চ পাণ্ডৱৰ প্ৰৱেশ---------**

গীত (ৰাগ ঃ মাহুৰ , তাল ঃ পৰিতাল )

**সভাত প্ৰৱেশ কৰে পাণ্ডুৰ নন্দন।**
**দিব্য বস্ত্ৰে শোভে সৱে যেন দেৱগণ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ।।**

যুধিষ্ঠিৰ ঃ ভাতৃগণ, ভাৰাক্ৰান্ত আজি মোৰ মন। নাজানো আমি উচিত পন্থাই লৈছো নে অনুচিত ? যদিওবা আৰম্ভিছো প্ৰস্তুতি ৰণৰ, তথাপি মোৰ প্ৰাণে কৰে হাঁহাকাৰ। বাৰে বাৰে মনলৈ আহে ভাৱ, নিজ কুলৰ বিৰুদ্ধে অস্ত্ৰ ধৰি কৰিব ওলাইছো নেকি বাৰু দুৰ্ঘোৰ পাপ ?

অৰ্জুন ঃ কোনো ভুল আমি কৰা নাই দাদা। নিজ প্ৰাপ্য যদি ন্যায়মতে বিচাৰিলেও নাপাওঁ ঘুৰাই ৰণ কৰি জিনি লোৱাটো নহয় পাপ।

ভীম ঃ পাৰ্থই উচিত কথা কৈছে দাদা। কোনো ভুল আমি কৰা নাই। প্ৰতিক্ষণে কৌৰৱেহে কৰিছে আমাক অপমান। অপেক্ষা এতিয়া মাথো ৰণৰ ; মৎস্যৰাজ, পাঞ্চালৰাজ, ধৃষ্টদ্যুম্নৰ দৰে ৰথী - মহাৰথী হয়-হস্তীৰে সজ্জিত হৈ আহিব আমাৰ শিবিৰলৈ। ন্যায় - অন্যায়ৰ এতিয়া আৰু নুঠে প্ৰশ্ন।

যুধিষ্ঠিৰ ঃ তোমালোকৰ বক্তব্যত মই পাইছো সকাহ। তেন্তে নিশ্চিত কুৰুক্ষেত্ৰ মহাৰণ। পাছে ভাতৃগণ, যদিওবা যদুপতিৰ সমৰ্থন আছে আমাৰ প্ৰতি, তথাপি সমস্ত যাদৱ কুলৰো সহায় বিচৰাটো হ'ব উচিত। এই ক্ষেত্ৰত তোমালোকৰ মত কি ?

নকুল ঃ উচিত চিন্তা কৰিছে দাদা। নীতি মতে যাদৱ কুলৰ সহায় বিচৰাটো কৰ্তব্য আমাৰ। মোৰ বোধেৰে দাদা ধনঞ্জয় অচিৰেই দ্বাৰকালৈ যোৱাটো উচিত হ'ব।

যুধিষ্ঠিৰ ঃ ধনঞ্জয়, কালিলৈ প্ৰভাতে তুমি কৰিবা যাত্ৰা ; আৰু ভাতৃগণ, আজিলৈ মন্ত্ৰণা সামৰা যাওঁক।

**সূত্ৰ ঃ পাণ্ডৱগণৰ প্ৰস্থান । সভাত শকুনিৰ প্ৰৱেশ -----**

শকুনি ঃ হাঃ হাঃ সমাগত আজি কুৰুক্ষেত্ৰ ৰণ ; কত চেষ্টা, কত সাধনাৰ ফলত আহিছে শকুনিৰ বাবে এই সোণালী ক্ষণ --মৰিবি, সকলো মৰিবি, এটি এটিকৈ জাহ যাবি তহঁত ৰণৰ ৰণাগ্নিত। নোৱাৰে ৰোধিব ভীস্মদেৱে, নোৱাৰে ৰাখিব গুৰুদেৱে এখন এখনকৈ শত কৌৰৱৰ জ্বলিব চিতা হাঃ হাঃ মহাৰণ, সমাগত আজি কুৰুক্ষেত্ৰ মহাৰণ হাঃ হাঃ ---

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান। সভাত দুৰ্যোধন , দুঃশাসন, কৰ্ণ, অশ্বত্থামাৰ প্ৰৱেশ ----**

গীত - ( ৰাগ ঃ কানাৰা, তাল ঃ পৰিতাল )

**প্ৰৱেশিলা সভাৰ মাজে কৌৰৱ গণ ।**
**পদভৰে বসুমতী কম্পে ঘনে ঘন ।।**
**হেনজানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰে লোকে ডাকি বোলা ৰাম ৰাম।।**

দুৰ্যো ঃ চক্রান্ত , চক্রান্ত, সকলোৱে কৰে আজি চক্রান্ত । মৎস্যদেশত অৰ্জুনক মই কৰিলো চিনাক্ত, পূৰ্ণ হোৱা নাছিল পাণ্ডৱৰ অজ্ঞাতবাস । কিন্তু পিতামহে -- আঃ অতদিনে সৌৰবছৰে কৰি আছিল কাল গণনা । কিন্তু পাণ্ডৱৰ বেলিকা হঠাৎ চান্দ্ৰবছৰ --হাঃ হাঃ চালনা, চালনা, এয়া পিতামহৰ চালনা । দিয়ে পৰামৰ্শ মোক পাণ্ডৱক অৰ্দ্ধৰাজ্য প্ৰদানৰ । আঃ অসম্ভৱ, বিনাযুদ্ধে নেৰোঁ মই সুচাগ্ৰ মেদিনী ; অ , বিনাযুদ্ধে নেৰোঁ মই পাণ্ডৱক সুচাগ্ৰ মেদিনী ।

**সূত্ৰ ঃ এনেতে শকুনি -------**

শকুনি ঃ হেঃ হেঃ উত্তম , অতি উত্তম ভাগিন । কিয় দিবা তুমি পাণ্ডৱক অৰ্দ্ধৰাজ্য ? পাণ্ডৱ চিনাক্ত হৈছেই অজ্ঞাতবাসত । হস্তিনাৰ অন্নৰে পালিত হৈ কোনো কোনোৱে আজি দিয়ে যুক্তি -- পাণ্ডৱে বোলে বেছি দিনহে কটালে অজ্ঞাতবাসত । ই জানো সম্ভৱ হ'ব পাৰে অঙ্গৰাজ ? হেঃ হেঃ অজ্ঞাতবাসটো নহয় ইন্দ্ৰপুৰীৰ ভোগ বিলাস ---

দুঃশাস ঃ দাদা, সমৰ প্ৰস্তুতি আমাৰ চলিছে দুগুণে । সমবেত হ'বহি কুৰুক্ষেত্ৰত ত্ৰিগৰ্ত্ত , বিদৰ্ভ , কেকয় আৰু অন্য ৰাজ্যৰ ৰথী - মহাৰথীগণ । আপোনাৰ আদেশতেই প্ৰাগজ্যোতিষৰ ৰাজন ভগদত্তলৈ দিয়াইছো নিমন্ত্ৰণ । আছে অশ্বত্থামা , আছে অঙ্গৰাজ , তাতে আকৌ আহিব ভগ্নীপতি সিন্ধুৰাজ । গতিকে দাদা, লাগে মাথো আমাক ৰণাংগন, অনায়াসে আমি পঞ্চ পাণ্ডৱক কৰিম নিধন হাঃ হাঃ

দুৰ্যো ঃ হাঃ হাঃ উত্তম ভাতৃ উত্তম ; যত বীৰগণ আছে ধৰণীত সকলো আহিছে আজি আমাৰ পক্ষলৈ ; দ্বাৰকাৰ নাৰায়ণী সেনায়ো আমাকেই কৰিবহি সহায় হাঃ হাঃ---

কৰ্ণ ঃ সখা , এয়াতো অতি আনন্দৰ বতৰা । গৈছিলা তুমি দ্বাৰকা নগৰে বিচাৰি নাৰায়ণী সেনাকেই আৰু লভিলাও তুমি -- অভিনন্দন সখা , অভিনন্দন -----

দুৰ্যো ঃ অৰ্জুনৰ মুৰ্খামিত লভিলো মই নাৰায়ণী সেনাক । অ সখা, মোৰ পাছতে অৰ্জুনো গৈছিল দ্বাৰকা নগৰে এফালে নিৰস্ত্ৰ কৃষ্ণ আৰু আনফালে নাৰায়ণী সেনাক কৰিবলৈ নিৰ্বাচন কৃষ্ণই প্ৰথমে অৰ্জুনকে দিছিল সুযোগ; কিন্তু মুৰ্খ পাৰ্থই সখা মোহত পৰি বাচি ল'লে নিৰস্ত্ৰ কৃষ্ণক ---

অশ্ব ঃ নিৰস্ত্ৰ কৃষ্ণ ---- ?

দুৰ্যো ঃ অ অশ্বত্থামা, কৃষ্ণই কৰিছে পণ, কুৰুক্ষেত্ৰ সমৰে হাতে অস্ত্ৰ ধৰি নকৰে ৰণ । শুনিবলৈ পালো সাৰথিহে হব কৃষ্ণ পাৰ্থৰ ৰথৰ হাঃ হাঃ-- বাৰু ব'লা যাঁও সমৰ প্ৰস্তুতি আমাৰ কৰোঁগে নিৰীক্ষণ-

**সূত্ৰ ঃ শকুনিৰ বাদে বাকীসকলৰ প্ৰস্থান । শকুনিয়ে যি কয় --------**

শকুনি ঃ মুৰ্খ দুৰ্যোধন, মাণিক লৈ গ'ল পাৰ্থই , শাহটোহে লভি তই কৰিছ উল্লাহ । পাৰ্থই চিনিলে , বিদুৰে চিনিলে আৰু চিনিলো মই জগতৰ পতি শ্ৰীকৃষ্ণক ; কিন্তু নিচিনিলি তহঁতে -- হাঃহাঃ চিনিবি কেনেকৈ, তহঁতৰ মন মগজুত ময়লা সানিলে এই মাতুল শকুনিয়ে -- হাঃ হাঃ মুৰ্খহঁত , আনন্দ কৰ , নাৰায়ণী সেনাক লভিয়ে তহঁতে আনন্দ কৰ হাঃ হাঃ --

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান। সভাত সিন্ধুৰাজ জয়দ্ৰথৰ প্ৰৱেশ --- ( বাজনা- ভঙ্গী )**

জয়দ্ৰথ ঃ সিন্ধুৰাজ মই জয়দ্ৰথ জগত বিখ্যাত । কিন্তু নিচিনিলে মোক পঞ্চপাণ্ডৱে ; কৰে অপমান মোক কাম্যবনে । আঃ নুশুনো আৰু মই পাণ্ডৱৰ নাম । পাইছো সুযোগ, হব কুৰুক্ষেত্ৰ ৰণ ; শিৰে লৈ আশীষ মহাদেৱৰ লম পাণ্ডৱৰ ওপৰে মই প্ৰতিশোধ ভীষণ । যাঁও মই সেই উদ্দেশ্যে কৌৰৱ শিৱিৰে কৰোঁ অংশগ্ৰহণ ---

সূত্ৰ ঃ জয়দ্ৰথৰ প্ৰস্থান । সভাত ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ প্ৰৱেশ ---

গীতঃ ( ৰাগ - আশোৱাৰী ; তাল - পৰিতাল )

ভাৰ্যাৰ হাতে ধৰি আহে ব্যাসৰ নন্দন ।
চিন্তান্বিত দুয়ো আজি বিষাদিত মন ।।
হেন জানি নৰলোকে এৰা আন কাম।
নিৰন্তৰ লোকে ডাকি বোলা ৰাম ৰাম ।।

ধৃতৰাষ্ট্ৰ ঃ গান্ধাৰী , গান্ধাৰী , কিয় তুমি আছা মৌন হে ? তোমাৰ মৌনতাই মোৰ উদ্বিগ্নতা বৃদ্ধি কৰে ।

গান্ধাৰী ঃ - তাকে নকৰি কৰিম কি ? কি পিতা, কি পুত্ৰ কোনোৱে নুশুনে মোৰ বচন। নুবুজে মূল্য মোৰ চকুৰ লোটকৰ । তেনেস্থলত মই এতিয়া কৰোঁ কি ? কওঁক নাথ , কি কৰোঁ এতিয়া মই ?

ধৃতৰাষ্ট্ৰ ঃ ধৈৰ্য্য ধৰা গান্ধাৰী , ধৈৰ্য্য ধৰা। মই সকলো বুজিছো। ময়ো পিতা কৌৰৱৰ ; একেই দুখ আৰু শংকাত জৰ্জৰিত আজি ধৃতৰাষ্ট্ৰ । পাৰিব জানো পুত্ৰগণে জিনিব কুৰুক্ষেত্ৰ ৰণ ? অসম্ভৱ , অসম্ভৱ ---

গান্ধাৰী ঃ তেন্তে নাথ, বাধা দিয়ক পুত্ৰগণক, বাৰণ কৰক কুৰুক্ষেত্ৰ মহাৰণ। নতু শেষ হৈ যাব সকলো।

ধৃতৰাষ্ট্ৰ ঃ যাওক, সকলো শেষ হৈ যাওক ; আমাতেই শেষ হওক হস্তিনাৰ কীৰিতি । আৰু এক গ্লানি ৰাখো জগতত নিষ্কৰ্মা ধৃতৰাষ্ট্ৰ বুলি । হস্তিনাৰ সিংহাসনৰ বাবেইটো আজি এই ৰণৰ আয়োজন।

গান্ধাৰী ঃ বুজিছো নাথ, এয়া আপুনি কোৱা নাই ; কৈছে আপোনাৰ বুকুত বলি থকা অশান্ত ধুমুহাজাকে।

ধৃতৰাষ্ট্ৰ ঃ সঁচা গান্ধাৰী, আজি মই নিৰুপায়, দিক-বিদিক হেৰুৱাই হৈছো অসহায় । নুশুনে আজি পিতাৰ বচন পুত্ৰগণে; আঁকোৰগোজ দুৰ্যোধন ; কোনো পৰামৰ্শই সি নকৰে গ্ৰহণ । মই কি কৰোঁ কোৱা প্ৰিয়ে ? এই অন্ধ বৃদ্ধই আজি কেনেকৈ কৰোঁ নিয়ন্ত্ৰণ মোৰ অবাধ্য পুত্ৰগণক ?

সূত্ৰ ঃ এনেতে দুৰ্যোধন-----------------

ধৃতৰাষ্ট্ৰ ঃ কোন ---- ? -- বাচা দুৰ্যোধন---- ?

দুৰ্যো ঃ প্ৰণাম পিতা , প্ৰণাম মাতা , সমাগত কুৰুক্ষেত্ৰ ৰণ -- পুত্ৰক দিয়ক আশীৰ্বাদ ।

গান্ধাৰী ঃ কি আশীষ দিম বাচা ? কুৰুবংশৰ মঙ্গলৰ হেতু মই কৰোঁ অনুৰোধ, ৰণৰ পৰিৱেশৰ নকৰিবি সৃষ্টি বাচা । যুদ্ধই কাৰো বাবে নানে শান্তি ; চাৰিওদিশে আনিব মাথো প্ৰলয়ৰ বিভীষিকা ।

দুৰ্যো ঃ মোক বিচলিত নকৰিবা মাতৃ ; এই ৰণ অনিবাৰ্য্য ।

ধৃতৰাষ্ট্ৰ ঃ বাচা, আমাৰ আশীষ আছে সদায় তোৰ ওপৰত --হওক তোৰেই জয় । তথাপি তোৰ মাতৃৰ লগতে ময়ো কৰোঁ অনুৰোধ। কুৰুৰাজসভাত পাণ্ডৱৰ দুত হৈ যদুপতিয়ে দিয়া প্ৰস্তাৱ মানি লোৱাটোৱেই আমাৰ বাবে মঙ্গল । তেনেস্থলত বাচা কিয় কৰ তই ----

দুৰ্যো ঃ ক'ত মই ভুল কৰিছো পিতা ? কুৰু ৰাজসিংহাসনৰ গৰাকী তুমি বৰ্তমান, পিতাৰ পাছত পুত্ৰ ৰজা হোৱাটোৱেই জানো নহয় পৰম্পৰা ? সেই সূত্ৰে ৰাজসিংহাসন জানো মোৰ নহয় প্ৰাপ্য ?

ধৃতৰাষ্ট্ৰ ঃ তোৰ কথা অসত্য নহয় বাচা --

দুৰ্যো ঃ তেন্তে কিয় মোক কৰিছা বাৰণ ? পাণ্ডৱৰ অন্যায়ৰ বিৰুদ্ধে কৰিছো মই এই ৰণৰ আয়োজন।

ধৃতৰাষ্ট্ৰ ঃ কিন্তু বাচা , সন্দেহ জাগে মোৰ আপোনজনৰ ওপৰত ।

দুৰ্যো ঃ জানো পিতা, আপোনেই কৰে দংশন ; আপোনেই ঢালে হলাহল । তোমালোকেতো মোৰ নাম সুৰ্যোধন আৰু ভাতৃৰ নাম ৰাখিছিলা সুশাসন। পাছে কোনে আমাৰ নাম কৰালে পৰিৱৰ্তন ? নাজানা জানো কোনে দিলে আমাক দুৰাত্মাৰ বিভূষণ ? মাতৃ, মোৰ জন্মৰ সময়ত বোলে ধুমুহা বলিছিল, গাধই মাতিছিল, সেয়ে মই দুৰাত্মা, কুৰুবংশৰ কুলাঙ্গাৰ। কিন্তু , কুন্তী আয়েতো একে পৰিৱেশতে

শতশৃঙ্গ পৰ্বতত ভীমসেনকো দিছিল জন্ম, তেন্তে ভীম কিয় নহ'ল দুৰাত্মা ? হে মোৰ পুজনীয় মাতা - পিতা, তেজিব পাৰে যদি বিশালতা তেজক নীলা অম্বৰে ; তেজিব পাৰে যদি সহিষ্ণুতা তেজক বসুন্ধৰাই , কিন্তু নোৱাৰোঁ তেজিব মই প্ৰতিশোধ পদে পদে পোৱা অপমানৰ --

গান্ধাৰী ঃ তথাপি বাচা , যদুপতিলৈ তই কৰ সমীহ ; নৰৰূপী ভগৱান তেওঁ।

দুৰ্যো ঃ নৰৰূপী ভগৱান ? মগধৰাজ জৰাসন্ধৰ ভয়ত মথুৰা এৰি দ্বাৰকালৈ পলায়ন কৰোঁতাজন হ'ল নৰৰূপী ভগৱান ? হাঃহাঃ শুনা মাতৃ, যদি কৃষ্ণ হয় যদুপতি, মইয়ো কুৰুপতি আৰু শত বীৰ পুত্ৰৰ তুমি গৰবিনী জননী। চিন্তা নকৰিবা মাতৃ উজ্বলাম আমি তোমাৰ নাম ---

গান্ধাৰী ঃ নহয় বাচা, বিচাৰিছে পাণ্ডৱে মাথো পাঁচখন গাঁও । তাকে দি সমাপ্ত কৰ তই এই ৰণ --

দুৰ্যো ঃ অসম্ভৱ মাতৃ ; এঘাৰ অক্ষৌহিনী সেনা সমবেত হৈছেহি আমাৰ পক্ষত - ( নেপথ্যত জয়ধবনি-- জয় কৌৰৱৰ )শুনা মাতা, শুনা পিতা, আকাশে - বতাহে ধবনিত হৈছে কেৱল কৌৰৱৰ বিজয় ধবনি হাঃ হাঃ-----

গান্ধাৰী ঃ আঃ বাচা ; ইমান অহংকাৰী, ইমান মদগৰ্বী তই --- ?

দুৰ্যো ঃ মাতৃ, যদি মই অহংকাৰী তোমাৰ দৃষ্টিত তেন্তে তেনে অহংকাৰক শতবাৰ মই লম আদৰি । আৰু শুনা মাতৃ, পুনৰবাৰ কৰিছো ঘোষণা বিনাযুদ্ধে মই পাণ্ডৱক বেজীৰ আগত অহা মাটিকণো নকৰোঁ প্ৰদান । অ মাতৃ, কদাপি নকৰোঁ প্ৰদান --- **(খঙেৰে প্ৰস্থান )**

গান্ধাৰী ঃ বাচা , বাচা দুৰ্যো --; নাই নুশুনে নাথ , আজি কোনো কথাই আমাৰ নুশুনে দুৰ্যোধনে। অতি দৰ্পে হত লংকা । নাথ, নহয় বিজয় ধবনী, কুৰুকুল ধবংসৰ এয়া আগজাননী --- ( কান্দে )

ধৃতৰাষ্ট্ৰ ঃ বেজাৰ নকৰিবা গান্ধাৰী । পুত্ৰৰ দৃঢ়তাই এই দৃষ্টিহীন পিতাৰ মনৰ আকাশত সৃষ্টি কৰালে আশাৰ সঞ্চাৰ । প্ৰিয়ে , শুনিলানে তুমি পুত্ৰৰ বীৰোচিত বচন ; জগতৰ ৰথী মহাৰথীৰ ঘটিছে আগমন আমাৰ শিৱিৰলৈ । তেওঁলোকৰ পৰাক্ৰমত বিজয় শ্ৰীও লভিব পাৰে আমাৰ বাচাই ।

গান্ধাৰী ঃ নাথ , আপুনিও নিচিনিলে দৈৱকী নন্দনক ---- ?

ধৃতৰাষ্ট্ৰ ঃ পাইছো , পাইছো চিনি যদুপতিক । তেঁৱেই টানিব দুয়ো পক্ষৰ মাজত পাৰ্থক্যৰ ৰেখা । শেষ ভৰসা এতিয়া ভগৱন্তহে আমাৰ। ব'লা প্ৰিয়ে, কৰোঁগৈ মিনতি ; পুত্ৰক যেন সুমতি কৰে প্ৰদান।

<u>সূচনা</u>

**দেখা দেখা সৰ্বজন মাধৱৰ লীলা।**
**কিনো ভাগ্য কিনো ভাগ্য কপালে লিখিলা।।**

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত কুন্তীৰ প্ৰৱেশ ---</u>**

<u>গীত - ( ৰাগ ঃ শ্ৰী ; তাল ঃ জ্যোতি )</u>

**প্ৰৱেশিলা সভা মাজে কুন্তী মহাসতী ।**
**চিন্তান্বিত মনে আছে পাণ্ডৱ জননী ।।**
**ধীৰে ধীৰে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্ব নৰ ।।**

কুন্তী ঃ সমাগত আজি কুৰুক্ষেত্ৰ ৰণ । হে প্ৰভু, কেনেদৰে আজি বুজাওঁ পুত্ৰগণক ? কেনেদৰে বুজাঁও ভীমাৰ্জুনক ? জানো মই, অপমানতকৈ মহাৰণেই কাম্য মোৰ পুত্ৰগণৰ । কিন্তু পাৰিব জানো সিহঁতে কৰিব পৰাস্ত কৌৰৱসেনাক আছে য'ত পিতামহ ভীস্ম আৰু গুৰু দ্ৰোণাচাৰ্য ? শিষ্য বুলি হয়তো গুৰুদেৱে মোৰ পুত্ৰগণৰ নহৰিব প্ৰাণ । স্নেহত আতুৰ হৈ পিতামহেও নহৰে মোৰ পুত্ৰগণৰ

প্ৰাণ। কিন্তু কৰ্ণ ? আঃ কৰ্ণটো মহাৰথী এই ধৰাৰ বক্ষত। নাজানি পৰিচয় কৰ্ণই পাণ্ডৱক কৰে চিৰশত্ৰু জ্ঞান। নাই নাই কিবা এক অনৰ্থক ঘটাৰ পূৰ্বে কৰিব লাগিব মই সত্য প্ৰকাশ। অ যিয়েই নহওক সত্য আজি মই কৰিম প্ৰকাশ ---

**সূত্ৰ ঃ চিন্তান্বিত মনে কুন্তীৰ প্ৰস্থান। আনফালে ধূপ-দ্বীপ লৈ কৰ্ণ --**

কৰ্ণ ঃ ঔম সূৰ্যদেৱায় নমঃ -----

**সূত্ৰ ঃ কৰ্ণই ধ্যান কৰি থাকে। এনেতে কুন্তী আহি কৰ্ণৰ পাছত ৰয় --**

কৰ্ণ ঃ( ধ্যান সামৰি ঘূৰে ) কোন তুমি দেৱী ? কোৱা, কি লাগে তোমাক ?

কুন্তী ঃ (স্বগতঃ ) কেনেদৰে দিওঁ পৰিচয় --- ? কি ভাবিব মোক ?

কৰ্ণ ঃ কোৱা দেৱী ; সুত পুত্ৰ এই কৰ্ণই তোমাৰ প্ৰয়োজন কৰিব পূৰণ --

কুন্তী ঃ নহয় কৰ্ণ ; তুমি নহয় সুত পুত্ৰ ; আছে তোমাৰ অন্য পৰিচয় --

কৰ্ণ ঃ নহয় দেৱী, জগতে জানে মোক সুত পুত্ৰ বুলি আৰু তাকে লৈ মই কৰোঁ গৌৰৱ।

কুন্তী ঃ নহয় কৰ্ণ, তুমি নোহোৱা সুত পুত্ৰ, তুমি কুন্তেয় ; অ বাচা তুমি এই দুখুনী কুন্তীৰেই পুত্ৰ --

কৰ্ণ ঃ মাতৃ ; নাই নাই তুমি মোৰ মাতৃ হব নোৱাৰা ; তুমি জননী পঞ্চ পাণ্ডৱৰ। মাতৃ মোৰ আজলী ৰাধা ; অ ৰাধেয় মই ৰাধাৰ তনয় --

কুন্তী ঃ তেনেকৈ নকবা বাচা ; ময়ে তোমাৰ অভাগিনী মাতৃ আৰু সৌ সূৰ্যদেৱ হৈছে তোমাৰ পিতা। মহৰ্ষি দুৰ্বাসাৰ আশীষৰ প্ৰমাণ চাবলৈ গৈ সূৰ্যদেৱৰ লগত কুমাৰী কালতে কৰিলো মই যৌৱনৰ ভুল আৰু তাৰেই পৰিণতি ৰূপে বাচা তোমাৰ জনম।

কৰ্ণ ঃ যদি তোমাৰ কথা সত্য হয় কিয় নিজকে পালো মই মাতৃ ৰাধাৰ কোলাত ?

কুন্তী ঃ সমাজৰ ভয়ত ; অ পুত্ৰ লোক নিন্দাৰ ভয়ত। জন্মৰ পাছতেই বাচা তোমাক এই নিষ্ঠুৰ মাতাই নিজ হাতেৰে পাচিত ভৰাই ভৰা গঙ্গাত দিছিলো উটুৱাই ---- ( কান্দে )

কৰ্ণ ঃ নাকান্দিবা জননী, শুনিলো মোৰ জনম কাহিনী আজি তোমাৰ মুখেৰে। অপেক্ষা আছিল মোৰ এই দিনলৈকে। শুনা জগতবাসী, ময়ো কুন্তেয় ; মাতৃৰ মমতাক ভৰিৰে মোহাৰি, হৃদয়ক কৰি পাষাণ জনমৰ প্ৰভাতি বেলাতে মাতৃয়ে দিছিল মোক নদীত উটুৱাই। পাছে মাতৃ, অতদিনে ৰাখি গোপনে এই পৰিচয় কিয় আহিলা আজি মোৰ সমীপে ?

কুন্তী ঃ বাচা, মাতৃয়ে আজি তোমাৰ পৰা মাগিছো ভীক্ষা -- জ্যেষ্ঠ তুমি পঞ্চ পাণ্ডৱৰ ; নকৰিবা তুমি কুৰুক্ষেত্ৰ ৰণ নিজ ভাতৃৰ বিৰুদ্ধে কৌৰৱৰ পক্ষৰ হৈ।

কৰ্ণ ঃ অসম্ভৱ, এয়া অসম্ভৱ। নিচিনিলা তুমি মোক যিটো ক্ষণত, সেই ক্ষণতে সখা দুৰ্যোধনে জগতত দিয়ালে আমাৰ পৰিচয় অঙ্গৰাজ বুলি। বিপদৰ ক্ষণ এতিয়া চাপিছে সখাৰ আৰু কি মই বিশ্বাসঘাটকেৰে তাৰ দিম প্ৰতিদান ? ক্ষমিবা মাতৃ, ৰণ মোৰ অনিবাৰ্য পাণ্ডৱৰ বিৰুদ্ধে --

কুন্তী ঃ মোক বিমুখ নকৰিবা বাচা ; যদি কৰাই ৰণ তেন্তে দিয়া মোক বচন পঞ্চপুত্ৰৰ জননী ৰূপে আছো জীয়াই ; ৰণৰ পাছতো যেন পঞ্চপুত্ৰক জীৱিত ৰূপত মই পাঁও সন্মূখত ---

কৰ্ণ ঃ হাঃ হাঃ বুজিলো মাতৃ তোমাৰ আগমনৰ কাৰণ। আকুলিত হৈ এই কৰ্ণৰ স্নেহত অহা নাই তুমি এই স্থানে। কিজানি অহিত হয় পাণ্ডৱৰ এই কৰ্ণৰ হাতে সেই শংকাতে পৰিচয় দিলাহি আমাৰ অতি গোপনে। দিলো মাতৃ তোমাক বচন -- অৰ্জুনক বাদ দি চাৰি পুত্ৰৰ জীৱন নকৰোঁ হানি।

কুন্তী ঃ কিন্তু বাচা, অৰ্জুনক কিয় --- ?

কৰ্ণ ঃ হয় কৰ্ণ, নহয় অৰ্জুন কোনোবা এজনহে থাকিব এই ধৰাৰ বক্ষত। চিন্তা নকৰিবা মাতৃ, তেতিয়াও তোমাৰ পাঁচ পুত্ৰই থাকিব জীয়াই। তুমি পঞ্চ পুত্ৰৰে জননী হৈ থাকিবা মাতৃ, পঞ্চ

পুত্ৰৰে তুমি জননী -- ( **বেগেৰে কৰ্ণৰ প্ৰস্থান** )

কুন্তী ঃ কৰ্ণ, কৰ্ণ ---কেনেদৰে বুজাওঁ বাচা এই মাতৃৰ হৃদয়ত আজি কিমান ধুমুহা বলিছে ? কাকো হেৰুৱাব মই নিবিচাৰো বাচা , কাকো হেৰুৱাব নিবিচাৰো মই --

**সূত্ৰ ঃ দুখমনে কুন্তীৰ প্ৰস্থান । আনফালে সভাত পঞ্চপাণ্ডৱ ----**

যুধিষ্ঠিৰ ঃ ভাতৃগণ, আছে আৰু কিছু ক্ষণ, ঘটিব কুৰুক্ষেত্ৰ ৰণ। আহি পালে শিৱিৰত মৎস্যৰাজ বিৰাট, পাঞ্চালৰাজ দ্ৰোপদ আদি যত বীৰগণ ; কিন্তু এতিয়াও কিয় অহা নাই দৈৱকীনন্দন -- ?

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ ---------**

কৃষ্ণ ঃ পাণ্ডৱগণ , পৰিহাৰ কৰক চিন্তন ; ধৰ্মৰ পক্ষত কিয় উপস্থিত নাথাকিব এই দৈৱকীনন্দন --

পাণ্ডৱগণঃ প্ৰণাম জনাৰ্দন -----

কৃষ্ণ ঃ পাণ্ডৱগণ, অনিবাৰ্য কুৰুক্ষেত্ৰ ৰণ ----

ভীম ঃ হয় যদুপতি, এই ৰণৰ বাবেই কৰিছো মই অধীৰ প্ৰতিক্ষা । পাহৰা নাই মই প্ৰতিজ্ঞা ; কৰিম বুকুফালি ৰক্তপান পাপী দুশাসনৰ , কৰিম উৰুভঙ্গ পাতকী দুৰ্যোধনৰ ।

কৃষ্ণ ঃ হে বীৰশ্ৰেষ্ঠ বৃকোদৰ, নিশ্চয় পাব আপুনি পূৰ্ণ সুযোগ । পাছে নিৰ্বাচন কৰিব লাগে আমি এতিয়া এজন যোগ্য সেনানায়ক , যিজনে পাণ্ডৱ সেনাক যোগ্যভাৱে দিব পাৰে নেতৃত্ব ।

যুধিষ্ঠিৰ ঃ জনাৰ্দন, আপুনি অতি উচিত কথাই কৰিছে ব্যক্ত। নিশ্চয় আমাক প্ৰয়োজন হ’ব এজন যোগ্য সেনানায়কৰ । সেইহেতু আমি নিৰ্বাচন কৰিছো দ্ৰুপদনন্দন ধৃষ্টদ্যুম্নদেৱক ।

কৃষ্ণ ঃ যোগ্য ব্যক্তিকে কৰিছে নিৰ্বাচন ; ব’লক এতিয়া আমিও এবাৰ কৰোঁ সাক্ষাত আমাৰ বীৰগণক -

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত দুৰ্যোধন , দুঃশাসন , কৰ্ণ আৰু শকুনি --**

দুৰ্যো ঃ সখা, মামা আৰু ভাই দুঃশাসন , আহি পালে সোণালী ক্ষণ -- অচিৰতে হ’ব কুৰুক্ষেত্ৰ ৰণ -- হাঃ হাঃ এটা এটাকৈ , এটা এটাকৈ পঞ্চ পাণ্ডৱক আমি কৰিম নিধন -----

**সূত্ৰ ঃ এনেতে অশ্বত্থামা আৰু জয়দ্ৰথ -----**

অশ্ব ঃ জ্যেষ্ঠ কৌৰৱৰ জয় হওঁক । যুৱৰাজ, আহি পাইছেহি আমাৰ শিবিৰত এয়া সিন্ধুৰাজ জয়দ্ৰথ।

জয়দ্ৰথ ঃ প্ৰণাম কৌৰৱগণ, ৰণতৃষ্ণা লৈ আহিছো মই আপোনাসৱৰ সমীপে । বিজয় তিলক পিন্ধোৱাই জ্যেষ্ঠ কৌৰৱক , যাম মই নিজ ৰাজ্যলৈ হাঃ হাঃ হাঃ ----

দুৰ্যো ঃ উত্তম, অতি উত্তম, হে ভগ্নীপতি সিন্ধুৰাজ, আপোনাৰ পৰা কাম্য মোৰ এনে সহায়ৰে। আপোনাৰ দৰে মহাৰথীৰ যোগদানে শক্তি বৃদ্ধি কৰিলে আজি আমাৰ । মামা, সাহস বাঢ়িল মোৰ দুগুণে, ইঙ্গিত লক্ষ্যক মই দেখিছো নিকটে হাঃ হাঃ----

শকুনি ঃ দেখিবা ভাগিন, কিয় নেদেখিবা ? ভাগ্যৰ চকৰি, ৰণৰ চকৰি ময়ো দেখা পাইছো আজি তোমাৰ শুভ কপালত । পাছে ভাগিন, ৰণলৈ আছে মাথো কেইটামান পল -- পাণ্ডৱে ধৃষ্টদ্যুম্নক কৰিছে সেনাপতি নিৰ্বাচন । তোমাৰহে চোন নাই কোনো আয়োজন ?

দুৰ্যো ঃ মামা, সখা কৰ্ণ থাকোতে কিয় ভাৱিব লাগে মই আনৰ কথা ---- ?

কৰ্ণ ঃ নহয় সখা, সুত পুত্ৰ বুলি জগতে হঁহাজনক সখা বুলি তুমি ল’লা আঁকোৱালী ; অঙ্গৰাজ্য দান দি পাতিলা অঙ্গৰাজ। কিন্তু সখা, এইবাৰ কৰোঁ অনুৰোধ, নিদিবা তুমি মোক কুৰুসেনাৰ দায়িত্ব। আছে বহু যোগ্যজন আমাৰ শিৱিৰে ; তেখেতসৱকে দিয়া এই দায়িত্ব ।

দুৰ্যো ঃ কিন্তু সখা ---

শকুনি ঃ অঙ্গৰাজে উচিত কথাই কৈছে । থাকোতে পিতামহ , কোন হ’ব পাৰে সেনাপতিৰ যোগ্য ?

কৰ্ণ ঃ সখা, মামাই দিছে উচিত প্ৰস্তাৱ । পিতামহকে দিয়া কুৰুসেনাৰ দায়িত্ব । কৰ্ণই কৰিব ৰণ তেখেতৰ নিৰ্দেশত । নাথাকে মোৰ কোনো আক্ষেপ তাত ।

দুৰ্যো ঃ যদি সকলোৱেই ভাৱিছে তেনেকৈ , তেন্তে ব'লক যাওঁ আমি পিতামহৰ সমীপে।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ভীষ্ম, দ্ৰোণাচাৰ্য আৰু কৃপাচাৰ্য্যৰ প্ৰৱেশ ----**

**গীত - ( ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল)**

**সভাত প্ৰৱেশ কৰে ভীষ্ম মহাবীৰ।**
**সঙ্গে আহে দ্ৰোণ আৰু কৃপাচাৰ্য্য বীৰ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ভীষ্ম ঃ আচাৰ্য্যদেৱ, সময় যে ইমান বলবান, গৈছে আজি আমাৰ বিপৰীতে । নাজানো হস্তিনাৰ ভৱিষ্যত আজি কোন দিশে ধাৱমান ? নাজানো আমি আজি উচিত পদক্ষেপেই লৈছো নে অনুচিত ? অহংকাৰী দুৰ্যোধন অন্যায়ৰ প্ৰতীক। কিন্তু চাওঁক আমাৰ দুৰ্ভাগ্য হস্তিনাৰ প্ৰহৰীৰূপে আজি আমি থাকিব লগা হৈছে অন্যায়ৰ পক্ষত ।

দ্ৰোণ ঃ বেজাৰ নকৰিব পিতামহ। বিধাতাৰো নিশ্চয় এয়াই ইচ্ছা। হয়তো আমিয়েই ক'ৰবাত কৰিছিলো পাপ, আৰু তাৰ ফল আজি কৰিছো ভোগ অধৰ্মৰ পক্ষত দি সহায়ৰ হাত ।

**সূত্ৰ ঃ এনেতে দুৰ্যোধন, দুঃশাসন, কৰ্ণ আৰু শকুনি -----**

সকলো ঃ প্ৰণাম কুৰু জ্যেষ্ঠগণ -----

ভীষ্ম ঃ দীৰ্ঘায়ু হোৱা । কিয় আহিলা তোমালোক আমাৰ সমীপে ? দুৰ্যোধন , তুমিটো এতিয়া ব্যস্ত থাকিব লাগিছিল সমৰ প্ৰস্তুতিত । বিচৰা ধৰণেৰেই পালা তুমি কুৰুক্ষেত্ৰ ৰণ ।

দুৰ্যো ঃ সমৰ প্ৰস্তুতিৰ এক অংগ হিচাপেই আহিছো আমি এক প্ৰস্তাৱ লৈ আপোনাৰ সমীপে । হে পিতামহ , কুৰুসেনাৰ প্ৰধান সেনা নায়কৰ দায়িত্ব আপুনি গ্ৰহণ কৰি আমাক কৰক কৃতাৰ্থ ।

ভীষ্ম ঃ দুৰ্যোধন , কিয় অস্তাচলত কৰিছাহি সূৰ্যোদয়ৰ সন্ধান ? অস্তমিত আজি ভীস্মৰ শক্তি। নোৱাৰে বহন কৰিব এনে দায়িত্ব । আছে মহাৰথী এয়া গুৰু দ্ৰোণাচাৰ্য্য , এখেতকে অৰ্পণ কৰা এই দায়িত্ব ।

দ্ৰোণ ঃ হে কুৰুবংশৰ শিৰোমণি, পৰশুৰাম বিজেতা দেৱব্ৰত, ই অসম্ভৱ । আপোনাৰ নিৰ্দেশতহে ৰণ কৰিব বিচাৰোঁ মই। আপুনিয়েই হওঁক কুৰুসেনাৰ সেনানায়ক ।

শকুনি ঃ হয় হয় পিতামহ, অতীতে কয় আপুনি হস্তিনাৰ ৰক্ষকৰ দায়িত্ব কৰিছে পালন। বাৰ্ধক্যৰ বাবে নকৰিব চিন্তা ; আছে বীৰ অশ্বত্থামা , আছে এয়া মহাৰথী কৰ্ণ আপোনাৰ সহায় ---

ভীষ্ম ঃ শকুনি, ভীষ্মৰ বাৰ্ধক্যক লৈ তুমি নকৰিবা চিন্তা ; আৰু কাক মহাৰথী বুলি কৰিছা সম্বোধন ? কৰ্ণ ? আছে জানো এওঁৰ মহাৰথীৰ গুণ ? পৰনিন্দুক যি , অভিশপ্ত যি তেনেজন হব নোৱাৰে কদাপি মহাৰথী ; আমাৰ মানত তেওঁ অৰ্দ্ধৰথী মাথো ।

কৰ্ণ ঃ আঃ অপমান, পুনৰবাৰ আজি হ'লো মই অপমানিত । পিতামহ , কোনোদিনে আপুনি মোক নকৰিলে স্নেহ । সন্দেহ আৰু ঘৃণাৰ দৃষ্টি মোৰ প্ৰতি নাঁতৰিল আপোনাৰ । কৰ্ণ মই, মোৰো আছে স্বাভিমান, মোৰো আছে পৌৰুষত্ব । সেয়েহে কৰিছো ময়ো পণ, যত দিন পিতামহে কৰিব ৰণ কুৰুক্ষেত্ৰ সমৰে , তত দিন অস্ত্ৰ নধৰে এই সুতপুত্ৰ কৰ্ণই।

দুৰ্যো ঃ সখা , কি কৈছা এয়া তুমি ; তুমি ৰণক্ষেত্ৰৰ পৰা থাকিবা আঁতৰি ?

কৰ্ণ ঃ অ সখা, ক্ষমা কৰিবা মোক , নিৰুপায় মই । এনেদৰে অপমানিত হৈ নোৱাৰিম মই কৰিব

রণ । কিন্তু কথা দিলো সখা, এই অযোগ্য কর্ণই এদিন মহা পৰাক্ৰমেৰে কৰি ৰণ বিজয়শ্ৰী তোমাক কৰিম প্ৰদান । মই আঁহো সখা ---- ( **প্ৰস্থান** )

দুৰ্যো ঃ সখা, সখা , আঃ পিতামহ , এয়া কি কৰিলে আপুনি ? সখা মোৰ কৰ্ণ অতিকে আপোন । কিয় কৰ্ণক আপুনি কৰিলে অপমান ? উসঃ সখাৰ ভৰসাতে মই কুৰুক্ষেত্ৰ ৰণৰ কৰিছিলো আয়োজন ; দেখিছিলো সপোন বিজয়ী হোৱাৰ ; অথচ সেই কৰ্ণকেই আজি আপুনি -------

ভীষ্ম ঃ দুৰ্যোধন, কৰ্ণৰ ওপৰত যদি তোমাৰ ইমানেই ভৰসা তেন্তে কিয় আহিছা আমাৰ সমীপে ? চিত্ৰসেন গন্ধৰ্বৰ হাতত তুমি বন্দী হওঁতে কি কৰিছিল তোমাৰ মহাৰথী সখাই ? যি কৰ্ণই তোমাক নোৱাৰিলে উদ্ধাৰ কৰিব, সেই কৰ্ণৰ ওপৰত আজি তোমাৰ ইমান ভৰসা ?

কৃপাচাৰ্য্য ঃ ক্ৰোধ নকৰিব পিতামহ ; হস্তিনাৰ কথা ভাবি দুৰ্যোধনৰ প্ৰস্তাৱ আপুনি কৰক গ্ৰহণ ।

ভীষ্ম ঃ আচায্যদেৱ, ৰাজ ধৰ্ম ৰক্ষাৰ হেতু আজি মই কুৰুসেনাৰ নেতৃত্বৰ দায়িত্ব ল'লো শিৰপাতি । কিন্তু মনত ৰাখিবা কৌৰৱগণ, ন্যায়মতে কৰিবা ৰণ ; ৰথীয়ে ৰথীক, মহাৰথীয়ে মহাৰথীক কৰিবা আক্ৰমণ ; দিবা ৰণে লাগি সূৰ্যাস্ত্যত পৰিব বিৰাম । দুৰ্যোধন, কথা দিলো ময়ো তোমাক নবধো পঞ্চ পাণ্ডৱক, কিন্তু প্ৰতিদিনে পাণ্ডৱ পক্ষৰ দহ হাজাৰকৈ সেনানীক মই কৰিম নিধন ।

দ্ৰোণ ঃ উত্তম সিদ্ধান্ত আপোনাৰ । কালিলৈ প্ৰভাততে হ'ব ৰণ আৰম্ভ , সেই হেতু এতিয়া আমি খন্তেক বিশ্ৰাম লোৱাটো উচিত হ'ব । ব'লক যাঁও আমি নিজ কক্ষে ---

**সূত্ৰ ঃ ভীষ্ম , দ্ৰোণ আৰু কৃপাচাৰ্যৰ প্ৰস্থান -----**

দুঃশাস ঃ দাদা, এয়া কি ? অঙ্গৰাজে নকৰে ৰণ, পিতামহে নামাৰে পঞ্চপাণ্ডৱক । এয়াটো আমাৰ বাবে--

দুৰ্যো ঃ পিতামহে পাণ্ডৱক বধিব বুলি তুমি ভাৱিছা দুশাসন ? আমাৰ বাবে দুৰ্ভাগ্য আজি পিতামহ । অনিচ্ছা সত্বেও দিব লগা হৈছে পিতামহক সেনানায়কৰ দায়িত্ব । আকাংখিত ৰণ আজি নিচেই সমীপত ; কিন্তু সখাহীন ৰণৰ আৰম্ভণী হাঃ হাঃ এয়াটো নাছিল মোৰ কাম্য ---

শকুনি ঃ নিৰাশ নহ'বা ভাগিন, পিতামহে নবধে কেৱল পঞ্চ পাণ্ডৱকহে , কিন্তু প্ৰতিদিনে মাৰিব দহ হাজাৰকৈ পাণ্ডৱ সেনানী, সেয়াইটো যথেষ্ট । বাকীখিনি আমাৰ মহাৰথীসকলৰ ওপৰত দিয়া এৰি । দেখিবা বিজয় মুকুট তুমিয়েই পিন্ধিবা হেঃ হেঃ -- এতিয়া ব'লা খন্তেক লওঁগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে ৰণক্ষেত্ৰত কৃষ্ণাৰ্জুন ---**

অৰ্জুন ঃ হে জনাৰ্দন, মোৰ মন হৈছে অতিকে অস্থিৰ । কেনেকৈ বাৰু সৌ পিতামহৰ লগত মই কৰোঁ ৰণ, যিজনে মোক কোলাত লৈ কৰিছিল আদৰ । সৌৱা মোৰ শিক্ষাগুৰু দ্ৰোণাচায্য , শিষ্য হৈ গুৰুৰ লগত -- সৌৱা মোৰ ভাতৃগণ, কাৰ লগত মই ৰণ কৰিবলৈ আহিলো সখা ? কাক আজি মই কৰিম নিধন ? নাই নাই নোৱাৰোঁ , নবধো মই আত্মীয়গণক, নকৰোঁ মই ৰণ । সখা, নালাগে আমাক ৰাজ্য ঘুৰাই । পুনৰ বনলৈকে যাম ঘূৰি ---

কৃষ্ণ ঃ পাৰ্থ, কাৰবাবে তুমি কৰিছা শোক ? জীৱিত কিম্বা মৃত কাৰোবাবে জ্ঞানীজনে নকৰে শোক । জানিবা পাৰ্থ, আত্মাৰ নাই মৰণ ; কোনোৱেই কাকো নোৱাৰে মাৰিব , তুমি মাত্ৰ নিমিত্তহে হ'বা । চোৱা পাৰ্থ তুমি আমাৰ ফালে, এই ৰণৰ আয়োজন আমিয়ে কৰিছো । আমিয়ে ইয়াৰ ভাগ্য বিধাতা -

**সূত্ৰ ঃ শ্ৰীকৃষ্ণই বিশ্বৰূপ ধাৰণ কৰে । দবা শঙ্খ বাজে ---**

( **শ্লোক** )

**যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৰত । অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম ।।**
**পৰিত্ৰাণয় সাধূনাং বিনাশায়চ দুস্কৃতাম । ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে ।।**

অৰ্জুন ঃ প্ৰভু , ক্ষমা কৰিবা প্ৰভু , সাধাৰণ মনুষ্য মই, হৈছিলো বিচলিত । কিন্তু দেখা পালো সকলো । কৰিছো পণ এনে ক্ষণ আৰু নাহিব দুনাই। ৰণ কৰিবলৈ প্ৰস্তুত আছো মই।

কৃষ্ণ ঃ উত্তম সখা , এয়াই হৈছে ক্ষত্ৰিয়ৰ বচন। সৌৱা পিতামহ আহিছে আগবাঢ়ি। সাজু হোৱা তুমি --

**সূত্ৰ ঃ এনেতে ৰণ সাজে ভীষ্ম -----**

ভীষ্ম ঃ পাৰ্থ , কি হ'ল তোমাৰ ? সন্মূখত কুৰুসেনানী দেখি হৈছা নেকি ভয়ত কম্পমান ?

অৰ্জুন ঃ হে পিতামহ, সন্মূখত মহাকাল থাকিলেও এই ধনঞ্জয় নহয় কম্পমান । নিশ্চয় ৰণ কৰিম মই আপোনাৰ লগত । প্ৰথমে মোৰ প্ৰণাম আপুনি কৰক গ্ৰহণ।

ভীষ্ম ঃ জয়ী হোৱা পাৰ্থ ----------------

## গীত

**এহি বুলি দুয়োবীৰে যুদ্ধ আৰম্ভিলা।**
**যুদ্ধ দেখি দেৱগণে প্ৰমাদ মানিলা।।**

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি সকলোৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে অস্থিৰভাৱে দুৰ্যোধন, পাছত শকুনি সোমাই আহে---**

শকুনি ঃ মিছা ভাগিন, মিছাতেই কুৰুক্ষেত্ৰ ৰণ জিনিম বুলি আমি আকাশত পাতিলো চাঙ। এদিন দুদিনকৈ অষ্টম দিনত দিলেহি ভৰি । ক'তা আজিলৈকে নামমাত্ৰ সফলতাও নাহিল আমাৰ পক্ষে। বুজিলো বুজিলো ভাগিন , পিতামহৰ নেতৃত্বত নোৱাৰিবা তুমি জিনিব পাণ্ডৱক।

দুৰ্যো ঃ কি কৰিম ? এক বলহীন, স্বাৰ্থলোভী বৃদ্ধক কুৰুসেনাৰ দায়িত্ব দিব লগাটো দুৰ্ভাগ্য আজি মোৰ বাবে। মিছা গৌৰৱেৰে গৰ্বিত হৈ দুৰ্বল পিতামহে আঁতৰাই ৰাখিছে সখা কৰ্ণকো ৰণক্ষেত্ৰৰ পৰা।

**সূত্ৰ ঃ এনেতে ভীষ্ম-----------------**

ভীষ্ম ঃ মামা - ভাগিন দুয়ো মিলি কি মন্ত্ৰণা কৰিছা এই ৰাত্ৰি ক্ষণত ---- ?

দুৰ্যো ঃ মন্ত্ৰণা নহয় পিতামহ , নিজৰ দুৰ্ভাগ্যক ধিয়াই আছে আজি এই দুৰ্যোধনে। যোৱা আঠটা দিন আপোনাৰ নেতৃত্বত কৰিলো ৰণ। কিন্তু কি লাভ হৈছে আমাৰ ? সেনাপতি ৰূপে প্ৰতিদিনে পাণ্ডৱৰ কেৱল দহ হাজাৰ দুৰ্বল সেনাক আপুনি নিধন কৰাটো নহয় আমাৰ কাম্য। সেয়েহে দিছো প্ৰস্তাৱ ল'ব বিচাৰে যদি আপুনি স্বেচ্ছাই লওঁক ৰণৰ পৰা অব্যাহতি ।

ভীষ্ম ঃ দুৰ্যোধন, অপমান কৰিছা তুমি মোক। অপমান কৰিছা মোৰ বীৰত্বক। কৰ্তব্যত ভীষ্মই কৰা নাই হেমাহি । কিন্তু কি কৰিছা তুমি আৰু তোমাৰ মিত্ৰগণে ? অ' পাণ্ডৱৰ পৰাক্ৰমক জিনিব নোৱাৰি দোষ বিচাৰি পালা পিতামহ দুৰ্বল বুলি । দুৰ্নাম আৰু নসহো দুৰ্যোধন, কালিলৈৰ ৰণত এটি এটিকৈ পঞ্চ পাণ্ডৱক এই দেৱব্ৰতে কৰিব নিধন --- ( **বেগেৰে প্ৰস্থান** )

দুৰ্যো ঃ হাঃহাঃ এয়া কি শুনিলো মামা ? পিতামহে বধিব পঞ্চ পাণ্ডৱক । ক্ৰোদ্ধ পিতামহৰ সন্মূখীন হ'ব নোৱাৰে সৰগৰ দেৱগণ ; তেনেস্থলত পাণ্ডৱগণ -- হাঃহাঃ মামা, কালিলৈ পাণ্ডৱ হ'ব নিধন ।

শকুনি ঃ অ ভাগিন, কালিলৈ আমাৰ নিশ্চিত বিজয়। তুমি মাথো বিজয় উৎসৱৰ কৰা আয়োজন হাঃহাঃ-

দুৰ্যো ঃ ভবা নাছিলো পিতামহ সন্মত হ'ব বুলি ; ভবা নাছিলো মই ইমান সহজতে আমাৰ আহিব বিজয় । উচিত কথা কৈছা মামা, বিজয় উৎসৱৰ মই কৰোঁগৈ আয়োজন হাঃহাঃ-- ( **প্ৰস্থান** )

শকুনি ঃ যা দুৰ্যোধন ; যিটো পক্ষত আছে দৈৱকীনন্দন, এক ভীষ্ম কি শত শত ভীষ্ম আহিলেও নোৱাৰে কৰিব পাণ্ডৱৰ পতন । মূৰ্খ ভাগিন, তই উৎসৱ পাত নিজ শিবিৰত আৰু মই দিওঁ ৰণাগ্নি

আজি কুৰুক্ষেত্ৰত। জ্বলিবি চিতাগ্নিত তহঁত এটি এটি কৰি আৰু এই মাতুল শকুনিয়ে শত কৌৰৱৰ চিতাভস্ম এই দুহাতেৰে সানি আপোন শৰীৰত উদ্দামেৰে কৰিব নৃত্য হাঃ হাঃ -- অশ্রুৰ বন্যা বোৱাই নিৰান্নবৈটা জ্যেষ্ঠ ভাতৃৰ নামত এই শকুনিয়ে কৰিব নৃত্য -- আঃ মই কান্দিছো কিয় ? নহয় এয়া ক্রন্দনৰ সময় ; মিলিছে ক্ষণ প্রতিশোধৰ ; অ প্রতিশোধ, ভীষণ প্রতিশোধ --

**সূত্র ঃ শকুনিৰ প্রস্থান। আনহাতে আনন্দিত মনে দুর্যোধন সোমাই আহে -------**

দুর্যো ঃ হাঃ হাঃ অবিশ্বাসৰ কলীয়া ডাৱৰ গ'ল আঁতৰি , বিশ্বাসে লৈছে স্থিতি মোৰ পিতামহৰ প্রতি । বিশ্বাসে আনে পণ , পণে আনে দৃঢ়তা আৰু দৃঢ়তাতে আছে আকাংক্ষিত বিজয় । আৰু তাৰবাবে পিতামহে সাঁচিলে পঞ্চবাণ ; অ মৃত্যুৰূপী পঞ্চবাণ পঞ্চ পাণ্ডৱৰ বাবে হাঃ হাঃ ------

**সূত্র ঃ এনেতে অর্জুন--------------------**

অর্জুন ঃ প্রণাম দাদা ----।

দুর্যো ঃ কোন ----- ? কোন এই ৰাত্রি ক্ষণত ----- ?

অর্জুন ঃ মই অর্জুন। দাদা , মোৰ ভক্তিভৰা সেৱা কৰক গ্রহণ ।

দুর্যো ঃ (স্বগতঃ) আচৰিত আচৰিত , পাৰ্থক দেখো আজি মোৰ শিবিৰে। তাতোকৈ আচৰিত প্রথমবাৰ সম্বোধিলে দাদা বুলি মোক । (প্রকাশ্যে) উঠা উঠা , পিছে কিয় আহিলা তুমি শত্রুৰ শিবিৰে ?

অর্জুন ঃ কিয় কয় শত্রু বুলি ? যদিওবা কৰিছো ৰণ ক্ষত্রিয় ধর্ম পালন কৰি তথাপিও জানো ছেদ কৰিব পাৰিব আপুনি ভাতৃত্বৰ বান্ধোন ? তাতে এতিয়া ৰাত্রি ক্ষণ ।

দুর্যো ঃ তাকে ভাবিছো কিয় দিছা আমাক ইমান সন্মান ; আছে নেকি ইয়াত কিবা চালনা ?

অর্জুন ঃ চালনা ? নাই নাই দাদা । আহিলো আপোনাৰ সমীপে মই মোৰ প্রাপ্য বিচাৰিহে ।

দুর্যো ঃ প্রাপ্য ----- ? কি প্রাপ্য লাগে তোমাক এই ৰাত্রি ক্ষণত ?

অর্জুন ঃ আছেনে মনত দাদা , আপুনি মোক দিম বুলি অঙ্গীকাৰ কৰিছিলে এক উপহাৰ কাম্যবনত ।

দুর্যো ঃ কাম্যবনত ? অ পৰিছে, পৰিছে মনত । কোৱা, কি উপহাৰ লাগে তোমাক ? দিব দুর্যোধনে ; কিন্তু সাৱধান , নল'বা সুযোগ , নিবিচাৰিবা ৰাজ্যদান কিম্বা ৰণৰ সমাপ্তি ।

অর্জুন ঃ নাই নাই দাদা , নিবিচাৰো ৰাজ্যদান কিম্বা ৰণৰ সমাপ্তি। যদি নকৰে ক্রোধ দিবনে কিছু ক্ষণৰ বাবে আপোনাৰ এযোৰ দিব্য সাজ ।

দুর্যো ঃ মোৰ এযোৰ দিব্য সাজ --- ? তাকো কিছু ক্ষণৰ বাবে ; কিন্তু কিয় --- ?

অর্জুন ঃ দাদা, আমাৰ শিবিৰত সেনাক আমোদ দিবৰ বাবে পাতিছো ৰঙ্গশালা । তাতে প্রয়োজন হৈছে ভাও দিবৰ বাবে যুৱৰাজৰ সাজ। দয়া কৰি সেয়ে দিব নেকি মোক আপোনাৰ শিৰৰ মুকুট ?

দুর্যো ঃ হাঃ হাঃ দুর্যোধন ইমান নহয় কৃপণ । লোৱা অর্জুন , লোৱা এয়া মোৰ শিৰৰ মুকুট -----

অর্জুন ঃ ধন্যবাদ দাদা । এতিয়া মই বিদায়হে মাগো ----- **( প্রস্থান )**

দুর্যো ঃ যোৱা অর্জুন যোৱা, হাঃ হাঃ সঁচাই মূর্খ পার্থ । ইমান সুবিধা পাইও সি মোৰ পৰা বিচাৰিলে কেৱল শিৰৰ মুকুট । নিশ্চিত হলো মই মৰণকাল চাপিল ওচৰ পঞ্চপাণ্ডৱৰ হাঃ হাঃ --

**সূত্র ঃ দুর্যোধনৰ প্রস্থান । আনফালে সভাত হাতে টোণ লৈ ( টোণত পাঁচপাত শৰ থাকে ) ভীষ্ম আহে ----**

ভীষ্ম ঃ হে মাতৃ, হে আই গঙ্গা, তোমাৰ পুত্র এই দেৱব্রত আকৌ এবাৰ হ'ব অৱতীর্ণ কঠিন পৰীক্ষাত । ক্রোধান্বিত হৈ দুর্যোধনৰ আগে কৰি পণ বাচি থৈছো এই পঞ্চ শৰ পঞ্চ পাণ্ডৱৰ বাবে । হে প্রভূ, কেনেকৈ বধিম মই কুন্তীৰ তনয়ক ? কেনেকৈ হৰিম মই প্রাণ মাদৃ

তনয়ৰ ? হে হৃদয়, তই কঠিন হ এই ক্ষণৰ পৰাই ; নহলে যে নোৱাৰিম নিক্ষেপ কৰিব বাণ মই চেনেহৰ পঞ্চ পাণ্ডৱলৈ ---( শয়ন কৰিব লয় )-- সিহঁত মোৰ অতি চেনেহৰ --

**সূত্ৰ ঃ এনেতে দুৰ্যোধনৰ মুকুট শিৰে পিন্ধি অৰ্জুন আহে ---**

অৰ্জুন ঃ পিতামহ, শয়ন কৰিলে নেকি ? পিতামহ ----

ভীষ্ম ঃ কোন ? কোন এই গভীৰ ৰাত্ৰি ?

অৰ্জুন ঃ মই দুৰ্যোধন -------

ভীষ্ম ঃ দুৰ্যোধন ? কিয় আহিছা তুমি ? নিদিবা নেকি মোক কৰিব শয়ন ?

অৰ্জুন ঃ নহয় পিতামহ, আপুনি কৰক শয়ন। পিতামহ, পাণ্ডৱৰ বাবে সাজু কৰি ৰখা পঞ্চ বাণ মোকেই কৰক প্ৰদান। নিজ হাতে মই বধি পাণ্ডৱক প্ৰতিশোধৰ অগনি পেলাম শাঁত ।

ভীষ্ম ঃ অ, তুমিয়েই মাৰিবা পাণ্ডৱক। লৈ যোৱা, তুমিয়ে লৈ যোৱা -- টোণত ৰাখিছো মই পৃথকে ।

**সূত্ৰ ঃ অৰ্জুনে পঞ্চ শৰ লৈ প্ৰস্থান কৰে। এনেতে শ্ৰীকৃষ্ণ আহে ----**

শ্ৰীকৃষ্ণ ঃ পিতামহ, নিদ্ৰা গলেই নেকি ?

ভীষ্ম ঃ ( মূৰ তুলি ) জনাৰ্দন ? ( টোণলৈ চাই ) -- অ বুজিলো, আপোনাৰ হাস্যবদনৰ ৰহস্য বুজিলো মই। নাছিল দুৰ্যোধন, আপুনিয়ে কৰিলে চল।

কৃষ্ণ ঃ পিতামহ, আমাৰ পৰামৰ্শত আহিছিল ধনঞ্জয় ; তাৰবাবে আমাক কৰিব ক্ষমা।

ভীষ্ম ঃ এয়া উচিত কাৰ্য নকৰিলে প্ৰভু। মোৰ পণ যে নোৱাৰিম ৰাখিব ; নোৱাৰিম দুৰ্যোধনৰ সন্মূখীন হব। মিছলীয়া পিতামহ বুলি কৌৰৱে মোক কৰিব উপহাস; কিয় মোক উপহাসৰ পাত্ৰ কৰালে জনাৰ্দন ? আঃ পণ ভঙ্গ মোৰ নহয় সহ্য। ময়ো কৰিছো পণ, কালিলৈৰ ৰণত মই আপোনাৰো পণ কৰাম ভঙ্গ। হাতে অস্ত্ৰ ধৰিবলৈ আপোনাক বাধ্য কৰাব এই দেৱব্ৰতে ---

কৃষ্ণ ঃ নিশ্চয় পিতামহ ; এতিয়া আমি বিদায়হে মাগো --- ( **প্ৰস্থান** )

**সূত্ৰ ঃ ভীষ্মৰ প্ৰস্থান । আনফালে ৰণক্ষেত্ৰত কৃষ্ণ- অৰ্জুন ------**

অৰ্জুন ঃ জনাৰ্দন, পিতামহক আজি অতিকৈ ক্ৰোধিত যেন লাগিছে ; সৌৱা ৰুদ্ৰ মূৰ্তি ধৰি সংহাৰ কৰি আমাৰ সেনাক আগুৱাই আহিছে আমাৰ দিশে ----

**সূত্ৰ ঃ ৰণসাজে ভীষ্ম আহে -----**

ভীষ্ম ঃ পাৰ্থ, পাৰ্থ, নিন্দাৰ যোগ্য তুমি। বীৰে নকৰে তেনে কাৰ্য যি কাৰ্য তুমি কৰিলা কালি ৰাতি মোৰ শিৱিৰত। দিম আজি মই তোমাক তাৰ উচিত দণ্ড ---

অৰ্জুন ঃ পিতামহ, সাজু আছো মই ৰণৰ বাবে ----

## গীত

মহাক্ৰোধে পিতামহে বাণ প্ৰহাৰিলা ।
ৰণ দেখি দেৱগণে মনত শংকিলা ।।

**সূত্ৰ ঃ অৰ্জুনৰ হাতৰপৰা গাণ্ডীৱ খহি পৰে। শ্ৰীকৃষ্ণ ক্ৰোধিত হৈ চক্ৰ ধৰে ----**

কৃষ্ণ ঃ গাঙ্গেয়, পাৰ্থক জিনিলেও নোৱাৰা জিনিব তুমি ধৰ্মক ; চাঁও বাৰু তোমাৰ বীৰত্ব কিমান ----

অৰ্জুন ঃ ক্ষান্ত হোৱা সখা, ক্ষান্ত হোৱা ---

ভীষ্ম ঃ হে প্ৰভূ, কাৰ আছে শক্তি আপোনাৰ সন্মূখীন হোৱাৰ ? মোৰ কথা ৰাখিলো জনাৰ্দন, হাতে অস্ত্ৰ ধৰাই আপোনাৰ প্ৰতিজ্ঞা মই কৰালো ভঙ্গ। নিক্ষেপ কৰক প্ৰভূ আপোনাৰ সুদৰ্শন, চিৰমুক্তি দিয়ক এই হতভগীয়া দেৱব্ৰতক ।

কৃষ্ণ ঃ আপুনি মহান, আপুনি সৰ্বশ্ৰেষ্ঠ ধনুৰ্দ্ধৰ। উঠক পিতামহ ----

এঅর্জুন ঃ পিতামহ , এইবাৰ আপুনি নাপাব নিস্তাৰ । স্বৰ্গ , মৰ্ত্য , পাতালক সাক্ষী কৰি কৰিম সৰ্বশক্তিৰে ৰণ মই আপোনাৰ লগত । মাত্ৰ আপুনি হওক সাজু ---

ভীষ্ম ঃ ময়ো তাকেই বিচাৰোঁ অৰ্জুন । নতু নোৱাৰিবা জিনিব তুমি আমাক ---

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি সকলোৰে প্ৰস্থান। আনফালে পুনৰ ভীষ্ম --------------**

ভীষ্ম ঃ হস্তিনাৰ ৰক্ষকৰূপে হৈছিলো প্ৰতিজ্ঞাবদ্ধ । সেয়ে বাধ্য হৈ যোৱা নটা দিনে কৰিছো ৰণ অধৰ্মী দুৰ্যোধনৰ হৈ। আৰু নোৱাৰোঁ, লাগে মোক ইয়াৰ পৰা পৰিত্ৰাণ । আজিয়েই লম মই অব্যাহতি কুৰুক্ষেত্ৰ ৰণৰ পৰা । দিছো পাণ্ডৱক উপায় মোক পৰাস্ত কৰাৰ । শিখণ্ডিৰূপী অম্বাৰ প্ৰতিজ্ঞা পূৰণতো কৰোঁ সহায় । যাওঁ মই স্বেচ্ছাই পৰাজয়ক লওঁগৈ সাৰটি । অৰ্জুন , অৰ্জুন --

**সূত্ৰ ঃ ভীষ্মৰ প্ৰস্থান। আনফালে সভাত শ্ৰীকৃষ্ণ ----**

শ্ৰীকৃষ্ণ ঃ ধন্য পিতামহ, ধন্য আপোনাৰ কৰ্তব্যনিষ্ঠা । ৰাখিলে পণ শিখণ্ডীৰূপী অম্বাৰ , নিজ মুখে পাণ্ডৱক আপোনাৰেই সংহাৰৰ দি উপায় । প্ৰণাম পিতামহ , আপুনি মহান । আনহাতে দুৰ্যোধন , নিশিকিলা একো তুমি ; দ্ৰোণাচাৰ্যক কৌৰৱৰ সেনাপতি পাতি যাব ওলাইছা তেওঁৰ কাষে এক বিশেষ উদ্দেশ্যত । যোৱা দুৰ্যোধন যোৱা ; আমাৰ ইচ্ছাতে জগত চলিছে ; আমাৰ ইচ্ছাতে কুৰুক্ষেত্ৰ ৰণে গতি কৰিছে । যাঁও এতিয়া আমি নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে দ্ৰোণাচাৰ্য আহে ---**

দ্ৰোণ ঃ কুৰুসেনাৰ দায়িত্ব লৈ অশেষ কষ্ট কৰিলো আজি কৌৰৱৰ বাবে । তথাপি নোৱাৰিলোঁ পৰাস্ত কৰিব ভীমাৰ্জুনক । ধন্য মানিছো আজি মই মোৰ শিষ্যৰ পৰাক্ৰমত ---

**সূত্ৰ ঃ এনেতে দুৰ্যোধন , কৰ্ণ আৰু জয়দ্ৰথ আহে ----**

সকলো ঃ প্ৰণাম গুৰুদেৱ ---

দ্ৰোণ ঃ খ্যাতিমান হোৱা ; দুৰ্যোধন , গুৰু মই তোমাৰ ; দেখিলেই বদন বুজি পাঁও শিষ্যৰ মনোভাৱ । কোৱা , কিবা হেতু আহিলা তুমি এই ৰাত্ৰি ক্ষণত আমাৰ সমীপে ---

দুৰ্যো ঃ গুৰুদেৱ , দেখিলো আজি আপোনাৰ অদ্ভুত পৰাক্ৰম । পাছে থাকি গ'ল মনত মোৰ এক আক্ষেপ আৰু লগতে সন্দেহ -----

দ্ৰোণ ঃ দুৰ্যোধন , কিয়বা কৰা সন্দেহ আজি মোৰ ওপৰত ?

দুৰ্যো ঃ সন্মুখত পায়ো আপুনি যুধিষ্ঠিৰক নকৰিলে বন্দী । ইয়াৰ কাৰণ মই পাৰোঁনে জানিব ?

দ্ৰোণ ঃ মিথ্যা অপবাদ নিদিবা দুৰ্যোধন ; তোমাৰ বাবেই এই বৃদ্ধই কুৰুসেনাৰ দায়িত্ব লৈ সমস্ত শক্তিৰে পাণ্ডৱৰ লগত কৰিলো ৰণ । পূৰ্বেও কৈছো , পাৰ্থ বীৰ থাকিলে কাষত যমৰাজেও নোৱাৰে ধৰিব যুধিষ্ঠিৰক । মানি নলৈ এই সত্যক দোষাৰূপ কৰিছা মোক স্বাৰ্থপৰ বুলি --

দুৰ্যো ঃ ক্ষমা কৰক গুৰুদেৱ, পিতামহৰ প্ৰস্থানত মই হলো মতিভ্ৰম্ভ । আবেগত হেৰুৱাই হিতাহিত জ্ঞান আপোনাকো কৰিলো অপদস্ত । হে গুৰুদেৱ, আপোনাৰ বাবে নহয় অসম্ভৱ । ভীক্ষুক ৰূপে দুই হাত মেলি মই মাগিছো ভীক্ষা -- বন্দীৰূপে কালিলৈৰ ৰণত যেন পাঁও যুধিষ্ঠিৰক।

দ্ৰোণ ঃ ই যে অতি কষ্টকৰ । তথাপি চিন্তা নকৰিবা দুৰ্যোধন, তাৰ মই উলিয়াম উপায় । নাৰায়ণী সেনাৰ হতুৱাই যুধিষ্ঠিৰৰ কাষৰ পৰা পাৰ্থক নিবা আঁতৰাই । তেতিয়াই ৰচিম মই চক্ৰবেহু।

সকলো ঃ চক্ৰবেহু -----!!

দ্ৰোণ ঃ অ চক্ৰবেহু ; এই বেহু ভেদ নহয় সহজ আৰু বেহু ভেদী প্ৰৱেশ কৰাজনৰ বাবে থাকে নিশ্চিত মৰণ । বেহুৰ দ্বাৰৰক্ষীৰ দায়িত্ব মই অৰ্পণ কৰিলো সিন্ধুৰাজ জয়দ্ৰথৰ ওপৰত ।

জয়দ্ৰথ ঃ মই -- !! থাকোতে আমাৰ পক্ষত এয়া মহাৰথী কৰ্ণ মই হম চক্ৰবেহুৰ দ্বাৰৰক্ষী ?

দ্ৰোণ ঃ অ , তুমিয়েই হ'বা জয়দ্ৰথ । কিয় , তোমাৰ শিৰত জানো নাই মহাদেৱৰ আশীষ ?

জয়দ্ৰথ ঃ বুজিলো গুৰুদেৱ ; মহাদেৱৰ আশীষ আছে মোৰ শিৰত । এদিনৰ বাবে মই হ'ম অজেয়, যমেও নোৱাৰিব মোৰ প্ৰাণ হৰিব । কৌৰৱৰ হিতৰ বাবে তেন্তে মই কালিলৈৰ দিনটোকে মহাদেৱৰ কৃপালাভৰ দিন ৰূপে ল'লো বাচি । বেহুৰ দ্বাৰৰক্ষী হ'বলৈ প্ৰস্তুত হ'লো মই ।

দুৰ্যো ঃ ধন্যবাদ সিন্ধুৰাজ , ধন্যবাদ । তেন্তে আজিলৈ সৱে কৰোঁগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত অভিমন্যুৰ প্ৰৱেশ ----------**

**গীত - (ৰাগ ঃ আশোৱাৰী , তাল ঃ একতাল)**

সভাত প্ৰৱেশ কৰে অভিমন্যু বীৰ ।
দিব্যবস্ত্ৰে শোভে আতি তাৰ কলেৱৰ ।।
কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

অভি ঃ সুভদ্ৰা তনয় মই , নাম মোৰ অভিমন্যু । বুজিছো নাৰায়ণী সেনাৰ হতুৱাই আঁতৰাই নি পিতা ধনঞ্জয়ক দ্ৰোণাচাৰ্যই ৰচিছে চক্ৰবেহু । নোৱাৰি কৰিব ভেদ চক্ৰবেহু পাণ্ডৱগণ হৈছে শংকিত ; জ্যেষ্ঠ পিতাগণ হৈছে চিন্তিত । নহবা শংকিত পাণ্ডৱ সেনাগণ , আছে অভিমন্যু , শ্ৰীকৃষ্ণ যাৰ মামা , ধনঞ্জয় যাৰ পিতা সেই অভিমন্যুয়ে হেলাৰঙে ভাঙিব চক্ৰবেহু । যাঁও এৱে জ্যেষ্ঠ পিতাৰ পৰা লৈ অনুমতি সন্মূখীন হওঁগৈ মই কৌৰৱসেনাৰ ----

**সূত্ৰ ঃ অভিমন্যুৰ প্ৰস্থান । আনফালে বেহুৰ দ্বাৰমুখত জয়দ্ৰথ ---**

জয়দ্ৰথ ঃ হাঁয় হাঁয় পাণ্ডৱগণ, বাৰে বাৰে পৰাজিত হৈ এইবাৰ বেহু ভেদ কৰিবলৈ পঠাইছা সৌৱা যুৱক অভিমন্যুক । ধিক যুধিষ্ঠিৰ , ধিক তুমি , ইমান স্বাৰ্থপৰ বুলি ভবা নাছিলো তোমাক ।

**সূত্ৰ ঃ অভিমন্যু সোমাই আহে ---**

অভি ঃ সাৱধান সিন্ধুৰাজ , এইবাৰ আপুনি সাজু হওঁক ৰণৰ বাবে ।

জয়দ্ৰথ ঃ হে পাৰ্থনন্দন, কিয় আহিছা তুমি এই বয়সতে আত্মঘাতী হবলৈ ? যোৱা , যোৱা ঘূৰি ---

অভি ঃ ৰণক্ষেত্ৰত বয়সৰ তুলনা নকৰিব সিন্ধুৰাজ, কৰিব তুলনা কেৱল সমৰ কৌশলৰ । ৰণ কৰিলেই পাব আপুনি ইয়াৰ প্ৰমাণ । মাত্ৰ বেহুৰ দ্বাৰ আপুনি কৰক ৰক্ষা ।

**( গীত )**

অভিমন্যুই কৰে ৰণ জয়দ্ৰথৰ সমে ।
ৰণ দেখি দেৱগণ থৰথৰি কম্পে ।।
অস্ত্ৰাঘাটে জয়দ্ৰথ হৈলা পৰাভূত ।
বোলা হৰি হৰিয়োক সামাজিক লোক ।।

**সূত্ৰ ঃ যুদ্ধত জয়দ্ৰথ মূৰ্চ্ছা যায় । অভিমন্যু বেহুৰ মাজত প্ৰৱেশ কৰে । ভীমসেন সোমাই আহে । চেতন পাই জয়দ্ৰথে বাট ভেটি ধৰে ।**

জয়দ্ৰথ ঃ সাৱধান ; আৰু এখোজো আগনাবাঢ়িবি । নতু প্ৰাণ এৰিবি তই মোৰ হাতত ।

ভীম ঃ জয়দ্ৰথ, অভিমন্যুৰ ৰক্ষক আজি এই গদাধৰ । ৰুদ্ধ কৰি মোৰ পথ তই নকৰিবি ভুল ।

জয়দ্ৰথ ঃ হাঃ হাঃ গদা ধৰিলেই নোবোলে গদাধৰ । শক্তি আছে যদি ল বাট মোকলাই ।

ভীম ঃ আঃ জয়দ্ৰথ; অপমান কৰি মোক তই নাপাবি নিস্তাৰ । তুলি লৈছো মই এই দুৰ্জয় গদা । সৃষ্টি

কৰি মহা শূন্যত গদাৰ মণ্ডল চাওঁ তোৰ শকতি কিমান ----

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি দুয়োৰে প্ৰস্থান। আনফালে দুঃশাসন, কৰ্ণ, শকুনি, দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য, অশ্বত্থামা আৰু শেষত দুৰ্যোধন আহে ---**

দুৰ্যো ঃ অশ্বত্থামা, গুৰুদেৱ, অঙ্গৰাজ -- হাঃ হাঃ মিছা দুৰ্যোধন, সকলো মিছা। অভিমন্যুৱে তোৰ সপোন আজি কৰি দিলে চুৰমাৰ। এক যুৱকে আজি কৌৰৱ সেনাৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে। মোৰ পুত্ৰ লক্ষ্মণৰ লৈছে প্ৰাণ, অথচ আমাৰ মহাৰথীসকলে এই দৃশ্য দেখিও হোৱা নাই ম্ৰিয়মান।

কৰ্ণ ঃ এতিয়াও আছে সময় সখা। ৰোধ কৰিব পৰা যাব অভিমন্যুৰ গতি; তুমি মাথো ধৈৰ্য্য ধৰা।

দুৰ্যো ঃ ধৈৰ্য্য; তুমি ধৈৰ্য্য ধৰিবলৈ কৈছা সখা। জানানে তুমি, যোৱা বাৰদিনৰ যুদ্ধত আমাৰ যিমান ক্ষতি হৈছিল আজি অভিমন্যুৱে অকলেই সিমান কৰিলে ক্ষতি। আকৌ কৈছা তুমি মোক ধৈৰ্য ধৰিবলৈ। আপোনজনৰ জীৱন হৈছে হানি, নহয় এয়া খেল সখা।

শকুনি ঃ নিশ্চয় এয়া খেলা নহয় ভাগিন ; অভিমন্যুয়ে আজি তোমাক কৰিলে পুত্ৰহাৰা। তোমাৰ দুখত আমিও ম্ৰিয়মান। পাছে ভাগিন, অবধ্য নহয়, অ ভাগিন, নহয় অবধ্য অভিমন্যু। যদি সপ্তৰথী, অ এই সপ্তৰথীয়ে সন্মিলিত ভাৱে কৰোঁ আক্ৰমণ নিশ্চয় অভিমন্যু হ'ব নিধন।

কৰ্ণ ঃ এজনক সাতজনে মিলি --নাই নাই এয়া যে অন্যায়। ইয়াৰ বাদে নাইনে অন্য উপায় ?

শকুনি ঃ অন্য উপায় মই দেখা নাই অঙ্গৰাজ। যদি বনৰ কীটে দংশন কৰি ৰক্ত কৰে শোষণ হব জানো উচিত যদি তাক নকৰা নিধন ? চক্ৰবেহুত যিয়েই সোমাই তাৰ মৃত্যু অনিবাৰ্য। তেনেস্থলত আমাৰ জানো দোষ হ'ব পাৰে কৌৰৱগণ ?

দুৰ্যো ঃ উত্তম প্ৰস্তাৱ মামা। ন্যায় - অন্যায়, ধৰ্ম- অধৰ্মৰ বিচাৰ কৰাটো এতিয়া নহয় সময়। এতিয়া মাথো সময় পিতৃ ধৰ্মৰ; পুত্ৰ হত্যাকাৰী অভিমন্যুক যিকোনো প্ৰকাৰে কৰিবই লাগিব নিধন।

কৰ্ণ ঃ যুক্তিৰ বিচাৰ তেজিলো মই; নিচিনো ধৰ্ম, নিচিনো অধৰ্ম, চিনো মাথো সখাৰ সঙ্গ ---

দুৰ্যো ঃ হাঃহাঃ জানো সখা, ঐশ্বৰ্য বিভূতি অন্য স্থানত, তোমাৰ স্থান মোৰ হৃদয়ত। --- আপুনি কিয় নিমাতে আছে গুৰুদেৱ ? নাই নেকি সন্মতি আপোনাৰ এই প্ৰস্তাৱত ?

দ্ৰোণ ঃ কৌৰৱৰ হিতৰ বাবে মইও এই প্ৰস্তাৱত দিছো সন্মতি। কিন্তু... (স্বগতঃ) এই কাম্যই হয়তো কুৰুক্ষেত্ৰ ৰণৰ গতি কৰিব সলনি।

দুৰ্যো ঃ তেন্তে ব'লক সকলো, সপ্তৰথীয়ে বেঢ়ি মাৰোঁগৈ অভিমন্যুক।

**সূত্ৰ ঃ সপ্তৰথীৰ প্ৰস্থান। আনফালে সভাত অভিমন্যু -----**

অভি ঃ বেহুৰ মধ্যম স্থানত হ'লোহি উপস্থিত। জ্যেষ্ঠ পিতা বৃকোদৰ আছিল মোৰ পাছত। কিন্তু তেখেত বৰ্তমান ক'ত ? বেহুৰ ভিতৰত মই সোমাব জানো, কিন্তু বেহুৰ পৰা যে মই ওলাব নাজানো এই কথা জ্যেষ্ঠ পিতাক কোৱাই নহ'ল। কি কৰোঁ এতিয়া মই --- ?

**সূত্ৰ ঃ এনেতে সপ্তৰথী সোমাই আহে-----**

দুৰ্যো ঃ অভিমন্যু, বেহুৰ মাজে আজি বন্দী তই। চা চাৰিওদিশে চা ; চকু মেলি চা ; কোন আছে আজি তোৰ সৰ্বদিশে --নাই তোৰ কাষে পিতা ধনঞ্জয় ; নাই তোৰ কাষে বপুৰা বৃকোদৰ ; বেঢ়ি ধৰিছে তোক কৌৰৱৰ সপ্তৰথীগণে ; পলাবৰ আৰু তোৰ নাই সন্ধি হাঃ হাঃ --

অভি ঃ হে জ্যেষ্ঠ কৌৰৱ, নিচিনিলা মোক ; ক্ষত্ৰিয় বীৰ মই পাৰ্থ তনয়, বিশাল সেনানীলৈ নকৰোঁ ভয়। শেষ বিন্দু ৰক্ত থকালৈকে শৰীৰত কুৰুসেনাক মই কৰি যাম সংহাৰ।

দুৰ্যো ঃ আঃ ইমান অহংকাৰ ; কৌৰৱগণ, বেঢ়ি ধৰক এই পাষণ্ডক । চাওঁ বাৰু ইয়াৰ শকতি কিমান --

**সূত্ৰ ঃ সপ্তৰথীয়ে বেঢ়ি যুদ্ধ কৰে ; বেহুৰ বাহিৰত ভীম-জয়দ্ৰথৰ যুদ্ধ চলি থাকে ---**

গীত

**এহিবুলি সৰ্ববীৰে কৰে আক্ৰমণ ।**
**যেন মাৰে দস্যুগণে বনৰ হৰিণ ।।**
**অস্ত্ৰাঘাটে অভিমন্যু ভূমিত পৰিলা ।**
**ৰাম হৰি ৰাম হৰি সৰ্বজনে বোলা ।।**

**সূত্ৰ ঃ সপ্তৰথীৰ প্ৰহাৰত অভিমন্যুৰ মৃত্যু হয় । সকলোৰে প্ৰস্থান । আনফালে সভাত দুখমনে যুধিষ্ঠিৰ , ভীম, নকুল আৰু সহদেৱ আহে -----**

যুধি ঃ অভিমন্যু --( কান্দে ) --হায় হায় কুৰুসেনাক সংহাৰ কৰা বীৰ অভিমন্যু আজি নাই আমাৰ মাজত । হে প্ৰভু , কেনেদৰে সহো মই ইমান দুখ ?

সহদেৱ ঃ বেজাৰ নকৰিব দাদা , এয়া বিধাতাৰ লিখন ---

যুধি ঃ নহয় ভাতৃ, এয়া মোৰ ভুল । হস্তিনাৰ সিংহাসনৰ লোভত পৰি নকৰি বিচাৰ ময়ে পঠালো অভিক মৃত্যুৰ মুখলৈ --উসঃ কি বুলি অৰ্জুনক মই ক'ম ? কিদৰে সান্তনা দিম সুভদ্ৰাক ? হে বিধাতা , অভিৰ সলনি মোৰ মৰণ তুমি কিয় নিদিলা ---

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ আৰু অৰ্জুন আহে ---**

অৰ্জুন ঃ দাদা , দাদা -- কি হৈছে আপোনাৰ ? কিয় এনেদৰে আছে ভূমিত পৰি ?

যুধি ঃ ভাই অৰ্জুন, তুমি পালাহি । তোমাৰ চকুলৈ চোৱাৰ সাহস মোৰ নাই ভাতৃ । তোমাৰ অপৰাধী মই ; শাস্তি দিয়া তুলি লৈ গাণ্ডীৱ মোক তুমি কৰা শিৰচ্ছেদ ----

অৰ্জুন ঃ দাদা , কি কৈছে এয়া আপুনি ?

যুধি ঃ পাৰ্থ , তোমাৰ অনুপস্থিতিত -- উসঃ কেনেদৰে কওঁ -- বৃকোদৰ --

ভীম ঃ নাই নাই দাদা মই নোৱাৰিম --- নকুল

নকুল ঃ নাই দাদা , ক্ষমিব মোক ; নোৱাৰিম মই ---

অৰ্জুন ঃ কওক দাদা , কি হৈছে ? মোৰ অনুপস্থিতিত কি হৈছে --

যুধি ঃ তোমাৰ অনুপস্থিতিত দ্ৰোণাচাৰ্যই ৰচিলে চক্ৰবেহু । হলো চকিত, নোৱাৰিলো আমি বেহু ভেদিব এই স্বাৰ্থপৰ যুধিষ্ঠিৰে তোমাৰ পুত্ৰ অভিমন্যুক বেহু ভেদিবলৈ দিলো পঠিয়াই -- আৰু --

অৰ্জুন ঃ আৰু নক'ব দাদা , সকলো বুজিলো মই -- অভিমন্যু --- ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপৰ ফলে আজি পুত্ৰ দুখ দিলা ।।
কিদৰে বুজাওঁ মই আজি তোৰ মাতৃক ।
কিদৰে বুজাওঁ আজি দুখুনী উত্তৰাক ।।

কৃষ্ণ ঃ পাৰ্থ , নকৰিবা শোক । আমি , তুমি ক্ষত্ৰিয় ; অস্ত্ৰ শস্ত্ৰই আমাৰ জীৱন , অস্ত্ৰতেই আছে আমাৰ মৰণ । তোমাৰ পুত্ৰ আৰু আমাৰ ভাগিন অভিমন্যুয়ে আজি যিদৰে মৰণক লৈছে আঁকোৱালি , জগতৰ প্ৰত্যেক ক্ষত্ৰিয়ই তেনে মৰণকেই কৰিব বাঞ্চা --যুগে যুগে মনত ৰাখিব জগতে অভিমন্যুৰ বীৰত্বক

ভীম ঃ ভাই অৰ্জুন , অভিমন্যুক ময়ে বেহু ভেদ কৰিবলৈ দিছিলো উৎসাহ । ভাবিছিলো অভিৰ পাছে পাছে ময়ো বেহুত কৰিম প্ৰৱেশ । কিন্তু নোৱাৰিলো , অভিমন্যুয়ে বেহু ভেদ কৰাৰ পাছত সিন্ধুৰাজ জয়দ্ৰথে

বেহুৰ পথ কৰিলে ৰুদ্ধ । শতবাৰ ৰণ কৰিও নাজানো কিয় নোৱাৰিলো পৰাস্ত কৰিব জয়দ্ৰথক

অৰ্জুন ঃ জয়দ্ৰথ ? অৰ্থাৎ মোৰ পুত্ৰৰ মৃত্যুৰ কাৰণ জয়দ্ৰথ । আঃ জয়দ্ৰথ , পুত্ৰ সন্তাপ দি এই ধনঞ্জয়ক কৰিছ তই আনন্দ । ময়ো তৃতীয় পাণ্ডৱ , হাতে গাণ্ডীৱ ধৰি কৰিছো প্ৰতিজ্ঞা কালিলৈ বেলি নৌ মাৰ যাঁওতেই লম মই জয়দ্ৰথৰ প্ৰাণ । যদি হওঁ ব্যৰ্থ এই গাণ্ডীৱেৰে অগ্নি কুণ্ড নিৰ্মাণ কৰি দিম বিসৰ্জন মোৰ প্ৰাণ --। প্ৰতিজ্ঞা , এয়া মোৰ ভীষণ প্ৰতিজ্ঞা ।

কৃষ্ণ ঃ উত্তম সখা , উত্তম । এয়াই হৈছে ক্ষত্ৰিয়ৰ বচন । পাণ্ডৱগণ , অভিমন্যুৰ মৃত্যুত আৰু নকৰিব শোক । ব'লক যাঁও কালিলৈৰ ৰণৰ বাবে হওঁগৈ প্ৰস্তুত ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত দ্ৰৌপদীৰ প্ৰৱেশ ------**

**গীত - (ৰাগ ঃ সুহাই, তাল ঃ একতাল )**

**আৱৃত সভাৰ মধ্যে পাঞ্চাল নন্দিনী।**
**মুক্ত কেশে আহে দেৱী পাণ্ডৱ মহিষী।।**
**চিন্তান্বিত কৰি আহে সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।**

**সূত্ৰ ঃ দ্ৰৌপদীৰ প্ৰস্থান । সভাত ৰণসাজে কৃষ্ণ আৰু অৰ্জুন ----------**

অৰ্জুন ঃ হে জনাৰ্দন, কুৰুসেনা আজি তৎপৰ জয়দ্ৰথক ৰক্ষাৰ হেতু । পোৱা নাই আমি জয়দ্ৰথৰ সন্ধান। ( অৰ্জুনে দূৰলৈ চাই ; কৃষ্ণই আকাশলৈ চাই ইঙ্গিত দিয়ে ) ---- ই কি ? আচৰিত , হঠাৎ নামি আহিছে অন্ধকাৰ ; সময় হ'ল নেকি সন্ধ্যাৰ -- ?

**সূত্ৰ ঃ দুৰ্যোধন, দুঃশাসন, শকুনি, কৰ্ণ আৰু শেষত জয়দ্ৰথ সোমাই আহে----**

দুৰ্যো ঃ পাৰ্থ, দিনমণিয়ে আশ্ৰয় ললে অস্তাচলত ; উচ্চশিৰে জয়দ্ৰথ এতিয়াও কুৰুক্ষেত্ৰত ---

জয়দ্ৰথ ঃ অহংকাৰী পাৰ্থ , মিথ্যা দম্ভ তোমাৰ । চোৱা এতিয়াও মই জীৱিত হাঃ হাঃ--- পাছে ৰাখিবানে দৃঢ়তা তুমি নিজৰ বচনত ?-- নে ভীৰুতাৰ চিন ৰাখিবা জগতত ?

অৰ্জুন ঃ ধনঞ্জয়ৰ প্ৰতিজ্ঞা অথলে নাযায় কৌৰৱগণ। অগ্নিকুণ্ড নিৰ্মাণ কৰি এতিয়াই দিম মই আত্মজাহ । ল'লো এই অগ্নিবাণ, প্ৰস্তুত কৰোঁ অগ্নিকুণ্ড --( অৰ্জুনে অগ্নিকুণ্ড প্ৰস্তুত কৰিব খোজে )

কৃষ্ণ ঃ ৰ'বা পাৰ্থ, কোনে ক'লে সন্ধ্যা লাগিছে বুলি ? সৌৱা চোৱা , অস্তাচলত এতিয়াও আছে দিনমণি । পাৰ্থ, হাতে তুলি লোৱা গাণ্ডীৱ , লোৱা প্ৰতিশোধ তোমাৰ পুত্ৰ হত্যাকাৰীৰ ওপৰত।

অৰ্জুন ঃ সাৱধান জয়দ্ৰথ ; মোৰ পুত্ৰৰ হত্যাৰ বাবে তয়ে দায়ী । এতিয়াই তোক মই কৰিম শিৰচ্ছেদ।

জয়দ্ৰথ ঃ নাই নাই পাৰ্থ, আমি এতিয়া নিৰস্ত্ৰ। ৰক্ষা কৰক কুৰুপতি, মোক ৰক্ষা কৰক ; অঙ্গৰাজ --

কৃষ্ণ ঃ শুনা পাৰ্থ , শিৰচ্ছেদ কৰি জয়দ্ৰথৰ উৰুৱাই নিয়া তাৰ কটা শিৰ কাম্যবনলৈ ।

**সূত্ৰ ঃ জয়দ্ৰথে পলায়ন কৰে; অৰ্জুনে শৰ নিক্ষেপ কৰে। বাহিৰত জয়দ্ৰথৰ চিৎকাৰ ---**

দুৰ্যো ঃ সিন্ধুৰাজ , -----এয়া, এয়া কি কাৰ্য কৰিলা পাৰ্থ ? এয়া ৰণ নীতিৰ বিৰুদ্ধ ।

কৃষ্ণ ঃ দুৰ্যোধন, বনবাসত পাণ্ডৱৰ অনুপস্থিতিত পাঞ্চালীক জয়দ্ৰথে হৰণ কৰাতো জানো আছিল উচিত কাৰ্য ? ব'লা পাৰ্থ, যাওঁ আমি এতিয়া এই স্থানৰ পৰা ---- ( **দুয়োৰে প্ৰস্থান** )

দুৰ্যো ঃ অন্যায় , অন্যায় --- আঃ অৰ্জুন , তোৰ দৰে বীৰৰ বাবে এনে কাৰ্যই নাপায় শোভা । সিন্ধুৰাজ, নোৱাৰিলো তোমাক ৰক্ষা কৰিব। কাপুৰুষৰ দৰে মাথো চালো আমি তোমাৰ মৃত্যুৰ দৃশ্য।

দুঃশাস ঃ দাদা , পাণ্ডৱে বাৰে বাৰে কৰিব চালনা । নিৰস্ত্ৰ অৱস্থাত সিন্ধুৰাজক কৰিব হত্যা আৰু কি আমি নিৰৱে থাকিম সহি ? লওঁ দাদা পাণ্ডৱৰ ওপৰতো ভীষণ প্ৰতিশোধ ।

দুৰ্যো ঃ উত্তম ভাতৃ , বিশ্ৰামৰ আৰু নাই প্ৰয়োজন । যুদ্ধৰ নীতি বিৰুদ্ধ হ'লেও আজি ৰাত্ৰিও কৰিম ৰণৰ আয়োজন । আছে আমাৰ পক্ষত মিত্ৰ আমাৰ ৰাক্ষস অলম্বুষ ; ব'লক সকলো ৰাত্ৰি ৰণৰ কৰি আয়োজন কাল অমানিশা মাতি আনো আজি পাণ্ডৱ শিৱিৰত ।

**সূত্ৰ ঃ শকুনিৰ বাদে সকলোৰে প্ৰস্থান -------------**

শকুনি ঃ হাঃ হাঃ শত দিনমণি সম জ্যোতিষ্মান যদুপতি যাৰ হে আছে ৰক্ষক, সেই পাণ্ডৱৰ কাল অমানিশা আনিব মোৰ মুৰ্খ ভাগিনে -- হাঃহাঃ ধৃতৰাষ্ট্ৰ, একমাত্ৰ জীৱ বৈধব্যত আজি তই কৰিবি ক্ৰন্দন আৰু মই লভিম অনাবিল আনন্দ হাঃ হাঃ --কৰ ভাগিন, অন্যায় কৰ, অধৰ্ম কৰ, আয়োজন কৰ ৰাত্ৰি ৰণৰ, তেহে জাহ যাবি তহঁত ৰণাংগনৰ অগ্নিকুণ্ডত হাঃ হাঃ--

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান । আনফালে কৰ্ণ আহে -----**

কৰ্ণ ঃ আঃ কি কাৰ্য কৰিলে এয়া সখা দুৰ্যোধনে ? যি অলম্বুষৰ ওপৰত নিৰ্ভৰ কৰি সখাই ৰাত্ৰি ৰণৰ কৰে আয়োজন সেই অলম্বুষক কৰিলে নিধন বৃকোদৰনন্দন ঘটোৎকচে । অতি চমৎকাৰ ৰণ কৌশল বৃকোদৰনন্দনৰ । কৌৰৱৰ ৰথী - মহাৰথী আজি ঘটোৎকচৰ হাতত হৈছে পৰাস্ত ---

**সূত্ৰ ঃ বেগেৰে দ্ৰোণাচাৰ্য আহে ----**

দ্ৰোণ ঃ অঙ্গৰাজ, বৃকোদৰনন্দন ঘটোৎকচে কৰিছে প্ৰচণ্ড প্ৰহাৰ । নোৱাৰিলো ময়ো তেওঁক ৰোধিব । বাঃ যেন পিতা তেন পুত্ৰ --

**সূত্ৰ ঃ বেগেৰে দুৰ্যোধন আহে ---------------**

দুৰ্যো ঃ সখা সখা, ঘটোৎকচে কৰিছে প্ৰলয়ৰ সূচনা । নবধিলে তাক নিশ্চিত পৰাজয় আমাৰ --

দ্ৰোণ ঃ এয়া তোমাৰ ভুলৰ পৰিণতি দুৰ্যোধন ; কিয় তুমি ৰাত্ৰি ৰণৰ কৰিলা আয়োজন ?

দুৰ্যো ঃ প্ৰশংসিছো গুৰুদেৱ মই ঘটোৎকচৰ বীৰত্বক । সখা, কৰা উপায় ; তুৰন্তে বধ কৰা ৰাক্ষসক --

কৰ্ণ ঃ মোৰ ওচৰত থকা সকলো বাণেই প্ৰয়োগ কৰিলো সখা। বাকী আছেগৈ মাথো ইন্দ্ৰদত্ত বাণ। কিন্তু তুমিটো জানাই সখা , এই বাণ সাঁচিছো মই কেৱল অৰ্জুনৰ বাবে ।

দুৰ্যো ঃ প্ৰাণ থাকিলেহে সখা সন্মুখত পাবা পাৰ্থক । যদি ঘটোৎকচৰ হাতত আমাৰ যায় প্ৰাণ , অৰ্থহীন হ'ব সাঁচি ৰখা এই বাণ । যোৱা সখা, প্ৰাণঘাটী বাণ মাৰাগৈ ঘটোৎকচৰ বক্ষলৈ --

দ্ৰোণ ঃ অঙ্গৰাজ ময়ো নিৰুপায় , কৌৰৱ সেনা ৰক্ষাৰ এয়াই হয়তু অন্তিম উপায় ----

কৰ্ণ ঃ তেন্তে সেয়ে হওঁক, কৌৰৱৰ হিতৰ বাবে ৰথৰ বেগত ধূলিৰ ধুমুহা তুলি নিক্ষেপ কৰোঁগৈ ঘটোৎকচলৈ মই একাঘ্নী বাণ। ঘটোৎকচ , ঘটোৎকচ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শ্ৰীকৃষ্ণ ---------**

**সূত্ৰ ঃ বাহিৰত কৌৰৱৰ জয়ধ্বনি ( জয় অঙ্গৰাজৰ জয় -) ; শ্ৰীকৃষ্ণই যি কয় --**

কৃষ্ণ ঃ ধন্য ধন্য ঘটোৎকচ, বীৰত্বৰ চানেকি ৰাখিলা কুৰুক্ষেত্ৰ সমৰে। দেৱেন্দ্ৰই প্ৰদান কৰিছিলে কৰ্ণক একাঘ্নী বাণ । অব্যৰ্থ আছিল সেই বাণ, যালৈকে কৰিব নিক্ষেপ নিশ্চিত মৰণ তাৰ । আমাৰ অনুৰোধত আজি দি আত্মবলিদান ঘটোৎকচে ৰক্ষা কৰিলে পাৰ্থৰ প্ৰাণ --

**সূত্ৰ ঃ এনেতে চিন্তান্বিত ভাৱে যুধিষ্ঠিৰ -------------**

কৃষ্ণ ঃ দাদা, কিয় দেখো আপোনাক চিন্তিত মনে ? আপুনিয়ে যদি হয় বিচলিত তেনেহলে হতাশ নহ'ব জানো আমাৰ সেনানী ?

যুধিষ্ঠিৰ ঃ কি কৰিম জনাৰ্দন ? সঁচাই চিন্তিত মই গুৰুদেৱক লৈ । গুৰুদেৱক ৰুধিব পৰাৰ কিবা উপায় নাইনে জনাৰ্দন ?

কৃষ্ণ ঃ উপায় ;--- দ্ৰোণাচাৰ্য্যক ৰোধ কৰিব পৰা যায় কেৱল নিৰস্ত্ৰ অৱস্থাতহে ।

যধিষ্ঠিৰ ঃ নিৰস্ত্ৰ অৱস্থাত ---- ?

কৃষ্ণ ঃ হয় দাদা , ইয়াৰ বাহিৰে আন উপায় নাই। তাকে কৰিবলৈ যাওঁতে আমি ল'ব লাগিব মিথ্যাৰ আশ্ৰয়ো ; বিশেষকৈ --- আপুনি দাদা ।

যুধিষ্ঠিৰ ঃ মিথ্যাৰ আশ্ৰয় ; ----আৰু মই ? তাতে গুৰুদেৱৰ ক্ষেত্ৰত । অসম্ভৱ , অসম্ভৱ যদুপতি ।

কৃষ্ণ ঃ জানো দাদা , মিথ্যাৰ আশ্ৰয় লোৱাটো আপোনাৰ বাবে কষ্টকৰ। কিন্তু , আৰু যে নাই উপায় । মনত ৰাখিব এই ৰণ কেৱল ভাই ভাতৃৰ মাজত লগা ৰণ নহয়। এই ৰণ ধৰ্ম অধৰ্মৰ ৰণ। ধৰ্মক বিজয়ী কৰাবলৈ হ'লে আপুনি এই মিথ্যা বচন মাতিবই লাগিব -- **(কাণে কাণে কয় )**

যুধিষ্ঠিৰ ঃ নাই নাই যদুপতি, ইমান মিথ্যা বচন, এয়া মহাপাপ। মোক ক্ষমা কৰক যদুপতি, মই অক্ষম।

কৃষ্ণ ঃ জ্যেষ্ঠ পাণ্ডৱ, আপোনাৰ এই সহায়ে আনিব অধৰ্মৰ ওপৰত ধৰ্মৰ জয় ; সত্যৰ জয় । দাদা বৃকোদৰ আৰু ধৃষ্টদ্যুম্ন হৈছে সন্মত । এতিয়া মাত্ৰ প্ৰয়োজন আপোনাৰ এই অল্প সহায়ৰ --

যুধিষ্ঠিৰ ঃ ধৰ্ম ৰক্ষাৰ হেতু , ন্যায় প্ৰতিষ্ঠাৰ হেতু আজি ধৰ্মৰাজে মিথ্যাৰ আশ্ৰয় ল'বলৈ প্ৰস্তুত হৈছো যদুপতি । হে দেৱগণ , সাধু সন্তজন , মোৰ এই অপৰাধ আপোনাসৱে কৰিব মাৰ্জনা ।

কৃষ্ণ ঃ তেন্তে ব'লক যাওঁ । আঁচনি কাৰ্যত কৰোঁ পৰিণত ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত ম্ৰিয়মান হৈ দুৰ্যোধন, দুঃশাসন, কৰ্ণ, শকুনি সোমাই আছে। পাছত খঙে দুখে জৰ্জৰিত হৈ অশ্বত্থামা লগত কৃপাচাৰ্য আহে ---**

অশ্ব ঃ অন্যায়, অন্যায় , পিতা -- পুত্ৰ হৈ আজি মই তোমাক নোৱাৰিলো ৰক্ষা কৰিব । ধৰ্মৰাজ , কিয় আপুনি কৰিলে এনে পাপ । পুত্ৰৰ মৃত্যু হৈছে বুলি মিথ্যা বচন মাতি দাৰুণ আঘাট দিলে পিতাক আৰু ধৃষ্টদ্যুম্ন, মূৰ্চ্ছিত অৱস্থাত থকা মোৰ পিতাক তই কৰিলি হত্যা। আঃ মোৰ নহয় সহ্য । কৰিলো পণ, ধৃষ্টদ্যুম্নক নবধা পৰ্যন্ত নেৰোঁ মই হাতৰপৰা এই অস্ত্ৰ। এয়া মোৰ প্ৰতিজ্ঞা ভীষণ

কৃপাচাৰ্য ঃ উত্তম অশ্বত্থামা উত্তম ; পাছে এতিয়া তুমি হোৱা ক্ষান্ত ; গুৰুদেৱৰ মৃত্যুত আমিও মৰ্মাহত --

দুৰ্যো ঃ আৰু কিমান অন্যায় কৰিব পাণ্ডৱে ? ঢাল কৰি শিখণ্ডীক শৰবিদ্ধ কৰিলে পিতামহক ; চল কৰি নিৰস্ত্ৰ জয়দ্ৰথৰ ল'লে প্ৰাণ আৰু আজি মিথ্যাৰ আশ্ৰয়ত কৰিলে বধ গুৰুদেৱকো । অভিমন্যুক কৰিছিলো বধ আমি অন্যায় সমৰে তাক কৰিছো স্বীকাৰ অকপটে । কিন্তু তাৰ বিনিময়ত কি পাণ্ডৱে কৰি যাব অন্যায় সমৰ বাৰে বাৰে ?

শকুনি ঃ বেজাৰ নকৰিবা ভাগিন, তুমিয়ে সলাবা ৰণৰ গতি । তুমি পাৰিবা দুৰ্যোধন , এতিয়াও কাষত আছে তোমাৰ সখা অঙ্গৰাজ , আছে মহা বলশালী ভাতৃ দুঃশাসন আৰু গুৰুপুত্ৰ অশ্বত্থামা । মোৰ দৃঢ় বিশ্বাস ভাগিন তুমিয়েই পিন্ধিবা বিজয় তিলক হেঃ হেঃ হেঃ -----

দুৰ্যো ঃ হাঃ হাঃ পাৰিম মামা পাৰিম । যদি পাৰ্থৰ সখা জনাৰ্দন , মোৰো সখা অঙ্গৰাজ কৰ্ণ ; সখা হ'ব এইবাৰ আমাৰ সেনাপতি।

কৰ্ণ ঃ গধুৰ দায়িত্ব দিলা সখা , চেষ্টা কৰিম মই সৰ্বতো প্ৰকাৰে কৌৰৱক বিজয়ী কৰাবলৈ। কৰিছো পণ ৰণত অৰ্জুনৰ মই কৰিম শিৰচ্ছেদ ।

দুঃশাস ঃ জয় অঙ্গৰাজ কৰ্ণৰ , জয় অঙ্গৰাজ কৰ্ণৰ , জয় কৌৰৱৰ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনহাতে ভীমসেন----**

ভীম ঃ টুটি আহিছে ক্ৰমে কৌৰৱৰ শক্তি। পাণ্ডৱৰ বিজয় প্ৰাপ্তিলৈ আৰু নাই বেছি পৰ হাঃহাঃ--

সূত্ৰ ঃ এনেতে দ্ৰৌপদী----

দ্ৰৌপদী ঃ আনন্দত ইমান আত্মহাৰা হোৱাৰ কাৰণটো মই দেখা নাই স্বামী ? পুত্ৰ ঘটোৎকচ আৰু অভিমন্যুৰ মৃত্যুৰে জানো আপোনাৰ অন্তৰ কৰা নাই ব্যথিত ?

ভীম ঃ পাঞ্চালী , কিয় আহিলা তুমি এই স্থানলৈ ? ঘটোৎকচ আৰু অভিমন্যুৰ দৰে বীৰৰ মৃত্যুত শোক প্ৰকাশ কৰাটো অনুচিত পাঞ্চালী । বীৰৰ দৰে যুঁজি তেওঁলোকে ল'লে মৃত্যুক আঁকোৱালী।

দ্ৰৌপদী ঃ পাছে কৌৰৱৰ কোন কোন বীৰে লৈছে মৃত্যুক আঁকোৱালী, দয়া কৰি জনাবনে মোক ?

ভীম ঃ পাঞ্চালী , আচৰিত প্ৰশ্ন কৰিলা তুমি ? সংবাদ কি পোৱা নাই তুমি পিতামহৰ শৰবিদ্ধৰ ? এতিয়াও কি পোৱা নাই তুমি দ্ৰোণাচাৰ্য , জয়দ্ৰথৰ দৰে মহাৰথীৰ মৃত্যুৰ সংবাদ ?

দ্ৰৌপদী ঃ এই সকল বীৰৰ মৃত্যুয়ে আনন্দিত নকৰে আমাক ? এতিয়াও অপক্ষা মোৰ শুভ সংবাদলৈ --

ভীম ঃ আৰু ক্ষন্তেক কৰা অপেক্ষা । পাবা তুমি পাষণ্ড দুঃশাসনৰো মৃত্যুৰ সংবাদ ।

দ্ৰৌপদী ঃ আৰু কিমান দিন থাকিম মই মুক্ত কেশেৰে ? ইমান বীৰনে দুঃশাসন যে বকাসুৰ বিজেতা, কীচক বিজেতা, জৰাসন্ধ বিজেতা বৃকোদৰক আজি দুঃশাসনক বধিবলৈ সময়ৰ হৈছে প্ৰয়োজন ?

ভীম ঃ আঃ পাঞ্চালী , নল'বা আৰু মোৰ ধৈৰ্যৰ পৰীক্ষা । আজিয়েই কৰিম মই প্ৰতিজ্ঞা পূৰণ । পাঞ্চালী , তুমি কৰা অপেক্ষা ; দুঃশাসন , দুঃশাসন ---- ( **প্ৰস্থান** )

সূত্ৰ ঃ দ্ৰৌপদীৰ প্ৰস্থান। কৰ্ণই যুধিষ্ঠিৰক ধনুৰ গুণেৰে ডিঙিত মেৰাই টানি আনে ----

কৰ্ণ ঃ যুধিষ্ঠিৰ, ইচ্ছা কৰিলে এতিয়াই মই তোমাক হত্যা কৰি সমাপ্ত কৰিব পাৰোঁ কুৰুক্ষেত্ৰ ৰণ। কিন্তু প্ৰতিজ্ঞাবদ্ধ মই। যোৱা, তোমাক মই কৰিছো মুক্ত । লক্ষ্য মোৰ মাথো ধনঞ্জয় -( **প্ৰস্থান** )

যুধিষ্ঠিৰ ঃ অপমান , ঘোৰ অপমান পালো মই সুত পুত্ৰৰ হাতত। মুক্ত নকৰি মোক হত্যা কৰা হ'লেই আছিল ভাল । নাই নাই মই আৰু আজি কৰিব নোৱাৰো ৰণ । যাওঁ মই নিজ শিবিৰলৈ ।

সূত্ৰ ঃ যুধিষ্ঠিৰৰ প্ৰস্থান। আনফালে সভাত শকুনি আৰু দুঃশাসন ---

শকুনি ঃ ভাগিন, প্ৰচণ্ড বেগেৰে আমাৰ সেনাক সংহাৰ কৰি কোনোবা এজন এইফালে আহিব ধৰিছে।

সূত্ৰ ঃ বেগেৰে ভীমসেনৰ প্ৰৱেশ ------

ভীম ঃ দুঃশাসন , দুঃশাসন -- অ' মামা শকুনিও আছে লগত এই কুলাঙ্গাৰৰ সৈতে । ভালেই হ'ল দুয়োটাকে আজি মই পঠাম যমালয়লৈ ।

শকুনি ঃ অ ভাগিন বৃকোদৰ , মই জানো তোমাৰ সমকক্ষ। বলবান হস্তীৰ সন্মূখত দুৰ্বল শহা যেন মই। আছে মোৰ সঙ্গে এই দুঃশাসন । তাতে বৃকোদৰ , আমাৰ ৰক্তপান কৰিম বুলিতো তুমি কৰা নাছিলা পণ। কিয় কুখ্যাতি ৰাখা কাললৈ মোৰ লগত কৰি ৰণ -- ( **বেগেৰে প্ৰস্থান** )

দুঃশাস ঃ মামা, মামা, ক'ত যায় আপুনি --- ? মামা...।

ভীম ঃ দুঃশাসন, তোকেই বিচাৰি ফুৰিছো মই । আজি মই মোৰ প্ৰতিজ্ঞা কৰিম পূৰণ।

দুঃশাস ঃ বৃকোদৰ , ক্ষত্ৰিয় বীৰ মই । মৃত্যুলৈ নকৰোঁ ভয় । কৰক আক্ৰমণ সাজু আছো মই ।

গীত - (ৰাগ ঃ ভাটিয়ালী , তাল ঃ ৰচক )

**মহাক্ৰোধে দুয়োবীৰে যুদ্ধ আৰম্ভিলা।**
**পদভৰে বসুমতী কঁপিব লাগিলা।।**
**অস্ত্ৰাঘাটে দুঃশাসন হৈলা পৰাভূত।**
**বোলা হৰি হৰিয়োক সামাজিক লোক।।**

**সূত্ৰ ঃ দুয়োৰে মাজত যুদ্ধ হয় । ৰণত দুঃশাসন বাগৰি পৰে --------------------**

ভীম ঃ পাপী দুঃশাসন, এই হাতেৰে তই মাতৃসম পাঞ্চালীৰ ধৰিছিলি কেশত -- ( হাতখন ভাঙে ) এই দুহাতেৰেই তই পাঞ্চালীক কৰিছিলি বস্ত্ৰ হৰণ , ল তই তাৰ পৰিণাম।

দুঃশাস ঃ আ: দাদা , মোক ক্ষমা কৰক , মোক এৰি দিয়ক।

ভীম ঃ ক্ষমা তোক নকৰোঁ মই। আজি তোৰ বক্ষ ফালি মই কৰোঁ ৰক্তপান--( ৰক্তপান কৰে )

**সূত্ৰ ঃ উন্মাদৰ দৰে ভীমৰ প্ৰস্থান। আনফালে সভাত দ্ৰৌপদী ; এনেতে ভীমসেন আহে -**

ভীম ঃ পাঞ্চালী , ---- পাঞ্চালী --

দ্ৰৌপদী ঃ আঃ নাথ , ---- নাথ , কি হৈছে আপোনাৰ ?

ভীম ঃ আনন্দ কৰা পাঞ্চালী , আনন্দ কৰা। লৈ আহিছো দুশাসনৰ এয়া তপ্ত ৰঙা ৰক্ত ।

দ্ৰৌপদী ঃ ৰক্ত, দুশাসনৰ ৰক্ত ।তেন্তে নিধন হ'ল নৰাধম ; আজিহে ক্ষান্ত হ'ব মোৰ ক্ৰোধাগ্নি । নাথ, আপুনিয়ে মোৰ কেশত সানি দিয়ক ৰক্ত।

**সূত্ৰ ঃ ভীমে দ্ৰৌপদীৰ কেশত ৰক্ত সানে। দ্ৰৌপদীয়ে কেশবন্ধন কৰে।**

ভীম ঃ পাঞ্চালী, পূৰ্ণ হৈছে মোৰ এক পণ ; বাকী আছে এতিয়া পাতকী দুৰ্যোধন ।যাওঁ মই পুনৰ ৰণাঙ্গনে, আজিয়েই তাৰ ওপৰতো লওঁ প্ৰতিশোধ । আঃ দুৰ্যোধন দুৰ্যোধন --- ( **প্ৰস্থান** )

দ্ৰৌপদী ঃ দুশাসন, তই মোক যি অপমান দিছিলি সেয়া সমগ্ৰ নাৰী জাতিৰ অপমান। যদিওবা তোৰ মৃত্যুৱে কৰিব নোৱাৰে সেই অপমান ম্লান কিন্তু তোৰ মৃত্যুৱে সুৰক্ষিত কৰিব মোৰ দৰে অবলা নাৰীক -

**সূত্ৰ ঃ দ্ৰৌপদীৰ প্ৰস্থান। আনফালে শোকাতুৰ হৈ দুৰ্যোধন ---**

দুৰ্যো ঃ ভাতৃ, ভাতৃ -- নাই নাই এনে হ'ব নোৱাৰে । মোৰ বীৰ ভাতৃ দুশাসনৰ মৃত্যু হ'ব নোৱাৰে । উসঃ ভাই আছিলি তই মোৰ ছাঁৰ দৰে । কৰিছিলি পণ মোক বিজয়ী কৰাৰ । আজি ভীমৰ হাতত তোৰ মৃত্যু ? দুঃশাসন , নোৱাৰিলো মই তোক ৰক্ষা কৰিব -- ( কান্দে )

**সূত্ৰ ঃ এনেতে কৰ্ণ আহে ---**

কৰ্ণ ঃ সখা, সখা -- ইকি প্ৰাণৰ সখা মোৰ আজি হৈছে শোকাতুৰ । ধৈৰ্য ধৰা সখা , জয় পৰাজয় ৰণৰ পৰিণাম । বীৰৰ দৰে যুদ্ধ কৰি দুঃশাসনে এৰিলে প্ৰাণ।

দুৰ্যো ঃ স্তব্ধ হোৱা অঙ্গৰাজ । তুমি মোক সান্ত্বনা দিছা ? বুজিলো তোমাৰ চৰিত্ৰ । মামাই সত্য কথাই কৈছিল। পাণ্ডৱৰ প্ৰতি তোমাৰো আঃ --- সেয়ে সুযোগ পায়ো যুধিষ্ঠিৰক তুমি নকৰিলা বধ। তুমি মোৰ সখা হ'ব নোৱাৰা কৰ্ণ। তুমি স্বাৰ্থপৰ , তুমি বিশ্বাসঘাটক ।

কৰ্ণ ঃ সখা, কৰ্ণই সকলো সহিব পাৰে। কিন্তু বিশ্বাসঘাটক -- নোৱাৰে সহিব। শুনা সখা, এতিয়াই যাম মই ৰণ ক্ষেত্ৰলৈ । হয় অৰ্জুন নহয় কৰ্ণ কোনোবা এজনহে ধৰাত থাকিব জীয়াই --( **প্ৰস্থান** )

দুৰ্যো ঃ এয়া এয়া মই কি কাৰ্য কৰিলো ? সখাক কৰিলো অপমান। সখা , সখা অঙ্গৰাজ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত শকুনি-----**

শকুনি ঃ অৰ্জুনৰ সাৰথি স্বয়ং যদুপতি আৰু কৰ্ণৰ সাৰথি মদ্ৰপতি শল্য হাঃ হাঃ --পিতামহ গ'ল, দ্ৰোণাচাৰ্য গ'ল, আৰু সৌৱা , সৌৱা পাৰ্থৰ শৰত যমালয়লৈ গৈছে অঙ্গৰাজো । হাঃহাঃ কুৰুক্ষেত্ৰত আজি মৃত্যুৱে কিৰিলি মাৰিছে আৰু সেই কিৰিলিৰ ছন্দে ছন্দে এই গান্ধাৰ নন্দন শকুনিয়ে কৰিছে উদ্দাম নৃত্য হাঃ হাঃ। কৌৰৱৰ মাংস ভোজন আৰু ৰক্ত পানেৰে শিয়াল - শগুণে আজি সভা পাতিছে । হে মোৰ জ্যেষ্ঠ ভাতৃগণ, চোৱা তোমালোকে, কণিষ্ঠই কৰিছে আজি প্ৰতিজ্ঞা পূৰণ ; বাকী আছেগৈ মাথো কুৰুবংশৰ শেষ শলিতা গছি । সিও নুমাব কিছু ক্ষণত হাঃ হাঃ --

**সূত্ৰ ঃ** **এনেতে সহদেৱ ------------**

সহদেৱ ঃ মামা , ৰণ ক্ষেত্ৰত দেখো আজি তোমাক হাস্য বদনে। আচৰিত মামা, আচৰিত তোমাৰ চৰিত্ৰ।

শকুনি ঃ অ' কণিষ্ঠ পাণ্ডৱ, আঁহা সহদেৱ, আজি মই কৰিছো পণ , ৰণক্ষেত্ৰৰ পৰা মই আৰু নকৰোঁ পলায়ন । উদ্দেশ্য মোৰো যে হৈছে পূৰণ ; জানো মই , তোমালোকৰেই নিশ্চিত বিজয় । শয়ন কৰি মৃত্যুৰ কোলাত ময়ো মাৰিম বিজয়ৰ হাঁহি হাঃ হাঃ --

সহদেৱ ঃ তোমাৰ কথাৰ পাক বুজা কঠিন মামা । যিয়েই নহওক তাৰ অৰ্থ বুজাৰো মোৰ আৰু নাই প্ৰয়োজন । ৰণক্ষেত্ৰ এয়া, মাথো লওঁক অস্ত্ৰ তুলি ।

( গীত )

এহি বুলি দুয়ো বীৰে ৰণ আৰম্ভিলা।
চোকা চোকা অস্ত্ৰ দুয়ো প্ৰহাৰ কৰিলা।।
অস্ত্ৰাঘাটে শকুনি ধৰাশায়ী হৈলা।
ৰাম হৰি ৰাম হৰি সৰ্বজনে বোলা ।।

**সূত্ৰ ঃ** **যুদ্ধত শকুনিৰ মৃত্যু হয় । দেখি সহদেৱে যি কয় ----**

সহদেৱ ঃ তোমাৰ কুকৰ্মৰ বাবেই এই দশা হ'ল মামা । যাওঁ পাণ্ডৱগণক মামাৰ মৃত্যুৰ বতৰা দিওঁগৈ ।

**সূত্ৰ ঃ** **সহদেৱৰ প্ৰস্থান । আনহাতে সভাত বলোভদ্ৰ ----- -**

বলো ঃ অনেক তীৰ্থ কৰিলো ভ্ৰমণ। মন মোৰ হ'ল শান্ত । শুনিছো কুৰুক্ষেত্ৰ ৰণো সমাপ্তিৰ পথত । কৌৰৱকুলত জীয়াই আছে কেৱল দুৰ্যোধন। সুমতি আহক দুৰ্যোধনৰ । বন্ধ হওঁক এই ৰক্তক্ষয়ৰ

**সূত্ৰ ঃ** **বলোভদ্ৰৰ প্ৰস্থান। আনফালে দ্বৈপায়ন হ্ৰদত দুৰ্যোধন আহি প্ৰৱেশ কৰে --**

**সূত্ৰ ঃ** **সভাত পঞ্চপাণ্ডৱ আৰু কৃষ্ণ আহে ----------------**

কৃষ্ণ ঃ পাণ্ডৱগণ , এয়া দ্বৈপায়ন হ্ৰদ । যোগ ক্ৰীয়াৰ বলত দুৰ্যোধনে ইয়াতে লৈছে বিশ্ৰাম -- আৰু এটা আছে আশ্চয্যৰ বাৰ্তা । মাতৃ গান্ধাৰীয়ে যোগ শক্তিৰ বলত উৰু অংশক বাদ দি দুৰ্যোধনৰ শৰীৰ কৰি তুলিলে শিলৰ সদৃশ । সাৱধানে গদা প্ৰহাৰ কৰিব লাগিব দাদা বৃকোদৰে ।

ভীম ঃ জনাৰ্দন , আছে মোৰ প্ৰতিজ্ঞা মনত । কৰিম মই দুৰ্যোধনৰ উৰুভঙ্গ ---

কৃষ্ণ ঃ তাৰবাবে প্ৰথমে দুৰ্যোধনক বাহিৰলৈ অনাৰ কৰক চেষ্টা ---

যুধিষ্ঠিৰ ঃ দুৰ্যোধন , ধিক ধিক তোমাৰ বীৰত্ব । যদি তুমি বীৰ ক্ষত্ৰিয় ৰণ কৰাহি আমাৰ লগত ।

ভীম ঃ হেৰ' কুলাঙ্গাৰ হস্তিনাৰ ধুমকেতু, পিতামহ - গুৰুদেৱে এৰিলে প্ৰাণ তোৰেই হেতু । নকৰি এতিয়া ৰণ লুকাই আছহি ইয়াত নাদৰ ভেকুলী হৈ । আহ পাষণ্ড , ওলাই আহ , বৃকোদৰে আজি তোৰ কৰিব জীৱন নাশ ----

**সূত্ৰ ঃ** **এনেতে দুৰ্যোধন ওলাই আহে ------**

দুৰ্যো ঃ ইমান আস্ফালনৰ নাই প্ৰয়োজন। কুৰুপতি মই দুৰ্যোধন, ৰণ এৰি কদাপি নকৰে পলায়ন । অ' যদুপতি, ধৰ্মৰক্ষক নহয় জানো আপুনি ? তেন্তে কিয় আমাৰ মহাৰথীগণক মৰোৱালে আপুনি অন্যায় ভাৱে ? ধৰ্ম ৰক্ষকেই যদি কৰে অধৰ্ম তেন্তে কি থাকিল এই জগতত ?

কৃষ্ণ ঃ ধৰ্ম অধৰ্মৰ বিচাৰ তুমি কৰিছা দুৰ্যোধন ? এই চিন্তা যদি তুমি পূৰ্বে কৰিলা হয় , সংঘটিতই নহ'লহেঁতেন কুৰুক্ষেত্ৰ ৰণ । ৰজঃস্বলা দ্ৰৌপদীক সভাৰ মাজত অপমান কৰোঁতে নাহিল তোমাৰ ধৰ্ম চিন্তা ? প্ৰতিজ্ঞা অনুযায়ী পাণ্ডৱে কটাই বনবাস নিজ প্ৰাপ্য বিচাৰোঁতে নাহিল তোমাৰ ধৰ্ম চিন্তা ? কৰ্ণক দিলা অঙ্গৰাজ্য , অথচ পাণ্ডৱক নিদিলা পাঁচখন গাঁও ।

যুধিষ্ঠিৰ ঃ দুৰ্যোধন, সপ্তৰথীয়েহে বেঢ়ি মাৰিব পাৰে যুৱক অভিমন্যুক ; কিন্তু পাণ্ডৱে এজনক বেঢ়ি নকৰে ৰণ । আমাৰ পাঁচ ভাতৃৰ যিকোনো এজনক তুমি স্বেচ্ছাই লোৱা বাচি । যি অস্ত্ৰই কৰিব বিচাৰা সেই অস্ত্ৰই কৰিবা ৰণ । জয়ী হলে ৰণত তুমি হস্তিনাৰ সিংহাসন তোমাকেই কৰিম অৰ্পণ ।

দুৰ্যো ঃ দুৰ্যোধন মই, ক্ষত্ৰিয় বীৰ । কণিষ্ঠ বা জ্যেষ্ঠ পাণ্ডৱক গদা যুদ্ধৰ বাবে নিৰ্বাচন কৰি নকৰোঁ অধৰ্ম। শুন হেৰ' বপুৰা বৃকোদৰ, ভালদৰে কৰিবি ৰণ , নতু গদাৰ প্ৰহাৰে হৰিম তোৰ জীৱন ।

ভীম ঃ নহ'ব তোৰ স্বপ্ন পূৰণ, গদাধৰ মই ভীম ; বধিলো জটাসুৰ , ৰাক্ষস হিড়িম্ব , দুই হাতে তনু ফালি বধিলো জৰাসন্ধ ; পাইছো আজি সন্মূখত তোৰ দৰে দুৰ্জন , আহ পাষণ্ড দে ৰণ ---

**গীত- ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ ৰচক )**

**লাগিল লাগিল ৰণ অতি ভয়ংকৰ ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**

**সূত্ৰ ঃ যুদ্ধ হয়। ভীমে দুৰ্যোধনক প্ৰহাৰ কৰি কৰি ভাগৰি পৰে । দেখি কৃষ্ণই যি কয়-**

কৃষ্ণ ঃ দাদা বৃকোদৰ , চিন্তা নকৰিব ---- ( উৰু দেখুৱাই )

**সূত্ৰ ঃ ভীমে দুৰ্যোধনৰ উৰুত প্ৰহাৰ কৰে। দুৰ্যোধন বাগৰি পৰে। এনেতে বলোভদ্ৰ --**

বলো ঃ নীচমতি ভীম , দেখিলো মই তোৰ পৰাক্ৰম । এয়াই কি শিক্ষা দিছিলো তোক মই । গদাযুদ্ধৰ নিয়ম দিলি জলাঞ্জলী । কিয় তই দুৰ্যোধনৰ উৰুত কৰিলি প্ৰহাৰ ? আঃ আজি তোৰ বক্ষ বিদাৰিম মই এই হলৰ প্ৰহাৰে --- ( নাঙল লৈ খেদি আহে )

কৃষ্ণ ঃ (আগভেটি) ক্ষান্ত হওঁক দাদা , ক্ষান্ত হওঁক । বৃকোদৰ আমাৰ আত্মীয়। তদুপৰি বৃকোদৰে দুৰ্যোধনৰ উৰুভঙ্গ কৰিম বুলি কৰিছিল প্ৰতিজ্ঞা ।

বলো ঃ কিন্তু কৃষ্ণ, প্ৰতিজ্ঞা পূৰণ কৰিবৰ বাবেই গদাযুদ্ধৰ নিয়ম কি দিব জলাঞ্জলী ?

কৃষ্ণ ঃ দাদা, এই উৰু দেখুৱায়ে দুৰ্যোধনে ভৰা ৰাজসভাত পাঞ্চালীক কোলাত বহিবলৈ দিছিল নিমন্ত্ৰণ।

বলো ঃ শুনা কৃষ্ণ , লোকৰ দোষ বৰ্ণাই অন্যায় কাৰ্য ঢাকিবৰ নকৰিবা চেষ্টা । কেৱল ধৰ্ম ৰক্ষাৰ বাবে অন্যায় পথ বাচি লোৱাটো মই নকৰোঁ সমৰ্থন। দুৰ্যোধন, বীৰৰ দৰে যুঁজি ৰণত পৰিলা তুমি । যদিওবা তুমি হৈছা পৰাস্ত অন্যায় সমৰে , তোমাৰেই বীৰত্ব প্ৰকাশিব দশোদিশে ।

দুৰ্যো ঃ ধন্যবাদ গুৰুদেৱ , মৃত্যুমুখী দুৰ্যোধনক আজি আপুনি শুনালে অমৃত বাণী ---

বলো ঃ কৃষ্ণ, যাওঁ মই দ্বাৰকালৈ , তুমিয়ে ৰণ জয়ৰ আনন্দ কৰাগৈ উপভোগ -- ( **বেগেৰে প্ৰস্থান** )

কৃষ্ণ ঃ দাদা, কি কৰিম ? নোৱাৰোঁ বুজাব আপোনাক। পাণ্ডৱগণ, ব'লা আমি এই স্থান এতিয়া কৰোঁ ত্যাগ । সোনকালেই মৃত্যুৰূপী শীতল কোলাত শয়ন কৰিব দুৰ্যোধনে।

দুৰ্যো ঃ যোৱা যুধিষ্ঠিৰ, ৰাজত্ব কৰাগৈ তুমি মহা শ্মশানত আৰু আত্মীয়গণক মই লগ কৰোঁগৈ স্বৰ্গধামত

**গীত - ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ পৰিতাল )**

**এহিবুলি ৰঙ্গমনে পাণ্ডৱ মহাবীৰ।**
**চলি গৈলা শিবিৰক মন কৰি স্থিৰ।।**
**দুষ্টক বধিয়া প্ৰভূ ধৰ্মক থাপিলা।**
**সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।**

**সূত্ৰ ঃ দুৰ্যোধন ভূমিত পৰি থাকে। বাকী সকলোৰে প্ৰস্থান। ইমানতে নাটভাগিৰ যৱনিকা পৰে।**

## গীত - (ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

## মুক্তি মংগল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমল লোচন।।

ইতি , দুৰ্যোধনৰ উৰুভঙ্গ নাম নাটকং সমাপতি ভেল ।

সমাপ্ত

জয় গুৰু শংকৰ



# শ্ৰীৰামচন্দ্ৰৰ পঞ্চবটী গমন, জটায়ু আখ্যান


নাট্যৰূপ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ, যোৰহাট

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১/ সূত্ৰধাৰ
২/ শ্ৰীবিষ্ণু
৩/ শ্ৰীৰামচন্দ্ৰ -- ( প্ৰধান চৰিত্ৰ )
৪/ লক্ষ্মণ
৫/ নাৰদ
৬/ অগস্ত্য ঋষি
৭/ দশৰথ ( অযোধ্যা ৰাজন )
৮/ সুমন্ত্ৰ ( মন্ত্ৰী )
৯/ জটায়ু পক্ষী
১০/ সম্পাতি পক্ষী ( জটায়ুৰ জ্যেষ্ঠ ভাতৃ )
১১/ ৰাৱন ( ৰাক্ষস ৰাজ )
১২/ খৰ ( ৰাক্ষস )
১৩/ দুষণ ( ৰাক্ষস )
১৪/ মাৰীচ
১৫/ ঋষি - ১
১৬/ ঋষি - ২
১৭/ প্ৰজা

## নাৰী চৰিত্ৰ

১/ সীতা -- ( প্ৰধান চৰিত্ৰ )
২/ কৈকেয়ী ( অযোধ্যাৰ ৰানী )
৩/ শূৰ্পনখা ( ৰাৱনৰ ভগিনী )
৪/ মন্থৰা ( দাসী )

## মুখা

স্বৰ্ণ মৃগ

শ্ৰীৰামচন্দ্ৰায়ে নমো নমঃ

শ্লোক ঃ নমঃ কৃষ্ণ নিৰাকাৰং ৰূপ জ্যোতি সনাতনম।
পীত বস্ত্ৰ পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম।।
সুৰেন্দ্ৰ গৰ্ব গঞ্জনং গাজেন্দ্ৰ দম্ভ খণ্ডনম।
বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।

অপিচ ঃ বিশ্ব পালনং দেৱ বিষ্ণু চতুৰ্ভূজম । ৰমাকান্তম দুষ্ট বিনাশং ।।
প্ৰণমং চৰণে দেৱ নাৰায়ণম । ৰামচন্দ্ৰৰূপে অৱতাৰ ধাৰনং ।।

গীত ঃ নান্দী (ৰাগ ঃ সুহাই , তাল ঃ একতাল)

জয় জয় দেৱ নাৰায়ণ। তুৱা পাৱে কৰহো বন্দন।।
নানা ৰূপে লোৱা অৱতাৰ। কৰিলাহা ভক্তক উদ্ধাৰ।।
হেন জানি এৰা আন কাম। সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা, ইয়ং - **শ্ৰীৰামচন্দ্ৰৰ পঞ্চবটী গমন, জটায়ু আখ্যান** নাম নাটকং শ্ৰৱণে মুক্তি সাধকম --

--- অথ ভটিমা ---

জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন
তুৱা পাৱে কৰোহো বন্দন ।
দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি
ৰক্ষা কৰা সাধু সন্ত গণ ।।
দশৰথ ৰাজন জটায়ুৰ বান্ধৱ
গ্ৰহপতিক তুষ্ট কৰিলা ।
দশৰথ পুত্ৰৰূপে শ্ৰীহৰি নাৰায়ণে
ৰাম নামে অৱতাৰ লৈলা ।।
পিতৃ সত্য ৰাখি ৰঘুপতি ৰাঘৱ
বনত কৰিলা গমন ।
পঞ্চবটী বনে দুৰ্জন ৰাৱনে
জানকীক কৰিলা হৰণ ।।
পক্ষীৰাজ জটায়ুৱে জানকীক ৰক্ষাৰ্থে
নিজ প্ৰাণ বলিদান দিলা ।
দেখা দেখা সৰ্বজন ইটো কথা ৰামায়ণ
নিৰন্তৰে ৰাম ৰাম বোলা ।।

## শ্লোক নৃত্য ঃ

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত বাজত বাজত ।

সূত্ৰ ঃ আ-হাহা মিলল, মিলল, আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু সভাৰ মধ্যে আৱত, আৱত , আৱত । তাক দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল ।

ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্ৰ ঃ সভাত শ্ৰী বিষ্ণুৰ প্ৰৱেশ -------------**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং ।।

**গীত - ( ৰাগ ঃ সিন্ধুৰা , তাল ঃ একতাল )**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।**
**যাক দেখি মহা সুখী হুৱে সৰ্বজন।।**
**দিব্য বস্ত্ৰে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰ।।**

বিষ্ণু ঃ আমি অনাদি, আমি অনন্ত ; সম্পূৰ্ণ জগত উৎপত্তিৰ আমিয়ে কাৰণ আৰু আমিয়ে প্ৰলয়ৰ কাৰণ । চৰাচৰ জগত আমাৰে লীলাধাম । যেতিয়াই জগতত ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ হয় বৃদ্ধি, তেতিয়াই আমি নানা ৰূপে লওঁ অৱতাৰ । অচিৰতে আহিব তেনে ক্ষণ ; নৰৰূপে ধৰাধামত লৈ অৱতাৰ নৰ কৰ্তব্য এইবাৰ আমি কৰিম পালন ---

**সূত্ৰ ঃ এনেতে নাৰদ আহে --**

নাৰদ ঃ প্ৰণাম প্ৰভূ ---

বিষ্ণু ঃ আঁহা দেৱৰ্ষী , আমাৰ ইচ্ছাতে আজি আগমণ ঘটিছে তোমাৰ বৈকুণ্ঠধামে । কৰিব লাগিব তুমি আমাৰ এক বিশেষ কাৰ্য সাধন ।

নাৰদ ঃ আ-হাহা কি যে ভাগ্য আমাৰ । প্ৰভূ, আপোনাৰ বন্দনাৰে জীৱন কৰিছিলো ধন্য । আজি এই নিঃকিন নাৰদক আপুনি কি কাৰ্য অৰ্পণ কৰি কৰোৱাব পুণ্য অৰ্জন ?

বিষ্ণু ঃ দেৱৰ্ষী, জানাই তুমি , অযোধ্যাত বৰ্তমান দশৰথ ৰাজন । আমাৰো অতিকে প্ৰিয় ৰাজন ; বিচাৰোঁ আমি ভ্ৰমণ কৰি আঁহা তুমি এবাৰ অযোধ্যা ৰাজ্য ।

নাৰদ ঃ প্ৰভূ, জাগিছে মনত কৌতুহল ; পঠাইছে আমাক অযোধ্যা ৰাজ্যে মাথো ভ্ৰমণৰ হেতু --- ?

বিষ্ণু ঃ হাঃ হাঃ কৌতুহল আৰু নাৰদ, হয় জানো কেতিয়াবা পৃথক ? দেৱৰ্ষী, এতিয়াই যদি আমি কৰোঁ ব্যক্ত থাকিব জানো ভ্ৰমণৰ মাদকতা ? অযোধ্যাতে পাবা তুমি কৌতুহলৰ সমিধান ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --; বুজিলো প্ৰভূ , বুজিলো । তেন্তে প্ৰভূ, নকৰি পলম পুনৰবাৰ সেৱা জনাই তয়ু চৰণত যাত্ৰা কৰোঁ আমি অযোধ্যা ৰাজ্যে ---- ( **প্ৰস্থান** )

বিষ্ণু ঃ যোৱা দেৱৰ্ষী , আমিও যাঁও নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান । সভাত জটায়ু আৰু সম্পাতিৰ প্ৰৱেশ ---------**

**গীত ঃ ( ৰাগ - আশোৱাৰী ; তাল - চুতকলা )**

**প্ৰৱেশিলা সভাৰ মাজে কাশ্যপৰ নাতি ।**
**অৰুণৰ তনয় দুয়ো জটায়ু সম্পাতি ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ডাকি হৰি হৰি বোলা লোক সমাজৰ ।।**

জটায়ু ঃ প্ৰণাম দাদা , কণিষ্ঠক কৰক আশীৰ্বাদ ---

সম্পাতি ঃ উঠা জটায়ু, তোমাৰ স্থান মোৰ হৃদয়ত । ভাতৃ, তোমাৰ সঙ্গ পালে নালাগে একো এই সম্পাতিক। কৰিছো পণ, পক্ষীকুলৰ গৌৰৱ আমি দুয়ো মিলি কৰিম উদ্ধাৰ । হীন বুলি, নীচ বুলি ঘৃণা কৰে জগতে পক্ষীকুলক । আঃ আৰু নসহো, পক্ষীদ্ৰোহীহঁতক আমি এফালৰ পৰা কৰিম নিধন।

জটায়ু ঃ কোনে ক'লে দাদা পক্ষীকুল হীন বুলি ? কোনে ক'লে পক্ষীকুলক নীচ বুলি ? পক্ষীৰাজ গৰুণ্ডই নাৰায়ণৰ বাহন হৈ পক্ষীকুলৰ গৌৰৱ ৰাখিছে জিলিকাই । সেয়েহে দাদা, ত্যাগ কৰক আপুনি এই মনোভাৱ । প্ৰেমেৰে জিনক আপুনিও সমস্ত জগত ।

সম্পাতিঃ অসম্ভৱ, গৰুণ্ডৰ কীৰিতিক লৈয়ে কি আমি লভিম সন্তুষ্টি ? দুৰ্মতি মনুষ্যই পক্ষীকুলৰ ওপৰত কৰা অত্যাচাৰ কি নিৰৱে যাম সহি ? নাই নাই সম্পাতি মই, দেখুৱাম জগতক, নহয় পক্ষীকুল দুৰ্বল, নহয় পক্ষীকুল নিঃসহায় । সৃষ্টি কৰিম জগতত মই পক্ষীৰ সন্ত্ৰাস --

জটায়ু ঃ নহয় নহয় দাদা, নকৰিবা এনে অকাৰ্য । মনত ৰাখিবা উজ্বল বংশ আমাৰ পিতৃকুলৰ ; অৰুণ তনয় আমি কাশ্যপৰ নাতি । তোমাৰ কাৰ্যই পিতৃকুলক কৰিব লজ্জিত ---

সম্পাতিঃ কৰ্তব্যৰ জ্ঞান মোক নিদিবা ভাতৃ ; তোমাক কৰা চেনেহৰ নলবা সুযোগ । সম্পাতি মই, জ্যেষ্ঠ মই , শ্ৰেষ্ঠ মই ; যি পথে মই কৰোঁ গমন বনৰ হিংস্ৰ পশুয়েও নকৰে বিচৰণ । কৰিছো পণ, মোৰ এই তীক্ষ্ণ নখেৰে বক্ষ ফালি নিষ্ঠুৰ মনুষ্যক নিষ্ঠুৰতাৰ মই দিম শিক্ষণ হাঃ হাঃ --

জটায়ু ঃ জ্যেষ্ঠ বুলি দাদা তোমাক কৰোঁ সন্মান । কিন্তু দাদা অশুভ কাৰ্যৰে পাব নোৱাৰা তুমি শ্ৰেষ্ঠতাৰ আসন । মনত ৰাখিবা দাদা তুমিয়ে আমিয়ে একেজন পিতাৰে সন্তান ---

সম্পাতিঃ অৰ্থাৎ তুমি বাধা দিবা মোক ? হাঃ হাঃ তুমি বিচাৰা শ্ৰেষ্ঠতাৰ আসন ? অসম্ভৱ , অসম্ভৱ , আকাৰত মই প্ৰকাণ্ড, গতি মোৰ অতি দূৰন্ত, আছে ডেউকাত মোৰ বল অসীম অনন্ত --

জটায়ু ঃ আত্মজ্ঞান আৰু আত্ম বিচাৰত প্ৰত্যেকেই ৰাখে নিজকে শ্ৰেষ্ঠ স্থানত --

সম্পাতিঃ( খঙেৰে ) জটায়ু ----- ? ?

জটায়ু ঃ ক্ৰোধ নকৰিবা দাদা, সত্যকেই মই কৰিছো ব্যক্ত ; কৰ্মইহে দিয়ে শ্ৰেষ্ঠতাৰ আসন --

সম্পাতিঃ আঃ নকৰোঁ বিশ্বাস ; ভাতৃ, যদি তুমি হোৱা শ্ৰেষ্ঠ তেন্তে ময়ো কৰিছো পণ, ত্যাগ কৰিম আজিহন্তে মই ক্ৰোৰ আচৰণ ; তোমাৰ উপদেশকে বিনা প্ৰতিবাদে কৰিম গ্ৰহণ । কিন্তু তাৰ পূৰ্বে আঁহা ভাতৃ জুখি চোৱা তুমি মোৰ পৰাক্ৰম ---

জটায়ু ঃ দাদা , কণিষ্ঠ হৈ মই জ্যেষ্ঠৰ ওপৰত -- নাই নাই এনেদৰে নকৰোঁ মই শ্ৰেষ্ঠতাৰ প্ৰমাণ --

সম্পাতিঃ তেন্তে কি উপায়েৰে কৰিবা প্ৰমাণ -- ?

জটায়ু ঃ দাদা, শ্ৰেষ্ঠতা জুখিবা সদায় আনৰ বিচাৰত । সৌয়ে দেখিছা দূৰত ঋষি - মুনিগণ, -- সত্যবাদী, নিৰপেক্ষ তেওঁলোক । তেওঁলোকেই দিব আমাক ইয়াৰ সমিধান ।

সম্পাতিঃ তেন্তে ভাতৃ , অবিলম্বে যাত্ৰা কৰোঁ আমি তেওঁলোকৰ সমীপে ----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত দুজন ঋষিৰ প্ৰৱেশ ------------**

**গীত -( ৰাগ ঃ আশোৱাৰী ; তাল ঃ একতাল )**

**আৰত সভাৰ মাজে ঋষি মুনিগণ ।**
**শাস্ত্ৰৰ আলাপ হেতু স্থিৰ কৰি মন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**হৰি হৰি ডাকি বোলা সভাসদ নৰ ।।**

ঋষি-১ ঃ ঋষিবৰ, এই স্থানেই হ'ব শ্ৰীহৰিৰ গুণানুকীৰ্তনৰ বাবে উত্তম স্থান ।

ঋষি-২ ঃ সঠিক স্থান নিৰ্বাচিত কৰিছে ঋষিবৰ । তেন্তে এই স্থানতে আমি আসন গ্ৰহণ কৰি শাস্ত্ৰ কথা কৰোঁ আলোচনা -(বহে ) বাৰু ঋষিবৰ, কওকচোন মৃত্যুকালত আমি কি কৰা উচিত ?

ঋষি-১ ঃ উত্তম প্ৰশ্ন কৰিলে ঋষিবৰ । মৃত্যুকাল উপস্থিত হ'লে আমাৰ শ্ৰীহৰিৰ পদচিন্তা কৰা উচিত। স্থান পাম তেতিয়া বৈকুণ্ঠ ধামে । অন্যথা ভয়ংকৰ যমদূতে নিব আমাক যমৰ নগৰে --

**সূত্ৰ ঃ এনেতে জটায়ু আৰু সম্পাতি আহে --------------**

স+জ ঃ প্ৰণাম ঋষিগণ --

ঋষি-২ ঃ আঃ কি প্ৰকাণ্ড পক্ষী । ঋষিবৰ, এয়া মায়াবী ৰাক্ষস নে আহিল যমদূত ? হে প্ৰভু, কি দশা আমাৰ ; কৰিছিলো বাৰ্তালাপ আৰু সঁচাই আমাৰ চাপিল মৃত্যুকাল -- হে প্ৰভু ---

জটায়ু ঃ ভয় নকৰিব ঋষিগণ, নহয় আমি কোনো মায়াবী ৰাক্ষস । পক্ষী আমি কাশ্যপৰ নাতি । আহিছো আপোনাসবৰ সমীপে আমি এক সমিধান বিচাৰি ।

ঋষি-১ ঃ কি সমিধান লাগে তোমালোকক ?

সম্পাতি ঃ ঋষিগণ, নাম মোৰ সম্পাতি আৰু এওঁ মোৰ কণিষ্ঠ জটায়ু । আমাৰ দুয়োৰে মাজত কোন হ'ব বলৱান তাৰে আপোনাসৱে দিয়ক সমিধান ।

ঋষি-২ ঃ এয়া কেনে বিপদ ? দুয়ো পক্ষীৰ সমানেই কলেৱৰ, কেনেদৰে কৰিম বিচাৰ কোন হ'ব বলৱান ? বুজিলো, ধাৰে কাটিলেও কটা, গাদিৰে কাটিলেও কটা -- দুয়োফালে আমাৰে বিপদ।

ঋষি-১ ঃ পক্ষীদ্বয়, আমাক বিচাৰৰ বাবে দিয়া খন্তেক সময় ।

জটায়ু ঃ নিশ্চয় ঋষিবৰ , আমি কৰিছো অপেক্ষা -----

সম্পাতি ঃ কিয় আমাক কৰাব অপেক্ষা ? জীৱশ্রেষ্ঠ মনুষ্য আপোনাসৱ , তাতে তপস্বী, হৈছো আচৰিত কিয় অতপৰ লাগে আপোনাসৱক দুই পক্ষীৰ সমিধান বিচাৰি ।

ঋষি-২ ঃ ঋষিবৰ , সিহঁত হৈছে ক্রোধিত । কি বিচাৰ কৰিছে আপুনি ? কোন হ'ব বলৱান ?

ঋষি-১ ঃ ভয় নকৰিব ঋষিবৰ, বিপদৰ বেলা বলেৰে নোৱাৰিলে বুদ্ধিৰে কৰিব লাগে কাৰ্য সম্পাদন । --- পাইছো মই এক উপায় বিচাৰি । পক্ষীদ্বয় , তোমালোক সহোদৰ, তাতে অৰুণৰ সন্তান। আকাৰতো তোমালোকৰ সম কলেৱৰ । সেইহেতু চাক্ষুস দৃষ্টিৰে আমাৰ হৈছে অসুবিধা কোন তোমালোকৰ ভিতৰত হ'ব শ্রেষ্ঠ ?

সম্পাতি ঃ তেন্তে নহ'বনেকি আমাৰ সমস্যা সমাধান ? নোৱাৰিব নেকি দিব আপোনাসৱে আমাক সমিধান ?

ঋষি-১ ঃ নিশ্চয় দিব পৰা যাব সমিধান , যদিহে তোমালোকে আমাৰ সন্মূখত দিয়া নিজ নিজ বলৰ প্রমাণ । সৌৱা চোৱা, আৰোহণ কৰি ৰথত দিনমণি গৈছে অস্তাচললৈ । তোমালোকৰ যিজনেই উৰা মাৰি প্রথমে দিনমণিৰ ৰথ কৰিবা স্পর্শ তেওঁৱেই হ'বা শ্রেষ্ঠ , দূৰন্ত আৰু বলৱান ।

সম্পাতি ঃ তেন্তে ভাতৃ ; আৰম্ভ কৰোঁ আজি আমাৰ মাজত সঁচা উৰণৰ যুঁজ । সাক্ষী হ'ব দিনমণি, সাক্ষী হ'ব ঋষিগণ আমাৰ এই আকাশলংঘী উৰণৰ ।

জটায়ু ঃ নিশ্চয় দাদা ; ঋষিগণ, কৰক আশীর্বাদ আমাক ; আৰম্ভ কৰোঁ দুয়ো ভাতৃয়ে শ্রেষ্ঠত্ব প্রাপ্তিৰ বাবে উৰণৰ যুঁজ । সাজু হোৱা দাদা , স্পর্শ কৰোঁ দিনমণিৰ ৰথ --

**<u>সূত্র ঃ দুয়ো পক্ষীয়ে উৰা মাৰি প্রস্থান কৰে -------------</u>**

ঋষি-১ ঃ হাঃ হাঃ বৃহৎ কলেৱৰ মাথো নাই বুদ্ধি তহঁতৰ । মূর্খ পক্ষী , পাৰিবি জানো তহঁত দিনমণিৰ চাপিব কাষ ?

ঋষি-২ ঃ বাঃ ঋষিবৰ বাঃ উত্তম বুদ্ধি আপোনাৰ । যা মূর্খ পক্ষী উৰি যা, উৰি যা, দে আকাশলংঘী উৰণ । মিলিব তহঁতৰ আজি নিশ্চিত মৰণ হাঃ হাঃ ---

ঋষি-১ ঃ ব'লক ঋষিবৰ, এই সুযোগতে আমিও এই স্থান কৰোঁ পৰিত্যাগ ।

ঋষি-২ ঃ উত্তম ঋষিবৰ উত্তম ; ব'লক , শুভস্য শীঘ্রম --

**<u>সূত্র ঃ ঋষিগণৰ প্রস্থান । আনফালে উৰণৰ ভংগীৰে সভাত জটায়ু , পাছে পাছে সম্পাতি --------</u>**

<u>গীত</u>

**উৰি যাই দুয়ো ভাতৃ আকাশৰ দিশে ।**

**দিনমণিৰ ৰথক আজি স্পর্শ কৰাৰ মনে ।।**

জটায়ু ঃ দাদা, কিয় পৰিছা পাছ ? চোৱা , লক্ষ্যস্থান আমাৰ চাপিছে ওচৰ --

সম্পাতি ঃ যিমানেই চেষ্টা নকৰা ভাতৃ , --- চাবা , অন্তিম বিজয় আজি মোৰেই হ'ব ।

জটায়ু ঃ( চিৎকাৰ কৰে ) আঃ আঃ দাদা ---

সম্পাতি ঃ ভাতৃ , ভাতৃ , কি হৈছে তোমাৰ --- ?

জটায়ু ঃ আঃ দাদা, দিনমণিৰ তাপে দহিছে মোক । পৰা নাই সহিব দাদা, ডেউকা মোৰ যাব পুৰি--

সম্পাতি ঃ নাই নাই , তুমি চিন্তা নকৰিবা ভাতৃ , মই গৈছো আগুৱাই --

**<u>সূত্র ঃ সম্পাতি আগুৱাই গৈ ডেউকা মেলি জটায়ুক ৰক্ষা কৰে ---</u>**

সম্পাতি ঃ ভয় নকৰিবা জটায়ু , আছে কাষত তোমাৰ জ্যেষ্ঠ ভাতৃ --আঃ আঃ --

জটায়ু ঃ দাদা , দাদা , এয়া কি কৰিছা তুমি ? আঁতৰি দিয়া দাদা , আঁতৰি দিয়া ---

<u>সূচনা</u>

**দেখা দেখা নৰলোক ভাতৃৰ স্নেহক ।**

**প্রাণ দিওঁ ৰক্ষা কৰে আজি কণিষ্ঠক ।।**

**সূত্ৰ ঃ** **দিনমণিৰ তাপে সম্পাতিৰ ডেউকা পুৰে । সম্পাতি তললৈ খহি পৰে -**

সম্পাতি ঃ আঃ আঃ --- ভাতৃ -- ( খহি পৰাৰ দৰে প্ৰস্থান কৰে )

জটায়ু ঃ নাই দাদা নাই , -- দাদা ----

**সূত্ৰ ঃ** **জটায়ুৰ প্ৰস্থান । সভাত চুচঁৰি চুচঁৰি সম্পাতি আহে ------**

সম্পাতি ঃ আঃ আঃ অসহ্য যান্ত্রনা ; ডেউকা মোৰ গ'ল পুৰি । সৰ্ব শৰীৰত মোৰ উঠিছে পুৰণি । হে প্ৰভূ , হে প্ৰভূ এয়া তোমাৰ কেনে লীলা ? অসীম আকাশৰপৰা পৰিলোহি এই গিৰিত , তথাপি মই আছো জীয়াই । বুজিছো, কৰ্মফলে আজি মই পালো এনে শাস্তি --

**সূত্ৰ ঃ** **এনেতে জটায়ু আহে ---**

জটায়ু ঃ দাদা , দাদা --এয়া কি কৰিলা দাদা ? কিয় তুমি ভাতৃৰ বাবে নিজৰ জীৱন কৰিলা নাশ ?

সম্পাতি ঃ ভাতৃ , তুমি কুশলে আছানে -- ?

জটায়ু ঃ দাদা ----------------- ( **বিলাপ** ) --

হাঁ হাঁ দাদা কিয় তুমি এনুৱা কৰিলা ।
ভাতৃৰ হেতু নিজ প্ৰাণ সংকটে পেলালা ।।
মই পাপী মন্দমতি পক্ষীৰ কুলত ।
মোৰ বাবে কিয় দাদা পৰিলা দুখত ।।

সম্পাতি ঃ দুখ নকৰিবা ভাতৃ ; চোৱা , সুউচ্চ আকাশৰপৰা পৰা পৰিও মই আছো জীয়াই ।

জটায়ু ঃ দাদা, ময়ো পক্ষী, জানো মই পক্ষীৰ বাবে কিমান প্ৰিয় তাৰ পাখিযুক্ত ডেউকা জোৰ । কদাপি নিবিচাৰে পক্ষীয়ে তাক হেৰুৱাব । কিন্তু এই অধম ভাতৃৰ বাবে তুমি তাকো দিলা বিসৰ্জন । ময়ে দোষী, মোৰ বাবেই তোমাৰ হ'ল এনে দুৰ্গতি । ময়ে দিলো তোমাক পঙ্গুত্বৰ জীৱন। হে প্ৰভূ, শেষ কৰা তুমি এই জটায়ুৰ জীৱন --

সম্পাতি ঃ ভাতৃ, নক'বা পুনৰ তুমি এনুৱা বচন । অহংকাৰৰ ফল বুলি মানি লৈছো মই পঙ্গুত্বৰ জীৱন

জটায়ু ঃ তুমি চিন্তা নকৰিবা দাদা , পিঠিত তুলি মোৰ লৈ যাম তোমাক মই আমাৰ বাসস্থানে । আছে মোৰ ডেউকা অক্ষত হে ; নিতৌ উৰুৱাম দাদা আকাশত তোমাক মোৰ পিঠিত লৈ ---

সম্পাতি ঃ জটায়ু , ভাতৃ মোৰ , মোৰ বাবে নকৰিবা চিন্তা ; নাযাওঁ আৰু মই বাসস্থানে ।

জটায়ু ঃ দাদা ? বাসস্থান তুমি কিয় কৰিবা ত্যাগ ? নাই নাই এনে হ'ব নোৱাৰে ---

সম্পাতি ঃ নহয় ভাতৃ, জোৰ নকৰিবা মোক । এই স্থানতে পৰি ৰ'ল মোৰ প্ৰাণ ; বুজিছো এই স্থান মোৰ বাবে ভগৱন্তৰ দান । সমুদ্ৰৰ তীৰৰ এই গিৰিতে কটাম মই জীৱনৰ অন্তিম কাল ।

জটায়ু ঃ এয়া কি কৈছা দাদা , মোৰ বাবেই এৰিবা তুমি নিজ স্থান ? -- ( কান্দে )

সম্পাতি ঃ নাকান্দিবা ভাতৃ, সৰ্ব শৰীৰ মোৰ বিষত জৰ্জৰিত । ভাতৃ, এই গিৰিৰে সৌ উত্তম স্থানলৈ যোৰাত মোক কৰা সহায় । জটায়ু, জ্যেষ্ঠৰ অনুৰোধ জানো নাৰাখা তুমি ?

জটায়ু ঃ দাদা -; -- ব'লক দাদা, লৈ যাঁও তোমাক মই গিৰিৰ সৌ উত্তম স্থানে --

গীত - ( ৰাগ ঃ মাহুৰ , তাল ঃ পৰিতাল )

সম্পাতিক লৈয়া যাই জটায়ুৱে আজি ।
কিনো ভাগ্য কিনো ভাগ্য লিখিলা সম্পাতিৰ ।।

**সূত্ৰ ঃ** **দুয়োৰে প্ৰস্থান। সভাত অযোধ্যাৰাজ দশৰথ আৰু মন্ত্ৰী সুমন্ত্ৰৰ প্ৰৱেশ --**

গীত - ( ৰাগ ঃ আশোৱাৰী ; তাল ঃ পৰিতাল )

প্ৰৱেশিলা দশৰথ অযোধ্যা ৰাজন ।
সঙ্গে আহে মহামন্ত্ৰী দেখিতে শোভন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

দশ ঃ মন্ত্ৰীবৰ, সুৰ্যবংশী ইক্ষাকুৰ বংশজ মই । পুণ্যভূমি অযোধ্যাত কৰিছো শাসন । আছে আমাৰ সোণালী অতীত ; আছে গৌৰৱ অযোধ্যা ভূমিৰ । নাপাহৰে জগতে পূৰ্বজ ৰঘুৰ পৰাক্ৰম ; থাকে মানে জগত অক্ষয় কীৰ্তি হে থাকিব জিলিকি হৰিশ্চন্দ্ৰৰ পণ --

সুমন্ত্র ঃ সঁচা কথা মহাৰাজ , সূৰ্যবংশী শাসকেৰে শৌৰ্যশালী আমাৰ অযোধ্যা ; মান্ধাতা , ভগীৰথৰ দৰে বীৰৰ জন্মদাতা এই অযোধ্যা । পূৰ্বজগণৰ আৰ্জিত পুণ্য আজি আপোনালৈও প্ৰবাহিত । সেয়ে দেৱতাৰো প্ৰিয় আপুনি ; দেৱতাৰ আশিষধন্য আপুনি ।

দশ ঃ হাঃ হাঃ সত্য বচন বুলিলে আপুনি । অজনন্দন মই দশৰথ ; নিজ বাহু বলে সসাগৰা পৃথিৱীত কৰিছো শাসন । বল , বীৰ্য , নাম , যশ মোৰ বাঢ়িছে জগতত । কৌশল্যা , সুমিত্ৰা , কৈকেয়ীৰ লগতে সাতশ ৰমণীয়ে শোভা বঢ়াইছে মোৰ কাৰেঙত --

সুমন্ত্র ঃ কিন্তু মহাৰাজ , ৰাজ্যত এতিয়া -----

দশ ঃ ৰাজ্যৰ বিষয়ত কোনো চিন্তা নকৰিব মন্ত্ৰীবৰ । ৰাজ্যৰ প্ৰজা আছে কুশলে ; নকৰে কোনো শত্ৰুয়ে সাহস অযোধ্যা আক্ৰমণৰ ----

**সূত্ৰ ঃ এনেতে নাৰদ আহে ------------------**

দশ ঃ প্ৰণাম দেবৰ্ষী, আপোনাৰ আগমণে অযোধ্যাৰ পুণ্যভূমি কৰিলে পাৱন ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --; ৰাজন , অযোধ্যা আমাৰ অতিকে প্ৰিয় । পূৰ্বেও কতবাৰ আহিছো আমি এই পুণ্যধামে । কিন্তু হ'লো দুখিত , নেদেখিলো আজি আমি অযোধ্যাৰ পূৰ্বৰ গৰিমা --

দশ ঃ কি কৈছে দেৱৰ্ষী ? দশৰথৰ শাসনত নেদেখিলে আপুনি অযোধ্যাৰ সেই পূৰ্বৰ গৰিমা ? নাই নাই আপুনি কৰিছে কৌতুক ; আছো মই সুখে, আছে মোৰ প্ৰজা কুশলে ।

নাৰদ ঃ কৌতুক নহয় ৰাজন ; সত্যটোহে কৰিছো ব্যক্ত । আছে মাথো আপুনি সুখত ; আপোনাৰ প্ৰজা আজি দুখৰ সাগৰত ।

দশ ঃ দেৱৰ্ষী , নাই মোৰ অযোধ্যাত কোনো ঠগ - প্ৰবঞ্চক ; নাই মোৰ অযোধ্যাত কোনো দুখ কিম্বা বৈৰী ভাৱত । আছে মোৰ প্ৰজা কুশলে , মিথ্যা অপবাদ দশৰথে কদাপি নসহে ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ -- সত্য সদায় অপ্ৰিয়ই হয় ৰাজন । অযোধ্যাৰ পূৰ্বজগণৰ দৰে আপুনিও আমাৰ প্ৰিয় । প্ৰিয়জনৰ অকাৰ্য নসহে আমাৰ প্ৰাণে । ৰাজন, আমাক ভুল নুবুজিব ; জানো আমি আপুনি পৰাক্ৰমী । কিন্তু হৈছে জানো আপুনি প্ৰজাপালক ? মোহান্ধ হৈ পত্নীগণৰ মোহত ৰাজ্যৰ প্ৰজাগণলৈ জানো আপুনি দিয়া নাই পিঠি ? অযোধ্যাৰ প্ৰজাই আজি কৰিছে কান্দোন; পৰিছে জানো আপোনাৰ কৰ্ণত সেই কান্দোন ?

দশ ঃ দেৱৰ্ষী -- ? এয়া আপোনাৰ অসত্য বচন ।

নাৰদ ঃ যদি আমাৰ বচনত আপোনাৰ হোৱা নাই বিশ্বাস তেন্তে বাহিৰ ওলাই এই কাৰেঙৰ পৰা প্ৰজাৰ মাজত কৰক ভ্ৰমণ। নিশ্চয় বুজিব আপুনি কি ঘটিছে আপোনাৰ ৰাজ্যত ?

দশ ঃ নিশ্চয় , নিশ্চয় দেৱৰ্ষী , আপোনাৰ পৰামৰ্শ মই কৰিছো গ্ৰহণ । স্বয়ং দশৰথে আজি অযোধ্যা কৰিব ভ্ৰমণ ; প্ৰজাৰ অৱস্থা কৰিব নিৰীক্ষণ ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ , তেন্তে আমি এতিয়া বিদায়হে মাগো ----- ( **প্ৰস্থান** )

দশ ঃ যাওক দেৱৰ্ষী ; মন্ত্ৰীবৰ, যাঁও মই অযোধ্যাৰ দক্ষিণ দিশে । নিজ চক্ষুৰে মই কৰিম নিৰীক্ষণ; দৃঢ় বিশ্বাস মোৰ, হ'ব নোৱাৰে মোৰ প্ৰজা অসুখী । দেৱৰ্ষীৰ বচন হ'ব মিথ্যা --( **প্ৰস্থান** )

সুমন্ত্র ঃ যাওক মহাৰাজ ; দেৱৰ্ষীৰ বচন মিথ্যা নহয় ৰাজন । সঁচাই অযোধ্যাবাসী আজি দুখৰ সাগৰত। কতবাৰ মই এই সন্দৰ্ভত আপোনাক অৱগত কৰাৰ কৰিলো চেষ্টা ; কিন্তু নিদিলে সুযোগ, মোহান্ধ হৈ মাথো পত্নীৰ প্ৰেমত ---ধন্যবাদ দেৱৰ্ষী, মহাৰাজক আপুনি সঠিক পথ দিলেহি দেখুৱাই । হে প্ৰভূ, সুমতি দিবা ৰাজনক, উদ্ধাৰ কৰিবা তুমি অযোধ্যাৰ প্ৰজাগণক --

**সূত্ৰ ঃ মন্ত্ৰীবৰৰ প্ৰস্থান । সভাত এজন প্ৰজাৰ প্ৰৱেশ ---- ( বাজনা - ভংগী )**

**সূত্ৰ ঃ প্ৰজা সভাৰ মাজে পাই । এনেতে আঁতৰত দশৰথ -----**

প্ৰজা ঃ হে প্ৰভূ, কি পাপৰ ফলত মোক অযোধ্যাত থাপিলা ? বুজিছা প্ৰভূ, নাই আৰু অযোধ্যাৰ আগৰ সেই দিন । শুনিছিলো পিতামহৰ মুখে আছিল বোলে ইয়াতে দিলীপৰ দৰে মহান ৰজা। এজনী ধেনুক বনৰ সিংহই খাব খোজোতে দিলীপে বুলিছিল -- নাখাবি ধেনুক মোকে খা আৰু এই আপদীয়া দশৰথে -- অ' ধেনুটো বাদেই, মনুষ্যৰো নকৰে আদৰ । কাৰেঙত বহি সৰ্বদা বোলে মই খাঁও তহঁতে নাখা। খা, খা তয়ে খা ; কুমলীয়া আদা পাই ভৰিৰে মোহাৰি খা । ইচ ইচ পঞ্চ বছৰে ৰাজ্যত হোৱা নাই বৃষ্টিপাত; জলৰ অভাৱত হোৱা নাই অন্ন জাত। নাখাই মৰিছে প্ৰজা, তাৰ জানো সি ৰাখিছে খৰৰ ? -------------

**সূত্ৰ ঃ অতিষ্ঠ হৈ দশৰথৰ প্ৰস্থান ---; প্ৰজাই পুনৰ কয় ----**

প্ৰজা ঃ ক'ত ৰাখিব খৰৰ ? হেৰ' আমি এজনীতে সন্তুষ্ট --আৰু সি সাতশজনী ৰমণীৰ মোহত অন্ধ --পাছে কি হ'ব ? সকলো মিছা, আজিলৈকে এটা সন্তানৰো নহ'ল বাপেকী। শাও বুজিছ, এয়া প্ৰজাৰ শাও। আমালৈ চা, হ'ব পাৰোঁ দীন দৰিদ্ৰ , পাছে সাতোটা সন্তানৰ বাপেকী আমি --অ এইবোৰ গাই থাকিলেনো হ'ব কাৰ লাভ ? ঘৈণীসহ পোনাকেইটাৰ ময়ে ভৰাব লাগিব উদৰ । যাওঁ প্ৰভু, মোৰে ফুটা কপাল । কিবা এটা অন্নৰ কৰোঁগৈ যোগাৰ ---

**সূত্ৰ ঃ প্ৰজাৰ প্ৰস্থান । সভাত শোকবিহ্বল হৈ দশৰথ আহে ----------------**

দশ ঃ হায় হায় এয়া কি শুনিলো মই ? অযোধ্যাৰ প্ৰজাই আজি ধিক্কাৰ দিয়ে মোক। অ, মই ধিক্কাৰৰেই যোগ্য ; মই মহাপাপী, নিষ্কৰ্মা ৰজা মই দশৰথ। পঞ্চ বছৰে ৰাজ্যত হোৱা নাই বৃষ্টিপাত ; হোৱা নাই শস্য জাত । প্ৰজাই কৰে হাঁহাকাৰ, বন্য জন্তুৱে কৰে আৰ্তনাদ আৰু মই ৰক্ষক হৈ অযোধ্যাৰ আছিলো মজি সুখ সাগৰত । হে মোৰ পূৰ্বজগণ, কিয় তোমালোকে মোক ৰাখিছা জীয়াই ? কৰা কোপাগ্নি বৰ্ষণ ; শেষ কৰি দিয়া এই অধৰ্মীৰ জীৱন ---

**সূত্ৰ ঃ এনেতে সুমন্ত্ৰ আহে ------------------**

সুমন্ত্ৰ ঃ দুখ নকৰিব মহাৰাজ । ৰাজ্যৰ এই অৱস্থাৰ বাবে আমিও সমানেই জগৰীয়া । দিব পৰা নাছিলো মই আপোনাক ৰাজ্যৰ সঠিক বিৱৰণ । পাছে চিন্তা নকৰিব ৰাজন, সকলো কালৰ প্ৰভাৱ । দুখৰ অন্ত নিশ্চয় পৰিব , আহিব সুদিন । এতিয়া ব'লক মহাৰাজ, কৰকগৈ বিশ্ৰাম -

দশ ঃ নহয় মন্ত্ৰীবৰ , বিশ্ৰামৰ আৰু নাই সময় । অযোধ্যা আমাৰ জননী জন্মভূমি । আজি জননীয়ে কান্দিছে বৃষ্টিৰ অভাৱত ; তেনেস্থলত পুত্ৰ হৈ মই কেনেদৰে কৰিম বিশ্ৰাম ? ৰঘুবংশী মই ৰজা দশৰথ, যাঁও স্বৰ্গ দিশে, সুধিম দেৱতাক কিয় বাধা দিয়ে বৃষ্টিপাতক অযোধ্যাৰ ভূমিত -

সুমন্ত্ৰ ঃ মহাৰাজ , স্বৰ্গদিশে আপুনি যাব অকলে ? নাই , নাই যদি হয় প্ৰয়োজন ময়ো --

দশ ঃ আপুনি চিন্তা নকৰিব মন্ত্ৰীবৰ ; নকৰোঁ সমীহ মই দেৱ পুৰন্দৰলৈ । মাথো, নাহো মানে মই ঘূৰি অযোধ্যাৰ দায়িত্ব লওক আপুনি । যাত্ৰা কৰোঁ মই স্বৰ্গপুৰে -- ( প্ৰস্থান )

সুমন্ত্ৰ ঃ যাওক মহাৰাজ ; অপেক্ষা কৰিম আপোনাৰ সফল আগমণলৈ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত জটায়ু ; নেপথ্যত দশৰথৰ কাতৰ চিঞৰ -- ( ৰক্ষা কৰা , ৰক্ষা কৰা )**

জটায়ু ঃ অকস্মাতে শুনো আৰ্তনাদ গগন মণ্ডলে । কোন , কোনে কৰে -- ? ই কি --কোনোবা এজন আকাশৰপৰা পৰিছে খহি । কোন তেওঁ ? অ -- সেয়াচোন মৰতৰ ৰাজন দশৰথ । দশৰথৰ এনে দুৰ্গতি ? নাই নাই এনে অঘটন নোৱাৰে ঘটিব । চকুৰ আগতে এই জটায়ুৰ হ'ব দিব নোৱাৰি দশৰথৰ মৰণ । ৰক্ষা কৰিম , ৰক্ষা কৰিম মই দশৰথৰ জীৱন --

**সূত্ৰ ঃ জটায়ুৱে ডেউকা মেলি ধৰে ; দশৰথ আহি জটায়ুৰ পিঠিত পৰে আৰু অচেতন হয় । জটায়ুয়ে দশৰথক ভূমিত নমাই যি কয় ----**

জটায়ু ঃ ৰাজন , ৰাজন দশৰথ , উঠক ৰাজন ----

দশ ঃ ( চেতন পাই ) কোন -- ? কোন আপুনি ? ক'ত আছো মই -- ?

জটায়ু ঃ চিন্তা নকৰিব ৰাজন । ধৰিলো পিঠি পাতি মই আপোনাক। আপুনি বৰ্তমান নিৰাপদেই আছে মৰতত । হে অযোধ্যাপতি , মই পক্ষী জটায়ু । কাশ্যপৰ নাতি তথা অৰুণৰ তনয় মই ।

দশ ঃ হে পক্ষীৰাজ, ৰক্ষা কৰিলে আপুনি মোৰ জীৱন। কিবাদৰে কৃতজ্ঞতা যাঁচো মই আপোনাক ।

জটায়ু ঃ সকলো প্ৰভুৰ ইচ্ছা ৰাজন , আমি নিমিত্তহে মাথো । কিন্তু আপোনাৰ দৰে সূৰ্যবংশী ৰাজনৰ কিয় হৈছিল এনে দশা ?

দশ ঃ পক্ষীৰাজ, কি ক'ম মই ? হোৱা নাই অযোধ্যাত পঞ্চ বছৰে বৃষ্টিপাত। সৰগত প্ৰৱেশি সুধিছিলো দেৱেন্দ্ৰক ইয়াৰ কাৰণ। জানিব পাৰিলো ইয়াৰ মূলতে শনিদেৱৰ কোপদৃষ্টি । সেইহেতু গৈছিলো শনিধামে ; কিন্তু কোপদৃষ্টি পৰিল শনিদেৱৰ মোৰ ওপৰত। পৰিছিলো খহি আকাশৰ পৰা, ভাবিছিলো নৰ'ব আৰু প্ৰাণ। পাছে আপোনাৰ কৃপাত পালো নব জীৱন মই । বুজিলো পক্ষীৰ সমান নাই আন বান্ধৱ । হে বান্ধৱ, কি দি সুজিম মই আপোনাৰ এই ঋণ ?

জটায়ু ঃ কি কয় ৰাজন ? ৰঘুবংশী আপুনি মহান ৰাজন । মোৰ দৰে এক সামান্য পক্ষীকো কৰিছে বান্ধৱ সম্বোধন । ইয়াতকৈ জানো লাগে আন কিবা মোক ?

দশ ঃ আপুনি মহান, আপুনি দয়ালু, আপুনি বীৰ পক্ষী জটায়ু । আপোনাৰ দৰে বান্ধৱ পাই জীৱন ধন্য হ'ল মোৰ । সাক্ষী কৰি জগতক, আজিহন্তে আমি মিত্রতাৰ পাশত হ'লো আৱদ্ধ ।

জটায়ু ঃ হে অজনন্দন, আপোনাৰ দৰে ৰাজনে মোৰদৰে এক পক্ষীক বান্ধৱ বুলি লৈছে আঁকোৱালি । মহান আপুনি, কৰিলে প্ৰমাণ, কৰিলে প্ৰতিষ্ঠা পক্ষীও হ'ব পাৰে মনুষ্যৰ বান্ধৱ ।

দশ ঃ তেনেকৈ নক'বা সখা ; তুমি আমি সকলো ভগৱন্তৰ সৃজন । পাছে সখা, কাৰ্য মোৰ নহ'ল সমাপন । পুনৰ যাত্ৰা কৰিম মই শনিধামে ।

জটায়ু ঃ যাওক সখা, ভগৱন্তই আপোনাক কৰিব সহায় । দৃঢ় বিশ্বাস মোৰ এইবাৰ আপুনি হ'ব সফল।

দশ ঃ তেন্তে সখা, তোমাৰ শুভাশীষ লৈ পুনৰবাৰ মই কৰোঁ যাত্ৰা শনিধামে ---

**সূত্ৰ ঃ প্ৰথমে দশৰথৰ প্ৰস্থান । পাছত জটায়ুৰ প্ৰস্থান । সভাত শ্ৰীবিষ্ণু ---**

শ্ৰীবিষ্ণু ঃ ধন্য দশৰথ , ধন্য তুমি । যদিওবা ক্ষণিকলৈ ৰাজধৰ্ম পালনত তুমি কৰিছিলা অৱহেলা , কিন্তু আমাৰেই ইচ্ছাত দেৱৰ্ষীয়ে মাৰ্গ দৰ্শন কৰালে তোমাক ।

**সূত্ৰ ঃ এনেতে নাৰদ আহে ----**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; সহস্ৰ প্ৰণাম তযু চৰণত ----

শ্ৰীবিষ্ণু ঃ কোৱা দেৱৰ্ষি, কিবা বাৰ্তা লৈ আহিলা অযোধ্যাৰ পৰা ?

নাৰদ ঃ প্ৰভূ , আপোনাৰ লীলা অপাৰ । আপোনাৰ লীলাৰ অংশীদাৰ হ'বলৈ পাই আমিও ধন্য ।

শ্ৰীবিষ্ণু ঃ যোগ্যজনকে আমি কৰোঁ নিৰ্বাচন। তোমাৰ ওপৰত আছে আমাৰ দৃঢ় বিশ্বাস । দশৰথওে সাহস আৰু কৰ্তব্যনিষ্ঠাৰ ৰাখিলে নিদৰ্শন । পুনৰ শনিধামত হৈ উপস্থিত দশৰথে গ্ৰহপতিক কৰিলে মোহিত । আঁতৰিল গ্ৰহপতিৰ কোপদৃষ্টি অযোধ্যাৰ পৰা ; হৈছে আজি অযোধ্যাত বৃষ্টিপাত । ইয়াৰ কৃতিত্ব তোমালৈও যায় দেৱৰ্ষী ; দশৰথক মাৰ্গ দৰ্শন তুমিয়েইটো কৰালা ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; আপোনাৰ কৃপা বিনে জানো এয়া সম্ভৱ হয় প্ৰভূ । পাছে প্ৰভূ সংকট আঁতৰা নাই মৰতৰ পৰা ; ৰাক্ষসৰাজ ৰাৱনৰ ভয়ত আজি কঁপিছে ত্ৰিভুৱন ।

শ্ৰীবিষ্ণু ঃ দেৱৰ্ষী, নাজানা জানো তুমি ৰাৱনৰ অতীত ? বৈকুণ্ঠৰ দ্বাৰৰক্ষী শাপিত জয়েই জনম লৈছে কৈকসীৰ গৰ্ভত ৰাৱন ৰূপে আৰু বিজয়ে জনম লৈছে কুম্ভকৰ্ণ ৰূপে ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ; প্ৰভূ, চাৰি সিদ্ধৰ দ্বাৰা শাপিত হৈ যেতিয়া জয় আৰু বিজয়ে আপোনাত লৈছিল শৰণ, দিছিল আপুনিয়ে তেওঁলোকক বিধান, শত্ৰুৰূপে আচৰণ কৰি আপোনাৰ মুকুতি লভিব তেওঁলোকে । এতিয়া জানো প্ৰভূ তাৰ নকৰিব উপায় ?

শ্ৰীবিষ্ণু ঃ আমাৰ বচন জানো মিথ্যা হয় দেৱৰ্ষি ? অচিৰেই আমি মৰতত নৰৰূপে লম অৱতাৰ ।

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, প্ৰভূ আপোনাৰ নৰ ৰূপ দৰ্শনৰ হেতু আমি কৰিম অধীৰ অপেক্ষা । পাছে প্ৰভূ, কাৰ ভাগ্য হ'ব প্ৰসন্ন ? কোন হ'ব সেই ভাগ্যবান যি পুত্ৰৰূপে লভিব আপোনাক --

শ্ৰীবিষ্ণু ঃ দেৱৰ্ষি, অযোধ্যাৰাজ দশৰথৰ পুত্ৰৰূপে আমি মৰতত নৰৰূপে ল'ম অৱতাৰ ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; প্ৰভূ, মৰতত আছে দশৰথ সমে অনেক ধাৰ্মিক নৰ । তাৰ মাজত কিয়বা আপোনাৰ কৃপা লভিলে দশৰথে তাৰ কাৰণো জনাবনে আমাক ?

শ্ৰীবিষ্ণু ঃ আগ্ৰহ কৰিছা যেতিয়া শুনা তেন্তে -- সৃষ্টিৰ আদিতে মনু আৰু শতৰূপাই তপ কৰি আমাক কৰিছিল সন্তুষ্ট । কামনা কৰিছিল তেওঁলোকে আমাক পুত্ৰৰূপে লভাৰ । পাছে সেই জনমত তেওঁলোকে নাপালে সুযোগ । ত্ৰেতা যুগে পূৰ্ণ হ'ব তেওঁলোকৰ কামনা । নাৰদ , মনুয়েই ধৰাত এতিয়া দশৰথ আৰু শতৰূপাই হৈছে এতিয়া ধৰাত কৌশল্যা ---

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ; তোমাৰ লীলা অপাৰ ; প্ৰভূ , এতিয়া আমি বিদায়হে মাগো ---( **প্ৰস্থান** )

শ্ৰীবিষ্ণু ঃ যোৱা দেৱৰ্ষী ; অতিকে বিচিত্ৰ হ'ব নৰৰূপ আমাৰ ; ধৰ্ম কি, কৰ্ম কি , সত্য কি নৰৰূপে আমি মৰতত ৰাখিম নিদৰ্শন । যাঁও এৱে আমি নিজ কৰ্তব্যত ---

সূত্ৰ ঃ শ্ৰীবিষ্ণুৰ প্ৰস্থান । সভাত মহৰ্ষি অগস্ত্যৰ প্ৰৱেশ --

গীত- ( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )
প্ৰৱেশয় সভাৰ মাজে মহৰ্ষি অগস্ত্য ।
মহাগুণী ঋষি তুমি ভাতা বশিষ্ঠৰ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান। সভাত চুঁচৰি চুঁচৰি সম্পাতি আহে ----

সম্পাতি ঃ অতদূৰ আহিলো অশেষ কষ্টেৰে ; পাছে নাই, ক'তো পোৱা নাই বিচাৰি এক অন্ন -- যেতিয়া আছিল ডেউকা মোৰ উৰিছিলো আকাশত শত যোজন ; কৰিছিলো সুমিষ্ট আহাৰ ভক্ষণ । কিন্তু আজি চোৱা মোৰ কি দুৰ্ভাগ্য । এটি আহাৰ বিচাৰি মই কৰিছো হাঁহাকাৰ ; আঃ নোৱাৰোঁ আৰু নোৱাৰোঁ ; ভোকত প্ৰাণবায়ু আজি মোৰ যাব উৰি ------

সূত্ৰ ঃ এনেতে অগস্ত্য আহে ---

অগস্ত্য ঃ সম্পাতি --

সম্পাতি ঃ কোন ? অ মহৰ্ষি অগস্ত্য ; প্ৰণাম ঋষিবৰ --

অগস্ত্য ঃ ভোকাতুৰ তুমি ? নকৰিবা চিন্তা, লোৱা মোৰ হাতত আছে এই ফল ।

সম্পাতি ঃ ঋষিবৰ, নিজ কৰ্মফলে ভুগিছো আজি এনে দুৰ্বিসহ জীৱন । আপোনাৰ প্ৰদত্ত এই ফলে আজি মোৰ ক্ষুধা কৰিব নিবাৰণ । কিন্তু কালিলৈ হ'ব কি ? কিমান কষ্ট আৰু ভুগিম মই ? কৃপা কৰক তপোধৰ ; আপোনাৰ বাবে মোৰ কষ্ট নিবাৰণ কৰাটো জানো নহয় সম্ভৱ ? নতু তপোবলে শেষ কৰি দিয়ক এই দুৰ্ভগীয়াৰ জীৱন ।

অগস্ত্য ঃ সম্পাতি, তপোধৰ হ'লেও ভাগ্যৰ লিখন আমি নোৱাৰোঁ খণ্ডাব । তথাপি তোমাৰ দুখত আমিও হৈছো দুখী । দিছো আশীষ , নহ'ব স্থায়ী তোমাৰ এই দুৰ্বিসহ জীৱন ।

সম্পাতি ঃ নহ'ব স্থায়ী মোৰ এই দুৰ্বিসহ জীৱন ; অৰ্থাৎ মোৰ এই যান্ত্ৰনাৰ পৰিব অৱসান ?

অগস্ত্য ঃ অ সম্পাতি ; অচিৰেই পৰিব তোমাৰ যান্ত্ৰনাৰ অৱসান । নাৰায়ণে মৰতত নৰৰূপে লৈছে অৱতাৰ ; নৰৰূপী নাৰায়ণৰ কাৰ্য সাধনেৰে তোমাৰ যান্ত্ৰনাৰ পৰিব অন্ত। গজি উঠিব তোমাৰ দেহত নৱ পাখি, পাবা ডেউকাত ঘূৰাই পূৰ্বৰ শক্তি । অ সম্পাতি , নৱ জীৱন লভি পুনৰ তুমি আকাশত কৰিবা বিচৰণ । মাথো তুমি কৰা অপেক্ষা সেই ক্ষণলৈ --- ( প্ৰস্থান )

সম্পাতি ঃ ধন্যবাদ ঋষিবৰ ; হে প্ৰভু , তোমাৰ মহিমা অপাৰ । কৃপা কৰিবা তুমি এই অধমকো ? তুমি দয়াময় প্ৰভু, তুমি কৰুণাময় । অপেক্ষা কৰোঁ এতিয়া মই সেই ক্ষণলৈ ---

সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত মন্থৰাৰ প্ৰৱেশ ---

গীত - ( ৰাগ ঃ মল্লাৰ ; তাল ঃ পৰিতাল )
প্ৰৱেশিলা সভাৰ মাজে এক দুষ্টা নাৰী।
নামে ইটো মন্থৰা কৈকেয়ীৰ দাসী ।।
কুটিল মনে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

মন্থৰা ঃ নাই নাই এনে হ'ব নোৱাৰে ; থাকোতে মন্থৰা এনে হ'ব কদাপি নোৱাৰে । সলাম মই ভাগ্যৰবি কুমাৰ ভৰতৰ ; সলাম মই ভাগ্যৰবি ৰাণী কৈকেয়ীৰ । যাঁও কৰোঁগৈ মোৰ কাৰ্য সাধন ।

সূত্ৰ ঃ মন্থৰাৰ প্ৰস্থান । সভাত অযোধ্যাৰ ৰানী কৈকেয়ীৰ প্ৰৱেশ ---------

গীত - ( ৰাগ ঃ ধনশ্ৰী ; তাল ঃ একতাল )
প্ৰৱেশ কৰিয়া আহে কৈকেয়ী মহিষী ।
ভৰতৰ মাতৃ ইটো অযোধ্যাৰ ৰানী ।।
লয় লাসে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

সূত্ৰ ঃ কৈকেয়ীয়ে শৃংগাৰ কৰে । এনেতে মন্থৰা -----

মন্থৰা ঃ তুমি শৃংগাৰ কৰা ; তুমি শয়ন কৰা ; তুমি মাথো স্বপ্ন দেখা কৈকেয়ী । নিৰ্বোধ নাৰী, জোৰ পুৰি পালেহি হাত ; কালসৰ্পই ফেঁট তুলি ৰৈ আছে তোমাকেই কৰিবলৈ দংশন তাৰ তুমি কি নোপোৱা ভু ?

কৈকেয়ী ঃ তোমাৰ কি হৈছে মন্থৰা ? কিয় আজি তুমি হৈছা অধৈৰ্য ?

মন্থৰা ঃ অধৈৰ্য ? অ মই হৈছো অধৈৰ্য ; কেনেকৈ ধৰোঁ ধৈৰ্য ? সৰ্বনাশৰ ক্ষণ আজি চাপিছে তোমাৰ -- তাক দেখি কি মই নহম অধৈৰ্য ?

কৈকেয়ী ঃ তোমাৰ যে কথা আৰু ; --- কি সৰ্বনাশৰনো ক্ষণ চাপিলে আমাৰ ?

মন্থৰা ঃ জানিছিলো মই, আজলী মোৰ কৈকেয়ীয়ে নাজানে একোকে । কৈকেয়ী, তোমাৰ অহিত চিন্তি মহাৰাজে ৰামক যুৱৰাজ পাতিবলৈ মনত কৰিছে স্থিৰ ---

কৈকেয়ী ঃ হাঃ হাঃ মন্থৰা, জ্যেষ্ঠ পুত্ৰৰূপে ৰামেই হ'ব অযোধ্যাৰ যুৱৰাজ ; নাই ইয়াত কোনো ব্যতিক্ৰম ; যেনেদৰে তুমি আহিছিলা উত্ৰাৱল হৈ মই আকৌ ভাৱিছিলো অন্য কিবা ঘটিছে অঘটন ? বাৰু দিলাহি শুভ সংবাদ, লোৱা এই স্বৰ্ণ হাৰ --- ( পিন্ধাই দিয়ে )

মন্থৰা ঃ ( দলিয়াই দিয়ে ) নিৰ্বোধ নাৰী, অযোধ্যাত চলিছে মন্থন তোমাৰ পতনৰ ; সৰ্বচ্চ তোমাৰ দশৰথে নিব কাঢ়ি ; হ'ব ওলাইছা তুমি পথৰ ভিক্ষাৰিণী। অথচ তুমি দিছা মোক এই গলৰ মণি ? অভাগিনী নাৰী, মিছাতে লভিলা অতদিনে সান্ত্বনা দশৰথৰ আদৰৰ নাৰী বুলি ।

কৈকেয়ী ঃ মন্থৰা, কিয় বাৰে বাৰে কৰা তুমি অহিত চিন্তন ? মহাৰাজৰ মই অতি চেনেহৰ ---

মন্থৰা ঃ মোৰ চিন্তন নহয় অহিত ; কাৰণ মই মন্থৰা । যদি তুমি মহাৰাজৰ আদৰৰ ৰানী, কিয় তোমাক মহাৰাজে নিদিলে বাৰ্তা ৰামৰ অভিষেকৰ ? যদিহে মহাৰাজৰ অতিকৈ চেনেহৰ ভাৰ্যা তুমি তেন্তে কিয় ৰামৰ সলনি তোমাৰ পুত্ৰ ভৰতক নিদিয়ে অযোধ্যাৰ সিংহাসন ?

কৈকেয়ী ঃ মন্থৰা, ৰামক নিচিনো পৰ ; আমাৰো অতি মৰমৰ । বিচাৰো ময়ো ৰামেই পাওক অযোধ্যাৰ সিংহাসন । ৰামৰ পাছত এদিন মোৰ পুত্ৰ ভৰতেই জানো নহ'ব অযোধ্যাৰ ৰাজন ?

মন্থৰা ঃ অজ্ঞানী নাৰী, ৰাজঅন্তেষপুৰত সোমাই থাকি কৰা তুমি অলীক কল্পনা । ৰজাৰ পাছত ৰজাৰ পুত্ৰই পাই আহিছে ৰাজ সিংহাসন ; ৰামৰ পাছত ৰামৰ পুত্ৰই পাব ৰাজ সিংহাসন। কৈকেয়ী, ভাবি চোৱা , মোৰ দৃষ্টিৰে চোৱা কিমান জটিল, কিমান গভীৰ ষড়যন্ত্ৰ ৰচিছে দশৰথে তোমাৰ পুত্ৰ ভৰতৰ প্ৰতি । একেজন পিতৃৰ চাৰিটি পুত্ৰ ৰতন ; তাৰে দুটিক মাতুলৰ গৃহে পঠাই ৰাজ্যত পাতিছে মহোৎসৱৰ আয়োজন --

কৈকেয়ী ঃ তুমি, তুমি এয়া কি কৈছা মন্থৰা ? আঃ মোৰ চিন্তা শক্তি পাইছে লোপ ।

মন্থৰা ঃ আঃ কৈকেয়ী, এই সময় চিন্তা কৰাৰ; গভীৰ ভাৱে চিন্তা কৰা --এয়া ষড়যন্ত্ৰ নিষ্ঠুৰ পিতাৰ ; এয়া ষড়যন্ত্ৰ জ্যেষ্ঠা ৰানী কৌশল্যাৰ ; নিজ পুত্ৰ ৰামক ৰজা পাতি হ'ব তাই ৰাজমাতা আৰু তুমি হ'বা কৌশল্যাৰ দাসী ; তোমাৰ পুত্ৰ ভৰত হ'ব ৰামৰ আজ্ঞাবাহী ভৃত্য --

কৈকেয়ী ঃ নাই নাই মন্থৰা, তেনে কুক্ষণ নাহে কদাপি; আহিব নিদিওঁ কদাপি । কোৱা মন্থৰা, তুমি চতুৰ, তুমি বুদ্ধিমতী, কি উপায়েৰে ৰোধ কৰোঁ মই এই কুটিল ষড়যন্ত্ৰ ?

মন্থৰা ঃ থাকোতে মন্থৰা নকৰিবা চিন্তা ; অৱশ্যে এতিয়াও কৰিব পাৰা বশ তুমি তোমাৰ স্বামীদেৱতাক ; ভাঙিব পাৰা ৰামৰ ৰাজ অভিষেক ; পিন্ধাব পাৰা ভৰতক অযোধ্যাৰ মুকুট অতি সহজতে ---

কৈকেয়ী ঃ অতি সহজতে ? আঃ মন্থৰা, এই ক্ষণত কথাৰ ৰহণ নাসানিবা তুমি ।

মন্থৰা ঃ সঁচাই কি বুজা নাই তুমি ? কিয় ? শম্বৰাসুৰৰ লগত লগা ৰণৰ সময়তে দশৰথৰপৰা জানো পাব লগা নাছিল তোমাৰ দুটি বৰ ? সেই দুটি বৰ কেতিয়া খুজিবা তুমি ?

কৈকেয়ী ঃ কিন্তু মন্থৰা , এই ক্ষণত কি বৰ খুজিম মই স্বামীৰ পৰা ?

মন্থৰা ঃ অবুজন নাৰী, তাকো কি মই দিব লাগিব শিকাই ? বাৰু, শুনা তেন্তে -( কাণে কাণে কয় )

কৈকেয়ী ঃ মন্থৰা , এয়া জানো হ'ব উচিত ?

মন্থৰা ঃ আদৰৰ ভাৰ্যা কৈকেয়ীক অন্যায় কৰাটো, ভৰতক আঁতৰাত ৰাখি কাইলৈকে ৰামৰ ৰাজ অভিষেক পতাটো জানো হৈছে উচিত ?

কৈকেয়ী ঃ নাই হোৱা মন্থৰা, নাই হোৱা; ই অনুচিত ; ই অন্যায় । মই কৈকেয়ীয়ে ইয়াৰ কৰিম প্ৰতিৰোধ। পুত্ৰৰ ৰাজ সিংহাসন লাভৰ পথ সৰ্ব প্ৰকাৰে মই কৰোঁগে নিষ্কণ্টক --( প্ৰস্থান )

মন্থৰা ঃ যোৱা কৈকেয়ী, যোৱা ; তুমি পাৰিবা, কেকয় নন্দিনী তুমি, মাতৃ তুমি ভৰতৰ ; আঃ থাকোতে মন্থৰা ৰামক পাতে দশৰথে অযোধ্যাৰ ৰাজন ? আনৰ চিন্তন য'ত হয় সমাপ্ত, মন্থৰাৰ চিন্তন হয় তাৰপৰা আৰম্ভ হাঃহাঃ - আছে বিশ্বাস মোৰ নিজৰ ওপৰত; আছে বিশ্বাস মোৰ কৈকেয়ীৰ ওপৰত। অ কৈকেয়ী, তুমি পাৰিবা, তুমি পাৰিবা, তুমি পাৰিবই লাগিব হাঃ হাঃ--

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে মলিন বেশে কৈকেয়ী আহি ভূমিত শয়ন কৰে । এনেতে দশৰথ আহে -----</u>**

দশ ঃ কৈকেয়ী, প্ৰিয়ে, এয়া কি ? নকৰি স্বৰ্ণ পালেঙত শয়ন, মলিন বসনেৰে এই অন্ধকাৰ গৃহে কিয় আছাহি তুমি ভূমিত পৰি ? ( কৈকেয়ী নিমাত ) প্ৰিয়ে , হৈছে নেকি তোমাৰ শৰীৰ অসুস্থ ? চিন্তা নকৰিবা প্ৰিয়ে, আছে ৰাজ্যত মোৰ সৰ্বোৎকৃষ্ট বৈদ্য । এতিয়াই আনি তোমাক কৰাম আৰোগ্য । উঠা প্ৰিয়ে, তোমাৰ এনে ৰূপ নসহে মোৰ প্ৰাণে ---

কৈকেয়ী ঃ নালাগে বৈদ্যক নিমন্ত্ৰণ দিব ; প্ৰয়োজন নাই মোৰ বৈদ্যৰ শুশ্ৰূষাৰ ।

দশ ঃ তেন্তে প্ৰিয়ে, কিয় আছা তুমি এনেদৰে মলিন বেশে -- ( কৈকেয়ীক নিমাত দেখি ) প্ৰিয়ে, তোমাৰ মৌনতাই উদ্বিগ্নতা বঢ়াইছে মোৰ । অ বুজিছো , কৰিছে তোমাক কোনোবাই অপমান । কোনে কৰিলে এনে দুঃসাহস ? একচ্ছত্ৰী সম্ৰাট মই, দিম তাক যোগ্য শাস্তি । কোৱা প্ৰিয়ে , কোনে মোৰ প্ৰাণৰ পুতলীক কৰিছে বিদ্ৰূপ ?

কৈকেয়ী ঃ নালাগে দেখুৱাব আপোনাৰ অভিনয় । মিথ্যা প্ৰেম, মিথ্যা বচন আপোনাৰ কৈকেয়ীৰ প্ৰতি ।

দশ ঃ কিয় মিথ্যা আৰোপ কৰিছা মোক ? জানাই তুমি কৌশল্যা , সুমিত্ৰাতকৈও তুমি মোৰ সৰ্বশ্ৰেষ্ঠা প্ৰিয়তমা । সৰ্বস্ব মোৰ তোমাতেই দিছো উটুৱাই । তথাপিও আজি কিয় দুষিছা মোক ?

কৈকেয়ী ঃ কিয় দুষিছো আপোনাক নাজানে জানো আজি ? সৰ্বস্ব দিছো বুলি কৈ আপুনিয়ে মোৰ সৰ্বস্ব নিয়া নাই জানো কাঢ়ি ?

দশ ঃ কি কৈছা কৈকেয়ী ? কি দিয়া নাই মই তোমাক ? বাৰু , এতিয়াও যদি আছে কিবা তোমাৰ অপূৰ্ণ কামনা কোৱা প্ৰিয়ে, চৰাচৰ জগতত চলাথ কৰি আনি দিম মই তোমাৰ কোলাত ।

কৈকেয়ী ঃ নালাগে চলাথ কৰিব আপুনি চৰাচৰ জগতত , নহয় দুষ্প্ৰাপ্য মোৰ কামনা ।

দশ ঃ তেন্তে কোৱা প্ৰিয়ে কি লাগে তোমাক ?

কৈকেয়ী ঃ তাৰ পূৰ্বে আপুনি কৰক প্ৰতিজ্ঞা ৰামৰ নামত , পূৰ্ণ কৰিম বুলি মোৰ কামনা ।

দশ ঃ প্ৰতিজ্ঞা ? তাকো ৰামৰ নামত -- ? কিয় -- ? নাই নেকি তোমাৰ মোৰ ওপৰত বিশ্বাস ?

কৈকেয়ী ঃ কেনেকৈ কৰিম মই আপোনাক বিশ্বাস ? আপোনাৰ কাৰ্যই জানো দিয়া নাই ইয়াৰ প্ৰমাণ ? যদি মই আপোনাৰ সৰ্বশ্ৰেষ্ঠা প্ৰিয়তমা তেন্তে প্ৰতিজ্ঞা কৰাত কিয় কৰিছে আপত্তি ?

দশ ঃ আপত্তি নাই প্ৰিয়ে । বাৰু, ৰামৰ নামত খাই শপত সত্য সত্য কৰি তিনি সত্য মই অজনন্দন দশৰথে কৰিছো প্ৰতিজ্ঞা প্ৰিয়তমা মোৰ কৈকেয়ীৰ কামনা কৰিম পূৰ্ণ ।

কৈকেয়ী ঃ হে দেৱগণ , হে পঞ্চভূত , শুনিলে আপোনাসৱে , দেখিলে আপোনাসৱে মোৰ স্বামীয়ে আজি কৰিছে প্ৰতিজ্ঞা । মহাৰাজ , পৰেনে মনত ৰণক্ষেত্ৰত এবাৰ আপোনাৰ ৰথৰ সাৰথি হৈ ৰক্ষা

কৰিছিলো মই আপোনাৰ জীৱন। প্ৰতিদান ৰূপে দিব বিচাৰিছিল আপুনি মোক দুটি বৰ।

দশ ঃ আছে প্ৰিয়ে, ভালদৰে আছে মনত। নলৈ তেতিয়া তুমি বৰ পাছে খুজিম বুলি কৈছিলা মোক। কিন্তু এই ক্ষণত সেই কথা কিয় মোক কৰালা স্মৰণ ?

কৈকেয়ী ঃ সময়ে বিচাৰিছে, প্ৰয়োজন হৈছে আজি মোক। দিয়ক আজি মোক মোৰ প্ৰাপ্য বৰ।

দশ ঃ হাঃহাঃ তাকে নকৈ পূৰ্বে আমাক কিয় তোমাৰ সুকোমল তনুক দিলা কষ্ট ? আমাৰ মনতো বঢ়ালা উদ্বেগ। কোৱা প্ৰিয়ে কি প্ৰাপ্য বিচাৰা মোৰ পৰা ?

কৈকেয়ী ঃ তেন্তে নাথ, -- প্ৰথম বৰ মাগিছো মই মোৰ পুত্ৰ ভৰতক ৰাজ সিংহাসন কৰক প্ৰদান।

দশ ঃ কৈকেয়ী -- ? ?

কৈকেয়ী ঃ মাগিছো মই দ্বিতীয় বৰ -- দিয়ক ৰামক চৈধ্য বছৰৰ বাবে বনবাস ---

দশ ঃ কৈকেয়ী --( বহি পৰে ) উসঃ কৈকেয়ী, এয়া কি বিচাৰিলা তুমি ? তুমি সঁচাই বিচাৰিছা ? নে মোৰ লগত কৰিছা কৌতুক ?

কৈকেয়ী ঃ কৌতুকৰ এয়া নহয় সময়। সঁচাই দিয়ক মোক এই দুটা বৰ।

দশ ঃ উসঃ, এনে নিদাৰুণ কাৰ্য নকৰিবা প্ৰিয়ে। লোৱা তুমি মোৰ সকলো বিভূতি, কিন্তু ৰামক নকৰিবা মোৰ পৰা দূৰ। জানাই তুমি ৰাম মোৰ প্ৰাণ। ৰাম বিনে এই দশৰথৰ যাব প্ৰাণ।

কৈকেয়ী ঃ অ' ৰামৰ বনবাস শুনি হৈছে বিচলিত। ওলাল আপোনাৰ স্বৰূপ ; জানিছিলো মই ৰামহে আপোনাৰ হিয়াৰ আমঠু ; সেয়ে কেৱল ৰাম, ৰাম। মোৰ পুত্ৰ ভৰত আপোনাৰ চকুৰ কুটা। সেইবাবেই ভৰতক মাতুলৰ গৃহে পঠাই কৰাব বিচাৰিছিল আপুনি ৰামৰ ৰাজ অভিষেক।

দশ ঃ ৰাম জানো নহয় তোমাৰো প্ৰিয় ? কতবাৰ কৈছিলা তুমিয়েই মোক ভৰতকৈও ৰামহে প্ৰিয় তোমাৰ। ৰামেও জানো জন্মদাত্ৰী কৌশল্যাতকৈ তোমাকেই নকৰে আদৰ ? মাতা, মাতা বুলি নধৰে জানো ৰামে তোমাক সাৰটি ? তেনেস্থলত সেই ৰামৰ প্ৰতি কেনেদৰে তুমি -- বুজিছো, তুমি প্ৰৰোচিতা হৈছা। কোৱা, কাৰ কথাত পৰি তুমি কৰিব ওলাইছা এনে অকাৰ্য ?

কৈকেয়ী ঃ কাৰো প্ৰৰোচনাত পৰা নাই মই। নিজ বিবেচনাৰে মাগিছো বৰ। যদি নোৱাৰে তেজিব ৰামক তেন্তে ভঙ্গ কৰক মোক দিয়া অঙ্গীকাৰ। সত্য ভঙ্গৰ কলংক লগাওক কুলত। মিথ্যাবাদী, নিৰ্লজ সূৰ্যবংশী ৰাজন বুলি জগতত হওক পৰিচিত --

দশ ঃ কুল-নাশিনী, ৰাক্ষসিনী, ৰামে তোৰ কি কৰিলে ক্ষতি ? মমতাময়ী নাৰী জাতিৰ কলংকিনী তই ; বিষাক্ত নাগিনী তই, তই পাষাণী, তই নাৰী চলনাময়ী।

কৈকেয়ী ঃ দোষাৰূপ কৰাৰ সলনি মনত পেলাওক আপুনি মহান পূৰ্বজে আপোনাৰ পালন কৰা প্ৰতিশ্ৰুতি। প্ৰলাপ নবকি আপুনি দিয়ক আদেশ ভৰতক ৰাজ অভিষেক আৰু ৰামক চৈধ্য বছৰৰ বনবাস। মই মাথো কৰিছো অপেক্ষা আপোনাৰ প্ৰতিজ্ঞা পালনৰ -- ( **বেগেৰে প্ৰস্থান** )

দশ ঃ কৈকেয়ী, --হে প্ৰভু, এয়া কি দিন দেখুৱাইছা মোক ? পুত্ৰ, পুত্ৰ বুলি জীৱনৰ অৰ্ধেক কাল খালো হাবাথুৰি। পালো পুত্ৰ ; ৰাম, ৰাম বুলি লভিলো আনন্দ। কিন্তু এয়া কি ? পুত্ৰ সুখ মাথো দুদিনৰ বাবে। যাক সাৰটি দেহা পেলাইছিলো জুৰ সেই ৰামকে এতিয়া চৈধ্য বছৰৰ বনবাস ? নাই নাই, থাকিব পাৰে দশৰথ জীয়াই অন্ন জল বিনে ; থাকিব পাৰিম জীয়াই মই পত্নীসৰৰ বিনে -- কিন্তু ৰাম বিনে নাথাকে দশৰথৰ প্ৰাণ। ৰাম, ৰাম --কৈকেয়ী -- (**প্ৰস্থান**)

**সূত্ৰ ঃ সভাত ৰাম - লক্ষ্মণ আৰু সীতাৰ ( বনবাসী ৰূপত ) প্ৰৱেশ ---**

শ্লোক ঃ প্ৰৱেশম কৰোৎ কামং শ্ৰীৰামচন্দ্ৰ জানকীবল্লভ ; সসোদৰো ধনুঃ ষ্পাণীৰূপেণা প্ৰতিমো ভুবি ।।

**গীত - ( ৰাগ ঃ মাহুৰ ; তাল ঃ জৌতি )**

**ভাৰ্যাৰ সঙ্গে ৰামচন্দ্ৰ কয়ো পৰৱেশ ।**
**সঙ্গে আহে লক্ষ্মণ ভাতৃ দেখিতে সুৰেশ ।।**
**ধীৰে ধীৰে প্ৰৱেশিলা সভাৰ ভিতৰ ।**
**ৰাম ৰাম ঘোষিয়োক সৱে নিৰন্তৰ ।।**

ৰাম ঃ জানকী আৰু ভাই লক্ষ্মণ , পিতৃ সত্য ৰক্ষাৰ হেতু আহিলো মই বনে । এৰি ৰাজসুখ তোমালোকেও মোক দিছা সঙ্গ । ফুৰিলো চিত্ৰকুট, লভিলো সঙ্গ তপস্বীগণৰ আৰু অতদিন আমি কটালো মহৰ্ষি অগস্ত্যৰ এই আশ্ৰমে ; এতিয়া ব'লা সৱে যাঁও মহৰ্ষিৰ কাষে --

লক্ষ্মণ ঃ ব'লক দাদা --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে অগস্ত্যই এখন দিব্য ধনু আৰু তোণ আনি ভক্তিভাৱে থয়। এনেতে ৰাম - লক্ষ্মণ - সীতা আহে --**

ৰাম ঃ প্ৰণাম ঋষিবৰ --

অগস্ত্য ঃ কল্যাণ হওক ; আঁহা ৰাম, আঁহা সৱে --

ৰাম ঃ ঋষিবৰ, অতদিন থাকিলো আমি আপোনাৰ আশ্ৰমত অতিথিৰূপে । লভিলো শস্ত্ৰজ্ঞান, লভিলো অস্ত্ৰজ্ঞান । তাৰবাবে জনালোঁ আপোনাক অশেষ ধন্যবাদ ।

অগস্ত্য ঃ ৰাম, তোমাৰ বনবাসৰ অন্ত পৰিবলৈ নাই আৰু বেছি দিন । ইচ্ছা কৰিলে তুমি অৱশিষ্ট দিন আমাৰ আশ্ৰমতে পাৰা কটাব । অৱশ্যে যদিহে তোমাৰ কৰ্তব্যত নাহে বিঘিনি --

ৰাম ঃ ঋষিবৰ, অতদিন আপোনাৰ কৃপা লভি আমি হলো ধন্য । পাছে আমি প্ৰতিজ্ঞাবদ্ধ দণ্ডকৰ ঋষিগণৰ ওচৰত ৰক্ষক হম বুলি তেওঁলোকৰ জীৱনৰ । সেই হেতু ---

অগস্ত্য ঃ তোমাৰ উদ্দেশ্য বুজিলো ৰাম । নিশ্চয় যাবা তুমি ; যোৱাৰ পূৰ্বে দিওঁ তোমাক আমি এক উপহাৰ --( ধনু- টোণ লৈ ) ৰাম, লোৱা এই দিব্য ধনু আৰু এই অক্ষয় টোণ । নাৰায়ণে পূৰ্বে এই ধনু আৰু টোণ আমাক কৰিছিল প্ৰদান । আজি আমি তোমাক কৰিলো প্ৰদান-

ৰাম ঃ ঋষিবৰ, আপোনাৰপৰা লভি এই উপহাৰ ধন্য হ'ল ৰামৰ জীৱন ।

অগস্ত্য ঃ ৰাম, যোৱা তুমি এতিয়া পঞ্চবটীৰ দিশে। তোমাৰ কৰ্তব্য পালনৰ সেয়াই হ'ব উত্তম স্থান।

ৰাম ঃ আশীৰ্বাদ কৰিব ঋষিবৰ, কৰ্তব্য পালনত যাতে আমি হওঁ সফল । জানকী আৰু লক্ষ্মণ, ব'লা যাঁও আমি পঞ্চবটীৰ দিশে ---

**সূত্ৰ ঃ সকলোৰে ঋষিক সেৱা জনাই প্ৰস্থান কৰে ---**

অগস্ত্য ঃ যোৱা প্ৰভু, বুজিলো আমি তোমাৰ উদ্দেশ্য। তোমাৰ গমনে পঞ্চবটীৰ ৰূপ কৰিব সলনি। তোমাৰ এই গমনে সলনি কৰিব ৰক্ষৰ ভাগ্যৰবি। যাঁও আমিও কৰ্তব্য কৰোঁগৈ পালন।

**সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান । আনফালে সভাত ৰাম - লক্ষ্মণ - সীতা ---**

ৰাম ঃ জানকী, কিয় চিন্তান্বিত মনে কৰিছা গমন ? নাই আৰু বেছিদূৰ পঞ্চবটী বন --

সীতা ঃ দূৰত্বক লৈ নাথ হোৱা নাই চিন্তান্বিত । হৈছো চিন্তিত আপোনাৰ কাৰ্যত । নাই আৰু বেছিদিন আমাৰ বনবাসৰ । তেনেস্থলত, নাথাকি এই অৱশিষ্ট ক্ষণ মহৰ্ষি অগস্ত্যৰ আশ্ৰমে কিয় আহিল আপুনি এই ৰাক্ষসে ভৰা পঞ্চবটী বনে ? আহিছিল বনে আপুনি পিতৃবাক্য ৰক্ষাৰ হেতু । নাছিলটো আপোনাৰ পণ, আপোনাৰ কৰ্তব্য ৰাক্ষস নিধন ?

ৰাম ঃ কি কৰিম জানকী ? কৰ্তব্য পালনৰ হেতু এই ৰামৰ জনম ; কি গৃহে , কি বনে সৰ্বত্ৰে খেদি

ফুৰে আমাক কৰ্তব্য পালনে ---

লক্ষ্মণ ঃ দাদা, কিবা এক মূৰ্তি আহিব ধৰিছে আমাৰ দিশে। সাৱধান হোৱা দাদা হ'ব পাৰে ই কোনো মায়াবী ৰাক্ষস --- নাপাব নিস্তাৰ আজি সি লক্ষ্মণৰ হাতে ---

**সূত্ৰ ঃ সভাত জটায়ু ( বৃদ্ধ হয়গৈ ) সোমাই আহে ----------**

জটায়ু ঃ ক্ষান্ত হোৱা লক্ষ্মণ ; জানকী , নকৰিবা আমালৈ সংশয় । নহয় মই কোনো মায়াবী ৰাক্ষস । কাশ্যপৰ নাতি মই পক্ষী জটায়ু, সখা মই ৰামৰ পিতা দশৰথৰ ।

ৰাম ঃ কি ? সখা আপুনি আমাৰ পিতৃদেৱৰ ? ভাই লক্ষ্মণ, নকৰিবা অনিষ্ট পক্ষীৰাজৰ । জানকী , নকৰিবা সংশয় , আঁহা সৱে পিতৃস্বৰূপ পক্ষীৰাজৰ লওঁ আশীৰ্বাদ --( সেৱা কৰে ) সাক্ষাত লভি আপোনাৰ ধন্য হ'ল আমাৰ জীৱন । হে ধৰ্মপিতা, আমাৰ সেৱা গ্ৰহণ কৰক ।

জটায়ু ঃ ভগৱন্তই কৰিব কৃপা । ৰাম, তুমি মহান ; পিতৃ সত্য ৰক্ষাৰ হেতু স্বেচ্ছাই লৈছা তুমি বনবাসী জীৱন। পাছে, পোৱা নাই মই সখা দশৰথৰ সংবাদ । আছেনে কুশলে মোৰ সখা দশৰথ ?

ৰাম ঃ হে ধৰ্মপিতা , কি ক'ম আপোনাক ? পালো সংবাদ ভাতৃ ভৰতৰ মুখেৰে আমাৰ পিতা আৰু নাই এই সংসাৰত ।

জটায়ু ঃ উসঃ কি শুনালা ৰাম ? সখা মোৰ দশৰথে মাগিলে বিদায় ; তোমালোকে বেজাৰ নকৰিবা ; জন্ম হ'লে ধৰাত মৃত্যু অনিবাৰ্য । পাছে, কোন দিশে এতিয়া তোমালোকে কৰা গমন ?

লক্ষ্মণ ঃ ধৰ্মপিতা , লক্ষ্যস্থান আমাৰ পঞ্চবটী বন ।

জটায়ু ঃ নাই আৰু বেছিদূৰ পঞ্চবটীলৈ ; সৌদিশে কিছু ক্ষণ গ'লেই পাবা পঞ্চবটী বন । অতিকে বিতোপন সেই স্থান; পাছে ৰাম, সাৱধানে থাকিবা মায়াবী ৰাক্ষস সততে বিচৰণ কৰে তাত।

ৰাম ঃ আপোনাৰ পৰামৰ্শ আমি ৰাখিম মনত ।

জটায়ু ঃ পঞ্চবটীৰ সমীপতে ময়ো কৰোঁ বাস ; প্ৰয়োজনত কৰিম সহায়। এতিয়া মই বিদায় মাগো --

ৰাম ঃ যাওক পিতা ------ ভাতৃ আৰু প্ৰিয়ে আমিও যাঁও ব'লা পঞ্চবটীৰ দিশে --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শূৰ্পনখাৰ প্ৰৱেশ ---**

গীত - ( ৰাগ ঃ মল্লাৰ ; তাল ঃ চোটকলা )

**প্ৰৱেশিলা শূৰ্পনখা ৰাৱন ভগিনী ।**
**লয়লাসে চলি আহে কৈকসী নন্দিনী ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

শূৰ্প ঃ শূৰ্পনখা মই ; দশাননৰ অভাগিনী ভগিনী । দ্বিগ্বিজয়ৰ লালসাত উদভ্ৰান্ত হৈ দাদা দশাননেই দিলে মোক বৈধব্যৰ জীৱন। যিদিনাই হেৰুৱালো স্বামী বিদ্যুৎজিহ্বক সিদিনাই লৈছিলো পণ আজীৱন আদৰি লম মই বৈধব্যৰ জীৱন। কিন্তু , দৃঢ় সংকল্পক মোৰ আজি কৰিছে শিথিল পঞ্চবটীৰ সেই তৰুণ তপস্বীয়ে । কিয়ে সুন্দৰ তেওঁৰ ৰূপ- যৌৱন। পদ্মপত্ৰৰ দৰে তেওঁৰ নয়ন যুগল ; ধনু যেন তেওঁৰ ভ্ৰু যুগল । শ্যাম তনু তেওঁৰ বহল বক্ষস্থল --আঃ এই শূৰ্পনখাৰ সুপ্ত কামনা তেওঁ জগালে পুনৰ। কয় মোক অন্তৰাত্মাই যা শূৰ্পনখা, কৰ প্ৰকাশ তোৰ মনৰ হাবিয়াস -- অ কৰিম প্ৰকাশ মোৰ মনৰ কামনা । যাঁও মই তেওঁৰ সমীপে ----

**সূত্ৰ ঃ শূৰ্পনখাৰ প্ৰস্থান । সভাত ৰাম - লক্ষ্মণ আৰু সীতা আহে ---**

সীতা ঃ নাথ, মনৰ শংকা আমাৰ গ'ল আঁতৰি ; সঁচাই বিতোপন এই পঞ্চবটী বন ----

**সূত্ৰ ঃ এনেতে শূৰ্পনখা আহে -------**

শূৰ্প ঃ হে সুন্দৰৰো সুন্দৰ নৰোত্তম , সন্যাসীৰ বেশত কোন তুমি ?

ৰাম ঃ আমাকেই যদি সুধিছা -- তেন্তে আমি দশৰথ তনয় ৰাম ।

শূৰ্প ঃ ৰাম, আ-হাহা অতি সুন্দৰ নাম ; মনোমুগ্ধকৰ -- ৰাম ---

ৰাম ঃ পাছে তুমি কোন ? কিয়বা আগমণ ঘটিছে তোমাৰ ?

শূৰ্প ঃ বিশ্বশ্ৰবা নন্দিনী আমি, নাম শূৰ্পনখা ; লংকেশ্বৰ দশাননৰ চেনেহৰ ভগিনী আমি । পাছে আগমণৰ উদ্দেশ্য কেনেদৰে কৰোঁ প্ৰকাশ , জাগে শংকা কিজানি হওঁ বিমুখ ---

ৰাম ঃ বীৰাঙ্গনা নাৰী হে নকৰিবা সংশয় ; নিঃসংকোচে কোৱা তুমি আগমনৰ উদ্দেশ্য ?

শূৰ্প ঃ ৰাম , বিচাৰো তোমাক মই স্বামীৰূপে পাব । দয়া কৰি মোক লোৱা আদৰি ----

ৰাম ঃ শূৰ্পনখা , আমাৰ প্ৰতি থকা তোমাৰ ভাৱনাক কৰিছো সন্মান । পাছে বিবাহিত আমি । জনক নন্দিনী এই সীতা আমাৰে অৰ্ধাঙ্গিনী । দ্বি -পত্নীৰ জীৱন নিবিচাৰো মই । অৱশ্যে আছে আমাৰ ভাতৃ সৌৱা লক্ষ্মণ । যদি কৰা ইচ্ছা লক্ষ্মণকে দিয়া বিবাহৰ প্ৰস্তাৱ ।

শূৰ্প ঃ ( লক্ষ্মণলৈ চাই )--(স্বগতঃ) --লক্ষ্মণো নহয় ৰূপত কোনো গুণে কম -(লক্ষ্মণৰ কাষ চাপি) হে তৰুণ , দেখাতেই লাগে তোমাক বলত বিক্ৰম । বনাচাৰী , পত্নীহীনা হে কিয় তোমাৰ যৌৱন কৰিছা নাশ ? মোলৈ চোৱা, ৰূপৱতী মই, আছে যৌৱনৰ সম্ভাৰ । যদি তুমি মোক কৰা গ্ৰহণ হ'বা ভাগ্যবান; দণ্ডকাৰণ্যৰ অধীশ্বৰ বৈমাত্ৰেয় ভাতৃ মোৰ খৰ-দুষণেও তোমাক কৰিব সহায় -

লক্ষ্মণ ঃ হাঃহাঃ দেৱী, নাভাবিবা মোক যৌৱন পিপাসু বুলি । নাভাবিবা তুমি মোক মোহিত কৰাম বুলি । সুন্দৰী ভাৰ্যা মোৰ উৰ্মিলাক অযোধ্যাৰ কাৰেঙত আহিছো এৰি । মই মাথো শ্ৰীৰামৰ দাস । হ'বা জানো তুমি এক দাসৰ পত্নী ? তাতকৈ তুমি দাদা ৰামৰে হোৱা কণিষ্ঠা ভাৰ্যা ।

শূৰ্প ঃ (স্বগতঃ) আঃ অসহ্য জ্যেষ্ঠই কৰে অৱজ্ঞা , কণিষ্ঠই কৰে উপহাস ---

সীতা ঃ নাথ, কিয় কৰে অচিন নাৰীৰ লগত অনৰ্থক বাৰ্তালাপ ?

শূৰ্প ঃ অনৰ্থক ? আকুলিত মোৰ প্ৰেমৰ প্ৰস্তাৱ -- অনৰ্থক ? আঃ সীতা, তয়ে মোৰ বাটৰ কণ্টক ; নিমিষতে তোক মই কৰোঁ ভক্ষণ --- ( খেদি আহে )

সীতা ঃ নাথ , নাথ ---

ৰাম ঃ( সীতাক সাৱটি ) লক্ষ্মণ, তুৰন্তে ৰাক্ষসীক দিয়া শিক্ষণ। চাবা মাথো যাতে তাইৰ নাযায় প্ৰাণ ---

লক্ষ্মণ ঃ সাৱধান, থাকোতে লক্ষ্মণ নোৱাৰিবি তই অনিষ্ট কৰিব মাতা জানকীৰ । চা, ল'লো তীক্ষ্ণ তৰোৱাল নাক - কাণ কাটি তোৰ কৰোঁ কুৰূপা ----- ( নাক - কাণ কাটে )

**সূচনা**

**দেখা দেখা নৰলোক বিধিৰ লিখন ।**
**আৰম্ভিল এহি কাৰ্যে ৰক্ষৰ পতন ।**

শূৰ্প ঃ আঃ আঃ ----------------------- ( বিলাপ )

কৈত আছা দাদা মোৰ আঁহা এতি ক্ষণ।
তোমাৰ ভগিনীক আজি কৰে অপমান ।।

( কথা ) অধম মনুষ্য, উচিত কাৰ্য নকৰিলি তহঁতে । নহয় এয়া সাধাৰণ ৰক্ত ; ৰক্ষ ৰক্ত বোৱালি ধৰাত । আঃ ভূগিবি তহঁতে ইয়াৰ পৰিণাম -- দাদা, -- দাদা খৰ , দাদা দুষণ - ( **প্ৰস্থান** )

ৰাম ঃ ভয় নকৰিবা প্ৰিয়ে, সংকট গ'ল আঁতৰি । ব'লা যাওঁ এতিয়া আহাৰ কৰোঁগৈ গ্ৰহণ --

সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত খৰ আৰু দুষণৰ প্ৰৱেশ ---

গীত - ( ৰাগ ঃ কানাৰা ; তাল ঃ পৰিতাল )

আৱত খৰ দুষণ ৰাক্ষস ভীষণ।
ক্ৰুৰমতি মন্দমতি অতিকে দুৰ্জন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

খৰ ঃ ভাই দুষণ, লংকেশ্বৰ দশাননৰ আজ্ঞা মানি দণ্ডকাৰণ্যত আমি কৰিছো শাসন ; প্ৰতিৰোধ কৰি দেৱশক্তিক মষিমূৰ কৰিছো আমি লংকাৰ অপশক্তিক -- কৰা নাই, নকৰে সাহস দেৱ, যক্ষ, নাগ, কিন্নৰে প্ৰৱেশিৰ এই দণ্ডকাৰণ্যত হাঃ হাঃ -- তথাপি ভাতৃ আত্মতুষ্টিত আমি নহওঁ আত্মহাৰা। ৰাখিবা মনত, দেৱতা নহয় কদাপি বিশ্বাসৰ যোগ্য। প্ৰতি ক্ষণে, প্ৰতি পলে কৰিব পাৰে সিহঁতে ষড়যন্ত্ৰ ; কৰিব পাৰে সিহঁতে বিদ্ৰোহৰ সূচনা অতি গোপনে ---

দুষণ ঃ চিন্তা নকৰিবা দাদা ; অতেন্দ্ৰ প্ৰহৰী হৈ স্বৰ্ণ লংকাৰ থাকিম আমি দণ্ডকাৰণ্যত। দেৱ, গন্ধৰ্ব, ঋষি, তপস্বী যিয়েই দিব কুদৃষ্টি ৰক্ষৰ ওপৰত কাঢ়ি আনি তাৰ দুই চক্ষু মই কৰিম ভক্ষণ-

সূত্ৰ ঃ এনেতে শূৰ্পনখা আহে ----

শূৰ্প ঃ দাদা, দাদা ---মিছা দাদা মিছা তোমাৰ দৰ্প ; চোৱা আজি তোমাৰ ভগিনীৰ দশা ?

খৰ ঃ আঃ ভগ্নী, কোনে কৰিলে তোমাৰ এনে দশা ?

শূৰ্প ঃ মনুষ্যই কৰে অত্যাচাৰ ----

খৰ ঃ মনুষ্য -- ? ৰাক্ষসৰ খাদ্য মনুষ্যই ৰাক্ষসকে কৰে অত্যাচাৰ ? আঃ কোন সেই নৰাধম ?

শূৰ্প ঃ দাদা, আপোনমনে পঞ্চবটীত কৰিছিলো ভ্ৰমণ। কিন্তু হঠাতে আহি তপস্বী লক্ষ্মণে ৰামৰ আদেশত কৰিলে মোৰ এনে দুৰ্দশা -- নাৰীৰ ৰূপ, ৰক্ষৰ গৰ্ব আজি কৰিলে খৰ্ব ---

দুষণ ঃ আঃ ৰক্ষ ৰক্ত মোৰ উথলি উঠিছে ; আদেশ দিয়া দাদা নাপাব নিস্তাৰ সিহঁতে দুষণৰ হাতে।

খৰ ঃ সামান্য মনুষ্যৰ সমে ৰণৰ বাবে -- নালাগে ভাতৃ যাব তুমি -- হাঁহিব জগতে। বাছি বাছি চৈধ্যটি ৰক্ষ বীৰ পঠোৱা ভগিনীৰ লগত তুমি পঞ্চৱটীৰ দিশে ; সেয়াই যথেষ্ট সিহঁতৰ বাবে --

দুষণ ঃ যিবা আজ্ঞা দাদা ; ব'লা ভগ্নী, সঙ্গে লৈ চৈধ্যটি ৰক্ষ বীৰক প্ৰতিশোধ লবা তুমি নিজ ইচ্ছাৰে -- **( শূৰ্পনখাক লগত লৈ প্ৰস্থান )**

খৰ ঃ ৰাম, উচিত কাৰ্য নকৰিলি তই। নিচিনিলি তই আমাক ; যাৰ ভয়ত এই দণ্ডকাত দেৱতাইও নকৰে প্ৰৱেশ সেই খৰৰ ভগিনীৰ ওপৰত কৰি অত্যাচাৰ লভিছ তই আনন্দ অপাৰ ---

সূত্ৰ ঃ দুষণ আহে ----------------

দুষণ ঃ চিন্তা নকৰিবা দাদা, চৈধ্যটি দুৰ্জয় ৰক্ষ গৈছে ৰামকে ধীয়াই। বন্দী কৰি দুই অধমক উপহাৰ দিবহি তযু চৰণত। ভগিনীৰ অপমানৰ ল'বা প্ৰতিশোধ ; এনে নিৰ্দয় শাস্তি দিবা সিহঁতক যাক দেখি ত্ৰাহি ত্ৰাহি কৰিব বিশ্বৰ মানৱে হাঃ হাঃ --

সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ শূৰ্পনখা আহে -----------

শূৰ্প ঃ দাদা, দাদা -- মিছা তোমাৰ গৰ্ব ; তোমাৰ ৰক্ষ সেনাক হেলাৰঙে ৰামে কৰিলে নিধন।

খৰ ঃ কি ? আচৰিত, চৈধ্যটি বীৰ দুৰ্জয় ৰক্ষক ৰামে কৰিলে হেলাৰঙে নিধন ?

শূৰ্প ঃ অ দাদা ; এতিয়াও কি তুমি নকৰিবা ৰণ ৰামৰ লগত ? নে ৰাম নামে হ'লা বিতত ?

খৰ ঃ শূৰ্পনখা, ক্ষুদ্ৰ মানৱৰ ভয়ত নকঁপে খৰ ; আঃ প্ৰতিশোধৰ অগনি জ্বলালে দুৰ্বাৰ ; কৰিলো পণ, বক্ষ ফালি ৰাম - লক্ষ্মণৰ ৰক্তাক্ত কৰিম মই ধৰাৰ বক্ষ।

দুষণ ঃ অ দাদা এই দুহাতেৰে মস্তক চিঙি ৰাম - লক্ষ্মণৰ প্ৰতিশোধৰ অগনি মই কৰিম শান্ত।

খৰ : ভগিনী, নকৰিবা আৰু বেজাৰ ; তুমি কৰা বিশ্ৰাম , ওলালো আমি ৰণৰ সাজে । লৈ আহিম সঁজাল ৰক্ত ৰাম - লক্ষ্মণৰ, তুমি কৰিবা আনন্দেৰে পান হাঃ হাঃ ---( **খৰ - দুষণৰ প্ৰস্থান** )

শূৰ্প : হাঃ হাঃ উথলি উঠিছে ৰক্ষ ৰক্ত ; প্ৰলয়ৰ হুংকাৰে গৈছে মোৰ বীৰশ্ৰেষ্ঠ ভাতৃদ্বয় ; সাৱধান ৰাম, সাৱধান লক্ষ্মণ, মোক দিয়া অপমানৰ পাবি এইবাৰ তহঁতে যোগ্য প্ৰতিদান হাঃ হাঃ --

**সূত্ৰ : সকলোৰে প্ৰস্থান । আনফালে সভাত ৰাম - লক্ষ্মণ ---**

ৰাম : লক্ষ্মণ, পুনৰ অশান্ত হৈছে পঞ্চৱটী বন । নিশ্চয় ৰণসাজে ৰাক্ষসৰ পুনৰ ঘটিছে আগমণ। ভাতৃ, ৰণৰ চিৎকাৰে আতংকিত কৰিব জানকীক ; যোৱা তুমি জানকীৰ কাষে ---

লক্ষ্মণ : কিন্তু দাদা ; নাই নাই তুমিয়ে যোৱা দেৱীৰ কাষে ; লক্ষ্মণেই আনিব প্ৰলয় ৰাক্ষসৰ মাজে ।

ৰাম : লক্ষ্মণ, তুমিও ভাবিছা আমাক দুৰ্বল বুলি ? নিচিনিলা তুমি ৰামৰ পৰাক্ৰম ? সামান্য ৰাক্ষসে জানো হৰিব পাৰিব তোমাৰ জ্যেষ্ঠৰ প্ৰাণ ? চিন্তিত নহ'বা তুমি । যোৱা লক্ষ্মণ, আদেশ আমাৰ, ৰক্ষক হৈ থাকিবা তুমি জানকীৰ ---

লক্ষ্মণ : যিবা আজ্ঞা দাদা --- ( প্ৰস্থান )

**সূত্ৰ : লক্ষ্মণৰ প্ৰস্থান। আনফালে অট্টহাস্য কৰি খৰ আৰু দুষণ আহে ---**

খ+দু : ৰাম , ৰাম -----

ৰাম : অধম ৰাক্ষস , আমিয়ে ৰাম ; কিয় আহিলি আমাৰ সমীপে ?

খৰ : অ তয়ে তেন্তে দুৰ্মতি ৰাম ? কি সাহসেৰে বধিলি তই মোৰ বীৰ ৰক্ষ সেনাক ? বিনা দোষে বোৱাই ৰক্ত প্ৰপাত ৰক্ষ বালিকাৰ তয়ে কৰ তেন্তে আনন্দ উল্লাস ?

ৰাম : ৰামে নকৰে কদাপি অনুচিত কাম । হেৰুৱাইছিল শূৰ্পনখাই হিতাহিত জ্ঞান । পাহৰি নাৰীৰ ভূষণ, নাৰী হৈ নাৰীক কৰিব খোজে নিধন । নাৰী বাবেহে তাইক নবধিলো আমি ; যি পাইছে সেয়া তাইৰ যোগ্য শাস্তি ।

দুষণ : আঃ ৰাম, ভগ্নী নিন্দা আৰু নসহো মই । চা ললো হাতে এই তীক্ষ্ণ অস্ত্ৰ ; পাৰ যদি ৰক্ষা কৰ তই নিজৰ জীৱন --

গীত - ( ৰাগ ঃ সাৰেং ; তাল ঃ পৰিতাল , একতাল )

**নিচিনিলে ৰামচন্দ্ৰক ৰাক্ষস দুষণে ।**
**মহাক্ৰোধে প্ৰহাৰিলে অতিকে ভীষণে ।।**

**সূত্ৰ : ৰণত দুষণৰ মৃত্যু হয় । দেখি খৰে যি কয় ---**

খৰ : ভাতৃ, ভাতৃ -- আঃ ৰাম, জ্যেষ্ঠৰ সন্মুখত কণিষ্ঠৰ কাঢ়ি প্ৰাণ ঘোৰ অপৰাধ কৰিলি তই । খৰ মই , ৰক্ষৰ গৌৰৱ , কৰিছো পণ সমাপ্ত কৰিম আজি মই তোৰো জীৱন ---

ৰাম : উত্তম , সাজু আছো মই । মাথো কৰ ৰণ ---

**সূত্ৰ : ৰণ হয় --- ( বাজনা - ভঙ্গী ) । ৰণত খৰৰ মৃত্যু হয় ---**

ৰাম : দুষ্ট ৰাক্ষসৰ হ'ল পতন । শান্ত হৈছে পঞ্চৱটী বন । যাঁও মই এতিয়া নিজ কুটীৰে --

**সূত্ৰ : ৰামৰ প্ৰস্থান। আনফালে সভাত ৰাক্ষসৰাজ ৰাৱনৰ প্ৰৱেশ ---**

গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল )

**প্ৰৱেশ কৰিয়া আহে ৰাজা দশানন ।**
**গহীন গম্ভীৰ ইটো দেখিতে শোভন ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ৰাৱন : লঙ্কেশ্বৰ মই দশানন । ত্ৰিজগত কম্পমান আজি মোৰেই নামত । অফুৰন্ত বৈভৱ মোৰ স্বৰ্ণ লংকাৰ বিস্তাৰিত আজি দূৰ দিগন্তত -- সৃষ্টিৰ বিৰোধভাৱ সাৰটি ৰাখি বুকুত যি দিশে মই কৰোঁ গমন তাতেই সৃষ্টি হয় প্ৰলয়ৰ বিভীষিকা হাঃ হাঃ -- কিন্তু আচম্বিতে আহি দণ্ডকা বনৰপৰা সেনাপতি অকম্পনে এয়া মোক কি দিলে বাৰ্তা প্ৰমাদ -- পৰম প্ৰতাপী মোৰ ভাতৃ খৰ আৰু

দুষণক করিলে নিধন তাকো দুই ৰাম - লক্ষ্মণ নামে দুই তাপসে ? আঃ অসম্ভৱ, অসম্ভৱ, এয়া নহয় সম্ভৱ । ৰাম নামে এক সাধাৰণ মনুষ্যই দণ্ডকাৰ ৰক্ষ সেনাক সমুলঞ্চে কৰিলে নিধন ? নাই নাই এয়া অনুচিত কাৰ্য ৰামৰ ; এয়া দুঃসাহস ৰামৰ ; ৰক্ষৰ কীৰিতিত দুৰ্নাম হানি নিজৰেই মৰণ মাতিলে ৰামে । ৰাৱন মই অখণ্ড প্ৰতাপী ; লম মই ইয়াৰ ভীষণ প্ৰতিশোধ ; অ লওঁগৈ মই ৰামৰ ওপৰত ভীষণ প্ৰতিশোধ ---

**সূত্ৰ ঃ ৰাৱনৰ প্ৰস্থান । সভাত মাৰীচৰ প্ৰৱেশ ---------**

**গীত - ( ৰাগ ঃ আশোৱাৰী ; তাল ঃ দোমানী )**

**সভাত প্ৰৱেশ কৰে মাৰীচ ৰাক্ষস ।**
**ৰাৱন মাতুল ইটো পৰম তাপস ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ মাৰীচ তপস্যাত বহে । এনেতে দশানন আহে -------**

ৰাৱন ঃ পূজনীয় মাতুল --

মাৰীচ ঃ কোন - ? অ চেনেহৰ ভাগিন মোৰ লঙ্কেশ্বৰ । কিবা হেতু আহিলা আজি মোৰ সমীপে ?

ৰাৱন ঃ এক মহান কাৰ্য সিদ্ধিৰ বাবে লাগে মোক মাতুলৰ সহায়; কোৱা, কৰিবানে সহায় মোক ?

মাৰীচ ঃ ভাগিন , তৱ দাস মই মাতুল মাৰীচ । কোৱা ভাগিন, কি কাৰ্যত মই কৰিম সহায় ?

ৰাৱন ঃ শুনা মাতুল, অকম্পনে দিলে বাৰ্তা পঞ্চবটীৰ মাজে আছে ৰাম-লক্ষ্মণ নামে দুই তপস্বী মানৱ । নিচিনিলে সিহঁতে মোৰ শক্তিক ; কৰি দুঃসাহস ৰক্ষৰ শক্তিক দিয়ে প্ৰত্যাহ্বান । নিজৰেই মাতি অখণ্ড মৰণ দণ্ডকাৰণ্যৰ বীৰ ভাতৃ মোৰ খৰ-দুষণক ৰামে কৰিলে নিধন।

মাৰীচ ঃ লঙ্কেশ্বৰ, মহাবলী খৰ-দুষণৰ লয়, দুৰ্ভাগ্য ৰাক্ষস কুলৰ বাবে । তথাপিও কওঁ নহয় ৰাম সাধাৰণ তপস্বী ; অযোধ্যাৰাজ দশৰথৰ তনয় ৰাম আৰু লক্ষ্মণ । আছেহি বনত পিতৃ সত্য ৰক্ষাৰ হেতু । সেইহেতু কওঁ মই বিৰোধ ৰামৰ সৈতে তুমি কৰা পৰিত্যাগ।

ৰাৱন ঃ তাৰ আগে ভাবি চোৱা মাতুল কোন সেই তপস্বী ৰাম ? নহয় জানো সি মাতৃহন্তা তোমাৰ ?

মাৰীচ ঃ চিনো ভালদৰে মই ৰাম-লক্ষ্মণক । ৰামৰ এপাত শৰেই সলালে এই মাৰীচৰ জীৱন। নহয় মাতৃহন্তা, মুক্তিদাতা তেওঁ । লঙ্কেশ্বৰ, সামান্য তপস্বী নহয় শ্ৰীৰাম ; জানিবা নাৰায়ণৰ নৰৰূপে অৱতাৰ ; ৰামেতো কৰা নাই তোমাৰ স্বৰ্ণ লংকাত অনাধিকাৰ প্ৰৱেশ । সেই হেতু কিয় চিন্তিছা তুমি অহিত ৰামৰ --

ৰাৱন ঃ তোমাৰ উপদেশ মানি মাতুল ৰামৰ অভিযান সামৰিলো মই -- যাঁও পুনৰ লঙ্কাপুৰে --

মাৰীচ ঃ উচিত সিদ্ধান্ত লঙ্কেশ্বৰ ; যাওক, জিলিকাই ৰাখক লংকাৰ কীৰিতি ধৰাৰ বক্ষে --( ৰাৱনৰ প্ৰস্থান ) কিযে অদ্ভুত চিন্তা তোমাৰ দশানন ? ৰামৰ বিৰুদ্ধে তুমি কৰিবা ৰণ -- উসঃ কিবা হেতু সৈমান কৰালো ৰাৱনক । নতু -- বাৰু নিজ কৰ্তব্য কৰোঁগৈ পালন --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ৰাৱন ---**

ৰাৱন ঃ উচিত কথাই কলে মাতুল মাৰীচে । কিয় কৰোঁ মই সুদূৰ পঞ্চবটীত গৈ এক তুচ্ছ মনুষ্যৰ লগত ৰণ ? নিজ দোষে হয়তো মৰিছে খৰ আৰু দুষণ ? শুনা নাই নিশ্চয় ৰামে এই দশাননৰ পৰাক্ৰম ? হাঃ হাঃ লংকেশ্বৰ মই দশানন -- কোনে কৰিব মোৰ বিৰুদ্ধাচৰণ হাঃ হাঃ ---

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ শূৰ্পনখা আহে ----**

শূৰ্প ঃ মিছা লংকেশ্বৰ, মিছা তোমাৰ অহংকাৰ ---

ৰাৱন ঃ কোন , কোনে মোক কৰে উপহাস ?

শূৰ্প ঃ ভালদৰে চোৱা দশানন , তুমিও নিচিনা আজি আপোনজনক ।

ৰাৱন ঃ ই কি শূৰ্পনখা -- ? চেনেহৰ ভগিনী মোৰ ; আঃ তোমাৰ এনে দশা ?

শূৰ্প ঃ অ দাদা ; চাই লোৱা তোমাৰ ভগিনীক ? কি ৰূপ দিলে আজি এই অভাগিনীক -(কান্দে )

ৰাৱন ঃ নাকান্দিবা ভগিনী ; তোমাৰ ক্ৰন্দন মোৰ নহয় সহ্য। কাৰ ইমান সাহস ? যক্ষ, ৰক্ষ, দেৱ, গন্ধৰ্ব কোনে কৰে এনে অকাৰ্য ? কোৱা ভগিনী, কোনে কৰিলে তোমাৰ এনে দুৰ্দশা ?

শূৰ্প ঃ কৰা নাই দেৱ -গন্ধৰ্বই, কৰা নাই যক্ষ-ৰক্ষই এনে দুঃসাহস। তোমাৰ শক্তিক উলাই কৰি ৰাক্ষসৰ গৌৰৱক ভৰিৰে মোহাৰি ৰক্ষ ভগিনীৰ এনে দশা কৰে আজি মৰতৰ মনুষ্যই---

ৰাৱন ঃ কি , মনুষ্য ? সাধাৰণ মনুষ্য ? আঃ যাৰ নামত কম্পিত ত্ৰিভূৱন সেই দশাননৰ ভগিনীৰ ওপৰত কৰি অত্যাচাৰ কোন মনুষ্যই মাতিলে মৰণ আজি অৱনীৰ মাজে ?

শূৰ্প ঃ দাদা , কৰে অপমান মোক ৰাম - লক্ষ্মণ নামে বনৰ দুই তপস্বীয়ে ----

ৰাৱন ঃ ৰাম -- ? পুনৰ ৰাম --- আঃ সাধাৰণ তপস্বীয়ে কৰে তোমাৰ এনে দশা ?

শূৰ্প ঃ সামান্য তপস্বী সিহঁত নহয় দাদা । বলত অতিকে বিক্ৰম সিহঁত ; জানা দাদা , ৰণ হুংকাৰ দি ৰক্ষ কুলক বৈমাত্ৰেয় ভাই আমাৰ খৰ - দূষণকো সিহঁতে কৰিলে নিধন ।

ৰাৱন ঃ পাইছো ভগিনী, পাইছো মই সেই বতৰা ।

শূৰ্প ঃ পাইছা তুমি সেই বতৰা ? তথাপি তুমি আছা নিৰৱে, কিয় দাদা তুমি নবধা ৰামক ?

ৰাৱন ঃ তেজিলো বধৰ ভাৱ ; ৰামৰ লগত নকৰোঁ বিবাদ ---

শূৰ্প ঃ ৰামৰ লগত নকৰা বিবাদ ? আছে দুৰ্দশাৰ প্ৰতিচ্ছবি লৈ তোমাৰেই অভাগিনী ভগিনী এই শূৰ্পনখা তোমাৰ সন্মুখত বৈ । তথাপি দাদা তুমি আছা ক্ষান্ত হৈ ? অ বুজিলো, মিছাতেই কৰিছিলো গৰ্ব ভাতৃ মোৰ দশাননৰ নামত। মিছাতেই কৰিছিলো যশ ভগ্নী বুলি মই বীৰ লঙ্কেশ্বৰৰ । মিছা সহোদৰ, মিছা ৰক্ত ; নহলেনো বনবাসী নৰে নাক - কান কাটি ভগিনীক দিয়ে অপযশ আৰু নলৈ তাৰ প্ৰতিশোধ কোন ভাতৃ থাকিব লংকাৰ ভিতৰে ---

ৰাৱন ঃ নহয় ভগিনী, তুমি মোৰ অতি চেনেহৰ ; তোমাৰ দুখতময়ো দুখী । কিন্তু পাইছো সংবাদ , ৰাম বোলে অবধ্য । কোনো অস্ত্ৰই নোৱাৰে ৰামক বধিব ।

শূৰ্প ঃ তোমাৰ সংবাদ অৰ্দ্ধ সত্য । নোৱাৰিব পাৰে ৰামক বধিব কোনো অস্ত্ৰই ; কিন্তু ৰামৰ দুৰ্বলতা আছে ৰামৰেই কাযত --

ৰাৱন ঃ কথনৰ তাৎপৰ্য কি শূৰ্পনখা -- ?

শূৰ্প ঃ দাদা, আছে ৰামৰ লগত সীতা নামে তৰুণী ভাৰ্যা । সীতাতেই আছে ৰামৰ প্ৰাণ। কি ক'ম দাদা ৰূপ সীতাৰ ; সৰগৰ সৌন্দৰ্যও পৰিব ম্লান । অ দাদা , এনে সৌন্দৰ্য কেৱল তোমাৰ বাবে। ভাবিছিলো এনেহেন ৰতনক তোমাৰ চৰণত ময়ে কৰিম অৰ্পন। কিন্তু বাধা দি মোক ৰাম - লক্ষ্মণে নাক - কাণ কাটি মোৰ কৰিলে অপমান ।

ৰাৱন ঃ চিন্তা নকৰিবা ভগিনী, কৰিছো পণ যিকোনো প্ৰকাৰে মই বনৰ সৌন্দৰ্যক কৰিম হৰণ ---

শূৰ্প ঃ উত্তম দাদা উত্তম ; দেখুওৱা জগতক তোমাৰ পৰাক্ৰম । সীতাৰ বাবেই মই পালো অপমান। উঠাই আনা যদি তুমি সীতাক পঞ্চৱটীৰ পৰা বিৰহ বেদনাত প্ৰাণ ফুটি মৰিব ৰাম ---

ৰাৱন ঃ অচিৰেই পাবা তুমি সেই বাৰ্তা ; অ ভগ্নী, তুমি কৰা অপেক্ষা; ৰামৰ বিৰুদ্ধে মই চলাঁও অভিযান --- ৰাম, ৰাম --- **( প্ৰস্থান )**

শূৰ্প ঃ হাঃ হাঃ জ্বলাই প্ৰতিহিংসাৰ দাবানল মোৰ ভাতৃৰ প্ৰাণত পঠালো ব্ৰহ্মশেল আজি পঞ্চৱটীৰ দিশে -- প্ৰবল প্ৰতাপী মোৰ বীৰ ভাতৃ দশানন , নিমিষতে হৰিব তপস্বীৰ জীৱন ---

**সূত্ৰ ঃ শূৰ্পনখাৰ প্ৰস্থান। আনফালে মাৰীচ আহি তপস্যাত বহে । এনেতে ৰাৱন --**

ৰাৱন ঃ প্ৰণাম মাতুল -----

মাৰীচ ঃ আচৰিত ; পুনৰ কিয় আহিলা দশানন ?

ৰাৱন ঃ দুস্কাৰ্য কৰিছে আজি মৰতৰ মনুষ্যই । অ মাতুল, ৰামৰ আদেশত দুৰাত্মা লক্ষ্মণে চেনেহৰ ভগিনী মোৰ শূৰ্পনখাক নাক, কান কাটি কৰিলে অপমান। দুৰ্গতি দেখি ৰক্ষ বালিকাৰ কৰে দেৱ - দুন্দুভি বজাই আকাশত দেৱতাই আজি ৰাক্ষসক কৰিছে উপহাস ।

মাৰীচ ঃ সঁচাকৈয়ে এয়া লজ্জাজনক ৰাক্ষস জাতিৰ বাবে ----

ৰাৱন ঃ সেইহেতু মাতুল , কৰিলো দৃঢ় পণ ৰামৰ ওপৰত লম প্ৰতিশোধ ভীষণ ---

মাৰীচ ঃ ভাগিন ; কিয় হৈছা অবুজন ? পুনৰ কওঁ ৰাম নহয় ---

ৰাৱন ঃ স্তব্ধ হোৱা মাতুল । বৃদ্ধ হৈ হেৰুৱালা জ্ঞান , নুশুনাবা মোক আৰু ৰামৰ গুণগান ।

মাৰীচ ঃ কৰা দশানন, কৰা পৰিহাস ; তথাপিতো ক'ম মই সত্য বচন। সূৰ্যবংশজাত ৰাম, দাশৰথি ৰাম -- আৰু কি দোষে শূৰ্পনখা হৈছে লজ্জিতা বুজা নাই এতিয়াও তুমি । ভালদৰে চিনি লোৱা তুমি তোমাৰ ভগিনীক । সেই মিথ্যাবাদিনীৰ কথা সত্য বুলি তুমি নকৰিবা ভুল ।

ৰাৱন : সত্য হওক, মিথ্যা হওক সেয়া মোৰ নহয় বিবেচ্য । ভগিনীৰ চক্ষুজলে ভাতৃৰ হৃদয়ত জ্বলাই তীব্ৰ অনল । নলে প্ৰতিশোধ ভাতৃহন্তাৰ কেনেদৰে ৰাখো চিন দশানন দুৰ্বল ? শুনা মাতুল, মায়াজাল পাতি তুমি আঁতৰাই নিবা সেই ৰাম -লক্ষ্মণক । কৰিছো পণ সেই সুযোগতে মহাৰথ ৰামৰ বুকুৰ জানকীক মই কৰিম হৰণ ----

মাৰীচ : জানকী হৰণ -- ? ভাগিন, কিয় লৈছা তুমি প্ৰাণঘাতী পণ ? হৰধনু ভাঙি ৰামে লভিছিলে জানকীক ; তেনেহেন জানকীক কৰিলে বন্দিনী পাবা জানো তুমি ৰামৰ পৰা পৰিত্ৰাণ ?

ৰাৱন : বাৰে বাৰে বখানিছ শতৰুৰ গুণগান ; নীচ, ভীৰু, ৰক্ষ কুলাঙ্গাৰ মায়াবিনী তাৰকাৰ তনয় হৈ লৈছ তই তাপসৰ বেশ । নাপাবি, আজি তই নাপাবি নিস্তাৰ ৰাৱনৰ হাতে ; কৰি আজি শিৰচ্ছেদ তোৰ আঁতৰাও ভীৰুতাৰ চিন ৰক্ষ সমাজৰ -- ( কাটিব খোজে )

মাৰীচ : ক্ষমা লঙ্কেশ্বৰ, ক্ষমা ; বুজিলো মহাকালে মোৰ নাচিছে শিৰত । মৃত্যু আজি মোৰ আহিছে হয় তোমাৰ হাতে, নতু ৰামৰ হাতে । যাৰ অন্ন কৰিছো গ্ৰহণ তেওঁৰ কাৰ্য কৰিম সাধন আৰু যি শত্ৰুক মই কৰি আছো ভক্তি তেওঁৰ হাততে মোৰ হ'ব মৰণ । ভাগিন , তোমাৰ কাৰ্য কৰিবলে সন্মত হ'লো মই ।

ৰাৱন : হাঃ হাঃ ধন্যবাদ মাতুল , জানিছিলো মই তুমি নিৰাশ নকৰা মোক । আৰু জানা মাতুল , সঁচাকৈয়ে যদি ৰাম হয় নাৰায়ণ; মৃত্যু হয় যদি তোমাৰ ৰামৰ হাতত সিও জানো নহ'ব অতি সৌভাগ্যৰ মৰণ ? হাঃ হাঃ-- শুনা মাতুল , স্বৰ্ণ মৃগ ৰূপ ধৰি মায়াৰ প্ৰভাৱে আঁতৰাই নিবা তুমি ৰাম-লক্ষ্মণক । সেই সুযোগতে হৰিম মই ৰামৰ জানকীক --- **( প্ৰস্থান )**

মাৰীচ : সকলো বুজিলো মই ; নাখাটে মায়াজাল ৰামৰ আগত । মৰণকাল মোৰ চাপিল ওচৰ । যাম দশানন যাম , ৰামৰ হাতে মৰণক আঁকোৰালি ধন্য কৰিম মোৰ এই অভিশপ্ত জীৱন ---

**সূত্ৰ : মাৰীচৰ প্ৰস্থান । আনফালে সভাত ৰাম আৰু সীতা ---**

ৰাম : সীতা, তোমাৰ দুখে আমাৰো হৃদয় হয় ব্যথিত। আলাসৰ লাৰু তুমি জনক দুহিতা ; আছিলা সুখত পিতৃৰ গৃহে । কিন্তু আজি বিন্ধিছে বনৰ কাঁইটে তোমাৰ সুকোমল চৰণ ; দহিছে ৰ'দৰ তাপে তোমাৰ শুভ্ৰ তনু । মোৰ বাবেই হৈছা সীতা তুমি আজি বনবাসী নিপিড়িতা --

সীতা : নাথ, কোনে কয় আমাক নিপিড়িতা ; নাজানে নেকি তেওঁ প্ৰিয়তম শ্ৰীৰামচন্দ্ৰৰ চৰণ সেৱাই একমাত্ৰ ধ্যান জানকীৰ । নাথ, নকৰিব চিন্তা আমাৰ বাবে ; আপোনাৰ চৰণ সেৱী ধন্য কৰিছো আমাৰ এই মানৱী জনম ।

**সূত্ৰ : এনেতে ফল-মুল লৈ লক্ষ্মণ আহে --------------**

লক্ষ্মণ : প্ৰণাম দাদা, প্ৰণাম দেৱী ; লোৱা দেৱী, লক্ষ্মণৰ ভক্তি উপহাৰ --

সীতা : সাদৰেৰে কৰিছো গ্ৰহণ --( **ফল-মূল লৈ প্ৰস্থান** )

ৰাম : লক্ষ্মণ, কিয় অনাহক ইমান কষ্ট সহিছা এই দুৰ্ভগীয়া ৰামৰ বাবে ? নুবুজো কিদৰে ত্যাগ কৰি উৰ্মিলাৰ অকৃত্ৰিম প্ৰেম, মেৰিয়াই ল'লা গাত তুমি গেৰুৱা বসন । কৰোঁ প্ৰশ্ন নিজকে আমি, অপৰাধ জাগে মনত ; আছে জানো অধিকাৰ আমাৰ তোমাৰ জীৱন ধবংস কৰাৰ ?

লক্ষ্মণ : কিয় দাদা শুনো আজি হঠাত এনে কথা তোমাৰ মুখত ? জন্মিলো অযোধ্যাত তোমাৰ ভাতৃ হৈ ; লভিলো জ্ঞান, দুটি দেহ মাথো এটাই আমাৰ প্ৰাণ । তোমাৰ চৰণতে দাদা অৰ্পিলো জীৱন; যদিহে কৰা তোমাৰ পৰা বিচ্ছেদ, জানিবা দাদা সেই ক্ষণে লক্ষ্মণৰ মিলিব মৰণ ---

ৰাম : লক্ষ্মণ, ধন্য মই তোমাৰ দৰে ভাতৃক পাই; তথাপি ভাই বাৰে বাৰে মোৰ মনত জাগে সংশয় দুৰু দুৰুকৈ কঁপে হৃদয় । কোনোবাই যেন কুটিল হাঁহিৰে কয় কাণে কাণে -- ৰাম, ভুল কৰিলি তই আহি এই পঞ্চৱটী বনে । আহিব কুক্ষণ, হেৰুৱাবি তই বুকুৰ ৰতন -

লক্ষ্মণ : দাদা, থাকোতে জীৱিত তৱ ভাতৃ লক্ষ্মণ, কাৰ আছে সাহস তোমাৰ পৰা জানকীক কাঢ়িবৰ ; কাৰ আছে এনে দু:সাহস , কৰিব বিচ্ছেদ ৰামৰ পৰা লক্ষ্মণক ---

**সূত্ৰ : এনেতে সীতা আহে --------------**

সীতা : ৰঘুমণি , ৰঘুমণি -- সৌদিশে চাওকচোন সুদূৰত সৌটো কেনে বিতোপন হৰিণা ---

ৰাম : সঁচাই অনুপম হৰিণা ---

সীতা : ব'লক নাথ, ওচৰ চাপি তাৰ ৰূপ কৰোঁগে দৰ্শন --

সূত্ৰ ঃ তিনিওৰে প্ৰস্থান। আনফালে সভাত এটি হৰিণা আহে---(বাজনা- ভঙ্গী )

সূত্ৰ ঃ হৰিণা সভাৰ মাজে পাই । আনফালে সভাত ৰাম, লক্ষ্মণ আৰু সীতা --

সীতা ঃ আ-হাহা সঁচাই বিচিত্ৰ এই হৰিণ ; স্বৰ্ণৰ দৰে উজ্বল তাৰ কলেৱৰ ; পূৰ্বে দেখা নাই মই এনে স্বৰ্ণ হৰিণ । নাথ, ধৰি আনি দিবনে মোক এই হৰিণ ---

লক্ষ্মণ ঃ দাদা, দেখা নাই পূৰ্বে মই এনে বিচিত্ৰ হৰিণা --

সীতা ঃ নহয় নাথ, যেনে তেনে আপুনি ধৰক ইয়াক । লৈ যাম ইয়াক মই অযোধ্যা নগৰে --

ৰাম ঃ যদি জনক নন্দিনীয়ে কৰিছে ইচ্ছা নিশ্চয় এই হৰিণ জীৱন্তে ধৰিবলৈ কৰিম চেষ্টা ।

লক্ষ্মণ ঃ দাদা, মনে মোৰ কৈছে নোহে ইটো স্বৰ্ণ হৰিণ ; ৰাক্ষসৰ মায়াৰ চাতুৰি ইটো ---

ৰাম ঃ ভাই লক্ষ্মণ, যদি হয় ই মায়াবী ৰাক্ষস ৰামৰ হাততে তেজিব প্ৰাণ । যদি হয় ই সৃষ্টিকৰ্তাৰ অপূৰ্ব স্ৰজন তেন্তে জানিবা লক্ষ্মণ জানকীৰ বাবেই ইয়াৰ হৈছে স্ৰজন । লৈ যোৱা তুমি জানকীক আমাৰ কুটীৰে ; ৰাখিবা মনত কদাপি নেৰিবা জানকীক কুটীৰত অকলে ।

লক্ষ্মণ ঃ আদেশ শিৰোধাৰ্য দাদা ; ব'লক দেৱী , কুটীৰত আমি কৰোঁগৈ অপেক্ষা --

সীতা ঃ নাথ , অপেক্ষা কৰিম মই আপুনি ঘূৰি অহালৈ ; জীৱন্তে আনিব ধৰি সৌ হৰিণাক ।

সূত্ৰ ঃ লক্ষ্মণে সীতাক লৈ যায় । ৰামে হৰিণাৰ পাছ লৈ প্ৰস্থান কৰে --

গীত -(ৰাগ ঃ --------; তাল ঃ---------)

ধৰোঁ বুলি স্বৰ্ণ মৃগ চলিলা শ্ৰীৰাম ।
কুটীৰত থাকা প্ৰিয়ে অতি সাৱধান ।।
ধীৰে ধীৰে স্বৰ্ণ মৃগ বনত পশিলা ।
সভাসদ লোকে ডাকি ৰাম ৰাম বোলা ।।

সূত্ৰ ঃ লক্ষ্মণ আৰু সীতা আহে -- ( বাহিৰত মাৰীচৰ চিঞৰ - ৰক্ষা কৰা, লক্ষ্মণ )

সীতা ঃ লক্ষ্মণ, শুনো সেয়া ৰাঘৱৰ আৰ্তনাদ ; যোৱা লক্ষ্মণ , তুৰন্তে যোৱা তুমি ধনু শৰ লৈ ।

লক্ষ্মণ ঃ দেৱী, নকৰিবা চিন্তা মায়াৰে আৱৰা এই বন ; কদাপি নহয় সেয়া দাদাৰ কণ্ঠস্বৰ --

সূত্ৰ ঃ ( বাহিৰত মাৰীচৰ পুনৰ চিঞৰ -- ৰক্ষা কৰা ভাই -- )

সীতা ঃ সেয়া পুনৰ শুনো মই ৰাঘৱৰ আৰ্তনাদ ; তুমি জানো দাদাৰ শুনা নাই আতুৰ চিঞৰ ? নিশ্চয় স্বামী মোৰ পৰিছে বিপদত । যোৱা লক্ষ্মণ আৰু নকৰিবা পলম ---

লক্ষ্মণ ঃ দেৱী, পুনৰবাৰ কওঁ তোমাক , নহয় সেয়া দাদা ৰামৰ কণ্ঠস্বৰ । মায়াবী ৰাক্ষসে ভৰা এই বন । নিশ্চয় এয়া চালনা ৰাক্ষসৰ ।

সীতা ঃ ৰাক্ষস ? উসঃ তেনে মোৰ চিন্তা বাঢ়িল দুগুণে । যদি বনৰ ৰাক্ষসে মিলি ৰাঘৱক কৰিছে আক্ৰমণ ? নিশ্চয় ঘটিছে বিঘিনী । নাই নাই লক্ষ্মণ, তুমি তুৰন্তে যোৱা ৰাঘৱৰ সহায় হৈ -

লক্ষ্মণ ঃ অনৰ্থক চিন্তা নকৰিবা দেৱী ; নাই কোনো ধৰণীত এনে শক্তি যে ৰামৰ গতি কৰিব ৰুদ্ধ। নোৱাৰে ৰাক্ষসে কৰিব দাদাৰ অনিষ্ট । তুমি নিশ্চিন্ত থাকা দেৱী , নিশ্চিন্তে থাকা --

সীতা ঃ অধম , দুৰাত্মা লক্ষ্মণ ; জ্যেষ্ঠ দাদাই কৰিছে আৰ্তনাদ ; নকৰি সহায় জ্যেষ্ঠক ; নকৰি ভাতৃৰ কৰ্তব্য পালন, নহৈ ৰাক্ষসৰ সন্মুখীন, গুণ বখানি ৰাঘৱৰ নিজৰেই ভীৰুতাৰ কৰিছ প্ৰদৰ্শন ।

লক্ষ্মণ ঃ দেৱী , কিয় কয় তেনেকৈ ? আজ্ঞাবাহী ভৃত্য মই ৰামৰ । ৰামৰ আজ্ঞাকেই শিৰোগত কৰি কুটীৰৰ প্ৰহৰীৰ দায়িত্ব মই কৰিছো পালন ।

সীতা ঃ বুজিছো , সকলো বুজিলো মই , ভণ্ড তই , আজ্ঞাবাহী ভৃত্য মাথো তোৰ অভিনয় ।

লক্ষ্মণ ঃ দেৱী , নোৱাৰে প্ৰাণে মোৰ সহিব এনে মিথ্যা অভিযোগ । কৰিছো মিনতি, এনে বচন আৰু নক'ব দুনাই ---( ভৰিত ধৰে )

সীতা ঃ আঁতৰ হ, আঁতৰ হ কুলাঙ্গাৰ । বুজিলো তোৰ কলুষিত মন ; বুজিলো মই কিয় আহিলি তই আমাৰ সঙ্গে এই বনৰ মাজলৈ । যদি আহে কুক্ষণ জানিবি অগ্নি কুণ্ড সাজি মই দিম আত্মজাহ ; নতু ৰামৰ বিৰহত মই জলত দিম জঁপিয়াই । আকাশ যাব ফাটি, সমুদ্ৰ যাব শুকাই তথাপি নাভাবিবি জানকীয়ে পতি বুলি তোক কৰিব সম্বোধন ।

লক্ষ্মণ ঃ স্তব্ধ হোৱা দেৱী ; নুবুলিবা আৰু তেনে বচন ; তোমাৰ বচনে শূল হৈ বিন্ধিছে মোৰ হৃদয়।

হে বিধাতা, কি দোষে শুনিলো মই মাতৃস্বৰূপা জানকীৰ মুখত এনে দাৰুণ বচন ? উসঃ অমঙ্গলৰ চিন মই দেখিছো সমীপে । তথাপি যাম দেৱী, মই ৰাঘৱৰ হ'মগৈ সহায় । হে ৰঘুমণি, মোক কৰিবা ক্ষমা ; তোমাৰ আজ্ঞা আজি মই কৰিম লঙ্ঘন । হে আকাশৰ দেৱগণ, হে বনৰ পশু-পক্ষী, তৰু -তৃণগণ সহায় হ'বা তোমালোক মাতা জানকীৰ। সকলোকে সাক্ষী কৰি এই চিহ্ন মই ভূমিত কৰিলো অঙ্কন । হ'ব ই ৰক্ষা কবচ দেৱী জানকীৰ। হে দেৱী, কৰোঁ অনুৰোধ থাকিবা ভিতৰে, কদাপি নহ'বা তুমি ইয়াৰ বাহিৰ -- **(প্ৰস্থান )**

সীতা ঃ লক্ষ্মণ, লক্ষ্মণ --- মই বাৰু কঠোৰ হ'লো নেকি লক্ষ্মণৰ প্ৰতি ? হে বিধাতা , কিয় মই আজি নিজকে নোৱাৰিলো কৰিব নিয়ন্ত্ৰণ ? সঁচাইতো কৈছিল দেৱৰ লক্ষ্মণে ক'ত আছে এনে শক্তি ৰঘুমণিৰ গতি কৰিব ৰুদ্ধ । মোক ক্ষমিবা লক্ষ্মণ , ক্ষমিবা মোক ---

**সূত্ৰ ঃ এনেতে ছদ্মবেশী ব্ৰাহ্মণ হৈ ৰাৱন আহে ---**

ৰাৱন ঃ কোন আছা কুটীৰত --- ? কুটীৰত কোন আছা -- ?

সীতা ঃ কোন --- ? কোনে মাতে -- ?

ৰাৱন ঃ এক ক্ষুধাৰ্ত ব্ৰাহ্মণ। দয়া কৰি দিবানে আই কিছু অন্ন ।

সীতা ঃ খন্তেক অপেক্ষা কৰক দেৱ ; স্বামী মোৰ গৈছে বনে । নিমিষতে আহিব ঘূৰি ; সকলোৱে মিলি আমি অন্ন কৰিম গ্ৰহণ --

ৰাৱন ঃ ক্ষুধাত মোৰ যায় প্ৰাণ ; নোৱাৰোঁ আৰু সহিব ক্ষুধাৰ পীড়া । নিমিষতে মোৰহে যাব প্ৰাণবায়ু ফুটি । দয়া কৰা আই ; ৰক্ষা কৰা প্ৰাণ মোৰ --- ( বহি পৰে )

সীতা ঃ সঁচাকৈয়ে ক্ষুধাতুৰ ব্ৰাহ্মণ এওঁ । কি কৰোঁ এতিয়া মই ? যদি ক্ষুধাত প্ৰাণ যায় এজন ভীক্ষুক ব্ৰাহ্মণৰ মহাপাপে চুব আমাক। ৰাঘৱে জানিলে আমাক কৰিব নিন্দা । নাই , নাই মই এওঁৰ ক্ষুধা কৰিম পূৰণ । হে ব্ৰাহ্মণ দেৱ, আছে কুটীৰত কেইটামান ফল । তাকে মই আপোনাক কৰিম অৰ্পণ । আপুনি ক্ষন্তেক কৰক অপেক্ষা ---- ( ফল লৈ আহে ) লওক দেৱ , লওকহি এই ফল --

ৰাৱন ঃ গৃহৰ অন্তৰে থাকি আই দান দিয়া অনুচিত । তাতে মোৰ শৰীৰ হৈছে অৱশ ; কেনেদৰে তোমাৰ কাষে গৈ দান কৰোঁ গ্ৰহণ । ইয়াতে যদি দিয়াহি দান হম কৃতজ্ঞ ।

সীতা ঃ ( স্বগতঃ ) কি কৰোঁ মই ? দেৱৰ লক্ষ্মণে ৰক্ষা কবচ পাৰ নহ'বলৈ কৈছিল মোক । আনহাতে এই ভোকাতুৰ ব্ৰাহ্মণৰ এনে দশা ---হে ৰঘুমণি , হে লক্ষ্মণ ব্ৰাহ্মণক দানৰ হেতু মই ৰক্ষা কবচ কৰিছো লঙ্ঘন ( আগবাঢ়ি গৈ ) ---লওক দেৱ , এই দান কৰক গ্ৰহণ ---

**সূত্ৰ ঃ সীতাই আগবাঢ়ি ফল দিয়ে ; ৰাৱনে সীতাৰ হাতত ধৰে ---**

সীতা ঃ কি কৰে দেৱ ? নকৰিব এনে অকাৰ্য ; লওক আপোনাৰ দান ।

ৰাৱন ঃ হাঃ হাঃ নালাগে জানকী আৰু মোক একো দান ; নাই আৰু তাৰ প্ৰয়োজন । ধৰা দিলাহি তুমি মোৰ হাতত ; পালো অমূল্য ৰতন হাঃ হাঃ ---

সীতা ঃ কোন , কোন পাপীষ্ঠ তই -- ?

ৰাৱন ঃ লঙ্কেশ্বৰ মই , ৰাক্ষস দশানন ; কি আছে তোমাৰ ৰামত ? স্বৰ্ণ লংকা আছে মোৰ সাগৰৰ মাজত । থাকিবা তুমি মোৰ শ্ৰেষ্ঠ ভাৰ্যা হৈ , সহস্ৰ দাসীক নিজৰ চৰণত লৈ ---

সীতা ঃ নীচ ৰাক্ষস , নিচিনিলি তই মোৰ স্বামী ৰাঘৱক । সৰ্ব সুলক্ষণ মোৰ স্বামী শ্ৰীৰাম ; জানিলে ৰামে তোৰ এনে দুস্কাৰ্য নিমিষতে হৰিব তোৰ প্ৰাণ ।

ৰাৱন ঃ সেই সুযোগ নাপাব ৰামে। অগোচৰে ৰামৰ লৈ যাম তোমাক লংকাপুৰে । আঁহা জানকী--

সীতা ঃ এৰি দে, এৰি দে মোক --স্বামী --- ( পয়াৰ / ধৰম জৌতি )

কৈত আছা স্বামী মোৰ মোক পৰিহৰি ।
ৰাক্ষসৰ হাতে আজি যাঁও মই মৰি ।।
কোন কৈত আছা মোক উদ্ধাৰা এখন ।
ৰাক্ষসৰ হাতে মোৰ নৰহে জীৱন ।।

ৰাৱন ঃ আঁহা জানকী নকৰিবা ক্ৰন্দন । সাজু আছে মোৰ পুষ্পক , লৈ যাব আমাক উৰুৱাই ---

**সূত্ৰ ঃ ৰাৱনে সীতাক লৈ যায় । আনফালে সভাত ৰাম - লক্ষ্মণ ---**

ৰাম ঃ সীতা , সীতা --- ক'ত আছা তুমি ? ভাই লক্ষ্মণ , সীতা নাই কুটীৰত । সীতা , সীতা --

লক্ষ্মণ ঃ হায় হায় কৰিছিলো যি আশংকা সেয়াই ঘটা নাইতো ? --- দাদা , নকৰিবা চিন্তা , নিশ্চয় দেৱী জানকী আছে কুটীৰৰ সমীপে ---মাতা , মাতা জানকী ---

ৰাম ঃ নহয় ভাই , পূৰ্বেতো নহয় জানকী কুটীৰৰ বাজ । উসঃ অজান আশংকাত মোৰ কঁপিছে হৃদয় । কি কৰোঁ , কি কৰোঁ মই ? জানকী , জানকী --যদি তুমি আছা লুকাই , লৈছা ৰামৰ ধৈৰ্য পৰীক্ষা , তেন্তে কৰিছো কাকুতি , নকৰিবা এনে কৌতুক । আঁহা জানকী , ওলাই আঁহা তুমি আমাৰ সমীপে --( দেখা যেন কৰে ) জানকী , ভাই লক্ষ্মণ, সৌৱা চোৱা জানকী লুকাই আছে সৌ বৃক্ষৰ আঁৰত । দেখা পালো মই , দেখা --- ই কি, নহয় জানকী --সীতা, ক'ত গ'লা তুমি মোক এৰি থৈ ---

লক্ষ্মণ ঃ হে বিধাতা , এয়া কি দিন দেখুৱাইছা মোক ? নোৱাৰোঁ সহিব মই ৰামৰ ক্ৰন্দন । মোৰ বাবে , অ কেৱল মোৰ ভুলতেই আজি দাদাৰ হৈছে এনে দশা । -- দাদা , দাদা --

ৰাম ঃ হে আকাশ, হে বতাহ, হে বনৰ তৰু -তৃণ, পশু-পক্ষীগণ তোমালোকেতো দেখিছিলা মোৰ প্ৰাণৰ জানকীক ; দিবানে তোমালোকে মোক জানকীৰ সন্ধান ? কোৱা, কেনি গুছি গ'ল জানকী মোৰ ? নাই , কোনেও নকয় মোক ; নিদিয়ে জানকীৰ সন্ধান । লক্ষ্মণ , বুজিলো জানকী আৰু নাই এই সংসাৰত । বনৰ ৰাক্ষসে নিশ্চয় মোৰ সীতাক কৰিলে ভক্ষণ । উসঃ কেনেদৰে মই থাকিম জীয়াই ? সীতাবিহীন মৰতত ময়ো আৰু নাথাকো জীয়াই ---

লক্ষ্মণ ঃ দাদা --- ধৈৰ্য ধৰা দাদা, তুমি ধৈৰ্যবান, তুমি বলবান । নিশ্চয় মাতা জানকীৰ ওলাব সন্ধান ।

ৰাম ঃ অ ভাতৃ মই বলবান ; নকৰোঁ আৰু মই ক্ৰন্দন ; দিয়া মোক ধনু আৰু বাণ । দুখ দি ৰামক কোনেও থাকিব নোৱাৰে সুখত । বৰ্ষণ কৰি বাণ কালৰ গতি মই কৰিম ৰুদ্ধ । জানে সকলোৱে , দেখিছে সকলোৱে ক'ত আছে মোৰ প্ৰাণৰ জানকী ; তথাপি নিদিয়ে ৰামক সন্ধান । জুৰিলো, জুৰিলো মই সাৰঙ্গত বাণ -- যক্ষ, ৰক্ষ , দেৱ , গন্ধৰ্ব , স্বৰ্গ - মত্য - সুতল - পাতাল সকলোকে মই কৰোঁ ধ্বংস ।

লক্ষ্মণ ঃ ক্ষান্ত হওক দাদা ; নোৱাৰে জানকীক কোনেও কৰিব ভক্ষণ ; নোৱাৰে জানকীক কোনেও কৰিব নিধন ; চাওক দাদা, পৰি আছে ভূমিত ফল, ভাগি আছে বৃক্ষ, নিশ্চয় দাদা মাতা জানকীক কোনোবা দুষ্টই কৰিছে হৰণ। ব'লক দাদা, সমগ্ৰ বনত মাতাক কৰোঁগৈ অন্বেষণ --

ৰাম ঃ তোমাৰ অনুমান সত্য লক্ষ্মণ, পৰি আছে ভূমিত ফল ; ভাগি আছে বৃক্ষ । আঃ যিয়েই কৰিছে জানকীক হৰণ ৰামৰ হাতে আজি তাৰ মিলিব মৰণ । নিশ্চয়, নিশ্চয় যোৱা নাই সি ইয়াৰ পৰা বেছি যোজন । ব'লা ভাতৃ, নকৰোঁ পলম, জানকীৰ কৰোঁ অন্বেষণ ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে পুষ্পকত তুলি ৰাৱনে সীতাক লৈ আহে --**

সীতা ঃ এৰি দে , এৰি দে মোক ,-- স্বামী , ৰাঘৱ , ৰক্ষা কৰক ; দেৱৰ লক্ষ্মণ ---

ৰাৱন ঃ হাঃহাঃ মাতা জানকী , চিঞৰি মাতা ; কোনে উদ্ধাৰিব তোমাক এই গগন মণ্ডলত --হাঃ হাঃ

**সূত্ৰ ঃ ৰাৱনে সীতাক লৈ যায় । সভাত জটায়ু আহে ----**

জটায়ু ঃ অকস্মাতে শুনো যেন কোনোবা নাৰীৰ আৰ্তনাদ ? তাকো গগন মণ্ডলে ? নিশ্চয় কোনো অৱলা পৰিছে বিপদত ; কোন কোনে কৰে আৰ্তনাদ --- ?

**(সূত্ৰ ঃ বাহিৰত সীতাৰ আৰ্তনাদ -- ৰক্ষা কৰা , ৰাঘৱ )**

জটায়ু ঃ ৰাঘৱ ? অ এয়াচোন সীতাৰ কণ্ঠস্বৰ ? কিয় , কিয় সীতাই কৰিছে আৰ্তনাদ ? -- ই কি পুষ্পক ৰথত লংকাৰ ৰাৱনে হৰিছে সীতাক । ভয় নাই জানকী , নকৰিবা ভয় । আঃ থাকোতে জীৱিত জটায়ু , নোৱাৰিব ৰাৱনে হৰিব তোমাক -- ৰাৱন , ৰাৱন --

**সূত্ৰ ঃ জটায়ুৰ প্ৰস্থান । সভাত ৰাৱনে সীতাক লৈ আহে ---**

সীতা ঃ এৰি দে ৰাক্ষস , এৰি দে মোক --

ৰাৱন ঃ হাঃ হাঃ হাতে অহা ৰতন দিম এৰি ? সেই ভুল ৰাৱনে নকৰে কদাপি হাঃ হাঃ --

**সূত্ৰ ঃ এনেতে জটায়ু আহে -----------------**

জটায়ু ঃ দশানন , এয়া তোমাৰ কেনে আচৰণ ?

ৰাৱন ঃ আঃ কোন তই ? কিয় মোৰ বাট কৰিছ ৰুদ্ধ ?
সীতা ঃ ধৰ্ম পিতা ----
জটায়ু ঃ ৰাৱন , নহয় জানকী সামান্য নাৰী , এওঁক কৰা সন্মান । নতু তোমাৰহে হ'ব বিনাশ ।
ৰাৱন ঃ আঃ বৃদ্ধ পক্ষী, নালাগে তোৰ উপদেশ ; নিদিবি আজি বাধা মোক । আঁতৰ হ তই মোৰ পথৰ পৰা । নতু তোৰ মিলিব মৰণ --
জটায়ু ঃ হ'ব পাৰোঁ মই বৃদ্ধ , কিন্তু হোৱা নাই মোৰ শক্তি লুপ্ত । দশ মুণ্ড ছিঙি আজি তোৰ দৰ্প কৰিম চূৰ্ণ । আহ পাষণ্ড, দে যুদ্ধ ---

**গীত -( ৰাগ ঃ নাট মল্লাৰ ; তাল ঃ চুতকলা , ভঙ্গী)**

**মহা ক্ৰোধে দুয়ো বীৰে ৰণ আৰম্ভিলা ।**
**ৰণ দেখি দেৱগণ তবধ মানিলা ।।**
**খড়্গ দাঙি দশাননে প্ৰহাৰ কৰিলা ।**
**ৰাম হৰি ৰাম হৰি সৰ্বজনে বোলা ।।**

**সূত্ৰ ঃ ৰাৱনে জটায়ুৰ পাখি কাটে । আহত হৈ জটায়ু ভূমিত পৰে ---**

সীতা ঃ পক্ষীবৰ, পাষাণ ৰাক্ষস, এয়া কি কৰিলি তই ? নহয় সাধাৰণ পক্ষী তেওঁ ধৰ্ম পিতা ৰামৰ। পিতা, কিয় এই অভাগিনীৰ বাবে তেজিলে জীৱন ( কান্দে ) --
ৰাৱন ঃ দয়া নাই , ক্ষমা নাই এই ৰাৱনৰ হৃদয়ত । যিয়েই মোক দিব বাধা তাৰ হ'ব এনে দশা । ক্ৰন্দনৰ নাই সময় ; আঁহা জানকী , লৈ যাঁও তোমাক লংকাপুৰে --- **( সীতাক লৈ প্ৰস্থান )**
জটায়ু ঃ আঃ আঃ সীতা -- ৰাৱন --আঃ নোৱাৰিলো উদ্ধাৰিব জানকীক মই -- ৰাম -- ৰাম --

**সূচনা**

**দেখা দেখা নৰলোক পক্ষীৰ মহত ।**
**নিজ প্ৰাণ তুচ্ছ কৰে ৰামৰ কাৰ্যত ।।**

**সূত্ৰ ঃ জটায়ু পৰি থাকে । এনেতে ৰাম - লক্ষ্মণ আহে ---**

ৰাম ঃ সীতা, সীতা -- লক্ষ্মণ, সৌটো ৰাক্ষস, আঃ হৈ আছে সি তেজেৰে ৰাঙলী। বুজিলো ইয়ে মোৰ জানকীক ভক্ষণ কৰি কৰিছে শয়ন । আঃ এতিয়াই ইয়াক মই ---
জটায়ু ঃ ( সেহাই ) ৰাম , ৰাম -- তুমি পালাহি । আঁহা ৰাম , তোমালৈকে মই কৰিছো অপেক্ষা ।
ৰাম ঃ ই কি ধৰ্ম পিতা ? ( কোলাত লয় ) ভাতৃ , পিতাৰ বাবে আনা জল ।
লক্ষ্মণ ঃ হয় দাদা , এতিয়াই মই লৈ আহিম জল --- **( প্ৰস্থান )**
ৰাম ঃ পিতা , কি হৈছে আপোনাৰ ? কোনে কৰিলে আপোনাৰ এই দশা ---
জটায়ু ঃ ৰাম , তুমি জানকীৰ কৰিছা অন্বেষণ ---
ৰাম ঃ পিতা, এতিয়াও পোৱা নাই মই জানকীৰ সন্ধান ; শূন্য আজি ৰামৰ জীৱন । কিন্তু পিতা , কেনেকৈ জানিলে আপুনি ?

**সূত্ৰ ঃ এনেতে লক্ষ্মণে জল আনে ------------**

লক্ষ্মণ ঃ আনিছো জল পিতা , কৰক গ্ৰহণ --( জল পান কৰোৱাই )
জটায়ু ঃ ৰাম , লংকাৰ ৰাক্ষস ৰাৱনে সীতাক কৰিলে হৰণ ---
ৰা+ল ঃ কি ? -- ৰাৱনে ?
জটায়ু ঃ আকাশ মাৰ্গেদি পুষ্পকত তুলি ৰাৱনে সীতাক নিছে হৰি । আপ্ৰাণ চেষ্টা কৰিছিলো মই জানকীক উদ্ধাৰৰ। কিন্তু নোৱাৰিলো, ৰাৱনে মোৰ ডেউকা দিলে কাটি । কোনোমতে ৰাখিছিলো প্ৰাণ তোমাক দিবলৈ এই বতৰা -- ৰাম, কৰিছো আশীৰ্বাদ উদ্ধাৰ হ'ব জানকী -- **( মৃত্যু )**
ৰা+ল ঃ পিতা , --পিতা -- ( কান্দে )
ৰাম ঃ মোতকৈ আৰু কোন আছে ভাগ্যহীন এই জগতত ? আজি নিজ কোলাতে হেৰুৱালো ধৰ্ম পিতাক । ভাই লক্ষ্মণ, আশংকা ৰামৰ বাস্তৱত হৈছে সত্য । তুমিহে আছাগৈ ৰামৰ দুখৰ সম্বল হৈ ; লাগিছে ভয় জানোছা তোমাকো হেৰুৱাও এই হতভগীয়া ৰামে ।

লক্ষ্মণ ঃ তেনে চিন্তা মনলৈ নানিবা দাদা ; শত দুখ , সহস্র বাধা আহিলেও থাকিম মই তোমাৰ ছাঁয়া হৈ । দাদা , মাতা জানকীৰ পালো সন্তেদ । ব'লক দাদা, মাতাক কৰোঁগৈ উদ্ধাৰ ---

ৰাম ঃ নিশ্চয় জানকীক কৰিম উদ্ধাৰ । কিন্তু ভাতৃ, তাৰ পূৰ্বে ধৰ্ম পিতাৰ অন্তিম সৎকাৰৰ কৰোঁ ব্যৱস্থা । হোৱা নাছিল ভাগ্য জন্মদাতা পিতাৰ অন্তিম সৎকাৰৰ ; আজি পাইছো সুযোগ ধৰ্ম পিতাৰ । ব'লা ভাতৃ লৈ যাঁও পিতাক অন্তিম বিদায়ৰ বাবে ---

লক্ষ্মণ ঃ ব'লক দাদা ---

গীত - ( ৰাগ ঃ মাহুৰ , তাল ঃ দোমানী )

জটায়ুক কান্ধে লৈয়া দুয়ো ভাই চলিলা ।
অন্তিম বিদায়ৰ হেতু মনক বান্ধিলা ।।
দুষ্টক দমন কৰি সন্তক পালিলা ।
সমাজৰ লোকে ডাকি ৰাম ৰাম বোলা ।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ।

গীত- ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় ৰঘূপতি কৰা দয়া মায়া হৰি
তোমাৰ চৰণে হৌক গতি ।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি ।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে ।
আন গতি নাহিকে মৰণে ।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ।।

## মুক্তি মঙ্গল ভটিমা

নমো নমো শ্ৰীৰাম কৰুণা সাগৰ ।
ৰঘূবংশে অৱতৰি জগত ঈশ্বৰ ।।
মুকুত সকলে সদা যাৰ গুণ গায় ।
হেন প্ৰভূ চৰণত প্ৰণামো সদায় ।।
সৰ্ব অপৰাধ কৰাহা মোচন ।
চৰণে শৰণ লৈলো ৰঘূৰ নন্দন ।।

ইতি, শ্ৰীৰামচন্দ্ৰৰ পঞ্চৱটী গমন, জটায়ু আখ্যান নাটৰ সমাপতি ভেল ।

## সমাপ্ত

জয় গুৰু শঙ্কৰ

( ভাওনাৰ নাট )



# প্ৰদ্যুম্ন হৰণ, সম্বৰাসুৰ নিধন

নাট্যৰূপ ঃ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ, যোৰহাট

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীকৃষ্ণ
৩। বলৰাম
৪। নাৰদ
৫। প্ৰদ্যুম্ন
৬। চিত্ৰবাহু ( কৌশম্বী ৰাজন )
৭। চন্দ্ৰবাহু (কৌশম্বী ৰাজ্যৰ যুৱৰাজ )
৮। সম্বৰাসুৰ ( অসুৰৰাজ ) -- ( প্ৰধান চৰিত্ৰ )
৯। মায়াসুৰ (অসুৰৰাজৰ পুত্ৰ )
১০। সিংহকেতু (অসুৰৰাজৰ পুত্ৰ )
১১। কুম্ভকেতু (অসুৰৰাজৰ পুত্ৰ )
১২। প্ৰলয়াসুৰ (অসুৰ সেনাপতি )
১৩। মাছুৱৈ
১৪। দৈত্যগুৰু

## নাৰী চৰিত্ৰ

১। ৰুক্মিণী
২। মায়াৱতি ( প্ৰধান চৰিত্ৰ )

মুখা

মৎস্য

শ্ৰীকৃষ্ণায়ে নমঃ

শ্লোক ঃ **মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰ ঃ স্থল । আৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম ।।**
**মুক্তাহীৰক হেমহাৰ বলয়ালঙ্কাৰ কান্তি দ্যুতিম । কৃষ্ণং শাৰদ সান্দ্ৰ চন্দ্ৰ সদৃশং হৃদপঙ্কজেহ হম্ভজে ।।**

অপিচ ঃ **যেনাকাৰি নাৰায়ণ কৃষ্ণৰূপেন ঃ । যেনাকাৰি কৃষ্ণপুত্ৰ প্ৰদ্যুম্ন অসুৰ নিধনং ।**

গীত ঃ নান্দী ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় গোলোকৰ পতি ।
তুৰা পাৰে কৰোহো প্ৰণতি ।।
দৈৱকীত ভৈলা অৱতাৰ ।
কৰিলাহা ভকতক উদ্ধাৰ ।।
হেন জানি এৰা আন কাম ।
সভাসদে বোলা ৰাম ৰাম ।।

---নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ ; প্ৰথমে মাধৱো মাধৱ ইত্যোক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা । ইয়ং...প্ৰদ্যুম্ন হৰণ, সম্বৰাসুৰ নিধন ...নাটকং শ্ৰৱণে মুক্তি সাধকম।.

অথ ভটিমা

জয় জয় কৃষ্ণ যদুপতি।
তুৰা পাৰে কৰোহু মিনতি।।
মৰ্ত্ত্যত আছিল দৈত্যপতি।
সম্বৰাসুৰ নামে মন্দমতি ।।
কৃষ্ণ পুত্ৰক হৰিলেক অসুৰে।
মাৰো বুলি সমুদ্ৰত দিলে দলিয়াই ।।
যুৱ হৈয়া প্ৰদ্যুম্ন মায়া বিদ্যা লভিলা।
পৰম বিক্ৰমে আহি অসুৰক বধিলা।।
হেন জানি নৰলোকে এৰি আন কাম।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী আকাশে দেৱ বাদ্য বাজত বাজত বাজত।

সূত্ৰ ঃ আ -হা -হা মিলল মিলল , আহে সভাসদ হামো যাকেৰি কথা কহৈছি উহি জগত পতি শ্ৰীকৃষ্ণ পীতবস্ত্ৰে পৰিধান কৰিয়ে সভাৰ মধ্যে এ... আৱত ,আৱত , আৱত ; তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল , হৰি বোল।।

( ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ )

**সূত্ৰ ঃ সভাত শ্ৰী কৃষ্ণৰ প্ৰৱেশ ---------------**

**শ্লোক ঃ প্ৰৱেশম কৰোৎ শ্ৰীকৃষ্ণ শংখ চক্ৰ ধাৰনং দেহ শ্যামলং বনমালা বিভূষিতং।।**

গীত ঃ ( ৰাগ- সিন্ধুৰা, তাল- একতাল )
আৰে জগত গুৰু কয়ো পৰৱেশ।
পীত বস্ত্রে শোভে আতি দেখিতে সুৱেশ।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ঘোষিয়োক সভাসদ নৰ।।

কৃষ্ণ ঃ মায়াৰে আবৃত এই সংসাৰ। কাম, ক্রোধ, লোভ - মোহেৰে আবৃত এই মায়াময় সংসাৰত অজ্ঞান মানৱে সহজে বুজি নাপায় ধৰ্মৰ মহিমা । নিজ স্বাৰ্থ সিদ্ধিৰ বাবে সততে কৰে অহিত চিন্তা । তথাপি যি জনে সংসাৰৰ নিকাৰ ভোগ কৰি আমাকে কৰে সোঁৱৰণ, সিজনে সুৰক্ষা পায় বিপদ কালত । যাওঁ , ভক্ত সকলৰ বাবে আমি নিজ কৰ্তব্যত ব্ৰতী হঁওগৈ --

সূত্ৰ ঃ **শ্ৰীকৃষ্ণৰ প্ৰস্থান । সভাত বলৰামৰ প্ৰৱেশ** ------------------

গীত ঃ (ৰাগ- গান্ধাৰ, তাল - ৰচক )
সভাৰ মাজে প্ৰৱেশিলা ৰোহিণী নন্দন।
ধীৰে ধীৰে চলি আহে দেখিতে শোভন।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰে।।

**সূত্ৰ ঃ এনেতে সভাত শ্ৰীকৃষ্ণ** -----

কৃষ্ণ ঃ প্ৰণাম দাদা , কি চিন্তা কৰিলে আপুনি ?

বল ঃ অ কানাই , সঁচাই আজি মই চিন্তিত । ধৰ্মতে আছে মুকুতিৰ আলয় । যথা ধৰ্ম তথা জয় । তথাপি চোৰাচোন , মৰ্ত্তৰ মানৱে নলয় ধৰ্মক আদৰি ।

কৃষ্ণ ঃ দাদা , এয়াইতো মায়াৰে আবৃত মৰ্ত্ত্যপুৰী -- ( **দূৰণিত দেৱৰ্ষিৰ কণ্ঠ ভাঁহি আহে** ) অ শুনিছো বীণাৰ ঝংকাৰেৰে সুমধুৰ কণ্ঠ ; নিশ্চয় দেৱৰ্ষীৰ হৈছে আগমণ --

**সূত্ৰ ঃ হৰিনাম গায় দেৱৰ্ষিৰ প্ৰৱেশ**---

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; প্ৰণাম যদুপতি , প্ৰণাম বলৰামদেৱ। আ- হাহা দুয়োকে আজি একেলগে দেখা পায় নয়ন তৃপ্ত হ'ল এই কঙাল নাৰদৰ।

বল ঃ দেৱৰ্ষি , পাছে নয়ন তৃপ্ত কৰাবলৈকে আপোনাৰ আগমন হ'লনে এই দ্বাৰকাপুৰীত ?

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; আমাৰনো আৰু কাম কি ? শ্ৰীহৰিৰ গুণ গান কৰিবলৈকেতো আমাৰ জনম । পাছে আমাৰ আগমনৰ উদ্দেশ্যতো জানেই যদুপতিয়ে । তেখেতৰ মৌনতাই তাৰে দিছে ইঙ্গিত ।

কৃষ্ণ ঃ দেৱৰ্ষি, আমি ভবাৰ দৰে নহ'বও পাৰে । বাৰু কোৱাচোন তোমাৰ আগমনৰ উদ্দেশ্য ?

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; সৰ্বজ্ঞ হৈওঁ কয় এনে বচন । প্ৰভূ , তাৰকাসুৰৰ অত্যাচাৰৰ পৰা দেৱকুলক ৰক্ষাৰ উদ্দেশ্যে মহাদেৱৰ তপস্যা ভঙ্গ কৰি শৰীৰ হেৰুৱাইছিল কামদেৱে। এতিয়াও অতনু হৈ আছে কামদেৱ। প্ৰভূ , আৰু কিমান দিন অপেক্ষা কৰিব কামদেৱে মুক্তিৰ বাবে --- ?

কৃষ্ণ ঃ দেৱৰ্ষি, জানাই তুমি কৰ্মফল খণ্ডাবৰ আমাৰ নাই অধিকাৰ, আৰু এয়াটো বিধিৰ লিখন। সকলো কাৰ্য উচিত সময়তহে হ'ব সিদ্ধি । তথাপি দেৱৰ্ষি, প্ৰশ্ন কৰিছা যেতিয়া কওঁ শুনা কামদেৱৰ মুক্তিক্ষণ পাবলৈ আৰু নাই বেছি ক্ষণ । মৰতত আমাৰ ভক্তৰ ওপৰত অসুৰৰাজ সম্বৰাসুৰৰ অত্যাচাৰ যিমানে বৃদ্ধি পাব , সিমানেই মুক্তিক্ষণো ওচৰ চাপিব কামদেৱৰ ।

নাৰদ ঃ প্ৰভূ , সমিধান লভিলো যেতিয়া আজ্ঞাপালে কৰ্ত্তব্য পালনত হ'ম অগ্ৰসৰ ।

কৃষ্ণ ঃ হাঃ হাঃ তুমি বৰ চতুৰ দেৱৰ্ষি ; তেন্তে যোৱা, কৰ্ত্তব্য পালনত হোৱা অগ্ৰসৰ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ---- এতিয়া প্ৰভূ আমি বিদায়হে মাগো ---- **(প্ৰস্থান)**

বল ঃ তোমালোকৰ বাৰ্ত্তালাপ বুজিপোৱাটো সঁচাই বৰ জটিল। নাজানো দেৱৰ্ষিয়েনো কি সমিধান পালে বিচাৰি আৰু কি কৰ্ত্তব্য পালনৰ দি গ'ল বাৰ্তা । যি নহওক তোমালোকৰ বাৰ্তালাপৰ অৰ্থ বুজিবলৈ আমিও নকৰোঁ চেষ্টা । ব'লা কানাই , কৰোঁগৈ বিশ্ৰাম ----

সূত্র ঃ কৃষ্ণ-বলৰামৰ প্ৰস্থান। সভাত কৌশম্বীৰাজ চিত্ৰবাহু আৰু যুৱৰাজ চন্দ্ৰবাহুৰ প্ৰৱেশ --

গীতঃ ( ৰাগ- আশোৱাৰী, তাল- পৰিতাল, দোমানী )

সভাত প্ৰৱেশ কৰে কৌশম্বী ৰাজন।
সঙ্গে আহে যুৱৰাজ দেখিতে শোভন।।
কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ডাকি হৰি হৰি বোলা সভাসদ নৰ।।

চিত্ৰ ঃ পুত্ৰ চন্দ্ৰবাহু, পিতৃ পিতামহৰপৰা লভিলো মই এই কৌশম্বী ৰাজ্য । প্ৰজাৰ মঙ্গলেই হৈছে মোৰ একমাত্ৰ উদ্দেশ্য । বাৰু, আছেনে কুশলে মোৰ ৰাজ্যৰ প্ৰজাগণ। কৰিছেনে সকলোৱে শ্ৰীহৰিৰ গুণানুকীৰ্ত্তন ?

চন্দ্ৰ ঃ পিতা , আপোনাৰ দৰে ধৰ্মপ্ৰাণ ৰাজনৰ ৰাজ্যত কোনে সৃষ্টি কৰিব অশান্তি ? ৰাখিছো মই ৰাজ্যত তীক্ষ্ণ দৃষ্টি । সকলো প্ৰজাই কৰিছে কুশলে বাস ।

চিত্ৰ ঃ বাচা, তোমাৰ দৰে গুণবান পুত্ৰ থাকোতে নাই কোনো মোৰ চিন্তাৰ কাৰণ। তুমি হ'বা এই কৌশম্বীৰ যোগ্য উত্তৰাধিকাৰী। প্ৰজাক পুত্ৰসম কৰিবা জ্ঞান, শ্ৰীহৰিৰ চৰণ ভজিবলৈ কদাপি নেৰিবা।

চন্দ্ৰ ঃ পিতা , আপোনাক আজি দেখো ব্যতিক্ৰম ; কিয় আপোনাৰ মুখত শুনো এনে বচন ?

চিত্ৰ ঃ বাচা , এয়াইটো সত্য বচন। পিতাৰ পাছত পুত্ৰ ৰজা হ'বই লাগিব, তোমাৰ দৰে যোগ্য পুত্ৰক সিংহাসন অৰ্পণ কৰি বনতগৈ মই শান্তিৰে কৰিব পাৰিম শ্ৰীহৰিক আৰাধনা ।

চন্দ্ৰ ঃ তেনে কথা নক'ব দুনাই । আপুনি বনত থাকিব আৰু কি মই ৰাজসুখ কৰিম ভোগ ? অসম্ভৱ পিতা , তেনে ৰাজভোগ নালাগে মোক ।

চিত্ৰ ঃ অবুজ নহ'বা বাচা, সময় আহিলে মনুষ্যই পালন কৰিবই লাগিব সন্যাস ব্ৰত । বাৰু ব'লা এতিয়া এই বিষয়ে পাছত কৰিম আলোচনা । শ্ৰীহৰিক আৰাধনা কৰাৰ মোৰ হৈছে সময় ।

চন্দ্ৰ ঃ ব'লক পিতা ------

সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দৈত্য নন্দন মায়াসুৰৰ প্ৰৱেশ---------

গীত ঃ (ৰাগ- কানাড়া, তাল - একতাল )

সভাত প্ৰৱেশ কৰে মায়াসুৰ বীৰ।
দৈত্যৰ নন্দন ইটো অতি ভয়ংকৰ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ডাকি বোলা সভাসদ নৰ।।

মায়া ঃ হাঃ হাঃ মায়া , মায়া , সম্বৰাসুৰৰ জ্যেষ্ঠ পুত্ৰ , নাম মোৰ মায়াসুৰ । স্বৰ্গ, মৰ্ত্ত্য, পাতাল সকলোতে সৃষ্টি কৰি মায়াৰ বিভীষিকা তিনি ত্ৰৈলোক্যত অসুৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিব এই মায়াসুৰে। চতুৰ্দিশে মাথো হ'ব জয়ধ্বনি পিতা সম্বৰাসুৰৰ --জয় অসুৰৰাজ সম্বৰাসুৰৰ - হাঃ হাঃ হাঃ ---

সূত্ৰ ঃ মায়াসুৰৰ প্ৰস্থান। আনফালে হৰি মন্দিৰত চিত্ৰবাহু-----

চিত্ৰ ঃ হে প্ৰভু , অধমৰ সেৱা কৰিবা গ্ৰহণ -- ( স্তুতি )

হে প্ৰভু যদুপতি দৈৱকী নন্দন ।
তোমাৰ চৰণে কৰোঁ সহস্ৰ বন্দন।।
ধূপ-দ্বীপ পুষ্পাঞ্জলী কৰিছো অৰ্পণ।
নিজ গুণে তুষ্ট হৈয়া কৰিবা গ্ৰহণ।।

সূত্ৰ ঃ এনেতে হৰিনাম গায় নাৰদ -------

চিত্ৰ ঃ আ-হাহা সুমধুৰ হৰিনাম -- ই কি ; দেৱৰ্ষি আজি কৌশম্বীৰ ৰাজ্যত -- প্ৰণাম দেৱৰ্ষি, আপোনাৰ আগমনে পৱিত্ৰ কৰিলে আজি আমাৰ ৰাজ্য ।

নাৰদ ঃ ৰাজন, ভক্তৰ সঙ্গতহে পোৱা যায় ভগৱন্তক । সেইহেতু আপোনাৰ দৰে ভক্তৰ সঙ্গ বিচাৰি আহিলো আমি ----

চিত্ৰ ঃ কি কয় দেৱৰ্ষি ? পৰম ভাগ্য মিলিছে আমাৰ আপোনাক শুশ্ৰূষা কৰাৰ। ইয়াৰ পৰা আমাক নকৰিব বঞ্চিত । আপুনিয়ে হৈছে জগতৰ শ্ৰেষ্ঠ হৰিভক্ত, আপোনাক কৰিছো শতকোটি প্ৰণাম।

নাৰদ ঃ উঠক ৰাজন, সঁচাই মহা ধাৰ্মিক আপুনি।

চিত্ৰ ঃ দেৱৰ্ষি , দয়া কৰি দেখুৱাওক মোক কি পথে লভিম মই মুকুতি ?

নাৰদ ঃ ৰাজন, ভক্তিমাৰ্গতে আছে মুক্তিৰ পথ। এই পথত থাকিবলৈ সদায় যত্ন কৰিব। পাছে মনত ৰাখিব ভক্তিমাৰ্গত আহিব পাৰে অনেক বাধা, অনেক বিপদ ; অৱশ্যে আমাৰ দৃঢ় বিশ্বাস আপোনাৰ দৰে ভক্তই সকলো বাধা কৰিব অতিক্ৰম ।

চিত্ৰ ঃ আশীৰ্বাদ কৰিব দেৱৰ্ষি , যাতে মই মোৰ পথৰ পৰা নহওঁ বিচলিত ।

নাৰদ ঃ ৰাজন, আশীৰ্বাদ থাকিব আমাৰ । যাওঁ এতিয়া আমি নিজ কৰ্ত্তব্যৰ হেতু ।

চিত্ৰ ঃ ব'লক দেৱৰ্ষি , আপোনাক দিওঁ আগবঢ়াই ----

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত ৰুক্মিণী দেৱীৰ প্ৰৱেশ-----</u>**

<u>গীত ঃ (ৰাগ- ধনশ্ৰী , তাল-একতাল )</u>

**সভাৰ মাজে প্ৰৱেশিলা দেৱী ৰুক্মিণী ।**
**দিব্য বস্ত্ৰে শোভে অতি ভীষ্মক নন্দিনী ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰে ।।**

**<u>সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ ------------------</u>**

কৃষ্ণ ঃ দেৱী ৰুক্মিণী -------

ৰুক্মিণী ঃ দাসীৰ সেৱা গ্ৰহণ কৰক নাথ । কৃপা কৰিব , চিৰদিন পূঁজিব পাৰোঁ যেন মই তয়ু চৰণ।

কৃষ্ণ ঃ দাসী নহয় ৰুক্মিণী, তুমি আমাৰ অৰ্দ্ধাঙ্গিনী ; তোমাৰ অবিহনে আমি নহওঁ সম্পূৰ্ণ । তোমাৰ স্থান আমাৰ হৃদয়ত আৰু তুমিটো লক্ষ্মীৰেই অংশ, এই কথা জানো তুমি গৈছা পাহৰি ?

ৰুক্মিণী ঃ নাই পাহৰা প্ৰভূ। কিন্তু আচৰিত এই মৰ্ত্ত্যপুৰী । কোন ক্ষণত আহি মায়া - মোহে মন আমাৰ কৰে আচ্ছন্ন তাক তলকিবই নোৱাৰি । আপোনাৰ নাম স্মৰণেহে মুক্তি দিয়ে প্ৰভূ । সঁচাই বিচিত্ৰ এই মনুষ্য জীৱন।

কৃষ্ণ ঃ মনুষ্য ৰূপে যদি দেৱী তোমাক কৰিছে বিচলিত , তেন্তে দেৱী নিদিওঁ আমি তোমাক বাধা , ল'ব মুক্তি তুমি মনুষ্য ৰূপৰ পৰা ?

ৰুক্মিণী ঃ অসম্ভৱ নাথ , আপুনি মৰ্ত্ত্যত থাকি লীলা ৰচিব আৰু কি আমি থাকিম আঁতৰি ? নাই নাই এনে হব নোৱাৰে কদাপি । তাতে প্ৰভূ এতিয়াও আমাৰ আশা হোৱা নাই পূৰ্ণ ; মানৱী জনমে লভা নাই পূৰ্ণতা ।

কৃষ্ণ ঃ তোমাৰ কথনৰ তাৎপৰ্য নুবুজিলো দেৱী ? কি ইচ্ছা তোমাৰ এতিয়াও হোৱা নাই পূৰণ ?

ৰুক্মিণী ঃ জনম লৈ ধৰাত মানৱী ৰূপে মাতৃত্বৰ বাসনা জাগিছে প্ৰাণত । প্ৰভূ , পূৰ্ণ হ'বনে বাৰু মোৰ এই মনৰ অভিলাষ ?

কৃষ্ণ ঃ দেৱী, তুমি আমাৰ অৰ্দ্ধাঙ্গিনী ; অভিলাষ যদি তোমাৰ জাগিছে প্ৰাণত , নিশ্চয় তাৰ হ'ব পূৰণ । হ'বা তুমি এক ৰূপবান, গুণবান অতি পৰাক্ৰমী পুত্ৰৰ জননী ।

ৰুক্মিণী ঃ অ'হ নাথ, কি আনন্দৰ বাৰ্তা দিলে মোক । কেতিয়াকৈ আহিব সেই ক্ষণ ? শিশুৰ কোমল শৰীৰ স্পৰ্শ কৰি মাতৃ স্নেহেৰে আঁকোৱালী ল'বলৈ মই যে হৈছো ব্যাকুল । কওক নাথ, কেতিয়া আহিব সেই সুমধুৰ ক্ষণ ?

কৃষ্ণ ঃ আৰু কিছুদিন অপেক্ষা কৰা দেৱী, সকলো কাৰ্য্য কালে নিৰ্দ্ধাৰণ কৰা সময়তহে হ'ব সমাপন। বাৰু , ব'লা যাওঁ এতিয়া আমি ক্ষন্তেক কৰোঁগৈ বিশ্ৰাম ।

সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত অসুৰেশ্বৰ সম্বৰাসুৰ, পুত্ৰ সিংহকেতু আৰু সেনাপতি প্ৰলয়াসুৰৰ প্ৰৱেশ--

গীত ঃ ( ৰাগ- কানাড়া, তাল- পৰিতাল )
প্ৰৱেশ কৰিয়া আহে অসুৰ ৰাজন।
পদভৰে বসুমতী কম্পে ঘনে ঘন।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ডাকি বোলা সভাসদ নৰ।।

সম্বৰা ঃ পুত্ৰ সিংহকেতু আৰু সেনাপতি প্ৰলয়াসুৰ, ধাৰণ কৰি শিৰে অসুৰৰ শৌৰ্য, প্ৰবাহিত কৰি দেহত অসুৰৰ ৰক্ত বিস্তাৰিলো জগতত অসুৰৰ বিজয় গৌৰৱ। যি দিশেই যাঁও মই আজি ধৰাৰ বক্ষত কি গুঞ্জৰিত হয় আকাশ বতাহত ?

প্ৰলয়া ঃ জয় সম্বৰাসুৰৰ জয় --- জয় সম্বৰাসুৰৰ জয় -- জয় সম্বৰাসুৰৰ জয় ---

সম্বৰা ঃ হাঃ হাঃ কিন্তু অসুৰ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ হেতু কত বাৰ মই কৰিছো ৰণ, কত শত্ৰুক মই এই দুহাতেৰে কৰিলো নিধন, তথাপিতো নপলাল মোৰ ৰণৰ হেঁপাহ। কদাপি নাছিলো ভবা শৌৰ্যহীন বলহীন কাপুৰুষৰহে স্থান এই বসুন্ধৰা; আঃ নাপালো মোৰ কোনো সমকক্ষ বীৰ এই ধৰাত।

সিংহ ঃ পিতা, আপোনাৰ নাম শুনিলে স্বৰ্গৰ দেৱতাও হয় থৰহৰি কম্পমান, মৃত্যুদুতেও আপোনাৰপৰা মাগে ভিক্ষা নিজৰ প্ৰাণ। তেনেস্থলত কোন হ'ব পাৰে আপোনাৰ সমকক্ষ এই বসুন্ধৰাত হাঃ হাঃ।

প্ৰলয়া ঃ অসুৰেশ্বৰ, আপোনাৰ মাথো এটা গৰ্জনত মহাসমুদ্ৰত উঠে খলকনি, দেৱেন্দ্ৰৰ হাতৰ পৰা বজ্ৰ পৰে খহি। তেনেস্থলত মৰ্ত্তৰ মানৱে -- হাঃ হাঃ কেনেদৰে পূৰাব আপোনাৰ ৰণৰ ক্ষুধা ? অসুৰেশ্বৰ, মৰ্ত্যৰ মানবে এতিয়া মাথো আপোনাকেই ভজে, দশো দিশে চলিছে এতিয়া মাথো আপোনাৰেই গুণগান হাঃ হাঃ হাঃ ----

সম্বৰা ঃ সুন্দৰ, অতি সুন্দৰ। কৰিলো আজিয়ে পণ হ'ম মই ত্ৰিলোক বিজেতা। কৰিম পদানত মই পাতালৰ বাসুকী আৰু মৃত্যুপতিক ; মৃত্যু জিনি মই লভিম অমৰত্ব। চাৰিও দিশে উৰিব মাথো আমাৰে বিজয় পতাকা ----------

সূত্ৰ ঃ এনেতে নাৰদ -------------------

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; অসুৰেশ্বৰৰ জয় হওঁক। অসুৰেশ্বৰ, আপোনাক আজি বৰ উৎফুল্লিত যেন দেখিছো। নিশ্চয় আছে ইয়াৰ কিবা কাৰণ ?

সম্বৰা ঃ নিশ্চয়, নিশ্চয় কাৰণ আছে দেৱৰ্ষি ; জগতবাসীয়ে ঘৃণা কৰে অসুৰ সমাজক। আমি হেনো অস্পৃশ্য, পাপীষ্ঠ, অধম বৰ্বৰ। কিন্তু আজি এই অস্পৃশ্য, অধম, বৰ্বৰ অসুৰে তিনি ত্ৰৈলুক্যত কৰিছে শাসন। দেৱেন্দ্ৰই শিৰ নত কৰে মোৰ সন্মূখত। দেৱলোকৰ ৰতি আজি দাসী হৈ আছে এই সম্বৰাসুৰৰ কাৰেঙত হাঃহাঃ জগতবাসীয়ে আজি ভজিছে মোক, পূজিছে এই সম্বৰাসুৰক হাঃহাঃ

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; অসুৰেশ্বৰ মোৰ বোধেৰে আপোনাৰ ভ্ৰমহে হৈছে। আপুনি হয়তো নাজানে এতিয়াও মৰতৰ কোনো কোনোৱে আপোনাক নহয়, শ্ৰীকৃষ্ণকহে ভজে ----

সম্বৰা ঃ (খঙত) দেৱৰ্ষি------।

সিংহ ঃ মুখ বন্ধ কৰক দেৱৰ্ষি ; অসুৰৰাজ সম্বৰাসুৰৰ ৰাজসভাত থাকি আপুনি কি সাহসত কাৰ গুণ কৰিছে বৰ্ণন ?

প্ৰলয়া ঃ অসুৰেশ্বৰ, কৃষ্ণৰ পদলেহনকাৰী এই ভণ্ড দেৱৰ্ষিয়ে মাতিছে সম্পূৰ্ণ মিথ্যা বচন। জগতত এতিয়া এনে এক প্ৰাণী নাই, যি আপোনাক কৰে অৱজ্ঞা। স্বয়ং নাৰায়ণেও এতিয়া আপোনালৈ কৰে সমীহ। তেনেস্থলত এই দেৱৰ্ষীয়ে ----

সম্বৰা ঃ দেৱৰ্ষি, জিভা সংযত কৰি বুলিব বচন। মনত ৰাখিব, এয়া অসুৰৰাজ সম্বৰাসুৰৰ ৰাজসভা। সৃষ্টিকৰ্তাইও ইয়াত কথা ক'বলৈ শতবাৰ কৰে চিন্তা। তেনেস্থলত আপুনি... ?

দেৱৰ্ষি ঃ খং নকৰিব অসুৰেশ্বৰ। জগতে জানে এই নাৰদে কদাপি নোবোলে মিথ্যা বচন । আপোনাৰ ৰাজ্যৰ পূব দিশে আছে এখন ক্ষুদ্ৰ ৰাজ্য , নাম যে কৌশম্বীৰপুৰ । তাৰেই ৰাজন চিত্ৰবাহুৱে শ্ৰীহৰিৰ বাহিৰে নভজে কাকো । মোৰ দৃঢ় বিশ্বাস অসুৰেশ্বৰ , চিত্ৰবাহুৱে আপোনাৰ আদেশকো কৰিব অবজ্ঞা ; শ্ৰীহৰিতকৈ আপোনাক কদাপি নকৰিব শ্ৰেষ্ঠ জ্ঞান --

সম্বৰা ঃ কি ক'লে ? চিত্ৰবাহু ! সাধাৰণ এক মনুষ্য, হাঃহাঃ দেৱৰ্ষি, এতিক্ষণে যাত্ৰা কৰিম মই কৌশম্বী ৰাজ্যলৈ । চাম বাৰু চিত্ৰবাহুৱে মোৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰেনে নকৰে --- ?

দেৱৰ্ষি ঃ নিশ্চয় অসুৰেশ্বৰ , মইয়ো তেন্তে এতিয়া যাত্ৰাহে কৰোঁ ; নাৰায়ণ , নাৰা ----- **( প্ৰস্থান )**

প্ৰলয়া ঃ তেন্তে অসুৰেশ্বৰ , মেদিনী কঁপাই আমি যাত্ৰা কৰোঁ কৌশম্বী ৰাজ্যলৈ।

সিংহ ঃ হয় পিতা, বিলম্বৰ নাই প্ৰয়োজন। কৰা সবে অভ্ৰভেদী জয়ধ্বনী -- জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ , জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ , জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ জয় -----

**সূত্ৰ ঃ জয়ধ্বনী দিয়ে। বেগেৰে মায়াসুৰ সোমাই আহে ---**

মায়া ঃ পিতা , পুত্ৰৰ সেৱা গ্ৰহণ কৰক। দেখিছো পিতা মই আপোনাৰ মুখত ক্ৰোধৰ দাবানল । কিয় পিতা , কোনোবাই কৰিছে নেকি কিবা অপৰাধ ? কাৰ মৃত্যু আছে আজি অসুৰৰ হাতত ?

সম্বৰা ঃ পুত্ৰ , দেৱৰ্ষিয়ে আহি দিলেহি বাৰ্ত্তা, --মনুষ্য, এক তুচ্ছ মনুষ্যই অসুৰ শক্তিক তাচ্ছিল্য কৰি হৰিক কৰে পূজা। অসুৰশ্ৰেষ্ঠ এই সম্বৰাসুৰৰ শ্ৰেষ্ঠতা বোলে নকৰে গ্ৰহণ। সেয়েহে ওলাইছো মই , সেই দুষ্টক উচিত শিক্ষা কৰিম প্ৰদান ।

মায়া ঃ এক ক্ষুদ্ৰ মনুষ্যৰ বিৰুদ্ধে আপুনি কিয় যাব লাগে পিতা ? আছে জীৱিত আপোনাৰ জ্যেষ্ঠ পুত্ৰ এই মায়াসুৰ । কওঁক পিতা , কোন সেই পাপীষ্ঠ ? মহাসমুদ্ৰত লুকাই থাকিলেও বন্দী কৰি লৈ আহিম মই আপোনাৰ সমীপে।

সিংহ ঃ দাদা , সেই পাপীষ্ঠ হৈছে কৌশম্বীৰাজ চিত্ৰবাহু । অ দাদা , ব'লক , ধুমুহাৰ দৰে গৈ আমি দুয়ো ভাতৃ লুপ্ত কৰি দিওঁ তাক ধৰণীৰ পৰা ।

মায়া ঃ চিত্ৰবাহু , হাঃ হাঃ... পিতা, মাথো দিয়ক আশীষ , নিমিষতে চাৰখাৰ কৰি কৌশম্বী ৰাজ্য গলে জিঞ্জিৰি লগাই চোচঁৰাই লৈ আহিম চিত্ৰবাহুক আপোনাৰ সমীপে।

সম্বৰা ঃ শুনি সুখী হ'লো মই তোমালোকৰ বীৰোচিত বচনত । সেনাপতি প্ৰলয়াসুৰ , তুমিও হ'বা পুত্ৰদ্বয়ৰ সহায় । যোৱা বিজয়ী হৈ আঁহা ----

প্ৰলয়া ঃ জয় মায়াসুৰৰ জয় , জয় মায়াসুৰৰ জয় ----

গীত

মহাক্ৰোধে চলি যাই অসুৰ দুৰ্জন ।
কৌশম্বীক জিনো বুলি স্থিৰ কৰি মন ।।

**সূত্ৰ ঃ অসুৰ গণে যাত্ৰা কৰে। পাছত সম্বৰাসুৰৰ প্ৰস্থান । আনফালে ৰণৰ সাজে চিত্ৰবাহু আৰু চন্দ্ৰবাহু ----**

চন্দ্ৰ ঃ চিন্তা নকৰিবা পিতা ; সাজু আছে আমাৰ সেনানী । আহক শত্ৰু সমুল জাহ যাব সিহঁত আজি কৌশম্বীপুৰত ।

**সূত্ৰ ঃ এনেতে অসুৰগণ আহে ------**

মায়া ঃ হাঃ হাঃ তয়েই নেকি চিত্ৰবাহু --- ?

চিত্ৰ ঃ হয় ; পাছে কোন তুমি ? কিয় মোৰ শান্তিময় কৌশম্বীত কৰিছাহি অশান্তি ?

মায়া ঃ আচৰিত , আচৰিত ৰাজন । তই মোক পোৱা নাই চিনি ? এই মায়াসুৰক পোৱা নাই চিনি । শুন তেন্তে ,ময়েই হৈছো অসুৰ শ্ৰেষ্ঠ সম্বৰাসুৰৰ জ্যেষ্ঠপুত্ৰ মহা মায়াধাৰী মায়াসুৰ ।

চিত্ৰ ঃ পাছে, আমিতো কৰা নাই তোমালোকৰ কোনো অনিষ্ট । তেনেস্থলত কিয় কৰা আক্ৰমণ আমাৰ ৰাজ্য ?

মায়া ঃ সৃষ্টি কালৰে পৰা অসুৰে দেখুৱাইছে নিজৰ পৰাক্ৰম। পিতা মোৰ সম্বৰাসুৰো নহয় ব্যতিক্ৰম । তেওঁৱেই জগতৰ একমাত্ৰ ভগৱান।

চিত্ৰ ঃ এয়া তোমাৰ অলীক কল্পনা । মোৰ প্ৰভু শ্ৰীহৰিয়ে হৈছে জগতৰ ভগৱান ।

মায়া ঃ আঃ মনুষ্য ; পিতা মোৰ মহা বলবান ; যক্ষ, ৰক্ষ, দেৱ, গন্ধৰ্বই মানি লৈছে মোৰ পিতাৰ শ্ৰেষ্ঠতা

চিত্ৰ ঃ হ'ব পাৰে তোমাৰ পিতা অসুৰ শ্ৰেষ্ঠ । মইয়ো মানি লৈছো তেওঁক ৰণত পাৰ্গত বুলি । তথাপি হ'ব পাৰে জানো তেওঁ ভগৱান ?

মায়া ঃ এক তুচ্ছ মনুষ্য হৈ হৰি পূজা কৰি তই মোৰ পিতাক নকৰিবি অৱজ্ঞা ; বন্ধ কৰিছো আমি জগতত হৰি পূজা ---

চিত্ৰ ঃ নহয় এয়া উচিত কাৰ্য ; তহঁতৰ দৰে বাতুলৰ মাথো বাতুলতা ----

মায়া ঃ আঃ ইমান অহংকাৰ , ইমান দুঃসাহস এই মনুষ্যৰ । ভাতৃ আৰু সেনাপতি কৰা আক্ৰমণ । বন্দী কৰি লৈ যাওঁ এই অধৰ্মীক পিতাৰ সমীপে ।

চন্দ্ৰ ঃ সাৱধান , থাকোতে জীৱিত এই চন্দ্ৰবাহু , নোৱাৰ অনিষ্ট কৰিব পিতাৰ । মাত্ৰ যুদ্ধ কৰ ।

গীত ঃ (ৰাগ- মল্লাৰ, তাল - ৰচক)

দুয়ো দলে যুদ্ধ কৰে অতি ভয়ংকৰ।
পদভৰে বসুমতী কম্পে থৰাথৰ।।

**সূত্ৰ ঃ যুদ্ধত চন্দ্ৰবাহু পলাই যায় ; চিত্ৰবাহু বন্দী হয় । দেখি মায়াসুৰে যি কয় ---**

মায়া ঃ হাঃ হাঃ পাষণ্ড , এয়াই নেকি তোৰ শক্তি ? এই শক্তিলৈয়ে কৰ ইমান অহংকাৰ । ব'ল নৰাধম , লৈ যাম আজি মই তোক পিতাৰ সমীপে। উচিত বিচাৰ কৰিব পিতাই হাঃ হাঃ----

**সূত্ৰ ঃ বন্দীক লৈ অসুৰগণৰ প্ৰস্থান। উত্ৰাৱল হৈ চন্দ্ৰবাহু----**

চন্দ্ৰ ঃ এয়া মই কি কৰিলো ? পিতাক অকলশৰীয়া কৰি ৰণক্ষেত্ৰত পলাই আহিলো মই কেৱল নিজ প্ৰাণ ৰক্ষাৰ্থে । ধিক্ চন্দ্ৰবাহু, তই ইমান ভীৰু, ইমান স্বাৰ্থপৰ । নাই নাই, নিজ প্ৰাণ দি হ'লেও মই ৰক্ষা কৰিম মোৰ জন্মভূমিক ; ৰক্ষা কৰিম পিতৃক । সাৱধান, সাৱধান অসুৰ -

**সূত্ৰ ঃ চন্দ্ৰবাহুৰ প্ৰস্থান । সভাত মায়াৰতিৰ প্ৰৱেশ----------------**

**গীত ঃ (ৰাগ- সুহাই, তাল- একতাল)**

**আৱত সভাৰ মাজে দেৱী মায়াৰতি।**
**চিন্তান্বিত কৰি আছে মুক্তি ক্ষণ গণি।।**
**হেন জানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰ লোকে ডাকি বোলা ৰাম ৰাম।।**

ৰতি ঃ হে দয়াময়, কমললোচন আৰু কিমান কষ্ট ভোগ কৰিব লাগিব মই এই মহাপাপী সম্বৰাসুৰৰ দাসীৰূপে। জনা নাই , বুজা নাই এতিয়াও সম্বৰাসুৰে মোৰ ৰহস্য । দেৱী ৰতিৰদ্বাৰা সৃষ্ট মায়াৰতিহে মই । নাই মোৰ অস্তিত্ব, আছো মাত্ৰ মই ইয়াত ৰতিদেৱীৰ প্ৰতিবিম্ব হৈ । থাকিব লাগিব মই ইয়াত এই পাপীষ্ঠ জীয়াই থকালৈকে । নতু হানি কৰিব পাৰে এই পাপীষ্ঠই দেৱী ৰতিৰ সন্মান । হে প্ৰভু , মুক্তি দিয়া জগতবাসীক ইয়াৰ অত্যাচাৰৰপৰা ---

**সূত্ৰ ঃ এনেতে সম্বৰাসুৰ সোমাই আহে ---**

সম্বৰা ঃ ৰতি, কিয় তোমাৰ দেখো আজি মলিন বেশ ? চোৱা কি নাই এই সম্বৰাসুৰৰ ৰাজপ্ৰাসাদত ? ধন, ৰত্ন, মণি-মুকুতা, একোৰে নাই অভাৱ । ৰতি, দেৱতাক হৰুৱাই লভিছো মই তোমাক । নকৰিবা শোক ; কি আছে দেৱলোকত ? কি আছিল তোমাৰ স্বামী কামদেৱৰ ওচৰত ? যিওবা আছিল তাৰ মোহনীয় ৰূপ, সিওঁ হেৰুৱালে সি মহাদেৱৰ কোপত হাঃ হাঃ। ৰতি , তুমি কেৱল অসুৰৰ সম্পত্তি এই সম্বৰাসুৰৰ হাঃ হাঃ ----

ৰতি ঃ বেজাৰ কৰা নাই মই অসুৰেশ্বৰ , নিজকে ধন্যহে মানিছো মই। আপোনাৰ দাসীহৈ থকাতো সৌভাগ্যহে মোৰ ।

সম্বৰা ঃ তোমাৰ মুখৰ বাণী সঁচাকৈ অতি মধুৰ হাঃহাঃ ৰতি, আজি আমাৰ আনন্দৰ দিন, গৌৰৱৰ দিন ; অ ৰতি আজি মই অতিকৈ আনন্দিত -----

ৰতি ঃ অসুৰেশ্বৰ, আজিনো কি --আনন্দৰ --- গৌৰৱৰ দিন--- আমাৰ বাবে ? জনাবনে মোক --

সম্বৰা ঃ কিয় ? তুমি শুনা নাই, মোৰ পৰম প্ৰতাপী জ্যেষ্ঠ পুত্ৰ মায়াসুৰে কৌশম্বীৰাজ চিত্ৰবাহুক যুদ্ধত কৰিলে পৰাস্ত । আঃ সেই পাষণ্ডই মোক নভজি হৰিৰ কৰিছিলে বন্দনা । বন্দী কৰি লৈ আহিছে তাক মোৰ সমীপে , দিম তাক মই উচিত যাতনা হাঃ হাঃ ---

ৰতি ঃ (স্বগতঃ) হে প্ৰভূ, আৰু কিমান তোমাৰ ভক্তই প্ৰাণ এৰিব এই পাপীষ্ঠৰ হাতত ।

**সূত্ৰ ঃ এনেতে বন্দী চিত্ৰবাহুক লৈ মায়াসুৰ সোমাই আহে--------------**

মায়া ঃ (গতামাৰি) যা মূৰ্খ , পিতাৰ চৰণত তই কৰ সেৱা। পিতা , লৈ আহিলো মই এই পাষণ্ডক। কৰক ইয়াৰ উচিত বিচাৰ ।

সম্বৰা ঃ হাঃ হাঃ হাঃ-- হৰিভক্ত চিত্ৰবাহু , ক'ত গ'ল তোৰ ভগৱান ? কিয় তোক ৰক্ষা নকৰিলে মায়াসুৰৰ হাতৰপৰা ? এতিয়াও কৰ নেকি নাৰায়ণেই তোৰ ভগবান বুলি ?

চিত্ৰ ঃ অসুৰেশ্বৰ , প্ৰাণ থকালৈকে কৈ যাম মোৰ প্ৰভু শ্ৰীহৰিয়েই শ্ৰেষ্ঠ।

সম্বৰা ঃ আঃ চিত্ৰবাহু, তোৰ ইমান অহংকাৰ। বন্দী আজি তই সম্বৰাসুৰৰ, অথচ নকৰ গ্ৰহণ তই মোৰ শ্ৰেষ্ঠতা । কি আছে তোৰ শ্ৰীহৰিৰ শ্ৰেষ্ঠতা বুলিবলৈ ?

চিত্ৰ ঃ হে অসুৰেশ্বৰ, মোৰ প্ৰভূ শ্ৰীহৰিয়েই হৈছে পৰম ব্ৰহ্ম , জগতৰ পৰম আশ্ৰয় ; তেৱেঁই ধৰ্মৰক্ষক তেৱেঁই সৰ্বনাশী মহাকাল । তেওঁ অনাদি, তেওঁ অনন্ত, অবিনাশী, সৰ্বব্যাপ্ত । শ্ৰীকৃষ্ণৰূপে মোৰ প্ৰভূৱে এই মৰতত লৈছে অৱতাৰ । তেওঁ দয়াময় , কৰুণা সাগৰ। আপুনিও তেওঁৰ ওচৰত লওঁক শৰণ। শতদোষ আপোনাৰ কৰিব মাৰ্জনা ।

মায়া ঃ আঃ ইমান স্পৰ্দ্ধা এই তুচ্ছ মানৱৰ। বীৰ শ্ৰেষ্ঠ মোৰ পিতাক কৰে অপমান -- (পদাঘাট কৰে) মানি ল তই মোৰ পিতাই হৈছে জগত শ্ৰেষ্ঠ। সেয়ে দে এবাৰ জয়ধবনী তই----জয় সম্বৰাসুৰ ( অলপ ৰৈ ) নিদিয় কিয় ? দে জয় মোৰ পিতা সম্বৰাসুৰৰ --।

চিত্ৰ ঃ (চিঞৰি)-- জয় শ্ৰীহৰিৰ জয়।

সম্বৰা ঃ আঃ এই বিষধৰ নাগৰ প্ৰতিটো শব্দই মোক কৰিছে দংশন । মায়াসুৰ , ধৰা এই মহাপাপীক । মোৰ এই তীক্ষ্ণ অস্ত্ৰ ইয়াৰ বুকুত দিওঁ বহুৱাই।

**সূত্ৰ ঃ সম্বৰে অস্ত্ৰ প্ৰহাৰ কৰিব খোজে। বাধা দি মায়াৰতিয়ে যি কয়----------**

ৰতি ঃ ক্ষান্ত হওঁক অসুৰেশ্বৰ । কি কৰে আপুনি ? বীৰ শ্ৰেষ্ঠ সম্বৰাসুৰে এক তুচ্ছ মনুষ্যক কৰিব হত্যা । আপোনাৰ দৰে বীৰৰ বাবে এনে কাম নাপায় শোভা । অসুৰেশ্বৰ, মৃত্যু জানো হব পাৰে যোগ্য পুৰস্কাৰ এনেহেন অপৰাধীৰ বাবে ? তাতে আপোনাৰ হাতে মৃত্যু পালে এই মনুষ্যই লভিব মুক্তি । এনেহেন পাপীক জানো আপুনি শীঘ্ৰেই দিব মুক্তি ? ইয়াৰ বাবে অসুৰেশ্বৰ আপোনাৰ পোতাশালেই জানো নহয় যোগ্য ?

সম্বৰা ঃ হাঃ হাঃ উচিত কথা কৈছা সুন্দৰী । কদাপি নাপাব ই শীঘ্ৰেই মুক্তি । মোৰ অন্ধ পোতাশালেই হ'ব ইয়াৰ বাবে যোগ্য স্থান । ধন্যবাদ ৰতি , তুমি ৰাখিলা আজি মোৰ স্বাভিমান ।

মায়া ঃ উত্তম পিতা , দুদিনমান আমাৰ পোতাশালত পৰি থাকিলেই ইয়াৰ আহিব জ্ঞান । সপোনে , দিঠকে কৰিব ই আপোনাকেই ধ্যান হাঃ হাঃ --

সম্বৰা ঃ হাঃ হাঃ অ পুত্ৰ, সম্বৰাৰ যাতনা অতীকে ভীষণ ; চাঁও বাৰু কিমান দিন সহে ই জয় শ্ৰীহৰি বুলি হাঃ হাঃ লৈ যোৱা এই পাষণ্ডক মোৰ সন্মুখৰ পৰা ----

চিত্ৰ ঃ সম্বৰাসুৰ, তুমি উচিত কায্য কৰা নাই। এতিয়াও সময় আছে, শ্ৰীহৰিত শৰণ লোৱা ; তেওঁৰেই জগতৰ পালন কৰোঁতা ------

মায়া ঃ স্তব্ধ হ নৰাধম, তোৰ উপদেশৰ আমাৰ নাই প্ৰয়োজন । ব'ল ব'ল মূৰ্খ, অসুৰৰ পোতাশালে তোৰ বাবে কৰিছে অপেক্ষা হাঃ হাঃ হাঃ------

**সূত্ৰ ঃ মায়াসুৰে বন্দীক লৈ যায় ---**

ৰতি ঃ ধন্যবাদ অসুৰেশ্বৰ, মোৰ অনুৰোধ ৰাখি দুষ্টক উচিত শাস্তি কৰিলে প্ৰদান । এতিয়া ব'লক, নিজ হাতে মই অন্তেষপুৰত আপোনাক মদিৰা কৰাম পান ।

সম্বৰা ঃ ৰতি, তোমাৰ বচন কিম্বা অনুৰোধ কৰিছো জানো মই কেতিয়াবা অগ্ৰাহ্য ? আজিও পালা প্ৰমাণ তোমাৰ কথা ৰাখিলো মই । এতিয়া মাথো তুমি হোৱা সুখী আৰু তোমাৰ সান্নিধ্যৰে মোৰ জীৱনো কৰা ধন্য -----।

ৰতি ঃ তেন্তে ব'লক অসুৰেশ্বৰ -------

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে উত্ৰাৱল হৈ চন্দ্ৰবাহু--------------------**

চন্দ্ৰ ঃ পিতা, পিতা -- ক'ত গ'ল বাৰু মোৰ পিতা ? সকলোতে বিচাৰি কৰিলো চলাথ, নাপালো বিচাৰি । উসঃ চাৰিওফালে মাথো মৃতদেহ। অসুৰে বাৰু পিতাকো ... নাই নাই এনে হ'ব নোৱাৰে। দেৱহেন পিতাক ৰণক্ষেত্ৰত এৰি মই পলাই গৈছিলো কেৱল নিজ প্ৰাণ ৰক্ষা কৰিবলৈ। ধিক ধিক চন্দ্ৰবাহু, ধিক তোৰ জীৱন। আজি জগতে হাঁহিছে মোক ; নাই নাই নালাগে মোক এনে নিৰ্লজ স্বাৰ্থপৰ জীৱন। অ এনে স্বাৰ্থপৰ জীৱন আজি মই নিজহাতে কৰিম নাশ । হে তীক্ষ্ণ তৰোৱাল, এই ভীৰু চন্দ্ৰবাহুৰ আজি তই ল প্ৰাণ --জয় শ্ৰীহৰি ( অস্ত্ৰ বহুৱাব খোজে )

**সূত্ৰ ঃ এনেতে নাৰদ------------------------------**

নাৰদ ঃ চোৱা চোৱা জগতবাসী, এজন ধাৰ্মিক পিতাৰ মূৰ্খ পুত্ৰই আজি কৰিব খোজে আত্মহনন । নিজ কৰ্ত্তব্যৰ পৰা কৰিব খোজে পলায়ন । ধিক্কাৰ দিব খোজো মই এনে মনুষ্যক ।

চন্দ্ৰ ঃ ধিক্কাৰৰেই যোগ্য মই দেৱৰ্ষি, নোৱাৰিলো পিতাৰ প্ৰাণ ৰক্ষা কৰিব । নিজ প্ৰাণৰ মায়াত আৱদ্ধ এক স্বাৰ্থপৰ পশু । মোৰ দৰে অযোগ্য পুত্ৰ, দেশদ্ৰোহী, পাপীৰ বাবে মৃত্যুৱেই শ্ৰেষ্ঠ দেৱৰ্ষি।

নাৰদ ঃ কোনে ক'লে তোমাৰ পিতাৰ মৃত্যু হ'ল বুলি ? মহাধাৰ্মিক তোমাৰ পিতা, কি শক্তি আছে অসুৰৰ যে তোমাৰ পিতাক কৰিব হত্যা ?

চন্দ্ৰ ঃ অৰ্থাৎ দেৱৰ্ষি, মোৰ পিতা আছে জীৱিত ?

নাৰদ ঃ হয় কুমাৰ , তোমাৰ পিতা বন্দী হৈ আছে সম্বৰাসুৰৰ ৰাজ্যত।

চন্দ্ৰ ঃ কি ক'লে ? বন্দী হৈ আছে। ( খঙত ) সম্বৰাসুৰ, তোৰ ইমান সাহ। মোৰ দেৱতুল্য পিতাক তই কৰি ৰাখিছ বন্দী । ইয়াৰ বাবে তই পাবি উচিত দণ্ড ।

নাৰদ ঃ ক্ষান্ত হোৱা কুমাৰ , মুক্ত হ'ব তেওঁ নিজে বন্দীত্বৰ পৰা , তুমি মাথো গন্ধমাদন পৰ্বতত গৈ কৰা অপেক্ষা , তাতে এদিন লগ পাবা তুমি তোমাৰ পিতাৰাক।

চন্দ্ৰ ঃ দেৱৰ্ষি , কিদৰে ধন্যবাদ জনাওঁ আপোনাক ? তাপিত হৃদয় মোৰ আপুনি পেলালে শাঁত । আপোনাৰ বাক্য মানি যাত্ৰা কৰিম মই গন্ধমাদন পৰ্বতলৈ । দিয়ক আশীৰ্বাদ ---

নাৰদ ঃ যোৱা কুমাৰ , প্ৰভূৱে সহায় কৰিব তোমাক। আমিও যাওঁ এতিয়া ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত বলৰাম----------------------**

বল ঃ ধৰ্মৰ ওপৰত অধৰ্মৰ এনে উপহাস ; সত্যৰ ওপৰত অসত্যৰ এনে প্ৰাদুৰ্ভাৱ। নাজানো কেনেদৰে কৃষ্ণই এনে অন্যায় আছে চাই ? এই বলৰামে আৰু নোৱাৰে সহিব । হাতে ধৰি এই হল সকলোকে এফালৰ পৰা মই কৰি যাম সংহাৰ।

**সূত্ৰ ঃ এনেতে কৃষ্ণ আহে------------------------**

কৃষ্ণ ঃ দাদা , দাদা , কিয় আপুনি হৈছে ইমান উত্তেজিত ?

বল ঃ উত্তেজিত !! অ মই উত্তেজিত , কিয় নহ'ম কিয় ? কানাই , ধৰ্মৰ ওপৰত কৰা অধৰ্মৰ উপহাস কি তুমি দেখা নাই ? ভক্ত চিত্ৰবাহুৰ ওপৰত হোৱা অত্যাচাৰ কি তুমি দেখা নাই ? কানাই, মই আৰু নোৱাৰোঁ ধৈৰ্য ধৰিব , সম্বৰাসুৰক দিম মই ইয়াৰ যথোচিত উত্তৰ।

কৃষ্ণ ঃ খং নকৰিব দাদা, পাপীয়ে জানো দণ্ডৰ পৰা পাই পৰিত্ৰাণ । সম্বৰাসুৰেও তাৰ কুকাৰ্যৰ বাবে নিশ্চয় ভুগিব শাস্তি ।

বল ঃ কিন্তু কেতিয়ালৈ -- ? মৰ্ত্যত ধৰ্ম শেষ হৈ গ'লে ? চোৰা কানাই , ত্ৰেতা যুগত মই লক্ষ্মণৰূপে তোমাৰ অনুজ হৈ সকলো আজ্ঞা বিনাবাক্যে কৰিছিলো পালন। কিন্তু এই দ্বাপৰ যুগত মই তোমাৰ জ্যেষ্ঠ । সেয়েহে এইবাৰ তুমি মোক নিদিবা বাধা ---

কৃষ্ণ ঃ হাঃহাঃ কোনো বাধা নিদিওঁ ; আপুনি মোৰ চেনেহৰ দাদা, জানেই আপুনি সম্বৰাসুৰৰ মৃত্যু নাই আমাৰ হাতত। সেয়ে কালৰ গতিক স্ব-ইচ্ছাই চলি থাকিবলৈ দিয়ক । অতি শীঘ্ৰে জন্ম হ'ব সম্বৰাসুৰৰ মৃত্যুদাতাৰ । মাত্ৰ অপেক্ষা কৰক দাদা ।

বল ঃ কেৱল তোমাৰ বিশ্বাসত মই ক্ষান্ত হৈছো কৃষ্ণ ; কেৱল তোমাৰ আশ্বাস বাণীত -- ( **প্ৰস্থান** )

কৃষ্ণ ঃ যাওক দাদা ; বুজিছো সময় সমাগত কামদেৱৰ জনমৰ । হে কামদেৱ , সময় সমাগত তোমাৰ তনুৰূপ ধাৰণৰ । আমাৰ পুত্ৰৰূপে থিতাপি লোৱাহি তুমি দেৱী ৰুক্মিণীৰ গৰ্ভে ----

**সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান। সভাত সম্বৰাসুৰ, মায়াসুৰ আৰু সিংহকেতু আহে---------**

সম্বৰা ঃ পুত্ৰগণ, বুজিলো, চিনিলো, মোৰ প্ৰধান প্ৰতিদ্বন্দীক --কৃষ্ণ , অ সেই মাখনচোৰ, গোপিনীৰ বস্ত্ৰ হৰণকাৰী কৃষ্ণই হৈছে মোৰ পথৰ কণ্টক। মূৰ্খ জগতবাসীয়েও কয় কৃষ্ণ বোলে ভগৱান । দুষ্টক দমনৰ বাবে ধৰাত লৈছে অৱতাৰ -----

মায়া ঃ পিতা , মূৰ্খ মনুষ্যই কৰিছে মূৰ্খামি । কৃষ্ণক ভজি নিজ মৃত্যুকহে কৰিছে আহ্বান । পিতা , দিয়ক আদেশ , কৃষ্ণকেই বিলোপ কৰি দিওঁ ধৰণীৰপৰা ।

সিংহ ঃ উত্তম কথা কৈছা দাদা। কৃষ্ণ যদি হয় ভগৱান, তেন্তে দেখুৱাম আমি জগতবাসীক, ভগৱানকো দিয়ে মৃত্যুদণ্ড এই অসুৰ সমাজে হাঃ হাঃ হাঃ----

সম্বৰা ঃ হাঃহাঃ উত্তম চিন্তা তোমালোকৰ । ভগবানৰূপী কৃষ্ণক নিধন কৰি অজ্ঞান মনুষ্যৰ জ্ঞানচক্ষু মই কৰিম মুকলি । সিংহকেতু, থাকা তুমি ৰাজ্যৰ প্ৰহৰী হৈ । মায়াসুৰ, ব'লা আক্ৰমণ কৰোঁ দ্বাৰকা নগৰী, দিওঁ কৃষ্ণক উচিত শাস্তি ।

মায়া ঃ জয় অসুৰ ৰাজ সম্বৰাসুৰৰ, জয় অসুৰ ৰাজ সম্বৰাসুৰৰ , জয় অসুৰ ৰাজ সম্বৰাসুৰৰ জয় -----

**সূত্ৰ ঃ সম্বৰাসুৰ আৰু মায়াসুৰৰ প্ৰস্থান ----**

সিংহ ঃ হাঃ হাঃ প্ৰলয়ৰ হুংকাৰে আজি পিতা গৈছে দাদাৰ সঙ্গে কৃষ্ণক বিচাৰি হাঃ হাঃ -- কৃষ্ণ, নাই আৰু বেছি ক্ষণ তোৰ ধৰাৰ বক্ষত -- বক্ষ ফালি তোৰ তপ্ত ৰক্ত দাদা মোৰ মায়াসুৰে কৰিব পান হাঃ হাঃ --

**সূত্ৰ ঃ সিংহকেতুৰ প্ৰস্থান । আনফালে সভাত বলৰাম-------------**

বল ঃ কৃষ্ণ, কৃষ্ণ ---নাজানো কৃষ্ণৰ কি মায়া ? সম্বৰাসুৰে ধুমুহা গতিৰে আগুৱাই আহিছে দ্বাৰকাপুৰীলৈ। অথচ, কৃষ্ণৰ নাই কাণসাৰ । নালাগে কৃষ্ণক, পাইছো এক সুৱৰ্ণ সুযোগ। মহাপাপী সম্বৰাসুৰৰ বাবে হলধৰৰ এই হলেই যথেষ্ট । দিম মই তাক আজি উচিত দণ্ড ।

**সূত্র ঃ এনেতে কৃষ্ণ---**

কৃষ্ণ ঃ দাদা, হাতত অস্ত্র, মুখত ক্রোধৰ দাবানল। দাদা , কাৰ মৃত্যু চাপিল ওচৰ ?

বল ঃ কৌতুকৰ সময় নহয় কানাই, সকলো জানিও কিয় নজনাৰ ধৰিছা ভাও ? যদি তুমি নোযোৱা, অকলেই যাম মই । আগচি ধৰিম অসুৰক সিহঁতৰ ৰাজ্যতে , চাম সিহঁতৰ কিমান পৰাক্ৰম ।

কৃষ্ণ ঃ দাদা, চগাক মাৰিবলৈ জানো জুই যায় আগবাঢ়ি ? ধৈৰ্য্য ধৰক , চগা নিজেই যাবহি জাহ ।

**সূত্ৰ ঃ এনেতে অসুৰগণ -----**

মায়া ঃ হাঃ হাঃ পিতা , আমি হেনো চগা হৈ যাম জাহ হাঃ হাঃ হাঃ ----

সম্বৰা ঃ কৃষ্ণ , তোকেই বিচাৰি আহিলো মই। জগতত প্ৰচাৰ কৰ তই নিজকে ভগৱান বুলি হাঃহাঃ চাম বাৰু আজি তোক কোনে ৰক্ষা কৰে এই সম্বৰাসুৰৰ হাতৰপৰা -----

বল ঃ স্তব্ধ হ মূৰ্খ। মৃত্যুৱে তহঁতক ইয়ালৈ আনিছে টানি । জ্যেষ্ঠ ভাতৃ বলৰাম জীৱিত থাকোতে চাওঁ বাৰু কেনেকৈ কৃষ্ণৰ চাপ কায।

মায়া ঃ বহুৱাৰ বহুৱালি চাওক পিতা , হাতত হল লৈ বাধা দিব খোজে অসুৰ শক্তিক হাঃ হাঃ --- চাম বাৰু কেনেকৈ আজি তহঁত পৰ ৰক্ষা ।

বল ঃ মুখৰ কথাৰ নাই প্ৰয়োজন , মাথো ধৰ অস্ত্ৰ।

**সূত্ৰ ঃ সমদল যুদ্ধ হয় । মায়াসুৰ আৰু কৃষ্ণৰ বাদে সকলোৰে প্ৰস্থান।**

মায়া ঃ তয়েই তেন্তে মাখন চোৰ কলিয়া কৃষ্ণ ? যদি তই প্ৰকৃত ভগৱান, কিয় নকৰ ৰণ এই মায়াসুৰৰ সমে । নে ৰণৰ নাম শুনিয়ে তোৰ হাঃ হাঃ-----

কৃষ্ণ ঃ আস্ফালন নকৰিবা মায়াসুৰ ? যিজনে যি ৰূপে বিচাৰে সেই ৰূপতে পাই আমাক । চোৱা, তুমি বিচাৰিলা আৰু আমি ৰণৰ সাজে তোমাৰ সন্মূখত। মাথো কৰা ৰণ ।

মায়া ঃ উত্তম , অতি উত্তম ; মোৰ হাতৰ পৰা আজি নাপাবি নিস্তাৰ ।

<u>গীত</u>

**এহিমতে যুদ্ধ কৰে দৈৱকী নন্দনে।**
**পদভৰে বসুমতী কম্পে ঘনে ঘনে।।**
**যুদ্ধ দেখি দেৱগণে মনত শঙ্কিলা।**
**সমাজৰ লোকে ডাকি হৰি হৰি বোলা।।**

**সূত্ৰ ঃ যুদ্ধত মায়াসুৰৰ মৃত্যু হয়। কৃষ্ণই যি কয়--------------**

কৃষ্ণ ঃ মায়াসুৰ , শত্ৰু ভাৱে হ'লেও , তুমি আমাৰ প্ৰতিচ্ছবি অন্তৰত আছিলা কঢ়িয়াই । ইওঁ এক তোমাৰ অজানিতেই আমাৰ প্ৰতি ভক্তিয়েই আছিল। সেয়ে যোৱা তুমি পালা মুক্তি ।

**সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান। বেগেৰে সম্বৰাসুৰ--------------------**

সম্বৰা ঃ মায়াসুৰ (মৃতদেহৰ ওচৰ চাপি) বাচা, কিয় তই মাটিত কৰিছ শয়ন ? উঠ বাচা , এয়া নহয় শোৱাৰ সময়, এতিয়াও জীৱিত আছে কৃষ্ণ। উঠ বাচা, তই নামাত কিয় ? ই কি তেজ ! মৃত্যু, নাই নাই , মৃত্যু হ'ব নোৱাৰে তোৰ , দৈত্যৰ বিজয় পতাকা উৰুৱাবি তই জগতত। কৃষ্ণ, কৃষ্ণ, তই মোৰ অন্তৰত যি দাৰুণ আঘাট দিলি তাক নাপাহৰে এই সম্বৰাসুৰে । তই মোৰ পুত্ৰৰ মৃত্যুত আনন্দ কৰিছ, কৰ আনন্দ হাঃ হাঃ--(কান্দে)--পুত্ৰ মায়াসুৰ , কিয় গুচি গলি তই --(খঙত) কৃষ্ণ , কৃষ্ণ ----

**সূত্ৰ ঃ সম্বৰাসুৰৰ প্ৰস্থান। আনফালে অসুৰ নন্দন কুম্ভকেতুৰ প্ৰৱেশ-----**

<u>গীত - ( ৰাগ ঃ নাটমল্লাৰ ; তাল ঃ ৰূপগঞ্জল )</u>

**প্ৰৱেশয় সভাৰ মাজে কুম্ভকেতু বীৰ।**
**অসুৰ নন্দন ইটো অতি ভয়ংকৰ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ নৰ।।**

কুম্ভ ঃ নাই নাই অসম্ভৱ , এইয়া কি শুনিবলৈ পালো মই ? দাদা মায়াসুৰৰ দৰে এজন প্ৰৱল প্ৰতাপী বীৰৰ মৃত্যু হ'ল এক মনুষ্যৰ হাতত , তাকো গোপীনিৰ লগত নৃত্য কৰা মাখনচোৰ কৃষ্ণৰ হাতত । অসম্ভৱ ! এয়া চক্ৰান্ত, দাদাৰ বিৰুদ্ধে কৰিলে চক্ৰান্ত। নিশ্চয় দেৱগণে কৃষ্ণক কৰিলে সহায় । কৃষ্ণ, অসুৰ শক্তিৰ ওপৰত বিজয় পালো বুলি নাভাবিবি তই। অস্ত্ৰ শিক্ষা সমাপ্ত হল এই কুম্ভকেতুৰ । দুবাহুত আছে মোৰ সহস্ৰ হস্তীৰ বল, অন্তৰত মোৰ অনিৰুদ্ধভাৱে বাঢ়িব ধৰিছে তীব্ৰ হলাহল । লম মই ভাতৃ হত্যাৰ প্ৰতিশোধ ; এই দুবাহুৰেই মই কৃষ্ণৰ দ্বাৰকাপুৰীক সমুদ্ৰৰ তলিত দিম ডুবাই । যাওঁ মই এতিয়া পিতাৰ সমীপে -----

**<u>সূত্ৰ ঃ কুম্ভকেতুৰ প্ৰস্থান। আনফালে আনফালে সভাত প্ৰথমে কৃষ্ণ। পাছত বলৰাম-</u>**

বল ঃ কানাই, কানাই দ্বাৰকাবাসীৰ বাবে আজি অতিকে আনন্দৰ দিন, ঘৰে ঘৰে বিলাব লাগে মিস্তান, হ'ব লাগে নৃত্য গীত । মাথো দ্বাৰকাপুৰীত আজি পাতিব লাগে উৎসৱৰ মেলা ।

কৃষ্ণ ঃ ৰ'ব দাদা । আপুনি আনন্দত হৈছে বিভোৰ । ইমান আনন্দ প্ৰকাশো কিন্তু উচিত নহয় দাদা।

বল ঃ নাই নাই কানাই, আজি তুমি মোক নিদিবা বাধা । অতিকে সুখী আজি মই। আৰু সুখী নহ'ম কিয় ? ভতিজাৰ হৈছে জনম আৰু মোৰ প্ৰিয় কানাই আজিৰ পৰা হ'ল পিতৃ। গতিকে আনন্দ - উৎসৱ পাতিবই লাগিব কানাই।

**<u>সূত্ৰ ঃ এনেতে নাৰদ -----</u>**

নাৰদ ঃ প্ৰণাম যদুপতি , প্ৰণাম বলৰামদেৱ ----।

বল ঃ দেৱৰ্ষি, আপুনি কিন্তু সৰ্বদা উচিত সময়তেই হয়হি উপস্থিত । আজিও তাৰ নহল ব্যতিক্ৰম ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, এনেহেন শুভক্ষণত বাৰু আমি অনুপস্থিত !! যদুপতিৰ গৃহে পুত্ৰৰ জনম আৰু নাৰদ অনুপস্থিত --- নাৰায়ণ, নাৰায়ণ। সেই কথা কদাপি হ'ব নোৱাৰে বলৰামদেৱ।

কৃষ্ণ ঃ দেৱৰ্ষি, আহিলা যেতিয়া তোমাক দায়িত্ব এটা দিব পাৰোঁ ।

নাৰদ ঃ আদেশ কৰক প্ৰভূ। সাজু আছে এই নাৰদ।

কৃষ্ণ ঃ আমাৰ পুত্ৰৰ নামাকৰণৰ দায়িত্ব এতিয়া তোমাৰ ওপৰত । দিয়া পুত্ৰৰ বাবে এটা উত্তম নাম।

নাৰদ ঃ নাৰায়ণৰ অংশই অৱতাৰ লৈছেহি ভগৱন্তৰ গৃহত। আছে পূৰ্ব নিৰ্দ্ধাৰিত নাম। তথাপিও অজ্ঞৰ ভাও ধৰি আপোনাৰ পুত্ৰৰ নামাকৰণৰ ভাৰ দিছে আমাৰ ওপৰত ; নাৰায়ণ, নাৰায়ণ। প্ৰভূ , আপোনাৰ পুত্ৰৰ নাম প্ৰদ্যুম্নকে ৰাখো -----

বল ঃ প্ৰদ্যুম্ন, প্ৰদ্যুম্ন !! বাঃ কি সুন্দৰ নাম। দেৱৰ্ষি, আপোনাক অশেষ ধন্যবাদ। মোৰ ভতিজাৰ বাবে সঁচাই আপুনি দিলে এটা অনুপম নাম।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, সকলো ভগৱন্তৰেই ইচ্ছা। পাছে এতিয়া প্ৰদ্যুম্নক দৰ্শন কৰি বিদায়হে মাগিম প্ৰভু । কৰ্ত্তব্যযে আমাৰ বাঢ়িল এতিয়া।

কৃষ্ণ ঃ নিশ্চয় তোমাৰ কৰ্ত্তব্য বাঢ়িল দেৱৰ্ষি । সাৱধানে তুমি কৰ্ত্তব্য কৰিবা পালন ।

বল ঃ কানাই , প্ৰদ্যুম্নক চাবৰ বাবে মোৰ মনটো হৈছে ব্যাকুল।

কৃষ্ণ ঃ আপোনাৰ মনৰ অৱস্থা বুজিছো দাদা । ব'লক যাওঁ সকলো আমি প্ৰদ্যুম্নৰ কাষে ---

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সম্বৰাসুৰ আৰু প্ৰলয়াসুৰ -------</u>**

সম্বৰা ঃ জ্বলি গ'ল , শেষ হৈ গ'ল আজি সম্বৰাসুৰৰ ত্ৰিলোকবিজেতাৰ সপোন । মায়াসুৰ পুত্ৰ মোৰ তয়ো হলি স্বাৰ্থপৰ , পুত্ৰশোকৰ জ্বলন্ত অগ্নিত পিতাক দলিয়াই চিৰ শান্তিৰে তই কৰিলি শয়ন । আঃ পুত্ৰ , নোৱাৰিলো মই তোক ৰক্ষা কৰিব । মোক তই ক্ষমা কৰ --- ( কান্দে )

**<u>সূত্ৰ ঃ এনেতে কুম্ভকেতু ---</u>**

কুম্ভ ঃ পিতা , পুত্ৰৰ সেৱা কৰক গ্ৰহণ ।

সম্বৰা ঃ কোন ? অ পুত্ৰ মোৰ কুম্ভকেতু , উঠ বাচা, দীৰ্ঘজীৱি হ।

কুম্ভ ঃ পিতা, অস্ত্র শিক্ষা মোৰ হ'ল সম্পূর্ণ আৰু পালো মই দাদাৰ মৃত্যুৰ বতৰা। পাছে পিতা, তাৰবাবে আপুনি কোনো নকৰিব চিন্তা। জীৱিত আছে তৱ পুত্র এই কুম্ভকেতু। মাথো লাগে আপোনাৰ আজ্ঞা, যাত্রা কৰোঁ মই দ্বাৰকাপুৰীলৈ।

সম্বৰা ঃ শুনি সুখী হ'লো বাচা মই তোৰ বচন। কিন্তু নালাগে বধিব এতিয়া কৃষ্ণক। কৰিছো প্রতিজ্ঞা, যি বাণ মাৰিলে কৃষ্ণই এই সম্বৰাৰ বক্ষত তেনে বাণেই মাৰিম মই কৃষ্ণৰ বক্ষত --

কুম্ভ ঃ ক্ষমা কৰিব পিতা ; নুবুজিলো মই আপোনাৰ কথন ---

সম্বৰা ঃ বীৰ পুত্র মোৰ মায়াসুৰক নিধন কৰি যি সন্তাপ দিলে মোৰ হৃদয়ত তেনে সন্তাপেই দিম মই কৃষ্ণক নিধন কৰি তাৰ পুত্রক --

কুম্ভ ঃ হাঃ হাঃ উত্তম প্রতিজ্ঞা পিতা আপোনাৰ। বুজি পাব কৃষ্ণই অসুৰৰ প্রতিশোধ কিমান ভয়ানক। কিন্তু পিতা, কৃষ্ণৰটো নাই কোনো পুত্র সন্তান ?

*(আঃবাণী ঃ সাৱধান সম্বৰাসুৰ, দ্বাৰকাত জন্ম লৈছে কৃষ্ণ পুত্র প্রদ্যুম্ন নামে প্রাণবৈৰী তোৰ, নাই আৰু বেছি ক্ষণ, অচিৰেই তোৰ মিলিব মৰণ ----)*

সম্বৰা ঃ অচিৰেই মোৰ মিলিব মৰণ হাঃ হাঃ -- কৃষ্ণৰ পুত্র প্রদ্যুম্ন, সুন্দৰ ৰাখিছ কৃষ্ণ তোৰ পুত্রৰ নাম। পুত্রৰ জন্মত তই আনন্দ কৰিছ ? হলাহল ঢালি এই পিতৃৰ হৃদয়ত আজি তই পিতৃত্বৰ গৌৰৱ লভিছ --- আঃ ময়ো কৰিছো পণ; কৃষ্ণ পুত্রক কৰিম নিধন। যি সন্তাপত দহিছো মই, তোকো দিম এনে সন্তাপ ---

প্রলয়া ঃ অসুৰেশ্বৰ, শত্রু যিয়েই নহওঁক কিয়, নকৰে সমীহ এই প্রলয়াসুৰে। মোৰ এটা গৰ্জনতে ব্রহ্মাণ্ডত ঘটে প্রলয়। দিয়ক আজ্ঞা কৃষ্ণপুত্রক মই কৰিম নিধন।

সম্বৰা ঃ প্রলয়া, জীৱন্তে আনি দিয়া মোক কৃষ্ণ পুত্রক । যোৱা, কৰ্ত্তব্যত হোৱা অগ্রসৰ।

**<u>সূত্র ঃ প্রথমে প্রলয়াসুৰ পাছত সকলোৰে প্রস্থান । আনফালে কোলাত কেচুঁৱা লৈ ৰুক্মিণী-----------</u>**

<u>গীত -(ৰাগ- শ্রী, তাল - শ্রোতকলা)</u>

**কোলে লৈয়া প্রদ্যুম্নক ৰুক্মিণী আই।**
**বাৎসল্য প্রেমে তাংক মোহিলা সদায়।।**

ৰুক্মিণী ঃ সঁচাই সুন্দৰ নাম ৰাখিলে মোৰ পুত্রৰ বাবে, প্রদ্যুম্ন । মানৱী জনমো মোৰ হ'ল পূৰ্ণাঙ্গ। মাতৃত্ব লভিবৰ বাবেই কৰিছিলো অপেক্ষা আৰু প্রভুৰ কৃপাত পালো মই এই দেৱ শিশু ----।

**<u>সূত্র ঃ এনেতে প্রলয়াসুৰ---</u>**

প্রলয়া ঃ হাঃ হাঃ এইয়াই নেকি কৃষ্ণ পুত্র, এইয়াই নেকি কৃষ্ণৰ পত্নী ৰুক্মিণীদেৱী ।

ৰুক্মিণী ঃ কোন তুমি ? কিয় কৰিছা এনে হীন ব্যৱহাৰ।

প্রলয়া ঃ দেৱী মই অসুৰ সম্রাট সম্বৰাসুৰৰ প্রধান সেনাপতি প্রলয়াসুৰ ।

ৰুক্মিণী ঃ অসুৰ ? কেনেকৈ প্রৱেশিলা তুমি দ্বাৰকাৰ নিশ্চিদ্র পহৰা ভেদি ? কি তোমাৰ উদ্দেশ্য ?

প্রলয়া ঃ হাঃ হাঃ হাঃ, দেৱী প্রলয়াসুৰৰ বাবে অসম্ভৱ একোৱেই নাই । মোৰ আগমনৰ উদ্দেশ্য কেৱল প্রদ্যুম্নহে । সেয়েহে দিয়া মোক তোমাৰ এই পুত্রক । অৰ্পণ কৰিমগৈ মই অসুৰেশ্বৰক।

ৰুক্মিণী ঃ কিয়, কিয় লাগে সম্বৰাসুৰক মোৰ পুত্র ?

প্রলয়া ঃ তোমাৰ পতি কৃষ্ণই মোৰ সম্রাট অসুৰেশ্বৰৰ বীৰ পুত্রক কৰিছিলে হত্যা। প্রতিদানস্বৰূপে কৃষ্ণপুত্র এই প্রদ্যুম্নকো অসুৰেশ্বৰে কৰিব হত্যা। দিয়া দিয়া দেৱী -- হাঃ হাঃ হাঃ -- ( আগবাঢ়ে )

ৰুক্মিণী ঃ ৰক্ষা কৰক, ৰক্ষা কৰক,-- নাথ, ক'ত আছে আপুনি, মোৰ বাচাক ৰক্ষা কৰক।

**<u>সূত্র ঃ বেগেৰে কৃষ্ণ - বলৰাম আহে----</u>**

কৃষ্ণ ঃ সাৱধান অসুৰ আৰু এখোজো আগনাবাঢ়িবি । নহ'লে নিস্তাৰ নাপাবি মোৰ হাতত।

প্রলয়া ঃ তইয়ে নেকি কৃষ্ণ, ভালেই হ'ল । পিতাক বধ কৰি পুত্রক কৰিম হৰণ হাঃ হাঃ ---

বল ঃ সাৱধান অসুৰ ; কৃষ্ণ, ৰুক্মিণীক তুমি লৈ যোৱা ইয়াৰপৰা। এই অসুৰৰ বাবে বলৰামেই যথেষ্ট।

কৃষ্ণ ঃ ভাল দাদা , ব'লা ৰুক্মিণী, আমি এই স্থান কৰোঁ ত্যাগ । **(প্ৰস্থান)**

প্ৰলয়া ঃ আঃ বলৰাম, হাতে লৈ সামান্য এক হল ভাবিছ নেকি কৃষ্ণ পুত্ৰক কৰিবি নিৰাপদ । প্ৰলয়ৰ সৃষ্টি কৰিব এই প্ৰলয়াসুৰে আজি প্ৰদ্যুম্নক বিচাৰি ।

বল ঃ প্ৰলয়াসুৰ , কিয় লাগে তোক প্ৰদ্যুম্নক ?

প্ৰলয়া ঃ অসুৰেশ্বৰ সম্বৰাসুৰৰ আদেশত। অসুৰেশ্বৰে দিছে মোক আদেশ , কৃষ্ণ পুত্ৰক হৰণ কৰাৰ। সেই হেতু আহিলো মই তহঁতক বধ কৰি প্ৰদ্যুম্নক অৰ্পণ কৰিম অসুৰেশ্বৰক। অসুৰেশ্বৰে নিজ হাতে দিব তাকো প্ৰাণদণ্ড ।

বল ঃ নীচ অসুৰ, হত্যা কৰিব বিচাৰ তহঁতে শিশুক । নাপাবি নিস্তাৰ আজি তই মোৰ হাতৰ পৰা।

প্ৰলয়া ঃ বেচ তেন্তে সেয়ে হওঁক ।

**সূত্ৰ ঃ যুদ্ধ হয় ---- ( বাজনা - ভংগী ) --- যুদ্ধত প্ৰলয়াসুৰৰ মৃত্যু হয় ।**

বল ঃ উদ্দেশ্য যেতিয়া নীচ হয়, তেতিয়া তাৰ ফল এনেকুৱাই হয়। নিশ্চয় সম্বৰাসুৰে পুনৰ চেষ্টা কৰিব প্ৰদ্যুম্নক হৰণৰ বাবে, যাওঁ মই সুৰক্ষাৰ কৰোঁগৈ ব্যৱস্থা ।

**সূত্ৰ ঃ বলৰামৰ প্ৰস্থান। আনফালে সম্বৰাসুৰ -----**

সম্বৰা ঃ আঃ প্ৰলয়াক বধিলেও নহয় বিচলিত এই সম্বৰাসুৰ । পণ মোৰ অলৰ অচৰ । অভেদ্য মণ্ডল সৃষ্টি কৰিলেও বলৰামে নোৱাৰে ৰোধিব এই সম্বৰাসুৰক হাঃ হাঃ --

**সূত্ৰ ঃ সম্বৰাসুৰৰ প্ৰস্থান। আনফালে সভাত বলৰাম -----**

বল ঃ কেওটা দিশতে সুৰক্ষাৰ কৰিছো ব্যৱস্থা। অক্ৰুৰক ৰাখিলো পূব দিশত, সাত্যকীক ৰাখিলো পশ্চিম দিশত আৰু মূল প্ৰৱেশ দ্বাৰত আছো মই । উজাগৰে থাকিম ওৰে ৰাত্ৰি আজি মই --

**সূত্ৰ ঃ এনেতে সম্বৰাসুৰে প্ৰহৰীৰ বেশেৰে আহি দূৰত ৰয় -----**

বল ঃ কৃষ্ণ পুত্ৰক, মোৰ ভতিজাক কৰে হৰণ ; আঃ ইমান সাহস সম্বৰাসুৰৰ । অ প্ৰাতঃবেলা সমীপত নিশ্চয় এই সময়ত সম্বৰাসুৰো নিদ্ৰাৰ কোলাত । ময়ো ক্ষন্তেক কৰোঁগৈ বিশ্ৰাম । ( প্ৰহৰীক দেখি) প্ৰহৰী , মই ক্ষন্তেক বিশ্ৰাম কৰোঁ । কিবা বিপদ হলে তুৰন্তে বাৰ্ত্তা পঠাবা মোলৈ ।

সম্বৰা ঃ আজ্ঞা শিৰোধাৰ্য্য দেৱ **(বলৰাম যোৱালৈ অপেক্ষা কৰে)** হাঃ হাঃ - উদক ভেটা ৰখীয়া পাতিলি বলৰাম ; যা যা মূৰ্খ তই কৰগৈ শয়ন আৰু মই মোৰ কাৰ্য্য কৰোঁগৈ সমাপন ---

**সূত্ৰ ঃ সম্বৰাসুৰৰ প্ৰস্থান। আনফালে সভাত শ্ৰীকৃষ্ণ --**

কৃষ্ণ ঃ বিধিৰ লিখন কোনেও নোৱাৰে খণ্ডাৱ ; নোৱাৰে দাদা বলৰামেও ; নতু এই শংকাৰ মাজতে আহিব পাৰে জানো নিদ্ৰা ৰোহিনী নন্দনৰ ? আঁহা সম্বৰাসুৰ, কৰাহি হৰণ আমাৰ পুত্ৰ প্ৰদ্যুম্নক । পাছে নহয় এয়া তোমাৰ বাবে কেৱল প্ৰদ্যুম্ন হৰণ ; মহাকালক তুমি দিবাহি নিমন্ত্ৰণ । আমিও যাঁও কৰ্তব্য কৰোঁগৈ পালন --

**সূত্ৰ ঃকৃষ্ণৰ প্ৰস্থান। আনফালে হাতত কেচুঁৱা লৈ সম্বৰাসুৰ আহে ; পাছে পাছে ৰুক্মিণী -**

সম্বৰা ঃ হাঃ হাঃ -- প্ৰদ্যুম্ন, কৃষ্ণপুত্ৰ প্ৰদ্যুম্ন । কিমান সুৰক্ষা দিবি বলৰাম , চা হৰণ কৰি আনিলো মই প্ৰদ্যুম্নক , হাঃ হাঃ হাঃ -- প্ৰতিশোধ , প্ৰতিশোধ -----

ৰুক্মিণী ঃ বাচা -- বাচা --- নাই নাই মোৰ পুত্ৰক নিনিবি । ৰক্ষা কৰক, মোৰ বাচাক অসুৰৰ হাতৰ পৰা ৰক্ষা কৰক । যদুপতি, যদুপতি --------

**সূত্ৰ ঃ এনেতে কৃষ্ণ আৰু বলৰাম আহে -----**

কৃষ্ণ ঃ ৰুক্মিণী , ৰুক্মিণী কিয় কৰিছা ক্ৰন্দন ?

ৰুক্মিণী ঃ নাথ, প্ৰদ্যুম্নক ৰক্ষা কৰক। সৌৱা অসুৰে লৈ গৈছে মোৰ বাচাক। যাওক প্ৰভূ উদ্ধাৰ কৰক মোৰ বাচাক । নতু হত্যা কৰিব অসুৰে মোৰ বাচাক । ৰক্ষা কৰক , ৰক্ষা.. (মূৰ্চ্ছা যায় )

কৃষ্ণ ঃ রুক্মিণী , রুক্মিণী -----

বল ঃ আঃ ইমান দুঃসাহস ; মোৰ সুৰক্ষা ভেদি অসুৰে প্ৰদ্যুম্নক কৰিলে হৰণ ? সম্বৰাসুৰ, তোৰ মৃত্যু চাপিল ওচৰ। নিচিনিলি তই মোক । যদি তই পাতালপুৰীতো লৈছ আশ্ৰয় তেন্তে মোৰ এই অস্ত্ৰই বসুমতীৰ বক্ষ বিদাৰি তোক উলিয়াম বিচাৰি ।

কৃষ্ণ ঃ দাদা , খং সম্বৰণ কৰক। নহ'লে সৃষ্টিত এতিয়া হ'ব প্ৰলয় । আপোনাৰ ৰুদ্ৰমূৰ্ত্তি দেখি ত্ৰাহি ত্ৰাহি কৰিছে জীৱই । নহয় প্ৰদ্যুম্নৰ একো বিপদ। যাওক আপুনি মাথো সম্বৰাসুৰক বিচাৰি --

বল ঃ তোমাৰ কথা মানিয়েই অস্ত্ৰ কৰিছো সম্বৰণ। কিন্তু চাবা কৃষ্ণ, যদি মোৰ ভতিজা প্ৰদ্যুম্নৰ তিলমানো হয় ক্ষতি , তেন্তে প্ৰলয় সৃষ্টি কৰিব এই বলৰামে । আঃ সম্বৰাসুৰ --- **(প্ৰস্থান )**

কৃষ্ণ ঃ বাঃ বাঃ দাদা, কিযে অকৃত্ৰিম প্ৰেম তোমাৰ প্ৰদ্যুম্নৰ প্ৰতি। তুমি নিশ্চিন্ত থাকা দাদা। মৃত্যুক জিনিব নোৱাৰে সম্বৰাসুৰে --- ( ৰুক্মিণীৰ মুৰত হাত দি ) উঠা ৰুক্মিণী --

ৰুক্মিণী ঃ নাথ, বধ হ'লনে অসুৰ ? ৰক্ষা পৰিলনে মোৰ বাচা ? ক'ত আছে মোৰ বাচা ? প্ৰদ্যুম্নৰ অবিহনে মই জীয়াই নাথাকিম নাথ ?

কৃষ্ণ ঃ চিন্তা নকৰিবা ৰুক্মিণী, প্ৰদ্যুম্নৰ একোৱে নঘটে বিঘিনি । যদুসেনা গৈছে প্ৰদ্যুম্নৰ ৰক্ষাৰ হেতু । এতিয়া ব'লা দেৱী, তোমাক জীৱণিৰ হৈছে প্ৰয়োজন । আঁহা দেৱী , নকৰিবা চিন্তা ---

**সূত্ৰ ঃ কৃষ্ণই ৰুক্মিণীক লৈ যায়। আনফালে সম্বৰাসুৰ-------**

সম্বৰা ঃ হাঃ হাঃ বহুদুৰ আঁতৰি আহিলো মই দ্বাৰকাৰ পৰা। নাই আৰু এতিয়া ভয়। কৃষ্ণ, আজি মই তোৰ পুত্ৰক হত্যা কৰি মোৰ প্ৰতিজ্ঞা কৰিম পূৰণ। মায়াসুৰ, পুত্ৰ মায়াসুৰ, চাই ল নিলগৰ পৰা -- তোৰ পিতাৰাই কৃষ্ণ পুত্ৰকো দিব আজি মৃত্যুদণ্ড হাঃ হাঃ হাঃ -- ( অস্ত্ৰ দাঙে )

**সূত্ৰ ঃ এনেতে নাৰদ ------**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, অসুৰেশ্বৰ, এইয়া কি কৰে আপুনি ? আপোনাৰ দৰে এজন মহা প্ৰতাপী বীৰে এটা কেচুঁৱাক বধিবৰ বাবে জানো প্ৰহাৰ কৰিব লাগে অস্ত্ৰ ?

সম্বৰা ঃ দেৱৰ্ষি, এইটো ক্ষণৰ বাবে মই কৰিছো অপেক্ষা । মোৰ কাৰ্য্যত আপুনি নিদিব বাধা।

নাৰদ ঃ আপোনাৰ কাৰ্য্যত বাধা দিয়াৰ দুঃসাহস -- নাৰায়ণ, নাৰায়ণ । আপুনি পৰাক্ৰমী অতি বলবান, ব্যৰ্থ হল আপোনাৰ সন্মূখত বলৰাম । পাছে এনেহেন কোমল শিশুৰ ওপৰত আপোনাৰ মহান অস্ত্ৰ প্ৰহাৰ কৰি কিয় আৰ্জে আপুনি দুৰ্নাম ? সৌ সমুদ্ৰলৈকে এই শিশুক নিক্ষেপ কৰি কাঢ়ি লওক ইয়াৰ প্ৰাণ । জল জীৱই ইয়াক খাদ্যৰূপে গ্ৰহণ কৰি কৃতজ্ঞতা জনাব আপোনাক -

সম্বৰা ঃ হাঃ হাঃ দেৱৰ্ষি, আপুনি সুচিন্তক আমাৰ । কলুষিত নকৰোঁ মোৰ অস্ত্ৰ (কেচুঁৱালৈ চাই) যা প্ৰদ্যুম্ন, সমুদ্ৰৰ জীৱৰ তই হ আহাৰ -- (দলিয়াই দিয়ে) হাঃ হাঃ প্ৰতিশোধ, প্ৰতিশোধ -- **( প্ৰস্থান )**

নাৰদ ঃ যোৱা অসুৰেশ্বৰ , প্ৰতিশোধ পূৰণ কৰিলা ভালদৰে । কালৰ ওপৰত জানো বিজয় পাই কোনোবাই। ৰাখে হৰি মাৰে কোনে হাঃ হাঃ, নাৰায়ণ নাৰায়ণ। **(প্ৰস্থান)**

**সূত্ৰ ঃ নাৰদৰ প্ৰস্থান। এনেতে মৎস্যসহিতে এজন মাছুৱৈৰ প্ৰৱেশ -- ( বাজনা- ভঙ্গী )**

**সূত্ৰ ঃ মৎস্যলৈ মাছুৱৈৰ প্ৰস্থান । আনফালে বন্দীশালত চিত্ৰবাহু----**

চিত্ৰ ঃ উঃ চাৰিওফালে অন্ধকাৰ। কিযে দুৰ্গন্ধময় পৰিৱেশ। প্ৰভূ, এই অধমৰ ওপৰত কি চালনা কৰিছা। কি পাপৰ ফলত আজি মোৰ হৈছে এই অৱস্থা ।

**সূত্ৰ ঃ এনেতে ৰতিদেৱী-----**

ৰতি ঃ বেজাৰ নকৰিব মহাৰাজ , আহিছো মই আপোনাক মুক্তি দিবলৈ। (উলিয়াই আনে) আহক মহাৰাজ, মুক্ত হ'ল আপুনি আজিৰ পৰা।

চিত্ৰ ঃ হে দেৱী, কোন আপুনি ? বাৰে বাৰে আপুনি মোক কৰিছে সহায় । আপোনাৰ কথা মতেই সম্বৰাসুৰে মোক মৃত্যুদণ্ডৰ পৰিৱৰ্তে দিলে বন্দীত্বৰ জীৱন । দিবনে দেৱী আপোনাৰ পৰিচয় ?

ৰতি ঃ হে ৰাজন , কি ক’ম মোৰ পৰিচয় ? মাথো জানি থওঁক দাসীত্বৰ জীৱন কটাইছো মই পাপী সম্বৰাসুৰৰ কাৰেঙত। ৰাজন, সম্বৰাসুৰ নাই আজি কাৰেঙত, সেই সুযোগতে আপোনাক কৰিছো মুক্ত। যাওঁক ৰাজন, অতিশীঘ্ৰে যাওঁক ইয়াৰ পৰা, সিংহকেতু আছে আজি পোতাশালৰ দায়িত্বত ।

চিত্ৰ ঃ কেৱল মই কিয় ? আপুনিও যাব পাৰে মোৰ লগত। মুক্ত হ’ব পাৰে আপুনিও এই সুযোগতে।

ৰতি ঃ যুক্তি নিদিব ৰাজন ; যাওঁক তুৰন্তে , নতু যিকোনো ক্ষণতে আহিব পাৰে কোনো ।

চিত্ৰ ঃ তেন্তে আঁহো দেৱী। হে প্ৰভূ , এই দেৱীৰ দুখ তুমি সোনকালে দুৰ কৰা । আঁহো দেৱী --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সম্বৰাসুৰে যি কয়-------------**

সম্বৰা ঃ হাঃ হাঃ কৃষ্ণ, মোৰ লগত তই কৰ শত্ৰুতা , পালি তাৰ উচিত প্ৰতিফল ; পুত্ৰশোক কেনে এতিয়া তইও বুজিবি ; হাঁ পুত্ৰ, হাঁ পুত্ৰ বুলি কান্দোনৰ ৰোল উঠিছে আজি দ্বাৰকা নগৰে --- অশ্ৰুৰ ঢল বুৱালো মই কৃষ্ণৰ নগৰে হাঃ হাঃ হাঃ ----

**সূত্ৰ ঃ এনেতে ৰতিদেৱী ---**

ৰতি ঃ অসুৰেশ্বৰৰ জয় হওঁক । অসুৰেশ্বৰক আজি বৰ সুখী যেন লাগিছে।

সম্বৰা ঃ সুন্দৰী, আজি মই অতিকে সন্তুষ্ট । প্ৰতিজ্ঞা মোৰ হ’ল পূৰণ হাঃ হাঃ -- অটল সমুদ্ৰত নিক্ষেপ কৰি বধ কৰিলো মই কৃষ্ণ পুত্ৰক ।

ৰতি ঃ কৃষ্ণ পুত্ৰক ----- ?

সম্বৰা ঃ অ ৰতি কৃষ্ণপুত্ৰ প্ৰদ্যুম্নক ; জনমৰ দহ দিনেই পূৰ হোৱা নাছিল তাৰ হাঃ হাঃ হাঃ ---

ৰতি ঃ (স্বগতঃ) হে প্ৰভূ, এই মহাপাপীৰ ওপৰত তোমাৰ চক্ৰ এতিয়াও কিয় কৰা নাই নিক্ষেপ ?

**সূত্ৰ ঃ কুম্ভকেতুৱে মৎস্যসহিতে মাছুৱৈক লৈ আহে ----**

কুম্ভ ঃ পিতা, পিতা চাওঁক আপোনাৰ বাবে লৈ আহিছো কি অনুপম উপহাৰ ।

সম্বৰা ঃ আঁচৰিত , এই বৃহৎ মৎস্য তুমি ক’ত পালা ?

মাছুৱৈ ঃ অসুৰেশ্বৰ , জাল বাওঁতে সমুদ্ৰত পালো এই মৎস্য । ভাবিলো অসুৰেশ্বৰকে কৰোঁ অৰ্পণ ।

সম্বৰা ঃ উত্তম, উত্তম কুম্ভকেতু, যোৱা ইয়াক ৰন্ধন শালত দিয়াগৈ। মহাভোজৰ আজি কৰা আয়োজন--

কুম্ভ ঃ পিতা, ৰন্ধনৰ তদাৰক আজি ময়ে কৰিম। সু-স্বাদু ব্যঞ্জনেৰে ৰাত্ৰি আহাৰ আজি কৰিম গ্ৰহণ । অ পিতা , মহাভোজৰ আজি কৰিম আয়োজন হাঃ হাঃ হাঃ----

**সূত্ৰ ঃ মাছুৱৈ আৰু কুম্ভকেতুৰ প্ৰস্থান ----**

ৰতি ঃ সঁচাই বিচিত্ৰ মৎস্য আছিল এইটো অসুৰেশ্বৰ। ব’লক আমিও এতিয়া ৰন্ধন শাললৈ যাওঁ।

সম্বৰা ঃ এনে বিচিত্ৰ মৎস্য কেৱল অসুৰৰ বাবেহে স্ৰজন হৈছে সুন্দৰী। দ্বাৰকাত বৈছে অশ্ৰুৰ নিজৰা আৰু অসুৰপুৰীত চলিছে মহাভোজৰ ব্যৱস্থা হাঃ হাঃ ----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত দৈত্যগুৰুৰ প্ৰৱেশ --**

**গীত**

**প্ৰৱেশিলা দৈত্যগুৰু সভাৰ ভিতৰে ।**
**চিন্তান্বিত মনে আহে গহীন গম্ভীৰে ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

গুৰু ঃ ঔম -- ঔম -- ঔম -- ; আঃ অশুভ, অশুভ ক্ষণ নামিছে অসুৰৰ ভাগ্যত । কুদৃষ্টি পৰিছে মোৰ শিষ্য সম্বৰাৰ ওপৰত । নাই নাই ৰক্ষা কৰোঁগৈ মোৰ শিষ্যক ---

**সূত্ৰ ঃ দৈত্যগুৰুৰ প্ৰস্থান । আনফালে ৰন্ধন শালত কুম্ভকেতু আৰু মাছুৱৈয়ে মৎস্য কাটে ; মৎস্যৰ পেটত এটি কেচুঁৱা ওলাই---------------**

মাছুৰৈ ঃ আচৰিত ; কুমাৰ, মৎস্যৰ --মনুষ্যৰ --মৎস্যৰ পেটত মনুষ্যৰ কেঁচুৰা ---( ভয়ত অচেতন হয় )
কুম্ভ ঃ কি , আচৰিত, এয়া সপোন নে দিঠক ; মৎস্যৰ পেটত মনুষ্যৰ কেঁচুৰা ; --- পিতা, পিতা --
**সূত্ৰ ঃ এনেতে সম্বৰাসুৰ আৰু ৰতি---------------------**
সম্বৰা ঃ পুত্ৰ , কিয় মাতিলা মোক এনেদৰে উচ্চ স্বৰে ?
কুম্ভ ঃ অপৰাধ ক্ষমিব পিতা ; পিতা, মৎস্যৰ পেটত ওলালে এই মনুষ্যৰ শিশু, তাকো জীৱন্ত ৰূপে।
সম্বৰা ঃ মৎস্যৰ পেটত জীৱন্ত শিশু , আচৰিত -- ই কেনে বিচিত্ৰ -- ই জানো সম্ভৱ হব পাৰে ?
কুম্ভ ঃ আচৰিত ময়ো পিতা ; পাছে এয়াই বাস্তৱ । এতিয়া পিতা কি কৰে এই শিশুক ?
ৰতি ঃ চাওঁ , শিশুটো মোক দিয়াচোন। (কোলাত লৈ) ইমান সুন্দৰ এই শিশু। অসুৰেশ্বৰ , এই শিশুটোক মইয়ে ডাঙৰ কৰিম । দয়া কৰি মোক শিশুটো দিবনে , অসুৰেশ্বৰ।
সম্বৰা ঃ সুন্দৰী , তুমি বিচাৰিছা যেতিয়া মইনো কেনেকৈ নিৰাশ কৰিম তোমাক । শিশুটোৰ দায়িত্ব তোমাকেই দিলো । কিন্তু মৎস্যৰ পেটত জীৱন্ত ------
ৰতি ঃ ধন্যবাদ অসুৰেশ্বৰ । অসুৰেশ্বৰ, শিশুটোৰ বাবে এটা নাম লাগিব । সেয়েহে দয়া কৰি আপুনি নাম এটাও দিয়ক , আপুনি নামকৰণ কৰিলে এই শিশুৰ জীৱন হ'ব ধন্য।
সম্বৰা ঃ নাম , ( অলপ ৰৈ ) শিশুটোৰ নাম ৰাখিলো মই ----- প্ৰদ্যুম্ন হাঃ হাঃ ---
কুম্ভ ঃ পিতা , প্ৰদ্যুম্নটো কৃষ্ণপুত্ৰৰহে নাম ?
সম্বৰা ঃ আছিল প্ৰদ্যুম্ন কৃষ্ণ পুত্ৰৰ নাম ; কিন্তু পালে লয় সি সমুদ্ৰৰ বুকুত -- এই শিশুৰ নাম ৰাখি প্ৰদ্যুম্ন দিলো দুখ মই কেৱল কৃষ্ণৰ হৃদয়ত হাঃ হাঃ -- আৰু শুনা ৰতি, যদি কোনোবাই ইয়াৰ কৰে অনিষ্ট , তেন্তে নাপাব নিস্তাৰ সি মোৰ হাতৰ পৰা। এতিয়া ব'লা কৰোঁগৈ বিশ্ৰাম --
**সূত্ৰ ঃ শিশুক লৈ দুয়োৰে প্ৰস্থান। কুম্ভকেতুৱে যি কয়-------------**
কুম্ভ ঃ মাছুৰৈ , মাছুৰৈ --( মাছুৰৈয়ে চেতন পাই ) --লৈ যোৱা এই অদ্ভুত মৎস্যক এই স্থানৰপৰা --
মাছুৰৈ ঃ যিবা আজ্ঞা কুমাৰ -- **( মাছ লৈ মাছুৰৈৰ প্ৰস্থান )**
কুম্ভ ঃ কি আচৰিত ! মৎস্যৰ পেটত জানো শিশু থাকিব পাৰে ? তাকো জীৱন্তৰূপত ? আচৰিত --
**সূত্ৰ ঃ এনেতে দৈত্যগুৰু আহে ----**
গুৰু ঃ কুম্ভকেতু, কুম্ভকেতু --
কুম্ভ ঃ প্ৰণাম গুৰুদেৱ ; হঠাৎ যে আগমণ হল আপোনাৰ -- ?
গুৰু ঃ কুম্ভকেতু, অশুভ লক্ষণে মোৰ ভাঙিলে তপ। মহাকালে নাচিছে আজি তোমাৰ পিতৃৰ শিৰত । বিনাশকাল চাপিছে আজি দৈত্য সমাজৰ --
কুম্ভ ঃ এয়া কি কৈছে গুৰুদেৱ ? ৰক্ষা কৰক আমাক ; ৰক্ষা কৰক আমাৰ পিতৃক ।
গুৰু ঃ কুম্ভ, অহংকাৰৰ উচ্চ শিখৰত আজি তোমাৰ পিতা ; নুশুনে মোৰ বচন । পূৰ্বতেও কৰিছিলো সতৰ্ক নহয় ৰতি সেয়া, মায়াৰ প্ৰহেলিকা ; কিন্তু দাম্ভিক সম্বৰাই ওলোটাই আমাকে কৰিলে তিৰস্কাৰ। পুনৰ আজি কৰিছে অন্য এক ভুল তোমাৰ পিতাৰাই । কালসৰ্পক স্থান দিছে নিজ গৃহতে ।
কুম্ভ ঃ গুৰুদেৱ, পিতাৰ অপৰাধৰ বাবে পুত্ৰই মাগিছো ক্ষমা । দিয়ক গুৰুদেৱ, দিয়ক উপায় ---
গুৰু ঃ কুম্ভ, বৃক্ষৰ ৰূপ নলওঁতেই পুলিতে উঘালিব লাগিব , তেহে ৰক্ষা পৰিব তোমাৰ পিতা ।
কুম্ভ ঃ বুজিলো গুৰুদেৱ , বুজিলো মই আপোনাৰ ঈঙ্গিত । পিতাৰ অজ্ঞাতেই ভাতৃ সিংহকেতুক লগে লৈ নিধন কৰিম মই সেই শিশুক। মাথো মোক দিয়ক আশীৰ্বাদ ।
গুৰু ঃ মোৰ আশীৰ্বাদ সদায় আছে তোমালোকৰ শিৰত । যোৱা কুমাৰ নকৰিবা পলম ।
কুম্ভ ঃ চিন্তা নকৰিব গুৰুদেৱ , নিধন কৰি সেই কুলক্ষণীয়াক ৰক্ষা কৰিম মই মোৰ পিতাক ---
**সূত্ৰ ঃ প্ৰথমে কুম্ভকেতু আৰু পাছত গুৰুদেৱৰ প্ৰস্থান । আনফালে সভাত চন্দ্ৰবাহু -----**
চন্দ্ৰ ঃ এদিন দুদিনকৈ কতদিন পাৰ হ'ল। ক'তা পিতাচোন আজিও নাহিল, দেৱৰ্ষিৰ দিহা মতে অপেক্ষা কৰি আছো মই এই গন্ধমাদন পৰ্বতৰ দাঁতিত। হে প্ৰভূ, পিতাক ৰক্ষা কৰিবা ।

| | |
|---|---|
| **সূত্ৰ ঃ** | **এনেতে কোলাত কেচুঁৱা লৈ মায়াৰতি দৌৰি সোমাই আহে----** |
| ৰতি ঃ | ৰক্ষা কৰক, মোৰ বাচাক ৰক্ষা কৰক ---- |
| চন্দ্ৰ ঃ | কোন --, কোন আপুনি ? কিয় ইমান হৈছে ভীতিগ্ৰস্ত ? |
| ৰতি ঃ | হে দেৱ , দুটা অসুৰে মোৰ এই পুত্ৰক বধ কৰিব বিচাৰিছে। পলাই আহিছো মই সিহঁতৰ কাষৰ পৰা । সৌৱা , সৌৱা আহিছে সিহঁত --- |
| চন্দ্ৰ ঃ | দেৱী, আপুনি সৌ পথেদি আগুৱাই যাওঁক। বাধা দি ৰাখিম মই সিহঁতক । যাওঁক দেৱী পলম নকৰিব। |
| **সূত্ৰ ঃ** | **ৰতিৰ প্ৰস্থান । কুম্ভকেতু আৰু সিংহকেতু সোমাই আহে---------------** |
| সিংহ ঃ | সৌৱা সৌৱা দাদা, ৰতি পলাইছে সৌ বাটে ----- |
| চন্দ্ৰ ঃ | সাৱধান অসুৰ, আৰু এখোজো আগনাবাঢ়িবি, নহ'লে তহঁতৰ মুণ্ড মই কৰিম ছেদন। |
| কুম্ভ ঃ | আঃ কোন তই ? আমাৰ কাযত তই নিদিবি বাধা। |
| চন্দ্ৰ ঃ | দুষ্ট অসুৰ। তহঁতক এই চন্দ্ৰবাহুৱে দিব উচিত শাস্তি। |
| সিংহ ঃ | অ' চন্দ্ৰবাহু, পলৰীয়া চিত্ৰবাহুৰ পুত্ৰ হাঃ হাঃ দাদা, ভালেই হ'ল, ইয়াক প্ৰথমে শেষ কৰি লওঁ। |
| কুম্ভ ঃ | বেচ ভাতৃ , কৰা আক্ৰমণ ------ |
| **সূত্ৰ ঃ** | **যুদ্ধ হয় --- ( বাজনা - ভংগী ) যুদ্ধত কুম্ভৰ হাতত চন্দ্ৰবাহু বন্দী হয় ------** |
| কুম্ভ ঃ | হাঃ হাঃ চন্দ্ৰবাহু , এই শক্তিৰেই তই আমাৰ পথ ধৰ আগচি । |
| চন্দ্ৰ ঃ | অধম অসুৰ, অন্যায় ভাৱে তই মোক বন্দী কৰিলি । সাহস আছে যদি মোক কৰ মুকলি । |
| সিংহ ঃ | আঃ বন্দী অৱস্থাটো ইয়াৰ ইমান অহংকাৰ। দাদা , ইয়াক দিয়ক উচিত শাস্তি । |
| কুম্ভ ঃ | ভাতৃ, ধৰা এই দুষ্টক । কাঢ়িম মই ইয়াৰ দুই চক্ষু। দৃষ্টিহীন হৈ বন্যজন্তুৰ ই হওক চিকাৰ -- |
| **সূত্ৰ ঃ** | **কুম্ভকেতুৰে চন্দ্ৰবাহুৰ দুই চক্ষু কাঢ়ে --------** |

সূচনা : (ৰাগ- ধনশ্ৰী )

কিনো ভাগ্য কিনো ভাগ্য লিখিলা কপালে।
দেখা দেখা সৰ্বজন লীলা মাধৱৰে।।

| | |
|---|---|
| কুম্ভ ঃ | হাঃ হাঃ পৰি থাক পাপীষ্ঠ । ব'লা ভাতৃ , আমি ৰতিক যাওঁ বিচাৰি --- |
| **সূত্ৰ ঃ** | **অসুৰদ্বয়ৰ প্ৰস্থান ------** |
| চন্দ্ৰ ঃ | উসঃ অসহ্য যান্ত্ৰণা, ইমান যান্ত্ৰণা মই সহিব নোৱাৰো। নোৱাৰিলো বধিব অসুৰক। হে প্ৰভূ, মোক ক্ষমা কৰিবা, ৰক্ষা কৰিবা তুমি দেৱী আৰু শিশুক । আঃ কেনি যাওঁ, একোকে দেখা নাই মই, কোন ফালে আছে বাট , পিতা , পিতা তুমি কিয় অহা নাই ? পিতা, পিতা...। |
| **সূত্ৰ ঃ** | **চন্দ্ৰবাহুৰ প্ৰস্থান। মায়াৰতি সোমাই আহে---------------** |
| ৰতি ঃ | বহুদুৰ আগবাঢ়ি আহিলো । পিছলোৱা নাই অসুৰে। নিশ্চয় সেই পথিকজনৰ হাতত হৈছে পৰাস্ত। কোন আছিল বাৰু তেখেত ? পৰিচয়তো লোৱাই নহ'ল। হে প্ৰভূ, কুশলে ৰাখিবা তেখেতক। |
| **সূত্ৰ ঃ** | **এনেতে নাৰদ-------------------------** |
| নাৰদ ঃ | নাৰায়ণ , নাৰায়ণ। |
| ৰতি ঃ | দেৱৰ্ষি, আপোনাক প্ৰণাম ; বিপদৰ ক্ষণতে আপোনাৰ পালো সাক্ষাত --- |
| নাৰদ ঃ | নাৰায়ণ--আহিলো মই সেই কাৰণে। মায়াৰতি, তোমাৰ কোলাত থকা এই শিশু নহয় সাধাৰণ। কামদেৱেই প্ৰদ্যুম্ন ৰূপে জনম লৈছিল যদুপতিৰ পুত্ৰৰূপে। হৰণ কৰি সম্বৰাসুৰে সমুদ্ৰত কৰিছিল নিক্ষেপ। কিন্তু মৎস্য ৰাণীয়ে সযতনে গৰ্ভত ৰাখিলে তেওঁক আৰু এয়াই সেই শিশু -- |
| ৰতি ঃ | কি কৈছে দেৱৰ্ষি ? এইয়া যদুপতিৰ সন্তান। তাকো কামদেৱেই আহি লৈছে জনম । |
| নাৰদ ঃ | হয় মায়াৰতি ; কিন্তু সাৰধান, অসুৰৰ ৰাজগুৰুৱে ধ্যানৰ বলত জানিলে এই ৰহস্য। |

রতি ঃ দেৱৰ্ষি, সম্বৰাসুৰৰ পৰা কেনেকৈ ৰক্ষা কৰিম এই শিশুক ? মোক উপায় দিয়ক দেৱৰ্ষি।

নাৰদ ঃ পুত্ৰৰূপে লৈছা যেতিয়া তুমি এওঁক ৰক্ষাৰ দায়িত্বও ল'ব লাগিব। কিয়, তুমি পাহৰি গৈছা নেকি তুমি মায়াৱতি। মায়াৰ অধিকাৰিণী তুমি। তুমি ইচ্ছা কৰিলে যিকোনো কাৰ্য্য কৰিব পাৰিবা, সেয়েহে মায়াৰ জৰিয়তে অতি শীঘ্ৰে তুমি প্ৰদ্যুম্নক পৰিণত কৰা যুৱকত। সেই উপায় দিবলৈকে আহিছো মই। পলম নকৰিবা, শত্ৰু আহিব পাৰে যিকোনো ক্ষণতে। মই এতিয়া আহিলো , নাৰায়ণ নাৰায়ণ। **( প্ৰস্থান )**

ৰতি ঃ কি যে ভাগ্য মোৰ। যদুপতিৰ পুত্ৰক মই পুত্ৰ ৰূপে পাইছো। কিন্তু কি ক'লে দেৱৰ্ষিয়ে, অতি শীঘ্ৰে মই বাচাক যুৱকত কৰিব লাগে পৰিণত । বাচাৰ এই শিশু ৰূপটোৱেইচোন মই হেঁপাহ পলোৱাই চাবলৈ পোৱা নাই। কেনেকৈনো মই ইয়াক ডাঙৰ কৰো, নাই নাই মই ভাবোক হ'লে নহ'ব। নতু ৰাজগুৰুৱে বাচাৰ কৰিব অনিষ্ট। সেয়েহে মায়াৰ বলত বাচাক এতিয়াই কিশোৰত কৰোঁ পৰিণত। হে প্ৰভু, তুমি মোক এই কাৰ্য্যত সহায় কৰিবা । ওঁম...( ধ্যানত বহে )

<u>সূত্ৰ ঃ</u> <u>**ৰতিয়ে মাটিত কেচুঁৱা লৈ ধ্যানত বহে ; দবা, শংখ বাজি উঠে। কিশোৰ প্ৰদ্যুম্নৰ প্ৰৱেশ---**</u>

<u>শ্লোক (প্ৰৱেশ-- ভংগী) একতাল</u>

**যুৱ হৈয়া চলি আহে প্ৰদ্যুম্ন কুমাৰ ।**
**ধীৰে ধীৰে আহি পাইলা মাতৃৰ সমীপ ।।**

প্ৰদ্যুম্ন ঃ পুত্ৰৰ সেৱা গ্ৰহণ কৰক মাতৃ।

ৰতি ঃ পুত্ৰ মোৰ, পুত্ৰ প্ৰদ্যুম্ন, উঠ বাচা, তোৰ স্থান মোৰ বুকুৰ মাজত। (কান্দে )

প্ৰদ্যুম্ন ঃ কিয় ক্ৰন্দন কৰিছে মাতৃ ?

ৰতি ঃ পুত্ৰ যেতিয়া হঠাৎ কেচুঁৱাৰ পৰা যুৱকত হয় পৰিণত , তেন্তে পুত্ৰ আনৰ কথা মই নাজানো , কিন্তু মোৰ হৃদয়ে কৰিছে হাঁহাকাৰ । শত্ৰুৰ মাজলৈ ঠেলি দিবলৈকে তোক বাচা মই কৰিলো ডাঙৰ। হায় হায় , কিযে ভাগ্য মোৰ ----।

প্ৰদ্যুম্ন ঃ শত্ৰু--- ? মাতা , আমিতো কাৰো একো অন্যায় কৰা নাই ? তেনেস্থলত আমাৰ শত্ৰু কোন ?

ৰতি ঃ বাচা, অসুৰেশ্বৰ সম্বৰাসুৰেই আমাৰ শত্ৰু। জগতৰ শত্ৰু , পৰস্ত্ৰী হৰণকাৰী সি । বন্দিনীৰূপে আছিলো মইও তাৰ প্ৰাসাদত । পলায় আহিলো মই তোক লৈ। এতিয়া অসুৰে বিচাৰি ফুৰিছে আমাক।

প্ৰদ্যুম্ন ঃ শত্ৰু যিয়েই নহওঁক মাতা , এতিয়া আৰু তুমি চিন্তা নকৰিবা। নহয় বালক এতিয়া তোমাৰ পুত্ৰ। আহক অসুৰ , নাপাব নিস্তাৰ মোৰ হাতৰ পৰা ।

ৰতি ঃ নহয় নহয় বাচা। সম্বৰাসুৰক দুৰ্বল বুলি নাভাবিবি । প্ৰৱল প্ৰতাপী মায়াৰ অধিকাৰী তেওঁ। তেওঁৰ সন্মূখীন হ'বলৈ হ'লে বাচা তইও অৰ্জন কৰিব লাগিব মায়াবিদ্যা ।

প্ৰদ্যুম্ন ঃ কিন্তু মাতৃ , কোনে মোক মায়াবিদ্যা কৰিব প্ৰদান ? অকলশৰীয়া আমি এই বনৰ মাজত।

ৰতি ঃ সেই দায়িত্ব মই ল'ম বাচা । মইয়ে দিম তোক মায়াবিদ্যা ।

প্ৰদ্যুম্ন ঃ আঃ কিযে ভাগ্য মোৰ। মাতৃক পাইছো আজি শিক্ষাগুৰু ৰূপেও । হে গুৰুদেৱ , শিষ্যৰ সেৱা গ্ৰহণ কৰি মোক মায়াবিদ্যা কৰক প্ৰদান।

ৰতি ঃ হে পালনকৰ্তা , হে সৃষ্টিকৰ্তা , হে সংহাৰকৰ্তা , আদিশক্তি আৰু আকাশৰ দেৱগণ , জগতৰ কল্যাণৰ হেতু আজি মই প্ৰদ্যুম্নক মায়াবিদ্যা কৰিম প্ৰদান । মোক সহায় কৰিব আপোনাসৱে । প্ৰদ্যুম্ন , তই চকু মুদ , মায়াবিদ্যা তোক মই কৰিম প্ৰদান ।

<u>সূত্ৰ ঃ</u> <u>**ৰতিয়ে প্ৰদ্যুম্নৰ কপাল স্পৰ্শ কৰে। ডবা, শংখ বাজি উঠে।**</u>

<u>সূচনা</u>

**এহি বুলি প্ৰদ্যুম্নক মায়াবিদ্যা দিলা ।**
**দেখা দেখা সৰ্বজন ঈশ্বৰৰ লীলা ।।**

ৰতি ঃ প্ৰদ্যুম্ন , মায়াবিদ্যা তোক কৰিলো প্ৰদান। এই অস্ত্ৰও লোৱা তুমি ।

প্ৰদ্যুম্ন ঃ হে গুৰুদেৱ, আশীৰ্বাদ কৰিব যেন মই অস্ত্ৰ চালনাত সদায় হওঁ সফল । শিষ্যৰূপে মই আপোনাক পুনৰ বাৰ কৰিছো সেৱা (সেৱা কৰে) আৰু এইবাৰ পুত্ৰৰূপে মোৰ শিৰ আপোনাৰ চৰণত ৰাখিছো মাতৃ।

ৰতি ঃ উঠ বাচা, তই দীৰ্ঘজীৱি হ। তোৰ দৰেই সন্তান পাওঁক জগতৰ প্ৰতিগৰাকী মাতৃয়ে।

**সূত্ৰ ঃ এনেতে কুম্ভকেতু আৰু সিংহকেতু সোমাই আহে ----**

কুম্ভ ঃ সৌৱা ৰতি -- ; কিন্তু লগত এই যুৱক কোন ?

ৰতি ঃ সাৱধান হোৱা প্ৰদ্যুম্ন , শত্ৰু আহিছে আমাৰ সমীপে ।

প্ৰদ্যুম্ন ঃ নিশ্চিন্তে থাকা মাতৃ , অসুৰ নিধন হব আজি মোৰ হাতত ।

কুম্ভ ঃ ৰতি , কি কৰিলি তই শিশুক ? আমাৰ হাতত তই কৰ অৰ্পণ ।

প্ৰদ্যুম্ন ঃ সাৱধান অসুৰ , মাতৃক নুবুলিবি কটু বচন । ময়ে প্ৰদ্যুম্ন ,ময়ে সেই শিশু । তহঁতৰ দৰে দুষ্টক বধিবৰ বাবে মাতৃয়ে মোক যুৱকত কৰিলে পৰিণত ।

কুম্ভ ঃ বেচ তেন্তে , চাওঁ বাৰু তোৰ কিমান পৰাক্ৰম । সিংহকেতু বেঢ়ি ধৰা ইয়াক ।

গীত

**তিনিও বীৰে কৰে ৰণ অতি ভয়ংকৰ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**
**অৱশেষত দুয়ো অসুৰ হৈলা পৰাভূত ।**
**ৰাম হৰি ডাকি বোলা সভাসদ লোক ।।**

**সূত্ৰ ঃ ৰণত কুম্ভকেতু আৰু সিংহকেতুৰ মৃত্যু হয় ।**

ৰতি ঃ বাচা তোৰ বীৰত্ব দেখি গৌৰান্বিত হলো মই । পাছে এতিয়াও জীৱিত আছে আমাৰ প্ৰধান শত্ৰু । সুযোগলৈ আমি কৰোঁ অপেক্ষা । ব'ল বাচা , এই স্থান আমি এতিয়া কৰোঁ ত্যাগ ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত চিত্ৰবাহু-----**

চিত্ৰ ঃ কি আচৰিত দেশ সম্বৰাসুৰৰ । চাৰিওফালে মায়াৰে আবৰা। মৰ্ত্ত্য বুলি ভৰি দিঁওতে জলতহে পৰে, অটব্য অৰণ্য চকুৰ পছাৰতে হয় অন্তৰ্ধ্যান, নিমিষতে আন্ধাৰ, নিমিষতে পোহৰ। বন্দীত্বৰ পৰা মুকলি হ'লো যদিও লক্ষ্যহীন ভাৱে ফুৰিছো ঘূৰি । অসুৰে বাৰু মোৰ বাচাৰ অনিষ্ট --- ? নাই নাই এনে হ'ব নোৱাৰে। প্ৰভূ আমাৰ প্ৰতি ইমান নিষ্ঠুৰ হ'ব নোৱাৰে। কিন্তু এতিয়া মই যাওঁ কোন পথে । সোমালোহি এই অৰণ্যৰ মাজত । হে প্ৰভূ, সহায় কৰা মোক এই বিপদত।

**সূত্ৰ ঃ এনেতে চন্দ্ৰবাহু -----**

চন্দ্ৰ ঃ উসঃ কেনি যাওঁ ? কোন দিশে আছিল মোৰ কুটিৰ ? (পৰি যায়) আঃ আৰু নোৱাৰোঁ যাব মই, পিয়াহত মোৰ কণ্ঠ গৈছে শুকাই ----

চিত্ৰ ঃ কোন এই অন্ধ পথিক ? (আগবাঢ়ি) হে পথিক, আপোনাক কিবা সহায় কৰিব মই পাৰোঁনে ?

চন্দ্ৰ ঃ কোন ? --- যিয়েই নহওঁক, এই অন্ধক এটুপি জল দিব পাৰিবনে ?

চিত্ৰ ঃ জল -- ? অ দেখিছো সৌৱা এক নিজৰা । পথিক , আপুনি কৰক অপেক্ষা ; ওচৰতে আছে এটা নিজৰা, মই এতিয়াই জলৰ কৰিম যোগাৰ ----

চন্দ্ৰ ঃ যাওঁক নকৰিব পলম । নহ'লে আজি পিয়াহত মোৰ যাব প্ৰাণবায়ু উলাই ।

**সূত্ৰ ঃ চিত্ৰবাহুৱে জল আনে-----------------**

চিত্ৰ ঃ লওঁক পথিক এয়া জল --

চন্দ্ৰ ঃ (পানী খাই) হে পূণ্যবৰ, পিয়াহত আতুৰজনৰ ৰক্ষা কৰিলে প্ৰাণ । পাছে কিযে স্বাৰ্থপৰ মনুষ্য মই । লোৱা নাই মই এতিয়াও আপোনাৰ পৰিচয় ।

চিত্ৰ ঃ ( স্বগতঃ ) কিয় জানো মোৰ এখেতক বৰ আপোন যেন লাগিছে -- (আচৰিত হৈ) পুত্ৰ, পুত্ৰ চন্দ্ৰবাহু । তোৰ এই অৱস্থা ? ( সাৱটি ধৰে )

চন্দ্ৰ ঃ কোন --- পিতা ? পিতা , আপুনি আহিলে , বহু পলম কৰিলে পিতা ।

চিত্র ঃ উস প্ৰভু , ৰাজ্য গ'ল , যাওক তাত মোৰ নাই আক্ষেপ । পুত্ৰই আছিল মোৰ একমাত্ৰ সম্বল, কিন্তু তাৰো আজি এই দশা । কিয় প্ৰভু ? পুত্ৰ, পুত্ৰ মোৰ, কোনে কৰিলে তোৰ এই অৱস্থা ?

চন্দ্ৰ ঃ পিতা , দুষ্ট অসুৰে এটা দেৱশিশুক মাতৃৰ কোলাৰ পৰা কাঢ়ি কৰিব ওলাইছিল হত্যা । দিছিলো মই সিহঁতক বাধা। কিন্তু অন্যায় সমৰে মোক সিহঁতে বন্দী কৰি মোৰ দৃষ্টি শক্তি --( কান্দে )

চিত্ৰ ঃ উসঃ আৰু কিমান অত্যাচাৰ কৰিব অসুৰে আমাৰ ওপৰত । হে প্ৰভূ, তুমি কিয় এতিয়াও নিৰৱে আছা ? কিয় তোমাৰ সুদৰ্শন প্ৰয়োগ নকৰা অসুৰৰ ওপৰত ?

চন্দ্ৰ ঃ পিতা , হতাশাত ভূগি মই আত্মহত্যাৰ দৰে মহাপাপ কৰিব লৈছিলো । কিন্তু দেৱৰ্ষিয়ে দিলে বাধা । তেখাতৰ আজ্ঞা মতেই অপেক্ষা কৰিছিলো মই আপোনাৰ আগমনৰ বাবে। কিন্তু পিতা , চাওঁক কিমান দুৰ্ভগীয়া মই। আপুনি আহিলে অথচ মই অন্ধ। কিয় বাৰু সিহঁতে কাঢ়িলে মোৰ দৃষ্টিশক্তি।

চিত্ৰ ঃ আঃ পুত্ৰ ; এই বৃদ্ধ পিতাৰাই আৰু নোৱাৰে সহিব -- **( বিলাপ )**

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো দোষে মোৰ পুত্ৰৰ দৃষ্টিক হৰিলা ।।
একমাত্ৰ পুত্ৰ মোৰ তাৰ এনে গতি ।
পিতৃ হৈয়া কেনেদৰে থাকো মই সহি ।।

-( কথা ) নাই নাই নালাগে, মোকো নালাগে দৃষ্টি শক্তি । মইও অন্ধ হোৱাই ভাল। অ প্ৰভূ, ময়ো অন্ধ হোৱাই ভাল । তুলি লৈছো মই এই তীক্ষ্ণ তৰোৱাল , নিজ হাতে আজি মই মোৰ দৃষ্টি ল'ম কাঢ়ি ।

চন্দ্ৰ ঃ (খেপিয়াই) পিতা, পিতা তুমি তেনে কাম নকৰিবা । পুত্ৰৰ শপত পিতা তেনে কাম নকৰিবা ।

চিত্ৰ ঃ (অস্ত্ৰ দাঙে) জয় শ্ৰীহৰি ----

**সূত্ৰ ঃ চিত্ৰবাহুৱে অস্ত্ৰ দাঙি লয় । বাধা দি শ্ৰীকৃষ্ণ-----------------**

কৃষ্ণ ঃ ক্ষান্ত হোৱা ভক্ত , ক্ষান্ত হোৱা। কি কায্য কৰিব ওলাইছা ? আমাৰেই দান এই দৃষ্টি শক্তিক তুমি কি কৰিবা অৱজ্ঞা ?

চিত্ৰ ঃ প্ৰভূ ? প্ৰভূ --- হতভগীয়াৰ সৰ্বদোষ ক্ষমা কৰিব । পিতা হৈ কিদৰে চাই থাকো পুত্ৰৰ এই দুৰ্দশা। পুত্ৰ , পুত্ৰ (হাতত ধৰে) আহ পুত্ৰ , শ্ৰীহৰিৰ চৰণত ল সেৱা ।

**শ্লোক**

**শ্ৰীকৃষ্ণায় বাসুদেৱায় হৰিয়ে পৰমাত্মানো**
**প্ৰণতো ক্লেশ নাশয় গোবিন্দায়ে নমো নমঃ ।।**

চন্দ্ৰ ঃ প্ৰভূ, মই পাপী , অধৰ্মী । আপোনাক সন্মূখত পাইও লভিব পৰা নাই মই আপোনাৰ দৰ্শন ।

কৃষ্ণ ঃ চন্দ্ৰবাহু , তোমাৰ ইচ্ছাই পূৰণ হওঁক (চকুত স্পৰ্শ কৰে) এইবাৰ চোৱা চন্দ্ৰবাহু ।

চন্দ্ৰ ঃ হে কমললোচন আপোনাৰ কৃপাত মই দৃষ্টি পালো ঘূৰাই । পিতা , পিতা , মই দৃষ্টি শক্তি পালো ঘূৰাই । হে প্ৰভূ , এই অধমৰ শতকোটি সেৱা গ্ৰহণ কৰক।

চিত্ৰ ঃ হে দয়াময় , কি দি পুঁজিম আপোনাক ?

কৃষ্ণ ঃ ভক্ত চিত্ৰবাহু , তুমি সঁচাই মোৰ পৰম ভক্ত। তোমাৰ ভক্তিত মই অতিকে সন্তুষ্ট। সেয়েহে দিছো বৰ-- মৃত্যুৰ পাছত তুমি বৈকুণ্ঠপুৰীত পাবা স্থান। এতিয়া যোৱা তুমি নিজ ৰাজ্য কৌশম্বীপুৰলৈ। ৰাজধৰ্ম পালন কৰি ৰাজ্যত ধৰ্ম প্ৰতিষ্ঠা কৰাগৈ। নাই ভয় আৰু সম্বৰাসুৰৰ । মৃত্যুৰূপে তাৰ ধৰাত অৱিৰ্ভাৱ হৈছে প্ৰদ্যুম্নৰ।

চিত্ৰ ঃ হে প্ৰভূ, ধন্য হ'ল মোৰ জীৱন।

চন্দ্ৰ ঃ প্ৰভূ, এই অধমৰ ওপৰতো আপোনাৰ কৃপাদৃষ্টি ৰাখিব। আশীৰ্বাদ কৰিব পিতাৰ দৰে মইও যেন হ'ব পাৰোঁ আপোনাৰ পৰম ভক্ত।

কৃষ্ণ ঃ তথাস্তু , এতিয়া যোৱা তোমালোক । আমিও যাওঁ নিজ কৰ্তব্য পালনৰ হেতু । **(প্ৰস্থান )**

চিত্ৰ ঃ ব'ল বাচা , যাঁও আমি নিজ ৰাজ্যলৈ ।

গীত

এহি বুলি চলি যাই কৌশম্বী ৰাজন।
সঙ্গে চলে তাৰ পুত্ৰ দেখি বিতোপন।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত কৃষ্ণ আৰু ৰুক্মিণী সোমাই আহে------**

ৰুক্মিণী ঃ পুত্ৰৰ অবিহনে এটা পল মোৰ বাবে এটা যুগৰ দৰে হৈছে প্ৰভু। যদুসেনাই এতিয়াও কি সন্ধান পোৱা নাই মোৰ বাচাৰ ? কেনে আছে মোৰ বাচা ? পুত্ৰৰ বিয়োগ আৰু মই সহিব নোৱাৰো প্ৰভু।

কৃষ্ণ ঃ দেৱী, তুমিটো জগতমাতৃ। প্ৰদ্যুম্নই কেৱল তোমাৰ পুত্ৰ নহয়। এক পুত্ৰৰ কাৰণে কিয় কৰা হাঁহাকাৰ ?

ৰুক্মিণী ঃ প্ৰভূ, আছো মই এতিয়া মানৱীৰূপত। মাতৃ হৃদয়ৰ বেদনা কি তাক আপুনি পুৰুষ হৈ কেনেকৈ বুজিব। হে প্ৰভু, আপুনি সৰ্বশক্তিমান। আপোনাক কৰিছো মিনতি। মোৰ বাচাক আপুনি আনি দিয়ক, নতু এতিক্ষণে মইও ত্যেজিম প্ৰাণ ।

কৃষ্ণ ঃ শান্ত হোৱা দেৱী , আছে প্ৰদ্যুম্ন কুশলে সম্বৰাসুৰৰ ৰাজ্যত ।

ৰুক্মিণী ঃ কি ক'লে , সম্বৰাসুৰৰ ৰাজ্যত -- ? তেন্তে বাচাৰ নিশ্চিত বিপদ প্ৰভূ , মোৰ বাচাক উদ্ধাৰ কৰক প্ৰভূ।

কৃষ্ণ ঃ দেৱী, প্ৰদ্যুম্নক হয়তু তুমি চিনি পোৱা নাই । মহাদেৱৰ কোপত ভস্ম হৈ শৰীৰবিহীন হৈ থকা কামদেৱেই আমাৰ পুত্ৰ প্ৰদ্যুম্নৰূপে লৈছেহি জনম । নোৱাৰে সম্বৰাসুৰে তেওঁৰ অনিষ্ট সাধিব । তদুপৰি প্ৰদ্যুম্নৰ কাষত মাতৃৰূপে আছে মায়াৰতি । মায়াৰতি হৈছে ৰতিৰেই সৃষ্টি এক প্ৰতিবিম্ব। সেয়ে তুমি নিশ্চিন্তে থাকা দেৱী , নিৰাপদে থাকিব আমাৰ প্ৰদ্যুম্ন ।

ৰুক্মিণী ঃ মই নিশ্চিন্ত হলো নাথ । প্ৰভু , মোক ক্ষমা কৰিব ,আবেগত হেৰুৱাই হিতাহিত জ্ঞান আপোনাৰ প্ৰতি মই কটু বাক্য কৰিলো প্ৰয়োগ।

কৃষ্ণ ঃ উঠা ৰুক্মিণী, পুত্ৰ বিৰহ মাতৃৰ বাবে কেনে বেদনাদায়ক বুজো মই । তোমাৰ ইয়াত কোনো দুখ নাই। ব'লা যাওঁ এতিয়া আমি কৰোঁগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনহাতে চিন্তান্বিত মনে ৰতিদেৱী-----------**

ৰতি ঃ প্ৰদ্যুম্ন , প্ৰদ্যুম্ন ---ক'ত গ'ল মোৰ প্ৰদ্যুম্ন ? বেলি পৰিবৰেই হ'ল। আন কালেটো এনে কেতিয়াও হোৱা নাই। লাগিছে মোৰ মনত সংশয়। সম্বৰাসুৰে কিবা অপকাৰ কৰা... নাই নাই ; হে প্ৰভূ, মোৰ বাচা য'তেই আছে ৰক্ষা কৰক।

**সূত্ৰ ঃ এনেতে প্ৰদ্যুম্ন -----**

প্ৰদ্যুম্ন ঃ আই , আই মই আহিলো ।

ৰতি ঃ পুত্ৰ , অত বেলি কৰিলি ; ক'লৈ গৈছিলি তই ?

প্ৰদ্যুম্ন ঃ মাতৃ , ক্ষমা কৰিব , সম্বৰাসুৰৰ অত্যাচাৰ শুনি আৰু মই ৰ'ব নোৱাৰিলো। সেয়েহে চাই আহিলো এবাৰ সেই পাপীষ্ঠক তাৰ ৰাজপ্ৰাসাদত গৈ।

ৰতি ঃ কি ক'লি বাচা ? শত্ৰুৰ গৃহত তই অকলে কৰিলি প্ৰৱেশ ? তাকো মোৰ অনুমতি নোলোৱাকৈ ? তোৰ কিবা অনিষ্ট হোৱাহেঁতেন -------

প্ৰদ্যুম্ন ঃ মাতা , মোৰ বাবে আপুনি নকৰিব চিন্তা । আপোনাৰ দৰে মাতৃ আৰু শিক্ষাগুৰুৰ আশীষ আছে মোৰ শিৰত । তেনেস্থলত কি কৰিব পাৰে অসুৰে --- ?

ৰতি ঃ নাই নাই বাচা , আজিৰ পৰা তই তেনে কাৰ্য নকৰিবি । সম্বৰাসুৰৰ শক্তিক তই নলবি সহজভাৱে । যদি তোৰ কিবা হয় অনিষ্ট তেন্তে কি উত্তৰ দিম মই তোৰ প্ৰকৃত মাতা - পিতাৰাক --- ?

প্ৰদ্যুম্ন ঃ প্ৰকৃত মাতা- পিতা !! কি কৈছে মাতৃ , মই একো বুজা নাই ।

ৰতি ঃ (স্বগতঃ) হে প্ৰভু , এইয়া মই কি কৈ পালো -------।

প্ৰদ্যুম্ন ঃ কওঁক মাতৃ , কি ইয়াৰ অৰ্থ --- ? মোৰ উৎসুকতা বাঢ়িব ধৰিছে ।

ৰতি ঃ পুত্ৰ , এতিয়া তোক মই কিদৰে কওঁ । সত্য অৱগত কৰাই যদি মই হেৰুৱাই পেলাওঁ মোৰ অমূল্য ৰতন । নাই নাই মই নহওঁ স্বাৰ্থপৰ ; এদিন হ'লেওঁতো তই এই কথা জানিবই লাগিব । পুত্ৰ , পুত্ৰ প্ৰদ্যুম্ন ,নহওঁ মই তোৰ প্ৰকৃত মাতৃ । অ প্ৰদ্যুম্ন , যদুপতি শ্ৰীকৃষ্ণ আৰু দেৱী ৰুক্মিণীহে তোৰ প্ৰকৃত পিতা-মাতা। মই মই তোৰ --তোলনীয়া মাতৃহে ।

প্ৰদ্যুম্ন ঃ হে মাতৃ, কিয় কোৱা এনেকৈ ? যদুপতি আৰু দেৱী ৰুক্মিণী মোৰ প্ৰকৃত পিতা-মাতা । নাই নাই তুমিয়ে মোৰ মাতৃ , তুমিয়ে মোৰ শিক্ষাগুৰু, তুমিয়ে মোৰ সৰ্বস্ব মাতৃ । হে মাতৃ , হাতযোৰ কৰি কৰিছো অনুৰোধ আজিৰ পৰা নুবুলিবা আৰু এনে নিদাৰুণ বচন।

ৰতি ঃ কিন্তু বাচা , সত্যটো স্বীকাৰ কৰিবই লাগিব। সম্বৰাসুৰক বধিবৰ বাবেই জন্ম তোৰ। দুষ্ট অসুৰ বধৰ লগে লগে মইও মুক্তি পাম দাসত্ব জীৱনৰ পৰা। গুছি যাম মই এই ধৰাৰ পৰা দেৱলোকলৈ।

প্ৰদ্যুম্ন ঃ উসঃ এইবাৰ কি শুনালা মাতৃ। মাতৃ , তোমাৰ অবিহনে নাথাকিম মইও এই ধৰণীত। নাই নাই তাতকৈ মই সম্বৰাসুৰকে নকৰোঁ বধ। মোক কেৱল তোমাকহে লাগে মাতৃ ।

ৰতি ঃ আবেগিক নহবি বাচা , নহয় সময় এতিয়া ক্ৰন্দনৰ। জগতৰ শত্ৰু সম্বৰাসুৰক বধ কৰি ধৰ্ম কৰ প্ৰতিষ্ঠা ।

প্ৰদ্যুম্ন ঃ উসঃ মাতৃ , কি সংকটত পেলাইছে মোক। দুষ্ট সম্বৰাসুৰক মাৰি মই জগতত শান্তি প্ৰতিষ্ঠা কৰিম আৰু তাৰ পুৰস্কাৰৰূপে কি মই মোৰ হেৰুৱাম মাতৃক ? নাই নাই মাতৃ , ক্ষমা কৰিবা মোক, নোৱাৰোঁ মই এই কাৰ্য কৰিব।

ৰতি ঃ স্বাৰ্থপৰ নহ'বা প্ৰদ্যুম্ন, মাতৃৰূপে নহয়, গুৰুৰূপে মই আজি তোমাৰ পৰা বিচাৰিছো গুৰুদক্ষিণা , যোৱা সম্বৰাসুৰক কৰাগৈ বধ, তেহে দৰ্শন কৰিবা তুমি মোৰ মুখ --- ( পিঠি দিয়ে )

প্ৰদ্যুম্ন ঃ কি আদেশ শুনালে মোক । যাম , যাম গুৰুদেৱ , আপোনাৰ আদেশ মানি বধ কৰিম মই সম্বৰাসুৰক। হে হৃদয় মোৰ তই হ পাষাণ , হে মোৰ তীক্ষ্ণ তৰোৱাল লালায়িত হ তই মহাপাপী সম্বৰাসুৰৰ কৰিবলৈ ৰক্ত পান । যাওঁ গুৰুদেৱ , আশীৰ্বাদ কৰক যেন মই হওঁ বিজয়ী ।

ৰতি ঃ যোৱা প্ৰদ্যুম্ন , বিজয়ী হৈ আঁহা ---

<u>গীত</u>

**মাতৃৰ আদেশ পাই প্ৰদ্যুম্ন বীৰ।**
**অসুৰক বধৰ হেতু মন কৰি স্থিৰ।।**

**<u>সূত্ৰ ঃ প্ৰদ্যুম্নই যুদ্ধ যাত্ৰা কৰে । দুখমনে ৰতিৰ প্ৰস্থান। আনফালে সভাত সম্বৰাসুৰ-</u>**

সম্বৰা ঃ চক্ৰান্ত, চক্ৰান্ত দেৱ, মনুষ্য, সমুদ্ৰ, মৎস্য সকলোৱে মিলি কৰিছে চক্ৰান্ত । যি শতৰুৰ তনয়ক মহা সমুদ্ৰত মই কৰিছিলো নিক্ষেপ, সি আহি মোৰ প্ৰাসাদতে ললেহি আশ্ৰয় । আৰু ৰতী, আঃ তয়ো চলনাময়ী, জানি বুজি তই মোক কৰিলি ভ্ৰমিত ; শতৰুৰ পুত্ৰক তই ললি সাৰটি, বন্দীশালৰ বন্দীকো কৰিলি মুকলি। আঃ নাপাবি নিস্তাৰ তহঁত দুয়োটাই । যাওক মোৰ পুত্ৰগণ , শূন্য হওক মোৰ সেনাগণ, তথাপি নহওঁ শংকিত ; জগতৰ সৰ্বশ্ৰেষ্ঠ অসুৰ মই সম্বৰাসুৰ । প্ৰদ্যুম্ন, প্ৰদ্যুম্ন যাঁও মই তোক বিচাৰি ----

**<u>সূত্ৰ ঃ এনেতে প্ৰদ্যুম্ন--------------------</u>**

প্ৰদ্যুম্ন ঃ সম্বৰাসুৰ, নালাগে কষ্ট কৰিব মোক বিচাৰি। অহংকাৰী , অত্যাচাৰী , পৰস্ত্ৰী হৰণকাৰী লম্পট অসুৰ চা আহিলো মই তোৰ সমীপে মৃত্যুদুত ৰূপে।

সম্বৰা ঃ প্ৰদ্যুম্ন, মৃত্যুয়েহে তোক পুনৰ মোৰ সমীপে আনিলে । খণ্ড খণ্ড কৰি তোৰ দেহ ল'ম মই পুত্ৰহত্যাৰ প্ৰতিশোধ। যদি নোৱাৰোঁ তেন্তে নাই আক্ষেপ। বীৰৰ দৰে যুঁজি মৃত্যুক ল'ম আঁকোৱালি।

প্ৰদ্যুম্ন ঃ যদি তোৰ এইয়ে ইচ্ছা , তেন্তে সেয়ে হওঁক , মৃত্যুৰ বাবে তই হ সাজু ।

সম্বৰা ঃ বেচ তেন্তে অস্ত্ৰ ধৰ।

**গীত**

**মহাক্ৰোধে দুয়োবীৰে কৰে মহাৰণ।**
**কত বেলি লাগে ৰণ নাহি নিবাৰণ।।**
**হেন জানি নৰলোকে এৰি আন কাম।**
**পাতক চাৰোক ডাকি বোলা ৰাম ৰাম।।**

**সূত্ৰ ঃ যুদ্ধত সম্বৰাসুৰৰ মৃত্যু হয়। দেখি প্ৰদ্যুম্ন -------------**

প্ৰদ্যুম্ন ঃ যোৰা সম্বৰাসুৰ। অধৰ্মী আছিলা যদিও তোমাৰ বীৰত্ব প্ৰশংসাৰ যোগ্য। যাওঁ মই এতিয়া মাতাৰ সমীপে।

**সূত্ৰ ঃ প্ৰদ্যুম্নৰ প্ৰস্থান । আনফালে ৰতিদেৱী ------**

ৰতি ঃ বধ কৰিলে প্ৰদ্যুম্নই পাপী সম্বৰাসুৰক। মোৰো মুক্তিৰ ক্ষণ চাপিল ওচৰ। কিন্তু প্ৰদ্যুম্ন ; নাই নাই প্ৰদ্যুম্ন অহাৰ পূৰ্বেই যাব লাগিব মই ধৰণীৰ পৰা , নহ'লে যে মই নোৱাৰিম যাব । হে প্ৰভূ , কিয় দিলা এই মায়াৰতিৰ হৃদয়ত মাতৃৰ মমতা। যাওঁ , যাওঁ মই এতিয়া দেৱলোকলৈ **(যাব খোজে)**

**সূত্ৰ ঃ এনেতে প্ৰদ্যুম্ন -----**

প্ৰদ্যুম্ন ঃ মাতৃ , মাতৃ , ক'লৈ যোৱা তুমি ? আহিলো মই মহাপাপী সম্বৰাসুৰক বধি ।

ৰতি ঃ পুত্ৰ , তোৰ বীৰত্ব সঁচাই প্ৰশংসাৰ যোগ্য। সম্বৰাসুৰ বধৰ লগে লগে মোৰো দেৱলোকলৈ যোৱাৰ ক্ষণ হ'লহি উপস্থিত। সেয়েহে পুত্ৰ যাওঁ মই নিজ স্থানলৈ, তইও যা পুত্ৰ তোৰ পিতা - মাতাৰ কাষলৈ।

প্ৰদ্যুম্ন ঃ হে মাতা , পুত্ৰই কৰিছো কাতৰ অনুৰোধ মোকো লৈ যোৱা তোমাৰ লগত ।

**সূত্ৰ ঃ এনেতে কৃষ্ণ আৰু ৰুক্মিণী আহে ----**

কৃষ্ণ ঃ বাচা প্ৰদ্যুম্ন ----।

ৰতি ঃ প্ৰণাম প্ৰভূ ; প্ৰভূ প্ৰদ্যুম্ন হৈছে অবুজন । ময়ো পৰা নাই বুজাব ।

কৃষ্ণ ঃ অবুজ নহ'বা প্ৰদ্যুম্ন। বিধাতাৰ লিখনক খণ্ডাবলৈ চেষ্টা নকৰিবা। মায়াৰতিৰ কাৰ্য সমাপ্ত হ'ল এই ধৰণীত । তেওঁক এতিয়া নিজ স্থানে যাবলৈ দিয়া পুত্ৰ।

ৰুক্মিণী ঃ আহ বাচা, বহুদিন অপেক্ষা কৰিলো মই তোৰ বাবে। ময়েই তোৰ প্ৰকৃত মাতা । মায়াৰতি, অশেষ ধন্যবাদৰ গৰাকী তুমি । সুকলমে দায়িত্ব পালন কৰিলা তুমি, তাৰ বাবে চিৰঋণী হৈ থাকিব এই ৰুক্মিণী তোমাৰ ওচৰত ।

ৰতি ঃ হে জগত মাতৃ , এনেকৈ কৈ মোক পাপত নেপেলাব। প্ৰদ্যুম্ন, যোৱা তোমাৰ মাতাৰ কাষলৈ , ময়ো যাওঁ এতিয়া নিজ স্থানে।

প্ৰদ্যুম্ন ঃ মাতৃ, শেষবাৰৰ বাবে এই পুত্ৰৰ শিৰ তোমাৰ চৰণত থবলৈ দিয়া মাতৃ --( সেৱা কৰে ) যোৱা মাতৃ, নিদিঁও আৰু মই বাধা ।

কৃষ্ণ ঃ যোৱা মায়াৰতি , ৰতিদেৱীয়ে অপেক্ষা কৰি আছে তোমাৰ বাবে । তুমি গৈ ৰতিক দিবাগৈ সংবাদ , কামদেৱক যেনেদৰে প্ৰদ্যুম্নৰূপে আমি পুত্ৰ মানিলো , তেনেদৰে তেওঁকো পুত্ৰবধো ৰূপে আদৰিবলৈ অপেক্ষা কৰি আছো ।

ৰতি ঃ যাওঁ প্ৰভূ , আপোনাৰ সংবাদ মই দিমগৈ ৰতিদেৱীক --- **(প্ৰস্থান)**

প্ৰদ্যুম্ন ঃ হে দয়াময় আৰু জগত মাতৃ , আপোনালোকৰ পুত্ৰৰূপে জনম লভি ধন্যহ'ল মোৰ জীৱন। পুত্ৰৰ সেৱা কৰিব গ্ৰহণ ।

ৰুক্মিণী ঃ উঠ বাচা ---

কৃষ্ণ ঃ দেৱী আৰু প্ৰদ্যুম্ন , আঁহা এতিয়া আমি যাওঁ দ্বাৰকাপুৰীলৈ।

গীত

এহি বুলি ৰঙ্গমনে কুণ্ডিল নন্দিনী ।
পুত্রসমে চলি যায় প্রভু যদুপতি ।।
অসুৰ বধি প্রদ্যুম্ন ধর্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।

সূত্র ঃ সকলোৰে প্রস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ।

গীত ঃ(ৰাগ- কল্যাণ, তাল- খৰমান )

জয় জয় কৃষ্ণ দেৱ তযু বিনে নাই কেৱ
তোমাৰ চৰণে হৌক গতি ।
তযু গুণ নাম স্মৰি দুর্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ মতি ।।
অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলো শৰণ,
আন গতি নাহিকে মৰণ ।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ ।
ব্রহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ ।।
মুকুত সকলে সদা যাৰ গুণ গায় ।
হেন গুৰু চৰণত প্রণামো সদায় ।।
সর্ব অপৰাধ কৰাহা মোচন ।
চৰণে শৰণ লৈলো কমল লোচন ।।

ইতি , প্রদ্যুম্ন হৰণ, সম্বৰাসুৰ নিধন নাম নাটকং সম্পূর্ণম ।।

সমাপ্ত

জয় গুৰু শংকৰ



# সুৰথৰ শ্ৰীৰাম দৰ্শন

নাট্যৰূপ
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ ( যোৰহাট )
যোঃ নঃ ৮৪০৪০৫১৪৬৯

।। সুৰথৰ শ্ৰীৰাম দৰ্শন ।।

## পুৰুষ চৰিত্ৰ

১/ সূত্ৰধাৰ
২/ শ্ৰীৰামচন্দ্ৰ
৩/ হনুমান
৪/ অঙ্গদ
৫/ শত্ৰুঘ্ন
৬/ পুষ্কল ( ভৰতনন্দন )
৭/ বশিষ্ঠ
৮/ যমৰাজ
৯/ চিত্ৰগুপ্ত
১০/ সুৰথ ( কুণ্ডলৰ ৰজা ) -- ( প্ৰধান চৰিত্ৰ )
১১/ চম্পক ( যুৱৰাজ )
১২/ মোহক ( যুৱৰাজ )
১৩/ বিদ্যুন্মালী ( ৰাক্ষসৰাজ )
১৪/ উগ্ৰদংষ্ট্ৰ ( ৰাক্ষসৰাজৰ ভাতৃ )
১৫/ বীৰোপাক্ষ ( দস্যু )
১৬/ পিঙ্গল ( যমদূত )
১৭/ উজন্ত ( যমদূত )
১৮/ প্ৰহৰী

## নাৰী চৰিত্ৰ

১/ শ্ৰুতকীৰ্তি ( শত্ৰুঘ্নৰ পত্নী )
২/ ৰত্নাৱতী

## মুখা

অশ্ব

শ্ৰী শ্ৰী ৰামচন্দ্ৰায়ে নমঃ

শ্লোক ঃ যন্নাম খিল লোক শোক শমনং যন্নাম প্ৰেমাষ্পদম।
পা পা পাৰহ পয়োধি তাৰণ বিধৌ যন্নাম পীনঃ প্লবহঃ ।।
যন্নাম শ্ৰৱনাৎ পুনাতি শ্বপচঃ প্ৰপ্নোতি মোক্ষং ক্ষিতৌ।
তং শ্ৰীৰাম মহং মহেশ বৰদাং বন্দে সদা সাদৰম ।।

অপিচ ঃ যেনাকাৰী শ্ৰীৰাম অশ্বমেধ যজ্ঞ অনুস্থিতং -- যেনাকাৰী ভক্ত সুৰথক দিলহ দৰিশন ।।

গীত ঃ নান্দী (ৰাগ ঃ সুহাই , তাল ঃ একতাল)

জয় জয় কৌশল্যা নন্দন।
তুৱা পাৱে কৰহো বন্দন।।
শ্ৰীৰাম ৰূপে অৱতাৰ।
সুৰথক কৰিলা উদ্ধাৰ।।
হেনজানি এৰা আন কাম।
সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বাচৰ্যা নাৰায়নং সভাসদেন সম্বোধ্যা ।
শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা, ইয়ং - **সুৰথৰ শ্ৰীৰাম দৰ্শন** - নাম নাটকং শ্ৰৱণে মুক্তি সাধকম -

## অথ ভটিমা

প্ৰথমে বন্দিবো ৰাম মুক্তি পদে যাৰ নাম
প্ৰভু ৰাম কমল লোচন ।
কৌশল্যা নন্দন ৰাম নৱ দুৰ্বাদল শ্যাম
তুৱা পদে লক্ষেক প্ৰণাম ।।
অশ্বমেধ যজ্ঞ পাতি তুমি প্ৰভু ৰঘুপতি
ভূমধ্যত দিলা অশ্ব এৰি ।
কুণ্ডলৰ ৰাজা সুৰথ পৰম ৰামৰ সেৱক
ভক্তিভাৱে ৰাখিলা ধৰি ।।
সেৱকৰ মনোবাঞ্ছা পূৰ্ণ কৰি শ্ৰীৰামে
সুৰথক দৰিশন দিলা ।।
হেন জানি নৰলোকে এৰিয়ো আন কাম
নিৰন্তৰে ৰাম ৰাম বোলা ।।

## ( শ্লোক নৃত্য ঃ)

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত বাজত বাজত ।

সূত্ৰ ঃ আ-হাহা মিলল, মিলল,-- আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি ৰঘুপতি শ্ৰীৰাম এহি সভাৰ মধ্যে আৱত, আৱত ,আৱত। তাক দেখহ শুনহ নিৰন্তৰে ৰাম বোল ৰাম বোল।

ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

সূত্ৰ ঃ সভাত শ্ৰীৰামচন্দ্ৰৰ প্ৰৱেশ ------

শ্লোক ঃ প্ৰৱেশম কৰোৎ কামং ৰামো ৰাজীৱ লোচনঃ ; সসোদৰো ধনুঃ ষ্পাণীৰূপেণা প্ৰতিমো ভুবি।

গীত- ( ৰাগ ঃ সিন্ধুৰা ; তাল ঃ একতাল )

আৱত সভাৰ মাজে ৰঘুনন্দন ।
সুন্দৰ স্কন্ধ যাৰ ৰাজীৱ লোচন ।।
বৈকুণ্ঠৰ পতি হৰি অৱতৰী ৰাম ।
পৰম উজ্বল তনু ঘনে ঘন শ্যাম ।।
এহিৰূপে প্ৰৱেশিলা সভাৰ ভিতৰ ।
সভাসদে ৰাম ৰাম বোলা নিৰন্তৰ ।।

ৰাম ঃ ৰঘুকুলৰ বংশজ আৰু দাশৰথি ৰামৰূপে অযোধ্যাত আমি কৰিছো শাসন। সত্য কি, ধৰ্ম কি, কৰ্ম কি তাৰ মৰতত ৰাখিছো প্ৰমাণ । হাতে ধৰি সাৰঙ্গ খৰ , দুষণ , দশাননৰ দৰে দুৰ্জনক কৰিলো নিধন । লোক নিন্দা ভঞ্জনৰ হেতু পাষাণ কৰি হৃদয়, বুকুৰ ৰতন জানকীকো আমাৰ পৰা কৰিছো ছেদন । তথাপি পৰাণত জ্বলিছে আমাৰ আত্ম গ্লানি ; মনত আমাৰ বাঢ়িছে অশান্তি কিয়, কিয় হৈছে ৰামৰ এনে দশা ? কোনে দিব আমাক ইয়াৰ সমিধান ? অ , পাইছো বাৰ্তা , আহিছে মহৰ্ষি অগস্ত্য অযোধ্যা ৰাজ্যে ; তেখেতৰ লগত এই বিষয়ে আমি কৰোঁগৈ আলাপ ।

সূত্ৰ ঃশ্ৰীৰামচন্দ্ৰৰ প্ৰস্থান। সভাত কুণ্ডলৰাজ সুৰথ, পুত্ৰ চম্পক আৰু মোহকৰ প্ৰৱেশ-

গীত -(ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল)

সভাত প্ৰৱেশ কৰে সুৰথ ৰাজন।
সঙ্গে আছে পুত্ৰগণ দেখিতে শোভন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সুৰথ ঃ পুত্ৰগণ, মনোহৰ ৰাজ্য কুণ্ডলত আমি কৰিছো বাস । ধৰাৰ বুকুত অনুপম আমাৰ ৰাজ্য । ভাগ্য বলে লভিলো আমি এনেহেন বিতোপন ৰাজ্য ।

চম্পক ঃ সঁচা কথা পিতা কুণ্ডলৰ দৰে মনোহৰ , পুণ্যভূমি নাই আৰু দ্বিতীয়খন এই ধৰাৰ বক্ষত ।

সুৰথ ঃ তেনেকৈ নক'বা পুত্ৰ ; হ'ব পাৰে জননী জন্মভূমি স্বৰ্গাদপী গৰিয়সী , তথাপি পুণ্যভূমি অযোধ্যাৰ সমে নহয় পূণ্য আমাৰ কুণ্ডলৰ ভূমি ।

মোহক ঃ আচৰিত পিতা , জনম লভি আমি কুণ্ডলত নিজকে মানিছো ধন্য । তথাপি নিদি আমাৰ ৰাজ্যক আপুনি অযোধ্যাক দিলে পুণ্যভূমিৰ স্থান ?

সুৰথ ঃ মোহক , মোৰ আৰাধ্য প্ৰভূ শ্ৰীৰামচন্দ্ৰই অযোধ্যাত কৰিছে শাসন । তেওঁৰ পদধুলাৰে পূণ্য ধামত পৰিণত হৈছে অযোধ্যা । ৰাম নামে তৰিছে জগত , ৰাম নামে উদ্ধাৰিব জীৱক । সেইহেতু চম্পক, নিতৌ ৰাম নামৰ জপ কৰিবলৈ ৰাজ্যত শুনাবা আমাৰ আদেশ ।

চম্পক ঃ আপোনাৰ আদেশ পালন কৰা হব পিতা ; আৰু যদি আছে কিবা কৰ্তব্য আমাৰ কওক পিতা , সাজু আছো আমি তৱ কাৰ্য সাধনৰ বাবে ----

সুৰথ ঃ ধন্য ধন্য হ'লো মই, তোমালোকৰ দৰে পুত্ৰক পাই। তেন্তে আজিলৈ সভা ভঙ্গ কৰা হওক-

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ধৰ্মৰাজ যম আৰু চিত্ৰগুপ্তৰ প্ৰৱেশ ---

গীত-( ৰাগ ঃ আশোৱাৰী , তাল ঃ পৰিতাল )

চিত্ৰগুপ্তক লৈয়া সঙ্গে আহে ধৰ্মৰাজ।
যমপাশ হাতে লৈয়া ইটো বলবান।।
কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

যম ঃ ধৰ্মৰাজ মই ; জীৱক ন্যায় প্ৰদানেই হৈছে একমাত্ৰ কৰ্তব্য মোৰ । পুণ্যাত্মাক স্বৰ্গলৈ কৰি প্ৰেৰণ দুষ্টাত্মাক ৰাখি নৰকত সংসাৰ চক্ৰ নিত্য গতিৰে চলাই ন্যায় কাৰ্য মই কৰোঁ সমাপন । চিত্ৰগুপ্ত, কৰিছেনে আমাৰ দূতেও নিজ কাৰ্য সুচাৰুৰূপে পালন ?

চিত্ৰগুপ্ত ঃ ধৰ্মৰাজ, আপুনি ধৰ্মৰ প্ৰতীক, আপুনি ন্যায়ৰ প্ৰতীক । দণ্ডধৰ হৈ আপুনি জগতত ন্যায় চক্ৰ ৰাখিছে বৰ্তাই । ধৰ্মৰাজ, আমাৰ দূতে কৰ্তব্যত নকৰে হেমাহি । প্ৰতি ক্ষণতে পাপী জীৱক নৰকলৈ অনাত আমাৰ দূতে কৰা নাই কৃপণালী ।

যম ঃ উত্তম , দূতৰ কৰ্তব্যত গৌৰান্বিত হ'লো মই । চিত্ৰগুপ্ত, তুমিও জগতৰ প্ৰত্যেক জীৱৰে পাপ কাৰ্য যুগুতাই ৰখাত নকৰিবা এলাহ ; অৱশ্যে জানো মই কৰ্তব্যত তুমি নকৰা হেমাহি ।

চিত্ৰগুপ্ত ঃ হয় ধৰ্মৰাজ , চিত্ৰগুপ্তই কদাপি কৰ্তব্যত নকৰে হেমাহি । জগতৰ প্ৰত্যেক দুৰাত্মাৰ পাপ কৰ্ম মই প্ৰতিক্ষণে সযতনে ৰাখিছো যতনাই ।

যম ঃ তোমাৰ কৰ্তব্য নিষ্ঠা জানো মই । সেয়ে অতিকে প্ৰিয় , বিশ্বাসভাজন তুমি মোৰ । তথাপি হ'বা সাৱধান, পুণ্যাত্মাক কদাপি নানিবা এই নৰকধামে । সৎ কৰ্মৰে শ্ৰীহৰিক ভজি দেহ ত্যাগ কৰা পুণ্যাত্মাৰ প্ৰভাৱত নৰকৰ পাপীৰো দুখ - কষ্ট হয় লাঘৱ । কিন্তু হৰি ভক্তিহীন , অসৎ , দুৰাচাৰী, পাপাত্মাক কদাপি নেৰিবা ; অতিথি কৰাবা সিহঁতক আমাৰ নগৰে হাঃ হাঃ ---

চিত্ৰগুপ্ত ঃ আপোনাৰ উপদেশকে সাৰোগত কৰি কাৰ্য আমি কৰিছো সাধন । প্ৰয়োজন হ'লেই জগতৰ প্ৰত্যেক পাপীৰ পাপ কৰ্মৰাজী আপোনাৰ আগত দিম যুগুতাই । কৰ্ম অনুযায়ী পাপীক আপুনি বিহিব উচিত দণ্ড বিধান ।

যম ঃ উত্তম , অতি উত্তম ; এতিয়া ব'লা , আমাৰ দূতগণৰ কাৰ্য কৰোঁগৈ নিৰীক্ষণ ।

সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত ৰাক্ষসৰাজ বিদ্যুন্মালী আৰু ভাতৃ উগ্ৰদংষ্ট্ৰৰ প্ৰৱেশ --

গীত - (ৰাগ ঃ কানাড়া ; তাল ঃ ভঙ্গী )

প্ৰৱেশ কৰিয়া আহে ৰাক্ষস ৰাজন ।
সঙ্গে আহে তাৰ ভাতৃ অতিকে দুৰ্জন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

বিদ্যু ঃ মহাবলশালী ৰাক্ষস মই বিদ্যুন্মালী ---
উগ্ৰ ঃ আৰু তৱ ভাতৃ মই উগ্ৰদংষ্ট্ৰ ; উৰুৰাম জগতত দুয়ো ভাতৃয়ে মিলি ৰাক্ষসৰ বিজয় পতাকা --
বিদ্যু ঃ নিশ্চয় ভাতৃ নিশ্চয় ; আছে আমাৰ অক্ষয় কীৰ্তি ; ৰাক্ষস আমি অখণ্ড প্ৰতাপী ; নাই আমাৰ সমকক্ষ বীৰ এই ধৰণীত । তথাপি, নলভিলো মই সন্তুষ্টিৰ সিংহাসন । আঃ হোৱা নাই মোৰ এতিয়াও বিশ্বাস, মানি নলয় মোৰ পৰাণে, প্ৰিয় সখা দশানন আৰু নাই , নাই , নাই । ভাতৃ , কেনেদৰে বনৰ কপি আৰু ঋক্ষক সঙ্গে কৰি এক সাধাৰণ মনুষ্যই বধিব পাৰে দুৰ্জয় ৰাৱনক ? নাই নাই , ই চক্ৰান্ত দেৱতাৰ ; ই চক্ৰান্ত কপট নাৰায়ণৰ ; শক্তি দি দেৱতাই মনুষ্য আৰু কপিক বধ কৰোৱালে বীৰ দশাননক ।
উগ্ৰ ঃ নহয় দাদা এয়া দেৱতাৰ চক্ৰান্ত ; নাই শক্তি দেৱতাৰ দশাননক পৰাস্ত কৰাৰ । পৰাস্ত কৰি ইন্দ্ৰক ৰাৱন তনয় হৈছিল খ্যাত ইন্দ্ৰজিত নামে ; গ্ৰহপতিকো বন্দী কৰি লংকাত ৰাখিছিল ৰাৱনে । তেনেস্থলত কেনেদৰে কৰিব সাহস দেৱতাই লংকা আক্ৰমণৰ ? ৰক্ত, আমাৰ ৰক্তই হৈছে সৰ্বনাশৰ মূল । অ দাদা, দেশদ্ৰোহী, জাতিদ্ৰোহী বিভীষণে বুদ্ধিদাতা হৈ ৰাম - লক্ষ্মণৰ, নাশ কৰিলে নিজৰ কুলক ।
বিদ্যু ঃ আঃ বিভীষণ ৰক্ষ জাতিৰ কলংক তই । বধ কৰাই পুত্ৰ - ভাতৃগণক অধীশ্বৰ হৈছ তই আজি লংকাৰ শ্মশানত । ধিক তোৰ লালসা , ধিক তোৰ কপতটা , তোৰ নামত মই শতবাৰ কৰোঁ পদাঘাত ।
উগ্ৰ ঃ দাদা, লভি লংকাৰ সিংহাসন দুৰাচাৰী বিভীষণে কৰিছে প্ৰচাৰ ৰাম বোলে নৰৰূপী নাৰায়ণ, আৰু তাকে কৰি সমৰ্থন মৰতৰ মনুষ্য কুণ্ডলৰ ৰজা সুৰথে অহোৰাত্ৰে কৰিছে ৰামকেই পূজন ---
বিদ্যু ঃ আঃ ষড়যন্ত্ৰ, কি ৰক্ষ, কি কপি, কি মনুষ্য সকলোৱে ৰচিছে ষড়যন্ত্ৰ । প্ৰতিষ্ঠা কৰি ৰামক জগতৰ ঈশ্বৰ নাশ কৰিব খোজে সিহঁতে আমাৰ শক্তিক । আঃ মহাভুল কৰিছে সিহঁতে ; নসহোঁ মই ৰামৰ পূজন , নসহো মই ৰামৰ ভজন ---
উগ্ৰ ঃ অস্থিৰ নহ'বা দাদা ; আছে জীয়াই তৱ ভাতৃ এই উগ্ৰদংষ্ট্ৰ ; মুণ্ড ছিঙি অধম মনুষ্যৰ, বক্ষ ফালি কুলাংগাৰ বিভীষণৰ মই কৰিম ৰক্তপান। এটি এটিকৈ বনৰ কপিক মই কৰিম ভক্ষণ।
বিদ্যু ঃ উত্তম ভাতৃ উত্তম ; ব'লা যাঁও প্ৰথমে কুণ্ডল ৰাজ্য ; কোন সুৰথেনো কৰে ৰামৰ পূজন তাৰ মই এবাৰ কৰোঁ নিৰীক্ষণ ---

**<u>সূত্ৰ ঃ ৰাক্ষসদ্বয়ৰ প্ৰস্থান । আনফালে সভাত পুত্ৰগণৰ সৈতে সুৰথ আহে ---</u>**

সুৰথ ঃ পুত্ৰ চম্পক, কৰিছেনে বাৰু আমাৰ প্ৰজাই নিতৌ ৰাম নামৰ জপ ?
চম্পক ঃ কৰিছে পিতা , আপোনাৰ আদেশ কোনেও কৰা নাই অৱজ্ঞা । ৰাজ্যত নিতৌ পুৱা - গধুলি ৰাম নামৰ হয় উচ্চাৰণ । ৰাম নাম জপ কৰি প্ৰজাগণো হৈছে সুখী ।
সুৰথ ঃ শুনি সন্তোষিত হ'লো পুত্ৰ । ৰাখিবা দৃষ্টি প্ৰজাৰ ওপৰত ; হ'ব লাগিব আমাৰ প্ৰজা সত্যবাদী, আৰু পবিত্ৰ মনৰ। স্বাৰ্থপৰ, লোভী, ব্যভিচাৰী, ৰামদ্ৰোহী পাপীষ্ঠৰ স্থান নাথাকিব আমাৰ ৰাজ্যত -

**<u>সূত্ৰ ঃ এনেতে অট্টহাস্য কৰি বিদ্যুন্মালী আৰু ভাতৃ উগ্ৰদংষ্ট্ৰ ----</u>**

বিদ্যু ঃ হাঃ হাঃ ৰামদ্ৰোহী পাপীষ্ঠৰ স্থান নাথাকিব তোৰ ৰাজ্যত -- তেন্তে কোন থাকিব তোৰ ৰাজ্যত ?
মোহক ঃ সাৱধান ; কোন তহঁত ? কাৰ অনুমতিত প্ৰৱেশিলি তহঁত আমাৰ ৰাজ্যত ?
উগ্ৰ ঃ অনুমতি ? আৰু আমাক ? হাঃ হাঃ সমীৰেও সোধে আমাক কোন দিশে বলিম আজি ; বৰুণেও সোধে আমাক কোন দিশে বৃষ্টি বৰষিম আজি ; আঃ অধম, নিচিনি তই আমাক কৰ অপমান -
সুৰথ ঃ কোন তোমালোক তেন্তে দি পৰিচয় ব্যক্ত কৰা আগমনৰ উদ্দেশ্য ---
উগ্ৰ ঃ ৰক্ষৰ শিৰোমণি এয়া মোৰ দাদা বিদ্যুন্মালী আৰু তৱ ভাতৃ মই উগ্ৰদংষ্ট্ৰ । সৌভাগ্য মিলিছে আজি তোৰ আমাৰ আগমণত । উদ্দেশ্যে আমাৰ অতিকে মহান ; চিৰশত্ৰু আমাৰ দাশৰথি ৰাম ; কৰিছো পণ বন্ধ কৰিম জগতত ৰামৰ পূজন ---

সুৰথ ঃ তেন্তে মিছাতেই কৰিলা পণ ; নিচিনিলা তোমালোকে দাশৰথি ৰামক । নহয় ৰাম কোনো সাধাৰণ মনিষ ; ধৈৰ্যশীল, শৌৰ্যশীল, নাৰায়ণৰ নৰৰূপে অৱতাৰ প্ৰভু শ্ৰীৰাম ---

বিদ্যু ঃ আঃ ৰাম, ৰাম, ৰাম --শুনিব নিবিচাৰো আৰু ৰামৰ গুণগান । শুন পাষণ্ড, দিছো সুযোগ ত্যাগ কৰ ৰামৰ পূজন , ত্যাগ কৰ ৰামৰ ভজন ; সঙ্গ দি আমাৰ লগত জগতৰপৰা ভণ্ড ৰামক কৰ বিতাৰণ --

সুৰথ ঃ আঃ অধম ৰাক্ষস ; শুনিব নিবিচাৰো ময়ো ৰামৰ নিন্দা । যদি বিচাৰ জীৱন মুহুৰ্ততে ত্যাগ কৰ মোৰ ৰাজ্য ---

বিদ্যু ঃ আঃ ইমান দম্ভ , ইমান অহংকাৰ ; ভাতৃ , শেষ কৰা ইহঁতৰ জীৱন ---

সুৰথ ঃ উত্তম ; পুত্ৰগণ , কৰা আক্ৰমণ --

**সূত্ৰ ঃ সমদল যুদ্ধ হয় --- ( বাজনা -- ভঙ্গী ) ; ৰাক্ষসদ্বয় পলাই যায় ------**

সুৰথ ঃ কিয় পলালি ৰাক্ষস ? এই শক্তি লৈয়ে শ্ৰীৰামৰ প্ৰতি ৰাখ বিৰোধ ? পুত্ৰগণ , দেখিলা তোমালোকে প্ৰভুৰ কৃপা ; একান্ত ভকতি ৰাখি প্ৰভুৰ চৰণত যদি কৰি যোৱা কৰ্তব্য পালন নোৱাৰে জিনিব আমাক অশুভ শক্তিয়ে । এতিয়া বলা সন্ধ্যা আৰতিৰ হৈছে সময় ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত দস্যু বীৰোপাক্ষৰ প্ৰৱেশ ---**

গীত- ( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )

**চলি আহে সভাৰ মাজে দস্যু বীৰোপাক্ষ ।**
**লোভমতি ক্ৰোধমতি অতিকে দুৰ্জন ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

বীৰোপাক্ষঃ হাঃ হাঃ ধৰ্ম, ধৰ্ম, কি আছে ধৰ্মত ? সদালাপ, সদাচাৰ সকলো মিছা । হৰিক ভজিলে, হৰিক চিন্তিলে নহয় ক্ষুধা পূৰণ ; নহয় যৌৱনৰ তৃষ্ণা পূৰণ --হাঃ হাঃ যোগ্য ভোগ্য বসুন্ধৰা , এই মন্ত্ৰকে কৰি সাৰোগত দস্যু বৃত্তি মই কৰিলো গ্ৰহণ । কি নাই মোৰ ? আছে বল , আছে ঐশ্বৰ্য , সকলোতে আজি পৰিচিত মই দস্যু বীৰোপাক্ষ হাঃ হাঃ -- সকলোৱে আজি মোক কৰে সমীহ ; অৰ্পণ কৰে সম্পদ মোৰেই নামত । কৰি মদ্যপান, কত ৰমণীৰ কৰি যৌৱন পান ধন্য কৰিছো মই নৱ জীৱন । যাঁও, সখা মদোৎকটক সঙ্গে লৈ আজিও যাঁও তেনে উদ্দেশ্যত হাঃ হাঃ ---

**সূত্ৰ ঃ বীৰোপাক্ষৰ প্ৰস্থান। সভাত ৰত্নাৱতীৰ প্ৰৱেশ ----------**

গীত - ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

**সভাত চলিয়া আহে দেৱী ৰত্নাৱতী।**
**ৰূপে গুণে বিভূষিতা তুমি সতী নাৰী।।**
**লয়লাসে চলি আহে সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ৰত্না ঃ মদোৎকটৰ ভাৰ্যা মই ৰত্নাৱতী । আজি মই সঁচাই আনন্দিত । মানি লৈছে স্বামীয়ে মোৰ বচন । কৰিছে স্বামীয়ে পণ কুসঙ্গ কৰিব বৰ্জন ; সৎভাৱে কৰ্ম কৰি যি কৰিব উপাৰ্জন তাৰেই চলিম আমি দুয়োজন । তাতকৈ আৰু কি লাগে আমাক ?

**সূত্ৰ ঃ এনেতে বীৰোপাক্ষ আহে ----**

বীৰোপাক্ষঃ সখা , সখা মদোৎকট ---

ৰত্না ঃ অ দেৱ , আহক ; পাছে , স্বামী নাই গৃহে ; গৈছে জীৱিকাৰ সন্ধানত ।

বীৰোপাক্ষঃ আচৰিত , নিদি সংবাদ মোক আজি কোন দিশে , কাৰ গৃহে সখাই কৰিব লুণ্ঠন ?

ৰত্না ঃ আপুনি ভুল বুজিছে দেৱ , মোৰ স্বামীয়ে আজিৰপৰা তেজিছে দস্যুৰ জীৱন । সৎ ভাৱে কৰ্ম কৰি অৰ্থ উপাৰ্জনৰ কৰিছে পণ ---।

বীৰোপাক্ষঃ কি ? সৎ ভাৱে কৰিব অৰ্থ -- ? অৰ্থাৎ অতদিনে কি আমি কৰিছিলো অসৎ কৰ্ম ?

ৰত্না ঃ হয় দেৱ, আনৰ কষ্টেৰে উপাৰ্জিত ধন হৰণ কৰাটো কদাপি হ'ব নোৱাৰে সৎ কৰ্ম । কষ্টৰ উপাৰ্জনৰ সমান নাই আনন্দ। দেৱ, আপোনাকো কৰোঁ অনুৰোধ ত্যাগ কৰক এই দস্যুৰ জীৱন।

বীৰোপাক্ষঃ হাঃ হাঃ তুমি উচিত কথা কৈছা দেৱী ; ময়ো তেজিব পাৰোঁ দস্যুৰ জীৱন -- শ্ৰম কৰি কৰিম উপাৰ্জন -- যদিহে তোমাৰ দৰে সুন্দৰীক ভাৰ্যা ৰূপে লভো জীৱনত হাঃ হাঃ ---

ৰত্না ঃ ছিঃ কি কৈছে দেৱ ? নাপায় , নাপায় দেৱ , আপোনাৰ সখাৰ পত্নী মই ।

বীৰোপাক্ষঃ কৰিছো কত ৰমণীক ৰমন , কিন্তু -- আ-হাহা কি যে অপূৰ্ব দেহৰ সুষমা তোমাৰ ---

ৰত্না ঃ দেৱ --।।

বীৰোপাক্ষঃ আঁহা, আঁহা সুন্দৰী, স্বামী নাই গৃহে, পাইছা সুযোগ, আঁহা ৰত্নাৱতী, পূৰ্ণ কৰা মোৰ দেহৰ অগণি-

ৰত্না ঃ সাৱধান , সতী নাৰী মই, এক পতিৰ বাহিৰে নিচিন্তো আন। আঁতৰ হ তই আমাৰ গৃহৰ পৰা --

বীৰোপাক্ষঃ আঃ প্ৰত্যাখ্যান মোৰ নহয় সহ্য । দস্যু মই বীৰোপাক্ষ ; চাঁও বাৰু কোনে আজি তোক কৰে ৰক্ষা ; বলপূৰ্বকভাৱে তোৰ হৰিম সতীত্ব ---

ৰত্না ঃ নাই নাই, স্বামী --------------------------- (বিলাপ)

**( ৰাগ ঃ শ্ৰী গান্ধাৰ , তাল ঃ ধৰমজ্যোতি )**

ৰক্ষা কৰক স্বামী মোক ঘোৰ বিপদত ।
কিনো ভাগ্য কিনো ভাগ্য মোৰ কপালত ।।
কোন কৈত আছা মোক উদ্ধাৰা এখন ।
অধম দস্যুই হৰে মোৰ অমূল্য ৰতন ।।

বীৰোপাক্ষঃ হাঃ কোনো নাই, কোনোৱে নোৱাৰে আজি তোমাক উদ্ধাৰ কৰিব । আঁহা সুন্দৰী আঁহা --

**সূত্ৰ ঃ বীৰোপাক্ষই ৰত্নাৱতীক বলেৰে লৈ যায়। সভাত মুনিবৰ বশিষ্ঠৰ প্ৰৱেশ ----**

**গীত- ( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )**

**প্ৰৱেশয় সভাৰ মাজে মুনিবৰ বশিষ্ঠ ।**
**মহাগুণী তপোধাৰী জগতৰ নমস্য ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

**সূত্ৰ ঃ বশিষ্ঠৰ প্ৰস্থান । সভাত ক্ৰন্দন কৰি ৰত্নাৱতী --**

**গীত ঃ ( ৰাগ- বেলুৱাৰ ; তাল - ৰূপক )**

**মনৰ দুখে চলি আহে দেৱী ৰত্নাৱতী ।**
**কিনো দোষে আজি তই হলি অভাগিনী ।।**

ৰত্না ঃ স্বামী, ক্ষমা কৰিব মোক ; নোৱাৰিলো মই সতীত্ব ৰাখিব -- সৰ্বচ্ছ মোৰ নিলে কাঢ়ি ----

**সূত্ৰ ঃ এনেতে বীৰোপাক্ষ আহে -----**

বীৰোপাক্ষঃ হাঃ হাঃ ধন্য হ'ল আজি মোৰ জীৱন ; পূৰ্ণ হ'ল আজি অতৃপ্ত যৌৱন । ধন্যবাদ দেৱী --

ৰত্না ঃ নীচ , পাপী, পতিব্ৰতা নাৰীক নিচিনিলি তই । বেদৱতীক অপমান কৰি , ৰম্ভাৰ সতীত্ব হৰি, নিধন হ'ল ৰাৱন । যি দুস্কাৰ্য তই কৰিলি সাধন তাৰ পাবি তয়ো উচিত দণ্ড ।

বীৰোপাক্ষঃ কোনে দিব মোক দণ্ড ? নাম মোৰ বীৰোপাক্ষ -- হাঃ হাঃ

ৰত্না ঃ মোৰ স্বামীয়ে তোক দিব দণ্ড । দিম স্বামীক মই তোৰ কুকৰ্মৰ বিৱৰণ ।

বীৰোপাক্ষঃ হাঃ হাঃ তাৰবাবে জানো তই থাকিবি জীয়াই ? কোন আছে ইয়াত ? কোনে দেখিছে আমাক ? যদি মই এই তীক্ষ্ণ অস্ত্ৰ হাঃ হাঃ দিওঁ তোৰ বুকুত বহুৱাই ---( অস্ত্ৰ মাৰে ) যা ৰত্নাৱতী , যমৰ গৃহে গৈ তই দেগৈ সংবাদ ।

ৰত্না ঃ আঃ -- পাপীষ্ঠ , ভগৱন্তৰ দৃষ্টিৰপৰা তই নাযাৱ হাৰি --

বীৰোপাক্ষঃ ভগৱন্ত ? হাঃ হাঃ তৃপ্ত হ'ল মোৰ কামনা ; পৰি থাক, পৰি থাক তই গৃহৰ মধ্যে ; অচিৰেই মৃত্যুৰ শীতল কোলাত তই কৰিবি শয়ন -- হাঃ হাঃ ------ ( <u>প্ৰস্থান</u> )

ৰত্না ঃ আঃ অসহ্য যান্ত্ৰনা ; স্বামী --- বিদায় পৰত আপোনাৰ নহ'ল দৰ্শন -- স্বামী-- প্ৰভু --( <u>মৃত্যু হয়</u> )

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত প্ৰথমে অস্থিৰভাৱে ৰাম। পাছত বশিষ্ঠ আহে -</u>**

বশিষ্ঠ ঃ ৰঘুপতি ---

ৰাম ঃ ৰঘুকূলৰ মহান গুৰু বশিষ্ঠক ৰামে জনাইছো ভক্তিভৰা সেৱা --; গুৰুদেৱ দূৰ কৰক আপুনি মোৰ মনৰ শোক ।

বশিষ্ঠ ঃ ৰঘুপতি, কিয় কোৱা এনে বচন ? কি শোকত দহিছা তুমি ?

ৰাম ঃ গুৰুদেৱ, দুৰ্ভগীয়া ৰামে জানো পাইছে জীৱনত কেতিয়াবা সুখ। মৰণ কালত পিতৃয়ে ৰাম , ৰাম বুলি আমাকেই কাতৰে মাতিছিল , নেদেখিলো মই পিতৃৰ মুখ। বনত ৰাৱনে হৰণ কৰি সীতাক মনত দিছিল দুখ । কৰিছিলো বধ ৰাৱনক , উদ্ধাৰ কৰিছিলো জানকীক ; বুকুত লওঁতেই সাৰটি লোক নিন্দাৰ ভয়ত ৰাজধৰ্ম পালন কৰি বুকুৰ ৰতনক দিলো দলিয়াই ।

বশিষ্ঠ ঃ বেজাৰ নকৰিবা ৰঘুপতি ; তুমি প্ৰজাপালক ৰাম ; ৰজাৰ দায়িত্বই তুমি কৰিছা পালন। ধৈৰ্য, শৌৰ্য, কৰ্তব্যৰ তুমি ৰাখিছা প্ৰমাণ । তুমি মহান , তুমি পুৰুষোত্তম , তুমি ৰঘুকূলৰ শিৰোমণি ।

ৰাম ঃ গুৰুদেৱ, নকৰিব আৰু এই পাতকীৰ গুণগান । প্ৰজাৰ দুখদাতা, পত্নীৰ দুখদাতা, ব্ৰহ্মবধি এই ৰাম । অ গুৰুদেৱ, মই ব্ৰহ্মবধি, ব্ৰাহ্মণক মই কৰিলো হত্যা । জানিলো মহৰ্ষি অগস্ত্যৰ মুখেৰে ৰাৱনৰ বংশ পৰিচয় । আছিল ৰাৱন ঋষি বিশ্ৰশ্ৰবাৰ তনয় । বধ কৰি ৰাৱন আৰু কুম্ভকৰ্ণক এই দুহাতেৰে ব্ৰহ্মহত্যাৰ পাপত পৰিলো মই । তেনেস্থলত কিদৰে হ'ম মই ৰঘুকুলৰ শিৰোমণি ? অ গুৰুদেৱ, কুলাংগাৰ মই ; কলংক সানিলো মই মহান ৰঘুকূলত ।

বশিষ্ঠ ঃ ৰাম, নকৰিবা দুখ ; ব্ৰহ্মহত্যা কৰিলেও তাৰ প্ৰায়শ্চিত্তৰ আছে উপায় । মহৰ্ষি অগস্ত্যই জানো তোমাক নিদিলে ইয়াৰ বিধান ?

ৰাম ঃ বিধান দিছে গুৰুদেৱ ; দিছে উপায় মোক অশ্বমেধ যজ্ঞৰ ।

বশিষ্ঠ ঃ উত্তম উপায় -- নাই আন পূণ্য অশ্বমেধ যজ্ঞমান । ৰাম , তুমি শাস্ত্ৰজ্ঞ, তুমি মহাসমৃদ্ধিশালী, অনায়াসে অশ্বমেধ যজ্ঞ তুমি কৰিবা সমাপন । ৰঘুকূলত পূৰ্বেও মহাৰাজ দিলীপে কৰিছিল এই যজ্ঞ ; গতিকে তুমিও পাৰিবা , আছে তোমাৰ সহায় দেৱতুল্য ভাতৃগণ ।

ৰাম ঃ গুৰুদেৱ , এইক্ষেত্ৰত আপুনিও আমাক সহায় কৰক ।

বশিষ্ঠ ঃ নিশ্চয় কৰিম ৰাম ; এয়া আমাৰ পৰম ভাগ্য । নাই আৰু বেছিদিন বসন্ত কাললৈ । যজ্ঞৰ প্ৰস্তুতিৰ কৰা আয়োজন । প্ৰয়োজন হ'ব আমাক এক বিশেষ অশ্বৰ। হ'ব লাগিব সেই অশ্ব গঙ্গা জলৰ দৰে স্বচ্ছ ; বৰণত শুভ্ৰ ; শ্যামবৰ্ণৰ কৰ্ণ ; মুখ হ'ব লাগিব তাৰ ৰক্ত বৰ্ণৰ ; হ'ব লাগিব

সি মনৰ সমান বেগৱন্ত । এনে অশ্ব তুমি যোগাৰ কৰিব লাগিব ৰাম ।

ৰাম : অশ্বৰ বাবে চিন্তা নকৰিব গুৰুদেৱ ; ভাতৃ লক্ষ্মণক দিম মই এই দায়িত্ব । এতিয়া ব'লক গুৰুদেৱ , ভাতৃগণৰ লগত এই সন্দৰ্ভত কৰোঁগে আলাপ ।

**সূত্ৰ :দুয়োৰে প্ৰস্থান। সভাত যমদূত পিঙ্গল আৰু উজন্তৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )**

পিঙ্গল : ধৰ্মৰাজৰ দূত আমি নাম মোৰ পিঙ্গল --

উজন্ত : আৰু মই উজন্ত । পাছে সখা, বীৰোপাক্ষ নামে এক পাপীৰ মৰতত মিলিছে মৰণ । আনিব লাগে সেই পাপাত্মাক নৰক ধামলৈ । সেই দায়িত্ব পৰিছে আমাৰ ওপৰত ।

পিঙ্গল : জানো সখা, যত পাপী আছে ধৰাৰ বক্ষত সৱাৰে পাপাত্মাক অনাৰ দায়িত্ব পৰে আমাৰ ওপৰত । ব'লা সখা যাঁও আমি নিজ কৰ্তব্যত ।

**সূত্ৰ : যমদূতৰ প্ৰস্থান। আনফালে সভাত যমৰাজ আৰু চিত্ৰগুপ্ত -----**

চিত্ৰগুপ্ত : আহক আহক ধৰ্মৰাজ , আপোনাৰ বিধানমতে আমাৰ দূতে পাপীগণক দিছে যথোচিত শাস্তি ।

***(সূত্ৰ : বাহিৰৰপৰা পাপাত্মাগণৰ চিৎকাৰ ভাঁহি আহে --আঃ আঃ নামাৰিব, নামাৰিব )***

চিত্ৰগুপ্ত : ধৰ্মৰাজ, সৌজন বিশ্বস্বামী, জাতত ব্ৰাহ্মণ ; পাছে , জীৱনকালত মৰতত কৰিছিল অগম্য গমন । কুৰিতকৈও অধিক বেশ্যাক সি কৰিছিল ৰমন ।

যম : মহাপাপী সি, মানব জনম লভি এবাৰলৈও নকৰিলে শ্ৰীহৰিক চিন্তন । অযুত বছৰ নানা শাস্তি বিহি ৰাখিম তাক এই নৰক কুণ্ডত । পাছত শূকৰ যোনিত তাক কৰিম নিক্ষেপ ।

চিত্ৰগুপ্ত : সিমানতে জানো তাৰ পাপ খণ্ডন হ'ব ধৰ্মৰাজ ?

যম : নিশ্চয় নহয় ; তাৰ পাছে সি যাঁড় ৰূপে ল'ব জনম । যাঁড়ৰ পাছত পুনৰ মনুষ্য ৰূপে জনম লৈ পুণ্য অৰ্জনৰ বাবে পাব সুযোগ ------

**সূত্ৰ : এনেতে যমদূতদ্বয়ে পাপাত্মাৰূপী বীৰোপাক্ষক ধৰি লৈ আহে ---**

উজন্ত : আহ, আহ অধম ; লৈ যাঁও তোক ধৰ্মৰাজৰ সমীপে --

বীৰোপাক্ষঃ এৰি দিয়ক, এৰি দিয়ক, মোক যাব দিয়ক ; হে দেৱ , আপোনাসৱৰ হৈছে ভুল । নৰকগামী হোৱাকৈ মইতো কৰা নাছিলো কোনো পাপ কৰ্ম ।

যম : দূত, কোন ই ? কিয় কৰে কোলাহল ?

পিঙ্গল : ধৰ্মৰাজ, লৈ আহিলো এই পাপীক মৰতৰ পৰা ।

চিত্ৰগুপ্ত : ধৰ্মৰাজ, পাপী নহয় , মহাপাপী ই ; ধাৰণ কৰি মনুষ্য কলেৱৰ দস্যু বীৰোপাক্ষ নামে মৰতত হৈছিলি কুখ্যাত ।

যম : দিয়া চিত্ৰগুপ্ত ইয়াৰ কুকীৰ্তিৰ বৰ্ণন ।

চিত্ৰগুপ্ত : এইজনাৰ কুকীৰ্তি লিখি লিখি মই হৈছিলো বিৰক্ত। ইয়াৰ কুকাৰ্য মোৰ নখ দৰ্পনত । ধৰ্মৰাজ, পৰধন হৰণ কৰি ই কৰিছিলে ভোগ ----

যম : অধৰ্মী, নিজে নকৰি কৰ্ম আনে কষ্টেৰে অৰ্জা ধন তই কৰিছিলি হৰণ । এনে পাপৰ বাবে কটা যাব ইয়াৰ দুই হস্ত ---

বীৰোপাক্ষঃ কি দুই হস্ত মোৰ কৰিব ছেদন -- ?

চিত্ৰগুপ্ত : ধৰ্মৰাজ, ভোকাতুৰজনৰ হাতৰ পৰা অন্ন কাঢ়ি এই পাপীষ্ঠই কৰিছিলে ভক্ষণ ।

যম : পাপীষ্ঠ, ভোকাতুৰৰ ভোক নুবুজিলি তই । ভোকাতুৰজনৰ অন্ন কঢ়াৰ পাপত নিজৰেই বিষ্ঠা ইয়াক কৰোৱাবা ভক্ষণ ।

বীৰোপাক্ষঃ কি , বিষ্ঠা ? আৰু ভক্ষণ ? নাই নাই ধৰ্মৰাজ নোৱাৰিম মই কৰিব বিষ্ঠা ভক্ষণ । ক্ষমা , ক্ষমা কৰক ধৰ্মৰাজ ---

চিত্ৰগুপ্ত ঃ অ ভোকাতুৰজনৰ অন্ন কাঢ়ি গো-গ্ৰাসে কৰিছিলি ভক্ষণ । এতিয়া নোৱাৰিলে কেনেকৈ হ'ব ? তই চিন্তা নকৰিবি ; আমাৰ দূতসকল এই কামৰ বাবেই আছে । ধৰ্মৰাজ, শেষেই নহয় ইয়াৰ কুকৰ্ম ; সুৰাৰ ৰাগীত মাতাল হৈ অশ্ৰাব্য শ্ৰৱণেৰে মুখত থাকিল মাথো অশ্লীল মাত --

যম ঃ আঃ মহাপাপী ই ; দেৱৰো দুৰ্লভ মানৱ জীৱন লভিও নল'লি সুযোগ, নকৰিলি ভগৱন্তক ধ্যান ; নুশুনিলি ভগৱন্তৰ নাম । পৰচৰ্চা , অখাদ্য ভোজন , অশ্ৰাব্য শ্ৰৱণেৰে মনুষ্য জীৱন কৰিলি বৃথা । পিঙ্গল, লৈ আঁহা তপ্ত লোৰ শলা ---

পিঙ্গল ঃ আদেশ পালন কৰা হ'ব ধৰ্মৰাজ -- ( **প্ৰস্থান** )

বীৰোপাক্ষঃ লোৰ শলা ? তপ্ত লোৰ শলা ? আঃ -- হে ধৰ্মৰাজ , মোক ক্ষমা কৰক । মই আপোনাৰ চৰণত কৰিছো মিনতি ---

যম ঃ মিছা পাপীষ্ঠ, মিছা ; তোৰ দৰে পাপীৰ ৰোদনত ধৰ্মৰাজৰ হৃদয় নহয় বিগলিত ।

চিত্ৰগুপ্ত ঃ এতিয়া যেনেদৰে ধৰ্মৰাজৰ চৰণত পৰি কৰিছ মিনতি , তেনেদৰে যদি মৰতত ভগৱন্তক কৰিলিহেঁতেন স্তুতি । ক'ত কৰিবি , নিতৌ ললি জিভাত মদিৰাৰ তৃপ্তি ---

**সূত্ৰ ঃ লোৰ শলা লৈ পিঙ্গল আহে -----------**

পিঙ্গল ঃ ধৰ্মৰাজ, লৈ আহিলো অগ্নিসম তপ্ত কৰি লোৰ শলা ---

যম ঃ উত্তম, ভৰাই দিয়া লোৰ তপ্ত শলা ইয়াৰ কৰ্ণত ---

বীৰোপাক্ষঃ কি মোৰ কৰ্ণত ভৰাব লোৰ শলা ? নাই নাই, ক্ষমা ধৰ্মৰাজ, ক্ষমা --

**সূচনা**

**দেখা দেখা নৰলোক নৰকৰ বিধান ।**
**পাপক খণ্ডিয়ো ডাকি বোলা ৰাম ৰাম ।।**

**সূত্ৰ ঃ যমদূতে শাস্তি দিয়ে । তীব্ৰ যান্ত্ৰনাত বীৰোপাক্ষ অচেতন হয় --**

যম ঃ চোৰা চোৰা সৰ্বজনে , পাপৰ শাস্তি এনেদৰেই ভোগে নৰক ধামত । যি দুৰ্মতিয়ে পৰধন কৰে হৰণ শাস্তি ভোগে সি তামিশ্ৰ নৰকত ; যি পাপীয়ে অকাৰণতে কৰে জীৱ বধ সেই পাপীয়ে শাস্তি ভোগে ৰৌৰৱ নৰকত ; যি অধমে কটু বচনে আনক দিয়ে দুখ সেই অধমে দন্দশূক নৰকত সৰ্পৰদ্বাৰা দংশিত হৈ ভূগিব শাস্তি বাৰম্বাৰ -----

চিত্ৰগুপ্ত ঃ ধৰ্মৰাজ, ইয়াৰ কুকীৰ্তি নহ'ল শেষ ।

যম ঃ কি আৰু আছে ইয়াৰ পাপ ?

চিত্ৰগুপ্ত ঃ অ ধৰ্মৰাজ, পাপীৰ খকটো চাওক , মিত্ৰৰ পত্নীৰো ই কৰিছিল সতীত্ব হৰণ ; মিত্ৰপত্নীক কৰি নিধন শেষত মিত্ৰৰ হাততেই ই তেজিলে মনুষ্য জীৱন ।

যম ঃ আঃ নাৰীবধীও ই । নিচিনিলে নাৰীৰ সন্মান ; সখাৰ পত্নীৰো কৰিলে সতীত্বক অপমান । আঃ অপৰাধ ইয়াৰ ক্ষমাৰ অযোগ্য । হে মোৰ নৰকৰ অত্যেন্দ্ৰ প্ৰহৰী, অগ্নিসম তপ্ত কৰি লোৰ প্ৰতিমাত ইয়াক শতবাৰ কৰোৱাবা আলিঙ্গন । পাছে ইয়াৰ জিহ্বা আৰু দুই হস্ত দেহৰ পৰা কৰিবা ছেদন । লৈ যোৰা মহাপাপীক মোৰ সন্মুখৰ পৰা --

উজন্ত ঃ আদেশ পালন কৰা হ'ব ধৰ্মৰাজ । লৈ ব'লা সখা ইয়াক ; বিধিমতে ইয়াক বিহিমগৈ দণ্ড ।

**সূত্ৰ ঃ যমদূতগণে বীৰোপাক্ষক লৈ যায় ---**

চিত্ৰগুপ্ত ঃ পাপীয়ে উচিত দণ্ড পাইছে ধৰ্মৰাজ । মৰতৰ কামভাৰ নৰকত আহি ইয়াৰ হ'ব বাহিৰ ।

যম ঃ নৰকৰ বিধান মতেই বিহা হ'ল তাক উচিত দণ্ড । হওঁ আচৰিত , কিয় অবুজন হয় মৰতৰ মনুষ্য ; শাস্তি দি ময়ো পাঁও মনোকষ্ট । সঁচাই যদি কুণ্ডলৰ দৰে হ'লহেতেঁন সকলো মনুষ্য আনন্দিত হ'লহেঁতেন এই ধৰ্মৰাজ । সঁচাই পুণ্যভূমি মৰতৰ কুণ্ডল ---

চিত্ৰগুপ্ত ঃ　ধৰ্মৰাজ , নললে আপুনি সৰগৰ নাম ;. নললে আপুনি মৰতৰ অযোধ্যাৰ নাম , কিয় ল'লে কুণ্ডলৰ নাম ?

যম ঃ　সৰগৰ ৰূপ জানো নাজানা তুমি ? অন্যহাতে প্ৰভু ভগৱন্তই শ্ৰীৰাম ৰূপে লৈছে অৱতাৰ যি অযোধ্যাত সেই পুণ্যভূমি অযোধ্যাৰ বিষয়ে আমি কোৱাৰ জানো আছে প্ৰয়োজন ? পাছে চিত্ৰগুপ্ত, তুমি সঁচাই নিচিনানে মৰতৰ কুণ্ডল ৰাজ্যক ?

চিত্ৰগুপ্ত ঃ　জানো ধৰ্মৰাজ , কুণ্ডল ৰাজ্যৰ মনুষ্যগণো অতিকে ধাৰ্মিক । নোৱাৰে প্ৰৱেশিব তাত আমাৰ দূত আৰু ৰাজন প্ৰয়োজনো হোৱা নাই আমাৰ দূতক তালৈ প্ৰেৰণ কৰাৰ । সঁচাই অতিকে মহান মৰতৰ কুণ্ডল ৰাজ্য ।

যম ঃ　তাৰ মূলতে হৈছে কুণ্ডলৰাজ ; মহা ধাৰ্মিক , ৰাম সেৱক সুৰথ । তেওঁৰ আদৰ্শকে প্ৰজাই লৈছে আঁকোৱালি । অহৰ্নিশে কুণ্ডলত চলিছে ৰাম নাম । তেনেহেন ৰাম সেৱকক এবাৰ দৰ্শনৰ হেপাঁহ আমাৰ মনতো জাগে । বাৰু এতিয়া ব'লা , খন্তেক কৰোঁগে বিশ্ৰাম ।

**সূত্ৰ ঃ　দুয়োৰে প্ৰস্থান। সভাত হনুমান আৰু অঙ্গদৰ প্ৰৱেশ ----**

**গীত ঃ (ৰাগ - মল্লাৰ ; তাল - ৰূচক )**

**প্ৰৱেশিলা সভাৰ মাজে বীৰ হনুমান ।**
**সঙ্গে আহে অঙ্গদ কুমাৰ অতি বলবান ।.**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**সভাসদে ৰাম ৰাম বোলা নিৰন্তৰ ।।**

হনু ঃ　জয় শ্ৰীৰাম ---- কুমাৰ অঙ্গদ, আমাৰ প্ৰভু শ্ৰীৰামে অশ্বমেধ যজ্ঞৰ কৰিছে আয়োজন । ধন্য কৰি পুনৰ আমাৰ জীৱন প্ৰভুৱে আমাক কৰিছে স্মৰণ ।

অঙ্গদ ঃ　কপিবৰ, অহো ভাগ্য আমাৰ ; কৰিছিলো জীৱন ধন্য পূৰ্বে লংকাত কৰি প্ৰভু শ্ৰীৰামৰ কাৰ্য সাধন । পুনৰ পাইছো সুযোগ সান্নিধ্য লভাৰ প্ৰভু শ্ৰীৰামৰ ।

হনু ঃ　সত্য বচন বুলিলা কুমাৰ ; বনৰ কপি হৈ ভাগ্য বলে লভিলো শ্ৰীৰামৰ সঙ্গ । ৰামৰ নামতে উচৰ্গিলো এই তুচ্ছ জীৱন --- জয় শ্ৰীৰাম --- ব'লা কুমাৰ, কপিৰাজ সুগ্ৰীৱৰ সঙ্গে সমস্ত কপিকুলক লৈ যাত্ৰা কৰোঁ আমি অযোধ্যা ৰাজ্যলৈ ---

অঙ্গদ ঃ　ব'লক কপিবৰ ---

**সূত্ৰ ঃ　দুয়োৰে প্ৰস্থান। সভাত ধূপ - দীপ লৈ সুৰথ আহে ---**

সুৰথ ঃ　হে দয়াময় ৰঘুপতি কৃপা কৰিবা তুমি আমাৰ ওপৰত ------ ( স্তুতি )

নমো নমো ৰঘুপতি জগত আধাৰ ।
অন্তৰ্য্যামী তুমি প্ৰভু দয়াৰ সাগৰ ।।
নমো নমো শ্ৰীৰাম কৈশল্যা নন্দন ।
কৰিবাহা কৃপা মোক দিবা দৰিশন ।।

**সূত্ৰ ঃ　এনেতে সন্ন্যাসী বেশে যমৰাজ আহে ---**

যম ঃ　হাঃ হাঃ কোন শ্ৰীৰাম ? মিছা ৰাজন, সকলো মিছা -- ন মনুষ্যাৎ শ্ৰেষ্ঠ তৰংহি কিঞ্চিত --এনেহেন মনুষ্য জনম লভি কিয় ৰামক পূজন কৰি মূল্যবান মানৱ জীৱন কৰিছা নষ্ট ?

সুৰথ ঃ　কোন আপুনি ? দেখাতটো লাগে তপস্বী ; কিন্তু আচৰিত তপস্বী হৈ নিচিনিলে শ্ৰীহৰিক । শুনক তেন্তে যাৰ নাই আদি, যাৰ নাই অন্ত, অবিনাশী, সৰ্বশক্তিমান তেওঁৱেই শ্ৰীহৰি জগতৰ ভগৱান। যুগে যুগে লয় ধৰাত নানা অৱতাৰ । ৰঘুপতি শ্ৰীৰামচন্দ্ৰৰূপে তেওঁ বৰ্তমান মৰতত বিৰাজমান।

যম ঃ　তোমাৰ ধাৰণা ভুল ৰাজন । হ'ব পাৰে ৰাম শ্ৰীহৰিৰ অৱতাৰ , কিন্তু তেওঁক পূজিলে জীৱই সংসাৰৰ ক্লেশৰপৰা নাপাই পৰিত্ৰাণ । কৰ্মৰ অধীন সমস্ত জীৱগণ ; কৰ্মফলেই জীৱই লভে স্বৰ্গপুৰী ; কৰ্মফলেই জীৱৰ ঘটে নৰক প্ৰাপ্তি ।

সুৰথ : আপোনাৰ কথনৰ তাৎপৰ্য কি ? কৰা নাই নেকি মই কৰ্ম সাধন ? ৰাজন হৈ প্ৰজাক পুত্ৰসম কৰিছো জ্ঞান । কৰিছো ৰাজ্যত শান্তি প্ৰতিষ্ঠা । ৰাজ ধৰ্ম , ৰাজ কৰ্ম মই কৰিছো পালন ; নিজ নিজ কৰ্ম পালন কৰি প্ৰজাগণেও ৰঘুপতিৰ গুণগান কৰিছে স্মৰণ ।

যম : ইয়াতেইটো কৰিছা ভুল ; শত যজ্ঞ কৰি ইন্দ্ৰই লভিছে দেৱৰাজ ; মৰুদ আদি দেৱগণে কৰি যাগ-যজ্ঞ, লভি অক্ষয় কীৰ্তি, সুন্দৰী অপেশ্বৰীক কৰিছে উপভোগ । কিন্তু তুমি কৰিছা কি ? সতীসম পত্নীকো ত্যাগ কৰা মানৱৰূপী ৰঘুপতিক স্মৰণ কৰি জীৱন মাথো কৰিছা বৃথা ।

সুৰথ : তপস্বী --; ধৰিলেই বেশ , পিন্ধিলেই গেৰুৱা বসন নহয় কোনো সঁচা তপস্বী । আঃ বুজিছো, অধম ভণ্ড তপস্বী তই । লালায়িত সেয়ে তই বিষয় বাসনাত । শুন পাষণ্ড, সুন্দৰীৰ সঙ্গ আৰু মদিৰা পানেই নহয় জীৱনৰ সৰ্বচ্চ । নালাগে মোক তেনে তামস সুখ ----

যম : ৰাজন, অপ্ৰিয় যদিও এয়াই সত্য । ৰাম নাম ভজি কি পাবা জীৱনত ? লভিবা মাথো সাত্বিক সুখ ; চেষ্টা কৰা তুমি পাবলৈ স্থান সৰগত । সেই হেতু যাগ-যজ্ঞ কৰি দেৱগণক কৰা সন্তুষ্ট ; ত্যাগ কৰা আজিৰ পৰা তুমি ৰঘুপতিৰ ধ্যান ।

সুৰথ : আঃ তপস্বী ; আৰু এটা শব্দও নকৰিবি উচ্চাৰণ । ৰামৰ নিন্দা মই নোৱাৰোঁ সহিব । ৰামৰ সমান শ্ৰেষ্ঠ দেৱ , ৰামৰ সমান শ্ৰেষ্ঠ ব্ৰত, ৰামৰ সমান শ্ৰেষ্ঠ তপ নাই এই জগতত । জানিবি শ্ৰীৰাম নৰৰূপী ভগৱান ; চণ্ডালেও পাই মুক্তি যদিহে হৃদয়ত কৰে ৰামকেই ধ্যান । তপস্বী হৈ তই নিচিনিলি ৰামক , কৰিলি অপমান ; আৰ্জিলি দুৰ্ঘোৰ পাপ। আঃ তপস্বী বাবে তোক মই কৰিছো ক্ষমা ; কিন্তু নকৰে তোক ক্ষমা ধৰ্মৰাজে । লৌহ দণ্ডৰে প্ৰহাৰ কৰি তোক যমৰ দূতে লৈ যাব নৰক কুণ্ডলৈ ------------------------------------------------------------

যম : সাধু , সাধু সুৰথ ; যেনেদৰে শুনিছিলো , যি ভাৱে ভাৱিছিলো তেনে ৰূপতেই পালো তোমাক । শ্ৰীৰামৰ মহান সেৱক তুমি । তোমাৰ বাণীত আমি হ'লো সন্তুষ্ট -------------

সুৰথ : হে তপস্বী , জাগিছে মনত সন্দেহ ; নহয় আপুনি প্ৰকৃততে সাধাৰণ তপস্বী । কোন আপুনি -- ? দয়া কৰি দিয়ক আপোনাৰ সত্য পৰিচয় ------------------------------------------------

যম : কুণ্ডলৰাজ , তোমাৰ অনুমান সত্য ; আমি ধৰ্মৰাজ --

সুৰথ : ধৰ্মৰাজ ? অহোভাগ্য আমাৰ মিলিছে জীৱনত ; হে ধৰ্মৰাজ অধমৰ সেৱা গ্ৰহণ কৰক --

যম : কুণ্ডলৰাজ, শ্ৰীৰামৰ প্ৰতি তোমাৰ অচলা ভক্তিত আমি হ'লো সন্তুষ্ট । যেনেদৰে শুনিছিলো তেনেদৰেই পালো তোমাক । ইমান প্ৰলোভন দিও নোৱৰিলো তোমাক মই শ্ৰীৰামৰ সেৱাৰপৰা বিচলিত কৰাব ।

সুৰথ : ধৰ্মৰাজ , নিচিনি আপোনাক মই কৰিলো তিৰস্কাৰ । মোৰ অপৰাধ মাৰ্জনা কৰক ।

যম : তোমাৰ কোনো দোষ হোৱা নাই ৰাজন । কোৱা ৰাজন , কি বিচাৰা তুমি মোৰ পৰা ?

সুৰথ : ধৰ্মৰাজ, আপুনি যদি সঁচাই মোৰ প্ৰতি হৈছে সন্তুষ্ট তেন্তে দিয়ক আশীৰ্বাদ শ্ৰীৰামচন্দ্ৰৰ পদধূলা যেন পৰে আমাৰ ৰাজ্যত । দৰশন লভো যেন মই প্ৰভু শ্ৰীৰামক এই জনমতে ।

যম : তোমাৰ মনোবাঞ্চা পূৰণ হ'ব । ৰঘুনাথে স্বয়ং দৰশন দিব তোমাক ; সময়ত আহিব সুযোগ , তুমি বুদ্ধিমান , উচিত বুদ্ধিৰে শ্ৰীৰামক তুমি কৰিবা দৰ্শন ----- ( <u>প্ৰস্থান</u> )

সুৰথ : ধন্য হ'লো ধৰ্মৰাজ , ধন্য হ'লো মই ------- ধন্য হ'ব আমাৰ ৰাজ্য শ্ৰীৰামৰ পদস্পৰ্শৰে । যাঁও মই এতিয়া কৰোঁগৈ অপেক্ষা সেই পবিত্ৰ ক্ষণলৈ --

**<u>সূত্ৰ</u> : <u>দুয়োৰে প্ৰস্থান। সভাত প্ৰথমে উগ্ৰদংষ্ট্ৰ ; পাছত চিন্তিত মনে বিদ্যুন্মালী</u> ---**

উগ্ৰ : চিন্তিত নহ'বা দাদা -----

বিদ্যু : চিন্তিত নহয় ভাতৃ , সাধাৰণ মনুষ্যৰ হাতত হৈ পৰাজিত আজি মই লজ্জিত । উচ্চ শিৰ মোৰ হ'ল অৱনত আপোন সমাজত । আঃ ইয়াতকৈ মোৰ মৃত্যুয়ে শ্ৰেয় ----

উগ্ৰ : তেনে কথা নক'বা দাদা ; হোৱা নাই নিঃশেষ আমি ; নহওঁ ভীৰু মৰণৰ কথা ভাবি । মনত ৰাখিবা দাদা ৰক্ষৰ শেষ শলিতা তুমি । যত আছে ৰক্ষ এই ধৰাৰ বক্ষত সৱৰে আশাৰ বন্তি তুমি । হ'ব নোৱাৰা দাদা তুমি পৰাস্ত --

বিদ্যু ঃ অ নোৱাৰোঁ হ'ব মই পৰাস্ত । আছে মোৰ শৰীৰত ৰক্ষ ৰক্ত । ভাতৃ , তুমি মোৰ যোগ্য সহোদৰ । পৰাজয়ৰ গ্লানিৰে ললো শিক্ষণ ; ৰচিম পুনৰ নৱ কৌশল ; হে মোৰ পূৰ্বজগণ, হে মোৰ সখা দশানন চাই থাকা তোমালোকে নিলগৰ পৰা চলে বলে কিম্বা কৌশলে ৰামক আমি কৰিম নিধন ।

উগ্ৰ ঃ দাদা, নিদি দৃষ্টি তৰাৰ ওপৰত চন্দ্ৰমাকে যদি কৰোঁ লক্ষ্য স্থিৰ ---

বিদ্যু ঃ বুজিছো, বুজিছো ভাতৃ মই তোমাৰ বচন । তাকেই কৰিম বাস্তৱত ৰূপায়ণ ; থাকিবা তুমি সুযোগৰ অপেক্ষাত ; দিবা - ৰাত্ৰি - সন্ধ্যা - পুৱা প্ৰতিক্ষণে , প্ৰতি পলে সুতীক্ষ্ণ দৃষ্টি ৰাখিবা ৰামৰ ওপৰত । মনত ৰাখিবা , আজিহন্তে ৰামৰ হানি , অযোধ্যাৰ হানি আমাৰ জীৱনৰ পণ।

উগ্ৰ ঃ চিন্তা নকৰিবা দাদা, আজিহন্তে দৃষ্টি মোৰ ৰামৰ ওপৰত, আজিহন্তে দৃষ্টি মোৰ সমগ্ৰ অযোধ্যাৰ ওপৰত । সাৱধান ৰাম , সাৱধান অযোধ্যাবাসী , ৰাক্ষস উগ্ৰদংষ্ট্ৰৰ উগ্ৰ দৃষ্টি এইবাৰ তহঁতৰ ওপৰত হাঃ হাঃ --

বিদ্যু ঃ যেতিয়াই মিলিব সংবাদ, নিমিষতে জনাবা আমাক। এতিয়া যাঁও ব'লা কৰ্তব্য কৰোঁগৈ পালন ।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত শত্ৰুঘ্ন আৰু পুষ্কলৰ প্ৰৱেশ ---</u>**

<u>গীতঃ ( ৰাগ - গৌৰি ; তাল - পৰিতাল; একতাল)</u>

**প্ৰৱেশিলা সভাৰ মাজে সুমিত্ৰা নন্দন ।**
**সঙ্গে আছে বীৰ পুষ্কল দেখিতে শোভন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

পুষ্কল ঃ প্ৰণাম কণিষ্ঠ পিতা , পুষ্কলৰ সেৱা গ্ৰহণ কৰক --

শত্ৰুঘ্ন ঃ কীৰ্তিমান হোৱা -- পুষ্কল, তুমি আমাৰ যোগ্য ভতিজা । গৌৰৱ কৰোঁ আমি তোমাৰ শিষ্টাচাৰক লৈ ; গৌৰৱ কৰে অযোধ্যাবাসীয়ে তোমাৰ বীৰত্বক লৈ । সদা ৰাখিবা তুমি ইয়াৰ মান ।

পুষ্কল ঃ আপোনাসৱৰ পৰাই লভিছো এনে জ্ঞান । চিন্তা নকৰিব পিতা , জীৱন থাকে মানে কৰি যাম নিজৰ কৰ্তব্য পালন । মাথো দিয়ক আশীষ --

শত্ৰুঘ্ন ঃ ধন্য, ধন্য পুষ্কল , তোমাৰপৰা এয়াই কাম্য আমাৰ । এতিয়া যাঁও ব'লা , অযোধ্যাপতি জ্যেষ্ঠ ভাতৃ শ্ৰীৰামচন্দ্ৰৰ কাৰ্য কৰোঁগৈ পালন ---

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত শত্ৰুঘ্নৰ ভাৰ্যা শ্ৰুতকীৰ্তিৰ প্ৰৱেশ -------</u>**

<u>গীত ঃ (ৰাগ- ধনশ্ৰী , তাল- একতাল )</u>

**সভাৰ মাজে প্ৰৱেশিলা দেৱী শ্ৰুতকীৰ্তি ।**
**দিব্য বস্ত্ৰে শোভে অতি জনক নন্দিনী ।।**
**এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ডাকি ৰাম ৰাম বোলা সভাসদ নৰে ।।**

**<u>সূত্ৰ ঃ শ্ৰুতকীৰ্তি সভাৰ মাজে পাই । এনেতে শত্ৰুঘ্ন আহে ------</u>**

শত্ৰুঘ্ন ঃ প্ৰিয়ে ---

শ্ৰুতকীৰ্তিঃ সেৱা গ্ৰহণ কৰক নাথ --

শত্ৰুঘ্ন ঃ উঠা প্ৰিয়ে । শ্ৰুতকীৰ্তি, আজি মই অতিকে আনন্দিত । জানানে তুমি ইয়াৰ কাৰণ ?

শ্ৰুতকীৰ্তিঃ জানো নাথ ; যজ্ঞীয় অশ্বৰ ৰক্ষকৰূপে ৰঘুনাথে আপোনাকেই দায়িত্ব কৰিছে অৰ্পণ ।

শত্ৰুঘ্ন ঃ তাৰবাবে তুমি সুখী নহয় জানো প্ৰিয়ে ?

শ্ৰুতকীৰ্তিঃ কিয় সুখী নহ'ম নাথ ? ইমান মহান আৰু এক গধুৰ দায়িত্ব ৰঘুনাথে মোৰ স্বামীৰ কান্ধত কৰিছে অৰ্পণ, এয়া জানো মোৰ বাবেও নহয় গৌৰৱৰ বিষয় । নাথ, আপুনি সফল হওক ; সকলো সংগ্ৰামত আপুনি বিজয়ী হওক । দেৱী উৰ্মিলা যেনেকৈ স্বামী লক্ষ্মণৰ বীৰত্বত হৈছে গৰ্বিতা , ময়ো তেনেদৰেই বিচাৰো নাথ । আপোনাৰ বিজয়ৰ বাবে ময়ো কৰিম প্ৰাৰ্থনা ।

শত্ৰুঘ্ন ঃ ধন্য হ'লো মই তোমাক পত্নী ৰূপে পাই ; দেৱী জানকীৰ তুমি সাহসী ভগিনী ; তোমাৰ বচনে মোৰ বঢ়ালে উৎসাহ । হাতে লৈ দুৰ্জয় ধনু যাম মই অশ্বৰ পাছে । গৰ্জন তুলি সমুদ্ৰত , সিংহনাদেৰে কঁপাই ত্ৰিভূৱন , নিপাত কৰি শত্ৰুক ৰামৰ যশস্যা বঢ়াম জগতত ।

শ্ৰুতকীৰ্তিঃ মোৰ দৃঢ় বিশ্বাস নাথ আপুনি পাৰিব । ব'লক নাথ, নিজ হাতে মই সুসজ্জিত কৰি আপোনাক পঠাম আজি ৰঘুনাথৰ সমীপে --

শত্ৰুঘ্ন ঃ ব'লা প্ৰিয়ে ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত অশ্ব সহিতে এজন প্ৰহৰীৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )**

প্ৰহৰী ঃ তোৰ যে কি ভাগ্য , অশ্বৰূপে আহি ধৰাত লভিলি পূণ্য । কত আছে অশ্ব ৰঘুপতিৰ অশ্বশালত ; তাৰপৰা বাচি ল'লে তোকহে যজ্ঞৰ বাবে । ব'ল, ব'ল লৈ যাঁও তোক ----

**সূত্ৰ ঃ অশ্ব লৈ প্ৰহৰীৰ প্ৰস্থান । সভাত ৰাম আৰু বশিষ্ঠ আহে ---**

ৰাম ঃ গুৰুদেৱ, যজ্ঞৰ আয়োজন হৈছে সম্পূৰ্ণ । গোমতী নদীৰ তীৰে প্ৰস্তুত কৰিলো যজ্ঞভূমি । নিমন্ত্ৰিত অতিথিগণো আহিব ধৰিছে অযোধ্যা নগৰে, ভাতৃ ভৰতে অতিথিগণক জনাইছে আদৰণি। ঠাকুৰ লক্ষ্মণেও সৰ্বোত্তম অশ্বটি যজ্ঞৰ বাবে কৰিলে নিৰ্বাচিত ।

বশিষ্ঠ ঃ ৰাম, দেৱতুল্য ভাতৃগণে কৰে তোমাক অপাৰ শ্ৰদ্ধা আৰু প্ৰেম । মই নিশ্চিত তেওঁলোকৰ সহযোগত সুকলমে তুমি সমাপন কৰিবা অশ্বমেধ যজ্ঞ । যদিওবা আছে এক সমস্যা তাৰ সমাধানো ওলাব নিশ্চয় ।

ৰাম ঃ কি সমস্যা গুৰুদেৱ ?

বশিষ্ঠ ঃ অশ্বমেধ যজ্ঞৰ নিয়ম অনুসৰি যজ্ঞ কৰোঁতাজনৰ লগত থাকিব লাগে তেওঁৰ অৰ্দ্ধাঙ্গিনী ।

ৰাম ঃ অৰ্দ্ধাঙ্গিনী -- ? কিন্তু --; নাই নাই সম্ভৱ নহয় পুনৰ জানকীক ঘূৰাই অনাৰ --

বশিষ্ঠ ঃ বুজিছো ৰাম মই তোমাৰ উৎকণ্ঠা । পত্নী জানকীক তুমি কৰিছা পৰিত্যাগ । তথাপি নহ'বা চিন্তিত নিৰ্মাণ কৰি উলিয়াবা জানকীৰ এক স্বৰ্ণ প্ৰতিমা ; জানকীৰ প্ৰতিনিধি ৰূপে সেই প্ৰতিমাকে কাষত লৈ তুমি হ'বা যজ্ঞত দীক্ষিত ।

**সূত্ৰ ঃ এনেতে হনুমান আৰু অঙ্গদ আহে ---**

হনু ঃ জয় শ্ৰী ৰাম ; প্ৰভূ, ভক্তৰ সেৱা কৰক গ্ৰহণ ---

ৰাম ঃ আঁহা আঁহা হনুমান ; তোমাৰ আগমনলৈকে আমি কৰিছিলো অপেক্ষা । হনু , তোমাৰ স্থান আমাৰ হৃদয়ত --- ( আঁকোৱালি লয় )

অঙ্গদ ঃ প্ৰণাম প্ৰভূ ---

ৰাম ঃ আঁহা অঙ্গদ, তোমাৰ আগমণত হ'লো অতিকে আনন্দিত ।

হনু+অঙ্গ ঃ প্ৰণাম মুনিবৰ ---

বশিষ্ঠ ঃ কীৰ্তিমান হোৱা ; ৰাম , যজ্ঞৰ অশ্ব ৰক্ষাৰ দায়িত্ব তুমি কাক কৰিবা অৰ্পণ ?

ৰাম : গুৰুদেৱ, অনুজ শত্ৰুঘ্নক অৰ্পণ কৰিছো মই এই দায়িত্ব ।

বশিষ্ঠ : উত্তম, অতি উত্তম , সুমিত্ৰানন্দনে নিশ্চয় এই দায়িত্ব পালনত সফল হ'ব ।

**সূত্ৰ : এনেতে যজ্ঞৰ অশ্ব লৈ শত্ৰুঘ্ন , পুষ্কল আৰু প্ৰহৰী আহে ----**

শত্ৰু+পুষ্ক: প্ৰণাম ৰঘুপতি , প্ৰণাম গুৰুদেৱ ---

শত্ৰুঘ্ন : দাদা, যজ্ঞৰ অশ্ব আমি লৈ আহিছো --

ৰাম : অতিকে সুন্দৰ অশ্ব। অযোধ্যাৰ কীৰ্তি এই অশ্বই কৰিব উজ্বল। যজ্ঞৰ নীতি অনুসৰি মেলি দিয়া হ'ব অশ্বটি ধৰাৰ বক্ষত। বান্ধি দিয়া হ'ব ইয়াৰ কপালত সোণেৰে নিৰ্মিত আমাৰ জয়পত্ৰ ।

শত্ৰুঘ্ন : ৰঘুপতি, জয়পত্ৰ আনিছো লগত ; দাদা লক্ষ্মণে নিজ হাতে প্ৰস্তুত কৰিছে এই জয়পত্ৰ ।

ৰাম : ভাতৃ, সকলোৰে শুনাকৈ তুমিয়ে কৰা পাঠ কিদৰে প্ৰস্তুত কৰিছে লক্ষ্মণে জয়পত্ৰ ।

শত্ৰুঘ্ন : যিবা আজ্ঞা ৰঘুপতি , --দশৰথনন্দন, বীৰৰ শিৰোমণি শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞ কৰিবলৈ প্ৰবৃত্ত হৈ এই যজ্ঞীয় অশ্ব মেলি দিছে ধৰাৰ বক্ষত । যিজনা বীৰে নিজকে সৰ্বশ্ৰেষ্ঠ যোদ্ধা বুলি অহংকাৰত মত্ত হৈছে তেনেজনা আগবাঢ়ি আহি এই অশ্বক বলপূৰ্বকভাৱে গ্ৰহণ কৰক ।শ্ৰীৰামৰ ভাতৃ বীৰ শত্ৰুঘ্নই তেওঁৰ সৈতে যুদ্ধ কৰি শৰ জালেৰে বিদ্ধ কৰি কাঢ়ি ল'ব এই অশ্ব।

ৰাম : উত্তম ; ভাতৃ, বান্ধি দিয়া এই জয়পত্ৰ অশ্বৰ ললাটত ।

শত্ৰুঘ্ন : যিবা আজ্ঞা দাদা ----

ৰাম : বীৰ ভাতৃ মোৰ শত্ৰুঘ্ন, অশ্ব ৰক্ষাৰ দায়িত্ব তোমাৰ ওপৰত । অশ্বৰ পাছে পাছে তুমি কৰিবা গমন। যিদিশে অশ্বই কৰে গমন সেই দিশে অশ্বৰ পাছে পাছে তুমিও কৰিবা গমন। গলে বস্ত্ৰ লৈ তোমাক প্ৰণাম কৰাজনক তুমিও ল'বা আঁকোৱালি । যদি কোনো দাম্ভিক যোদ্ধাই এই অশ্ব কাঢ়ি নিবলৈ কৰে চেষ্টা তেওঁৰ লগত কৰিবা ৰণ । কিন্তু মনত ৰাখিবা তেতিয়াও ৰঘুকূলৰ ৰীতি আৰু ক্ষত্ৰিয়ৰ ধৰ্ম। পলায়ন কৰাজনৰ ওপৰত নকৰিবা শৰ প্ৰহাৰ ; ৰথহীনৰ লগত ৰথত আৰোহণ কৰি নকৰিবা সমৰ । অৱশ্যে তুমি সৰ্বপ্ৰকাৰ সৎ গুণেৰে বিভূষিত ; তোমাক বহলাই কোৱাৰ নাই প্ৰয়োজন ।

শত্ৰুঘ্ন : আশীৰ্বাদ কৰিব দাদা , সৰুৰেপৰা আপোনাকেই কৰিছো অনুসৰণ । অকাৰ্য কৰি মই অযোধ্যাৰ কীৰিতি নকৰোঁ ম্লান । যজ্ঞাশ্ব ৰক্ষাত যদি হয় প্ৰয়োজন দিম মই নিজৰ প্ৰাণ ।

পুষ্কল : হে জ্যেষ্ঠপিতা, হাতে ধনু ধৰি কণিষ্ঠ পিতাৰ লগত ময়ো যাম অশ্বৰ ৰক্ষক হৈ । আপোনাৰ আশীষ শিৰে লৈ দেৱ, গন্ধৰ্ব, দৈত্য, মনুষ্য যিয়েই কৰিব অশ্ববন্ধন তাকে মই কৰিম পৰাস্ত ।

ৰাম : ধন্য ধন্য ভৰতনন্দন, তোমাৰ আগ্ৰহ আৰু বীৰোচিত বচনে মুগ্ধ কৰিলে আমাক । দিছো আজ্ঞা শত্ৰুঘ্নৰ পৃষ্ঠভাগৰ তুমি হ'বা ৰক্ষক । হনুমান, কৃতজ্ঞ আমি তোমাৰ ওচৰত। তোমাৰ বলতে আমি উদ্ধাৰিছিলো সীতাক, তোমাৰ বলতে আমি জিনিছিলো লংকাক । পুনৰবাৰ তোমাৰ সহায়ৰ হৈছে প্ৰয়োজন, কৰোঁ অনুৰোধ, অঙ্গদ আদি কপিগণক লৈ এইবাৰ হোৱা তুমি শত্ৰুঘ্নৰ সহায় ।

হনু : প্ৰভূ, অনুৰোধ কৰি কিয় পাপত পেলাইছে আমাক । ধৰিছো জনম আমি ৰামকাৰ্য সাধনৰ বাবেই । আমি মাথো আপোনাৰ আদেশৰ দাস ; নিশ্চয় যাম আমি বীৰ শত্ৰুঘ্নৰ সঙ্গে ।

ৰাম : হনুমান, তোমাৰ এনে বচনে জয় কৰে হৃদয় আমাৰ । বুদ্ধিদাতা ৰূপে শত্ৰুঘ্নক সৰ্ব বিপদৰ পৰা তুমি ৰক্ষা কৰিবা । গুৰুদেৱ, নিমিন্ত্ৰিত অতিথিগণৰ মাজত উপস্থিত থকা সুগ্ৰীৱ, নীলৰত্ন, লক্ষ্মীনিধি আদি বীৰগণকো শত্ৰুঘ্নৰ সঙ্গে যাবলৈ আমি কৰিম অনুৰোধ ।

বশিষ্ঠ : অতি উত্তম ৰাম, এনেহেন পবিত্ৰ যজ্ঞৰ অংশীদাৰ হ'বলৈ পালে তেওঁলোকো হ'ব ধন্য । ৰাম, শুভ ক্ষণ চাপিছে ওচৰ ; এতিয়া যজ্ঞৰ বিধি অনুসৰি শুভ তিলক কৰোঁ অংকন।

**সূত্ৰ : শ্ৰুতকীৰ্তিয়ে এখন থালত ধূপ - ধূনা- তেল লৈ আহে ---**

শ্ৰুতনিধি : প্ৰণাম ৰঘুনাথ , প্ৰণাম গুৰুদেৱ ----

বশিষ্ঠ : দিয়া দেৱী, অশ্বৰ মঙ্গলাৰ্থে কৰোঁ যথাযথ নিয়ম --- হে অশ্ব, শ্ৰীৰামচন্দ্ৰৰ যজ্ঞৰ অৰ্থে কৰিছো

তোমাক বন্ধন মুক্ত । স্বেচ্ছাই তুমি বসুন্ধৰা ভ্ৰমণ কৰি পুনৰ অযোধ্যালৈ আহিবা ঘূৰি । শত্ৰুঘ্ন , এতিয়াৰ পৰা অশ্বৰ দায়িত্ব তোমাৰ ।

শত্ৰুঘ্ন ঃ আশীৰ্বাদ কৰক গুৰুদেৱ -----

বশিষ্ঠ ঃ বিজয়ী হোৱা ----

শত্ৰুঘ্ন ঃ ৰঘুপতি , অশ্ব লৈ কৰোঁ যাত্ৰা , দিয়ক আশীৰ্বাদ ।

ৰাম ঃ সফল হৈ উলটি আঁহা ; তোমাৰ আগমণলৈ কৰিম অপেক্ষা ।

অঙ্গদ ঃ জয় শ্ৰীৰামচন্দ্ৰৰ , জয় শ্ৰীৰামচন্দ্ৰৰ , জয় বীৰ শত্ৰুঘ্নৰ --

**সূত্ৰ ঃ অশ্বৰ সৈতে শত্ৰুঘ্ন , হনুমান , অঙ্গদ , পুষ্কল আৰু প্ৰহৰীৰ প্ৰস্থান ---**

বশিষ্ঠ ঃ শ্ৰুতকীৰ্তি, স্বামী গৈছে তোমাৰ মহৎ উদ্দেশ্যত ; স্বামীৰ মঙ্গলৰ বাবে চিন্তিবা প্ৰভূক ।

শ্ৰুতকীৰ্তিঃ আপোনাৰ পৰামৰ্শ পালন কৰিম গুৰুদেৱ ।

বশিষ্ঠ ঃ ব'লা ৰাম , আমিও যাওঁ যজ্ঞস্থলী কৰোঁগৈ নিৰীক্ষণ ।

ৰাম ঃ ব'লক গুৰুদেৱ ----

**সূত্ৰ ঃ প্ৰথমে ৰাম - বশিষ্ঠৰ প্ৰস্থান আৰু পাছত শ্ৰুতকীৰ্তিৰ প্ৰস্থান। আনফালে সভাত উগ্ৰদংষ্ট্ৰ -----------**

উগ্ৰদংষ্ট্ৰঃ হাঃ হাঃ দৃষ্টি মই ৰাখিছিলো ৰামত ; সুতীক্ষ্ণ দৃষ্টি মই ৰাখিছিলো অযোধ্যাত ; আছিলো সুযোগৰ অপেক্ষাত আৰু আজি পালো সংবাদ --হাঃ হাঃ দুৰ্মতি ৰাম , এবাৰ সঙ্গে লৈ বনৰ কপিক ৰাৱনক কৰিলি নিধন আৰু এইবাৰ পুনৰ কপিসঙ্গে মৰত জিনাৰ দেখিছ সপোন । হাঃ হাঃ নহয় তোৰ স্বপ্ন পূৰণ , ৰাক্ষসৰ আছে পণ, সমাপ্ত কৰিম তোৰ জীৱন । দিওঁগৈ দাদাক মই এই সংবাদ হাঃ হাঃ --দাদা , দাদা --

**সূত্ৰ ঃ উগ্ৰদংষ্ট্ৰৰ প্ৰস্থান । আনফালে যজ্ঞৰ অশ্ব আহে ---**

**গীত**

-

**চলি আহে যজ্ঞৰ অশ্ব নিজ ইচ্ছা মতে ।**
**বিচৰণ কৰে অশ্বই ধৰণীৰ মাজে ।।**

**সূত্ৰ ঃ অশ্ব সভাৰ মাজে পাই। এনেতে ৰাক্ষস বিদ্যুন্মালী আৰু উগ্ৰদংষ্ট্ৰ আহে**

উগ্ৰদংষ্ট্ৰঃ দাদা , সৌৱা ৰামৰ যজ্ঞৰ অশ্ব --

বিদ্যু ঃ চূৰ্ণ কৰোঁ ৰামৰ দৰ্প ; ভঙ্গ কৰোঁ ৰামৰ স্বপ্ন ; যোৱা ভাতৃ , হৰণ কৰা যজ্ঞৰ অশ্ব ---

উগ্ৰদংষ্ট্ৰঃ চিন্তা নকৰিবা দাদা , মায়াৰ প্ৰহেলিকা তুলি অশ্ব মই কৰিম হৰণ ---

**সূত্ৰ ঃ উগ্ৰদংষ্ট্ৰই ধুমুহাৰ সৃষ্টি কৰি অশ্ব বন্ধন কৰে । এনেতে প্ৰহৰী আহে --**

প্ৰহৰী ঃ আঃ কি ভয়ানক ৰাক্ষস ; খালে , খালে ঔ প্ৰভূ খালে ---( মুৰ্চা যায় )

**সূত্ৰ ঃ ৰাক্ষসে অশ্ব হৰণ কৰে। এনেতে শত্ৰুঘ্ন, হনুমান, অঙ্গদ আৰু পুষ্কল আহে --**

শত্ৰুঘ্ন ঃ ই কি , হঠাৎ সৃষ্টি হৈছে প্ৰচণ্ড ধুমুহা ? ফৰকাল বতৰত ক'ৰ পৰা আহিল এই ধুমুহা ? বীৰগণ , অশ্বৰ ওপৰত ৰাখা দৃষ্টি ।

অঙ্গদ ঃ প্ৰচণ্ড ধুমুহা বলিছে ; পৰা নাই যাব আগবাঢ়ি । কি কৰোঁ, কি কৰোঁ, ৰক্ষা কৰক কপিবৰ -

হনুমান ঃ চিন্তা নকৰিবা বীৰগণ । ৰাম নামে আমাক কৰিব সহায় । মোৰ লগত সমস্বৰে লোৱা ৰাম নাম --- জয় শ্ৰীৰাম , জয় শ্ৰীৰাম , জয় শ্ৰীৰাম ---

পুষ্কল ঃ আচৰিত , প্ৰচণ্ড ধুমুহা নিমিষতে গ'ল আঁতৰি । ই কি , নাই আমাৰ অশ্ব ----

শত্ৰুঘ্ন ঃ কি ধুমুহাত আমাৰ হেৰাল অশ্ব ? নাই নাই -- দৃষ্টিৰ পৰিসৰতে আছিল অশ্ব । তেনেস্থলত হঠাৎ ক'ত যাব পাৰে অশ্ব ? আচৰিত , মাটি ফুটিল নে ধুমুহাত গ'ল উৰি ? হায় হায়

গভীৰ বিশ্বাসেৰে ৰাঘৱে মোক অশ্ব কৰিছিলে অৰ্পণ। যদি নাপাঁও অশ্বৰ সন্ধান কেনেদৰে মুখ দেখুৱাম মই দাদাৰ আগত ? কেনেদৰে হ'ম সন্মূখীন মই ভাৰ্যাৰ আগত ? হে প্ৰভূ , হে প্ৰভূ কি কৰোঁ এতিয়া মই ?

প্ৰহৰী : ( কেকাই উঠে ) আঃ আঃ ---

পুষ্কল : কোন ? --( আগবাঢ়ি ) প্ৰহৰী ¯, -- কি হৈছে তোমাৰ ? প্ৰহৰী --

প্ৰহৰী : খালে ঔ খালে ; মোক নাখাব , মোক নাখাব --

পুষ্কল : প্ৰহৰী , কিয় কৰিছা এনে অদ্ভুত আচৰণ ?

প্ৰহৰী : অ কুমাৰ । ৰাক্ষস , ৰাক্ষস -- দুটা ৰাক্ষসক দেখিছিলো মই অশ্বৰ কাষত ---

শত্ৰুঘ্ন : কি , ৰাক্ষস ? বুজিছো তেন্তে ৰাক্ষসেই হৰিলে যজ্ঞৰ অশ্ব । আঃ ৰাক্ষস , হৰণ কৰি যজ্ঞৰ অশ্ব মাতিলি তইঁতে নিজৰ মৰণ । নাপাবি নিস্তাৰ তইঁতে মোৰ হাতৰপৰা । কিন্তু , কিন্তু বীৰগণ --- কেনেদৰে জানিম এতিয়া কোন ৰাক্ষসে কোন দিশে হৰিলে আমাৰ অশ্ব ?

অঙ্গদ : কপিবৰ হনুমান থাকোতে চিন্তা নকৰিব ৰামানুজ ; শত যোজন সাগৰ লংঘি যি হনুমন্তই লংকাত সীতাদেৱীৰ পাইছিলে সন্ধান তেওঁৰ বাবে সামান্য ৰাক্ষসক চিনাক্ত কৰা অতি সহজ।

শত্ৰুঘ্ন : হে ৰামভক্ত কপিবৰ হনুমান , এই বিপদৰ বেলা পুনৰ আমাক কৰক উদ্ধাৰ ।

হনু : জয় শ্ৰীৰাম ---সৌৰা চোৰা , মায়াৰ প্ৰহেলিকা তুলি লৈ গৈছে দুটা ৰাক্ষসে যজ্ঞৰ অশ্ব । ব'লা সেনাগণ , নিধন কৰি দুষ্টক অশ্ব কৰোঁ উদ্ধাৰ --জয় শ্ৰীৰাম ---

**সূত্ৰ : সকলোৰে প্ৰস্থান । সভাত প্ৰথমে বিদ্যুন্মালী আৰু উগ্ৰদংষ্ট্ৰ । পাছত শত্ৰুঘ্ন , পুষ্কল , অঙ্গদ আৰু হনুমান আহে ----**

শত্ৰুঘ্ন : সাৱধান ৰাক্ষস , চল কৰি আমাৰ যজ্ঞাশ্ব তইঁতে কৰিলি হৰণ ; যদি প্ৰাণলৈ আছে মমতা ঘূৰাই দে অশ্ব । নতু ৰামানুজ শত্ৰুঘ্নই তইঁতক দিব উচিত দণ্ড ।

বিদ্যু : হাঃ হাঃ ভাতৃ, ৰামানুজ শত্ৰুঘ্নই দিব আমাক উচিত শাস্তি । হেৰ শত্ৰুঘ্ন , যা তই অযোধ্যা নগৰে, পঠাই দেগৈ তই জ্যেষ্ঠ ভাতৃক । জনাবি ৰামক, জনাবি লক্ষ্মণক নহয় আমি অৱলাৰ নাক - কাণ কাটি বীৰত্ব দেখুওৱা কোনো দুৰ্জন । মহা ৰাক্ষস আমি পাতালৰ , সখা আমি দশাননৰ , অন্বেষণ মাথো ৰাম - লক্ষ্মণৰ । মুণ্ড ছিঙি অধৰ্মী ৰামৰ , মুণ্ড ছিঙি অধৰ্মী লক্ষ্মণৰ, ৰক্তপান কৰি সিহঁতৰ , ৰক্ষ ৰক্তৰ অগণি পেলাম শাঁত ---

হনু : আঃ দুৰ্মতি ৰাক্ষস , যোগীগণে যিজনক হৃদয়ত কৰে ধ্যান ; সুৰাসুৰগণে যাক শিৰত ধাৰণ কৰি কৰে সন্মান তেনেহেন ৰামক নিচিনি তইঁতে নিন্দা বাণীৰে কৰিলি অপমান । আঃ ইমান অপমান নসহোঁ মই । প্ৰথমে কৰিলি পাপ ৰামৰ অশ্ব হৰি ; পাছে কৰিলি পাপ ৰামক নিন্দা কৰি । থাকোতে ৰামভক্ত এই হনুমান নহয় প্ৰয়োজন ৰামৰ । মুণ্ড ছিঙি তইঁতৰ , বক্ষ ফালি তইঁতৰ আজি মই হৰিম প্ৰাণ ---

উগ্ৰ : অ তয়েই তেন্তে বান্দৰ হনুমান হাঃ হাঃ শুনিছিলো তই বোলে বৰ বলবান । এক হাতে পৰ্বত দাঙি দুৰন্ত বেগে আকাশে হৈছিলি ধাৱমান । বাঃ তেন্তে ভালেই হ'ল , আজি জুখি চাম মই তোৰ বলৰ প্ৰমাণ ।

শত্ৰুঘ্ন : মুখৰ কথাৰ আৰু নাই প্ৰয়োজন । বীৰগণ, দুষ্ট ৰাক্ষসক কৰক আক্ৰমণ ----

**সূত্ৰ : দুয়ো দলৰ যুদ্ধ -- ( বাজনা ভঙ্গী ) ---- বিদ্যুন্মালী আৰু শত্ৰুঘ্নৰ বাদে বাকীসকলে যুদ্ধ কৰি কৰি প্ৰস্থান কৰে -----**

বিদ্যু : মহা মায়াধৰ ৰাক্ষস মই । তুচ্ছ মনুষ্য, নোৱাৰিবি তই মোৰ মায়াক জিনিব । চা মূৰ্খ , নিমিষতে হ'লো মই অদৃশ্য ---

**সূত্ৰ : ৰাক্ষসে অদৃশ্য হৈ শত্ৰুঘ্নক প্ৰহাৰ কৰে ---**

শত্রুঘ্ন : ভীৰু ৰাক্ষস, সন্মুখ সমৰত তোৰ ৰণ কৰাৰ নাই সাহস । অদৃশ্য হৈ কৰ প্ৰহাৰ । জনা নাই তই শত্রুঘ্নৰ পৰাক্ৰম । মোহনাস্ত্ৰ প্ৰয়োগ কৰি নিমিষতে মই তোৰ মায়া কৰিম নাশ --

**সূত্ৰ : শত্রুঘ্নই বাণ মাৰে , ৰাক্ষস দৃশ্যমান হয় ----**

শত্রুঘ্ন : হাঃ হাঃ মূৰ্খ ৰাক্ষস , এয়াই আছিল তোৰ মায়া । চা , মায়া তোৰ মই কৰিলো নাশ ; হ'লি দৃশ্যমান , এইবাৰ তই নাপাবি পৰিত্ৰাণ ।

বিদ্যু : চমৎকাৰ তেন্তে তোৰ বিক্ৰম । পাছে এইবাৰ তই নাপাবি নিস্তাৰ ।

**গীত**

**এহিবুলি দুয়ো বীৰে ৰণ আৰম্ভিলা ।**
**ৰণ দেখি দেৱগণে প্ৰমাদ গণিলা ।।**

**সূত্ৰ : যুদ্ধত শত্রুঘ্নই বিদ্যুন্মালীৰ দুয়ো হাত ছেদন কৰে । বিদ্যুন্মালীয়ে যি কয় -**

বিদ্যু : আঃ দুই হস্ত হেৰুৱালেও নহওঁ বিচলিত মই । শিলাময় মস্তক মোৰ । এই মস্তকেৰে তোৰ বক্ষত প্ৰহাৰ কৰি হৰিম তোৰ প্ৰাণ --

**সূত্ৰ : বিদ্যুন্মালীয়ে খেদি আহে । শত্রুঘ্নই ৰাক্ষসৰ মস্তক ছেদন কৰে । বিদ্যুন্মালীৰ মৃত্যু হয় । এনেতে উগ্ৰদংষ্ট্ৰ আহে ---**

উগ্ৰ : দাদা , দাদা --নাই নাই তোমাৰ এনে দশা হ'ব নোৱাৰে । আঃ শত্রুঘ্ন , ভাতৃক তই কৰিলি হত্যা । জ্যেষ্ঠৰ ভাতৃ কণিষ্ঠ মই ; ভাতৃ হত্যাৰ লম প্ৰতিশোধ ----

**সূত্ৰ : এনেতে হনুমান আহে ----**

হনু : সাৱধান ৰাক্ষস , তই মোক কৰিছিলি তাচ্ছিল্য ; কৰিছিলি ৰণ , হোৱা নাছিল নিৰ্ণয় ; এইবাৰ তোক মই কৰিম নিধন ।

শত্রুঘ্ন : কপিবৰ, দুষ্টই আমাৰ নামে ৰণৰ কৰিছে আহ্বান । আপুনি খন্তেক বিশ্ৰাম কৰক । জুখি চাঁও মই ইয়াৰ বলৰ বিক্ৰম । সাৱধান ৰাক্ষস, তুলি ল'লো বাণ নিজক ৰক্ষা কৰ ।

**গীত**

**লাগিল লাগিল ৰণ অতি ভয়ংকৰ ।**
**পদভৰে বসুমতী কম্পে থৰথৰ ।।**
**হেনজানি নৰলোকে এৰা আনা কাম ।**
**নিৰন্তৰে সভাসদে বোলা ৰাম ৰাম।।**

**সূত্ৰ : যুদ্ধত উগ্ৰদংষ্ট্ৰ নিহত হয় । দেখি হনুমানে যি কয় ---**

হনু : জয় শ্ৰীৰাম -- যেন ৰাম, তেন ৰামানুজ । অদ্ভুত তোমাৰ পৰাক্ৰম । শত্রুঘ্ন, অশ্ব হ'ল উদ্ধাৰ ; ব'লা বীৰগণৰ সৈতে পুনৰ কৰোঁ গমন ।

**সূত্ৰ : দুয়োৰে প্ৰস্থান । সভাত সুৰথ -----**

সুৰথ : ধৰ্মৰাজে দিলে আশ্বাস দৰশন লভিম অচিৰতে প্ৰভু ৰামচন্দ্ৰৰ ; পাছে কেতিয়া আহিব সেই ক্ষণ ? এদিন দুদিনকৈ গৈছে সময় বাগৰি ; জীৱনৰ অস্তাচলত আজি অপেক্ষা কৰি কৰি আমি পৰিছো ভাগৰি । হে ৰঘুপতি , আৰু নকৰিবা পলম ; কৃপা কৰি পবিত্ৰ কৰাহি আমাৰ কুণ্ডল ধাম । কৃপা কৰিবা প্ৰভূ , কৃপা কৰিবা --( শয়ন কৰে )

**সূত্ৰ : সুৰথ নিদ্ৰা যায় । এনেতে শ্ৰীৰামচন্দ্ৰ ---**

ৰাম : সুৰথ ---

সুৰথ : ( নিদ্ৰাৰত অৱস্থাতে ) প্ৰভূ ----

ৰাম : ভক্ত, নকৰিবা চিন্তা ; আহিছে ক্ষণ আমাৰ মিলনৰ ---

সুৰথ ঃ( নিদ্ৰাৰত অৱস্থাতে ) প্ৰভু ---
ৰাম ঃ অ সুৰথ, অচিৰতে প্ৰৱেশিব তোমাৰ ৰাজ্যে আমাৰেই কাৰ্য সাধি এক দিব্য সম্পদে । তাক তুমি কৰিবা বন্ধন । সিয়ে হ'ব আমাৰ মিলনৰ মাধ্যম --- ( **প্ৰস্থান** )
সুৰথ ঃ প্ৰভূ, প্ৰভু --(সাৰ পাই) প্ৰভু, প্ৰভু -- ই কি আছিল স্বপ্ন ? প্ৰভুয়ে আমাক দিলে দেখা স্বপ্নৰ মাজে । আহিব প্ৰভু আমাৰ ৰাজ্যে অনতি পলমে ; পাছে দি গ'ল এয়া কি বাৰ্তা আমাক ? ৰাম কাৰ্য্য সাধি প্ৰৱেশিব এক দিব্য সম্পদ আমাৰ ৰাজ্যে ; বন্দী কৰিলে আমি মাধ্যম হ'ব সিয়ে প্ৰভুৰ দৰশনৰ -- যিয়েই নহওক প্ৰভুৰ বাৰ্তা নহয় মিথ্যা ; অপেক্ষা কৰিম মই সেই ক্ষণলৈ --

**সূত্ৰ ঃ সুৰথৰ প্ৰস্থান । সভাত প্ৰথমে বশিষ্ঠ ; পাছত দুখমনে শ্ৰুতকীৰ্তি আহে --**

শ্ৰুত ঃ প্ৰণাম গুৰুদেৱ ---
বশিষ্ঠ ঃ সৌভাগ্যৱতী হোৱা ; শ্ৰুতকীৰ্তি , কিয় আহিলা -- ?
শ্ৰুত ঃ ( কান্দে ) হে ৰঘুবংশৰ কুলগুৰু , মনৰ শংকা মোৰ কৰক নিবাৰণ ।
বশিষ্ঠ ঃ কি হৈছে তোমাৰ ? দেখিছিলো সিদিনা স্বামীৰ যাত্ৰাৰ পৰত তেজস্বিনী বীৰাঙ্গনাৰ দৰে উদ্দীপ্ত বদন। কিন্তু আজি দেখো তাৰ ৰূপ বিপৰীত। শত্ৰুঘ্নী, কি আশংকাই দহিছে তোমাক ?
শ্ৰুত ঃ অজান আশংকাই হৃদয়ত মাৰিছে খুন্দা । শূন্য কক্ষত কি দিবা কি ৰাত্ৰি দেখিছো মাথো দুঃস্বপ্ন। প্ৰহৰীৰ আগমণত হওঁ চকিত দিব নেকি কিবা দুঃসংবাদ ৰামানুজৰ --
বশিষ্ঠ ঃ হাঃ হাঃ অবোধ নাৰী তুমি । তোমাৰ স্বামী বীৰবৰ শত্ৰুঘ্নক জানো নিচিনা তুমি ? সুনিপুণ যোদ্ধা তেওঁ ; মহাৰাক্ষস বিদ্যুন্মালী আৰু উগ্ৰদংষ্ট্ৰক তোমাৰ স্বামীয়ে কৰিছে নিধন । তাৰপাছতো তুমি ভূগিছা আশংকাত ।
শ্ৰুত ঃ জানো মই স্বামীৰ বীৰত্বক । দিছিলো সাহস ময়ো স্বামীক যাত্ৰা পৰত । তথাপি বাঁও চকু, বাঁও হাত মোৰ লৰে সঘনে । গুৰুদেৱ, এয়া বাৰু কিহৰ লক্ষণ ? ভাবিলেই লাগে ভয় এয়া বাৰু আগজাননী নেকি কিবা কুক্ষণৰ ?
বশিষ্ঠ ঃ নাৰীৰ স্বাভাৱিক দুৰ্বলতা, পত্নীৰ স্বাভাৱিক আকুলতাত তুমি হৈছা বিহ্বলা । শ্ৰুতকীৰ্তি, তুমি ভগ্নী জানকীৰ, তুমি ভগ্নী উৰ্মিলাৰ ; নকৰিবা চিন্তা, তোমাৰ স্বামীয়ে কৰিছে ৰাঘৱৰ কাৰ্য । তেনেস্থলত ৰঘুপতিয়ে জানো হ'ব দিব কণিষ্ঠৰ অনিষ্ট ? তুমি নিশ্চিন্তে থাকা শত্ৰুঘ্নী, নিৰ্ভয়ে থাকা ---
শ্ৰুত ঃ ধন্যবাদ গুৰুদেৱ , আপোনাৰ অভয় বাণীয়ে মোৰ মনৰ আশংকা দূৰ কৰিলে । মনলৈ আনিলে শান্তি । মই এতিয়া আঁহো গুৰুদেৱ --- ( <u>**প্ৰস্থান**</u> )
বশিষ্ঠ ঃ যোৱা শত্ৰুঘ্নী , মনৰ ভীতিয়ে মনুষ্যক কৰে বিহ্বল ; মনৰ স্থিতিয়ে মনুষ্যক কৰে সবল । ময়ো যাঁও এতিয়া ৰাঘৱৰ কাষে ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত কুণ্ডলৰাজ সুৰথ আৰু চম্পক আহে -----**

সুৰথ ঃ এতিয়া মাথো অপেক্ষা আমাৰ ; ভোকাতুৰ , তৃষ্ণাতুৰ ভাৱে মাথো কৰিছো অপেক্ষা । নাজানো কেতিয়া আহিব সেই পবিত্ৰ ক্ষণ ---
চম্পক ঃ কাৰ অপেক্ষা ? কিহৰ অপেক্ষা ? ক্ষমা কৰিব পিতা , নুবুজিলো মই আপোনাৰ কথন ।
সুৰথ ঃ সময়ত সকলো বুজিবা বাচা ---

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ মোহক আহে ------**

মোহক ঃ পিতা , পিতা ---
সুৰথ ঃ পুত্ৰ মোহক , কি হৈছে তোমাৰ ? কিয় এনেদৰে হৈছা উত্ৰাৱল -- ?
মোহক ঃ পিতা, ৰাজ্যত প্ৰৱেশিছে এক যজ্ঞৰ অশ্ব । অ পিতা , অশ্বৰ ৰূপ অতি বিতোপন । কিন্তু পিতা , তাৰ কপালত লিখা আছে এক জয়পত্ৰ অতি অপমানজনক ।
চম্পক ঃ কি , অপমানজনক জয়পত্ৰ ? তেন্তে কিয় তুমি এতিয়াও সেই অশ্বক আমাৰ ৰাজ্যত মুক্তভাৱে বিচৰণৰ দিছা সুযোগ ? যাৰেই নহওক অশ্ব, অপমান বাণী কুণ্ডলে নকৰে সহ্য । স্বৰ্গৰ দেৱেন্দ্ৰ কিম্বা পাতালৰ বাসুকীয়েও যদি পথাইছে তাক, পৰিণাম যিয়েই নহওক পিতা শত্ৰুভাৱে বন্দী কৰিম আমি সেই অশ্বক ।

সুৰথ : উত্তেজিত নহ'বা বাচা ; প্ৰথমে কৰা বিচাৰ কোনে কৰিছে যজ্ঞ ? কি উদ্দেশ্যত আহিছে অশ্ব। মোহক , কৰিছিলানে বিচাৰ কাৰ সেই যজ্ঞ ?

মোহক : হয় পিতা , অযোধ্যাৰ পৰা আহিছে সেই অশ্ব ।

সুৰথ : কি পুত্ৰ -- অযোধ্যাৰ ?

মোহক : হয় পিতা , জয়পত্ৰত আছে লিখা দাশৰথি ৰামে অশ্বমেধ যজ্ঞৰ আয়োজন কৰি এৰি দিছে সেই অশ্ব । আৰু লিখা আছে পিতা -- কোনোবা অহংকাৰী , মদগৰ্বীয়ে যদি অশ্বক কৰে বন্দী মহাবীৰ শত্ৰুঘ্নই তাৰ বধিব জীৱন ।

সুৰথ : পুত্ৰ, এয়াতো আনন্দৰ বাৰ্তা ; ইয়াৰ বাবেই মই কৰিছিলো অপেক্ষা । পাইছো সুযোগ ; শত্ৰু ৰূপে নহয় , মদগৰ্বে নহয় ভক্তিভাৱে সেই অশ্বক মই কৰিম বন্ধন ।

চম্পক : নালাগে পিতা আপুনি যাব, আমাকেই দিয়ক এই সুযোগ। পুত্ৰৰ কৰ্তব্য আমি কৰিম পালন । ভক্তি ভাৰত শ্ৰীৰামৰ অশ্বক আমি কৰিম বন্ধন ।

সুৰথ : যোৱা তেন্তে ; কিন্তু হ'বা সাৱধান , অশ্বৰ যাতে নঘটে হানি ।

চম্পক : চিন্তা নকৰিব পিতা , আমি এতিয়া আহিলো । ব'লা ভাতৃ --( প্ৰস্থান )

সুৰথ : বুজিলো প্ৰভু, স্বপ্নৰ বাৰ্তা তেন্তে ঘটিছে দিঠকত। তোমাৰ চৰণ লভিবৰ হেতু যজ্ঞাশ্ব মই কৰিম বন্ধন । যদি হয় পাপ কৰিবা ক্ষমা ; প্ৰয়োজন হলে প্ৰভু তোমাৰ কৃপাতে লভা বাহুবল , অস্ত্ৰবল মই কৰিম প্ৰয়োগ । মাথো দৰিশন দিবা প্ৰভু -- ৰাম , ৰাম ----

**সূত্ৰ :সকলোৰে প্ৰস্থান। আনফালে সভাত শত্ৰুঘ্ন, পুষ্কল, হনুমান আৰু অঙ্গদ আহে ---**

শত্ৰুঘ্ন : বীৰগণ, দৃষ্টিৰ পৰিসৰতেই আছিল অশ্ব । কিন্তু হঠাৎ যেন অদৃশ্য হৈছে অশ্ব --

পুষ্কল : আপোনাৰ কথা সত্য কণিষ্ঠ পিতা ; মোৰো দৃষ্টিত পৰা নাই অশ্ব । নাজানো বাৰে বাৰে কিয় আমাৰ লগত ঘটিছে এনে অন্যায় কাৰ্য ।

**সূত্ৰ : এনেতে উত্ৰাৱল হৈ প্ৰহৰী আহে ---**

প্ৰহৰী : বীৰগণ , বীৰগণ পুনৰ ঘটিছে অঘটন ---

শত্ৰুঘ্ন : কোৱা প্ৰহৰী , পুনৰ কোনো ৰাক্ষসে হৰিলে নেকি আমাৰ অশ্ব ?

প্ৰহৰী : হে বীৰবৰ ৰামানুজ, নহয় এইবাৰ ৰাক্ষস । অতিকে সুদৰ্শন দিব্য বস্ত্ৰধাৰী দেৱযেন যুৱকে আমাৰ অশ্ব কৰিলে হৰণ । দি গৈছে বাৰ্তা তেওঁলোক সুৰথ নন্দন ।

শত্ৰুঘ্ন : বাৰে বাৰে যজ্ঞীয় অশ্ব আমাৰ কৰিছে হৰণ । প্ৰথমে ৰাক্ষস , পাছে চক্ৰাঙ্কৰাজ আৰু এইবাৰ সুৰথে কৰিলে এনে দুষ্কাৰ্য । কপিবৰ হনুমান , বহুস্থান আপুনি কৰিছে ভ্ৰমণ । কওকচোন কোন সুৰথ আৰু কি নামে পৰিচিত এই স্থান ?

হনু : ৰামানুজ , বৰ্তমান আমি কুণ্ডল ৰাজ্যত । সুৰথ হৈছে ইয়াৰে ৰাজন । কিন্তু মই হৈছো আচৰিত কুণ্ডল ৰাজে আমাৰ অশ্ব কিয় কৰালে হৰণ ? শুনিছিলো কুণ্ডলৰাজ সুৰথ আমাৰ দৰেই প্ৰভু শ্ৰীৰামৰ এজন নিষ্ঠাবান সেৱক ।

শত্ৰুঘ্ন : কি কৈছে কপিবৰ ; আপোনাৰ দৰে ৰামভক্তই ৰামৰ কাৰ্যতে জীৱন কৰিছে সমৰ্পণ আৰু কুণ্ডলৰাজে শ্ৰীৰামৰ সেৱক হৈও ৰামৰ কাৰ্যতেই দিয়ে বাধা ? আচৰিত , অতিকে আচৰিত -

পুষ্কল : ৰামৰ সেৱকে ৰামৰ কাৰ্যত নিদিয়ে বাধা ; হ'ব নোৱাৰে সুৰথ শ্ৰীৰামৰ সেৱক । ভণ্ড সি ; খুৰাদেউ , মোক দিয়ক আদেশ বধ কৰি ভণ্ড সুৰথক মুক্ত কৰি আনিম মই যজ্ঞৰ অশ্ব ।

হনু : ক্ৰোধ সম্বৰণ কৰা পুষ্কল ; শ্ৰীৰামৰ সেৱকেই যিহেতু অশ্ব কৰিছে বন্ধন , নিশ্চয় আছে কিবা কাৰণ ; সেইহেতু প্ৰথমে আমি অশ্ব বন্ধনৰ জানি লওঁ কাৰণ । আছে আমাৰ লগত বালীনন্দন অঙ্গদ । লংকাত শ্ৰীৰামৰ দূত হৈ যেনেদৰে তেওঁ কাৰ্য কৰিছিলে সাধন, তেনেদৰে এইবাৰ সুৰথৰ কাষে গৈ জানি আহক অশ্ব বন্ধনৰ কাৰণ ।

শত্ৰুঘ্ন : উচিত পৰামৰ্শ আপোনাৰ । হে অঙ্গদ , যদি নকৰা আক্ষেপ আমাৰ দূত হৈ যোৱা তুমি সুৰথৰ কাষে ; জানি আঁহা অশ্ব বন্ধনৰ কাৰণ ।

অঙ্গদ : হে ৰামানুজ, কিয় কৰিম আক্ষেপ ; আমি সকলোৱে প্ৰভু শ্ৰীৰামৰ কাৰ্য কৰিছো পালন । ৰাম

কাৰ্য আমাৰ জীৱনৰ পণ, সাধি ৰামৰ কাৰ্য ধন্য কৰিম কপিৰ জীৱন। এতিয়াই মই শত্ৰুঘ্নৰ দূত হৈ কুণ্ডল নগৰত কৰিম প্ৰৱেশ । দিয়ক আশীৰ্বাদ , কাৰ্যত যেন মই হওঁ সফল ।

হনু : যোৱা অঙ্গদ , সফল হোৱা । পাছে ৰাখিবা মনত নিজৰ ক্ৰোধক কৰিবা সম্বৰণ ।

অঙ্গদ : আপোনাৰ পৰামৰ্শ ৰাখিম মনত ---

**সূত্ৰ : প্ৰথমে অঙ্গদৰ আৰু পাছত বাকীসকলৰ প্ৰস্থান । আনফালে সভাত সুৰথ, চম্পক আৰু মোহক আহে ---**

সুৰথ : পুত্ৰগণ, মহান উদ্দেশ্যৰে আমি ৰাঘৱৰ যজ্ঞাশ্ব কৰিছো বন্ধন । সেয়ে পুনৰ দোহাৰিছো চাবা যাতে অশ্বৰ তিলমানো নহয় হানি ।

চম্পক : তাৰবাবে চিন্তা নকৰিব পিতা ; সযত্নেৰে বান্ধি ৰাখিছো আমি ৰাঘৱৰ অশ্ব । ৰাজ্যৰ দক্ষ , অভিজ্ঞ অশ্বপালকক কৰিছো নিযুক্ত ।

**সূত্ৰ : এনেতে অঙ্গদ আহে ---**

অঙ্গদ : কুণ্ডলৰাজক ৰামানুজ শত্ৰুঘ্নৰ দূত অঙ্গদে সেৱা যাঁচিলো ---

সুৰথ : কি ভাগ্য আজি আমাৰ , বালীনন্দন অঙ্গদ আহিছে আজি আমাৰ ৰাজ্যলৈ । দূতৰূপে নহয় অতিথিৰূপে আদৰিছো তোমাক । কোৱা অঙ্গদ, কি বাৰ্তা পঠাইছে ৰামানুজ শত্ৰুঘ্নই ?

অঙ্গদ : ভব্য সম্ভাষণৰ বাবে ধন্যবাদ ৰাজন । পাছে, আহিছো যেতিয়া দূত হৈ দূতৰ মৰ্যাদাতে থাকিম মই । ৰাজন, ৰামানুজ শত্ৰুঘ্নই দিছে বাৰ্তা -- প্ৰভূ শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞৰ কৰি আয়োজন যজ্ঞাশ্ব মেলিছে ধৰাত । শুনিছো আপুনি শ্ৰীৰামৰে সেৱক । যদি অজ্ঞানবশতঃ আপুনি সেই যজ্ঞাশ্বক কৰিছে বন্ধন তেন্তে আমাক যজ্ঞাশ্ব কৰক অৰ্পণ ।

সুৰথ : অজ্ঞানবশতঃ নহয়, জ্ঞাতসাৰেই ইচ্ছাকৃতভাৱে মই কুণ্ডলৰাজ সুৰথে শ্ৰীৰামৰ যজ্ঞাশ্ব কৰিছো বন্ধন । অযুত আশা মনত বান্ধি, ভক্তিৰ প্ৰদীপ হৃদয়ত থাপি কৰিছো যজ্ঞাশ্ব বন্ধন, উদ্দেশ্য লভো যেন এই স্থানতে দৰ্শন প্ৰভূ শ্ৰীৰামৰ চৰণ যুগল --

অঙ্গদ : এয়া আপোনাৰ অলীক কল্পনা ৰাজন। ৰামানুজ শত্ৰুঘ্নই কৰিছে যজ্ঞাশ্ব ৰক্ষাৰ পণ; ত্ৰিভূৱননাশী অস্ত্ৰৰে সমৃদ্ধ হৈ শত্ৰুঘ্নই আপোনাৰ বিৰুদ্ধে কৰিব ৰণ --

সুৰথ : আজন্ম সাধনা পূৰণৰ পাইছো সুযোগ ; ৰামানুজৰ ভয়ত যাব নিদিওঁ তাক বিফলে । অঙ্গদ, ক'বাগৈ শত্ৰুঘ্নক নোৱাৰিব তিষ্ঠিব তেওঁ আমাৰ সন্মূখ সমৰত ।

অঙ্গদ : কুণ্ডলৰাজ, আছে ভৰতনন্দন বীৰ পুষ্কল আমাৰ পক্ষত যিজনাই ৰূদ্ৰৰ অনুচৰ বীৰভদ্ৰকো ৰণ কৌশলেৰে কৰিছিল সন্তুষ্ট ।

সুৰথ : তেওঁৰ বীৰত্বক মই কৰিছো সন্মান । পাছে ইও সত্য, সন্মুখ সমৰত আমাৰ আগত তেওঁ মাথো এক তৃণৰ সমান ।

অঙ্গদ : ৰাজন, চিনা নাই এতিয়াও আপুনি আমাৰ বীৰগণক ; দিয়া নাই ময়ো সম্পূৰ্ণ বিৱৰণ। শুনক ৰাজন, গন্ধমাদন গিৰিধাৰী, সাগৰ লঙ্ঘনকাৰী ৰামভক্ত হনুমান আছে আমাৰ পক্ষত ।

সুৰথ : কোনে নিচিনে হনুমন্তক ? কোনে নাজানে তেওঁৰ বীৰত্বক ? পাছে অঙ্গদ, ৰাম নামে আমি তেওঁকো কৰিম বন্ধন ।

অঙ্গদ : ৰাজন, অতি দৰ্পে আপোনাৰ মিলিব পাৰে মৰণ ---

চ+মো : ( খঙেৰে ) অঙ্গদ ----

সুৰথ : নহয় এয়া আমাৰ দৰ্প ; অটল বিশ্বাস মোৰ প্ৰভূৰ ওপৰত । ধৰি লৈ হৃদয়ত ৰামৰে মূৰ্তি কৰি আছো ইচ্ছা কুণ্ডলতে শ্ৰীৰামৰ দুৰ্লভ দৰ্শন । আছে বিশ্বাস মোৰ নিজৰ ওপৰত, আছে বিশ্বাস মোৰ প্ৰভূৰ ওপৰত ; দৰশন দিব মোক শ্ৰীৰামচন্দ্ৰই এই কুণ্ডলতে । অশ্বসহিতে মোৰ ৰাজ্য সমৰ্পিম তেতিয়া শ্ৰীৰামৰ চৰণত ।

অঙ্গদ : যদি আপোনাৰ এয়াই ইচ্ছা তেন্তে সাজু থাকক আপুনি শত্ৰুঘ্নৰ কোপাগ্নিৰ সন্মুখীন হ'বলৈ । এতিয়া মই বিদায়হে মাগিছো ----( প্ৰস্থান )

সুৰথ : যোৱা অঙ্গদ ---- পুত্ৰগণ, আহিছে সময় সেই সোণালী ক্ষণৰ। আহিছে সেই মাহেন্দ্ৰ ক্ষণ জন্মভূমিক পবিত্ৰ কৰাৰ। অস্ত্ৰ - শস্ত্ৰই সুসজ্জিত হৈ সন্মুখীন হোৱাগৈ শত্ৰুঘ্ন বাহিনীৰ। পৰাস্ত কৰি ৰামানুজ বাহিনীক বাধ্য কৰোৱা ৰামক ৰণত নমোৱাৰ। যদি হয় প্ৰয়োজন হাতে অস্ত্ৰ ধৰি ময়ো নামিম ৰণাঙ্গনত।

চম্পক : তেনে ক্ষণ নাহিব পিতা, তৱ পুত্ৰ আমি ; দুবাহুত আছে অসীম বল। হাতে অস্ত্ৰ ধৰি শত্ৰুঘ্নৰ বাহিনীক আমিয়েই কৰিম নিৰ্মূল।

মোহক : পিতা, আপুনি কৰক বিশ্ৰাম। পুত্ৰৰ দায়িত্ব আমি কৰিম পালন। সৃষ্টি কৰি বিভীষিকা শত্ৰুঘ্ন বাহিনীত বাধ্য কৰাম শ্ৰীৰামক কুণ্ডল গমনৰ। ব'লা দাদা ৰণাঙ্গনে কৰোঁ যাত্ৰা ---

চম্পক : ব'লা ভাতৃ ----জয় কুণ্ডলৰাজৰ , জয় কুণ্ডলৰাজৰ , জয় কুণ্ডলৰাজৰ ---

**সূত্ৰ : প্ৰথমে চম্পক আৰু মোহকৰ প্ৰস্থান। পাছত সুৰথৰ প্ৰস্থান। আনফালে যুদ্ধযাত্ৰা কৰি শত্ৰুঘ্নসহ সেনাগণ --**

**গীত - ( ৰাগ : গৌৰি , তাল : ৰচক )**

**যুদ্ধৰ হেতু চলি আহে সুমিত্ৰা নন্দন।**
**সঙ্গে আহে পৰাক্ৰমী বীৰ সেনাগণ।।**

শত্ৰুঘ্ন : ইমান দম্ভ , ইমান অহংকাৰ সুৰথ ৰাজনৰ। কৰে তুলনা আমাক তৃণৰ লগত। ওলোৱা বীৰসকল, আক্ৰমণ কৰি কুণ্ডল নগৰ , চূৰ্ণ কৰি সুৰথৰ দম্ভ মুক্ত কৰোঁ আমাৰ যজ্ঞাশ্ব।

অঙ্গদ : বীৰবৰ , যোৱাৰ নহ'ব প্ৰয়োজন। সৌৱা চাওক ৰণ সাজে আহিছে সুৰথৰ পুত্ৰগণ।

**সূত্ৰ : চম্পক আৰু মোহক সোমাই আহে ---**

চম্পক : কোন শত্ৰুঘ্ন -- ? কোন হনুমন্ত ? আৰু কোনজনা বীৰ পুষ্কল ? দিয়া অঙ্গদ দেখুৱাই ; সকলোকে কৰিম বন্দী আমি সুৰথ তনয়ে।

শত্ৰুঘ্ন : আঃ পিতাৰ দৰেই পুত্ৰও অহংকাৰী। হেৰ' মিথ্যা দম্ভৰে গৰ্বিত যুৱক। নিচিনিলি তই , ময়ে ৰামানুজ শত্ৰুঘ্ন আৰু এওঁ কপিশ্ৰেষ্ঠ হনুমান যাক দেৱতাইও কৰে সন্মান। কিন্তু নিশিকিলি তইঁতে শিষ্টাচাৰ , নাজানিলি দিব যোগ্যক সন্মান। আজি তাৰ পাবি প্ৰতিদান।

মোহক : মুখৰ কথাৰ নাই প্ৰয়োজন ; এয়া ৰণাঙ্গন। দাদা , কৰক আক্ৰমণ দেখক জগতে কুণ্ডলৰ পৰাক্ৰম।

শত্ৰুঘ্ন : উত্তম , তেন্তে সেয়ে হওক। বীৰগণ কৰক আক্ৰমণ ---

**গীত :**

**মহাক্ৰোধে দুয়ো দলে ৰণ আৰম্ভিলা।**
**জিনো বুলি ৰণ আজি প্ৰহাৰ কৰিলা।।**
**হেন জানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰে সৰে ডাকি বোলা ৰাম ৰাম।।**

**সূত্ৰ :সমদল যুদ্ধ হয়। চম্পক আৰু পুষ্কলৰ বাদে বাকীসকলৰ ৰণ কৰি প্ৰস্থান --**

পুষ্কল : কুণ্ডল কুমাৰ, ময়ে পুষ্কল ; ৰামানুজ ভৰতৰ তনয়। পাছে নাজানিলো তোমাৰ নাম।

চম্পক : ইচ্ছা কৰিছা যেতিয়া শুনা যি পুষ্পই বসন্তক কৰে শোভিত, যাৰ বৰ্ণ স্বৰ্ণসদৃশ তেনে পুস্পৰ নামেৰেই নাম আমাৰ চম্পক।

পুষ্কল : চম্পক ; অতিকে সুন্দৰ নাম। আছে যদি শক্তি ৰক্ষা কৰা নিজৰ প্ৰাণ।

**সূত্ৰ ঃ যুদ্ধ হয় ------- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ ৰণত পুষ্কল বন্দী হয় । দেখি চম্পকে যি কয় --**

চম্পক ঃ হাঃ হাঃ দেখিলা তুমি আমাৰ পৰাক্ৰম । বন্দী আজি তুমি চম্পকৰ হাতে । লৈ যাম মই তোমাক কুণ্ডল নগৰে, বন্ধন কৰি ৰাখিম অশ্বৰ সমে ---

**সূত্ৰ ঃ বন্দী পুষ্কলক নিব খোজে । এনেতে হনুমান আহে ---**

হনু ঃ সাৱধান সুৰথ তনয় , হৰণ কৰিছিলি যজ্ঞৰ অশ্ব , ধৰিছিলো মই ধৈৰ্য ; ৰণাঙ্গনে আহি আমাক কৰিলি নিন্দা , অবুজ বুলি কৰিলো ক্ষমা ; কিন্তু এইবাৰ বীৰ পুষ্কলক বন্দী কৰি কৰিলি অক্ষম অপৰাধ । আৰু নসহো মই , দিম আজি তোক যোগ্য প্ৰতিদান ।

চম্পক ঃ হে কপিবৰ , আপোনাৰ হাতে যদি মোৰ মিলে মৰণ লভিম পুণ্য ; যদি আপুনি হয় পৰাস্ত জগতত বীৰ বুলিময়ো হম খ্যাত । আহক কপিবৰ , ৰণৰ বাবে সাজু আছে চম্পক ।

হনু ঃ উত্তম , তেন্তে নিজক ৰক্ষা কৰা ---

**সূত্ৰ ঃ দুয়োৰে মাজত যুদ্ধ হয় ---( বাজনা - ভঙ্গী )-- ; ৰণত চম্পক মুৰ্চা যায়।**

হনু ঃ চমৎকাৰ পৰাক্ৰম তোমাৰ ; বীৰৰ দৰে কৰিলা ৰণ --; আঁহা পুষ্কল , বন্ধন তোমাৰ মই কৰোঁ মুক্ত -- ( পুষ্কলৰ বন্ধন খোলে )

পুষ্কল ঃ ধন্যবাদ কপিবৰ , ৰক্ষা কৰিলে আপুনি মোৰ জীৱন ।

হনু ঃ সুৰথ তনয়ে পালে উচিত দণ্ড ; ব'লা কুমাৰ যাওঁ আমি ৰণাঙ্গনৰ অন্য দিশে ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । এনেতে ৰণসাজে সুৰথ আহে ----**

সুৰথ ঃ পুত্ৰ , পুত্ৰ ,-- চম্পক, পৰি আছ তই ৰণাঙ্গনত । উঠ পুত্ৰ , উঠ ; চম্পক , নাই নাই তই পৰাস্ত হ'ব নোৱাৰ ; তই বীৰ পুত্ৰ মোৰ ; তোৰ মৃত্যু হ'ব নোৱাৰে । হে ৰাঘৱ , এয়া কি ঘটিল মোৰ ভাগ্যত ? অভিলাষ আছিল মাথো তোমাৰ দৰ্শনৰ , তাকো নকৰিলা কৃপা , পুত্ৰৰ প্ৰাণহে তুমি কাঢ়ি নিলা । পুত্ৰ ------ ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
পুত্ৰশোকে আজি মোৰ হৃদয় দহিলা ।।
হাঁ হাঁ প্ৰভূ ৰঘুমণি কিনো তোমাৰ লীলা ।
অল্প দোষে আজি মোৰ সৰ্বস্ব হৰিলা ।।

--( কথা ) হে ৰঘুমণি, জানিলো তুমি নিদাৰুণ, ভক্তৰ মনোবাঞ্চা তুমি নকৰা পূৰণ --

*(আঃবাণীঃ হে কুণ্ডলৰাজ , হোৱা নাই তোমাৰ পুত্ৰ নিধন , হৈছে অচেতন ; ৰাম নামে পুত্ৰক কৰা চেতন ।)*

সুৰথ ঃ কি , পুত্ৰ মোৰ হোৱা নাই নিধন ? মাথো হৈছে অচেতন । ধন্যবাদ প্ৰভূ , ধন্যবাদ । পুত্ৰ , পুত্ৰ চম্পক উঠা তুমি -- হে শ্ৰীৰাম, পুত্ৰক কৰা চেতন । ৰাম -- ৰাম -- ৰাম ---

**সূত্ৰ ঃ চম্পকে চেতনা পাই ----**

চম্পক ঃ আঃ আঃ --ক'ত আছো মই ?

সুৰথ ঃ পুত্ৰ , পুত্ৰ চম্পক --- ( আঁকোৱালি লয় )

চম্পক ঃ পিতা আপুনি -- ?

সুৰথ ঃ অ বাচা, পাইছিলো তোমাৰ --- হে ৰাঘুপতি, তোমাক নিন্দি মই পুনৰ কৰিলো পাপ ; অথচ নিদি দণ্ড ঘূৰাই দিলা মোৰ পুত্ৰৰ প্ৰাণ। তুমি দয়াৰ সাগৰ, সৰ্বদোষ মোৰ কৰা মাৰ্জনা ।

চম্পক ঃ নোৱাৰিলো পিতা মই বচন ৰাখিব ; পৰাক্ৰমে যুঁজি মই ভৰতনন্দনক কৰিছিলো বন্ধন । কিন্তু কপিবৰ হনুমানে প্ৰচণ্ড প্ৰহাৰ কৰিলে মোৰ বক্ষত ; চকুৰে দেখিলো অন্ধকাৰ ; তাৰ পাছত মই নাজানো পিতা --চকু মেলি দেখিছো আপোনাক ।

সুৰথ : আৰু চিন্তা নকৰিবা বাচা । আহিলো মই ৰণসাজে, হাতে অস্ত্ৰ ধৰি শত্ৰুঘ্ন বাহিনীক মই কৰিম সংহাৰ । যোৱা বাচা তুমি কৰাগৈ বিশ্ৰাম ।

চম্পক : পিতা , ই কেনেদৰে হ'ব সম্ভৱ ; আপোনাক এৰি ৰণক্ষেত্ৰত মই কৰিমগৈ বিশ্ৰাম ?

সুৰথ : পিতাৰাৰ বলক কি তুমি কৰিছা সন্দেহ ? শ্ৰীৰামক ধ্যান কৰি আহিছো ৰণে; নোৱাৰে মোক কোনেও পৰাস্ত কৰিব । যোৱা বাচা এয়া মোৰ আদেশ ---

চম্পক : পিতা ; --- যিবা আজ্ঞা পিতা -- ( **প্ৰস্থান** )

সুৰথ : হে পৱন পুত্ৰ হনুমান, তুমি যদি হোৱা প্ৰকৃততে বলবান তেন্তে গ্ৰহণ কৰা মোৰ ৰণৰ আহ্বান । হনুমান, হনুমান ---

**সূত্ৰ : এনেতে হনুমান আহে ----**

হনু : জয় শ্ৰীৰাম --; চোৱা সুৰথ, গ্ৰহণ কৰিলো মই তোমাৰ ৰণৰ আহ্বান ।

সুৰথ : হনুমান , তুমি শ্ৰীৰামৰ ভক্ত , ময়ো শ্ৰীৰামৰে সেৱক । আজি তোমাক বন্দী কৰি বাধ্য কৰাম ৰাঘৱক পদধূলা দিবলৈ আমাৰ কুণ্ডল ৰাজ্যত ।

হনু : হনুক বন্দী কৰাটো নহয় সহজ । পৰিণাম হ'ব অতি ভয়ানক ---

সুৰথ : দেখা যাওক তেন্তে কি হয় পৰিণাম ---

**গীত ঃ (ৰাগ- নাট মল্লাৰ ; তাল ঃ চুতকলা ভঙ্গী )**

**কিনো তোমাৰ লীলা প্ৰভু কিনো তোমাৰ লীলা ।**
**দুয়ো ভক্তই মহা ক্ৰোধে ৰণ আৰম্ভিলা ।।**

**সূত্ৰ : যুদ্ধ কৰি কৰি দুয়োৰে প্ৰস্থান । আনফালে সভাত শ্ৰীৰাম ---**

ৰাম : ঘনে ঘনে কঁপিছে ধৰা ; আমাৰ হৃদয়তো বাঢ়িছে অশান্তিৰ জোৱাৰ ভাটা । বুজিছো আমাৰেই দুই পৰম ভক্ত সন্মূখ সমৰত হৈছে প্ৰবৃত্ত । এজনে কৰে হাবিয়াস আমাৰ পদাৰ্পণৰ আনজন আছে কৰ্তব্যৰ বন্ধনত । কি কৰোঁ আমি ? ভাতৃ শত্ৰুঘ্ন আছে সমৰৰ দায়িত্বত । তেনেস্থলত ৰণাঙ্গনে আমাৰ প্ৰৱেশ নহ'ব যুগুত । নিৰুপায় আমি, অন্তিম ক্ষণলৈকে মাথো কৰোঁ নিৰীক্ষণ।

**সূত্ৰ : শ্ৰীৰামৰ প্ৰস্থান । আনফালে ৰণ কৰি কৰি সুৰথ আৰু হনুমান --**

সুৰথ : অদ্ভুত তোমাৰ পৰাক্ৰম ; যেনে শুনিছিলো তাৰেই পাইছো প্ৰমাণ । পাছে এইবাৰ সাজু হোৱা কপিবৰ , ৰামাস্ত্ৰ মই জুৰিলো ধনুত --ওঁম ৰঘুনন্দনায় নমঃ --

হনু :( স্বগতঃ ) ৰামাস্ত্ৰ ? নাই নাই নকৰোঁ মই ইয়াৰ প্ৰতিহত । স্বেচ্ছাই বন্দীত্বক কৰিম গ্ৰহণ -- প্ৰভু --

**সূত্ৰ : হনুমান বন্দী হয় । শত্ৰুঘ্নই খেদি আহে ---**

শত্ৰুঘ্ন : সাৱধান ৰাজন, মহাবীৰ হনুমানক কৰি বন্ধন নাভাবিব ৰণত পালো বুলি বিজয়। ৰামানুজ মই শত্ৰুঘ্ন ; যজ্ঞৰ অশ্বৰ ময়ে আছিলো ৰক্ষক। তেনেস্থলত নিচিনি মোক হৰণ কৰি অশ্বক কৰিলে অপৰাধ । তাৰ প্ৰতিফলে আজি আপোনাৰ মাতিব বিনাশ --

সুৰথ : শত্ৰুঘ্ন , যদি ইচ্ছা কৰিছা মোৰ সমে ৰণৰ তেন্তে ৰামৰ নাম লৈ প্ৰতিহত কৰিবা মোৰ তীক্ষ্ণ বাণক । তেহে ৰক্ষা পৰিব তোমাৰ জীৱন ।

শত্ৰুঘ্ন : দেখা যাওক তেন্তে কাৰ যায় সমৰত প্ৰাণ ---

**গীত**

**এহিবুলি দুয়ো বীৰে ৰণ আৰম্ভিলা ।**
**চোকা চোকা বাণ দুয়ো প্ৰহাৰ কৰিলা ।।**
**অৱশেষত ৰামানুজ হৈলা পৰাভূত ।**
**ৰাম ৰাম বুলি সভাসদে ঘোষিয়োক ।।**

-

**সূত্ৰ ঃ যুদ্ধত শত্ৰুঘ্ন মূৰ্চা যায় । দেখি হনুমানে যি কয় --**

হনু ঃ( স্বগতঃ ) ই কি সকলো বীৰেই হ'ল মূৰ্চিত । বুজিছো প্ৰভু এয়া তোমাৰেই লীলা --

সুৰথ ঃ হে ৰঘুমণি, তোমাৰ নামক অস্ত্ৰৰূপে লৈ বীৰ শত্ৰুঘ্নকে ধৰি সকলো সেনাক মই কৰিলো মূৰ্চিত । হনুমন্তকো কৰিলো বন্ধন । এতিয়া মাথো অপেক্ষা তোমাৰ ; মোকলাই নিয়াহি যজ্ঞাশ্ব তোমাৰ । আঁহা প্ৰভু , দয়া কৰি মোক দিয়াহি দৰিশন --

**সূত্ৰ ঃ এনেতে শ্ৰীৰাম আহে ---**

ৰাম ঃ সুৰথ, আমি আহিলো ----

সুৰথ ঃ হে ৰঘুকুল শিৰোমণি প্ৰভু শ্ৰীৰাম ; বিশ্বাস আছিল মোৰ তোমাৰ ওপৰত ; সেৱকক তুমি নকৰা নিৰাশ । আমাৰ মনোবাঞ্চা তুমি কৰিলা পূৰণ । ধন্য হ'ল আজি আমাৰ জীৱন তোমাৰ দৰিশন পাই ; ধন্য হ'ল আজি কুণ্ডল ৰাজ্য তোমাৰ পদৰেণু পাই । প্ৰভু , আমাৰ ভক্তিভৰা সেৱা কৰা গ্ৰহণ --

ৰাম ঃ তোমাৰ ভক্তি আৰু বীৰত্বত মুগ্ধ হ'লো আমি । বাধ্য হ'লো আমি আহিব তোমাৰ ৰাজ্যত ।

সুৰথ ঃ প্ৰভু, যজ্ঞাশ্ব বন্ধনেৰে আৰ্জিলো পাপ ; তোমাৰ সেনানীক মূৰ্চিত কৰি মই কৰিলো অন্যায় । প্ৰিয় ভক্ত তোমাৰ বীৰ হনুমানক কৰি বন্ধন তোমাৰেই ওচৰত মই কৰিলো অপৰাধ । সৰ্ব পাপ, সৰ্ব অপৰাধৰ বাবে যি শাস্তি তুমি কৰিবা প্ৰদান, নতশিৰে মই কৰিম গ্ৰহণ ---

ৰাম ঃ সুৰথ, ক্ষত্ৰিয় ধৰ্ম তুমি কৰিছা পালন ; প্ৰয়োজন হ'লে ক্ষত্ৰিয়ই নিজ আৰাধ্যৰ বিৰুদ্ধেও কৰিব লাগিব অস্ত্ৰ ধাৰণ । সেইহেতু তোমাৰ কোনো দোষ হোৱা নাই । হনুমন্তৰ বন্ধনত তুমি নকৰিবা বেজাৰ ; বন্ধন মুক্ত কৰিছো আমি হনুমন্তৰ --

হনু ঃ জয় শ্ৰীৰাম ----

সুৰথ ঃ হে পৱন পুত্ৰ , ৰামভক্ত মহান হনুমান , নিজ স্বাৰ্থ পূৰণৰ বাবে আপোনাৰ বিৰুদ্ধে মই ধৰিলো অস্ত্ৰ । মোৰ অপৰাধ আপুনি মাৰ্জনা কৰক ।

হনু ঃ কি কৰে আপুনি ? একেজনা প্ৰভুৰ ভক্তৰ মাজত নাথাকে বিদ্বেষ । হে ভক্তপ্ৰাণ ৰাজন, আহক কৰোঁ আলিঙ্গন ---

সুৰথ ঃ কপিবৰ, নাহে আৰু এনে দুৰ্লভ ক্ষণ, আহক দুয়ো মিলি প্ৰভুৰ চৰণত কৰোঁ বন্দন ---------

------ ( স্তুতি ) ----

নমো নমো ৰঘুপতি প্ৰভু শ্ৰীৰাম ।
পৰম উজ্বল তনু দুৰ্বাদল শ্যাম ।।
যাৰ নামে পূৰ্ণ কৰে সৰ্ব মনকাম ।
হেন ৰাম পদে কৰোঁ সদায় প্ৰণাম ।।

হনু ঃ জয় শ্ৰীৰাম -- জয় শ্ৰীৰাম -- জয় শ্ৰীৰাম

ৰাম ঃ কি কৰা তোমালোকে ? অশ্ৰুসিক্ত কৰালা তোমালোকে আমাৰ নয়ন। আঁহা ভক্তগণ, তোমালোকৰ স্থান আমাৰ হৃদয়ত --( আঁকোৱালি লয় ) আজি আমি অতিকে সুখী, দুই পৰম বান্ধৱক পালো একেলগে ; অশান্ত ৰামৰ হৃদয় আজি তোমালোকৰ সান্নিধ্যত হৈছে শান্ত । সুৰথ, বীৰগণৰ মুৰ্চিতাৱস্থাৰ বাবে আৰু নকৰিবা শোক । চোৱা, সকলোকে মই কৰিছো চেতন ---

শত্ৰুঘ্ন ঃ ( চেতন পাই ) ক'ত গ'ল ? ক'ত গ'ল সুৰথ ? ই কি দাদা -- আপুনি ? আহিব লগা হ'ল আপুনি যজ্ঞস্থলি এৰি । ক্ষমা কৰিব ৰঘুমণি, অক্ষম, অপদাৰ্থ মই ; নোৱাৰিলো দিব মই আপোনাৰ বিশ্বাসৰ মান ; নোৱাৰিলো যজ্ঞীয় অশ্বক মই সুৰক্ষা দিব ------

ৰাম ঃ শত্ৰুঘ্ন, এই পৰাজয়ক তুমি পাহৰি যোৱা । ই নাছিল ৰণ ; আছিল মাথো মিলনৰ মাধ্যম । অ ভাতৃ , আমাৰ সেৱক পৰম বান্ধৱ সুৰথৰ এই সুযোগতে আমি পালো সঙ্গ ।

সুৰথ ঃ হে ৰামানুজ , শত্ৰুতা নাছিল মোৰ আপোনাৰ লগত । অপূৰ্ণ অভিলাষ মোৰ হ'ল পূৰণ । যজ্ঞাশ্ব মই আপোনাক দিম ঘূৰাই ; আৰু প্ৰভু শ্ৰীৰাম, কৰোঁ অনুৰোধ আমাৰ ভৱনে কিছু ক্ষণ থাকি আমাক সেৱাৰ দিয়ক সুযোগ ।

রাম ঃ নিশ্চয়, কুণ্ডল নগৰৰ অপূৰ্ব শোভা দৰশনৰ অভিলাষ আমাৰো জাগিছে হৃদয়ত । ব'লা তেন্তে সকলো যাঁও কুণ্ডলৰ শোভা নয়ন ভৰাই কৰোঁগৈ উপভোগ ---

সুৰথ ঃ কৃতাৰ্থ হ'লো প্ৰভু , কৃতাৰ্থ হ'লো । তেন্তে ব'লক সকলো ---

গীত -( ৰাগ ঃ মাহুৰ , তাল ঃ দোমানী )

ৰঙ্গমনে সৰ্বজনে কুণ্ডল চলিলা ।
দৰশন লভি ৰামৰ পুণ্যক লভিলা ।।
দুষ্টক দমন কৰি সন্তক পালিলা ।
সমাজৰ লোকে ডাকি ৰাম ৰাম বোলা ।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগিৰ সমাপ্ত ঘটে ।

গীত - ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় ৰঘূপতি  কৰা দয়া মায়া হৰি
তোমাৰ চৰণে হৌক গতি ।
তযু গুণ নাম স্মৰি  দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি ।।
অপৰাধ বিনাশন  তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে ।
আন গতি নাহিকে মৰণে ।।
অপৰাধ ক্ষমা কৰি  তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ।।

মুক্তি মঙ্গল ভটিমা

নমো নমো শ্ৰীৰাম কৰুণা সাগৰ ।
ৰঘূবংশে অৱতৰি জগত ঈশ্বৰ ।।
মুকুত সকলে সদা যাৰ গুণ গায় ।
হেন প্ৰভূ চৰণত প্ৰণামো সদায় ।।
সৰ্ব অপৰাধ কৰাহা মোচন ।
চৰণে শৰণ লৈলো ৰঘূৰ নন্দন ।।

ইতি, - সুৰথৰ শ্ৰীৰাম দৰ্শন - নাটকং সম্পূৰ্ণম ।।

সমাপ্ত

জয় গুৰু শঙ্কৰ

( ভাওনাৰ নাট )



# ইল্বল নিধন, অগস্ত্যৰ দাক্ষিণাত্য গমন


নাট্যৰূপ

শ্ৰী ৰাজীৱ গগৈ

কাছজান , তিতাবৰ

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১) সূত্ৰধাৰ
২) শ্ৰীবিষ্ণু
৩) নাৰদ
৪ ) ইন্দ্ৰদেৱ
৫ ) অগ্নিদেৱ
৬ ) সূৰ্যদেৱ
৭ ) অগস্ত্য মুনি -- ( প্ৰধান চৰিত্ৰ )
৮ ) বিন্ধ্যাচল
৯ ) বিদৰ্ভ ৰাজন
১০) শ্ৰুতৰবা ( মনুষ্য ৰাজন )
১১ ) মন্ত্ৰীবৰ
১২ ) ইল্বল ( দৈত্য )
১৩ ) বাতাপী ( দৈত্য ভাতৃ )
১৪ ) কালকেয় ( দৈত্যৰাজ )
১৫ ) ত্ৰিভঙ্গ ( দৈত্যৰ সেনাপতি )
১৬ ) ঋষি
১৭ ) যজ্ঞস্বামী ( ব্ৰাহ্মণ )
১৮ ) ব্ৰহ্মচাৰী ( ব্ৰাহ্মণ )
১৯ ) প্ৰেত

## নাৰী চৰিত্ৰ

১) ৰানী ( বিদৰ্ভৰাজৰ পত্নী )
২) লোপামুদ্ৰা ( বিদৰ্ভৰ ৰাজকুমাৰী ) -- ( প্ৰধান চৰিত্ৰ )

## মুখা

ছাগ

**শ্ৰীশ্ৰী কৃষ্ণায়ে নমো নমঃ**

শ্লোক ঃ **যৎপাদ পংকজ ৰজঃ শিৰসা সুৰেশাঃ-- সৰ্বাদয়ো দিবিশ্চঃ দুহিতম উদ্দোহন্তি --**
**যৎকৃৰ্তনাৎ কলিমলং মনোজাস্ত্য জন্তি -- কৃষ্ণস্য তস্য চৰনং শৰনং ব্ৰজামঃ ।।**

অপিচ ঃ **যেনাকাৰী সমস্তে দেৱতা নাথ নমস্তে গৰুড়ধবজ**
**শংখ চক্ৰ গদা পদ্ম বাসুদেৱ নমোহস্ততে ।।**

গীত ঃ নান্দী ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় দেৱ নাৰায়ণ।
তুৱা পাৱে কৰহো বন্দন।।
নানা ৰূপে লোৱা অৱতাৰ।
কৰিলাহা ভক্তক উদ্ধাৰ।।
হেনজানি এৰা আন কাম।
সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ, প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ুং শৃণুধং শ্ৰদ্ধয়াধুনা ইয়ং- **ইল্বল নিধন, অগস্ত্যৰ দাক্ষিণাত্য গমন** নাম নাটকং শ্ৰৱণে মুক্তি সাধকম ।

অথ ভটিমা

জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন
তুৱা পাৱে কৰোহো বন্দন ।
দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি
ৰক্ষা কৰা সাধু সন্ত গণ ।।
পূৰ্বজৰ আজ্ঞা মানি লোপামুদ্ৰাক স্ৰজন কৰি
অগস্ত্যই সংসাৰ পাতিলা ।
সমুদ্ৰক পান কৰি দৈত্যক নিধন কৰি
সন্তক উদ্ধাৰ কৰিলা ।।
বিন্ধ্যক চল কৰি জগতক ৰক্ষা কৰি
দাক্ষিণাত্য গমন কৰিলা ।
দেখা দেখা সৰ্বজন ইটো কথা অগস্ত্যৰ
নিৰন্তৰে হৰি হৰি বোলা ।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সখী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আকাশে দেৱ দুন্দুভী বাজত বাজত বাজত -------------

সূত্ৰ ঃ আঃ মিলল মিলল, আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু পীত বস্ত্ৰে পৰিধান কৰি সভাৰ মধ্যে আৱত, আৱত, আৱত । তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

ইতি সুত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্ৰ ঃ** **সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ---------**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং

**গীত - ( ৰাগ ঃ সিন্ধুৰা , তাল ঃ একতাল )**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।**
**যাক দেখি মহা সুখী হুৱে সৰ্বজন।।**
**কৰ যোগ কঙ্কন ৰুণ জুন ৰুল ।**
**পীত বস্ত্ৰ পৰিধান সৰ্ব বক্ষ স্থল ।।**
**হেন মতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰ।।**

বিষ্ণু ঃ এই বিনন্দীয়া সৃষ্টিৰ আমিয়ে স্ৰষ্টা । আমিয়ে আদি, আমিয়ে অন্ত ; আমিয়ে ধৰ্ম, আমিয়ে কৰ্ম ; সমস্ত ভূততে বিৰাজমান আমিয়ে হলো ওমকাৰ -- মায়াৰে আৱৰা মৰ্ত্যধামত যিজনে দিঠকে - শয়নে গমনে - ভোজনে চিন্তিব আমাক ; সংকীৰ্ণ হ'ব তেওঁৰ পাপ , যমদূতৰ পৰাও তেওঁ পাব পৰিত্ৰাণ । **( দূৰত নাৰদৰ কণ্ঠ ভাঁহি আহে )** অ শুনিছো দূৰত সুমধুৰ কণ্ঠ আৰু বীণাৰ ঝংকাৰে আমাৰে গুণগান । নিশ্চয় দেৱৰ্ষীৰ হৈছে আগমণ আমাৰ এই বৈকুণ্ঠধামে ---

**সূত্ৰ ঃ** **এনেতে গীত গাই নাৰদ সোমাই আহে -----**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ; হে দয়াময়, কমললোচন আপোনাৰ চৰণত যাঁচিলো আমি সহস্ৰ প্ৰণাম ---

বিষ্ণু ঃ আঁহা দেৱৰ্ষী , উপযুক্ত সময়তেই হৈছে তোমাৰ আগমণ -- ।

নাৰদ ঃ উপযুক্ত সময় --- ? প্ৰভু নুবুজিলো আমি আপোনাৰ কথনৰ তাৎপৰ্য ।

বিষ্ণু ঃ দেৱৰ্ষী ,আগন্তুক সময় হ'ব জগতবাসীৰ বাবে অতিকে বিচিত্ৰ , দুষ্টৰ হ'ব বিনাশ , অহংকাৰীৰ দৰ্প হ'ব চূৰ্ণ আৰু আমাৰ ভক্তৰ মনোবাঞ্ছাও হ'ব পূৰ্ণ । ইয়াত তোমাৰো অৱদান থাকিব দেৱৰ্ষী ।

নাৰদ ঃ বুজিছো প্ৰভু , বুজিছো ; লীলাপতিয়ে জগতত দেখুৱাব লীলা আৰু আমাৰ দৰে এই ব্ৰহ্মচাৰীকো লীলাৰ অংশীদাৰৰ সুযোগ দি কৰিছে কৃপা । ধন্যবাদ প্ৰভু , ধন্যবাদ ।

বিষ্ণু ঃ দেৱৰ্ষী , কেৱল তুমিয়ে নহয় , এই লীলাৰ হোতা হ'ব আমাৰ আন এজন ভক্ত , তোমাৰ দৰেই বৰ্তমান হৈ আছে ব্ৰহ্মচাৰী , নাম তেওঁৰ ঋষি অগস্ত্য --

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ , মৰতৰ মহান তপস্বী , আমাৰ দৰেই ব্ৰহ্মচাৰী ঋষি অগস্ত্য ---- ?

বিষ্ণু ঃ হয় দেৱৰ্ষী , বশিষ্ঠৰ ভাতা অগস্ত্য , আমাৰ অতিকে প্ৰিয় ; অৱশ্যে সদ্যহতে তুমি যোৱা বিদৰ্ভ ৰাজনৰ কাষে ; পঠাবা তেওঁক তেওঁৰ মনোবাঞ্ছা পূৰণৰ হেতু ঋষি অগস্ত্যৰ কাষে --

নাৰদ ঃ প্ৰভু , জানিব পাৰোঁনে বিদৰ্ভ ৰাজনক অগস্ত্যৰ কাষে পঠাই কি লীলা ৰচিব আপুনি ?

বিষ্ণু ঃ দেৱৰ্ষী , বিদৰ্ভৰাজৰ গৃহতে জানিবা তুমি ইয়াৰ কাৰণ -----

নাৰদ ঃ হাঃ হাঃ বুজিলো প্ৰভু , বুজিলো আমাৰ কৌতুহল শীঘ্ৰেই আপুনি নকৰে পূৰণ ; তেন্তে প্ৰভু আমি এতিয়া যাত্ৰা কৰোঁ বিদৰ্ভ ৰাজ্যলৈ --

বিষ্ণু ঃ যোৱা নাৰদ , আমিও নিজ কৰ্তব্য কৰোঁগৈ পালন ।

**সূত্ৰ ঃ** **দুয়োৰে প্ৰস্থান । আনফালে সভাত অগস্ত্যৰ প্ৰৱেশ -------**

গীত- ( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )

প্ৰৱেশয় সভাৰ মাজে মহৰ্ষি অগস্ত্য ।
মহাগুণী ঋষি তুমি ভাতা বশিষ্ঠৰ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান। আনফালে সভাত এক প্ৰেতৰ প্ৰৱেশ --( বাজনা- ভঙ্গী )

সূত্ৰ ঃ সভাৰ মধ্যে উপস্থিত হৈ প্ৰেতে কান্দে আৰু জোপোকা মাৰি বহি থাকে । এনেতে অগস্ত্য আহে । প্ৰেতে কান্দোন আৰম্ভ কৰে-----

অগস্ত্য ঃ কোন আপুনি ? কিয় এনেদৰে কৰিছে ক্ৰন্দন --- ?

প্ৰেত ঃ ( কান্দি ) নিজৰ ভাগ্যক লৈ কান্দিছো আমি । আমাৰ উত্তৰ পুৰুষৰ কাৰ্যত আজি সন্তাপ পাইছো আমি । আমাৰ কষ্ট নুবুজে তেওঁ ---

অগস্ত্য ঃ কোন আপোনাৰ সেই অকৃতজ্ঞ উত্তৰ পুৰুষ ?

প্ৰেত ঃ তুমিয়েই আমাৰ উত্তৰপুৰুষ আৰু আমি তোমাৰেই পূৰ্বজ -- ।

অগস্ত্য ঃ কি, আমাৰেই পূৰ্বজ ? আমাৰ পূৰ্বজ প্ৰেতৰ সমাজত ? আচৰিত , কোনে কৰিলে পাপ , কাৰ দোষত আপোনাসবৰ এনে দুৰ্গতি ? হে দেৱ, আমিয়ে কৰিলো নেকি কিবা পাপ ?

প্ৰেত ঃ অগস্ত্য, পাপ কৰ্ম কোনেও কৰা নাই ; মাথো এক কাৰ্যহে তুমি অদ্যপি নকৰিলা পূৰণ । তাৰবাবেই আমাৰ হৈছে এনে দুৰ্গতি --

অগস্ত্য ঃ কৰা নাই মই এক কাৰ্য যাৰবাবে আমাৰ পূৰ্বজগণে পাইছে কষ্ট ? কওক কি কাৰ্য কৰিলে মই আপোনাসৱে কষ্টৰ পৰা পাব মুক্তি ?

প্ৰেত ঃ বাচা, আমাৰ বংশ কি তোমাতেই পৰিব অন্ত ? সৰ্বক্ষণে এই বিষয়ত আমি হৈ থাকো চিন্তিত । অগস্ত্য, সংসাৰ পাতি তুমি আমাক কষ্টৰপৰা দিয়া মুক্তি --

অগস্ত্য ঃ সংসাৰ আৰু মই ? কিন্তু -- মই যে প্ৰতিজ্ঞাবদ্ধ বিবাহত নবহোঁ বুলি ; চিৰদিন ব্ৰহ্মচাৰী হৈ প্ৰভূৰ চৰণ চিন্তাই মোৰ একমাত্ৰ উদ্দেশ্য । তেনেস্থলত সাংসাৰিক বান্ধোনত সোমাই মায়া- মোহত আবদ্ধ হৈ কেনেদৰে কৰিম মই হৰি ভকতি ?

প্ৰেত ঃ অগস্ত্য, সাংসাৰিক বান্ধোনত সোমাইও পাৰা তুমি ভকতি কৰিব। জগতৰ মহান তপস্বীগণেও জানো কৰা নাই বিবাহ ? কৰা নাই জানো তেওঁলোকে নিজ নিজ বংশক উদ্ধাৰ ? বাচা, সংসাৰ পাতি তুমি আমাৰ ৰংশক ৰাখা জীয়াই । মনত ৰাখিবা বাচা গৃহস্থাশ্ৰমেই হৈছে শ্ৰেষ্ঠাশ্ৰম ------

অগস্ত্য ঃ হে মোৰ পূজনীয় পূৰ্বজ , মোৰ জ্ঞানচক্ষু আজি হ'ল মুকলি ; নিজ স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে মই আপোনাসবৰ মনত দিলো কষ্ট ; মোক কৰিব ক্ষমা ; অবিবাহিত হৈ থকাৰ প্ৰতিজ্ঞা মই কৰিলো ভঙ্গ ; কৰিছো অঙ্গীকাৰ , অচিৰেই বিবাহ পাশত আবদ্ধ হ'ম মই -----

প্ৰেত ঃ ধন্য ধন্য বাচা ; তোমাৰ পৰা আমি ইয়াকে বিচাৰোঁ বাচা , জানিছিলো তুমি আমাক নিৰাশ নকৰা । বাচা অগস্ত্য , আমি এতিয়া যাঁও নিজ স্থানে --- ( প্ৰস্থান )

অগস্ত্য ঃ যাওক দেৱ, পূৰ্বজক উদ্ধাৰৰ হেতু অচিৰেই আমি কৰিম বিবাহ । কিন্তু চিৰ কুমাৰ হৈ থকাৰ ইচ্ছাত নিদিলোঁ আজিলৈকে দৃষ্টি কোনো নাৰীৰ প্ৰতি । হঠাৎ এতিয়া এগৰাকী আমাৰ যোগ্য নাৰী আমি ক'ত পাম বিচাৰি -- ? তথাপি অঙ্গীকাৰ কৰিলো যেতিয়া কৰোঁ অন্বেষণ --

সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান। সভাত বিদৰ্ভৰাজ আৰু ৰানীৰ প্ৰৱেশ ----

**গীত ঃ ( ৰাগ ঃ-----; তাল ঃ-------)**

**ভাৰ্যাৰ সমে চলি আছে বিদৰ্ভ ৰাজন ।**
**চিন্তান্বিত দুয়ো আজি মনতে বিষাদ।।**
**হেন জানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰ লোকে ডাকি বোলা ৰাম ৰাম।।**

ৰানী ঃ জানিলো স্বামী , নহয় আৰু আমাৰ মনোবাঞ্চা পূৰণ । ময়ে পাপীনি , ময়ে অভাগিনী ; নোৱাৰিলো স্বামী দিব মই আপোনাক সন্তানৰ সুখ । কৰিছো মিনতি , নাথাকে মোৰ কোনো আক্ষেপ আমাক তেজি আপুনি কৰক পুনৰ বিবাহ --

বিঃৰাজ ঃ সাৱধান , সাৱধান প্ৰিয়ে কি কৈছা এয়া তুমি ? সন্তানহীন হোৱাটোত কেৱল তোমাৰে নহয় দোষ, হয়তো ময়ে পাপী , ময়ে অভাগা , হয়তো ময়ে অক্ষম ; সেই হেতু ভগৱন্তই আজিকোপতি প্ৰদান কৰা নাই আমাক পিতৃত্বৰ গৌৰৱ । তথাপি নিৰাশ নহ'বা ৰানী, ময়ো নহওঁ নিৰাশ, ভগৱন্তই লৈছে আমাৰ ধৈৰ্যৰ পৰীক্ষা ---

ৰানী ঃ আৰু কিমান ধৈৰ্য ধৰিম স্বামী ; ধৈৰ্য মই হেৰুৱাই পেলাইছো। ৰিক্ত কোলা লৈয়ে হয়তো মোৰ জীৱনৰ ঘটিব অৱসান ---

বিঃৰাজ ঃ ৰানী ; আমাৰ প্ৰভু নাৰায়ণ দয়াৰ সাগৰ , নিশ্চয় তেওঁ আমাক কৰিব দয়া ।

**সূত্ৰ ঃ এনেতে হৰি নাম গায় দূৰত নাৰদ আহে --------**

বিঃৰাজ ঃ ই কি , শুনো হৰি নাম ,--( আগবাঢ়ি ) ৰানী , দেৱৰ্ষীৰ আগমণ হৈছে আমাৰ গৃহে ---

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ---

ৰ+ৰা ঃ প্ৰণাম দেৱৰ্ষী, আপোনাৰ দৰ্শন লভি ধন্য হল জীৱন আমাৰ ---

নাৰদ ঃ ভগৱন্তই কৃপা কৰক ---

ৰানী ঃ দেৱৰ্ষী, প্ৰভুৰ কৃপা লাভৰ আশাতেই জীয়াই আছো আমি । আমাৰ দৰে পাপী মনুষ্যই লভিম জানো ভগৱন্তৰ কৃপা -- ?

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; আমাৰ প্ৰভু ভকতবৎসল , ভকতৰ দুখ কৰে মোচন ; কিন্তু কিয় বুলিলে এই বচন ? আছে কিবা আপোনাসৱৰ দুখ ? সঁচাকৈ দেখো দুয়োৰে মলিন বদন ----

বিঃৰাজ ঃ দেৱৰ্ষী , নকৰিব ক্ৰোধ আপুনি ৰানীৰ বচনত ; ভগৱন্তৰ কৃপাতে লভিছো মই এই বিশাল বিদৰ্ভ ৰাজ্য । নাই অশান্তি ৰাজ্যত , সুকলমে কৰিছো শাসন , প্ৰজাও আছে শান্তিত । কিন্তু অশান্তি আমাৰ হৃদয়ত ; অপূৰ্ণ হৈ আছে এতিয়াও আমাৰ পিতৃত্ব আৰু মাতৃত্ব লাভৰ সপোন । দেৱৰ্ষী , দিবনে আপুনি আমাক এক সমিধান , কিদৰে লভিম আমি সন্তান --- ?

নাৰদ ঃ ( স্বগতঃ) বুজিলো প্ৰভু , এই উদ্দেশ্যে পথাইছিলা আমাক --( প্ৰকাশ্য ) ৰাজন , ভগৱন্তৰ ওপৰত ৰাখক বিশ্বাস ; আমিও হ'লো নিশ্চিত ভগৱন্তই কৃপা কৰিব আপোনাসৱক । বাৰু ৰাজন, যাওক আপুনি মহৰ্ষি অগস্ত্যৰ কাষে, নিবেদন কৰককৈগে মহৰ্ষিক আপোনাৰ মনৰ অভিলাষ।

বিঃৰাজ ঃ আমাক মাৰ্গ প্ৰদৰ্শন কৰা বাবে ধন্যবাদ দেৱৰ্ষী ------

নাৰদ ঃ এয়া আমাৰ কৰ্তব্য ৰাজন । বাৰু আমি এতিয়া বিদায়হে মাগিছো ---- **( প্ৰস্থান )**

বিঃৰাজ ঃ প্ৰিয়ে , শুনিলানে দেৱৰ্ষীৰ বাণী , প্ৰভুৱে আমাক কৰিব কৃপা । কালিলৈ প্ৰভাততে মই মহৰ্ষি অগস্ত্যৰ সমীপে কৰিম যাত্ৰা । এতিয়া ব'লা যাঁও ক্ষন্তেক কৰোঁগৈ বিশ্ৰাম --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত অগস্ত্য ------**

অগস্ত্য ঃ বৃথা অন্বেষণ চলালো আমি, নাপালো ক'তো আমাৰ যোগ্য পাত্ৰী ; কি কৰোঁ, নোৱাৰিম নেকি

আমি পূৰ্বজগণৰ কষ্ট লাঘৱ কৰিব । নাই নাই আমি পাৰিম , যিকোনো প্ৰকাৰে আমি পূৰ্বজ গণক কৰিম উদ্ধাৰ --

সূত্ৰ ঃ **এনেতে বিদৰ্ভ ৰাজন সোমাই আহে ---**

বিঃৰাজ ঃ পৰম পুজ্য ঋষিবৰক বিদৰ্ভ ৰাজনে জনাইছো প্ৰণাম ; ঋষিবৰ , অভাজনক কৰক কৃপা --

অগস্ত্য ঃ উঠক , উঠক ৰাজন , আগমণৰ উদ্দেশ্য কৰক ব্যক্ত --

বিঃৰাজ ঃ হে ঋষিবৰ, ভগৱন্তৰ কৃপাত ৰাজ্য, ধন লভিলো যদিও মনত নাই সুখ ; আজিহন্তে নেদেখিলো সন্তানৰ মুখ । সেয়ে আশীষ বিচাৰি আহিলো আপোনাৰ কাষে ; কৃপা কৰক ঋষিবৰ , আপুনি পৰম তেজস্বী , সন্তান সুখ আমাক কৰক প্ৰদান ---

অগস্ত্য ঃ বুজিছো প্ৰভূ , আমাক সহায়ৰ অৰ্থেই ৰাজনক পঠালা এই ক্ষণত এই স্থানলৈ । ৰাজন , নকৰিব চিন্তা, আপোনাৰ লগতে আমাৰো সমস্যাৰ হব সমাধান । তপোবলেৰে সৃষ্টি কৰিম মই এটি কন্যা ৰতন আপোনাক কৰিম প্ৰদান । আছে নেকি ইয়াত আপোনাৰ কিবা আপত্তি ?

বিঃৰাজ ঃ আপত্তি ? হে ঋষিবৰ , সন্তান সুখ লভিবৰ বাবে হৈ আছো ব্যাকুল ; এনেহেন দুৰ্ভগীয়াক আপুনি প্ৰদান কৰিব লক্ষ্মীস্বৰূপা এটি কন্যা ৰতন । কিয় কৰিম মই আপত্তি ?

অগস্ত্য ঃ ধন্য ধন্য ৰাজন, আপোনাৰপৰা আমি ইয়াকে কৰোঁ আশা ; তেন্তে হে আকাশৰ দেৱগণ আৰু যত আছে জগতত তৰু, তৃণ, জীৱগণ সকলোকে সাক্ষী কৰি সূৰ্যৰ আভা, চন্দ্ৰৰ কান্তি, অগ্নিৰ শক্তি, ধৰাৰ ধৈৰ্য, বেদৰ জ্ঞান, বৃক্ষৰ দান, হৰিণীৰ নয়ন, কুকিলৰ কণ্ঠ আৰু ময়ুৰৰ নৃত্যেৰে সমৃদ্ধ এটি সৰ্ব সুলক্ষণা কন্যা তপোবলে আজি আমি কৰিম সৃষ্টি --- ঔম , ঔম , ঔম --

সূত্ৰ ঃ **শিশুৰ কান্দোন শুনা যায় ; অগস্ত্য আগুৱাই গৈ শিশুক কোলাত লৈ আনে --**

অগস্ত্য ঃ ৰাজন , আমাৰ তপোবলে সৃষ্ট সৰ্ব সুলক্ষণা এই কন্যা শিশুক আপোনাক কৰিলো প্ৰদান --

বিঃৰাজ ঃ দিয়ক ঋষিবৰ ; ধন্য হ'ল আজি আমাৰ জীৱন ; ঋষিবৰ, কি দিম আপোনাক ইয়াৰ বিনিময়ত ?

অগস্ত্য ঃ ৰাজন, সদ্যহতে নালাগে আপুনি মোক একো কৰিব দান, মাথো দিয়ক প্ৰতিশ্ৰুতি সময়ত আমাৰ প্ৰাপ্য আপুনি কৰিব প্ৰদান ।

বিঃৰাজ ঃ ঋষিবৰ, ক্ষত্ৰিয় ৰাজন মই ; আকাশৰ দেৱগণ আৰু যত আছে জগতত তৰু -তৃণ-জীৱগণ সৱাকে সাক্ষী কৰি কৰিছো পণ, সময়ত আপুনি বিচৰা ধৰণেৰেই প্ৰাপ্য আপোনাক কৰিম প্ৰদান । ঋষিবৰ , অমূল্য ৰতন লভি যাত্ৰা কৰোঁ এৱে মই ৰাজকাৰেঙলৈ -- ( **প্ৰস্থান** )

অগস্ত্য ঃ যাওক ৰাজন , সময়ত আমি উপস্থিত হম আপোনাৰ সমীপত । আমিও যাঁও নিজ কৰ্তব্যত --

সূত্ৰ ঃ **সকলোৰে প্ৰস্থান । সভাত সূৰ্যদেৱৰ প্ৰৱেশ--------**

**গীত ( ৰাগ ঃ গান্ধাৰ ; তাল ঃ ধৰমজ্যোতি , একতাল )**

**প্ৰৱেশিলা সভাত আজি দেৱ দিনমণি ।**
**চাৰিদিশে জ্বলে আতি জ্যোতি চমৎকাৰী ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

সূত্ৰ ঃ **সূৰ্যদেৱৰ প্ৰস্থান । সভাত দেৱৰাজ ইন্দ্ৰ আৰু অগ্নিদেৱৰ প্ৰৱেশ-------**

**গীত- (ৰাগ ঃ নাট মল্লাৰ ; তাল ঃ পৰিতাল , একতাল )**

**অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ ।**
**সঙ্গে আহে অগ্নিদেৱ দেখিতে সুৰেশ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

সূত্ৰ ঃ **সভাত অস্থিৰ ভাৰত দেৱেন্দ্ৰ । এনেতে সূৰ্যদেৱ আহে -----------**

সূৰ্য ঃ প্ৰণাম দেৱৰাজ ----
ইন্দ্ৰ ঃ আহক আহক সূৰ্যদেৱ , আপোনাৰ আগমনলৈকে কৰিছো অধীৰ অপেক্ষা --
সূৰ্য ঃ কিয় দেৱৰাজ , দেখো চিন্তিত মনে ; কিবা সমস্যা সৃষ্টি হৈছে অমৰাৱতীত --- ?
অগ্নি ঃ সমস্যা গভীৰ সূৰ্যদেৱ , সেয়ে আপোনাক দেৱৰাজে দিছে নিমন্ত্ৰণ ।
সূৰ্য ঃ এনে কি গভীৰ সমস্যা যে দেৱৰাজে পৰা নাই কৰিব সমাধান ---- ?
ইন্দ্ৰ ঃ সূৰ্যদেৱ ,সমস্যাৰ উৎপত্তিস্থল যদি হয় দৃষ্টিমান , তেন্তে দেৱৰাজে নিমন্ত্ৰণ নিদিয়ে আপোনাক ।হয় দেৱ , বিচাৰি পোৱা নাই মই সমস্যাৰ উৎস ; দেৱহিতৈষী সৰ্বদা মৰতৰ ঋষিগণ ; আমাৰেই কৰে গুণগান ; আমাক উদ্দেশ্যিয়ে তেওঁলোকে কৰে যজ্ঞ ---
অগ্নি ঃ আৰু সেই যজ্ঞৰ পুণ্য লভি আমি দেৱগণ হওঁ শক্তিমান ---।
সূৰ্য ঃ এয়াতো সৰ্বজনবিদিত , এয়া জানো হ'ব পাৰে সমস্যা ----- ?
ইন্দ্ৰ ঃ হৈছে তাতেই সমস্যা ; কোনোবাই নিতৌ কৰিছে হত্যা দেৱহিতৈষী ঋষি-মুনিগণক ; নিশ্চয় এয়া কোনো দেৱশত্ৰুৰ কৌশল , হত্যা কৰি মৰতৰ ঋষিগণক, বন্ধ কৰি তপ - যজ্ঞ , শক্তিহীন কৰিব বিচাৰিছে দেৱতাক । দিনমণি , আপুনিতো চৰাচৰ জগতত ৰাখে দৃষ্টি , পৰিছে নেকি আপোনাৰ দৃষ্টিত কোন সেই দেৱবিৰোধী অপ শক্তি -- ?
সূৰ্য ঃ দেৱৰাজ , মৰতৰ ঋষিগণৰ দুৰ্দশা দেখিছো মই ; নিতৌ আমাৰ দৃষ্টিত পৰে কোনোবা ঋষিৰ মৃতদেহ । কিন্তু ক্ষমিব দেৱৰাজ , কোনে কৰিছে এনে দুস্কাৰ্য আমাৰ দৃষ্টিতো পৰা নাই ধৰা ; নিশ্চয় ৰাত্ৰিৰ তমসাতহে ঘটে এই দুস্কাৰ্য --।
ইন্দ্ৰ ঃ সূৰ্যদেৱ , কৰিছিলো আশা আপোনাৰ ওপৰত , অথচ আপুনিও কৰিলে আমাক নিৰাশ ---

**<u>সূত্ৰ ঃ</u> <u>এনেতে নাৰদ --------------</u>**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ---
ইন্দ্ৰ ঃ আহক আহক দেৱৰ্ষী , স্বাগতম জনাইছো আপোনাক অমৰাৱতীত ----
নাৰদ ঃ দেৱগণক আজি বৰ চিন্তিত যেন লাগিছে , ----- কিয়বা -- ?
অগ্নি ঃ দেৱৰ্ষী , আপুনি জানো অজ্ঞ আমাৰ দুৰ্দশাৰ বিষয়ে ? সূৰ্যদেৱৰ পাছতে আপুনিয়ে হৈছে চৰাচৰ জগত ভ্ৰমণকৰোঁতা । হে দেৱৰ্ষী, দেৱতাৰ অস্তিত্ব আজি সংকটত ; আমাক উদ্ধাৰ কৰক আপুনি ।
নাৰদ ঃ চিন্তিত নহ'ব দেৱগণ , আপোনাসৱৰ সমস্যা আৰু সমস্যাৰ উৎসৰ বিষয়ে জ্ঞাত আমি --
ইন্দ্ৰ ঃ দেৱৰ্ষী , জ্ঞাত আপুনি আমাৰ সমস্যাৰ সৃষ্টিকাৰী কোন ; কৃপা কৰক দেৱ , কওক আপুনি কোনে ৰচিছে আমাৰ বিৰুদ্ধে এই ষড়যন্ত্ৰ । হাতে বজ্ৰ ধৰি তাক মই কৰিম নিৰ্মূল ।
নাৰদ ঃ হাঃ হাঃ দেৱৰাজ, বজ্ৰপাণি হৈ আপুনি বৃত্ৰাসুৰক নিধন কৰাৰ পৰাই সৃষ্টি হৈছে এই সমস্যাৰ । দেৱতাৰ বিৰুদ্ধে ৰচনা হৈছে ষড়যন্ত্ৰ আজি সমুদ্ৰৰ গৰ্ভত ---।
দেৱগণঃ সমুদ্ৰৰ গৰ্ভত --- ?
ইন্দ্ৰ ঃ কিন্তু কোনে দেৱৰ্ষী ?
নাৰদ ঃ কোন সেই ষড়যন্ত্ৰকাৰী , তাক জানিবৰ বাবে এই অমৰাৱতীৰপৰা বাহিৰ হৈ আপোনাসৱ আহক আমাৰ সমে । দৃষ্টি নিবন্ধন কৰকহি সৱগৰ পৰাই সমুদ্ৰৰ গৰ্ভলৈ --
ইন্দ্ৰ ঃ তেন্তে ব'লক দেৱৰ্ষী, কোন পাষণ্ডই ৰচিছে ষড়যন্ত্ৰ তাক সৱগৰ পৰাই কৰোঁ নিৰীক্ষণ --

**<u>সূত্ৰ ঃ</u> <u>সকলোৰে প্ৰস্থান। আনফালে সভাত দৈত্যৰাজ কালকেয় আৰু সেনাপতি ত্ৰিভঙ্গৰ প্ৰৱেশ --</u>**

<u>গীত- ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল)</u>

**প্ৰৱেশয় কালকেয় দৈত্যৰ ৰাজন ।**
**সঙ্গে আছে সেনাপতি ত্ৰিভঙ্গ দুৰ্জন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

কালকেয়ঃ সেনাপতি, প্ৰতিশোধৰ দাবানলত দহিছো মই । হৈছেনে আমাৰ আঁচনিৰ সঠিক ৰূপায়ণ ? কৰিছে নেকি তোমাক কোনোবাই বাৰণ ?

ত্ৰিভঙ্গ ঃ দৈত্যপতি , আমাৰ আঁচনি সঠিকভাৱেই হৈছে ৰূপায়ণ ; আৰু কোনে মোক কৰিব বাৰণ , নাজানে দিনমণিয়ে, নাজানে জগতবাসীয়ে আমাৰ আঁচনি ; ৰাত্ৰিৰ ঘন তমসাৰ সুযোগ লৈ এটা এটাকৈ ঋষিক মই কৰিছো নিধন ---

কালকেয়ঃ উত্তম সেনাপতি, উত্তম ; কালকেয় মই দৈত্যৰ ৰাজন ; এদিন নহয় এদিন মই লভিম ইন্দ্ৰাসন । সখা বৃত্ৰাসুৰ , তোমাৰ মৃত্যু নাযায় অথলে ; প্ৰতিশোধ ল'ব দেৱ আৰু ঋষিৰ ওপৰত এই কালকেয় দৈত্যই । কৰিছো পণ সখা হত্যাৰ পোতক তুলি ঋষিশূন্য কৰিম এই ধৰণী । আঃ পাষণ্ড দধীচি, ইমান দানী হলি তই ; মোৰ সখাক বধিবৰ বাবেই ললি তই মৃত্যুক আকোঁৱালি । উসঃ নোৱাৰোঁ পাহৰিব মোৰ সন্মুখতেই কপটীয়া দেবেন্দ্ৰই দধীচিৰ অস্থিৰে নিৰ্মিত বজ্ৰ মাৰি সখা বৃত্ৰাসুৰক কৰিছিল নিৰ্মম হত্যা --

ত্ৰিভঙ্গ ঃ দৈত্যপতি, নকৰিব আৰু দুখ ; সমাগত দৈত্যৰ শুভ ক্ষণ । ঋষিৰ মৃত্যুত কমিছে ধৰাত দেৱ যজ্ঞ , তাৰ প্ৰভাৱ পৰিছে স্বৰ্গত ; অ দৈত্যপতি , যজ্ঞৰ অভাৱত দেৱতাৰ শক্তি হৈছে লয় --

কালকেয়ঃ হাঃ হাঃ দেৱতাৰ শক্তি হৈছে লয় -- তেন্তে নকৰোঁ আৰু অপেক্ষা থাকি সমুদ্ৰৰ এই অটল গৰ্ভত । ওলোৱা সেনাপতি , এয়াই সুবৰ্ণ সুযোগ , আক্ৰমণ কৰোঁ স্বৰ্গপুৰী হাঃ হাঃ --

ত্ৰিভঙ্গ ঃ জয় দৈত্যপতি কালকেয় , জয় দৈত্যপতি কালকেয় , জয় দৈত্যপতি কালকেয় ----

**গীত - ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ একতাল )**

**যুদ্ধ হেতু চলি যায় দৈত্যৰ দুৰ্জন ।**
**কোলাহল কৰি চলে মেঘৰ গৰ্জন ।।**

**সূত্ৰ ঃ দৈত্যগণৰ প্ৰস্থান। আনফালে ৰণৰ সাজে ইন্দ্ৰ , অগ্নি আৰু সূৰ্যদেৱ---**

ইন্দ্ৰ ঃ দেৱগণ, বাৰে বাৰে দৈত্যই আমাৰ অমৰাৱতীৰ শান্তি কৰে বিঘ্নিত । পুনৰ আহিছে সিহঁত আক্ৰমণৰ হেতু । দেৱগণ , হওক সাজু পুনৰবাৰ ৰণ কৰি আমাৰ স্বৰ্গ কৰোঁ সুৰক্ষিত --

অগ্নি ঃ দেৱৰাজ, আহক দৈত্য , সাজু আছে দেৱগণ ; লক্ষ লক্ষ দৈত্য আহিলেও নোৱাৰে দেৱতাৰ কৰিব অনিষ্ট সাধন ।

**সূত্ৰ ঃ এনেতে দৈত্যগণ-----**

কালকেয়ঃ মিছা আস্ফালন নকৰিবি দেৱতা , প্ৰতিশোধৰ অগনি মোৰ জ্বলিছে দুৰ্বাৰ । আজিৰ ৰণেই কৰিব বিচাৰ , দেৱশূন্য কৰি স্বৰ্গপুৰীত দৈত্যৰ বিজয় পতাকা উৰুৱাম আমি ----

ইন্দ্ৰ ঃ আঃ অধম দৈত্য , পৰাজয়ৰ পৰা তহঁতে নললি শিক্ষা ; দেৱতাক দুৰ্বল কৰিবলৈ কৰ তহঁতে নীচ ষড়যন্ত্ৰ ; বহু কৰিলি পাপ , আজি তাৰ কৰিম বিচাৰ ।

কালকেয়ঃ বেচ তেন্তে , সেনাগণ , কৰা আক্ৰমণ ।

**গীত**

**মহাক্ৰোধে দুয়ো দলে ৰণ আৰম্ভিলা ।**
**জিনো বুলি ৰণ আজি প্ৰহাৰ কৰিলা ।।**
**অস্ত্ৰাঘাটে দৈত্যগণ পৰাভূত হৈলা ।**
**নিৰন্তৰে সৱে ডাকি ৰাম ৰাম বোলা ।।**

**সূত্ৰ ঃ দৈত্যগণ পলাই যায় । দেখি দেৱৰাজে যি কয় --**

ইন্দ্ৰ ঃ হাঃ হাঃ এই শক্তি লৈয়ে স্বৰ্গ দখলৰ কৰ অভিপ্ৰায় । দেৱগণ, পলায়নৰ সুযোগ নিদিওঁ দৈত্যক ; নতু পুনৰ কৰিব মোৰ স্বৰ্গ আক্ৰমণ। ব'লক দেৱগণ , সিহঁতক কৰোঁ নিধন ---

অগ্নি ঃ ব'লক দেৱৰাজ ---

**সূত্ৰ ঃ বেগেৰে দেৱগণৰ প্ৰস্থান । আনহাতে বেগেৰে কালকেয় আৰু ত্ৰিভঙ্গ ----**

কালকেয়ঃ অপমান , পুনৰ অপমানিত হলো চিৰ শত্ৰুৰ হাতত । পলায়ন কৰি মহা বলশালী দৈত্যৰ সুনামত লগালো কলংক। সখা, মোক কৰিবা ক্ষমা, নোৱাৰিলো ল'ব প্ৰতিশোধ দেৱতাৰ ওপৰত -----

ত্ৰিভঙ্গ ঃ মোক ক্ষমা কৰিব দৈত্যেশ্বৰ , নোৱাৰিলো আপোনাক মই বিজয়শ্ৰী কৰিব প্ৰদান --

কালকেয়ঃ তোমাক দোষ নিদিওঁ মই ত্ৰিভঙ্গ , ধিক্কাৰ দিছো মই নিজৰ বীৰত্বত ; হৈছো আচৰিত আমাৰ আঁচনি কিয় হ'ল ব্যৰ্থ ? কি গুণে দেৱতা হৈছে ইমান শক্তিশালী --- ?

**সূত্ৰ ঃ এনেতে বাহিৰত দেৱতাৰ জয়ধ্বনি --( জয় দেৱৰাজ ইন্দ্ৰৰ --- )**

ত্ৰিভঙ্গ ঃ দৈত্যেশ্বৰ , সমীপতে শুনো দেৱতাৰ জয়ধ্বনি ; ব'লক দৈত্যেশ্বৰ সমুদ্ৰত কৰোঁ প্ৰৱেশ ---

কালকেয়ঃ আঃ ত্ৰিভঙ্গ, কিয় বুলিছা ভীৰুৰ বচন ? মৰ্ত্যত আহি শত্ৰুয়ে দিছে ৰণ হুংকাৰ, গ্ৰহণ নকৰি তাক পলায়নৰ দিছা প্ৰস্তাৱ ? অ বুজিলো, দেৱতাৰ পৰাক্ৰম দেখি অন্তৰাত্মা কঁপিল তোমাৰ ; প্ৰাণৰ প্ৰতি বাঢ়িল মমতা । যোৱা সেনাপতি, তুমিয়েই সমুদ্ৰত লুকাই বচোৱা নিজৰ প্ৰাণ । দৈত্য মই কালকেয়, আছে মোৰ স্বাভিমান, পুনৰ পলায়ন কৰি দৈত্য শক্তিলৈ নানো দুৰ্নাম ---

ত্ৰিভঙ্গ ঃ দৈত্যেশ্বৰ, ভীৰু বুলি মোক নকৰিব অপমান ; মোৰ শৰীৰতো দৈত্যৰ ৰক্ত হৈ আছে প্ৰবাহিত । ৰণলৈ, মৃত্যুলৈ নকৰোঁ মই সমীহ ; কিন্তু দৈত্যপতি এই ক্ষণ আমাৰ বাবে নহয় শুভ ; অলেখ সেনা আমাৰ স্বৰ্গৰ ৰণতে হ'ল লয় । তেনেস্থলত পুনৰ দেৱতাৰ লগত ৰণ আমাৰ বাবে হ'ব আত্মঘাটি সম । অ দৈত্যেশ্বৰ, এয়া নহয় পলায়ন ; এয়া ৰণ কৌশল। দৈত্যেশ্বৰ আপুনি দৈত্যৰ ভূষণ ; সুযোগ বুজি পুনৰ ন উদ্যমেৰে আমি কৰিম ৰণ ; আপোনাক পুনৰবাৰ কৰোঁ মিনতি , প্ৰাণ ৰক্ষাই হ'ব আমাৰ উত্তম উপায় ---

**সূত্ৰ ঃ এনেতে দেৱগণ সোমাই আহে ---------**

ইন্দ্ৰ ঃ সাৱধান দৈত্য , এইবাৰ তহঁতে নাপাবি নিস্তাৰ ---

কালকেয়ঃ হাঃ হাঃ কালকেয় মই , ইমান সহজে মোৰ নহয় মৃত্যু ; সেনাপতি , তোমাৰ অনুৰোধক কৰিছো সন্মান । ব'লা সমুদ্ৰত কৰোঁ প্ৰৱেশ ---হাঃ হাঃ দেৱেন্দ্ৰ , সাহস আছে যদি তই সমুদ্ৰত কৰ প্ৰৱেশ --

অগ্নি ঃ দেৱৰাজ , বজ্ৰ তুৰন্তে কৰক প্ৰহাৰ , নতু দৈত্য প্ৰৱেশিব সমুদ্ৰত ---

**সূত্ৰ ঃ ইন্দ্ৰই বজ্ৰ প্ৰহাৰ কৰিব খোজে ; দৈত্যগণ সমুদ্ৰত প্ৰৱেশ কৰে -----**

ইন্দ্ৰ ঃ কালকেয় , ---নাই নাই , তই সাৰি যাব নোৱাৰ , তোৰ মৃত্যু হ'বই লাগিব --

সূৰ্য ঃ দেৱৰাজ , সমুদ্ৰত প্ৰৱেশ কৰি দৈত্যক নিধন কৰাতো আমাৰ বাবে নহ'ব সহজ ---

**সূত্ৰ ঃ এনেতে নাৰদ --------------------**

ইন্দ্ৰ ঃ দেৱৰ্ষী, অধম দৈত্যাই সমুদ্ৰত কৰিলে প্ৰৱেশ । কি উপায়েৰে এতিয়া সিহঁতক কৰোঁ নিধন ?

নাৰদ ঃ নাৰায়ণ নাৰায়ণ -- অ দেৱগণ নাৰায়ণ, পালনকৰ্তা তেওঁ , বিপদ বাৰণ তেওঁ । এই বিপদকালত নাৰায়ণেই আমাক কৰিব সহায় -- আহক দেৱগণ , নাৰায়ণক কৰোঁ স্মৰণ ---

ইন্দ্ৰ ঃ উচিত মাৰ্গ দেখুৱালে দেৱৰ্ষী, আহক দেৱগণ, নাৰায়ণক কৰোঁ আৰাধনা ---

দেৱগণ ঃ ঔম বিষ্ণুদেৱায় নমঃ , ঔম বিষ্ণুদেৱায় নমঃ , ঔম বিষ্ণুদেৱায় নমঃ ---

**সূত্ৰ ঃ বিষ্ণুৰ আৱিৰ্ভাব হয়-----------------------------**

বিষ্ণু ঃ দেৱগণ , কিয় আহ্বান কৰিলা আমাক ?

ইন্দ্ৰ ঃ হে বিপদবাৰণ প্ৰভু নাৰায়ণ, অত্যাচাৰী - অনাচাৰী কালকেয় দৈত্যই প্ৰৱেশিলে সমুদ্ৰৰ গৰ্ভত ।

কেনেদৰে তাক নিধন কৰি জগতৰ কৰোঁ কল্যাণ ? প্ৰভু , মৎস্য ৰূপ ধৰি আপুনি উদ্ধাৰিলে বেদ ; পুনৰ উদ্ধাৰ কৰক জগতক , ৰক্ষা কৰক আজি দেৱসমাজক ---

বিষ্ণু ঃ দেৱগণ, কালকেয় অতিকে অত্যাচাৰী । বহু সাধু - তপস্বীৰ সি ললে প্ৰাণ । নিশ্চয় সি ভুগিব ইয়াৰ পৰিনাম । দেৱেন্দ্ৰ , যোৱা তোমালোক মহৰ্ষী অগস্ত্যৰ সমীপে ; তপশালী ঋষি তেওঁ । তেৱেঁই তোমালোকক এই বিপদত কৰিব সহায় --।

নাৰদ ঃ ধন্যবাদ প্ৰভু, আপোনাৰ চৰণত জনাইছো আমি শতকোটি প্ৰণাম --

**সূত্ৰ ঃ দেৱগণে সেৱা কৰে , বিষ্ণু অন্তৰ্ধ্যান হয় -----------------**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- দেখিলে দেৱগণ, আমাৰ প্ৰভুৰ দয়া ; আশ্ৰিতক কদাপি নকৰে নিৰাশ । বাৰু দেৱগণ, আপোনাসৱ যাওক ঋষি অগস্ত্যৰ আশ্ৰমে । সময়ত আমিও হমগৈ উপস্থিত -- ( **প্ৰস্থান** )

ইন্দ্ৰ ঃ নিশ্চয় দেৱৰ্ষী ---- ; দেৱগণ , ব'লক সকলো ----

**গীত**

**চলি যাই দেৱগণ অগস্ত্যৰ পাশে ।**
**দুৰ্জনক বধো বুলি স্থিৰ কৰি মনে ।।**
**অগস্ত্যক লগে লৈয়া চলে দেৱগণে ।**
**কতোক্ষণে পাইলা গৈয়া সমুদ্ৰৰ তীৰে ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। পুনৰ অগস্ত্যসহ দেৱগণ সোমাই আহে --------**

ইন্দ্ৰ ঃ ঋষিবৰ , এয়াই সমুদ্ৰ ; ঋষিবৰ , এই সমুদ্ৰৰ গৰ্ভতে দৈত্যগণে লৈছে আশ্ৰয় -------

**সূত্ৰ ঃ এনেতে নাৰদ আহে ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; প্ৰণাম তপোধৰ , জানিছিলো আমি দেৱগণক আপুনি নকৰিব নিৰাশ ।

অগস্ত্য ঃ দেবৰ্ষী , নাৰায়ণৰ আজ্ঞা পালন আৰু দেৱ কাৰ্যৰ বাবে আমি সদা প্ৰস্তুত । দেৱগণ, মহাদেৱৰ আশীষ আৰু আমাৰ তপোবলেৰে এই সমুদ্ৰৰ জল আমি কৰিম পান ; শুষ্ক সমুদ্ৰত সন্ধান পাব আপোনাসৱে দুৰাচাৰী দৈত্যৰ । হে সৃষ্টিকৰ্তা, হে পালনকৰ্তা, হে সংহাৰকৰ্তা আজি মই অগস্ত্যই জগতৰ কল্যাণৰ হেতু সৃষ্টি কাৰ্যত কৰিম হস্তক্ষেপ ; মোৰ সৰ্বদোষ কৰিব ক্ষমা । হে সমুদ্ৰ আৰু জলজ প্ৰাণীগণ, মোক আপোনাসৱে কৰিব ক্ষমা --- ঔম , ঔম ,---------

**সূত্ৰ ঃ অগস্ত্যই সমুদ্ৰৰ জল পান কৰে । নাৰদে যি কয় --------------**

নাৰদ ঃ আ-হা-হা কি বিচিত্ৰ লীলা প্ৰভুৰ, কি অদ্ভুত মহত্ব ঋষিবৰ অগস্ত্যৰ ; সমুদ্ৰৰ জল গৈছে কমি ; দেৱগণ, সৌৱা সৌৱা দৃশ্যমান হৈছে দৈত্যগণ, ক্ৰোদ্ধমূৰ্তি ধৰি আহিব ধৰিছে আমাকে ধিয়াই --

**সূত্ৰ ঃ কালকেয় আৰু ত্ৰিভঙ্গ সোমাই আহে ------**

কালকেয়ঃ আচৰিত , আচৰিত বিশাল সমুদ্ৰৰ জল কেনেকৈ গ'ল শুকাই ? কোনে কৰে দুষ্কাৰ্য ?

অগস্ত্য ঃ দুৰ্মতি দৈত্য, সমুদ্ৰৰ জল ময়ে কৰিলো পান ;

কালকেয়ঃ আঃ পুনৰ এক ঋষিয়ে দেৱতাক কৰিলে সহায় ; অধম তপস্বী , নাপাবি নিস্তাৰ তই এই কালকেয় দৈত্যৰ হাতত --

ইন্দ্ৰ ঃ সেই সুযোগ তোক নিদিয়ে দেৱেন্দ্ৰই, তোৰ লগতে সমস্ত সেনাক আজি দেৱতাই কৰিব নিধন। দেৱৰ্ষী, ঋষিবৰৰ সমে আপুনি যাওক নিৰাপদ স্থানে ---

নাৰদ ঃ নিশ্চয় দেৱৰাজ, আপোনাসৱৰ বিজয় কৰিলো কামনা । আহক ঋষিবৰ -- ( **দুয়োৰে প্ৰস্থান** )

ত্ৰিভঙ্গ ঃ হাঃ হাঃ জগতৰ কোনো স্থানেই আজি নহয় নিৰাপদ তহঁতৰ বাবে । ত্ৰিভঙ্গ দৈত্য মই সেনাপতি দৈত্যেশ্বৰৰ ; আছে শকতি মোৰ দেৱতাক গ্ৰাস কৰাৰ । দৈত্যপতি, পলায়নৰ আৰু নিদিওঁ প্ৰস্তাৰ । দিয়ক আদেশ হাতে ধৰি এই মহাশূল মথিমুৰ কৰোঁ মই দেৱ সেনাক ।

কালকেয়ঃ হাঃ হাঃ আক্ৰমণ কৰা সেনাপতি ------

ইন্দ্ৰ ঃ দেৱগণ, কৰক আক্ৰমণ --

**সূত্ৰ ঃ সমদল যুদ্ধ হয় ---- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ** **কালকেয় আৰু ইন্দ্ৰক বাদ দি বাকীসকলৰ যুদ্ধ কৰি প্ৰস্থান -----**

কালকেয় ঃ দেৱেন্দ্ৰ , তোকেই আছিলো বিচাৰি ; হে সখা বৃত্ৰাসুৰ, তুমি য'তেই আছা তাৰ পৰাই কৰা প্ৰত্যক্ষ, আজি এই কালকেয় দৈত্যই তোমাৰ শত্ৰু, আমাৰ শত্ৰু পাপী দেৱেন্দ্ৰক কৰিব অন্ত ---

ইন্দ্ৰ ঃ মিছা আস্ফালন নকৰিবি পাষণ্ড ; বজ্ৰপাণি মই, বজ্ৰ ধৰি দৈত্যক কৰোঁ নিধন । হে মোৰ চিৰ শত্ৰু বৃত্ৰাসুৰ , য'তেই আছ তাতে কিছু ক্ষণ মাথো কৰ অপেক্ষা ; তোৰ সখা কালকেয়ৰ মৃত্যুকো আজি তই কৰিবি দৰ্শন --------------

গীত - ( ৰাগ ঃ মল্লাৰ ; তাল ঃ ৰচক )
এহিবুলি দেৱ দৈত্যই ৰণ আৰম্ভিলা ।
মহাক্ৰোধে দুয়ো দুয়োক প্ৰহাৰ কৰিলা ।।
অস্ত্ৰঘাটে কালকেয় হৈলা পৰাভূত ।
ৰাম হৰি ডাকি বোলা সামাজিক লোক ।।

**সূত্ৰ ঃ** **কালকেয়ৰ মৃত্যু হয় । অগ্নিদেৱ আৰু সূৰ্যদেৱ সোমাই আহে--------**

অগ্নি ঃ জয় দেৱৰাজ ইন্দ্ৰৰ , জয় দেৱৰাজ ইন্দ্ৰৰ , জয় দেৱৰাজ ইন্দ্ৰৰ --

**সূত্ৰ ঃ** **নাৰদ আৰু অগস্ত্য সোমাই আহে ---------------**

অগস্ত্য ঃ ধন্য ধন্য দেৱগণ , ধন্য আপোনাসবৰ পৰাক্ৰম -- ।

ইন্দ্ৰ ঃ আপোনাৰ সহায়ৰ বাবেহে এই কাৰ্য হ'ল সমাপন ; আপোনালৈ জনাইছো সশ্ৰদ্ধ প্ৰণাম ---

নাৰদ ঃ ঋষিবৰ , কাৰ্য হ'ল সমাপন ; সেয়ে সমুদ্ৰক পুনৰ জলেৰে কৰক পূৰ্ণ ----

অগস্ত্য ঃ দেৱৰ্ষী, সি এতিয়া নহয় সম্ভৱ , এবাৰ গ্ৰহণ কৰা অন্ন বা জল জীৰ্ণ যায় মোৰ উদৰত ---

সূৰ্য ঃ তেন্তে , কি হ'ব এই সমুদ্ৰৰ -- ? এনেদৰেই থাকিব নেকি জলবিহীন হৈ ----

*আঃবাণী ঃ হে ঋষিবৰ আৰু দেৱগণ , এই বিষয়ত নকৰিব চিন্তা ; অচিৰেই ধৰাত গঙ্গাই অৱতৰণ কৰি ভৰাই তুলিব এই সমুদ্ৰ --- ।*

অগস্ত্য ঃ ধন্য ধন্য চতুৰানন ধন্য , জানো সৃষ্টিৰ অনিষ্ট হব নিদিয়ে আপুনি । দেৱগণ , সৃষ্টিকৰ্তাৰ বাৰ্তা নিশ্চয় আপোনাসবেও পালে শুনা ; এতিয়া আৰু আমাৰ মনতো নাই সন্তাপ ।

ইন্দ্ৰ ঃ হয় ঋষিবৰ ; আমি এতিয়া বিদায়হে মাগো ---

অগস্ত্য ঃ যাওক দেৱগণ ----

**সূত্ৰ ঃ** **দেৱগণৰ প্ৰস্থান ---------------------------------**

নাৰদ ঃ ঋষিবৰ ,আপোনাৰ মহত্ব দৰ্শনৰ সৌভাগ্য হ'ল আমাৰ । আমিও এতিয়া মাগো বিদায় --

অগস্ত্য ঃ যাওক দেৱৰ্ষী ,ময়ো যাঁও নিজ কৰ্তব্যত ----

**সূত্ৰ ঃ** **প্ৰথমে নাৰদ আৰু পাছত অগস্ত্যৰ প্ৰস্থান। সভাত লোপামুদ্ৰাৰ প্ৰৱেশ----**

গীত - (ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )
সভাত চলিয়া আহে বিদৰ্ভ নন্দিনী ।
লোপামুদ্ৰা নামে নাৰী অতি ৰূপৱতী ।।
লয় লাসে চলি আহে সভাৰ ভিতৰে ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।

লোপা ঃ আ-হাহা কি যে সুন্দৰ উপবন আমাৰ। চাৰিওদিশে কেৱল শ্যামলী বৰণ। বিচিত্ৰ পুষ্পিত পুষ্পৰ আমোলমোল গন্ধ বিয়পিছে দশোদিশে; আমাৰো দেহ -প্ৰাণ হৈছে উতলা ---

**সূত্ৰ ঃ** **এনেতে বিদৰ্ভৰাজ আৰু ৰানী আহে------------**

বিঃৰাজ ঃ আই লোপামুদ্রা ----

লোপা ঃ প্রণাম পিতা , প্রণাম মাতা ---

ৰানী ঃ কিয় তুমি ইয়ালৈ আহিলা অকলে ? ৰাজকাৰেঙত নেদেখি তোমাক আমি হৈছিলো চিন্তিত ।

লোপা ঃ মাতা , কিয় মোৰ বাবে তোমালোক ইমান চিন্তিত হৈ থাকা -- ?

বিঃৰাজ ঃ আই, তুমি আমাৰ আলাসৰ জী ; কত সাধনা, কত দুখ - কষ্টৰ পাছত কন্যাৰূপে লভিছো তোমাক । সেয়ে চকুৰ আঁতৰ হ'লেই তুমি আমি হঁও -----

লোপা ঃ পিতা, তোমালোকে মোক কৰা অসীম চেনেহ ; ভাগ্যৱতী মই তোমালোকৰ দৰে পিতা - মাতাক লভি । পাছে পিতা, তোমালোকৰ আলাসৰ জী লোপামুদ্রা এতিয়া শিশু হৈ থকা নাই ---

ৰানী ঃ মাতৃৰ বাবে সন্তান সদায় শিশু , যেতিয়া তুমি হ'বা মাতৃ তেতিয়া তুমিও বুজিবা । পাছে এতিয়া যাওঁ ব'লা সুমিষ্ট আহাৰ কৰিছো ৰন্ধন , নিজ হাতে তোমাক কৰাম ভোজন --

লোপা ঃ আ-হাহা তোমাৰ হাতৰ আহাৰ যে অতিকৈ সুমিষ্ট ; ব'লা পিতা , আহাৰ কৰোঁগৈ গ্রহণ --

**সূত্র ঃ সকলোৰে প্রস্থান । সভাত কনকৰাজ শ্রুতৰবা আৰু মন্ত্রীৰ প্রৱেশ ------**

**গীত-( ৰাগ ঃ আশোৱাৰী, তাল ঃ পৰিতাল )**
**সভাত প্রৱেশ কৰে শ্রুতৰবা ৰাজন ।**
**সঙ্গে আছে মন্ত্রীবৰ প্রসন্ন বদন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

শ্রুত ঃ মন্ত্রীবৰ , আছেনেকি কিবা সমস্যা ৰাজ্যৰ প্রজাৰ ? সকলোৱে কৰিছেনে কুশলে বাস ?

মন্ত্রী ঃ মহাৰাজ, আপোনাৰ সুশাসনত আজি কনকপুৰ ৰাজ্যত গৃহে গৃহে প্রজাই শান্তিৰে কৰিছে বাস। সকলোতে চলিছে আপোনাৰ গুণগান। আনন্দিত আৰু উৎসাহিত হৈ প্রজাই কৰিছে শ্রম । ৰাজন , পূর্বতকৈ দুগুণে বাঢ়িছে আয় ।

শ্রুত ঃ সন্তোষিত হ'লো মন্ত্রীবৰ ; সকলো প্রভুৰ কৃপা। ভাবিছো, ৰাজ্যৰ প্রজাগণৰ সমীপে নিজে কাষ চাপো মই । থাকিব পাৰে কোনোবা দুখী প্রজা আমাৰ অলক্ষিতে ; তাৰো পাম সন্ধান --

মন্ত্রী ঃ অতি উত্তম বিচাৰ মহাৰাজ । ব'লক তেন্তে ----

**সূত্র ঃ দুয়োৰে প্রস্থান । সভাত বিদর্ভ ৰাজন আৰু ৰানী -------**

বিঃৰাজ ঃ ৰানী, লোপামুদ্রাই সত্য কথাই কৈছে তাই এতিয়া হ'ল গাভৰু । আমাৰ দায়িত্বও বাঢ়িল আগতকৈ ; ভাবিলেই লাগে ভয় কেনেদৰে কন্যাক বিবাহ দি আমি থাকিম অকলে ---

ৰানী ঃ নাই নাই , স্বামী এতিয়াই মোৰ সোণজনীৰ বিবাহৰ কথা নকৰিব চিন্তা , এতিয়াও তাইক মই লওঁ কোলাত ; তাইৰ প্রতি মমতা এতিয়াও পূৰ হোৱা নাই মোৰ ---

বিঃৰাজ ঃ সন্তানৰ প্রতি মমতা জানো পূর্ণ হয় কেতিয়াবা ; সন্তান সদায় সন্তানেই প্রত্যেক মাতা - পিতাৰ বাবে । তথাপি আমি নিজ কর্তব্য সময়ত পালন কৰিবই লাগিব ----

**সূত্র ঃ এনেতে অগস্ত্য সোমাই আহে ------------------**

অগস্ত্য ঃ ৰাজন -----

বিঃৰাজ ঃ অহোভাগ্য মোৰ , মহর্ষি অগস্ত্য আহিছে আজি আমাৰ গৃহে । ৰানী , আদৰাৰ কৰা ব্যৱস্থা --

ৰানী ঃ আহক আহক ঋষিবৰ , আপোনাক জনাইছো সহস্র প্রণাম --

অগস্ত্য ঃ দুয়োকে জনাইছো অশেষ ধন্যবাদ । পাছে ৰাজন আহিছো আমি আমাৰ প্রাপ্য বিচাৰি --

বিঃৰাজ ঃ প্রাপ্য ? অ' পৰিছে মনত , আছে প্রাপ্য আপোনাৰ। কওক ঋষিবৰ , কি দিম আপোনাক ?

অগস্ত্য ঃ ৰাজন, অঙ্গীকাৰবদ্ধ আমি আমাৰ পূৰ্বজগণৰ ওচৰত ; সংসাৰ পাতি আমি বংশ কৰিম ৰক্ষা আৰু পূৰ্বজগণক দিম কষ্টৰপৰা মুক্তি । সেইহেতু চৰাচৰ জগতত আমাৰ যোগ্য নাৰীৰ নাপায় সন্ধান তপোবলে সৃষ্টি কৰিছিলো এটি কন্যা আৰু আপোনাক দিছিলো লালন পালনৰ দায়িত্ব । আজি সেই কন্যা হৈছে বিবাহ যোগ্যা । গতিকে ৰাজন , আপোনাৰেই এতিয়া জী লোপামুদ্ৰাক কইনা ৰূপে আমাক কৰক সমৰ্পণ--

বিঃৰাজ ঃ কিন্তু , কিন্তু ঋষিবৰ --- এতিয়াই মই কেনেদৰে কন্যাক ------

অগস্ত্য ঃ ৰাজন , আজি প্ৰস্তাৱহে দিছো আপোনাক । অহা শুক্ল পক্ষতহে বিবাহৰ দিন কৰিম নিৰ্ধাৰণ। এতিয়া মাগিছো বিদায় ; আশাকৰোঁ আমাৰ প্ৰস্তাৱত নাথাকিব আপত্তি আপোনাৰ--

বিঃৰাজ ঃ অ , -- অ -- ঋষিবৰ , যাওক আপুনি ----

**<u>সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান --------------------------------</u>**

ৰানী ঃ স্বামী, এয়া কি প্ৰস্তাৱ দিলে ঋষিবৰে ? আমাৰ আলাসৰ জী লোপামুদ্ৰাক কি সঁপিম এক ঋষিৰ হাতত ? ক'ত আমাৰ ৰাজকন্যা লোপামুদ্ৰা আৰু ক'ত সেই আশ্ৰমী ঋষি ? স্বামী, আপুনি নিমাত কিয় ? কিয় আপত্তি নকৰিলে ঋষিবৰৰ প্ৰস্তাৱত ?

বিঃৰাজ ঃ মই কি কৰিম প্ৰিয়ে ? লোপামুদ্ৰাতো তেওঁৰে দান ; আৰু অঙ্গীকাৰবদ্ধ মই ঋষিৰ ওচৰত -

ৰানী ঃ অঙ্গীকাৰ ৰাখি কি আপুনি নিজ কন্যাৰ জীৱন কৰিব ধ্বংস ? আৰু কেনেদৰে ঋষিবৰে দিব পাৰে এনে প্ৰস্তাৱ ? যি কন্যাক ঋষিবৰে নিজ তপোবলে কৰিছে সৃষ্টি সেই কন্যাকে দিয়ে বিবাহৰ প্ৰস্তাৱ । নাই, নাই এয়া পাপ, এয়া অধৰ্ম। স্বামী কিয় নকৰে আপুনি ইয়াৰ বিৰোধ ?

বিঃৰাজ ঃ হে প্ৰভূ, কি কৰোঁ মই ? এফালে কন্যাৰ ভৱিষ্যত, আনফালে ঋষিৰ কোপ। হায় হায় , এই দিন দেখিবলৈকে কি মই কন্যাক তুলি -তালি কৰিলো ডাঙৰ ?

<u>( বিলাপ )</u>

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলে ।
কোন হতে কন্যাক মই ঋষিক সপিমে ।।

ৰানী ঃ স্বামী ,-------------- হাঁ হাঁ প্ৰভূ যদি দোষ আমিহে কৰিছো ।
তাৰ ফল কন্যাই আজি ভূঞ্জিব কিয়নো ।।

**<u>সূত্ৰ ঃ বিদৰ্ভৰাজ আৰু ৰানী শোকগ্ৰস্ত হৈ ভূমিত পৰি থাকে। এনেতে লোপামুদ্ৰা আহে-</u>**

লোপা ঃ পিতা , মাতা -- কিয় আপোনাসৰ ইমান চিন্তিত হৈছে ? হৈছে নেকি কিবা বিপদ ?

বিঃৰাজ ঃ বিপদ ? নহয় , নহয় আই ; কোনো বিপদ হোৱা নাই ; ক্লান্ত হৈ মাথো কৰিছিলো শয়ন --

লোপা ঃ সত্য ঢাকিবলৈ চেষ্টা নকৰিবা পিতা ;আমি সকলো শুনিলো । আমাৰ ভাগ্যতেই লিখা আছে ঋষিবৰৰ পত্নী হোৱাতো ---------

ৰানী ঃ আই, কিয় হ'বা তুমি ঋষিৰ পত্নী ? ৰাজকন্যা তুমি ; কোনো ৰূপবান ৰাজকুমাৰৰ পাত্ৰী হ'বা তুমি -

লোপা ঃ নহয় আই ; পাইছো সুযোগ ধন্য কৰি কন্যাৰ জীৱন পিতৃৰ প্ৰতিজ্ঞা মই কৰিম পূৰণ ।

বিঃৰাজ ঃ মোৰ বাবে তুমি চিন্তা নকৰিবা আই ; ঋষিবৰলৈ তোমাক কদাপি নিদিওঁ বিবাহ ----।

লোপা ঃ তাৰ পৰিণাম কি হ'ব জানা পিতা ? ঋষিবৰৰ কোপক দিবা নিমন্ত্ৰণ । যদিওবা ঋষিবৰে দয়া কৰি নিদিয়ে কোপ , সত্য ভঙ্গৰ মহাপাপত জানো তুমি নপৰিবা পিতা ?

বিঃৰাজ ঃ হওক পাপ , যদি তাৰবাবে মই পৰোঁ নৰকত তাকো ল'ম আদৰি । কিন্তু , আই ৰাজকীয় বিলাহেৰে পালিতা তুমি ; কেনেদৰে কটাবা ঋষিৰ লগত আশ্ৰমী জীৱন ?

লোপা ঃ পিতা, পুত্ৰৰ কৰ্তব্য যদি পিতৃৰ সত্য ৰক্ষা কৰা , তেন্তে কন্যাৰ ক্ষেত্ৰত এই বিভেদ কিয় ? সকলো জানিও যদি মই তোমাৰ কথাকেই কৰোঁ সমৰ্থন , এয়া জানো মোৰ নহ'ব পাপ ? দিবা জানো পিতা তোমালোকে মোক পাপ আৰ্জিবলৈ ? পিতা , ঋষিবৰে এক মহৎ উদ্দেশ্য সাধনৰ অৰ্থে আমাক কৰিছে সৃষ্টি , তাত আমাক অংশীদাৰ হ'বলৈ দিয়া অনুমতি ----

বিঃৰাজ ঃ লোপা --, ৰানী আমাৰ আই লোপামুদ্রা এতিয়া শিশু হৈ থকা নাই ; বহুত বুজন , বহু জ্ঞানী হ'ল । আই , তই মোৰ জ্ঞান চক্ষু কৰিলি মুকলি ; নিদিঁও আই ,নিদিঁও তোক বাধা । ৰানী , তুমিও নিদিবা বাধা ; সাদৰেৰে মহৰ্ষিক জোঁৰাই ৰূপে ল'বা আদৰি । ঋষিবৰেই নিৰ্দ্ধাৰণ কৰিব বিবাহৰ শুভ মুহুৰ্ত , সেই ক্ষণলৈকে হিয়া উজাৰি কন্যাক কৰোঁ স্নেহ ---

লোপা ঃ পিতা -----( কান্দে )

বিঃৰাজ ঃ নাকান্দিবা আই , আঁহা প্ৰিয়ে ; নাই আৰু বেছি ক্ষণ আমাৰ হাতত । ঋষিবৰৰ আগমনলৈকে কন্যাক কৰাওঁগৈ আমি নিজহাতে আপ্যায়ন -------

গীত

দেখা দেখা নৰলোকে ঈশ্বৰৰ লীলা ।
মায়া মোহ কিয় প্ৰভু মনুষ্যক দিলা ।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ইল্বল আৰু বাতাপীৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল ; ভঙ্গী )

প্ৰৱেশিলা দৈত্যৰাজ ইল্বল বাতাপী ।
ক্ৰুৰমতি লুব্ধমতি অতি মন্দমতি ।।
হেনজানি নৰলোকে এৰা আন কাম।
নিৰন্তৰ লোকে ডাকি বোলা ৰাম ৰাম।।

ইল্বল ঃ ভাতৃ , কোন আমি ------ ?

বাতাপী ঃ দাদা, মণিমতীৰ একচত্ৰী সম্ৰাট **আপুনি** ইল্বল আৰু তৱ ভাতৃ মই মহাবলী বাতাপী হাঃ হাঃ

ইল্বল ঃ জানিছিলো ভাতৃ এয়াই হব তোমাৰ উত্তৰ ; কিন্তু ভুল কৰিছা তুমি ; নহয় আমি কেৱল এই মণিমতীৰ একচত্ৰী সম্ৰাট । মহা বলশালী হিৰণ্যকশিপু , হিৰণ্যাক্ষ, বলি আদি দৈত্য - দানৱৰ বংশজ আমি । চল কৰিলে দেৱতাই , চল কৰিলে বিষ্ণুয়ে আমাৰ পূৰ্বজগণক ---

বাতাপী ঃ আঃ দাদা , সেই কথা আৰু নক'ব দুনাই । দেৱতা , বিষ্ণুৰ নাম শুনিলেই দাউ দাউকৈ মোৰ দেহত জ্বলি উঠে প্ৰতিশোধৰ অগনি দুৰ্বাৰ । চল কৰি দেৱতাই স্বৰ্গত কৰিছে শাসন আৰু দাদা আমি বলশালী দৈত্যৰ বংশজ হৈ আছো ধৰণীৰ এই মণিমতী ৰাজ্যত -----

ইল্বল ঃ ধৈৰ্য ধৰা বাতাপী , মণিমতীৰ পৰাই আমি দেৱনাশী যজ্ঞৰ কৰিম আয়োজন ; জ্বলাই ৰাখা ভাতৃ মোৰ লগতে তুমিও প্ৰতিশোধৰ দাবানল , লহ লহ কৰি প্ৰতিশোধৰ অগনিয়ে জিহ্বা মেলি চানি ধৰিব লাগিব স্বৰ্গ , চাৰখাৰ কৰিব লাগিব চলনাকাৰী দেৱ সমাজক হাঃ হাঃ --

বাতাপী ঃ বাতাপীৰ প্ৰতিশোধৰ অগনি কদাপি নহয় শীতল দাদা ; সুপ্ত দাবানল মোৰ কৰিম জাগ্ৰত । তপ্ত অগ্নিশিখা হৈ গ্ৰাস কৰিম মই দেৱসমাজক হাঃ হাঃ ---

ইল্বল ঃ হাঃ হাঃ উত্তম অতি উত্তম ; কিন্তু ভাতৃ , তাৰবাবে লাগিব আমাক সমৰ প্ৰস্তুতি, লাগিব সৈন্যবল , লাগিব প্ৰচুৰ অৰ্থবল ---

বাতাপী ঃ তাৰবাবে দাদা নকৰিব চিন্তা , দৃষ্টি প্ৰসাৰিত কৰিছো মই ধৰাৰ ধনাঢ্য ৰাজ্যলৈ। এখন এখনকৈ কৰিছো জয় -- লভিছো অজস্ৰ সম্পদ ; কেৱল বাকী আছেগৈ কনকপুৰ ।

ইল্বল ঃ কনকপুৰ -- ?

বাতাপী ঃ অ দাদা, কনকপুৰ ; শুনিছো কনকপুৰৰ সম্পদ এইবাৰ বাঢ়িছে দুগুণে হাঃ হাঃ --

ইল্বল ঃ হাঃ হাঃ শুভ বাৰ্তা শুনালা ভাতৃ , সেয়া আমাৰেই সম্পদ -- হাঃ হাঃ ব'লা ভাতৃ, আক্ৰমণ কৰি কনকপুৰ লভোঁগৈ সম্পদ -------

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত কনকৰাজ শ্ৰুতৰবা ; পাছত বেগেৰে মন্ত্ৰীবৰ-----**

মন্ত্ৰী ঃ মহাৰাজ , মহাৰাজ ----

শ্ৰুত ঃ কওক মন্ত্ৰীবৰ , কিয় আপুনি হৈছে উত্ৰাৱল -- ?

মন্ত্ৰী ঃ মহাৰাজ , গুপ্তচৰৰপৰা পালোঁ বাৰ্তা অত্যাচাৰী , পাষণ্ড দৈত্য ইল্বলে আমাৰ ৰাজ্য আক্ৰমণৰ বাবে আহিব ধৰিছে ---।

শ্ৰুত ঃ কি ক'লে মন্ত্ৰীবৰ , সেই পাষণ্ডই কু-দৃষ্টি দিছে এইবাৰ আমাৰ ৰাজ্যত । বুজিলো আমাৰ সম্পদে তাক কৰিছে লুব্ধ ; আঃ ইল্বল , তোৰ অভিপ্ৰায় নহ'ব পূৰণ ; মন্ত্ৰীবৰ , সাজু কৰক আমাৰ সেনানীক , আগভেটি ধৰোঁগে দুৰ্মতি দৈত্যক ---।

মন্ত্ৰী ঃ আমাৰ সেনা তৎপৰ হৈ আছে মহাৰাজ , লাগে মাথো আপোনাৰ আদেশ -----

শ্ৰুত ঃ তেন্তে বিলম্বৰ নাই প্ৰয়োজন , ব'লক যাঁও অধম দৈত্যক কৰোঁগে নিধন - --

**সূত্ৰ ঃ এনেতে ইল্বল আৰু বাতাপী সোমাই আহে ----**

ইল্বল ঃ হাঃ হাঃ ভাই বাতাপী , দুৰ্বল মনুষ্যৰ দুঃসাহস চোৱা ; দুৰ্জয় দৈত্যক বোলে কৰিব নিধন। হেৰ' মনুষ্য , তই মোৰ নহয় শত্ৰু , নহৱ তই মোৰ সম প্ৰতিদ্বন্দী ; কিয় অনৰ্থক তোৰ সমে ৰণ কৰি মই ৰচিম দুৰ্নাম । শুন , দিছো হিত উপদেশ , ধন-সোণ-মণি-মুকুতা যি আছে তোৰ ৰাজ্যত মোকেই কৰ অৰ্পণ; স্বৰ্গ অভিযানত ব্যৱহাৰ কৰি তোৰ জীৱনো কৰিম ধন্য হাঃ হাঃ --

শ্ৰুত ঃ অধম দৈত্য, অত কষ্টেৰে আমাৰ প্ৰজাই আৰ্জে ধন । তাৰে কিছু অংশ দিয়ে দান ৰাজভঁৰাললৈ । তেনে ধন কিয় মই তোৰ দৰে অধমক কৰিম দান ?

বাতাপী ঃ আঃ দাদা , সামান্য মনুষ্যৰ ইমান অহংকাৰ । নকৰোঁ ক্ষমা ইহঁতক আজি মই কৰিম হত্যা ।

ইল্বল ঃ সুযোগ পায়ো নকৰিলি গ্ৰহণ , ভাতৃ আক্ৰমণ কৰা দুৰ্মতি মনুষ্যক ---

শ্ৰুত ঃ বেচ তেন্তে চাঁও বাৰু কাৰ কিমান পৰাক্ৰম ---।

**সূত্ৰ ঃ সমদল যুদ্ধ হয় -- ( বাজনা - ভঙ্গী ) শ্ৰুতৰবা আৰু মন্ত্ৰী পলাই যায় --**

বাতাপী ঃ হাঃ হাঃ পলা, পলা মনুষ্য, আজি ক'ত সাৰিবি পলাই। পাতালত লুকালেও তহঁতক বাতাপীয়ে আজি কৰিব নিধন ---( যাব খোজে )

ইল্বল ঃ ৰ'বা ভাতৃ , আমাৰ উদ্দেশ্য হৈছে সফল ; সাধাৰণ মনুষ্যৰ পাছত ঘূৰি নকৰিবা হানি তোমাৰ বাহুবল । ব'লা যাঁও, লুটি লওঁগে কনকপুৰৰ দুৰ্লভ সম্পদ হাঃ হাঃ ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত এজন ঋষিৰ প্ৰৱেশ ------**

**গীত-( ৰাগ ঃ আশোৱাৰী , তাল ঃ একতাল )**

**প্ৰৱেশিলা সভাৰ মাজে এক ঋষিবৰ ।**
**তপৰ প্ৰভাৱে ভৈলা তুমি তপোবৰ ।।**
**ধীৰে ধীৰে চলি আহে সভাৰ ভিতৰ।।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃঋষিৰ প্ৰস্থান। সভাত ব্ৰাহ্মণ যক্ষস্বামী আৰু ব্ৰহ্মচাৰীৰ প্ৰৱেশ - (বাজনা- ভঙ্গী)**

যজ্ঞ ঃ সখা ব্ৰহ্মচাৰী , কথা এটা শুনিছনে ? ঋষিবৰ অগস্ত্যই বিদৰ্ভৰাজৰ কন্যা লোপামুদ্ৰাক কৰিব বিবাহ । শুনিছো লোপামুদ্ৰা হেনো বৰ ৰূপৱতী ----

ব্ৰহ্ম ঃ ( কান্দে )---------

যজ্ঞ ঃ অ অ সখা, তোৰ আকৌ হ'ল কি ? বাজিব লাগে টেমি কটাৰী, বাজিছে আকৌ সাঁচতিহে । বোলো কন্যাৰ বেজাৰত কান্দিব লাগে বিদৰ্ভ ৰাজনহে ; তইনো আকৌ কিয় ৰাউচি জুৰিছ ? অ সোণ, সোণ ঔ, তইনো কেলে কান্দিছ হয় -- ?

ব্ৰহ্ম ঃ বহুত দুখ অ সখা ; বহুত দুখত কান্দিছো -- দেখিছ, খাৰ নোৰাৰাৰ পাতত ৰৌ মাছ পৰে ; মোৰ দৰে বৰলাই মুখ মেলি মৰে ঔ সখা --- হে বিধাতা, তুমি বাৰু মোৰ কপালখন চুবলৈ সময় নাপালে নেকি ?

যজ্ঞ ঃ ïb\´ হতশ্ৰী , বিধাতাই লিখিছিলে ; চাৰি এ নহয় ছয় আঙুল তোৰ কপালখনত বিধাতাই সম্পূৰ্ণকৈয়ে লিখিছিলে । তইহে কপালত ঢকিয়াই ঢকিয়াই সকলো মোহাৰি পেলালি ; কিযে অদ্ভুত জীৱ এইটো ? নাম ব্ৰহ্মচাৰী, পাছে মুখত কেৱল বিবাহৰ কথা । তত্ব গভীৰ কথা এটা আৰম্ভ কৰিবাহে হতশ্ৰীটোৱে তাৰ ভাগ্যৰ বিননি কৰিব আৰম্ভ। আজিও একেই , বুজিলো ইয়াৰ আৰু নহয় উদগতি । সেয়ে ইয়াৰ আগত মই কম কথা কওঁ --

ব্ৰহ্ম ঃ হেৰ এতিয়ানো ছাগলৰ দৰে কোনে আছে বেলবেলাই ? নকৰ কিয় ? ক , কিনো তই তত্ব কথা কৰিবি ব্যাখ্যা ?

যজ্ঞ ঃ তই নাকান্দতো -- ? জানই মই অল্পভাষী , তাতে মনুষ্যৰ জীৱন ক্ষণস্থায়ী , বাৰে বাৰে একেটা কথাকেতো কৈ মই মোৰ জীৱনৰ অমূল্য সময় অবাবত নোৰাৰিম -----

ব্ৰহ্ম ঃ হে হৰি , মই মৰি নাযাওঁ কিয় ? বোলো কথাটোনো কি ---- ?

যজ্ঞ ঃ অ কথাটো , শুন তেনেহ'লে -- চা আমি হ'লো দৰিদ্ৰ ব্ৰাহ্মণ ; ভীক্ষা মাগি মাগি কটাওঁ জীৱন , আজি কত দূৰ গ'লো ভীক্ষা বিচাৰি ; পালো জানো কিবা ? -- নাপালো একোকে --

ব্ৰহ্ম ঃ অ' , এইটোৱেই তাৰমানে তত্ব কথাটো --- -- ?

যজ্ঞ ঃ ধৈৰ্যহীন নিধকটো ; সেইবাবেই তোৰ আজিলৈকে সংসাৰ নহ'ল । শুন, আজি অগস্ত্যৰ বিয়া --

ব্ৰহ্ম ঃ বিয়া ? আজিয়ে অগস্ত্যৰ বিয়া ---- আই ঐ --( কান্দিব ধৰে )

যজ্ঞ ঃ এই নাকান্দিবি --; নাকান্দিবি -- আচল কথাটো শুন ̈, আজি হ'ল অগস্ত্যৰ বিয়া , বিদৰ্ভনন্দিনীৰ লগত ; বিদৰ্ভৰাজৰ গৃহত আজি মহাভোজৰ ̈মেলা বহিছে ; বুজিছ একমাত্ৰ কন্যাৰ বিবাহ । কি খাবি ? আমিষেই খাবি নে নিৰামিষেই খাবি ? অন্নই খাবি , পৰমান্নই খাবি নে মিষ্টান্নই খাবি ? বুজিছ মুঠতে উভয়তে নদী ---

ব্ৰহ্ম ঃ এই দুপৰ বেলা কিয় ক'লি এনে লোভনীয় ভোজনৰ কথা ? পালেতো সকলোৱেই খাম । অ মোৰ পেতটোচোন বৰকৈ গাজিছে , জীভাখনো কিবা শুকাই শুকাই গৈছে । আমি বাৰু গ'লে পামনে ভোজন ?

যজ্ঞ ঃ কিয় নাপাম ? বিদৰ্ভ ৰাজন অতি দয়াবান । আমি মাত্ৰ যাবহে লাগে সখা --

ব্ৰহ্ম ঃ তেন্তে পলম কিয় কৰা সখা ; শুভস্য শীঘ্ৰম --- হেঃ হেঃ ব'লা -- ব'লা -----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে আনন্দিত মনে বিদৰ্ভ ৰাজন। পাছত ঋষিৰ সঙ্গে বৰৰূপে অগস্ত্য আহে -------**

বিঃৰাজ ঃ প্ৰণাম মহৰ্ষি , অহোভাগ্য মোৰ ; বৰৰূপে অপোনাক আদৰাৰ সৌভাগ্য মিলিছে আজি মোৰ । আহক আহক , আসন গ্ৰহণ কৰক ----

অগস্ত্য ঃ ধন্যবাদ ৰাজন , কন্যাদানৰ শুভ ক্ষণ চলিছে এতিয়া । সেয়ে ৰাজন , পলম নকৰি কন্যাদান কৰক সমাপন ।

বিঃৰাজ ঃ ঋষিবৰ , খন্তেক কৰক অপেক্ষা ; কইনা সাজে লৈ আহিম মই লোপামুদ্ৰাক -- **(প্ৰস্থান )**

ঋষি ঃ মহৰ্ষি , সঁচাই বিদৰ্ভ ৰাজন অতিকে মহান ; আতিথ্যত আমি হৈছো সন্তুষ্ট ---

**সূত্ৰ ঃ কইনা সাজে লোপামুদ্ৰাক লৈ বিদৰ্ভৰাজ আৰু ৰানী আহে ----------**

বিঃৰাজ ঃ আঁহা আই , নতু বিবাহৰ শুভ ক্ষণ যাব পাৰ হে । ঋষিবৰ লৈ আহিছো আমাৰ কন্যা লোপামুদ্ৰাক কইনা সাজে । হে দেৱগণ , হে জগতবাসী , আজি মই বিদৰ্ভৰাজে আপোনাসৱক সাক্ষী কৰি আমাৰ আলাসৰ জী লোপামুদ্ৰাক মহৰ্ষি অগস্ত্যৰ হাতে কৰিলো অৰ্পণ । ঋষিবৰ , লোপামুদ্ৰাক আপোনাৰ পত্নীৰূপে কৰক গ্ৰহণ। যা আই, বৰমাল্য প্ৰদান কৰ ঋষিবৰক --

লোপা ঃ ( বৰমাল্য পিন্ধাই ) আমাৰ সেৱা গ্ৰহণ কৰক স্বামী ---
অগস্ত্য ঃ উঠা লোপামুদ্ৰা , ত্ৰিদেৱৰ লগতে আকাশৰ দেৱগণ , হে মোৰ পূৰ্বজগণ আৰু জগতৰ তৰু -তৃণ, যত জীৱগণ সকলোকে সাক্ষী কৰি কৰিছো স্বীকাৰ আজিৰপৰা বিদৰ্ভনন্দিনী লোপামুদ্ৰাক পত্নীৰূপে আমি কৰিলো গ্ৰহণ--
ৰানী ঃ হে ঋষিবৰ , কন্যা মোৰ অতিকে আলাসৰ , অতিকে অবুজ ; যদি কৰে কিবা দোষ নকৰিব আপুনি ক্ৰোধ ---
লোপা ঃ মাতা ----- ( কান্দে )
বিঃৰাজ ঃ- নাকান্দিবা আই , কি দিম তোমাক আজি , শূন্য হৈ গ'ল আজি বিদৰ্ভ ৰাজ্য । ঋষিবৰ , বিদায় ক্ষণ আৰু নোৱাৰিম সহিব ; লৈ যাওক আপুনি আপোনাৰ ভাৰ্যাক -----
অগস্ত্য ঃ নিশ্চয় ৰাজন ; পাছে প্ৰিয়ে , আমাৰ আশ্ৰমী জীৱনত তোমাৰ এনে আভূষণৰ নাই প্ৰয়োজন ।
লোপা ঃ কিন্তু স্বামী -- এই আভূষণ মাতাই দিছে আমাক --
অগস্ত্য ঃ আশ্ৰমী জীৱন নহয় প্ৰিয়ে ঐশ্বৰ্য বিভূতিৰ । নহয় স্বৰ্ণলংকাৰ পৰিধান কৰিবাগৈ তুমি বনৰ পুষ্পমালা । এই আভূষণ তুমি মাতৃৰ হাততেই কৰা অৰ্পণ ---
লোপা ঃ যিবা আজ্ঞা স্বামী, ( অলংকাৰ খোলে ) লোৱা মাতা ---
ৰানী ঃ কিন্তু আই ---( কান্দে )
লোপা ঃ মোক ক্ষমা কৰিবা আই ; স্বামীৰ আজ্ঞা মই নকৰোঁ উলংঘন --
অগস্ত্য ঃ ৰাজন , আমি এতিয়া কৰোঁ প্ৰস্থান । আঁহা প্ৰিয়ে ---

**<u>গীত</u>**

**পতিৰ সমে চলি যাই বিদৰ্ভ নন্দিনী ।**
**পিতা মাতাক তেজি চলে স্বামীৰ সঙ্গিনী ।।**

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ঋষিবৰ ---------------</u>**

ঋষি ঃ হে প্ৰভু, কি মনুষ্য , কি দানৱ সকলো অজ্ঞান , নিচিনে তোমাক । কৃপা কৰিবা প্ৰভু , সৎ বুদ্ধি দিয়া তুমি সবাকে ---

**<u>সূত্ৰ ঃ এনেতে ইল্বল আহে -------------------</u>**

ইল্বল ঃ প্ৰণাম ঋষিবৰ ---
ঋষি ঃ কোন তুমি ? কিয় আহিলা আমাৰ সমীপে ?
ইল্বল ঃ হাঃ হাঃ মই হলো মণিমতীৰ অধীশ্বৰ মহা প্ৰতাপী দৈত্যৰাজ ইল্বল ----
ঋষি ঃ দৈত্যৰাজ ইল্বল ; কিয় আহিছা আমাৰ সমীপে --- ?
ইল্বল ঃ ঋষিবৰ, পৰম আশা লৈ আহিছো আপোনাৰ সমীপে। শুনিছো মাতৃৰ পৰা, বুজিছো নিজেও আপোনাসৱৰ আছে মহান তপোবল। ভীক্ষুকৰ ইচ্ছা কৰিব পাৰে পূৰণ। সেয়ে ভীক্ষুক ৰূপে আহিছো মই আজি আপোনাৰ সমীপে --
ঋষি ঃ মহা প্ৰতাপী ইল্বল আজি ভীক্ষুক ৰূপে । আচৰিত , আচৰিত কি অভাৱ তোমাৰ --- ?
ইল্বল ঃ ঋষিবৰ , সকলো থাকিও আজি দৰিদ্ৰ মই । নেদেখিলো আজিহন্তে মই সন্তানৰ মুখ । সেই হেতু ঋষিবৰ বহু আশা লৈ আহিছো মই আপোনাৰ সমীপে । দিয়ক আশীৰ্বাদ , দিয়ক মোক এনে এটা পুত্ৰ যি দেৱেন্দ্ৰকো কৰিব পৰাস্ত -------
ঋষি ঃ ইল্বল --; যাৰ যি চৰিত্ৰ , ভীক্ষাতো ফুটি উঠে তেনে ৰূপ। শুন ইল্বল, যদি তই হলিহেতেঁন সদাচাৰী, দয়াবান দেৱহিতৈষী, সৎ উদ্দেশ্যৰে যদি বিচাৰিলিহেঁতেন ভীক্ষা ; ভাবি চালোহেতেঁন আমিও তেতিয়া তোৰ মনোবাঞ্ছা পূৰণৰ । কিন্তু তোৰ দৰে অনাচাৰী , দুৰ্মতি দৈত্যক আকৌ তেনে এক পুত্ৰ দি আমি নকৰোঁ পাপ । যা মুৰ্খ , তোৰ মনোবাঞ্ছা মই নকৰোঁ পূৰণ । যাঁও মই অন্য স্থানে -- ( **প্ৰস্থান** )
ইল্বল ঃ অপমান অপমান, ভীক্ষা খুজি পালো মই চৰম অপমান। আঃ ঋষি, নিচিনিলি তই ইল্বলক, নিচিনিলি তই ইল্বলৰ পৰাক্ৰমক । সাধাৰণ দৈত্য বুলি কৰিলি অপমান। নাই নাই , ইমান অপমান নসহে ইল্বলে । ঋষি , ঋষি ----

**সূত্ৰ ঃ ইল্বলৰ প্ৰস্থান ।সভাত পৰ্বত বিন্ধ্যাচলৰ প্ৰৱেশ --------------**

**গীত - ( ৰাগ ঃ ----- ; তাল ঃ -----)**

**সভাত প্ৰৱেশ কৰে বিন্ধ্যাচল গিৰি ।**
**গহীন গম্ভীৰ ইটো ভগৱন্তৰ সৃষ্টি ।।**
**ধীৰে ধীৰে চলি আহে সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

বিন্ধ্য ঃ মহৰ্ষি অগস্ত্যৰ শিষ্য মহাদেৱৰ ভক্ত ময়ে গিৰি বিন্ধ্য ----

**সূত্ৰ ঃ এনেতে নাৰদ -------------------**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ ----

বিন্ধ্য ঃ প্ৰণাম দেৱৰ্ষী , কোন দিশে কৰে গমন ? আহক খন্তেক আমাৰ স্থানতে কৰক বিশ্ৰাম ।

নাৰদ ঃ নাৰায়ণ , হে গিৰি বিন্ধ্যাচল তুমি দয়াবান , তুমি সঁচাই সুন্দৰ । পশু-পক্ষী , তৰু-তৃণৰ তুমি আশ্ৰয়দাতা , আমাৰ দৰে তপস্বীয়ে তোমাৰ ছাঁতে লয় বিশ্ৰাম ----

বিন্ধ্য ঃ ধন্যবাদ দেৱৰ্ষী , আপুনি মহান , সেয়ে বুজি পাইছে আমাৰো উদাৰতাক ---

নাৰদ ঃ তাকেইটো --, ইমান উদাৰ , ইমান দয়াবান ; তুমিহে পাব লাগিছিল মহান গিৰিৰ সন্মান । কিন্তু নাজানো কিয় ----------

বিন্ধ্য ঃ কথনৰ তাৎপৰ্য কি দেৱৰ্ষী ; আমাতকৈও আছে নেকি মহান গিৰি এই জগতত---- ?

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; মইনো কি ক'ম ; তুমিয়ে ভাবাচোন তোমাৰ মিত্ৰ সূৰ্যদেৱে কৰে জানো তোমাক প্ৰদক্ষিণ ? সুধিবাচোন সখা দিনমণিক কোন পথে কৰে তেওঁ নিতৌ পৰিভ্ৰমণ ? নাৰায়ণ, নাৰায়ণ, পাছে যাত্ৰা পথ মোৰ এতিয়াও আছে বহুদূৰ ; খন্তেক বিশ্ৰামৰ সুবিধা দিয়া বাবে ধন্যবাদ । এতিয়া আমি বিদায়হে মাগিলো --- ( **প্ৰস্থান** )

বিন্ধ্য ঃ দেৱৰ্ষীৰ কথনত আছে যুক্তি , সখা দিনমণিয়ে এবাৰো কৰা নাই মোক প্ৰদক্ষিণ। কিয় -- ? কিয় ? আঃ নিশ্চয় মই জানিব লাগিব ইয়াৰ কাৰণ । সূৰ্য , সখা সূৰ্য ----

**সূত্ৰ ঃবিন্ধ্যৰ প্ৰস্থান। আনফালে সভাত প্ৰথমে বাতাপী ; পাছত ক্ৰোধাৰ্ত হৈ ইল্বল --**

ইল্বল ঃ ভাতৃ , ভাতৃ ---

বাতাপী ঃ দাদা , দাদা , কওক দাদা কিয় দেখো আপোনাক এনে ক্ৰোধাৰ্ত ৰূপত ?

ইল্বল ঃ ভাতৃ, শত্ৰুৰ সংখ্যা বাঢ়িল আমাৰ । অতদিনে কৰি আহিছিলো স্বৰ্গৰ দেৱতাক শত্ৰুজ্ঞান , কিন্তু নহয় , মৰততো আছে আমাৰ শত্ৰু ; মাতৃৰ পৰামৰ্শত চাপিছিলো ঋষিৰ কাষ , মাগিছিলো ভীক্ষা ; কিন্তু প্ৰতিদান দিলে মোক অপমানেৰে ; নীচ, বৰ্বৰ বুলি আমাক কৰিলে উপহাস । দৈত্যৰ অপমান , পুত্ৰৰ অপমান সহিব নোৱাৰি মাতৃয়ে তেজিলে প্ৰাণ আপোন হাতত --

বাতাপী ঃ কি ক'লে দাদা, মাতাই তেজিলে প্ৰাণ ? আঃ দাদা , নকৰিব দুখ, নকৰিব ক্ৰোধ ; আছে জীয়াই তব ভাতৃ এই বাতাপী ; ঋষিশূন্য - তপস্বীশূন্য কৰি দিব ধৰণী এই বাতাপীয়ে --

ইল্বল ঃ উত্তম, উত্তম ভাতৃ, ঋষি শূন্য - তপস্বী শূন্য -ব্ৰাহ্মণ শূন্য আজিৰ পৰা আমাৰ জীৱনৰ পণ। কিন্তু সাৱধান ভাতৃ , ঋষি অতিকৈ চতুৰ , আছে তপশক্তি সিহঁতৰ । সেয়ে গোপনে , চলেৰে , কিম্বা বলেৰে এটি এটিকৈ নিৰ্মমভাৱে আমি ঋষি - ব্ৰাহ্মণক কৰিম হত্যা হাঃ হাঃ --

বাতাপী ঃ চিন্তা নকৰিব দাদা, বাতাপী নহয় সাধাৰণ দৈত্য। মাতৃৰপৰা লভিছো মই মায়া বিদ্যা । অ দাদা মায়া বিদ্যা ; ল'ব পাৰোঁ মই নানা ৰূপ হাঃ হাঃ ---

ইল্বল ঃ জানো ভাতৃ , অতিকে বিচক্ষণ তুমি মায়া বিদ্যাত --

বাতাপী ঃ দাদা, তেনে এক ৰূপ আপোনাক মই এতিয়াই কৰোঁ প্ৰদৰ্শন --ওঁ হ্ৰীং হ্ৰীং ক্লীং চামুণ্ডায়ে নমঃ --ওঁ হ্ৰীং হ্ৰীং মেষ ৰূপ ধাৰং ----

**সূত্ৰ ঃ বাতাপীয়ে মায়া কৰি মেষ ( ছাগ ) ৰূপ ধাৰণ কৰে --------------**

গীত

মেষ ৰূপ ধৰি আহে দুৰ্জন বাতাপী ।
দেখা দেখা নৰলোক কেন ইটো পাপী ।।
প্ৰদক্ষিণ কৰি ভাতৃক প্ৰণাম কৰিলা ।
মেষ ৰূপ এৰি পুনু নিজ ৰূপ লৈলা ।।

সূত্ৰ ঃ **পুনৰ নিজ ৰূপে বাতাপী ---------------------------------**

বাতাপী ঃ হাঃ হাঃ কেনে দেখিলে দাদা মোৰ মায়াৰূপী ছাগ ৰূপ ---- ?

ইল্বল ঃ চমৎকাৰ, অতি চমৎকাৰ ভাতৃ তোমাৰ মায়াবিদ্যা ; হাঃ হাঃ মোৰো আছে মন্ত্ৰ শক্তি, মৃত আত্মাৰ নাম ডাকি আনিব পাৰোঁ মই নৰকৰ পৰা হাঃ হাঃ---ভাতৃ কৌশল কৰিলো ৰচনা , তুমি ল'বা ছাগ ৰূপ , তোমাক বধি মই কৰিম ৰন্ধন ; ভোজন কৰাম মই ঋষি - ব্ৰাহ্মণক -- পাছে বাতাপী , বাতাপী বুলি ডাকিম মই আৰু তুমি ---

বাতাপী ঃ আৰু মই জীৱন্ত ঋষি - ব্ৰাহ্মণৰ নিষ্ঠুৰভাৱে উদৰ ফালি আপোনাৰ সন্মূখত হ'ম উপস্থিত ; যান্ত্ৰনাত চিৎকাৰ কৰিব সিহঁতে আৰু আমি লভিম অনাবিল আনন্দ হাঃ হাঃ ---

ইল্বল ঃ প্ৰতিশোধ , এনেদৰেই ল'ম আমি ঋষি - ব্ৰাহ্মণৰ ওপৰত ভীষণ প্ৰতিশোধ --

বাতাপী ঃ ব'লক দাদা , আঁচনি কাৰ্যত কৰোঁ পৰিণত ---

ইল্বল ঃ ঋষি সাৱধান , তপস্বী সাৱধান , ব্ৰাহ্মণ সাৱধান --- হাঃ হাঃ ---

সূত্ৰ ঃ **দুয়োৰে প্ৰস্থান । সভাত অগস্ত্য আহে ----------**

অগস্ত্য ঃ -- ( স্তুতি ) ------ নমো নমো নাৰায়ণ তুমি দয়াময়।
দয়া কৰা জনাৰ্দন দয়াৰ সাগৰ।।
নমো নমো ভগৱন্ত তুমি কৃপাময়।
কৃপা কৰা পদ্মনাভ কৃপাৰ সাগৰ।।
------ হে কৃপাময় , কৃপা কৰিবা আমাক । দয়া কৰিবা জগতবাসীক ।

সূত্ৰ ঃ **এনেতে লোপামুদ্ৰা --------------**

লোপা ঃ প্ৰণাম স্বামী ---

অগস্ত্য ঃ আঁহা প্ৰিয়ে , তোমাৰ শুশ্ৰূযাত আমি অতিকে সন্তুষ্ট । প্ৰিয়ে, বংশ ৰক্ষা আৰু আমাৰ পূৰ্বজ গণৰ মুক্তিৰ উদ্দেশ্যেই সৃষ্টি কৰিছিলো আমি তোমাক , কৰিলো বিবাহ ; সেয়ে কৰোঁ অনুৰোধ, গৰ্ভধাৰণ কৰি অগস্ত্যৰ বংশজক আনা ধৰালৈ ----

লোপা ঃ পত্নীৰ দায়িত্ব মই নিশ্চয় কৰিম পালন ; কিন্তু স্বামী , মোৰো আছে এক অনুৰোধ। মোৰ মনৰ অপূৰ্ণ কামনাও আপুনি কৰক পূৰণ ---

অগস্ত্য ঃ অপূৰ্ণ কামনা ? কোনবোৰ প্ৰিয়ে ; কি আছে তোমাৰ অপূৰ্ণ কামনা ?

লোপা ঃ স্বামী , ভুল নুবুজিব মোক ; সংসাৰ পাতি সন্তান পাবলৈ হ'লে কিছু প্ৰয়োজন পূৰ কৰিব লাগিব । নতু সন্তানক ভৰণ পোষণ দিম কেনেকৈ ? আপোনাৰ বাক্য মানি পিতৃ গৃহতে আমাৰ সমস্ত আভূষণ পেলালো খুলি । কিন্তু স্বামী , শৈশৱকাল পালিতা মই ৰজাৰ গৃহত । মযো নাৰী , নব বস্ত্ৰ আৰু আভূষণৰ প্ৰতি নাৰীৰ স্বভাৱসুলভ দুৰ্বলতা মোৰো আছে স্বামী । মন যায় কেতিয়াবা পুনৰ নৱ বস্ত্ৰ এবাৰ পৰিধান কৰিবলৈ। যদি মই আশ্ৰমী ধৰ্মৰ গৈছো বিৰূদ্ধে মোক ক্ষমিব স্বামী ----

অগস্ত্য ঃ তুমি ভুল কৰা নাই দয়িতা , তোমাৰ মনোবাঞ্চা আমি কৰিম পূৰণ। যদিওবা তপোবলেৰে আমি কৰিব পাৰোঁ তাৰ ব্যৱস্থা , কিন্তু নকৰোঁ আমি এনে অন্যায় । ব্যক্তিগত স্বাৰ্থ পূৰণত নিজ তপশক্তি প্ৰয়োগ কৰাতো নহয় উচিত । প্ৰিয়ে , কোনো ধনাঢ্য ৰাজনৰ পৰা ভীক্ষা মাগি মই তোমাৰ মনোবাঞ্চা কৰিম পূৰণ ---

লোপা ঃ স্বামী , কৰোঁ অনুৰোধ, কোনো ৰাজনৰ পৰা এই বৰ্ষৰ ৰাহি অংশটোহে আপুনি ভীক্ষাৰূপে লব দান । প্ৰজাৰপৰা বলেৰে কাঢ়ি যেন কোনো ৰাজনে আমাক নকৰে দান ---

অগস্ত্য ঃ ধন্য ধন্য কান্তা, বেদৰ জ্ঞান আৰু নদীৰ কৰুণা প্ৰতিস্ফুত হৈছে আজি তোমাৰ গাত । প্ৰিয়ে, তেন্তে আহিলো মই ভীক্ষাৰ উদ্দেশ্যে ----( **প্ৰস্থান** )

লোপা ঃ যাওক স্বামী , অপেক্ষা কৰিম মই আপোনাৰ আগমনলৈ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ব্ৰহ্মচাৰী আৰু যজ্ঞস্বামী -----**

ব্ৰহ্ম ঃ সখা, বিদৰ্ভৰাজৰ গৃহে লভা ভোজনটো মোৰ আজিও আছে মনত ; কিযে তৃপ্তিদায়ক --

যজ্ঞ ঃ কিয় নহব তৃপ্তিদায়ক ? একমাত্ৰ কন্যাৰ বিবাহৰ ভোজন । বোলো শাস্ত্ৰইও কয় ভোজনক প্ৰশংসিবা হজমৰ পাছত ; বীৰক প্ৰশংসিবা ৰণৰ পৰা ফিৰাৰ পাছত --

ব্ৰহ্ম ঃ হয় সখা , তোমাৰ পৰা তত্ব জ্ঞান লৈ মই এটা সিদ্ধান্তই লৈ পেলাইছো ---

যজ্ঞ ঃ বৰ সুন্দৰ কথা ক'লি অ' সখা ; পাছে কি সিদ্ধান্ত ললি --- ?

ব্ৰহ্ম ঃ এইবাৰ আমি যাম মণিমতী ৰাজ্যলৈ ---।

যজ্ঞ ঃ ম-ণি-মতী --; হেৰ' হতশ্ৰী, সেইটোহে পালিগৈ ; সেই দৈত্যৰ ৰাজ্যলৈ কিয় --- ?

ব্ৰহ্ম ঃ শুনিছো মণিমতীৰ দৈত্যেশ্বৰে কৰিছে পণ, নিতৌ আমাৰ দৰে ব্ৰাহ্মণ-তপস্বীক তৃপ্তিৰে কৰাই ভোজন ; লগতে দহভাৰ স্বৰ্ণও দিয়ে দান ।

যজ্ঞ ঃ আয়ৈ মোৰ আলাসৰ হতশ্ৰীতো , দেহৰ শ্ৰী বৃদ্ধিতো তোৰ গ'লেই মনৰ বুদ্ধিও গ'ল । বুজিছ তৃপ্তি আহে সন্মানত , নহয় ভোজনত । চন্দন ঘঁহিলেই শৰীৰ নহয় শুদ্ধ ; স্নান কৰিব লাগিব । পাছে তইনো এইবোৰ ক'ত বুজিবি ? হেৰ' তালৈ গ'লে নিশ্চিত আমাৰ মৰণ । শুনিছো যত ঋষি - ব্ৰাহ্মণ গৈছে দৈত্য ইল্বলৰ গৃহে আজি পৰ্যন্ত অহা নাই ঘূৰি ---

ব্ৰহ্ম ঃ অ' চকুচৰহাবোৰে তোক শুনাইছে যেনেকৈ তই অল্পবুদ্ধিটোৱে শুনিছ তেনেকৈ । তই যদি নাযাৰ নাযাবি , মই কিন্তু আজিয়ে যাম । পাছত কিন্তু মই তোক এটা স্বৰ্ণও নিদিঁও ।

যজ্ঞ ঃ নালাগে মোক তেনে ধন -- ; তয়ো নলবি ---

ব্ৰহ্ম ঃ দহভাৰ স্বৰ্ণ সখা ; ভাবি চা কিমান হ'ব ? মই হ'লে এতিয়াই যাম --

যজ্ঞ ঃ হেৰ' হতশ্ৰী, কেলে আওমৰণে মৰিবলৈ ওলাইছ হয় ? নাজান নেকি , আগ নুগুণি গুণে পাছ , লোভত মৰে বৰশীৰ মাছ ---

ব্ৰহ্ম ঃ এনে জ্ঞান মোক নালাগে দিব । মই আহিলো ; তই যাবিনে --- ? ( অলপ ৰৈ ) ভীৰু , হেৰ' মোক চিনিবি তই দৈত্যৰ গৃহৰপৰা ফিৰি অহাৰ পাছত ---- ( **প্ৰস্থান** )

যজ্ঞ ঃ কি কৰোঁ, কি কৰোঁ, এই হতবুদ্ধিতো গলেই । সখা , সখা , হেৰ' হতশ্ৰী , ঘূৰি আহ , ঘূৰি আহ ; অ' গুচি গ'ল হতশ্ৰীতো --; নাই নাই তাক মই বাধা দিব লাগিব । সখা , সখা ----

**সূত্ৰ ঃ যজ্ঞস্বামীৰ প্ৰস্থান । সভাত ইল্বল আহে ----------------**

ইল্বল ঃ হাঃ হাঃ আঁচনি আমাৰ বাস্তৱত সঠিক ভাৱেই কৰিছো ৰূপায়ণ। নিতৌ আমাৰ প্ৰলোভনত ভুল গৈছে কোনো নহয় কোনো লুব্ধ ঋষি অথবা ব্ৰাহ্মণ । নিষ্ঠুৰভাৱে ভাই বাতাপীয়ে সিহঁতৰ ফালিছে উদৰ ; ঋষিয়ে কৰিছে , ব্ৰাহ্মণে কৰিছে যান্ত্ৰনাত আৰ্তনাদ ; আৰু আমি কৰিছো আনন্দ উল্লাস হাঃ হাঃ ---

**সূত্ৰ ঃ এনেতে বাতাপী আহে -------------------------------**

বাতাপী ঃ হাঃ হাঃ দাদা , আজিও নহ'ব তাৰ ব্যতিক্ৰম ; দাদা , সৌৱা চোৱা আহিব ধৰিছে এক লুব্ধ ব্ৰাহ্মণ আমাকেই উদ্দেশ্য কৰি --

ইল্বল ঃ উত্তম উত্তম , যোৱা বাতাপী ৰন্ধন শালত তুমি ছাগ ৰূপ ধৰি কৰাগৈ অপেক্ষা ---

বাতাপী ঃ যিবা আজ্ঞা দাদা ; আপুনি কৰিব মোৰ শিৰচ্ছেদ আৰু উদৰ ফালি মই ব্ৰাহ্মণৰ জীৱন কৰিম নিঃশেষ হাঃ হাঃ ----

**সূত্ৰ ঃ বাতাপীৰ প্ৰস্থান । সভাত ব্ৰহ্মচাৰী ----------------------**

ব্ৰহ্ম ঃ দৈত্যৰাজৰ জয় হওক ,-- প্ৰণাম দৈত্যৰাজ --

ইল্বল ঃ আহক আহক ব্ৰাহ্মণদেৱ , অহোভাগ্য মোৰ আপোনাৰ পদধুলা পৰিল আজি আমাৰ গৃহে --
ব্ৰহ্ম ঃ দৈত্যৰাজ , শুনিছো আপুনি আমাৰ দৰে ব্ৰাহ্মণক দহ ভাৰ স্বৰ্ণমুদ্ৰা কৰিছে দান ---
ইল্বল ঃ দহ ভাৰ স্বৰ্ণমুদ্ৰা ----; হাঃ হাঃ ব্ৰাহ্মণ-দেৱ আপুনি ভুল কৰিছে ; দহ ভাৰ নহয় , আজি মই আপোনাক কুৰি ভাৰ স্বৰ্ণমুদ্ৰা কৰিম দান হাঃ হাঃ ---
ব্ৰহ্ম ঃ এ-কুৰি , হে বিধাতা এয়া কি শুনিছো মই ---
ইল্বল ঃ সত্যই শুনিছে একুৰি স্বৰ্ণ ভাৰ আৰু লগতে খাহী মঙহেৰে আপোনাক কৰাম আপ্যায়ন--
ব্ৰহ্ম ঃ একুৰি স্বৰ্ণ ভাৰ ; খাহী মঙহ --- পাছে কোনটো দিব প্ৰথমে -- ?
ইল্বল ঃ হাঃ হাঃ ধৈৰ্য ধৰক ; প্ৰথমে ভোজনেই কৰক গ্ৰহণ । নে আছে নেকি কিবা আপত্তি ?
ব্ৰহ্ম ঃ আপত্তি , কিয় থাকিব ৰাজন । যি ভীক্ষুকে বহুদিন উদৰ পূৰাই পোৱা নাই ভোজন তেওঁ এই সৌভাগ্যক আপত্তি কৰি কিয় দিব দলিয়াই ?
ইল্বল ঃ তেন্তে আহক আমাৰ ভোজন কক্ষলৈ হাঃ হাঃ -- আহক , আহক --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত যজ্ঞস্বামী -------------------**

যজ্ঞ ঃ নাই নুশুনিলে ; কত বুজালো তাক তথাপি নুশুনিলে সি মোৰ বচন । বুজিলো ব্ৰহ্মচাৰী, তোৰ লগত আৰু মোৰ নহয় দেখা । হে জগতবাসী , সখা ধৰ্ম পালন নকৰিলে বুলি পাছত কিন্তু নুদুষিব মোক । যা ব্ৰহ্মচাৰী, লোভেই পাপ, পাপেই মৃত্যু ; এই শিক্ষা তই নকৰিলি গ্ৰহণ --

**সূত্ৰ ঃ যজ্ঞস্বামীৰ প্ৰস্থান । আনফালে সভাত ইল্বল আৰু ব্ৰহ্মচাৰী ----------**

ব্ৰহ্ম ঃ দৈত্যৰাজ , তৃপ্তিৰে উদৰ পূৰাই আজি ভোজন কৰিলো মই । এতিয়া দানৰূপে স্বৰ্ণমুদ্ৰা দি বিদায় দিয়ক মোক ----
ইল্বল ঃ নিশ্চয় নিশ্চয় ব্ৰাহ্মণ সেই ক্ষণলৈকে ময়ো কৰিছো অপেক্ষা ; আহক আহক দেৱ , এই আসনতে বহি লওক আমাৰ পৰা দান ---হাঃ হাঃ বাতাপী , বা-তাপী , ভাই বাতাপী ---

**(সূত্ৰ ঃ বাতাপীয়ে দাদা , দাদা বুলি মাতে ------)**

ব্ৰহ্ম ঃ কোনে ক'ৰ পৰা আপোনাক কৰিছে সম্বোধন ---- ?
ইল্বল ঃ হাঃ হাঃ বাতাপী , বা-তাপী --
ব্ৰহ্ম ঃ ই কি মোৰ উদৰৰ পৰা আহিছে মাত ; দৈত্যেশ্বৰ, এয়া কোনে মাতিছে মোৰ উদৰৰ পৰা ?
ইল্বল ঃ হাঃ হাঃ মুৰ্খ ব্ৰাহ্মণ ,তই ঠিকেই শুনিছ , তোৰ উদৰৰপৰাই মাতিছে মোৰ ভাতৃ বাতাপীয়ে
ব্ৰহ্ম ঃ কি , মোৰ উদৰত আছে আপোনাৰ ভাতৃ ; কিন্তু কেনেকৈ --- ?
ইল্বল ঃ মুৰ্খ ,যি খাহী মঙহ তই কৰিলি ভোজন , সেয়া আছিল মোৰ ভাতৃ বাতাপীৰ মঙহ। মায়াৰূপে ভাতৃয়ে ধৰিলে ছাগ আৰু সেই ছাগকে মাৰি ৰন্ধন কৰি মই খোৱালো তোক । এতিয়া মন্ত্ৰ বলেৰে মই ভাতৃক কৰিছো জীৱিত , নিমিষতে তোৰ উদৰ ফালি ওলাই আহিব ভাতৃ মোৰ হাঃ হাঃ বাতাপী , আহ ওলাই --
ব্ৰহ্ম ঃ নাই নাই ৰক্ষা কৰক ,--- আঃ , আঃ ---মৰিলো , আঃ-----

**সূত্ৰ ঃ ব্ৰহ্মচাৰীৰ উদৰ ফালি বাতাপী ওলাই আহে । ব্ৰহ্মচাৰীৰ মৃত্যু হয় ---**

বাতাপী ঃ হাঃ হাঃ প্ৰতিশোধ , প্ৰতিশোধ ; পুনৰ আজি ল'লো প্ৰতিশোধ এক ব্ৰাহ্মণৰ ওপৰত ---।
ইল্বল ঃ হাঃ হাঃ ভাতৃ , আঁহা ইয়াৰ ৰক্ত পানেৰে প্ৰতিশোধৰ দাবানল আমাৰ কিছু পেলাওঁ শাঁত ( ৰক্ত পান কৰে ) ---- প্ৰতিশোধ , প্ৰতিশোধ -----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ৰাজন শ্ৰুতৰবা আৰু মন্ত্ৰীবৰ আহে ------**

শ্ৰুত ঃ মন্ত্ৰীবৰ , শেষ কৰি দিলে দৈত্যই আমাৰ সোণময় কনকপুৰ ৰাজ্য । লুটি নিলে অজস্ৰ সম্পদ । ধিক ধিক মোৰ বীৰত্ব , নোৱাৰিলো ৰক্ষা কৰিব জন্মভূমিক , নোৱাৰিলো সুৰক্ষা দিব মোৰ প্ৰজাক । ৰজা হৈ থকাৰ নাই আৰু মোৰ অধিকাৰ ---।
মন্ত্ৰী ঃ মহাৰাজ , নকৰিব দুখ ; প্ৰজাৰ এতিয়াও বিশ্বাস আছে আপোনাৰ বিক্ৰমত । এতিয়াও আছে প্ৰজাৰ বিশ্বাস আপোনাৰ ওপৰত । সেয়ে প্ৰজাই কৰিছে অঙ্গীকাৰ দুগুণ উৎসাহেৰে কৰিব কৰ্ম , ৰাজকোষ আমাৰ পুনৰ স্বৰ্ণৰে হ'ব পূৰ্ণ ----।

**সূত্ৰ ঃ এনেতে অগস্ত্য আহে ---------**

অগস্ত্য ঃ কনকপুৰৰ ৰাজনৰ কল্যাণ হওক ---

শ্ৰুত ঃ ই কি, মহৰ্ষি অগস্ত্যৰ হৈছে আগমন । আহক আহক ঋষিবৰ, কনকপুৰত আপোনাক জনাইছো স্বাগতম ---।

অগস্ত্য ঃ ৰাজন, আজি ভীক্ষুক ৰূপে আহিছো আমি আপোনাৰ সমীপে ---।

শ্ৰুত ঃ কি কয় মহৰ্ষি, আপোনাৰ দৰে মহাত্মাক কি দিম মই ---- ?

অগস্ত্য ঃ ৰাজন, সাংসাৰিক বান্ধোনত সোমাইছো আমি, সেয়ে প্ৰয়োজন হৈছে আমাৰ কিছু অৰ্থৰ, তাকে বিচাৰি আহিছো আমি । পাৰিবনে দিব আপুনি ?

শ্ৰুত ঃ আপোনাৰ দৰে মহৰ্ষিৰ অভাৱ নিশ্চয় পূৰণ কৰিব পাৰিম মই । কি কয় মন্ত্ৰীবৰ ?

মন্ত্ৰী ঃ নিশ্চয় ৰাজন, মহৰ্ষিৰ অভাৱ নিশ্চয় পূৰণ কৰিব পাৰিম । মহাৰাজ, এতিয়াই মই অৰ্থৰ কৰিম যোগাৰ ----- **( যাব খোজে )**

অগস্ত্য ঃ ৰাজন, আমাক আপুনি ৰাজহৰ লাভৰ অংশটোহে কৰক দান । আনৰ হানি কৰি দান ল'ব নিবিচাৰো আমি ---

শ্ৰুত ঃ ঋষিবৰ, কিয় এই অভাগাক দিছে কষ্ট । ইল্বল দৈত্যৰ অত্যাচাৰত আমাৰ ৰাহিৰ পৰিমাণ শূন্য । মহৰ্ষি, তথাপি আপুনি নকৰিব চিন্তা, ৰাহি নহলেও ৰাজকোষত আপোনাক দিব পৰাকৈ আছে আমাৰ অৰ্থ । মন্ত্ৰীবৰ, লৈ আহক কিছু অৰ্থ ---

অগস্ত্য ঃ আমি অক্ষম ৰাজন, তেনে দান নোৱাৰিম ল'ব । আপোনাৰ দৰে একেই অৱস্থা ˉচম্পাৱতীকে ধৰি অন্য ৰাজ্যৰ । বুজিলো, যাব লাগিব আমি দান বিচাৰি দৈত্যৰাজ ইল্বলৰ কাষলৈহে --

শ্ৰুত ঃ ক্ষমা কৰিব ঋষিবৰ, দৈত্য ইল্বলৰ সমীপে যোৱাতো নহ'ব উচিত । দুৰাত্মা, অনাচাৰী, ঋষি বিৰোধী সি ---

অগস্ত্য ঃ আপুনি চিন্তা নকৰিব ৰাজন, সেই বিষয়ে জ্ঞাত আমি । বাৰু এতিয়া আমি কৰোঁ প্ৰস্থান ---

শ্ৰুত ঃ যাওক ঋষিবৰ -----

**সূত্ৰ ঃ প্ৰথমে অগস্ত্য আৰু পাছত ৰজা - মন্ত্ৰীৰ প্ৰস্থান । আনফালে বিন্ধ্যাচল আহে ------**

বিন্ধ্য ঃ দিনমণি ---, দিনমণি ----

**সূত্ৰ ঃ সূৰ্যদেৱ আহে -----------------------------**

সূৰ্য ঃ গিৰি বিন্ধ্যাচল, কিয় মাতিলা মোক ?

বিন্ধ্য ঃ দিনমণি, তোমাৰ পথ কি ? কোন পথে কৰা তুমি নিতৌ ভ্ৰমণ ?

সূৰ্য ঃ আচৰিত প্ৰশ্ন কৰিলা সখা, এয়াতো সৰ্বজনবিদিত । পূবৰ পৰা পশ্চিমলৈ গিৰি মেৰুক কৰি প্ৰদক্ষিণ নিতৌ গতি কৰোঁ মই ---।

বিন্ধ্য ঃ মেৰু -- ? কোন মেৰু ---- ? মোতকৈও কি সি মহান গিৰি ---- ?

সূৰ্য ঃ মেৰুক তুমি নোপোৱা চিনি ? মেৰুৱেই হৈছে সেই গিৰি যত সৃষ্টিকৰ্তাই লয় জীৰণি ; দেৱগণৰো অতি প্ৰিয় আৰু সেই মেৰুকেই মই কৰোঁ প্ৰদক্ষিণ ----

বিন্ধ্য ঃ দিনমণি, মেৰুৰ গুণানুকীৰ্তন নুশুনাবা মোক । তুমি মোৰ সখা, তুমি কি মোক কেতিয়াও নকৰিবা প্ৰদক্ষিণ ? নহয় নেকি মই মেৰুৰ দৰে মহান গিৰি তোমাৰ বিচাৰত ?

সূৰ্য ঃ বিন্ধ্য, সৃষ্টি কালৰ পৰাই সকলো গ্ৰহে মেৰুকেই কৰি আহিছে প্ৰদক্ষিণ ; মেৰুৱেই সৰ্বোচ্চ গিৰি। সেই নিয়ম মই নোৱাৰিম ভাঙিব। মোক ক্ষমিবা সখা, নোৱাৰিম মই তোমাৰ অনুৰোধ ৰাখিব । নোৱাৰিম সখা, নোৱাৰিম --- **( প্ৰস্থান )**

বিন্ধ্য ঃ দিনমণি; আঃ মেৰু হ'ব নোৱাৰ তই মোতকৈ মহান ; হ'ব নোৱাৰ তই মোতকৈ উচ্চ। দেখুৱাম জগতক কিমান শক্তি এই বিন্ধ্যাচলৰ, দেখুৱাম দিনমণিক জগতত কোন গিৰি শ্ৰেষ্ঠ হাঃ হাঃ -

**সূত্ৰ ঃ বিন্ধ্যাচলৰ প্ৰস্থান । আনফালে সভাত ইল্বল ------------------**

ইল্বল ঃ হাঃ হাঃ এটি এটিকৈ আজি ঋষি যায়, তপস্বী যায় আৰু যায় লুব্ধ ব্ৰাহ্মণ। ঋষিশূন্য, তপস্বী শূন্য, ব্ৰাহ্মণ শূন্য কৰিব ধৰণী এই দৈত্যৰাজ ইল্বলে ; কি দুখ কৰিছিলো মই ? ভক্তি ভাৱেৰেইতো বিচাৰিছিলো ঋষিৰ ওচৰত এক পুত্ৰ সন্তান । তাকো নিদি নীচ, অস্পৃশ্য, বৰ্বৰ

জাতি বুলি আমাক কৰিলে তিৰস্কাৰ । ইমান অপমান কি মই পাৰোঁ সহিব ? নাই নাই অসম্ভৱ , জগতৰ শেষ ঋষিটোক নমৰা পৰ্যন্ত চলি থাকিব আমাৰ অভিযান হাঃ হাঃ---

**সূত্ৰ ঃ এনেতে অগস্ত্য আহে ---------**

অগস্ত্য ঃ দৈত্যৰাজৰ মঙ্গল হওক ----

ইল্বল ঃ ঋ-ষিবৰ ; আহক , আহক পবিত্ৰ কৰিলে আজি আপোনাৰ পদধুলাৰে আমাৰ গৃহ ।

অগস্ত্য ঃ ৰাজন , সামান্য অৰ্থ দান ৰূপে বিচাৰি আহিলো আমি তৱ গৃহে --

ইল্বল ঃ সামান্য কিয় ঋষিবৰ , ইচ্ছামতেই লব আপুনি মোৰপৰা দান । ঋষিবৰ , আজি ৰাখিছো মই এক ব্ৰত ; কৰিছিলো পণ আজিয়েই কোনো মহান তপস্বীক মঙহেৰে কৰোৱাম ভোজন । ভগৱন্তৰ দয়াত আপুনি প্ৰৱেশিলে আমাৰ গৃহে। কৃপা কৰি ভোজন গ্ৰহণ কৰি মোক কৰক কৃতাৰ্থ। অৱশ্যে ঋষিবৰ, দৈত্যৰ গৃহে ভোজন কৰাত যদি আপোনাৰ আছে আপত্তি ---

অগস্ত্য ঃ ৰাজন , কি কয় এয়া ? দেৱ , দৈত্য , দানৱ , মনুষ্য সকলোকে প্ৰভূ ভগৱন্তই কৰিছে সৃষ্টি ; তেনেস্থলত আমি আপোনাৰ গৃহে ভোজন গ্ৰহণ কৰাত কিয় কৰিম আপত্তি --- ?

ইল্বল ঃ শুনি আনন্দিত হ'লো ঋষিবৰ ; ভোজন হৈ আছে প্ৰস্তুত , ব'লক ঋষিবৰ ভোজন কক্ষত কৰাঁওগৈ আপোনাক আপ্যায়ন ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । পুনৰ সভাত ইল্বল ---------------------**

ইল্বল ঃ আচৰিত, আচৰিত ঋষি এয়া , কত ঋষি-ব্ৰাহ্মণক কৰালো ভোজন , দেখা নাই এনে ঋষি । সমস্ত মঙহ কৰিলে ভোজন । হাঃ হাঃ কৰ কৰ ঋষি, হেঁপাহ পলুৱাই তই কৰ ভোজন , এয়াইতো হ'ব তোৰ অন্তিম ভোজন হাঃ হাঃ ---

**সূত্ৰ ঃ এনেতে অগস্ত্য --------------------**

অগস্ত্য ঃ ( উগাৰ মাৰে ) ৰাজন, অতি সুস্বাদু ভোজন কৰালে আমাক। কৃপা কৰি অৰ্থ দান দি এতিয়া আমাক দিয়ক বিদায় ---।

ইল্বল ঃ নিশ্চয় ঋষিবৰ, আহক দান ল'বৰ বাবে এই আসন কৰক গ্ৰহণ ---( ঋষি বহে ) --দান লাগে আপোনাক ? হাঃ হাঃ অৰ্থ দান -- হাঃহাঃ বাতাপী, বা-তাপী--- বাতাপী, কিয় নামাতে আজি ভাতৃয়ে মোক ? বাতাপী , ভাই বাতাপী ------

অগস্ত্য ঃ চিন্তিত হৈছা ৰাজন, কিয়বা তোমাৰ ভাতৃয়ে আজি কৰা নাই তোমাক সম্বোধন ? শুনা তেন্তে মহাদেৱৰ আশীষ আছে আমাৰ শীৰত ; যি দ্ৰব্যই খাঁও জীণ যাব আমাৰ উদৰত ; অগস্ত্যৰ উদৰস্থ হ'ল তোমাৰ ভাতৃ হাঃ হাঃ --

ইল্বল ঃ নাই নাই এনে হ'ব নোৱাৰে , ভাতৃ মোৰ অতি মায়াবী , আছে মন্ত্ৰ শক্তি মোৰ ; এতিয়াই উদৰ ফালি তোৰ ওলাই আহিব মোৰ ভাতৃ । ওঁ হ্ৰীং হ্ৰীং ক্লীং --- ওলাই আহ বাতাপী, ওলাই আহ তই --

অগস্ত্য ঃ ( নিজৰ উদৰ মোহাৰি ) জীণ যা বাতাপী তই আমাৰ উদৰত --; হাঃ হাঃ ইল্বল , সত্যক তুমি কৰা গ্ৰহণ ; নাই আৰু তোমাৰ ভাতৃ জীৱিত , জীণ গ'ল সি আমাৰ উদৰত ---।

ইল্বল ঃ নাই নাই এনে হ'ব নোৱাৰে , ভাতৃয়ে মোক এৰি যাব নোৱাৰে । বাতাপী , ভাই বাতাপী -- হায় হায় কি অভাগা মই ; আজি ভাতৃকো হেৰুৱালো মই -- **( কান্দে )**

অগস্ত্য ঃ ইল্বল, দেখিলা তুমি কেনেদৰে ভাতৃয়ে তোমাৰ আমাৰ উদৰত এৰিলে প্ৰাণ । ভাতৃৰ মৰণৰ পৰা তুমি লোৱা শিক্ষা ; ত্যাগ কৰা তুমি অধৰ্মৰ পথ -----

ইল্বল ঃ আঃ এক ঋষিয়ে মোক কৰিলে অপমান , সেইদুখে মাতৃয়ে হেৰুৱালে প্ৰাণ আৰু আজি পুনৰ এক ঋষিৰ হাতত ভাতৃৰ গ'ল প্ৰাণ । অগস্ত্য , তোক মই নকৰোঁ ক্ষমা ; এতিয়াই হৰিম মই তোৰ প্ৰাণ ----

অগস্ত্য ঃ ইল্বল, তই নকৰিবি ভুল ; সাধাৰণ ঋষি বুলি আমাক নকৰিবি ভুল ; আছে তপশক্তি আমাৰ, তপোবলে শেষ কৰিব পাৰোঁ তোৰো জীৱন --

ইল্বল ঃ হাঃ হাঃ তপশক্তি ; নিচিনিলি তই ইল্বলৰ শক্তিক , নিচিনিলি তই বাতাপীৰ শক্তিক । বধ কৰি তোক , বক্ষ ফালি তোৰ উদৰ , জীৱিত কৰিম মই ভাতৃ বাতাপীক -- ( খেদি আহে )

অগস্ত্য ঃ ইল্বল , চা তেন্তে তই ঋষিৰ তপোবল --ঔম , ঔম , ঔম --

**সূত্ৰ ঃ অগস্ত্যই জল চটিয়াই , ইল্বলে চিৎকাৰ কৰি ভস্ম হয় ---**

অগস্ত্য ঃ অতি দৰ্পে হয় এনে অৱস্থা । যত ৰাজ্যত তই চলাইছিলি লুণ্ঠন সবাকে সম্পদ মই দিম ঘূৰাই । আমাৰ প্ৰয়োজনো ইয়াৰ পৰাই কৰিম পূৰণ । যাঁও এৱে কাৰ্য কৰোঁ সমাপন ---

**সূত্ৰ ঃ অগস্ত্যৰ প্ৰস্থান । আনফালে সভাত বিন্ধ্যাচল আহে --------**

বিন্ধ্য ঃ বিন্ধ্যৰ উদাৰতাক, বিন্ধ্যৰ সৰলতাক নুবুজিলে সৃষ্টিকৰ্তাই, নুবুজিলে দেৱতাই । মহান গিৰিৰ দিছে সন্মান মেৰু পৰ্বতক। এনে অপমান নসহে এই বিন্ধ্যাচলে । মহৰ্ষি অগস্ত্যৰ শিষ্য মই ; জানে বিন্ধ্যাচলে কিবা দৰে সৰ্বশ্ৰেষ্ঠ গিৰিৰ সন্মান ল'ব লাগে আজুৰি । আছে আশীষ মহাদেৱৰ মোৰ শিৰে ; বৃদ্ধি কৰিম মোৰ আকাৰ , গতি ৰুদ্ধ কৰিম দিনমণিৰ , জগতবাসীয়ে কৰিব হাঁহাকাৰ ; বাধ্য হৈ সৃষ্টিকৰ্তাই, বাধ্য হৈ পালনকৰ্তাই মোকেই দিব সৰ্বশ্ৰেষ্ঠ গিৰিৰ সন্মান হাঃ হাঃ---

**সূত্ৰ ঃ এনেতে সূৰ্যদেৱ আহে ---------------------**

সূৰ্য ঃ ই কি , এয়া কি কাৰ্য কৰিছে গিৰি বিন্ধ্যাচলে ? নিজ আকাৰ বঢ়াই আমাৰ গতিপথ কৰিছে ৰুদ্ধ । বিন্ধ্য , সখা বিন্ধ্য , এয়া কি কাৰ্য কৰিছা তুমি ? কিয় নিজৰেই আকাৰ বঢ়াই আমাৰ গতিপথ কৰিছা ৰুদ্ধ । কৰোঁ অনুৰোধ আমাৰ বাট কৰা মুক্ত ----

বিন্ধ্য ঃ হাঃ হাঃ হাঃ ------

সূৰ্য ঃ নাই , নাই নুশুনে আজি বিন্ধ্যই আমাৰ অনুৰোধ । বুজিছো সৰ্বশ্ৰেষ্ঠ গিৰি হোৱাৰ উদ্দেশ্যে আকঁৰগোজ আজি বিন্ধ্য । কি কৰোঁ এতিয়া মই ? কোনে কৰিব মোক সহায় ? নিশ্চয় দেৱৰাজ , নতু দেৱৰ্ষীয়ে কৰিব সহায় । দেৱৰাজ , দেৱৰাজ , -- দেৱৰ্ষী --- ( **প্ৰস্থান** )

বিন্ধ্য ঃ যোৱা দিনমণি, কোনেও তোমাক আজি নকৰে সহায় হাঃ হাঃ ----

**সূত্ৰ ঃ এনেতে অগস্ত্য আৰু এটা টোপোলা লৈ লোপামুদ্ৰা আহে ---------**

অগস্ত্য ঃ বিন্ধ্য , শিষ্য বিন্ধ্যাচল ----

বিন্ধ্য ঃ কি যে ভাগ্য মোৰ , এই শুভ ক্ষণত গুৰুদেৱৰ সাক্ষাত হ'ল মোৰ । প্ৰণাম গুৰুদেৱ, প্ৰণাম গুৰুমাতা ----; গুৰুদেৱ , আশীৰ্বাদ দিয়ক মোক ।

অগস্ত্য ঃ গুৰুৰ আশীৰ্বাদ সদায় থাকে শিষ্যৰ লগত । পাছে বিন্ধ্য, এক বিশেষ উদ্দেশ্যত যাত্ৰা কৰিব লাগে আমি দাক্ষিণাত্যলৈ । কিন্তু , তোমাৰ এই বৰ্দ্ধিত আকাৰে আমাৰ পথ কৰিছে ৰুদ্ধ ।

বিন্ধ্য ঃ বিশেষ উদ্দেশ্যত যাব আপুনি দাক্ষিণাত্যলৈ -- ?

অগস্ত্য ঃ হয় বিন্ধ্য , এক জৰুৰী কাৰ্য আছিল তাত আমাৰ ------

বিন্ধ্য ঃ গুৰুৰ কাৰ্যত সহায় কৰাতো শিষ্যৰ কৰ্তব্য। যদি গুৰুক কৰোঁ বিমুখ হ'ব মহাপাপ; গুৰুদেৱ, যাওক আপুনি , মই দিছো হাওলি , দাক্ষিণাত্যলৈ পথ হ'ল মুকলি --।

অগস্ত্য ঃ ধন্যবাদ , আঁহা প্ৰিয়ে -( **দুয়ো পাৰ হৈ** ) ; বিন্ধ্য , আমি ঘুৰি নহা পৰ্যন্ত এনেদৰেই থাকা ; নতু দাক্ষিণাত্যত যে হ'ব অন্ধকাৰ । তেতিয়া বিপদ হ'ব আমাৰ ---

বিন্ধ্য ঃ হ'ব গুৰুদেৱ , আপোনাসৱক মই বিপদত নিদিওঁ পৰিব --

লোপা ঃ স্বামী, দাক্ষিণাত্যতনো কি কাৰ্য আছে আমাৰ -- ?

অগস্ত্য ঃ ( **লোপামুদ্ৰাক কয়** ) প্ৰিয়ে , বিন্ধ্যৰ কাৰ্যত দিনমণি যাব পৰা নাই দাক্ষিণাত্যলৈ ; অন্ধকাৰ নামিছে তাত । সৃষ্টিত ঘটিব প্ৰলয় । সেয়ে যাঁও আমি দাক্ষিণাত্যলৈ , স্থায়ীভাৱে তাতে আমি কৰিম বাস । কদাপি আৰু নাহো তাৰপৰা ঘূৰি --

বিন্ধ্য ঃ গুৰুদেৱ, কৰোঁ অনুৰোধ, আপোনাসৱ উলতিব শীঘ্ৰে ; বহু কাৰ্য আছে মোৰ সাধন কৰিবলৈ ---

অগস্ত্য ঃ হ'ব বিন্ধ্য , আমি শীঘ্ৰেই আহিম ঘূৰি , তুমি এনেদৰেই থাকা ---- হে প্ৰভূ , হে জগতবাসী , জগতৰ কল্যাণৰ হেতু গুৰু হৈ শিষ্যক দিলো আমি মিথ্যা আশ্বাস । তাৰ বাবে ক্ষমিবা আমাক । ব'লা প্ৰিয়ে -------

**সূত্ৰ ঃ অগস্ত্য আৰু লোপামুদ্ৰাৰ প্ৰস্থান । বিন্ধ্যাচল হাওলি থাকে -----------**

গীত- ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ পৰিতাল )

বিন্ধ্যাচলৰ বচন লৈয়া মহৰ্ষি অগস্ত্য ।
পত্নীক সঙ্গে লৈয়া চলে দাক্ষিণাত্য।।
অধৰ্মক নাশ কৰি ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগৰ সমাপ্তি ঘটে -----।

গীত - ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি,-- ইল্বল নিধন , অগস্ত্যৰ দাক্ষিণাত্য গমন -- নাটভাগিৰ যৱনিকা পৰে।

## সমাপ্ত

( বিঃ দ্ৰঃ মূল বাল্মীকি ৰামায়ণৰ পৰা শ্ৰী শ্ৰী মাধৱ কন্দলী বিৰচিত ৰামায়ণৰ আধাৰত নাটভাগ ৰচনা কৰা হৈছে )

জয় গুৰু শঙ্কৰ



# পাণ্ডৱৰ অজ্ঞাতবাস, বলোভদ্ৰৰ হস্তিনা বিজয়


নাট্যৰূপ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ, যোৰহাট

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীকৃষ্ণ
৩। বলোভদ্ৰ
৪। শিৱ
৫। শাম্ব ( কৃষ্ণ পুত্ৰ )
৬। দুৰ্যোধন ( প্ৰধান চৰিত্ৰ )
৭। দুঃশাসন
৮। কৰ্ণ
৯। শকুনি
১০। ভীষ্ম
১১। দ্ৰোণচাৰ্য্য
১২। যুধিষ্ঠিৰ
১৩। ভীম
১৪। নকুল
১৫। সহদেৱ
১৬। বিৰাট ৰাজ ( মৎস্যদেশৰ ৰাজন )
১৭। উত্তৰ ( বিৰাটৰ পুত্ৰ )
১৮। কীচক ( মৎস্যদেশৰ সেনাপতি )
১৯। ১ম ৰজা
২০। ২য় ৰজা

## নাৰী চৰিত্ৰ

১। লক্ষণাৱতী ( দুৰ্যোধনৰ কন্যা ) -- ( প্ৰধান চৰিত্ৰ )
২। দ্ৰৌপদী
৩। বৃহন্নলা ( নাৰীৰূপত অৰ্জুন )

## মুখা

১। অশ্ব ; ২। ধেনু

শ্লোক ঃ মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহু মহুৰ ঃ স্থল । আৰক্ৰায়ত কঞ্জলোচন যুগং পিতাম্বৰং সুন্দৰম ।।

অপিচ ঃ যেনাকাৰি ভকত বৎসল দেৱ জনাৰ্দন --- ভূমিভাৰ ৰক্ষাৰ্থেয়ো যুগে যুগে অৱতাৰ ।।

নান্দী গীত ঃ ( ৰাগ - সুহাই, তাল - একতাল )

জয় জয় গোলোকৰ পতি ।
তুৰা পাৰে কৰোহো প্ৰণতি ।।
দৈৱকীত ভৈলা অৱতাৰ ।
কৰিলাহা ভক্তক উদ্ধাৰ ।।
হেনজানি এৰা আন কাম ।
সভাসদে বোলা ৰাম ৰাম ।।

-----নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা ; ইয়ং -- **পাণ্ডৱৰ অজ্ঞাতবাস, বলোভদ্ৰৰ হস্তিনা বিজয়** -- নাম নাটকং শ্ৰৱণে মুক্তি সাধকম ।

অথ ভটিমা

জয় জগজন জীৱন যাদৱ
দেৱৰো দেৱক দেৱা ।
চতুৰ বয়ন ভৱ সুৰপতি যাকৰ
কৰোঁ নিতে চৰণে সেৱা ।।
মৎস্য দেশত পাণ্ডুৰ নন্দন
কটালাহি অজ্ঞাতবাস ।
প্ৰভূৰ কৃপাত বীৰ বৃকোদৰে
কীচকক কৰিলা নাশ ।।
কৃষ্ণৰ নন্দন শাম্ব মহাবীৰ
হৰিলা লক্ষণা সতী ।
বলৰামে পাছে দুষ্ট কৌৰৱৰ
ভাঙিলা মন্দমতি ।।
যতয়ে পৰমা ধৰমা কৰমা
সৰ্বকহু গুণ নাম ।
হেনজানি সৱে এৰি আন কাম
ডাকি বোলা ৰাম ৰাম ।।

সূত্ৰ ঃ আহে সখী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সখী , আকাশে দেৱ বাদ্য বাজত -- বাজত -- বাজত

সূত্ৰ ঃ আ-হাহা মিলল, মিলল । আহে সামাজিক লোক, হামো যাকেহি কথা কহৈছি , ওহি পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণ এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৱত, আৱত, আৱত । তাক সাৱধানে দেখহ, শুনহ নিৰন্তৰে হৰি বোল, হৰি বোল।

ইতি সুত্ৰ নৃত্য নিষ্ক্ৰান্তঃ

**সূত্ৰ ঃ সভাত শ্ৰীকৃষ্ণৰ প্ৰৱেশ -------**

**শ্লোক ঃ প্ৰৱেশম কৰোত কৃষ্ণ, কাম কৌটিজীত, জগতং জনক ধাতা, দুষ্ট দানৱ দাৰণ --**

গীত ( ৰাগ- সিন্ধুৰা , তাল- একতাল )

পৰম পুৰুষ প্ৰভু দিলা দৰিশন।
যাক দেখি মহা সুখী হোৱে সৰ্বজন।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা নিৰন্তৰে ।।

কৃষ্ণ ঃ আমি সকলো প্ৰাণীৰ শৰীৰত স্থিত প্ৰাণ, আমিয়ে ওমকাৰ । বৰাহৰূপে হিৰনাক্ষক বধি বসুন্ধৰাক কৰিলো উদ্ধাৰ ।নৰসিংহৰূপে কশিপুক বধি ভক্তৰ ৰাখিলো মান ।ৰামৰূপে ৰাৱনক বধি অহংকাৰক কৰিলো নাশ আৰু এই দ্বাপৰ যুগত অধৰ্মক বিনাশ কৰি ধৰ্ম প্ৰতিষ্ঠাৰ হেতু কৃষ্ণৰূপে লৈছো পূৰ্ণ অৱতাৰ ।যাওঁ বহু কৰ্তব্য আছে সাধন কৰিবলৈ এই ধৰাৰ বক্ষত ---

সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান। আনফালে সভাত মহাদেৱৰ প্ৰৱেশ --------------

শ্লোক ঃ প্ৰৱেশম কৰোৎ মহাদেৱ , নীলকণ্ঠ , ত্ৰিনয়ন শিৰে শশী বিভূষণ --- সভাৰ মধ্যে উপস্থিত ---।।

গীত- (ৰাগ ঃ ভাটিয়ালী ; তাল ঃ ৰচক )

আৱত সভাৰ মাজে দেৱ ত্ৰিনয়ন।
ত্ৰিশূলক লৈয়া হাতে মুৰুতি শোভন।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

মহা ঃ সহস্ৰ নামে আমি জগতত জনাজাত ।উমাৰ বাবে যদি আমি উমানাথ , যোগীৰ বাবে আমি যোগীন্দ্ৰ হলাহল পান কৰি যদি আমি হৈছো নীলকণ্ঠ , দুষ্ট দানৱৰ বাবে এই মহাশূল ধাৰণ কৰি ৰুদ্ৰৰূপে আমিয়ে হৈছো মহাকাল ।তথাপি জগতৰ কোনো কোনোৱে আমাক কৰে তাচ্ছিল্য ভঙুৱা , অঘৰী জটাধাৰী শংকৰ বুলি ।নাজানিলে আমাক, নিচিনিলে আমাক -- উচ্চ কৈলাস শিখৰ আমাৰেই ধাম ।পাৰ্বতীৰ হাতৰ পৰশেৰে পুস্পিত পুস্পৰ সুবাসেৰে, সুকোমল মলয়া বতাহে দেহ-মন সবাৰে পৰে জুৰ ।ক'ত পাব এনে স্থান এই ধৰাৰ বক্ষত ? যাঁও এৱে আমি নিজ কৰ্তব্যত --

সূত্ৰ ঃ মহাদেৱৰ প্ৰস্থান । সভাত শ্ৰীকৃষ্ণ --------------------------------

কৃষ্ণ ঃ স্যমন্তক মণিৰ অন্বেষণত যাঁওতে ভক্ত জাম্বৱন্তৰ তনয়া জাম্বৱতীক পত্নীৰূপে কৰিলো গ্ৰহণ আৰু আজি আমাৰ ইচ্ছাতে জাম্বৱতী মাতৃত্বৰ প্ৰতি হৈছে লালায়িত -- অৱশ্যে এইক্ষেত্ৰত আমাৰ হ'ব প্ৰয়োজন মহাদেৱৰ । হে ত্ৰিনয়ন, হে মহাদেৱ , দিয়ক দৰিশন ---

সূত্ৰ ঃ এনেতে মহাদেৱ আহে ---

শিৱ ঃ হে নাৰায়ণ , নৰৰূপে অৱতৰি শ্ৰীকৃষ্ণ ৰূপে আজি কিয় কৰিছে স্মৰণ আমাক ?

কৃষ্ণ ঃ হে দেৱাদিদেৱ মহাদেৱ , আমাৰ সেৱা কৰক গ্ৰহণ।

শিৱ ঃ প্ৰণাম যদুপতি, আপোনাৰ দৰ্শন লভিবৰ বাবে আমিও সদা ইচ্ছুক । তেনে সুযোগ দিয়াৰ বাবে আমিও কৃতজ্ঞতা জনাইছো আপোনাক ।পাছে , কি উদ্দেশ্যে আমাক কৰিলে স্মৰণ ?

কৃষ্ণ ঃ উদ্দেশ্য অতিকে মহান ভোলানাথ। বিশেষ কাৰ্য্য সিদ্ধিৰ উদ্দেশ্যে আপোনাৰ কৃপাৰ হৈছে প্ৰয়োজন।

শিৱ ঃ এনে কি বিশেষ কাৰ্য্য আহিল যে জগতৰ পালনকৰ্তাক আজি সংহাৰকৰ্তাই কৰিব সহায় ? কৰিব লাগিব নেকি পুনৰ সমুদ্ৰ মন্থন ? লভিছে নেকি জনম পুনৰ ত্ৰিপুৰাসুৰৰ দৰে প্ৰবল প্ৰতাপী অসুৰ , কওক প্ৰভু মহাশূল ধৰি পুনৰবাৰ শত্ৰুক আমি কৰিম নিধন ----

কৃষ্ণ ঃ ক্ষান্ত হওক মহাদেৱ ; অহা নাই তেনে ক্ষণ, কৰাব লাগে মাথো জাম্বৱতীৰ মনৰ কামনা পূৰণ

শিৱ ঃ জাম্বৱতীৰ -- ?

কৃষ্ণ ঃ অ মহাদেৱ, জাম্বৱতীৰ ; আপোনাৰ পুত্ৰ গজাননৰ জন্মৰ সময়ত বিষ্ণুৰূপে আমি দৰ্শনৰ হেতু যাঁওতে যি ঘটিছিল তাক জানো আপুনি গৈছে পাহৰি ?

শিৱ ঃ কিয় পাহৰিম প্ৰভূ, আপোনাৰ ৰূপত উজলিছিল আমাৰ কৈলাশ স্থান ; মুহিছিল সবাকে , সাৰি যোৱা নাছিল দেৱী পাৰ্বতীও। কোলে পুত্ৰক লৈ গোপনে মুগ্ধ নয়নে আপোনালৈকে আছিল চাই --

কৃষ্ণ ঃ পাছে আপোনাৰ দৃষ্টিৰপৰা জানো হাৰিল দেৱী ? ক্ৰোদ্ধ হৈ আপুনিয়েটো দেৱী পাৰ্বতীক দিছিল এক অনুচিত আদেশ ---

শিৱ ঃ অনুচিত নুবুলিব প্ৰভূ, আপোনাৰে আমাতে জানো আছে ভেদ -- সেহিবেলা দেৱী পাৰ্বতীয়ে আপোনাতে দেখা পাইছিল ক্ষণিকৰ বাবে আমাৰো ৰূপ । যি নহওক ক্ষণে ৰুষ্ট আমি ; সেয়ে উচিত অনুচিত নকৰি বিচাৰ দিছিলো আদেশ --- যোৱা ৰুদ্ৰাণী, নাৰায়ণক কৰা আলিঙ্গন ।

কৃষ্ণ ঃ এফালে সতী ধৰ্ম ৰক্ষা আনফালে পতিৰ আদেশ -- এনে সন্ধিক্ষণত দুই কুল ৰক্ষা কৰি দেৱী পাৰ্বতীয়ে কৰিছিল পণ দ্বাপৰ যুগত জাম্বৱন্তৰ জীয়ৰী হৈ আমাক তেওঁ স্বামীৰূপে কৰিব গ্ৰহণ

শিৱ ঃ আৰু আমাৰ আদেশ ৰক্ষা কৰি জাম্বৱতীৰূপে বৰ্তমান তেওঁ ৰাখিলে পণ । পাছে কি অভিলাষ আছে এতিয়াও জাম্বৱতীৰ মনত ?

কৃষ্ণ ঃ জাম্বৱতীৰ লগতে আমাৰো ইচ্ছা মহাদেৱ । তৱসদৃশ এক সংহাৰকাৰীৰ বীজ ৰোপন কৰাব লাগে জাম্বৱতীৰ উদৰে ---

শিৱ ঃ বুজিলো যদুপতি , বুজিলো । আপোনাৰ ইচ্ছা কৰিম পূৰণ । আপোনাৰ ৰূপ-গুণ আৰু আমাৰ সংহাৰকাৰী গুণেৰে সমৃদ্ধ হৈ অচিৰেই জাম্বৱতীৰ গৰ্ভে জন্ম হ'ব এক পুত্ৰ সন্তানৰ ; পাছে যদুপতি, শুভ ক্ষণ আহিব ধৰাত ; দেখো তৱ হাতে মোহন বংশী ; নুশুনাকৈ তৱ বংশীৰ সুৰ কিবাদৰে যাঁও আমি দ্বাৰকাৰ পৰা --

কৃষ্ণ ঃ নিশ্চয় তৱ ইচ্ছা আমি পূৰণ কৰিম ----

**সূত্ৰ ঃ কৃষ্ণই বংশী বজাই ; মহাদেৱ আত্মহাৰা হয় । হঠাৎ কৃষ্ণই বংশী সামৰে ---**

শিৱ ঃ কিয় ৰ'ল যদুপতি -- ? আপোনাৰ বংশীৰ সুৰত আমি হওঁ আত্মহাৰা --

কৃষ্ণ ঃ সেইহেতু ৰখালো আপোনাক ; আত্মহাৰা হৈ যদি নকৰে গমন আপুনি কৈলাশধামে ; ভাবি চাওক নহ'বনে ক্ৰোদ্ধ তেতিয়া দেৱী পাৰ্বতী -- ?

শিৱ ঃ হাঃ হাঃ আপোনাৰ চিন্তন নহয় অমূলক ; তেন্তে আমি মাগিলো বিদায় -- ( **প্ৰস্থান** )

কৃষ্ণ ঃ যাওক দেৱ ; অধৰ্মী হৈ আহিছে আমাৰেই বংশজ । সেইহেতু বিচাৰোঁ আমি মহাদেৱৰ দৰে এক সংহাৰকাৰী সৃষ্টি হওক যদুবংশতে যাৰ মাধ্যমেৰে আমাৰেই সৃষ্ট এই যদুবংশ সময়ত হ'ব নিপাত । যাঁও আমি এৱে নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনহাতে সভাত বলোভদ্ৰ -----**

গীত - (ৰাগ ঃ মাহুৰ , ধনশ্ৰী; তাল ঃ চুতকলা )

প্ৰৱেশয় সভাৰ মাজে ৰোহিনী নন্দন।
নীলাম্বৰ বেশে ইটো দেখিতে শোভন ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

বলো ঃ ৰোহিনীনন্দন আমি বলৰাম ; আজি আমি অতিকে সুখী । অ দ্বাৰকাবাসীৰ বাবে আজি অতিকে আনন্দৰ দিন । আগমণ ঘটিছে নতুন সদস্যৰ আজি আমাৰ বংশলৈ হাঃ হাঃ -----

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ -----**

কৃষ্ণ ঃ প্ৰণাম দাদা , দেখো আজি তোমাক অতিকে আনন্দিত ।

বলো ঃ কানাই ওলগ জনাইছো তোমাক ; অতি আনন্দিত মই , অতিকে আনন্দিত আজি দ্বাৰকাবাসী ।

কৃষ্ণ ঃ ধন্যবাদ দাদা ; পাছে দাদা , ইমান আনন্দ প্ৰকাশো নহয় উচিত ।

বলো ঃ কিয় কানাই , কিয় নকৰিম আনন্দ ? মোৰ ভতিজাৰ আগমণত কি মই নহ'ম হৰিষিত ? তাতে বধু জাম্বৱতীয়ে অত বছৰৰ অপেক্ষাৰ অন্তত লভিছে মাতৃত্বৰ গৌৰৱ । প্ৰদ্যুম্নয়ো লভিছে আজি এক কণিষ্ঠ ভাতৃ । আমাক বাধা নিদিবা কানাই । পালন কৰা হ'ব আজি আনন্দ উৎসৱৰ -

কৃষ্ণ ঃ নিশ্চয় দাদা, ব'লা তেন্তে শাম্বৰ জন্ম উপলক্ষে উৎসৱৰ কৰোঁ আয়োজন --( **যাব খোজে** )

বলো ঃ ৰ'বা কানাই , কি ক'লা -- ? তৰ পুত্ৰৰ নাম ৰাখিছা --- শাম্ব -- ?

কৃষ্ণ ঃ অ দাদা ; পাছে নাজানো তোমাৰ প্ৰিয় হয় বা নহয় ?

বলো ঃ শাম্ব --; উত্তম , অতি উত্তম নাম -- শাম্ব । বলোভদ্ৰৰ ভতিজা শাম্ব । কৃষ্ণ - জাম্বৱতীৰ তনয় শাম্ব -- হাঃ হাঃ কানাই , আছে বহু কাম ; ব'লা যাওঁ উৎসৱৰ কৰোঁগৈ আয়োজন ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত শকুনিৰ প্ৰৱেশ ----**

শকুনি ঃ অপমান, অপমান হাঃ হাঃ অপমানে আনিছে সুযোগ এই শকুনিৰ ভাগ্যত । যিমানেই দুৰ্যোধন হয় অপমানিত পাণ্ডৱৰ হাতে সিমানেই লক্ষ্য মোৰ দেখো সমীপত হাঃ হাঃ -- দুৰ্যোধন, তই হ অপমানিত, লাঞ্চিত বঞ্চিত হৈ পৰিণত হ তই অগ্নিপিণ্ডত । ঘৃতাহুতি ঢালি ঢালি তোৰ ক্ৰোধাগ্নিত এদিন এই মাতুলে ছাৰখাৰ কৰি দিব সমগ্ৰ কুৰু বংশক হাঃ হাঃ --

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান । আনফালে দুৰ্যোধন , দুঃশাসন আৰু কৰ্ণৰ প্ৰৱেশ ---**

গীত- ( ৰাগ ঃ কানাড়া, তাল ঃ একতাল )

প্ৰৱেশিলা সভাৰ মাজে বীৰ দুৰ্যোধন ।
সঙ্গে আহে অঙ্গৰাজ আৰু দুশাসন ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

দুৰ্যো ঃ দুৰ্যোধন মই কুৰুপতি দুৰ্যোধন ; আছে স্বাভিমান, আঃ নোৱাৰোঁ পাহৰিব মই ইমান অপমান -

**সূত্ৰ ঃ এনেতে শকুনি ---------**

শকুনি ঃ কিয় পাহৰিবা ভাগিন ? নোৱাৰা পাহৰিব ; তুমি কুৰুপতি ; আছে তোমাৰ স্বাভিমান ; কোনো বীৰেই নোৱাৰে পাহৰিব ইমান অপমান । অ, নিদিবা তুমিও সিহঁতক ক্ষমা দান ---

কৰ্ণ ঃ কি তিৰস্কাৰ, কি অপমান ? একো বুজা নাই মই। সখা, কি হৈছে কোৱা মোক প্ৰকৃত ঘটনা।

দুঃশাস ঃ অঙ্গৰাজ , পাণ্ডৱৰ ৰাজসূয় যজ্ঞলৈ আমি গৈছিলো সকলো । গৈছিল আপুনিও -----

কৰ্ণ ঃ হয় দুশাসন, নিমন্ত্ৰণ ৰক্ষাৰ হেতু তোমালোকৰ লগত ময়ো গৈছিলো আৰু পাণ্ডৱেও আমাক যথা যোগ্য সন্মানেৰে সন্মানিত কৰি তোমালোকক যজ্ঞ পৰিচালনাৰ দায়িত্ব কৰিছিলে অৰ্পণ।

শকুনি ঃ সত্য কথা অঙ্গৰাজ, সেই খিনিলৈকে ঠিকেই আছিল। যজ্ঞ হ’ল সমাপন, তোমালোক আহিলা নিজ ৰাজ্যলৈ ঘুৰি । জ্যেষ্ঠ কৌৰৱ , দুঃশাসন আৰু এই নিঃকিনক যুধিষ্ঠিৰে দুদিনমান থাকি ইন্দ্ৰপ্ৰস্থৰ শোভা চাবলৈ কৰিলে অনুৰোধ। হাঁয় হাঁয় আমি তিনি মন্দমতিয়েটো নাজানো পাণ্ডৱৰ উদ্দেশ্য ? ইন্দ্ৰপ্ৰস্থৰ শোভা দেখুওৱাৰ চলেৰে আমাক যে সিহঁতে কৰিব অপমান সেইটো আমাৰ মনলৈ এবাৰো অহা নাছিল --। নহয়নে ভাগিন , তোমাৰ মনলৈ জানো আহিছিল --

দুৰ্যো ঃ মামা , কিয় ঘৃত ঢালিছে মোৰ জ্বলন্ত অগ্নিত ?

শকুনি ঃ সত্যটোহে কৈছো ভাগিন ; অঙ্গৰাজ, ময়দানৰে সৃষ্টি কৰা ইন্দ্ৰপ্ৰস্থ সঁচাই অতুলনীয়, হস্তিনাপুৰতকৈও বিতোপন। প্ৰাসাদৰ মজিয়া নে জলভৰ্তি সৰোবৰ একো বুজিবই নোৱাৰি। জল বুলি কোনো ঠাইত ভৰিৰ বস্ত্ৰ দাঙি আমি দিওঁ খোজ ; কিন্তু , কিন্তু অঙ্গৰাজ , নহয় জল , মাথো মৰিচীকা । তেনে মৰিচীকাত নাযাওঁ বুলি ভুল হঠাত এবাৰ পৰিলো আমি --- জলভৰ্তি পুখুৰীত ----

দুৰ্যো ঃ মামা , বন্ধ কৰক , বন্ধ কৰক । ধৈৰ্যৰ পৰীক্ষা মোৰ আৰু নল’ব আপুনি ।

শকুনি ঃ নহয় ভাগিন ; অঙ্গৰাজে সকলো কথা জনা উচিত । কিঞ্চিতো মিথ্যা মতা নাই মই অঙ্গৰাজৰ আগত । বুজিছা অঙ্গৰাজ, যেতিয়াই পৰিলো আমি তিনিও জলাশয়ত, বুজাৰ পূৰ্বেই উঠাৰ পূৰ্বেই হঠাতে শুনিলো আমি আকাশ কঁপোৱা , গৰ্জন মৰা তিৰ্যক হাঁহি ৰমণীৰ ------

দুৰ্যো ঃ আঃ মামা বন্ধ কৰক, বন্ধ কৰক । সন্মানিত অতিথি হৈ সিহঁতৰ শুভ কাৰ্যত মন - প্ৰাণ দি কৰিলো সহায় । অথচ প্ৰতিদান দিলে মোক অপমানেৰে । নিৰ্মম বাণী শুনিলো মই পাঞ্চালীৰ পৰা -- আঃ অন্ধৰ পুত্ৰ অন্ধই বুলি মোক কৰে অপমান । আঃ এতিয়াও মোৰ দুই কৰ্ণত ভাঁহি আছে সেই বিদ্ৰুপৰ হাঁহি । সখা, অপমানিত জীৱনতকৈ মৃত্যুকেই মই কৰোঁ আলিঙ্গন ----

কৰ্ণ ঃ সখা , কিয় লোৱা তুমি মৃত্যুৰ নাম ? দুৰ্বলজনেহে কয় এনে কাপুৰুষালিৰ বচন । তুমি দুৰ্বল নোহোৱা সখা , তুমি অজেয় , তুমি জ্যেষ্ঠ কৌৰৱ , তুমি সখা এই অঙ্গৰাজৰ ।

দুৰ্যো ঃ সেইবাবেই পৰা নাই মই সহিব পাণ্ডৱৰ অপমান। দুৰ্যোধন মই, আছে মোৰ স্বাভিমান, অথচ এজনী সামান্য নাৰীয়ে মোক কৰে অপমান । পাণ্ডৱৰ ঐশ্বৰ্য্য দেখি মই জ্বলি - পুৰি মৰা নাই মামা । কিন্তু শয়নে, সপোনে, দিঠকে মোৰ কৰ্ণত ভাঁহি আছে সেই অসতীৰ তাচ্ছিল্য ---

দুঃশাস ঃ আঃ দাদা , সেই তাচ্ছিল্য , সেই অপমান আমাৰ শৌৰ্যৰ ওপৰত , হস্তিনাৰ ওপৰত । ক্ষান্ত নহয় এই দুঃশাসন নিদিয়ে মানে তাৰ যোগ্য প্ৰতিদান ।

শকুনি ঃ পাঞ্চালীৰ অপমান জানো তোমাতেই সীমিত ভাগিন ? মনত পেলোৱা পাঞ্চালৰ সয়ম্বৰত কৰা নাছিল জানো অপমান অঙ্গৰাজক সুতপুত্ৰ বুলি ?

দু+ক ঃ ( খঙেৰে ) মামা ---

শকুনি ঃ ভুল নুবুজিবা ; কি কৰোঁ , ভাগিনৰ অৱস্থা দেখি মাতুলৰ শৰীৰতো উঠলি উঠিছে প্ৰতিশোধৰ দাবানল । এতিয়া বেজাৰৰ সময় নহয় ভাগিন, এতিয়া সময় প্ৰতিশোধৰ । অ ভাগিন, প্ৰতিশোধ ল’ব লাগিব পাণ্ডৱৰ ওপৰত , প্ৰতিশোধ ল’ব লাগিব সেই পাঞ্চালীৰ ওপৰত ---

দুৰ্যো ঃ উত্তম, অতি উত্তম ; নকৰোঁ আৰু মই সন্তাপ। সমস্ত বেদনাক, লঘু লাঞ্চনাক পৰিণত কৰিছো

মই প্ৰতিশোধৰ দাবানললৈ । পাঞ্চালীসহ পঞ্চ পাণ্ডৱক ছাৰখাৰ নকৰা পৰ্য্যন্ত জ্বলাই ৰাখিম হৃদয়ত এই প্ৰচণ্ড অগনি । মামা , কেনেদৰে লওঁ প্ৰতিশোধ তাৰ দিয়ক উপায় ---

শকুনি ঃ চিন্তা নকৰিবা দুৰ্যোধন । সমগ্ৰ ঐশ্বৰ্য যাক লৈ পাণ্ডৱে কৰিছে গৌৰৱ , সকলো কাঢ়ি আনি মই তোমাৰ চৰণত কৰিম অৰ্পণ । ভাগিন, তুমি মাথো সৈমান কৰাব লাগিব পিতা ধৃতৰাষ্ট্ৰক । নিমন্ত্ৰণ দিয়াব লাগিব যুধিষ্ঠিৰক পাশা খেললৈ ---

দুৰ্যো ঃ পাশাখেল -- ? তাকো যুধিষ্ঠিৰৰ লগত ? আঃ মাতলামি নকৰিব মামা, দহিছো মই প্ৰতিশোধৰ অগনিত , অথচ আপুনি আনন্দ লভিব বিচাৰে পাশাখেলত ।

শকুনি ঃ মাতুলৰ অনুৰোধ নাৰাখা তুমি ; অথচ যুধিষ্ঠিৰৰ অনুৰোধ ৰক্ষা কৰি তুমি পালা কি ? হাঃ হাঃ ভাগিন, মোৰ ওপৰত ৰাখা ভৰষা । যেনেতেনে বিদুৰৰ হতুৱাই দ্যুতক্ৰীড়াৰ উদ্দেশ্যে লৈ আঁহা পাণ্ডৱক হস্তিনাপুৰে। দেখিবা ভাগিন , বিনাযুদ্ধে , বিনা ৰক্তপাতে পঞ্চ পাণ্ডৱ আৰু সেই পাঞ্চালী হৈছে তোমাৰ হাতৰ পুতলী হাঃ হাঃ ------

দুৰ্যো ঃ চিন্তা নকৰিব মামা, পিতাক সহজেই মই কৰাম সৈমান । পিতাৰ আদেশত বিদুৰৰদ্বাৰা পাণ্ডৱক দিয়াম নিমন্ত্ৰণ পাশাখেললৈ হাঃ হাঃ । তেন্তে আজিলৈ মন্ত্ৰণা ইমানতে সামৰা হওঁক ----

**<u>সূত্ৰ ঃ</u>** **<u>শকুনিৰ বাদে সকলোৰে প্ৰস্থান---------</u>**

শকুনি ঃ দুৰ্যোধন, পাশাখেলি ময়ো নলওঁ আনন্দ । আহিছো হস্তিনালৈ প্ৰতিশোধৰ অগনি বুকুত লৈ । চকুৰ আগতে পিতাসহ নিৰান্নবৈটা জ্যেষ্ঠ ভাতৃৰ কৰুণ মৃত্যুত অশ্ৰুৰ ঢল বোৱাই কান্দিছিলো মই । কৌৰৱৰ পতনেই মোৰ জীৱনৰ পণ । পিতৃৰ হাতৰ আঙুলিৰে নিৰ্মিত এই পাশতি চলে মোৰ নিৰ্দেশত। সাজু হ ভাগিন, এই পাশাই নহয় পাণ্ডৱ, আনিব তহঁতলৈ কাল অমানিশা হাঃ

**<u>সূত্ৰ ঃ</u>** **<u>শকুনিৰ প্ৰস্থান । আনহাতে সভাত শাম্বৰ প্ৰৱেশ ---------</u>**

<u>গীত- ( ৰাগ ঃ গৌৰী , তাল ঃ ৰচক )</u>

**প্ৰৱেশয় সভাৰ মাজে কৃষ্ণৰ নন্দন ।**
**শাম্ব নামে ইটো খ্যাত দেখিতে শোভন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

শাম্ব ঃ শাম্ব মই ; যাৰ পিতা যদুপতি, যাৰ জ্যেষ্ঠ পিতা বীৰ হলধৰ সেই শাম্বই দ্বাৰকাৰ কালৈ কৰিব সমীহ -- হাঃহাঃ কোনে দিব মোক বাধা ? নিজ ইচ্ছাৰে মই দ্বাৰকাত কৰোঁ ভ্ৰমণ ; চলেৰে , বলেৰে মনোমুগ্ধ দ্ৰব্য মই কৰোঁ গ্ৰহণ -- অ কোনে দিব মোক বাধা ? শাম্ব মই কৃষ্ণৰ নন্দন হাঃ হাঃ

**<u>সূত্ৰ ঃ</u>** **<u>এনেতে শ্ৰীকৃষ্ণ আহে ----</u>**

শাম্ব ঃ ই কি পিতা ? -- প্ৰণাম পিতা ---( কৃষ্ণক মৌন হৈ থকা দেখি )--পিতা, নিদিলা পুত্ৰক আশীৰ্বাদ ; কিয় পিতা ? কিবা অপৰাধ কৰিলো নেকি মই ?

কৃষ্ণ ঃ শাম্ব , জানানে কোন তুমি ?

শাম্ব ঃ জানে জগতে, মই তোমাৰ আৰু মাতা জাম্বৱতীৰ আদৰৰ সন্তান ।

কৃষ্ণ ঃ আদৰৰ সন্তান -- ? পাছে ৰাখিছা জানো তুমি আদৰৰ মান ?

শাম্ব ঃ পিতা , কিয় আজি তুমি মোৰ প্ৰতি হৈছা ইমান কঠোৰ ?

কৃষ্ণ ঃ তুমি বংশজ যাদৱ কুলৰ ; তুমি ভতিজা বীৰশ্ৰেষ্ঠ বলৰামৰ ; কণিষ্ঠ ভাতা তুমি বীৰ প্ৰদ্যুম্নৰ । প্ৰলম্বাসুৰক বধি তোমাৰ জ্যেষ্ঠ পিতাই গোপগণক কৰিছিল ৰক্ষা ; নিধন কৰি সম্বৰাসুৰক প্ৰদ্যুম্নই জগতত কৰিছিল শান্তি প্ৰতিষ্ঠা । কিন্তু তুমি কৰিছা কি --- ?

শাম্ব ঃ ক্ৰোধ নকৰিবা পিতা , তোমাৰ ক্ৰোধলৈ মোৰ লাগে সমীহ ।

কৃষ্ণ ঃ আমাৰ ক্ৰোধলৈ কৰা সমীহ ; তেন্তে নকৰা কিয় তুমি তোমাৰ কৰ্তব্য পালন ? নহয় এতিয়া শিশু তুমি । অবাবত ক্ৰীড়া কৰি কিয় ব্যয় কৰিছা জীৱনৰ অমূল্য সময় ?

**সূত্ৰ ঃ এনেতে বলোভদ্ৰ আহে -----**

বলো ঃ কৃষ্ণ, কৃষ্ণ, কিয় কৰিছা ক্ৰোধ মোৰ মৰমৰ ভতিজা শাম্বৰ ওপৰত ?

কৃষ্ণ ঃ সঁচাই আজি মই ক্ৰোধিত, আজি মই দুখিত । কি কৰিম দাদা , আমাৰেই অবুজ সন্তানৰ কাৰ্যত আজি লজ্জিত মই দ্বাৰকাবাসীৰ ওচৰত । আমাৰ কথা বাৰু এৰিছো ; তুমি জানো সুখী দাদা তোমাৰ মৰমৰ ভতিজাৰ কাৰ্যত ?

শাম্ব ঃ পিতা, আৰু নকৰিবা লজ্জিত ; অধম পুত্ৰ মই তোমাৰ কুলৰ কুলাঙ্গাৰ ; ক্ষমা কৰা মোক --

বলো ঃ কানাই, শাম্বই মাগিছে ক্ষমা ; নকৰিবা আৰু ক্ৰোধ ; ক্ষমা কৰা পুত্ৰৰ দোষ ---

কৃষ্ণ ঃ উঠা বাচা ; অনুতপ্তই হৈছে প্ৰকৃত শিক্ষণ । শীঘ্ৰেই আমাৰদ্বাৰা তোমাৰ শিক্ষা হ’ব আৰম্ভণ ।

বলো ঃ কানাই , গদা যুদ্ধৰ কৌশল ময়ে শিকাম । বীৰ গদাধৰৰূপে পৰিচিত কৰাম শাম্ব কুমাৰক ।

শাম্ব ঃ ধন্য হ’ব মোৰ জীৱন , গুৰুৰূপে পাই পিতা আৰু জ্যেষ্ঠ পিতাক ।

বলো ঃ শাম্ব , শুভ কাৰ্যত নহয় বিলম্ব ; কানাই, আজিৰ পৰাই আৰম্ভ কৰিম মই শাম্বৰ শিক্ষণ --

কৃষ্ণ ঃ নিশ্চয় দাদা, আপোনাৰ ইচ্ছাক নিদিওঁ বাধা ; পৈণত যোদ্ধা হ’ব লাগিব আমাৰ বংশজ --

বলো ঃ তেন্তে ওলোৱা শাম্ব তুমি শিক্ষণৰ বাবে ; কানাই, আমি আহিলো --- **( শাম্বক লৈ প্ৰস্থান )**

কৃষ্ণ ঃ আমাৰ ইচ্ছাতে সকলো ঘটিছে ; কোনেও কাৰো ভাগ্য নোৱাৰে সলাব ; নুবুজি ইয়াক কৌৰৱগণেও আজি কৰিছে আনন্দ । পাশাখেল পাতি পাঞ্চালীৰ অপমান, বৃকোদৰৰ পণ আৰু পাণ্ডৱৰ বন গমন সকলো আমাৰ ইচ্ছাতে ঘটিছে। গান্ধাৰনন্দন শকুনিৰ হতুৱাই পাশাৰ জৰিয়তে আমিয়ে কৰালো বীজ ৰোপন কুৰুক্ষেত্ৰ ৰণৰ । যত পাপী আছে ধৰাৰ বক্ষত, সকলোকে সমবেত কৰাই দমন কৰাম আমি কুৰুক্ষেত্ৰে । যাঁও এৰে আমি নিজ কৰ্তব্যত -----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে হাতে গদা লৈ বলোভদ্ৰ আৰু শাম্ব ----**

বলো ঃ শাম্ব , আজিৰ পৰা তোমাৰ গদা যুদ্ধৰ শিক্ষণ হ’ব আৰম্ভ ---

শাম্ব ঃ গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰুদেৱ মহেশ্বৰা । গুৰুৰ সাক্ষাৎ পৰম ব্ৰহ্ম তস্ময়ে শ্ৰী গুৰুৱে নমঃ ।। এনেহেন গুৰু ৰূপত মই আজি পিতাৰ পাছত পাইছো জ্যেষ্ঠ পিতাক । গুৰুদেৱ, শিষ্য ৰূপে মই তযু চৰণত কৰিছো প্ৰণাম ।

বলো ঃ উঠা শাম্ব , হাতে তুলি লোৱা তোমাৰ গদা আৰু কৰা আমাক প্ৰহাৰ ---

**সূত্ৰ ঃ শাম্বই প্ৰহাৰ কৰে। বলোভদ্ৰৰ প্ৰহাৰত শাম্বৰ হাতৰ পৰা গদা পৰি যায় -**

বলো ঃ শাম্ব, গদা যুদ্ধ নহয় সহজ । সন্মূখৰ শত্ৰুক কদাপি নকৰিবা দুৰ্বল জ্ঞান । দুই হাতে বজ্ৰ মুষ্টিৰে গদা ধৰি সৰ্ব শক্তিৰে কৰিবা প্ৰহাৰ । লোৱা শাম্ব , পুনৰ ৰণ কৰা আৰম্ভ ---

**সূত্ৰ ঃ পুনৰ ৰণ আৰম্ভ হয় - ( বাজনা - ভঙ্গী ) ; শাম্বৰ প্ৰহাৰত বলোভদ্ৰৰ হাতৰ পৰা গদা ভূমিত পৰে ----**

বলো ঃ বাঃ শাম্ব বাঃ ---

**সূত্র ঃ এনেতে কৃষ্ণ ------**

কৃষ্ণ ঃ শাম্বৰ ৰণকৌশলত আমিও সন্তুষ্ট হলো দাদা --

শাম্ব ঃ আশীর্বাদ কৰিবা পিতা যদুকুলৰ কীৰিতি যেন মই পাৰোঁ বঢ়াব --

কৃষ্ণ ঃ তোমাৰ পৰা আমি তাকেই বিচাৰোঁ ; কীৰ্তিমান হোৱা --

শাম্ব ঃ পিতা , বহুদিন শিক্ষা কৰিলো গ্ৰহণ ; জাগিছে মনত ভ্ৰমণৰ হেঁপাহ । যদি দিয়ে অনুমতি ভ্ৰমণ কৰি আঁহো এবাৰ সমস্ত বসুন্ধৰা ---

কৃষ্ণ ঃ যোৱা বাচা দিলো অনুমতি ---

শাম্ব ঃ তেন্তে হে পিতৃদ্বয় , ভ্ৰমণৰ বাবে ওলালো মই ---- ( **প্ৰস্থান** )

কৃষ্ণ ঃ দাদা , কি চিন্তা কৰিলা ----

বলো ঃ তোমাৰ পৰা ময়ো লব লাগিছিল এক অনুমতি --- ইচ্ছা জাগিছে মোৰো নন্দ পিতা আৰু মাতা যশোদাৰ সান্নিধ্য লভাৰ । সেই হেতু যাব বিচাৰোঁ মই কিছুদিনৰ বাবে গোকুল ধামলৈ --

কৃষ্ণ ঃ দাদা, গোকুললৈ যাবলৈ তোমাক আমাৰ অনুমতিৰ কিয় প্ৰয়োজন ? বহুদিন হল আমিও সান্নিধ্য লভা নাই গোকুলবাসীৰ। ইচ্ছা জাগে আমাৰো গোকুল গমনৰ । কিন্তু কৰ্তব্যৰ বান্ধোনত বন্দী আমি । দাদা, তুমিয়ে যোৱা , নন্দ পিতা আৰু আই যশোদাক আমাৰ সেৱা যাঁচিবা ।

বলো ঃ তেন্তে কালিলৈ প্ৰভাততে মই গোকুললৈ কৰিম যাত্ৰা । এতিয়া ব'লা কৰোঁগে বিশ্ৰাম ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে বিৰাট ৰাজৰ সেনাপতি কীচকৰ প্ৰৱেশ ---**

**গীত ঃ ( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )**

**চলি আহে সভাৰ মাজে কীচক দুৰ্জন ।**
**অহৰ্নিশে ভৰি থাকে কলুষিত মন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন ।।**

কীচক ঃ হাঃ হাঃ কীচক মই মহাবলী কীচক ; মৎস্য দেশৰ সেনাপতি মই মল্লবীৰ কীচক । পৰা নাই কোনেও নোৱাৰে মোক কৰিব পৰাস্ত । আহিছিল সুশৰ্মা বীৰদৰ্পে, পৰাস্ত হৈ সৌৱা পলাইছে সি শৃগালৰ দৰে হাঃ হাঃ --যা যা সুশৰ্মা , শৃগালৰ পাছ নলয় সিংহই । কীচক , মই মহাবলী কীচক । যাঁও এৰে মই ৰাজনক দিওঁগৈ বিজয়ৰ সংবাদ ---

**সূত্ৰ ঃ কীচকৰ প্ৰস্থান। সভাত বিৰাটৰাজ, পুত্ৰ উত্তৰ আৰু কঙ্কৰূপী যুধিষ্ঠিৰৰ প্ৰৱেশ ---**

**গীত -(ৰাগ ঃ আশোৱাৰী ; তাল ঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে বিৰাট ৰাজন।**
**সঙ্গে আহে সভাসদ দেখিতে শোভন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

বিৰাট ঃ কঙ্ক, তোমাৰ সান্নিধ্যই মোক কৰিছে মোহিত । তোমাৰ পাণ্ডিত্যই , পাশাখেলত থকা তোমাৰ দক্ষতাই মোক কৰিছে প্ৰভাৱিত । আজিৰ পৰা মই তোমাক সখা বুলিহে কৰিম সম্বোধন।

যুধি ঃ এইয়া আপোনাৰ উদাৰতা মহাৰাজ , ধন্য মনিলো মই নিজকে আজি --

বিৰাট ঃ আৰু সখা, তোমাৰ লগত অহা কেওজন ব্যক্তিৰে কামত হৈছো মই অতিকে সন্তুষ্ট। বিশেষকৈ বৃহন্নলাৰ দৰে নৃত্যত পাৰ্গত এগৰাকী গুৰুক পাই মোৰ কন্যা উত্তৰাও হৈছে অতিকৈ সুখী।

যুধি ঃ ধন্যবাদ ৰাজন , আমাৰ সেৱাত আপুনি সন্তুষ্ট হোৱা বুলি জানি ময়ো পৰম আনন্দিত হ'লো ।

**<u>সূত্ৰ ঃ এনেতে বীৰদৰ্পে কীচক ৰাজসভালৈ সোমাই আহে। দেখি উত্তৰে যি কয়---</u>**

উত্তৰ ঃ প্ৰণাম মামা , আপুনি পালেহি , নিশ্চয় ত্ৰিগৰ্ত্তৰাজক দিলে আপুনি উচিত দণ্ড ।

কীচক ঃ হাঃহাঃ ভাগিন, উচিত কথাই কৈছা তুমি। মাত্ৰ প্ৰাণে নামাৰিলো সুশৰ্মাক । এনে শাস্তি কৰিছো প্ৰদান, নাপাহৰিব সি জীৱন কালত -- হাঃ হাঃ কীচক, মহাবলী মই কীচক ; সহস্ৰ হস্তীসম বলশালী মই কীচক । মহাৰাজ, ৰণত জয়ী হৈ আহিছো মই , নজনাব নেকি মোক সম্ভাষণ ? নকৰাব নেকি মোক মদিৰাৰে আপ্যায়ন ?

বিৰাট ঃ কিয় নজনাম ? সেনাপতিদেৱ, বিজয়ৰ বাবে জনাইছো আপোনাক উষ্ম সম্ভাষণ। যোগাৰ কৰি ৰাখিছো সুমিষ্ট আহাৰ কেৱল আপোনাৰ বাবে ।

কীচক ঃ তেন্তে পলম কিয় ? অপেক্ষা কীচকৰ বাবে নহয় সম্ভৱ । এই কথা আপুনি জানে নিশ্চয়।

বিৰাট ঃ আপুনি যাওঁক অন্তেষপুৰে, সকলো যোগাৰ কৰি ৰাখিছে আমাৰ দাসগণে।

কীচক ঃ হাঃহাঃ উত্তম অতি উত্তম - (যুধিষ্ঠিৰক দেখি ) এওঁ কোন ? পূৰ্বে আমাৰ হোৱা নাই সাক্ষাত।

যুধি ঃ মই , মই মানে ----

বিৰাট ঃ এওঁৰ নাম কঙ্ক। মইয়ে ৰাজসভাত এওঁক পাৰিষদ ৰূপে দিছো নিযুক্তি । মহান পণ্ডিত এওঁ।

কীচক ঃ পণ্ডিত ? হাঃ হাঃ পণ্ডিতৰ মোৰ নাই প্ৰয়োজন ; লাগে মাথো সমকক্ষ বীৰ হাঃহাঃ-- **(প্ৰস্থান)**

বিৰাট ঃ সভাসদগণ, আজিলৈ সভা ভঙ্গ কৰা যাওক --

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত অশ্বসহ ছদ্মবেশে নকুলৰ প্ৰৱেশ ---( বাজনা - ভঙ্গী )</u>**

নকুল ঃ ৰূপবান নকুল বুলি কৰিছিলো গৌৰৱ ; কিন্তু হে প্ৰভু , কি যে লীলা তোমাৰ আছোহি আজি আমি মৎস্য দেশত আৰু মই ধৰ্মগ্ৰন্থি নামে অশ্বপালক হৈ । যি নহওক এবছৰৰ অজ্ঞাতবাস এই ৰূপতেই কটাম মই ; যাঁও এতিয়া নিজ কৰ্তব্য কৰোঁগৈ পালন । ব'ল অশ্ব ব'ল --

**<u>সূত্ৰ ঃঅশ্ব লৈ নকুলৰ প্ৰস্থান। সভাত ধেনু সমে সহদেৱৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )</u>**

সহদেৱ ঃ কণিষ্ঠ পাণ্ডৱ সহদেৱ আছোহি আজি মই মৎস্যদেশত তন্ত্ৰীপাল নামে ছদ্মবেশে । কি কৰিম আৰু যে_ নাই উপায় ; অহংকাৰী কৌৰৱৰ চকুত ধূলি মাৰিবলৈ এই গৰখীয়া বেশেই মোৰ বাবে হৈছে উত্তম । ব'ল ধেনু ব'ল তোৰ লওঁগৈ যতন ----

**<u>সূত্ৰ ঃ ধেনু লৈ সহদেৱৰ প্ৰস্থান। সভাত ৰান্ধনীৰ বেশত ভীমসেনৰ প্ৰৱেশ --</u>**

**<u>গীত - ( ৰাগ ঃ সিন্ধুৰা ; তাল ঃ একতাল )</u>**

**চলি আহে সভাৰ মাজে বীৰ বৃকোদৰ ।**
**ছদ্মবেশে আহে ইটো কিনো অথন্তৰ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বজন ।।**

**<u>সূত্ৰ ঃ ভীমসেনৰ প্ৰস্থান । সভাত বৃহন্নলা ৰূপত পাৰ্থ আৰু দ্ৰৌপদীৰ প্ৰৱেশ ---</u>**

গীত ঃ (ৰাগ - শ্ৰীগান্ধাৰ , তাল - ধৰমজ্যোতি )
প্ৰৱেশিলা পাৰ্থ বীৰ বৃহন্নলা ৰূপত ।
সঙ্গে আছে যাজ্ঞসেনী দাসীৰ বেশত ।।
মৎস্য দেশে আছে দুয়ো ছদ্মবেশ ধৰি ।
সভাসদ নৰে ডাকি বোলা ৰাম হৰি ।।

**সূত্ৰ ঃ দুয়ো সভাৰ মাজ পাই । এনেতে কঙ্কৰূপী যুধিষ্ঠিৰ আহে ---**

যুধি ঃ পাঞ্চালী ----

দ্ৰৌপদী ঃ স্বামী , কিয় আহিল আপুনি এই স্থানে ? মৎস্যৰাজে যদি পাই ইয়াৰ সম্ভেদ ---

যুধি ঃ মনে মোৰ পৰা নাই সহিব । প্ৰাণৰ পাঞ্চালী আজি সৈৰিন্ধ্ৰী নামে মৎস্যদেশৰ ৰাণীৰ দাসী ; উসঃ মোৰ বাবেই তোমাৰ হৈছে এনে দশা । হে প্ৰভু, এয়া কি দিন দেখুৱাইছা মোক --

দ্ৰৌপদী ঃ বেজাৰ নকৰিব নাথ, দাসী ৰূপে থাকিলেও নহয় মই দুখী । আছো আপোনাসৱৰ সঙ্গতে , তাতকৈ আৰু নালাগে একো মোক । তদুপৰি কোনেও এই ৰূপত মোক কোনেও কৰা নাই সন্দেহ।

বৃহ ঃ পাঞ্চালীৰ বচন সত্য । দুৰ্যোধনেটো কল্পনাই নকৰিব পাঞ্চালী কাৰোবাৰ দাসী হ'ব পাৰে বুলি।

যুধি ঃ ভাতৃ , মোক ক্ষমা কৰা ; মোৰ ভুলৰ বাবেই আজি মহাৰথী ধনুৰ্দ্ধৰ পাৰ্থই বেশ লব লগা হৈছে এগৰাকী নাৰীৰ । মোক ক্ষমা কৰা পাৰ্থ , ক্ষমা কৰা ---

বৃহ ঃ দাদা, উৰ্বশীৰ অভিশাপক মই আশীৰ্বাদ বুলি কৰিছো গ্ৰহণ । অ দাদা, স্বৰ্গপুৰীত যেতিয়া উৰ্বশীয়ে মোক বিবাহৰ বাবে দিছিল প্ৰস্তাৱ, সেই প্ৰস্তাৱ মই কৰিছিলো অৱজ্ঞা। ক্ৰোধান্বিত হৈ উৰ্বশীয়ে মোক নপুংসক হ'বলৈ দিছিল অভিশাপ। কৰিছিলো মই কাতৰ অনুৰোধ, দয়া উপজি উৰ্বশীয়ে অভিশাপৰ ম্যাদ কৰিলে হ্ৰাস এবছৰৰ বাবে । দাদা, অজ্ঞাতবাসৰ কালছোৱাতেই মই উৰ্বশীৰ অভিশাপক লৈছো আদৰি । বৃহন্নলা নামে বিৰাটনন্দিনীক দিছো মই নৃত্যৰ প্ৰশিক্ষণ -

যুধি ঃ পাৰ্থ, দৈৱৰ অভিশাপৰ দোহাই দি ভাতৃস্নেহত আৱদ্ধ হৈ তুমি মোক কৰিছা ক্ষমা --

**সূত্ৰ ঃ এনেতে নকুল আৰু সহদেৱ আহে ----------**

ন+স ঃ প্ৰণাম দাদা ----

যুধি ঃ হায় হায় চেনেহৰ নকুল আজি ঘোঁৰাৰক্ষক আৰু আলাসৰ সহদেৱ আছাহি তুমি গৰখীয়া হৈ । হে আই মাদৃ, মোক কৰিব ক্ষমা ; কণিষ্ঠৰ মই ল'ব নোৱাৰিলো যতন -- ( কান্দে )

সহ ঃ দাদা, কিয় কৈছে এনে কথা ? আপুনিয়ে আমিয়ে নহওঁ ভিন্ন । সকলোৱে লৈছো আমাৰ অজ্ঞাতবাসক প্ৰত্যাহ্বান ৰূপে । আৰু মাথো এবছৰ দাদা ; সকলোৱে একগোট হৈ কটাম এই সময়

**সূত্ৰ ঃ এনেতে ক্ৰোধান্বিত হৈ ভীমসেন ----**

ভীম ঃ আঃ বহুত সহিলো আৰু নসহো মই । বিৰাটৰাজৰ বন্ধনশালত আৰু বন্ধন নকৰোঁ মই । কিয় আছো আমি ইয়াত ছদ্ম বেশে ? নহয় আমি ভীৰু, নহয় কাপুৰুষ ; আছে দুবাহুত মোৰ সহস্ৰ হস্তীৰ বল । নকৰোঁ সমীহ মই দুৰ্যোধনলৈ, নকৰোঁ সমীহ মই সুত পুত্ৰলৈ । ওলোৱা সৱে জিনি লওঁ আমাৰ ৰাজ্য নিজ বাহু বলে ।

যুধি ঃ ভাই বৃকোদৰ , বুজিছো মই তোমাৰ মনোদশা । মোৰ বাবেই , কেৱল মোৰ বাবেই আজি তোমাৰো হৈছে এনে দশা । আঃ কিয় মই খেলিছিলো পাশা ; কিয় নোৱাৰিলো মই নিজকে কৰিব

নিয়ন্ত্ৰণ ? ভাই বৃকোদৰ, অপৰাধী মই ; মোৰ ভুলৰ বাবে মোক ক্ষমা কৰা -----

ভীম ঃ দাদা, এয়া কি কৰে আপুনি ? পিতৃতুল্য আপুনি মোৰ চিৰ আৰাধ্য । কৰা নাই মই আপোনাক দোষাৰূপ। উত্তেজিত হৈ যদি কটুবাক্য মই কৰিলো প্ৰয়োগ তেন্তে ক্ষমা কৰিব দাদা --

যুধি ঃ উঠা ভীম, তোমালোকেই মোৰ সাহস , বিপদৰ সম্বল --

দ্ৰৌপদী ঃ স্বামীগণ, আমি এনেদৰে একেলগে দেখিলে বিৰাটৰাজৰ অনুচৰে কৰিব সন্দেহ ---

যুধি ঃ সত্য কথা কৈছা পাঞ্চালী ; ব'লা ভাতৃগণ সবে পুনৰ নিজ নিজ কাৰ্য কৰোঁগৈ সমাপন ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত দুৰ্যোধন, দুঃশাসন, কৰ্ণ আৰু শকুনি-------**

দুৰ্যো ঃ আঃ মামা, দিন যায়, পল যায় আজি তড়িৎ বেগে । ৰিক্ত আজি দুহাত দুৰ্যোধনৰ ; কোৱা মামা কিমান দিন হৈছে পাৰ পাণ্ডৱৰ অজ্ঞাতবাসৰ ?

শকুনি ঃ ভাগিন, পল - অনুপল - দিন যদি কৰোঁ গণনা তেন্তে দুমাহ পাৰ হল পাণ্ডৱৰ অজ্ঞাতবাসৰ।

দুৰ্যো ঃ শুনিলা, শুনিলা ভাতৃ, দুমাহ পাৰ হল পাণ্ডৱৰ অজ্ঞাতবাসৰ । কোৱা ভাতৃ, পাইছা নেকি কিবা শুভ সম্বাদ ? আনিছে নেকি আমাৰ গুপ্তচৰে পাণ্ডৱৰ কিবা অনুসন্ধান ?

দুঃশাস ঃ দাদা, চাৰিওদিশে আমাৰ গুপ্তচৰে পাণ্ডৱক বিচাৰি কৰিছে চলাথ ; পাঞ্চাল আৰু দ্বাৰকাৰ চুকে কোণে তীক্ষ্ণ দৃষ্টি ৰাখিছে আমাৰ গুপ্তচৰে, কিন্তু আচৰিত এজনৰো সম্ভেদ পোৱা নাই পাণ্ডৱৰ

দুৰ্যো ঃ তেন্তে ক'ত গ'ল পাণ্ডৱ ? পাতালত লুকাল নে স্বৰ্গত ললে আশ্ৰয় ?

কৰ্ণ ঃ ধৈৰ্য ধৰা সখা, নিশ্চয় ওলাব পাণ্ডৱৰ সন্ধান । পাঞ্চাল আৰু দ্বাৰকাত মোৰ বোধেৰে পাণ্ডৱে কদাপি নকৰে আত্মগোপন। হয়তো আছে কোনোবা বনত , নতু কোনোবা পাণ্ডৱৰ শুভাকাঙ্খী ৰাজ্যত । চিনাক্ত কৰি উক্ত স্থান , নিয়োগ কৰা হস্তিনাৰ দক্ষ গুপ্তচৰ , সন্ধান ওলাব নিশ্চয় পাণ্ডৱৰ ।

শকুনি ঃ সন্দেহ জাগিছে ভাগিন আমাৰ কৌশলৰ বিষয়ে জনাই পাণ্ডৱক কৰে সহায় এই হস্তিনাৰ পৰাই

দুঃশাস ঃ মামা, এয়া কি কৈছে আপুনি ? হস্তিনাপুৰত থাকি আমাৰ অন্নৰে পালিত হৈ কোনে পাণ্ডৱক কৰিব সহায় ? আপুনি ভ্ৰান্ত চিন্তা কৰিছে মামা , ই অসম্ভৱ ।

শকুনি ঃ অসম্ভৱো সম্ভৱ হয় এই হস্তিনাতে ভাগিন। পাণ্ডৱৰ শুভাকাঙ্খীৰ অভাৱ নাই এই হস্তিনাৰ ৰাজ কাৰেঙত । আছে ইয়াত কালসৰ্প, চুকত থাকি বুকুত কৰিব দংশন । কাৰ কথা কৈছো --

দুৰ্যো ঃ ব্যাখ্যাৰ নাই প্ৰয়োজন মামা । সকলো বুজিছো মই। জন্মৰ সময়ত বোলে মোৰ ধুমুহা বলিছিল, বিনা মেঘে হৈছিল বজ্ৰপাত, সেয়ে হ'লো মই দুৰাত্মা। একেদিনাইটো শতশৃংগ পৰ্বতত ভীমৰো হৈছিল জন্ম, প্ৰকৃতিৰ তাণ্ডৱ তাতো চলিছিল , কিন্তু বিদুৰৰ দৃষ্টিত ভীম কিয় নহ'ল দুৰাত্মা ? পিতাইটো মোৰ নাম ৰাখিছিল সুৰ্যোধন ; কিন্তু কোনে আমাৰ নাম কৰালে পৰিৱৰ্তন ---

শকুনি ঃ বিদুৰ, অ ভাগিন বিদুৰ । পাছে ধৈৰ্য্য ধৰা ভাগিন, কাক কৰিবা বিশ্বাস ; বেৰৰো থাকে কাণ -

দুৰ্যো ঃ তেন্তে ব'লক যাওঁ সকলো গোপন কক্ষত আমি আঁচনি কৰোঁগৈ প্ৰস্তুত ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ভীষ্ম আৰু দ্ৰোণাচাৰ্যৰ প্ৰৱেশ ----------------**

গীত - (ৰাগ ঃ পয়াৰ ; তাল ঃ পৰিতাল )

প্ৰৱেশয় সভাৰ মাজে শান্তনু নন্দন।
সঙ্গে আহে দ্ৰোণাচাৰ্য দেখিতে শোভন।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

**সূত্ৰ ঃ এনেতে দুৰ্যোধন আৰু শকুনি আহে --------------------**

দু+শ ঃ প্ৰণাম পিতামহ , প্ৰণাম গুৰুদেৱ -----

দ্ৰোণ ঃ হঠাৎ আহিলা যে ভাগিন - মাতুল দুয়ো একেলগে আমাৰ সমীপে---- ?

দুৰ্যো ঃ গুৰুদেৱ, আহিলো আমি আপোনাসৱৰ সহায় বিচাৰি । পাশাখেলৰ পণ অনুসৰি হ'ল আৰম্ভ পাণ্ডৱৰ অজ্ঞাতবাস । কিন্তু পোৱা নাই পাণ্ডৱৰ সম্ভেদ । সেইহেতু আমাক কৰক সহায় --

ভীষ্ম ঃ দুৰ্যোধন, মাতুলক সঙ্গে লৈ তুমিয়েই জানো কৰা নাছিলা পাশা খেলৰ আয়োজন ? নোৱাৰি বলেৰে, অন্যায়ভাৱে সকলো সম্পদ কাঢ়ি পাণ্ডৱৰ লৈছিলা আনন্দ তুমি পাশৱিকভাৱে। আছে যত দুৰ্জন সৱে আজি তোমাৰ সঙ্গী ; তেনেস্থলত কিয় আমি তোমাক কৰিম সহায় ?

দুৰ্যো ঃ পিতামহ, অহেতুক নকৰিব আপুনি মোক দোষাৰূপ। পাশাখেলৰ মাথো মই কৰিছিলো আয়োজন। কিন্তু গণ্য মান্য সজ্জন হৈও আপোনাৰ প্ৰিয় যুধিষ্ঠিৰে নিকৃষ্ট জুৱাৰীৰ দৰে সৰ্বচ্চ সম্পদ পাশাত কৰিলে বিসৰ্জন। তাৰবাবে জানো দায়ী হব এই দুৰ্যোধন ?

ভীষ্ম ঃ ( খঙেৰে ) দুৰ্যোধন ----

শকুনি ঃ ক্ষমা পিতামহ, ক্ষমা । মন্দমতি ভাগিন মোৰ প্ৰতিক্ষণে হয় উত্ৰাৱল --- ভাগিন, ক্ৰোধ কৰা ত্যাগ ; আগমণৰ উদ্দেশ্য কি গৈছা পাহৰি ? নিজ স্বাৰ্থ কৰা পূৰণ কিবা প্ৰকাৰে ---

দুৰ্যো ঃ ক্ষমা কৰিব পিতামহ, জগত খ্যাত আমাৰ গুপ্তচৰৰ বিফলতাত হতাশাত ভূগি মই আপোনাক কৰিলো অপমান । হে জ্যেষ্ঠজন, অভিজ্ঞতাই আপোনাসৱৰ জ্ঞানক কৰিছে সমৃদ্ধ । দয়া কৰি আপোনাসৱে দিয়ক মোক পাণ্ডৱে আত্মগোপন কৰা স্থানৰ সম্ভেদ ----

দ্ৰোণ ঃ দুৰ্যোধন, মোৰ অনুমানত গভীৰ অৰণ্যত অসুৰ আৰু ৰাক্ষসৰ মাজত পাণ্ডৱে অন্ততঃ নকৰিব অজ্ঞাতবাস । নিশ্চয় আছে তেওঁলোক ৰক্ষিত হৈ দেৱগণৰ দ্বাৰা ।

ভীষ্ম ঃ আচাৰ্য্যৰ মত বিবেচনাৰ যোগ্য। পাছে মোৰ ধাৰণাত পাণ্ডৱে দেৱতাৰ আশ্ৰয়ত থাকি কদাপি নকৰিব ভুল । কোনোবা ধাৰ্মিক দয়ালু ৰজাৰ আশ্ৰয়তেই নিশ্চয় পাণ্ডৱে লৈছে শৰণ।

দুৰ্যো ঃ আপোনাৰ যুক্তিয়ে মোৰ প্ৰাণত সৃষ্টি কৰিলে আশাৰ সঞ্চাৰ । পিতামহ, দয়া কৰি কওক কি হ'ব পাৰে পাণ্ডৱৰ বাবে উত্তম স্থান । উক্ত স্থানতে মোৰ সৰ্বশ্ৰেষ্ঠ গুপ্তচৰ কৰিম নিয়োগ।

ভীষ্ম ঃ পাণ্ডৱৰ শুভাকাঙ্খী বুলি মোৰ দৃষ্টিৰে দেখো চাৰিখন ৰাজ্য- মৎস্য, ছেদি, কৰুষ আৰু কাশী।

দুৰ্যো ঃ মৎস্য, ছেদি, কৰুষ আৰু কাশী হাঃ হাঃ এই চাৰিওখন ৰাজ্যতে মোৰ সমস্ত গুপ্তচৰ বাহিনীক কৰিম নিয়োগ। তেন্তে পিতামহ আৰু গুৰুদেৱ আমি এৱে বিদায়হে মাগো ।

**<u>সূত্ৰ ঃ দুৰ্যোধন আৰু শকুনিৰ প্ৰস্থান ------</u>**

ভীষ্ম ঃ বিড়ম্বনা , বিড়ম্বনা আজি হস্তিনাপুৰ আমাৰ বাবে। প্ৰতিজ্ঞাবদ্ধ আমি হস্তিনাৰ সিংহাসন সুৰক্ষিত কৰাৰ বাবে । অনিচ্ছা সত্বেও আজি কেৱল হস্তিনাৰ গৌৰৱত চেকা লাগে বুলি দুৰ্যোধনক দিলো সম্ভেদ পাণ্ডৱৰ সম্ভাব্য গোপন স্থানৰ । হে প্ৰভূ, পাণ্ডৱগণক তুমি কুশলে ৰাখিবা ---

দ্ৰোণ ঃ ভগৱন্ত সদায় ধৰ্মৰ পক্ষত পিতামহ । এতিয়া ব'লক বিশ্ৰামৰ হৈছে প্ৰয়োজন।

**<u>সূত্ৰ ঃ ভীষ্ম -দ্ৰোণৰ প্ৰস্থান। সভাত প্ৰথমে বিৰাট আৰু কঙ্ক আহে । এনেতে আৰ্তনাদ কৰি দ্ৰৌপদী সোমাই আহে -; পাছে পাছে কীচক আহে --</u>**

দ্ৰৌপদী ঃ ৰক্ষা কৰক , মহাৰাজ ৰক্ষা কৰক -- , পুণ্যৱৰ মোক ৰক্ষা কৰক ---

কঙ্ক ঃ সৈৰিন্ধ্ৰী --- মহাৰাজ ---

বিৰাট ঃ কী-চক ---; এয়া আপোনাৰ কেনে আচৰণ ?

দ্ৰৌপদী ঃ মহাৰাজ , এই দুষ্টই মোৰ সতীত্ব হৰণৰ ---ৰক্ষা কৰক , মোক ৰক্ষা কৰক --

কীচক ঃ আঃ ( লাহেকৈ দ্ৰৌপদীক পদাঘাট কৰে --) সামান্য দাসী হৈ তোৰ ইমান অহংকাৰ -- । নাজানিলি মোক , নিচিনিলি মোক , ময়ে সৰ্বেসৰ্বা এই মৎস্য ৰাজ্যৰ । আজিলৈ ক্ষমিলো তোক ; পাছে লভিম মই তোৰ সান্নিধ্য হাঃ হাঃ --- **( প্ৰস্থান কৰে )**

বিৰাট ঃ সৈৰিন্ধ্ৰী , আৰু নকৰিবা ভয় ; যোৱা তুমি এতিয়া নিজ কক্ষে ---

দ্ৰৌপদী ঃ আচৰিত ৰাজন , এগৰাকী নাৰীক আজি ৰাজসভাত কৰিলে পদাঘাত । নকৰি বিচাৰ, নকৰি প্ৰতিবাদ মাথো দিছে মোক আদেশ নিজ কক্ষলৈ যোৱাৰ ? এয়া জানো কেৱল আমাৰ অপমান ?

কঙ্ক ঃ সৈৰিন্ধ্ৰী , বেজাৰ নকৰিবা , যোৱা তুমি এতিয়া নিজ কক্ষলৈ ----

দ্ৰৌপদী ঃ যাম পুণ্যবৰ , পদে পদে মাথো নাৰীয়ে হয় লাঞ্ছিতা ----**( দুখমনে প্ৰস্থান )**

যুধি ঃ মহাৰাজ, ক্ষমা কৰিব । জাগিছে আমাৰ মনত এক প্ৰশ্ন । কোন আছিল তেওঁ ? নাই অকনো সৌজন্যবোধ । সিদিনাও দেখিলো ; অতি দাম্ভিক ; অতি দুৰাচাৰী তেওঁ ----

বিৰাট ঃ তুমি সঁচাই অনুমান কৰিছা সখা। বলত বিক্ৰম কিন্তু অতি অহংকাৰী এই ৰাজ্যৰ সেনাপতি এওঁ ; নাম কীচক। সম্বন্ধত মোৰ পত্নী সুদেষ্ণাৰ কণিষ্ঠ ভাতৃ তেওঁ। আমাৰেই দুৰ্ভাগ্য, তেওঁৰ কথা শুনিবলৈ আমি বাধ্য ।

যুধি ঃ বেজাৰ নকৰিব ৰাজন ; সময়ত কীচকৰ আহিব সুমতি ---

বিৰাট ঃ তোমাৰ কথা যেন সত্য হওক । এতিয়া ব'লা কৰোঁগৈ বিশ্ৰাম --

**<u>প্ৰস্থান ঃ</u>** **<u>দুয়োৰে প্ৰস্থান । দুখমনে প্ৰথমে দ্ৰৌপদী আহে ; পাছত ভীম আহে ---</u>**

ভীম ঃ পাঞ্চালী, এই গভীৰ ৰাতি কিয় তুমি মোৰ সাক্ষাত পাব বিছাৰিলা ? কিবা সমস্যা হৈছে তোমাৰ ? নে বিৰাটৰাজৰ পত্নী সুদেষ্ণাই কৰিছে তোমাক অভব্য আচৰণ ?

দ্ৰৌপদী ঃ মই আৰু সহি থাকিব নোৱাৰোঁ নাথ। বিৰাটৰ ৰাজভৱন মোৰ বাবে নহয় সুৰক্ষিত । দুৰাচাৰী কীচকে মোৰ ওপৰত দিছে কু-দৃষ্টি।

ভীম ঃ কি ক'লা পাঞ্চালী ? কীচকে তোমাৰ ওপৰত দিছে কু - দৃষ্টি । আঃ তাৰ ইমান দুঃসাহস।

দ্ৰৌপদী ঃ কেৱল সেয়াই নহয় নাথ, দুৰাত্মা কীচকে আজি হৰণ কৰিব খুজিছিল মোৰ সতীত্ব । বাধা দি মই দৌৰি গৈছিলো ৰাজসভালৈ। ভাৱিছিলো বিৰাট ৰাজনে দিব বাধা , কিন্তু --- (কান্দে)

ভীম ঃ কিন্তু কি পাঞ্চালী -- ? তুমি কান্দিছা কিয় ? কি কৰিলে কীচকক ৰাজনে ?

দ্ৰৌপদী ঃ পূৰ্ণ ৰাজসভাত সকলোৰে সন্মূখত মতলীয়া কীচকে মোক কৰিলে পদাঘাট । কীচকৰ এনে অন্যায় ব্যৱহাৰ দেখিও কোনেও বাধা দিবলৈ নকৰিলে সাহস। অপমানিতা হ'ল আপোনাৰ পাঞ্চালী --

ভীম ঃ আঃ কীচক , তোৰ ইমান দুঃসাহস ; পাঞ্চালীক দিয় তই কুদৃষ্টি ; কৰ পদাঘাত । আঃ তোৰ দুই অক্ষি মই আনিম উলিয়াই । যি ভৰিৰে তই পাঞ্চালীৰ কোমল দেহত কৰিলি আঘাট , সেই ভৰি ছিঙি তোক মই মহা শূন্যলৈ দিম দলিয়াই । পাঞ্চালী , আৰু মই নোৱাৰোঁ সহিব । এতিয়াই মই কীচকক কৰিম নিধন --- **( যাব খোজে )**

দ্ৰৌপদী ঃ ৰ'ব নাথ, কি কৰে আপুনি ? মনত ৰাখিব নাথ আমি আছো বৰ্তমান অজ্ঞাতবাসত । গতিকে যি কৰে সেয়া কৰিব লাগিব গোপনে । অতি সাৱধানে ----

ভীম ঃ বৃকোদৰৰ বাবে ধৈৰ্য্য অসম্ভৱ পাঞ্চালী। কিন্তু তোমাৰ বচনতো আছে যুক্তি। তেন্তে উপায় কি ?

দ্ৰৌপদী ঃ উপায় মই ভাবিছো নাথ ----

ভীম ঃ কি উপায় পাঞ্চালী -- ?

দ্ৰৌপদী ঃ শুনক তেন্তে ----- ( কাণে কাণে কয় )

ভীম ঃ হাঃ হাঃ উত্তম , দুৰ্মতি কীচকক বধিবৰ বাবে এই উপায় হ'ব অতি উত্তম । তেন্তে পাঞ্চালী , ব'লা যাঁও কীচক বধৰ আঁচনি কাৰ্যত কৰোঁগে পৰিণত ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে আনন্দিত মনে কীচক----**

কীচক ঃ হাঃহাঃ সৈৰিন্ধ্ৰী , জানিছিলো মই মোৰ প্ৰস্তাৱ তুমি কৰিব নোৱাৰা অস্বীকাৰ । মোৰ দৰে মহা বলবান, বীৰ্যবান পুৰুষৰ প্ৰেম কোন নাৰীয়ে কৰিব পাৰে অস্বীকাৰ ? হাঃ হাঃ নোৱাৰে নোৱাৰে, কোনেও নোৱাৰে -- সেইহেতু স্বয়ং সৈৰিন্ধ্ৰীয়েই আজি দিছে মোক মিলনৰ , আ-হাহা মিলনৰ প্ৰস্তাৱ ; তাকো গোপনে মধ্যৰাতি নাটঘৰত হাঃ হাঃ -- আৰু বেছি সময় নাই । সাজু হওঁ **(সাজোন কাচোন কৰি** ) এই ৰূপেৰে , এই সুগন্ধীৰে সিক্ত কৰি দেহ যাম মই আজি সৈৰিন্ধ্ৰীৰ কাষে হাঃহাঃ -- সৈৰিন্ধ্ৰী, সৈৰিন্ধ্ৰী -----

**সূত্ৰ ঃ কীচকৰ প্ৰস্থান। আনফালে সভাত ভীম আৰু দ্ৰৌপদী-------------**

ভীম ঃ পাঞ্চালী , আমাৰ আঁচনি মতে আহিবনে কীচক ---- ?

দ্ৰৌপদী ঃ মোৰ ওপৰত বিশ্বাস ৰাখক নাথ ; কামবাণে মুহিলো তাক ; নিশ্চয় আহিব সি এই স্থানলৈ ।

ভীম ঃ হাঃ হাঃ কীচকে আজি নাপাব নিস্তাৰ । পাঞ্চালী , এই খাটতে শয়ন কৰি কীচকলৈ মই কৰোঁ অপেক্ষা । সৰ্বশৰীৰত মোৰ কাপোৰেৰে তুমি দিয়া ঢাকি ---

দ্ৰৌপদী ঃ সেয়ে হ'ব নাথ, ( ভীমৰ শৰীৰত কাপোৰ দিয়ে ) নাথ , কীচক আহিবলৈ আৰু বেছি পৰ নাই। মই এতিয়া এই স্থানৰ পৰা কৰোঁ গমন। আপুনি থাকক সজাগ হৈ -- **(প্ৰস্থান )**

**সূত্ৰ ঃ কীচক সোমাই আহে -----------------------**

কীচক ঃ সৈৰিন্ধ্ৰী -- সৈ-ৰিন্ধ্ৰী, অ তুমি আহিলা ( ভীমৰ কাষ চাপি ) আমাতকৈও আগে হাঃ হাঃ -- প্ৰাণেশ্বৰী, কিয় ৰাখিছা নিজকে ঢাকি ? বুজিছো লজ্জাই কৰিছে আমনি ; আঁহা সুন্দৰী, নকৰিবা লজ্জা ; আঁহা মোহিনী দিয়া আমাক প্ৰেম আলিঙ্গন ---- (আকোঁৱালী ধৰে )

ভীম ঃ আঃ পাপীষ্ঠ , নাৰীলোভী দুৰ্মতি , লম্পট পাষণ্ড --- ( পদাঘাট কৰে )

কীচক ঃ( পৰি যায় ) আঃ কোন , কোন তই----- ?

ভীম ঃ তোৰ বাবে মহাকাল মই। পৰস্ত্ৰীৰ প্ৰতি দিয় তই কামুক দৃষ্টি। আজি পাবি তই তাৰ উচিত শাস্তি ।

কীচক ঃ আঃ চালনা, চালনা । পাষণ্ড, আজি তোক বধ কৰি দাসী সৈৰিন্ধ্ৰীৰ সতীত্ব মই কৰিম হৰণ।

ভীম ঃ আঃ কীচক , আৰু মোৰ নহয় সহ্য । চাওঁ বাৰু তোৰ কিমান পৰাক্ৰম ।

**সূত্ৰ ঃ বাহু যুদ্ধ হয় ; যুদ্ধত ভীমে কীচকক বধ কৰি যি কয় ---**

ভীম ঃ পাঞ্চালীৰ প্ৰতি কু-দৃষ্টি দিয়াৰ ফল আজি তই হাতে হাতে পালি ---- ( **প্ৰস্থান** )

**সূত্ৰ ঃ ভীমৰ প্ৰস্থান । আনফালে সভাত লক্ষণাৱতীৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ মল্লাৰ ; তাল ঃ একতাল )

প্ৰৱেশিলা সভাৰ মাজে লক্ষণাৱতী ।
ৰূপৱতী গুণৱতী যেন অপেশ্বৰী।।
লয় লাসে চলি আহে সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।

লক্ষণা ঃ আ-হাহা কিযে বিতোপন হস্তিনাৰ এই উপবন। পুস্পিত পুস্পৰ মতলীয়া সুগন্ধ দশোদিশে ইয়াৰ পৰা পৰিছে বিয়পি। আপোনা পাহৰা হওঁ মই ইয়াত আহি ---

**সূত্র ঃ এনেতে ৰথত উঠি শাম্ব আহে ---**

শাম্ব ঃ কি অপৰূপা নাৰী এওঁ। দেখা নাই পূৰ্বে মই এনে অপৰূপা নাৰী। হে দেৱী, কোন তুমি -- মানৱী নে সৰগৰ অপেশ্বৰী ?

লক্ষণা ঃ নহয় মই সৰগৰ অপেশ্বৰী ; লক্ষণাৱতী মই দুৰ্যোধন নন্দিনী --

শাম্ব ঃ লক্ষণাৱতী -- ; যেনে ৰূপ, তেনে নাম। সঁচাই দেৱী তুমি অপৰূপা, তোমাৰ ৰূপে কৃষ্ণনন্দন এই শাম্বৰ মুহিলে মন --

লক্ষণা ঃ ( লাজ কৰি ) ছিঃ কি যে কয় আপুনি --- ( **বেগেৰে প্ৰস্থান** )

শাম্ব ঃ ৰ'বা ৰ'বা দেৱী, দেৱী --- হৰি নিলা লক্ষণা তুমি এই শাম্বৰ প্ৰাণ --তোমাৰ ৰূপকে বুকুত সাৱটি ঘূৰি যাঁও এতিয়া মই দ্বাৰকা নগৰে ----

**সূত্র ঃ শাম্বৰ প্ৰস্থান। সভাত কৰ্ণ, শকুনি আৰু দুঃশাসন --------**

কৰ্ণ ঃ দুঃশাসন, অজ্ঞাতবাসৰ কেইবা মাহো উকলি গ'ল। ভীষ্মদেৱে কোৱাৰ দৰে সকলো ৰাজ্যতে সখাই গুপ্তচৰ কৰিলে নিয়োগ। কিন্তু আজি পৰ্যন্ত নাহিল কোনো সু-সংবাদ। সখাৰ বিষাদ বদন আৰু মই নোৱাৰোঁ সহিব। কি কৰোঁ আমি ---- ?

**সূত্র ঃ এনেতে উত্ৰাৱল হৈ দুৰ্যোধন ------**

দুৰ্যো ঃ সখা, মামা --সন্দেহ মোৰ বিশ্বাসলৈ হৈছে পৰিণত, অধীৰ অপেক্ষাৰ মোৰ পৰিব অন্ত হাঃহাঃ

শকুনি ঃ উল্লাহিত আজি মোৰ ভাগিন --- দুৰ্যোধন, পালা নেকি তুমি পাণ্ডৱৰ সন্ধান ?

দুৰ্যো ঃ অ মামা ; পাইছো এনে সংবাদ যি মোৰ নুমাই যাব ধৰা আশাৰ বন্তি গছি তুলিছে জ্বলাই।

কৰ্ণ ঃ কোৱা সখা, কি বাৰ্তাই তোমাক কৰিছে উল্লাহিত ?

দুৰ্যো ঃ সখা, মৎস্যদেশৰ মল্লবীৰ কীচকক বধিছে কোনোবাই গুপ্তভাৱে মল্ল যুদ্ধত --

কৰ্ণ ঃ আচৰিত, কীচকক কৰিলে হত্যা ? তাকো মল্ল যুদ্ধত ? আছে মাথো তিনিজন বীৰ এই অৱনীৰ বক্ষত যি মল্লযুদ্ধত কীচকক কৰিব পাৰে নিধন -- হলধৰ, মদ্ৰপতি শল্য আৰু বৃকোদৰ --

দুৰ্যো ঃ হলধৰ আৰু শল্যই গুপ্তহত্যা নকৰে কদাপি। তেন্তে কোন হ'ব পাৰে সেই অজ্ঞাত গন্ধৰ্ব ? আন কোনো নহয় সখা দ্বিতীয় পাণ্ডৱ বৃকোদৰ -- অ সখা, অ ভাতৃ, বৃকোদৰেই হ'ব হাঃ হাঃ

দুঃশাস ঃ উচিত কথা কৈছে দাদা। বৃকোদৰেহে এনেদৰে অন্যায়ভাৱে কৰিব ৰণ। ময়ো পাইছো বাৰ্তা মৎস্যদেশত চাৰিজন পুৰুষ আৰু দুগৰাকী নাৰীয়ে কিছুদিন পূৰ্বৰে পৰা লৈছেহি আশ্ৰয়।

শকুনি ঃ কি ক'লা দুঃশাসন ? চাৰিজন পুৰুষ আৰু দুগৰাকী নাৰী -- আঃ ই কেনেদৰে সম্ভৱ ? মোৰ এতিয়াও সন্দেহ আছে দুৰ্যোধন --- মোৰ এতিয়াও আছে সন্দেহ।

দুৰ্যো ঃ সকলো সন্দেহ হ'ব দুৰ যদিহে ত্ৰিগৰ্ত্তৰাজ সুশৰ্মাৰ প্ৰস্তাৱ আমি কৰোঁ গ্ৰহণ ----

কৰ্ণ ঃ কেনে প্ৰস্তাৱ সখা ?

দুৰ্যো ঃ কীচকহীন মৎস্যদেশ আজি দুৰ্বল। শুনিছো আছে বিৰাটৰ ৰাজ্যত অজস্ৰ গোধন। ৰচিছো কৌশল ত্ৰিগৰ্ত্তৰাজ সুশৰ্মাই উত্তৰ দিশেদি মৎস্যদেশ কৰিব আক্ৰমণ, আৰু সেই সুযোগতে দক্ষিণ দিশেদি আমিও কৰিম প্ৰচণ্ড আক্ৰমণ। যদি পাণ্ডৱে তাত লৈছে আশ্ৰয়, জানো মই পাণ্ডৱৰ চৰিত্ৰ, আশ্ৰয়দাতাক সিহঁতে নকৰিব নিৰাশ আৰু সেই সুযোগতে যদি আমি হাঃ হাঃ -----

দুঃশাস ঃ উত্তম, অতি উত্তম দাদা আৰু তেতিয়াই আমি চিনাক্ত কৰিম পঞ্চ পাণ্ডৱক হাঃ হাঃ ---

দুৰ্যো ঃ তেন্তে আৰু নকৰোঁ পলম ; ব'লা সখা, পিতামহ আৰু গুৰুদেৱকো লৈ যাওঁ আমাৰ লগত ।
------ কি চিন্তা কৰিলে মামা ? নাযায় নেকি আপুনি আমাৰ লগত ?

শকুনি ঃ ---- যাম যাম ভাগিন , অতি উত্তম চিন্তা কৰিছা তুমি , ব'লা যাওঁ সকলো ।

**সূত্ৰ ঃসকলোৰে প্ৰস্থান। আনফালে ৰণসাজে বিৰাটৰাজ, যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱ -----**

বিৰাট ঃ কঙ্ক, দুৰাচাৰী সুশৰ্মাই কীচকহীন আমাৰ ৰাজ্য কৰিছেহি আক্ৰমণ। আজি মই অসহায় ; তোমালোক মোৰ অতিথি , তোমালোকক কেনেকৈ নিওঁ মই ৰণলৈ ? নাই নাই জগতে হাহিঁব মোক ; হে অতিথিগণ , আপোনাসৱ থাকক ৰাজকাৰেঙত । মই যাঁও ৰণক্ষেত্ৰলৈ ---

যুধি ঃ আশ্ৰয়দাতাক বিপদত সহায় কৰাটো আমাৰ কৰ্তব্য। এনে বিপদত আপোনাক সহায় নকৰিলে আমি মহাপাপত পৰিম । সেয়ে মহাৰাজ, কৰোঁ অনুৰোধ ৰণ কৰিবলৈ আমাকো দিয়ক অনুমতি ।

ভীম ঃ চিন্তা নকৰিব ৰাজন ; বহুদিন পোৰা নাই ময়ো ৰণ কৰিবলৈ । ৰণ বুলিলে মই নিদিওঁ পিঠি : শুনিলে ৰণভেৰী সিৰাই সিৰাই মোৰ তপ্ত শোণিত হয় প্ৰৱাহিত । এক সুশৰ্মা কিয় সহস্ৰ সুশৰ্মা আহিলেও মোৰ হাতৰ পৰা নাপাব নিস্তাৰ।

যুধি ঃ বল্লভ, এই স্থানত এই সময়ত ৰণৰ নামত এনেদৰে উল্লাহিত হোৱাটো নহয় শুভ। মাথো বীৰৰ দৰে ৰণ কৰিবা তুমি ৰণস্থলীতহে ।

বিৰাট ঃ কঙ্ক আৰু বল্লভ, তোমালোকক নিয়াত মোৰ নাই আপত্তি । কিন্তু গৰখীয়া তন্ত্ৰীপাল আৰু অশ্বৰক্ষক ধৰ্মগ্ৰন্থীক নিওঁ কেনেদৰে ?

নকুল ঃ চিন্তা নকৰিব মহাৰাজ, অশ্বৰ লেকামেই নহয় এই দুহাতেৰে মই অস্ত্ৰও চলাব জানো ।

সহ ঃ গৰখীয়া বুলি মোকো নাভাবিব ৰণভীৰু বুলি ; ৰণক্ষেত্ৰত দেখিব মোৰ পৰাক্ৰম ।

বিৰাট ঃ তোমালোকৰ আগ্ৰহ দেখি সন্তুষ্ট হৈছো মই । তেন্তে ব'লা যাঁও সকলো ৰণক্ষেত্ৰলৈ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত বৃহন্নলা ----**

বৃহ ঃ আঃ ৰণোমত্ত মই ; ৰণ বুলিলে ময়ো নোৱাৰো স্থিৰে থাকিব । কিন্তু কি কৰোঁ ? নাৰীবেশে আছো মৎস্য দেশত বিৰাট নন্দিনীক দি নৃত্যৰ শিক্ষণ। কিযে দুৰ্ভগীয়া মই ; ভাতৃগণ গৈছে আজি ৰণাঙ্গনে আৰু মই আছো নৃত্যশালাত । নাচ বৃহন্নলা, নাচ এয়াই তোৰ ভাগ্য --

**সূত্ৰ ঃ বৃহন্নলাই উন্মাদিনীৰ দৰে নাচিব ধৰে । এনেতে উত্ৰাৱল হৈ উত্তৰ আহে -----**

উত্তৰ ঃ বৃহন্নলা, বৃহন্নলা --- সৰ্বনাশ হৈছে বৃহন্নলা । আজি মোক তোমাৰ সহায়ৰ হৈছে প্ৰয়োজন ।

বৃহ ঃ মোৰ সহায় ? নৃত্যাংগনা বৃহন্নলাই আজি তোমাক কেনেদৰে কৰিব সহায় ?

উত্তৰ ঃ বৃহন্নলা, পিতা গৈছে ৰাজ্যৰ উত্তৰ দিশে সুশৰ্মাৰ লগত ৰণ কৰিবলৈ। কাৰেঙত আছো কেৱল মই। কিন্তু পালো সংবাদ, আমাৰ ৰাজ্যৰ দক্ষিণ দিশত আক্ৰমণ কৰিছে কৌৰৱ বাহিনীয়ে ।

বৃহ ঃ কি কৈছা কুমাৰ ? কৌৰৱে কৰিছে আক্ৰমণ ?

উত্তৰ ঃ অ বৃহন্নলা , সহস্ৰ গোধন আমাৰ সিহঁতে আজি কৰিব হৰণ ।

বৃহ ঃ সমস্যা অতিকে গভীৰ আজি মৎস্যদেশৰ বাবে। কিন্তু কুমাৰ, মইনো তোমাক কেনেদৰে কৰিম সহায় ? মইতো নাজানো অস্ত্ৰ চালনা, জানো মাথো নৃত্যৰ ভঙ্গীমাহে ।

উত্তৰ ঃ বৃহন্নলা, সৈৰিন্ধ্ৰীৰ পৰা মোৰ ভগ্নী উত্তৰাই জানিব পাৰিছে তুমি হেনো এজন পাকৈত সাৰথিও। নাই এতিয়া কাৰেঙত এজনো সাৰথি। সকলো গ'ল পিতাৰ লগত । সেয়ে ওলোৱা তুমি মোৰ

লগত ৰথৰ সাৰথি হৈ । দেখুৱাম কৌৰৱক উত্তৰৰ শক্তি কিমান।

বৃহ ঃ তোমাৰ কথা অৱশ্যে সঁচা কুমাৰ । কিছুকাল মই সাৰথি হৈ আছিলো তৃতীয় পাণ্ডৱৰ ।

উত্তৰ ঃ কি ? তৃতীয় পাণ্ডৱ, অৰ্থাৎ ধনঞ্জয়ৰ ? বাঃ অতি উত্তম । ওলোৱা বৃহন্নলা, ওলোৱা তুমি মোৰ ৰথৰ সাৰথি হৈ । দেখিবা আজি তুমি মোৰ পৰাক্ৰম ; ধনঞ্জয়ৰ দৰে মইয়ো কৰিব পাৰোঁ ৰণ।

বৃহ ঃ ধনঞ্জয়ৰ দৰে --- ? বাঃ উত্তম , অতি উত্তম । তেন্তে ব'লা যাওঁ কুমাৰ কৌৰৱৰ সন্মূখলৈ ।

<u>**সূত্ৰ ঃ**</u> <u>**দুয়োৰে প্ৰস্থান। আনফালে যুদ্ধযাত্ৰা কৰি কৌৰৱগণ ------**</u>

<u>**গীত**</u>

**ৰণসাজে চলি আহে কৌৰৱ সেনানী ।**
**তলবল কৰি আহে সমস্ত মেদিনী ।।**
**বীৰদৰ্পে আগে আহে বীৰ দুৰ্যোধন ।**
**সভাসদে ৰাম হৰিক কৰাহা স্মৰণ ।।**

<u>**সূত্ৰ ঃ**</u> <u>**কৌৰৱগণৰ প্ৰস্থান । পুনৰ ৰণক্ষেত্ৰত ৰথত উঠি উত্তৰ আৰু বৃহন্নলা--------**</u>

উত্তৰ ঃ বৃহন্নলা , সৌৱা মই কি দেখিছো ----- ?

বৃহ ঃ কুমাৰ , সেয়াই কৌৰৱৰ সেনানী ।

উত্তৰ ঃ কি ? ইমান বিশাল ; যেন এক মহা সমুদ্ৰ । বৰ ভয়ানক যেন লাগিছে বৃহন্নলা । কেনেকৈ মই এওঁলোকৰ সৈতে কৰিম ৰণ ? বৃহন্নলা , --- ঘোৰোৱা ৰথ আমি যাওঁ উলটি --

বৃহ ঃ কি কৈছা ? উলটি যাওঁ । ই কেনেকৈ সম্ভৱ হ'ব পাৰে বৃহন্নলাৰ বাবে ?

উত্তৰ ঃ নহয় বৃহন্নলা, কৌৰৱৰ লগত ৰণ কৰাটো অসম্ভৱ । ব'লা, বেগাই উলটি যাওঁ।

বৃহ ঃ নহয় কুমাৰ , এনেদৰে পলায়ন কৰিলে আৰু গোধন নকৰিলে উদ্ধাৰ কাৰেঙৰ নাৰীগণে হাঁহিব আমাক । পলৰীয়া বুলি জগতে জানিব তোমাক ।

উত্তৰ ঃ হাঁহিব দিয়া ; নিজৰ প্ৰাণৰক্ষা কৰাটোহে বুদ্ধিমানৰ কাম ; তুমি নগ'লেও মই উলটি যাঁও -

বৃহ ঃ আঃ কুমাৰ কি কাৰ্য কৰা তুমি ? যদি তুমি নোৱাৰা কৰিব ৰণ সাৰথিৰ আসনতে বহা তুমি, কৌৰৱৰ লগত ময়ে কৰিম ৰণ ।

উত্তৰ ঃ তুমি কৰিবা ৰণ ? এগৰাকী নাৰী হৈ তুমি কৰিবা ৰণ, তাকো কৌৰৱৰ লগত ? আচৰিত, ইমান সাহসী তুমি , নাই নাই তুমি নহয় সাধাৰণ নাৰী ? কোৱা দেৱী , কোন তুমি ?

বৃহ ঃ মইয়ে তৃতীয় পাণ্ডৱ । অজ্ঞাতবাসৰ কালছোৱা বৃহন্নলা ৰূপে আছো তোমালোকৰ ৰাজ্যত ।

উত্তৰ ঃ কি ? মোৰ পৰম আদৰ্শ বীৰ আপুনি ধনঞ্জয় । আঃ কি যে ভাগ্য মোৰ ? ধনঞ্জয়ৰ ৰথৰ হ'ম মই সাৰথি । মোক দিয়ক আশীৰ্বাদ -----( প্ৰণাম কৰে )

বৃহ ঃ উঠা উত্তৰ, সাৰথিৰ আসন তুমি কৰা গ্ৰহণ । সৌযে দেখিছা গভীৰ অৰণ্য ; লুকুৱাই ৰাখিছো তাতে আমাৰ অস্ত্ৰ । হাতে গাণ্ডীৱ লৈ নামিম সমৰত । লৈ ব'লা মোক অৰণ্যৰ দিশে --

<u>**সূত্ৰ ঃ**</u> <u>**দুয়োৰে প্ৰস্থান। আনফালে দুৰ্যোধন, দুঃশাসন, কৰ্ণ, শকুনি, ভীষ্ম আৰু দ্ৰোণ---**</u>

দুৰ্যো ঃ হাঃহাঃ ৰণক্ষেত্ৰত দেখো আজি কৌতুক । যোদ্ধা পলাই, সাৰথিয়ে দিয়ে বাধা, যোদ্ধাই লয় সাৰথিৰ আসন আৰু সাৰথি আহে ৰণৰ উদ্দেশ্যে।

কৰ্ণ ঃ কিন্তু সখা, চোৱা নাহি আমাৰ দিশে গৈছে সিহঁত সৌ গভীৰ অৰণ্যলৈ। কি কাৰ্য ইহঁতৰ ?

দুৰ্যো ঃ সখা, ইমান বহুৰাৰ দেশ বুলি নাছিলো ভৰা এই মৎস্যদেশ হাঃ হাঃ --

দুঃশাসন ঃ নহয় দাদা ; আহিছে আহিছে, সৌৱা আমাৰ ফালে সিহঁত আগবাঢ়ি আহিছে ।

শকুনি ঃ কিন্তু ভাগিন, কি দেখিছো মই -- ? যোদ্ধাৰ সাজত আহিছে এগৰাকী নাৰী ?

**সূত্ৰ ঃ যুদ্ধ সাজে বৃহন্নলা আৰু সাৰথি ৰূপে উত্তৰ আহে---------------**

বৃহ ঃ কৌৰৱগণ, অট্টহাস্যৰ আৰু নাই প্ৰয়োজন। ৰণ কৰিবলৈ আহিলো মই -- (ধনুত টঙ্কাৰ দিয়ে)

দুৰ্যো ঃ এয়া এয়াটো গাণ্ডীৱৰ টঙ্কাৰ । সখা, মামা, এয়া গাণ্ডীৱৰ টঙ্কাৰ ; নাৰী নহয় -- ই অৰ্জুন ।

বৃহ ঃ হে কৌৰৱগণ, ল'লো মই এয়া সন্মোহন বাণ, পাৰে যদি নিজকে ৰক্ষা কৰক।

**সূত্ৰ ঃ বৃহন্নলাই সন্মোহন বাণ মাৰে । কৌৰৱগণ মূৰ্চ্ছা যায় ----**

বৃহ ঃ কৌৰৱগণ হৈছে মূৰ্চ্ছিত। কুমাৰ, বিজয়ৰ চিনস্বৰূপে কৌৰৱৰ কিছু বস্ত্ৰ লৈ ব'লা ৰাজ কাৰেঙলৈ। পাছে মনত ৰাখিবা ভীস্ম আৰু দ্ৰোণদেৱক নকৰিবা লজ্জিত ---

উত্তৰ ঃ উত্তম হ'ব দেৱ ; তেন্তে লৈ লওঁ মই কৌৰৱৰ বস্ত্ৰ ---

**সূত্ৰ ঃ বৃহন্নলাই ভীষ্ম, দ্ৰোণক সেৱা কৰে । উত্তৰে বাকী সকলৰ লয় আৰু দুয়োৰে প্ৰস্থান । কৰ্ণই প্ৰথম চেতন পাই যি কয় ----**

কৰ্ণ ঃ অৰ্জুন, অৰ্জুন, -- ই কি কৌৰৱগণ মূৰ্চ্ছিত ? সখা, সখা, উঠা সখা, মামা উঠক আপুনি।

**সূত্ৰ ঃ বাকীসকলে ক্ৰমে চেতন পাই উঠে ---**

শকুনি ঃ অঙ্গৰাজ, অৰ্জুন ক'ত ? আচৰিত -- কি পিতামহ, কি দ্ৰোণাচাৰ্য সকলোকে অৰ্জুনে কৰিলে মূৰ্চ্ছিত । অ অ কেৱল মূৰ্চিতই নহয়, আমাৰ বস্ত্ৰও পাৰ্থই কৰিলে হৰণ ---

কৰ্ণ ঃ নহয় মামা, চল কৰি অৰ্জুনে আমাক কৰিলে পৰাস্ত । কোনো ধনুৰ্দ্ধৰে প্ৰথমেই সন্মোহন অস্ত্ৰ নকৰে প্ৰয়োগ । শত্ৰুৰ মাজত যদি হয় অকলশৰীয়া, নিৰ্বিঘ্নে তাৰ পৰা আঁতৰি যাবলৈহে প্ৰয়োগ কৰা হয় এই অস্ত্ৰ । এই কথা গুৰুদেৱেও নিশ্চয় জানে।

দ্ৰোণ ঃ সত্য অঙ্গৰাজ ; অতিমাত্ৰা উত্ৰাৱলেৰে দুৰ্যোধনে নিদিলে আমাক পূৰ্ণ সমৰ প্ৰস্তুতিৰ । অৰ্জুনৰ সন্মূখীন হ'ব লাগিব বুলি আমিও কৰা নাছিলো কল্পনা। সেয়ে ঘটিল আমাৰ পৰাজয় ----

দুৰ্যো ঃ নহয় পৰাজয়, হৈছে আমাৰ জয় । অ গুৰুদেৱ, নকৰিব দুখ। আমাৰ কৌশল হল সফল ; অজ্ঞাতবাসৰ সময় এতিয়াও হোৱা নাই পূৰ, মূৰ্খ অৰ্জুনে ৰণৰ ৰাগীত টঙ্কাৰ দি গাণ্ডীৱত মুখামিৰ দিলে পৰিচয় । চিনাক্ত হ'ল অৰ্জুন ; পুনৰ বনবাস খাটিব মূৰ্খ পাণ্ডৱে হাঃ হাঃ--

ভীষ্ম ঃ দুৰ্যোধন, জ্যোতিষ শাস্ত্ৰমতে যদি সৌৰ বছৰে গণনা কৰা যায় তেন্তে পাণ্ডৱৰ অজ্ঞাতবাসৰ কাল পুৰ হোৱা নাই, কিন্তু চান্দ্ৰবছৰ অনুসাৰে অজ্ঞাতবাসৰ কাল হ'ল পূৰ্ণ।

দুৰ্যো ঃ নাই নাই ; এয়া হ'ব নোৱাৰে পিতামহ ; কাল গণনাৰ ক্ষেত্ৰত চলি আহিছে সৌৰবছৰ, তেন্তে আজি কিয় পাণ্ডৱৰ অজ্ঞাতবাসৰ বেলিকা আহিল প্ৰশ্ন চান্দ্ৰবছৰৰ ? এয়া জানো উচিত গুৰুদেৱ ? (দ্ৰোণ নিমাত) ----- অ' বুজিলো সকলোৱে বিচাৰে মোৰ পৰাজয় ----(**খঙেৰে প্ৰস্থান**)

কৰ্ণ ঃ সখা, সখা ----

শকুনি ঃ ভাগিন --আঃ এই কথাতো পাশাখেলৰ পণত ৰখাই নহ'ল ভাগিন। এতিয়া যদি পাণ্ডৱে বনবাস পূৰ্ণ হ'ল বুলি ইন্দ্ৰপ্ৰস্থ বিচাৰে ঘূৰাই, তেতিয়া কি কৰিব মোৰ ভাগিনে ?

ভীষ্ম ঃ শকুনি, স্থান অনুসৰি বুলিবা বচন। নহয় এয়া হস্তিনাৰ ৰাজসভা। আছো আমি বৰ্তমান মৎস্য

দেশৰ ৰণক্ষেত্ৰত । গতিকে বিলম্ব নকৰি ঘুৰি যাওঁ আমি হস্তিনা পুৰলৈ।

দ্ৰোণ ঃ পিতামহে উচিত কথাই কৈছে। ব'লক ঘূৰি যাওঁ হস্তিনাপুৰলৈ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে চিন্তিত মনে সভাত পুনৰ দুৰ্যোধন-----**

দুৰ্যো ঃ আঃ অৰ্জুনক মই কৰিলো চিনাক্ত, অথচ পিতামহে কৰিছে চক্ৰান্ত । গুৰুদেৱেও তাক কৰিছে সমৰ্থন। বুজিলো সকলোৱে বিচাৰে মোৰ পৰাজয় ; অ সকলোৱে আজি মোক কৰিছে চল --

**সূত্ৰ ঃ এনেতে কৰ্ণ------------------**

কৰ্ণ ঃ সখা , কি হৈছে তোমাৰ ----- ?

দুৰ্যো ঃ অ' সখা অঙ্গৰাজ, আঁহা তুমিও দিয়া যুক্তি পাণ্ডৱৰ অজ্ঞাতবাস সমাপ্ত হ'ল বুলি । দিয়া পৰামৰ্শ ইন্দ্ৰপ্ৰস্থ পাণ্ডৱক ঘুৰাই দিয়া বুলি। সকলোৱেই যেতিয়া মোৰ পৰাজয় কৰে কামনা, তেন্তে সখা তুমিনো কিয় হ'বা ব্যতিক্ৰম। গোৰা তুমিও পাণ্ডৱৰ মহানতা, কোৰা সিহঁতক দেৱতুল্য বুলি হাঃ হাঃ

কৰ্ণ ঃ প্ৰলাপ নবকিবা সখা । সমস্ত জগত হ'ব পাৰে তোমাৰ বিৰোধী, গুচি যাব পাৰে তোমাৰ কাষৰ পৰা আত্মীয়গণ, কিন্তু সখা যেতিয়াই বিচাৰিবা তুমি সৰ্বদা পাবা মোক তোমাৰ কাষত । বিশ্বাস ৰাখা তুমি কৰ্ণৰ ওপৰত, কোনো অনিষ্ট সাধন কৰিব নোৱাৰে পাণ্ডৱে আমাৰ ।

দুৰ্যো ঃ হাঃ হাঃ জানো মই , সুগন্ধই যদি তেজে পুষ্পক , ৰৌদ্ৰ তাপে যদি তেজে সূৰ্যক , সখা কৰ্ণই মোক নকৰে নিসঙ্গ । কৰ্ণ, তুমিয়েই মোৰ একমাত্ৰ আৰু শেষ ভৰষা।

কৰ্ণ ঃ তুমি নিশ্চিন্ত থাকা সখা, প্ৰাণ থকালৈকে বন্ধুত্ব থাকিব আমাৰ। পাছে সখা, নোযোৱা নেকি তুমি পাৰ্থনন্দন অভিমন্যুৰ বিবাহলৈ ?

দুৰ্যো ঃ অভিমন্যুৰ বিবাহ -- ? ক'তা মইতো পোৱা নাই কোনো সংবাদ কিম্বা বিবাহৰ নিমন্ত্ৰণ ।

কৰ্ণ ঃ আচৰিত, তেন্তে তোমালোককো দিয়া নাই নিমন্ত্ৰণ। শুনিছো ত্ৰিগৰ্ত্তৰাজ সুশৰ্মা আৰু আমাক পৰাজিত কৰাৰ পাছত বিৰাটৰাজে উদঘাটন কৰিলে পাণ্ডৱৰ পৰিচয় । কেৱল সিমানেই নহয় নিজ কন্যা উত্তৰাক বিবাহৰ প্ৰস্তাৱ দিলে অৰ্জুনক ।

দুৰ্যো ঃ কি কৈছা সখা অৰ্জুনক দিলে বিবাহৰ প্ৰস্তাৱ ----- ?

কৰ্ণ ঃ হয় সখা, কিন্তু গুৰু-শিষ্যৰ সম্বন্ধ হোৱাৰ বাবে অৰ্জুনে উত্তৰাক পাব বিচাৰিলে বোৱাৰী ৰূপত । সেই হেতু পুত্ৰ অভিমন্যুৰ লগত মৎস্যৰাজ্যত উত্তৰাৰ বিবাহৰ চলিছে আয়োজন। আগমণ ঘটিছে মৎস্য ৰাজ্যলৈ পাণ্ডৱৰ শুভাকাঙ্খী গণৰ ।

দুৰ্যো ঃ বুজিলো সখা, আঁতৰত ৰাখি আমাক পুত্ৰৰ বিবাহৰ জৰিয়তে পাণ্ডৱে বঢ়াইছে সমৰ শক্তি। আঃ চল কৰি পাণ্ডৱে শক্তি কৰিব বৃদ্ধি আৰু দুৰ্যোধন কি হাত সাৱটি থাকিব বহি ? মইয়ো কৰিব পাৰো বিবাহৰ আয়োজন । অ সখা, ল'লো সিদ্ধান্ত , নিমন্ত্ৰণ দি সসাগৰা পৃথিৱীৰ আমাৰ শুভাকাঙ্খীক আয়োজন কৰিম আমি লক্ষণাৰ সয়ম্বৰ ----

কৰ্ণ ঃ উত্তম সিদ্ধান্ত লৈছা সখা ; তোমাৰ নন্দিনী এতিয়া বিবাহৰ উপযুক্তা ---

দুৰ্যো ঃ ব'লা সখা বিবাহৰ চলাওঁগৈ প্ৰস্তুতি ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত প্ৰথমে কৃষ্ণ পাছত বলোভদ্ৰ আহে -----**

বলো ঃ কানাই -----

কৃষ্ণ ঃ দাদা, তুমি পালাহি । কেনে আছে আই যশোদা ? আয়ে বাৰু মনত পেলাইনে আমাক ?

বলো ঃ শয়নে - দিঠকে যশোদা আয়ে কেৱল তোমাকেই কৰে স্মৰণ। হাতে দধি লৈ প্ৰতি দিনে তোমাৰ বাবে কৰি থাকে অধীৰ অপেক্ষা ---

কৃষ্ণ ঃ উসঃ আই ; ক্ষমা কৰা মোক ; কিমান যে নিষ্ঠুৰ মই। আৰু দাদা , নন্দ পিতাই --- ?

বলো ঃ ভগ্ন আৰু দগ্ধ হৃদয়েৰে প্ৰতি দিনে পিতাই আজলী আইক দি আহিছে তোমাৰ গমনৰ মিছা আশ্বাস। স্থিৰ নেত্ৰে গোপীগণে চাই থাকে গোকুলৰ পথ, জানোচা তোমাৰ ঘটে আগমণ --

কৃষ্ণ ঃ হে গোকুলবাসী , ক্ষমা কৰিবা তোমালোকে এই কৃষ্ণক। ত্যাগ কৰি গোকুল আমিও পোৱা নাই মনত শান্তি। কি কৰিম , কেনেদৰে বুজাম কি উদ্দেশ্যেৰে জনম আমাৰ ?

**<u>সূত্ৰ</u> ঃ <u>এনেতে শাম্ব আহে ---</u>**

শাম্ব ঃ প্ৰণাম পিতা , প্ৰণাম জ্যেষ্ঠপিতা , কিয় দেখো দুয়োকে বিষাদ বদনে ?

কৃষ্ণ ঃ নাই বাচা। সকলো কুশলে আছে। অ দাদা, এটা বাৰ্তা তোমাক দিয়াই নাই -- আমাৰ একমাত্ৰ ভগ্নী সুভদ্ৰা তনয় অভিমন্যুৰ বিবাহ নিৰ্ধাৰিত হৈছে বিৰাট নন্দিনী উত্তৰাৰ লগত।

বলো ঃ বাঃ অতি উত্তম বাৰ্তা শুনালা কানাই ---

কৃষ্ণ ঃ বিবাহত উপস্থিত থকাটো আমাৰ কৰ্তব্য নহয় জানো দাদা ?

বলো ঃ কৰ্তব্যই নহয় কানাই , আমাৰ দায়িত্বও আছে ভাগিনৰ বিবাহত। অতিশীঘ্ৰে যাম আমি মৎস্য দেশলৈ, অংশ ল'ম ভাগিন অভিমন্যুৰ বিবাহত। পাছে, শুনিবলৈ পাইছো জ্যেষ্ঠ কৌৰৱ দুৰ্যোধনেও তেওঁৰ কন্যা লক্ষণাৰ সয়ম্বৰৰ কৰিছে আয়োজন। তালৈ কি আমাক দিয়া নাই নিমন্ত্ৰণ ?

কৃষ্ণ ঃ দুৰ্যোধন নন্দিনীৰ সয়ম্বৰলৈ যদুবংশক নিমন্ত্ৰণ নিদিয়াটোত আচৰিত হ'ব নালাগে দাদা। দুৰ্যোধনে আমাৰ প্ৰতি ৰাখে বৈৰী ভাৱ। তাৰ বহিঃ প্ৰকাশ ঘটিছে কন্যাৰ সয়ম্বৰত। নিমন্ত্ৰণেই নিদিলে যেতিয়া আমি যোৱাটো জানো হ'ব উচিত ?

বলো ঃ অসম্ভৱ, অনিমন্ত্ৰিত বিবাহত নাথাকিব উপস্থিত কোনো যাদৱ।

কৃষ্ণ ঃ তেন্তে দাদা, আমি যাওঁ মৎস্য দেশলৈ। শাম্ব , দ্বাৰকাৰ দায়িত্ব অৰ্পণ কৰিলো তোমাক।

শাম্ব ঃ হে পিতৃগণ, দ্বাৰকাৰ সুৰক্ষাৰ প্ৰতি থাকক নিশ্চিন্তে। আনন্দ মনেৰে যাওক মৎস্য দেশলৈ -

বলো ঃ বাঃ অতি উত্তম ; কৃষ্ণ, আমাৰ ভতিজা আজি হ'ল পৈণত। দ্বাৰকাৰ সুৰক্ষাৰ ভাৰ আজি লৈছে কান্ধ পাতি। তেন্তে কৃষ্ণ, ব'লা আৰু নকৰোঁ পলম --( **<u>কৃষ্ণ , বলোভদ্ৰৰ প্ৰস্থান</u>** )

শাম্ব ঃ জ্যেষ্ঠ পিতাৰ মুখত কি শুনিলো এয়া মই। লক্ষণাৰ সয়ম্বৰ আয়োজন কৰিছে পিতৃ দুৰ্যোধনে ? নাই নাই এনে হ'ব নোৱাৰে। লক্ষণা মোৰ প্ৰাণৰ স্পন্দন। যি কোনো উপায়েৰে লক্ষণাক মই নিজৰ কৰি ল'ম। ভালেই হ'ল পিতৃগণো নাই দ্বাৰকা পুৰীত। এই সুযোগতে মই হস্তিনাপুৰলৈ কৰোঁ গমন ---

**<u>সূত্ৰ</u> ঃ <u>শাম্বৰ প্ৰস্থান। আনফালে সভাত লক্ষণা --------</u>**

লক্ষণা ঃ জগতৰ ৰথী - মহাৰথীক দি নিমন্ত্ৰণ পিতাই আয়োজন কৰিছে মোৰ সয়ম্বৰ। কিন্তু এইসকলৰ মাজততো নাথাকে মোৰ স্বপ্নৰ পুৰুষ দ্বাৰকাৰ কুমাৰ। এটা পলকতে, এটা চাৱনিতে নাজানো কিদৰে শাম্ব কুমাৰে হৰিলে এই লক্ষণাৰ মন ? কিন্তু এই কথা কেনেকৈ কওঁ পিতাক ? যদুপতিক কৰে পিতাই বৈৰীজ্ঞান ; তেনেস্থলত জানো পিতাই আমাৰ এই সম্পৰ্কত দিব সন্মতি ?

**সূত্র ঃ এনেতে দুৰ্যোধন আহে ---**

দুৰ্যো ঃ আই, আই লক্ষণা, কিয় দেখো তোমাৰ নয়ন সিক্ত ? অ বুজিছো, কি কৰিম আই ? প্ৰতিশোধ, প্ৰতিহিংসাৰ অগনিত নিতে দহে তোমাৰ পিতা ; সেইহেতু নুবুজি তোমাৰ মন, নলৈ তোমাৰ সন্মতি নিজ স্বাৰ্থ সিদ্ধিৰ বাবে আপোনভাৱে ললো মই তোমাৰ জীৱনৰ বৃহৎ সিদ্ধান্ত। তাৰবাবে মোক ক্ষমিবা আই ---

লক্ষণা ঃ পিতা, এয়া কি কৈছা তুমি ?

দুৰ্যো ঃ নহয় আই ; এতিয়াও সুধিছো, কোৱা আছে নেকি তোমাৰ কোনো সপোন কোঁৱৰ এই ধৰাৰ বক্ষত আনি দিব পিতৃয়ে তোমাৰ আনন্দিত মনে ।

লক্ষণা ঃ পিতা -- ; যদি তুমি কৰা আমাক ক্ৰোধ ---

দুৰ্যো ঃ তুমিও নুবুজিলা আই তোমাৰ পিতাৰাক ? কন্যাৰ সুখৰ বাবে জগতৰ আন পিতৃৰ দৰে ময়ো কৰিব পাৰোঁ সৰ্ব চেষ্টা । কোৱা আই, কোনে হৰিলে তোমাৰ মন ? হয় যদি তেওঁ সৰগৰ দেৱতা সভক্তিৰে তেওঁৰ চৰণত কৰি নিবেদন কন্যাৰ হাত মই কৰিম অৰ্পণ --

লক্ষণা ঃ নহয় পিতা তেওঁ সৰগৰ দেৱ, আছে মৰততে বীৰৰ শিৰোমণি হৈ ; জাতত মনুষ্য তেওঁ নামে শাম্ব -- যাদৱ কুমাৰ তেওঁ কৃষ্ণৰ নন্দন ।

দুৰ্যো ঃ লক্ষণা -- ; কাৰ নাম তই কৰিলি উচ্চাৰণ ? চিৰবৈৰী মোৰ দৈৱকীনন্দন আৰু তাৰেই তনয়ৰ নাম প্ৰেমাস্পদ ৰূপে তই কৰিলি উচ্চাৰণ --

লক্ষণা ঃ পিতা , কিয় কৰা তুমি যদুপতিৰ লগত বৈৰীতা আচৰণ ? জগতে পূজে তেওঁক ভগৱান বুলি আৰু তেওঁৰে পৰাক্ৰমী তনয় ----

দুৰ্যো ঃ স্তব্ধ হ লক্ষণা, শুনিব নিবিচাৰোঁ মই কৃষ্ণৰ গুণগান ; কপটীয়া নৰাধম সি নহয় ভগৱান । আঃ কৰিলো পণ, কদাপিতো তোক এক যাদৱৰ হাতত নকৰোঁ অৰ্পণ । নিমন্ত্ৰণ দি সসাগৰা পৃথিৱীৰ আমাৰ শুভাকাংক্ষীক আয়োজন কৰিম তোৰ মহা সয়ম্বৰ । নাথাকিব কৃষ্ণ, নাথাকিব শাম্ব তাত বাচি লবি বৰ তোৰ আপোন মনেৰে -- **( প্ৰস্থান )**

লক্ষণা ঃ পিতা , পিতা ----------- **( বিলাপ )**

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
অভাগিনী কন্যা মই দুখ মাত্ৰ দিলা ।।
প্ৰিয়তম যদুবীৰ কৈত আছা তুমি ।
তোমাৰ অবিহনে মোৰ প্ৰাণ যাই ফুটি ।।

**সূত্ৰ ঃ এনেতে শাম্ব আহে ----------**

শাম্ব ঃ লক্ষণা, নকৰিবা ক্ৰন্দন ---

লক্ষণা ঃ ই কি , দ্বাৰকা কুমাৰ ? স্বপ্ন নে এয়া দিঠক আমাৰ ---

শাম্ব ঃ নহয় স্বপ্ন, বাস্তৱতে দ্বাৰকাৰ পৰা আহিছো মই তোমাৰ সমীপে --

লক্ষণা ঃ কিয় আহিলে এই অভাগিনীৰ কাষে ; নাজানে জানো পিতাই কৰিছে আয়োজন আমাৰ সয়ম্বৰ

শাম্ব ঃ সেই হেতু আহিলো মই ; লৈ যাম তোমাক তাৰ পূৰ্বে মোৰ অৰ্দ্ধাঙ্গিনী কৰি --

লক্ষণা ঃ এয়া যে অসম্ভৱ কুমাৰ ; পিতাই নিবিচাৰে আপোনাক জোঁৱাই ৰূপে --

শাম্ব ঃ আৰু তুমি -- ?

লক্ষণা ঃ নোৱাৰোঁ কৰিব বিদ্ৰোহ মই পিতাৰ বিৰুদ্ধে । আপুনি যাওক উলটি ; পিতাৰ সন্তুষ্টিৰ বাবে কন্যাই নিজ আশা - আকাংক্ষাক আজি দিছে দলিয়াই -- ( প্ৰস্থান )

শাম্ব ঃ লক্ষণা --; যোৱা লক্ষণা, ময়ো কৃষ্ণনন্দন ; চাম বাৰু কেনেদৰে কুৰু নৃপতিয়ে তোমাৰ সয়ম্বৰৰ কৰে আয়োজন । যদিওবা কৰে আয়োজন চাম বাৰু কোন নৃপতিয়ে জিনি আমাক তোমাক আমাৰ পৰা কৰিব হৰণ --

**<u>সূত্ৰ ঃ শাম্বৰ প্ৰস্থান । আনফালে ক্ৰমে দুজন ৰজাৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )</u>**

১ৰজা ঃ মিত্ৰৱৰ, দুৰ্যোধন নন্দিনী লক্ষণাৱতীৰ সয়স্বৰ সভাৰ কৰিছে আয়োজন । ব'লক যাঁও সয়ম্বৰলৈ -

২ৰজা ঃ ব'লক মিত্ৰৱৰ ---

**<u>সূত্ৰ ঃ সকলোৰে সভা । আনফালে সভাত ভীষ্ম, দ্ৰোণ, শকুনি, কৰ্ণ আৰু দুঃশাসন -</u>**

ভীষ্ম ঃ কৌৰৱগণ, নিমন্ত্ৰিত অতিথিগণ পাবহি তুৰন্তে । ভব্যভাৱে তোমাসৱে কৰিবা সম্ভাষণ ---

**<u>সূত্ৰ ঃ নিমন্ত্ৰিত ৰজাসকল এজন এজনকৈ প্ৰৱেশ কৰে । কৌৰৱে আদৰি নিয়ে --</u>**

**<u>সূত্ৰ ঃ দুৰ্যোধিনে কইনা ৰূপত লক্ষণাক লৈ আহে --- ( মাঙ্গলিক বাদ্য বাজে )</u>**

দুৰ্যো ঃ হে নিমন্ত্ৰিত অতিথিগণ, আপোনাসৱক জনাইছো স্বাগতম । এয়া মোৰ কন্যা লক্ষণা , এওঁৰে স্বয়ম্বৰৰ কৰিছো আয়োজন । আই লক্ষণা, যোৱা পচন্দৰ সৰ্বশ্ৰেষ্ঠ বীৰজনক বৰৰূপে কৰা নিৰ্বাচন ।

**<u>সূত্ৰ ঃ লক্ষণাই জ্যেষ্ঠজনক সেৱা কৰি ৰাজন্যবৰ্গৰ ফালে আগবাঢ়ি যায় । হঠাৎ সভাত শাম্বৰ প্ৰৱেশ আৰু আগবাঢ়ি যায় লক্ষণাৰ সন্মূখলৈ ----</u>**

শাম্ব ঃ লক্ষণা, নহবা অবুজন ; বৰমাল্য মোক কৰা অৰ্পণ ---

লক্ষণা ঃ ( বিমোৰত পৰি পিছুৱাই যায় ) কিন্তু , পিতাৰ অবাধ্য যে মই ------- ?

দুৰ্যো ঃ নিলাজ শাম্ব ; অনিমন্ত্ৰিত হৈও কৰিছ প্ৰৱেশ ; এয়াই নেকি তোৰ নিৰ্লজ চৰিত্ৰ ?

শাম্ব ঃ লক্ষণা, পিতৃলৈ নকৰিবা ভয় ; যদি তুমি মোক নকৰা বৰণ , বল প্ৰয়োগ কৰি হ'লেও লৈ যাম তোমাক দ্বাৰকালৈ মই -- ( লক্ষণাৰ হাতত ধৰে )

দুৰ্যো ঃ আঃ শাম্ব , কলুষিত নকৰিবি মোৰ কন্যাৰ সয়ম্বৰ ------

শাম্ব ঃ চাওঁ বাৰু কোনে বাধা দিয়ে মোক -----

**<u>সূত্ৰ ঃ শাম্বই বলেৰে লক্ষণাক লৈ যায় । কৌৰৱগণ হতভম্ব হয়, দুৰ্যোধনে যি কয়-----</u>**

দুৰ্যো ঃ শাম্ব, এইয়া তই কি কায্য কৰিলি ? বলেৰে মোৰ কন্যাক হৰণ কৰিছ তই । কৌৰৱগণ , বাধা দিয়ক কৃষ্ণ পুত্ৰক । সখা, বাধা দিয়া অধম শাম্বক, উদ্ধাৰ কৰা মোৰ কন্যা লক্ষণাক --

কৰ্ণ ঃ কোনো চিন্তা নকৰিবা সখা । নীচমতি শাম্বক মই দিম আজি উচিত দণ্ড । সাৱধান, সাৱধান শাম্ব, কৰ্ণৰ হাতৰ পৰা তই আজি নাপাবি নিস্তাৰ ---- ( **প্ৰস্থান** )

দ্ৰোণ ঃ শাম্বই এয়া উচিত কাম নকৰিলে পিতামহ ; এয়া উদ্ধতালি । কৌৰৱৰ প্ৰতি এয়া চৰম অপমান।

ভীষ্ম ঃ কথা সত্য আপোনাৰ । মনত ৰাখিব কৃষ্ণনন্দন শাম্ব ; অঙ্গৰাজে অকলে নোৱাৰিব দিব বাধা --

দুৰ্যো ঃ তেন্তে ব'লক সকলো । যিকোনো প্ৰকাৰে মোৰ কন্যাক কৰোঁ উদ্ধাৰ । শাম্ব , শাম্ব.-----

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান । লক্ষণাক লৈ শাম্বৰ প্ৰৱেশ । পাছে পাছে কৰ্ণই খেদি আহে --</u>**

কৰ্ণ ঃ শাম্ব , সাৱধান শাম্ব , আৰু আগনাবাঢ়িবি , স-সন্মানেৰে এৰি দে দুৰ্যোধন নন্দিনীক ---

শাম্ব ঃ অঙ্গৰাজ মোক নিদিব বাধা । নতু পৰিণাম হ’ব অতি ভয়ানক।

কৰ্ণ ঃ শাম্ব , যদি ৰণেই তোৰ কাম্য তাৰ বাবে হ প্ৰস্তুত ।

গীত- ( ৰাগ ঃ সাৰেঙ , তাল ঃ পৰিতাল , ৰচক )

এহিবুলি দুয়োবীৰে যুদ্ধ আৰম্ভিলা।
চোকা চোকা বাণ দুয়ো প্ৰহাৰ কৰিলা।।
অস্ত্ৰাঘাটে অঙ্গৰাজ ভূমিত পৰিলা ।
ৰাম হৰি ৰাম হৰি সৰ্বজন বোলা ।।

**সূত্ৰ ঃ যুদ্ধত কৰ্ণ ভূমিত পৰি যায় । সেই সময়তে কৌৰৱগণ আহে -------------**

দুৰ্যো ঃ সাৱধান শাম্ব ; কৌৰৱগণ , আক্ৰমণ কৰক এই দুৰাচাৰীক ------------------------------

শাম্ব ঃ বাঃ সবে মিলি ৰণ কৰিব । তথাপি লক্ষণাক নকৰোঁ ত্যাগ। ৰণৰ বাবে প্ৰস্তুত আছো মই ।

**সূত্ৰ ঃ সকলোৰে শাম্বক বেঢ়ি যুদ্ধ কৰে --- ( বাজনা -- ভংগী )**

**সূত্ৰ ঃ যুদ্ধত শাম্ব নিৰস্ত্ৰ হয় । দুৰ্যোধনে শাম্বক বন্দী কৰি যি কয় -----**

দুৰ্যো ঃ পাষণ্ড , জগত বন্দিত মোৰ কৌৰৱ কূলত তই লগালি কলংক । ইমান দুঃসাহস তোৰ ---

শকুনি ঃ ভাগিন, কৌৰৱৰ বংশত চেকা সানিলে এই নৰাধমে । তুৰন্তে ইয়াক কৰা হত্যা ।

দুৰ্যো ঃ ইয়াৰ মৃত্যু অনিবাৰ্য মামা ---

লক্ষণা ঃ ক্ষমা কৰা পিতা ---; নহ’বা ইমান নিষ্ঠুৰ ---

ভীষ্ম ঃ ৰ’বা দুৰ্যোধন। শকুনি, কিয় উচটনি দিছা ভাগিনক ? হত্যা কৰি শাম্ব কুমাৰক যদুপতি আৰু হলধৰৰ ক্ৰোধৰ পৰা তুমি ৰক্ষা কৰিব পাৰিবা ভাগিনক ? দুৰ্যোধন, দিছো উপদেশ, জোঁৱাই ৰূপে আদৰি নললেও শাম্বক তুমি কৰা মুক্ত ।

দুৰ্যো ঃ অসম্ভৱ পিতামহ, অসম্ভৱ। শাম্বক মই কদাপি নকৰোঁ মুক্ত। বন্দী কৰি ৰাখিম ইয়াক হস্তিনাৰ পোতাশালত -- দুঃশাসন , লৈ ব’লা ইয়াক ------

**সূত্ৰ ঃ শাম্বক বন্দীৰূপে লৈ সকলোৰে প্ৰস্থান। আনহাতে চিন্তান্বিত হৈ প্ৰথমে শ্ৰীকৃষ্ণ আহে পাছত বেগেৰে বলৰাম আহে ----**

বলো ঃ কৃষ্ণ কৃষ্ণ, অঘটন হ’ল কৃষ্ণ ; অন্যায় কৰিছে কৌৰৱে শাম্বৰ প্ৰতি। দেৱৰ্ষিৰ পৰা পালো বাৰ্তা , কৌৰৱে বন্দী কৰি ৰাখিছে তোমাৰ পুত্ৰ আৰু আমাৰ চেনেহৰ ভতিজা শাম্বক ।

কৃষ্ণ ঃ অনিমন্ত্ৰিত বিবাহত গৈ লক্ষণাক বলেৰে কাঢ়ি অনাটো জানো উচিত কাৰ্য হৈছিল দাদা ?

বলো ঃ ৰুক্মিণীৰ সয়ম্বৰত তুমিও তেনে কাৰ্য কৰা নাছিলা জানো কানাই ?

কৃষ্ণ ঃ দাদা ; পুত্ৰ যেতিয়া শাম্বক উদ্ধাৰ কৰিবলৈ নিশ্চয় যাম মই হস্তিনাপুৰলৈ।

বলো ঃ তুমি যাব নালাগে কানাই ; ভতিজা শাম্বক উদ্ধাৰৰ হেতু মই যাওঁ হস্তিনাপুৰলৈ।

কৃষ্ণ ঃ কিন্তু দাদা , যদি ক্ৰোধ কৰি তুমি হস্তিনাবাসীক ... ?

বল ঃ তুমি নিশ্চিন্ত থাকা, কৌৰৱগণ আমাৰ নহয় শত্ৰু । এই কথা জানো মই ---

কৃষ্ণ ঃ তথাপি দাদা তোমাৰ লগত আমাৰ সখা উদ্ধৱকো পঠাম ---

বলো ঃ তেন্তে আৰু নকৰোঁ পলম ; উদ্ধৱক সঙ্গে লৈ যাত্ৰা কৰোঁ মই হস্তিনাপুৰলৈ -- ( **প্ৰস্থান** )

কৃষ্ণ ঃ যোৱা দাদা। ভতিজাৰ প্ৰতি তোমাৰ প্ৰেম আজি দেখিব হস্তিনাই, দেখিব জগতে -----

**সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান। সভাত উত্তেজিত মনে বলোভদ্ৰ -----**

বলো ঃ উদ্ধৱক পঠালো কুৰু সভালৈ। অতবেলি কৰিলোঁ অপেক্ষা। অথচ হোৱা নাই আগমণ উদ্ধৱৰ, হোৱা নাই আগমণ কৌৰৱৰ। নাই নাই আৰু নকৰোঁ অপেক্ষা; ময়ে যাঁও কুৰুসভালৈ।

**সূত্ৰ ঃ এনেতে কৌৰৱগণ আহে ------**

ভীষ্ম ঃ প্ৰণাম দেৱ, কৌৰৱগণৰ হৈ স্বাগতম জনাইছো আপোনাক হস্তিনাপুৰলৈ (সকলোৱে সেৱা জনাই)

বলো ঃ কৌৰৱগণ, পালো সকলো সংবাদ; কৰোঁ অনুৰোধ কৰি দিয়ক মুক্ত শাম্ব কুমাৰক ---

দুৰ্যো ঃ অসম্ভৱ গুৰুদেৱ, শাম্বই কৰিছে অন্যায় আচৰণ; কদাপি নকৰোঁ মই তাক মুক্ত।

বলো ঃ দুৰ্যোধন, সম্বোধিছা আমাক গুৰুদেৱ বুলি; অথচ কৰিছা তুমি আমাৰ আদেশ উলংঘন ?

দুৰ্যো ঃ ক্ষমিব গুৰুদেৱ; হৃদয়ত ৰাখি অগাধ ভকতি কৰিছো মই তৱ আদেশ উলংঘন।

বলো ঃ দুৰ্যোধন, কিয় হৈছা তুমি অবুজন ? তোমাৰ কন্যাই পাইছে সুযোগ কৃষ্ণৰ পুত্ৰবধু হোৱাৰ --

দুৰ্যো ঃ কোন কৃষ্ণ ? নহয় কৃষ্ণ কোনো ৰাজৰাজেশ্বৰ, পলৰীয়া গোৱাল বুলি কুখ্যাতি আছে জগতত। ৰুক্মিণীৰ সয়ম্বৰত যি সানিলে কালিমা, নিচিনি জ্যেষ্ঠজনক মুণ্ডন কৰি ৰুক্মবীৰক যি কৰে অপমান, তেনে নৰাধমৰ পুত্ৰলৈ মোৰ কন্যাক কদাপি নকৰোঁ অৰ্পণ ----

বলো ঃ অহংকাৰী দুৰ্যোধন, কৃষ্ণৰ প্ৰতি কৰ এনে অশোভ বচন। জগতৰ স্বামীক নিচিনিলি তই। ভতিজা শাম্বক কৰিলি বন্দী তহঁতে অন্যায় সমৰে। আছিলো ক্ষান্ত হৈ মাথো কৃষ্ণৰ বাণীত। কিন্তু অহংকাৰে চৰম সীমা তহঁতৰ কৰিলে অতিক্ৰম। যি হস্তিনাক লৈ কৰ গৰ্ব, সেই হস্তিনাকে আজি মই এই হলেৰে টানি গঙ্গাত দিম বুৰাই।

**(সূত্ৰ ঃ বলোভদ্ৰই হাতৰ নাঙল দাঙে, কঁপি উঠে সকলো ---- )**

ভীষ্ম ঃ ক্ষমা কৰা দেৱ, কৌৰৱ মূঢ়মতি, আমি অধমে কৰিলো অপৰাধ।

কৌৰৱগণঃ ( স্তুতি ) ---------------- নমো নমো বলৰাম তুমি হলধৰ।
নাজানিলো সৱে আমি মহিমা তোমাৰ ।।
তোমাৰ চৰণে আমি পশিলো শৰণ।
নকৰিয়ো হলধৰ আমাক সংহাৰণ ।।

ভীষ্ম ঃ হে ৰোহিনী নন্দন হলধৰ, শান্ত হওঁক, দয়া কৰক, আমাৰ অপৰাধ মাৰ্জনা কৰক ----

দুৰ্যো ঃ হে গুৰুদেৱ, মূঢ়মতি মই; মোৰ দোষ কৰক ক্ষমা; তযু চৰণত মই কৰোঁ প্ৰণিপাত।

বলো ঃ ( নাঙল সম্বৰণ কৰি ) উঠা কৌৰৱগণ, তোমালোকৰ ব্যৱহাৰত আমি হ'লো সন্তুষ্ট।

দুৰ্যো ঃ আপোনাৰ সমান গুৰুদেৱ নাই দয়ালু; দুঃশাসন, লৈ আহাঁগৈ শাম্ব আৰু লক্ষণাক ---

দুঃশাস ঃ দাদা, এতিয়াই আনিম দুয়োকে --- ( **প্ৰস্থান** )

দ্ৰোণ ঃ হে দেৱ, অন্যায় ৰণেৰে শাম্ব কুমাৰক বন্দী কৰিছিলো আমি। তাৰবাবে আমি ক্ষমা প্ৰাৰ্থী।

**সূত্ৰ ঃ দুঃশাসনে শাম্ব আৰু লক্ষণাক লৈ আহে-----**

শাম্ব ঃ প্ৰণাম জ্যেষ্ঠ পিতা, অপৰাধী মই আপোনাৰ ওচৰত।

বলো ঃ শাম্ব, তোমাৰ দোষ নাই। দুৰ্যোধন আৰু যদুপতিয়ে পূৰ্বে কৰা কাৰ্যৰ তুমিও কৰিলা অনুসৰণ।

দুৰ্যো ঃ শাম্ব, ক্ষমিবা কৌৰৱগণক; নাই আৰু মোৰ কোনো অভিমান। আই লক্ষণা, অহংকাৰত মত্ত হৈ নুবুজিলো মই তোৰ মনক; কন্যাৰ আশাক, কন্যাৰ আকাংখ্যাক ভৰিৰে মোহাৰি নিষ্ঠুৰ পিতৃয়ে তোৰ মনত দিলো আঘাট বাৰম্বাৰ। পাৰ যদি ক্ষমিবি মোক --

লক্ষণা ঃ কিয় কয় পিতা এনে বাণী ? মই তোমাৰ অপৰাধী ---( কান্দে )

দুৰ্যো ঃ নাকান্দিবা আই, পিতৃধৰ্ম মই আজিহে কৰিছো পালন। শাম্ব, চেনেহৰ জী লক্ষণাক আজিহন্তে গতালো তোমাক -- ( **শাম্ব - লক্ষণাই দুৰ্যোধনক সেৱা কৰে** )-- সুখী হোৱা তোমালোক --

**(সূত্ৰ ঃ শাম্ব আৰু লক্ষণাই এইবাৰ বলোভদ্ৰক সেৱা কৰে --- )**

শাম্ব ঃ আশীৰ্বাদ কৰিব জ্যেষ্ঠ পিতা।

বলো ঃ সৌভাগ্যবান হোৱা ; --- কৌৰৱগণ , এতিয়া আমি দ্বাৰকালৈ যাত্ৰা কৰোঁ ------

দুৰ্যো ঃ যাওঁক গুৰুদেৱ ; কৌৰৱগণ, আহক কিছুদূৰ আমিও দিওঁ এওঁলোকক সঙ্গ ---

গীত- ( ৰাগ ঃ বসন্ত , তাল ঃ পৰিতাল )

এহিমতে ৰঙ্গমনে যদুগণ বীৰ।
লক্ষণাক লৈয়া যায় মন কৰি স্থিৰ।।
অন্যায়ক দমি তুমি ন্যায়ক থাপিলা।
সমাজৰ লোকে ডাকি ৰাম কৃষ্ণ বোলা।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটখনিৰ সামৰণি পৰে ।**

গীত - (ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৱ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি, -- পাণ্ডৱৰ অজ্ঞাতবাস, বলোভদ্ৰৰ হস্তিনা বিজয় -- নাটকং সম্পূৰ্ণ মিতি ।।

**সমাপ্ত**

জয় গুৰু শঙ্কৰ



# বৃকোদৰনন্দনৰ কুৰুক্ষেত্ৰ গমন, দুৰ্যোধনৰ দৰ্প হৰণ

নাট্যৰূপ ঃ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ , যোৰহাট

যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১. সূত্ৰধাৰ
২. শ্ৰীকৃষ্ণ
৩. ইন্দ্ৰদেৱ
৪. যুধিষ্ঠিৰ
৫. ভীম
৬. অৰ্জুন
৭. নকুল
৮. সহদেৱ
৯. ঘটোৎকচ --( প্ৰধান চৰিত্ৰ )
১০. অভিমন্যু
১১. বৰ্বৰিক
১২. দুৰ্যোধন
১৩. দুঃশাসন
১৪. কৰ্ণ
১৫. শকুনি
১৬. দ্ৰোণাচাৰ্য
১৭. কৃপাচাৰ্য
১৮. অশ্বত্থামা
১৯. জয়দ্ৰথ
২০. অলম্বুষ ( ৰাক্ষস )

## নাৰী চৰিত্ৰ

১. হিড়িম্বা --( প্ৰধান চৰিত্ৰ )
২. মৌৰৱী

## মুখা

মৃগ পহু

শ্ৰীকৃষ্ণায়ে নমঃ

শ্লোক ঃ মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰ ঃ স্থল ; আৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম
মুক্তাহীৰক হেমহাৰ বলয়ালঙ্কাৰ কান্তি দ্যুতিম ; কৃষ্ণং শাৰদ সান্দ্ৰ চন্দ্ৰ সদৃশং হৃদপঙ্কজেহ হস্তজে

অপিচ ঃ যেনাকাৰী প্ৰভূ ভগৱন্ত দুষ্ট অন্তকাৰী -- ভূমিভাৰ ৰক্ষাৰ্থেয়ো যুগে যুগে অৱতাৰ ।।

## গীত নান্দী - ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় গোলোকৰ পতি ।
তুৱা পাৱে কৰোহো প্ৰণতি ।।
দৈৱকীত ভৈলা অৱতাৰ ।
কৰিলাহা ভকতক উদ্ধাৰ ।।
হেনজানি এৰা আন কাম ।
সভাসদে বোলা ৰাম ৰাম ।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা ; ইয়ং বৃকোদৰনন্দনৰ কুৰুক্ষেত্ৰ গমন, দুৰ্যোধনৰ দৰ্প হৰণ
নাটকং শ্ৰৱণে মুক্তি সাধকম ।।

## অথ ভটিমা

জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন
তুৱা পাৱে কৰোহো বন্দন ।
দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি
ৰক্ষা কৰা সাধু সন্ত গণ ।।
হিড়িম্বৰ ভগিনী হিড়িম্বা ৰাক্ষসী
বৃকোদৰে বিবাহ কৰিলা ।
বৃকোদৰৰ বীৰ্যে হিড়িম্বাৰ গৰ্ভে
ঘটোৎকচে জনম লভিলা ।।
মুৰৰ নন্দিনী মৌৰৱী সুন্দৰী
ঘটোৎকচে পত্নীৰূপে পাইলা ।
কুৰুক্ষেত্ৰ ৰণে নিজ পৰাক্ৰমে
কৌৰৱৰ দৰ্প হৰিলা ।।
কৃষ্ণৰ আজ্ঞা পালি নিজ প্ৰাণ ত্যাগ কৰি
জগতত খ্যাতি ৰাখিলা ।
দেখা দেখা সৰ্বজন ইটো কথা ঘটোৎকচৰ
নিৰন্তৰে ৰাম হৰি বোলা ।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সখী, আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ----

সূত্ৰ ঃ আ -হাহা মিলল, মিলল । আহে সভাসদ, হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীকৃষ্ণ সভাৰ মধ্যে আৱত । তাক সাৱধানে দেখহ , শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।।

( ইতি সূত্ৰ নৃত্য নিস্ক্ৰান্তঃ )

**সূত্ৰ ঃ সভাত শ্ৰীকৃষ্ণৰ প্ৰৱেশ -------**

শ্লোক ঃ প্ৰৱেশম কৰোত জগতপতি শ্ৰীকৃষ্ণ জনাৰ্দ্দন। যস্য চৰণযুগলম চিন্তিত্বা ভক্তাঃলভন্তি পৰমগতিম।।

গীত ঃ ( ৰাগ- সিন্ধুৰা , তাল- একতাল )

আৰে জগত গুৰু কয়ো পৰৱেশ।
পীতবস্ত্ৰে শোভে আতি দেখিতে সুৱেশ।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ঘোষিয়োক সভাসদ নৰ।।

কৃষ্ণ ঃ আমিয়েই সকলো প্ৰাণীৰ শৰীৰত স্থিত প্ৰাণ। আমাতেই চিত্ত অৰ্পণ কৰা ভক্তগণক আমিয়ে মৃত্যুৰূপী সংসাৰ সাগৰৰ পৰা কৰোঁ উদ্ধাৰ । অহংকাৰী মুৰ দৈত্যক এই প্ৰাগজ্যোতিষপুৰে বধ কৰি দেৱগণক আমি কৰিলো উদ্ধাৰ । মুৰৰ কন্যা মৌৰৱীয়ে আমাতেই ললে শৰণ । পিতৃহাৰা মৌৰৱীক উপযুক্ত পাত্ৰক গতোৱাৰ দায়িত্ব লৈছো আমি । দাদা বলোভদ্ৰ গৈছে উলটি দ্বাৰকা নগৰে। বহুদিন লভা নাই সাক্ষাত আমি পাণ্ডৱগণৰ ; তেওঁলোকক সাক্ষাত কৰি কিছু দায়িত্ব পালন কৰিম পালন । যাঁও আমি এতিয়া কৰ্তব্যত হওঁ অগ্ৰসৰ -----------------------

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান। আনফালে সভাত হিড়িম্বাৰ প্ৰৱেশ-----**

গীত -( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

আৰত সভাৰ মাজে ৰাক্ষসী হিড়িম্বা ।
ভীমৰ ভাৰ্যা ইটো ঘটোৎকচৰ মাতা ।।
চলি আহে ধীৰে ধীৰে সভাৰ ভিতৰে ।
ডাকি বোলা ৰাম হৰি সভাসদ লোকে ।।

হিড়িম্বা ঃ হিড়িম্বা মই , জাতত ৰাক্ষসী ; তথাপি প্ৰতিগৰাকী নাৰীৰ দৰে ময়ো বিচাৰো স্বামী মোৰ সৰ্বদা থাকক সন্মূখত , নিতৌ পূজিব পাৰোঁ যেন স্বামীৰ চৰণ। কিন্তু এই অভাগিনীৰ ভাগ্যত --- পুত্ৰ ঘটোৎকচৰ জন্মৰ পাছতে কৰ্তব্যৰ দুহাই দি স্বামী বৃকোদৰ গুচি গ'ল মোৰ কাষৰ পৰা । অশেষ কষ্টেৰে পিতৃ-মাতৃৰ দায়িত্ব পালনেৰে ঘটোৎকচক মই কৰিলো ডাঙৰ । মোৰ প্ৰতিশ্ৰুতি ৰাখিছো স্বামী , পৰিব দিয়া নাই মই ৰাক্ষসৰ কু-চাপ পুত্ৰৰ গাত ; যাঁও এতিয়া, পুত্ৰ আহিব মোৰ, আহাৰ কৰোঁগৈ প্ৰস্তুত --

**সূত্ৰ ঃ হিড়িম্বাৰ প্ৰস্থান । সভাত ঘটোৎকচৰ প্ৰৱেশ-----------**

গীত (ৰাগ ঃ কানাড়া ; তাল ঃ ভঙ্গী )

প্ৰৱেশয় সভাৰ মাজে বৃকোদৰ নন্দন ।
ঘটোৎকচ নামে ইটো আকাৰে ভীষণ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

ঘটোৎ ঃ ঘটোৎকচ, মই ঘটোৎকচ ; মাতৃ মোৰ হিড়িম্বা জাতত ৰাক্ষস ; পিতা মোৰ মহাবলী বৃকোদৰ আৰু নাম মোৰ ঘটোৎকচ। জগতত মহান মোৰ পিতৃকুল। হে মোৰ পিতা বৃকোদৰ , তুমি নকৰিবা চিন্তা , এই ঘটোৎকচে নকৰে কোনো নীচ কৰ্ম ; তোমাৰ বংশলৈ কদাপি নানে কলংক । মাতাসহ তেজিছো মই ৰাক্ষসৰ পৰম্পৰা ; কৰা নাই নৰ ভোজন, দিয়া নাই নৰবলি আৰু নিদিঁও কদাপি। কৰি যাম মই এনে কৰ্ম যাক লৈ পিতা-মাতাই কৰিব গৌৰৱ, সকলোৱে কৰিব গৌৰব হাঃ হাঃ মই ঘটোৎকচ

**সূত্ৰ ঃ ঘটোৎকচৰ প্ৰস্থান । সভাত এটা হৰিণৰ প্ৰৱেশ ---- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ হৰিণ ভীতিগ্ৰস্ত হৈ প্ৰস্থান কৰে । সভাত ৰাক্ষস অলম্বুষৰ প্ৰৱেশ------**

গীত - ( ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল )

প্ৰৱেশয় সভাৰ মাজে ৰাক্ষস অলম্বুষ ।
খলকনি তুলি আহে মনে কৰি ক্ৰোধ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

অলম্বুষঃ ৰাক্ষস মই অলম্বুষ, কৰিছো অপেক্ষা, লৈছো পণ বৃকোদৰৰ ৰক্তপানেৰে প্ৰতিশোধৰ জ্বালা মই কৰিম নিবাৰণ। সখা মোৰ হিড়িম্ব, কত যুদ্ধৰ তই আছিলি সহচৰ । হিমালয় পৰ্বতো তোৰ বজ্ৰ মুষ্টিৰে কৰিব পাৰ চূৰ্ণ ; অথচ এক সাধাৰণ মনুষ্যই তোৰ হৰিলে গৰ্ব ? আঃ বৃকোদৰ , কিয় দিলি তই মোক দাৰুণ আঘাট ? শয়ন কৰিছে মোৰ সখাই মৃত্যুৰ শীতল কোলাত আৰু অধম বৃকোদৰে লভিছে আনন্দ এই বসুন্ধৰাত । নাই নাই এনে হ'ব নোৱাৰে ; এতিয়াও জীৱিত এই ৰাক্ষস অলম্বুষ , লম মই তাৰ ওপৰত ভীষণ প্ৰতিশোধ ----

**সূত্ৰ ঃ এনেতে ঘটোৎকচ আহে ---**

ঘটোৎ ঃ প্ৰণাম জ্যেষ্ঠ ৰাক্ষস , কিয় আৰু কাৰ ওপৰত কৰে আপুনি ইমান ক্ৰোধ -- ?

অলম্বুষ ঃ অ ঘটোৎকচ , আঁহা ; মনুষ্য নহয় কদাপি বিশ্বাসৰ যোগ্য ; এক মনুষ্যৰ ওপৰত লম মই ভীষণ প্ৰতিশোধ , দিম বলি তাক দেৱীমাৰ চৰণত ---

ঘটোৎ ঃ নিৰীহ মনুষ্যৰ ওপৰত আপোনাৰ দৰে বীৰে ক্ৰোধ কৰাটো জানো হব উচিত ?

অলম্বুষ ঃ ঘটোৎকচ, তুমি কোৱা মনুষ্যক নিৰীহ বুলি ? এনে মনুষ্যৰূপী বৃকোদৰেই তোমাৰ মামা আৰু মোৰ সখা হিড়িম্বক কৰিছিলে হত্যা । সেই কথা কি তুমি গ'লা পাহৰি ? ঘটোৎকচ , মনুষ্য আমাৰ শত্ৰু, মনুষ্য আমাৰ ভোগৰ সামগ্ৰী , মনুষ্য হৈছে বলিৰ সামগ্ৰী ----

ঘটোৎ ঃ আপুনি মোৰ মামাৰ সখা , সেই সূত্ৰে মই আপোনাকো কৰোঁ মাতুলৰ দৰে সন্মান । কৰিছো অনুৰোধ দিয়া নাই ময়ো আৰু আপুনিও নিদিব আজিৰ পৰা নৰবলি দেৱীৰ চৰণত ---

অলম্বুষ ঃ দেৱীৰ চৰণত আৰু নিদিব নৰবলি -- ঘটোৎকচ , এয়া কি কৈছা তুমি ? ৰাক্ষস পন্থাৰ তুমি কৰিছা বিদ্ৰোহ । সন্দেহ জাগিছে মোৰ তোমাৰ ওপৰত , মহাবলশালী ৰাক্ষস জাতিত তুমি পৰা নে নপৰা ? অ' মোৰেই ভুল, তুমি কেনেকৈ হ'বা ৰাক্ষস , তুমিতো নৰাধম বৃকোদৰৰ পুত্ৰ হাঃ হাঃ--

ঘটোৎ ঃ অলম্বুষ , ঘটোৎকচে সকলো পাৰে সহিব , কিন্তু নোৱাৰে সহিব পিতাৰ তিৰস্কাৰ । দেৱ যেন পিতৃ মোৰ বৃকোদৰক কৰি তিৰস্কাৰ মাতিলি আজি তই নিজ মৃত্যুক ।

অলম্বুষ ঃ ঘটোৎকচ , তোৰ ইমান সাহস , ৰাক্ষস বীৰ এই অলম্বুষক দিয় তই প্ৰাণৰ ভাবুকি । উত্তম , অতি উত্তম , আহ্বান তোৰ মই কৰিলো গ্ৰহণ , তোৰ দৰে কলংকক মই কৰোঁ নিধন ।

( গীত )

এহিবুলি দুয়োবীৰে ৰণ আৰম্ভিলা ।
মহাক্ৰোধে দুয়ো দুয়োক প্ৰহাৰ কৰিলা ।।

**সূত্ৰ ঃ ৰণত অলম্বুষ পলাই যায় ----------------------**

ঘটোৎ ঃ কিয় পলালি অলম্বুষ , এই শক্তিৰেই তই মোৰ পিতাক বধৰ কৰ হাবিয়াস হাঃ হাঃ ---

**সূত্ৰ ঃ ঘটোৎকচৰ প্ৰস্থান । আনফালে সভাত প্ৰথমে হিড়িম্বা । এনেতে অলম্বুষ----**

অলম্বুষ ঃ ভগ্নী হিড়িম্বা ----

হিড়িম্বা ঃ ই কি ; দাদা অলম্বুষ ; আহক দাদা , আনন্দিত আজি মই আপোনাক দেখি মোৰ গৃহত ।

অলম্বুষ ঃ হিড়িম্বা, তুমি মোৰ সখা হিড়িম্বৰ ভগ্নী ; সেইসূত্রে তুমি মোৰ ভগ্নীসম আৰু তুমিও মোক দাদা বুলি কৰা সন্মান। হিড়িম্বা , আমি ৰাক্ষস , কিন্তু তোমাৰ পুত্র ঘটোৎকচক লৈ মই হৈছো চিন্তিত ।

হিড়িম্বা ঃ কিয় দাদা , কি কৰিলে মোৰ পুত্ৰই --- ?

অলম্বুষ ঃ কি ক'ম হিড়িম্বা , হ'লো অপমানিত ; ঘটোৎকচে আজি মোৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ।

হিড়িম্বা ঃ কি কৈছে দাদা ? ঘটোৎকচে আপোনাৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ; কিন্তু কিয় ---- ?

অলম্বুষ ঃ দেৱীমাৰ চৰণত বলি দিবৰ বাবে এক মনুষ্যৰ মই কৰিছিলো যোগাৰ । কিন্তু ঘটোৎকচে তাৰ বিৰোধীতা কৰি মোৰ বিৰুদ্ধে ধৰিলে অস্ত্ৰ ; পাপ , ঘোৰ পাপ কৰিলে সি দেৱীমাৰ ওচৰত ; তুমি মোৰ ভগ্নীসম আৰু ঘটোৎকচ তোমাৰেই পুত্র। সেই হেতু তুমি পুত্ৰক বুজাবা হিড়িম্বা --

হিড়িম্বা ঃ হাঃ হাঃ দাদা, কি বুজাম তাক ? যদি কৰিছে কিবা ভুল তেতিয়াহে বুজনিৰ হয় প্ৰয়োজন । মোৰ দৃষ্টিতটো এয়া নহয় পাপ , প্ৰশংসনীয় কাম কৰিছে মোৰ পুত্ৰ ঘটোৎকচে ।

অলম্বুষ ঃ হিড়িম্বা , পুত্ৰৰ পাপ কৰ্মতো তুমি দিছা সমৰ্থন ; কোনে দিছে তাক এনে শিক্ষণ --- ?

হিড়িম্বা ঃ এয়া মোৰেই শিক্ষণ , আজি মই আনন্দিত , আজি মই গৌৰান্বিত পুত্ৰৰ কৰ্মক লৈ হাঃ হাঃ -

অলম্বুষ ঃ হিড়িম্বা , কি কৈছ তই এয়া ? অ বুজিলো , মনুষ্যই তোৰ ৰাক্ষসী সত্তাক কৰিলে গ্ৰাস , বৃকোদৰে তোৰ জ্ঞান-বুদ্ধিও কৰিলে নাশ । নৰাধম বৃকোদৰে তোৰ সন্মুখতে হিড়িম্বক কৰিছিলে বধ , নলে প্ৰতিশোধ ভাতৃহন্তা বৃকোদৰৰ ওপৰত , বৰঞ্চপে আদৰিলি তই সেই নৰাধম পাষণ্ডক --

হিড়িম্বা ঃ অলম্বুষ , পতিনিন্দা নসহে এই ৰাক্ষসী হিড়িম্বাই । কৰিছো সাৱধান , ৰাক্ষসী সত্তাক মোৰ নলবি জগাই , নতু এই স্থানতে , এই ক্ষণতে তোৰ মুণ্ড চিঙি মই তোৰ কৰিম ৰক্তপান ।

অলম্বুষ ঃ আঃ অপমান , অপমান আজি পুত্ৰই কৰে অপমান , মাতৃয়ে কৰে অপমান এই ৰাক্ষস শ্ৰেষ্ঠ অলম্বুষক । সখা হিড়িম্ব , কেৱল তোমাৰ কথা ভাবিয়েই মই মাতৃ-পুত্ৰক দিছো প্ৰাণদান । হিড়িম্বা , তই মহা ভুল কৰিছ , ইয়াৰ প্ৰতিফল তই এদিন পাবি হাতে হাতে --- **(খঙেৰে প্ৰস্থান)**

হিড়িম্বা ঃ যা অলম্বুষ, তোৰ ভাবুকিলৈ ভয় নকৰে হিড়িম্বাই । ধন্য ধন্য মোৰ পুত্ৰ ঘটোৎকচ, তোমাৰ কাৰ্যই আজি গৌৰান্বিত কৰিলে মোক । নিশ্চিত হলো মই হিড়িম্বাপুৰৰ দায়িত্ব বহনৰ বাবে তুমি হৈছা যোগ্য । যাঁও এই সন্দৰ্ভত মই পুত্ৰক বিচাৰি কৰোঁগৈ আলোচনা -------

**সূত্ৰ ঃ হিড়িম্বাৰ প্ৰস্থান । সভাত পঞ্চ পাণ্ডৱৰ প্ৰৱেশ** ---------

**গীত (ৰাগ ঃ মাহুৰ , তাল ঃ পৰিতাল )**

**সভাত প্ৰৱেশ কৰে পাণ্ডুৰ নন্দন।**
**দিব্য বস্ত্ৰে শোভে সৱে যেন দেৱগণ। ।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ। ।**

যুধিষ্ঠিৰ ঃ ভ্ৰাতৃগণ , তোমালোকেই মোৰ সম্বল , তোমালোকেই মোৰ গৌৰৱ । অৰ্ধৰাজ্য বুলি যদিওবা জেষ্ঠ পিতা ধৃতৰাষ্ট্ৰই খাণ্ডৱ বনহে কৰিছিলে দান । ভগৱন্তৰ কৃপা , দেৱশিল্পী বিশ্বকৰ্মা আৰু ময় দানৱৰ প্ৰচেষ্টাত নিৰ্মাণ কৰিলো ইয়াতেই দেৱপুৰী যেন ৰাজধানী, নাম দিলো সেয়ে ইন্দ্ৰপ্ৰস্থ ।

সহদেৱ ঃ দাদা, আপোনাৰ কীৰিতি, ইন্দ্ৰপ্ৰস্থৰ বৈভৱ দশোদিশে যাওক বিয়পি। আমাৰ হিতাংকাখীগণৰ পৰামৰ্শ লওক আদৰি । দেখুৱাই কৌৰৱক আমাৰ পৰাক্ৰম আয়োজন কৰক ৰাজসূয় যজ্ঞৰ -

নকুল ঃ সহদেৱে উচিত কথা কৈছে দাদা ; কৰি ৰাজসূয় যজ্ঞ সমাপন দেখুৱাওক কৌৰৱক ৰাজচক্ৰৱৰ্তী হোৱাৰ যোগ্য আপুনি ।

যুধিষ্ঠিৰ ঃ ভ্ৰাতৃগণ, উত্তম প্ৰস্তাৱ দিছা তোমালোকে ; পাছে উদ্দেশ্যত ফুটি উঠিছে তোমালোকৰ হীন মনোভাৱ । ইষ্ট কুটুম্বৰ লগত বৈৰীভাৱ ৰাখি ৰাজসূয় যজ্ঞ কৰাৰ মোৰ নাই অভিপ্ৰায় --

অৰ্জুন ঃ ক্ষমা কৰিব দাদা ; কথনৰ উদ্দেশ্য নুবুজিলো আমি ---

যুধিষ্ঠিৰ ঃ আমাৰ বক্তব্য অতিকে স্পষ্ট ; ৰাজসূয় যজ্ঞৰ আমি নহওঁ বিৰোধী । কিন্তু জ্যেষ্ঠগণক ৰাখি নিলগত, ভাই-ভাতৃৰ মাজত ৰাখি বৈৰীভাৱ নকৰোঁ আয়োজন মই ৰাজসূয় যজ্ঞৰ । বাৰু, এই সন্দৰ্ভত তোমালোকে আৰু নকৰিবা চিন্তা । যদুপতিলৈ মই পঠাইছো বাৰ্তা ; নিশ্চয় আহিব যদুপতি ; তেওঁৰ লগত আমি কৰিম আলাপ । এতিয়া ব'লা কৰোঁগৈ বিশ্ৰাম ---

**সূত্ৰ ঃ ভীমৰ বাদে বাকীসকলৰ প্ৰস্থান ----**

ভীম ঃ আঃ দাদা, কি কৈ গ'লা এয়া ? যি কৌৰৱে মাৰো বুলি মোক কৰাইছিলে বিহপান, পাঁচো ভাইক একেলগে মাৰোঁ বুলি জতুগৃহ কৰিছিলে দাহ সিহঁতৰ লগত নাৰাখা বৈৰীভাৱ ? নহওঁ মই দাদা তোমাৰ দৰে ধৈৰ্যবান, হিংসা-দ্বেষহীন মহান ধৰ্মৰাজ ; দ্বিতীয় পাণ্ডৱ মই বৃকোদৰ দুবাহুত আছে মোৰ সহস্ৰ হস্তীৰ বল। হাতে দুৰ্জয় গদা ধৰি মই বোৱাই দিব পাৰোঁ মৃত্যুৰ ঢল কৌৰৱ কুলত । ৰাঙলী কৰিব পাৰোঁ বসুন্ধৰা শত কৌৰৱৰ কলুষিত ৰক্তৰে ---

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ -------------------**

কৃষ্ণ ঃ প্ৰণাম দাদা -- কৃষ্ণই জনালো সেৱা ।

ভীম ঃ অ যদুপতি , আঁহা আঁহা ; আদৰিছো তোমাক ইন্দ্ৰপ্ৰস্থে ----।

কৃষ্ণ ঃ দাদা, সঁচাই বিতোপন ইন্দ্ৰপ্ৰস্থ ; অতি মনোহৰ স্থান দান দিলে আপোনাসৱক কৌৰৱগণে ---

ভীম ঃ নহয় কৃষ্ণ, দাদাৰ দৰে তুমিও কৌৰৱৰ নকৰিবা গুণগান । অন্যায় কৰিছে কৌৰৱে ; অৰ্ধৰাজ্য বুলি দিছিলে আমাক অনুৰ্বৰ মানব বৰ্জিত এই খাণ্ডৱপ্ৰস্থ । অশেষ চেষ্টাৰে আমাৰ নিৰ্মাণ হৈছে এই ইন্দ্ৰপ্ৰস্থ ---

**সূত্ৰ ঃ এনেতে ঘটোৎকচ--------------------**

ঘটোৎ ঃ অহোভাগ্য মোৰ ; পিতাৰ লগতে যদুপতিৰো আজি মোৰ হ'ল দৰ্শন ; সেৱা মোৰ কৰক গ্ৰহণ।

কৃষ্ণ ঃ কীৰ্তিমান হোৱা ঘটোৎকচ ।

ভীম ঃ দীৰ্ঘায়ু হোৱা পুত্ৰ , হঠাৎ আহিলা যে ; মাতাৰ মংগলনে ?

ঘটোৎ ঃ চিন্তা নকৰিব পিতা , ভগৱন্তৰ কৃপাত সকলোৰে মংগল । মাতাৰ আদেশতেই আহিছো মই আপোনাৰ সমীপে । কৰিছে মাতাই আপোনাক এক অনুৰোধ ----।

ভীম ঃ হিড়িম্বাই কৰিছে অনুৰোধ ; কোৱা পুত্ৰ কি অনুৰোধ মাতাৰ ?

ঘটোৎ ঃ মাতাৰ ইচ্ছা হিড়িম্বাপুৰৰ নেতৃত্ব ল'ব লাগে মই। সেইহেতু পঠাইছে মোক আপোনাৰ কাষে--

ভীম ঃ অতি উত্তম চিন্তা কৰিছে তোমাৰ মাতাই । তুমি এতিয়া নেতৃত্ব ল'বৰ বাবে যোগ্য । কিন্তু , ইয়াত অনুৰোধৰ কিয় প্ৰয়োজন--- ? পুত্ৰ , কি ইয়াৰ অৰ্থ --- ?

ঘটোৎ ঃ ইয়াৰ অৰ্থ ---- ইয়াৰ অৰ্থ মানে পিতা ---------

কৃষ্ণ ঃ ইয়াৰ অৰ্থ অতিকে মহান ; নিশ্চয় এওঁলোকৰ আছে পৰম্পৰা নেতৃত্ব লোৱাজনে প্ৰথমে কৰাব লাগে বিবাহ । মই ভুল কৈছো নেকি ঘটোৎকচ ?

ঘটোৎ ঃ ভুল--; নাই নাই যদুপতি আপুনি সত্য কথাটোৰেই কৰিলে ব্যক্ত । মাতাই সেয়ে পঠাইছে মোক পিতাৰ সমীপে , কৰিছে অনুৰোধ পিতাক পুত্ৰৰ বাবে এগৰাকী যোগ্য পাত্ৰী নিৰ্বাচন কৰিবলৈ।

ভীম ঃ অহ যদুপতি , এয়াটো গধুৰ দায়িত্ব দিলে ভাৰ্যা হিড়িম্বাই মোক । এই বৃকোদৰৰ দৃষ্টি আবদ্ধ আছিল কেৱল শত্ৰু আৰু ভোজনত । ৰূপৱতী , গুণৱতী কোনো কন্যাৰ প্ৰতি দিয়া নাই দৃষ্টি , তেনেস্থলত হঠাত পুত্ৰৰ বাবে যোগ্য কন্যা মই কেনেদৰে কৰোঁ নিৰ্বাচন ?

কৃষ্ণ ঃ আপুনি চিন্তা নকৰিব দাদা, ঘটোৎকচৰ বাবে মই যোগ্য কন্যাৰ কৰি থৈছো নিৰ্বাচন। ঘটোৎকচ, তুমি যাবা প্ৰাগজ্যোতিষপুৰে , বৰৰ অপেক্ষাৰত বৰ্তমান মুৰনন্দিনী মৌৰবী । পাছে , মৌৰবীক লভাতো নহয় সহজ ; লয় মৌৰবীয়ে বৰপ্ৰাৰ্থীৰ জ্ঞান আৰু বলৰ পৰীক্ষা । তাত উত্তীৰ্ণ হ'লেহে তুমি ---

ঘটোৎ ঃ যদুপতি, মই মহা বলবান বৃকোদৰৰ নন্দন, আছে মোৰ শৰীৰতো শত হস্তীৰ বল। মাতাৰপৰা লভিছো মই বুদ্ধি - জ্ঞান, নিশ্চয় মোৰ সামৰ্থ্যৰ মুৰনন্দিনীক দিম প্ৰমাণ।

কৃষ্ণ ঃ তোমাৰ দৃঢ় বিশ্বাস দেখি সুখী হ'লো মই, যোৱা তেন্তে --- কিন্তু ৰাখিবা মনত, আমাৰ নাম মুৰনন্দিনীৰ আগে প্ৰথমেই নকৰিবা প্ৰকাশ।

ঘটোৎ ঃ নিশ্চয় যদুপতি, নকৰোঁ প্ৰকাশ ; পিতা দিয়ক আশীৰ্বাদ।

ভীম ঃ যা বাচা, সফল হ তোৰ উদ্দেশ্যত।

**সূত্ৰ ঃ ঘটোৎকচে যাত্ৰা কৰে--------------------------------**

ভীম ঃ যদুপতি, ব'লা দাদা যুধিষ্ঠিৰ আৰু ভাতৃগণৰ লগতো কৰা সাক্ষাত।

কৃষ্ণ ঃ নিশ্চয় নিশ্চয় দাদা, ব'লক সকলোকে কৰোঁগে সাক্ষাত।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত মৌৰৱীৰ প্ৰৱেশ ---------------**

**গীত - ( ৰাগ ঃ সুহাই ; তাল ঃ একতাল )**

**প্ৰৱেশিলা সভাৰ মাজে মৌৰৱী সুন্দৰী।**
**লয়লাসে চলি আহে গজেন্দ্ৰ গামিনী।।**
**ৰঙ্গমনে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

মৌৰৱী ঃ মুৰনন্দিনী মই মৌৰৱী -- হাঃ হাঃ যক্ষ, ৰক্ষ ,অসুৰ, মনুষ্য সবে আহিছে আমাক পাবলৈ কিন্তু হ'ব পৰা নাই মোৰ পৰীক্ষাত উত্তীৰ্ণ। এগৰাকী নাৰীৰ আগত নিজৰ সামৰ্থ দেখুৱাব নোৱাৰা সেই দুৰ্বল পুৰুষক নকৰে বিবাহ এই মৌৰৱীয়ে --হাঃ হাঃ চিৰ বিদায় দিছো তেনে দুৰ্বল পুৰুষক এই অস্ত্ৰই মই ধৰণীৰপৰা। প্ৰভূ, তুমিয়েই কৈছিলা এজন বীৰক পঠাবা মোৰ সমীপে ; কিন্তু আজিলৈকে কিয় নাহিল সেই বীৰজনা ?

**সূত্ৰ ঃ এনেতে ঘটোৎকচ --------------------------**

ঘটোৎ ঃ মুৰনন্দিনী মৌৰৱীক জনাইছো প্ৰণাম।

মৌৰৱী ঃ কোন তুমি ? আগমণৰ উদ্দেশ্য কি ?

ঘটোৎ ঃ উদ্দেশ্য মোৰ অতিকে মহান ; আছে অভিপ্ৰায় মোৰ মুৰনন্দিনীক বিবাহৰ ---

মৌৰৱী ঃ মুৰনন্দিনীক বিবাহ, হাঃ হাঃ উত্তম, অতি উত্তম ; পাছে জানানে তুমি, মোক লভিবলৈ তুমি দিব লাগিব তোমাৰ জ্ঞান আৰু বলৰ প্ৰমাণ।

ঘটোৎ ঃ জানো দেৱী, প্ৰস্তুত হৈয়ে আহিছো মই। ল'ব পাৰা তুমি মোৰ বুদ্ধি আৰু বলৰ প্ৰমাণ। যদি দিয়া অনুমতিময়ে প্ৰথমে লওঁ তোমাৰ বুদ্ধিৰ প্ৰমাণ --

মৌৰৱী ঃ হাঃ হাঃ যত পুৰুষ আহিছে বৰপ্ৰাৰ্থী হৈ মোৰ সমীপে তুমি ব্যতিক্ৰম। সুখী হ'লো তোমাৰ সাহসত। দিলো অনুমতি প্ৰথমে তুমিয়ে কৰা আৰম্ভ ----

ঘটোৎ ঃ তেন্তে শুনা দেৱী, আছিল এক কামাতুৰ পুৰুষ। পৰিল সি প্ৰেমত এক সুন্দৰী বেশ্যাৰ, দুয়োৰে মাজত ঘটিল অনৈতিক সম্বন্ধ ; জন্ম হ'ল সিহঁতৰ এক কন্যা সন্তান। পাছে কুলটা নাৰী পুনৰ প্ৰেমত পৰি অন্য এজন পুৰুষৰ, তেজিলে কন্যাসহ পূৰ্ব পতিক। কামাতুৰ পুৰুষজনেই তুলি-তালি ডাঙৰ কৰিলে কন্যা শিশুক ; কন্যা যুৱতীত হ'ল পৰিণত। মাতাতকৈও হ'ল কন্যা অধিক ৰূপৱতী, কন্যাৰ ৰূপে মুহিলে পিতৃক।

মৌৰৱী ঃ কি কৈছা তুমি ? কন্যাৰ ৰূপে মুহিলে পিতৃক ?

ঘটোৎ ঃ হয় দেৱী, দুৰাচাৰী মনুষ্যই কামান্ধ হৈ বুলিলে কন্যাক মিথ্যা বচন ---তই মোৰ তোলনীয়া জী। গতিকে তই তোৰ যৌৱন মোকেই কৰ সমৰ্পন।

মৌৰৱী ঃ ছিঃ লজ্জাজনক, পিতৃয়ে দিলে কন্যাক এনে ঘৃণনীয় প্ৰস্তাৱ। তাৰপাছত ----

ঘটোৎ ঃ কামাতুৰ পুৰুষৰ কথাত ভুল গৈ দুয়োৰে মাজত ঘটিল অনৈতিক সম্বন্ধ। জন্ম হ'ল তেওঁলোকৰ এটি কন্যা সন্তান।

মৌৰৱী ঃ ছিঃ ছিঃ ঘৃণনীয়, অতি ঘৃণনীয় -----

ঘটোৎ ঃ বাৰু দেৱী, কোৱাচোন এতিয়া জন্ম হোৱা কন্যাটি কামাতুৰ পুৰুষজনৰ সম্বন্ধত হ'ব কি ?

মৌৰৱী ঃ নিশ্চিতৰূপে হ'ব কন্যা ----

ঘটোৎ ঃ আৰু ---, শিশু কন্যাটিৰ মাতৃগৰাকী কামাতুৰ পুৰুষজনৰ সম্বন্ধত আছিল কোন ?

মৌৰৱী ঃ হাঃ হাঃ -- এয়াই নেকি প্ৰশ্ন তোমাৰ ? কন্যা আছিল-----

ঘটোৎ ঃ কন্যাৰ সন্তান জানো পিতৃৰ বাবে হয় কন্যা ? প্ৰকৃততে দেৱী শাস্ত্ৰমতে কাৰোৰেই হোৱা নাছিল বিবাহ ; ঘটিছিল অনৈতিক সম্বন্ধ । তেনেস্থলত দেৱী, বুদ্ধিৰ পৰীক্ষাত তুমি হ'লা পৰাস্ত হাঃ হাঃ-

মৌৰৱী ঃ উল্লাহিত নহ'বি তই , এতিয়াও আছে তোৰ বাকী বলৰ পৰীক্ষা ।

ঘটোৎ ঃ তাৰ বাবে সাজু আছো মই , নাৰী বুলি প্ৰথমে তুমিয়ে কৰা প্ৰহাৰ ---

**গীত**

**মহাক্ৰোধে মৌৰৱীয়ে প্ৰহাৰ কৰিলে ।**
**হেলাৰঙে ঘটোৎকচে তাক বিদাৰে ।।**

**সূত্ৰ ঃ ৰণত মৌৰৱী পৰাস্ত হৈ যি কয়-----------------------**

মৌৰৱী ঃ হে বীৰ , কোন আপুনি ? দিয়ক মোক আপোনাৰ সত্য পৰিচয় ।

ঘটোৎ ঃ দেৱী , বৃকোদৰৰ পুত্ৰ মই ঘটোৎকচ । আহিছো তোমাৰ সমীপে যদুপতিৰ আদেশত --

মৌৰৱী ঃ কি ক'লে , যদুপতিৰ আদেশত ; আৰু আপুনি দ্বিতীয় পাণ্ডৱ বৃকোদৰনন্দন ? হে বীৰ , নিচিনি আপোনাক মই কৰিলো অপমান । মোৰ অপৰাধ কৰক মাৰ্জনা ।

ঘটোৎ ঃ উঠা দেৱী , পাছে এতিয়া চৰ্তমতে তুমি মোক স্বামীৰূপে কৰিবানে গ্ৰহণ ?

মৌৰৱী ঃ অহোভাগ্য মোৰ , হে বৃকোদৰনন্দন এই অভাগিনীক পত্নীৰূপে আপুনি কৰক গ্ৰহণ ---

**সূত্ৰ ঃ মাংগলিক বাদ্য বাজে ---**

ঘটোৎ ঃ উঠা মৌৰৱী , তোমাৰ দৰে বীৰাঙ্গনাক পত্নীৰূপে পাই ধন্য হ'লো মই । এতিয়া ব'লা , প্ৰথমে পিতাৰ আশীৰ্বাদ লৈ মাতাৰ কাষলৈ কৰিম গমন ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত দুৰ্যোধন , দুঃশাসন , কৰ্ণ আৰু শকুনিৰ প্ৰৱেশ ------**

**গীত- ( ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে বীৰ দুৰ্যোধন ।**
**সঙ্গে আহে বীৰগণ দেখিতে শোভন ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

দুৰ্যো ঃ ( অস্থিৰ ভাৱে ) মামা , দুৰ্যোধন মই দুৰ্যোধন ; আছে মোৰ স্বাভিমান , নোৱাৰোঁ পাহৰিব মই ইমান অপমান ।

শকুনি ঃ সঁচা কথা ভাগিন , তুমি কুৰুপতি ; আছে তোমাৰ স্বাভিমান , নোৱাৰা পাহৰিব তুমি ইমান অপমান --- অ , কিয় কৰিবা সিহঁতক ক্ষমা দান ?

কৰ্ণ ঃ কি হলাহল, কি অপমান ? একো বুজা নাই মই। মামা, কি হৈছে কওক মোক প্ৰকৃত ঘটনা ।

দুঃশাস ঃ অঙ্গৰাজ , পাণ্ডৱৰ ৰাজসূয় যজ্ঞলৈ আমি গৈছিলো সকলো । গৈছিল আপুনিও -----

কৰ্ণ ঃ হয়, নিমন্ত্ৰণ ৰক্ষাৰ হেতু তোমালোকৰ লগত ময়ো গৈছিলো আৰু পাণ্ডৱেও আমাক যথা যোগ্য সন্মানেৰে সন্মানিত কৰি তোমালোকক যজ্ঞ পৰিচালনাৰ দায়িত্ব কৰিছিলে অৰ্পণ।

শকুনি ঃ সত্য কথা অঙ্গৰাজ, সেই খিনিলৈকে ঠিকেই আছিল। যজ্ঞ হ'ল সমাপন, তোমালোক আহিলা নিজ ৰাজ্যলৈ ঘুৰি । জ্যেষ্ঠ কৌৰৱ , দুঃশাসন আৰু এই নিঃকিনক যুধিষ্ঠিৰে দুদিনমান থাকি ইন্দ্ৰপ্ৰস্থৰ শোভা চাবলৈ কৰিলে অনুৰোধ। হাঁয় হাঁয় আমি তিনি মন্দমতিয়েটো নাজানো পাণ্ডৱৰ

উদ্দেশ্য ? ইন্দ্রপ্রস্থৰ শোভা দেখুওৱাৰ চলেৰে আমাক যে সিহঁতে কৰিব অপমান সেইটো আমাৰ মনলৈ এবাৰো অহা নাছিল --। নহয়নে ভাগিন , তোমাৰ মনলৈ জানো আহিছিল --

| | | |
|---|---|---|
| দুৰ্যো | ঃ | মামা , কিয় ঘৃত ঢালিছে মোৰ জ্বলন্ত অগ্নিত ? আঃ অসহ্য , অপমান , ঘোৰ অপমান। |
| কৰ্ণ | ঃ | সখা , কেনেদৰে পাণ্ডৱে কৰিলে অপমান ? আঃ , ইমান সাহস পাণ্ডৱৰ , অতিথিৰূপে মাতি মোৰ সখাক কৰে অপমান। কওঁক মামা , কি কৰিলে পাণ্ডৱে ? |
| শকুনি | ঃ | অঙ্গৰাজ , ময়দানৱে সৃষ্টি কৰা ইন্দ্ৰপ্ৰস্থ সঁচাই অতুলনীয় , হস্তিনাপুৰতকৈও বিতোপন । প্ৰাসাদৰ মজিয়া নে জলভৰ্তি সৰোবৰ একো বুজিবই নোৱাৰি । জল বুলি কোনো ঠাইত ভৰিৰ বস্ত্ৰ দাঙি আমি দিওঁ খোজ ; কিন্তু , কিন্তু অঙ্গৰাজ , নহয় জল , মাথো মৰিচীকা । তেনে মৰিচীকাত নাযাওঁ বুলি ভুল এবাৰ পৰিলো আমি তিনিও এক জলভৰ্তি পুখুৰীত --- |
| দুৰ্যো | ঃ | মামা , বন্ধ কৰক ইন্দ্ৰপ্ৰস্থৰ গুণগান । ধৈৰ্যৰ পৰীক্ষা আৰু নল’ব আপুনি ; নতু পৰিণাম হ’ব অতি ভয়ানক । পাহৰি যাম মই মামা - ভাগিনৰ সম্বন্ধ ---- |
| শকুনি | ঃ | সত্যটোহে কৈছো ভাগিন, অলপো বঢ়াই কোৱা নাই মই অঙ্গৰাজৰ আগত । আগ্ৰহ কৰিছে যেতিয়া সখাই সকলো কথা জনোৱাটো কৰ্তব্য আমাৰ । অঙ্গৰাজ, যেতিয়াই পৰিলো আমি তিনিও জলাশয়ত, শুনিলো আমি হঠাতে আকাশ কঁপোৱা গৰ্জন মৰা --- হাঁহি ৰমণীৰ -- |
| দুৰ্যো | ঃ | আঃ মামা বন্ধ কৰক, বন্ধ কৰক ; এতিয়াও মোৰ দুই কৰ্ণত ভাঁহি আছে দ্ৰোপদ নন্দিনীৰ সেই বিদ্ৰুপৰ হাঁহি । অপমানত সৰ্বশৰীৰ মোৰ উঠিছে জ্বলি। নকুল-সহদেৱেও বিদ্ৰুপৰ হাঁহিৰে আমাৰ অসহায়তাত ল’লে কৌতুক । সখা, কওঁ কিদৰে অন্ধৰ পুত্ৰ অন্ধই বুলি পাঞ্চালীয়ে মোক কৰে অপমান । আঃ সহিব নোৱাৰোঁ মই ইমান অপমান । দুৰ্যোধন মই ; অপমানিত জীৱনতকৈ মৃত্যুকেই মই কৰোঁ আলিঙ্গন ---- |
| কৰ্ণ | ঃ | সখা , কিয় লোৱা তুমি মৃত্যুৰ নাম ? দুৰ্বলজনেহে কয় এনে কাপুৰুষালিৰ বচন । তুমি দুৰ্বল নোহোৱা সখা , তুমি অজেয় , তুমি জ্যেষ্ঠ কৌৰৱ , তুমি সখা অঙ্গৰাজৰ । |
| দুৰ্যো | ঃ | সেইবাবেই সহিব পৰা নাই মই পাণ্ডৱৰ অপমান। জ্যেষ্ঠ কৌৰৱ মই , আছে মোৰ স্বাভিমান, অথচ এজনী সামান্য নাৰীয়ে মোক কৰিলে অপমান । পাণ্ডৱৰ ঐশ্বৰ্য্য দেখি মামা জ্বলি পুৰি মৰা নাই মই ঈৰ্ষাত । কিন্তু পাহৰিব নোৱাৰো মই দ্ৰৌপদীৰ তাচ্ছিল্য । শয়নে , দিঠকে কেৱল মোৰ কৰ্ণত ভাঁহি আছে সেই অসতীৰ বিদ্ৰুপৰ হাঁহি ----- |
| শকুনি | ঃ | আঃ ভাগিন, তুমি বেজাৰ নকৰিবা । তুমি চিন্তা নকৰিবা । তোমাৰ অৱস্থা দেখি মোৰো সৰ্ব শৰীৰত উঠলি উঠিছে প্ৰতিশোধৰ দাবানল। ভাগিন, নহয় এতিয়া বেজাৰৰ সময় ; এতিয়া সময় প্ৰতিশোধৰ ; অ ভাগিন , প্ৰতিশোধ ল’ব লাগিব পাণ্ডৱৰ ওপৰত , প্ৰতিশোধ ল’ব লাগিব তোমাক তাচ্ছিল্য কৰা সেই পাঞ্চালীৰ ওপৰত --- |
| দুঃশাস | ঃ | প্ৰতিশোধৰ দাবানল মোৰ শৰীৰতো উঠলি উঠিছে। সিৰাই সিৰাই প্ৰৱাহিত হৈছে মোৰ তপ্ত শোণিত। প্ৰতিশোধ লম আমি পাণ্ডৱৰ ওপৰত ; প্ৰতিশোধ লম আমি সেই অসতীৰ ওপৰত -- |
| দুৰ্যো | ঃ | উচিত কথা কৈছা তোমালোকে। এতিয়াৰ পৰা আৰু মই নকৰোঁ দুখ । সমস্ত বেদনাক, লঘু লাঞ্ছনাক পৰিণত কৰিছো মই প্ৰতিশোধৰ দাবানললৈ । দ্ৰৌপদীসহ পঞ্চপাণ্ডৱ চাৰখাৰ হৈ |

নোযোৱা পৰ্য্যন্ত জ্বলি থাকিব এই অগনি। কিন্তু মামা, কেনেদৰে লওঁ মই প্ৰতিশোধ - ?

শকুনি ঃ চিন্তা নকৰিবা ভাগিন। পাণ্ডৱক বাটৰ ভিকহু কৰাৰ উপায় উলিয়াম মই -- হাঃ হাঃ ভাগিন, তুমি মাথো তোমাৰ পিতা ধৃতৰাষ্ট্ৰক কৰাবা সৈমান , নিমন্ত্ৰণ দিয়াবা যুধিষ্ঠিৰক পাশা খেললৈ ---

দুৰ্যো ঃ পাশাখেল -- ? তাকো যুধিষ্ঠিৰৰ লগত ? আঃ মাতলামি নকৰিব মামা , দহিছো মই প্ৰতিশোধৰ দাবানলত , অথচ আপুনি আনন্দ লভিব বিচাৰিছে পাশাখেলত ।

শকুনি ঃ যুধিষ্ঠিৰৰ অনুৰোধ ৰক্ষা কৰি তুমি পালা অপমান । কিন্তু ভাগিন , মই নহওঁ যুধিষ্ঠিৰ , মই তোমাৰ মাতুল । মোৰ ওপৰত ৰাখা ভৰষা । যেনেতেনে কিবা উপায়েৰে দ্যুতক্ৰীড়াৰ উদ্দেশ্যে লৈ আঁহা পাণ্ডৱক হস্তিনাপুৰলৈ। তাৰপাছত দেখিবা ভাগিন, -- বিনাযুদ্ধে , বিনাৰক্তে পাণ্ডৱ আৰু সেই পাঞ্চালী হৈছে তোমাৰ হাতৰ পুতলা । ইচ্ছা কৰিলে তুমি হেঃ হেঃ হেঃ---

দুৰ্যো ঃ আপোনাৰ ওপৰত মোৰ আছে দৃঢ় বিশ্বাস । সহজেই পিতাক মই কৰাম সৈমান । পিতাৰ সন্মতি লৈ বিদুৰৰদ্বাৰা পাণ্ডৱক পাশাখেললৈ দিম নিমন্ত্ৰণ --হাঃহাঃ তেন্তে কাৰ্যত হওঁ অগ্ৰসৰ

**সূত্ৰ ঃ শকুনিৰ বাদে সকলোৰে প্ৰস্থান ---------**

শকুনি ঃ হাঃ হাঃ ভাগিন, কি বুজিবি তই তোৰ মাতুলৰ চালনা ? সুবলনন্দন মই, পাহৰা নাই, নাপাহৰোঁ মই তোৰ অন্ধ পিতাৰাই পিতৃসহ মোৰ জ্যেষ্ঠ ভাতৃগণক অন্ধকাৰ পোতাশালত অনাহাৰে দিয়া মৃত্যু যাতনাক । আঃ, পাশাখেলি মই নলওঁ আনন্দ। পিতৃৰ হাতৰ আঙুলিৰপৰা নিৰ্মিত অক্ষগুটিকা চলে মোৰ নিৰ্দেশত । এই পাশাখেলে পাণ্ডৱৰ নহয় -- হাঃ হাঃ দিব নিমন্ত্ৰণ কাল অমানিশা কৌৰৱৰ ভাগ্যত ; সাৰধান ভাগিন, সাৰধান ধৃতৰাষ্ট্ৰ হাঃ হাঃ--

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান । আনফালে শ্ৰীকৃষ্ণ ----**

কৃষ্ণ ঃ মিছাতেই আনন্দ কৰিছা কৌৰৱগণ। কোনেও কাৰো ভাগ্য নোৱাৰে লিখিব। সকলো কালৰ অধীন, এই যে পাশাখেল, পাণ্ডৱৰ বনবাস সকলো আমাৰ ইচ্ছাতেই হৈছে সমাপন । দুষ্টক দমন আৰু সন্তক পালনৰ উদ্দেশ্যেৰেই নৰৰূপে মৰ্ত্তত আমাৰ অৱতাৰ । যত পাপী আছে ধৰাৰ বুকুত , সকলোকে সমবেত কৰাই দমন কৰাম কুৰুক্ষেত্ৰ ৰণত । যাঁও এবে নিজ কৰ্তব্যত --

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান । আনফালে সভাত প্ৰথমে হিড়িম্বা । পাছত উত্ৰাৱল হৈ ঘটোৎকচ -----**

ঘটোৎ ঃ মাতৃ -- মাতৃ ---

হিড়িম্বা ঃ পুত্ৰ, কিয় তই হৈছ উত্ৰাৱল ? তইতো গৈছিলি বাচা বৰ্বৰিকৰ সৈতে যদুপতিৰ কাষলৈ ।

ঘটোৎ ঃ মাতা , পালো এক দুখবৰ পিতৃগণৰ --; অ মাতা , পাণ্ডৱগণ আছে পুনৰ বনবাসত ---

হিড়িম্বা ঃ কি বাচা , পুনৰ পাণ্ডৱগণ আছে বনত । কিন্তু কিয় ?

ঘটোৎ ঃ অধৰ্মী কৌৰৱৰ বাবেই পিতৃগণে ভূগিছে যান্ত্ৰণা । দুৰ্যোধনে পাতিলে পাশাখেল , জ্যেষ্ঠপিতা যুধিষ্ঠিৰক দিলে নিমন্ত্ৰণ আৰু মাতুল শকুনিৰ হতুৰাই চল কৰি জ্যেষ্ঠপিতাক পৰাস্ত কৰোৱাই দুৰ্যোধনে দিলে পাণ্ডৱগণক বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস আৰু আছে দুখবৰ মাতৃ , কিন্তু কিদৰে দিওঁ তোমাক --

হিড়িম্বা ঃ ক বাচা, দুখ সহি সহি মোৰ হৃদয় হৈছে পাষাণ । ক বাচা , মই নহওঁ বিচলিত ।

ঘটোৎ ঃ মাতা , মাহী আই দ্ৰৌপদীক ভৰা ৰাজসভালৈ পাপী দুশাসনে কেশত ধৰি আনিলে টানি আৰু --- আৰু ৰাজসভাত অধম দঃুশাসনে মাহীআইৰ বস্ত্ৰ টানি ----

হিড়িম্বা ঃ আঃ পুত্ৰ , আৰু নকৰিবি বৰ্ণনা , নোৱাৰিম মই শুনিব ---হে প্ৰভূ , জীৱশ্ৰেষ্ঠ মনুষ্যই যদি নাৰীৰ ওপৰত কৰে অত্যাচাৰ তেন্তে ক'ত থাকিল ধৰ্ম ? কিয় তুমি মৌন হৈ আছা প্ৰভূ ?

ঘটোৎ ঃ পুত্ৰ জীৱিত থাকোতে পিতৃৰ এনে দুৰ্দশা । নাই নাই , ঘটোৎকচে হ'ব নিদিয়ে এনে অন্যায় । মাতৃ , কৰিব ইয়াৰ বিচাৰ ঘটোৎকচে । এটা এটাকৈ মই শত কৌৰৱক কৰিম ভক্ষণ ; সমগ্ৰ হস্তিনাক মই ডুবাম সমুদ্ৰত ।

হিড়িম্বা ঃ পুত্ৰ,-- ঘটোৎকচ , দেখিছো তোৰ গাত মই দুৰাচাৰী ৰাক্ষসৰ চাপ । কি মই তোক দিছিলো এয়াই শিক্ষা ? ৰাক্ষসৰ ৰক্ত মোৰো সিৰাই সিৰাই হৈ আছে প্ৰবাহিত । ইচ্ছা কৰিলে কালমূৰ্তি ধৰি জঁপিয়াই পৰিব পাৰোঁ কৌৰৱৰ বক্ষত । কিন্তু চা পুত্ৰ, আছো মই ধৈৰ্য ধৰি । তয়ো ধৰিব লাগিব ধৈৰ্য ; বাচা , তয়ো ধৰ ধৈৰ্য ---

ঘটোৎ ঃ কিন্তু মাতৃ , পিতৃগণৰ দুখ মই পৰা নাই সহিব ; মোক বাধা নিদিবা মাতৃ ---

হিড়িম্বা ঃ পিতৃগণক তই নাভাবিবি দুৰ্বল বুলি , ইচ্ছা কৰিলে তোৰ পিতা বৃকোদৰ আৰু ধনুৰ্দ্ধৰ ধনঞ্জয়ে দেৱেন্দ্ৰকো কৰিব পাৰে পৰাস্ত ; তেনেস্থলত কৌৰৱগণ---হাঃ হাঃ যথাসময়ত নিশ্চয় পাণ্ডৱগণে অপমানৰ দিব প্ৰত্যুত্তৰ । গতিকে অনুচিত কাৰ্য কৰি কলংকিত নকৰিবি তই পিতৃকুলক । নতু তোৰ পিতৃয়ে দুষিব মোক । বাচা, মাতৃয়ে তোক আজি কৰিছো অনুৰোধ --

ঘটোৎ ঃ মাতৃ , এয়া তুমি কি কৰিছা ? উস ক্ষণিকৰ বাবে মই হৈছিলো উত্তেজিত , পাহৰি পেলাইছিলো তোমাৰ শিক্ষণ, পাহৰি গৈছিলো মই নিজৰ পণ । কৰিছো প্ৰতিজ্ঞা পিতৃকুলত কলংক নানো মই , নিজ প্ৰাণ দি হ'লেও পিতৃৰ গৌৰৱ ৰাখিম অক্ষুণ্ণ । মাতা কৰোঁ প্ৰণিপাত , অধম পুত্ৰ বুলি মোৰ অপৰাধ কৰা মাৰ্জনা ।

হিড়িম্বা ঃ বাচা , তয়ে মোৰ একমাত্ৰ সাৰথি , মোৰ আশা ভৰষাৰ থল তই । বাচা , পিতৃগণৰ বাবে আৰু তই নকৰিবি চিন্তা ; ব'ল এতিয়া খন্তেক কৰোঁগৈ বিশ্ৰাম ।

ঘটোৎ ঃ ব'লক মাতৃ --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত বৰ্বৰিকৰ প্ৰৱেশ ------**

**গীত - ( ৰাগ ঃ মল্লাৰ ; তাল ঃ ৰচক )**

**প্ৰৱেশয় সভাৰ মাজে মৌৰবী নন্দন ।**
**সুন্দৰ সুঠাম দেহা দেখিতে শোভন ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বজনে ।।**

বৰ্ব ঃ ধন্য মোৰ জীৱন , মাতাৰ পৰা লভিলো মই মায়া বিদ্যা, যদুপতিৰ পৰা লভিলো অস্ত্ৰ শিক্ষা । যদুপতিৰ আদেশতে কৰি তপ হৰ- গৌৰীক লভিলো এয়া অক্ষয় বাণ । বহুদিন কৰলো তপ ; অন্তৰত জাগে হাবিয়াস মাতাৰ সান্নিধ্য লভাৰ । যাঁও এৱে মই পিতা - মাতাৰ সমীপে ---

**সূত্ৰ ঃ বৰ্বৰিকৰ প্ৰস্থান । আনফালে সভাত দুখমনে মৌৰবী ---**

মৌৰবী ঃ বহুদিন হ'ল পুত্ৰ বৰ্বৰিকৰ মই পোৱা নাই সংবাদ । পুত্ৰই মোৰ বনৰ মাজত অনাহাৰে অনিদ্ৰাই কৰি আছে হৰ-গৌৰীক কঠোৰ তপ। জানো মই তপস্যাত সফল নোহোৱালৈকে নাহে পুত্ৰ মোৰ সমীপে। হে মহাদেৱ , হে মাতা গৌৰী , সন্তুষ্ট হোৱা তোমালোক মোৰ পুত্ৰৰ তপস্যাত ---

**সূত্ৰ ঃ এনেতে ঘটোৎকচ ---------**

ঘটোৎ ঃ মৌৰবী , প্ৰিয়ে মৌৰবী কি হৈছে তোমাৰ ? কিয় দেখো তোমাক আজি মলিন বদনে ?

মৌৰবী ঃ নাথ, নাথ পুত্ৰ কাষত নাথাকিলে পিতৃৰ হৃদয়ে কি কয় নাজানো মই , কিন্তু মাতৃৰ হৃদয়ে কৰে হাঁহাকাৰ । নাথ , বৰ্বৰিকৰ বাবে চিন্তিত আজি মই । সহিব পৰা নাই মই পুত্ৰৰ বিচ্ছেদ ।

ঘটোৎ ঃ বিচ্ছেদ বুলি কিয় কোৱা প্ৰিয়ে ? তোমাৰপৰা মায়াবিদ্যা আৰু যদুপতিৰ পৰা অস্ত্ৰ শিক্ষা লৈ আমাৰ পুত্ৰ বৰ্বৰিকে নিজৰ মংগলৰ বাবেই কৰিছে তপ। বিশ্বাস আছে মোৰ পুত্ৰৰ ওপৰত । অচিৰেই সফল হৈ আহিব আমাৰ পুত্ৰ---

**সূত্ৰ ঃ এনেতে বৰ্বৰিক---------------------**

বৰ্ব ঃ মাতৃ ,-----মাতৃ --- প্ৰণাম মাতা , ---প্ৰণাম পিতা ।

মৌৰবী ঃ বাচা , তই আহিলি বাচা ; আহ বাচা , তোক মই লওঁ আঁকোৱালি ---

**সূত্ৰ ঃ এনেতে হিড়িম্বা---------------------------**

হিড়িম্বা ঃ বৰ্বৰিক , বাচা বৰ্ব --------

বৰ্ব ঃ প্ৰণাম মাতামহ । মোৰ সেৱা গ্ৰহণ কৰক ----

হিড়িম্বা ঃ দীৰ্ঘজীৱী হ বাচা । হ'লনে তোৰ তপস্যা সফল ------ ?

বৰ্ব ঃ হে মাতামহ , হে মোৰ পূজনীয় পিতা - মাতা , তোমালোকৰ পুত্ৰ এই বৰ্বৰিকে তপস্যা কৰি মহাদেৱক কৰিলে সন্তুষ্ট । চোৱা পিতা, অগ্নিদেৱে প্ৰদান কৰিলে মোক এই দিব্য ধনু আৰু মহাদেৱে আশীৰ্বাদসহ দিছে মোক এই তিনিপাত অক্ষয় বাণ ---

ঘটোৎ ঃ হে মহাদেৱ , এয়া তোমাৰ কেনে ন্যায় ? মোৰ পুত্ৰই তোমাক কৰিলে অত তপ ; কিন্তু প্ৰতিদানৰূপে তুমি দিলা মাত্ৰ তিনিপাত বাণ ?

বৰ্ব ঃ পিতা, মহাদেৱৰ প্ৰতি তুমি নুবুলিবা কটু বচন । মাত্ৰ তিনিপাত বাণ বুলি তুমি নকৰিবা অবজ্ঞা । আছে ঐশ্বৰিক শক্তি এই তিনিপাত অক্ষয় বাণত । প্ৰথমপাত বাণে যত লক্ষ্য মোৰ সবাতে লগাব চিহ্ন , দ্বিতীয়পাত বাণে মোৰ যত চিহ্নিত লক্ষ্য ততৰ লব প্ৰাণ আৰু তৃতীয় পাত বাণে মোৰ হাঃ হাঃ সমস্ত সৃষ্টিক পিতা কৰিব নিঃশেষ --

মৌৰবী ঃ হে মহাদেৱ, বাচাৰ ওপৰত কৰা কৃপাৰ বাবে আপোনাৰ চৰণত যাঁচিছো মই সহস্ৰ প্ৰণাম । কিন্তু বৰ্বৰিক , কৰিব লাগিব আজি তই এক অঙ্গীকাৰ । অ বাচা , অবাবত তই কেৱল আনন্দ প্ৰাপ্তিৰ বাবে এই বাণ যেন কদাপিতো নকৰ নিক্ষেপ --

হিড়িম্বা ঃ লগতে তই কৰিব লাগিব আৰু এক অঙ্গীকাৰ--; দুৰ্বলীৰহে তই হবি সহায়, ৰণত সৰ্বদা তই দুৰ্বল পক্ষকহে কৰিবি সহায় --

বৰ্ব ঃ হে মাতৃ আৰু মাতামহ, কৰিছো পণ জগতৰ কল্যাণৰ বাবেহে এই বাণ প্ৰয়োগ কৰিম মই , সৰ্বদা দুৰ্বলীৰহে সহায় হ'ম মই । মাতামহ, বনত পাইছিলো সাক্ষাত পিতামহ বৃকোদৰক ; জানানে তোমালোকে পিতামহগণে খাটিছে বনবাস --

হিড়িম্বা ঃ সেই বিষয়ে জ্ঞাত আমি ; এতিয়া ব'লা সৱে মিলি কৰোঁগৈ আহাৰ গ্ৰহণ ---

**<u>সূত্ৰ ঃ সকলোৱে প্ৰস্থান । আনফালে দুৰ্যোধন , দুশাসন , কৰ্ণ আৰু শকুনি -----</u>**

দুৰ্যো ঃ চক্ৰান্ত, চক্ৰান্ত, সকলোৱে কৰে আজি মোৰ বিৰুদ্ধে চক্ৰান্ত । মৎস্যদেশত অৰ্জুনক কৰিলো চিনাক্ত, পূৰ্ণ হোৱা নাছিল অজ্ঞাতবাস পাণ্ডৱৰ । কিন্তু পিতামহে --আঃ অতদিনেটো সৌৰবছৰে কৰি আছিল কাল গণনা। কিন্তু পাণ্ডৱৰ অজ্ঞাতবাসৰ বেলিকা.. হাঃ হাঃ চালনা , চালনা , দিয়ে পৰামৰ্শ মোক পাণ্ডৱক অৰ্দ্ধৰাজ্য প্ৰদানৰ । আঃ অসম্ভৱ, বিনাযুদ্ধে নেৰোঁ মই সুচাগ্ৰ মেদিনী -

শকুনি ঃ উত্তম, উত্তম বিচাৰ ভাগিন। কিয় দিবা তুমি অৰ্দ্ধৰাজ্য ? পাণ্ডৱ চিনাক্ত হৈছে অজ্ঞাতবাসত । হস্তিনাৰ অন্নৰে পালিত হৈ আজি কোনো কোনোৱে দিয়ে যুক্তি পাণ্ডৱে বেছি দিনহে কটালে অজ্ঞাতবাসত । ই জানো হ'ব পাৰে সম্ভৱ ? অজ্ঞাতবাসটো নহয় ইন্দ্ৰপুৰীৰ ভোগ বিলাস --

দুঃশাস ঃ দাদা, সমৰ প্ৰস্তুতি আমাৰ চলিছে দুগুণে । সমবেত হ'বহি ত্ৰিগৰ্ত্ত, বিদৰ্ভ, কেকয় আৰু অন্য ৰাজ্যৰ ৰথী-মহাৰথীগণ। আছে অশ্বত্থামা, আছে অঙ্গৰাজ, তাতে আহিব ভগ্নীপতি সিন্ধুৰাজ । গতিকে দাদা, লাগে মাথো আমাক ৰণাংগন, অনায়াসে পঞ্চ পাণ্ডৱক আমি কৰিম নিধন ----

দুৰ্যো ঃ উত্তম ভাতৃ উত্তম ; যত বীৰগণ আছে ধৰণীত সকলো আহিছে আজি আমাৰ পক্ষলৈ । দ্বাৰকাৰ নাৰায়ণী সেনায়ো আমাকেই কৰিবহি সহায় হাঃ হাঃ---

কৰ্ণ ঃ এয়াতো অতি আনন্দৰ বতৰা সখা । গৈছিলা তুমি দ্বাৰকা নগৰে বিচাৰি নাৰায়ণী সেনাক আৰু লভিলাও তাক -----

দুৰ্যো ঃ অৰ্জুনৰ মুৰ্খামিত লভিলো মই নাৰায়ণী সেনাক । অ সখা, মোৰ পাছতে অৰ্জুনো গৈছিল দ্বাৰকা নগৰে ; এফালে কৃষ্ণ আৰু আনফালে নাৰায়ণী সেনাক কৰিবলৈ নিৰ্বাচন চতুৰ কৃষ্ণই প্ৰথমে অৰ্জুনকে দিছিল সুযোগ; কিন্তু মুৰ্খ পাৰ্থই বাচি ললে নিৰস্ত্ৰ কৃষ্ণক হাঃ হাঃ ---

দুশাসন ঃ নিৰস্ত্ৰ কৃষ্ণ ---- ? অৰ্থাৎ ---

দুৰ্যো ঃ কৃষ্ণই কৰিছে পণ , কুৰুক্ষেত্ৰ সমৰে হাতে অস্ত্ৰ ধৰি নকৰে ৰণ ; হ'ব সাৰথিহে কৃষ্ণ পাৰ্থৰ ৰথৰ হাঃ হাঃ -- ব'লা যাঁও এতিয়া সমৰ প্ৰস্তুতি আমাৰ কৰোঁগৈ নিৰীক্ষণ ----

**সূত্ৰ ঃ শকুনিৰ বাদে বাকীসকলৰ প্ৰস্থান । শকুনিয়ে যি কয় -----------**

শকুনি ঃ মুৰ্খ দুৰ্যোধন, মাণিক লৈ গ'ল পাৰ্থই , শাহটোহে লভি তই কৰিছ উল্লাহ । পাৰ্থই চিনিলে বিদুৰে চিনিলে আৰু চিনিলো মই জগতৰ পতি শ্ৰীকৃষ্ণক ; কিন্তু নিচিনিলি তহঁতে হাঃ হাঃ চিনিবি কেনেকৈ , তহঁতৰ মন মগজুত ময়লা সানিলে এই মাতুল শকুনিয়ে হাঃ হাঃ মুৰ্খ ভাগিন , আনন্দ কৰ নাৰায়ণী সেনাক লভিয়ে তহঁতে আনন্দ কৰ হাঃ হাঃ --

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান। আনফালে চিন্তিত মনে হিড়িম্বা। পাছত মৌৰৱী আহে ---**

মৌৰৱী ঃ মাতৃ , কি হৈছে আপোনাৰ ? কিয় দেখো আপোনাক চিন্তিত মনে ?

হিড়িম্বা ঃ অ মৌৰৱী, নাজানো কিয় মোৰ আজি অন্তৰে কান্দিব ধৰিছে । কত পল, কত দিন মই কটালো দুখেৰে পুত্ৰক বুকুত সাৱটি; পৰা নাছিলো কেতিয়াও হতাশাত ভাগি । কিন্তু আজি মোৰ মনত জাগিছে শংকা। কোনোবাই কয় মোৰ কাণে কাণে সাৱধান হিড়িম্বা, কাল অমানিশা আহিব ধৰিছে তোৰ জীৱনলৈ । শেষ কৰি দিব তোৰ সোণালী সংসাৰ -- শেষ কৰি দিব মোৰ সোণালী সংসাৰ -

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ ঘটোৎকচ---------------------**

ঘটোৎ ঃ মাতৃ , মাতৃ------মাতৃ , --

হিড়িম্বা ঃ পুত্ৰ, পুত্ৰ মোৰ কিয় তই হৈছ আজি পুনৰ উত্ৰাৱল ?

ঘটোৎ ঃ মাতৃ, সমাগত কুৰুক্ষেত্ৰ মহাসমৰ । পাণ্ডৱ আৰু কৌৰৱগণ নামিছে সন্মূখ সমৰত ।

হিড়িম্বা ঃ কি ক'লি বাচা ---- সন্মূখ সমৰত নামিছে পাণ্ডৱ আৰু কৌৰৱগণ ?

ঘটোৎ ঃ অ মাতৃ, পিতৃগণে বনবাস সমাপ্ত কৰি বিচাৰিছিল নায্য প্ৰাপ্তি। কিন্তু অহংকাৰী দুৰ্যোধনে পাঁচ খন গাঁৱো পিতৃগণক দিবলৈ কৰিলে অস্বীকাৰ । ফলশ্ৰুতিত দুয়োপক্ষ এতিয়া নামিছে সন্মূখ সমৰত ।

হিড়িম্বা ঃ হে যদুপতি --- তুমি থাকোতেও কিয় এনে হ'বলৈ পালে ?

ঘটোৎ ঃ যদুপতিক দোষ নিদিবা মাতৃ। শ্ৰীকৃষ্ণইও দুৰ্যোধনক বুজাবলৈ কৰিছিল অনেক কষ্ট। কিন্তু ৰণৰ বাদে দুৰ্যোধনে নিবিচাৰে আন । মাতা , যদুপতি এতিয়া পাণ্ডৱৰ পক্ষত ; জগতৰ ৰথী - মহাৰথীগণো আজি ধাৱমান কুৰুক্ষেত্ৰ দিশে ; উদ্দেশ্য এটাই প্ৰিয় পক্ষক ৰণত কৰাব বিজয়ী ----

হিড়িম্বা ঃ মৌৰৱী , মোৰ অন্তৰাত্মাৰ কান্দোন নাছিল মিছা ; মোৰ সংশয় নাছিল মিছা । হে প্ৰভূ কি কৰোঁ মই এতিয়া স্বামীৰ বিপদকালত ?

ঘটোৎ ঃ মাতৃ ; আছে তৰ পুত্ৰ জীয়াই ; দিয়া অনুমতি যাঁও মই পিতাৰ সমীপে --

হিড়িম্বা ঃ কিন্তু পুত্ৰ ---

ঘটোৎ ঃ মোক আজি বাধা নিদিবা মাতৃ; শুনিছো জ্যেষ্ঠ ৰাক্ষস অলম্বুষেও কুৰুক্ষেত্ৰলৈ কৰিব গমন, কৰিছে দুষ্টই পণ কৌৰৱ পক্ষত সহযোগ কৰি মোৰ পিতা বৃকোদৰক বোলে কৰিব নিধন ---

হিড়িম্বা ঃ আঃ অলম্বুষ, স্বামীৰ প্ৰতি শত্ৰুতা নেৰিলি তই ; গৈছ সুযোগ বিচাৰি এতিয়া কুৰুক্ষেত্ৰলৈও। বাচা ঘটোৎকচ , আজি নিদিওঁ মই তোক বাধা । যা বাচা তই পিতাৰ সমীপে ; কিন্তু সাৱধান , ৰণ ক্ষেত্ৰৰপৰা পলায়ন কৰি তোৰ মাতৃ দুগ্ধক নকৰিবি অপমান ---------

ঘটোৎ ঃ মোৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস ৰাখা মাতৃ , যদি আহে তেনে ক্ষণ মৰিও যাম মাৰিও যাম অধৰ্মী কুৰুসেনাক । নুমুৱাই দিম জীৱন বন্তি পিতৃদ্ৰোহী অলম্বুষৰ । মাথো আপুনি দিয়ক আশীৰ্বাদ ---

হিড়িম্বা ঃ বিজয়ী হৈ আহ বাচা -----

ঘটোৎ ঃ মৌৰৱী , হাঁহি মুখে মোক দিয়া বিদায় ।

মৌৰৱী ঃ স্বামী , ময়ো যোদ্ধা ; যাওক স্বামী , বিজয়ী হৈ আহক --

ঘটোৎ ঃ হাঃ হাঃ পত্নীৰ শুভাশীষ আৰু মাতৃৰ আশীষ লভিলো যেতিয়া কুৰুক্ষেত্ৰত মই সৃষ্টি কৰিম প্ৰলয়ৰ বিভীষিকা । সাৱধান অলম্বুষ, সাৱধান কৌৰৱকুল, মহাকাল ৰূপে গৈ আছে এই ঘটোৎকচ --

**সূত্ৰ ঃ প্ৰথমে ঘটোৎকচৰ প্ৰস্থান ; পাছত বাকীসকলৰ প্ৰস্থান । সভাত দেৱৰাজ ইন্দ্ৰৰ প্ৰৱেশ --------**

**গীত - ( ৰাগ ঃ মাহুৰ, ধনশ্ৰী ; তাল ঃ একতাল, পৰিতাল)**

**প্ৰৱেশিলা সভাৰ মাজে দেৱ পুৰন্দৰ ।**
**দিব্য বস্ত্ৰে শোভে অতি দেখিতে সুন্দৰ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ইন্দ্ৰ ঃ মৰতত সমাগত কুৰুক্ষেত্ৰ ৰণ ; ধৰ্মৰ পক্ষত আছে নৰৰূপে প্ৰভু নাৰায়ণ । জানো মই ধৰ্মৰেই হব জয় । যদিওবা পাৰ্থৰ সখা হৈছে নীলমণি , তথাপি জাগে মনত সংশয় সূৰ্যৰ তনয় কৰ্ণ হব পাৰে মোৰ পুত্ৰ পাৰ্থৰ প্ৰাণবৈৰী । আছে কৰ্ণৰ দেহত দিনমণিৰ অভেদ্য দান কবচ - কুণ্ডল । নোৱাৰিব পাৰ্থই কৰ্ণক বধিব যেতিয়ালৈকে থাকিব কৰ্ণৰ দেহত কবচ - কুণ্ডল । নাই নাই এনে হব নোৱাৰে ; ইন্দ্ৰ মই দেৱ পুৰন্দৰ ; চল কৰি হৰিম মই কৰ্ণৰ কবচ - কুণ্ডল হাঃ হাঃ --

**সূত্ৰ ঃ ইন্দ্ৰৰ প্ৰস্থান । আনফালে সূৰ্যপূজা কৰাৰ উদ্দেশ্যে কৰ্ণ ---**

কৰ্ণ ঃ হে দিনমণি, কৃপা কৰিবা, শক্তি দিবা এই অধমক --ঔম সূৰ্যদেৱায় নমঃ , ঔম সূৰ্যদেৱায় নমঃ --

**(আঃ বাণীঃ হে অঙ্গৰাজ, হবা সাৱধান , অচিৰেই ব্ৰাহ্মণ বেশেৰে দেৱৰাজে তোমাক কৰিব চল । বিচাৰিব তোমাৰ কবচ কুণ্ডল ; আমি দিনমণিয়ে তোমাক কৰিলো সতৰ্ক -)**

কৰ্ণ ঃ কি শুনিলো এয়া ? দেৱৰাজে চলেৰে বিচাৰিব আমাৰ পৰা ভীক্ষা ? ধন্য হব মোৰ জীৱন যদিহে দেৱতাৰো প্ৰয়োজন মই কৰিব পাৰোঁ পূৰণ --ঔম সূৰ্যদেৱায় নমঃ ----

**সূত্ৰ ঃ এনেতে ব্ৰাহ্মণ ৰূপী ইন্দ্ৰ --------------------**

ইন্দ্ৰ ঃ ভীক্ষা দিয়া , ভীক্ষা দিয়া , ভীক্ষা -----

কৰ্ণ ঃ প্ৰণাম দ্বিজবৰ ; কওক এই অঙ্গৰাজে আজি কি ভীক্ষা দিম আপোনাক ?

ইন্দ্ৰ ঃ হে অঙ্গৰাজ , জগতে জানে আপোনাক দাতা কৰ্ণ বুলি । প্ৰাতঃ বেলাতে যাতে আনৰ পৰা ভীক্ষা বিচাৰি নহওঁ বিমুখ , সেই ভাবি আমি আহিলো প্ৰথমে আপোনাৰ সমীপে ---

কৰ্ণ ঃ অঙ্গৰাজে কাকো নকৰে বিমুখ, সেয়া প্ৰাতঃবেলাই হওক কিম্বা ৰাত্ৰি ক্ষণেই নহওক কিয় ;কওক দেৱ কি লাগিব আপোনাক -- ধন, ৰত্ন, ধেনু, অন্ন --কওক কি লাগে আপোনাক ?

ইন্দ্ৰ ঃ হাঃ হাঃ আমাৰ প্ৰয়োজন নহয় এইবোৰ । আছে প্ৰয়োজন এক বিশেষ সম্পদৰ ; কিন্তু জাগিছে সংশয় আপুনি হয়তো আজি আমাক কৰিব বিমুখ ---

কৰ্ণ ঃ হাঃ হাঃ কৰ্ণ মই , দানৰ বাবে নকৰোঁ ভয় । কোনোবাই যদি আমাৰ প্ৰাণকো বিচাৰে ভীক্ষা তাকো সন্তোষিত মনেৰেই মই কৰিম দান । নকৰিব সংশয় দেৱ , কৰ্ণই কৰিছো পণ যি বিচাৰিব আপুনি তাকেই কৰিম দান । কওক দেৱৰাজ , কি লাগে আপোনাক -- ?

ইন্দ্ৰ ঃ ( স্বগতঃ ) আচৰিত , কৰ্ণই চিনিলে মোক । তেন্তে কি মোৰ উদ্দেশ্য নহ'ব পূৰণ ?

কৰ্ণ ঃ চিন্তা নকৰিব দেৱৰাজ, বিমুখ নকৰোঁ আপোনাক । কওক দেৱ , কি লাগিব আপোনাক ?

ইন্দ্ৰ ঃ হে কৰ্ণ , দানৰূপে দিয়া মোক তোমাৰ কবচ কুণ্ডল ---

কৰ্ণ ঃ হাঃ হাঃ দেৱৰাজ, জন্মলব্ধ মোৰ কবচ - কুণ্ডল, ইয়াতেই আছে কৰ্ণৰ জীৱন । জানিলো দেৱ, জানিলো কিয় বিচাৰিছে আপুনি মোৰ এই কবচ কুণ্ডল । নকৰিব চিন্তা, ক্ষন্তেক কৰক অপেক্ষা , দান কৰিম মই আপোনাক আমাৰ কবচ কুণ্ডল (গাৰপৰা খোলে ) -- লওক, লওক দেৱ , দান কৰিলো আপোনাক আমাৰ কবচ কুণ্ডল ---

**গীত**

**দেখা দেখা নৰলোক সাধুৰ লক্ষণ ।**
**দান দিয়ে অঙ্গৰাজে কবচ কুণ্ডল ।।**

ইন্দ্ৰ ঃ ধন্য ধন্য কৰ্ণ, তুমি দাতা কৰ্ণই নহয় , তুমি দানবীৰ । আমাৰ পৰিচয় চিনিও , নিজ মৃত্যুৰ আশংকাকো জিনি প্ৰদান কৰিলা তুমি আমাক এই কবচ কুণ্ডল । তোমাৰ দানে লজ্জিত কৰিলে মোক ; অনুশোচনাত দগ্ধ হৈছো মই । কৰ্ণ , হৃদয় জিনিলা তুমি মোৰ ; দিছো মই তোমাক এই একাঘ্নি বাণ, অতি গুণবিশিষ্ট এই বাণ, এবাৰেই তুমি ইয়াক কৰিব পাৰিবা প্ৰয়োগ। যাক উদ্দেশ্যি ইয়াক কৰিবা নিক্ষেপ জানিবা তাৰ নিশ্চিত মৰণ। লোৱা কৰ্ণ, এই বাণ তুমি কৰা গ্ৰহণ --

কৰ্ণ ঃ দিয়ক দেৱৰাজ , আপোনাৰ উপহাৰ মই আনন্দেৰে কৰিলো গ্ৰহণ ----

ইন্দ্ৰ ঃ কৰ্ণ , আমি এতিয়া কৰোঁ প্ৰস্থান --- ( **প্ৰস্থান** )

কৰ্ণ ঃ যাওক দেৱৰাজ ; -- একাঘ্নি বাণ, সাঁচি ৰাখিম মই এই বাণ ধনঞ্জয়ৰ বাবে হাঃ হাঃ---

**সূত্ৰ ঃ কৰ্ণৰ প্ৰস্থান । আনফালে সভাত পঞ্চপাণ্ডৱ -------------**

যুধিষ্ঠিৰ ঃ ভাতৃগণ, ভাৰাক্ৰান্ত আজি মোৰ মন; সমাগত কুৰুক্ষেত্ৰ ৰণ। নাজানো আমি উচিত পন্থাই লৈছো নে অনুচিত ? বাৰে বাৰে মনলৈ আহে ভাৱ, অস্ত্ৰ ধৰি নিজ কুলৰ বিৰুদ্ধে কৰিছো নেকি ভুল ?

নকুল ঃ কোনো ভুল আমি কৰা নাই দাদা । নিজ প্ৰাপ্য যদি নাপাওঁ বিচাৰি ---

সহদেৱ ঃ তেন্তে ৰণ কৰি জিনি লোৱাটোয়ে জানো নহয় উচিত ?

ভীম ঃ ভাতৃগণে উচিত কথা কৈছে দাদা। কোনো ভুল আমি কৰা নাই। প্ৰতিক্ষণে কৌৰৱে কৰিছে চল । এতিয়া মাথো সময় তাৰ প্ৰতিদান দিয়াৰ --

অৰ্জুন ঃ হয় দাদা , মৎস্যৰাজ , পাঞ্চালৰাজৰ দৰে ৰথী - মহাৰথী হয়-হস্তীৰে সজ্জিত হৈ আহিব ধৰিছে আমাৰ শিৱিৰে। ন্যায় -অন্যায়ৰ এতিয়া আৰু নুঠে প্ৰশ্ন ।

যুধিষ্ঠিৰ ঃ তোমালোকৰ বচনত মই পাইছো সকাহ ; কিন্তু, হৈছো চিন্তিত এতিয়াও কিয় পোৱাহি নাই আমাৰ শিৱিৰত দৈৱকীনন্দন ---- ?

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ ---------**

কৃষ্ণ ঃ পাণ্ডৱগণ , পৰিহাৰ কৰক চিন্তন ; ধৰ্মৰ পক্ষত উপস্থিত থাকে এই দৈৱকীনন্দন ---

পাণ্ডৱগণঃ প্ৰণাম জনাৰ্দন -----

ভীম ঃ যদুপতি, অৱশেষত পাইছো মই সোণালী সুযোগ । পাহৰা নাই মোৰ প্ৰতিজ্ঞা ; বক্ষ ফালি পাপী দুশাসনৰ কৰিম পান মই ৰঙা ৰক্ত, হাতে গদা ধৰি পাতকী দুৰ্যোধনৰ মই কৰিম উৰুভঙ্গ ।

কৃষ্ণ ঃ হে বীৰশ্ৰেষ্ঠ বৃকোদৰ , আপোনাৰ এই ক্ৰোধ জ্বলাই ৰাখক আৰু কিছু ক্ষণলৈ । পাব পূৰ্ণ সুযোগ আপুনি সমাগত কুৰুক্ষেত্ৰ ৰণত ।

**সূত্ৰ ঃ এনেতে ঘটোৎকচ আহে ---**

ঘটোৎকচঃ প্ৰণাম পিতৃগণ , প্ৰণাম যদুপতি ---

যুধিষ্ঠিৰ ঃ বাচা ঘটোৎকচ , তুমি কিয় আহিলা ?

ঘটোৎকচঃ কিয় মই নাহিম জ্যেষ্ঠ পিতা ; অধৰ্মীৰ বিৰুদ্ধে আপোনাসৱে কৰিব ৰণ আৰু পুত্ৰ হৈ কি মই থাকিম হাত সাৰটি ? আহিছো মই , অহংকাৰী কৌৰৱক দিম যোগ্য প্ৰত্যুত্তৰ -

ভীম ঃ আহিছে মৎস্যৰাজ, আহিছে কাশীৰাজ আৰু আহিছে পুত্ৰসহ পাঞ্চালৰাজ । কিন্তু পুত্ৰ, তোমাৰ আগমণে আমাৰ বঢ়ালে মনোবল। পিতা -পুত্ৰৰ সংহাৰকাৰী ৰূপ কুৰুক্ষেত্ৰত দেখিব জগতে --

কৃষ্ণ ঃ নিশ্চয় দাদা, ঘটোৎকচৰ আগমণে শক্তি বঢ়ালে আমাৰ । পাছে পাণ্ডৱগণ, ভীস্মদেৱক কৌৰৱে সেনানায়ক ৰূপে কৰিলে নিৰ্বাচন । আমিও কৰিব লাগিব নিৰ্বাচন এজন যোগ্য সেনানায়ক ।

যুধিষ্ঠিৰ ঃ জনাৰ্দন, আপুনি অতি উচিত কথাই কৰিছে ব্যক্ত । যদিওবা আমাৰ বিচাৰত দ্ৰুপদনন্দন ধৃষ্টদ্যুম্নদেৱ, তথপি জনাৰ্দন আপোনাৰ মতো আমি জানিব বিচাৰোঁ ।

কৃষ্ণ ঃ যোগ্য ব্যক্তিকে আপোনাসৱে কৰিছে নিৰ্বাচন ; ধৃষ্টদ্যুম্নই হ'ব লাগে আমাৰ সেনানায়ক । শীঘ্ৰে হ'ব কুৰুক্ষেত্ৰ মহাৰণ ; আহিছে জগতৰ ৰথী - মহাৰথীগণ ; কিছু জ্ঞাতে, কিছু অজ্ঞাতে -- ( স্বগতঃ ) পাছে এজনৰ আগমনতহে আমি হৈছো চিন্তিত -- ( প্ৰকাশ্য ) বাৰু ব'লক এতিয়া আমাৰ সেনানীক কৰোঁগৈ দৰ্শন ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত সিন্ধুৰাজ জয়দ্ৰথৰ প্ৰৱেশ -----**

**গীত - (ৰাগ ঃ কানাড়া , তাল ঃ পৰিতাল )**

**প্ৰৱেশিলা সভাৰ মাজে বীৰ সিন্ধুৰাজ।**
**গহীন গম্ভীৰ ইটো অতি বলবান ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

জয়দ্ৰথ ঃ সিন্ধুৰাজ মই জয়দ্ৰথ ; ভগ্নীপতি মই দুৰ্যোধনৰ ; সেইহেতু পাইছো নিমন্ত্ৰণ মই কৌৰৱৰপৰা কুৰুক্ষেত্ৰ ৰণে । যাম, নিশ্চয় যাম মই কুৰুক্ষেত্ৰ ৰণে ; বহু অপমানৰ তুলিব লাগিব পোতক পাণ্ডৱৰ ওপৰে । নকৰি আৰু পলম মই কৰোঁ যাত্ৰা ---

**সূত্ৰ ঃ জয়দ্ৰথৰ প্ৰস্থান । সভাত বৰ্বৰিক -------**

বৰ্ব ঃ বহুদূৰ কৰিলো যাত্ৰা , লাগিছে ভাগৰ ; এই স্থানতে বিশ্ৰাম কৰি পুনৰ কৰিম যাত্ৰা --

**সূত্ৰ ঃ বৰ্বৰিকে জিৰণী লয় । এনেতে বামুণৰ বেশেৰে শ্ৰীকৃষ্ণ----**

কৃষ্ণ ঃ হে ৰাম ---হে ৰাম , উস , বৰ ভাগৰ লাগিছে ; অলপমান লওঁ জিৰণী । ( **বৰ্বৰিকৰ প্ৰতি** ) হে পথিক , তোমাৰ কাষতে ময়ো অলপ লওঁ বিশ্ৰাম ; পাছে অসুবিধা পাবা নেকি তুমি ?

বৰ্ব ঃ নাই নাই ব্ৰাহ্মণদেৱ , কিয় পাম অসুবিধা ? আহক আহক ---

কৃষ্ণ ঃ হে ৰাম , হে ৰাম , ধন্যবাদ পথিক । পাছে , জানিব পাৰোঁনে কোনদিশে বা তোমাৰ যাত্ৰা ?

বৰ্ব ঃ যাত্ৰা মোৰ কুৰুক্ষেত্ৰলৈ ---

কৃষ্ণ ঃ কুৰুক্ষেত্ৰ---অ শুনিছো হ'ব হেনো তাত মহাসমৰ । পাছে তুমি তাত ৰণ চাবলৈ যোৱা ?

বৰ্ব ঃ হাঃ হাঃ হহোঁৱালে দেৱ । কোনোবাই চাবলৈ যায় জানো ৰণ ? ঘটোৎকচ নন্দন মই বৰ্বৰিক ; ৰণত মই লম অংশগ্ৰহণ ।

কৃষ্ণ ঃ হাঃ হাঃ এইবাৰ তুমি মোক হহোঁৱালা বৰ্বৰিক । কুৰুক্ষেত্ৰ সমৰ সাধাৰণ বুলি ভাবিছা ? নামিব সমৰত ভীস্ম , দ্ৰোণ , কৰ্ণ, পাৰ্থৰ দৰে বীৰ । আছে তেওঁলোকৰ প্ৰাণঘাটী অস্ত্ৰ । পাছে , তোমাৰ নাই কোনো সেনা , দেখা নাই অস্ত্ৰ হাঃ হাঃ -- দেখিছো মাত্ৰ তিনিপাত বাণ ।

বৰ্ব ঃ নাজানে আপুনি মোৰ এই বাণৰ মহত্ত্ব ; জনা হলে কদাপি নকৰে তাচ্ছিল্য ।

কৃষ্ণ ঃ যিয়েই নোকোৱা তুমি , আছে মোৰ সন্দেহ তোমাৰ বাণত --

বৰ্ব ঃ আপোনাৰ সন্দেহ মই এতিয়াই কৰিম দূৰ। কওকচোন এই গছজোপাত কিমান আছে পাত ?

কৃষ্ণ ঃ গছজোপাত পাত ? --- কেনেদৰে কৰিম পাতৰ গণনা ? অগণন , অগণন পাত---

বৰ্ব ঃ মোৰ প্ৰথমপাত বাণে যত আছে গছজোপাত পাত সকলোতে লগাব চিহ্ন ; আৰু দ্বিতীয় পাত বাণে মোৰ যত চিহ্নিত পত্ৰ তত্ত কৰিব ছিদ্ৰ । চাওক ইয়াৰ প্ৰমাণ ---

**(সূত্ৰ ঃ বৰ্বৰিকে মন্ত্ৰ মাতে। শ্ৰীকৃষ্ণই মনে মনে এখিলা পাত চিঙি আনি ভৰিৰে গচকি থাকে। বৰ্বৰিকে বাণ মাৰে। কৃষ্ণই গচকি থকা পাততো চিহ্ন লাগে )**

বৰ্ব ঃ চাওক দেৱ, সকলো পাতত লাগিল চিহ্ন ? এইবাৰ চাওক, এই বাণে চিহ্নিত পত্ৰক কৰিব ছিদ্ৰ ।

**(সূত্ৰ ঃ মন্ত্ৰ মাতি বৰ্বৰিকে দ্বিতীয়পাত বাণ মাৰে। কৃষ্ণই গচকি থকা পাততো ছিদ্ৰ বহে )**

কৃষ্ণ ঃ চমৎকাৰ , অতি উত্তম , জানিলো মই তুমি মহাবীৰ। পাছে , তুমি কোন পক্ষৰ হৈ কৰিবা ৰণ ?

বৰ্ব ঃ আছে পণ মোৰ যি পক্ষই ৰণত হ'ব দুৰ্বল সেই পক্ষৰ হৈয়ে মই কৰিম ৰণ ।

কৃষ্ণ ঃ অৰ্থাৎ, ধৰি ললো তুমি প্ৰথমে পাণ্ডৱ পক্ষৰ হৈ কৰিলা ৰণ আৰু ৰণৰ মধ্যম ক্ষণত যদি কৌৰৱ পক্ষ হৈ যায় দুৰ্বল --- তেতিয়া ---- ?

বৰ্ব ঃ মই নিৰুপায় দেৱ , যদি আহে তেনে ক্ষণ পণ অনুসৰি মই তেতিয়া কৌৰৱপক্ষৰ হৈ কৰিম ৰণ।

কৃষ্ণ ঃ ( **স্বগতঃ** ) তেনেহ'লেতো হ'ব অথন্তৰ , উদ্দেশ্য মোৰ নহ'ব পূৰণ-----

বৰ্ব ঃ কি চিন্তা কৰিলে দেৱ ? নে এতিয়াও আছে মনত সন্দেহ ?

কৃষ্ণ ঃ তোমাৰ বীৰত্বত আৰু মোৰ নাই সন্দেহ । কৰিছো মই মোৰ জীবিকাৰ বিষয়েহে চিন্তা । বুজিছা কাৰো পৰা আজি মই নাপালো দান । তোমাৰ পৰা ল'বলৈ তুমিনো মোক কি দিবা দান ?

বৰ্ব ঃ এজন ব্ৰাহ্মণক দান দিয়াৰ সামৰ্থ্য আছে মোৰ । কওক দেৱ, কি দান লাগে আপোনাক ?

কৃষ্ণ ঃ এহঃ তুমি নোৱাৰিবা দিব মোক দান। তোমাৰপৰা বিচাৰি দান কিয় লওঁ মই অপমান ?
বৰ্ব ঃ ব্ৰাহ্মণদেৱ, নকৰোঁ মই আপোনাক বিমুখ, জগতক সাক্ষী কৰি কৰিছো পণ যি বিচাৰে আপুনি তাকেই মই কৰিম দান। প্ৰাণ গ'লেও নহয় ভঙ্গ এই বৰ্বৰিকৰ বচন --
কৃষ্ণ ঃ যদি দান দিবলৈ কৰিছা ইচ্ছা তেন্তে কৰা মোক তোমাৰ --- এই --- শিৰকে দান।
বৰ্ব ঃ দেৱ ,কি বিচাৰিলে আপুনি ? মোৰ শিৰ ,-- ব্ৰাহ্মণে এনে দান ? নাই নাই ব্ৰাহ্মণে কদাপি নিবিচাৰে এনে দান। আপুনি ব্ৰাহ্মণ হ'ব নোৱাৰে ; হে দেৱ, কোন আপুনি ? দিয়ক আপোনাৰ সত্য পৰিচয়।
কৃষ্ণ ঃ বৰ্বৰিক, কৰা তুমি তোমাৰ ইষ্ট দেৱক ধ্যান।
বৰ্ব ঃ -- হে যদুপতি ---হে দৈৱকীনন্দন ; মৌৰৱীনন্দন বৰ্বৰিকে তোমাক কৰোঁ স্মৰণ --

**সূত্ৰ ঃ শ্ৰীকৃষ্ণই নিজ ৰূপ ধাৰণ কৰে --------------------**

কৃষ্ণ ঃ বৰ্বৰিক, আমিয়ে তোমাৰ পৰা মাগিলো দান ---
বৰ্ব ঃ প্ৰভূ, -------------- ( স্তুতি )

নমো নমো জনাৰ্দন দৈৱকী নন্দন।
চৰাচৰ জগতক কৰাহা পালন ।।
যোগীজনে কৰে কাম্য তোমাৰ দৰ্শন।
দান মাগি আমাৰ জনম কৰিলাহা ধন্য।

--- পাছে প্ৰভূ, জাগিছে প্ৰশ্ন মনত কিয় মোক নিদিলে সুযোগ কুৰুক্ষেত্ৰ ৰণত অংশগ্ৰহণৰ ?
কৃষ্ণ ঃ বৰ্বৰিক, আমিয়ে আয়োজন কৰিছো কুৰুক্ষেত্ৰ ৰণৰ। আমিয়ে এই ৰণৰ ভাগ্যবিধাতা, পাৰ্থ হ'ব আমাৰেই চালিকাশক্তি। তোমাৰ পণ আৰু ঐশ্বৰিক বাণে মোৰ কাৰ্যত দিব বাধা সেয়ে তোমাক আমি এই ৰণৰ পৰা ৰাখিলো নিলগত। তাৰবাবে আমি তোমাকেই ল'লো বাচি----
বৰ্ব ঃ প্ৰভু, দিছো মই শিৰ পাতি, লওক আপোনাৰ দান।
কৃষ্ণ ঃ বৰ্বৰিক, এই কাৰ্য আমি নোৱাৰিম কৰিব। যদি আমি নিজহাতে তোমাক কৰোঁ শিৰচ্ছেদ তেন্তে নহ'ব এয়া দান ; হ'ব ই এক হত্যা, আমাক জানো তুমি হত্যাকাৰী ৰূপে জগতত ----
বৰ্ব ঃ নাই নাই প্ৰভু ; তেন্তে ------- লওক প্ৰভূ, নিজ হাতে মই কৰোঁ শিৰচ্ছেদ -----

সূচনা

দেখা দেখা সৰ্বজন সাধুৰ লক্ষণ ।.
নিজ হাতে বৰ্বৰিকে কৰে শিৰদান ।।

**সূত্ৰ ঃ বৰ্বৰিকে শিৰচ্ছেদ কৰে। এনেতে ঘটোৎকচ আৰু ভীম আহে---------**

ঘটোৎ ঃ পুত্ৰ, এয়া কি কাৰ্য কৰিলি তই ? কিয় আহিলি তই ? তোকতো মই মাতাৰ দায়িত্ব কৰিছিলো অৰ্পণ। উঠ বাচা, উঠ ; উসঃ কি উত্তৰ দিমগৈ মই তোৰ মাতৃ মৌৰৱীক ?
ভীম ঃ হে যদুপতি, তোমাৰ সন্মূখতে কিয় আজি মোৰ নাতিৰ হ'ল এনে দশা ?

*আকাশবাণী ঃ ( হে বৃকোদৰ, বৰ্বৰিকৰ এই দশাৰ বাবে নুদুষিবা যদুপতিক। আছিল বৰ্বৰিক এজন শাপিত যক্ষ, যদুপতিৰ হাতত তেওঁ পাব মুক্তি -- )*

ঘটোৎ ঃ যদুপতি, এয়া কি ? কিয় শুনিলো মোৰ পুত্ৰ এক শাপিত যক্ষ বুলি ? কি ইয়াৰ ৰহস্য ?
কৃষ্ণ ঃ ঘটোৎকচ, বৈকুণ্ঠত এদিন সৃষ্টিকৰ্তাই জগতত বৃদ্ধি পোৱা অধৰ্মৰ সন্দৰ্ভত নাৰায়ণৰ লগত কৰিছিলে বাৰ্তালাপ ; সেই ক্ষণত তাত উপস্থিত আছিল সূৰ্যব্ৰজা নামৰ এক অহংকাৰী যক্ষ। অহংকাৰত মদমত্ত হৈ তেওঁ সৃষ্টিকৰ্তাক কৰিলে অপমান, ব্ৰহ্মাদেৱে দিলে তেওঁক শাপ মৰতত ৰাক্ষস কুলত জনম লভিবলৈ আৰু তাৰেই ফলশ্ৰুতিত তোমাৰ পুত্ৰৰূপে জনম লৈছেহি শাপিত যক্ষ ৰাজে --( **বৰ্বৰিকৰ কটা শিৰত স্পৰ্শ কৰি** ) বৰ্বৰিক -- বৰ্বৰিক ---
বৰ্ব ঃ ( **কটা শিৰে প্ৰাণ পাই** ) --- প্ৰভূ ---
কৃষ্ণ ঃ তুমি মহান বৰ্বৰিক, জগতত খ্যাতি ৰ'ব তোমাৰ। আজিৰপৰা আমাৰ শ্যাম নাম তোমাকো কৰিলো প্ৰদান। শ্যাম নামেৰেও জনাজাত হ'বা তুমি। আছে নেকি তোমাৰ কিবা অন্তিম ইচ্ছা ?
বৰ্ব ঃ প্ৰভূ, কৰক কৃপা, মৃত্যুৰ পূৰ্বে চাই যাব বিচাৰোঁ মই কুৰুক্ষেত্ৰ ৰণ।
কৃষ্ণ ঃ তোমাৰ ইচ্ছা আমি কৰিম পূৰণ। সৌ পাহাৰৰে যথা স্থানত ৰাখিম তোমাৰ এই কটা মস্তক। তাৰ পৰাই তুমি সমগ্ৰ কুৰুক্ষেত্ৰ ৰণৰ কৰিবা দৰ্শন।

বৰ্ব ঃ ধন্যবাদ প্ৰভু , ধন্যবাদ ।

কৃষ্ণ ঃ ঘটোৎকচ আৰু দাদা বৃকোদৰ , ব'লক বৰ্বৰিকৰ এই মস্তক ৰাখোঁগৈ সৌ পাহাৰৰ যথা স্থানত , য'ৰ পৰা এওঁ দৰ্শন কৰিব পাৰিব কুৰুক্ষেত্ৰ ৰণ ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত দুৰ্যোধন , দুঃশাসন আৰু শকুনি ---**

দুৰ্যো ঃ মামা আৰু ভাই দুঃশাসন, বাধ্য হৈ পিতামহক কুৰুসেনাৰ দায়িত্ব কৰিলো অৰ্পণ । কিন্তু কি হল পৰিণতি ? হঠকাৰী পিতামহে ৰণৰপৰা আঁতৰাই ৰাখিছে মোৰ সখা কৰ্ণক ।

দুশাসন ঃ দাদা, নকৰিব চিন্তা ; আহিছে কলিংগৰাজ, আহিছে বিদৰ্ভৰাজ, ওঠৰ অক্ষৌহিনী সেনা সমবেত হৈছেহি আমাৰ পক্ষত --

শকুনি ঃ হয় ভাগিন, অঙ্গৰাজৰ অনুপস্থিতিত নকৰিবা বেজাৰ তুমি । নুশুনিলা জানো তুমি পিতামহৰ পণ, কেৱল পঞ্চ পাণ্ডৱকহে নবধে পিতামহে , কিন্তু প্ৰতিদিনে মাৰিব দহ হাজাৰকৈ পাণ্ডৱৰ সেনানী, সেয়াই জানো নহয় যথেষ্ট তোমাৰ বাবে ---

**সূত্ৰ ঃ এনেতে জয়দ্ৰথ আহে -----**

জয়দ্ৰথ ঃ প্ৰণাম কৌৰৱগণ , নিমন্ত্ৰণ ৰক্ষাৰ কৰি আহিলো মই আপোনাসৱৰ সমীপে । বিজয় তিলক পিন্ধোৱাই জ্যেষ্ঠ কৌৰৱক , যাম মই ঘূৰি নিজ ৰাজ্যলৈ হাঃ হাঃ -----

দুৰ্যো ঃ উত্তম, অতি উত্তম, হে ভগ্নীপতি সিন্ধুৰাজ, তোমাৰ পৰা কাম্য মোৰ এনে সহায়ৰে । তোমাৰ দৰে মহাৰথীৰ যোগদানে শক্তি বৃদ্ধি কৰিলে আজি আমাৰ ।

**সূত্ৰ ঃ এনেতে অলম্বুষ আহে ----**

অলম্বুষ ঃ কৌৰৱৰ জয় হওক , সখা দুৰ্যোধনৰ জয় হওক ; প্ৰণাম কৌৰৱগণ ----

দুৰ্যো ঃ হাঃ হাঃ স্বাগতম মিত্ৰ , স্বাগতম জনাইছো তোমাক ---

অলম্বুষ ঃ আপোনাৰ যেনেদৰে পৰম সখা অঙ্গৰাজ , মোৰো আছিল হিড়িম্ব প্ৰাণৰ সখা । কিন্তু সেই বৃকোদৰে মোৰ প্ৰাণৰ সখা হিড়িম্বক নিৰ্মমভাৱে কৰিলে হত্যা। প্ৰতিশোধৰ দাবানলত দহি আছো মই ; পাইছো সুযোগ কুৰুক্ষেত্ৰত বৃকোদৰৰ সন্মুখীন হোৱাৰ । তাক বধি মই প্ৰতিশোধৰ অনল কৰিম নিৰ্বাপন । দয়া কৰি সেই সুযোগ মোক কৰিব প্ৰদান -----

দুৰ্যো ঃ তোমাৰ আগমণে সখা শক্তি বঢ়ালে কৌৰৱৰ । নিশ্চয় তুমি পাবা সুযোগ -- মামা, সাহস মোৰ বাঢ়িল দুগুণে , ইঙ্গিত লক্ষ্যক মই দেখিছো নিকটে হাঃ হাঃ----

শকুনি ঃ নিশ্চয় ভাগিন, দেখিবা বিজয় মুকুট তুমিয়েই পিন্ধিবা হেঃ হেঃ হেঃ --- বাৰু এতিয়া ব'লা খন্তেক কৰোঁগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শ্ৰীকৃষ্ণ ----**

শ্ৰীকৃষ্ণ ঃ ধন্য পিতামহ, ধন্য আপোনাৰ কৰ্তব্যনিষ্ঠা । বচন অনুসাৰেই আপুনি পঞ্চ পাণ্ডৱৰ জীৱন নকৰিলে হানি। ৰাখিলে পণ শিখণ্ডীৰূপী অম্বাৰ, নিজ মুখে পাণ্ডৱক আপোনাৰেই সংহাৰৰ দি উপায় । প্ৰণাম পিতামহ, আপুনি মহান। আনহাতে দুৰ্যোধন, নিশিকিলা একো তুমি ; দ্ৰোণাচাৰ্যক কৌৰৱৰ সেনাপতি পাতি যাব ওলাইছা তেওঁৰ কাষে এক বিশেষ উদ্দেশ্যত । যোৱা দুৰ্যোধন ; আমাৰ ইচ্ছাতে জগত চলিছে ; আমাৰ ইচ্ছাতে কুৰুক্ষেত্ৰ ৰণে গতি কৰিছে । কোনোবাই হেৰুৱাব প্ৰাণ ; কোনোবাই দিব নিজ প্ৰাণৰ বলিদান । যাঁও এতিয়া আমি নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান। আনফালে সভাত দ্ৰোণাচাৰ্য, কৃপাচাৰ্য, অশ্বত্থামাৰ প্ৰৱেশ ---**

**গীত - ( ৰাগ ঃ আশোৱাৰী , তাল ঃ পৰিতাল/ দোমানী )**

**প্ৰৱেশয় সভাৰ মাজে গুৰু দ্ৰোণাচাৰ্য ।**
**সঙ্গে আহে অশ্বত্থামা বীৰ কৃপাচাৰ্য ।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

অশ্ব ঃ প্ৰণাম পিতা -- প্ৰণাম আচাৰ্যদেৱ --

কৃপা ঃ কীৰ্তিমান হোৱা অশ্বত্থামা । আচাৰ্যদেৱ , দেখিলো আজি আমি আপোনাৰ ৰণ কৌশল ।

দ্ৰোণ ঃ আচাৰ্যদেৱ , কুৰু সেনাৰ দায়িত্ব লৈ অশেষ কষ্ট কৰিলো আজি কৌৰৱৰ বাবে । তথাপি নোৱাৰিলোঁ পৰাস্ত কৰিব পাণ্ডৱগণক । ধন্য মানিছো আজি মই মোৰ শিষ্যৰ পৰাক্ৰমত ---

কৃপা ঃ পাণ্ডৱৰ পৰাক্ৰমত ময়ো হৈছো সন্তুষ্ট । মধ্যম ক্ষণত আজি কুৰুক্ষেত্ৰ ৰণ ; নাজানো কি হ'ব ইয়াৰ পৰিণাম ?

দ্ৰোণ ঃ পৰিণাম কি হ'ব তাক জানো আপুনি নাজানে আচাৰ্য ? হয় জানো কেতিয়াবা ন্যায়ৰ পৰাজয় ? পাই জানো অধৰ্মই বিজয় ধৰ্মৰ বিপক্ষে ?

কৃপা ঃ জানো আচাৰ্যদেৱ সকলো জানো ? যেতিয়া কুৰু ৰাজসভাত হৈছিল পাশাখেল ; যেতিয়া দ্ৰোপদ নন্দিনীৰ হৈছিল অপমান, তেতিয়াই জানিছিলো কোন দিশে গৈছে কৌৰৱৰ ভাগ্য । জাগি উঠে কেতিয়াবা হৃদয়ত দুৰ্বাৰ অনল ; এনে লাগে যেন সহস্ৰ তীক্ষ্ণ বাণেৰে বক্ষ ভেদো অহংকাৰী দুৰ্যোধনৰ ।

দ্ৰোণ ঃ নোৱাৰে আচাৰ্য, নোৱাৰে ; জাতত ব্ৰাহ্মণ আমি যে নিৰুপায় । অন্নদাতাৰ বিৰুদ্ধে কৰিব নোৱাৰি বিদ্ৰোহ অনিচ্ছাসত্বেও আজি আমি হাতে অস্ত্ৰ ধৰি আছো অধৰ্মৰ সঙ্গী হৈ । কোন হ'ব পাৰে আমাৰ সমান দুৰ্ভগীয়া ?

অশ্ব ঃ পিতা, এয়া কি কৈছা তুমি ? নোৱাৰোঁ সহিব মই তোমাৰ দুখ ---

দ্ৰোণ ঃ সত্যকেই কৈছো বাচা ; এয়াই আমাৰ জীৱনৰ বিড়ম্বনা। স্বামীৰ বিৰুদ্ধাচৰণ, ৰজাৰ বিৰুদ্ধাচৰণ নহয় আমাৰ ধৰ্ম আচৰণ । তোমাকো কওঁ বাচা, জীৱন কৰিবা অৰ্পণ স্বামীৰ আজ্ঞা পালি--

**<u>সূত্ৰ ঃ এনেতে দুখমনে দুৰ্যোধন, কৰ্ণ আৰু জয়দ্ৰথ আহে -------</u>**

সকলো ঃ প্ৰণাম গুৰুদেৱ , প্ৰণাম আচাৰ্যদেৱ ---

দ্ৰোণ ঃ খ্যাতিমান হোৱা দুৰ্যোধন ; কোৱা , কিবা হেতু আহিলা তুমি এই ৰাত্ৰিক্ষণত আমাৰ সমীপে -

দুৰ্যো ঃ গুৰুদেৱ, স্বচক্ষে দেখিও আপোনাৰ পৰাক্ৰম থাকি গ'ল মনত মোৰ এক সন্দেহ -----

অশ্ব ঃ কুৰুপতি, সন্দেহ কৰি পিতাৰ পৰাক্ৰমক কৰিছা তুমি মোৰ পিতাক অপমান ---

দ্ৰোণ ঃ ক্ৰোধ নকৰিবা পুত্ৰ ; দুৰ্যোধন, কিয়বা কৰা সন্দেহ আজি মোৰ ওপৰত ?

দুৰ্যো ঃ সন্মূখত পায়ো আপুনি যুধিষ্ঠিৰক নকৰিলে বন্দী । ইয়াৰ কাৰণ মই পাৰোঁনে জানিব ?

কৃপা ঃ কুৰুপতি, অহংকাৰত মত্ত হলা তুমি ; যিজন গুৰুৱে এই বৃদ্ধ অৱস্থাতো তোমাৰ অনুৰোধ ৰক্ষা কৰি নিজ শিষ্যৰ বিৰুদ্ধে কৰিছে ৰণ, আজি সেই গুৰুকে কৰিলা দোষাৰূপ ?

দুৰ্যো ঃ ক্ষমা কৰক গুৰুদেৱ, আবেগত হিতাহিত জ্ঞান হেৰুৱাই আপোনাক কৰিলো অপমান ।

দ্ৰোণ ঃ পূৰ্বেও কৈছো দুৰ্যোধন , পাৰ্থ বীৰ থাকিলে কাষত যমৰাজেও নোৱাৰে ধৰিব যুধিষ্ঠিৰক ।

দুৰ্যো ঃ গুৰুদেৱ, আপোনাৰ বাবে নহয় অসম্ভৱ । ভীক্ষুক ৰূপে সেয়ে মই মাগিছো ভীক্ষা -- বন্দী ৰূপে কালিলৈৰ ৰণত যেন পাঁও যুধিষ্ঠিৰক ।

দ্ৰোণ ঃ ই যে অতি কষ্টকৰ। তথাপি চিন্তা নকৰিবা দুৰ্যোধন, তাৰ মই উলিয়াম উপায়। নাৰায়ণী সেনাৰ হতুৰাই যুধিষ্ঠিৰৰ কাষৰ পৰা পাৰ্থক নিবা আঁতৰাই। তেতিয়াই ৰচিম মই চক্ৰবেহু।

সকলো ঃ চক্ৰবেহু -----!!

দ্ৰোণ ঃ অ চক্ৰবেহু ; এই বেহু ভেদ নহয় সহজ আৰু বেহু ভেদী প্ৰৱেশ কৰাজনৰ বাবে থাকে নিশ্চিত মৰণ। বেহুৰ দ্বাৰৰক্ষীৰ দায়িত্ব মই অৰ্পণ কৰিলো সিন্ধুৰাজ জয়দ্ৰথৰ ওপৰত।

জয়দ্ৰথ ঃ মই !! থাকোতে আমাৰ পক্ষত এয়া মহাৰথী কৰ্ণ মই হম চক্ৰবেহুৰ দ্বাৰৰক্ষী ?

দ্ৰোণ ঃ অ, তুমিয়েই হ'বা জয়দ্ৰথ। কিয় তোমাৰ শিৰত জানো নাই মহাদেৱৰ আশীষ ?

জয়দ্ৰথ ঃ বুজিলো গুৰুদেৱ ;-- মহাদেৱৰ আশীষ আছে মোৰ শিৰত। এদিনৰ বাবে মই হ'ম অজেয়, যমেও নোৱাৰিব মোৰ প্ৰাণ হৰিব। কৌৰৱৰ হিতৰ বাবে তেন্তে মই কালিলৈৰ দিনটোকে মহাদেৱৰ কৃপালাভৰ দিন ৰূপে ল'লো বাচি। বেহুৰ দ্বাৰৰক্ষী হ'বলৈ প্ৰস্তুত হ'লো মই।

দুৰ্যো ঃ ধন্যবাদ সিন্ধুৰাজ, ধন্যবাদ। তেন্তে আজিলৈ সবে কৰোঁগৈ বিশ্ৰাম।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত অভিমন্যুৰ প্ৰৱেশ ---------**

**গীত - (ৰাগ ঃ আশোৱাৰী, তাল ঃ একতাল)**

**সভাত প্ৰৱেশ কৰে অভিমন্যু বীৰ।**
**দিব্যবস্ত্ৰে শোভে আতি তাৰ কলেৱৰ ।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

অভি ঃ সুভদ্ৰা তনয় মই, নাম মোৰ অভিমন্যু। বুজিছো নাৰায়ণী সেনাৰ হতুৰাই আঁতৰাই নি পিতা ধনঞ্জয়ক দ্ৰোণাচাৰ্যই ৰচিছে চক্ৰবেহু। তাকে দেখি পাণ্ডৱ সেনা হৈছে শংকিত ; জ্যেষ্ঠ পিতাগণ হৈছে চিন্তিত। নহবা শংকিত পাণ্ডৱ সেনাগণ, আছে অভিমন্যু, শ্ৰীকৃষ্ণ যাৰ মামা, ধনঞ্জয় যাৰ পিতা সেই অভিমন্যুয়ে হেলাৰঙে ভাঙিব চক্ৰবেহু। যাঁও এৱে জ্যেষ্ঠ পিতাৰ লৈ অনুমতি সন্মুখীন হওঁগৈ মই কৌৰৱসেনাৰ ----

**সূত্ৰ ঃ অভিমন্যুৰ প্ৰস্থান। আনফালে বেহুৰ দ্বাৰমুখত জয়দ্ৰথ ---**

জয়দ্ৰথ ঃ হাঁয় হাঁয় পাণ্ডৱগণ, বাৰে বাৰে পৰাজিত হৈ এইবাৰ তোমালোকে বেহু ভেদ কৰিবলৈ পঠাইছা যুৱক অভিমন্যুক। ধিক যুধিষ্ঠিৰ, ধিক তুমি, ইমান স্বাৰ্থপৰ বুলি ভবা নাছিলো তোমাক।

**সূত্ৰ ঃ অভিমন্যু সোমাই আহে -------------**

অভি ঃ সাৱধান সিন্ধুৰাজ, এইবাৰ আপুনি সাজু হওঁক ৰণৰ বাবে।

জয়দ্ৰথ ঃ হে পাৰ্থনন্দন, কিয় আহিছা তুমি আত্মঘাতী হবলৈ ? যোৱা তুমি, আছে তোমাৰ সোণালী ভৱিষ্যত

অভি ঃ ৰণক্ষেত্ৰত বয়সৰ তুলনা নকৰিব সিন্ধুৰাজ, কৰিব তুলনা কেৱল সমৰ কৌশলৰ। ৰণ কৰিলেই পাব আপুনি ইয়াৰ প্ৰমাণ। মাত্ৰ বেহুৰ দ্বাৰ আপুনি কৰক ৰক্ষা।

**( গীত )**

**অভিমন্যুই কৰে ৰণ জয়দ্ৰথৰ সমে।**
**ৰণ দেখি দেৱগণ থৰথৰি কম্পে।।**

**সূত্ৰ ঃ যুদ্ধত জয়দ্ৰথ মূৰ্চ্ছা যায়। অভিমন্যু বেহুৰ মাজত প্ৰৱেশ কৰে। ভীমসেন সোমাই আহে। চেতন পাই জয়দ্ৰথে বাট ভেটি ধৰে -------**

জয়দ্ৰথ ঃ সাৰধান বৃকোদৰ, আৰু এখোজো আগনাবাঢ়িবা নতু প্ৰাণ এৰিবা তুমি মোৰ হাতত।

ভীম ঃ আঃ জয়দ্ৰথ, বাধা আজি নিদিবি মোক । ৰক্ষক হৈ অভিমন্যুৰ আহিছো মই । চা , তুলি ললো এই দুৰ্জয় গদা মোৰ ; ভীষণ পৰিণতি আজি মিলিব তোৰ --

জয়দ্ৰথ ঃ উত্তম , অতি উত্তম , মাথো কৰা ৰণ ---

**সূত্ৰ ঃ যুদ্ধ কৰি কৰি দুয়োৰে প্ৰস্থান। আনফালে দুঃশাসন, কৰ্ণ, শকুনি, দ্ৰোণাচাৰ্য্য , কৃপাচাৰ্য্য, অশ্বত্থামা আৰু শেষত দুৰ্যোধন আহে ---**

দুৰ্যো ঃ গুৰুদেৱ, অঙ্গৰাজ, আচাৰ্যদেৱ হাঃ হাঃ এক যুৱকে আজি কৌৰৱ সেনাৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে । মোৰ পুত্ৰ লক্ষ্মণৰ লৈছে প্ৰাণ ; অথচ আমাৰ এই ৰথী-মহাৰথীসকল হোৱা নাই ম্ৰিয়মান -- কাঢ়ি লওঁ বুলি অভিমন্যুৰ প্ৰাণ এতিয়াও জোৰা নাই ধনুত কালান্তক বাণ --

কৰ্ণ ঃ ধৈৰ্য্য ধৰা সখা , ধৈৰ্য্য ধৰা । এতিয়াও আছে সময় , ৰোধ কৰিব পৰা যাব অভিমন্যুৰ গতি ।

দুৰ্যো ঃ তুমি ধৈৰ্য্য ধৰিবলৈ কৈছা সখা । যোৱা বাৰদিনৰ যুদ্ধত আমাৰ যিমান ক্ষতি হৈছিল আজি অভিমন্যুৱে অকলেই সিমান কৰিলে অনিষ্ট । আকৌ কৈছা তুমি মোক ধৈয্য ধৰিবলৈ ? আপোনজনৰ জীৱন হৈছে হানি , নহয় এয়া খেল সখা ।

শকুনি ঃ সঁচা কথা ভাগিন , নিশ্চয় এয়া নহয় খেলা ; অভিমন্যুয়ে আজি তোমাক কৰিলে পুত্ৰহাৰা । তোমাৰ দুখত আমিও ম্ৰিয়মান। পাছে ভাগিন অবধ্য নহয়, অ ভাগিন, নহয় অবধ্য অভিমন্যু। যদি সপ্তৰথী, এই সপ্তৰথীয়ে সন্মিলিত ভাৱে কৰোঁ আক্ৰমণ নিশ্চয় অভিমন্যু হ'ব নিধন ।

অশ্ব ঃ আপোনাৰ প্ৰস্তাৱ উত্তম মামা ; কিন্তু আমাৰ কাৰ্যক যদি জগতে কৰে ঘৃণা ?

কৰ্ণ ঃ নিশ্চয় কৰিব ঘৃণা ; এজনক সাতজনে মিলি, তাকো বালকক । নাই নাই , যদি কৰোঁ এনে অকাৰ্য জগতে নিন্দিব আমাক । ইয়াৰ বাদে মামা নাইনে অন্য উপায় ?

শকুনি ঃ অন্য উপায় মই দেখা নাই কৌৰৱগণ ; চক্ৰবেহুত যিয়েই সোমাই তাৰ মৃত্যু অনিবাৰ্য । তাতে অভিমন্যুৰ সহায়ৰ বাবে পাণ্ডৱ আহিব নোৱাৰাটো জানো আমাৰ হ'ব পাৰে দোষ ?

দুশাসন ঃ সঁচা কথা মামা ; ৰণাঙ্গনত উচিত - অনুচিতৰ নাহে প্ৰশ্ন ।

দুৰ্যো ঃ হাঃ হাঃ উত্তম ; ন্যায় অন্যায়ৰ বিচাৰ কৰাটো এতিয়া নহয় সময়। পিতামহক কৰি শৰবিদ্ধ অন্যায় ৰণ প্ৰথম পাণ্ডৱেই কৰিছে আৰম্ভ । এতিয়া কৌৰৱৰ হিতৰ বাবে সকলোৱে মিলি অভিমন্যুক আক্ৰমণ কৰাতো নহয় অধৰ্ম। কওক গুৰুদেৱ, নাই নেকি সন্মতি আপোনাৰ মামাৰ প্ৰস্তাৱত ?

দ্ৰোণ ঃ কৌৰৱৰ হিতৰ বাবে এই প্ৰস্তাৱত মই দিছো সন্মতি । ব'লা সকলো ৰণৰ হেতু ---

**সূত্ৰ ঃ সপ্তৰথীৰ প্ৰস্থান । আনফালে সভাত অভিমন্যু -----**

অভি ঃ বেহুৰ মধ্যম স্থানত হ'লোহি উপস্থিত। জ্যেষ্ঠ পিতা বৃকোদৰ আছিল মোৰ পাছত । কিন্তু তেখেত বৰ্তমান ক'ত ? বেহুৰ ভিতৰত মই সোমাব জানো, কিন্তু বেহুৰপৰা যে মই ওলাব নাজানো এই কথা জ্যেষ্ঠ পিতাক কোৱাই নহ'ল । কি কৰোঁ এতিয়া মই --- ?

**সূত্ৰ ঃ এনেতে সপ্তৰথী সোমাই আহে -----**

দুশাসন ঃ অভিমন্যু , বেহুৰ মাজে আজি বন্দী তই । বিশাল কুৰু সেনা দেখি তই হৈছনে ত্ৰাসিত হাঃ হাঃ --

অভি ঃ হে কৌৰৱগণ , ক্ষত্ৰিয় বীৰ মই পাৰ্থনন্দন , বিশাল সেনানীলৈ নকৰোঁ ভয় ।

দুৰ্যো ঃ আঃ ইমান অহংকাৰ , সপ্তৰথীগণ , বেঢ়ি ধৰক এই পাষণ্ডক । চাওঁ বাৰু ইয়াৰ শকতি কিমান --

অভি ঃ এজনক বেঢ়ি সাত জনে কৰিব ৰণ ? এয়া জানো অন্যায় নহয় কৌৰৱগণ ?

দুৰ্যো ঃ ৰণক্ষেত্ৰত তৰ্ক যুদ্ধৰ নাই প্ৰয়োজন ; যদি তই প্ৰকৃত বীৰ দেখুৱা তোৰ পৰাক্ৰম ---

অভি ঃ তেন্তে সেয়ে হওক ; চাওক আপোনাসৱে মোৰ পৰাক্ৰম ---

গীত

দেখা দেখা নৰলোক অধৰ্মীৰ কাৰ্য ।
কৈত আছে ন্যায় আজি কৈত আছে ধৰ্ম।।
অস্ত্ৰাঘাটে অভিমন্যু হৈলা পৰাভূত ।
ৰাম হৰি ৰাম হৰি বুলি ঘোষিয়োক ।।

**সূত্ৰ ঃ বেহুৰ বাহিৰত ভীম- জয়দ্ৰথৰ যুদ্ধ হয় ; সপ্তৰথীৰ প্ৰহাৰত অভিমন্যুৰ মৃত্যু হয়। সকলোৰে প্ৰস্থান। আনফালে সভাত দুখমনে যুধিষ্ঠিৰ , ভীম, নকুল আৰু সহদেৱ আহে ----**

গীত

মনৰ দুখে চলি আহে বীৰ পাণ্ডৱগণ ।
কিনো বিধি কিনো বিধি তোমাৰ লিখন ।।

যুধি ঃ অভিমন্যু --( কান্দে ) --হায় হায় কুৰুসেনাক সংহাৰ কৰা বীৰ অভিমন্যু আজি নাই আমাৰ মাজত । হে প্ৰভু, কেনেদৰে সহো মই ইমান দুখ ?

সহদেৱ ঃ বেজাৰ নকৰিব দাদা, এয়া বিধাতাৰ লিখন ---

যুধি ঃ নহয় ভাতৃ, এয়া মোৰ ভুল । হস্তিনাৰ সিংহাসনৰ লোভত পৰি নকৰি বিচাৰ ময়ে পঠালো অভিক মৃত্যুৰ মুখলৈ -- হে বিধাতা, অভিৰ সলনি মোক কিয় নিনিলা --

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ আৰু অৰ্জুন আহে ---**

অৰ্জুন ঃ দাদা, দাদা -- কি হৈছে আপোনাৰ ? কিয় এনেদৰে আছে ভূমিত পৰি ?

যুধি ঃ ভাই অৰ্জুন, তুমি পালাহি । তোমাৰ চকুলৈ চোৱাৰ সাহস মোৰ নাই ভাতৃ । তোমাৰ অপৰাধী মই -

অৰ্জুন ঃ দাদা, কি কৈছে এয়া আপুনি ?

যুধি ঃ পাৰ্থ, তোমাৰ অনুপস্থিতিত -- উসঃ কেনেদৰে কওঁ -- বৃকোদৰ --

ভীম ঃ নাই নাই দাদা মই নোৱাৰিম --- নকুল

নকুল ঃ নাই দাদা , ক্ষমিব মোক ; নোৱাৰিম মই ---

অৰ্জুন ঃ কওক দাদা , কি হৈছে ? মোৰ অনুপস্থিতিত কি হৈছে --

যুধি ঃ তোমাৰ অনুপস্থিতিত দ্ৰোণাচাৰ্যই ৰচিলে চক্ৰবেহু । হলো চকিত , নোৱাৰিলো আমি বেহু ভেদিব । এই স্বাৰ্থপৰ যুধিষ্ঠিৰে তোমাৰ পুত্ৰ অভিমন্যুক বেহু ভেদিবলৈ দিলো পঠিয়াই -- আৰু --

অৰ্জুন ঃ নাই নাই দাদা আৰু নক'ব , সকলো বুজিলো মই ------ ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপৰ ফলে আজি পুত্ৰ দুখ দিলা ।।
কি দৰে বুজাওঁ মই আজি তোৰ মাতৃক ।
কিদৰে বুজাওঁ আজি দুখুনী উত্তৰাক ।।

কৃষ্ণ ঃ পাৰ্থ , নকৰিবা শোক । আমি , তুমি ক্ষত্ৰিয় ; অস্ত্ৰ শস্ত্ৰই আমাৰ জীৱন , অস্ত্ৰতেই আছে আমাৰ মৰণ । তোমাৰ পুত্ৰ আৰু আমাৰ ভাগিন অভিমন্যুয়ে আজি যিদৰে মৰণক লৈছে আঁকোৱালি , জগতৰ প্ৰত্যেক ক্ষত্ৰিয়ই তেনে মৰণকেই কৰিব বাঞ্চা --যুগে যুগে মনত ৰাখিব জগতে অভিমন্যুৰ বীৰত্বক

ভীম ঃ ভাই অৰ্জুন, এই দুবাহুৰে বধিছো হিড়িম্বক, এই দুবাহুৰে বধিছো কীচকক কিন্তু শতবাৰ ৰণ কৰিও নাজানো কিয় নোৱাৰিলো মই পৰাস্ত কৰিব সিন্ধুৰাজ জয়দ্ৰথক ? অ ভাই, অভিমন্যুয়ে বেহু ভেদ কৰাৰ পাছত সিন্ধুৰাজ জয়দ্ৰথে বেহুৰ পথ কৰিলে ৰুদ্ধ ---

অৰ্জুন ঃ জয়দ্ৰথ ? অৰ্থাৎ মোৰ পুত্ৰৰ মৃত্যুৰ কাৰণ জয়দ্ৰথ । আঃ জয়দ্ৰথ , পুত্ৰ সন্তাপ দি এই ধনঞ্জয়ক কৰিছ তই আনন্দ । ময়ো তৃতীয় পাণ্ডৱ , হাতে গাণ্ডীৱ ধৰি কৰিছো প্ৰতিজ্ঞা কালিলৈ বেলি নৌ মাৰ যাঁওতেই লম মই জয়দ্ৰথৰ প্ৰাণ । যদি হওঁ ব্যৰ্থ এই গাণ্ডীৱেৰে নিৰ্মাণ কৰি অগ্নি কুণ্ড দিম বিসৰ্জন মোৰ প্ৰাণ --। প্ৰতিজ্ঞা , এয়া মোৰ ভীষণ প্ৰতিজ্ঞা ।

কৃষ্ণ ঃ উত্তম সখা, উত্তম। এয়াই হৈছে ক্ষত্ৰিয়ৰ বচন । পাণ্ডৱগণ, অভিমন্যুৰ মৃত্যুত আৰু নকৰিব শোক । ব'লক যাঁও কালিলৈৰ ৰণৰ বাবে হওঁগৈ প্ৰস্তুত ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে চিন্তান্বিত ৰূপত দ্ৰোণাচাৰ্য আহে ; ক্ষন্তেক পাছত দুৰ্যোধন আৰু জয়দ্ৰথ আহে ---**

দুৰ্যো ঃ গুৰুদেৱ , গুৰুদেৱ ----

দ্ৰোণ ঃ দুৰ্যোধন, কিয় আহিলা এই ৰাত্ৰিক্ষণত মোৰ শিৱিৰে ? দেখিছো সিন্ধুৰাজক শংকিত ভাৱত -

জয়দ্ৰথ ঃ মোক ৰক্ষা কৰক গুৰুদেৱ , মোক ৰক্ষা কৰক ---

দ্ৰোণ ঃ সিন্ধুৰাজ , এয়া কি কৰিছা তুমি ? কাৰ পৰা তুমি হৈছা ইমান ভীতিগ্ৰস্ত ?

দুৰ্যো ঃ গুৰুদেৱ, পাইছো সংবাদ অতিকে আচৰিত ; অভিমন্যু বধৰ বাবে নকৰি দোষাৰূপ মোক কিম্বা আমাৰ সপ্তৰথীক সমস্ত দোষ পাণ্ডৱে দিছে জাপি সিন্ধুৰাজৰ ওপৰত । ধনঞ্জয়েও কৰিছে পণ কালিলৈ ৰণত সিন্ধুৰাজৰ তেওঁ হৰিব প্ৰাণ ; নতু যাব আত্মজাহ ---

জয়দ্ৰথ ঃ গুৰুদেৱ, পুত্ৰহাৰা হৈ পাৰ্থ আজি ক্ৰোধাৰ্ত সিংহ । কেনেদৰে মই কালিলৈ পাৰ্থৰ হম সন্মুখীন ? আঃ নিশ্চিত মৰণ মিলিব মোৰ। জ্যেষ্ঠ কৌৰৱ, তাতকৈ মোক ৰণৰ পৰা দিয়ক অব্যাহতি ; আজি ৰাত্ৰিয়ে গুচি যাঁও মই নিজ ৰাজ্যলৈ ---

দ্ৰোণ ঃ সিন্ধুৰাজ, ক্ষত্ৰিয় হৈ তুমি কৰিবা পলায়ন ? নকৰিবা চিন্তা, কুৰুসেনাৰ সেনানায়ক মই ; তোমাক ৰক্ষাৰ দায়িত্ব ললো মই। কেৱল তোমাকেই ৰক্ষাৰ হেতু কালিলৈ ৰচিম মই শকট বেহু --

দুৰ্যো ঃ শকট বেহু -- হাঃ হাঃ তুমি নিচিন্ত হোৱা সিন্ধুৰাজ ; গুৰুদেৱে তোমাক ৰক্ষণৰ ললে দায়িত্ব আৰু মনত ৰাখিবা তোমাৰ জীৱন মানেই পাৰ্থৰ মৰণ হাঃ হাঃ --

দ্ৰোণ ঃ এতিয়া ব'লা আমাৰ ৰথীগণৰ সৈতে এই বিষয়ে আঁচনি কৰোঁগৈ প্ৰস্তুত ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে ৰণসাজে কৃষ্ণ আৰু অৰ্জুন ---------**

অৰ্জুন ঃ জনাৰ্দন, কত ৰথী-মহাৰথীৰ লগত কৰিলো ৰণ তথাপি নাপালো জয়দ্ৰথৰ সন্ধান (দূৰলৈ চাই)-

**(সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণই আকাশলৈ চাই দিনমণিক ভেদে ---)**

অৰ্জুন ঃ ই কি ? আচৰিত , হঠাৎ নামি আহিছে অন্ধকাৰ ; সময় হ'ল নেকি সন্ধ্যাৰ -- ?

**সূত্ৰ ঃ দুৰ্যোধন, দুঃশাসন, শকুনি, কৰ্ণ আৰু অশ্বত্থামা সোমাই আহে----**

দুৰ্যো ঃ পাৰ্থ, সময় হ'ল সন্ধ্যাৰ । নীতিমতে আজিলৈ ৰণৰ হ'ল সমাপ্তি। জয়দ্ৰথ এতিয়াও জীৱিত । পাছে তুমি এতিয়া কৰিবা কি ? কাপুৰুষৰ দৰে প্ৰতিজ্ঞা কৰিবা ভঙ্গ নে মৃত্যুক ল'বা আঁকোৱালী

অৰ্জুন ঃ ধনঞ্জয়ৰ প্ৰতিজ্ঞা অথলে নাযায় কৌৰৱগণ । নিৰ্মাণ কৰি এতিয়াই অগ্নিকুণ্ড দিম মই আত্মজাহ । ল'লো এই অগ্নিবাণ , প্ৰস্তুত কৰোঁ অগ্নিকুণ্ড ।

**সূত্ৰ ঃ অৰ্জুনে অগ্নিকুণ্ড প্ৰস্তুত কৰিব খুজে ; কৌৰৱগণে অট্টহাস্য কৰে । জয়দ্ৰথ সোমাই আহে ---**

জয়দ্ৰথ ঃ হাঃ হাঃ অহংকাৰী পাৰ্থ , মিথ্যা দম্ভে আজি তোমাৰ মিলিব মৰণ ----

কৃষ্ণ ঃ ৰ'বা পাৰ্থ, কোনে ক'লে সন্ধ্যা লাগিছে ? সৌৱা চোৱা অস্তাচলত এতিয়াও আছে দিনমণি। পাৰ্থ, হাতে তুলি লোৱা গাণ্ডীৱ, লোৱা প্ৰতিশোধ তোমাৰ পুত্ৰ হত্যাকাৰীৰ ওপৰত --

অৰ্জুন ঃ জয়দ্ৰথ ; মোৰ পুত্ৰৰ হত্যাৰ বাবে তয়ে দায়ী । এতিয়াই তোক মই কৰিম শিৰচ্ছেদ ।

জয়দ্ৰথ ঃ নাই নাই পাৰ্থ , তেনে কাৰ্য নকৰিবা । ৰক্ষা কৰক কুৰুপতি, ৰক্ষা কৰক অঙ্গৰাজ --

অশ্ব ঃ নাই নাই ; অন্যায় কাৰ্য নকৰিবা পাৰ্থ ; আমি এতিয়া নিৰস্ত্ৰ --

কৃষ্ণ ঃ পাৰ্থ, শিৰচ্ছেদ কৰি জয়দ্ৰথৰ উৰুৱাই নিয়া তাৰ কটা শিৰ কাম্যবনলৈ ; তীৰ মাৰা সখা -

জয়দ্ৰথ ঃ নাই নাই পাৰ্থ এনে অন্যায় নকৰিবা তুমি --------

**সূত্ৰ ঃ জয়দ্ৰথে পলায়ন কৰে ; অৰ্জুনে শৰ নিক্ষেপ কৰে। বাহিৰত জয়দ্ৰথৰ চিৎকাৰ --**

দুৰ্যো ঃ( চিৎকাৰ কৰি ) সিন্ধুৰাজ ------ ; কি কাৰ্য কৰিলা পাৰ্থ ? এয়া ৰণ নীতিৰ বিৰুদ্ধ ।।

কৃষ্ণ ঃ দুৰ্যোধন, বনবাসত পাণ্ডৱৰ অনুপস্থিতিত পাঞ্চালীক জয়দ্ৰথেই জানো কৰা নাছিল হৰণ ? এয়া জানো আছিল উচিত কাৰ্য ? চক্ৰ বেহুত অভিমন্যুক অকলে সোমোৱাই জয়দ্ৰথেই জানো ৰঙ চোৱা নাছিল পাণ্ডৱৰ ? ব’লা পাৰ্থ, আমাৰ কাৰ্য হল সমাপন --( **কৃষ্ণ - অৰ্জুনৰ প্ৰস্থান** )

দুৰ্যো ঃ অন্যায় , অন্যায় ---আঃ অৰ্জুন , তোৰ দৰে বীৰৰ বাবে এনে কাৰ্যই নাপায় শোভা। সিন্ধুৰাজ , নোৱাৰিলো আপোনাক কৰিব ৰক্ষা । অসহায়ভাৱে মাথো চালো আমি আপোনাৰ মৃত্যুৰ দশা --

কৰ্ণ ঃ আঃ ধিক্কাৰ , শতবাৰ ধিক্কাৰ দিওঁ পাৰ্থৰ এনে অন্যায় কাৰ্যত ----

দুঃশাস ঃ বাৰে বাৰে পাণ্ডৱে ক ৰিব চালনা । নিৰস্ত্ৰ অৱস্থাত অন্যায় ভাৱে সিন্ধুৰাজক কৰিব হত্যা আৰু কি আমি নিৰৱে থাকিম সহি ?

দুৰ্যো ঃ নাথাকো ভাতৃ, নাথাকো । লম প্ৰতিশোধ ; আজি ৰাত্ৰিও আমি কৰিম ৰণৰ আয়োজন ।

কৰ্ণ ঃ সখা, তুমুল ৰণ কৰি সমগ্ৰ দিন দুয়ো পক্ষৰ সেনা হৈছে ক্লান্ত । তেনেস্থলত সেনাগণক নিদি বিশ্ৰাম কৰা তুমি আয়োজন ৰাত্ৰি ৰণৰ ?

দুৰ্যো ঃ বিশ্ৰামৰ আৰু নাই প্ৰয়োজন । মনত ক্ৰোধৰ দাবাগ্নি লৈ , বুকুত হাজাৰ বেদনা লৈ কিবাদৰে মই কৰিম বিশ্ৰাম । তুমি চিন্তা নকৰিবা সখা, আছে মিত্ৰ ৰাক্ষস অলম্বুষ আমাৰ পক্ষত -- অলম্বুষ , অলম্বুষ ---

**সূত্ৰ ঃ এনেতে অলম্বুষ আহে ----**

অলম্বুষ ঃ আদেশ কৰা জ্যেষ্ঠ কৌৰৱ , কি কাৰ্য মই কৰিম সাধন ?

দুৰ্যো ঃ সখা, আয়োজন কৰিম আজি মই ৰাত্ৰি ৰণৰ ; দেখুওৱা তোমাৰ বলৰ পৰাক্ৰম ---

অলম্বুষ ঃ চিন্তা নকৰিবা সখা ; কৰিলা প্ৰদান আজি মোক সুন্দৰ সুযোগ, ৰাত্ৰি ক্ষণত ৰাক্ষসৰ শক্তি বাঢ়ে দুগুণ। বধি বৃকোদৰক, বধি ধনঞ্জয়ক পাণ্ডৱৰ শিৰিৰে আনিম ঘোৰ অমানিশা --

দুৰ্যো ঃ হাঃ হাঃ দুশাসন , জ্বলোৱা অগণন ভোটা , উজ্বলোৱা বসুন্ধৰা , ৰাত্ৰি ৰণৰ কৰি আয়োজন নমাই আনো আজি পাণ্ডৱৰ শিৰিৰে কাল অমানিশা হাঃ হাঃ --( **শকুনিৰ বাদে সকলোৰে প্ৰস্থান** )

শকুনি ঃ মূৰ্খ দুৰ্যোধন, সিংহৰ পোৱালীক শিয়ালে বধি কৰিছিলি আনন্দ ; তাৰ পালি প্ৰতিফল ; যি শিৰিৰত আছে শত কোটি সূৰ্যসম যদুনন্দন সেই শিৰিৰে আনিবি কাল অমানিশা ? হাঃ হাঃ মূৰ্খ ভাগিন, মহাকালে নাচিছে আজি তোৰ শিৰৰ ওপৰত ; তই ভোটা জ্বলা , উজ্বলাই বসুন্ধৰা নিজৰেই বিনাশ কালক দে নিমন্ত্ৰণ হাঃ হাঃ --

**সূত্ৰ ঃ শকুনিৰ প্ৰস্থান । আনফালে শ্ৰীকৃষ্ণ ---**

কৃষ্ণ ঃ চৰম পৰ্যায়ত হৈছে উপনীত কুৰুক্ষেত্ৰ ৰণ ; আমাৰ উপস্থিতিতে ঘটিছে অধৰ্ম, ঘটিছে অন্যায় ; নাই যে উপায় ধৰ্ম প্ৰতিষ্ঠাৰ হেতু সকলো ঘটিছে আমাৰ ইচ্ছাতে ---

**সূত্ৰ ঃ এনেতে ঘটোৎকচ আহে --------**

ঘটোৎ ঃ প্ৰণাম যদুপতি, কিয় মতালে আমাক ?

কৃষ্ণ : আঁহা ঘটোৎকচ , উন্মাদ হৈছে দুৰ্যোধন ; আয়োজন কৰিছে এই ৰাত্ৰি ক্ষণত প্ৰতিশোধৰ ৰণ ---

ঘটোৎ : সেই বাৰ্তা মই পাইছো যদুপতি । পাছে কিয় কৰে দুৰ্যোধনে এনে অকাৰ্য ?

কৃষ্ণ : ভগ্নীপতি জয়দ্ৰথক হেৰুওৱাৰ প্ৰতিশোধত ৰাক্ষস অলম্বুষৰ ভৰষাত পাতিছে এই ৰাত্ৰি ৰণ --

ঘটোৎ : আঃ অলম্বুষ , তই যদি ৰাক্ষস , ময়ো পুত্ৰ ৰাক্ষসী মাতা হিড়িম্বাৰ । ৰাত্ৰি ক্ষণত মোৰো শক্তি বাঢ়ে দুগুণে । আজিৰ ৰণতেই তোক বধি এটা এটাকৈ কৌৰৱকো কৰিম নিধন ।

কৃষ্ণ : তুমি পাৰিবা , তোমাৰ বাবে নহয় একো অসাধ্য । কিন্তু হে বৃকোদৰনন্দন , কৰিব লাগিব তুমি আজি অন্য এক মহৎ কাৰ্য । ৰক্ষা কৰিব লাগিব তুমি আজি পাৰ্থৰ জীৱন ।

ঘটোৎ : যদুপতি , কি কৈছে আপুনি ? পাৰ্থৰ দৰে বীৰৰ জানো জীৱনৰ প্ৰতি থাকে শংকা ?

কৃষ্ণ : অঙ্গৰাজ কৰ্ণ হৈছে সেই শংকাৰ নাম । আছে কৰ্ণৰ হাতত ইন্দ্ৰদত্ত একাঘ্নি বাণ। অতিকৈ চমৎকাৰী সেই একাঘ্নি বাণ । যাক উদ্দেশ্য কৰি কৰ্ণই মাৰিব উক্ত বাণ, জানিবা নিশ্চিত তাৰ হৰিব প্ৰাণ । সাঁচি ৰাখিছে কৰ্ণই সেই বাণ পাৰ্থৰ বাবে --

ঘটোৎ : বুজিলো যদুপতি, বুজিলো মই ; দিয়ক আশীষ ; আপোনাৰ আশীষ , মাতাৰ দুগ্ধ, পিতাৰ ৰক্তৰে ৰঞ্জিত হৈ ৰাখি যাঁও কীৰিতি জগতত মহা মহাবলশালী ঘটোৎকচ মই --

কৃষ্ণ : যোৱা বীৰ জগতে চিনিব তোমাক -- ( **ঘটোৎকচে প্ৰস্থান কৰে** ) ধন্য ঘটোৎকচ, ধন্য তুমি ; পাৰ্থক ৰক্ষাৰ হেতু নিজ প্ৰাণ দিবলৈও তুমি নকৰিলা কুণ্ঠাবোধ ।

**সূত্ৰ : কৃষ্ণৰ প্ৰস্থান । আনফালে সভাত অলম্বুষ ------------**

অলম্বুষ : বৃকোদৰ, বৃকোদৰ --- ক'ত গ'ল, ক'ত গ'ল মোৰ চিৰশত্ৰু বৃকোদৰক ।

**সূত্ৰ : এনেতে ঘটোৎকচ আহে -------------**

ঘটোৎ : পিতাৰ কিয় প্ৰয়োজন , আজি পুত্ৰই তোৰ ঘটাব মৰণ ---

অলম্বুষ : হাঃ ঘটোৎকচ ভালেই হ'ল, প্ৰথমে পুত্ৰক বধি পাছত পিতৃকো কৰিম বধ । আহ দে যুদ্ধ ---

**সূত্ৰ : ৰণ হয় -- ( বাজনা --- ভঙ্গী ) ; ৰণত অলম্বুষ নিহত হয় ----**

ঘটোৎ : এই শক্তিৰে তই কুৰুক্ষেত্ৰত কৰিছ ৰণ । যাঁও পূৰ্ণ কৰি লওঁ মই ৰণৰ হেঁপাহ -----

**সূত্ৰ : ঘটোৎকচৰ প্ৰস্থান । আনফালে দুৰ্যোধন আৰু দুঃশাসন----------**

দুঃশাসন : দাদা, সুদূৰত দেখিছো এক বিৰাটকায় ৰূপ ; আঃ দাদা, আমাৰ ফালে সি আহিব ধৰিছে --

**সূত্ৰ : ঘটোৎকচ সোমাই আহে -------**

ঘটোৎ : হাঃ হাঃ অৱশেষত পালো দুই কৌৰৱৰ ধূমকেতুক । ভালেই হ'ল তহঁত দুয়োটাকে বধি মই বৃকোদৰনন্দন ঘটোৎকচে সমাপ্ত কৰিম কুৰুক্ষেত্ৰ ৰণ --

দুৰ্যো : আঃ ঘটোৎকচ, ইমান দম্ভ নসহে এই দুৰ্যোধনে । অভিমন্যুক বধি দিলো সন্তাপ পাৰ্থক ; আজি তোক বধি দিম পুত্ৰ সন্তাপ চিৰশত্ৰু মোৰ বৃকোদৰক ----

ঘটোৎ : হাঃ হাঃ সেই সুযোগ নিদিয়ে ঘটোৎকচে ; আহ পাষণ্ড , দে যুদ্ধ ----

**সূত্ৰ : তিনিওৰে মাজত যুদ্ধ হয় --- ( বাজনা - ভঙ্গী ) ;**

**সূত্ৰ : কৌৰৱ ভাতৃদ্বয় ৰণত পৰাস্ত হৈ পলাই যায় ----**

ঘটোৎ : হাঃ হাঃ কিয় পলাইছ অধম কৌৰৱ ? আচৰিত, এতিয়াও নাহিল অঙ্গৰাজ ? নাই নাই আনিবই লাগিব, আহিবই লাগিব ; প্ৰলয়ৰ সূচনা কৰোঁ আজি মই কুৰুক্ষেত্ৰত । কৰ্ণ , কৰ্ণ --

**সূত্ৰ : ঘটোৎকচৰ প্ৰস্থান । আনফালে সভাত কৰ্ণ ------**

কৰ্ণ : কি হৈছে কৌৰৱ সেনাত ? কিয় শুনো মই ইমান কোলাহল ?

**সূত্ৰ : বেগেৰে দ্ৰোণাচাৰ্য আহে ----**

দ্ৰোণ : চমৎকাৰ, অতি চমৎকাৰ ৰণ কৌশল । অঙ্গৰাজ, বৃকোদৰনন্দন ঘটোৎকচে কৰিছে প্ৰচণ্ড প্ৰহাৰ। নোৱাৰিলো ময়ো তেওঁক ৰোধিব । বাঃ যেন পিতা তেন পুত্ৰ --

সূত্ৰ : বেগেৰে দুৰ্যোধন আহে ---------------

দুর্যো ঃ সখা সখা, ঘটোৎকচে কৰিছে প্ৰলয়ৰ সূচনা । নবধিলে তাক নিশ্চিত পৰাজয় আমাৰ --

দ্ৰোণ ঃ এয়া তোমাৰ ভুলৰ পৰিণতি দুৰ্যোধন ; কিয় তুমি ৰাত্ৰি ৰণৰ কৰিলা আয়োজন ? কৰা জানো নাই ঘটোৎকচে এতিয়া তোমাৰ দৰ্প হৰণ ?

দুর্যো ঃ প্ৰশংসিছো গুৰুদেৱ মই ঘটোৎকচৰ বীৰত্বক । সখা, কৰা উপায় ; তুৰন্তে বধ কৰা তাক --

কৰ্ণ ঃ মোৰ ওচৰত থকা সকলো বাণেই প্ৰয়োগ কৰিলো সখা। বাকী আছেগৈ মাথো ইন্দ্ৰদত্ত বাণ। কিন্তু তুমিটো জানাই সখা , এই বাণ সাঁচিছো মই কেৱল অৰ্জুনৰ বাবে ।

দুর্যো ঃ প্ৰাণ থাকিলেহে সখা সন্মুখত পাবা পাৰ্থক । যদি ঘটোৎকচৰ হাতত আমাৰ যায় প্ৰাণ , অৰ্থহীন হ'ব সাঁচি ৰখা এই বাণ । যোৱা সখা, ৰথৰ বেগত ধূলিৰ ধুমুহা তুলি প্ৰাণঘাটী বাণ মাৰাগৈ ঘটোৎকচৰ বক্ষলৈ ----

দ্ৰোণ ঃ অঙ্গৰাজ ময়ো নিৰুপায় , কৌৰৱ সেনা ৰক্ষাৰ এয়াই হয়তু অন্তিম উপায় ----

কৰ্ণ ঃ তেন্তে সেয়ে হওঁক, কৌৰৱৰ হিতৰ বাবে মই নিক্ষেপ কৰোঁগৈ ঘটোৎকচলৈকে একাঘ্নী বাণ। ঘটোৎকচ , ঘটোৎকচ ---

**সূত্ৰ ঃ প্ৰথমে কৰ্ণৰ, পাছত বাকীসকলৰ প্ৰস্থান । আনফালে ঘটোৎকচ ----**

ঘটোৎ ঃ কৰ্ণ, কৰ্ণ-- ক'ত লুকাই আছ তই ? এই ঘটোৎকচে ৰণৰ বাবে তোক কৰিছে আহ্বান ---

**সূত্ৰ ঃ এনেতে কৰ্ণ ----**

কৰ্ণ ঃ সাৱধান ঘটোৎকচ , ৰণৰ সাজে আহিলো মই । মাত্ৰ নিজৰ প্ৰাণ ৰক্ষা কৰ ।

ঘটোৎ ঃ মৃত্যুলৈ এই ঘটোৎকচে নকৰে ভয় । মাথো ৰণ কৰ তই মোৰ সমে ---

**গীত**

**এহি বুলি দুয়ো বীৰে ৰণ আৰম্ভিলা ।**
**পদভৰে বসুমতী কঁপিব লাগিলা ।।**
**দুয়োজনাই মহাবীৰ নাহি ভঙ্গ ৰণ ।**
**ডাকি বোলা ৰাম হৰি সভাসদ গণ ।।**

**সূত্ৰ ঃ কৰ্ণই একাঘ্নি বাণ তুলি লয় ------**

কৰ্ণ ঃ আঃ আৰু সুযোগ নিদিওঁ মই । ঘটোৎকচ , তুলি ল'লো মই ইন্দ্ৰদত্ত বাণ । এইবাৰ তই নাপাবি পৰিত্ৰাণ --- ( বাণ মাৰে )

ঘটোৎ ঃ আঃ -- উদ্দেশ্য মোৰ হ'ল পূৰণ -- ধৰ্মৰ জয় হওক -- প্ৰভু -- ( মৃত্যু হয় )

কৰ্ণ ঃ ঘটোৎকচ, প্ৰশংসিছো তোমাৰ পৰাক্ৰমক ; যোৱা বীৰ, নিশ্চয় সৰগত স্থান পাবা তুমি -----

**সূত্ৰ ঃ কৰ্ণৰ প্ৰস্থান । উত্ৰাৱল হৈ ভীম ----------------**

ভীম ঃ পুত্ৰ, পুত্ৰ ঘটোৎকচ, নাই নাই বাচা, তই হ'ব নোৱাৰ পৰাস্ত -- উঠ বাচা -- হে বিধাতা এয়া কি লিখিলা তুমি মোৰ কপালত ; বৃথা নাম মোৰ বৃকোদৰ ; মিছা মোৰ পৰাক্ৰম ; নোৱাৰিলো ৰক্ষা কৰিব মই মোৰ পুত্ৰৰ জীৱন । উঠ পুত্ৰ , এনেদৰে তই নকৰিবি শয়ন । নতু কি উত্তৰ দিম মই তোৰ মাতৃ হিড়িম্বাক ---( কান্দে ) ----

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ আহে ---------------------------**

কৃষ্ণ ঃ দাদা বৃকোদৰ , এয়া কি কৰে আপুনি ?

ভীম ঃ পুত্ৰৰ বিয়োগ মই কেনেদৰে সহো জনাৰ্দন --- ?

কৃষ্ণ ঃ দাদা , ঘটোৎকচৰ দৰে বীৰৰ বীৰ গতিত নকৰিব শোক । নিজ প্ৰাণ বিসৰ্জন দি খ্যাতি ৰাখিলে তেওঁ যুগ যুগান্তৰলৈ । দাদা, আপুনি বীৰ ; পাণ্ডৱ সেনাৰ ধৰণী আপুনি । আপোনাৰ এই অৱস্থাই

বিচলিত করিব পাৰ্থক ; হতাশ করিব পাণ্ডৱ সেনাক । আমাৰ পৰাজয় জানো আপোনাৰ কাম্য দাদা । উঠক দাদা , উঠক --

ভীম ঃ ক্ষমা কৰিবা জনাৰ্দন , পুত্ৰশোকত মই হৈছিলো বিহ্বল । যোৱা পুত্ৰ , যোৱা তুমি সৰগলৈ ; পিতৃয়ে আজি সগৌৰৱে তোমাক দিছো বিদায় --

কৃষ্ণ ঃ জানো দাদা , আপোনাৰ মনোবল অসীম ; পুত্ৰ শোকত আপুনি নপৰে ভাগি । আহক দাদা , ৰাত্ৰি ৰণৰো পৰিল অন্ত । শিৱিৰত গৈ কৰোঁগৈ বিশ্ৰাম ।

গীত - ( ৰাগ ঃ ----; তাল ঃ ------)

এহি বুলি বৃকোদৰ যদুপতিৰ সঙ্গে ।
চলি গৈলা শিৱিৰত স্থিৰ কৰি মনে ।।
দুষ্টক বধিয়া প্ৰভু ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা ।।

সূত্ৰ ঃ শ্ৰীকৃষ্ণ আৰু ভীমসেনৰ প্ৰস্থান । ইমানতে নাটভাগি সমাপ্ত হয় ।

গীত- ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি ।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি ।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে ।
আন গতি নাহিকে মৰণে ।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ।।

## মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ ।।
মুকুত সকলে সদা যাৰ গুণ গায় ।
হেন গুৰু চৰণত প্ৰণামো সদায় ।।
সৰ্ব অপৰাধ কৰাহা মোচন ।
চৰণে শৰণ লৈলো কমললোচন ।।

ইতি , বৃকোদৰনন্দনৰ কুৰুক্ষেত্ৰ গমন, দুৰ্যোধনৰ দৰ্পহৰণ নাটকং সম্পূৰ্ণম ।

## সমাপ্ত

জয় গুৰু শঙ্কৰ



# লক্ষ্মীনন্দনৰ বৈকুণ্ঠ গমন


নাট্যৰূপ ঃ

শ্ৰী ৰাজীৱ গগৈ

তিতাবৰ, যোৰহাট

ফোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১। সূত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। ব্ৰহ্মা
৪। নাৰদ
৫। ইন্দ্ৰ
৬। অগ্নি
৭। পৱন
৮। সূৰ্য্যদত্ত (সিংহলৰ ৰাজন)
৯। মন্ত্ৰী
১০। সুপৰ্ণ (ৰাজকুমাৰ) -- ( প্ৰধান চৰিত্ৰ )
১১। সুনন্দ (সুপৰ্ণৰ পুত্ৰ )
১২। ধৰ্মজিত ( মন্ত্ৰীপুত্ৰ )
১৩। যমৰজা
১৪। চিত্ৰগুপ্ত
১৫। ইন্দুমালী (ৰাক্ষস)
১৬। বিদ্যুৎজিবা (ৰাক্ষস)
১৭। ঋষি

## স্ত্ৰী-চৰিত্ৰ

১। লক্ষ্মী
২। ৰাণী পদ্মাৱতী

মুখা

ময়ুৰ পক্ষী

।। শ্ৰীশ্ৰী কৃষ্ণায়ে নমো নমঃ।।

শ্লোক ঃ যৎপাদ পংকজ ৰজঃ শিৰসা সুৰেশাঃ-- সৰ্বাদয়ো দিবিশ্চঃ দুহিতম উদ্দোহন্তি --
যৎকৃৰ্তনাৎ কলিমলং মনোজাস্ত্য জন্তি -- কৃষ্ণস্য তস্য চৰনং শৰনং ব্ৰজামঃ ।।

অপিচ ঃ যেনাকাৰী সমস্তে দেৱতা নাথ নমস্তে গৰুড়ধবজ --শংখ চক্ৰ গদা পদ্ম বাসুদেৱ নমোহস্ততে।

গীত ঃ নান্দী ( ৰাগ ঃ সুহাই, তাল ঃ একতাল )

জয় জয় দেৱ নাৰায়ণ।
তুৱা পাৱে কৰহো বন্দন।।
নানা ৰূপে লোৱা অৱতাৰ।
কৰিলাহা ভক্তক উদ্ধাৰ।।
হেনজানি এৰা আন কাম।
সভাসদে বোলা ৰাম ৰাম।।

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ুং শৃণুধং শ্ৰদ্ধয়াধুনা ; ইয়ং-- লক্ষ্মীনন্দনৰ বৈকুণ্ঠ গমন --- নাম নাটকং শ্ৰৱণে মুক্তি সাধকম ।

অথ ভটিমা

জয় জয় জগত জনক যদুদেৱ ।
পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।
একদিনা নাৰায়ণে লক্ষ্মীৰ সৈতে ।
মৰ্ত্ত্যত প্ৰৱেশিলা ভ্ৰমণৰ অৰ্থে ।।
ধৰিত্ৰীৰ ৰূপত লক্ষ্মী হৈলা বিভূৰ ।
ওলাই আনন্দাশ্ৰু দেৱীৰ চক্ষুৰ ।।
নাৰায়ণে সেহি অশ্ৰু ৰাখে পদ্ম পাতে ।
তাৰ পৰা জনম লহলে সুপৰ্ণ কুমাৰে ।।
যুৱ হৈয়া সুপৰ্ণই হৰিক ভজিলা ।
হৰি ভক্তিৰ বলে তুমি বৈকুণ্ঠক গৈলা ।।
ভক্তি মাৰ্গত থাকি তুমি ধৰ্মক থাপিলা ।
সমাজৰ লোকে হৰি হৰি বোলা ।।

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সখী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আকাশে দেৱ দুন্দুভী বাজত বাজত বাজত --------

সূত্ৰ ঃ আ -হাহা , মিলল, মিলল ; আহে সভাসদ, হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু লক্ষ্মীসমে সভাৰ মধ্যে আৱত, আৱত, আৱত । তাক সাৱধানে দেখহ, শুনহ নিৰন্তৰে হৰি বোল , হৰি বোল ।

( ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ )

**সূত্ৰ ঃ সভাত বিষ্ণু আৰু লক্ষ্মী দেৱীৰ প্ৰৱেশ -----**

শ্লোক ঃ **প্ৰৱেশম কৰোৎ দেৱ শ্ৰীবিষ্ণু কমললোচন । লক্ষ্মী ভ্যাং সহ সভাৰ মধ্যে উপস্থিতং ।।**

**গীত - ( ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল )**

**সভাত প্ৰৱেশ কৰে দেৱ নাৰায়ণ।**
**লক্ষ্মীৰ সহিতে আহে কমল লোচন।।**
**দিব্যবস্ত্ৰে প্ৰৱেশিলা লক্ষ্মী জনাৰ্দন।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ।।**

বিষ্ণু ঃ জগতৰ পালনকৰ্তা ৰূপে দুষ্টক দমন আৰু সন্তক পালনেৰে জগতত ধৰ্ম প্ৰতিষ্ঠা কৰিছো আমি । ঐশ্বৰ্য্যৰ দেৱী ৰূপে তুমিও দিছা অৱদান। কিন্তু দেৱী, কৰিছো লক্ষ্য তোমাৰ বদনত নাই পূৰ্বৰ মোহনীয় হাঁহি । অনন্ত কোটি জীৱ তথা যোগীজনৰো কাম্য আমাৰ এই বৈকুণ্ঠধাম । এনে ধামৰ গৰাকিনী হৈও নাই তোমাৰ মনত অকণো হৰ্ষোল্লাস । ইয়াৰ কাৰণ জানিব পাৰোঁনে দেৱী ?

লক্ষ্মী ঃ প্ৰভু, সৰ্বজ্ঞ আপুনি, আমাৰ বিষাদগ্ৰস্ত মনৰ কাৰণ জানো নাজানে আপুনি ? জগতৰ পালনকৰ্তা হৈ অৰ্দ্ধাঙ্গিনীৰ মন নুবুজাটো বাৰু আমি কেনেকৈ লওঁ মানি ?

বিষ্ণু ঃ সৰ্বজ্ঞ যদিও তোমাৰ মন বুজাত আমি কেতিয়াবা হওঁ অসমৰ্থ। অৱশ্যে প্ৰকাশ কৰাৰ যদি তোমাৰ নাই ইচ্ছা জোৰ কৰি আমি তোমাৰ পৰা নিবিচাৰোঁ জানিব ।

লক্ষ্মী ঃ নাথ, আমাৰ বাক্যই যদি আপোনাৰ মনত দিছে আঘাট তেন্তে ক্ষমা প্ৰাৰ্থী আমি । আচলতে প্ৰভু আমাৰ মনত জাগিছে -------------------

**সূত্ৰ ঃ এনেতে নাৰদৰ কণ্ঠত হৰিনাম শুনা যায় ---**

বিষ্ণু ঃ দেৱৰ্ষীৰ আগমণ ঘটিছে দেৱী --

**সূত্ৰ ঃ নাৰদৰ প্ৰৱেশ ---**

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ ; প্ৰণাম প্ৰভু , প্ৰণাম দেৱী , দুয়োকে দেখি নয়ন তৃপ্ত হ'ল আজি আমাৰ ।

বিষ্ণু ঃ দেৱৰ্ষি , কিয় আহিলা তুমি বৈকুণ্ঠপুৰীলৈ ?

নাৰদ ঃ প্ৰভু, আপোনাৰ মাথো এবাৰ দৰ্শনৰ হেতু কতজনে কৰে কত তপ, তেনেহেন প্ৰভুৰ দৰ্শন লভিবলৈ নাৰদ বা কিয় নাহিব এই বৈকুণ্ঠধামে । তিনি ত্ৰৈলোক্য ভ্ৰমণ কৰিলেও নাপাওঁ শান্তি আমি বৈকুণ্ঠধামৰ সমে।

লক্ষ্মী ঃ দেৱৰ্ষি, আপুনি ভাগ্যবান। ইচ্ছামতেই আপুনি চৰাচৰ জগত কৰিব পাৰে ভ্ৰমণ। নাই কোনো আপোনাৰ বান্ধোন । তেনে সুযোগ যদি আমিও পালোহেঁতেন ------ ?

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; দেৱী, এই নিঃকিন নাৰদে আপোনাৰ কথনৰ তাৎপৰ্য নোৱাৰিলো বুজিব ।

লক্ষ্মী ঃ সকলো পুৰুষ একেই । তিৰোতাৰ মন বুজাৰ অকনো নকৰে চেষ্টা । কি দেৱৰ্ষি , কি নাৰায়ণ ?

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, ক্ষমা কৰিব দেৱী। আমাৰ দৰে চিৰকুমাৰ তপস্বীয়েনো কেনেদৰে বুজো তিৰোতাৰ মন । তাতে আকৌ আপোনাৰ.......প্ৰভু

বিষ্ণু ঃ দেৱৰ্ষি, তুমি চিন্তা নকৰিবা । দেৱী লক্ষ্মীৰ মনৰ কথা বুজিছো আমি । অচিৰেই আমি দেৱী লক্ষ্মীৰ সৈতে ভ্ৰমণৰ উদ্দেশ্যে যাম মৰ্ত্ত্যপুৰীলৈ ।

লক্ষ্মী ঃ প্ৰভূ ------।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ , দুয়ো যাব মৰ্ত্ত্যপুৰীলৈ । মাথোঁ ভ্ৰমণৰ উদ্দেশ্যে ? প্ৰভূ, মনে আমাৰ কৈছে নিশ্চয় আপোনাসৰৰ ভ্ৰমণৰ আঁৰত আছে কিবা গুপুত ৰহস্য ।

বিষ্ণু ঃ ৰহস্য ৰহস্য হৈয়ে থাকক দেৱৰ্ষি । মাথোঁ তুমি তোমাৰ কৰ্তব্য কৰিবা পালন ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; বুজিলো প্ৰভূ, আপোনাৰ লীলাৰ নপৰে পৰিচ্ছেদ । দেৱী, আপোনাৰ মনোবাঞ্ছা প্ৰভূৱে কৰিব পূৰণ। আমিও এতিয়া বিদায়হে মাগো । নাৰায়ণ, নাৰায়ণ --- ( **প্ৰস্থান** )

বিষ্ণু ঃ যোৱা দেৱৰ্ষি , ব'লা দেৱী আমিও যাত্ৰা কৰোঁ মৰ্ত্ত্যপুৰীলৈ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সৃষ্টিকৰ্তা ব্ৰহ্মাৰ সভাত প্ৰৱেশ ---**

গীত ঃ ( ৰাগ - শ্ৰী পয়াৰ , তাল - পৰিতাল )

**প্ৰৱেশিলা সভাৰ মাজে দেৱ সৃষ্টিকৰ।**
**দিব্য বস্ত্ৰে শোভা কৰে দেখি মনোহৰ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

**সূত্ৰ ঃ ব্ৰহ্মাৰ প্ৰস্থান। আনফালে সভাত দেৱৰাজ ইন্দ্ৰ, অগ্নি আৰু পৱনদেৱৰ প্ৰৱেশ --**

গীত- (ৰাগ ঃ মাহুৰ ; তাল ঃ একতাল ,পৰিতাল )

**অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।**
**সঙ্গে আহে দেৱগণ দেখিতে সুৱেশ ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ইন্দ্ৰ ঃ দেৱগণ, অপূৰ্ব আমাৰ এই অম্ৰাৱতীপুৰ। নাই ইয়াত কোনো ৰোগ, শোক, জৰা কিম্বা মৃত্যুৰ অস্তিত্ব। স্বৰ্গৰ সৌ নন্দন কানন, শচীৰ দৰে ৰূপৱতী পত্নী মোৰ ; ৰম্ভা, মেনকা, উৰ্বশী আদি অপেশ্বৰীগণ আৰু তেত্ৰিশ কোটি দেৱতাৰ পালক মই হাঃ হাঃ-- সকলোৰে ঈৰ্ষা আজি দেৱেন্দ্ৰৰ ওপৰত আৰু তাতেই মই কৰোঁ হৰ্ষোল্লাস হাঃ হাঃ।

পৱন ঃ সত্য বচন আপোনাৰ দেৱৰাজ । সৃষ্টি , স্থিতি আৰু প্ৰলয়ৰ গৰাকীৰো আশীষ আছে দেৱতাৰ ওপৰত । দেৱতাৰ দেৱত্ব আজি বিকশিত, তেনেস্থলত দেৱৰাজৰ হৰ্ষোল্লাস বাস্তৱিত হাঃ হাঃ --

ইন্দ্ৰ ঃ তেন্তে ব'লক দেৱগণ , আনন্দ উৎসৱৰ কৰোঁগৈ আয়োজন --

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান । সভাত ৰাক্ষস ইন্দুমালী আৰু বিদ্যুৎজিবাৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ কানাৰা ; তাল ঃ ভঙ্গী )

**প্ৰৱেশ কৰিয়া আহে ৰাক্ষস বনৰ ।**
**ক্ৰুৰমতি লুব্ধমতি অতি ভয়ংকৰ ।।**
**হেনজানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰ লোকে ডাকি বোলা ৰাম ৰাম।।**

ইন্দু ঃ ভাতৃ, কৰা নাই বহুদিন মই নৰ ভোজন । দিয়া ভাই , আনি দিয়া মোক নৰ মাংস, কৰিম ভোজন হেঁপাহ পলুৱাই ; পান কৰি নৰ ৰক্ত অপূৰ্ণ তৃষ্ণা মোৰ কৰোঁ পূৰণ।

বিদ্যুৎ ঃ দাদা, উপবনত প্ৰৱেশ কৰা কত ঋষি আৰু মনুষ্যক আমি কৰিলো ভক্ষণ। মনুষ্যটো বাদেই

দেৱতাইও নকৰে প্ৰৱেশ ইয়াত আমাৰ ভয়ত। তেনেস্থলত নৰ ভোজন আৰু নহয় সহজ।

ইন্দু ঃ তেনে বচন মোৰ নহয় কাম্য; জান তই মোৰ ক্ষুধা কিমান দুৰন্ত ?

বিদ্যুৎ ঃ আনি দিওঁ দাদা কোনো বন্য জন্তু, তাকে গ্ৰহণ কৰি পূৰ্ণ কৰা তোমাৰ প্ৰচণ্ড ক্ষুধা ---

ইন্দু ঃ আঃ সামান্য বন্য জন্তুৱে নকৰে শাম মোৰ ক্ষুধাৰ বহ্নি। ধিক ধিক ভাতৃ, ধিক তোৰ বীৰত্ব। জ্যেষ্ঠ ভাতৃৰ ক্ষুধাও তই নোৱাৰ কৰিব পূৰণ ? এক সামান্য মনুষ্যৰ মাংসও তই নোৱাৰ কৰিব যোগাৰ ? যা, আঁতৰ হৈ যা তই মোৰ সন্মূখৰ পৰা ----

বিদ্যুৎ ঃ ক্ষান্ত হোৱা দাদা, ক্ষান্ত হোৱা। পাইছো মই গন্ধ কাৰোবাৰ ----

ইন্দু ঃ হাঃ হাঃ পাইছো, মইও পাইছো; কিন্তু এয়াতো নহয় মনুষ্যৰ গন্ধ ? যোৱা ভাতৃ, যোৱা আগবাঢ়ি কৰা অন্বেষণ জীৱন্তে ধৰি আনা সেই অজান উৎসক।

বিদ্যুৎ ঃ পলক মাত্ৰ দাদা কৰা অপেক্ষা; আনি দিম ভোজন, পূৰ্ণ কৰিবা তোমাৰ ক্ষুধা -----

**<u>সূত্ৰ ঃ</u>** **<u>বিদ্যুৎজিবা আগবাঢ়ি যায়। এনেতে বিষ্ণু আৰু লক্ষ্মী সোমাই আহে ------</u>**

বিদ্যুৎ ঃ আঃ ইমান দিব্য জ্যোতি। চকুৰ দৃষ্টি যেন মোৰ নিব কাঢ়ি। দেখা নাই দাদা কোন আহিছে ? (ওচৰ চাপি) আঃ ইমান উত্তাপ; দাদা, নহয় এয়া কোনো সাধাৰণ মনুষ্য --( পিছুৱাই আহে )

ইন্দু ঃ ধিক ভাতৃ, ধিক তোৰ বীৰত্ব। চা, ময়ে ইয়াক কৰোঁ নিধন --( আগবাঢ়ি ) ই কি, ইমান জ্যোতি ? ইমান উত্তাপ ? আঃ দেহ যেন মোৰ হ'ব দগ্ধ। কোন, কোন তই ?

বিষ্ণু ঃ হেৰ' ৰাক্ষস, ভ্ৰমণ বিহাৰৰ আনন্দ আমাৰ নকৰিবি লাঘৱ।

ইন্দু ঃ আঃ কি শব্দ যেন সমুদ্ৰৰ গৰ্জন; ভাতৃ, জাগিছে হৃদয়ত মোৰ ভীতিৰ কম্পন ---

বিদ্যুৎ ঃ অ দাদা; আচম্বিতে এয়া প্ৰৱেশিলে কোন ?

বিষ্ণু ঃ প্ৰাণলৈ যদি আছে মমতা তুৰন্তে তহঁতে এই স্থান কৰ ত্যাগ। নহবি আমাৰ বাটৰ কণ্টক --

ইন্দু ঃ যাম, যাম হে দিব্যপুৰুষ, আমি নহওঁ আপোনাৰ বাটৰ কণ্টক। এতিয়াই আমি এই স্থান কৰিম ত্যাগ। পলোৱা ভাতৃ, পলোৱা --- **<u>( দুয়ো ৰাক্ষসৰ প্ৰস্থান -- )</u>**

বিষ্ণু ঃ দেৱী, চোৱাচোন কেনে মনোৰম দৃশ্য ধৰাৰ এই উপবনৰ। ইয়াতে আমি ক্ষন্তেক বিশ্ৰাম কৰি বনৰ সৌন্দয্য কৰোঁ আহাঁ উপভোগ।

লক্ষ্মী ঃ প্ৰভু, ধৰণীৰ সৌন্দৰ্যই মোহিত কৰিছে মোক। সুগন্ধিত মলয়াৰ মৃদু পৰশে দেহ মন মোৰ কৰিছে জুৰ। এনেহেন ধৰাত কিয় প্ৰভু সৃষ্টি কৰিলে পাপ, অধৰ্ম আৰু দুৰ্জন দানৱৰ ?

বিষ্ণু ঃ দেৱী, ৰাত্ৰি থাকিলেহে দিনৰ উজ্বলতা, শীত থাকিলেহে বসন্তৰ মাদকতা, কাঁইট থাকিলেহে ফুলৰ সুন্দৰতা আৰু পাপ থাকিলেহে পূণ্যৰ গুৰুত্বতা মনুষ্যই কৰিব উপলব্ধি ----

**<u>সূত্ৰ ঃ</u>** **<u>এনেতে এটি ময়ুৰ পক্ষীয়ে বিষ্ণু - লক্ষ্মীক পৰিভ্ৰমণ কৰি চালি ধৰে। আনন্দতে লক্ষ্মীয়ে নৃত্য কৰে ---</u>**

**<u>গীত</u>**

**চলি আহে ময়ুৰ পক্ষী অতি বিতোপন।**
**মন ৰঙ্গে ধৰে চালি অতি অনুপম।।**
**তাকে দেখি দেৱী লক্ষ্মী পুলকিত হৈল।**
**পক্ষীৰ সঙ্গে নৃত্য কৰে আনন্দিত মন।।**

**<u>সূত্ৰ ঃ</u>** **<u>পক্ষীৰ প্ৰস্থান ----</u>**

লক্ষ্মী ঃ আ-হাহা, বনৰ পক্ষীয়ে আজি মোক কৰিলে উন্মনা; অতিকে চঞ্চলা। প্ৰভূ, সঁচাই মনোৰম শ্যামলী বসুন্ধৰা। সৌ হ্ৰদটো চাওঁকচোন, বিকশিত পদ্মৰে কেনেদৰে হৈছে জাতিষ্কাৰ। কিদৰে বুজাম প্ৰভূ আজি মই কিমান আনন্দিত ? চাওঁকচোন প্ৰভূ, আনন্দৰ লোতক মোৰ বৈছে নয়নৰপৰা--

বিষ্ণু ঃ তোমাৰ সুখতে আমিও সুখ অনুভৱ কৰোঁ দেৱী। পাছে দেৱী , তোমাৰ লোতক অতি মূল্যবান। এনে মূল্যবান লোতক মৰ্ত্ত্যত পৰিলে জানো নহ'ব অথন্তৰ ? (লক্ষ্মীৰ লোতক হাতত লয়) তোমাৰ এই লোতক আমি সযতনে ৰাখিম সৌ হ্রদৰ পদ্ম পাতত ।

লক্ষ্মী ঃ প্ৰভু , কি কৰে এয়া আপুনি ? অতি আশ্চৰ্যকৰ আপোনাৰ কাৰ্য ।

**সূত্ৰ ঃ বিষ্ণুৱে চকুৰ লোতক পদুমৰ পাতত থয়গৈ -----**

বিষ্ণু ঃ দেৱী, তোমাৰ মূল্যবান লোতক আমি উচিত স্থানতেই ৰাখিলো। পাছে দেৱী, বহুদুৰ কৰিলো ভ্ৰমণ, সময়ো হ'ল , এতিয়া ব'লা যাঁও উভটি বৈকুণ্ঠধামে ।

লক্ষ্মী ঃ প্ৰভু , মনোবাঞ্ছা পুৰণ কৰাৰ বাবে আপোনালৈ অশেষ ধন্যবাদ কৰিলো জ্ঞাপন । ব'লক প্ৰভু --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সিংহল ৰাজ্যৰ ৰজা সূৰ্য্যদত্ত আৰু মন্ত্ৰীৰ প্ৰৱেশ---**

**গীত- ( ৰাগ ঃ আশোৱাৰী ; তাল ঃ পৰিতাল )**

**সভাসদ সমে আহে সিংহল ৰাজন।**
**বিষ্ণুভক্ত ৰাজন ইটো অতিকে মহান।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ গণ।।**

সূৰ্য্য ঃ মন্ত্ৰীবৰ , শ্ৰীহৰিৰ কৃপাত আজি আমাৰ ৰাজ্যত সৰ্বদিশতে হৈছে মঙ্গল। শত্ৰু শূন্য হৈছে আজি সিংহল ৰাজ্যৰ। প্ৰজাগণো আজি আছে কুশলে ।

মন্ত্ৰী ঃ আপুনি উচিত কথা কৈছে মহাৰাজ । আপোনাৰ দৰে ধৰ্মপ্ৰাণ ৰাজনৰ ৰাজ্যত হ'ব পাৰে জানো কিবা অমঙ্গল ? ভগৱন্তকো অশেষ ধন্যবাদ, কৃপা দৃষ্টি বৰষিবা প্ৰভূ সদায় আমাৰ ওপৰত।

সূৰ্য্য ঃ মন্ত্ৰীবৰ , এজন ৰজাই পাব লগা সকলো খ্যাতিয়েই লভিছো মই। কিন্তু নাপালো আজিও মই পিতৃত্বৰ গৌৰৱ, তথাপিও নকৰোঁ আক্ষেপ। ভাগ্যৰ লিখন বুলি মানি লৈছো মই। কিন্তু মন্ত্ৰীবৰ, মহাৰাণীৰ সন্মূখত মই বৰ অসহায় বোধ কৰোঁ । তেওঁৰ বিষাদ ভৰা চাৱঁনি, মাতৃত্বৰ প্ৰতি থকা দুৰ্বাৰ আকুলতা -- নাই নাই মন্ত্ৰীবৰ, ৰাণীৰ দুখ আৰু মই নোৱাৰো সহিব । নাজানো, কি পাপৰ ফল ভূগিছো আমি ? ৰাজভোগ কেতিয়াবা মোৰ বাবে হৈ পৰে অৰ্থহীন ------

মন্ত্ৰী ঃ বেজাৰ নকৰিব মহাৰাজ। ভগৱানৰ ওপৰত ৰাখক বিশ্বাস । তেখেতৰ কৃপাদৃষ্টি নিশ্চয় লভিব । মহাৰাজ , দিওঁ এক পৰামৰ্শ , ব'লক যাওঁ আমি মৃগয়াৰ উদ্দেশ্যে । মৃগ চিকাৰে দিব মনত আনন্দ , দুশ্চিন্তাৰ পৰা আপোনাৰ মনো হ'ব মুক্ত ।

সূৰ্য্য ঃ উত্তম পৰামৰ্শ মন্ত্ৰীদেৱ ; বহুদিনেই হ'ল কৰা নাই আমি মৃগ চিকাৰ । ৰাজকাৰ্য্যৰ পৰাও লোৱা হ'ব কিছু অব্যাহতি । ব'লক তেন্তে মৃগয়া যাত্ৰাৰ বাবে চলাওঁগৈ প্ৰস্তুতি।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে ভীতিগ্ৰস্ত মনে প্ৰথমে বিদ্যুৎজিবা ; পাছত ইন্দুমালী --**

বিদ্যুৎ ঃ নাই, নাই দাদা, নাই এতিয়া এই স্থানে কোনো দিব্যজ্যোতি। আঁহা দাদা, এতিয়া কোনো ভয় নাই আমাৰ । গুচি গ'ল দিব্যজ্যোতি এই বনৰ পৰা হাঃ হাঃ --

ইন্দু ঃ স্তব্ধ হ মূৰ্খ, কিয় কৰ হৰ্ষোল্লাস ? হোৱা নাই জয় আমাৰ, পূৰ্ণ হোৱা নাই ক্ষুধা আমাৰ । ধিক্কাৰ জন্মিছে আজি মোৰ নিজৰ ওপৰতে । ৰাক্ষস জাতিৰ নামত আমি সানিলো কলংক । সকলোৱে হাঁহিব, সকলোৱে নিন্দিব আজি আমাৰ কাৰ্যত ------

বিদ্যুৎ ঃ কিয় কোৱা দাদা এনুৱা বচন ? আমিতো কৰা নাই কোনো অনুচিত কাৰ্য।তেনেস্থলত কোনে আৰু কিয় নিন্দিব আমাক ?

ইন্দু ঃ এক অজান শক্তিয়ে দিলেহি আমাক আদেশ আৰু আমি নতশিৰে স্বীকাৰ কৰি ভীৰুৰ দৰে ইয়াৰ পৰা কৰিলো পলায়ন। ই কি উচিত হ'ল ভাতৃ ? ক'ত গ'ল আমাৰ শক্তি ? শতজোপা বৃক্ষক একে মুঠিতে উভালি আনিব পৰা তোৰ দুবাহুৰ সেই ৰক্ষ শক্তি হেৰাল ক'ত ? কিয় আক্ৰমণ নকৰিলি তই ? হস্তীৰ ভয়ত শহা পলোৱাৰ দৰে কৰিলো পলায়ন --

বিদ্যুৎ ঃ আঃ দাদা, সিৰাই সিৰাই তপ্ত শোণিত মোৰ হৈছে প্ৰৱাহিত। প্ৰতিশোধৰ দাবানল দপ দপকৈ জ্বলিব ধৰিছে মোৰ শৰীৰত। আদেশ কৰা দাদা, বিচাৰি যাওঁ মই সেই অচিন শক্তিক -----

ইন্দু ঃ ভাতৃ--ভাতৃ, মনুষ্য ; চিৰ পৰিচিত মনুষ্যৰ ঘ্ৰাণ পাইছো এইবাৰ।

বিদ্যুৎ ঃ অ দাদা, মইও পাইছো ঘ্ৰাণ ; নিশ্চিত এয়া মনুষ্যৰ ঘটিছে আগমণ

ইন্দু ঃ আঃ অনন্ত ক্ষুধা মোৰ বাঢ়িব ধৰিছে অবিৰামভাৱে। লালায়িত হৈছে মোৰ প্ৰাণ নৰ ৰক্তৰ প্ৰতি। এইবাৰ আমি সফল হ'ব লাগিব, সফল হ'বই লাগিব ভাতৃ।

বিদ্যুৎ ঃ নিশ্চয় দাদা, এইবাৰ আমি নহওঁ বিফল। ব'লা দাদা, চিকাৰ হাতৰ পৰা পলাব নহ'লে।

<u>**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনহাতে মৃগয়া যাত্ৰা কৰি সূৰ্য্যদত্ত আৰু মন্ত্ৰীৰ প্ৰৱেশ---**</u>

<u>**গীত**</u>

**মৃগৰ হেতু চলে সূৰ্য্যদত্ত ৰাজন।**
**ধনুধৰি প্ৰৱেশিলা গভীৰ বনত।।**

<u>**সূত্ৰ ঃ এনেতে ইন্দুমালী আৰু বিদ্যুৎজিবা------**</u>

বিদ্যুৎ ঃ হাঃ হাঃ দাদা, আমাৰ অনুমান হৈছে সঠিক ; আহাৰ ৰূপে হৈছে উপস্থিত দুই মনুষ্য --

ইন্দু ঃ হাঃ হাঃ অৱশেষত মোৰ আহাৰ মিলিল ভাগ্যত। ভাতৃ, লৈ আনা সৌ তেজাল মনুষ্যক মোৰ সমীপে। ভক্ষণ কৰি তাৰ সুস্বাদু মঙহ অনন্ত ক্ষুধা মোৰ কৰোঁ নিবাৰণ।

সূৰ্য্য ঃ সাৱধান ৰাক্ষস, এখোজো নাবাঢ়িবি আগ। সিংহলৰ ৰাজন সূৰ্য্যদত্ত মই। যদি প্ৰাণলৈ আছে মমতা, তেন্তে তুৰন্তে মোৰ ৰাজ্য তহঁতে কৰ ত্যাগ।

ইন্দু ঃ হাঃ হাঃ ৰাজন, তেনেহ'লে ময়ো কৰিলো পণ, তোক আজি ময়েই কৰিম ভক্ষণ --

সূৰ্য্য ঃ সাৱধান ৰাক্ষস, তুলি ল'লো মই এই অগ্নিবাণ, পাৰ যদি তহঁতে নিজক ৰক্ষা কৰ।

ইন্দু ঃ হাঃ হাঃ উত্তম, সাধাৰণ মনুষ্যই আজি ৰাক্ষসৰ সমে কৰিব ৰণ। ভাতৃ, ৰাখিবা মনত আহাৰ লাগিব মোক জীৱন্ত ৰূপত। কৰা ভাতৃ, কৰা আক্ৰমণ ---

<u>**গীত**</u>

**মহাক্ৰোধে দুয়োদলে যুদ্ধ আৰম্ভিলা।**
**পদভৰে বসুমতী কঁপিব লাগিলা।।**
**অস্ত্ৰঘাতে ৰাক্ষসবীৰ হৈলা পৰাভূত।**
**বোলা হৰি হৰিয়োক সামাজিক লোক।।**

<u>**সূত্ৰ ঃ যুদ্ধত দুয়োটা ৰাক্ষস পলাই যায় -----**</u>

সূৰ্য্য ঃ কিয় পলালি ৰাক্ষস ? এই শক্তি লৈয়ে তহঁতে ভোজন কৰিবলৈ আহ মনুষ্যক।

মন্ত্ৰী ঃ মহাৰাজ, বহু পলম হ'ল। আজিলৈ আৰু নকৰোঁ চিকাৰ। ব'লক কাৰেঙলৈ যাওঁ ঘূৰি।

সূৰ্য্য ঃ উচিত কথাই কৈছে মন্ত্ৰীবৰ, ব'লক তেন্তে।

**সূত্ৰ ঃ দুয়ো যাব খোজে ; এনেতে কেঁচুৱাৰ ক্ৰন্দন ভাঁহি আহে ----**

সূৰ্য ঃ মন্ত্ৰীবৰ, আঁচৰিত ; কেঁচুৱাৰ ক্ৰন্দন শুনিছো মই । আপুনি বাৰু শুনিছেনে ?

মন্ত্ৰী ঃ হয় মহাৰাজ, কেঁচুৱাৰ ক্ৰন্দন যেনেই লাগিছে । কিন্তু এনে দুৰ্গম বনত ক'ৰ পৰা আহিছে কেঁচুৱাৰ ক্ৰন্দন ? এইয়া কোনো ৰাক্ষসৰ চালনা নহয়তো ?

সূৰ্য ঃ মন্ত্ৰীবৰ, ৰাক্ষসৰ আৰু নাই ভয় । নিশ্চয় কোনোবা মনুষ্য সন্তানৰ ক্ৰন্দন এয়া । সৌ দিশৰ পৰাই অহা যেন লাগিছে -- ( আগবাঢ়ি ) হয় মন্ত্ৰীবৰ , এই দিশৰ পৰাই আহিছে ক্ৰন্দনৰ ধ্বনি ।

মন্ত্ৰী ঃ মহাৰাজ, এয়া কিবা চালনা যেন লাগিছে । এনেহেন দুৰ্গম বনৰ মাজত কোন মনুষ্যই কৰিব বাস ? মোৰ মনত জাগিছে সংশয় । মহাৰাজ, এই স্থানৰপৰা আমি শীঘ্ৰে প্ৰস্থান কৰাই মঙ্গল -

সূৰ্য ঃ মন্ত্ৰীবৰ, সৌটো এটা হ্ৰদ, পদুম ফুলে আছে জাতিস্কাৰ হৈ । ই কি ? পদুমৰ পাতত আছে এটি কেঁচুৱা । অ মন্ত্ৰীবৰ, পদুমৰ পাতত আছে এটি কেঁচুৱা । নাই নাই বৰ কষ্ট পাইছে। তুলি লৈ আঁহো মই সেই কেঁচুৱাক । আপুনি ইয়াতে কৰক অপেক্ষা --- **( প্ৰস্থান কৰে )**

মন্ত্ৰী ঃ মহাৰাজ, এনেহেন বনৰ মাজত জানো থাকিব পাৰে কেঁচুৱা ? তাকো পদুমৰ পাতত ? নাই নাই এইয়া ৰাক্ষসৰ চালনা । মহাৰাজ , মহাৰাজ ----

**সূত্ৰ ঃ হাতত এক কেঁচুৱা লৈ সূৰ্যদত্ত আহে ---**

সূৰ্য ঃ চাওঁক চাওঁক মন্ত্ৰীবৰ, কিযে সুন্দৰ এই শিশু । ই কোনো মনুষ্যৰে সন্তান ।

মন্ত্ৰী ঃ দেখাতটো ই মনুষ্যৰ সন্তান যেনেই লাগে ৰাজন ।

সূৰ্য ঃ সন্দেহ নকৰিব মন্ত্ৰীবৰ ; ই মনুষ্যৰেই সন্তান ।

মন্ত্ৰী ঃ যদি মনুষ্যৰ সন্তানেই হয় কেনেকৈ আহিল ইয়ালৈ ? কোন ইয়াৰ মাতা - পিতা ?

সূৰ্য ঃ কোন আছে ইয়াত ? কোনে এই দেৱ শিশুক ইয়াত থ'লা ? কোন ইয়াৰ মাতা - পিতা ? মন্ত্ৰীবৰ, কাৰো নাই সঁহাৰি ; কি হ'ব এই শিশুটিৰ, কোনে নিব ? হে প্ৰভূ, দিয়া সমিধান --

**সূত্ৰ ঃ এনেতে গীত গাই নাৰদ আহে ----------------------**

সূৰ্য ঃ ই কি দেৱৰ্ষি ? --- প্ৰণাম দেৱৰ্ষি, উচিত সময়তেই আপোনাৰ ঘটিল আগমন । বিপদত পৰিছো আমি বনৰ মাজত পোৱা এই শিশুটিক লৈ । নাজানো ই কাৰ সন্তান ?

নাৰদ ঃ নাৰায়ণ-- পাইছে যেতিয়া আপোনাৰেই সন্তান --

সূৰ্য ঃ মোৰ সন্তান ---দেৱৰ্ষী ?

নাৰদ ঃ হাঃ হাঃ ; চিন্তা নকৰিব ৰাজন, আপোনাৰ ভাগ্য হৈছে সুপ্ৰসন্ন । ভগৱন্তৰ দান বুলি এই সন্তানক আপুনি গ্ৰহণ কৰক । ৰাজন, এই শিশুটি প্ৰকৃততে দেৱী লক্ষ্মীৰ সন্তান ।

সূৰ্য ঃ কি কৈছে দেৱৰ্ষি ? দেৱী লক্ষ্মীৰ সন্তান ; তাকো এই মৰ্ত্ত্যপুৰীত ?

নাৰদ ঃ হয় ৰাজন, নাৰায়ণৰ সঙ্গে দেৱী লক্ষ্মীয়ে বিহাৰ কৰি এই স্থানতে হৈছিলহি উপস্থিত। উপবনৰ সৌন্দৰ্যত উৎফুল্লিতা দেৱী লক্ষ্মীৰ নয়নৰপৰা ববলৈ ধৰিলে আনন্দৰ লোতক আৰু সেই লোতক নাৰায়ণে যতনাই ৰাখিলে পদ্ম পত্ৰত । বিধিৰ বিধান মতে সেই লোতকৰ পৰাই এই শিশুটিৰ হ'ল জন্ম। পাছে ৰাজন, কৰোঁ অনুৰোধ দুয়োকে , বালকৰ জন্ম ৰহস্য থাকে যেন গুপুত হৈয়ে ।

সূৰ্য ঃ হে প্ৰভূ , তোমাৰ প্ৰতি মোৰ অশেষ ধন্যবাদ । আজিৰ পৰা এই শিশুটি মোৰ পুত্ৰ বুলি

কৰিলো গ্ৰহণ । দেৱৰ্ষি , দয়া কৰি শিশুটিৰ নাম এটি আপুনিয়েই দিবনে ?

নাৰদ ঃ দেৱী লক্ষ্মীৰ পুত্ৰৰ নাম আমি কৰিব লাগিব নিৰ্বাচন ? নাৰায়ণ, -- নিশ্চয় নিশ্চয় ৰাজন , এওঁৰ নাম মই -- সিংহল ৰাজ্য -- সূৰ্য্যদত্ত পিতা । গতিকে এই শিশুৰ নাম ৰাখিলো --- সুপৰ্ণ ।

সূ+মন্ত্ৰী ঃ সুপৰ্ণ , সুপৰ্ণ -----

সূৰ্য্য ঃ অতি উত্তম নাম। সূয্যদত্তৰ পুত্ৰৰ নাম সুপৰ্ণ, ধন্যবাদ দেৱৰ্ষি। দয়া কৰি পুত্ৰক দিয়ক আশীষ, আৰু দিছো বচন আমি আপোনাক, সুপৰ্ণৰ জন্ম ৰহস্য কাৰো আগত নকৰোঁ প্ৰকাশ।

নাৰদ ঃ আমাৰ আশীৰ্বাদ সদায় থাকিব সুপৰ্ণৰ ওপৰত। পাছে ৰাজন , সন্ধ্যা নামিবৰ সময় সমাগত। এই স্থানত থকাটো নহয় সমীচিন । আমিও যাওঁ নিজ কৰ্তব্যত --- ( **প্ৰস্থান** )

সূৰ্য্য ঃ যাওক দেৱৰ্ষি; মন্ত্ৰীৱৰ, অমূল্য ৰতন লভিলো বনত । ব'লক যাঁও ঘূৰি ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সিংহল ৰাজ্যৰ ৰাণী পদ্মাৱতীৰ সভাত প্ৰৱেশ---**

**গীত ঃ ( ৰাগ - সুহাই , তাল -একতাল )**

**সভাত চলিয়া আহে সিংহল মহিষী ।**
**ৰূপে গুণে বিভূষিতা ইটো সতী নাৰী।।**
**লয়লাসে চলি আহে সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

পদ্মা ঃ হে প্ৰভু, ইমান নিষ্ঠুৰনে তুমি আমাৰ প্ৰতি। সকলো দিওঁ যেন একোৰেই নিদিলা। প্ৰতিগৰাকী নাৰীৰ স্বপ্ন মাতৃত্ব প্ৰাপ্তি। কিন্তু প্ৰভু, কিয় আজিও মোৰ কোলা ৰিক্ত। এটি সন্তানৰ বাবে কৰিছো মই হাঁহাকাৰ। যদিওবা মহাৰাজ থাকে মোৰ আগত সদা প্ৰফুল্লিত ৰূপত, জানো মই সেয়া কেৱল তেখেতৰ অভিনয়। অন্তৰত মই আঘাট পাওঁ বুলি তেখেতে প্ৰতি নিতে হলাহল কৰিছে পান । নাই নাই এনেদৰে আৰু নোৱাৰো মই জীয়াই থাকিব ----( কান্দে )

**সূত্ৰ ঃ এনেতে কোলাত কেঁচুৱা লৈ সূৰ্য্যদত্ত --------------**

সূৰ্য ঃ ৰাণী ৰাণী , চোৱা তোমালৈ লৈ আহিছো মই এক অনুপম উপহাৰ ।

পদ্মা ঃ কি উপহাৰ আনিলে স্বামী -- (ওচৰ চাপি) স্বামী ? --- এটি শিশু । কাৰ শিশু এইটো ? কোন ইয়াৰ মাতা - পিতা ?

সূৰ্য ঃ ৰাণী , তুমিয়েই ইয়াৰ মাতা আৰু মই ইয়াৰ পিতা । এয়াই ইয়াৰ পৰিচয় ।

পদ্মা ঃ ই কেনেকৈ হ'ব সম্ভৱ ? কওঁক স্বামী, সত্য বিৱৰি কওঁক, ক'ত পালে এই দেৱশিশুক ?

সূৰ্য ঃ ৰাণী, দুৰ্গম অৰণ্যৰ মাজত পদ্মপত্ৰত ক্ৰন্দন কৰি আছিল এই শিশুৱে। নাছিল কাষত এওঁৰ কোনো । বিচাৰি চলাথ কৰিলো শিশুটিৰ জন্মদাত্ৰী মাতা আৰু পিতাক , কিন্তু নাপালো সন্ধান। ভাবিলো ঘন অৰণ্যৰ মাজত এনেহেন শিশুটিক এৰি থৈ আহিলে হ'ব মোৰহে পাপ । সেয়ে লৈ আহিলো মই ৰাজকাৰেঙলৈ। যদি তুমি দিয়া সন্মতি পুত্ৰৰূপে আমি এওঁক কৰিম গ্ৰহণ ।

পদ্মা ঃ হে প্ৰভু, এই দুখুনীৰ বিননি শুনিলা তুমি । উপহাৰ দিলা এই অমূল্য ৰতন। তোমালৈ শত কোটি প্ৰণাম প্ৰভু। দিয়ক স্বামী, মাতৃৰূপে বুকুৰ উমেৰে মোৰ ইয়াক কৰোঁ গ্ৰহণ। এনেহেন দিব্য শিশুক কোন হৃদয়হীনাই থৈ গ'ল পদুমৰ পাতত ?

সূৰ্য ঃ ৰাণী, হৃদয়হীনা বুলি তেওঁক নকৰিবা ক্ৰোধ। যি নহওক আজিৰ পৰা সুপৰ্ণ আমাৰ পুত্ৰ ----

পদ্মা ঃ সু-প-ৰ্ণ ----, আপুনি পুত্ৰৰ নামো দিলে স্বামী ?

সূৰ্য ঃ অ ৰাণী , বাটতে এজন পূণ্যবৰে আমাক লগ পাই শিশুটিৰ নাম ৰাখিলে সুপৰ্ণ ।

পদ্মা ঃ সুন্দৰ, অতি সুন্দৰ নাম ।মহাৰাজ সূয্যদত্তৰ নন্দন সুপৰ্ণ। মই আজি অতিকৈ সুখী নাথ, অতিকৈ সুখী ।সুপৰ্ণ মোৰ সন্তান ? আমাৰ সন্তান সুপৰ্ণ।

সূয্য ঃ তেন্তে প্ৰিয়ে , ব'লা আমি সুপৰ্ণৰ লওঁগৈ যতন ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত এজন ঋষিৰ প্ৰৱেশ ------------**

গীত-( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )

প্ৰৱেশিলা সভাৰ মাজে এক ঋষিবৰ।
হৰিক আৰাধো বুলি মনে কৰি স্থিৰ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

**সূত্ৰ ঃ ঋষিবৰৰ প্ৰস্থান। আনফালে যুৱক সুপৰ্ণ আৰু মন্ত্ৰীপুত্ৰ ধৰ্মজিতৰ প্ৰৱেশ----**

গীত- (ৰাগ ঃ আশোৱাৰী, তাল ঃ একতাল )

প্ৰৱেশ কৰিয়া আহে সিংহল নন্দন ।
সঙ্গে আহে তাৰ সখা দেখিতে শোভন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সুপৰ্ণ ঃ সখা ধৰ্মজিত, আজি দহ বছৰে গুৰুগৃহত শিক্ষা লভি যাওঁ আমি নিজ ৰাজ্যলৈ। পিতা -মাতাৰ শ্ৰীমুখ দৰ্শন কৰিবলৈ মই যে হৈছো ব্যাকুল ।

ধৰ্মজিত ঃ হয় কুমাৰ , মোৰো আজি একেই দশা । যাত্ৰা পথো আজি বৰ দীঘল যেন লাগিছে ।মন মোৰ গৈ পালেগৈ ৰাজকাৰেঙ , অথচ শৰীৰটোহে আছে ইয়াত ।

সুপৰ্ণ ঃ তেন্তে সখা , ব'লা যাওঁ বেগাই , তুৰন্তে পাব লাগে ৰাজকাৰেঙ ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত সূৰ্য্যদত্ত আৰু ৰাণী পদ্মাৱতী ----**

পদ্মা ঃ মহাৰাজ , সুপৰ্ণ এতিয়াও আহি পোৱা নাই ? কত বছৰৰ অন্তত দেখা পাম মোৰ বাচাক। তাক যে এপলক চাবৰ বাবে মোৰ নয়নে কৰিছে অপেক্ষা। এক পল হৈছে মোৰ বাবে এটা যুগৰ দৰে।

সূৰ্য্য ঃ ধৈয্য ধৰা ৰাণী , যাত্ৰাপথ যথেষ্ট দীঘল ।নিশ্চয় আহি পাব কুমাৰ অনতি পলমে ।তুমি মাথোঁ কুমাৰক আদৰাৰ বাবে চলোৱা প্ৰস্তুতি।

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ মন্ত্ৰীবৰ------**

মন্ত্ৰী ঃ মহাৰাজ, মহাৰাজ --------।

সূৰ্য ঃ মন্ত্ৰীবৰ, বৰ উত্তেজিত যেন লাগিছে আপোনাক ? অ' বুজিছো, কুমাৰ সুপৰ্ণৰ লগত আপোনাৰ পুত্ৰ ধৰ্মজিতো যে আহিব সেয়ে আনন্দত হৈছে অধীৰ --------

মন্ত্ৰী ঃ মহাৰাজ, পুত্ৰৰ আগমনত নিশ্চয় আনন্দিত মই, কিন্তু মোৰ উৎকণ্ঠাৰ আছে অন্য কাৰণ ?

সূৰ্য্য ঃ কি কাৰণ মন্ত্ৰীবৰ ? কোনোবা শত্ৰুৱে কৰিছে নেকি আমাৰ ৰাজ্য আক্ৰমণ ?

মন্ত্ৰী ঃ মহাৰাজ , ইন্দুমালী আৰু বিদ্যুৎজিবা নামৰ দুই ৰাক্ষসে আমাৰ ৰাজ্যৰ উত্তৰ দিশে থকা অৰণ্যত কৰিছে উপদ্ৰৱ ।কেইবাজনো ঋষি আৰু সাধাৰণ প্ৰজাক সিহঁতে কৰিলে ভক্ষণ ।

সূৰ্য্য ঃ দুটা ৰাক্ষস ? নিশ্চয় উপবনত আমি লগ পোৱা সেই ৰাক্ষস দুটা ।মন্ত্ৰীবৰ , এইবাৰ সিহঁতে নাপাব নিস্তাৰ ।সাজু হওঁক আপুনিও যাত্ৰাৰ বাবে।

**সূত্ৰ ঃ এনেতে সুপৰ্ণ আৰু ধৰ্মজিত আহি সেৱা জনাই -----**

সু + ধ ঃ প্ৰণাম পিতা , প্ৰণাম মাতা ----

সূৰ্য্য ঃ উঠা বাচা , উঠা ----

সুপর্ণ ঃ পিতা, অত বছৰৰ অন্তত আমি আহিছো আপোনাসবৰ সমীপে, অথচ দেখা নাপালো আমাৰ আগমণত আনন্দৰ বন্যা। কিবা অঘটন ঘটিছে নেকি ৰাজ্যত ?

সূৰ্য্য ঃ বাচা কি ক'ম ? সকলো আয়োজন কৰিছিলো তোমালোকক আদৰাৰ বাবে। ভাবিছিলো ৰাজ্যৰ দায়িত্বও তোমাকেই কৰিম অৰ্পণ। কিন্তু হঠাৎ পালো খবৰ ৰাজ্যৰ উত্তৰ দিশে দুই ৰাক্ষসে প্ৰজাৰ ওপৰত চলাইছে উপদ্ৰৱ। সিহঁতক বধৰ বাবে মই আৰু মন্ত্ৰীবৰে এতিয়াই কৰিম যাত্ৰা।

সুপর্ণ ঃ পুত্ৰ জীৱিত থাকোতে পিতা কিয় যাব ৰণৰ উদ্দেশ্যে ? আমি যাম ৰাক্ষসক বিচাৰি।

পদ্মা ঃ সুপৰ্ণ, কি কৈছা তুমি ? ৰাক্ষসৰ লগত তুমি কৰিবা ৰণ ? ৰাক্ষসৰ শকতি কিমান জানা তুমি ?

সুপর্ণ ঃ মাতৃ, তুমি নকৰিবা অলপো চিন্তা, তোমাৰ পুত্ৰ সুপৰ্ণ এতিয়া নহয় বালক। অস্ত্ৰ শিক্ষাৰে পৈণত যোদ্ধা হ'লো মই। নাই ভয় আমাৰ ৰাক্ষসলৈ। নিমিষতে নিধন কৰিম দুই ৰাক্ষসক।

পদ্মা ঃ স্বামী, সুপৰ্ণই এয়া কি কৈছে। সকলো শুনিও আপুনি আছে নিমাতে ? পিতৃ হৈ কিয় পুত্ৰক ৰাক্ষসৰ লগত ৰণ কৰিবলৈ কৰা নাই বাৰণ ? পাৰিব জানো সি ৰাক্ষসৰ লগত কৰিব ৰণ ?

সূৰ্য ঃ ৰাণী, নকৰিবা চিন্তা। সুপৰ্ণৰ বিৰোচিত বচনে মোক কৰি তুলিছে গৌৰৱান্বিত। দেখিছো মই সুপৰ্ণৰ দেহত বীৰৰ প্ৰতিচ্ছবি। গতিকে মই বাচাক নিদিওঁ বাধা। ক্ষত্ৰিয় ধৰ্ম আমি পালন কৰিবই লাগিব। সুপৰ্ণ, ৰাক্ষস বধৰ বাবে মই তোমালোকক দিলো অনুমতি।

সুপর্ণ ঃ ধন্যবাদ পিতা, মোৰ সামৰ্থ্যৰ ওপৰত কৰা আপোনাৰ বিশ্বাসৰ বাবে। মাতৃ, নকৰিবা চিন্তা বিজয়ী হৈ আহিম আমি। ৰাক্ষসে আমাক নোৱাৰে বধিব।

পদ্মা ঃ পুত্ৰ, মাতৃ হৈ মই কেনেদৰে তোক পঠাওঁ ৰাক্ষসৰ সন্মুখলৈ ?

ধৰ্মজিত ঃ আমাৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস ৰাখক ৰাজমাতা। অচিৰেই আমি আহিম ঘূৰি ৰাক্ষসক নিধন কৰি। মহাৰাজ আৰু পিতা, দিয়ক আশীৰ্বাদ আমাক।

সূৰ্য ঃ যোৱা, বিজয়ী হৈ আঁহা।

সুপর্ণ ঃ আশীৰ্বাদ কৰক আই।

পদ্মা ঃ যোৱা বাচা, ভগৱানে কুশল কৰক ----

**<u>সূত্ৰ ঃসুপৰ্ণ আৰু ধৰ্মজিতে যাত্ৰা কৰে। বাকী সকলোৰে প্ৰস্থান। আনফালে বিদ্যুৎজিবাই ঋষিক হাতত ধৰি টানি আনে ------</u>**

ঋষি ঃ ৰক্ষা কৰা প্ৰভু, এৰি দে, এৰি দে মোক ---

বিদ্যুৎ ঃ হাঃ হাঃ এৰি দিম তোক হাঃ হাঃ ; দাদা, দাদা -----

**<u>সূত্ৰ ঃ ইন্দুমালী সোমাই আহে -----------------</u>**

ইন্দু ঃ কিয় মাতিলি ভাতৃ ? ( ঋষিক দেখি ) হাঃ হাঃ মনুষ্য --আজি মিলিব মোৰ নৰ ভোজন --ধন্য, ধন্য ভাতৃ দিলি মোক এক অনুপম উপহাৰ --আ-হাহা এই গোন্ধ, নৰৰ গোন্ধ মোৰ অতিকে প্ৰিয়।

ঋষি ঃ হে ৰাক্ষস, মই তোমালোকৰ কি অপকাৰ কৰিলো ? মোক হত্যা কৰি নকৰিবা পাপ --

বিদ্যুৎ ঃ ৰাক্ষসে নকৰে পাপ পুণ্য বিচাৰ ; নৰ ভোজন হৈছে আমাৰ সুস্বাদু আহাৰ। দাদা, কৰা আৰম্ভ -

ইন্দু ঃ নিশ্চয় কৰিম ; আহ অধম, বক্ষ ফালি প্ৰথমে তোৰ তপ্ত ৰক্ত মই কৰোঁ পান --

ঋষি ঃ প্ৰভূ, ৰক্ষা কৰা, ৰক্ষা কৰা মোক ---

**<u>সূত্ৰ ঃ ৰাক্ষসে ঋষিক ভক্ষণ কৰিব খোজে। এনেতে সুপৰ্ণ আৰু ধৰ্মজিত আহে --</u>**

সুপৰ্ণ ঃ সাৱধান ৰাক্ষস , নকৰিবি ঋষিৰ অপকাৰ ---

ইন্দু ঃ ভাতৃ , পুনৰ আহিল দুই মনুষ্য ? আজি দেখিছো মিলিছে মনুষ্যৰ সম্ভাৰ হাঃ হাঃ -----

ধৰ্মজিত ঃ অট্টহাস্য নকৰিবি ৰাক্ষস, বহু আৰ্জিলি তইঁতে পাপ ; আজি পাবি তাৰ যথোচিত পৰিণাম --

বিদ্যুৎ ঃ হাঃ হাঃ দাদা , দুৰ্বল মনুষ্যই দিব আমাক যথোচিত পৰিণাম । সাহস ইহঁতৰ প্ৰশংসাৰ যোগ্য।

সুপৰ্ণ ঃ সাহসেই নহয় , আজি সিংহলৰ ৰাজকুমাৰে দিব তইঁতক ৰণৰো শিক্ষণ।

ইন্দু ঃ সিংহলৰ ৰাজকুমাৰ ? অৰ্থাৎ সূৰ্যদত্তৰ সন্তান -- হাঃ হাঃ বহু অপেক্ষা কৰিছিলো মই তইঁতৰ বাবে । শুভ ক্ষণ মিলিছে আজি ৰক্ষৰ ভাগ্যত । তোৰ পিতৃয়ে পৰাস্ত কৰি মোক কৰিছিলে অপমান ; আজি তোক হত্যা কৰি লম মই তাৰ ঘোৰ প্ৰতিশোধ ----

সুপৰ্ণ ঃ মুখৰ কথাৰ নাই প্ৰয়োজন ৰাক্ষস , অস্ত্ৰৰে দেখুৱা তইঁতৰ পৰাক্ৰম । সখা কৰা আক্ৰমণ ---

**গীত**

**মহাক্ৰোধে চাৰিবীৰে আৰম্ভিলা ৰণ ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**

**সূত্ৰ ঃ যুদ্ধত ধৰ্মজিতৰ হাতত বিদ্যুৎজিবা , সুপৰ্ণৰ হাতত ইন্দুমালীৰ মৃত্যু হয় ----**

সুপৰ্ণ ঃ পাপৰ ফল এনেদৰেই ভোগ কৰিব লগা হয় অধম ৰাক্ষস । ঋষিবৰ, ৰাক্ষসৰ আৰু নাই ভয়, কৰিব পাৰিব আপুনি শান্তিৰে তপ ---

ঋষি ঃ ধন্য, ধন্য কুমাৰ ; ধন্য তোমালোকৰ বীৰত্ব । অশেষ ধন্যবাদ, আমাৰ জীৱন কৰিলা ৰক্ষা । ভগৱন্তই কৃপা কৰক দুয়োকে । আমি এতিয়া কৰোঁ গমন --- ( প্ৰস্থান )

সুপৰ্ণ ঃ সখা , এতিয়া যাওঁ ব'লা আমি পিতাৰ সমীপে।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত প্ৰথমে চিন্তান্বিত মনে দেৱী লক্ষ্মী ; এনেতে নাৰদ আহে -----**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, প্ৰণাম দেৱী ---- নাৰায়ণ, নাৰায়ণ --- দেৱী, আমাক নকৰিব ক্ৰোধ, আপোনাক দেখো বৰ উদাস ভাৱত । কিয় দেৱী ? বৈকুণ্ঠবাসীৰ জানো থাকিব পাৰে কিবা মনত দুখ ?

লক্ষ্মী ঃ দেৱৰ্ষি , কি ক'ম --- ? নাৰায়ণৰ অৰ্দ্ধাঙ্গিনী যদিও মোৰো হৃদয়ত আছে মাতৃৰ মমতা । যিদিনাই জানিব পাৰিলো মৰ্ত্ত্যপুৰীত পদ্মপত্ৰত থকা মোৰ লোতকৰ পৰা এটি শিশুৰ হ'ল সৃষ্টি, সেই দিন ধৰি তাক এবাৰ নয়ন ভৰি চাবলৈ, বুকুৰ উমেৰে সাৱটি কোলাত ল'বলৈ মোৰ মন হৈছে ব্যাকুল । কিন্তু দেৱত্বৰ বান্ধোনেৰে বন্দী মই , নোৱাৰোঁ মৰ্ত্ত্যপুৰীত গৈ ----

নাৰদ ঃ হাঃ হাঃ নাৰায়ণ , নাৰা ---

লক্ষ্মী ঃ ( খঙেৰে ) কিয় হাঁহিলে দেৱৰ্ষী ---- ?

নাৰদ ঃ ক্ষমা কৰিব দেৱী, আপুনি হয়তো গৈছে পাহৰি । দেৱলোকৰ সময় আৰু মৰ্ত্ত্যৰ সময়ৰ মাজত আছে বৃহৎ ব্যৱধান। সুপৰ্ণ এতিয়া কোলাত ল'ব পৰা শিশু নহয় , সুপৰ্ণ এতিয়া সিংহলৰ ৰাজন । সিমানেই নহয় দেৱী ; পিতৃত্বৰো গৌৰৱ অৰ্জন কৰিলে সুপৰ্ণ ৰাজনে ---

লক্ষ্মী ঃ কি ক'লে দেৱৰ্ষি , পিতৃত্বৰ গৌৰৱ অৰ্জন কৰিলে সুপৰ্ণই ? অৰ্থাৎ মোৰ নাতিৰো --

নাৰদ ঃ হয় দেৱী, সুপৰ্ণৰ পুত্ৰ তথা আপোনাৰ নাতিৰ নাম সুনন্দ --

লক্ষ্মী ঃ ইমান তীব্ৰ গতিত চলিছে মৰতৰ সময় ? নাতিসহ মোৰ পুত্ৰ সুপৰ্ণক এবাৰ চাবলৈ মোৰ হৃদয়

হৈছে ব্যাকুল । কিবা এটা উপায় দিবনে দেৱৰ্ষি ? মোৰ মনৰ আকুলতা আপুনি কৰক পূৰণ ।

নাৰদ ঃ নাৰায়ণ , নাৰায়ণ , উপায় দিয়াৰ সামৰ্থ্য আমাৰ নাই দেৱী। আমি মাথো উপায় দিব পৰাজনৰ সন্ধানহে দিব পাঁৰো ।

লক্ষ্মী ঃ কওঁক দেৱৰ্ষি, কোনে দিব মোক উপায় ? এতিয়াই যাত্ৰা কৰিম মই তেখেতৰ সহায় বিচাৰি ?

নাৰদ ঃ নাৰায়ণ,--- নাৰায়ণ, অ দেৱী এই ত্ৰিভূৱণৰ বিপদ বাৰণকৰ্তা হৈছে, মোৰ প্ৰভূ নাৰায়ণ। ইচ্ছা কৰিলে প্ৰভূয়ে --- আপোনাক তেখেতে সহায় নকৰিবনে ? আপুনি হৈছে তেখেতৰে অৰ্দ্ধাঙ্গিনী ; নিশ্চয় কৰিব , পাছে আমি এতিয়া আহিলোহে দেৱী । নাৰায়ণ , নাৰায়ণ , ---- ( **প্ৰস্থান** )

লক্ষ্মী ঃ দেৱৰ্ষিয়ে উচিত কথাই কৈ গ'ল । অৰ্দ্ধাঙ্গিনী মই নাৰায়ণৰ ; নাৰায়ণেই মোক কৰিব সহায় --

**সূত্ৰ ঃ এনেতে শ্ৰীবিষ্ণু আহে -------**

বিষ্ণু ঃ দেৱী ---( **লক্ষ্মীয়ে অভিমান কৰি আঁতৰি যায়** ) প্ৰিয়ে, কিয় আজি কৰিছা এনে আচৰণ ?

লক্ষ্মী ঃ সৰ্বজ্ঞ হৈও কিয় কৰে এনে প্ৰশ্ন ? পুত্ৰ সুপৰ্ণক এপলক চোৱাৰ আশা যে কিমান দুৰ্বাৰ হৈ উঠিছে মোৰ । আমাৰ পুত্ৰ সুপৰ্ণ এটি পুত্ৰ সন্তানৰ পিতৃও হ'ল । নাতিৰ নাম ৰাখিছে সুনন্দ । দয়া কৰক প্ৰভূ , কৰিছো মিনতি, সুপৰ্ণৰ সান্নিধ্য লাভৰ মাত্ৰ এবাৰ আমাক দিয়ক সুযোগ । দেৱী ৰূপে নহয় এক অভাগিনী মাতৃৰূপে মাগিছো ভীক্ষা আমাৰ পুত্ৰ সুপৰ্ণক এবাৰ আনক আমাৰ এই বৈকুণ্ঠধামে ----

বিষ্ণু ঃ দেৱী, এয়াতো অসম্ভৱ। মনুষ্যৰূপে বৈকুণ্ঠত প্ৰৱেশ কৰাটো নহয় সম্ভৱ। মহান ধাৰ্মিকজনৰ বাবেও ই কষ্টকৰ । বিধিৰ বিধানৰ বিপৰীতে আমি যাব নোৱাৰোঁ দেৱী।

লক্ষ্মী ঃ অ' বুজিছো, সদিচ্ছা নাই বাবে বিধিৰ বিধানৰ কথা কৈছে আপুনি। আপোনাৰ ঔৰস আৰু আমাৰ গৰ্ভজাত সন্তান নহয় বাবে সুপৰ্ণৰ প্ৰতি আপোনাৰ এনে বিদ্বেষ ভাৱ। কিন্তু মনত ৰাখিব প্ৰভূ, সুপৰ্ণ নহয় অধাৰ্মিক, মোৰ অংশ সি, মোৰ চকুৰ লোতকৰ পৰা সি হৈছে সৃষ্ট । তাক সাক্ষাত পাবৰ বাবে যদি প্ৰয়োজন হয় বিধিৰ বিধান নেওচি মই সীমা কৰিম অতিক্ৰম ।

বিষ্ণু ঃ আমাক ভুল বুজিছা দেৱী । কাৰো প্ৰতি নাই আমাৰ বিদ্বেষ আৰু নকৰোঁ ভেদাভেদ । নিগুণ ভকতিৰে ভক্তিমাৰ্গত থকাজনে আমাক আহিছে পাই আৰু পাই থাকিব। যদি সুপৰ্ণও ভক্তিমাৰ্গত থাকে অবিচলিত হৈ তেন্তে বৈকুণ্ঠপুৰীত সোঁশৰীৰে হ'ব উপস্থিত। বাৰু দেৱী, দিছো তোমাক আমি বচন , অতি শীঘ্ৰে সুপৰ্ণক বৈকুণ্ঠপুৰীলৈ অনাৰ কৌশল কৰিম ৰচনা । এতিয়া ব'লা দেৱী কৰোঁগে বিশ্ৰাম ।

**সূত্ৰ ঃ দুৱোৰে প্ৰস্থান। আনফালে সুপৰ্ণনন্দন সুনন্দৰ প্ৰৱেশ -----**

গীত ঃ ( ৰাগ - গান্ধাৰ , তাল -ৰচক )

**সভাত প্ৰৱেশ কৰে সুনন্দ কুমাৰ।**
**সুপৰ্ণ নন্দন ইটো অতিকে মহান।।**
**এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ গণ।।**

**সূত্ৰ ঃ সুনন্দৰ প্ৰস্থান। আনফালে সভাত ব্ৰহ্মা ; এনেতে বিষ্ণু আহে ----**

বিষ্ণু ঃ প্ৰণাম সৃষ্টিকৰ্তা ---।

ব্ৰহ্মা ঃ সৃষ্টিৰ পালনকৰ্তা নাৰায়ণ আজি এই ব্ৰহ্মালোকত । প্ৰণাম প্ৰভূ , কিয় আগমন এই ব্ৰহ্মালোকলৈ ? যদি আছিল আমাৰ প্ৰয়োজন , স্মৰণ কৰা হ'লে আমিয়ে উপস্থিত হ'লোহেতেঁন বৈকুণ্ঠপুৰীত ।

বিষ্ণু ঃ হে বিৰিঞ্চি, জগতৰ স্বাৰ্থৰ পৰিৱৰ্তে কেৱল বৈকুণ্ঠবাসীৰহে স্বাৰ্থ পুৰণ কৰিবলৈ বাধ্য হৈছো আমি । সেয়ে নিজ স্বাৰ্থ পুৰণৰ হেতু সৃষ্টি কাৰ্য্যত যাতে নঘটে বিঘিনী তাৰ উপায়ৰ বাবেহে আহিলো আমি আপোনাৰ সমীপে।

ব্ৰহ্মা ঃ আপোনাৰ কথনৰ তাৎপৰ্য্য --- যদি আমাৰ হোৱা নাই ভুল আপুনি দেৱী লক্ষ্মীৰ ইচ্ছাৰ কথাকে কৰিছে ব্যক্ত।

বিষ্ণু ঃ হে সৃষ্টিকৰ্তা , আমাৰ কথনৰ তাৎপৰ্য্য জানো আপুনি নুবুজিব ? আপোনাৰ পৰা জানো আমি হ'ব পাঁৰো পৃথক ? সঠিক অনুমানেই কৰিছে আপুনি আৰু হয়তো বুজিছে দেৱীৰ ইচ্ছা পুৰণ কৰিবৰ হেতু আমি কি পন্থা অৱলম্বনৰ কৰিছো চিন্তা ----- ।

ব্ৰহ্মা ঃ উচিত পন্থাই চিন্তা কৰিছে আপুনি নাৰায়ণ। সৃষ্টিকৰ্তাৰূপে আমিও দিলো অনুমতি, মাত্ৰ কাৰ্য্যত পৰিণত কৰক আপোনাৰ কৌশল । হয় যদি প্ৰয়োজন আমিও আপোনাক কৰোঁ সহায় --

বিষ্ণু ঃ আপোনাৰ অনুমতি পালো যেতিয়া দেৱৰ্ষীক সঙ্গে লৈ অচিৰেই আগবাঢ়িম আমি কাৰ্য্যত । চাওঁচোন বাৰু সুপৰ্ণও ভক্তিমাৰ্গত স্থিৰ হৈ থাকিব পাৰেনে নোৱাৰে ?

ব্ৰহ্মা ঃ প্ৰভূ , সুপৰ্ণ হৈছে লক্ষ্মী নন্দন। আমাৰ দৃঢ় বিশ্বাস ভক্ত সুপৰ্ণই আপোনাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ সোঁশৰীৰে বৈকুণ্ঠপুৰীত কৰিব প্ৰৱেশ আৰু জগতবাসীকো দেখুৱাব হৰি ভক্তিৰ মহিমা ।

বিষ্ণু ঃ কি হয় সময়ত দেখা যাব ব্ৰহ্মাদেৱ । পাছে আমি এতিয়া বিদায়হে মাগো ।

ব্ৰহ্মা ঃ যাওঁক নাৰায়ণ , আপোনাৰ মায়া দৰ্শনৰ হেতু কৰিম অধীৰ অপেক্ষা।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত সুপৰ্ণ----</u>**

সুপৰ্ণ ঃ পুত্ৰ সুনন্দই এতিয়াও পুষ্প আনি পোৱাহি নাই ; শ্ৰীহৰিক আৰাধনাৰ হৈছে সময় ---

**<u>সূত্ৰ ঃ এনেতে ধূপ দ্বীপ আৰু পুষ্প লৈ সুনন্দ -----</u>**

সুনন্দ ঃ পিতা, আজি পুষ্প বিচাৰি বহু দূৰ যাব লগা হ'ল। তাৰবাবে মোক ক্ষমিবা পিতা ।

সুপৰ্ণ ঃ আঁহা বাচা, দুয়ো মিলি শ্ৰীহৰিক কৰোঁ আৰাধনা ---- ( <u>স্তুতি</u> )

নমো নমো অচিন্ত প্ৰভাৱ বাসুদেৱ ।
তোমাৰ মহিমা অন্ত নাপৰন্ত কেৱ ।।
নাজানো মিনতি আমি নাজানো প্ৰণতি ।
কিমতে পুঁজিবো প্ৰভূ আমি মুঢ়মতি ।।

**<u>সূত্ৰ ঃ এনেতে সাধকৰ বেশত নাৰদ আহে ----</u>**

নাৰদ ঃ মিছা, মিছা, মিছা স্থানত আহিলো মই । হৰিভক্তই নোৱাৰে পূৰাব মোৰ প্ৰয়োজন । ভণ্ড, সকলো মাথো ভণ্ড ভক্ত । যাঁও মই অন্য স্থানে --

সুপৰ্ণ ঃ ৰ'ব দেৱ, কোন আপুনি ? কিয় ঘৃণা আপোনাৰ হৰিভক্তৰ ওপৰত ?

নাৰদ ঃ তোমাক কোৱাৰ মই নেদেখো প্ৰয়োজন। জানো ভালদৰে হৰিভক্তক মই । পদে পদে মাথো আমাৰ দৰে সাধকক কৰে অপমান ।

সুপৰ্ণ ঃ তেনে কথা নহয় দেৱ ; সুপৰ্ণ মই সিংহলৰ ৰাজন। কওক দেৱ, কিবা প্ৰয়োজন আপোনাৰ ?

নাৰদ ঃ প্ৰথমে কৰা অঙ্গীকাৰ পূৰণ কৰিম বুলি আমাৰ প্ৰয়োজন --

সুপৰ্ণ ঃ এতিয়াও যদি আপুনি কৰে সন্দেহ তেন্তে মই সুপৰ্ণই কৰিছো পণ, পূৰ্ণ কৰিম সাধকৰ মনৰ হাবিয়াস। কওক দেৱ, কি লাগে আপোনাক ?

নাৰদ ঃ পূৰ্ণ কৰোঁ মোৰ সাধনা দিয়া মোক নৰ ৰক্ত দান --

সুপৰ্ণ ঃ নৰ ৰক্ত ? আঃ কিদৰে দিম মই নৰ ৰক্ত দান ?

নাৰদ ঃ হাঃ হাঃ জানিছিলো ; নোৱাৰে, নোৱাৰে দিব মোক হৰিভক্তই দান। হৃদয়ত ৰাখি কপটতা, মুখে লয় মাথো সিহঁতে মিথ্যা বচন ---

সুপৰ্ণ ঃ নহয় দেৱ আমাৰ মিথ্যা বচন। পূৰ্ণ কৰিম মই আপোনাৰ প্ৰয়োজন। ময়ে কৰিম আপোনাক এই নশ্বৰ শৰীৰৰ ৰক্ত দান ---

নাৰদ ঃ তোমাৰ ৰক্তৰ মোৰ নাই প্ৰয়োজন। লাগে মাথো মোক কলিজাৰ কেঁচা ৰক্ত এক নিৰ্বোধ বালকৰ। দিয়া মোক দানৰূপে তোমাৰ পুত্ৰৰ তপ্ত ৰক্ত ---

সুপৰ্ণ ঃ নাই, নাই, ই অসম্ভৱ ; কেনেদৰে মই মোৰ চেনেহৰ পুত্ৰৰ ৰক্ত কৰিম দান ?

নাৰদ ঃ দেখুৱালা তোমাৰ চৰিত্ৰ ; বচন পূৰণতকৈ পুত্ৰ মোহত অধিক মোহান্ধ। আঃ অবাবত নষ্ট কৰিলো মোৰ অমূল্য সময়। দান খুজি পালো অপমান। যাঁও মই কোনো অন্য স্থান।

সুনন্দ ঃ ৰ'ব দেৱ, --পিতা, কিয় কৰিছা পলম ? নকৰিবা চিন্তা ; দিয়া আমাৰ ৰক্ত এই দেৱক দান।

সুপৰ্ণ ঃ আঃ পুত্ৰ, এয়া কি কৈছা তুমি ? বিচাৰিছে দেৱে তোমাৰ কলিজাৰ কেঁচা ৰক্ত। ইয়াৰ অৰ্থ জানো বুজিছা তুমি ?

সুনন্দ ঃ বুজিছো পিতা ; ত্যাগ কৰি যদি এই জীৱন পূৰ্ণ কৰিব পাৰোঁ কাৰোবাৰ প্ৰয়োজন, ধন্য হব মোৰ এই মনুষ্য জীৱন।

সুপৰ্ণ ঃ পুত্ৰ ---( সাৱটি কান্দে ) ; কেনেদৰে নিজ পুত্ৰক মই কৰোঁ নিধন ?

সুনন্দ ঃ লোৱা পিতা মোৰ এই ক্ষুদ্ৰ অস্ত্ৰ ; এই অস্ত্ৰৰেই উলিয়াই মোৰ দেহৰ ৰক্ত দান দিবা এই দেৱক ---

সুপৰ্ণ ঃ নাই নাই পুত্ৰ ; নোৱাৰিম মই তেনে কাৰ্য কৰিব ---

নাৰদ ঃ ক'ত পাৰিবা ? তোমাৰ দৰে হৰিভক্ত ক্ষত্ৰিয় ৰাজনে দিয়ে মাথো মিথ্যা বচন। যাঁও আৰু মই নকৰোঁ পলম ---

সুপৰ্ণ ঃ ৰ'ব দেৱ, বাৰে বাৰে হৰিভক্তক আপুনি কৰিছে নিন্দা। নকৰে ক্ষত্ৰিয়ই ভঙ্গ নিজৰ পণ ; নকৰে হৰিভক্তই কাকো বিমুখ ; পুত্ৰ, পুত্ৰ সুনন্দ , সাজু হ তই। নিষ্ঠুৰ হ'ব আজি তোৰ পিতাৰা ; নিৰ্মমভাৱে আজি হত্যা কৰি পুত্ৰক দান দিব সাধকক পুত্ৰৰ কলিজাৰ তপ্ত ৰক্ত -- সাজু হ, সাজু হ পুত্ৰ -- জয় শ্ৰীহৰি --

**<u>সূত্ৰ</u> ঃ <u>সুপৰ্ণই অস্ত্ৰ দাঙে। নাৰদে নিজ ৰূপ ধাৰণ কৰি হৰি নাম গাব ধৰে ---</u>**

সুপৰ্ণ ঃ ই কি হৰিনাম ? -- দেৱৰ্ষী -- ?

নাৰদ ঃ ধন্য, ধন্য সুপৰ্ণ, ধন্য তুমি। সঁচাই মহান হৰিভক্ত তুমি ; আঁচলৰ ধন তুমি দেৱী --- ; আৰু ধন্য তোমাৰ পুত্ৰ সুনন্দ। আ-হাহা যেন পিতা, তেন পুত্ৰ। সুপৰ্ণ, আমিয়ে সাধক ৰূপে তোমাৰ কৰিলো পৰীক্ষা। দেখুৱালা তুমি জগতক হৰিভক্তৰ নাই একো অসাধ্য --

সুপৰ্ণ ঃ দেৱৰ্ষী, অধমে নিচিনিলো আপোনাক ; আমাৰ সৰ্বদোষ কৰিব ক্ষমা । বাচা সুনন্দ, আঁহা, জগতৰ শ্ৰেষ্ঠ হৰিভক্ত দেৱৰ্ষীৰ চৰণত কৰাহি সেৱা --

সুনন্দ ঃ প্ৰণাম দেৱৰ্ষী --

নাৰদ ঃ কল্যাণ হওক তোমাৰ । ৰাজন, আপোনাৰ মহত্বৰ বিষয়ে হয়তো আপুনি নহয় জ্ঞাত। মনত ৰাখিব ৰাজন, নিগুণ ভক্তজনৰ বাবে সকলো সম্ভৱ; জীৱন্তে কৰিব পাৰে প্ৰৱেশ বৈকুণ্ঠপুৰীতো --

সুপৰ্ণ ঃ আশীৰ্বাদ কৰিব দেৱৰ্ষি , ভক্তি মাৰ্গৰ পৰা যাতে মোৰ মন নহয় বিচলিত ।

নাৰদ ঃ প্ৰভূয়ে নিশ্চয় আপোনাক কৰিব সহায় । পাছে, এতিয়া আমি বিদায়হে মাগো -- **( প্ৰস্থান )**

সুপৰ্ণ ঃ যাওক দেৱৰ্ষি --- বাচা , আমিও যাঁও ব'লা ---

সুনন্দ ঃ ( মুৰত ধৰি ) আঃ পিতা আঃ -----

সুপৰ্ণ ঃ কি হৈছে বাচা , কি হৈছে তোমাৰ --- ? হঠাৎ চিৎকাৰ কৰি উঠিলা যে ?

সুনন্দ ঃ নাজানো পিতা , হঠাত অসহ্য বিষ হৈছে মোৰ শিৰত । আঃ পিতা , অসহ্য যান্ত্ৰণা পাইছো মই । চকুৰে দেখিছো অন্ধকাৰ ।

সুপৰ্ণ ঃ তোমাৰ কি হৈছে বাচা ? হে প্ৰভূ, এয়া তোমাৰ কেনে লীলা ? এনেদৰে হঠাৎ জানো হয় কোনোবা অসুস্থ ? মন্ত্ৰীৱৰ , মন্ত্ৰীৱৰ ----

**<u>সূত্ৰ ঃ</u>** **<u>বেগেৰে মন্ত্ৰীৱৰ আহে ---</u>**

মন্ত্ৰী ঃ মহাৰাজ, মহাৰাজ -- কিয় মাতিলে আমাক -- ?

সুপৰ্ণ ঃ মন্ত্ৰীৱৰ, চাওকচোন পুত্ৰক ; হঠাৎ কি হৈছে মোৰ বাচাৰ ---

সুনন্দ ঃ পিতা , আঃ -- অসহ্য পিতা , পিতা ----- ( অচেতন হয় )

সুপৰ্ণ ঃ বাচা , বাচা , --- মন্ত্ৰীবৰ , মোৰ বাচাই নামাতে কিয় ?

মন্ত্ৰী ঃ ( সুনন্দক পৰীক্ষা কৰি ) মহাৰাজ ------ ?

সুপৰ্ণ ঃ মন্ত্ৰীবৰ--- ? আপুনি নিমাত কিয়--- ? কি হৈছে মোৰ পুত্ৰৰ ?

মন্ত্ৰী ঃ ৰাজন , কুমাৰ -- কুমাৰ আৰু নাই জীৱিত , ললে চিৰ বিদায় ---

সুপৰ্ণ ঃ মন্ত্ৰীবৰ, আনে কোৱা হ'লে আজি এই অশুভ বচন কৰিলোহেঁতেন তাৰ শিৰচ্ছেদ। মোৰ পুত্ৰৰ মৃত্যু হোৱা নাই। জীৱিত আছে মোৰ পুত্ৰ । মাতক কবিৰাজক ---

মন্ত্ৰী ঃ চিন্তা নকৰিব মহাৰাজ, মোৰ পুত্ৰ ধৰ্মজিতে জানে কবিৰাজি ।

সুপৰ্ণ ঃ অ মতাওক ধৰ্মজিতক , শীঘ্ৰে মাতক মোৰ সখাক ---

মন্ত্ৰী ঃ মহাৰাজ, আপুনি কৰক অপেক্ষা । ধৰ্মজিত , পুত্ৰ ধৰ্মজিত ----- **( প্ৰস্থান )**

সুপৰ্ণ ঃ বাচা, উঠ বাচা, তোৰ মৃত্যু হ'ব নোৱাৰে --বাচা --- ( বিলাপ )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
কিনো পাপৰ ফলে মোক এনে দুখ দিলা ।।
উঠা উঠা বাচা মোৰ নকৰা শয়ন ।
তোমাৰ অবিহনে মোৰ নৰহে জীৱন ।।

-- সুনন্দ, উঠ বাচা, উঠ তই বহুদেৰি কৰিছ শয়ন । উঠ বাচা, মোক এবাৰ পিতা বুলি মাত। আঃ ---বা--চা ----- ( অচেতন হয় )

**সূত্র ঃ সুপৰ্ণ অচেতন হয় । দবা, শংখ বাজি উঠে; শ্ৰীবিষ্ণু সোমাই আহে --**

বিষ্ণু ঃ সুপৰ্ণ, আমাৰ ওচৰত দেৱী লক্ষ্মীৰ ইচ্ছা পুৰণৰ স্বাৰ্থত এনে পন্থা লোৱাৰ বাহিৰে নাই অন্য উপায় -- (সুনন্দৰ শিৰত স্পৰ্শ কৰি) সুনন্দ, উঠা সুনন্দ, উঠা -- তুমি আমাৰ লগত আঁহা । আমাক অনুসৰণ কৰা সুনন্দ। আঁহা আঁহা , আমাৰ লগত আঁহা ---

**সূত্ৰ ঃ অৰ্ধচেতন অৱস্থাত বিষ্ণুৰ পাছে পাছে সুনন্দৰ প্ৰস্থান। সভাত মন্ত্ৰী আৰু ধৰ্মজিত--**

ধৰ্মজিত ঃ ৰাজন, ৰাজন, কি হৈছে ? (সুপৰ্ণৰ গাত ধৰি) ৰাজন, উঠক আপুনি, কি হৈছে আপোনাৰ ? কি হৈছিল কুমাৰ সুনন্দৰ ?

সুপৰ্ণ ঃ ( চেতন পাই ) অ' ধৰ্মজিত, তুমি আহিলা ? চোৱাচোন মোৰ পুত্ৰ, --ই কি ? মোৰ পুত্ৰ ক'ত ? সুনন্দ, সুনন্দ, মন্ত্ৰীবৰ মোৰ পুত্ৰ ক'ত ?

মন্ত্ৰী ঃ আচৰিত ৰাজন , সুনন্দৰ কাষতটো আপুনিহে আছিল ? ক'ত গ'ল তেন্তে সুনন্দৰ মৃতদেহ ---

সুপৰ্ণ ঃ মৃতদেহ ? আঃ মন্ত্ৰীবৰ, কিয় বাৰে বাৰে আপুনি মোৰ পুত্ৰক কয় মৃত বুলি ? তাৰ মৃত্যু হোৱা নাই। সুনন্দ , সুনন্দ -----।

ধৰ্মজিত ঃ ক্ষান্ত হওঁক ৰাজন ; সত্যক আপুনি কৰক গ্ৰহণ। মোৰ পিতৃয়ে অসত্য বচন নিশ্চয় কোৱা নাই। অভিজ্ঞ এখেত , পিতাই সকলো কৈছে মোক।

মন্ত্ৰী ঃ ৰাজন, সুনন্দ মোৰ বাবে নাতি তুল্য। তাৰ মৃত্যুত মইয়ো মৰ্মাহত। বিধাতাৰ লিখন কোনেও নোৱাৰে খণ্ডাব । ৰাজন, আপুনি ধৈৰ্য্য ধৰক ------

সুপৰ্ণ ঃ মন্ত্ৰীবৰ, মানি লৈছো মোৰ পুত্ৰৰ ঘটিছে মৃত্যু । কিন্তু তাৰ মৃতদেহটো ক'ত ? মৰা মৰি যায় সঁচা, কিন্তু কাৰো মৃতদেহ নহয় অদৃশ্য । তেনেস্থলত মোৰ পুত্ৰৰ মৃতদেহ এই স্থানৰ পৰা গ'ল ক'ত ? কাৰ এনে দুঃসাহস ? বিধাতাৰ, নাৰায়ণৰ নে চক্ৰান্তকাৰী দেৱৰাজৰ ?

মন্ত্ৰী ঃ ৰাজন, ভগৱন্তক খং কৰাটো নহয় উচিত ।

সুপৰ্ণ ঃ তেন্তে দুষিম কাক ? ধৰ্মৰাজক -- ? অ জীৱৰ মৃত্যুৰ দায়িত্বতো ধৰ্মৰাজ যমৰহে । সেনাপতি ধৰ্মজিত, সাজু কৰা বীৰ সেনানীক, যমপুৰীলৈ আমি কৰোঁ যাত্ৰা। সুধিম যমৰাজক কি যুক্তিত মোৰ পুত্ৰৰ মৃতদেহ তেওঁ কৰিলে হৰণ ? কিয় কৰিলে এনে দুৰ্ঘোৰ অন্যায় ?

মন্ত্ৰী ঃ ৰাজন, আমাৰ দৰে সাধাৰণ মনুষ্য যমপুৰীত প্ৰৱেশ কৰাটো নহয় সাধ্য। যমপুৰীলৈ যাত্ৰা কৰাৰ চিন্তা নানিব আপুনি। এনে চিন্তা ৰাজন কৰক পৰিহাৰ ।

সুপৰ্ণ ঃ আপুনি চিন্তা নকৰিব মন্ত্ৰীবৰ। শ্ৰীহৰিৰ ওপৰত ৰাখক বিশ্বাস । অন্যায়ৰ বিৰুদ্ধেহে কৰিম যাত্ৰা । আপুনি থাকক সিংহলৰ ৰখীয়া হৈ। শীঘ্ৰেই আমি আহিম উলটি । ব'লা ধৰ্মজিত, সুসজ্জিত হৈ অস্ত্ৰ-শস্ত্ৰৰে যাত্ৰা কৰোঁ আমি যমপুৰীলৈ --

ধৰ্মজিত ঃ ব'লক মহাৰাজ --- **( দুয়োৰে প্ৰস্থান )**

মন্ত্ৰী ঃ ৰাজন সুপৰ্ণ , বাচা ধৰ্মজিত -- ; হে মহাৰাজ সূৰ্যদত্ত , মোক কৰিব ক্ষমা । নোৱাৰিলো মই সুপৰ্ণক ৰাখিব । প্ৰভূ, প্ৰভূ সুপৰ্ণ আৰু মোৰ বাচাক তুমি ৰক্ষা কৰিবা ; ৰক্ষা কৰিবা প্ৰভূ, ৰক্ষা কৰিবা -

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত দেৱগণ ----**

ইন্দ্ৰ ঃ অমৰমণ্ডলী, আজি মই অতিকে সুখী, অতিকে সন্তুষ্ট । নাই আজি সংশয় অসুৰ দানৱৰ -- শান্তি বিৰাজমান আজি মোৰ স্বৰ্গধামত -- হাঃ হাঃ

অগ্নি ঃ দেৱৰাজ , আৰু আছে আনন্দৰ বতৰা ; মৰ্ত্যত চলিছে কেৱল আমাৰে বন্দনা হাঃ হাঃ --

**সূত্ৰ ঃ এনেতে নাৰদ আহে ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, সকলোকে দেখো প্ৰসন্ন বদনে , কিবা যেন উৎসৱৰ আয়োজন চলিছে ---

অগ্নি ঃ শুভ ক্ষণতেই আগমন ঘটিল আপোনাৰ দেৱৰ্ষি । অচিৰেই আৰম্ভ হ’ব ৰম্ভা , মেনকাৰ নৃত্যানুষ্ঠান । আপুনিও কৰিব পাৰিব উপভোগ।

নাৰদ ঃ নাৰায়ণ,---- মোৰ দৰে তপস্বীয়ে অপেশ্বৰীৰ নৃত্যত নাপায় আনন্দ। হৰিৰ গুণানু কীৰ্ত্তনতহে পাওঁ অনাবিল আনন্দ। পিছে অসময়ত উৎসৱৰ আয়োজন কিয়বা, জানিব পাৰোনে দেৱৰাজ ?

ইন্দ্ৰ ঃ দেৱৰ্ষি, অম্ৰাৱতীপুৰত নিতৌ চলে উৎসৱৰ আয়োজন । নহয় এয়া মৰ্ত্যপুৰী, দেৱতাৰ বাসভূমি এই স্বৰ্গপুৰী । যক্ষ, ৰক্ষ, দানৱৰো ভাগ্যত নাই এই স্বৰ্গপুৰী হাঃ হাঃ- -

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, দেৱগণৰ আনন্দৰ কাৰণ তেনেহ’লে হেঃ হেঃ পাছে দেৱৰাজ, মৰ্ত্ত্যৰ মানৱ যদি আহি হয় উপস্থিত কেতিয়াবা এই দেৱপুৰীত । অৱশ্যে পূৰ্বেও এনে ঘটনা ঘটিছে ইয়াত --

ইন্দ্ৰ ঃ দেৱৰ্ষি, মৰ্ত্ত্যৰ তুচ্ছ মানৱৰ পক্ষে দুৰ্লভ এই দেৱপুৰী । কত বলশালী অসুৰে কতবাৰ কৰিছে চেষ্টা এই অম্ৰাৱতীপুৰ দখলৰ, প্ৰতিবাৰেই হৈছে সিহঁত বিফল দেৱতাৰ কৌশলত। তেনেস্থলত দুৰ্বল মনুষ্যই হাঃ হাঃ -- হহোঁৱালে দেৱৰ্ষি , আপোনাৰ বচনত আমি পালো আমোদ হাঃ হাঃ-

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ, কৰক দেৱগণ আপোনালোকে আনন্দ কৰক। পিছে দেৱগণ, সকলো মনুষ্যক দুৰ্বল নকৰিব জ্ঞান । হৰি ভক্তৰ মহিমা হয়তো গৈছে পাহৰি । মৰ্ত্ত্যৰ ৰাজন সুপৰ্ণৰ মহত্ব হয়তো নুবুজে আপোনাসৱে । হৰিভক্ত সুপৰ্ণই যাত্ৰা আৰম্ভ কৰিলেই যমপুৰীলৈ --- নাৰায়ণ, নাৰায়ণ -

পৱন ঃ সুপৰ্ণই যমপুৰীলৈ কৰিছে গমন । কিন্তু কিয় দেৱৰ্ষি ?

নাৰদ ঃ পৱনদেৱ, পুত্ৰশোকত দগ্ধ আজি সুপৰ্ণ, তেখেতৰ পুত্ৰৰ মৃতদেহটো কোনোবাই কৰিলে হৰণ। সেহি ক্ৰোধে ভক্ত সুপৰ্ণই প্ৰথমে যমপুৰী, তাৰ পিছত হয়তো এই দেৱপুৰীতো -- দেৱৰাজ, যদি দুৰ্বল মনুষ্যই দেৱতাৰ অম্ৰাৱতীত কৰে প্ৰৱেশ, থাকিব জানো দেৱতাৰ স্বাভিমান। নাৰায়ণ নাৰায়ণ, পাছে মই এতিয়া গমনহে কৰোঁ। আপোনাসৱেই উপভোগ কৰক অপেশ্বৰীৰ নৃত্য ; নাৰায়ণ---**(প্ৰস্থান)**

অগ্নি ঃ দেৱৰ্ষিৰ বাৰ্তাই আনন্দৰ উৎসাহ কৰিলে ম্লান । তেখেতৰ বচনত আছে যুক্তি। দেৱৰাজ , সুপৰ্ণই যদি হেলাৰঙে প্ৰথমে যমপুৰীত কৰে প্ৰৱেশ আৰু পাছত এই দেৱপুৰীতো ; মৰ্ত্ত্য বা পাতালৰ অসুৰ দানৱবোৰেও পাব দেৱপুৰীত প্ৰৱেশৰ উৎসাহ ।

ইন্দ্ৰ ঃ চিন্তা নকৰিব দেৱগণ , দেৱপুৰী ৰক্ষাৰ দায়িত্ব মোৰ ওপৰত। চলে বলে কিম্বা কৌশলেৰে দেৱপুৰীৰ সন্মান মই ৰাখিম অটুত। এতিয়া ব’লক , সুপৰ্ণক বাধা দিয়াৰ বাবে মই কৰিম ব্যৱস্থা ।

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। আনফালে যমপুৰীত যমৰজা আৰু চিত্ৰগুপ্তৰ প্ৰৱেশ -----**

গীত- ( ৰাগ ঃ আশোৱাৰী , তাল ঃ পৰিতাল )

**চিত্ৰগুপ্তক লৈয়া সঙ্গে আহে যমৰাজ।**
**যমপাশ হাতে লৈয়া ইটো বলবান।।**
**কতো ক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ এনেতে দেৱৰাজ আহে ----**

ইন্দ্ৰ ঃ প্ৰণাম ধৰ্মৰাজ ----

যম ঃ অ দেৱৰাজ , আহক দেৱৰাজ , স্বাগতম জনাইছো আপোনাক এই নৰকপুৰীত। পাছে দেৱপুৰী এৰি দেৱৰাজে আচম্বিতে প্ৰৱেশিলে নৰকপুৰীত আৰু দিছে মোৰ জয়কাৰ ; কিয় ? কিবা অঘটন ঘটিছে নেকি দেৱপুৰীত ? কোনোবা অসুৰে পুনৰ আক্ৰমণ কৰিছে নেকি অম্ৰাৱতীপুৰ ? কওঁক দেৱৰাজ, আপোনাৰ সহায়ৰ বাবে সাজু আছে এই ধৰ্মৰাজ।

ইন্দ্ৰ ঃ ধৰ্মৰাজ, সদ্যহতে কোনো অঘটন ঘটা নাই দেৱপুৰীত। পাছে যিকোনো ক্ষণতে অঘটন ঘটিব পাৰে আপোনাৰ ধামত । সেই হেতু সতৰ্ক কৰি দিবৰ বাবেই আহিলো মই আপোনাৰ স্থানে ।

যম ঃ আপোনাৰ কথনৰ তাৎপৰ্য্য নুবুজিলো দেৱেন্দ্ৰ। কি অঘটন ঘটিব মোৰ ধামত ?

ইন্দ্ৰ ঃ জানিছিলো , আপুনি জ্ঞাত নহয় সম্ভাব্য বিপদৰ প্ৰতি। শুনক তেন্তে, মৰ্ত্ত্যৰ মানৱ হৰিভক্ত সুপৰ্ণৰ পুত্ৰৰ ঘটিছে মৰণ । কিন্তু আঁচৰিত, কোনোবাই -- হয়তো আপুনিয়ে , সুপৰ্ণৰ মৃত পুত্ৰৰ দেহ কৰিছে হৰণ । তাৰ প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে মহাক্ৰোধে যাত্ৰা কৰিছে সুপৰ্ণই নৰকপুৰীলৈ -

যম ঃ মিথ্যা অপবাদ নিদিব দেৱৰাজ। নোহে এইয়া অম্ৰাৱতীপুৰ , যমালয়ত প্ৰৱেশি আপুনি যমৰ সন্মুখত কয় এনে অনীতি বচন। ন্যায় মতে মই কৰোঁ কায্য। পাপী জীৱক আনো মই নৰকপুৰীলৈ। কোনো হৰি ভক্তৰ প্ৰাণ লোৱাৰ মোৰ নাই অধিকাৰ । তেনেস্থলত আকৌ আপুনি কৰে দোষাৰোপ , মৃতদেহ কৰিছো হৰণ । আঃ মিথ্যা অপবাদ সহ্য নকৰে যমৰাজে ।

ইন্দ্ৰ ঃ খং নকৰিব ধৰ্মৰাজ, আপোনাক দোষাৰূপ কৰাৰ উদ্দেশ্যে কৰা নাই মই বাক্য প্ৰয়োগ। সুপৰ্ণ নন্দনৰ মৃতদেহ নাথাকিলেও নৰকপুৰীত যদি সুপৰ্ণই সোঁশৰীৰে ইয়াত কৰে প্ৰৱেশ, ক'ত থাকিব দেৱ আৰু মনুষ্যৰ মাজত প্ৰভেদ। সেই বিষয়ে সজাগ কৰাটোহে আছিল কথনৰ উদ্দেশ্য আমাৰ --

যম ঃ তাৰ বাবে আপুনি চিন্তা নকৰিব দেৱৰাজ। সাধাৰণ মনুষ্যৰ বাবে যমালয়ত প্ৰৱেশ কদাপি নহয় সম্ভৱ। আছে মোৰ আলয়ৰ কাষত বৈ ধনেশ্বৰী নৈ। তদুপৰি আছে নগৰ আৱৰি সৌ আকাশ লঙ্ঘা গড় । আছে যত দুৰ্জেয় আমাৰ দুত প্ৰহৰী হৈ । তেনেস্থলত কোন মনুষ্য আহিব পাৰে জীৱিত ৰূপত ইয়ালৈ। ঘটিব মৰণ সুপৰ্ণৰ যাত্ৰা পথতে , যদিহে তেওঁ সাধাৰণ মনুষ্য হয় ।

ইন্দ্ৰ ঃ হাঃ হাঃ নিশ্চিত হ'লো ধৰ্মৰাজ নিশ্চিত হ'লো মই। এনে অভেদ্য দুৰ্গত এক সুপৰ্ণ নহয় শত সুপৰ্ণইও জীৱিত ৰূপত নোৱাৰে প্ৰৱেশিব। হাঃ হাঃ দেৱতাৰ দেৱত্ব থাকিব অক্ষুন্ন । এতিয়া মই বিদায়হে মাগো ধৰ্মৰাজ --- **(প্ৰস্থান)**

যম ঃ যাওঁক দেৱৰাজ ।--- চিত্ৰগুপ্ত

চিত্ৰ ঃ আদেশ কৰক মহাৰাজ ।

যম ঃ সুপৰ্ণ নন্দনৰ জীৱক মোৰ অনুমতি অবিহনে কোনো দুতে আনিছে নেকি ইয়ালৈ তাক অতি শীঘ্ৰে কৰক পৰীক্ষা । নাম তেওঁৰ সুনন্দ ।

চিত্ৰ ঃ এতিয়াই মই কৰিম পৰীক্ষা ৰাজন। কি আছিল জীৱৰ নাম, সুনন্দ। নাই নাই পোৱা ৰাজন। সুনন্দ নামৰ কোনো আত্মাৰ নাম পোৱা ... অ' পাইছো এয়া এইয়া ---।

যম ঃ কি ক'লা - ? পাইছা তুমি , আচৰিত আচৰিত । কাৰ ইমান সাহস ? কোন দুতে ঘটালে এই অঘটন ? নাপাব সিও আজি নিস্তাৰ মোৰ এই দণ্ডৰ পৰা । চোৱা চোৱা চিত্ৰগুপ্ত, কোন দূতে কৰিলে এই অকাৰ্য ?

চিত্ৰ ঃ এহ --- নহয় নহয় মহাৰাজ, মোৰ দৃষ্টিভ্ৰমহে হৈছে মোক ক্ষমা কৰক । নৰকপতি, সুনন্দ নহয়। সুনন্দা সুনন্দাহে, তিৰোতাহে ৰাজন, তিৰোতা। এক দুষ্টা তিৰোতাৰ জীৱ, কালি আহি পাইছেহি। পাব তাই, আমাৰ দুতে তাইৰ তেল দিব বাহিৰ কৰি । নাই নাই ৰাজন, মই নিশ্চিত হ'লো কোনো সুপৰ্ণ নন্দনক অনা হোৱা নাই ইয়ালৈ। আপুনিও নিশ্চিন্তে থাকক ।

যম ঃ তেন্তে চিন্তাৰ নাই প্ৰয়োজন ---তথাপি চাবা যাতে নৰকৰ নিয়ম নহয় ভঙ্গ । ব'লা খন্তেক লওঁগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সুপৰ্ণ আৰু ধৰ্মজিত---**

সুপৰ্ণ ঃ ধৰ্মজিত , এয়াই যমপুৰী।

ধৰ্মজিত ঃ ৰাজন, সঁচাই বিচিত্ৰ এই যমপুৰী। ইমান নিতাল নিস্তব্ধ ইয়াৰ পৰিৱেশ। সন্মূখত সৌৱা এখন নৈ আৰু তাৰ পাৰতে আছে আকাশ লঙ্ঘা গড়। ৰাজন , কেনেদৰে প্ৰৱেশ কৰিম আমি যমালয়ত ?

সুপৰ্ণ ঃ তাৰবাবে তুমি চিন্তা নকৰিবা । শ্ৰীহৰিক স্মৰণ কৰি হেলাৰঙ্গে পাৰ হ'ম আমি এই বাধা। যমালয়ৰ দ্বাৰমুখতে সেনাসহ থাকিবা তুমি। অন্তেষপুৰত প্ৰৱেশ কৰিম মই।

ধৰ্মজিত ঃ নাই নাই ৰাজন, তেনে হ'ব নোৱাৰে। আপোনাক অকলশৰে যমালয়ত প্ৰৱেশ কৰিবলৈ দিব নোৱাৰো মই । আপোনাৰ লগত মইয়ো যাম যমালয়লৈ।

সুপৰ্ণ ঃ মোৰ বাবে তুমি চিন্তা নকৰিবা ধৰ্মজিত। কোনো অনিষ্ট কৰিব নোৱাৰে মোক যমৰাজে। বাৰু এতিয়া আঁহা শ্ৰীহৰিক স্মৰণ কৰি অতিক্ৰম কৰোঁ প্ৰথমে এই বাধা--হৰি ওঁম তৎসৎ, ওঁম নমো ভগৱতে বাসুদেৱায় ---; ব'লা ধৰ্মজিত , সহজেই প্ৰৱেশিম আমি যমালয়ত ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত যমৰজা আৰু চিত্ৰগুপ্ত----**

যম ঃ চিত্ৰগুপ্ত , আমাৰ দূতে কৰিছেনে নৰকৰ বিধানমতে নিজ কাৰ্য পালন ---- ?

চিত্ৰ ঃ কৰিছে ৰাজন কৰিছে । আমাৰ দূতে নিজ কাৰ্য পালনত কদাপি নকৰে অৱহেলা ।

যম ঃ বাৰু কোৱাচোন , নিজ ভাৰ্যাপুত্ৰক এৰি দুস্কাৰ্য কৰা দুৰাচাৰীক , নিজ স্বামীক তেজি ভোগ কৰা দুষ্টা নাৰীক কি শাস্তি প্ৰদান কৰিছে আমাৰ দূতে ?

চিত্ৰ ঃ ধৰ্মৰাজ , তেনে পাপীক হাতে গলে জিঞ্জিৰী লগাই আমাৰ দূতে কৰোৱাইছে বিষ্ঠা - মূত্ৰ পান ।

যম ঃ আৰু পৰ নাৰীত আসক্ত চৰিত্ৰহীন পাষণ্ডক কি শাস্তি দিছে আমাৰ দূতে -- ?

চিত্ৰ ঃ ৰাজন , তেনে চৰিত্ৰহীন পাষণ্ডক আমাৰ দূতে কৰাইছে আলিঙ্গন অগ্নিসম তপ্ত প্ৰতিমাত । বাহিৰ হৈ গৈছে ৰাজন সিহঁতৰ কামুকতা হেঃ হেঃ -----

যম ঃ হাঃ হাঃ উত্তম , অতি উত্তম । যি জীৱই যেনে পাপ কৰি আহিব তাৰ বিধান তেনেদৰেই লব আমাৰ দূতে । (**বাহিৰত হুলস্থুল শুনে**) চিত্ৰগুপ্ত , হঠাত কিয় শুনো বাহিৰত কোলাহল ?

চিত্ৰ ঃ নিশ্চয় ৰাজন , মৰতৰ পাপীগণক লৈ আমাৰ দূত হৈছেহি উপস্থিত --------

**সূত্ৰ ঃ এনেতে সুপৰ্ণ সোমাই আহে -----**

সুপৰ্ণ ঃ প্ৰণাম ধৰ্মৰাজ।

চিত্ৰ ঃ ধৰ্মৰাজ, নোহে ইটো আমাৰ দুত । আহিছে কোনো মনুষ্য, তাকো সোঁশৰীৰে ? আচৰিত ---

যম ঃ কোন তই , কিয় আৰু কেনেকৈ জীৱন্ত ৰূপে প্ৰৱেশিলি মোৰ সভাত ?

সুপৰ্ণ ঃ মই হ'লো সিংহল ৰাজ্যৰ ৰজা সুপৰ্ণ।

যম+চিত্ৰ ঃ সুপৰ্ণ-------।

চিত্ৰ ঃ ৰাজন, দেৱৰাজে তেন্তে আমাক এইজন মনুষ্যৰ কথাকে কৈছিল ?

সুপৰ্ণ ঃ হে ধৰ্মৰাজ, ন্যায় বিচাৰি মই আহিছো আপোনাৰ সমীপে। ভাগ্যবলে পাইছিলো এটি পুত্ৰ সন্তান। কিন্তু মোৰ সুখ আপোনাৰ নহ'ল সহ্য, অকালতে তাৰ প্ৰাণ আপুনি ল'লে কাঢ়ি। ভাগ্যৰ লিখন বুলি মই ল'লো সন্তাপ। কিন্তু হে ধৰ্মৰাজ, কিয় আপুনি লৈ আহিলে তাৰ মৃত কলেৱৰ ?

যম ঃ হে ৰাজন, আপুনি মহান হৰিভক্ত, সেইহেতু প্ৰৱেশিলে সোঁশৰীৰে আজি যমৰ নগৰে । কিন্তু ৰাজন নিদিব মোক মিছা অপযশ। যি গৃহত নিতৌ চলে শ্ৰীহৰিৰ গুণানুকীৰ্ত্তন সেই গৃহৰ পৰা দুৰতে থাকে মোৰ অনুচৰসকল। আপোনাৰ পুত্ৰৰ দেহ কিম্বা প্ৰাণ কোনোটোৱেই নাই এই নৰক কুণ্ডত।

সুপৰ্ণ ঃ আপুনি যদি অনা নাই কোনে কাঢ়ি নিলে দেহ সহ মোৰ পুত্ৰৰ প্ৰাণ ? আচৰিত, হে ধৰ্মৰাজ, দয়া কৰি ঘুৰাই দিয়ক মোৰ পুত্ৰ সুনন্দক ।

যম ঃ যদি আপোনাৰ মোৰ প্ৰতি আছে এতিয়াও সন্দেহ তেন্তে -- চিত্ৰগুপ্ত , পুনৰবাৰ কৰা পৰীক্ষা তোমাৰ খতিয়ান । আছে নেকি ভুলক্ৰমে সুনন্দৰ নাম ?

চিত্ৰ ঃ ৰাজন, নাই নাই মোৰ টোকালিপিত নাই সুপৰ্ণ নন্দনৰ নাম। আছিল মাথো এগৰাকী তিৰোতা নাম আছিল তাইৰ সুনন্দা । তাইক বৰ্তমান আমাৰ যমদুতে আছে তপত তেলত উতলাই। তথাপিও চাইছো পুনৰ বাৰ , নাই নাই ৰাজন , নাম নাই সুপৰ্ণনন্দনৰ ---------

যম ঃ ধৰ্মৰাজে কেতিয়াও নকয় অসত্য বচন। সুপৰ্ণ, আপুনি অন্য স্থানতহে কৰক বিচাৰ। যমালয়ত নাই আপোনাৰ পুত্ৰৰ দেহ কিম্বা প্ৰাণ।

সুপৰ্ণ ঃ বহু আশাৰে আহিছিলো আপোনাৰ নগৰে। কিন্তু নাপালো মই পুত্ৰৰ সম্বাদ। ক'ত যাওঁ, কোনে হৰণ কৰিলে মোৰ পুত্ৰক ? কোনে দিব মোক ইয়াৰ সমিধান ? অ' বুজিছো , সৃষ্টিকৰ্তাইহে দিব মোক পুত্ৰৰ সম্বাদ। ধৰ্মৰাজ, মোক ভুল নুবুজিব , পুত্ৰশোকত দগ্ধ হৈ আপোনাৰ প্ৰতি কটুবাক্য কৰিলো প্ৰয়োগ । যাওঁ মই এতিয়া ব্ৰহ্মলোকলৈ, আশা ৰাখিছো তাত যেন পাওঁ শুভ সম্বাদ।

যম ঃ হে ৰাজন, যাওঁক আপুনি ব্ৰহ্মলোকলৈ ; সৃষ্টিকৰ্তাই নিশ্চয় দিব পাৰিব আপোনাক শুভ সম্বাদ ।

সুপৰ্ণ ঃ তেন্তে মই বিদায়হে মাগো ধৰ্মৰাজ।

**<u>সূত্ৰ ঃ সুপৰ্ণৰ প্ৰস্থান। দেখি চিত্ৰগুপ্তই যি কয়-----</u>**

চিত্ৰ ঃ ধৰ্মৰাজ , ব্ৰহ্মলোকৰ যাত্ৰা পথ অতিকে কঠিন। পাৰিব জানো মনুষ্য সুপৰ্ণই তাক কৰিব অতিক্ৰম ।

যম ঃ চিত্ৰগুপ্ত , মৰ্ত্ত্যৰ পৰা যমপুৰীলৈ যাত্ৰা জানো আছিল সুগম ? তেনে পথো অতিক্ৰমী সুপৰ্ণ ইয়াত হ'লহি উপস্থিত । হৰি ভক্তৰ নাই একো অসাধ্য । নাৰায়ণৰ কৃপা লভিলে সুপৰ্ণই ব্ৰহ্মলোক কি পাবগৈ পাৰিব বৈকুণ্ঠধাম । চিত্ৰগুপ্ত , আজিলৈ সভা ইমানতে সামৰা হওঁক।

**<u>সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে সভাত ইন্দ্ৰ আৰু অগ্নিদেৱ । এনেতে উত্ৰাৱল হৈ পৱনদেৱ</u>**

পৱন ঃ দেৱৰাজ , দেৱৰাজ -----।

ইন্দ্ৰ ঃ পৱনদেৱ , কিয় এনেদৰে হৈছে উত্ৰাৱল ? কৰিছে নেকি কোনো অসুৰে স্বৰ্গপুৰী আক্ৰমণ ?

পৱন ঃ দেৱৰাজ , কোনো অসুৰে কৰা নাই স্বৰ্গপুৰী আক্ৰমণ। আনিছো সম্বাদ মই মৰ্ত্ত্যৰ ৰাজন সুপৰ্ণৰ।

ইন্দ্ৰ ঃ সুপৰ্ণ, অ' সুপৰ্ণ, হাঃ হাঃ মৃত্যুক সাৰটিলে নেকি সুপৰ্ণই যমপুৰীৰ যাত্ৰাত ? পুত্ৰৰ মৃতদেহৰ সম্ভেদ বিচাৰি নিজেই ল'লে বাচি মৃত্যুক আকোঁৱালী।

পৱন ঃ নহয় দেৱৰাজ , সুপৰ্ণৰ মৃত্যু হোৱা নাই। হেলাৰঙ্গে প্ৰৱেশিলে তেওঁ যমালয়ৰ ভিতৰে । সন্মূখীন

হ'ল তেওঁ ধৰ্মৰাজৰ আৰু প্ৰস্থানো কৰিলে যমপুৰীৰ পৰা ।

ইন্দ্ৰ ঃ আচৰিত, আচৰিত ; জীৱিত ৰূপত মনুষ্য প্ৰৱেশি যমালয়ৰ ভিতৰে সাক্ষাত লভিলে ধৰ্মৰাজৰ ? আঃ অভেদ্য দুৰ্গ বুলি যমৰ নগৰী মিছা দম্ভ কৰিছিল ধৰ্মৰাজে। সাধাৰণ মনুষ্যই আজি ধূলিসাৎ কৰি ধৰ্মৰাজৰ অহংকাৰ দুৰ্নাম আনিলে দেৱ সমাজলৈও। আঃ কিয় বধ নকৰিলে যমৰাজে সুপৰ্ণক যমালয়ৰ ভিতৰে ? কিয় দিলে সুপৰ্ণক প্ৰস্থানৰ সুযোগ --- ?

পৱন ঃ দেৱৰাজ, আছে আৰু চিন্তনীয় সম্বাদ, দেৱ সমাজৰ বাবে। যমপুৰীৰ পৰা সুপৰ্ণই পুত্ৰৰ সম্ভেদ বিচাৰি যাত্ৰা আৰম্ভ কৰিছে ব্ৰহ্মলোকলৈ।

ইন্দ্ৰ ঃ আঃ অসম্ভৱ অসম্ভৱ, তেনে হ'ব নোৱাৰে । আমি বাধা দিব লাগিব দেৱগণ। সুপৰ্ণক ব্ৰহ্মলোক পোৱাৰ পূৰ্বেই ৰুধিব লাগিব আমি। পৱনদেৱ , যাওঁক আপুনি সুপৰ্ণৰ ব্ৰহ্মলোকৰ পথ কৰক ৰুদ্ধ। নহ'লে আজি হ'ব ধ্বংস মনুষ্যৰ হাতত দেৱতাৰ স্বাভিমান ।

পৱন ঃ দেৱৰাজ, এতিয়াই গৈ মই সুপৰ্ণক দিম বাধা । এনে ধুমুহাৰ সৃষ্টি কৰিম যি সুৰ্পণক লৈ যাব ৰসাতললৈ হাঃ হাঃ ---- **( প্ৰস্থান )**

অগ্নি ঃ দেৱৰাজ , পৱনদেৱৰ ওপৰতহে দেখুৱালে অধিক বিশ্বাস । আপুনি কিয় মোক নিদিলে আদেশ ? নে মোৰ শক্তিৰ ওপৰত আপোনাৰ আছে সন্দেহ ?

ইন্দ্ৰ ঃ নহয় অগ্নিদেৱ , আপুনি ভুল বুজিছে। আপোনাৰ ওপৰত আছে মোৰ দৃঢ় বিশ্বাস। কত বলশালী অসুৰক আপুনি কৰিছে ভষ্ম, এক মনুষ্যক ভষ্ম কৰাবৰ বাবে কিয় কৰোঁ আপোনাক অনুৰোধ? সুপৰ্ণৰ বাবে পৱনদেৱেই যথেষ্ট। শীঘ্ৰেই আহিব ঘূৰি পৱনদেৱ বিজয়ৰ বাৰ্তা লৈ ---

**<u>সূত্ৰ ঃ বেগেৰে পৱনদেৱ সোমাই আহে----</u>**

পৱন ঃ দেৱৰাজ, দেৱৰাজ, ক্ষমা কৰিব মোক। সৰ্বশক্তি প্ৰয়োগ কৰিও লৰাবকে নোৱাৰিলো মই সুপৰ্ণ বাহিনীক । নোৱাৰিলো ৰুধিব মই সুপৰ্ণৰ ব্ৰহ্মলোকৰ পথ ।

ইন্দ্ৰ ঃ পৱনদেৱ , সাধাৰণ মনুষ্যৰ হাতত পৰাস্ত হৈ অহাটো আপোনাৰ বাবে নহয় শুভ ।--- অগ্নিদেৱ।

অগ্নি ঃ চিন্তা নকৰিব দেৱৰাজ , পৱনদেৱৰ দৰে ইমান দুৰ্বল নহয় এই অগ্নিদেৱ। নিমিষতে ভষ্ম কৰি দিব পাৰোঁ মই মৰ্ত্ত্যপুৰী । দেৱৰাজ , খন্তেক কৰক অপেক্ষা , ভষ্ম ধূলাত পৰিণত কৰি সুপৰ্ণ বাহিনীক বিজয়ৰ বতৰা দিমহি আপোনাক --- **(প্ৰস্থান )**

ইন্দ্ৰ ঃ যাওঁক অগ্নিদেৱ যাওঁক , দেৱেন্দ্ৰৰ ভৰসা আপুনি , ৰক্ষা কৰক আপুনি দেৱতাৰ স্বাভিমান ।

পৱন ঃ দেৱৰাজ, সুপৰ্ণ নহয় কোনো দুৰ্বল মনুষ্য ; পৰম হৰিভক্ত তেওঁ । যি পৱনে হিমালয় পৰ্বতো নিব পাৰোঁ উৰুৱাই , অথচ সুপৰ্ণৰ সন্মুখত হ'লো নিৰুপায় ।

ইন্দ্ৰ ঃ মিছা বীৰত্ব বখানিব নালাগে পৱনদেৱ। নিজকে দুৰ্বল বুলি নকৰি স্বীকাৰ গুণ বখানিছে আহি মনুষ্য ৰাজনৰ । চাব আপুনি অগ্নিদেৱে আনিব বিজয়ৰ বতৰা ------

**<u>সূত্ৰ ঃ এনেতে তলমুৰ কৰি অগ্নিদেৱ---------------</u>**

ইন্দ্ৰ ঃ অগ্নিদেৱ, অগ্নিদেৱ হাঃ হাঃ -- পলকতে উভতিল আপুনি। জানিছিলো মই আপোনাৰ সন্মুখীন হ'ব নোৱাৰে সুপৰ্ণই। দেখিলে পৱনদেৱ, ইয়াকেহে কয় দেৱৰ বীৰত্ব।

অগ্নি ঃ দেৱৰাজ, মোক ক্ষমা কৰক। নোৱাৰিলো কাষ চাপিব মই সুপৰ্ণ ৰাজনৰ ।

ইন্দ্ৰ ঃ আ ঃ অসম্ভৱ অসম্ভৱ, ধিক্কাৰ জন্মিছে আজি মোৰ দেৱ মণ্ডলীৰ ওপৰত। এজন মনুষ্যৰ যাত্ৰা

নোৱাৰে ঋধিব ? আঃ --এইবাৰ, এইবাৰ যাব স্বয়ং দেৱৰাজ । ঋধিব সুপর্ণৰ ব্ৰহ্মালোকৰ যাত্রা ।

অগ্নি ঃ দেৱৰাজ , আমিও যাওঁ আপোনাৰ লগত। সৱে মিলি চেষ্টা কৰোঁ আজি সুপর্ণক ঋধিবৰ ।

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। আনফালে সুপর্ণ আৰু ধর্মজিত----**

সুপর্ণ ঃ ধর্মজিত আৰু কিছুদুৰ অতিক্ৰম কৰিলেই আমি উপস্থিত হ'ম ব্ৰহ্মালোকত। ব'লা যাওঁ বেগাই --

**সূত্ৰ ঃ এনেতে দেৱগণ আহে ----**

ইন্দ্ৰ ঃ সাৱধান সুপর্ণ, আৰু এখোজো আগনাবাঢ়িবা। কোনো জীৱিত মনুষ্য যাব নোৱাৰে ব্ৰহ্মালোকলৈ। গতিকে দিছো আদেশ ঘুৰি যোৱা তুমি মর্ত্ত্যপুৰীলৈ।

সুপর্ণ ঃ হে দেৱৰাজ , কৰিছো মিনতি , মোক বাট এৰি দিয়ক। পুত্ৰ শোকত আজি দগ্ধ মই ।

ইন্দ্ৰ ঃ অসম্ভৱ ; সর্ব দেৱতা আহিছো এইবাৰ । আমাক পৰাস্ত কৰি ল বাট মোকলাই ।

সুপর্ণ ঃ ধর্মজিত , তুমি থাকা সাৱধানে ; সাজু হলো মই ৰণৰ বাবে । দেৱগণ , কৰক আক্ৰমণ ।

**গীত**

**মহাক্ৰোধে দেৱগণে আৰম্ভিলা ৰণ।**
**কতোবেলি লাগে ৰণ নাহি নিবাৰণ।।**
**অস্ত্ৰাঘাটে দেৱগণ হৈলা পৰাজিত ।**
**ৰাম হৰি ৰাম হৰি বোলা সর্বজন ।।**

**সূত্ৰ ঃ যুদ্ধত দেৱগণ মূৰ্চিত হয় । দেখি সুপর্ণই যি কয় -----------------------**

সুপর্ণ ঃ ক্ষমা কৰিব দেৱগণ ; সন্মোহন বাণেৰে সবাকে মই কৰিলো মূৰ্চিত । আপোনাসৱ নহয় আমাৰ লক্ষ্য । ব'লা ধর্মজিত , নাই আৰু বেছি দুৰ ব্ৰহ্মালোকলৈ -------------------

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। দেৱগণে চেতন পাই ----**

ইন্দ্ৰ ঃ ধিক ধিক দেৱতাৰ শক্তি ; এজন মনুষ্যক আমি নোৱাৰিলো ঋধিব ।

**সূত্ৰ ঃ এনেতে নাৰদ ----**

নাৰদ ঃ নাৰায়ণ নাৰায়ণ, দেৱগণ মহত্ব নুবুজি হৰিভক্তৰ ঋধিব খুজিছিল পথ ; পাছে হল জানো সক্ষম । সৌৱা চাওক দেৱগণ , হৰিভক্ত সুপর্ণই সগৌৰৱেৰে যাত্ৰা কৰিছে ব্ৰহ্মালোকলৈ --

দেৱগণ ঃ আচৰিত , আচৰিত ------

নাৰদ ঃ কোনো আচৰিত ঘটনা নহয় দেৱগণ। বিষ্ণুভক্তৰ বাবে সকলো সম্ভৱ। চাওক , চাওক দেৱগণ , কেনেদৰে তীব্ৰ গতিত আগবাঢ়িছে সুপর্ণৰ ৰথ ব্ৰহ্মালোকলৈ------(নাৰদে গাব )----------

দেখা দেখা দেৱগণ সুপর্ণ ৰাজাক । তীব্ৰ বেগে কৰে গতি বিৰিঞ্চিৰ ধাম ।।
দুর্বল মনুষ্য বুলি নকৰিবা হেয়। লক্ষ্মীৰ নন্দন ইটো পৰম বৈষ্ণৱ।।
হেনজানি দেৱগণ এৰা আন কাম। দূৰৰ পৰা সুপর্ণক কৰা নমস্কাৰ।।

---( কথা ) দেৱৰাজ, স্বৰ্গৰ পৰা সুপর্ণক কৰক প্ৰণিপাত । নাৰায়ণ , নাৰায়ণ ---- **(প্ৰস্থান )**

ইন্দ্ৰ ঃ হে পৰম বৈষ্ণৱ, আপোনাৰ যাত্ৰা হওঁক সফল --- জয় পৰম বৈষ্ণৱ সুপর্ণৰ --------

**সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। আনফালে ব্ৰহ্মালোকত ব্ৰহ্মাদেৱ ---**

ব্ৰহ্মা ঃ লক্ষ্মীনন্দন সুপর্ণ আজি আহিব ধৰিছে ব্ৰহ্মালোকলৈ। তেওঁৰ বাবে এই স্থানত উপস্থিত হোৱাটো নহয় অসম্ভৱ। শীঘ্ৰেই প্ৰৱেশিব তেওঁ এই স্থানে ----- ( ধ্যানস্থ হয় )

**সূত্র ঃ এনেতে সুপর্ণ সোমাই আহে------------------**

সুপর্ণ ঃ প্ৰণাম সৃষ্টিকৰ্তা ; হে সৃষ্টিকৰ্তা , মোৰ সেৱা কৰক গ্ৰহণ ।

ব্ৰহ্মা ঃ কোন তুমি ? কি কাৰণত তুমি পালাহি ব্ৰহ্মলোক ---?

সুপর্ণ ঃ হে সৃষ্টিকৰ্তা , সৰ্বজ্ঞ আপুনি , তথাপিও সুধিছে যেতিয়া দিছো পৰিচয় -- নাম মোৰ সুপর্ণ, সিংহলৰ ৰাজন মই। এটাই আছিল সন্তান মোৰ, কিন্তু কালৰ প্ৰভাৱত তাৰ হ'ল মৃত্যু। মৰক, আপত্তি নাই মোৰ, কিন্তু তাৰ মৃতদেহটোও কোনোবাই কৰিলে হৰণ। যমপুৰীত বিচাৰি কৰিলো চলাথ, তাতো নাপালো তাক। সেয়ে আপোনাৰ সমীপে আহিলো ।জানোছা তাক আপুনিয়ে আনিছে ?

ব্ৰহ্মা ঃ হে সুপর্ণ, সৃষ্টিকৰ্তা মই। সৃষ্টি কৰাই মোৰ কাম। কাৰোবাৰ প্ৰাণ কঢ়াৰ অধিকাৰতো নাই মোৰ । জীৱক অনাৰ অধিকাৰেই নাই যেতিয়া মৃতদেহ অনাৰ আৱশ্যক কি ?

সুপর্ণ ঃ হে সৃষ্টিকৰ্তা, ক'ত যাম মই ? দিয়ক পথৰ সন্ধান । পুত্ৰৰ মৃতদেহ বিচাৰি আজি পথভ্ৰষ্ট মই।

ব্ৰহ্মা ঃ সুপর্ণ, তুমি যোৱা বৈকুণ্ঠপুৰীলৈ । নিশ্চিত মই তোমাৰ পুত্ৰক তুমি তাতে পাবা লগ ।

সুপর্ণ ঃ আশীৰ্বাদ কৰিব সৃষ্টিকৰ্তা । এতিয়াই মই সঙ্গীৰ সৈতে বৈকুণ্ঠপুৰীলৈ কৰিম যাত্ৰা ।

ব্ৰহ্মা ঃ ৰ'বা সুপর্ণ, যোগীৰো অগম্য স্থান মাধৱৰ পুৰী । কতজনে কত ভাগ্যৰ ফলস্বৰূপেহে লভে সেই স্থান । নোৱাৰিব যাব তোমাৰ সৈন্যগণ বৈকুণ্ঠধামলৈ। যদি আছে শক্তি, তুমিহে যোৱা তালৈ ।

সুপর্ণ ঃ হে সৃষ্টিকৰ্তা , তেনেহ'লে মোৰ সখা আৰু সেনানীক আপোনাৰ স্থানতে কিছু ক্ষণৰ বাবে ৰোৱাৰ দিয়ক অনুমতি । দিয়ক আশীৰ্বাদ, এই স্থানৰ পৰা মই যাওঁ অকলশৰে ।

ব্ৰহ্মা ঃ যোৱা সুপর্ণ, আশীৰ্বাদ কৰিছো মই।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে বৈকুণ্ঠপুৰীত শ্ৰীবিষ্ণু------**

বিষ্ণু ঃ ধন্য ধন্য সুপর্ণ, তুমি আমাৰ পৰম ভক্ত। ভক্তিমাৰ্গত থাকি অশেষ কষ্টকো নেওচি তুমি প্ৰথমে যমপুৰী, পাছে ব্ৰহ্মলোক কৰি অতিক্ৰম অলপতে পাবাহি এই বৈকুণ্ঠপুৰী । দেখিলে জগতবাসীয়ে আজি বৈষ্ণৱৰ শক্তি। যি বৈকুণ্ঠপুৰী পাবৰ বাবে যোগীৰো প্ৰয়োজন হয় কত তপস্যাৰ, তেনে বৈকুণ্ঠ পুৰীত আজি সোঁশৰীৰে উপস্থিত হ'ব মনুষ্য সুপর্ণ। দেৱী লক্ষ্মীৰো ইচ্ছা আজি হ'ব পুৰণ , আমাৰদ্বাৰা কৰা কাৰ্যও আজি হ'ব সাৰ্থক । অ' সৌৱা খন্তেকতে প্ৰৱেশিব লক্ষ্মীনন্দন ---।

**সূত্ৰ ঃ এনেতে সুপর্ণ আহে ----**

সুপর্ণ ঃ প্ৰভূ, প্ৰভূ , অধমৰ সেৱা কৰা গ্ৰহণ। অহোভাগ্য আজি মোৰ দৰ্শন হ'ল আজি মোৰ প্ৰভূ নাৰায়ণৰ । হে প্ৰভূ, তোমাৰ মহিমা অপাৰ, ব্ৰহ্মাৰূপে স্ৰজা তুমি, বিষ্ণুৰূপে পালা, ৰুদ্ৰৰূপে কৰা তুমি জগত সংহাৰ । হৰ্তা কৰ্তা বিধাতা তুমি নাৰায়ণ। মোৰ শতদোষ তুমি মাৰ্জনা কৰা প্ৰভূ ।

বিষ্ণু ঃ উঠা সুপর্ণ, তুমি আমাৰ পৰম ভক্ত। তোমাক আমিয়ে বৈকুণ্ঠলৈ অনালো। তাৰ বাবে কৰিলো মায়াৰ সৃষ্টি । তোমাৰ পুত্ৰও আছে কুশলে এই বৈকুণ্ঠধামতে ।

সুপর্ণ ঃ কি শুনালে প্ৰভূ ? মোৰ পুত্ৰ সুনন্দ আছে কুশলে ।

বিষ্ণু ঃ হয় সুপর্ণ আৰু আছে এক সত্য ; তোমাৰ জন্ম ৰহস্য -------

সুপর্ণ ঃ মোৰ জন্ম ৰহস্য ---? নুবুজিলো প্ৰভূ কি ইয়াৰ অৰ্থ --- ?

বিষ্ণু ঃ সুপর্ণ, তুমি প্ৰকৃততে ---- লক্ষ্মীনন্দন।

সুপর্ণ ঃ লক্ষ্মীনন্দন , আৰু --- মই ? নাই নাই প্ৰভূ , মইতো মনুষ্য ৰাজন সূৰ্য্যদত্তৰ সন্তান ।

বিষ্ণু ঃ নহয় সুপর্ণ, লক্ষ্মীৰ অশ্রুৰ পৰা তোমাৰ হৈছিল জন্ম। মৰ্ত্যপুৰীত দেৱী লক্ষ্মীৰ সৈতে ভ্ৰমণ বিহাৰ কৰিছিলো আমি। ভ্ৰমণৰ আনন্দত বিভোৰ হৈ দেৱীৰ নয়নৰ পৰা নিগৰি বৈছিল অশ্ৰু। সেই অশ্ৰু আমি ৰাখিছিলো পদুমৰ পাতত। সময়ত সেই অশ্ৰুৰ পৰাই পদ্মপত্ৰত তোমাৰ হ'ল জন্ম।

সুপৰ্ণ ঃ কি কৈছে প্ৰভূ, পদ্মপত্ৰত আমাৰ জন্ম ?

বিষ্ণু ঃ হয় সুপৰ্ণ, ভক্ত সূৰ্য্যদত্তই তোমাক পোষ্যপুত্ৰৰূপে কৰিলে গ্ৰহণ। কালৰ গতিত তুমি সুনন্দৰ পিতৃ হ'লা। কিন্তু দেৱী লক্ষ্মীয়ে তোমাক এপলক চোৱাৰ আশাৰে কৰা কাকুতিত বাধ্য হৈ তোমাৰ পুত্ৰক আমিয়ে কৰিলো হৰণ। বৈকুণ্ঠলৈ তোমাক অনাটোৱেই আছিল ইয়াৰ কাৰণ।

সুপৰ্ণ ঃ হে প্ৰভূ, ধন্য মোৰ জীৱন। ক'ত আছে মোৰ জন্মদাত্ৰী আই দেৱী লক্ষ্মী ? মাতৃ ক দৰ্শন পাবৰ বাবে মই ব্যাকুল হৈ পৰিছো প্ৰভু।

বিষ্ণু ঃ খন্তেক কৰা অপেক্ষা। তুমি অহাৰ বাৰ্তা পাইছে দেৱী লক্ষ্মীয়ে। শীঘ্ৰে আহিব ইয়ালৈ।

**<u>সূত্ৰ ঃ</u>** **<u>বেগেৰে দেৱী লক্ষ্মী আৰু সুনন্দ সোমাই আহে ---</u>**

সুনন্দ ঃ পিতা পিতা, আপুনি আহিলে। পুত্ৰৰ সেৱা গ্ৰহণ কৰক পিতা।

সুপৰ্ণ ঃ উঠা উঠা বাচা, তুমি মোৰ বুকুৰ মাজলৈ আঁহা --(সাৱটি) তোমাক এনেৰূপত পুনৰ দেখা পাম বুলি কল্পনাই কৰা নাছিলো মই।

লক্ষ্মী ঃ বাচা সুপৰ্ণ-------------

সুপৰ্ণ ঃ মাতৃ, পুত্ৰৰ সেৱা কৰক গ্ৰহণ। নাৰায়ণৰ মুখে জানিব পাৰিলো আমাৰ জন্ম ৰহস্য। ধন্য ধন্য আমাৰ জীৱন আই, তোমাৰ পুত্ৰৰূপে জনম লভিলো।

লক্ষ্মী ঃ উঠ বাচা, তোক এপলক চাবৰ বাবে অতদিন মই কৰিলো অপেক্ষা। মোক ক্ষমা কৰিবি বাচা। মাতৃ হৈ তোক যেতিয়া মই ল'ব লাগিছিল কোলাত, তেতিয়া এৰি দিছিলো তোক মৰ্ত্যপুৰীত। তিলতিলকৈ মনোকষ্ট পাইছিলো মই এই বৈকুণ্ঠপুৰীত ---- (কান্দে)

সুপৰ্ণ ঃ নাকান্দিবা আই, তোমাৰ এই মূল্যবান অশ্ৰুৰ পৰাই আমাৰ জন্ম। এনেহেন অশ্ৰুক পুনৰ ববলৈ নিদিবা আই।

লক্ষ্মী ঃ বাচা, কি দিম আজি মই তোক। ক বাচা, কি লাগে তোক ? যি বিচাৰ আজি তই মাতৃৰ পৰা, তাকে দিম মই।

সুপৰ্ণ ঃ হে মাতৃ, যদি দিবই বিচাৰিছা তেন্তে দিয়া প্ৰজাসহ আমাক স্থান এই বৈকুণ্ঠপুৰীত। নোৱাৰিলো আনিব আমি সখাসহ সৈন্যগণক এই বৈকুণ্ঠপুৰীলৈ।

লক্ষ্মী ঃ বাচা, কি বিচাৰিলি তই ? সাধাৰণ মনুষ্যই স্থান নাপায় বৈকুণ্ঠপুৰীত। তপশালী মহাত্মাজনহে যোগ্য এই বৈকুণ্ঠপুৰীৰ। তথাপি তোৰ বাঞ্চা অনুসৰি মই তিনি লোকৰ ওপৰত নিৰ্মান কৰিম এখন দ্বিতীয় অমৰাপুৰী। প্ৰজা সম্বন্বিতে আহি বাস কৰিবিহি তাত। কিন্তু বাচা এতিয়া যা তই পৃথিৱীলৈ, প্ৰথমে প্ৰজাবৎসল ৰজা ৰূপে খ্যাতি লাভ কৰগৈ। ভকতি পথত থাকি পূণ্য অৰ্জন কৰগৈ।

সুপৰ্ণ ঃ যিবা আজ্ঞা মাতৃ। আপোনাসৱৰ আশীষ শিৰে লৈ এতিক্ষণে আমি যাত্ৰা কৰিম মৰ্ত্যধামলৈ।

লক্ষ্মী ঃ যা বাচা, আশীৰ্বাদ থাকিব মোৰ সদা তোৰ ওপৰত আৰু প্ৰভূ চিৰকৃতজ্ঞ মই আপোনাৰ ওচৰতো।

বিষ্ণু ঃ যোৱা সুপৰ্ণ, যোৱা সুনন্দ, আমাৰ আশীৰ্বাদ সদায় তোমালোকৰ লগত থাকিব।

সুপৰ্ণ ঃ হে কৰুণাময় ভকত বৎসল প্ৰভূ নাৰায়ণ আৰু মাতৃ, আমি এতিয়া বিদায়হে মাগিলো। ব'লা সুনন্দ, আমি যাওঁ এতিয়া নিজ ৰাজ্যলৈ ---

গীত ঃ ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ পৰিতাল )

এহি বুলি ৰঙ্গমনে পিতা পুত্ৰ বীৰ।
চলি গৈলা মৰ্ত্ত্যপুৰী মন কৰি স্থিৰ।।
ভক্তি মাৰ্গে আজি তুমি বৈকুণ্ঠক পাইলা।
সমাজৰ লোকে ডাকি হৰি হৰি বোলা।।

সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগৰ সমাপ্তি ঘটে ---------------

গীত ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান)

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ মতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি,-- লক্ষীনন্দনৰ বৈকুণ্ঠ গমন -- নাটকং সম্পূৰ্ণম ।।

সমাপ্ত

জয় গুৰু শঙ্কৰ



# ৰাম - কৃষ্ণৰ শিশু লীলা , প্ৰলম্বাসুৰ বধ


**নাট্যৰূপ**

ৰাজীৱ গগৈ

কাছজান,তিতাবৰ

## ভাৱৰীয়াসকল

১। সূত্ৰধাৰ
২। শ্ৰীকৃষ্ণ
৩। বলৰাম
৪। ব্ৰহ্মা
৫। শ্ৰীদাম - গোপ শিশু
৬। সুদাম - গোপ শিশু
৭। ভদ্ৰসেন - গোপ শিশু
৮। ঋষভ - গোপ শিশু
৯। সুৱল - গোপ শিশু
১০। বিশাল - গোপ শিশু
১১। কংস
১২। কালকেতু
১৩। ধেনুকাসুৰ
১৪। ধূম্ৰাসুৰ
১৫। ব্যোমাসুৰ
১৬। প্ৰলম্বাসুৰ
১৭। এজন ঋষি

## নাৰী চৰিত্ৰ

১। যশোদা
২। ৰাধা
৩। ভদ্ৰা
৪। প্ৰভা
৫। সুপ্ৰভা

## মুখা

গৰু ( অতি কমেও দুটা )

শ্ৰী কৃষ্ণায়ে নমো নমঃ

**শ্লোক ঃ মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰঃ স্থল , আৰক্তায়ত কঞ্জলোচন যুগং পীতাম্বৰং সুন্দৰম মুক্তাহীৰক হেমহাৰ বলয়ালঙ্কাৰ কান্তি দ্যুতিম, কৃষ্ণং শাৰদ সান্দ্ৰ চন্দ্ৰ সদৃশং হৃদপঙ্কজেহ হস্তজে**

অপিচ ঃ যেনাকাৰি নাৰায়ণ কৃষ্ণ ৰূপেন ; -- যেনাকাৰি নাৰায়ণ দনুজ দমন ।।

গীত ঃ নান্দী (ৰাগ ঃ সুহাই ; তাল ঃ একতাল)

**জয় জয় গোলোকৰ পতি । তুৰা পাৱে কৰোহো প্ৰণতি ।।**
**দৈৱকীত ভৈলা অৱতাৰ । কৰিলাহা ভকতক উদ্ধাৰ।।**
**হেন জানি এৰা আন কাম। সভাসদে বোলা ৰাম ৰাম।।**

---নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যুক্তা নত্বা সভাসদ সম্বোধায় ।।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা । ইয়ং -- **ৰাম - কৃষ্ণৰ শিশু লীলা , প্ৰলম্বাসুৰ বধ** -- নাটকং শ্ৰৱনে মুক্তি সাধকম ।.

অথ ভটিমা

**জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন**
**তুৰা পাৱে কৰোহো বন্দন ।**
**দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি**
**ৰক্ষা কৰা সাধু সন্ত গণ ।।**
**কংসৰ কাৰাগাৰে দৈৱকীৰ উদৰতে**
**নাৰায়ণে জনম লভিলা ।**
**গোকুল বৃন্দাবনে গোপ শিশুসৱ সমে**
**ক্ৰীড়া কৰি মায়া ৰচিলা ।।**
**কংসৰ অনুচৰ ব্যোমাসুৰ দুৰ্জনক**
**হেলাৰঙে বধিলা নাৰায়ণ ।**
**তালবনে আহি ধেনুকক মাৰি**
**তাল ফল কৰিলা ভক্ষণ ।।**
**কংসৰ অনুচৰ প্ৰলম্ব দুৰাচাৰ**
**বলৰামে তাক বধিলা ।**
**দেখা দেখা সৰ্বজন শিশুলীলা ৰামকৃষ্ণৰ**
**নিৰন্তৰে ৰাম হৰি বোলা ।।**

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী আকাশে দেৱ বাদ্য বাজত বাজত বাজত ।

সূত্ৰ ঃ আ-হাহা মিলল মিলল , আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীকৃষ্ণ পীত বস্ত্ৰে পৰিধান সভাৰ মধ্যে এ... আৱত ,আৱত, আৱত , তাক সাৱধানে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল ।।

**ইতি সূত্ৰ নৃত্য নিস্ক্ৰান্তঃ**

সূত্ৰ ঃ সভাত শ্ৰী কৃষ্ণৰ প্ৰৱেশ-------

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীকৃষ্ণ ৰাজীৱ লোচন ; দেহ শ্যামল গলে বনমালা বিভূষিতম ।।

গীতঃ ( ৰাগ- সিন্ধুৰা , তাল- একতাল )

আৰে জগত গুৰু কয়ো পৰৱেশ।
পীত বস্ত্ৰে শোভে আতি দেখিতে সুৰেশ।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ঘোষিয়োক সভাসদ নৰ।।

কৃষ্ণ ঃ আমি ঔম কাৰ , সমস্ত ভূততে বিৰাজমান আমি নিৰাকাৰ । যেতিয়াই জগতত বাঢ়ে অন্যায় ন্যায় প্ৰতিষ্ঠাৰ অৰ্থে আমি যুগে যুগে নানা ৰূপে লওঁ অৱতাৰ । তেনে উদ্দেশ্যতে মথুৰাৰ অন্যায়ৰ কুঠৰীত জনম আমাৰ । যদিওবা আছোহি গোকুলত মাতা যশোদাৰ কোলা শুৱাই মাতা দৈৱকী আৰু পিতা বসুদেৱকো আমি সময়ত কৰিম উদ্ধাৰ । সকলোকে দিওঁ আমি সুযোগ , মামা কংসকো দিছো সুযোগ । পুতনাক বধি , তৃণাৱৰ্তক মাৰি কৰিছো প্ৰকাশ আমাৰ মহিমা , কিন্তু এতিয়াও কংস মামাৰ নুগুছিল অহংকাৰ । বিধিৰ লিখন নোৱাৰা খণ্ডাব ; তুমিও কৰি যোৱা মামা অন্যায় কাৰ্য আৰু আমিও কৰি যাম আমাৰ কাৰ্য । যাঁও বৃন্দাবনত ৰচোঁগে আমি এতিয়া শিশু লীলা ----

সূত্ৰ ঃ শ্ৰীকৃষ্ণৰ প্ৰস্থান। সভাত সৃষ্টিকৰ্তা ব্ৰহ্মাৰ প্ৰৱেশ ---

গীত - (ৰাগ ঃ আশোৱাৰী, তালঃ পৰিতাল )

প্ৰৱেশিলা সভাৰ মাজে দেৱ সৃষ্টিকৰ।
দিব্য বস্ত্ৰে শোভে অতি গহীন গম্ভীৰ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

সূত্ৰ ঃ ব্ৰহ্মাৰ প্ৰস্থান । সভাত বলৰামৰ প্ৰৱেশ ---

গীত ঃ (ৰাগ- গান্ধাৰ , তাল - ৰচক)

সভাৰ মাজে প্ৰৱেশিলা ৰোহিণী নন্দন ।
ধীৰে ধীৰে চলি আহে দেখিতে শোভন।।
এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে ।
ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰে ।।

সূত্ৰ ঃ বলৰাম সভাৰ মাজে পাই ; এনেতে শ্ৰীকৃষ্ণ আহে ---

কৃষ্ণ ঃ প্ৰণাম দাদা ---

বল ঃ অ কানাই , আঁহা আঁহা ; তোমালৈকে মই কৰিছো অপেক্ষা । গোপ সখাগণ পাবহি এতিয়াই । ধেনু চৰাবলৈ তুমি নোযোৱা নেকি কানাই ?

কৃষ্ণ ঃ নিশ্চয় যাম দাদা ; পাছে ধেনু চৰোৱাতোৱেই জানো একমাত্ৰ কৰ্তব্য আছিল আমাৰ ?

বল ঃ একমাত্ৰ কৰ্তব্য ? কি কৈছা কানাই ? গুৱালৰ গৃহে জনম আমাৰ ; পিতা আমাৰ গোকুলৰ প্ৰসিদ্ধ নন্দ ৰায় ; বৃত্তি যাৰ , পৰিচয় যাৰ গুৱাল বুলি তেখেতৰ তনয় হৈ কিয় আমি ধেনু নচৰাম ?

কৃষ্ণ ঃ বুজিছো দাদা , তুমি গৈছা পাহৰি ; পেলুৱাচোন মনত , কোন আমি , কোন আপুনি ? কিয় ধৰালৈ আমাৰ হৈছে আগমণ ?

বল ঃ নাজানো কানাই , বুজা নাই কানাই , কি ক'ব বিচাৰিছা তুমি ? কিয় তুমি কেতিয়াবা তপস্বীৰ দৰে কৰা আচৰণ ?

কৃষ্ণ ঃ দাদা , তপস্বী নহয় আমি ; বুজিছো মৰতৰ মায়াই মুহিছে তোমাক । সেয়ে নৰৰূপত সকলো গৈছা পাহৰি । কিয় দাদা , যেতিয়াই জগতত অন্যায় অধৰ্মই কৰিছে বিৰাজ , তেতিয়াই জানো আমি যুগে যুগে মৰতত লোৱা নাই অৱতাৰ ? ত্ৰেতা যুগত অত্যাচাৰী ৰাৱনক নিধন কৰিবলৈ তুমি লক্ষ্মণ আৰু আমি ৰাম ৰূপে জানো লোৱা নাছিলো অৱতাৰ ? এইবাৰো অত্যাচাৰী কংসসহ জগতৰ অধৰ্মীগণক নিধনৰ উদ্দেশ্যেই আমাৰ --

বল ঃ পৰিছে, পৰিছে মনত , তুমি প্ৰভূ নাৰায়ণ আৰু আমি তোমাৰেই শয্যা নাগ অনন্ত । ব'লা প্ৰভূ , আৰু নকৰোঁ পলম , হাতে হল ধৰি অধৰ্মী কংসৰ বুকু বিদাৰি জগতত শান্তি কৰোঁ প্ৰতিষ্ঠা ।

কৃষ্ণ ঃ ক্ষান্ত হোৱা দাদা , ক্ষান্ত হোৱা । তোমাৰ বাবে একো নহয় অসম্ভৱ । পাছে অহা নাই এতিয়াও সেই ক্ষণ ; পাপৰ কলহ যেতিয়া মামা কংসৰ হ'ব পূৰ্ণ , নিশ্চয় তেতিয়া আমাৰ হাততেই সি হ'ব ধ্বংস । সদ্যহতে আমি ইয়াতে শিশুলীলা ৰচি নিধন কৰোঁ কংসৰ অধৰ্মী অনুচৰক ।

বল ঃ তেন্তে তোমাৰ কথা মতেই হ'ব কৃষ্ণ ; অপেক্ষা কৰিম মই সেই ক্ষণলৈ । এতিয়া আমি গুৱালৰ কৰ্তব্যকে কৰিম পালন । ধেনুবোৰক চৰাবলৈ হওঁগৈ প্ৰস্তুত । তুমি আহিবা কানাই , নকৰিবা পলম । ( **প্ৰস্থান** )

কৃষ্ণ ঃ যোৱা দাদা , মাতৃক সাক্ষাত কৰি শীঘ্ৰে মযো যাম -- হাঃ হাঃ অনন্তই হৈছেহি মৰতত নৰৰূপে বলৰাম । অৱশ্যে আমাৰ মায়াৰ প্ৰভাৱত এই পৰিচয় দাদা অতি শীঘ্ৰে তুমি যাবা পাহৰি আৰু পাহৰাটোয়ে জগতৰ বাবে উত্তম । প্ৰয়োজন সাপেক্ষে আমি পুনৰ তোমাক সত্যৰ কৰোৱাম পৰিচয় -- যাঁও এতিয়া আমি মাতা যশোদাৰ সমীপে --

**<u>সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান । ধেনু লৈ গোপ শিশুগণৰ প্ৰৱেশ ---</u>**

**গীত ঃ**

**( ৰাগ - ----- , তাল ------ )**

**চলি আহে সভাৰ মাজে গোপ শিশুগণ ।**
**সঙ্গে লৈয়া ধেনুজাক দেখিতে শোভন ।।**
**এহি মতে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা সৰ্বনৰে ।।**

শ্ৰীদাম ঃ সখাগণ, সকলো পালাহি যেতিয়া ব'লা ৰাম-কৃষ্ণক লগত লৈ আমি ধেনু চৰাবলৈ যাঁও।

ভদ্ৰ ঃ বুজিছা সখাগণ , আজিও আমাৰ হ'ব পলম । ৰামৰ বাবে নহয় , চাবা কানাইৰ বাবেহে হ'ব পলম । নাজানো কানায়েনো কি কৰি থাকে ? সদায় আমাক কৰোৱাই অপেক্ষা ।

সুদাম ঃ কানাইৰ বিষয়ে বেয়াকৈ নক'বা ভদ্ৰসেন ; বয়সত কানায়ে আমাৰ সকলোতকৈ সৰু । অপেক্ষা কৰোৱাই বুলিয়ে জানো কানাইক এৰি তুমি পাৰিবা যাব ?

ভদ্ৰ ঃ কিয় সুধিলা সুদাম ? বনত ধেনু চৰাবলৈ মোৰ ভয় লাগে বুলি ভাবিছানেকি ?

ঋষভ ঃ এহঃ বৰ সাহসী যেন দেখুৱাইছে চোৱা । সিদিনা বকাসুৰ নামৰ বগলীটোক দেখি কোন বা ভয়ত কঁপিছিল ? কানাই নথকা হ'লে সেইদিনা বাৰু আমাৰ কি গতি হ'লহেঁতেন ? মই কিন্তু কৈ দিছো কানাইক নিনিলে মযো নাযাঁও ।

সুদাম ঃ মোৰো একেই মত --; কোন যায় যাব , মই হ'লে কানাইক এৰি নাযাঁও ।

বি+সু ঃ আমিও নাযাঁও , আমিও নাযাঁও ----

ভদ্ৰ ঃ তোমালোকে ভুল বুজিছা মোক ; কানাইক এৰি থৈ যাম বুলিতো কোৱা নাই মই। আমাক অপেক্ষা কৰোৱাই বুলিহে কৈছিলো মই। আৰু কানাইকনো বাৰু আমি কিয় এৰি থৈ যাম ? কানাই নগ'লে কোনে আমাক শুনাব বংশী বজাই ?

শ্ৰীদাম ঃ আৰু কানাই নগ'লে আমাৰ ভোজনৰ কোনে কৰিব যোগাৰ ? কানাইৰ যহতহে আমি ল'ব পাৰিছো সুস্বাদু দধিৰ সোৱাদ। নহয়নে বাৰু সখাগণ ?

সুদাম ঃ হাঃ হাঃ শ্ৰীদামৰ যে কেৱল ভোজনৰহে চিন্তা। এতিয়া ব'লা , কানাইতকৈও তোমালোকৰ কথাৰ চুপতিয়েহে আমাক কৰাব পলম। ধেনুজাকেও নিশ্চয় পাইছে কষ্ট।

বৃষভ ঃ হয় হয় , সুদামে উচিত কথা কৈছে। ব'লা সখাহঁত , ব'ল ধেনু ব'ল --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত যশোদাৰ প্ৰৱেশ ----**

**গীত -( ৰাগ ঃ সুহাই, তাল ঃ একতাল )**

**সভাত চলিয়া আহে যশোদা মাতৃ ।**
**ৰূপে গুণে বিভূষিতা তুমি নন্দ ৰানী।।**
**চিন্তান্বিত মনে আহে সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

যশোদা ঃ হে প্ৰভূ , কিমান অপেক্ষাৰ অন্তত পুত্ৰৰূপে কানাইৰ মোৰ হৈছে প্ৰাপ্তি। আছে বৃন্দাবনত বহু শিশু, কিন্তু কিয় মোৰ পুত্ৰৰ প্ৰতিহে বাৰে বাৰে পৰে কালৰ কুদৃষ্টি। মানুহে কৈছে মোৰ কানাইৰ আছে বোলে ঐশ্বৰিক শক্তি , কোনোৱে কয় মোৰ কানাই বোলে ভগৱান। নাই নাই , এয়া নহয় সত্য। কানাই মোৰ পুত্ৰ , নহয় কানাই কোনো ভগৱান , সাধাৰণ বালক কানাই এই যশোদাৰ পুত্ৰ ---

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ আহে ---**

কৃষ্ণ ঃ প্ৰণাম মাতা ----

যশোদা ঃ অ' মোৰ কানাই ; কি আচৰিত , আজিচোন তুমি উঠিলা পুৱাই --

কৃষ্ণ ঃ কিয় নুঠিম ? দেৰিলৈকে শয়ন কৰা বাবেইটো যোৱাকালি তুমি মোক কৰিছিলা ক্ৰোধ। সখাগণেও মোৰ বাবেই পলম হয় বুলি দিছে অপবাদ। সেয়ে আজিৰপৰা সোনকালে শুই উঠিম বুলি মই কৰিছো অঙ্গীকাৰ।

যশোদা ঃ অ'হ বাচা , কিয় কৰা অভিমান ? নালাগে তুমি যাব পুৱাতে উঠি ধেনু চৰাবলৈ ; কণমানি বাচা মোৰ ; তোমাৰনো বয়স কিমান ?

কৃষ্ণ ঃ বয়সত সৰু বুলি কৈ মাতা মোক নকৰিবা অপমান। জানা মাতৃ , সকলো সখাতকৈ ময়ে বলবান। আৰু মাতৃ , বনত মই ধেনুকে নচৰাঁও ; বংশীও বজাঁও। জানা মাতৃ , সখাগণৰ লগতে বনৰ জন্তুৱেও আমাৰ বংশীৰ মাত শুনে ৰঙ্গ কৰি।

যশোদা ঃ বাচা , কিদৰে বুজাম তোমাক ; নাজানো কিয় ইমান শত্ৰু তোমাৰ ? নালাগে বনত গৈ বজাব বংশী , সোণৰ বংশী মই গঢ়াই থৈছো ঘৰতে বজাবা তুমি ----

**সূত্ৰ ঃ এনেতে বলৰাম ---**

বল ঃ প্ৰণাম মাতা ; কানাই , ধেনুক মই কৰিলো প্ৰস্তুত ; গোপ সখাগণো ( **এনেতে গোপ সখাগণে কানাইক মাতে** ) সেয়া পালেহিয়ে। ব'লা কানাই আৰু নকৰিবা পলম ---

কৃষ্ণ ঃ মাতা , সেয়া সখাগণ পালেহি ; দুপৰীয়াৰ আহাৰ দিয়া যতনাই ----

যশোদা ঃ কিন্তু বাচা ----

কৃষ্ণ ঃ পলম নকৰিবা মাতা , নহ'লে তোমাৰ পুত্ৰই আজিও সখাসৱৰপৰা শুনিব নিন্দা বাণী -

যশোদা ঃ ৰ'বা কানাই , এতিয়াই আহাৰ দিম যতনাই --- ( প্ৰস্থান )

কৃষ্ণ ঃ সোণৰ বংশীটোও দিবা আই ; জানা দাদা , মাতৃয়ে মোৰ বাবে সোণৰ বংশী দিছে গঢ়াই। লৈ যাম আজি মই , বজাম বৃক্ষৰ তলে , সখাগণৰ সমে তুমি শুনিবা বনে ---

বল ঃ নিশ্চয় শুনাবা আমাক ; পাছে এতিয়া মাতাক কৰোঁৱা সোনকাল । নতু , সখাসৱৰ ক্ৰোধ তুমি জানাই নহয় -----

কৃষ্ণ ঃ ( চিঞৰি মাতে ) মাতা, সোনকাল কৰা ; নতু সখাগণে আমাক এৰি থৈ যাব এতিয়া --

**সূত্ৰ ঃ আহাৰৰ টোপোলা আৰু বংশী লৈ যশোদা আহে ---**

যশোদা ঃ আহিছো কানাই ; তোমাক এৰি সখাগণ কদাপি নাযায় । এয়া লোৱা ৰাম , দিছো আহাৰ সকলোৰে লবা ভগাই --; আৰু কানাই এয়া লোৱা বংশী তোমাৰ ---

কৃষ্ণ ঃ সঁচাই সুন্দৰ বংশী আই ; পাছত তোমাকো বজাই শুনাম ।এতিয়া যাঁও আই । ব'লা দাদা আৰু নকৰোঁ পলম ---

বল ঃ আমি আহিছো আই । ব'লা কানাই ---

যশোদা ঃ যোৱা বাচা , দূৰলৈ নাযাবা কানাই ---

কৃষ্ণ ঃ হ'ব আই , তুমি নকৰিবা চিন্তা ।

**সূত্ৰ ঃ প্ৰথমে ৰাম - কৃষ্ণৰ প্ৰস্থান । পাছত যশোদাৰ প্ৰস্থান । সভাত গোপীগণৰ সৈতে ৰাধাৰ প্ৰৱেশ --**

**গীত ঃ ( ৰাগ ঃ ধনশ্ৰী , তাল ঃ একতাল )**

**চলি আহে সভাৰ মাজে ৰাধিকা সুন্দৰী ।**
**সঙ্গে আহে ৰঙ্গ মনে বৃন্দাবনৰ গোপী ।।**
**চঞ্চলা গমনে পাইলা সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ৰাধা ঃ সখীগণ , সুগন্ধিত পুষ্প আৰু বিচিত্ৰ পক্ষীৰে অপূৰ্ব এই বৃন্দাবন , সঁচাই অনুপম ; কিন্তু ----

প্ৰভা ঃ কিন্তু বুলি কিয় ৰ'লা সখী --- ?

ৰাধা ঃ আমাৰ দৰে উদাস ভাব তোমাৰো জানো জগা নাই সখী ? সকলো থাকিও যেন একোৱে নাই আমাৰ --

সুপ্ৰভা ঃ সঁচা কথা সখী , হ'ব পাৰে কুলিৰ মাত শুৱলা , কিন্তু আমাৰ কানাইৰ বংশীৰ মাত যে সবাতোকৈ শুৱলা ।

ভদ্ৰা ঃ হ'লে কি হ'ব ? কানায়ে যে আমাক নিদিয়ে সঙ্গ । গোপগণৰ লগতে থাকে ধেনু চৰাই ; বংশীও বজাই সিহঁতকহে শুনাই ।

সুপ্ৰভা ঃ নাই নাই ; তেনে হ'ব নোৱাৰে । আমাকো দিব লাগিব কানায়ে সঙ্গ । যদি তেওঁ নাহে আমাৰ সমীপে আমিয়ে যাম তেওঁৰ সমীপে ---

ৰাধা ঃ উচিত কথা কৈছা সখী ; কানাইৰ বংশীৰ মাত শুনাৰ আমাৰো আছে অধিকাৰ । ব'লা সখীগণ কানাইক যাঁও বিচাৰি ।

**গীত**

**চলি যাই গোপীগণ কৃষ্ণক বিচাৰি ।**
**মধুৰ বংশীৰ মাত শুনো বুলি আজি ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে শ্ৰীদাম, সুদাম, বিশাল, সুবল আৰু ঋষভৰ সৈতে কৃষ্ণ আহে ---**

শ্ৰীদাম ঃ কানাই, দাদা ৰামে ভদ্ৰসেনৰ সৈতে ধেনুক কৰিছে নিৰীক্ষণ । এই সুযোগতে বজোৱাচোন বংশী তুমি ।

সুদাম ঃ অ কানাই, তোমাৰ বংশীৰ মাতে আমাৰ দেহ - মন পেলাই জুৰ । বজাবানে কানাই ?

বি+সু+ঋ ঃ বজোৱাচোন কানাই , বজোৱাচোন -----

শ্ৰীকৃষ্ণ ঃ যদি সৱে কৰিছা ইছা , নিশ্চয় মই বজাম বংশী ----

**সূত্ৰ ঃ এনেতে গোপীসহ ৰাধা আহে ---**

সুপ্ৰভা ঃ ৰ'বা কানাই , আজি তুমি আমাৰ বাবেহে বজাব লাগিব বংশী ----

ঋষভ ঃ সেয়া কেনেকৈ হ'ব ? কানাই আমাৰ সখা ; আমাৰ বাবেহে কানায়ে বজাব বংশী । গোপৰ সঙ্গলৈ তোমালোক গোপীসৱ কিয় আহিছা ?

ৰাধা ঃ কিয় নবজাব ? কিয় নাহিম ? কানাই আমাৰো সখা , এই ৰাধাৰো --- ; বজোৱাচোন কানাই , কেৱল তোমাৰ বংশীৰ মাত শুনিবলৈ আহিছো মই ব্ৰজধামৰ পৰা ।

কৃষ্ণ ঃ তৰ্ক নকৰিবা সখাগণ , আজি মই সকলোৰে বাবে বজাম বংশী । পাছে এটা আছে চৰ্ত্ত --বংশীৰ সুৰে সুৰে তোমালোকে কৰিব লাগিব নৃত্য ।

ভদ্ৰা ঃ তোমাৰ বংশীৰ ধ্বনিত আমি আপোন পাহৰা হওঁ কানাই । চৰ্ত্ত নালাগে ৰাখিব , আমি স্বেচ্ছাই কৰিম নৃত্য ।

ঋষভ ঃ তেন্তে বজোৱা কানাই , আজি ময়ো কৰিম নৃত্য ----

সুপ্ৰভা ঃ হাঃ হাঃ --- কালৰো কাল কি বিপৰীত কাল , ঋষভেও বোলে নাচিব নাচ ---

সুবল ঃ নাহাঁহিবা সুপ্ৰভা, নাচিলেহে জানিবা, আমাৰ ঋষভে কেনেদৰে তোমাক হৰুৱাব নৃত্যত ।

প্ৰভা ঃ সুপ্ৰভাক নৃত্যত হৰুওৱাটো ইমান সহজ নহয় ঋষভ ; আমাৰ সুপ্ৰভাক একা চেকা বুলি নাভাবিবা তোমালোকে ।

ঋষভ ঃ তেন্তে বজোৱা কানাই , সুপ্ৰভাক আজি নৃত্যত মই হৰুৱামেই হৰুৱাম -----

**সূত্ৰ ঃ শ্ৰীকৃষ্ণই বংশী বজাই । সকলোৰে নাচিব ধৰে ----**

**গীত - ( ৰাগ ঃ -------, তাল ঃ --------)**

**মোহন মুৰুলী বজালে কানায়ে**
**মধুৰ মধুৰ ৰাগে ।**
**বংশীৰ তালতে হৰিষ মনেৰে**
**গোপ-গোপী আজি নাচে।।**

**সূত্ৰ ঃ গোপ - গোপীগণ নৃত্যত আত্মহাৰা হয় । এনেতে খঙেৰে বলৰাম আৰু ভদ্ৰসেন আহে ---**

বল ঃ অ দেখিলা ভদ্ৰসেন , সকলো ব্যস্ত নৃত্যত । বন্ধ কৰা , বন্ধ কৰা কানাই , বন্ধ কৰা তোমাৰ বংশী বাদন ---

কৃষ্ণ ঃ দাদা ; কিয় দাদা , কিয় মোক বাৰণ কৰিলা বংশী বাদনত ?

বল ঃ কানাই, ইয়ালৈ আহিছো আমি ধেনু চৰাবলৈ । অহা নাই বংশী বজাই নৃত্য কৰিবলৈ। ধেনুজাক প্ৰৱেশিছে কাষৰ অৰণ্যত আৰু তোমালোক ব্যস্ত আছা এনেদৰে নৃত্যত ।

কৃষ্ণ ঃ ক্ৰোধ নকৰিবা দাদা , আমি এতিয়াই গৈ ধেনুজাকক আনিম উভতাই । ৰাধা , আজিলৈ তোমালোকো যোৱা গৃহে । ব'লা সখাগণ , ধেনুজাকক আনো উভতাই ।

**সূত্ৰ ঃ গোপ শিশুগণৰ প্ৰস্থান ---**

ৰাধা ঃ সখীগণ, বংশীও শুনিলো , নৃত্যও কৰিলো ; দেহ - মন হ'ল তৃপ্ত । এতিয়া যাঁও ব'লা ।

সু+ভ+প্ৰ ঃ ব'লা সখী ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত ব্যোমাসুৰৰ প্ৰৱেশ -----**

গীতঃ ( ৰাগ- কানাৰা , তাল - একতাল )

**সভাত প্ৰৱেশ কৰে বীৰ ব্যোমাসুৰ।**
**কংসৰ ভৃত্য ইটো অতি ভয়ংকৰ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ডাকি বোলা সভাসদ নৰ।।**

ব্যোম ঃ হাঃ হাঃ ব্যোমাসুৰ , কংসৰাজৰ বিশ্বস্ত অনুচৰ মই ব্যোমাসুৰ । মায়াৰ অধিপতি মই , ধৰি বিচিত্ৰ ৰূপ সকলোকে মই কৰোঁ বিভ্ৰান্ত । আছে মোৰ ওপৰত বিশ্বাস কংসৰাজৰ , কৰিছো বহু কাৰ্য সাধন ; সেয়ে ৰাজনে দিছে আজি মোকেই নিমন্ত্ৰণ হাঃ হাঃ যাওঁ মই এতিয়া ৰাজনৰ সমীপে ----

**সূত্ৰ ঃ ব্যোমাসুৰৰ প্ৰস্থান । সভাত কংস আৰু কালকেতুৰ প্ৰৱেশ ----**

গীত- ( ৰাগ ঃ কানাৰা ; তাল ঃ পৰিতাল)

**প্ৰৱেশয় কংস ৰায় মথুৰা ৰাজন ।**
**সঙ্গে আছে সেনাপতি কালকেতু দুৰ্জন ।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

কংস ঃ কালকেতু , হৈছেনে জগত ত্ৰাহিত এই কংসৰ ভয়ত ? তেজিছেনে জগতে হৰি পূজা ? মানিছেনে সাধু - সন্তই মোকেই ভগৱান ?

কাল ঃ ৰাজন , ত্ৰিভূৱন কম্পমান আজি আপোনাৰ নামত । তপস্বীয়ে এৰি হৰি পূজা আপোনাৰেই কৰে গুণগান আৰু যদি কোনোবা অধৰ্মীয়ে নভজে আপোনাক এই কালকেতুৰ তীক্ষ্ন তৰোৱালে হাঃ হাঃ কৰে সমাধান ।

কংস ঃ হাঃ হাঃ উত্তম , উত্তম ; চোৱা জগতবাসী এই কংসৰ পৰাক্ৰম । স্বৰ্গৰ দেৱতাও আজি মোৰ পদানত হাঃ হাঃ --- কিন্তু কালকেতু , আজিও মোৰ স্বপ্নত কৰে আমনি ভগ্নী

দৈৱকীৰ বিবাহ মুহূৰ্তৰ সেই আকাশবাণীয়ে । কৰে আমনি মোক দৈৱকীৰ কোলাৰ পৰা কাঢ়ি লোৱা সেই আকাশী কন্যাৰ সতৰ্ক বাণীয়ে ---

কাল ঃ ৰাজন , আপুনি বীৰ , আপুনি মৰতৰ ভগবান । মিথ্যা হ'ব আকাশবাণী , মিথ্যা হ'ব সতৰ্কবাণী । এয়া মাথো অভিসন্ধি দেৱতাৰ ----

কংস ঃ তোমাৰ বচনত মোৰ বাঢ়ে মনোবল । কিন্তু তথাপি জাগিছে সন্দেহ মোৰ গোকুলৰ কৃষ্ণৰ ওপৰত । যি পুতনাৰ বুকুৰ হলাহল কৰি পান সহস্ৰ শিশুয়ে তেজিলে প্ৰাণ , তেনে পুতনাৰ কৃষ্ণই হৰিলে প্ৰাণ। নহয় বিশ্বাস মোৰ ; তৃণাৱৰ্ত , বৎসাসুৰ, বকাসুৰৰ দৰে প্ৰৱল প্ৰতাপী মোৰ অসুৰক হেলাৰঙে কিদৰে বধিছে বালক কৃষ্ণই ? আঃ অসম্ভৱ , অসম্ভৱ এয়া নহয় এক সাধাৰণ শিশুৰ বাবে সম্ভৱ । কালকেতু , সন্দেহ মোৰ বিশ্বাসলৈ হৈছে পৰিণত , মায়াবী কন্যাৰ ইঙ্গিত এই বালক কৃষ্ণ --

কাল ঃ ৰাজন , তেন্তে মোক দিয়ক আদেশ , কৰি শিৰচ্ছেদ বালক কৃষ্ণৰ অৰ্পণ কৰিম তাৰ শিৰ আপোনাৰ চৰণত --

কংস ঃ প্ৰয়োজনত নিশ্চয় তোমাৰ লম সহায় । সদ্যহতে বাৰ্তা পঠাইছো মই মোৰ বিশ্বস্ত অনুচৰ ব্যোমাসুৰলৈ -- ( **বাহিৰত ব্যোমাসুৰৰ হাঁহি শুনা যায়** ) সৌৱা , আহি পালে ব্যোমাসুৰ -- হাঃ হাঃ ব্যোমাসুৰ ---

**সূত্ৰ ঃ ব্যোমাসুৰ সোমাই আহে ---**

ব্যোম ঃ মথুৰাৰাজ কংসৰ চৰণত ব্যোমাসুৰৰ প্ৰণাম ----

কংস ঃ আঁহা ব্যোমাসুৰ আঁহা --

ব্যোম ঃ কিয় মতালে ৰাজন , কি কাৰ্য মই কৰিম সাধন ?

কংস ঃ ব্যোমাসুৰ , এক বিশেষ কাৰ্য তুমি কৰিব লাগিব সাধন । হৰণ কৰি আনিব লাগিব মোৰ সমীপে তুমি এক বালকক ---

ব্যোম ঃ ৰাজন , এক সাধাৰণ বালকক হৰিবৰ বাবে আপুনি মোক দিছে আদেশ ?

কংস ঃ সাধাৰণ বালক বুলি নকৰিবা ভুল । মোৰ বিশ্বস্ত অনুচৰ পুতনা , তৃণাৱৰ্ত , বকাসুৰৰ দৰে বীৰৰ সি লৈছে প্ৰাণ ।

ব্যোম ঃ আঃ ইমান দুঃসাহস সেই বালকৰ । ৰাজন , দিয়ক পৰিচয় মোক সেই বালকৰ , নিমিষতে মায়াৰ বলেৰে হৰণ কৰি তাক অৰ্পণ কৰিমহি আপোনাৰ চৰণত ।

কংস ঃ গোকুলৰ নন্দৰ তনয় সি , নাম তাৰ কৃষ্ণ অ , শুনিছো গোকুল এৰি নন্দই বৃন্দাবনত কৰিছে বাস । তালৈকে গৈ তুমি আনা হৰণ কৰি দুৰ্মতি কৃষ্ণক ; নিজ হাতে মই তাক কৰিম হত্যা ।

ব্যোম ঃ চিন্তা নকৰিব ৰাজন , মায়াৰ অধিপতি মই ব্যোমাসুৰ , ধৰি বিচিত্ৰ ৰূপ হৰণ কৰি লৈ আহিম মই দুৰ্মতি কৃষ্ণক ; হাঃ হাঃ প্ৰণাম ৰাজন , যাত্ৰা মই কৰোঁ বৃন্দাবনে -- (**প্ৰস্থান** )

কংস ঃ হাঃ হাঃ কৃষ্ণ , এইবাৰ তই নাপাবি নিস্তাৰ । কালকেতু , সাজু কৰা আমাৰ বলিশাল ; শান দিয়া আমাৰ অস্ত্ৰত ; নিমিষতে যাতে মই উৰুৱাব পাৰোঁ কৃষ্ণৰ গৰ্দন হাঃ হাঃ--

কাল ঃ সকলো ব্যৱস্থা কৰা হ'ব ৰাজন । এতিয়া মাথো আপুনি কৰক বিশ্ৰাম ।

কংস ঃ তেন্তে ব'লা কালকেতু , ব্যোমাসুৰৰ বিজয় বাৰ্তালৈ আমি কৰোঁ অপেক্ষা ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত কৃষ্ণ-বলৰাম আৰু গোপ শিশুগণ --**

কৃষ্ণ ঃ দাদা আৰু সখাগণ , ধেনুগণে আনন্দ মনে কৰিছে ভোজন । আমিও সেয়ে এই সুযোগতে ঘিলা খেলোঁ আঁহা ।

ভদ্ৰ ঃ কানায়ে ভাল কথাকেই কৈছে ; আঁহা সখাগণ , কেইবাদিনো আমি খেলা নাই ঘিলা । আজি সুযোগ পাওঁতেই খেলো আঁহা ।

**সূত্ৰ ঃ এনেতে বালকৰ ৰূপ ধৰি ব্যোমাসুৰ আহে ----**

ব্যোম ঃ সখাগণ , আমাকো দিবানে তোমালোকৰ খেলৰ সঙ্গী হোৱাৰ সুযোগ ?

বল ঃ সখা বুলি যে কৰিলা সম্বোধন, আগে তোমাৰ সাক্ষাত আমাৰ নপৰে মনত। কোন তুমি ?

ব্যোম ঃ আমি বৃন্দাবনৰে গোপ শিশু ; বাসস্থান আমাৰ সৌ দিশে । নাম মোৰ -- দেৱস্পতি ।

সুদাম ঃ দেৱস্পতি -- বাঃ সুন্দৰ নাম । ৰাম , এওঁক সঙ্গী কৰাত আমাৰ নাই আপত্তি ।

বল ঃ কানাই , তুমি কি কোৱা , দিবানে অনুমতি ?

কৃষ্ণ ঃ ইচ্ছা কৰিছে যেতিয়া অনুমতি দিয়াই ভাল। দেৱস্পতি, পাৰিবা জানো তুমি ঘিলা খেলিব ?

ব্যোম ঃ ধন্যবাদ কৃষ্ণ ; এই দেৱস্পতিৰ বাবে সকলো খেলেই সম্ভৱ । পাছে বহু নতুন খেলো জানো মই , যদি কৰা ইচ্ছা এটা নতুন খেল খেলোঁ আঁহা ।

শ্ৰীদাম ঃ নতুন খেল ? কি খেল খেলিবা ? হঠাত নতুনকৈ এটা খেল খেলিলে নিশ্চিত তোমাৰ হাতত আমাৰ হ'ব পৰাজয় ।

ব্যোম ঃ জটিল খেল নহয় সখাগণ ; আমি ---- ভেড়াৰখীয়া আৰু ভেড়াচুৰ --- খেল খেলিম ।

ঋষভ ঃ বাঃ খেলৰ নামটোয়ে বৰ সুন্দৰ । খেলিও নিশ্চয় লাগিব বৰ ভাল । পাছে সখা , কেনেদৰে খেলে এই খেল ?

ব্যোম ঃ অতি সহজ ; তুমি ( বৃষভ ), তুমি ( শ্ৰীদাম ) , তুমি ( সুদাম ) আৰু তুমি ( কৃষ্ণ ) হ'বা ভেড়া । তুমি ( বলৰাম ) আৰু তুমি ( ভদ্ৰসেন ) হ'বা ভেড়াৰখীয়া ।

বি+সু ঃ আমি কি হম ----- ?

ব্যোম ঃ তোমালোক -- ? তোমালোক , এহঃ তোমালোকো ভেড়াই হোৱা -----

বিশাল ঃ বৰ ভাল হ'ব ; আমি কানাইৰ লগত ভেড়া হৈ থাকিম ----

ভদ্ৰ ঃ আমাৰ বাৰু হ'ল ; পাছে তুমিনো কি হ'বা ?

ব্যোম ঃ মই হ'ম ভেড়াচুৰ ।

সকলো ঃ ভেড়াচুৰ --- ?

ব্যোম ঃ অ ভেড়াচুৰ । ভেড়াবোৰে থাকিব ইফাল - সিফাল কৰি আৰু ভেড়াৰখীয়াই নেদেখাকৈ মই ভেড়া কৰিম চুৰি । সকলোৱে যদি পালা বুজি খেল কৰোঁ আৰম্ভ --

বল ঃ নিশ্চয় ; সখাসৱ , সৌ ঘাঁহনি ডৰালৈ ব'লা । ভেড়া গণে চৰি থাকিবা তাত । আমি ভেড়াৰখীয়াই ৰাখিম তীক্ষ্ণ দৃষ্টি । চাম বাৰু কেনেকৈ ভেড়াচুৰে আমাৰপৰা ভেড়া কৰিব হৰণ । দেৱস্পতি , ভেড়াচুৰ যেতিয়া তুমি ইয়াতে থাকা । সুযোগ যদিহে পোৱা কৰিবা ভেড়া চুৰি হাঃ হাঃ --

**সূত্ৰ ঃ ব্যোমাসুৰৰ বাদে সকলোৰে প্ৰস্থান -----**

ব্যোম ঃ হাঃ হাঃ মোৰ মায়া তই কি বুজিবি বলৰাম ? চল কৰিয়ে মই হৈছো ভেড়াচুৰ আৰু কৃষ্ণক পাতিছো ভেড়া । নিমিষতে তাক মই হৰণ কৰি কংসৰাজক কৰিম অৰ্পণ । অ , প্ৰথমেই মই কৃষ্ণক নকৰোঁ হৰণ । খেলত মগন কৰাম সকলোকে ; তাৰপাছত হাঃ হাঃ -- যাঁও গোপ শিশুক হৰণ কৰি আনি সৌ গুহাতেই থওঁ লুকুৱাই ----

**সূত্ৰ ঃ ব্যোমাসুৰৰ প্ৰস্থান । পুনৰ নিজ ৰূপ ধাৰণ কৰি ব্যোমাসুৰে বিশাল আৰু সুবলক টানি আনে --**

বি+সু ঃ এৰি দে , আমাক এৰি দে ; কানাই , ---আমাক বচোৱা কানাই ----

ব্যোম ঃ হাঃ হাঃ কানায়ে তহঁতক কৰিব ৰক্ষা ? আহিছো মই কাল হৈ তহঁতৰ বাবে হাঃ হাঃ --

সুবল ঃ কোন তই ? কিয় আনিছ আমাক ইয়ালৈ ?

ব্যোম ঃ অসুৰ মই ব্যোমাসুৰ ; এটা এটাকৈ তহঁতক মই এই গুহাৰ ভিতৰত থম সোমোৱাই ; অন্নৰ অভাৱত গুহাৰ ভিতৰতে তহঁতৰ ঘটিব অকাল মৰণ হাঃ হাঃ -- ব'ল বালক , বন্দী কৰি থওঁ তহঁতক গুহাৰ ভিতৰে --

বি+সুবল ঃ নাই নাই , কানাই , বলৰাম -----( অসুৰে ভিতৰলৈ গটা মাৰি দিয়ে )

ব্যোম ঃ হাঃহাঃ পৰি থাক, পৰি থাক তহঁত গুহাৰ ভিতৰে । অসুৰ মই ব্যোমাসুৰ ; নহয় ভেড়া, এটি এটিকৈ গোপ বালকক মই কৰিম চুৰ হাঃ হাঃ---

**সূত্ৰ ঃ ব্যোমাসুৰৰ প্ৰস্থান । পুনৰ সুদামক টানি আনে --**

সুদাম ঃ এৰি দে , এৰি দে , ক'লৈ মোক নিয় টানি ? ৰক্ষা কৰা , কানাই মোক ৰক্ষা কৰা --

ব্যোম ঃ হাঃ হাঃ কানায়ে তোক কৰিব ৰক্ষা ? এই ব্যোমাসুৰৰ হাতৰ পৰা হাঃ হাঃ ---যা মূৰ্খ তয়ো সোমাই থাক গুহাৰ ভিতৰে ----

**সূত্ৰ ঃ ব্যোমাসুৰে জোৰ কৰি সুদামক গুহাত সোমোৱাই । এনেতে কৃষ্ণই আহি দূৰৰ পৰা নিৰীক্ষণ কৰি থাকে --**

ব্যোম ঃ হাঃ হাঃ সোমাই থাক মূৰ্খ ; মনুষ্যৰ সন্তান হৈ নাই তহঁতৰ জ্ঞান - বুদ্ধি । নিচিনি তহঁতে মোক ললি আঁকোৱালি ; হাঃ হাঃ অচিন কাঠৰ থোৰা লগালে এনেদৰেই ঘটে বিঘিনি হাঃ হাঃ ----

কৃষ্ণ ঃ অচিন কাঠৰ থোৰাক ভালদৰেই চিনিছিলো মই । সেয়ে খেলৰ সঙ্গী হ'বলৈ দিছিলো অনুমতি ; চাব খুজিছিলো তোৰ আগমনৰ উদ্দেশ্য বা কি ---

ব্যোম ঃ অ কৃষ্ণ, হাঃ হাঃ -- ভালেই হ'ল , মোৰ কষ্ট তই কৰিলি লাঘৱ ; নিজে আহি ধৰা দিলিহি কালৰ হাতত । উদ্দেশ্য মোৰ অতিকৈ মহান ; শুনিছো তই বোলে অতি বলবান ; পুতনা ,বকাসুৰৰ দৰে অসুৰৰ লৈছ প্ৰাণ । তোৰ দুষ্কাৰ্যত কংসৰাজৰ উঠিছে ক্ৰোধ ; পঠাইছে সেয়ে কংসৰাজে মোক , বন্দী কৰি লৈ যাম মথুৰালৈ তোক , হাঃ হাঃ তীক্ষ্ণ তৰোৱালেৰে ৰাজনে স্বাগতম জনাব তোক হাঃ হাঃ ----

কৃষ্ণ ঃ অ' কংসমামাৰ আদেশতে তেন্তে আগমণ তোৰ । কিন্তু মোক বন্দী কৰাৰ শকতি আছে জানো তোৰ ? এই ক্ষণতে , এই স্থানতে যদি বকাসুৰৰ দৰে আমাৰ হাততেই প্ৰাণ যায় তোৰ --

ব্যোম ঃ আঃ ইমান দম্ভ তোৰ ; মায়াৰ অধিপতি মই ব্যোমাসুৰ । নিমিষতে গগন মণ্ডলে মথুৰালৈ উৰুৱাই নিম তোক ---

কৃষ্ণ ঃ উত্তম , অতি উত্তম ; তেন্তে পৰাক্ৰম দেখুৱা তোৰ ---

**গীত**

**ঐ ৰে দুষ্ট ব্যোমাসুৰ প্ৰভুক নিচিনিলি ।**
**মিথ্যা দম্ভে নাৰায়ণক প্ৰহাৰ কৰিলি ।।**
**মুষ্টি ঘাটে ব্যোমাসুৰ হৈল পৰাভূত ।**
**ৰাম হৰি ডাকি বোলা সামাজিক লোক ।।**

**সূত্ৰ ঃ ৰণত ব্যোমাসুৰ বধ হয় । কৃষ্ণই গুহাৰ পৰা গোপগণক উলিয়াই আনে -**

কৃষ্ণ ঃ আঁহা সখাগণ , আঁহা -----

বি+সু+সু ঃ কানাই ----- ( সাৱটি ধৰে )

কৃষ্ণ ঃ আৰু ভয় নকৰিবা সখাগণ ; দুষ্ট অসুৰৰ আমি ল'লো প্ৰাণ। এতিয়া যাঁও ব'লা --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ব্ৰহ্মা আহে ---**

ব্ৰহ্মা ঃ নাৰায়ণে নৰলোকত নৰৰূপে লৈছে অৱতাৰ । ৰচিছে শিশু কালতেই নানা লীলা , যাক দেখি দেৱগণো হৈছে বিস্মিত । নৰৰূপে নাৰায়ণৰ মহিমা কিমান তাক জুখি চোৱাৰ প্ৰবল ইচ্ছা আমাৰ মনতো হৈছে জাগ্ৰত । ৰচিম আমিও এনে মায়া , চাম বাৰু নৰৰূপী কৃষ্ণই কেনেদৰে ইয়াৰ হয় সন্মুখীন ? এই উদ্দেশ্যে আমি অচিৰেই মৰতলৈ কৰিম যাত্ৰা ----

**সূত্ৰ ঃ ব্ৰহ্মাৰ প্ৰস্থান । সভাত ধেনু লৈ কৃষ্ণ আৰু গোপগণ আহে ---**

ভদ্ৰ ঃ ব'ল ধেনু ব'ল -- বল ; সখাগণ , এই স্থানতে আছে যথেষ্ট ঘাঁহ --

কৃষ্ণ ঃ হয় ভদ্ৰসেন , এই স্থানতে ধেনুজাকক চৰিবলৈ দি আমি সৌ যমুনাৰ বালিতে ভোজন

শ্ৰীদাম ঃ উচিত কথা কৈছা কানাই , ধেনুজাকে আনন্দিত মনে চৰিছে ইয়াত । আমাৰো ভোজনৰ হৈছে সময় ; ব'লা সখাসৰ , যমুনাৰ বালিলৈ গৈ কৰোঁগে ভোজন ।

**সূত্ৰ ঃ ধেনুজাকক থৈ গোপ শিশুগণৰ প্ৰস্থান । এনেতে ব্ৰহ্মা আহে ----**

ব্ৰহ্মা ঃ পাইছো সুযোগ , কৃষ্ণসহিত গোপগণে ধেনুজাকক এৰি কৰিছে ভোজন । এই চেগতে মই এই ধেনুজাকক মায়াৰ বলত কৰোঁ হৰণ --- আহ , আহ ধেনু আহ --

**সূত্ৰ ঃ ব্ৰহ্মাৰ পাছে পাছে ধেনুজাকৰ প্ৰস্থান। আনফালে সভাত কৃষ্ণ আৰু গোপ শিশুগণ আহে ---**

কৃষ্ণ ঃ আঁহা সখাসৰ , ইয়াতে সৰে লৈ অহা ভোজন কৰোঁ গ্ৰহণ --

**(সূত্ৰ ঃ সকলোৱে ৰঙ্গ কৰি ভোজন কৰে -- )**

কৃষ্ণ ঃ ঋষভ, চাই আঁহাচোন ধেনুজাকেও শান্তভাৱে কৰিছেনে ভোজন ?

ঋষভ ঃ হ'ব কানাই , মই সাউতকৰে গৈ আহিম চাই । কিন্তু সাৱধান সখাসৰ , মোৰ ভোজনত তোমালোকে নিদিবা হাত ।

**সূত্ৰ ঃ ঋষভৰ প্ৰস্থান ---**

ভদ্ৰ ঃ সখাসৰ , কৰোঁ এক ধেমালি ঋষভৰ লগত । তাৰ ভোজন মই থওঁ লুকুৱাই ; তোমালোকে কিন্তু পাছত নল'বা মোৰ নাম -- ( **ভোজন লুকুৱাই** )

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ ঋষভ ----**

ঋষভ ঃ কানাই , কানাই --- সৰ্বনাশ হ'ল কানাই , ধেনুজাক নাই ঘাঁহনিত । হয়তো অৰণ্যত সিহঁতে কৰিলে প্ৰৱেশ ---

শ্ৰীদাম ঃ কি অৰণ্যত কৰিলে প্ৰৱেশ ? হায় হায় কি কৰিম আমি এতিয়া ?

কৃষ্ণ ঃ তোমালোকে চিন্তা নকৰিবা সখাগণ , মোৰ ভোজন হ'ল সমাপ্ত । তোমালোকে কৰা ভোজন । অৰণ্যৰপৰা ময়ে ঘূৰাই আনো ধেনুজাকক --।

সুদাম ঃ কিন্তু কানাই , তোমাক অকলে অৰণ্যলৈ আমি পঠাম কেনেকৈ ? তাতে দাদা বলৰামো আজি নাই আমাৰ লগত । তোমাক অকলে অৰণ্যলৈ পঠালো বুলি জানিলে ক্ৰোধ কৰিব ৰামে আমাক । ৰ'বা কানাই , তোমাৰ লগত ময়ো যাম ।

কৃষ্ণ ঃ মোৰ ওপৰত কি তোমালোকৰ নাই বিশ্বাস ? নকৰিবা চিন্তা সুদাম , নিশ্চিন্ত মনে তুমি কৰা ভোজন । মই আহিলো এতিয়া ---( **প্ৰস্থান** )

ঋষভ ঃ সাৱধানে যাবা কানাই , --- অ , মোৰ ভোজন ক'ত ? কোনে খালে মোৰ ভোজন ? ( কান্দে ) আজি নন্দৰায়ক মই এই বিষয়ে দিম গোচৰ ---

ভদ্ৰ ঃ কি , এই সাধাৰণ কথাটোকে তই নন্দৰায়ক দিবি গোচৰ ? কোনেও তোৰ ভোজন কৰা নাই গ্ৰহণ। যমুনাৰ বালি পৰিব বুলি যতনাই ৰাখিছিলো মই । ল, ল, এয়া তোৰ ভোজন ; ৰাক্ষসৰ দৰে এতিয়া তই কৰ গ্ৰহণ। সামান্য কথাটোকে আকৌ নন্দৰায়ক দিয়েগৈ গোচৰ ----

**সূত্ৰ ঃ গোপগণে ভোজন কৰি থাকে । এনেতে ব্ৰহ্মা আহে ----**

ব্ৰহ্মা ঃ হাঃ হাঃ কৃষ্ণ নাই গোপগণৰ সঙ্গে , নাই বলৰামো । এই সুযোগতে আমি গোপগণকো কৰোঁ হৰণ । চাঁও বাৰু কি কৰে তেতিয়া কৃষ্ণই । আঁহা গোপগণ , আমাৰ পাছে পাছে আঁহা , আঁহা তোমালোক , আঁহা ----

**সূত্ৰ ঃ ব্ৰহ্মাৰ পাছে পাছে গোপ শিশুগণৰ প্ৰস্থান । আনফালে কৃষ্ণ ----**

কৃষ্ণ ঃ দাম -- সুদাম --সখা ---ই কি আচৰিত , সমগ্ৰ অৰণ্যত চলাথ কৰি আমি নাপালো এটাও গৰু আৰু এই যমুনাৰ বালিতো নাই এজনো সখা । ক'ত গ'ল তেওঁলোক ? দাম ,

সুদাম , ভদ্ৰসেন -- ; আচৰিত , নাই কোনো সঁহাৰি । ক'ত যাব পাৰে সিহঁত ? আমাক নোকোৱাকৈতো নকৰে এনে কাৰ্য ; তেন্তে ( চকু মুদে ) অ' বুজিলো সৃষ্টিকৰ্তা হাঃ হাঃ লৈ আনিব পাৰোঁ আমি আপুনি হৰণ কৰি নিয়া গোবৎস - দামুৰি ; কিন্তু তেতিয়া আপুনি নাপাব আনন্দ । বাৰু , ইচ্ছা কৰিছে যেতিয়া আমিও দেখুৱাম আপোনাক মায়া । সৃষ্টি কৰিম আমি এতিয়াই সুবহু গোপ শিশু আৰু ধেনু - দামুৰি ----

**সূত্ৰ ঃ শ্ৰীকৃষ্ণই বংশী বজাই । ধেনুৰ সৈতে গোপ শিশুগণ আহি কৃষ্ণৰ সন্মুখত উপস্থিত হয় --**

**গীত**

**দেখা দেখা নৰলোক মাধৱৰ লীলা ।**
**ব্ৰহ্মাই নিয়া ধেনু - বৎস সৃষ্টি কৰিলা ।।**

কৃষ্ণ ঃ ব'লা সখাসৱ , বেলি লহিয়াবৰ হ'ল ; ধেনুজাকক লৈ আমি যাওঁ গৃহলৈ --
সকলোৱেঃ ব'লা কানাই --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে ব্ৰহ্মা ---**

ব্ৰহ্মা ঃ ৰাখিলো ব্ৰহ্মলোকত আমি ধেনু - গোপশিশুক এদিনৰ বাবে ; আমাৰ এদিন মৰতৰ এবছৰ । ভাবিছিলো কৃষ্ণ হ'ব নিৰুপায় । কিন্তু স্ৰজন কৰি কৃষ্ণই ধেনু - গোপশিশুক এবছৰে ৰাখিছে বৃন্দাবনে ; অথচ বলৰামৰ বাদে কোনেও কৰা নাই সন্দেহ । আচৰিত, আচৰিত কৃষ্ণৰ মায়া । অ এয়া কি দেখিছো মই ? কি বৃক্ষ, কি জল, কি স্থল বৃন্দাবনৰ সৰ্বদিশতে দেখো মই শ্ৰীকৃষ্ণক । প্ৰভু , প্ৰভু ধন্য তোমাৰ মহিমা , ধন্য তোমাৰ লীলা ---

**সূত্ৰ ঃ এনেতে শ্ৰীকৃষ্ণ আহে ---**

কৃষ্ণ ঃ কি চিন্তা কৰিলে চতুৰানন ?
ব্ৰহ্মা ঃ প্ৰভু , প্ৰভু ---------------- ( স্তুতি )

নমো নমো নাৰায়ণ প্ৰভু জনাৰ্দন ।
তোমাৰ মহিমা প্ৰভু অনাদি অনন্ত ।।
মই অতি মূঢ়মতি কৰিলো অপৰাধ ।
অজ্ঞান অধম বুলি কৰা ক্ষমিয়োক ।।

-- প্ৰভু , এক সামান্য আঙঠা হৈ আমি শত কোটি সূৰ্যৰ শক্তিক পৰিহাস কৰি কৰিলো অপৰাধ । আমাৰ এই অপৰাধ কৰক ক্ষমা ।

কৃষ্ণ ঃ অপৰাধ -- ? কি অপৰাধ আপুনি কৰিলে সৃষ্টিকৰ্তা ?
ব্ৰহ্মা ঃ প্ৰভু , আৰু নকৰিব উপহাস ; ঘূৰাই দিম আমি হৰণ কৰা ধেনু আৰু গোপ শিশুগণক ; দয়া কৰি কৰিব গ্ৰহণ ---
কৃষ্ণ ঃ ক্ষমা বিচাৰি আমাক নকৰিব লজ্জিত । নিশ্চয় কৰিম গ্ৰহণ । আমিও স্ৰজন কৰা ধেনু আৰু গোপ শিশুক বিলীন কৰাম আমি আমাৰেই শৰীৰত ।
ব্ৰহ্মা ঃ আপোনাৰ মহিমা অপাৰ প্ৰভু । জয় শ্ৰীকৃষ্ণৰ , জয় শ্ৰীকৃষ্ণৰ , জয় শ্ৰীকৃষ্ণৰ --; প্ৰভু আমি এতিয়া নিজ ধামে কৰোঁ প্ৰস্থান ---- ( প্ৰস্থান )
কৃষ্ণ ঃ যাওক দেৱ , আমিও নিজ কৰ্তব্যত হওঁ অগ্ৰসৰ ----

**সূত্ৰ ঃ কৃষ্ণৰ প্ৰস্থান । সভাত ধেনুকাসুৰ আৰু ধুম্ৰাসুৰৰ প্ৰৱেশ -----**

গীত ঃ ( ৰাগ- কানাৰা, তাল পৰিতাল )

**চলি আহে সখা সঙ্গে ধেনুক দুৰ্জন ।**
**পদভৰে বসুমতী কম্পে ঘনে ঘন।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

ধেনুক ঃ হাঃ হাঃ সখা ধুম্ৰাসুৰ , কোন মই --- ?

ধুম্ৰ ঃ সখা , তুমি ধেনুকাসুৰ , দেৱেন্দ্ৰ যেনেদৰে অধীশ্বৰ নন্দন বনৰ , তুমি তেনে অধীশ্বৰ আমাৰ এই তাল বনৰ হাঃ হাঃ ----

ধেনুক ঃ হাঃ হাঃ উত্তম , অতি উত্তম তোমাৰ বচন। এই তালবন ধেনুকৰ ভূষণ ; চোৰা ডাল ভৰি লাগিছে তাল প্ৰচুৰ ; সুমধুৰ গন্ধ ইয়াৰ বিয়পিছে বহুদূৰ । সেইহেতু জাগ্ৰত হৈ থাকিম মই , থাকিবা তুমি যাতে কোনো দুষ্টই দুঃসাহস কৰি আমাৰ তাল নকৰে চুৰ

ধুম্ৰ ঃ চিন্তা নকৰিবা সখা , ধুম্ৰাসুৰে নকৰে কৰ্তব্যত হেমাহি । ধুম্ৰ হৈ গগন মণ্ডলে কৰিছো নিৰীক্ষণ, সুৰক্ষিত হৈ থাকিব তালবন । মনুষ্য কি দেৱতাইও যদি কৰে প্ৰৱেশ হাতে গলে জিঞ্জিৰি লগাই বন্দী কৰি লৈ আহিম তাক তোমাৰ সমীপে ---।

ধেনুক ঃ উত্তম , অতি উত্তম ; ব'লা তালবনত ৰাখোঁগৈ তীক্ষ্ণ নিৰীক্ষণ ---।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত ৰাম - কৃষ্ণ আৰু গোপ শিশুগণ ---**

ঋষভ ঃ আ-হাহা সখাসৱ , ইমান সুমধুৰ গন্ধ আহিছে বতাহত । তোমালোকে বাৰু পাইছানে ? কিহৰ গন্ধ এয়া ?

সুদাম ঃ অ পাইছো , পাইছো ; বৃষভ , এয়া পকা তালৰ গন্ধ -- ।

ঋষভ ঃ পকা তাল ; আ-হাহা গন্ধত মোৰ জিভাৰ পানী ----

বি+সু ঃ আমিও ৰ'ব পৰা নাই অ' বৃষভ --

সুদাম ঃ নিশ্চয় সৌ বনৰপৰাই আহিছে এই গন্ধ । কিন্তু তালৈতো গৈ নোৱাৰোঁ খাব সুমিষ্ট তাল ।

ভদ্ৰ ঃ কিয় সুদাম ? কিয় নোৱাৰিম আমি তালৈ যাব ?

সুদাম ঃ সেই তালবনৰ গৰাকী ধেনুক অসুৰ । অতি ভয়ঙ্কৰ সি গাধ আকৃতিৰ । তালবনত প্ৰৱেশ কৰা কি মনুষ্য , কি তপস্বী সকলোকে সি কৰে ভক্ষণ ।

শ্ৰীদাম ঃ তথাপি সি আমাৰ সখা কৃষ্ণ আৰু ৰামতকৈও হ'ব জানো বলবান ? সখা কানাই , সুদামকে ধৰি সখাসৱৰ পকা তাল খাবৰ জাগিছে ইচ্ছা ।

কৃষ্ণ ঃ বুজিছো শ্ৰীদাম , তোমাৰহে জগা নাই ইচ্ছা ----

শ্ৰীদাম ঃ নহয় নহয় কানাই , মোৰো জাগিছে ইচ্ছা ---

কৃষ্ণ ঃ হাঃ হাঃ দাদা , সখাসৱে পকা তাল খাবৰ কৰিছে ইচ্ছা । কি কৰা যায় -- ?

বল ঃ ইচ্ছা জাগিছে যেতিয়া সখাসৱৰ ইচ্ছা পূৰণ কৰা যাওক । নে কি কোৱা কানাই -- ?

কৃষ্ণ ঃ তেন্তে শুভস্য শীঘ্ৰম দাদা ; ব'লা সখাসৱ , তালবনত কৰোঁ প্ৰৱেশ ---

গীত

**চলি যাই ৰাম - কৃষ্ণ তালবনৰ দিশে ।**
**সঙ্গে যাই সখাগণ তাল খাবৰ মনে ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । পুনৰ তালবনত ৰাম - কৃষ্ণ- গোপগণ ---**

বল ঃ সখাগণ , এয়াই তালবন ; চোৰা ডাল ভৰি লাগিছে প্ৰচুৰ তাল । যাৰ যিমান ইচ্ছা খোৱা নিশ্চিন্তে । প্ৰহৰী হৈ আছো কানাই আৰু মই ।

**সূত্ৰ ঃ গোপগণে তাল পাৰে । শব্দ শুনি ক্ৰোধমূৰ্তি ধৰি ধেনুক আহে ---**

ধেনুক ঃ সাৱধান , সাৱধান , কোনে মোৰ তাল কৰিছ ভক্ষণ ?

সুদাম ঃ কানাই , কি কৰিম আমি এতিয়া ?

ধেনুক ঃ ই কি -- শিশু ; ক'ৰ শিশু তহঁত ? কিয় মোৰ তাল তহঁতে কৰিলি ভক্ষণ ?

কৃষ্ণ ঃ ক্ৰোধ নকৰিব আপুনি , একো অনিষ্ট কৰা নাই আমি । মাথো পকা ফল কেইটামানহে আমি কৰিছো ভক্ষণ ।

ধেনুক ঃ দেৱতাইও নকৰে সাহস মোৰ তাল কৰিবলৈ ভক্ষণ ; তেনেস্থলত নিকৃষ্ট মনুষ্যৰ সন্তান হৈ তহঁতে কিয় কৰিলি মোৰ তাল ভক্ষণ ? কোনে দিলে তহঁতক এই অনুমতি ? ধুম্ৰাসুৰ , ধুম্ৰাসুৰ --

কৃষ্ণ ঃ তথাপি ইমানবোৰ তালৰ কেইটামান পকা তাল খোৱাত হোৱা নাই তালবনৰ একো অনিষ্ট । অৱশ্যে এটা ভুল হ'ল আমাৰ , নল'লো আমি অনুমতি আপোনাৰ । তাৰবাবে ক্ষমা কৰক আমাক ।

ধেনুক ঃ নাই , নাই , তহঁতৰ অপৰাধ নহয় ক্ষমাৰ যোগ্য । মোৰ তালবনৰ ফল কি মনুষ্যই কৰিব ভক্ষণ ? আঃ সহ্য নকৰে এই ধেনুকাসুৰে ।

বল ঃ কানাই , বহু মিনতি কৰিলা তুমি । তথাপি ই নললে মানি । এই বলৰাম নহয় ইমান ভীৰু যে গাধসদৃশ এক অসুৰৰ দম্ভালিত হ'ব কম্পমান । আহ অসুৰ , উচিত শাস্তি দিব আজি তোক এই বলৰামে ---

ধেনুক ঃ হাঃ হাঃ এক সাধাৰণ বালকে দিয়ে মোক প্ৰাণৰ ভাবুকি । আঃ ইমান দুঃসাহস ইয়াৰ ; ৰ পাষণ্ড , এতিয়াই উৰুৱাম মই প্ৰাণবায়ু তোৰ ---

গীত

মহাক্ৰোধে প্ৰহাৰিলে ধেনুক অসুৰে ।
হেলাৰঙে নিবাৰিলে বীৰ বলৰামে ।।

**সূত্ৰ ঃ দুয়োৰে মাজত ৰণ হয় । বলৰামে ধেনুকক দূৰলৈ দলিয়াই নিধন কৰে । এনেতে ক্ৰোধমূৰ্তি ধৰি ধুম্ৰাসুৰ আহে ---**

ধুম্ৰ ঃ সখা , --- আঃ সখা , সামান্য বালকৰ হাতত তোমাৰ হ'ব নোৱাৰে মৰণ । উঠা , উঠা সখা দুয়ো মিলি সুৰক্ষিত কৰোঁ আমাৰ তালবন । সখা , আঃ অধম বালক , সখাক বধি তহঁতে কৰিলি অপৰাধ । এই ধুম্ৰাসুৰে তহঁতৰো আজি লব প্ৰাণ ---

কৃষ্ণ ঃ উত্তম , অতি উত্তম , জুখি চাঁও তেন্তে ময়ে তোৰ পৰাক্ৰম ----

গীত

এহি বুলি খেদি গৈলা বীৰ ধুম্ৰাসুৰে ।
হেলাৰঙে কৰে ৰণ প্ৰভূ জনাৰ্দনে ।।
কৃষ্ণৰ প্ৰহাৰে ধুম্ৰ হৈল ধৰাশায়ী ।
সামজিক লোকে ডাকি বোলা ৰাম হৰি ।।

**সূত্ৰ ঃ ৰণত ধুম্ৰাসুৰ নিহত হয় -------**

ভদ্ৰ ঃ বাঃ ৰাম , বাঃ কানাই পৰাক্ৰমী অসুৰক তোমালোকে কৰিলা নিধন । সখাগণ , দিয়া জয়কাৰ ৰাম-কৃষ্ণৰ ---জয় ৰাম - কৃষ্ণৰ , জয় ৰাম - কৃষ্ণৰ , জয় ৰাম - কৃষ্ণৰ --

বল ঃ সখাসৰ , তাল খাই যদি ভৰিছে উদৰ তেন্তে আমি ইয়াৰপৰা কৰোঁ প্ৰস্থান ।

সকলো ঃ ব'লা ৰাম , ব'লা ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত এজন ঋষিৰ প্ৰৱেশ -----**

গীত-( ৰাগ ঃ আশোৱাৰী , তাল ঃ একতাল )

প্ৰৱেশিলা সভাৰ মাজে এক ঋষিবৰ ।
ধীৰে ধীৰে চলি আহে গহীন গম্ভীৰ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

সূত্ৰ ঃ ঋষিৰ প্ৰস্থান । সভাত প্ৰলম্বাসুৰৰ প্ৰৱেশ ----

গীতঃ ( ৰাগ - কানাৰা , তাল -একতাল )
প্ৰৱেশিলা সভাৰ মাজে প্ৰলম্ব অসুৰ ।
দুষ্টমতি মন্দমতি দুৰ্দান্ত অসুৰ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

সূত্ৰ ঃ প্ৰলম্বাসুৰৰ প্ৰস্থান । আনফালে সভাত কংস ----

কংস ঃ নাই নাই অসম্ভৱ , এয়া নহয় সম্ভৱ । মহাবলী বকাসুৰ , অঘাসুৰ , বৎসাসুৰৰ দৰে মায়াধৰ ব্যোমাসুৰো হ'ল নিধন ; তাকো কৃষ্ণৰ হাতত। এয়া কেনেকৈ হ'ব পাৰে সম্ভৱ ? এক শিশুয়ে কেনেদৰে ইমান প্ৰৱল , ইমান ভয়ংকৰ অসুৰক কৰিছে নিধন ? আঃ বাৰে বাৰে মোৰ প্ৰচেষ্টা কৰিছে ব্যৰ্থ ; তেন্তে কোন এই কৃষ্ণ ?

সূত্ৰ ঃ এনেতে কালকেতুয়ে ঋষিক বন্দী কৰি আনে ----

কাল ঃ মহাৰাজ , এই অপৰাধীৰ কৰক বিচাৰ ---

কংস ঃ কি অপৰাধ ইয়াৰ কালকেতু ?

কাল ঃ মহাৰাজ, এই অধৰ্মীয়ে কৰিছে অনাচাৰ , কৰিছে ব্যভিচাৰ ; নকৰি আপোনাৰ পূজা , ভগৱন্ত বুলি নাৰায়ণক কৰে আৰাধনা ---

কংস ঃ ইমান দুঃসাহস এই তপস্বীৰ । সৰগৰ দেৱতাইও কংসৰ আদেশ কৰিছে পালন ; অথচ মৰতৰ এক সাধাৰণ তপস্বীয়ে মোৰ আদেশ কৰিছে উলংঘন । কালকেতু -----

কাল ঃ বুজিছো ৰাজন , চা তপস্বী মোৰ এই তীক্ষ্ণ তৰোৱাল । মহাৰাজক কৰি পূজন ধন্য কৰ তোৰ জীৱন । মানি ল আমাৰ ৰাজনেই হৈছে জগতৰ ভগৱান হাঃ হাঃ ---

ঋষি ঃ ক্ষমা কৰিবা সেনাপতি , জানি - বুজি মই নকৰোঁ পাপ । জগতৰ ভগৱান হৈছে এজনেই , সেয়া মোৰ প্ৰভু নাৰায়ণ ---

কাল ঃ তপস্বী --।।

কংস ঃ হাঃ হাঃ জগতৰ ভগৱান তোৰ প্ৰভূ নাৰায়ণ । ইমান বিশ্বাস তোৰ সেই নাৰায়ণৰ ওপৰত । মোৰ ওপৰত কি তোৰ নাই বিশ্বাস ?

ঋষি ঃ ৰাজন , মোৰ প্ৰভূ বিপদ বাৰণ ; কৰে দুষ্টক দমন আৰু সন্তক পালন । যেতিয়াই মৰতত অন্যায় , অধৰ্মৰ হয় প্ৰাদুৰ্ভাৱ , তেতিয়াই মোৰ প্ৰভূয়ে তাক নাশ কৰাৰ উদ্দেশ্যে নানা ৰূপে লয় অৱতাৰ ---

কাল ঃ মহাৰাজ , দিয়ক আদেশ , এই দুষ্টক মই কৰোঁ শিৰচ্ছেদ ----

কংস ঃ ৰ'বা কালকেতু , হ'ব পাৰে ই আমাৰ সহায় -- হাঃ হাঃ শুনিছো ইয়াৰ মুখত নাৰায়ণৰ জয়কাৰ । তপস্বী , ময়ো পাইছো শুনা , তয়ো নিশ্চয় শুনিছ নাৰায়ণে বোলে মৰতত নৰৰূপে লৈছে অৱতাৰ । যদি সেয়ে হয় তেন্তে ক তই গোকুলৰ কৃষ্ণই নেকি সেই নাৰায়ণৰ অৱতাৰ ?

কাল ঃ -------- শুনা নাই নেকি তই ? মহাৰাজৰ প্ৰশ্নৰ দে সমিধান ----

ঋষি ঃ মই অক্ষম ৰাজন , আৰু জানিলেও সত্য প্ৰকাশ কৰি জগতৰ মই নকৰোঁ অন্যায় ।

কংস ঃ আঃ ইমান অহংকাৰ এই তুচ্ছ মনুষ্যৰ । কংস মই মৰতৰ ভগৱান ; এক সাধাৰণ মনুষ্যই মোক কৰে অপমান । কালকেতু , লৈ যোৱা ইয়াক । কৰিবা ইয়াৰ কেশ ছেদন দেহৰপৰা ইয়াৰ কৰিবা হস্ত ছেদন ; চৰ্ম ইয়াৰ দিবা বখলিয়াই ; গৰ্ত্তৰ পৰা অক্ষি দিবা উলিয়াই ; নাৰাখি ইয়াৰ মৃতদেহ ইয়াত ৰাজপথলৈ দিবা দলিয়াই হাঃ হাঃ দেখক জগতে কিমান ভীষণ এই কংসৰ যাতনা হাঃ হাঃ --

কাল ঃ হাঃ হাঃ আদেশ পালন কৰা হ'ব মহাৰাজ । ব'ল , ব'ল পাষণ্ড , ৰাজ আজ্ঞা উলংঘনৰ পালি তই যোগ্য পুৰস্কাৰ হাঃ হাঃ ----

ঋষি ঃ ৰাজন , ৰাজন , সাধু - সন্তক কৰি অত্যাচাৰ নচপাবা তুমি নিজৰ বাবে পাপ --

**সূত্ৰ ঃ কালকেতুয়ে ঋষিক টানি লৈ যায় ---**

কংস ঃ হাঃ হাঃ পাপ কি পূণ্য কি কংসই তাৰ নকৰে বিচাৰ । মৰতত ভাঁহিব মাথো সাধু - সন্তৰ চিৎকাৰ হাঃ হাঃ -- যদি নাৰায়ণে মৰতত কৃষ্ণ ৰূপে লৈছে অৱতাৰ , তাৰো এই কংসই কৰিব বিচাৰ । প্ৰলম্ব , প্ৰলম্ব -- আহ্বান কৰিছে তোমাক অধীশ্বৰে , উপস্থিত হোৱা আমাৰ সন্মূখে ---

**সূত্ৰ ঃ এনেতে প্ৰলম্বাসুৰ আহে ----**

প্ৰলম্ব ঃ হাঃ হাঃ প্ৰণাম মহাৰাজ , কিয় আহ্বান কৰিলে এই প্ৰলম্বাসুৰক ?

কংস ঃ হে মোৰ প্ৰৱল প্ৰতাপী অনুচৰ , কৰিব লাগিব তুমি মোৰ এক বিশেষ কাৰ্য সাধন । প্ৰাণ ল'ব লাগিব তুমি এক গোপ বালকৰ ।

প্ৰলম্ব ঃ মহাৰাজ , কি কৈছে এয়া ? এক সাধাৰণ বালকৰ প্ৰাণ ল'বৰ বাবে এই প্ৰলম্বাসুৰৰ আপোনাক হ'ল প্ৰয়োজন ?

কংস ঃ সাধাৰণ বালকে কৰিছে কাৰ্য অসাধাৰণ ; বকাসুৰ , অঘাসুৰ , ব্যোমাসুৰৰ দৰে অসুৰক কৰিছে নিধন ।

প্ৰলম্ব ঃ আঃ বধ কৰি আমাৰ জ্ঞাতি কুটুম্বক কোন অধম বালকে দিছে মহাকালক নিমন্ত্ৰণ ? কওক ৰাজন কোন সেই বৈৰী অসুৰৰ ?

কংস ঃ সেই পাষণ্ডৰ নাম কৃষ্ণ । অ গোকুলৰ নন্দৰ তনয় কৃষ্ণ ।

প্ৰলম্ব ঃ মহাৰাজ , নিশ্চিন্তে থাকক , কৃষ্ণক বধিবৰ বাবে এই প্ৰলম্বই কৰিছে পণ ।

কংস ঃ হাঃ হাঃ প্ৰলম্ব জানো মই তোমাৰ পৰাক্ৰম ; কিন্তু কৃষ্ণ নহ'ব তোমাৰ প্ৰথম লক্ষ্য । থাকে কৃষ্ণৰ লগত ছাঁৰ দৰে তাৰ জ্যেষ্ঠ ভাতৃ ৰাম ; প্ৰথমে তুমি বধি বলৰামক শক্তিহীন কৰিবা কৃষ্ণক । ভাতৃহাৰা হৈ কৃষ্ণ হ'ব ব্যাকুল আৰু সেই সুযোগতে তাকো কৰিবা নিধন হাঃ হাঃ --

প্ৰলম্ব ঃ উত্তম কৌশল মহাৰাজ , কৰিছো পুনৰ অঙ্গীকাৰ ৰাম - কৃষ্ণই মোৰ হাতৰ পৰা নাপাব পৰিত্ৰাণ । দিয়ক আশীৰ্বাদ, যাত্ৰা কৰোঁ মই সেই উদ্দেশ্যত ---

কংস ঃ বিজয়ী হোৱা । যোৱা প্ৰলম্ব আৰু নকৰিবা বিলম্ব , পাবা দুয়ো ভাতৃক বৃন্দাবনে হাঃ হাঃ --

**সূত্ৰ ঃ প্ৰলম্বই যাত্ৰা কৰে ----**

কংস ঃ হাঃ হাঃ কৃষ্ণ, কৃষ্ণ , গৈছে এইবাৰ তহঁতৰ কাল হৈ প্ৰলম্বাসুৰ ; যদি তই নৰৰূপী ভগৱান , তেন্তে ময়ো চাঁও কিদৰে ৰক্ষা কৰ তই নিজৰ লগতে ভাতৃৰ প্ৰাণ হাঃ হাঃ

**সূত্ৰ ঃ কংসৰ প্ৰস্থান । আনহাতে গোপ বালকৰ বেশেৰে প্ৰলম্বাসুৰ ----**

প্ৰলম্ব ঃ হাঃ হাঃ এই ৰূপতেই মই প্ৰথমে বলৰামক তাৰ সখাসবৰপৰা এক নিৰ্জন স্থানলৈ নি ডিঙি মুচৰি মই তাক কৰিম নিধন -- হাঃ হাঃ তাৰপাছত দেখা যাব কৃষ্ণক -- । অ সৌৱা আহিছে সিহঁত ; এই স্থানতে মই দুখী হোৱাৰ কৰোঁ অভিনয় ---

**সূত্ৰ ঃ প্ৰলম্ব দুখ মনে বহি থাকে । ৰাম - কৃষ্ণ আৰু গোপগণ আহে ---**

শ্ৰীদাম ঃ সখাসৱ , বহুদিন খেলা নাই আমি ঘিলা , আজি সৱে মিলি আমি খেলিম ঘিলা ।

ভদ্ৰ ঃ ৰ'বাচোন সখাসৱ , সৌজন কোন দেখিছানে ? নিশ্চয় আছে দুখত । **( ওচৰ চাপি )** হেৰা সখা , কোন তুমি ?

প্ৰলম্ব ঃ **( একো নকৈ কান্দে )**

ঋষভ ঃ অ এওঁচোন কৰিছে ক্ৰন্দন । কিয় কান্দিছা সখা ?

প্ৰলম্ব ঃ এয়া নহয় দুখৰ চকুলো । তোমালোকে মোৰদৰে অচিনাকি জনকো সখা বোলা বাবে মনৰ আনন্দতহে কান্দিছো মই ।

ভদ্ৰ ঃ তোমাৰ কথা বুজিবই পৰা নাই ; সখা বুলিলেনো মনৰ আনন্দতে কোনোবাই কৰে জানো এনেদৰে ক্ৰন্দন ?

প্ৰলম্ব ঃ অদ্ভুত দেখিছা নহয় তোমালোকে ? পাছে কি ক'ম মোৰ দুখৰ কাহিনী । কোনো নাই মোৰ মিত্ৰ , নাই মোৰ সঙ্গ । গৃহ মোৰ সৌ যমুনাৰ সিপাৰে । তাৰ লগৰবোৰে মোক নিদিয়ে সঙ্গ ; মাথো কৰে উপহাস ।

বল ঃ কিয় কৰে তোমাক উপহাস ?

প্ৰলম্ব ঃ মোৰ নাম আৰু এই স্থূলকায় শৰীৰৰ বাবে কৰে উপহাস । পিতাই ৰাখিলে মোৰ নাম প্ৰলম্ব , সিপাৰৰ লগৰবোৰে কয় মই বোলে নামে আৰু কায়ে ৰাক্ষসৰ দৰে । সেয়ে নিদিয়ে সঙ্গ ; মনৰ বেজাৰতে আহিলো মই যমুনাৰ এই পাৰলৈ ; নিৰ্জনতাই মোৰ বাবে এতিয়া সঙ্গ ।

বল ঃ নাম আৰু কায়ক লৈ ঘৃণা কৰাটো কাৰ্য অতি গৰ্হিত । দুখ নকৰিবা , আমি বুলিম তোমাক সখা ; হ'বা তুমি আমাৰ ক্ৰীড়াৰ সঙ্গী ।

প্ৰলম্ব ঃ ধন্যবাদ সখা , কি বুলি কৃতজ্ঞতা জনাম মই ?

সুদাম ঃ কানাই , মোৰ কিন্তু মনত জাগিছে সংশয় । সঁচাকৈ যদি এওঁ হয় ৰাক্ষস ?

কৃষ্ণ ঃ চিন্তা নকৰিবা সুদাম , আছো মই । আঁহা সখা , খেলিবা তুমি আমাৰ লগত ঘিলা ।

প্ৰলম্ব ঃ ঘিলা -- ? মই যে নাজানো খেলিব ঘিলা । যমুনাৰ সিপাৰৰ বালকে খেলা খেলহে খেলিব জানো মই । যদি তোমালোকে বিচাৰা খেলিব শিকাই দিব পাৰিম মই ।

সুবল ঃ নিশ্চয়, নতুন খেল খেলি আমিও পাম আনন্দ । কোৱা সখা, কি খেল শিকাবা আমাক ?

প্ৰলম্ব ঃ ৰ'বা তেন্তে ভাবো মই , কি খেল খেলিলে লাগিব ভাল --; অ , হৰা - জিকা খেল --

সকলো ঃ হৰা - জিকা খেল -- ? ?

প্ৰলম্ব ঃ অ হৰা - জিকা খেল ; ইয়াৰ বাবে লাগে দুটা দল । প্ৰথমে হ'ব দুয়ো দলৰ মাজত শক্তিৰ পৰীক্ষা । যিটো দলেই শক্তি প্ৰয়োগ কৰি আনটো দলক নিব পিছুৱাই সেই দলেই হ'ব বিজয়ী । পাছত বিজয়ী দলৰ প্ৰত্যেক সদস্যক পৰাজিত দলৰ সদস্যই এক নিৰ্দিষ্ট লক্ষ্যলৈ নিব লাগিব কান্ধত তুলি ।

ভদ্ৰ ঃ বাঃ বৰ ভাল লাগিব এই খেল খেলি । সখাসৱ , আঁহা আমি এই খেলকেই খেলোঁ আজি ।

শ্ৰীদাম ঃ নিশ্চয় এই খেলকে খেলিম আমি --

প্ৰলম্ব ঃ যদি সকলোৱে দিছা সন্মতি তেন্তে ময়ে নিৰ্বাচন কৰোঁ দল দুটি । তুমি ( ভদ্ৰসেন ), তুমি ( বিশাল ) আৰু তুমি ( কৃষ্ণ ) আঁহা মোৰ দললৈ । বাকীসৱ হোৱা আনটো দল ।

বল ঃ হ'ব তেন্তে , শ্ৰীদাম , সুদাম আৰু সখাসৱ আঁহা মোৰ দললৈ । চাবা সখাসৱ , পৰাজয়ক ঘৃণা কৰে এই বলৰামে । সাজু হৈ সকলোৱে নিজ বাহু বলৰ দিবা পৰিচয় ।

প্ৰলম্ব ঃ সখাসৱ , সৰ্বশক্তিৰে আমিও দিম যুঁজ । চাবা যাতে নহওঁ পৰাস্ত । তেন্তে খেল আৰম্ভ কৰা যাওক --

**(সূত্ৰ ঃ খেল আৰম্ভ হয় । বলৰামৰ দলে প্ৰলম্বৰ দলক পিছুৱাই নি বিজয়ী হয় )**

বল ঃ হাঃ হাঃ জয় আমাৰেই হ'ল । এতিয়া খেলৰ চৰ্ত মতে তোমালোকে আমাক সৌ বৃক্ষৰ ওচৰলৈ নিব লাগিব কান্ধত উঠাই । অৱশ্যে বিজয়ী বুলি মই কৰিছো কিছু দয়া ; কান্ধত নিব নোৱাৰাজনে নিব লাগিব আমাক বোকোচাত উঠাই হাঃ হাঃ --

প্ৰলম্ব ঃ পৰাজয় কৰিছো স্বীকাৰ । আঁহা ৰাম , তুমি মোৰ কান্ধত উঠা ।

কৃষ্ণ ঃ শ্ৰীদাম , তুমি মোৰ কান্ধত উঠা -- বাকীসকলেও আমাৰ দৰে কৰা ---

**সূত্ৰ ঃ কান্ধত উঠাই গোপগণ যায় । হঠাত প্ৰলম্বই বলৰামক কান্ধত লৈ অন্য দিশে যায় ----**

বল ঃ সখা , কোনদিশে যোৱা তুমি , নহয় এই দিশে -------- কানাই , কানাই ---

**সূত্ৰ ঃ প্ৰলম্বই বলৰামক কান্ধত তুলি প্ৰস্থান কৰে --**

সুদাম ঃ কানাই , কানাই -- ৰামক লৈ গ'ল সি । মোৰ কিন্তু লাগিছে ভয় --

কৃষ্ণ ঃ ভয় নকৰিবা সখা । দাদা ৰাম , তুমি নকৰিবা চিন্তা । তুমি সৰ্ব শক্তিমান ; ইচ্ছা কৰিলে সম্পূৰ্ণ জগত কৰিব পাৰা নাশ । ব'লা সখাসৱ , দাদা ৰামক আমি কৰোঁ অনুসৰণ --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। প্ৰলম্বই নিজ ৰূপ ধাৰণ কৰি বলৰামক কান্ধত লৈ আহে -**

প্ৰলম্ব ঃ হাঃ হাঃ ৰাম , তোৰ আজি নহ'ব নিস্তাৰ ---

বল ঃ বুজিলো মই , কোন তই ? ৰ অসুৰ তই পাবি পৰিণাম ( **বলৰামে অসুৰৰ ডিঙিত চেপা মাৰি ধৰে** )

প্ৰলম্ব ঃ আঃ এৰি দে , এৰি দে ( **অৱশ হৈ ৰামক কান্ধৰপৰা পেলাই দিয়ে** )

বল ঃ অধম অসুৰ , নিচিনিলি তই মোক । মৃত্যুয়েহে আজি তোক মোৰ ওচৰলৈ আনিলে টানি

প্ৰলম্ব ঃ প্ৰলম্বাসুৰ মই , ইমান সহজে মৃত্যু মোৰ নাচাপে ওচৰ । চাঁও বাৰু কোনে ৰক্ষা কৰে আজি তোক ---

**গীতঃ ( ৰাগ - -----, তাল ------)**

মহাক্ৰোধে প্ৰহাৰিলে প্ৰলম্ব অসুৰে ।
হেলাৰঙে নিবাৰিলে বীৰ বলৰামে ।।
মুষ্টিঘাটে প্ৰলম্ব হৈলা ধৰাশায়ী ।
সামাজিক লোকে ডাকি বোলা ৰাম হৰি ।।

**সূত্ৰ ঃ বলৰামে প্ৰলম্বক টেটুঁ চেপি মাৰে। এনেতে কৃষ্ণ - গোপগণ আহে ---**

কৃষ্ণ ঃ বাঃ দাদা বাঃ , তুমি সঁচাই বলবান , তুমি যে বলৰাম । সখাসৱ , দিয়া দাদাৰ জয়কাৰ ----- জয় বলৰামৰ , জয় বলৰামৰ , জয় বলৰামৰ --

বল ঃ অধম অসুৰ হ'ল নিধন ; ব'লা সখাসৱ , স্বগৃহে আমি কৰোঁ গমন--

সকলো ঃ ব'লা ৰাম ---

**গীত-( ৰাগ ঃ ভাটিয়ালী , তাল ঃ পৰিতাল )**

এহি বুলি ৰঙ্গমনে গোপ শিশুগণ ।
চলি গৈলা নিজ গৃহে স্থিৰ কৰি মন ।।
অধৰ্মকো নাশি প্ৰভু ধৰ্মক থাপিলা ।
সমাজৰ লোকে ডাকি ৰাম হৰি বোলা।।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । ইমানতে নাটভাগৰ সমাপ্তি ঘটে ----**

## গীত-

( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান)

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ মতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

## মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি , ৰাম - কৃষ্ণৰ শিশু লীলা , প্ৰলম্বাসুৰ বধ নাটভাগিৰ যৱনিকা পৰে।

## সমাপ্ত

জয় গুৰু শঙ্কৰ



# শালিবান উপাখ্যান

নাট্যৰূপ ঃ ৰাজীৱ গগৈ, তিতাবৰ ( যোৰহাট )

## পুৰুষ চৰিত্ৰ

১।	সূত্ৰধাৰ
২।	শ্ৰীবিষ্ণু
৩।	দুৰ্বাসা ঋষি
৪।	ভানুসিংহ	(কুশলৰ ৰজা)
৫।	অম্বৰীষ	(ৰাজপুত্ৰ)
৬।	জয়দেৱ	(বিদ্ৰোহী মন্ত্ৰী)
৭।	বিক্ৰমসেন	(বিদ্ৰোহী সেনাপতি)
৮।	অজয়সেন	(মন্ত্ৰীপুত্ৰ)
৯।	ব্ৰাহ্মণ
১০।	কালকেশী	(দৈত্যৰজা)
১১।	কালজিত	(দৈত্যভাতৃ)
১২।	বীৰবাহু	(সেনাপতি)
১৩।	পাতালকেতু	( দৈত্যপুত্ৰ)
১৪।	শালিবান	( দৈত্যপুত্ৰ)

## স্ত্ৰী-চৰিত্ৰ

১।	অমীয়া (কুশলৰ ৰাজকন্যা)

## মুখা

হৰিণ

**শ্ৰী কৃষ্ণায়ে নমো নমঃ**

শ্লোক ঃ **যৎপাদ পংকজ ৰজঃ শিৰসা সুৰেশাঃ-- সৰ্বাদয়ো দিবিশ্চঃ দুহিতম উদ্দোহন্তি -- যৎকৃৰ্তনাৎ কলিমলং মনোজান্ত্য জন্তি -- কৃষ্ণস্য তস্য চৰনং শৰনং ব্ৰজামঃ ।।**

অপিচ ঃ যেনাকাৰী নাৰায়ণ শ্ৰীবিষ্ণু ৰূপেনং । যেনাকাৰী দনুজ দমন ভক্তক পালনং।।

**গীত ঃ নান্দী (ৰাগ ঃ সুহাই, তাল ঃ একতাল)**

**জয় জয় দেৱ নাৰায়ণ । তুৰা পাৰে কৰহো বন্দন।।**
**নানা ৰূপে লোৱা অৱতাৰ। কৰিলাহা ভক্তক উদ্ধাৰ ।।**
**হেনজানি এৰা আন কাম । সভাসদে বোলা ৰাম ৰাম ।।**

নাদ্যন্তে সূত্ৰধাৰ ঃ অলমতি বিস্তৰেণ , প্ৰথমে মাধৱো মাধৱ ইত্যোক্তা নত্বা সভাসদ সম্বোধায়।

শ্লোক ঃ ভো ভোঃ সভাসদ যুয়ুং শৃণুধং শ্ৰদ্ধয়াধূণা, ইয়ং **শালিবান উপাখ্যান** নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

**অথ-ভটিমা**

**জয় জগজন জীৱন মুৰাৰী , দেৱৰো দেৱক দেৱ।**
**ব্ৰহ্মা ৰুদ্ৰ আদি যত দিকপাল , কৰ যাকু নিত্য সেৱ।।**
**মৰ্ত্যত আছিল কালকেশী দৈত্য । তাৰ পুত্ৰ শালিবান বিষ্ণুৰ ভক্ত ।।**
**কুশলত আছিল ভানুসিংহ ৰাজন । পিতৃ ভক্ত অম্বৰীষ কুশল নন্দন ।।**
**চল কৰি দৈত্যই কুশলক লৈলা। মহা কোপে ৰাজাক বনতে বধিলা।।**
**দুয়ো সখা আহি পাছে ৰাজ্য উদ্ধাৰিলা। সমাজৰ লোক সৱে হৰি হৰি বোলা ।।**

( শ্লোক নৃত্য )

সূত্ৰ ঃ আহে সঙ্গী আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ।

সূত্ৰ ঃ আ.হাহা..মিলল, মিলল, আহে সভাসদ, হামো যাকেৰি কথা কহৈছি উহি জগত পতি শ্ৰীবিষ্ণু সভাৰ মধ্যে আৱত, আৱত , আৱত। তাক সাৱধানে দেখহ , শুনহ নিৰন্তৰে হৰি বোল , হৰি বোল।

ইতি সূত্ৰ নৃত্য **নিষ্ক্ৰান্তঃ**

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ ---------------**

শ্লোক ঃ প্ৰৱেশম কৰোৎ শ্ৰীবিষ্ণু সভাৰ মধ্যে উপস্থিতং জগত গুৰু শ্ৰীহৰি এ....।

**গীত - (ৰাগ ঃ সিন্ধুৰা, তাল ঃ একতাল)**

**সভাত প্ৰৱেশ কৰে দেৱ নাৰায়ণ।**
**হাতে চক্ৰ লৈয়া আহে কমললোচন।।**
**এহি ৰূপে প্ৰৱেশিলা প্ৰভূ জনাৰ্দন।**
**ডাকি হৰি হৰি বোলা সভাসদ গণ।।**

বিষ্ণু ঃ দুষ্টক দমন আৰু সন্তক পালনৰ হেতু যুগে যুগে অৱতাৰ আমাৰ । মহা ধাৰ্মিক আৰু ন্যায় পৰায়ণ কুশলৰাজ ভানুসিংহ আমাৰ অতিকে প্ৰিয় । আনহাতে গোঁসানীৰ বৰত হৈ বলিয়ান দৈত্য কালকেশীৰ জ্যেষ্ঠ পুত্ৰ পাতালকেতুৱে আমাৰ ভক্তৰ ওপৰত কৰিছে অত্যাচাৰ । কিন্তু তেওঁৰে ভাতৃ শালিবান একান্ত ভক্ত আমাৰ । শালিবানৰ ধৰ্মৰ প্ৰতি থকা ধাউতিয়ে আমাক কৰিছে মুগ্ধ । অচিৰেই আমি তোমাক দিম দৰ্শন ; যাওঁ আমি এতিয়া নিজ কৰ্তব্যত ---

সূত্র ঃ বিষ্ণুৰ প্ৰস্থান । আনফালে সভাত দুৰ্বাসাৰ প্ৰৱেশ----

গীত ঃ ( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )

**প্ৰৱেশয় সভাৰ মাজে দুৰ্বাসা মহৰ্ষি ।**
**নিজ গুণে হৈলা তুমি মহান তপস্বী ।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

সূত্র ঃ দুৰ্বাসাৰ প্ৰস্থান । আনফালে সভাত দৈত্যনন্দন পাতালকেতুৰ প্ৰৱেশ---

গীত

**সভাত প্ৰৱেশ কৰে পাতালকেতু বীৰ।**
**দৈত্যৰ নন্দন ইটো অতিকে ভীষণ।।**

পাতাল ঃ দৈত্যনন্দন মই নাম পাতালকেতু । যাৰ নাম শুনিলে মৰ্ত্ত্য কিম্বা পাতালেই নহয়, সৰগৰ দেৱতাও হয় থৰাথৰ কম্পমান হাঃহাঃ -- দেৱী মাৰ আশীষ আছে মোৰ শিৰত। দৈত্য, দানৱ, দেৱতা কিম্বা গন্ধৰ্বৰ হাতত নাই মোৰ মৃত্যু---কেৱল বিষ্ণুভক্ত মানৱে হাঃ হাঃ -- চাম বাৰু কেনেকৈ এই ধৰাত বিষ্ণু ভক্তৰ হয় জন্ম। শূন্য হ'ব বিষ্ণু যজ্ঞ , শূন্য হ'ব বিষ্ণু ভক্ত -এয়াই মোৰ জীৱনৰ পণ । হাঃ হাঃ পাতালকেতু মই দৈত্যনন্দন হাঃ হাঃ---

সূত্র ঃ পাতালকেতুৰ প্ৰস্থান। সভাত কুশলৰাজ ভানুসিংহ, মন্ত্ৰী আৰু পুত্ৰ অম্বৰীষৰ প্ৰৱেশ--

গীত- (ৰাগ ঃ আশোৱাৰী , তাল ঃ পৰিতাল )

**পাত্ৰ মন্ত্ৰী সমে আহে কুশল ৰাজন।**
**বিষ্ণু ভক্ত ৰাজা ইটো অতিকে মহান।।**
**কতো ক্ষণে পাইয়া গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

ভানুসিংহ ঃ মন্ত্ৰীবৰ , আছেনে কুশলে মোৰ ৰাজ্যৰ যত প্ৰজাগণ। কৰিছেনে সকলোৱে শ্ৰীহৰিৰ গুণানু কীৰ্ত্তন ; আৰু যে দেখা নাই ৰাজসভাত আজি প্ৰধান সেনাপতি বিক্ৰমসেনক ?

মন্ত্ৰী : মহাৰাজ , সকলো প্ৰজাই কুশলে কৰিছে বাস। তাৰবাবে আপুনি নকৰিব চিন্তা আৰু মহাৰাজ , প্ৰধান সেনাপতিয়ে ৰাজ্যৰ পশ্চিম দিশে গৈছে নিৰীক্ষণৰ বাবে । অনতি পলমে ঘুৰি আহিব তেওঁ ।

ভানুসিংহ ঃ ধন্য ধন্য এনেহেন সেনাপতি আৰু তোমালোকৰ দৰে সভাসদ থাকোতে ৰাজ্যৰ বিষয় লৈ মোৰ নাই চিন্তা । বাচা অম্বৰীষ ---------

অম্বৰীষ ঃ কওঁক পিতা , কিবা কায্য আছে মোৰ ?

ভানুসিংহ ঃ বাচা , এতিয়া মোৰ বয়সো হ'ল। সেয়েহে ভাবিছো তোক ৰাজ্যভাৰ অৰ্পন কৰি বনলৈ গৈ মই শ্ৰীহৰিক কৰোঁ আৰাধনা ।

অম্বৰীষ ঃ নাই নাই পিতা, এই কথা কদাপি হ'ব নোৱাৰে । নালাগে পিতা মোক ৰাজভোগ, আপোনাৰ লগত মইয়ো যাম বনলৈ ।

ভানুসিংহ ঃ নহয় বাচা; পিতাৰ পাছত পুত্ৰই ৰজা হ'ব লাগিব। ই হৈছে ৰাজ বংশৰ পৰম্পৰা। নহয়নে মন্ত্ৰীবৰ ?

মন্ত্ৰী ঃ হয় মহাৰাজ, আপুনি উচিত কথাই কৈছে। আপোনাৰ পাছত অম্বৰীযেই ল'ব লাগিব শাসনৰ ভাৰ ।

ভানুসিংহ ঃ শুনিলি বাচা , বিজ্ঞ জনৰো মন্তব্য কি । বাৰু, সময়ত এই সন্দৰ্ভত লম সিদ্ধান্ত । মন্ত্রীবৰ, আজিলৈ সভা ভঙ্গ কৰা হওঁক।

**সূত্ৰ ঃ বাকীসকলৰ প্ৰস্থান, মন্ত্রীয়ে অকলে যি কয়------**

মন্ত্রী ঃ ৰাজ বংশৰ পৰম্পৰা, পিতাৰ পাছত পুত্ৰ ৰজা হোৱাটো ৰাজ বংশৰ পৰম্পৰা হাঃ হাঃ কুশলত সেই পৰম্পৰা ভঙ্গ কৰিব এই মন্ত্রী জয়দেৱে। মূৰ্খ ৰাজন, কি বুজিবি তই এই জয়দেৱৰ চালনা । তোৰ পুত্ৰই ৰাজপাত চলাব আৰু কি মোৰ পুত্ৰই তাৰ আজ্ঞাবাহী ভৃত্য হৈ কটাব জীৱন । আঃ অসম্ভৱ , আছো মাথো মই সুযোগৰ অপেক্ষাত , অ সুযোগৰ অপেক্ষাত হাঃ হাঃ ---------

**সূত্ৰ ঃ মন্ত্রীৰ প্ৰস্থান। আনফালে সভাত সেনাপতি বিক্ৰমসেনৰ প্ৰৱেশ----**

বিক্ৰম ঃ হাঃ হাঃ কুশলৰ প্ৰধান সেনাপতি নাম মোৰ বিক্ৰমসেন । এই বিক্ৰমৰ অখণ্ড প্ৰতাপৰ বলতেই ভানুসিংহই কৰিছে শাসন। নাই নাই বহু ধৈৰ্য্য ধৰিলো আৰু নোৱাৰোঁ ধৰিব , মোক লাগে কুশলৰ সিংহাসন। মূৰ্খ ৰাজন, পুঁহি ৰাখিছ তই এক কাল সৰ্পক । যিদিনা এই কাল সৰ্পই তহঁত দুই পিতা পুত্ৰৰ মধ্যম তালুত কৰিব দংশন , সেই দিনাই বুজিবি কিমান বিষাক্ত এই বিক্ৰমসেন। আৰু অমীয়া , আঃ কি যে সুন্দৰ --অমীয়া তোমাৰ ৰূপ যৌৱনে মোক কৰিছে ব্যাকুল। অমীয়া , অমীয়া হাঃ হাঃ

**সূত্ৰ ঃ বিক্ৰমসেনৰ প্ৰস্থান । সভাত ৰাজকন্যা অমীয়াৰ প্ৰৱেশ------------**

**গীত- ( ৰাগ ঃ ধনশ্রী ; তাল ঃ একতাল )**

**সভাত চলিয়া আহে অমীয়া সুন্দৰী।**
**দিব্য বস্ত্ৰে শোভে আতি কুশল নন্দিনী।।**
**এহিমতে অমীয়া সভা মাজে পাইলা।**
**সমস্ত সমাজে ডাকি হৰি হৰি বোলা।।**

অমীয়া ঃ আ-হাহা কি যে অপূৰ্ব এই ৰাজ উদ্যান। ইমান সুন্দৰকৈ ফুলিছে উদ্যানৰ ফুল বিলাক । সৃষ্টিকৰ্তাক বাৰু এই ধৰা ইমান সুন্দৰকৈ স্ৰজন কৰিবলৈ কোনে দিলে প্ৰেৰণা ?

**সূত্ৰ ঃ এনেতে বিক্ৰমসেন --------------**

বিক্ৰম ঃ হাঃ হাঃ নিশ্চয় তোমাৰ দৰে কোনোবা সুন্দৰী নাৰীয়েই দিছে প্ৰেৰণা ।

অমীয়া ঃ সেনাপতি , অসময়ত তুমি কিয় আহিলা এই ৰাজউদ্যানলৈ --- ?

বিক্ৰম ঃ অসময়ত কিয় হ’ব অমীয়া , তোমাৰ লগত প্ৰেমালাপ কৰাৰ এয়াইতো হৈছে মধুৰ ক্ষণ।

অমীয়া ঃ সেনাপতি , মোৰ আগত এনে বচন বুলিবলৈ তোমাৰ লাজ লগা নাই ?

বিক্ৰম ঃ ক্ৰোধ নকৰিবা অমিয়া ; চোৱা অমিয়া লৈ আহিছো তোমালৈ এই পুস্পহাৰ । যদি দিয়া অনুমতি তোমাৰ খোপাত মই দিওঁ পিন্ধাই ------

অমীয়া ঃ সাৱধান , তই মোক নকৰিবি স্পৰ্শ -----।

বিক্ৰম ঃ হাঃ হাঃ আঁহা প্ৰিয়ে , নিদিবা বাধা , এবাৰ তুমি মোৰ বুকুৰ মাজলৈ আঁহা ----।

অমীয়া ঃ সাৱধান বিক্ৰম , দুৰ্বল অবলা নাৰী বুলি নাভাবিবি মোক । মনত ৰাখিবি কুশলৰ ৰাজকুমাৰী অমীয়া মই । জানো মই নিজকে সুৰক্ষিত কৰিব ; প্ৰয়োজন হলে এই অস্ত্ৰেৰে তোৰ প্ৰাণ লবলৈও মই নকৰোঁ কুণ্ঠাবোধ । আজিয়ে সতৰ্ক কৰিলো তোক । নতু ----( **প্ৰস্থান** )

বিক্ৰম : যোৱা অমীয়া , যোৱা । কিমান দিন তুমি নিজকে কৰিবা সুৰক্ষিত --এদিন নহয় এদিন

সূত্র ঃ **বিক্ৰমৰ প্ৰস্থান। আনফালে দৈত্যৰাজ কালকেশী , ভাতৃ কালজিত আৰু সেনাপতি বীৰবাহুৰ সভাত প্ৰৱেশ---**

**গীত (ৰাগ ঃ কানাৰা ; তাল ঃ পৰিতাল )**

**প্ৰৱেশ কৰিয়া আহে দৈত্যৰ ৰাজন।**
**কোলাহল কৰি আহে মেঘৰ গৰ্জন।।**
**হেনজানি নৰলোকে এৰা আন কাম।**
**নিৰন্তৰে লোকে ডাকি বোলা ৰাম ৰাম।।**

কালকেশী ঃ হা: হা: দৈত্য মই কালকেশী, ত্ৰিভূবন কম্পিত আজি মোৰ পৰাক্ৰম দেখি। ভাতৃ আৰু সেনাপতি, দেৱী চণ্ডিকাৰ আশীষ লভিলো মই, সমগ্ৰ মৰত জিনিলো মই । তথাপি নপলাল মোৰ ৰণৰ হেঁপাহ। নাপালো আজিলৈকে মোৰ সমকক্ষ বীৰ । ভাতৃ , কেনেকৈ পূৰ্ণ কৰোঁ মোৰ ৰণৰ হেঁপাহ ?

কালজিত ঃ দাদা , আপোনাৰ নাম শুনিলে মহা ৰুদ্ৰও হয় কম্পমান । তেনে স্থলত কোন হ’ব পাৰে মৰতত আপোনাৰ সমকক্ষ বীৰ হাঃ হাঃ ----

বীৰবাহু ঃ দৈত্যপতি, দৰ্প চূৰ্ণ কৰোঁ সুৰপতিৰ , গৰ্ব শূন্য কৰোঁ উমাপতিৰ । দিয়ক আদেশ, হাতে গলে জিঞ্জিৰি লগাই বন্দী কৰি দুয়োকে আনিম আপোনাৰ সমীপে।

কালকেশী ঃ সুন্দৰ অতি সুন্দৰ হাঃ হাঃ চোৰা জগতবাসী , ঘৃণা কৰা তোমালোকে দৈত্য কুলক । আমি হেনো অস্পৃশ্য হাঃ হাঃ , আমি হেনো পাপীষ্ঠ -- আৰু আমি হেনো অধম বৰ্বৰ । আজি এই বৰ্বৰ দৈত্যৰ পৰক্ৰমত কম্পিত ত্ৰিভূৱন , বন্ধ কৰি দিছো দেৱপূজা , বিষ্ণু পুজা মৰতত । কৰা নাই কোনেও মোৰ আদেশ অমান্য হাঃ হাঃ--ভাতৃ , সেনাপতি , কিয় দেখো হঠাত তোমালোকৰ বিবৰ্ণ বদন ? কৰে নেকি কোনোবাই আমাৰ আদেশ উলংঘন --- ?

কালজিত ঃ দাদা , কোনো মনুষ্যই কৰা নাই আপোনাৰ আদেশ উলংঘন । কিন্তু ---

কালকেশী ঃ কিন্তু বুলি কিয় ৰ’লা ভাতৃ ? কি ইয়াৰ ৰহস্য ?

বীৰবাহু ঃ দৈত্যপতি , কৰিব আমাক ক্ষমা ; যুবৰাজ শালিবানে নামানে আপোনাৰ আদেশ ।

কালকেশীঃ বীৰবাহু ----- ?

কালজিতঃ হয় দাদা , বহু বুজালো শালিবানক ; কিন্তু অবুজন সি ; কৰে গোপনে সি দেৱীমাৰ মন্দিৰতে বিষ্ণুক আৰাধনা । এতিয়াও আছে সি দেৱীমাৰ মন্দিৰতে ---

কালকেশীঃ আঃ শালিবান ; পুত্ৰ হৈ তই পিতাৰ আদেশ কৰিছ উলংঘন । চিৰ শত্ৰুক তই কৰিছ পূজন । নাই নাই, এতিয়াই যাম মই , পুত্ৰ হ’লেও তাক মই নকৰোঁ ক্ষমা - শালিবান , শালিবান --

সূত্ৰ ঃ **প্ৰথমে কালকেশী আৰু পাছত অন্যগণৰ প্ৰস্থান। আনফালে সভাত শালিবানৰ প্ৰৱেশ-**

**গীত**

**চলি আহে সভাৰ মাজে ভক্ত শালিবান।**
**ধূপ দীপ লৈয়া আহে দৈত্যৰ নন্দন।।**
**দেখা দেখা নৰলোকে ঈশ্বৰৰ লীলা।**
**নিৰন্তৰে লোকে ডাকি ৰাম ৰাম বোলা।।**

শালিবান ঃ হে কমললোচন , নিঃকিন মই ; পিতাই নিদিয়ে তোমাক পূজিব । কি মতে পুঁজিম তোমাক নাজানো একোকে, সন্তুষ্ট হ’বা প্ৰভূ এই অধমৰ প্ৰতি --

--- স্তুতি ------

নমো নমো নাৰায়ণ অগতিৰ গতি।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণতি।।
কি দিয়া পুঁজিম প্ৰভূ তোমাৰ চৰণ।
তুষ্ট হৈয়া দেখা দিয়া এই অধমক।।

**সূত্ৰ ঃ এনেতে বেগেৰে কালকেশী সোমাই আহে -----**

কালকেশী ঃ শালিবান, এয়া কি ? বিষ্ণু পূজাৰ কৰিছ আয়োজন ? কোনে দিলে তোক এনে উপদেশ ?

শালিবান ঃ পিতা , শ্ৰীহৰিক পূজিবলৈ জানো উপদেশৰ হয় প্ৰয়োজন । তেওঁক পুঁজিলে মহা পাপীয়েও মুক্তি পায় পিতা , তেনে স্থলত... ?

কালকেশী ঃ স্তব্ধ হ মূৰ্খ। নুশুনাবি মোক বিষ্ণুৰ মহিমা। দেৱী মা , এয়া তোমাৰ কেনে চালনা ? জ্যেষ্ঠ পুত্ৰ মোৰ পাতালকেতু তোমাৰ পৰম ভক্ত আৰু কণিষ্ঠ পুত্ৰই তোমাৰ বিৰুদ্ধে কৰিছে বিদ্ৰোহ ।

শালিবান ঃ বিদ্ৰোহ নহয় পিতা, মই মাত্ৰ নিজ কৰ্তব্যহে কৰিছো পালন। পিতা , তুমিও দেৱী পূজাৰ নামত নিৰীহ প্ৰাণীবোৰক হত্যা নকৰি ভগৱান শ্ৰীহৰিত লোৱা শৰণ ।

কালকেশী ঃ মুখ বন্ধ কৰ মহাপাপী , নাই নাই এনে পুত্ৰৰ আৰু মোৰ নাই প্ৰয়োজন । মাত , মাত অধম , তোৰ বিষ্ণুক মাত। চাওঁ বাৰু তোক আজি বিষ্ণুৱে ৰক্ষা কৰে নে নকৰে। ( পদাঘাট কৰে )

শালিবান ঃ পিতা , ----- ৰক্ষা কৰা প্ৰভূ , ৰক্ষা কৰা ।

**সূত্ৰ ঃ কালকেশীয়ে অস্ত্ৰ প্ৰহাৰ কৰিব খোজে। তেনেতে বিষ্ণুই আৱিৰ্ভাৰ হৈ যি কয়।**

বিষ্ণু ঃ সাৱধান মূৰ্খ, ভক্তৰ ওপৰত তই নকৰিবি অত্যাচাৰ ।

কালকেশী ঃ কোন ? কাৰ ইমান সাহস-- ? এতিয়াই তোক মই---আ: ইমান তাপ, ইমান জ্যোতি, নোৱাৰো সহিব-- এয়া মোৰ কি হৈছে--সমস্ত ত্ৰিভূৱন যেন ঘূৰিব ধৰিছে---আ: ,আ: ( অচেতন হয় )

**সূত্ৰ ঃ কালকেশী মাটিত পৰে। বিষ্ণুই সুদৰ্শন প্ৰহাৰ কৰিব খোজে। শালিবানে যি কয়----**

শালিবান ঃ হে দয়াময়, দয়াৰ সাগৰ, ক্ৰোধ সম্বৰণ কৰক প্ৰভূ। পুত্ৰই কৰিছো কাতৰ অনুৰোধ। প্ৰভূ, পিতাৰ শত অপৰাধ ক্ষমা কৰক। পিতাৰ পৰিৱৰ্তে আপুনি মোকেই দিয়ক শাস্তি ।

বিষ্ণু ঃ ধন্য শালিবান, ধন্য তোমাৰ পিতৃ ভক্তি। অধম দৈত্য , পুত্ৰৰ অনুৰোধত আজি তোক কৰিলো ক্ষমা । ভক্ত শালিবান, আজিৰ পৰা তোমাৰ দায়িত্ব আৰু বাঢ়িল। চাবা যাতে তোমাৰ পিতাই কোনো বিষ্ণু ভক্তৰ ওপৰত নকৰে অত্যাচাৰ।

শালিবান ঃ প্ৰাণ গ'লেও প্ৰভূ মই তোমাকেই ভজিম আৰু কোনো বিষ্ণু ভক্তৰ ওপৰত যদি পিতাই কৰে অত্যাচাৰ পুত্ৰ হ'লেও মই তাৰ কৰিম প্ৰতিবাদ। ই মোৰ জীৱনৰ পণ প্ৰভূ।

বিষ্ণু ঃ ধন্য শালিবান , তোমাৰ দৰে ভক্তৰ পৰা ইয়াকেই কৰোঁ আশা । এতিয়া ব'লা এই স্থানৰ পৰা , পৰি থাকক মহাপাপী পিতা তোমাৰ এই স্থানতে । তেওঁৰ বাবে তুমি কোনো নকৰিবা চিন্তা ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে কালকেশীয়ে চেতন পাই যি কয়--**

কালকেশী ঃ ইকি পৰি আছো মই ভূমিত । কোন আছিল সি ? --শালিবান ? অ বুজিলো--- সি তেন্তে বিষ্ণুয়েই আছিল ; আঃ বিষ্ণু , তই চলনাকাৰী । তইয়ে চলনা কৰি পুত্ৰক পিতাৰ বিৰোধী কৰিছ । আঃ বিষ্ণু, এদিন তোৰ ওপৰত ল'ম মই ভীষণ প্ৰতিশোধ । বিষ্ণু , বিষ্ণু -------

| | | |
|---|---|---|
| **সূত্ৰ** | **ঃ** | **কালকেশীৰ প্ৰস্থান। আনফালে সভাত দুৰ্বাসা ঋষি ---** |
| দুৰ্বাসা | ঃ | আশীষ লৈ ভৱানীৰ বাৰে বাৰে পাতালকেতুৱে যজ্ঞত আহি দিয়ে বাধা। তপ, যজ্ঞ বিনে কেনেদৰে প্ৰৱৰ্তিব ধৰ্ম এই ধৰাত ? এনেদৰে থাকিলেতো ধ্বংস হ'ব ধৰা। হে প্ৰভু, বিপদবাৰণ তুমি, অথচ এতিয়াও তুমি আছা নিৰৱে ? উদ্ধাৰ কৰা প্ৰভু, উদ্ধাৰ কৰা --- |
| **সূত্ৰ** | **ঃ** | **এনেতে বিষ্ণু-------------------** |
| বিষ্ণু | ঃ | ঋষিবৰ, কিয় স্মৰণ কৰিলে আমাক ? |
| দুৰ্বাসা | ঃ | প্ৰভু, সৰ্বজ্ঞ আপুনি। তথাপি কৰে প্ৰশ্ন ? |
| বিষ্ণু | ঃ | ঋষিবৰ, আপুনি মহান তপস্বী ; নোৱাৰিব জানো আপুনি দৈত্যৰ তনয়ক সংহাৰ কৰিব ? |
| দুৰ্বাসা | ঃ | প্ৰভু, তেনে কৰিলে জানো নহ'ব বিধাতাৰ লিখন অমান্য কৰা ? নহ'ব জানো মোৰ পাপ অৰ্জন ? উদ্ধাৰ কৰক প্ৰভু, জগতবাসীক উদ্ধাৰ কৰক। |
| বিষ্ণু | ঃ | চিন্তা নকৰিব ঋষিবৰ ; উপায় চিন্তিছো মই ; এইক্ষেত্ৰত আপোনাৰ সহায়ৰো হ'ব প্ৰয়োজন। |
| দুৰ্বাসা | ঃ | অহোভাগ্য আমাৰ ; কওঁক প্ৰভূ, কেনেদৰে মই আপোনাক কৰিম সহায় ? |
| বিষ্ণু | ঃ | ঋষিবৰ, কুশল ৰাজ্যত ভানুসিংহ নামে আছে এজন মহাধাৰ্মিক ৰাজন। কুশললৈ গৈ আপুনি কুশলৰাজৰ লওক সহায়। প্ৰতিজ্ঞাবদ্ধ কৰোৱাব কুশলৰাজক যাতে তপস্যাত কোনেও নোৱাৰে ঘটাব বিঘিনী। যদি কোনোবাই ঘটাই বিঘিনী তেন্তে তাৰ ওপৰত পৰিব আপোনাৰ কোপদৃষ্টি। |
| দুৰ্বাসা | ঃ | বুজিলো প্ৰভূ, বুজিলো মই ; যাত্ৰা কৰোঁ মই কুশল ৰাজ্যলৈ ; দিয়ক আশীৰ্বাদ ---- |
| বিষ্ণু | ঃ | যাওক ঋষিবৰ --- |
| **সূত্ৰ** | **ঃ** | **দুয়োৰে প্ৰস্থান। আনফালে ব্ৰাহ্মণ যজ্ঞস্বামী সভাত প্ৰৱেশ কৰে---** |
| ব্ৰাহ্মণ | ঃ | ইচ ৰাম, কিনো এইখন ফটা কঁপাল। প্ৰভূ, তুমি বাৰু মোক এই দৈত্য মখাৰ মাজতহে জনম দিলা। হেৰ' দৈত্য, তহঁত জধা মূৰ্খ। যিজন শ্ৰীহৰিয়ে জগতখন সৃষ্টি কৰিলে সেইজন শ্ৰীহৰিৰ পূজা তহঁতে বন্ধ কৰিবলৈ ওলাইছ। কোনোবা এদিন মোৰ দৰে কোনোবা বিষ্ণু ভক্তই একেমাৰে তহঁতৰ কঁকালৰ জোৰা দিব সোলকাই। তেতিয়াহে চিনি পাবি তহঁতে মোৰ দৰে বিষ্ণু ভক্তৰ কিমান পৰাক্ৰম। হেৰ' তহঁতৰ ভয়ত এতিয়া ৰাজ্যত কোনেও দেখা দেখিকৈ হৰি পূজা এভাগ নপতা হ'ল। কিমান কষ্টেৰে আজি এভাগ পূজা পাতিছো। অ, পলমেই হৈছে ; পূজাৰ শুভক্ষণ নহ'লে যাব পাৰ হৈ --- |
| **সূত্ৰ** | **ঃ** | **ব্ৰাহ্মণ যাব খোজে। এনেতে পাছফালৰ পৰা পাতালকেতুৱে আহি যি কয়--** |
| পাতাল | ঃ | ক'লৈ যোৱা ব্ৰাহ্মণ --- ? |
| ব্ৰাহ্মণ | ঃ | ( নোচোৱাকৈ ) হেঃ হেঃ হেঃ শ্ৰীহৰিৰ পূজা এভাগ আছে। |
| পাতাল | ঃ | কি ক'লি পাষণ্ড, শ্ৰীহৰিৰ পূজা ? |
| ব্ৰাহ্মণ | ঃ | (ঘুৰি চাই) স্বগতঃ --ই কি দৈত্য। হে হৰি কি বিপদত পেলালা, কালন্তক যমৰ আগতে পৰিলো। |
| পাতাল | ঃ | শ্ৰীহৰিৰ পূজা --- ? আঃ, ইমান সাহস তোৰ -- ? |
| ব্ৰাহ্মণ | ঃ | অ' দেউতা ঈশ্বৰ, খৰ খেদা কৰোঁতে মোৰ মুখৰ পৰা সত্য কথাটোৱেই ওলাই গ'ল। মই এতিয়া কি কৰোঁ --- ? |
| পাতাল | ঃ | আঃ, ইমান সাহস তহঁতৰ, ৰাজ্যত বিষ্ণু পূজা নিষেধ কৰাৰ পাছতো গোপনে কৰিছ তহঁতে পূজাৰ আয়োজন। আহ বন্দী কৰি লৈ যাওঁ তোক পিতাৰ সমীপে। |

ব্ৰাহ্মণ ঃ নাযাওঁ অ' দেউতা ঈশ্বৰ, মোৰ বৰ ভয় লাগিছে। তিনি শপত খাই কৰিছো প্ৰতিজ্ঞা আজিৰ পৰা কোনো পূজাই নাপাতো। মোক এৰি দিয়ক।

**সূত্ৰ ঃ বন্দীক লৈ পাতালকেতুৰ প্ৰস্থান। আনফালে সভাত প্ৰথমে কালজিত আৰু বীৰবাহু। পাছত কালকেশী সোমাই আহে---**

কালকেশী ঃ অপমান, ঘোৰ অপমান পালো মই চলনাকাৰী বিষ্ণুৰ হাতত। তাতকৈ মোৰ মৃত্যুয়েই কাম্য --

কালজিত ঃ দুখ নকৰিব দাদা, আপুনি দুখিত হোৱাটো মোৰ অন্তৰে নকৰে সহ্য। আদেশ কৰক দাদা, বন্দী কৰি আনিম চলনাকাৰী বি ষ্ণুক আপোনাৰ সমীপে ----

**সূত্ৰ ঃ তেনে সময়তে পাতালকেতুৱে ব্ৰাহ্মণক বন্দী কৰি লৈ আহে----**

পাতাল ঃ পিতা, এই দুৰাচাৰীক উচিত শাস্তি কৰক প্ৰদান।

কালকেশী ঃ -- অপৰাধ কি ইয়াৰ ?

পাতাল ঃ পিতা, এই ব্ৰাহ্মণে গোপনে বিষ্ণুপূজাৰ কৰে আয়োজন।

ব্ৰাহ্মণ ঃ ক্ষমা কৰক দৈত্যপতি, মোক ক্ষমা কৰক।

বীৰবাহু ঃ মূৰ্খ ব্ৰাহ্মণ, নাজান নেকি তই, এই অৰন্তীপুৰত সম্পূৰ্ণ ৰূপে বন্ধ কৰা হৈছে বিষ্ণু পূজা।

ব্ৰাহ্মণ ঃ ভালকৈ জানো, সকলো জানো দৈত্যেশ্বৰ।

কালকেশী ঃ সকলো জানিও---আঃ বিদ্ৰোহ, বিদ্ৰোহ, প্ৰজাই কৰে বিদ্ৰোহ আজি কালকেশীৰ বিপক্ষে।

কালজিত ঃ দাদা, ইয়াক এনে শাস্তি কৰক প্ৰদান, যি শাস্তি দেখি ৰাজ্যৰ আৰু কোনো প্ৰজাই বিষ্ণুপূজা কৰিবলৈ নকৰে সাহস।

কালকেশী ঃ দিম, ইয়াক দিম মই উপযুক্ত শাস্তি। পুত্ৰ, প্ৰথমে এই দুৰাচাৰীৰ দেহৰ চৰ্ম দিবা বখলিয়াই; পাছে শিৰচ্ছেদ কৰি ইয়াৰ মৰাশ দিবা শিয়াল কুকুৰক।

ব্ৰাহ্মণ ঃ দৈত্যপতি, মোক হত্যা নকৰিব। মোৰ কণ কণ পোণা কেইটাক অনাথ নকৰিব। সিহঁতৰ কথাকে ভাবি আপুনি মোক ক্ষমা কৰক। মই আপোনাৰ চৰণত ধৰিছো।

কালকেশী ঃ হাঃ হাঃ ক্ষমা নাই, দয়া নাই এই দৈত্যৰ হৃদয়ত, প্ৰয়োজন হ'লে নিজ পুত্ৰকো কৰিম মই হত্যা। পুত্ৰ, লৈ যোৱা এই পাপীষ্ঠক।

পাতাল ঃ যিবা আজ্ঞা পিতৃ; বীৰবাহু, লৈ ব'লা ইয়াক; বিষ্ণুক পূজা কৰাৰ এইয়া উপযুক্ত শাস্তি ইয়াৰ

ব্ৰাহ্মণ ঃ ক্ষমা, ক্ষমা কৰক মোক -----

**সূত্ৰ ঃ বন্দীক লৈ বীৰবাহু আৰু পাতালকেতুৰ প্ৰস্থান----**

কালকেশী ঃ দেখিলা দেখিলা ভাতৃ, এটা সামান্য ব্ৰাহ্মণে মোৰ আদেশ অমান্য কৰি শত্ৰুৰ কৰে আৰাধনা, ইমান দুঃসাহস তাৰ। বুজিছো, শালিবানৰ দৰে মোৰ প্ৰজাকো বিষ্ণুয়ে কৰিছে ভ্ৰমিত।

কালজিত ঃ চিন্তা নকৰিব দাদা, সেই কাৰ্য্যৰ বাবে পালে সি যথোচিত শিক্ষা। নকৰিব আৰু কোনেও সাহস এনে দুষ্কাৰ্য কৰিব।

**সূত্ৰ ঃ এনেতে উধাতু খাই পাতালকেতু আৰু বীৰবাহু আহে -----**

বীৰবাহু ঃ দৈত্যপতি, দৈত্যপতি ----

কালকেশী ঃ সেনাপতি---- ? কি হৈছে পুত্ৰ---- ? কিয় তোমালোক ইমান হৈছা উত্ৰাৱল ?

পাতাল ঃ পিতা ----- ?

কালকেশী ঃ কোৱা পুত্ৰ ------

পাতাল ঃ পিতা , ভাতৃ শালিবানে --------

কালকেশী ঃ শালিবানে ----- ? কি কৰিলে এইবাৰ শালিবানে ?

বীৰবাহু ঃ দৈত্যপতি , শালিবানে আমাৰ কায্যত দিলে বাধা ।

পাতাল ঃ হয় পিতা , তাৰ লগত ৰণ কৰিও আমি হ’লো পৰাস্ত ।

কালকেশী ঃ আঃ দৈত্যেশ্বৰৰ আদেশতো শালিবানে দিছে বাধা। আঃ আৰু মোৰ নহয় সহ্য । বীৰবাহু , তুৰন্তে মাতি আনা তাক ---

**সূত্ৰ ঃ এনেতে শালিবান-----**

শালিবান ঃ মাতিব নালাগে পিতা , মই নিজেই আহিছো । পুত্ৰৰ সেৱা গ্ৰহণ কৰক পিতা।

কালকেশী ঃ কুলাঙ্গাৰ, পিতা বুলি মোক আৰু নকৰিবি সম্বোধন। মূৰ্খ, কিয় তই মোৰ কায্যত দিলি বাধা ?

শালিবান ঃ পিতা, ব্ৰাহ্মণজনেতো কৰা নাই কোনো অপৰাধ । কেৱল শ্ৰীহৰিকহে কৰিছিল আৰাধনা---

কালকেশীঃ মুখ বন্ধ কৰ পাষণ্ড ; ৰাজআজ্ঞা ভংগ কৰা অপৰাধৰ বাবে কি শাস্তি তই জান ?

শালিবান ঃ জানো পিতা , আপুনি মোক কৰিব শিৰচ্ছেদ । কৰক পিতা , দিছো মই শিৰ পাতি ।

ক ালকেশী ঃ অ শিৰচ্ছেদ ; প্ৰজাই হওক পুত্ৰই হওক অপৰাধীক দিব একেই শাস্তি । পুত্ৰ পাতালকেতু, লৈ যোৱা ইয়াক , কৰাগৈ শিৰচ্ছেদ ।

পাতাল ঃ পিতা , নহ’ব ইমান নিষ্ঠুৰ ; নিজ ৰক্ত বুলি কণিষ্ঠক দিয়ক প্ৰাণদান ।

কালকেশীঃ পুত্ৰ, তাৰ পূৰ্বে ভাবি চোৱা কিমান অপৰাধ ইয়াৰ ? তুমি মোৰ আশা , তুমি মোৰ সপোন ; ভাতৃ স্নেহত এনেদৰে কাতৰ হোৱাতো তোমাৰ ক্ষেত্ৰত নাপায় শোভা ।

পাতাল ঃ পিতা, কোৱা নাই মই ভাতৃক ক্ষমাদান দিবলৈ ; কৰিছো প্ৰাৰ্থনা মাথো শিৰচ্ছেদৰ পৰিৱৰ্তে দিয়ক অন্য শাস্তি যাৰবাবে ই হয় অনুতপ্ত ।

কালকেশীঃ তোমাৰ কথা ৰাখিলো পুত্ৰ । আজিহন্তে মই শালিবানৰ লগত সম্পৰ্ক কৰিলো ছেদ। যা শালিবান তোৰ অপৰাধৰ বাবে দিছো তোক মই উপযুক্ত শাস্তি --নিৰ্বাসিন দণ্ড-

শালিবান ঃ পিতা ----।

কালজিত ঃ উচিত শাস্তিকেই তোক কৰিছে প্ৰদান । তোৰ দৰে মহাপাপীৰ স্থান নাই আমাৰ সমাজত ।

শালিবান ঃ পিতা, বিনা দোষে তুমি নকৰিবা সম্পৰ্ক ছেদ । বিষ্ণুক পূজা কৰাতো কোনো পাপ হ’ব নোৱাৰে পিতা । তেওঁৰেই হৈছে জগতৰ শ্ৰেষ্ঠ দেৱতা ।

কালকেশী ঃ মুখ বন্ধ কৰ কুলাঙ্গাৰ। বিষ্ণুৰ মহিমাৰ বিষয়ে তই মোক নালাগে বুজাব । নহয় তোৰ বিষ্ণু জগতৰ ভগবান । এক ভণ্ড , পাষণ্ড , দুৰাচাৰী দেৱতা মাত্ৰ ----

শালিবান ঃ উসঃ পিতা, নোৱাৰোঁ আৰু মই সহিব বিষ্ণুনিন্দা। যাম পিতা, আপোনাৰ আদেশ মানি এই ৰাজ্যৰ পৰা মই যাম বাহিৰ হৈ । কিন্তু যোৱাৰ আগতে কৈ যাওঁ পিতা, নাৰায়ণক নিন্দা কৰি মহাপাপত লিপ্ত নহ’বা। বিদায় পিতা , বিদায় ভাতৃ , বিদায় --------( প্ৰস্থান )

কালকেশী ঃ যা কুলাঙ্গাৰ , তোৰ উপদেশৰ মোৰ নাই প্ৰয়োজন । আজিলৈ সভা ভঙ্গ কৰা হওক ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে কুশল ৰাজসভাত ভানুসিংহ আৰু অম্বৰীষ---**

ভানুসিংহ ঃ বাচা অম্বৰীষ , যোৱা ৰাতি সপোনত মই দেখা পালো এজন দিব্য পুৰুষক । কৈছে মোক তেখেতে হৰি পূজাৰ আয়োজন কৰিবলৈ । নাজানো মই কি হ'ব পাৰে ইয়াৰ প্ৰকৃত অৰ্থ ?

অম্বৰীষ ঃ তেন্তে পিতা , হৰি পূজাৰ কৰক আয়োজন। বহুদিন ধৰি ৰাজ্যত কৰা নাই শ্ৰীহৰিৰ পূজা । সেয়ে হয়তু ভগৱন্তই আপোনাক সপোনৰ জৰিয়তে দিছে সোঁৱৰাই ।

**সূত্ৰ ঃ এনেতে দুৰ্বাসা মুনি---**

দুৰ্বাসা ঃ কুশলৰাজ -------

ভানুসিংহ ঃ কি যে ভাগ্য আমাৰ । গৃহে কৰিছে প্ৰৱেশ ঋষিবৰ দুৰ্বাসাই । সেৱা গ্ৰহণ কৰক ঋষিবৰ।

দুৰ্বাসা ঃ দীৰ্ঘায়ু হোৱা ৰাজন , পাছে আহিলো মই আপোনাৰ ৰাজ্যলৈ এক কাৰ্য্য সমাপনৰ হেতু ।

ভানুসিংহ ঃ কওঁক ঋষিবৰ , কেনেদৰে মই আপোনাক কৰিম সহায় ।

দুৰ্বাসা ঃ পাতালকেতুৰ কাৰণে মই শান্তিৰে কৰিব পৰা নাই যজ্ঞ । ইচ্ছা আছিল মোৰ জগতৰ কল্যাণৰ হেতু তপ কৰাৰ। সেয়েহে আপোনাৰ ৰাজ্যলৈ আহিছো আশা লৈ , যাতে মই সুকলমে কৰিব পাঁৰো তপস্যা । মোৰ এই আশা পুৰণ কৰিবনে ৰাজন ?

ভানুসিংহ ঃ চিন্তা নকৰিব ঋষিবৰ। মই আৰু মোৰ পুত্ৰ অম্বৰীষ জীৱিত থাকোতে কোনেও বাধা প্ৰদান কৰিব নোৱাৰে আপোনাৰ তপস্যাত ।

অম্বৰীষ ঃ হয় ঋষিবৰ, শীঘ্ৰেই আপুনি কৰিব তপস্যা । ৰক্ষক ৰূপে থাকিম মই। চাম বাৰু পাতালকেতুৰ কিমান পৰাক্ৰম ।

দুৰ্বাসা ঃ ধন্য ধন্য তোমালোক দুয়ো পিতা পুত্ৰ । কিন্তু ৰাজন, আপুনিহে মোৰ লগত থাকক । আৰু কৰক অঙ্গীকাৰ যাতে কোনোবাই যদি তপস্যাত ঘটাই বিঘিনী তেন্তে মোৰ ইচ্ছা অনুযায়ী আপুনি তেওঁক দিব শাস্তি ----

ভানুসিংহ ঃ ঋষিবৰ, সেই ক্ষণ নাহিব কদাপি । তথাপি সত্য সত্য তিনি সত্য কৰি কৰিছো অঙ্গীকাৰ , কোনোবাই যদি তপস্যাত ঘটাই বিঘিনী তেন্তে আপোনাৰ বিধান মতেই তাক দিম মই উচিত শাস্তি । বাচা অম্বৰীষ , ঋষিবৰৰ লগত ওলালো মই । সম্পূৰ্ণ নোহোৱালৈকে ঋষিবৰৰ তপ ৰাজ্যৰ সম্পূৰ্ণ ভাৰ মই গতালো তোমাক ।

অম্বৰীষ ঃ পিতা , ৰাজ্যৰ বাবে নকৰিব কোনো চিন্তা । আপুনি মাথো ঋষিবৰক কৰক সহায় ।

দুৰ্বাসা ঃ তেন্তে ব'লক ৰাজন , বিলম্বৰ আৰু নাই প্ৰয়োজন ।

ভানুসিংহ ঃ ব'লক ঋষিবৰ ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। অন্যফালে সভাত পুনৰ দুৰ্বাসা আৰু ভানুসিংহ----**

ভানুসিংহ ঃ ঋষিবৰ, এই স্থান তপৰ বাবে কেনে হ'ব ?

দুৰ্বাসা ঃ উত্তম স্থান ৰাজন , ইয়াতে মই শ্ৰীহৰিক কৰিম তপস্যা ।

ভানুসিংহ ঃ তেন্তে ঋষিবৰ আপুনি কৰক তপস্যা । ৰক্ষক হৈ থাকো মই ।

**সূত্ৰ ঃ দুৰ্বাসাই তপ কৰে । তেনেতে পাতালকেতু আৰু বীৰবাহু -----**

বীৰবাহু ঃ কুমাৰ, শুনিছো ওঁকাৰ ধ্বনি ; নিশ্চয় সৌৱা কোনোবাই কৰিছে তপ --

পাতাল ঃ আঃ কোনে কৰে এনে অকাৰ্য ? কাৰ মিলিল মৰণ ? ব'লা, জঁপিয়াই পৰোঁ তাৰ ওপৰত ---

**সূত্ৰ ঃ** **দুয়ো আগবাঢ়ি আহে। আগভেটি ধৰি ভানুসিংহই যি কয়-------**

ভানুসিংহ ঃ কোন তহঁত ? কিয় প্ৰৱেশ কৰিছ এই স্থানত ? শীঘ্ৰেই এই স্থান কৰ পৰিত্যাগ ।

পাতাল ঃ আঃ সামান্য মনুষ্যৰ ইমান অহংকাৰ । পাতালকেতুৱে দিব তোক উপযুক্ত পুৰস্কাৰ --

ভানুসিংহ ঃ অ', তইয়ে তেনেহলে সেই মহাপাপী পাতালকেতু । তোৰ বাবেই মই কৰিছো অপেক্ষা । আহ আজি তোক হত্যা কৰি জগতক কৰোঁ উদ্ধাৰ ।

পাতাল ঃ উত্তম , অতি উত্তম ; তেন্তে ধৰ অস্ত্ৰ ।----------

## গীত

**দুয়ো বীৰে যুদ্ধ কৰে অতি ভয়াবহ।**
**স্বৰ্গ মৰ্ত্ত্য পাতালও কম্পে থৰাথৰ।।**
**শৰঘাটে পাতালকেতু ভূমিত পৰিলা।**
**সমাজৰ লোকে ডাকি হৰি হৰি বোলা।।**

**সূত্ৰ ঃ** **যুদ্ধত পাতালকেতুৰ মৃত্যু হয়। বীৰবাহু পলাই যায় । এনেতে দুৰ্বাসা আহি যি কয় --**

দুৰ্বাসা ঃ ধন্য ধন্য ৰাজন, পাতালকেতুৱে তাৰ কৰ্মফল কৰিলে ভোগ । চণ্ডীকাৰ বৰত বলীয়ান আছিল সি। মৃত্যু আছিল তাৰ এক আপোনাৰ দৰে বিষ্ণু ভক্ত ক্ষত্ৰিয়ৰ হাতত । কিন্তু ৰাজন, দানৱগণে কলুষিত কৰিলে এই স্থান । সেয়েহে এই স্থানত আৰু তপ কৰাতো নহয় সম্ভৱ ।

ভানুসিংহ ঃ তেন্তে ব'লক মুনিবৰ , আমি এতিয়া অন্য স্থানে কৰোঁ গমন ।

**সূত্ৰ ঃ** **দুয়োৰে প্ৰস্থান। আনফালে কুশল ৰাজ্যত মন্ত্ৰী জয়দেৱে যি কয়---**

মন্ত্ৰী ঃ হাঃ হাঃ জানিব পাৰিলো গুপ্তচৰৰ মুখে , মহা পৰাক্ৰমী দৈত্য কালকেশী ধুমুহাৰ বেগেৰে আহিব ধৰিছে কুশল ৰাজ্যলৈ । আহক দৈত্য , আক্ৰমণ কৰি চাৰখাৰ কৰি দিয়ক এই কুশল ৰাজ্য--অম্বৰীষ, পাৰিব জানো সি মহাবলী কালকেশীৰ হ'ব সন্মূখীন --হাঃহাঃ চিৰ নিদ্ৰা যাব সি দৈত্যৰ হাতত আৰু তেতিয়া মোৰ পুত্ৰ অজয়ে লভিব কুশলৰ ৰাজসিংহাসন । আ-হাহা কি যে মধুৰ হ'ব সেই ক্ষণ।

**সূত্ৰ ঃ** **এনেতে অম্বৰীষ আৰু বিক্ৰমসেন ---**

অম্বৰীষ ঃ মন্ত্ৰীবৰ , দৈত্যই আমাৰ ৰাজ্য কৰিছেহি আক্ৰমণ । পিতাওঁ আছে মুনিবৰৰ লগত । ৰাজ্য ৰক্ষাৰ ভাৰ আজি মোৰ ওপৰত ।

মন্ত্ৰী ঃ কি ক'লা কুমাৰ ? মহাবলশালী দৈত্যই আমাৰ ৰাজ্য কৰিছে আক্ৰমণ ? ৰাজন অবিহনে পাৰিম জানো আমি ৰোধিব দৈত্যৰ আগ্ৰাসনক ?

অম্বৰীষঃ যদি আপুনি আৰু সেনাপতি বিক্ৰমসেনে মোক কৰে সহায় কিয় নোৱাৰিম ৰোধিব আমি দৈত্যবাহিনীক ?

বিক্ৰম ঃ কিয় কয় তেনেকৈ কুমাৰ। এই বিক্ৰমসেন থাকোতে শত্ৰুৱে মোৰ জন্মভূমি আক্ৰমণ কৰিব , আৰু কি তাক মই সহ্য কৰিম । আহক দৈত্য , এটা এটাকৈ জাহ যাব সিহঁত এই কুশল ৰাজ্যত ।

**সূত্ৰ ঃ** **এনেতে দৈত্যৰ জয়ধবনি শুনা যায় ( জয় দৈত্যপতি কালকেশীৰ---)--**

বিক্ৰম ঃ কুমাৰ , সেয়া দৈত্যৰ জয়ধবনি ---

অম্বৰীষ ঃ ব'লক সকলো , আক্ৰমণ কৰোঁগৈ দৈত্য বাহিনীক ।

বিক্রম ঃ জয় অম্বৰীষৰ , জয় অম্বৰীষৰ , জয় অম্বৰীষৰ ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান , মন্ত্ৰীয়ে শেষত অনিচ্ছাসত্বে প্ৰস্থান কৰে। আনফালে সভাত ভানুসিংহ আৰু দুৰ্বাসা ।**

দুৰ্বাসা ঃ ৰাজন , এই স্থানতে মই পুনৰ কৰোঁ তপস্যা ; আপুনি থাকক ৰক্ষক হৈ ---( বহে ) --ঔম

**সূত্ৰ ঃ এনেতে উত্ৰাৱল হৈ অম্বৰীষ------**

অম্বৰীষ ঃ পিতা , পিতা , ----ৰক্ষা কৰক পিতা , ৰক্ষা কৰক ।

ভানুসিংহঃ বাচা , তুমি ইয়াত ----? কিয় কি হৈছে তোমাৰ ?

অম্বৰীষ ঃ পিতা, দৈত্য কালকেশীয়ে আমাৰ ৰাজ্য কৰিছে আক্ৰমণ ; বাধা দিছিলো যদিও আমি হলো পৰাস্ত

দুৰ্বাসা ঃ (খঙেৰে ) কুমাৰ , দৈত্যই ৰাজ্য কৰিছে আক্ৰমণ আৰু তুমি কাপুৰুষৰ দৰে আহি সেই বাৰ্তা দিছাহি পিতৃক । এয়াই তোমাৰ ক্ষত্ৰিয় বল ?

অম্বৰীষ ঃ ঋষিবৰ , মই নহয় ভীৰু, নহয় কাপুৰুষ । সৰ্বশক্তিৰে বাধা দিলো দৈত্যক ।কিন্তু নোৱাৰিলো পৰাস্ত কৰিব সিহঁতক। ঋষিবৰ , জানিছিলো মই ইয়ালৈ আহিলে আপোনাৰ তপস্যাত ঘটিব বিঘিনী , কিন্তু পিতাক জনোৱাতো যে মোৰ কৰ্তব্য। মোৰ শত দোষ আপুনি ক্ষমা কৰক ঋষিবৰ।

ভানুসিংহ ঃ ঋষিবৰ, মোৰ বাচাক ক্ষমা কৰক। খন্তেক কৰক অপেক্ষা , দৈত্য কালকেশীক হত্যা কৰি মই পুনৰ আহিম আপোনাৰ সমীপে । আপুনি কৰক আশীৰ্বাদ ।

দুৰ্বাসা ঃ যাওক ৰাজন , আশীৰ্বাদ কৰিছো বিজয়ী হওক ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। সভাত দুৰ্বাসাই অকলে যি কয়------------**

দুৰ্বাসা ঃ প্ৰভূ, অম্বৰীষৰ হতোৱাই তুমি তপস্যাত ঘটালা বিঘিনী । বুজিলো প্ৰভূ , মই সকলো বুজি পাইছো । এতিয়া তোমাৰ ইচ্ছা মতেই মোৰ কাৰ্য্য কৰিম সাধন।

**সূত্ৰ ঃ দুৰ্বাসাৰ প্ৰস্থান। আনফালে কালকেশী -----**

কালকেশী ঃ @ঁত গ’ল মোৰ পুত্ৰ হত্যাকাৰী ভানুসিংহ ? ক’ত গ’ল ঋষি দুৰ্বাসা ? কুশলৰ সকলো ঠাই তন্ন তন্নকৈ কৰিলো চলাথ , তথাপিতো উলিয়াব পৰা নাই সিহঁতক ; ভানুসিংহ -----

**সূত্ৰ ঃ এনেতে ভানুসিংহ---**

ভানুসিংহ ঃ অধম দৈত্য , তয়ো আহিলি কুশল ৰাজ্যলৈ । আহ পুত্ৰৰ লগতে আজি তোকো বিদায় দিওঁ ধৰণীৰ পৰা।

কালকেশী ঃ তয়ে নেকি মোৰ পুত্ৰ হত্যাকাৰী ভানুসিংহ , তোকেই মই ফুৰিছিলো বিছাৰি। আজি মৃত্যুৱে তোক মোৰ ওচৰলৈ আনিছে টানি । আহ আজি আৰু এটা বিষ্ণু ভক্তক ধৰণীৰ পৰা দিওঁ বিদায় --

ভানুসিংহ ঃ অতি উত্তম , ময়ো তাকেই বিচাৰো । ল অস্ত্ৰ তুলি, দেখক জগতে বিষ্ণু ভক্তৰ পৰাক্ৰম কিমান।

**গীত ( ৰাগ ঃ মল্লাৰ ; তাল ঃ ৰচক )**

**লাগিল লাগিল ৰণ অতি ভয়ংকৰ ।**
**পদভৰে বসুমতী কম্পে থৰাথৰ ।।**

**সূত্ৰ ঃ দুয়োৰে যুদ্ধ হয়। যুদ্ধত কালকেশী পলাই যায়----**

ভানুসিংহ ঃ হাঃ হাঃ কিয় পলালি পাষণ্ড ? এই শক্তিলৈ তই বিষ্ণু ভক্তৰ ওপৰত কৰ অত্যাচাৰ ।

**সূত্ৰ ঃ এনেতে অম্বৰীষ----**

অম্বৰীষ ঃ পিতা , সকলো দৈত্যই পৰাজয় কৰিলে স্বীকাৰ ; আমাৰ ৰাজ্যৰপৰা কৰিলে পলায়ন ।

ভানুসিংহ ঃ বাচা , এতিয়া আৰু দৈত্যৰ নাই চিন্তা । ব'লা বাচা , মুনিবৰে আমালৈ কৰি আছে অপেক্ষা ।

অম্বৰীষ ঃ ব'লক পিতা।

**সূত্র ঃ দুয়োৰে প্ৰস্থান। সভাত দুৰ্বাসা আহি যি কয়----**

দুৰ্বাসা ঃ এতিয়াও ৰাজন নাহিল ঘূৰি । বুজিছো প্ৰভু , এতিয়াহে মোৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰিব লাগিব। তাৰ বাবে মই সাজু আছো প্ৰভু।

**সূত্র ঃ এনেতে ভানুসিংহ আৰু অম্বৰীষ -----**

ভানুসিংহ ঃ প্ৰণাম মুনিবৰ , দৈত্যই কৰিলে পলায়ন । পুনৰ আপুনি কৰক তপস্যা ।

দুৰ্বাসা ঃ এতিয়া আৰু তপ অৰ্থহীন ।

অম্বৰীষ ঃ ঋষিবৰ , পুনৰ তপ কৰিব নোৱাৰে কিয় ?

দুৰ্বাসা ঃ কুমাৰ, তোমাৰ বাবেই মোৰ তপ নহল সমাপ্ত। এতিয়া আকৌ তুমি কোন হতে মোক দিয়া যুক্তি ? তোমালোক দুই পিতা -পুত্ৰই মোৰ তপ সফল কৰিম বুলি দিয়া নাছিলানে প্ৰতিশ্ৰুতি ? এটা সাধাৰণ দৈত্যই তোমাৰ ৰাজ্য কৰিব আক্ৰমণ আৰু তুমি কি মোৰ তপস্যাত ঘটাবা বিঘিনী । ৰাজন , মনত আছেনে আপোনাৰ আমাক দিয়া প্ৰতিশ্ৰুতি ?

ভানুসিংহ ঃ ঋষিবৰ , বাচাৰ অপৰাধ আপুনি ক্ষমা কৰক।

দুৰ্বাসা ঃ অসম্ভৱ ৰাজন, পুনৰ সুধিছো আছেনে মনত আপোনাৰ অঙ্গীকাৰ ?

ভানুসিংহ ঃ আছে আছে ঋষিবৰ , আপোনাৰ ইচ্ছামতেই মই তপৰ বিঘিনী ঘটোৱাজনক দিম উচিত শাস্তি।

দুৰ্বাসা ঃ তেন্তে ৰাজন , এতিয়াতো আপোনাৰ পুত্ৰই কৰিলে সেই অপৰাধ। দিবনে আপুনি তাক শাস্তি ?

ভানুসিংহ ঃ কওঁক ঋষিবৰ , কি শাস্তি প্ৰদান কৰিম মই বাচাক।

দুৰ্বাসা ঃ শুনক তেন্তে , পুত্ৰই কৰা অপৰাধৰ বাবে , দহ বছৰৰ বাবে পুত্ৰক দিয়ক নিৰ্বাসন দণ্ড।

ভানুসিংহ ঃ উসঃ কি শুনালে ঋষিবৰ । দহ বছৰৰ বাবে --- নিবাৰ্সন দণ্ড ।

দুৰ্বাসা ঃ অ ৰাজন , দহ বছৰৰ নিৰ্বাসন দণ্ড। কওক পাৰিবনে দিব ----- ?

ভানুসিংহ ঃ ঋষিবৰ , নিবোধ বাচাৰ ওপৰত ইমান কঠোৰ শাস্তি নিদিব। তাক ক্ষমা কৰক ; নতু বাচাৰ পৰিৱৰ্তে মোকেই দিয়ক শাস্তি। বাচাৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম ঋষিবৰ ?

দুৰ্বাসা ঃ ৰাজন, আপোনাৰ দৰে এজন সত্যবাদী, মহাধাৰ্মিক, বিষ্ণুভক্তৰ এনে আচৰণ নাপায় শোভা । জানিছিলো মই, আপুনি সত্য ৰাখিব নোৱাৰে । আপুনি ভণ্ড , মিথ্যাবাদী , যদি পুত্ৰৰ প্ৰতি ইমানেই আছে মোহ তেন্তে কৰক অস্বীকাৰ । মোৰ আৰু ইয়াত থকাৰ নাই ইচ্ছা । ( যাব খোজে )

অম্বৰীষ ঃ ঋষিবৰ, ক্ৰোধ নকৰিব । পিতা, অপৰাধ কৰিছিলো মই আৰু তাৰ বাবে শাস্তি পাব লাগিব মই । গতিকে পিতা আনন্দ মনেৰে মই যাওঁ বনলৈ ।

ভানুসিংহ ঃ বাচা , কেনেকৈ থাকিবি তই অটব্য অৰণ্যৰ মাজত ? সৰুৰে পৰা তোক মই ডাঙৰ কৰিলো কি এই শাস্তি দিবৰ বাবে ? হে প্ৰভু , এনে দিন দেখাৰ আগতে তুমি মোক মাৰি নিনিলা কিয় ?

অম্বৰীষ ঃ পিতা ------। কিয় কৈছা তুমি এনেদৰে ?

দুৰ্বাসা ঃ মোৰ পলম হৈছে কুমাৰ ; জাগিছে সন্দেহ পিতাৰ দৰে তুমিও মোক কৰিছা প্ৰৱঞ্চনা ?

অম্বৰীষ ঃ পিতা, আৰু মই নকৰোঁ পলম । নিজ ইচ্ছাৰেই বনলৈ যাবলৈ ওলালো মই । আৰুতো পিতা মই আজীৱন নাথাকো বনত । দহবছৰৰ পাছত পুনৰ ঘূৰি আহিম তোমাৰ সমীপে।

ভানুসিংহ ঃ বাচা , দহ বছৰ জানো মই তোৰ অবিহনে থাকিম জীয়াই ? নালাগে বাচা , নালাগে তই যাব

অম্বৰীষ ঃ পিতা ; সত্য ভঙ্গ কৰি নপৰিবা মহাপাপত । বিদায় মূহুৰ্ত্তত তুমি হাঁহি মুখে মোক দিয়া বিদায় । হে প্ৰভূ , কুশলে ৰাখিবা পিতাক । মই আহিলো পিতা , প্ৰণাম ঋষিবৰ ---( **প্ৰস্থান** )

দুৰ্বাসা ঃ ধন্য কুমাৰ , ধন্য তোমাৰ পিতৃ ভক্তি -----। ৰাজন ময়ো যাওঁ এতিয়া --( **প্ৰস্থান** )

ভানুসিংহ ঃ নাই নাই নাযাবি বাচা। তই বনলৈ নাযাবি। তোৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম। ঋষিবৰ, বাচাক ক্ষমা কৰি দিয়ক। বাচা বাচা , তই ঘুৰি আহ বাচা ---- বাচা অম্বৰীষ --

**সূত্ৰ ঃ ভানুসিংহৰ প্ৰস্থান। আনফালে সভাত কুশলৰ মন্ত্ৰীপুত্ৰ অজয়সেনৰ প্ৰৱেশ----**

**গীত ( ৰাগ ঃ গান্ধাৰ , তাল ঃ ৰচক )**

**সভাত প্ৰৱেশ কৰে বীৰ অজয়সেন ।**
**ৰূপ গুণে বিভূষিত দেৱতাৰ সম।।**
**কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি বোলা যত সভাসদ গণ।।**

অজয় ঃ শিক্ষা মোৰ হল সমাপ্ত । জননী জন্মভূমি মোৰ কুশল ৰাজ্য যেন স্বৰ্গৰ অম্ৰাৱতী।এনেহেন সোণময় ৰাজ্যত জন্ম গ্ৰহণ কৰি আজি মই গৌৰৱান্বিত। পিতৃ তুল্য ৰাজন ভানুসিংহ সঁচাই মহান। যাঁও মই এতিয়া জন্মভূমি কুশল ৰাজ্যলৈ ---

**সূত্ৰ ঃ অজয়সেনৰ প্ৰস্থান। আনফালে সভাত বিক্ৰমসেন ---**

বিক্ৰম ঃ হাঃ হাঃ অম্বৰীষ গ'ল বনলৈ। দহ বছৰ --ভবাই নাছিলো মই মোৰ পথ ইমান সহজে হ'ব সুগম। দৈত্যৰ আক্ৰমণে মোকেই কৰিলে সহায় হাঃ হাঃ মূৰ্খ ৰাজন, বাকী আছ কেৱল এতিয়া তই। তোক হত্যা কৰি কুশলৰ হ'ম মই ৰাজ ৰাজেশ্বৰ আৰু মোৰ এই বাওঁ উৰুত বহুৱাম অমীয়া সুন্দৰীক। আহ কি যে সুন্দৰ সপোন। কিন্তু --ভানুসিংহক হত্যা কৰাটো জানো ---বৃদ্ধ মন্ত্ৰী আৰু তাৰ পুত্ৰ অজয়সেন মোৰ বাটৰ কণ্টক । কোনে সহায় কৰিব পাৰে মোক এই কাৰ্য্যত ? ধন , ৰত্ন কিম্বা অৰ্দ্ধ ৰাজ্যৰ লোভ দি হ'লেও বিচাৰিব লাগিব এজন বিশ্বস্ত সঙ্গীক ---

**সূত্ৰ ঃ এনেতে মন্ত্ৰী জয়দেৱ সোমাই আহে----**

মন্ত্ৰী ঃ আৰু যদি সেই ব্যক্তিজন মই হওঁ তেতিয়া ?

বিক্ৰম ঃ কোন--- ? ই কি মন্ত্ৰীবৰ ? আপুনি---- ?

মন্ত্ৰী ঃ অ মই --- তুমি বিচৰা যোগ্য সংগীজন যদি হওঁ মই হাঃ হাঃ -----

বিক্ৰম ঃ মন্ত্ৰীদেৱ , কি কৈছে আপুনি ? আপুনিও... ?

মন্ত্ৰী ঃ হাঃ হাঃ হাঃ আচৰিত হৈছা নহয় বিক্ৰম ? ওৰেতো জীৱন আমি কি কটাম সিহঁতৰ আজ্ঞাবাহী ভৃত্য হৈ । নাই নাই অসম্ভৱ । আছো মই সুযোগৰ অপেক্ষাত। সিহঁত দুই পিতা পুত্ৰক হত্যা কৰিব লাগিব । অ সেনাপতি, হত্যা কৰিব লাগিব সিহঁতক।

বিক্ৰম ঃ কিন্তু কেনেকৈ মন্ত্ৰীবৰ ? এনেহেন বিষ্ণু ভক্ত ৰাজনক হত্যা কৰাতো নহয় সম্ভৱ।

মন্ত্ৰী ঃ হাতলৈ অহা এক সোণালী সুযোগ তুমি কৰিলা নষ্ট । কি প্ৰয়োজন আছিল তোমাৰ অম্বৰীষৰ অনুৰোধত মহাদৈত্য কালকেশীৰ বিৰুদ্ধে ৰণ কৰাৰ ? নিঃসহায় কৰিব লাগিছিল অম্বৰীষক ৰণক্ষেত্ৰত। বাটৰ কণ্টক আমাৰ তেতিয়াই হ'লহেঁতেন সমাপ্ত । বাৰু , এই স্থানত এই সন্দৰ্ভত আলোচনা কৰাটো আমাৰ পক্ষে নহ'ব শুভ । ব'লা যাওঁ গোপন কক্ষত গৈ এই বিষয়ে কৰোঁগৈ আলোচনা

**সূত্ৰ ঃ** **দুয়োৰে প্ৰস্থান। আনফালে দৈত্যৰ ৰাজসভা----**

কালকেশী ঃ ভাতৃ আৰু সেনাপতি, নোৱাৰিলো ল'ব মই পুত্ৰ হত্যাকাৰীৰ ওপৰত প্ৰতিশোধ। বাৰে বাৰে আমি হৈছো অপমানিত বিষ্ণু ভক্তৰ ওচৰত। লজ্জাবোধ কৰোঁ আজি নিজকে মৰত বিজেতা বুলিবলৈ।

কালজিত ঃ দুখ নকৰিব দাদা, পুনৰ সৰ্বশক্তিৰে আমি কুশল ৰাজ্য কৰিম আক্ৰমণ।

বীৰবাহু ঃ দৈত্যপতি, এতিয়াও বীৰবাহুৰ দুবাহুত আছে অসীম বল। এইবাৰ কুশল ৰাজ্যত এনে এক ত্ৰাসৰ কৰিম সৃষ্টি যাৰ প্ৰকোপত সমগ্ৰ কুশল ৰাজ্য শ্মশানত হ'ব পৰিণত।

**সূত্ৰ ঃ** **এনেতে বিক্ৰমসেন--------------------**

বিক্ৰম ঃ প্ৰণাম দৈত্যপতি -----।

কালজিত ঃ আচৰিত, কুশলৰ প্ৰধান সেনাপতি ------

বীৰবাহু ঃ দৈত্যপতি, শত্ৰু আহিছে আমাৰ সমীপে, ইয়াক এতিয়াই কৰক হত্যা।

বিক্ৰম ঃ হে দৈত্যগণ, অহা নাই মই তোমালোকৰ সমীপে শত্ৰুভাৱে। আহিছো মিত্ৰভাৱে এক প্ৰস্তাৱ লৈ।

কালকেশী ঃ প্ৰস্তাৱ ---; কি প্ৰস্তাৱ ? সোনকালে কৰ প্ৰকাশ -----

বিক্ৰম ঃ দৈত্যপতি, পুনৰ আপুনি কুশল ৰাজ্য কৰক আক্ৰমণ। আপোনাৰ কাযত মই এইবাৰ কৰিম সহায়।

কালজিত ঃ চক্ৰান্ত ঘোৰ চক্ৰান্ত দাদা, ইয়াৰ কথা আপুনি নকৰিব বিশ্বাস। মহা মূৰ্খ অশিক্ষিত বৰ্বৰ বুলি জগতে হঁহা দৈত্যৰ প্ৰধান সেনাপতিয়েও কদাপি নকৰে নিজ ৰাজ্যক বিশ্বাসঘাটকতা। তেনেস্থলত ইটো মহাজ্ঞানী ভদ্ৰ মানৱৰ সেনাপতি; দাদা, আমাৰ ওপৰত পেলাইছে ইহঁতে ঘোৰ ষড়যন্ত্ৰৰ জাল।

বিক্ৰম ঃ ষড়যন্ত্ৰ নহয় দৈত্যগণ। যদিও মই কুশলৰ প্ৰধান সেনাপতি তথাপি মই অৱহেলিত, অপমানিত। প্ৰতিহিংসাৰ দাবানলত জ্বলিছো মই। মোক লাগে কুশলৰ ৰাজসিংহাসন। দৈত্যপতি, শক্তিহীন এতিয়া ভানুসিংহ। পিতৃ সত্য ৰক্ষাৰ বাবে ভানুসিংহৰ পুত্ৰ অম্বৰীষ দহ বছৰৰ বাবে গ'ল বনলৈ। সেয়েহে দৈত্যপতি, এয়াই হৈছে উপযুক্ত সময়। আপোনাৰ পুত্ৰ হত্যাকাৰী সেই ভানুসিংহৰ ওপৰত লওঁক ভীষণ প্ৰতিশোধ। যদি মোক কুশলৰ ৰজা হোৱাত কৰে সহায় তেন্তে কুশলৰ অৰ্দ্ধ ৰাজ্য আপোনাক কৰিম প্ৰদান।

কালকেশী ঃ সুন্দৰ অতি সুন্দৰ। ভানুসিংহ, এইবাৰ তই হ সাজু। বিক্ৰম, তুমি নকৰিবা চিন্তা। ময়ো তোমাক দিছো প্ৰতিশ্ৰুতি, কুশলৰ ৰাজসিংহাসন মই তোমাক কৰিম প্ৰদান --- হাঃ হাঃ সেনাগণ, ওলোৱা সকলো যাত্ৰা কৰোঁ আমি কুশলৰ দিশে।

**সূত্ৰ ঃ** **দৈত্যগণে প্ৰস্থান কৰে। আনফালে কুশল ৰাজ্যত মন্ত্ৰী আৰু ভানুসিংহ ---**

ভানুসিংহ ঃ মন্ত্ৰীবৰ, মোৰ আৰু ৰাজ কাযত মন নবহা হৈছে। চাৰিওফালে আজি শূণ্য, কেতিয়াবা এনে ভাৱ হয় মোৰ, এই সকলোবোৰ ত্যাগ কৰি বনলৈ গৈ শ্ৰীহৰিক কৰোঁ আৰাধনা।

মন্ত্ৰী ঃ মহাৰাজ, শীঘ্ৰেই অম্বৰীষ আহিব ঘূৰি। কিছুক্ষণ কৰক অপেক্ষা, কুশলৰ ভাগ্য ৰবি উদয় হ'বলৈ আৰু নাই বেছি পৰ -------

ভানুসিংহ ঃ কেনেকৈ ধৈৰ্য্য ধৰোঁ মন্ত্ৰীবৰ। বাচাৰ অবিহনে এটা ক্ষণ এটা যুগৰ দৰে হৈ পৰিছে। ভাবিছিলো ৰাজ্যভাৰ অৰ্পন কৰি পুত্ৰক বনলৈ গৈ মই শ্ৰীহৰিক কৰিম আৰাধনা। কিন্তু ভাগ্যৰ কি বিড়ম্বনা; আজি আছো মই ৰাজসভাত আৰু পুত্ৰ আছেগৈ বনৰ মাজত।

**সূত্ৰ ঃ** **এনেতে বেগেৰে দৈত্যগণ---**

কালকেশী ঃ হাঃ হাঃ ভানুসিংহ, ভানুসিংহ -- এইবাৰ তই নাপাবি নিস্তাৰ।

ভানুসিংহঃ নিলাজ দৈত্য, চোৰৰ দৰে পৰৰ ৰাজ্য কৰিছহি প্ৰৱেশ। এয়াই হৈছে তহঁতৰ মনোবৃত্তি।

**সূত্র ঃ এনেতে বিক্রমসেন আহি যি কয় ----**

বিক্রম ঃ হাঃ হাঃ চুৰৰ দৰে নহয় । আমাৰ নিমন্ত্ৰণতহে আহিছে দৈত্য -------

ভানুসিংহ ঃ ই কি সেনাপতি ? তই আজি দৈত্যৰ সঙ্গী ? ৰাজদ্ৰোহী -- বিশ্বাসঘাটক ।

মন্ত্ৰী ঃ হাঃ হাঃ ৰাজন , কাক তুমি বুলিছা বিশ্বাসঘাটক , কেৱল বিক্ৰমেই নহয় ময়ো আজি তোমাৰ বিপক্ষত ।দৈত্য আহিছে আজি আমাৰ নিমন্ত্ৰণত হাঃ হাঃ ----

ভানুসিংহ ঃ উসঃ প্ৰভূ , কি মহাভুল কৰি আছিলো মই ।এই দুই কালসৰ্পকে মই কৰিছিলো পোহপাল ।

কালকেশী ঃ ভানুসিংহ , পাহৰা নাই মই তই অপমান ।জ্বলি আছে হৃদয়ত প্ৰতিহিংসাৰ দ্বাবানল , আজি তোক তোৰ ৰাজসভাতে বন্দী কৰি ল'ম মই চৰম প্ৰতিশোধ ।

মন্ত্ৰী ঃ লওঁক দৈত্যপতি , ইয়াৰ ওপৰত লওঁক ভীষণ প্ৰতিশোধ ।আপোনাৰ পুত্ৰৰ ইয়েই হত্যাকাৰী ।

ভানুসিংহ ঃ আঃ পাষণ্ড মন্ত্ৰী , আজি মই ------ ; নতু দিলোহেঁতেন মই তোক উচিত শাস্তি ।

কালজিত ঃ আঃ ইয়াৰ ইমান অহংকাৰ । দাদা , হত্যা কৰক এই বিষ্ণু ভক্তক ।

কালকেশী ঃ বিষ্ণু ভক্ত ; মহা ধাৰ্মিক ই বিষ্ণু ভক্ত হাঃ হাঃ -- পাতালকেতু , চা আজি তোৰ হত্যাকাৰী এই দুৰ্বৃত্তক, তোৰ পিতাৰাই কৰিলে বন্দী। মাত মাত তোৰ শ্ৰীহৰিক, কৰক আজি ৰক্ষা মোৰ হাতৰ পৰা। বিষ্ণু পূজা , বিষ্ণু পূজাৰ কৰ আয়োজন। ক'ত গ'ল এতিয়া তোৰ সেই বিষ্ণু ?

মন্ত্ৰী ঃ ৰাজন আৰু আছে তোৰ শাস্তি এয়া মাথোন আৰম্ভণি ( গতামাৰি ) হাঃ হাঃ হাঃ----

কালকেশী ঃ শুন ৰাজন , দিছো তোক এটা সুযোগ , যদি তই বিষ্ণু পূজা ত্যাগ কৰি দেৱী চণ্ডীকাক কৰ পূজা তেন্তে কালকেশী হ'ব তোৰ পৰম মিত্ৰ ।

ভানুসিংহ ঃ মুখ বন্ধ কৰ পাপীষ্ঠ , নাৰায়ণৰ বাহিৰে মই আন কাৰো নকৰোঁ পূজা ।

কালকেশী ঃ আঃ ইমান অৱজ্ঞা , ইমান অহংকাৰ ইয়াৰ ।সেনাগণ, লৈ যোৱা ইয়াক ।কালিলৈ প্ৰভাততে দেৱীমাৰ আগত ইয়াক দিয়া হ'ব বলি ।

বীৰবাহু ঃ U'ল মূৰ্খ , কালিলৈ পাবি তই উপযুক্ত শাস্তি।( **বীৰবাহু আৰু বিক্ৰমে বন্দীক লৈ যায় )**

কালকেশীঃ ব'লা ভাতৃ , কুশলৰ ঐশ্বৰ্য কৰোঁগৈ উপভোগ -- ( **কালজিতৰ সৈতে প্ৰস্থান** )

**সূত্ৰ ঃ সভাত মন্ত্ৰীয়ে যি কয়---**

মন্ত্ৰী ঃ যোৱা ৰাজন, কটাই লোৱাগৈ কাৰাগাৰত জীৱনৰ অন্তিম ৰজনীটো ।কালিলৈ প্ৰভাততে তোমাৰ চিৰ বিদায় হ'ব এই ধৰণীৰ পৰা। হাঃ হাঃ এই শুভক্ষণলৈকে মই অতদিন কৰিছিলো অপেক্ষা ।জানো ভালদৰে , চিৰদিন নাথাকে দৈত্য আমাৰ ৰাজ্যত ।শ্মশানত পৰিণত হোৱা এই কুশল ৰাজ্যত কি পাব সিহঁতে ? যদি হয় প্ৰয়োজন অৰ্পণ কৰি ধন, ৰত্ন , আৰু সুন্দৰী ৰমনী দৈত্যক মই কৰাম সৈমান । তাৰ বাবেতো আছে অমীয়া সুন্দৰী হা: হা: -------------------

**সূত্ৰ ঃ এনেতে অজয়সেন সোমাই আহে -----------------------**

অজয় ঃ প্ৰণাম পিতা ---।

মন্ত্ৰী ঃ কোন ? অ মোৰ পুত্ৰ অজয়সেন ।শুভক্ষণতে তুমি আহিলা বাচা ।

অজয় ঃ কি শুভক্ষণ পিতা ? দেখা নাই মই ৰাজ্যত পূৰ্বৰ পৰিৱেশ। চাৰিওদিশে দেখি আহিছো ৰাজ্যত নিতাল, নিস্তব্ধ পৰিৱেশ। শুনিলো ক্ৰন্দন প্ৰজাৰ গৃহে গৃহে। কওক পিতা , এয়া কেনে শুভ ক্ষণ ?

মন্ত্ৰী ঃ অজয় , এই শুভ ক্ষণ আমাৰ বাবে , কেৱল তোমাৰ বাবে --।

অজয় ঃ মই নুবুজিলো পিতা --- ?

মন্ত্রী ঃ হাঃ হাঃ পুত্ৰ , ভগৱন্তই আমাক কৰিছে কৃপা ; সেয়ে কালকেশীৰূপে দৈত্যক পঠাইছে আমাৰ ৰাজ্যলৈ ; অ বাচা , কুশলত এতিয়া দৈত্যৰ চলিছে শাসন । ৰাজন ভানুসিংহ আজি বন্দী লৌহ কাৰাগাৰত , অম্বৰীষ আজি আছেগৈ বনত ---

অজয় ঃ ৰাজন বন্দী লৌহ কাৰাগাৰত , কুমাৰ আছেগৈ বনত , কুশলত আজি চলিছে দৈত্যৰ শাসন ?

মন্ত্রী ঃ তুমি চিন্তা নকৰিবা অজয় , দৈত্যৰ শাসন মাথো সাময়িক। মোৰ নিমন্ত্ৰণতে আহিছে দৈত্য

অজয় ঃ পিতা , কি কৈছা তুমি ? দৈত্য আহিছে তোমাৰ নিমন্ত্ৰণত ? কিন্তু কিয় --- ?

মন্ত্রী ঃ পুত্ৰ অজয় , মন্ত্ৰী মই জয়দেৱ , ভানুসিংহৰ আজ্ঞা পালিয়েই মই হলো বৃদ্ধ ; তোৰ যাতে নহয় মোৰ দৰে অৱস্থা তাৰবাবেই এই ব্যৱস্থা । অজয় , তই কি হবি অম্বৰীষৰ আজ্ঞাবাহী ভৃত্য ? নাই নাই হবি তই কুশলৰ ৰাজ ৰাজেশ্বৰ ।

অজয় ঃ পিতা , বন্ধ কৰা বন্ধ কৰা , নোৱাৰোঁ আৰু শুনিব মই এনে কটু বচন ।

মন্ত্রী ঃ এয়া নহয় কটু বচন , এয়া তোৰ পিতৃৰ সপোন । দৈত্যক মই চলেৰে কুশলৰ পৰা দিম বিদায় । মাথো তই অসন্মত নহবি বাচা ।

অজয় ঃ ছিঃ ছিঃ পিতা , এয়া তুমি কি কাৰ্য কৰিলা । জননী জন্মভূমি স্বৰ্গাদপী গৰিয়সী , তেনে মাতৃক তুমি বিক্ৰী কৰি দিলা অসুৰৰ হাতত , দেৱতুল্য ৰাজনক বন্দী কৰোৱালা অধৰ্মী দৈত্যৰ হাতত । আঃ দেশদ্ৰোহী তুমি , পিতাৰ সন্মান হেৰুৱালা তুমি । আজিহন্তে তোমাক মই কৰিলোঁ ত্যাগ । জীৱন দি হলেও উদ্ধাৰ কৰিম মই আমাৰ ৰাজনক ।

মন্ত্রী ঃ অবুজ নহ'বা বাচা , তুমিয়ে মোৰ একমাত্ৰ সম্বল ; কেৱল তোমাৰ ভালৰ বাবেই কৰিছো মই -

অজয় ঃ স্তব্ধ হ ---; আঃ পাপ - পুণ্যৰ কথা চিন্তিহে আছো ধৈৰ্য ধৰি মই ; নতু -- তোৰ মুখ আৰু কদাপি নকৰোঁ দৰ্শন --- ( **প্ৰস্থান** )

মন্ত্রী ঃ পুত্ৰ , পুত্ৰ ---উসঃ নুবুজিলে পুত্ৰই । নাই নাই মই হাৰ নামানো ; পুত্ৰক মই বুজাবই লাগিব পুত্ৰই বুজিবই লাগিব ----অজয় , অজয়---

**সূত্ৰ ঃ মন্ত্ৰীৰ প্ৰস্থান। এনেতে এটা হৰিণ সোমাই আহে ------**

**গীত**

**চলি আহে এক মৃগ অতি মনোহৰ ।**
**বনৰ পহু ইটো সৃষ্টি জগতৰ ।।**

**সূত্ৰ ঃ হৰিণা সভাৰ মাজে পাই । এনেতে অম্বৰীষ আহে -----**

অম্বৰীষ ঃ অ পাইছো এটা হৰিণ এই নিকুঞ্জ বনত । ইয়াকে আজি চিকাৰ কৰি ক্ষুধা মোৰ কৰোঁ নিবাৰণ

**সূত্ৰ ঃ হৰিণ খেদি অম্বৰীষৰ প্ৰস্থান । আনফালে বনৰ মাজত শালিৱান-----**

শালিৱান ঃ প্ৰকৃতিৰ কি যে মোহনীয় ৰূপ। সঁচাই প্ৰভুৱে সৃষ্টি কৰিছে এই ধৰণীখন বিনন্দীয়া ৰূপে । পিতা, বিনা দোষে তুমি মোৰ লগত সম্পৰ্ক কৰিলা ছেদ। কিন্তু পিতা এতিয়া আৰু মোৰ মনত নাই আক্ষেপ। এই বন্য জীৱনে মোক কৰিছে মোহিত । এনে ভাৱ হয় চিৰদিন যেন এই বনৰ মাজতেই মই কৰিম বাস।

**সূত্ৰ ঃ এনেতে হৰিণ দৌৰি আহি শালিৱানৰ আঁৰত লুকাই-------**

শালিৱান ঃ কি যে সুন্দৰ হৰিণ এইটো । কিন্তু ই ইমান ভয়াতুৰ কিয় ? আহ আহ তই মোৰ ওচৰলৈ আহ।

**সূত্ৰ ঃ এনেতে অম্বৰীষ সোমাই আহে-----**

অম্বৰীষ ঃ সাৱধান , এইটো মোৰ হৰিণ । তুমি ইয়াক ধৰিবলৈ নকৰিবা চেষ্টা ।

শালিবান ঃ কোন তুমি --- ? দানৱ নে অত্যাচাৰী ব্যাধ , নিৰীহ পশু পক্ষীৰ ওপৰত কিয় কৰা অত্যাচাৰ ।

অম্বৰীষ ঃ জিভা সংযত কৰি কথা ক'বা । নহঁও মই কোনো দৈত্য , দানৱ কিম্বা অত্যাচাৰী ব্যাধ।

শালিবান ঃ তেন্তে কিয় ধৰিব বিচাৰিছা এই বনৰ হৰিণক ? ইয়াক বনৰ মাজতেই থাকিবলৈ দিয়া।

অম্বৰীষ ঃ উপদেশৰ মোৰ নাই প্ৰয়োজন। পুনৰ কৈছো হৰিণাটো মোক ধৰিবলৈ দিয়া ।

শালিবান ঃ ইমান বুজালো , তথাপিতো নুবুজিলা তুমি । যদি মই ধৰিব নিদিওঁ----

অম্বৰীষ ঃ বল পূৰ্বক ভাৱে নিবলৈ মই কৰিম চেষ্টা । আৰু প্ৰয়োজন হ'লে তোমাৰ ওপৰতো মই অস্ত্ৰ প্ৰয়োগ কৰিবলৈ হ'ম বাধ্য।

শালিবান ঃ তেন্তে সেয়ে হওঁক । অস্ত্ৰ কৰা প্ৰহাৰ ------

## গীত

**মহাক্ৰোধে দুয়োজনে কৰে মহাৰণ ।**
**কতো বেলি লাগে ৰণ নাহিকে নিবাৰণ ।।**

**সূত্ৰ ঃ যুদ্ধত অম্বৰীষ পৰাস্ত হয়। হৰিণ ৰণৰ মাজত পলাই যায় --------**

অম্বৰীষ ঃ কি আচৰিত শক্তি এই কুমাৰৰ। নাই নাই এওঁ কোনো সাধাৰণ বনচাৰী হ'ব নোৱাৰে। ধন্য ধন্য যুৱক, ধন্য তোমাৰ শক্তি, দিয়া তোমাৰ সত্য পৰিচয়।

শালিবান ঃ ( স্বগতঃ )---- দিওঁ জানো মোৰ প্ৰকৃত পৰিচয় ?

অম্বৰীষ ঃ কি ভাবিছা সখা ? পৰিচয় দিবলৈ জানো ইমান ভাবিব লাগে।

শালিবান ঃ সখা বুলিছা যেতিয়া লাগে জানো আৰু পৰিচয়। আঁহা, সখা হৈয়ে থাকো আমি দুয়ো এই বনৰ মাজত। (আঁকোৱালী লয়)

অম্বৰীষ ঃ মোক ক্ষমা কৰিবা সখা। অকাৰণতে মই তোমাৰ লগত কৰিলো ৰণ। আজিৰ পৰা আৰু কোনো জন্তুৰ ওপৰত মই নকৰোঁ অত্যাচাৰ। ব'লা সখা, অলপ দুৰতে আছে এটি নিজৰা, তাৰ পাৰতে লওঁগে বিশ্ৰাম

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দৈত্য কালকেশী, বীৰবাহু আৰু মন্ত্ৰী-----------**

কালকেশী ঃ সেনাপতি বীৰবাহু , পূজাৰ বাবে সকলো সামগ্ৰী কৰিলানে প্ৰস্তুত ?

বীৰবাহু ঃ সকলো সামগ্ৰীয়েই প্ৰস্তুত হৈ আছে দৈত্যপতি ।

কালকেশী ঃ হাঃ হাঃ দেৱী মা , তোমাৰ ভক্ত পাতালকেতুৰ হত্যাকাৰীক আজি তোমাৰ চৰণত মই কৰিম অৰ্পন। তুমি সন্তুষ্ট হ'বা মা , আজি সন্তুষ্ট হ'বা ।

**সূত্ৰ ঃ এনেতে বেগেৰে বিক্ৰম -----------------**

বীৰবাহু ঃ দৈত্যপতি -----সৰ্বনাশ হ'ল দৈত্যপতি। বন্দীশালৰ শিকলি চিঙি পলায়ন কৰিলে ভানুসিংহই ।

কালকেশী ঃ অসম্ভৱ ,অসম্ভৱ লৌহ শিকলি চিঙি পলায়ন কৰাটো অসম্ভৱ। । হে মা , ক্ষমা কৰিবা, আজি তোমাৰ পূজাত হৈছে বিলম্ব । এয়াই প্ৰথম কালকেশীৰ হাতৰ পৰা বলিয়ে কৰিলে পলায়ন।

মন্ত্ৰী ঃ চিন্তা নকৰিব দৈত্যপতি, ক'ত পলাই সাৰিব সি, ত্ৰিভূৱণ আমি কৰিম চলাথ তাক বিচাৰি ।

**সূত্ৰ ঃ তেনেতে অজয়ক বন্দী কৰি কালজিতে লৈ আহে-----------**

কালজিত ঃ দাদা , বন্দী কৰি আনিলো মই এই পাষণ্ডক । ইয়ে মুক্ত কৰিলে ভানুসিংহক ।

মন্ত্ৰী ঃ বাচা , এয়া তই কি কাৰ্য্য কৰিলি ? শত্ৰুক তই বন্দী শালৰ পৰা কিয় কৰিলি মুক্ত ?

অজয় ঃ বাচা বুলি মোক নকৰিবা সম্বোধন । লাজ লাগে আজি মোৰ তোমাৰ পুত্ৰ বুলিবলৈ । কোনো ভুল , কোনো পাপ কৰা নাই মই । মহাৰাজক মুক্ত কৰি মই উচিত কাৰ্য্যই কৰিলো।

কালকেশী ঃ আঃ, এটা সামান্য বালকৰ এই কাৰ্য্য ; হেৰ পাপীষ্ঠ , ক'ত আছে সেই মহাপাপী ভানুসিংহ ?

অজয় ঃ জিভা সংযত কৰি কথা ক'বা। শুনিব নোখোজো মই কটু বাক্য ধাৰ্মিক ৰাজন ভানুসিংহৰ বিৰুদ্ধে----

কালজিত ঃ আঃ বন্দী অৱস্থাটো ইয়াৰ ইমান অতপালি। দাদা, ইয়াকেই দেৱীৰ চৰণত বলি ---- ।

বিক্ৰম ঃ হয় দৈত্যপতি , ইয়েই ষড়যন্ত্ৰকাৰী , ৰজাৰ পৰিৱৰ্তে ইয়াকে দিয়ক বলি ----- ।

মন্ত্ৰী ঃ নাই নাই দৈত্যপতি , মোৰ পুত্ৰ অজয়ৰ অপৰাধ আপুনি কৰক ক্ষমা ।

কালকেশী ঃ নিজ পুত্ৰকো মই কৰা নাই ক্ষমা ; তেনেস্থলত-- হাঃ হাঃ হাঃ

মন্ত্ৰী ঃ নাই নাই দৈত্যপতি , মই আপোনাৰ চৰণত ধৰিছো। আপুনি নহ'ব ইমান নিষ্ঠুৰ ।

কালকেশী ঃ নিষ্ঠুৰ ? সত্য বচন , নহওঁ মই নিষ্ঠুৰ হাঃ হাঃ আজিৰ বাবে তয়ে হ নিষ্ঠুৰ । ল , এই অস্ত্ৰ ল, তয়েই দে বলি এই পাষণ্ডক ।নতু পুত্ৰই কৰা অপৰাধৰ বাবে তইও নাপাবি নিস্তাৰ।

মন্ত্ৰী ঃ দৈত্যপতি , কেনেকৈ হত্যা কৰোঁ মই নিজ পুত্ৰক ।হে প্ৰভু -- বাচা তই ঠিকেই কৈছ মই তোৰ পিতা হ'ব নোৱাৰো । মই দেশদ্ৰোহী, মই ৰাজদ্ৰোহী, মই ষড়যন্ত্ৰকাৰী নৰাধম।

অজয় ঃ পিতা , বেজাৰ নকৰিবা । ভোগ কৰিব লাগিব তুমি তোমাৰ কৰ্মফল। পিতা , দিছো মই শিৰ পাতি , তুমি মোক কৰা শিৰচ্ছেদ । এয়াই হ'ব তোমাৰ বাবে যোগ্য শাস্তি ।

মন্ত্ৰী ঃ নাই নাই বাচা সেই কাৰ্য্য মোৰ দ্বাৰা নহ'ব কদাপি। প্ৰভূ , তোমাৰ চক্ৰ মোলৈ প্ৰহাৰ কৰা । মোক মৃত্যু দিয়া প্ৰভূ ---

বিক্ৰম ঃ মন্ত্ৰীবৰ, কিয় পলম কৰিছা ? পুত্ৰৰ প্ৰতি স্নেহ উপজিছে । হাঃ হাঃ দৈত্যপতি, ইহঁত দুয়োটাকে আজি আপুনি দেৱীৰ চৰণত কৰক অৰ্পণ ----

কালকেশী ঃ অজয় , বলিৰ বাবে তই হ সাজু ।

অজয় ঃ মৃত্যুৰ বাবে কেতিয়াও এই অজয়ে ভয় নকৰে দৈত্যপতি । তোমাক মই কোনো দোষ নিদিওঁ। কিন্তু পুতৌ জন্মিছে মোৰ এই বিক্ৰমসেনৰ প্ৰতি। শুনা বিক্ৰম , তোমাৰ সপোন কেতিয়াও নহ'ব পুৰণ। পলোৱাই পঠালো মই ৰাজ কন্যা অমীয়াকো ।

বিক্ৰম ঃ কি , অমীয়াক তই ৰাজ্যৰ পৰা পলোৱাই পথালি ? আঃ তোৰ ইমান সাহস। দৈত্যপতি , ইয়াৰ শিৰ মই বলি শালত দিওঁ সুমুৱাই । আপুনি বলি কাৰ্য্য কৰক সমাপন ।

অজয় ঃ সাৱধান বিক্ৰম, তই মোক নকৰিবি স্পৰ্শ । তহঁতৰ বাবেই আমাৰ ৰাজ্য শ্মশানত হ'ল পৰিণত। নিজ স্বাৰ্থ পুৰণৰ হেতু জন্মভূমিক প্ৰতাৰণা কৰোঁতাতকৈ আৰু মহাপাপী নাই জগতত । দিছো মই তোক অভিশাপ, তই তোৰ কাৰ্য্যৰ বাবে মনত কেতিয়াও নাপাবি শান্তি । হে জন্মভূমি, তুমি ক্ষমা কৰিবা মোক , নোৱাৰিলো ৰক্ষা কৰিব তোমাক শত্ৰুৰ হাতৰ পৰা । হে দৈত্যপতি আৰু পলম নকৰিবা। শিৰ পাতি দিছো মই , তোমাৰ কাৰ্য্য কৰা সমাপন ।

মন্ত্ৰী ঃ নাই নাই বাচা , দৈত্যপতি, মই আপোনাৰ চৰণত ধৰিছো। বাচাৰ পৰিৱৰ্তে মোকেই কৰক হত্যা ।

কালকেশী ঃ আ: মন্ত্ৰী , কিয় দিছ বাধা তই মোৰ কাৰ্য্যত। ভাতৃ , বন্দী কৰি ৰাখা ইয়াক।

কালজিত ঃ দাদা , আপুনি বলি কাৰ্য্য কৰক সমাপন। আহ মূৰ্খ , পুত্ৰৰ মৃত্যুদণ্ড আজি তই কৰ উপভোগ।

কালকেশী ঃ দেৱী মা , গ্ৰহণ কৰিবা তুমি এই বালকক। জয় দেৱী চণ্ডীকা মা , জয় দেৱী মাৰ জয় --(বলি দিয়ে)

**সূত্ৰ ঃ কালজিতে মন্ত্ৰীক ধৰি ৰাখে। পুত্ৰক বলি দিয়া দেখি মন্ত্ৰী মূৰ্চ্ছা যায়। বলি কাৰ্য্য সমাপন কৰি কালকেশীয়ে অজয়ৰ মৃত দেহলৈ চাই নিমাত হৈ বহি পৰে।**

কালজিত ঃ দাদা , আপুনি নিমাত কিয় ? দাদা , দাদা কি হৈছে আপোনাৰ --- ?

কালকেশী ঃ ভাতৃ , কতবাৰ মই বলি কাৰ্য্য কৰিছো সমাপন। কিন্তু নাজানো কিয় আজিৰদৰে অনুভুতি মোৰ কেতিয়াও হোৱা নাছিল । দেৱী মা বাৰু আজি আমাৰ ওপৰত অসন্তোষ্ট হৈছে নেকি ?

কালজিত ঃ দাদা , এয়া আপোনাৰ মনৰ ভ্ৰম ; বলিৰ ৰক্তৰে সন্তুষ্ট আজি দেৱীমা । ব'লক দাদা , অন্তেষপুৰত গৈ আপুনি কৰকগৈ বিশ্ৰাম ।

**সূত্ৰ ঃ মন্ত্ৰীৰ বাদে সকলোৰে প্ৰস্থান। মন্ত্ৰীয়ে যি কয়--**

মন্ত্ৰী ঃ বাচা, বাচা অজয় ; উঠ বাচা, তই নামাত কিয় ? অভিমান এৰ বাচা ,তই মোক ক্ষমা কৰি দে। ই কি ? তোৰ গাত তেজ ? বাচা অজয় , তই মোক এৰি নাযাবি। মোক ইমান কষ্ট নিদিবি বাচা । তোৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম (কান্দে)-- হাঃ হাঃ মূৰ্খহঁত, ক'ত পলাইছ --মোৰ বাচা হব কুশলৰ ৰাজন। জয় ৰাজন অজয়ৰ --বাচা (কান্দে) নাই নাই , নজগাঁও ,তহঁতেও মোৰ বাচাক নজগাবি। সি শুইছে ; সাৰ পাই সি ঘোঁৰাত উঠি ৰাজ্য কৰিব ভ্ৰমণ ; অ ঘোঁৰা , ঘোঁৰা আনিব লাগিব এটা ঘোঁৰা হাঃ হাঃ----

**সূত্ৰ ঃ মন্ত্ৰীৰ প্ৰস্থান। আনফালে সভাত বিষ্ণু ----**

বিষ্ণু ঃ সকলো কাৰ্য্যই আমাৰ হৈছে সাধন। ধন্য ধন্য অজয়, ধন্য তোমাৰ ৰাজ ভক্তি। জগতত উৎকৃষ্ট নিদৰ্শন ৰাখিলা তুমি । তোমাৰ জীৱন দান অথলে নাযায় অজয় , তুমি স্বৰ্গত স্থান পাবা । আৰু ভানুসিংহ , তোমাৰ ভক্তিতো আমি হৈছো সন্তোষ্ট। শেষবাৰৰ বাবে আমি তোমাৰ এটা লম পৰীক্ষা । এই পৰীক্ষাটো যদি তুমি হোৱা উত্তীৰ্ণ নিশ্চয় তুমি বৈকুণ্ঠত পাবা স্থান । যাওঁ এতিয়া মোৰ কৰ্তব্যত হওঁ অগ্ৰসৰ ।

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান। অন্যফালে অৰণ্যৰ মাজত ভানুসিংহ---------**

ভানুসিংহ ঃ ধন্য ধন্য অজয় , তোমাৰ বাবেই পলাই আহি পালোহি এই অটব্য অৰণ্যত। চাৰিওফালে মাথো শুনো হিংস্ৰ জন্তুৰ আৰ্তনাদ। আহিবৰ সময়ত লগ নাপালো অমীয়াকো । অমীয়াক জানো সিহঁতে----হে প্ৰভূ, ৰাজ্যহাৰা, পুত্ৰ হাৰা, কন্যা হাৰা আজি এই ভানুসিংহ। তোমাক পূজা কৰাৰ এইয়া নেকি ফল প্ৰভূ। উসঃ মই আৰু সহ্য কৰিব নোৱাৰো। হে দেৱেন্দ্ৰ, প্ৰহাৰ কৰা তোমাৰ বজ্ৰ এই ভানুসিংহৰ ওপৰত। ই কি ? কোনোবাই যেন কৰিছে ক্ৰন্দন । কোন , কোনে কৰিছে ক্ৰন্দন ?

**সূত্ৰ ঃ এনেতে অন্ধ বামুনৰ বেশে বিষ্ণু সোমাই আহি যি কয়---**

বিষ্ণু ঃ কোন ফালে যাওঁ, ক'ত সোমালোহি মই। হে প্ৰভূ, তুমি মোক কিয় এনেদৰে জনম দিয়ালা। নাই নাই নোৱাৰো আৰু মই সহ্য কৰিব । তুমি মোক মুক্তি দিয়া প্ৰভু, চিৰ মুক্তি দিয়া। (বহি পৰে)

ভানুসিংহ ঃ (ওচৰ চাপি) কোন তুমি ? এই গভীৰ অৰণ্যৰ মাজত তুমি কিয় ক্ৰন্দন কৰিছা ?

বিষ্ণু ঃ কোন ? কোনে মোক মাতিছে ? তুমিনো মোৰ দুখৰ কথা জানি কি কৰিবা ?

ভানুসিংহ : সকলো ভগবানৰ ইচ্ছা । তথাপি জানিব বিচাৰো মই তোমাৰ দুখৰ কাৰণ।

বিষ্ণু ঃ পথিক, মই এজন দৰিদ্ৰ ব্ৰাহ্মণ । সৰুতেই হেৰুৱালো মই পিতৃ - মাতৃক। শ্ৰীহৰিৰ সৃষ্টি এই ধৰণীখন এবাৰ চাবলৈ বৰ হেঁপাহ আছিল মোৰ। কিন্তু প্ৰভূৱে মোৰ ওপৰত এইকনো দয়া নকৰিলে। জন্মৰ পৰাই অন্ধ মই । অনাই - বনাই ঘুৰি ফুৰোঁতে লগ পাইছিলো এজন সাধুক, কৈছিল সাধুজনে যদি এই পৃথিৱীৰ কোনো দয়াবান ব্যক্তিয়ে স্ব-ইচ্ছাৰে মোক তেওঁৰ চকু জুৰি দিয়ে দান , তেতিয়া মোৰ মনৰ আশা হ'ব পূৰণ । কিন্তু এই স্বাৰ্থপৰ পৃথিৱীত আছে জানো এনে ব্যক্তি ?

ভানুসিংহ ঃ বুজিছো, -- তুমি চিন্তা নকৰিবা, মোৰ এই চকু জুৰিকেই তোমাক কৰিম প্ৰদান।

বিষ্ণু ঃ কিয় মিছাতেই এই অভাগাক প্রলোভন দিছা পথিক ?

ভানুসিংহ ঃ প্রলোভন নহয় দেৱ। খন্তেক অপেক্ষা কৰা। মোৰ চকু জুৰি তোমাক কৰিম দান। হে প্ৰভূ, তোমাৰ সৃষ্টি এই দুৰ্ভগীয়া ব্ৰাহ্মনে এবাৰ প্ৰাণ ভৰি চাবলৈ কৰিছে ইচ্ছা। তেওঁৰ ইচ্ছাক মই পুৰণ কৰিব বিচাৰো। সেয়েহে তোমাৰেই দান মোৰ এই চকু জুৰি ব্ৰাহ্মনক মই কৰিম দান। জয় শ্ৰীহৰি (চকু উলিয়াই)-- লোৱা ব্ৰাহ্মণদেৱ লোৱা।

**গীত - (ৰাগ ঃ পূৰ্বী )**

**দেখা দেখা নৰলোক সাধুৰ লক্ষণ ।**
**নিজ চক্ষু কৰে আজি ব্ৰাহ্মণক দান ।।**

**সূত্ৰ ঃ ভানুসিংহই চকু দান কৰে। যন্ত্ৰণাত ভানুসিংহ অচেতন হৈ পৰি যায়। বিষ্ণুই যি কয়।**

বিষ্ণু ঃ (স্বগত:)ধন্য ধন্য ৰাজন, তুমি আমাৰ অন্তিম পৰীক্ষাতো হ'লা উত্তীৰ্ণ । তোমাৰ দৰে মহা ধাৰ্মিক , ন্যায় পৰায়ন ভক্তৰ বাবে সদায় খোলা থাকিব বৈকুণ্ঠৰ দ্বাৰ ।

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান। ভানুসিংহ অচেতন হৈ পৰি থাকে। তেনেতে অমীয়া---**

অমীয়া ঃ উসঃ আৰু কিমান পলাম। ভাগৰত মোৰ শৰীৰ অৱশ হৈ পৰিছে। ক'ত আহি সোমালোহি মই। মোৰ যে বৰ ভয় লাগিছে। পিতা ,দাদা তোমালোক ক'ত আছা ? ( আঁতৰত ভানুক দেখি) সৌৱা কোন ? এজন মানুহ এই নিৰ্জন অৰণ্যৰ মাজত কিয় এনেদৰে আছে পৰি ? কোন আপুনি ?---

ভানুসিংহ ঃ কোন ---- ? কোনে মোক মাতিছে --- ?

অমীয়া ঃ পিতা ----- ? পিতা... আপুনি ------

ভানুসিংহ ঃ কোন ? অমিয়া , তই আহিলি আই , তই কুশলে আছ নে আই ?

অমীয়া ঃ মই কুশলে আছো পিতা , কিন্তু আপোনাৰ এই দশা কোনে কৰিলে পিতা ?

ভানুসিংহ ঃ অমিয়া, এইবোৰ সকলো বিধিৰ লিখন। বিধিৰ লিখন কোনেও নোৱাৰে খণ্ডাৰ । কাকো মই জগৰীয়া নকৰোঁ মোৰ এই অৱস্থাৰ বাবে । প্ৰভূ , অশেষ ধন্যবাদ ; তুমিহে আমাক ৰাখিছা কুশলে ।

অমীয়া ঃ পিতা , অজয়কো ধন্যবাদ দিব লাগিব । অজয়ৰ সহায়তেই মই ৰাজ্যৰ পৰা আহিলো পলাই ।

ভানুসিংহ ঃ ধন্য ধন্য অজয় , তোমাৰ কৃপাতেই আজি আমি আছো জীয়াই। কিন্তু অজয়েতো মোৰ কাষলৈ আহিম বুলি দিছিল প্ৰতিশ্ৰুতি । কিবা বিপদ --- হে প্ৰভূ , অজয়ক তুমি ৰক্ষা কৰিবা । অমীয়া, মোৰ বাবে অলপ জলৰ যোগাৰ কৰিব নোৱাৰনে ? পিয়াহত মোৰ কণ্ঠ গৈছে শুকাই ।

অমীয়া ঃ পিতা , দেখা নাই ইয়াত জল । আঁহা পিতা , কিছুদুৰ যাঁও আগুৱাই ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । সভাত মৃগয়া যাত্ৰা কৰি বিক্ৰমৰ প্ৰৱেশ----**

**গীত**

**মৃগৰ হেতু চলি আহে বিক্ৰমসেন বীৰ।**
**হাতে ধনু ধৰি চলে গভীৰ বনত।।**

**সূত্ৰ ঃ বিক্ৰমসেনৰ প্ৰস্থান। আনফালে জল বিচাৰি অমীয়া বনৰ মাজত------**

অমীয়া ঃ কি আচৰিত , অতদুৰ আহিলো অথচ জল বিচাৰি পোৱা নাই। অ' পাইছো , সৌৱা এখন নদী ----

**সূত্ৰ ঃ অমীয়াই জল লৈ থাকে । এনেতে বিক্ৰম ----**

বিক্ৰম ঃ বহুদুৰেই আগুৱাই আহিলো । তথাপি নাপালো মৃগৰ সন্ধান। পিয়াহত মোৰ-- ( অমীয়াক দেখি ) আচৰিত; এই অটব্য অৰণ্যৰ মাজত কোন এই নাৰী ? কোন তুমি ? কি কৰিছা এই নিৰ্জন অৰণ্যত ?

অমীয়া ঃ কোন, কোনে মাতে মোক ? ই কি সেনাপতি বিক্রম , তই ইয়ালৈকো আহিলি ?

বিক্রম ঃ হাঃ হাঃ কি যে ভাগ্য আজি মোৰ। হৰিণা বিচাৰি আহি হেৰুৱা ৰত্নকে পালো বিচাৰি । অমীয়া , এই চৰাচৰ জগতৰ যলৈকে নোযোৱা কিয় তাতে উপস্থিত হব তোমাৰ এই প্ৰেমিক বিক্ৰম ।

অমীয়া ঃ মুখ বন্ধ কৰ পাপীষ্ঠ । কোন মুখেৰে কৰ এনে বাক্য উচ্চাৰণ। তোৰ দৰে দেশদ্ৰোহীৰ মুখত এই অমীয়াই শতবাৰ কৰোঁ পদাঘাট।

বিক্রম ঃ আঃ এতিয়াও আঁতৰা নাই এইৰ অহংকাৰ। আজি তোক বলপূৰ্বক ভাৱে মই কৰিম গ্ৰহণ।

অমীয়া ঃ এৰি দে , এৰি দে মোক । তই মোক স্পৰ্শ নকৰিবি ।

বিক্রম ঃ এৰি দিম হাঃ হাঃ ---- চাওঁ বাৰু তোক আজি কোনে ৰক্ষা কৰে মোৰ হাতৰ পৰা ।

অমীয়া ঃ পিতা , মোক ৰক্ষা কৰা ; পিতা , পিতা ,---

**সূত্র ঃ এনেতে মন্ত্ৰী --------------------**

মন্ত্ৰী ঃ হাঃ হাঃ হাঃ মূৰ্খ, কোন তহঁত ? মোক কিয় তহঁতে ধৰি ৰাখিছ। মোক মোক যাবলৈ দে। -- কি তই মোক যাবলৈ নিদিয় ; মোক এটা অশ্ব লাগে -- আঁতৰ হ --

বিক্রম ঃ মন্ত্ৰী , তই এতিয়াও আছ জীৱিত ? হাঃ হাঃ পুত্ৰ শোকত তই বকিছ প্ৰলাপ । সাৱধান , মোৰ কায্যত তই নিদিবি বাধা । নতু অজয়ৰ দৰে তোৰো কৰিম দশা।

মন্ত্ৰী ঃ অজয়, অ মোৰ পুত্ৰ অজয় ; কি তই মোৰ পুত্ৰক মাৰিবি ? সাৱধান , সাৱধান -- তাৰ পূৰ্বে তই মোৰ হাতৰপৰা নাপাবি পৰিত্ৰাণ ।

বিক্রম ঃ হাঃ হাঃ এক বৃদ্ধ পাগলে আজি বিক্ৰমসেনক দিয়ে প্ৰত্যাহ্বান । চা চা মূৰ্খ , অজয়ৰ দৰে তোৰো কৰিলো দশা । ( অস্ত্ৰ মাৰে )

**সূত্র ঃ মন্ত্ৰীৰ মৃত্যু হয়। তাকে দেখি অমীয়াই যি কয়-------------**

অমীয়া ঃ হাঁয় হাঁয় মন্ত্ৰীবৰ । মোৰ সন্মানৰ হেতু আপুনি দিলে প্ৰাণ বিসৰ্জন।

বিক্রম ঃ হাঃ হাঃ দেখিলা অমীয়া , তোমাৰ অহংকাৰৰ বাবে প্ৰাণ গৈছে আজি মন্ত্ৰীবৰৰ , সেয়েহে কৈছো তুমি মোক স্বামী ৰূপে কৰা গ্ৰহণ । আঁহা অমীয়া , মোৰ কাষলৈ আঁহা ।

অমীয়া ঃ আঁতৰ হ লম্পট , তোৰ দৰে মহা পাপীয়ে মোক নকৰিবি স্পৰ্শ , তই হত্যাকাৰী। পিতা , পিতা --

**সূত্র ঃ অমীয়া পলাই যায় , বিক্ৰমে খেদি নিয়ে । পুনৰ সভাত অমীয়া আৰু বিক্ৰম----**

অমীয়া ঃ পিতা মোক ৰক্ষা কৰা , দাদা দাদা -----

বিক্রম ঃ মাত মাত কোনে আজি তোক কৰিব সহায় হাঃ হাঃ হাঃ------

অমীয়া ঃ দাদা , পিতা ---- ( বিলাপ )

কৈত আছা দাদা মোৰ অম্বৰীষ বীৰ।
বিক্ৰমসেনে দিয়ে দুখ তোমাৰ ভনীক।।

বিক্রম ঃ হাঃ হাঃ ----------
আঁহা আঁহা প্ৰিয়ে তুমি অমীয়া সুন্দৰী।
আলিঙ্গন দিয়া মোক অপূৰ্ব তনয়ী ।।

**সূত্র ঃ বিক্ৰমে অমীয়াক হৰণ কৰি লৈ যাব খোজে, তেনেতে শালিবান -----------**

শালিবান ঃ সাৱধান , কিয় এই অৱলাৰ ওপৰত কৰ অত্যাচাৰ।

বিক্রম ঃ আহ বাৰে বাৰে কোনে আহি মোৰ কায্যত দিয়ে বাধা। অতি সোনকালে তই এই স্থান কৰ পৰিত্যাগ ।

শালিবান ঃ কাপুৰুষ নহওঁ মই , চাওঁ বাৰু কেনেদৰে কৰ অত্যাচাৰ এই অৱলাৰ ওপৰত তই ।

বিক্রম ঃ বেচ তেন্তে তোকো শেষ কৰি আজি মোৰ কামনা কৰিম পূৰণ ।

**সূত্ৰ ঃ দুয়োৰে যুদ্ধ হয় ।( তাল - ভংগী ) যুদ্ধত বিক্ৰম পলাই যায়।**

শালিবান ঃ কিয় পলালি নৰাধম ? এই শক্তিকে লৈ তই নাৰীৰ ওপৰত কৰ অত্যাচাৰ। দেৱী, কোন তুমি ? এই বনৰ মাজত তুমি কি কৰিছা ?

অমীয়া ঃ নাম মোৰ অমীয়া, অন্ধ পিতাৰ লগত এই বনতেই মই কৰোঁ বাস । জল বিচাৰি আঁহোতে এই দুৰ্বত্তই মোৰ ----। আপুনি আহি মোক ৰক্ষা কৰাৰ বাবে আপোনাক জনাইছো মই শতবাৰ ধন্যবাদ ।

শালিবান ঃ এয়া মোৰ কৰ্তব্য দেৱী । বলা তোমাক মই থৈ আহোঁ তোমাৰ পিতাৰ ওচৰত ---

অমীয়া ঃ বলক তেন্তে ?

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দৈত্যৰ ৰাজসভা -----**

কালজিত ঃ দাদা , আপোনাৰ আদেশমতে কুশল ৰাজ্যৰ সকলো বিষ্ণু মন্দিৰ ভাঙি কৰিলো চুৰমাৰ । ৰাজ্যৰ সকলোতে এতিয়া আমাৰেই জয়গান দাদা , আমাৰেই জয়গান হাঃ হাঃ---

কালকেশীঃ তথাপি মই নহলো সন্তুষ্ট ; চিৰশত্ৰু মোৰ ভানুসিংহ এতিয়াও জীৱিত । কিয় ভাতৃ , কিয় ?

**সূত্ৰ ঃ এনেতে বিক্ৰম আহি যি কয়---**

বিক্ৰম ঃ দৈত্যপতি , আৰু নকৰিব দুখ ; আনিছো আপোনাৰ বাবে এক শুভ সংবাদ ।

কালকেশীঃ শুভ সংবাদ ? কোৱা বিক্ৰম , কি সংবাদ ?

বিক্ৰম ঃ ভানুসিংহ আৰু অমীয়াৰ সংবাদ , সিহঁত দুটা আছে এতিয়া নিকুঞ্জ বনত । অলপতে মই মৃগয়ালৈ যাওঁতে সিহঁতক পালো দেখা ।

কালকেশী ঃ হাঃ হাঃ অতিকৈ শুভ সংবাদ দিলা বিক্ৰম। ভানুসিংহই দৈত্যৰ ভয়ত আজি নিকুঞ্জ বনত কৰিছে বাস। ভাতৃ আৰু সেনাপতি , ওলোৱা সৱে , সেই মহাপাপীক নিকুঞ্জ বনতে কৰোঁগৈ বধ।

বিক্ৰম ঃ দৈত্যপতি , ভানুসিংহক আপুনি নিশ্চয় কৰিব হত্যা । কিন্তু মোৰ প্ৰাপ্যও কৰক প্ৰদান ।

কালকেশী ঃ প্ৰাপ্য ---; হাঃ হাঃ কি প্ৰাপ্য তোমাৰ ?

বিক্ৰম ঃ দৈত্যপতি , আপুনিতো মোক কুশলৰ ৰাজসিংহাসন প্ৰদান কৰিম বুলি দিছিল প্ৰতিশ্ৰুতি ---

কালকেশী ঃ প্ৰতিশ্ৰুতি , হাঃ হাঃ দৈত্যৰ আকৌ প্ৰতিশ্ৰুতি -- চলে বলে কৌশলে ৰাজ্য জয় কৰাতোৰেই দৈত্যৰ নীতি। তেনেদৰেই কৰিলো জয় মই এই কুশল ৰাজ্য হাঃ হাঃ হাঃ-----

বিক্ৰম ঃ উসঃ এতিয়াহে বুজিলো তহঁতৰ লগত মিত্ৰতা কৰি কি ভুল কৰিলো মই । বিশ্বাসঘাটক, অনাচাৰী , নিলাজ , বৰ্বৰ তহঁত ।

বীৰবাহু ঃ আৰু তই মহা ধাৰ্মিক ? ষড়যন্ত্ৰকাৰী অধম পামৰ । তোৰ বাবেইতো আজি কুশল ৰাজ্য দৈত্যই কৰিলে গ্ৰাহ । তোৰ দৰে সৰ্পৰ স্থান নাই এই দৈত্যৰ সমাজত। যা তুৰন্তে বাহিৰ হৈ যা --

বিক্ৰম ঃ ভুলৰ শুধৰণীও কৰিব জানে বিক্ৰমে। হত্যা কৰি তহঁতক উদ্ধাৰ কৰিম মই কুশল ৰাজ্য ।

কালকেশী ঃ হাঃ হাঃ সেনাপতি আৰু ভাতৃ , এই পাষণ্ডক দিয়া উচিত দণ্ড ।

বিক্ৰম ঃ বেচ তেন্তে , ল অস্ত্ৰ তুলি ।

**সূত্ৰ ঃ দুয়ো দলৰ যুদ্ধ। যুদ্ধত কালকেশীয়ে বিক্ৰমক পাছফালৰ পৰা বন্দী কৰে।**

কালকেশী ঃ হাঃ হাঃ এই শক্তি লৈয়ে যুদ্ধ কৰ দৈত্যৰ লগত। সেনাপতি, বন্দী কৰি থোৱা ইয়াক। ভানুসিংহক নিধন কৰি দেৱী মাৰ চৰণত ইয়াক কৰিম অৰ্পন ।

বীৰবাহু ঃ আহ মূৰ্খ , এয়াই তোৰ প্ৰাপ্য হাঃ হাঃ ----

**সূত্ৰ ঃ বীৰবাহুৱে বিক্ৰমক লৈ যায়---------------**

কালজিত ঃ হাঃ হাঃ দাদা উপযুক্ত দণ্ডকে দিলে আপুনি বিক্ৰমসেনক। পিছে দাদা, এতিয়া ভানুসিংহক----

কালকেশী ঃ ভানুসিংহ ; আঃ তাৰ কথা শুনিলেই প্ৰতিশোধৰ দাবানল দপ্‌দপ্‌কৈ উঠে জ্বলি মোৰ । নাই নাই সি আৰু জীয়াই থাকিব নোৱাৰে। তাক হত্যা কৰিলেহে পাতালকেতুৰ আত্মাই পাব চিৰ শান্তি । ওলোৱা ভাতৃ , যাত্ৰা কৰোঁ আমি নিকুঞ্জ বনলৈ।

**<u>সূত্ৰ ঃ দৈত্যগণে যাত্ৰা কৰে । আনফালে শালিবান----------------</u>**

শালিবান ঃ হে প্ৰভূ , কুশলে ৰাখিবা সবাকে -----(<u>স্তুতি</u> )

নাৰায়ণ নিৰাকাৰ দৈৱকী নন্দন।
তোমাৰ চৰণে প্ৰভূ কৰোঁহো বন্দন।।

**<u>সূত্ৰ ঃ এনেতে বেগেৰে দৈত্যগণ ---</u>**

কালকেশী ঃ আঃ ভানুসিংহ , এই বনৰ মাজতো কৰ তই বিষ্ণু পূজাৰ আয়োজন। ( পদাঘাট কৰে )

শালিবান ঃ আঃ কোন , কোনে মোৰ পূজাত কৰিলে ব্যাঘাট ?

কালকেশী ঃ শালিবান, বাচা তই ? উসঃ দেৱী মা এইয়া মই কি দেখিলো ? আজি পিতাই কৰিছে জগতত শাসন। Uaÿä U{ Ný @ä ã] äUzäWÿ yõ * äNZá\ äGõ] KÿWäÿU’ল। উঠাই ল’লো মই তোৰ নিৰ্বাসন দণ্ড।

শালিবান ঃ ক্ষমা কৰিব পিতা, মই ৰাজ্যলৈ আৰু উভতি নাযাওঁ। এই বনৰ মাজতেই আজীৱন মই কৰিম বাস।

কালকেশী ঃ অবাধ্য নহবি বাচা । বিষ্ণু আমাৰ ঘোৰ শত্ৰু। পদে পদে বিষ্ণুৱে আমাক কৰিছে চালনা । আৰু বাচা , তোৰ দাদা পাতালকেতুক এক বিষ্ণুভক্তই কৰিলে হত্যা। তেনে স্থলতো তই -----

শালিবান ঃ উসঃ আৰু নক’বা পিতা। শ্ৰীহৰিৰ প্ৰতি এনে কটু বাক্য মই শুনিব নোখোজো। শুনা পিতা, তুমি যাক দৈত্যকুলৰ শত্ৰু বুলিছা, সেই বিষ্ণুৱেই প্ৰহ্লাদ আৰু বলিৰ মুক্তিদাতা নহয় জানো ?

কালজিত ঃ সেই বাবেই তুমি কি জ্যেষ্ঠ ভাতৃ পাতালকেতুৰ মৃত্যুকো কৰিবা গ্ৰহণ ? এয়াইনেকি তোমাৰ কৰ্তব্য।

শালিবান ঃ দৈত্যই হওঁক বা দেৱতাই হওঁক, কৰ্মফল ভোগ কৰিবই লাগিব। বিষ্ণু ভক্তৰ ওপৰত অত্যাচাৰ কৰি দাদাই কৰিছিল পাপ। সেই পাপৰ ফল দাদাই কৰিলে ভোগ। আপোনালোকৰ ওচৰত হাত যোৰ কৰি মই কৰিছো মিনতি শ্ৰীবিষ্ণুৰ লগত আৰু নকৰিব শত্ৰুতা ।

কালকেশী ঃ আঃ কুলাঙ্গাৰ, ইমানকৈ বুজোৱাৰ পাছতো তই নাপালি বুজি। ভাতৃ , ধৰা এই পাপীষ্ঠক। নিজ হাতে মই আজি ইয়াৰ কাঢ়িম দৃষ্টি শক্তি ; চাম বাৰু অন্ধ হৈ ই কেনেদৰে কৰে বিষ্ণু ভক্তি ---

**<u>সূত্ৰ ঃ কালজিতে শালিবানক ধৰি থাকে । কালকেশীয়ে শালিবানৰ চকু কাঢ়ে।</u>**

**<u>গীত</u>**

**<u>দেখা দেখা নৰলোক ভক্তৰ মহিমা।</u>**
**<u>অত দুখ পায়ো তুমি ভকতি নেৰিলা।।</u>**

কালকেশী ঃ হাঃ হাঃ পৰি থাক , পৰি থাক কুলাঙ্গাৰ। বিষ্ণুক পূজা কৰাৰ আজি ফল তই হাতে হাতে পালি। ব’লা ভাতৃ , এতিয়া আমি বিচাৰি যাওঁ ভানুসিংহক।

**<u>সূত্ৰ ঃ দৈত্যসকলৰ প্ৰস্থান। শালিবানে যি কয়---</u>**

শালিবান ঃ উসঃ অসহ্য যান্ত্ৰণা প্ৰভূ ? ইমান যান্ত্ৰণা মই নোৱাৰো সহ্য কৰিব । প্ৰভূ, তুমি ক’ত আছা ? আঃ চাৰিওফালে অন্ধকাৰ, একোৱে দেখা নাই মই। কেনি যাওঁ, কেনি যাওঁ মই সখাক আজি মই কোন বাটে গ’লে বিচাৰি পাম ? পিতা, তুমি বাৰু ইমান নিষ্ঠুৰ কেনেকৈ হ’লা ? নিজ হাতে তুমি কেনেকৈ পুত্ৰৰ কাঢ়িলা দৃষ্টি শক্তি। তোমাৰ অকনো দয়া নুপজিল ? প্ৰভূ --প্ৰভূ---

**<u>সূত্ৰ ঃ এনেতে বিষ্ণু----------------------</u>**

বিষ্ণু ঃ উঠা শালিবান------

শালিবান ঃ কোন , কোনে মাতিছে মোৰ নাম ধৰি ?

বিষ্ণু ঃ মোৰ পৰিচয় নিশ্চয় পাবা। তুমি মোলৈ এবাৰ চোৱাচোন । নিশ্চয় তুমি মোক চিনি পাবা।

শালিবান ঃ আজি মই অন্ধ , কেনেকৈ বাৰু দেখিম আপোনাক ?

বিষ্ণু ঃ ( শালিবানৰ চকু স্পৰ্শ কৰে ) বাৰু এইবাৰ চোৱাচোন শালিবান ?

শালিবান ঃ ই কি প্ৰভূ ; আপুনি---- ? প্ৰভূ , এই অধমৰ সেৱা গ্ৰহণ কৰক।

বিষ্ণু ঃ উঠা ভক্ত ? তোমাৰ ভক্তিত সন্তুষ্ট আমি। কালকেশীৰ অত্যাচাৰ দিনক দিনে বাঢ়িব ধৰিছে। এই নিকুঞ্জ বনতে সিহঁতে কৰিছে বিচৰণ। সেইহেতু তুমি এতিয়া যোৱা সখাৰ সমীপে। নহ'লে দৈত্যই তোমাৰ সখাৰ ওপৰতো চলাব অত্যাচাৰ । যোৱা তুমি ? আমিও যাওঁ এতিয়া নিজ কৰ্তব্যত ।

শালিবান ঃ যিবা আজ্ঞা প্ৰভূ ? এতিয়াই যাম মই সখাৰ ওচৰলৈ । দিয়ক আশীৰ্বাদ ----

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। অন্যফালে সভাত অমীয়া আৰু ভানুসিংহ----**

অমীয়া ঃ পিতা , বৰ ভাগৰ লাগিছে । মই আৰু এখোজো আগবাঢ়িব নোৱাৰোঁ।

ভানুসিংহ ঃ তেন্তে আই , এই স্থানতে আমি খন্তেক লওঁ জিৰণীঁ ।

অমীয়া ঃ আহক পিতা , সৌ গছৰ ছাঁতে জিৰণী লওঁ । মই অলপ পৰ নিদ্ৰা যাওঁনে পিতা ?

ভানুসিংহ ঃ আহ আই মোৰ কোলাতেই যা তই নিদ্ৰা ।(অমীয়া শুৱে) হে প্ৰভূ , আৰু কিমান দিবা যান্ত্ৰনা ---

**সূত্ৰ ঃ অমীয়া নিদ্ৰা যায়। আনফালে কালকেশী আৰু কালজিত ----**

কালকেশী ঃ সমগ্ৰ নিকুঞ্জ বন বিচাৰি কৰিলো চলাথ , কিন্তু ভানুসিংহক নাপালো বিচাৰি । আচৰিত----

কালজিত ঃ দাদা , সৌটো কোন ?-- এটা বৃদ্ধ আৰু তাৰ কোলাতেই আছে শুই এক দিপলীপ কন্যা ?

কালকেশী ঃ দিপলীপ কন্যা ? আ-হা-হা কি যে সুন্দৰী, কিযে অপৰূপা , স্বৰ্গৰ অপেশ্বৰীৰ লগতো এই ৰমণীৰ নহয় তুলনা হাঃ হাঃ--

ভানুসিংহ ঃ কোন কোন আহিছে ----- ?

অমীয়া ঃ ( সাৰ পাই ) কি হৈছে পিতা--- ? (দৈত্যক দেখি) কোন তহঁত ---- ?

কালকেশী ঃ আচৰিত ৰমনী আচৰিত, এই মহা শক্তিধৰ মৰতবিজেতা দৈত্য কালকেশীক তুমি চিনি নোপোৱা ?

ভানুসিংহ ঃ কি মহাপাপী কালকেশী ? শেষ কৰি দিলি তই মোৰ কুশল ৰাজ্য। ইমানতো কি তোৰ হেঁপাহ নপলাল ? আহিছ তই এতিয়া আমাক বনত বিচাৰি ?

কালকেশী ঃ হা: হা: ভানুসিংহ , দেখিলি ৰাজন, বিষ্ণু পূজা কৰি তোৰ আজি কি দশা হ'ল ? ৰাজ্য গ'ল , পুত্ৰ গ'ল , গ'ল তোৰ দৃষ্টি শক্তি আৰু আজি তোক হত্যা কৰি তোৰ অপৰূপা কন্যাক আমি কৰিম সম্ভোগ হাঃ হাঃ হাঃ।

অমীয়া ঃ ক্ষমা কৰক দৈত্যপতি , পিতাক আপুনি নকৰিব হত্যা । আপোনাৰ আজ্ঞা মই কৰিম পালন।

ভানুসিংহ ঃ অমীয়া , যা আই , তই যা ইয়াৰপৰা । অন্ধ হ'লেও আছে মোৰ দুবাহুত বল । নিজ কন্যাক ৰক্ষাৰ হেতু মই লম্পটহঁতৰ লগত কৰিম ৰণ।

কালজিত ঃ হাঃ হাঃ অন্ধই আজি দৈত্যৰ লগত কৰিব ৰণ । দাদা , বন্দী কৰি ৰাখিছো মই এই সুন্দৰীক । হত্যা কৰক আপুনি এই পাষণ্ডক ।

**সূত্ৰ ঃ কালকেশীয়ে ভানুসিংহৰ বুকুত অস্ত্ৰ বহুৱাই। অমীয়াক লৈ দৈত্যসকলৰ প্ৰস্থান।**

ভানুসিংহ ঃ আঃ নোৱাৰিলো ৰক্ষা কৰিব অমীয়াক, উসঃ প্ৰাণ যাওঁ যাওঁ। হে প্ৰভূ , তুমি দৈত্যৰ হাততহে মোৰ লিখিলা মৰণ । আঃ মৃত্যুৰ সময়তো মই তোমাক দেখা নাপালো প্ৰভূ ।

**সূত্ৰ ঃ এনেতে আকাশবাণী হয়-----**

*(আঃবাণী ঃ ৰাজন, তুমি পুত্ৰ মোহত পৰি সত্য ৰক্ষাৰ পৰা বিচলিত হৈছিলা। সেয়েহে তোমাৰ মহাপাপী কালকেশীৰ হাতত মৰণ মিলিল। কিন্তু ধৰ্মৰ প্ৰভাৱত তুমি বৈকুণ্ঠত স্থান পাবা। )*

ভানুসিংহ ঃ কি শুনালা প্ৰভূ , মই বৈকুণ্ঠত স্থান পাম। প্ৰভূ , প্ৰভূ -----

**সূত্ৰ ঃ ভানুসিংহ পৰি থাকে । এনেতে অম্বৰীষ আহে ---**

অম্বৰীষ ঃ দহ বছৰ আজি পূৰ্ণ হ'ল। যাম মই এতিয়া নিজ ৰাজ্যলৈ ঘূৰি । সাক্ষাত পাম পিতাৰ ; সাক্ষাত পাম ভগ্নী অমিয়াৰ ( ভানুসিংহক দেখি) কোন এইজন ? কোন আপুনি ? কি হৈছে আপোনাৰ ?

ভানুসিংহঃ কোন --- ?

অম্বৰীষ ঃ ই কি পিতা , এই বনৰ মাজত আপুনি -- ? আঃ কোনে কৰিলে আপোনাৰ এনে দশা ?

ভানুসিংহঃ বাচা , তুমি আহিলা --সকলো শেষ হৈ গ'ল বাচা । দৈত্যই আমাৰ ৰাজ্য দখল কৰিলে । আজি কালকেশীয়ে মোক প্ৰহাৰ কৰি লৈ গৈছে তোৰ ভনী অমিয়াক ---আঃ প্ৰভূ , প্ৰ---**( মৃত্যু )**

অম্বৰীষ ঃ পিতা , পিতা ---নাই নাই পিতা , তুমি এনেদৰে আমাক এৰি থৈ নোৰাৰা যাব । উঠা , উঠা পিতা ---পিতা ( কান্দে ) কালকেশী , সোণময় কুশল ৰাজ্য তহঁতে কৰি দিলি চাৰখাৰ। অধম দৈত্য পাতালত লুকালেও তই নাপাবি নিস্তাৰ । তোক হত্যা কৰি উদ্ধাৰ কৰিম মই মোৰ কুশল ৰাজ্য। উদ্ধাৰ কৰিম মই ভনী অমিয়াক । ই মোৰ প্ৰতিজ্ঞা ; অ কালকেশী, ই মোৰ ভীষণ প্ৰতিজ্ঞা --

**সূত্ৰ ঃ এনেতে শালিবান আহে --------------**

শালিবান ঃ সখা , ইমান উত্তেজিত হৈছা কিয় ? আৰু তোমাৰ মুখত শুনিলো কোনোবা দৈত্যৰ নাম-----

অম্বৰীষ ঃ উপযুক্ত সময়তে আহিলা সখা । চোৰা দৈত্যই মোৰ পিতাক কৰিলে হত্যা ।

শালিবান ঃ তোমাৰ পিতা ------ ?

অম্বৰীষ ঃ অ মোৰ পিতা । দিয়া নাছিলো মই তোমাক মোৰ প্ৰকৃত পৰিচয়। অম্বৰীষ মই কুশলৰ ৰাজকুমাৰ। পিতৃ সত্য ৰক্ষাৰ হেতু দহ বছৰলৈ আহিছিলো মই এই বনলৈ। পুনৰ ৰাজ্যলৈ ঘূৰি যাবলৈ হৈছিলো প্ৰস্তুত । কিন্তু দৈত্য কালকেশীয়ে আমাৰ ৰাজ্য চাৰখাৰ কৰি পিতাকো বনত কৰিলেহি হত্যা ।

শালিবান ঃ কি শুনালা সখা। এই কথা শুনাৰ আগতে মোৰ মৃত্যু নহ'ল কিয় ? পিতা , ইমানকৈ বুজোৱাৰ পাছতো তোমাৰ জ্ঞান চক্ষু নহ'ল মুকলি। এনেহেনে ধাৰ্মিক ৰাজনকো তুমি কৰিলা হত্যা। উসঃ প্ৰভূ , তুমি মোক এই দৃশ্য চাবলৈকে কৰিলা দৃষ্টি দান ?

অম্বৰীষ ঃ সখা কি কৈছা তুমি এয়া , মই একো বুজি পোৱা নাই ?

শালিবান ঃ সখা, মোক ক্ষমা কৰা। দিয়া নাছিলো তোমাক মোৰ প্ৰকৃত পৰিচয়। জন্ম মোৰ ঘৃণিত অস্পৃশ্য বৰ্বৰ দৈত্যকুলত , মহাপাপী মই। তোমাৰ পিতাৰাৰ হত্যাকাৰী কালকেশীয়ে হৈছে পিতৃ মোৰ।

অম্বৰীষ ঃ কি , তুমি দৈত্য কালকেশীৰ পুত্ৰ ? অ' বুজিছো তহঁত দুই পিতা পুত্ৰই মিলি মোৰ লগত কৰিলি চালনা । বন্ধুত্বৰ নামত তই মোৰ লগত কৰিলি বিশ্বাসঘাটকতা ।

শালিবান ঃ সখা, নহওঁ মই বিশ্বাসঘাটক, দেৱী পূজা নকৰি বিষ্ণুক পূজা কৰাৰ বাবে পিতাই মোক দিলে নিৰ্বাসন দণ্ড। তাৰ বাবে নাছিল আক্ষেপ। কিন্তু আজি পিতাই যি কায্য কৰিলে তাৰ বাবে লজ্জিত মই। ঘৃণা উপজিছে আজি মোৰ নিজৰ ওপৰত । লোৱা সখা এই তৰোৱাল, মোক কৰা শিৰচ্ছেদ ।

অম্বৰীষ ঃ সখা , ধন্য তুমি , তোমাৰ দৰে ভক্তপ্ৰাণ সখাক মই কৰিছিলো সন্দেহ । মোক ক্ষমা কৰা । সখা , তোমাৰ পিতৃ মহাপাপী কালকেশীক বধ কৰিবলৈ মোক দিয়া অনুমতি ।

শালিবান ঃ অনুমতি নহয় সখা , ময়ো যাম তোমাৰ লগত ।

অম্বৰীষ ঃ তেন্তে আৰু নকৰোঁ পলম ; প্ৰথমে পিতৃদেৱৰ অন্ত্যেষ্টিক্ৰীয়া সমাপন কৰি যাত্ৰা কৰোঁ আমি কুশলৰ দিশে ।

শালিবানঃ তেন্তে ব'লা লৈ যাঁও পিতাক অন্তিম বিদায়ৰ বাবে ---

গীত

**মৃতদেহ কান্ধে লৈয়া দুয়ো সখা চলে ।**
**শোকে দুখে দহে দুয়োৰ বিষাদিত মনে ।।**

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে অমীয়া আৰু বিক্ৰমসেনক লৈ দৈত্যগণ আহে ---**

অমীয়া ঃ এৰি দে , মোক এৰি দে ----

কালকেশীঃ হাঃহাঃ প্ৰথমে বিক্ৰমক দেৱীমাৰ চৰণত অৰ্পণ কৰি তোমাৰ লগত মোৰ বিবাহৰ কৰিম আয়োজন-

বিক্ৰম ঃ সাৱধান কালকেশী , ৰাজকন্যাৰ লগত তই নকৰিবি তেনে কাৰ্য ।

কালকেশীঃ হাঃ হাঃ বিক্ৰম , নিজৰ কাৰণে তই কৰ চিন্তা । মৃত্যুৰ সময় তোৰ হ'লহি উপস্থিত ।

বিক্ৰম ঃ সেই ক্ষণলৈকে মই আগ্ৰহেৰে কৰিছো অপেক্ষা ।

কালকেশী ঃ উত্তম , অতি উত্তম, যোৱা বীৰবাহু , পূজাৰ সকলো সামগ্ৰী তুমি কৰা যোগাৰ ।

বীৰবাহু ঃ যিবা আজ্ঞা দৈত্যপতি , এতিয়াই কৰিম যোগাৰ **(প্ৰস্থান)**

কালজিত ঃ বিক্ৰম , সন্মূখত মৃত্যুক দেখি আজি তোৰ লাগিছেনে ভয় ?

বিক্ৰম ঃ কালজিত , এই বিক্ৰমে মৃত্যুলৈ নকৰে ভয়। নিজেই দিম শিৰ পাতি। তহঁতে কৰিবি কায্য সমাপন।

**সূত্ৰ ঃ তেনেতে বীৰবাহুৰে পূজাৰ সামগ্ৰী লৈ আহে-----**

বীৰবাহু ঃ লওঁক দৈত্যপতি , পূজাৰ সকলো সামগ্ৰী মই যোগাৰ কৰি আনিছো।

বিক্ৰম ঃ হে প্ৰভু, মোৰ দৰে যাতে আৰু কোনো বিক্ৰমৰ নহওক জনম এই ধৰণীত। দৈত্যপতি, শিৰ পাতি দিছো মই, তোমাৰ কায্য কৰা সমাপন।

**সূত্ৰ ঃ কালকেশীয়ে বলি দিবলৈ খৰ্গ দাঙে। তেনেতে অম্বৰীষ আৰু শালিবান আহে ----**

শালিবান ঃ সাৱধান পিতা , পূজাৰ নামত আৰু নিৰিহ প্ৰাণীক নকৰিবা হত্যা ।

বীৰবাহু ঃ --শালিবান ? আচৰিত দৈত্যপতি, ইয়াৰটো দৃষ্টি শক্তি আমিয়ে কৰিছিলো হৰণ , তেনে স্থলত... ?

শালিবান ঃ বীৰবাহু , শ্ৰীহৰিৰ কৃপাত সকলো হয় সম্ভৱ। অন্ধই পাব পাৰে পুনৰ দৃষ্টি ঘূৰাই ।

কালজিত ঃ দাদা , বাৰে বাৰে শালিবানে আমাৰ কায্যত দিয়ে বাধা। আদেশ কৰক দাদা , ইয়াকো আজি দেৱীৰ চৰণত কৰোঁ অৰ্পন।

অম্বৰীষ ঃ সাৱধান মূৰ্খ, তাৰ আগতে মই তোক কৰিম নিধন। অন্যায় ভাৱে হত্যা কৰিলি তহঁতে মোৰ পিতাক, আজি তহঁতে নাপাবি নিস্তাৰ।

কালকেশী ঃ আঃ শিয়ালৰ মুখত সিংহৰ গৰ্জন। দৈত্যগণ , আক্ৰমণ কৰা ইহঁতক ।

গীত

**দুয়ো দলে যুদ্ধ কৰে অতি ভয়াবহ।**
**স্বৰ্গ মৰ্ত্ত্য পাতালো কম্পে থৰাথৰ ।।**

**সূত্ৰ ঃ যুদ্ধত দৈত্যগণ পলাই যায়। অম্বৰীষে বিক্ৰমক মুকলি কৰে---**

বিক্ৰম ঃ নাই নাই অম্বৰীষ , মোৰ দৰে দেশদ্ৰোহীক তুমি মুক্তি নিদিবা । মোৰ বাবেই তোমাৰ পিতাক দৈত্যই কৰিলে হত্যা । মোৰ আৰু জীয়াই থাকিবলৈ নাই ইচ্ছা ।

অম্বৰীষ ঃ দুখ নকৰিবা সেনাপতি। তুমি আজি অনুতপ্ত হ'লা, তোমাৰ উপযুক্ত শাস্তি হ'ল। উঠা সেনাপতি, শত্ৰু নিধনত তুমিয়েই আমাৰ নেতৃত্ব ল'ব লাগিব । ভনী অমীয়া , তই কুশলে আছ ?

অমীয়া ঃ দাদা , তোমাৰ অনুপস্থিতত সকলো শেষ হৈ গ'ল ।

বিক্ৰম ঃ পুনৰ উদ্ধাৰ হ'ব কুশল ৰাজ্য । সাজু হোৱা কুমাৰ , দৈত্যক হত্যা কৰি উদ্ধাৰ কৰোঁ নিজ ৰাজ্য।

শালিবান ঃ তেন্তে ব'লা সকলো অধৰ্মীহঁতক কৰোঁগৈ নিধন ।

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত কালকেশীয়ে অকলে যি কয় --</u>**

কালকেশী ঃ চাৰিওফালে মোৰ শত্ৰু। কাষত আজি নাই মোৰ কোনো। হে দেৱী মা , পুত্ৰ গ'ল , ভাতৃ গ'ল আৰু গ'ল মোৰ প্ৰধান সেনাপতি। নাই নাই দেৱী মা , এনে হ'ব নোৱাৰে। পৰাস্ত হ'ব নোৱাৰে দৈত্যশক্তি--

**<u>সূত্ৰ ঃ এনেতে শালিবান আৰু অম্বৰীষ ---</u>**

শালিবান ঃ সাৱধান পিতা, বহুত অত্যাচাৰ কৰিলা তুমি নিৰীহ প্ৰাণীৰ ওপৰত। আজি তাৰ কৰিম বিচাৰ ।

কালকেশী ঃ পুত্ৰ , কি তই পিতাৰ বিৰুদ্ধে ধৰিবি অস্ত্ৰ ?

শালিবান ঃ পুত্ৰ বুলি মোক নকৰিবা সম্বোধন । ঘৃণা লাগে মোৰ নিজকে দৈত্যৰ নন্দন বুলি পৰিচয় দিবলৈ । কিয় প্ৰাণ ল'লা তুমি বিষ্ণু ভক্ত ভানুসিংহৰ ?

কালকেশী ঃ কিয় নলম তাৰ প্ৰাণ ? সেই মহাপাপীয়েই হত্যা কৰিছিল তোৰ জ্যেষ্ঠ দাদাক।

শালিবান ঃ সেই মৃত্যু দাদাৰ প্ৰাপ্য আছিল ।

কালকেশী ঃ মুখ বন্ধ কৰ কুলাঙ্গাৰ । এনে পুত্ৰৰ প্ৰতি মোহ জন্মাৰ মোৰ নাই প্ৰয়োজন । তোক আজি মই নিজ হাতে কৰিম হত্যা ।

অম্ব ঃ সেই সুযোগ তই নাপাবি অধম । সখা, পিতৃ হত্যাৰ প্ৰতিশোধ লোৱাৰ মোক দিয়া সুযোগ । আহ পাষণ্ড , আজি অম্বৰীষে দিব তোক উচিত দণ্ড ।

**<u>গীত - ( ৰাগ ঃ ভাটিয়ালী , তাল ঃ ৰচক )</u>**

**এহিবুলি দুয়োবীৰে ৰণ আৰম্ভিলা ।**
**ৰণ দেখি দেৱগণ মনত শংকিলা ।।**
**বাৰে বাৰে অস্ত্ৰ মাৰে দুয়ো মহাবীৰ।**
**সূয্য পথক ভেদি ভৈলা অন্ধকাৰ।।**

**<u>সূত্ৰ ঃ যুদ্ধত অম্বৰীষৰ হাতত কালকেশীৰ মৃত্যু হয়।</u>**

শালিবান ঃ পিতা , তোমাৰ পাপৰ বাবেই আজি এনে শাস্তি পালা --

**<u>সূত্ৰ ঃ এনেতে বিক্ৰম আৰু অমীয়া ----</u>**

বিক্ৰম ঃ কুমাৰ , সকলো শত্ৰু হৈছে নিধন । ৰাজ্য এতিয়া হ'ল উদ্ধাৰ ।

অম্বৰীষ ঃ সখা , পিতাৰ মৃত্যুত নকৰিবা বেজাৰ । প্ৰভুৰ কৃপাত সকলো কায্য হ'ল সমাপন।

শালিবান ঃ দুখ নকৰোঁ সখা ; পাছে এতিয়াও এক কায্য আছে বাকী ।

অম্বৰীষ ঃ কি কায্য সখা ----- ?

শাালিবান ঃ বিক্ৰমসেন, ৰাজমুকুটৰ কৰা ব্যৱস্থা । নিজ হাতে মই সখাক কুশলৰ ৰাজমুকুট কৰাম পৰিধান।

বিক্ৰম ঃ কুমাৰ , তাৰ বাবে মই প্ৰস্তুত হৈ আহিছো । লওঁক এই ৰাজমুকুট।

**সূত্ৰ ঃ** **শালিবানে অম্বৰীষৰ শিৰত মুকুট পিন্ধাই দিয়ে। বিক্ৰমে জয়ধবনি কৰে ---**

বিক্ৰম ঃ জয় কুশল ৰাজ অম্বৰীষৰ , জয় কুশল ৰাজ অম্বৰীষৰ , জয় কুশল ৰাজ অম্বৰীষৰ

অম্বৰীষ ঃ সখা , পাছে এতিয়া তুমিও মোৰ এক অনুৰোধ ৰক্ষা কৰিব লাগিব।

শালিবান ঃ অনুৰোধ নহয় ৰাজন , আদেশ কৰক।

অম্বৰীষ ঃ তুমি মোৰ একমাত্ৰ ভনী অমীয়াক পত্নীৰূপে কৰিবানে গ্ৰহণ ?

শালিবান ঃ সখা , অমীয়াৰ দৰে গুণৱতী নাৰীক পত্নীৰূপে পালে জীৱন ধন্য হ'ব মোৰ ।

অম্বৰীষ ঃ আহ ভনী , পিতাৰ অবিহনে ময়ে কৰোঁ কন্যাদান ।

বিক্ৰম ঃ ৰ'ব ৰাজন , বিক্ৰমসেন জীয়াই থকা অৱস্থাত এই কাৰ্য্য কেতিয়াও হ'ব নোৱাৰিব। অমীয়া ভনী মোৰ, তোমাক মই বহুত অত্যাচাৰ কৰিলো । পাৰা যদি মোক ক্ষমা কৰি দিবা।

অমীয়া ঃ তেনেকৈ নক'ব , আপুনি মোৰ দাদাতুল্য ।

বিক্ৰম ঃ আঁহা অমীয়া , আমাৰ সখা শালিবানক পতিৰূপে গ্ৰহণ কৰা ।

**সূত্ৰ ঃ** **অমীয়াই শালিবানক সেৱা কৰে। মাঙ্গলিক বাদ্য বাজে -------**

শালিবান ঃ সখা , তেন্তে এতিয়া বিদায় মাগিছো , যাওঁ আমি নিজ ৰাজ্য অৱন্তীপুৰলৈ।

অম্বৰীষ ঃ যোৱা সখা , যা ভনী ঈশ্বৰে যেন তহঁতক কুশলে ৰাখে।

**সূত্ৰ ঃ** **শালিবান আৰু অমীয়া গমন কৰে-----**

**গীত- ( ৰাগ ঃ ভাটিয়ালী ; তাল ঃ পৰিতাল )**

**পত্নী সঙ্গে ৰঙ্গমনে শালিবান কুমাৰ।**
**চলি যায় নিজ ৰাজ্য কৰি মন স্থিৰ।।**
**দুষ্টক বধি প্ৰভূ সন্তক থাপিলা ।**
**ৰাম হৰি ৰাম হৰি সভাসদে বোলা ।।**

**সূত্ৰ ঃ** **সকলোৰে প্ৰস্থান । ইমানতে নাটভাগ সমাপ্ত হয় ।**

## গীত

( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ মতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আনগতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

## মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হে গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমল লোচন।।

ইতি , --- শালিবান উপাখ্যান ---- নাম নাট সমাপতি ভেল ।

## সমাপ্ত

জয় গুৰু শংকৰ



# ঋষ্যশৃংগ উপাখ্যান

নাট্যৰূপ

শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ , যোৰহাট
যোঃ নঃ ৮৪০৪০৫১৪৬৯

## পুৰুষ চৰিত্ৰ

১) সুত্ৰধাৰ
২) শ্ৰীবিষ্ণু
৩) নাৰদ
৪) ইন্দ্ৰদেৱ
৫) অগ্নিদেৱ
৬) পৱনদেৱ
৭) বিভাণ্ডক ঋষি
৮) ঋষ্যশৃংগ ঋষি
৯) দশৰথ ( অযোধ্যাৰ ৰাজন )
১০) লোমপাদ ( অংগৰাজ্যৰ ৰাজন )
১১) সম্বৰাসুৰ ( অসুৰ ৰাজন )
১২) অম্বৰাসুৰ ( অসুৰৰাজৰ ভাতৃ )
১৩) দম্ভাসুৰ (অসুৰৰ সেনাপতি )

## নাৰী চৰিত্ৰ

১) শান্তা ( অংগৰাজ্যৰ ৰাজকন্যা )
২) উৰ্বশী ( অপেশ্বৰী )
৩) মায়াৱতী ( বেশ্যা নাৰী )

## মুখা চৰিত্ৰ

হৰিণী

**শ্ৰীকৃষ্ণায় নমো নমঃ**

শ্লোক ঃ **নমঃ কৃষ্ণ নিৰাকাৰং জ্যোতি ৰূপং সনাতনম ।**
**পীত বস্ত্ৰ পৰিধায়ং ৰত্নাদি ভূষণং ভুষিতম ।।**
**সুৰেন্দ্ৰ গৰ্ব গঞ্জনং গাজেন্দ্ৰ দন্ত খণ্ডনম ।**
**বাসুদেৱ সুতং কৃষ্ণ গোবিন্দায় নমো নমঃ ।।**

অপিচ ঃ যেনাকাৰী প্ৰভূ ভগৱন্ত দুষ্ট অন্তকাৰী ভূমিভাৰ ৰক্ষাৰ্থেয়ো নানা ৰূপে অৱতাৰ ।।

গীত - নান্দী ( ৰাগ ঃ সুহাই , তাল ঃ একতাল )

জয় জয় ভৱ ভয়হাৰী ।
তুৱা পাৱে কৰোঁহো গোহাৰি।
যুগে যুগে হুয়া অৱতাৰ ।
হৰিলাহা পৃথিৱীৰ ভাৰ ।।
ৰাম কৃষ্ণ পদে মোৰ গতি ।
সৰ্বজনে ঘোষিয়ো সম্প্ৰতি ।।

সূত্ৰ ঃ নাদ্যন্তে সূত্ৰধাৰ, অলমতি বিস্তৰেণ, প্ৰথমং মাধৱো মাধৱ ইত্যুক্তা নত্বা নাৰায়ণ সভাসদেন সম্বোধায়।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়াধুনা --- **ঋষ্যশৃংগ উপাখ্যান** ---নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।

অথ ভটিমা

জয় জয় জগত জনক যদুদেৱ ।
পদ পঙ্কজ ৰজ অজ কৰো সেৱ ।।
তপ কৰে বিভাণ্ডকে ব্ৰহ্মচৰ্য পালি ।
ভাঙিলা ঋষিৰ তপ উৰ্বশী চল কৰি ।।
পান কৰি ঋষি বীৰ্য হৰিণীৰ ভৈলা গৰ্ভ ।
প্ৰসৱিলা এক শিশু শিৰে যাৰ শৃংগ ।।
লোমপাদে আনে ঋষ্যক নান চল কৰি ।
সমৰ্পিলা নিজ কন্যাক ঋষিক উদ্দেশ্যি ।।
হৰিৰ প্ৰসাদ লভে ঋষ্যশংংগ ঋষি ।
জগতত হৈল মহান নিজ কৰ্ম কৰি ।।
হেন জানি নৰলোক এৰা আন কাম ।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।

শ্লোক নৃত্য ঃ

সূত্ৰ ঃ আহে সঙ্গী , আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী , আকাশে দেৱ বাদ্য বাজত , বাজত , বাজত ----------

সূত্ৰ ঃ আ-হাহা মিলল, মিলল, আহে সভাসদ লোক হামো যাকেৰি কথা কহৈছি উহি পৰম পুৰুষ নাৰায়ণ এহি সভাৰ মধ্যে প্ৰৱেশ কৰি আৱত, আৱত, আৱত । তাক দেখহ শুনহ নিৰন্তৰে হৰি বোল, হৰি বোল ------

**ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ**

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ প্ৰৱেশ----**

শ্লোক ঃ প্ৰৱেশম কৰোত শ্ৰীবিষ্ণু স্বকান্তা কাম কৌটিজিত জগতং পালকো দেৱ দুষ্ট দানৱ দ্বাৰকং ।।

**গীত - ( ৰাগ ঃ সিন্ধুৰা , তাল ঃ একতাল )**

পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।
যাক দেখি মহা সুখী হুৱে সৰ্বজন।।
কৰ যোগ কঙ্কন ৰুণ জুন ৰুল ।
পীত বস্ত্ৰ পৰিধান সৰ্ব বক্ষ স্থল ।।
হেন মতে পাইলা গৈয়া সভাৰ ভিতৰ।
ডাকি হৰি হৰি বোলা সভাসদ নৰ।।

বিষ্ণু ঃ এই বিনন্দীয়া সৃষ্টিৰ আমিয়েই গৰাকী। আমাৰেই লীলাক্ষেত্ৰ সমস্ত জগত। আমাৰ ধৰ্ম, আমাৰ কৰ্তব্য দুষ্টক দমন, সন্তক পালন। এই উদ্দেশ্যে যুগে যুগে আমি ধৰাৰ বক্ষত লওঁ অৱতাৰ। কাৰণ আমিয়েই জগতৰ গৰাকী, আমিয়েই পালক, আমিয়েই ওঁমকাৰ -- ত্ৰেতা যুগ মৰতত বৰ্তমান; আহিব বহু কৰ্তব্য পালন এই যুগতো ধৰাত আমাৰ। পাছে তাৰ পূৰ্বে আমি ৰচিব লাগিব বহু লীলা ধৰাৰ বক্ষত। বাঢ়ি অহা দৰ্প চূৰ্ণ কৰিব লাগিব দেৱেন্দ্ৰৰ। ঋষি বিভাণ্ডকো সন্মূখীন হ'ব নানা পৰীক্ষাৰ। যাঁও এৰে আমি নিজ কৰ্তব্যত।

**সূত্ৰ ঃ শ্ৰীবিষ্ণুৰ প্ৰস্থান। আনফালে হৰিনাম গাই সভাত নাৰদৰ প্ৰৱেশ ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --; তোমাৰ লীলা অপাৰ, তোমাৰ সৃষ্টি অপূৰ্ব প্ৰভু। বাস কৰি সবাৰে উৰ্দ্ধৰ বৈকুণ্ঠধামে কৰিলা স্ৰজন তুমি ব্ৰহ্মলোক আৰু দেৱলোক। তাৰ তলে সপ্ত সাগৰেৰে পৰিবেষ্টিত কৰাই সপ্ত দ্বীপেৰে ৰচিলা তুমি এই বসুন্ধৰা। জানো প্ৰভু, মৰত তোমাৰ অতি প্ৰিয়; সুশোভিত কৰি ধৰাক গিৰি-পৰ্বতে, নদ-নদীৰে প্ৰদান কৰিলা তুমি জীৱশ্ৰেষ্ঠ মনুষ্যক। দেৱৰো দুৰ্লভ মনুষ্য জনম লভি মৰতৰ সাধু-সন্তই আজি প্ৰভু তোমাৰেই কৰিছে গুণগান; আৰু য'তেই হয় প্ৰভুৰ নাম উচ্চাৰণ তালৈকে এই নিঃকিন নাৰদৰ হয় আগমণ। যাঁও এৰে প্ৰভুৰ প্ৰিয়ধাম এই বসুন্ধৰাত আমিও প্ৰভুৰ নাম লৈ কৰোঁ বিচৰণ --

**সূত্ৰ ঃ নাৰদৰ প্ৰস্থান। সভাত ঋষি বিভাণ্ডকৰ প্ৰৱেশ ---**

**গীত- ( ৰাগ ঃ পয়াৰ , তাল ঃ পৰিতাল )**

প্ৰৱেশয় বিভাণ্ডক কাশ্যপ নন্দন ।
নিজ গুণে হৈলা ঋষি অতিকে মহান।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

বিভাণ্ডকঃ জগতত খ্যাত আমি ঋষি বিভাণ্ডক নামে। কৰি তপ, লভি শাস্ত্ৰজ্ঞান জগতত আমি হৈছো খ্যাতমান। পাছে পোৱা নাই এতিয়াও আমি মনৰ সন্তুষ্টি; সেয়ে কৰিছো পণ, পালন কৰি কঠোৰ ব্ৰহ্মচৰ্য কৰিম এইবাৰ তপ আমি ইষ্ট দেৱতাক। লভিব লাগিব দৰশন প্ৰভু নাৰায়ণৰ। সৌ স্থানেই হ'ব আমাৰ বাবে অতিকে উত্তম। যাঁও এৰে তপৰ বাবে কৰোঁ গমন।

**সূত্ৰ ঃ বিভাণ্ডকৰ প্ৰস্থান। সভাত দেৱৰাজ ইন্দ্ৰ, অগ্নি আৰু পৱনদেৱৰ প্ৰৱেশ -----**

গীত- (ৰাগ ঃ নাট মল্লাৰ ; তাল ঃ পৰিতাল, একতাল )

অদিতি নন্দন ইন্দ্ৰ কয়ো পৰৱেশ।
সঙ্গে আহে দেৱগণ দেখিতে সুৰেশ ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
হৰি হৰি ডাকি বোলা সভাসদ গণ ।।

বৰুণঃ দেৱৰাজ, তেত্ৰিশ কৌটি দেৱতাৰ পালক আপুনি ; নাই আমাৰ দেৱলোকত একোৰে অভাৱ ; তথাপি দেৱৰাজ, দেখো আপোনাক আজি চিন্তিত মনে ?

ইন্দ্ৰ ঃ আপোনাৰ বচন উচিত বৰুণদেৱ ; সঁচাই চিন্তিত আজি দেৱলোকৰ পালক ; সঁচাই শংকিত আজি দেৱেন্দ্ৰ অমৰাৱতীৰ ইন্দ্ৰাসনক লৈ ---------------------------------

অগ্নি ঃ দেৱৰাজ, এয়া কি কৈছে আপুনি ? দেখা নাই আমি কোনো বিপদ আজি স্বৰ্গপুৰীত ; দিয়া নাই কোনো মৰতৰ দৈত্য, দানৱে কুদৃষ্টি এতিয়া আমাৰ স্বৰ্গপুৰীত । তেনেস্থলত কিয় চিন্তিত আপুনি ইন্দ্ৰাসনক লৈ ? কাৰ ভয়ত জাগিছে মনত আপোনাৰ সংশয় ?

ইন্দ্ৰ ঃ তপ অগ্নিদেৱ ; অ উগ্ৰ তপক লৈ মোৰ মনত জাগিছে সংশয় ---

পৱন ঃ উগ্ৰ তপক লৈ ? দেৱৰাজ, কোনে কৰিছে এনে তপ -- ?

ইন্দ্ৰ ঃ মৰতৰ ঋষি বিভাণ্ডকে কৰে আজি উগ্ৰ তপ ---

অগ্নি ঃ দেৱৰাজ, বিভাণ্ডকৰ তপক লৈ আপুনি কৰে কিয় সংশয় ? স্বভাৱতে শান্ত সমাহিত ঋষি বিভাণ্ডক। তেনেহেন ঋষিৰ তপক লৈ আপুনি শংকিত হোৱাৰ কোনো কাৰণ নেদেখো আমি।

ইন্দ্ৰ ঃ নহয় দেৱগণ , আপোনাসৱে কৰিছে ভুল ; বাহ্যিক ৰূপত নোৱাৰে চিনিব কাৰো মনৰ কু অভিসন্ধি । তাতে কদাপি নহয় বিশ্বাস মৰতৰ ঋষি - তপস্বী । অতীতৰ শিক্ষণ কি আপোনাসৱে গৈছে পাহৰি ? কি শুক্ৰাচাৰ্য, কি বিশ্বামিত্ৰ সকলোৱে কৰি তপ দেৱ কল্যাণত হানিছে বিঘিনী । তেনেস্থলত বিভাণ্ডকৰ তপক মই কিয় নকৰিম সন্দেহ ?

পৱন ঃ আপোনাৰ বচনো নহয় অসত্য ; তেন্তে দেৱৰাজ ইয়াৰ প্ৰতিকাৰৰ উপায় কি ?

ইন্দ্ৰ ঃ কোনোবাই কৰিব তপ, জগাব সংশয় এই দেৱৰাজৰ মনত আৰু দেৱৰাজে নিচিন্তিব তাৰ প্ৰতিকাৰৰ উপায় ? হাঃ হাঃ আছে উৰ্বশী, আছে মেনকা, ৰম্ভা আদি অপেশ্বৰীগণ আমাৰ হাতত । নোৱাৰিলে বিশ্বামিত্ৰই, নোৱাৰিলে পুলস্ত্যই ৰাখিব ধৰি তপৰ সমাধি সৰগৰ ৰূপৰ আগে ; বিভাণ্ডকো নহ'ব ব্যতিক্ৰম । ব'লক দেৱগণ, আঁচনি আমাৰ কৰোঁগৈ ৰূপায়ণ ----

সূত্ৰ ঃ দেৱগণৰ প্ৰস্থান। সভাত অপেশ্বৰী উৰ্বশীৰ প্ৰৱেশ------

গীত- ( ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )

সভাত চলিয়া আহে উৰ্বশী অপ্সৰা ।
সৰগৰ ৰতন ইটো অতি মনোমোহা।।
লয়লাসে চলি আহে সভাৰ ভিতৰে।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে।।

উৰ্বশী ঃ সৰগৰ সৌন্দৰ্য, দেৱৰাজৰ নয়নৰ মণি মই নামে উৰ্বশী । ৰম্ভা, মেনকা, তিলোত্তমায়ো আমাৰ ৰূপক দেখি হয় লজ্জিত । নাৰায়ণসৃষ্ট মই সৰগৰ মুকুতা ; কৰিছো কত কাৰ্য দেৱআজ্ঞা পালি ; এইবাৰো দেৱৰাজে বিশ্বাস ৰাখি আমাৰ ওপৰত দিছে এটি মহান কাৰ্য। বিভাণ্ডক নামে

মৰতৰ তপস্বীয়ে পালন কৰি কঠোৰ ব্ৰহ্মচৰ্য কৰিছে তপ --হাঃ হাঃ চাম বাৰু, কেনেদৰে তপস্বীয়ে ৰাখে ব্ৰহ্মচৰ্য আমাৰ ৰূপৰ আগে। যাঁও এৱে দেৱ কাৰ্য কৰোঁগে সমাপন ---

সূত্ৰ ঃ **উৰ্বশীৰ প্ৰস্থান । আনহাতে সভাত বিভাণ্ডক ---**

বিভাণ্ডকঃ কৰিছো তপ কঠোৰ ব্ৰতেৰে ; পাছে এতিয়াও নাপালো আমি শ্ৰীহৰিৰ দৰ্শন । নাই, নাই সংকল্প মোৰ অলৰ অচৰ । পালি যাম ব্ৰহ্মচৰ্য, কৰি যাম কঠোৰ তপ নহওঁ মানে সফল । কৰি লওঁ স্নান এই সৰোবৰে ; শুদ্ধ মনে, কায় চিত্তে পুনৰ মই কৰিম তপ --

সূত্ৰ ঃ **বিভাণ্ডকে স্নান কৰিবলৈ জলত নামে । এনেতে উৰ্বশী ---**

উৰ্বশী ঃ সৌজনেই বিভাণ্ডক ; আঃ কি তেজস্বী ; নিশ্চয় হ'ব তপেৰে সমৃদ্ধ । এনেহেন ঋষিৰ ব্ৰহ্মচৰ্য ভঙ্গ কৰাটো জানো হ'ব সহজ ? কিবা হেতু যদি মই হওঁ বিফল ? ক্ৰোদ্ধ হৈ যদি ঋষিয়ে আমাক দিয়ে -- নাই , নাই মই দুৰ্বল হ'লে নহ'ব ; উৰ্বশী মই , দেৱ কাৰ্য মই কৰিম সফল । মেলি দিম মোৰ ৰূপৰ সম্ভাৰ, চাম বাৰু কেনেদৰে ঋষিয়ে কৰে নিজক সংযম ---

গীত ঃ

এহি বুলি অপেশ্বৰী জলত নামিলে ।
জলকেলি কৰে ইটো আনন্দিত মনে ।।

বিভাণ্ডকঃ ( উৰ্বশীক দেখি ) ই কি ; ক'ৰ পৰা আহিল এই নাৰী -- ? নাই নাই যিয়েই নহওক আছো মই ব্ৰত ধৰি ; নাচাঁও নাৰীৰ স্নান কাৰ্য -- ঔম ----

সূত্ৰ ঃ **বিভাণ্ডকে পুনৰ স্নান কৰে । উৰ্বশী জলৰ পৰা পাৰত উঠে ---**

উৰ্বশী ঃ আ-হাহা কিযে মধুৰ পৰিৱেশ ; মৰতত এতিয়া উতলা ফাগুন ; ফাগুনী মলয়াই উন্মনা কৰিছে মোৰ ভিজা যৌৱন --- আ-হাহা --- ( উৰ্বশীয়ে নানা দেহ ভঙ্গীমা কৰে )

বিভাণ্ডকঃ বাৰে বাৰে এই নাৰীয়ে কৰে অশিষ্ট আচৰণ ; নাই নাৰীৰ স্বাভাৱিক লজ্জা । কোন, কোন এই নাৰী ? ---( চকু মুদে ) অ' সৰগৰ অপেশ্বৰী উৰ্বশী ----

উৰ্বশী ঃ কিযে মধুৰ লগন ; চঞ্চল সমীৰে মন - প্ৰাণ মোৰ কৰিছে চঞ্চল ; নাচিছে মন, জাগিছে উল্লাহ আজি মোৰ হৃদয়ৰ মাজত ; জ্বলিছে অগনি মোৰ উচ্ছল যৌৱনত ----

বিভাণ্ডকঃ কিযে অপূৰ্ব দেহবল্লৰী উৰ্বশীৰ ; মন মোৰ নিছে হৰি ; দেহত জাগিছে মোৰো যৌৱন বাসনা। নাই, নাই এয়া মোৰ হৈছে কি ? আছে পণ, মানি কঠোৰ ব্ৰহ্মচৰ্যৰে পূৰ্ণ কৰিম মোৰ তপ।

উৰ্বশী ঃ এনে ক্ষণ আৰু আমি নাপাম দুনাই ; মুক্ত অম্বৰৰ তলে সুশোভিত বনে মেলি দিওঁ আজি মই ৰূপৰ মেলা -- মনৰ আনন্দে আজি মই কৰোঁ নৃত্য ---

গীত ঃ

এহি বুলি উৰ্বশীয়ে নৃত্য আৰম্ভিলা ।
নানা ভঙ্গী কৰি নাচে দেৱ ৰূপবালা ।।
নাৰীৰ যৌৱন ৰূপে ঋষিক মুহিলে ।
ৰেতঃপাত কৰে ঋষি সৰোবৰ জলে ।।

সূত্ৰ ঃ **বিভাণ্ডকৰ জলত বীৰ্য্য স্খলন হয় । ঋষিৰ অৱস্থা দেখি উৰ্বশীয়ে কৌতুক কৰে ----**

উৰ্বশী ঃ হাঃ হাঃ হাঃ ---( স্বগতঃ ) উদ্দেশ্য মোৰ হ'ল সফল -----( প্ৰস্থান )

বিভাণ্ডকঃ নাই --এয়া মোৰ, এয়া মোৰ কি হৈ গ'ল ? আঃ - ( জলৰপৰা উঠে ) বুজিলো, বুজিলো এয়া চল দেৱতাৰ -- ( খঙেৰে ) দেৱৰাজ, তুমি নিষ্ঠুৰ ; চল কৰি পঠালা উৰ্বশীক ; আঃ নিচিনিলো

মই নাৰীৰ চালনাক --- হে প্ৰভূ, ক্ষমিবা মোক ; নোৱাৰিলো মই মোৰ ৰাখিব পণ ; এগৰাকী নাৰীৰ নিলাজ যৌৱনে মোৰ পণক কৰিলে ভংগ। ঋষি হৈ লজ্জিত কৰিলো মই সমগ্ৰ ঋষি সমাজক --- লজ্জা জন্মে আজি মোৰ নিজৰ ওপৰত ---

**সূত্ৰ ঃ দুখমনে বিভাণ্ডকৰ প্ৰস্থান । সভাত এক হৰিণীৰ প্ৰৱেশ -- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ হৰিণীয়ে সভাৰ মাজে আহি সৰোবৰৰ জলৰ সৈতে ঋষিৰ বীৰ্য্য পান কৰে আৰু অস্বাভাৱিক আচৰণ কৰি প্ৰস্থান কৰে --; আনফালে সভাত শ্ৰীবিষ্ণু ----**

বিষ্ণু ঃ আমাৰ ইচ্ছাতে জগত চলিছে ; যি ঘটিছে সেয়াও বিধিৰ লিখন । বিভাণ্ডক, তোমাৰ পণ আমাৰ ইচ্ছাতে হৈছে ভঙ্গ । নহয় এয়া কোনো সাধাৰণ বন্য হৰিণ যি জলৰ সৈতে তোমাৰ বীৰ্য কৰিলে পান ; শাপগ্ৰস্তা অপ্সৰা তেওঁ দেৱ লোকৰ ; ঋষিৰ বীৰ্যৰে ধাৰণ কৰি গৰ্ভত মানৱ শিশু লভিব মুকুতি তেওঁ হৰিণী ৰূপৰ পৰা । এয়াই বিধিৰ লিখন পূৰ্ব নিৰ্দ্ধাৰিত ----

**সূত্ৰ ঃ এনেতে দেৱৰ্ষী নাৰদ আহে ----**

নাৰদ ঃ প্ৰণাম প্ৰভূ, নাৰদৰ শত কোটি সেৱা তযু চৰণত ---

বিষ্ণু ঃ আঁহা নাৰদ, পাছে দেখো তোমাক আজি উদ্বিগ্ন ভাৱত ?

নাৰদ ঃ সঁচাই প্ৰভূ আজি আমি উদ্বিগ্ন ; ভ্ৰমণ কৰি মৰ্ত্যধামে দেখি বিচিত্ৰ ঘটনা স্বচক্ষে সঁচাই আজি আমি চিন্তিত, অতিকে দুখিত -- ইয়াৰ বাবে প্ৰভূ আপুনিয়ে দায়ী --

বিষ্ণু ঃ কি কৈছা নাৰদ ? আমি দায়ী ? কেনেকৈ -- ?

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- সৰ্বজ্ঞ হৈও প্ৰভূ আমাকেই কৰে আপুনি প্ৰশ্ন ? প্ৰভূ, লাগে আমাক এক প্ৰশ্নৰ সমিধান । কামনা - বাসনা হ'ব পাৰে জানো প্ৰবল তপৰ তুলনাত ?

বিষ্ণু ঃ নিশ্চয় নোৱাৰে ; একান্ত চিত্তে কৰা তপ চিৰ শ্ৰেষ্ঠ ।

নাৰদ ঃ আৰু প্ৰভূ, কাৰোবাৰ তপ ভঙ্গ কৰাজন জানো নহয় দোষী ?

বিষ্ণু ঃ নিশ্চিত দোষী ; তাৰ সমান আৰু নাই মহাপাপী ---

নাৰদ ঃ তেন্তে প্ৰভূ, বাৰে বাৰে দেৱেন্দ্ৰই কৰে এনে মহাপাপ, তথাপি নিদিয়ে দণ্ড আপুনি দেৱেন্দ্ৰক

বিষ্ণু ঃ নাৰদ , কি দেৱ, কি মনুষ্য কৰ্মফল ভোগে সকলোৱে । নিজ কৰ্মফলে ইন্দ্ৰত্ব হেৰুৱাই দেৱৰাজেও জানো ভোগা নাই দণ্ড অতীত সময়ত ?

নাৰদ ঃ দেৱৰাজে অৱশ্যে ভুগিছে দণ্ড, পাছে নলয় শিক্ষণ । কিন্তু কি অপৰাধ কৰিলে প্ৰভূ ঋষি বিভাণ্ডকে ? কঠোৰ তপেৰে পালি ব্ৰহ্মচৰ্য আপোনাকেই কৰিছিল ধ্যান । তথাপি পৰাজয় হ'ল এনে তপস্বীৰ চলনাময়ী এক নাৰীৰ আগে ? ইমানেই আকৰ্ষক নেকি প্ৰভূ নাৰীৰ সঙ্গ ?

বিষ্ণু ঃ যদি উৎসুকতা জাগিছে তোমাৰো চাব পাৰা তুমি ইয়াৰ প্ৰমাণ ; যাব পাৰা তুমি আমাৰে সৃষ্ট উৰ্বশীৰ কাষে এনে কামনা লৈ ---

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- প্ৰভূ, তেনে বাসনা নাই আমাৰ ; এই নিঃকিন নাৰদে চিন্তে মাথো তযু চৰণ । চিৰদিন ৰাখিবা প্ৰভূ আমাক তযু চৰণ তলত --

বিষ্ণু ঃ উঠা নাৰদ, তোমাৰ স্থান আমাৰ হৃদয়ত । জানো আমি তোমাৰ দৰে ব্ৰহ্মচাৰী আৰু নাই চৰাচৰ জগতত । শুনা নাৰদ, বিভাণ্ডকৰ তপ হৈছে ভঙ্গ আমাৰ ইচ্ছাতে ---

নাৰদ ঃ কি কৈছে প্ৰভূ ? ভক্তৰ তপ হৈছে ভঙ্গ ভগৱন্তৰ ইচ্ছাতে -- ? নাৰায়ণ, নাৰায়ণ --

বিষ্ণু ঃ হয় নাৰদ, ত্ৰেতাযুগে মৰ্ত্য বৰ্তমান চলমান ; দানৱৰূপে, ৰাক্ষসৰূপে বাঢ়িব দুষ্ট, কৰিব অত্যাচাৰ সাধু- সন্তৰ ওপৰত । সন্তক পালনৰ হেতু প্ৰয়োজন হ'ব আমাৰ ধৰা গমনৰ -- সেই হেতু ৰচিছো ক্ৰমে আমাৰ নৰৰূপী অৱতাৰৰ পথ --

নাৰদ ঃ প্ৰভু , আপোনাৰ লীলা অপাৰ ; নুবুজি আপোনাৰ লীলা, নকৰি আপোনাৰ লীলা বৰ্ণন আমি অধমে আজি আপোনাকে কৰিলো দোষাৰূপ । আমাৰ সহস্ৰ অপৰাধ মাৰ্জনা কৰক প্ৰভু --

বিষ্ণু ঃ তোমাৰ কোনো অপৰাধ হোৱা নাই নাৰদ । আপোন ভক্তই যদি আমাৰ আগে নকৰে আক্ষেপ তেন্তে কোনে কৰিবহি ইয়াত ? নাৰদ, মৰ্ত্যৰ আমাৰ ভক্তগণক সৰ্বদা তুমি কৰিবা সহায় । দেৱেন্দ্ৰৰ কাৰ্যত নাৰাখিবা মনত কোপ অন্য দেৱতাৰ প্ৰতি । পালন কাৰ্যত দেৱগণৰ সহায়ৰ আমাৰ হয় প্ৰয়োজন । সেই হেতু সৰ্বদা তুমি দেৱগণকো কৰি ৰাখিবা সজাগ ---

নাৰদ ঃ আপোনাৰ আজ্ঞাতে ভকতি আমাৰ , আপোনাৰ কাৰ্যই জীৱন আমাৰ । তেন্তে প্ৰভু, এতিয়া আমি বিদায় মাগো --- ( প্ৰস্থান )

বিষ্ণু ঃ যোৱা নাৰদ, ---- আমিও যাঁও এৱে নিজ কৰ্তব্যত ।

<u>**সূত্ৰ ঃ শ্ৰীবিষ্ণুৰ প্ৰস্থান । আনফালে কোলাত এক সদ্যোজাত শিশু লৈ বিভাণ্ডক --**</u>

বিভাণ্ডকঃ আচৰিত, আচৰিত কি কাৰ্য ঘটে এয়া মোৰ আশ্ৰমে ? ভূমিষ্ঠ কৰি এক হৰিণীয়ে সাইলাখ এই মানৱ শিশুক গুচি গৈছে স্বৰ্গধামে দিব্য নাৰীৰূপে ? কোন, কোন সেই নাৰী ? কেনেকৈ সম্ভৱ হ'ব পাৰে এনে আচৰিত ঘটনা -- ( ধ্যান কৰে ) নাই নাই, চালনা, চালনা, পাহৰিব খুজিলেও সৰোবৰৰ সেই ঘটনাক নিষ্ঠুৰ কালে ৰাখি গৈছে তাৰ জ্বলন্ত প্ৰমাণ এই শিশুৰূপে ৰাখি ? আঃ উৰ্বশী, তই চলনাময়ী, চল কৰি যৌৱনৰ মেলিলি মেলা, মতিভ্ৰষ্ট কৰি মোক কৰিলি লজ্জিত আৰু আজি আপোন বীৰ্যৰে প্ৰাণ পোৱা এই শিশুক হৰিণীৰ গৰ্ভেৰে ভূমিষ্ঠ কৰাই লৈ গলি সহচৰীক শাপৰপৰা মুক্তি দিয়াই । নাই তহঁতৰ নাৰীৰ হৃদয় ; নাই তহঁতৰ মাতৃৰ মমতা ; ধিক ধিক্কাৰ দিছো মই তহঁতৰ দৰে জগতৰ সমস্ত নাৰী জাতিক ( কেঁচুৱাই কান্দে ) নকৰিবি ক্ৰন্দন বাচা , নিষ্ঠুৰ মাতৃয়ে তোক এৰি থৈ গ'ল ধৰাৰ বক্ষত । দুৰ্ভগীয়া তই ; নাপালি মাতৃৰ স্নেহ তই জনমৰ পৰাই -- নাই নাই তই নহয় দুৰ্ভগীয়া ; তই মোৰ সন্তান ; অ, তই বিভাণ্ড তনয় ময়ে তোক কৰিম পালন। হে জগতবাসী, পুত্ৰক কোলাত লৈ আজি পিতৃয়ে কৰিছো পণ --ৰাখিম নিলগাই ইয়াক নাৰী সমাজৰ পৰা ; ৰাখিম নিলগাই মোৰ পুত্ৰক স্বাৰ্থপৰ লোক সমাজৰ পৰা ; যি কাৰ্য মই নোৱাৰিলো কৰিব পুত্ৰৰদ্বাৰা মই কৰাম সেই কাৰ্য ; বেদ - বেদান্ত, তপ - জপেৰে মহৰ্ষি কৰি তুলিম মই মোৰ পুত্ৰক । যাঁও মই কোনো নিভৃত স্থানে পাতোগৈ আশ্ৰম ---

<u>গীত</u>

কোলে লৈয়া নিজ পুত্ৰক চলি যাই ঋষি ।
হৰি বুলি দুখ তেজা অগতিৰ গতি ।।

<u>**সূত্ৰ ঃ বিভাণ্ডকৰ প্ৰস্থান । আনফালে সভাত দেৱগণ -----**</u>

ইন্দ্ৰ ঃ হাঃ হাঃ দেখিলে দেৱগণ এই দেৱেন্দ্ৰৰ চালনা । চল কৰি বিভাণ্ডকৰ ভঙ্গ কৰি তপ নিষ্কণ্টক কৰিলো মই ইন্দ্ৰৰ ইন্দ্ৰাসন । আজি আনন্দ কৰক, উৎসৱ পাতক আমাৰ বিজয়ত হাঃ হাঃ -

সূত্ৰ ঃ **এনেতে নাৰদ আহে ---**

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ --- ; দেৱগণক দেখো আজি হৰ্ষিত বদনে । তাতোকৈ উল্লাহিত দেখো আজি দেৱ পুৰন্দৰক । অ আমাৰে ভুল , নহ'বই বা কিয় , দেৱৰাজে যে পাইছে বিজয় তপস্বীৰ ওপৰে হাঃ হাঃ --

ইন্দ্ৰ ঃ উপহাস কৰিছে দেৱৰ্ষী ?

নাৰদ ঃ উপহাস -- ? নাৰায়ণ, নাৰায়ণ , এনে দুঃসাহস আমাৰ নাই দেৱৰাজ । যিজন দেৱৰাজে ভাৱে নিজকে যক্ষ, ৰক্ষ, নাগ, মনুষ্যতকৈ নিজকে শ্ৰেষ্ঠ বুলি ; তেনে দেৱৰাজে চলেৰে তপস্বীৰ তপ ভঙ্গ কৰাৰ অন্যায় কাৰ্যক কিবাদৰে উপহাস কৰিব এই নিঃকিন নাৰদে ?

ইন্দ্ৰ ঃ দেৱৰ্ষী, অকাৰণত দেৱেন্দ্ৰই নকৰে কোনো কাৰ্য । কতবাৰ কত তপস্বীয়ে স্বৰ্গ লোভত পৰি দেৱতাৰ সাধিছে অহিত কাৰ্য আছে তাৰ প্ৰমাণ এই স্বৰ্গপুৰীত । শুনক দেৱৰ্ষী, দেৱেন্দ্ৰ মই ; হৰ্তা, কৰ্তা, বিধাতা মই দেৱলোকৰ ; তেত্ৰিশ কৌটি দেৱতাৰ পালক মই ; স্বৰ্গৰ দায়িত্ব, দেৱগণৰ দায়িত্ব লৈছো যেতিয়া চলে বলে কৌশলে পালন কৰি যাম মই দেৱেন্দ্ৰৰ দায়িত্ব ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; ( স্বগতঃ ) বুজিছো দম্ভ, অহংকাৰে ছানিলে দেৱেন্দ্ৰক ; অচিৰতে মিলিব ইয়াৰ শিক্ষণ ---( প্ৰকাশ্য ) হাঃ হাঃ উচিত কথন আপোনাৰ দেৱৰাজ ; আপোনাৰ দৃঢ়তা দেখি দূৰ হ'ল আমাৰ মনৰ চিন্তা। আমাৰে ভুল থাকোতে দেৱৰাজ কিয় চিন্তিত হব লাগে আমি অসুৰৰ বিপুল ৰণৰ আয়োজন দেখি। তেন্তে আমি বিদায়হে মাগিলো দেৱগণ-- (যাব খোজে )

অ+ব ঃ দেৱৰ্ষী , দেৱৰ্ষী ----

নাৰদ ঃ চিন্তা নকৰিব দেৱগণ , আছে পুৰন্দৰ আপোনাসবৰ ৰক্ষক হৈ ---

অগ্নি ঃ দেৱৰ্ষী, কোন অসুৰে কি উদ্দেশ্যৰে কৰে ৰণৰ আয়োজন ?

নাৰদ ঃ মহাবলী অসুৰ সম্বৰে কৰে মৰতত ৰণৰ আয়োজন -- হেঃ হেঃ উদ্দেশ্য কি হ'ব পাৰে ? জানিব দেৱগণ সৃষ্টিকৰ্তাৰ বৰত অজেয় সম্বৰ , নোৱাৰে বধিব দেৱগণে সন্মুখ সমৰে ---

বৰুণ ঃ দেৱৰ্ষী, নহয় বধ্য যদি সম্বৰাসুৰ দেৱৰ হাতত কি হ'ব ৰণৰ পৰিণাম ?

নাৰদ ঃ আছে মাথো এক উপায় ; শুভ চিন্তক আমি দেৱগণৰ , সেয়ে দি যাঁও উপায় -- সূৰ্যবংশী মনুষ্য ৰাজনৰ হাততহে আছে সম্বৰৰ মৰণ -- নাৰায়ণ , নাৰায়ণ --- ( প্ৰস্থান )

অ+ব ঃ দেৱৰ্ষী --- দেৱৰাজ ---- ?

ইন্দ্ৰ ঃ দেৱগণ, নিজকে কিয় ভাৱে আপোনাসৱে দুৰ্বল বুলি ? আপুনি বৰুণদেৱ, কৰিব পাৰে প্লাৱন সৃষ্টি চৰাচৰ জগতত । এটি পলকতে সমস্ত জগত ভস্ম কৰিব পৰাৰ নাই জানো সামৰ্থ অগ্নিদেৱৰ ? চিন্তা নকৰিব দেৱগণ, যদি আহে সম্বৰাসুৰ জুখি চাম আমি তাৰ বাহুবল । হাতে বজ্ৰ ধৰি এই দেৱেন্দ্ৰই নিমিষতে বধিব অসুৰ দুৰ্জনক হাঃ হাঃ ---- ব'লক দেৱগণ, সুতীক্ষ্ণ দৃষ্টি ৰাখো আমি মৰতৰ ওপৰত ---

সূত্ৰ ঃ **দেৱগণৰ প্ৰস্থান । সভাত অসুৰেশ্বৰ সম্বৰাসুৰ, ভাতৃ অম্বৰাসুৰ আৰু সেনাপতি দম্ভাসুৰৰ প্ৰৱেশ --**

গীত ঃ ( ৰাগ- কানাড়া, তাল- পৰিতাল )

প্ৰৱেশ কৰিয়া আহে অসুৰ ৰাজন।
সঙ্গে আহে সেনাগণ অতিকে দুৰ্জন ।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ডাকি বোলা সভাসদ নৰ।।

সম্বৰ ঃ ভাতৃ আৰু সেনাপতি, অক্ষুণ্ণ ৰাখি অসুৰৰ কীৰিতি পাতিলে ধৰাত অসুৰ সাম্ৰাজ্য এই সম্বৰাসুৰে। কঠোৰ তপেৰে তুষ্ট কৰি সৃষ্টিকৰ্তাক অজেয় বৰ ললে এই অসুৰেশ্বৰে। যক্ষ, ৰক্ষ, দেৱ, গন্ধৰ্ব, নাগ, কিন্নৰ কাৰোৰে হাতত মোৰ নহয় পৰাজয় হাঃ হাঃ --কিন্তু ভাতৃ,. তথাপি মোৰ মনত নাহে শান্তি ; অসীম বলৰ গৰাকী হৈও আছো আমি এই ধৰাৰ বক্ষত আৰু দেৱতা - -- আঃ স্বাৰ্থলোভী, দুৰ্বল দেৱতাই আজি ভোগে স্বৰ্গসুখ --

অম্বৰ ঃ আঃ দাদা, দেৱতাৰ নাম নল'বা দুনাই ; চলেৰে লভি স্বৰ্গলোক হীন বুলি, নীচ বুলি ঘৃণা কৰে আমাক সেই দুৰ্বল দেৱসমাজে ----

দম্ভা ঃ অসুৰেশ্বৰ, সাজু আছে আমাৰ বিপুল সেনানী, দিয়ক আদেশ , স্বাভিমানী দেৱতাৰ বক্ষ ফালি দেৱ ৰক্তৰে ফাকু খেলি সৰগত বোৱাম আমি দেৱতাৰ ৰক্তপ্ৰপাত হাঃ হাঃ --

অম্বৰ ঃ এয়াই উপযুক্ত ক্ষণ দাদা, দাম্ভিক দেৱতাৰ দৰ্প কৰোঁ চূৰ্ণ ; মহা প্ৰলয়ৰ সৃষ্টি কৰি প্ৰলয়ৰ বহ্নি নমাম আমি দেৱতাৰ মাজত । পদতলত ৰাখি অহংকাৰী দেৱেন্দ্ৰক জিলিকাওঁ অসুৰৰ ৰণ বিক্ৰম জগতৰ দশোদিশত হাঃ হাঃ --

সম্বৰ ঃ হাঃ হাঃ উত্তম, অতি উত্তম ; সৃষ্টিকৰ্তাৰ আশীষ আছে আমাৰ শিৰে । নহয় পৰাজয় মোৰ দেৱতাৰ হাতে, নহওঁ বধ্য মই অমোঘ অস্ত্ৰ ব্ৰহ্মাস্ত্ৰৰ আগে হাঃ হাঃ -- তেন্তে সেনাগণ, কৰিলো পণ, ব্ৰহ্মাৰ শকতি ধৰি অসুৰৰ বক্ষত মহাৰণ কৰিম আমি স্বৰ্গলোকত । ওলোৱা ভাতৃ , বজোৱা সেনাপতি ৰণভেৰী , নিমিষতে কৰোঁ আমি স্বৰ্গ আক্ৰমণ --

দম্ভা ঃ জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ, জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ, জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ --

যুদ্ধ যাত্ৰা

যুদ্ধ হেতু চলি যায় অসুৰ দুৰ্জন ।
কোলাহল কৰি চলে মেঘৰ গৰ্জন।।

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান । আনফালে ৰণসাজে দেৱগণ ---**

ইন্দ্ৰ ঃ দেৱগণ, আহিছে অসুৰ , নহ'ব চিন্তিত ; প্ৰাণেপণে যুঁজি ৰক্ষা কৰক স্বৰ্গপুৰীক ---

**সূত্ৰ ঃ এনেতে জয়ধ্বনি দি অসুৰগণ সোমাই আহে ---**

ইন্দ্ৰ ঃ সাৱধান অসুৰ , জাতত হীন , কুলত হীন , বলত দুৰ্বল তহঁত মোৰ শৰণাগত । তেনেস্থলত কোন সাহসেৰে তহঁতে কৰ মোৰ স্বৰ্গত আক্ৰমণ ?

সম্বৰ ঃ সাৱধান ইন্দ্ৰ , অসুৰ মই মহাবলী সম্বৰাসুৰ । হীন বুলি , নীচ বুলি আমাক নকৰিবি তাচ্ছিল্য । বহু কৰিলি তই অন্যায়ভাৱে স্বৰ্গসুখ । আজি অসুৰৰ হাতে পাবি তাৰ পৰিণাম ।

ইন্দ্ৰ ঃ আঃ ভুল কৰিছ সম্বৰাসুৰ ; দেৱশক্তিক ৰণৰ আহ্বান দি কোনো অসুৰে আজিহন্তে পোৱা নাই পৰিত্ৰাণ , আজিয়েই পাবি তহঁতে ইয়াৰ প্ৰমাণ।

সম্বৰ ঃ উত্তম ; সেনাগণ, কৰা আক্ৰমণ ----

গীত

মহাক্ৰোধে দুয়ো দলে ৰণ আৰম্ভিলা ।
জিনো বুলি ৰণ আজি প্ৰহাৰ কৰিলা ।।
হেন জানি নৰলোকে এৰা আন কাম ।
নিৰন্তৰে সৱে ডাকি বোলা ৰাম ৰাম ।।

**সূত্ৰ ঃ সমদল যুদ্ধ হয়। যুদ্ধত দেৱগণ পলাই যায় ----**

সম্বৰ ঃ হাঃ হাঃ কিয় পলালি দেৱতা ; এয়াই তহঁতৰ ৰণ পৰাক্ৰম --হাঃ হাঃ চোৰা জগতবাসী, আজি এই মহাবলী সম্বৰাসুৰে স্বৰ্গ ৰাজ্য কৰিলো দখল --

দম্ভা ঃ জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ, জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ, জয় অসুৰেশ্বৰ সম্বৰাসুৰৰ --

সম্বৰ ঃ সেনাগণ, সৰগৰ অধীশ্বৰ হলো আমি ; ব'লা সৰগৰ বিভূতি আমি কৰোঁগৈ উপভোগ হাঃ হাঃ -

**সূত্ৰ ঃ অসুৰগণৰ প্ৰস্থান । সভাত অযোধ্যাৰাজ দশৰথৰ প্ৰৱেশ ----**

গীত - ( ৰাগ ঃ আশোৱাৰী ; তাল ঃ পৰিতাল )

প্ৰৱেশিলা দশৰথ অযোধ্যা ৰাজন ।
দিব্য বস্ত্ৰে শোভে আতি দেখিতে শোভন।।
কতোক্ষণে পাইলা গৈয়া সভাৰ ভিতৰ ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।

দশ ঃ সূৰ্যবংশী ইক্ষাকুৰ বংশত জন্ম আমাৰ ; আছে অক্ষয় কীৰিতি আমাৰ বংশৰ । নাপাহৰে জগতে পূৰ্বজ ৰঘুৰ পৰাক্ৰম ; থাকে মানে জগত, অক্ষয় কীৰ্তি হৈ থাকিব জিলিকি মহান হৰিশ্চন্দ্ৰৰ অতুলনীয় পণ ; তেনেহেন পুণ্য বংশৰ গৌৰৱ ৰাখি বৰ্তাই মই অজনন্দন দশৰথে পুণ্যভূমি অযোধ্যাত কৰিছো শাসন। নিজ বাহুবলে সসাগৰা পৃথিৱীত আজি মই কৰিছো শাসন হাঃহাঃ -

**সূত্ৰ ঃ এনেতে দেৱগণ ----**

ইন্দ্ৰ ঃ অযোধ্যা নৃপতিক দেৱগণে জনাইছো প্ৰণাম ----

দশ ঃ ই কি ? সৰগৰ দেৱগণ আজি আমাৰ গৃহে ? আহক, আহক দেৱগণ আসন গ্ৰহণ কৰক --

বৰুণ ঃ নহয় ৰাজন, আমাৰ স্থান আজি নহয় তাত ; ভীক্ষুকৰূপে শৰণাপন্ন আজি আমি আপোনাৰ কাষে ।

দশ ঃ শৰণাপন্ন আজি দেৱগণ আমাৰ কাষে ? অৰ্থাৎ দেৱগণ -- ? সঁচাই দেখো আজি আপোনাসৱক শ্ৰান্ত, ক্লান্ত ; দেৱৰ জেউতি যেন পৰিছে ম্লান ----

অগ্নি ঃ যি দেখিছে সেয়াই সত্য ৰাজন ; দেৱৰ জেউতি হেৰুৱালো আমি স্বৰ্গলোকতে ---

ইন্দ্ৰ ঃ নিজ কৰ্মফল ভুগিলো ৰাজন ; দৰ্প চূৰ্ণ হ'ল আমাৰ ; সৰ্বহাৰা হলো আমি সম্বৰৰ হাতে ?

দশ ঃ সৰ্বহাৰা হ'ল আপোনাসৱ সম্বৰৰ হাতে ? কোন সম্বৰ ?

ইন্দ্ৰ ঃ দুৰ্জন অসুৰ সম্বৰাসুৰ ; সৃষ্টিকৰ্তাৰ বৰে বলীয়ান সি ; দেৱতাৰ হাতে নহয় পৰাস্ত । সেই বৰে বলীয়ান হৈ কৰে সি মোৰ স্বৰ্গ ৰাজ্য আক্ৰমণ । প্ৰাণে পণে যুঁজিও নোৱাৰিলো আমি ৰক্ষা কৰিব স্বৰ্গলোক । কৰে অত্যাচাৰ সি এতিয়া সৰগৰ বিভূতিৰ ওপৰে ---

দশ ঃ আঃ ইমান সাহস সম্বৰাসুৰৰ ; দেৱতাক সি কৰে অপমান ---

ইন্দ্ৰ ঃ আছে মৰণ তাৰ সূৰ্যবংশী মৰতৰ ৰাজনৰ হাতে । আপুনি বৰ্তমান সূৰ্যবংশৰ মহান বংশজ ; কৰিছে গৌৰৱেৰে শাসন এই ধৰা ধামত । সেইহেতু আহিলো আমি আপোনাৰ কাষে সহায়ৰ ভীক্ষা বিচাৰি । হে নৃপতি, কৰিবনে সহায় আপুনি আমাক স্বৰ্গৰাজ্য উদ্ধাৰত ---

দশ ঃ কিয় নকৰিম সহায় দেৱগণ ? আপোনাসৱক সহায় কৰাটো কৰ্তব্য আমাৰ । দেৱকাৰ্য কৰে যি শত পুণ্য লভে সি । আমাৰ পৰম ভাগ্য আপোনাসৱে দিছে আমাক এই সুযোগ । নিশ্চিন্ত থাকক দেৱগণ, হাতে ধনু ধৰি অচিৰতে মই প্ৰৱেশিম সৰগ ধামত । প্ৰলয়ৰ বিভীষিকা তুলি অসুৰৰ মাজত এটি এটিকৈ দুৰ্জন অসুৰক নিধন কৰি স্বৰ্গৰাজ্য মই কৰিম উদ্ধাৰ ।

ইন্দ্ৰ ঃ জানিছিলো নৃপতি আপুনি আমাক নকৰিব নিৰাশ। তেন্তে ৰাজন আমি এতিয়া বিদায় মাগো।
দশ ঃ যাওক দেৱগণ -- সাৱধান হ দুৰ্জন অসুৰ, পূৰ্ণ সমৰ প্ৰস্তুতিৰে অচিৰতে প্ৰৱেশিম মই সৰগত তহঁতৰ বাবে মহাকাল হৈ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে উৰ্বশীক খেদি অম্বৰাসুৰ আৰু দম্ভাসুৰ --**

উৰ্বশী ঃ ৰক্ষা কৰক, কোন ক'ত আছে মোক ৰক্ষা কৰক। দেৱৰাজ, দেৱৰাজ ------
অম্বৰ ঃ হাঃ হাঃ দেৱৰাজ -- ? দেখিলো দেৱৰাজৰ শক্তি কিমান। মিথ্যা দৰ্পৰে কৰিছিল শাসন এই স্বৰ্গপুৰীত। পৰাস্ত হৈ দেৱসহিতে সৰগৰ পৰা সি কৰে পলায়ন শৃগালৰ দৰে। শুনা, সৰগৰ গৰাকী আজি আমি; সেয়ে সুন্দৰী নকৰিবা অস্বীকাৰ দিয়া আমাক তোমাৰ মিঠা আলিঙ্গন।
উৰ্বশী ঃ নাই নাই অসুৰ, নিচিন তহঁতে মোক। নাৰায়ণ সৃষ্ট মই সৰগৰ অপেশ্বৰী। তহঁতে মোক নকৰিবি স্পৰ্শ। নতু প্ৰভু নাৰায়ণে দিব তহঁতক উচিত দণ্ড ---
দম্ভা ঃ নাৰায়ণ -- ? হাঃ হাঃ সিও নাহে কদাপি; শতবাৰ কৰে চিন্তা দেৱ নাৰায়ণে আমাৰ সন্মূখীন হোৱাৰ। আঁহা, আঁহা সুন্দৰী যৌৱন সুধা তোমাৰ আমাক কৰোৱা পান ---
উৰ্বশী ঃ নাই নাই; ৰক্ষা কৰক প্ৰভু, ৰক্ষা কৰক --
অসুৰদ্বয় ঃ হাঃ হাঃ ---- **বিলাপ ( ৰাগ ঃ বেলোৱাৰ, তাল ঃ ৰূপক )**

আঁহা আঁহা প্ৰাণ প্ৰিয়ে দিয়া আলিঙ্গন।
কামাগ্নিত দহি আমি হ'লো বিমোহন ।।
একো অঙ্গে নাহি খুত তুমি মধ্যক্ষিণী।
ৰমণীয় ৰূপে আমাৰ হৃদয় নিলা হৰি ।।

**সূত্ৰ ঃ এনেতে দশৰথ আহে ----**

দশ ঃ সাৱধান অসুৰ, নাৰীৰ ওপৰে কৰ অত্যাচাৰ; পাবি আজি তহঁতে ইয়াৰ উচিত পুৰস্কাৰ ----
অম্বৰ ঃ আঃ শুভ কাৰ্যত আমাক দিয়ে বাধা। কোন তই ?
দশ ঃ তহঁতৰ বাবে মহাকাল মই ---
অম্বৰ ঃ আঃ ইমান দম্ভ ইয়াৰ; সেনাপতি, কৰা আক্ৰমণ, প্ৰথমে ইয়াক কৰোঁ নিধন ---

**গীত**

**মহাক্ৰোধে তিনিও বীৰে যুদ্ধ আৰম্ভিলা।**
**পদভৰে স্বৰ্গলোক কম্পিব লাগিলা ।।**
**অস্ত্ৰাঘাটে দুয়ো অসুৰ ভূমিত পৰিলা।**
**ৰাম হৰি ৰাম হৰি ডাকি সৰে বোলা ।।**

**সূত্ৰ ঃ ঘোৰ ৰণ হয়। ৰণৰ মাজত উৰ্বশীৰ প্ৰস্থান। ৰণত দুয়ো অসুৰৰ মৃত্যু হয়। দেখি দশৰথে যি কয় -**

দশ ঃ এই শক্তিকে লৈ নাৰীৰ ওপৰত কৰ অত্যাচাৰ। যাঁও এতিয়া মই সম্বৰক বিচাৰি --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। সভাত উত্ৰাৱল হৈ সম্বৰাসুৰ ---**

সম্বৰ ঃ ভাতৃ, ভাতৃ ---নাই, নাই এনে হ'ব নোৱাৰে; প্ৰৱল প্ৰতাপী মোৰ বীৰ ভাতৃ অম্বৰৰ নোৱাৰে হ'ব মৰণ। মহা বলশালী সেনাপতি মোৰ দম্ভাসুৰৰ কদাপি হ'ব নোৱাৰে মৰণ। আঃ কোন, কোন সেই দশৰথ নাপাব নিস্তাৰ সি আজি সম্বৰৰ হাতে -- দশৰথ, দশৰথ --

**সূত্ৰ ঃ এনেতে দশৰথ আহে ----**

দশ ঃ দুৰাচাৰী সম্বৰাসুৰ, তোকে লক্ষ্য কৰি আহিলো মই ধৰাৰ পৰা। ইমান দুঃসাহস তোৰ; স্বৰ্গ কাঢ়ি দেৱতাৰ পৰা দেৱতাক তই কৰ অপমান; আঃ দেৱদ্ৰোহী তই ----

সম্বৰ ঃ আৰু তই দেৱভৃত্য ; ভীৰু দেৱতাৰ ৰক্ষক হৈ মৰতৰ পৰা আহ লৰি স্বৰ্গধামে । সৰগৰ অধীশ্বৰ হৈ কাটিছিলো স্বৰ্গপথ মই ধৰাৰ পৰা ; তথাপি আহিলি তই তাক লঙ্ঘি । বধ কৰি মোৰ বীৰ সেনানীক প্ৰতিশোধৰ দাবানল জ্বলালি আজি অসুৰৰ কঠিন বক্ষত । আঃ অসুৰৰ ৰক্ত আজি হৈছে ৰণৰ উন্মাদ । নাপাবি নিস্তাৰ আজি তই মোৰ হাতে ---

দশ ঃ সাধাৰণ মনুষ্য বুলি নাভাবিবি মোক । সূৰ্যবংশী ৰক্ত প্ৰবাহিত মোৰ দেহত । ৰণ কৰিলেই বুজিবি কোনে ৰাখিছে কিমান শকতি দেহত । আহ পাষণ্ড দে যুদ্ধ --

**সূত্ৰ ঃ ঘোৰতৰ ৰণ হয় ----- ( বাজনা - ভঙ্গী )**

**সূত্ৰ ঃ ৰণত সম্বৰাসুৰ নিধন হয় । এনেতে দেৱগণ আহে --**

অগ্নি ঃ জয় মহাৰাজ দশৰথৰ , জয় মহাৰাজ দশৰথৰ , জয় মহাৰাজ দশৰথৰ ---

দশ ঃ দেৱগণ, নাই আৰু সৰগত ভয় ; বধ কৰিলো মই সম্বৰাসুৰক ---

ইন্দ্ৰ ঃ হে বীৰবৰ, স্বৰ্গৰাজ্য আপুনি কৰিলে উদ্ধাৰ ; সুশোভিত কৰি স্বৰ্গৰ সিংহাসন দেৱগণক আপুনি কৰক পালন ---

দশ ঃ দেৱৰাজ, স্বৰ্গৰাজ্য আপোনাৰ আৰু আপুনিয়ে হ'ব চিৰদিন গৰাকী ইয়াৰ ; মই মাথো কৰ্তব্য কৰিলো পালন।

ইন্দ্ৰ ঃ হে অজনন্দন , আপুনি মহান নৃপতি ইক্ষাকু কুলৰ ; কিবাদৰে আপোনাক আমি জনাওঁ কৃতজ্ঞতা । এই ক্ষুদ্ৰ উপহাৰ আপোনাক কৰিলো প্ৰদান -- ( দিব্য মালা এধাৰ দিয়ে ) --আজিহন্তে মিত্ৰ বুলি আপোনাক আমি লওঁ আঁকোৰালি ----

বৰুণ ঃ জয় মহাৰাজ দশৰথৰ , জয় মহাৰাজ দশৰথৰ , জয় মহাৰাজ দশৰথৰ ---

দশ ঃ দেৱগণ, ধন্য হ'ল আজি আমাৰ জীৱন ; কাৰ্যও হ'ল সমাপন । এতিয়া আমি মাগো বিদায় ।

ইন্দ্ৰ ঃ যাওক মিত্ৰ --- ব'লক দেৱগণ আমিও কৰোঁ গমন ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত হাতে ধূপ-দীপ লৈ ঋষ্যশৃংগৰ প্ৰৱেশ ---**

**গীত**

**প্ৰৱেশয় ঋষ্যশৃংগ বিভাণ্ড তনয় ।**
**ধূপ দীপ লৈয়া আহে দেখিতে শোভয় ।।**
**দেখা দেখা সৰ্বজন হুয়া এক মন ।**
**ৰাম হৰি বোলা সবে সভাসদ গণ ।।**

ঋষ্য ঃ হে প্ৰভু, তুমি অনাদি, তুমি অনন্ত , তুমি নিৰাকাৰ প্ৰভু পৰমেশ্বৰ । আমাৰ শত কোটি সেৱা তয়ু চৰণ কমলত ------------------------ (স্তুতি )

নমো নমো নাৰায়ণ অগতিৰ গতি ।
তোমাৰ চৰণে কৰোঁ সহস্ৰ প্ৰণতি ।।
কি দিয়া পুঁজিম প্ৰভু তোমাৰ চৰণ।
নিজ গুণে তুষ্ট হৈবা তুমি নাৰায়ণ ।।

-- দয়া কৰিবা প্ৰভু এই অধমক ; কৃপা কৰিবা প্ৰভু তুমি আমাৰ পিতৃদেৱক । যাঁও আমি এতিয়া পিতাৰ সমীপে।

**সূত্ৰ ঃ ঋষ্যশৃংগৰ প্ৰস্থান । আনফালে সভাত অংগৰাজ লোমপাদৰ প্ৰৱেশ ----**

**গীত - ( ৰাগ ঃ মাহুৰ, তাল ঃ পৰিতাল , একতাল )**

প্ৰৱেশয় লোমপাদ অংগৰ ৰাজন।
গহীন গম্ভীৰ ইটো চিন্তান্বিত মন ।।
ধীৰে ধীৰে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ডাকি বোলা সভাসদ গণ।।

লোমপাদঃ দুৰ্ভগীয়া নৃপতি মই অংগ ৰাজ্যৰ । কিয় মই অপবিত্ৰ কৰিছো অংগৰ এই ৰাজ সিংহাসন ? নহয় যোগ্য মই ইয়াৰ । পৰা নাই পালিব মই ৰজাৰ কৰ্তব্য ; নোৱাৰিলো ৰক্ষক হ'ব মই ৰাজ বংশৰ ।হে মোৰ পূৰ্বজগণ, এই অধমক কৰক ক্ষমা --সকলোতে বিফল আজি এই লোমপাদ আজি প্ৰজাই কান্দিছে মোৰ শাসনত ; আজি নিয়তিয়ে মাৰে অট্টহাস্য মোৰ অক্ষমতাত ----

**( সূত্ৰ ঃ নেপথ্যত নিয়তিৰ অট্টহাস্য ----হাঃ হাঃ হাঃ --- )**

লোমপাদঃ আঃ বন্ধ কৰ, বন্ধ কৰ তোৰ অট্টহাস্য -- শান্তিৰে ডুবিব দে মোক অশ্ৰুৰ সাগৰত --(কান্দে )

**সূত্ৰ ঃ এনেতে নাৰদৰ মুখত হৰিনাম ভাঁহি আহে -----**

লোমপাদঃ আঃ ইমান সুমধুৰ হৰিনাম ----ই কি , আচৰিত , দেৱৰ্ষীৰ ঘটিছে আগমণ ?

**সূত্ৰ ঃ নাৰদ সোমাই আহে ----------**

লোমপাদঃ আহক, আহক দেৱৰ্ষী, এই দুৰ্ভগীয়াৰ জীৱন আজি আপোনাৰ দৰ্শনে কৰিলে ধন্য ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- হে ৰাজন, কিয় কয় আপুনি নিজকে দুৰ্ভগীয়া বুলি ? ভাগ্যবলে লভিছে আপুনি মনুষ্য জনম ---

লোমপাদঃ কিয় নহম মই দুৰ্ভগীয়া দেৱৰ্ষী ? সুখ, সুখ বুলি সুখৰ সন্ধানত গ'ল জীৱনৰ অৰ্দ্ধেক কাল ; নাপালো মই সুখৰ সন্ধান ।

নাৰদ ঃ কি কয় ৰাজন ? দয়ালু দশৰথে তেওঁৰ ঔৰসজাত প্ৰথমা কন্যা শিশুটিক দিছিল আপোনাৰ কোলাত তুলি ।পাছে এনেহেন কন্যাৰতন লভিও কিয় কৰে আপুনি মনত শোক ?

লোমপাদঃ নহয় নহয় দেৱৰ্ষী, কন্যা মোৰ শান্তাৰ পৰা মনত পোৱা নাই কোনো শোক । অযোধ্যাৰাজ দশৰথৰ কৃপাত মই লভিলো তাইক কন্যাৰূপে ।তায়ে এতিয়া মোৰ দুখৰ সাগৰত একমাত্ৰ সুখৰ সম্বল। কিন্তু দেৱৰ্ষী, ৰাজন মই ; ৰাজবংশ চলে পুত্ৰৰ দ্বাৰা। আজিহন্তে নহ'ল আমাৰ দ্বাৰা কোনো পুত্ৰৰ জনম ।হাঁহিছে আজি লোক সমাজে শৌৰ্যহীন, বীৰ্যহীন ৰাজন লোমপাদ বুলি --

নাৰদ ঃ ৰাজন, বিধিৰ লিখন মতেই চলে সকলো ।ইয়াত আপোনাৰ ৰাজন নাই কোনো দোষ ।

লোমপাদঃ মানি ললো দেৱৰ্ষী এয়া মোৰ ভাগ্যৰ লিখন । কিন্তু দেৱৰ্ষী, কি দোষে হোৱা নাই আমাৰ ৰাজ্যে বৃষ্টিপাত আজিহন্তে দ্বাদশ বছৰে ? এটুপি জলৰ অভাৱত প্ৰজাই কৰে হাহাঁকাৰ ; ৰাজন হৈ নোৱাৰিলো মই ইয়াৰ কৰিব প্ৰতিকাৰ ---

নাৰদ ঃ ইয়াৰ কাৰণ আছে ৰাজন ; এহাতে ঋষি বিভাণ্ডকৰ উগ্ৰ তপ আনহাতে ব্ৰাহ্মণক দিওঁতে দান অজানিতে আপোনাৰদ্বাৰা ঘটিল অপৰাধ -- এই দুই কাৰণতে হোৱা নাই আপোনাৰ ৰাজ্যে অতকালে বৃষ্টিপাত ।

লোমপাদঃ দেৱৰ্ষী, নাজানো ঋষিৰ তপৰ কথা ; কিন্তু মোৰ হাতে যদি ঘটিছে অপৰাধ, যদি মোৰ বাবেই প্ৰজাৰ হৈছে প্ৰাণ নাশ তেন্তে কওক দেৱৰ্ষী কেনেদৰে কৰিম মই প্ৰজাক উদ্ধাৰ ? যদি দিব লাগে ইয়াৰ বাবে প্ৰাণ তাৰবাবে প্ৰস্তুত আছো মই ।

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- নালাগে ৰাজন আপুনি প্ৰাণক তেজিব ।আছে উপায় -- বিভাণ্ডক তনয় ঋষ্যশৃংগ, অ ৰাজন, দেৱগণৰ অতি প্ৰিয় ।বেদ ধ্বনিৰে আনিব পাৰে তেওঁ অকালতে ধৰাত বৰিষণ ।যদি অনাব পাৰে ঋষ্যশৃংগক আপোনাৰ ৰাজ্যে তেন্তে জানিব ৰাজন পদাৰ্পণ কৰা মাত্ৰে ঋষি কুমাৰে বৃষ্টিপাত হ'ব আপোনাৰ ৰাজ্যে ।

লোমপাদঃ এজন ঋষিক আমাৰ ৰাজ্যলৈ অনাটোত কিয় হ'ব অসম্ভৱ ? স্বয়ং লোমপাদ যাব ঋষ্যশৃংগৰ কাষে , সাদৰেৰে লৈ আহিম তেওঁক আমাৰ ৰাজ্যে ---

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ ; আপুনি ভবাৰ দৰে নহয় সহজ এই কাৰ্য । নাজানে নিশ্চয় আপুনি ঋষি বিভাণ্ডকৰ বিষয়ে -- শুনক ৰাজন, পৰিস্থিতিত পৰি বিভাণ্ডকে কৰিছে পণ ৰাখিব তেওঁৰ পুত্ৰক নিলগত লোক সমাজৰ পৰা । তেনেস্থলত আপুনি -- নাৰায়ণ, নাৰায়ণ ---

লোমপাদঃ এয়া কেনে অদ্ভুত পণ ঋষি বিভাণ্ডকৰ -- ?

নাৰদ ঃ সেই বিষয়ে ৰাজন আপুনি পাছে জানিব ; এতিয়া কৰক চিন্তন কেনেদৰে আনিব আপুনি ঋষ্যশৃংগক ? আৰু শুনক এক আমাৰ বাণী ঋষ্যশৃংগৰ দ্বাৰা যদি আপুনি কৰাব পাৰে অশ্বমেধ যজ্ঞ পুত্ৰ কামনাৰে অসম্ভৱো হ'ব পাৰে সম্ভৱ আপোনাৰ ভাগ্যত ; নাৰায়ণ, নাৰায়ণ --

লোমপাদঃ কি শুনালে দেৱৰ্ষী ? তেন্তে যিকোনো উপায়েৰে আনিব লাগিব ঋষ্যশৃংগক এই অংগৰাজ্যে । দেৱৰ্ষি, আপোনাৰ জ্ঞাত সকলো , কৃপা কৰি দিয়ক উপায় ---

নাৰদ ঃ নাৰায়ণ, নাৰায়ণ -- ৰাজন, আপুনিও জানে ইয়াৰ উপায় ; বাৰু নকৰি সময়ৰ অপব্যয় আমিয়ে দিওঁ উপায় ; শুনক ৰাজন, কওঁ কাণে কাণে --( কাণত কয় ) নাৰায়ণ, নাৰায়ণ --

লোমপাদঃ ধন্যবাদ দেৱৰ্ষী, কৃপা কৰিলে আপুনি মোক --

নাৰদ ঃ আৰু এক ৰহস্য শুনক ৰাজন, সৰ্ব শাস্ত্ৰে শাস্ত্ৰজ্ঞ ঋষ্যশৃংগ, পাছে নাজানে সংসাৰ বিশেষ ; নিচিনে পুৰুষ আৰু নাৰীৰ প্ৰভেদ -- নাৰায়ণ, নাৰায়ণ -- ৰাজন, আমি এৱে বিদায়হে মাগো --- ( প্ৰস্থান )

লোমপাদঃ যাওক দেৱৰ্ষী, আপোনাৰ পৰামৰ্শক ললো আদৰি । যদি হয় পাপ, যদি হয় অপৰাধ, যদি তাৰবাবে ভুগিব লাগে দণ্ড গ্ৰহণ কৰিম মই তাক শিৰ পাতি ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । সভাত বেশ্যা নাৰী মায়াৱতীৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ শ্ৰী , তাল ঃ ধৰমযৌতি )

প্ৰৱেশিলা মায়াৱতী অতি ৰূপৱতী ।
লয় লাসে চলি আহে নাৰী ৰতায়নী ।।
এহিমতে পাইলা গৈয়া সভাৰ ভিতৰ।
ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।

মায়া ঃ মায়াৱতী মই নাৰী ৰতায়নী । জানো সৰ্বকলা কেনেদৰে পূৰাব লাগে কামাতুৰ পুৰুষৰ যৌৱন বাসনা । পাছে আজি আমাৰ ৰূপৰ হৈছে প্ৰয়োজন নিজ ৰাজ্যৰ হিতৰ বাবে । যদিওবা আছে ইয়াত প্ৰাণৰ সংশয় তথাপি মই নকৰোঁ সংকোচ । দেখুৱাম জগতক সমৰ্পিব পাৰোঁ যদি আমাৰ যৌৱন লুব্ধ কামান্ধৰ হাতত প্ৰাণো দিব পাৰোঁ নিজ মাতৃভূমিৰ নামত । যাঁও এৱে নিজ কৰ্তব্যত ---

**সূত্ৰ ঃ মায়াৱতীৰ প্ৰস্থান । আনহাতে সভাত বিভাণ্ডক ----**

বিভাণ্ডকঃ সময় গৈছে দূৰন্ত গতিত । কোলাৰ পুত্ৰ মোৰ ঋষ্যশৃংগ আজি যুৱকত হ'ল পৰিণত । পিতৃৰ পালনেৰে পালিত মোৰ তনয় ; ৰাখিছো আজিহন্তে মোৰ পণ দিয়া নাই পুত্ৰক অন্য কোনো মনুষ্যৰ সঙ্গ আৰু নিদিওঁ কদাপি । নিচিনে পুত্ৰই নাৰী - পুৰুষৰ প্ৰভেদ ; নালাগে চিনিব নাৰীক ; কৰাম পুত্ৰক মই জিতেন্দ্ৰিয় ; শাস্ত্ৰজ্ঞ, বেদজ্ঞ কৰি পুত্ৰক মোৰ খ্যাত কৰাম জগতত মহৰ্ষি ঋষ্যশৃংগ ৰূপে --

**সূত্ৰ ঃ এনেতে ঋষ্যশৃংগ আহে ---**

ঋষ্য ঃ প্ৰণাম পিতা ; --- পিতা স্বৰ্গ পিতা ধৰ্ম, পিতাহি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে প্ৰিয়ন্তে সৰ্বদেৱতা ।।

বিভাণ্ডকঃ উঠা, উঠা মোৰ প্ৰাণৰ ৰতন ; কৰিলানে তুমি আজি শাস্ত্ৰ , বেদ অধ্যয়ন ?

ঋষ্য ঃ শাস্ত্ৰ বেদ অধ্যয়ন নিত্য কৰ্তব্য আমাৰ -- বেদোহখিলো ধৰ্মমূলম -- অৰ্থাৎ বেদেই হৈছে গুৰি

ধর্ম বৃক্ষৰ ; এনেহেন জ্ঞান লভিলো পিতা তোমাকেই গুৰু মানি ; তোমাক জনাইছো প্ৰণাম --

গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰুদেৱ মহেশ্বৰা ।

গুৰুৰ সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰী গুৰুৱে নমঃ ।।

বিভাণ্ডক ঃ ভগৱন্তই কৃপা কৰক ; বাচা, শ্ৰীহৰিৰ পূজনো নেৰিবা কদাপি ; তোমাক, আমাক আৰু সকলো জীৱক তেঁৱেই কৰিছে স্ৰজন, তেঁৱেই কৰিছে পালন -- এক এব নমস্যো বিক্ষীভ্যঃ ।।

ঋষ্য ঃ তোমাৰ বচন পালিছো পিতা আৰু পালি যাম নিতে মই। এই তন আৰু মন কৰিছো অৰ্পণ মই শ্ৰীহৰিৰ নামত । কিন্তু পিতা, যেতিয়াই চিন্তো এই দেহৰ বিষয়ে জাগে বহু প্ৰশ্ন আমাৰ মনত । দেখিছো বনৰ পশু পক্ষীৰ কুলত নাথাকে কোনো প্ৰভেদ ; পাছে পিতা, তোমাৰ পুত্ৰ হৈ আমাৰ দুয়োৰে মাজত কিয় ৰাখিলে প্ৰভুয়ে প্ৰভেদ ?

বিভাণ্ডক ঃ তোমাৰ কথন নুবুজিলো বাচা ? কি প্ৰভেদৰ কথা তোমাৰ আহিল মনত -- ?

ঋষ্য ঃ তুমি পিতা আৰু আমি তোমাৰ পুত্ৰ । দুই হস্ত , দুই নয়ন , দুই কৰ্ণ, এক গ্ৰীৱা সকলোতে আছে সাদৃশ্য -- তথাপি পিতা, তোমাৰ যে নাই শিৰে আমাৰ দৰে এনে শৃংগ --- ?

বিভাণ্ডক ঃ শৃংগ -- ? ( স্বগতঃ ) আঃ জানিছিলো এই প্ৰশ্নৰ এদিন মই হ'ব লাগিব সন্মূখীন । নিষ্ঠুৰ নিয়তিয়ে ৰাখি গৈছে আমাৰ দুৰ্বলতাৰ চিন পুত্ৰৰ শিৰে ---

ঋষ্য ঃ পিতা, নিদিলা যে আমাৰ প্ৰশ্নৰ সমিধান ? কিবা অনুচিত প্ৰশ্ন কৰিলো নেকি তোমাক ?

বিভাণ্ডক ঃ তাৰবাবে, তাৰবাবে তুমি কিয় কৰা চিন্তা ? জানিবা বাচা, এয়া তোমাৰ বাবে প্ৰভু ভগৱন্তৰ এক অনুপম উপহাৰ ; ই তোমাৰ পৰিচয় ; অ বাচা, সেয়ে তোমাৰ ৰাখিলো ঋষ্যশৃংগ --

ঋষ্য ঃ তেন্তে পিতা আৰু নকৰোঁ চিন্তা ; ভগৱন্তৰ উপহাৰ বুলি সাদৰেৰে ইয়াক কৰি যাম গ্ৰহণ । তোমাৰ বিশ্বাস , তোমাৰ আস্থাক আমি কৰিম সন্মান । কৰি যাম এনে কৰ্ম পিতা যাৰ বাবে তুমি এদিন এই পুত্ৰক লৈ কৰিবা গৌৰৱ ---

বিভাণ্ডক ঃ অ'হ বাচা, তোমাৰ এই সুমধুৰ বচনে পাহৰাই তোলে মোৰ জীৱনৰ যান্ত্ৰনা । তুমি পাৰিবা বাচা এদিন তুমি জগতত নিশ্চয় হ'বা খ্যাত নিজ কৰ্মৰে --- পাছে পুত্ৰ, কিছু ক্ষণ মই নাথাকিম আশ্ৰমে । বিশেষ কাৰ্য হেতু যাম মই অল্প দূৰে ।

ঋষ্য ঃ পিতা, তোমাৰ সঙ্গে আজি আমাকো নিয়া ---

বিভাণ্ডক ঃ নহয় পুত্ৰ , তুমি নোৱাৰা যাব ---

ঋষ্য ঃ নহয় পিতা ; আজিহন্তে হোৱা নাই মই আশ্ৰমৰ বাজ ; আজি নিৰাশ নকৰিবা পিতা --

বিভাণ্ডক ঃ ( খঙেৰে ) অবুজ নহ'বা বাচা ; নোৱাৰা যাব তুমি আমাৰ সঙ্গে --( শান্ত হৈ ) চোৱা বাচা, আমাৰ দুয়োৰে অনুপস্থিতিত অনিষ্ট কৰিব পাৰে আমাৰ আশ্ৰম কোনো বন্য পশুৱে । সেইহেতু বাচা তুমি থাকা আশ্ৰমৰ ৰখীয়া হৈ ---

ঋষ্য ঃ তোমাৰ আদেশ শিৰোধাৰ্য পিতা ; যোৱা নিশ্চিন্তে তুমি ; নোৱাৰে বন্য পশুৱে কৰিব অনিষ্ট আমাৰ আশ্ৰম থাকোতে এই ঋষ্যশৃংগ ---

বিভাণ্ডক ঃ জানো বাচা, তুমি মোৰ বচন নকৰা উলংঘন ; গুণী পুত্ৰ তুমি এই বিভাণ্ডকৰ । তেন্তে মই এতিয়া কৰোঁ গমন -- খন্তেকতে মই আহিম ঘূৰি --- ( প্ৰস্থান )

ঋষ্য ঃ যোৱা পিতা, অকৃত্ৰিম স্নেহ কৰা তুমি আমাক -- তথাপি কোনো ক্ষণত নাজানো কিয় তুমি হৈ পৰা অতিকে কঠোৰ । অবুজ সাঁথৰ হৈ পৰে মোৰ বাবে পিতাৰ আচৰণ ---

**সূত্ৰ ঃ এনেতে মায়াৱতী আহে ---**

মায়া ঃ গৃহে কোন আছে --- ?

ঋষ্য ঃ (সংকোচ কৰি ) কোন, কোন আপুনি -- ? পিতা নাই আশ্ৰমে ---

মায়া ঃ নকৰিবা সংকোচ ; আমি আহিছো তোমাকেই বিচাৰি --- ?

ঋষ্য ঃ আমাক বিচাৰি -- ? পিতাৰ বাদে আজিহন্তে আমাক কোনেও নিবিচাৰে । কোন আপুনি ?

মায়া ঃ মই , মই তোমাৰ দৰেই তপস্বী -----

ঋষ্য ঃ তপস্বী ? -- ( কাষ চাপি ) তুমিও কৰা তপ ? তুমিও কৰিছা শাস্ত্ৰ অধ্যয়ন ? ভালেই হ'ল পিতা ঘুৰি আহে মানে আমি কৰিম আলাপ শাস্ত্ৰৰ বাণী ---

মায়া ঃ শাস্ত্ৰ বাণী ? ( স্বগতঃ ) কি যে বিপদ, কিয় ক'লো নিজকে তপস্বী বুলি ? -- ( প্ৰকাশ্য ) নিশ্চয় কৰিম, তাৰ পূৰ্বে এই মোদক তুমি গ্ৰহণ কৰা । লৈ আহিছো কেৱল তোমাৰ বাবে ---

ঋষ্য ঃ আমাৰ বাবে আনিছা ? কিয় --- ?

মায়া ঃ তোমাৰ খ্যাতি শুনি মনত জাগিল হেঁপাহ তোমাক এবাৰ সাক্ষাত কৰাৰ । সেইহেতু নিকটতে থকা আমাৰ আশ্ৰমৰ পৰা লৈ আহিছো এই মোদক তোমাৰ বাবে। তুমি জানো নকৰিবা গ্ৰহণ ?

ঋষ্য ঃ আদৰেৰে আনিছা তাকো আমাৰ বাবে , কিয় নকৰিম গ্ৰহণ ? দিয়া আমাক - ( গ্ৰহণ কৰি ভক্ষণ কৰে ) বাঃ অতি সুস্বাদু । তপস্বী, তোমাৰ উপহাৰ গ্ৰহণ কৰি আমি হলো তৃপ্ত ; পাছে তোমাক মই এতিয়া বিনিময়ত দিম কি ? নাই আশ্ৰমে তেনে কোনো উত্তম উপহাৰ --- কি কৰোঁ ? শাস্ত্ৰই কয় মিত্ৰতাই শ্ৰেষ্ঠ উপহাৰ --

মায়া ঃ তেন্তে তাতকৈ আৰু কি হ'ব শ্ৰেষ্ঠ উপহাৰ ? আজিৰপৰা আমি হলো । আঁহা, মিত্ৰৰূপে আমি কৰোঁ আলিঙ্গন ---

**সূত্ৰ ঃ মায়াৱতীয়ে জোৰকৈ ঋষ্যশৃংগক সাৱটি ধৰে। ঋষ্যশৃংগ স্তম্ভিত হৈ পৰে -**

মায়া ঃ হাঃ হাঃ মিত্ৰ , কি হ'ল তোমাৰ ---- ? মিত্ৰ ----

ঋষ্য ঃ আচৰিত, আচৰিত মিত্ৰ ; তুমিও তপস্বী, আমিও তপস্বী, আমাৰ দৰে পিতাও তপস্বী -- কিন্তু ইমান প্ৰভেদ তোমাৰ আৰু আমাৰ মাজত ?

মায়া ঃ হাঃ হাঃ কি প্ৰভেদ দেখিলা তুমি ?

ঋষ্য ঃ তোমাৰ কণ্ঠ ইমান সুমধুৰ আৰু পিতাৰ কন্ঠ -- আঃ ; তোমাৰ কেশ ইমান মসৃণ ; মৃণালৰ ঠাৰি যেন তোমাৰ দুহাত ইমান সুন্দৰ ; আমাৰ তনু যত কঠিন অথচ তোমাৰ তনু -- ; কিয় মিত্ৰ ? কি ইয়াৰ ৰহস্য ?

মায়া ঃ ( স্বগতঃ ) কিযে বিচিত্ৰ এই যুৱক ? সঁচাই নিচিনে প্ৰভেদ নাৰী - পুৰুষৰ ---এওঁক প্ৰলোভিত কৰাটো হ'ব অতি জটিল --

ঋষ্য ঃ মিত্ৰ, আমাৰ প্ৰশ্নৰ যে নিদিলা উত্তৰ ---

মায়া ঃ ইয়াৰ উত্তৰ অতি গুপুত ; মিত্ৰ বাবে তোমাক দিছো উত্তৰ ; নিতৌ যে কৰোঁ আমি নৃত্য চৰ্চা -

ঋষ্য ঃ নৃত্য চৰ্চা --- ?

মায়া ঃ অ মিত্ৰ ; বাৰু, আজি দেখুৱাওঁ তোমাক আজি আমাৰ মোহিনী নৃত্য -----------------

**সূত্ৰ ঃ মায়াৱতীয়ে নৃত্য আৰম্ভ কৰে ----**

( গীত )

এহি বুলি মায়াৱতী নৃত্য আৰম্ভিলা ।
নানা ভঙ্গী কৰি নাচে ঋষিক হৰিলা ।।
আলিঙ্গি ধৰিয়া ঋষিক কটাক্ষে হাঁহিলা ।
দৰশাইলা যত আছে তত কামকলা ।।

**সূত্ৰ ঃ হঠাৎ মায়াৱতীয়ে নৃত্য বন্ধ কৰে ---**

ঋষ্য ঃ কি হ'ল মিত্ৰ ? কিয় বৈ গ'লা ? আৰু কৰা নৃত্য --

মায়া ঃ নহয় মিত্ৰ, বহু পলম হ'ল ; যাঁও মই এতিয়া নিজা আশ্ৰমে --- ( বেগেৰে প্ৰস্থান কৰে )

ঋষ্য ঃ নহয়, নহয় মিত্ৰ তুমি নাযাবা ; মিত্ৰ , মিত্ৰ ---

**সূত্ৰ ঃ বেগেৰে ঋষ্যশৃংগৰ প্ৰস্থান । আনহাতে সভাত বিভাণ্ডক ---**

বিভাণ্ডক ঃ ( সন্দেহ কৰি নিৰীক্ষণ কৰে ) আঃ নিশ্চয় আশ্ৰমে ঘটিছে কিবা অঘটন ? পুত্ৰ মোৰ ঋষ্যশৃংগ আছিল অকলে ; কিন্তু , এতিয়া মোৰ পুত্ৰ ক'ত ? পুত্ৰ , পুত্ৰ ঋষ্য ---

**সূত্ৰ ঃ ঋষ্যশৃংগ সোমাই আহে ----**

ঋষ্য ঃ পি--পিতা , তুমি পালাহি -- ?

বিভাণ্ডক ঃ পুত্ৰ, তুমি আছা কুশলে ? কোন আহিছিল আমাৰ আশ্ৰমে ?

ঋষ্য ঃ না - নাই পিতা , কোনো অহা নাই ---

বিভাণ্ডক ঃ মিথ্যা বচন নামাতিবা পুত্ৰ ; আশ্ৰমৰ পৰিৱেশ হৈ আছে বিনষ্ট । কোৱা বাচা , কোন আহিছিল আশ্ৰমে মোৰ অনুপস্থিতিত ?

ঋষ্য ঃ আহিছিল পিতা এজন তপস্বী ---; অ পিতা, এজন উত্তম তপস্বী --

বিভাণ্ডক ঃ উত্তম তপস্বী ; আঃ থাকিব নোৱাৰে কোনো উত্তম তপস্বী ---

ঋষ্য ঃ নহয় পিতা, সঁচাই উত্তম তপস্বী ; জানা পিতা , আমাৰ লগত আছে তেওঁৰ অনেক প্ৰভেদ ।

বিভাণ্ডক ঃ আঃ কোন আহিছিল মোৰ অজ্ঞাতে ; কি প্ৰভেদ আছে কোৱা পুত্ৰ ?

ঋষ্য ঃ সুললিত কণ্ঠ তেওঁৰ, মসৃণ কেশ ; আমাৰ দৰে তেওঁৰ শৰীৰত নাই ধূলা কিম্বা মলিন বস্ত্ৰ ; উজ্বল বস্ত্ৰৰে সুশোভিত তেওঁ ; সুগন্ধি বিয়পে তেওঁৰ শৰীৰৰ পৰা ।

বিভাণ্ডক ঃ ( স্বগতঃ ) আঃ নোৱাৰে, এয়া হ'ব নোৱাৰে কোনো তপস্বীৰ বিবৰণ ; নিশ্চয় মোৰ অবৰ্তমানত আহিছিল কোনো সৰগৰ অপ্সৰা ----

ঋষ্য ঃ আৰু জানা পিতা তেওঁ জানে নৃত্য কলা --

বিভাণ্ডক ঃ নাই নাই পুত্ৰ ; নহয় সেয়া কোনো তপস্বী ; নিশ্চয় তুমি কৰিছিলা শয়ন , দেখিলা স্বপ্ন ---

ঋষ্য ঃ নহয় নহয় পিতা, নহয় এয়া কোনো স্বপ্ন ; বাস্তৱতে আহিছিল তেওঁ । মিত্ৰ বুলি তেওঁ মোক যেৱে কৰিছিল আলিঙ্গন নাজানো কিয় পিতা মোৰ শৰীৰত জাগিছিল এক অবুজ শিহৰণ ---

বিভাণ্ডক ঃ ( স্বগতঃ ) আঃ চল কৰি মোৰ অবুজ পুত্ৰক দিলে নাৰীৰ আলিঙ্গন -- ?

ঋষ্য ঃ তপস্বীৰ সান্নিধ্যই পিতা মোক কৰিলে মোহিত । অবুজ আনন্দ লভিলো তেওঁৰ স্পৰ্শত ।

বিভাণ্ডক ঃ নহয় নহয় পুত্ৰ ; তুমি নাজানা , তুমি নুবুজা ; আছিল সেয়া মাথো মায়াৰ চাতুৰি , এক দুঃস্বপ্ন বুলি তাক তুমি যোৱা পাহৰি --

ঋষ্য ঃ তুমিহে বুজা নাই পিতা ; নহয় স্বপ্ন , নহয় মায়া ; আছে বোলে তেওঁৰ আশ্ৰম আমাৰ নিকটতে ; লৈ ব'লা পিতা মোক তপস্বীৰ কাষে ---

বিভাণ্ডক ঃ ( খঙেৰে ) প্ৰলাপ নবকিবি পুত্ৰ --

ঋষ্য ঃ কিয় ক্ৰোধ কৰিছা পিতা ? -- মই তো বোলা নাই কোনো মিথ্যা বচন ?

বিভাণ্ডক ঃ ( শান্ত হৈ ) বুজিছো বাচা ; তোমাৰ বচনেই সত্য ; পাছে তুমি নহ'বা ভ্ৰমিত ; নহয় সেয়া তপস্বী , মোৰ অবৰ্তমানত আহিছিল সেয়া কোনো বনৰ ৰাক্ষস । অ বাচা , যি ঘটি গ'ল তাক তুমি পাহৰি যোৱা ; বনৰ ৰাক্ষস অতি ভয়ঙ্কৰ , চলনাকাৰী ; তেনে অচিন ৰাক্ষসক পুনৰ নিদিবা প্ৰশ্ৰয় --

ঋষ্য ঃ কিন্তু পিতা, কেনেকৈ মানি লওঁ মই তোমাৰ বচন ? কেনেকৈ মানি লওঁ তেওঁক ৰাক্ষস বুলি ? নহয় তেওঁৰ ৰূপ ৰাক্ষসৰ দৰে ভয়ঙ্কৰ । পূৰ্ণিমাৰ চন্দ্ৰ যেন তেওঁৰ বদনৰ কান্তি । ডালিমৰ গুটি যেন তেওঁৰ দন্ত পান্তি । নহয়, নহয় পিতা, তেওঁ ৰাক্ষস নহয় ; তেওঁ এজন উত্তম তপস্বী ---

বিভাণ্ডক ঃ আঃ তপস্বী, তপস্বী, তপস্বী ; খন্তেকতে পাই অচিন সান্নিধ্যক পিতাৰ কি তই হলি অবাধ্য ?

ঋষ্য ঃ পিতা --; নহয় পিতা মই তোমাৰ অবাধ্য ; বাধ্য পুত্ৰ মই তোমাৰ ঋষ্যশৃংগ ।

বিভাণ্ডক ঃ তেন্তে নামান কিয় আজি তই পিতাৰ বচন ? বিশ্বাস কৰি পৰৰ ওপৰত নিজ পিতৃকে আজি তই কৰ অবিশ্বাস ? সন্দেহ কৰি মোৰ বচনত আজি তই মোক কৰ অপমান --

ঋষ্য ঃ পিতা, কিয় মই তোমাক কৰিম অবিশ্বাস ? তোমাৰ বিনে মোৰ নাই পৰিচয় ; যি পিতাক পূজিলে হয় পুণ্য অৰ্জন তেনেহেন পিতৃদেৱক মই কিয় কৰিম অপমান ? আমাৰ বচনে যদি তোমাৰ হৃদয়ত কৰিলে আঘাট তেন্তে ক্ষমিবা পিতা মোক অধম পুত্ৰ বুলি ---

বিভাণ্ডক ঃ উঠা বাচা, তুমিয়ে মোৰ হৃদয়ৰ ৰতন ; তোমাৰ ভালৰ বাবেই সৰ্বদা মই কৰোঁ চিন্তা । জানিবা বাচা, এই জগত চলেৰে ভৰা ; নকৰিবা তুমি কাকো বিশ্বাস ; মাথো ভকতি ৰাখা ভগৱন্তৰ প্ৰতি ; তেঁৱেই সত্য, তেঁৱেই শুদ্ধ । যোৱা বাচা, গৃহৰ ভিতৰে যোৱা ---

ঋষ্য ঃ সেয়ে হ'ব পিতা ; যাঁও মই শ্ৰীহৰিক কৰোঁগৈ আৰাধনা --- ( প্ৰস্থান )

বিভাণ্ডক ঃ হে দেৱেন্দ্ৰ, কি অনিষ্ট সাধিলে মোৰ পুত্ৰই তোমাৰ ? আছোহি বনৰ মাজে আমি নিৰলে ; তাতো তোমাৰ নহ'ল শান্তি ; পুনৰ এক শৃংগৰ সৃষ্টিৰ হেতু পঠালা বনে আজি অপেশ্বৰীক --

***আঃ বাণী ঃ*** ***বিভাণ্ডক, নুদুষিবা দেৱেন্দ্ৰক ; নহয় ইটো দেৱৰ চল ; অ বিভাণ্ডক, নহয় ইটো দেৱৰ চালনা ---***

বিভাণ্ডক ঃ ই কি ? নহয় ইটো দেৱৰ চালনা ? তেন্তে কোন ৰহস্যময়ী নাৰী প্ৰৱেশিলে আজি আমাৰ আশ্ৰমে ? নিশ্চয় আছে তাই আশ্ৰমৰ সমীপে --- যাঁও মই এতিয়াই তাইক বিচাৰি ---

**সূত্ৰ ঃ** **বিভাণ্ডকৰ প্ৰস্থান । সভাত ৰাজকুমাৰী শান্তাৰ প্ৰৱেশ ---**

গীত - (ৰাগ ঃ ধনশ্ৰী, তাল ঃ একতাল )

**সভাত চলিয়া আহে অংগৰ কুঁৱৰী ।**
**শান্তা নামে নাৰী ইটো অতি গুণৱতী ।।**
**ধীৰে ধীৰে চলি আহে সভাৰ ভিতৰে ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰে ।।**

শান্তা ঃ এয়া কি হৈ গ'ল আমাৰ উদ্যানৰ ? যি উদ্যানত উমলি জামলি মনৰ উলাহত পাৰ কৰিলো

মোৰ শৈশৱ কাল , যি উদ্যানত আছিল চম্পা, সেউতী, ইন্দ্ৰমালতী ফুলি জকমকাই আজি সেয়া হেৰাল নিষ্ঠুৰ প্ৰকৃতিৰ নিষ্ঠুৰতাত । নাই নাই এনে নিদাৰুণ দৃশ্য মই নোৱাৰোঁ সহিব -

( বিলাপ )

হাঁ হাঁ প্ৰভু কিয় দেখো বনৰ দুৰ্দশা ।
কৈত হেৰাল বনৰ পক্ষী পুষ্প ও লতিকা ।।
কাৰ দোষে প্ৰভু আজি বনৰ দুৰ্গতি ।
নোৱাৰোঁ সহিব মই প্ৰাণ যাই ফুটি ।।

**সূত্ৰ ঃ এনেতে লোমপাদ আহে ---**

লোম ঃ আই শান্তা, এই উদ্যানৰ মাজে আহি কিয় কৰিছা তুমি ক্ৰন্দন ?

শান্তা ঃ কি কৰিম পিতা ; নিষ্ঠুৰ দেৱতাৰ নিষ্ঠুৰতাত আজি কান্দিছে মোৰ প্ৰিয় বন, বিৰিষ, পুষ্প লতাই । ইহঁতৰ দুখ মই নোৱাৰোঁ সহিব । অবলা নাৰী মই ; কিদৰে কৰোঁ সহায় ? ক্ৰন্দনৰ বাহিৰে জানো আছে পিতা অন্য উপায় ?

লোম ঃ নাকান্দিবা আই, তোমাৰ দুখ বুজিছো মই । নোৱাৰে সহিব তোমাৰ কোমল হৃদয়ে উদ্যানৰ এনে দুৰ্দশা । পাছে আই, নাই আৰু বেছি দিন ; অচিৰতে আমাৰ ৰাজ্যৰ দুখ হ'ব নিবাৰণ । অ , সেউজী হ'ব পুনৰ এই উদ্যান ; মেলিব কলি, ফুলিব পুষ্প পুনৰ জকমকাই --

শান্তা ঃ সঁচানে পিতা ? পুনৰ আহিব ঘূৰি তেনে পৰিৱেশ ?

লোম ঃ পিতাই জানো তোমাক দিব মিছা আশ্বাস ? দিলেহি দেৱৰ্ষীয়ে আমাক আশাৰ সন্ধান ; লৈছো মই উপায় , নিশ্চয় আমি হম সফল --

শান্তা ঃ অ'হ পিতা, কিয়ে আনন্দৰ বাৰ্তা দিলাহি শুনাই । শুনিলানে বন, শুনিলানে বিৰিষ পুনৰ হ'ব জীপাল আমাৰ ধৰা । মেলিব সেউজী কোমল পাত বিৰিষৰ ডালে , মেলিব কলি পুষ্পৰ ডালে ; ফুলি পুষ্প আমাৰ প্ৰিয় উদ্যানে পুনৰ উঠিব উজ্বলি হাঃ হাঃ ---

লোম ঃ নিশ্চয় হ'ব আই ; ভগৱন্তক কৰিছো মিনতি পূৰ্ণ হওক যেন কন্যাৰ মনৰ কামনা । দুৰ হওক প্ৰজাৰ দুখ- যান্ত্ৰনা । ব'লা আই যাঁও আমি এতিয়া এই স্থানৰ পৰা ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত ঋষ্যশৃংগ ----**

ঋষ্য ঃ এয়া মোৰ হৈছে কি ? পিতাৰ বচন, পিতাৰ উপদেশক মানি লব নিবিচাৰে মোৰ মনে ; নবহে মন মোৰ আজি আশ্ৰমৰ গৃহে । শয়নে দিঠকে বিচাৰি ফুৰোঁ মই সেই তপস্বীক । পুনৰ লভিবলৈ সেই তপস্বীৰ সান্নিধ্য মন মোৰ হৈছে ব্যাকুল । কৈছিল তপস্বীয়ে আছে তেওঁৰ আশ্ৰম আমাৰ সন্নিকটে । আঃ কি কৰোঁ মই ? নুবুজে পিতাই মোৰ মনৰ দশা ; দিয়ে মাথো আদেশ আশ্ৰমৰ নহ'বা বাজ -- নাই নাই এয়া পিতাৰ অন্যায় আদেশ ; কয় মোক অন্তৰাত্মাই চিঞৰি চিঞৰি ভাঙি দে, চিঙি দে প্ৰাচীৰ তই পিতাই গঢ়া --- অ, মই পাৰিম ; পাৰিম মই কৰিব পিতৃ বাক্য উলংঘন । পাইছো সুযোগ, পিতা গৈছে আশ্ৰমৰ পৰা তপৰ হেতু ; কিন্তু , আজিহন্তে হোৱা নাই মই আশ্ৰমৰ বাহিৰ । তেনেস্থলত নিচিনো পথ -- কি কৰোঁ , কি কৰোঁ মই -- ?

**সূত্ৰ ঃ এনেতে মায়াৱতী আহে ---**

মায়া ঃ মিত্ৰ, মই আহিলো পুনৰ ----

ঋষ্য ঃ অ'হ মিত্ৰ, তুমি আহিলা ; তোমালৈকে মই কৰিছো অপেক্ষা । জানা মিত্ৰ, তোমাৰ সান্নিধ্যত আছে কিবা আকৰ্ষণ যাক লভিবৰ বাবে মই হওঁ ব্যাকুল ---

মায়া ঃ আমিও বিচাৰোঁ তোমাক ; থাকিব বিচাৰোঁ তোমাৰ সমীপে । এই আশ্ৰমতে তোমাৰ সঙ্গে থাকিবৰ হেতু দিবনে বাৰু অনুমতি তোমাৰ পিতাই ?

ঋষ্য ঃ ই যে অসম্ভৱ মিত্ৰ ; পিতা মোৰ অতিকে ৰুক্ষ স্বভাৱৰ । তোমাৰ বিষয়ে জনাওঁতে পিতাক শুনালে মোক কটু বচন। নামানে পিতাই তোমাক তপস্বী বুলি। কয় পিতাই তুমি বোলে বনৰ ৰাক্ষস --

মায়া ঃ বনৰ ৰাক্ষস -- ? হাঃ হাঃ পাছে তুমি কি ভাবা আমাক ?

ঋষ্য ঃ তুমি মোৰ মিত্ৰ , উত্তম তপস্বী । মিত্ৰ, তোমাৰ আশ্ৰম কি সঁচাই আমাৰ নিকটতে ?

মায়া ঃ অ , অ মিত্ৰ , নিকটতে আছে আমাৰ আশ্ৰম , অতি মনোহৰ ---

ঋষ্য ঃ তেন্তে মিত্ৰ, পিতা নাই আশ্ৰমে ; লৈ ব'লা মোক এই সুযোগতে তোমাৰ আশ্ৰমে । থাকিম আমি দুয়ো একেলগে -- কৰিম তপ -- কৰিম শাস্ত্ৰালাপ মনৰ আনন্দতে ---

মায়া ঃ( স্বগতঃ ) এই ক্ষণলৈকে মই কৰিছিলো অপেক্ষা ; স্বয়ং ঋষ্যশৃংগ যাব ওলাইছে আজি আমাৰ সঙ্গে -

ঋষ্য ঃ কি চিন্তা কৰিলা মিত্ৰ ? নিনিয়া নেকি মোক তোমাৰ আশ্ৰমে ? যতদিন পিতাই কৰিব তপ ততদিন থাকিম মই তোমাৰ আশ্ৰমে ---

মায়া ঃ উত্তম , কিয় নিনিম ? আঁহা মিত্ৰ, লৈ যাঁও তোমাক আমাৰ আশ্ৰমে --

**<u>সূত্ৰ ঃ</u>** **<u>দুয়োৰে প্ৰস্থান । আনফালে সভাত শ্ৰীবিষ্ণু ----</u>**

শ্ৰীবিষ্ণু ঃ মায়াৱতী উদ্দেশ্যত হৈছে সফল । আনিছে উলিয়াই ঋষ্যশৃংগক পিতৃৰ বান্ধোনৰ পৰা । অৱশ্যে যি ঘটিছে আমাৰ ইচ্ছাতে ঘটিছে । শুনা জগতবাসী, কিয় কৰাইছো আমি এনে কাৰ্য ? সাংসাৰিক সুখ ভোগৰপৰা আঁতৰত ৰাখি নিজ পুত্ৰক কৰাব মহৰ্ষী --এয়া ভ্ৰান্ত ধাৰণা ঋষি বিভাণ্ডকৰ । ব্ৰহ্মচৰ্য লাভ নহয় ইমান সহজ । আনহাতে ঋষ্যশৃংগৰ হৈছে ধৰাত জনম অন্য উদ্দেশ্যত । আছে বহু কৰ্তব্য তেওঁৰ ; আছে বহু কৰ্তব্য আমাৰ । যাঁও এৰে আমি আপোন কৰ্তব্যত --

**<u>সূত্ৰ ঃ</u>** **<u>শ্ৰীবিষ্ণুৰ প্ৰস্থান । আনফালে সভাত মায়াৱতী আৰু ঋষ্যশৃংগ --</u>**

<u>গীত</u>

যাত্ৰা পথে নৃত্য কৰি আহে মায়াৱতী ।
সঙ্গে লৈয়া ঋষ্যশৃংগক নানা ৰঙ্গ কৰি ।।

ঋষ্য ঃ মিত্ৰ, আৰু কিমান দূৰত আছে তোমাৰ আশ্ৰম -- ?

মায়া ঃ নাই আৰু বেছি দূৰ ; যদি মিত্ৰ তোমাৰ লাগিছে ক্লান্তি ---

ঋষ্য ঃ নাই নাই মিত্ৰ, তোমাৰ সান্নিধ্যত মোৰ নাহে ক্লান্তি । নাজানো কিয় তোমাৰ স্পৰ্শই জগাই তোলে মোৰ শৰীৰত এক অবুজ শিহৰণ । কোৱা মিত্ৰ, ক'ত পালা তুমি এনে দুৰ্লভ গুণ ?

মায়া ঃ হাঃ হাঃ মিত্ৰ , এয়া আমাৰ ভগৱন্তৰ দান । সৃষ্টি কৰিছে আমাক ভগৱন্তই নাৰীৰূপে --

ঋষ্য ঃ নাৰীৰূপে -- ? অৰ্থাৎ --

মায়া ঃ অ নাৰীৰূপে ; মিত্ৰ, তুমি অতিকে অবুজন ; নুবুজা তুমি নাৰী আৰু পুৰুষৰ প্ৰভেদ --- তুমি পুৰুষ আৰু আমি নাৰী, নাম আমাৰ মায়াৱতী --

ঋষ্য ঃ মায়াৱতী -- ?

মায়া ঃ অ মায়াৰতী, আমাৰ দৰে নাৰীৰ স্পৰ্শই পুৰুষৰ শৰীৰত জগাই তোলে যৌৱন বাসনা হাঃ হাঃ

ঋষ্য ঃ অৰ্থাৎ তুমি নোহোৱা তপস্বী ? তুমি মায়াৰতী ; আঃ চল কৰিলা তুমি মোক ; নাই তোমাৰ কোনো আশ্ৰম । নাযাঁও মই তোমাৰ সঙ্গে ; যাঁও উলটি ---

মায়া ঃ কি কৰা মিত্ৰ ? কৰা নাই আমি কোনো চল । আছে আমাৰ আশ্ৰম সৌ নদীৰ সিপাৰে । মাথো জনালোঁ তোমাক এক সত্য -- আমি তপস্বী নাৰী আৰু তুমি তাপস কুমাৰ । আছে আমাতকৈও উত্তম তপস্বী আমাৰ আশ্ৰমে । ব'লা, ব'লা মিত্ৰ আৰু নকৰোঁ পলম --

**<u>সূত্ৰ ঃ মায়াৰতীয়ে ঋষ্যশৃংগক লৈ যায় । আনফালে সভাত লোমপাদ ----</u>**

লোম ঃ এদিন দুদিনকৈ সময় গৈছে আগুৱাই ; পোৱা নাই কোনো সংবাদ মায়াৰতীৰ । ৰাজ্যৰ সৰ্বোত্তম গণিকা তাই ; সেইহেতু কৰিছিলো তাইকে দায়িত্ব অৰ্পণ বিভাণ্ড তনয়ক আমাৰ ৰাজ্যে অনাৰ। পাছে হৈছেনে সফল বাৰু উদ্দেশ্যত তাই ?

**<u>সূত্ৰ ঃ এনেতে ঋষ্যশৃংগক লৈ মায়াৰতী আহে ---</u>**

মায়া ঃ প্ৰণাম মহাৰাজ, মায়াৰতীয়ে আপোনাক নকৰে হতাশ ; লৈ আহিলো মই ঋষি তনয়ক --

লোম ঃ ধন্য ধন্য মায়াৰতী , আছিল বিশ্বাস মোৰ তোমাৰ ওপৰত ; প্ৰণাম ঋষিবৰ, অংগৰাজ মই লোমপাদে অংগৰাজ্যে আপোনাক জনাইছো স্বাগতম ।

ঋষ্য ঃ অংগৰাজ্য ? অৰ্থাৎ এয়া নহয় কোনো আশ্ৰম ? মায়াৰতী, এয়া ক'লৈ আনিলা তুমি মোক ?

মায়া ঃ ক্ষমিব ঋষিবৰ ; নহওঁ মই কোনো তপস্বিনী ; দাসী মই অংগৰাজ্যৰ ; কৰিছিলো মাথো ৰাজআজ্ঞা পালন ; মহাৰাজ, মই তেন্তে এতিয়া বিদায় মাগো --- ( প্ৰস্থান )

ঋষ্য ঃ ( খঙেৰে ) মায়াৰতী, মায়াৰতী ------

লোম ঃ ক্ষমিব ঋষিবৰ, নলৈ আপোনাৰ অনুমতি অনালো চলেৰে আপোনাক আমাৰ ৰাজ্যলৈ --

ঋষ্য ঃ দুৰাচাৰী ৰাজন ; চল, চল কৰি মোৰ হতে তই কৰিলি অপৰাধ । আঃ দুৰ্যোৰ অপৰাধ --

**<u>সূত্ৰ ঃ ধীৰে ধীৰে শান্তা সোমাই আহে ----</u>**

লোম ঃ অপৰাধ মই কৰিছো স্বীকাৰ । হে ঋষিবৰ, তাৰপূৰ্বে কৃপা কৰি শুনক কিয় কৰিলো মই এই অপৰাধ -- আজিহন্তে দ্বাদশ বছৰে হোৱা নাই বৃষ্টিপাত অংগৰাজ্যে ; বিবাহৰ অত বছৰৰ পাছতো নেদেখিলো মই এক পুত্ৰ সন্তান । দেৱৰ্ষীয়ে আহি দিলে উপায় আপোনাৰ আগমণে হ'ব বৃষ্টিপাত আমাৰ ৰাজ্যে ; যদি কৰাওঁ মই অশ্বমেধ যজ্ঞ আপোনাৰ দ্বাৰা লভিম মই পুত্ৰ সন্তান ---

ঋষ্য ঃ আঃ স্বাৰ্থপৰ নৰাধম তই ; নিজ স্বাৰ্থ পূৰণৰ হেতু তই কৰ এনে চালনা ? জাননে তই, তোৰ চালনাত পৰি মই কৰিলো পিতাৰ বিশ্বাস ভঙ্গ । আঃ নিচিনিলি তই মোৰ পিতাৰ ক্ৰোধক ; নিচিনিলি তই আমাৰ তপোবলক ; কৰি দিব পাৰোঁ আমি ভস্ম তোৰ সহিতে সমস্ত অংগ ৰাজ্যক ---

শান্তা ঃ ক্ষমা, ক্ষমা কৰক ঋষিবৰ ; পিতাই কৰিছে ভুল , কৰিলে অপৰাধ ; পিতাৰ ভুলৰ বাবে কন্যা শান্তাই আপোনাৰ চৰণত মাগিছো ক্ষমা ভীক্ষা ----

লোম ঃ হে ঋষিবৰ, নিৰুপায়, হতাশাত ভুগি হেৰুৱালো মই হিতাহিত জ্ঞান । জানিব পাৰিছিলো তৰ পিতৃৰ সংকল্প ; তেনেস্থলত নহ'ল সাহস আমাৰ আপোনাক বিচাৰি যাব তৱ পিতৃৰ সমীপে --

শান্তা ঃ দয়া কৰি ঋষিবৰ যাবনে আপুনি মোৰ সঙ্গে এক স্থানে ?

ঋষ্য ঃ কোন স্থানে নিব খোজা আমাক ? পুনৰ ৰচিবা কি এইবাৰ তুমি চালনা ?

শান্তা ঃ নহয় ঋষিবৰ, দেখুৱাম আপোনাক সত্য কি ? কৃপা কৰি আহক আপুনি আমাৰ সঙ্গে । তাৰ পাছতো যদি ভাৱে আপুনি শাস্তিয়েই আমাৰ পৰম যোগ্য লম শিৰ পাতি আমি পিতৃ কন্যাই । পিতা, তুমি কৰা অপেক্ষা লৈ যাঁও ঋষিবৰক আমাৰ উদ্যানে। কৃপা কৰি আহক ঋষিবৰ ---

**সূত্ৰ ঃ ঋষ্যশৃংগক লৈ শান্তাৰ প্ৰস্থান ---**

লোম ঃ যোৱা আই ; কৰিছো আশা তোমাৰ বচনে, তোমাৰ আচৰণে নিশ্চয় শাম কটাব ঋষিৰ ক্ৰোধ -- হে প্ৰভু, অগ্নিৰ লগত আজি কৰিলো চল ; কৃপা কৰিবা প্ৰভু , কৃপা কৰিবা ----

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শান্তা আৰু ঋষ্যশৃংগ ----**

শান্তা ঃ আহক, আহক ঋষিবৰ এই স্থানলৈকে আনিলো আপোনাক ---

ঋষ্য ঃ ক'লৈ আনিলা এয়া তুমি মোক ?

শান্তা ঃ চাওক, চাওক ঋষিবৰ এসময়ত আছিল ইয়াত এক শ্যামলী উদ্যান । নানাৰঙী পুষ্প আৰু পক্ষীৰ কলৰৱে মুখৰিত আছিল ইয়াৰ পৰিৱেশ। পাৰ কৰিছিলো ইয়াতে মই মোৰ সোণালী শৈশৱ -

ঋষ্য ঃ কিন্তু নাই যে এতিয়া ইয়াত তাৰ একো চিন ?

শান্তা ঃ কেনেকৈ থাকিব ঋষিবৰ ? নাজানো কিয় আজি দ্বাদশ বছৰে আমাৰ ৰাজ্যত হোৱা নাই বৃষ্টিপাত । জলৰ অভাৱত ধৰণীত মেলিছে ফাঁট ; বন, বিৰিষ, পুষ্প , লতিকা সকলো হেৰাল মোৰ চকুৰ আগতে । নোৱাৰি সহিব দুখ বন - বিৰিষৰ তৰাং উদ্যানত আজি যৌৱনা শান্তাই নিঃসহায়ভাৱে হিয়া ভাঙি মাথো তোলো কান্দোনৰ ৰোল --

ঋষ্য ঃ নাকান্দিবা শান্তা , তোমাৰ দুখ, তোমাৰ অশ্ৰুৱে মোৰ হৃদয়ো কৰিছে ব্যথিত । বুজিলো মই তোমাসবৰ দুখ ; মোক ক্ষমিবা দেৱী, নাজানি তোমালোকক মই কৰিলো ক্ৰোধ ---

শান্তা ঃ ধন্যবাদ ঋষিবৰ, পিতাৰ দোষক আপুনি কৰিলে ক্ষমা । ই কি ? চাওক , চাওক খষিবৰ অত দিনে দেখি অহা নীলা অম্বৰ কলীয়া ডাৱৰে ধৰিছে ছানি । এয়া, এয়া আপোনাৰ মহিমা ঋষিবৰ ; বৰুণদেৱেও আজি সন্তুষ্ট হৈ আমাৰ ৰাজ্যে কৰিব বৃষ্টিপাত ---

ঋষ্য ঃ নদী- জল- স্থল- অৰণ্য - আকাশ- বতাহ সকলো পৰমেশ্বৰৰ সৃষ্টি ; তেঁৱেই পালনকৰ্তা, সকলোৰে সখা ; আমি মাথো কৰিম প্ৰাৰ্থনা । নিশ্চয় হ'ব অংগৰাজ্যে বৃষ্টিপাত । আৰু দেৱী, মন আমাৰ কৰিলো স্থিৰ অংগৰাজ্যৰ হিতৰ হেতু তোমাৰ পিতৃদেৱৰ সৰ্ব কাৰ্য আমি কৰিম সমাপন ---

শান্তা ঃ অ'হ ঋষিবৰ ( হাতত ধৰে ) কিযে সুন্দৰ বাৰ্তা শুনালে আমাক । তুৰন্তে গৈ মই এই বাৰ্তা দিওঁগৈ পিতৃদেৱক -- পিতা, পিতা --- ( **প্ৰস্থান** )

ঋষ্য ঃ দেৱী, দেৱী -- চঞ্চলা আৰু সৌম্যৰ প্ৰতিমূৰ্তি যেন এই নাৰী । চিনিলো মই নাৰী আৰু পুৰুষৰ প্ৰভেদ। পুনৰ অন্য এক নাৰীৰ আজি মই পালো স্পৰ্শ। কিন্তু ইমান প্ৰভেদ দুয়োৰে মাজত ? মায়াৱতীৰ স্পৰ্শত জাগিছিল মোৰ দেহত যৌৱনৰ শিহৰণ আৰু শান্তাৰ স্পৰ্শ ইমান নিৰ্মল, ইমান পবিত্ৰ ; অন্তৰাত্মা আমাৰ গ'ল চুই , মনৰ ক্ৰোধ আমাৰ মনতে হেৰাল --

**সূত্ৰ ঃ এনেতে আনন্দিত মনে লোমপাদ আহে ----**

লোম ঃ ঋষিবৰ, ঋষিবৰ কিদৰে আপোনাক মই জনাওঁ কৃতজ্ঞতা ? এয়া আপোনাৰ মহানতা --

ঋষ্য ঃ প্ৰজাৰ মঙ্গল, আপোনাৰ বংশ আৰু শান্তাৰ মনৰ উল্লাহৰ হেতু তৱ কাৰ্য আমি কৰিম সাধন। ৰাজন , যজ্ঞৰ প্ৰস্তুতিৰ কৰক আয়োজন । প্ৰয়োজন হ'ব আমাক এক বিশেষ অশ্বৰ । হ'ব লাগিব সেই অশ্ব গঙ্গা জলৰ দৰে স্বচ্ছ ; বৰণত শুভ্ৰ ; শ্যামবৰ্ণৰ কৰ্ণ ; মুখ হ'ব লাগিব তাৰ

রক্ত বর্ণৰ ; হ'ব লাগিব সেই অশ্ব মনৰ সমান বেগৱন্ত ।

লোম ঃ অশ্বৰ বাবে চিন্তা নকৰিব ঋষিবৰ ; যোগাৰ হ'ব তেনে অশ্ব ।

ঋষ্য ঃ তেন্তে ব'লক ৰাজন যজ্ঞৰ প্ৰস্তুতিৰ কাম আমি কৰোঁগে আয়োজন --

লোম ঃ ব'লক ঋষিবৰ ---

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান । আনফালে সভাত বিভাণ্ডক ----**

বিভাণ্ডক ঃ বহুদিন তপ কৰি থাকিলো মই আশ্ৰমৰ বাহিৰত । আহিছো আজি নিজ আশ্ৰমে ঘূৰি --ই কি আশ্ৰমৰ এনে অৱস্থা যেন পৰিত্যক্ত ? নকৰি আশ্ৰমৰ প্ৰতিপালন কি কাৰ্য কৰে মোৰ পুত্ৰ ঋষ্যই ? পুত্ৰ , পুত্ৰ -- আচৰিত, নাই কোনো সঁহাৰি ? পুত্ৰ , পুত্ৰ ঋষ্যশৃংগ -- ই কি পুত্ৰ নাই আশ্ৰমৰ কুটীৰে ? ক'ত গ'ল ? ক'ত গ'ল মোৰ পুত্ৰ ? হে প্ৰভু ঘটা নাইতো পুত্ৰৰ কিবা অঘটন ? ---( ধ্যানত বহে ) ঔম , ঔম , ঔম -- নাই, নাই, নাই --লোমপাদ, এয়া কি কাৰ্য কৰিলি তই ? মোৰ অবৰ্তমানত পঠাই বেশ্যা নাৰীক হৰণ কৰালি তই মোৰ পুত্ৰক । আঃ অপৰাধ কৰে আজি মনুষ্য ৰাজনে । লোমপাদ , লোমপাদ ----

**সূত্ৰ ঃ বেগেৰে বিভাণ্ডকৰ প্ৰস্থান । আনফালে বৰৰ বেশে ঋষ্যশৃংগ আৰু কইনাৰ বেশে শান্তাক লৈ লোমপাদ আহে ---**

লোম ঃ হে ঋষিবৰ, চিৰ কৃতজ্ঞ মই আপোনাৰ ওচৰত ; আপোনাৰ আগমণে বৃষ্টিপাত হ'ল আমাৰ অংগৰাজ্যে ; আপোনাৰ কৃপাতে কৰি অশ্বমেধ যজ্ঞ আমি লভিলো পুণ্য আৰু আজি গ্ৰহণ কৰি আমাৰ কন্যাক পত্নীৰূপে পিতৃ ঋণৰ পৰাও আপুনি আমাক কৰাওক মুক্ত --

ঋষ্য ঃ ৰাজন, আমি মাত্ৰ নিমিত্তহে ; প্ৰভু ভগৱন্তৰ কৃপাতে সৰ্ব কাৰ্য হৈছে সফল ---

লোম ঃ আপুনি মহান ঋষিবৰ ; মহন্তজনে নকৰে কদাপি আপোন গুণানুকীৰ্তন । আই শান্তা, তোমাৰ দৰে গুণৱতী কন্যা লভিলো মই ভাগ্যবলে । আই, বৰমাল্য অৰ্পণ কৰা তুমি ঋষিবৰক ---

শান্তা ঃ ঋষিবৰ, শান্তাৰ বৰমাল্য গ্ৰহণ কৰি পত্নীৰূপে আমাক গ্ৰহণ কৰক --

**সূত্ৰ ঃ দুয়ো দুয়োকে মাল্য পিন্ধাই । মংগল বাদ্য বাজে ----**

ঋষ্য ঃ হে জগতবাসী, হে অংগৰাজ, আপোনাসবৰ সাক্ষাতত গুণৱতী নাৰী শান্তাক মই মোৰ পত্নীৰূপে কৰিলো গ্ৰহণ । আশীৰ্বাদ কৰক আমাক ৰাজন ---

লোম ঃ কৃপা কৰক প্ৰভু ভগৱন্তই ---

**সূত্ৰ ঃ এনেতে ক্ৰোধেৰে বিভাণ্ডক আহে ----**

বিভাণ্ডক ঃ লোমপাদ, লোমপাদ -- আঃ নৰাধম, কি কাৰ্য কৰিলি তই ? চলেৰে আনি মোৰ পুত্ৰক নিজ কন্যাক সমৰ্পিলি তই মোৰ পুত্ৰৰ হাতে ----

লোম ঃ ঋষিবৰ, নলৈ অনুমতি আপোনাৰ এই কাৰ্য কৰিলো মই । ক্ষমা কৰক ঋষিবৰ, ক্ষমা কৰক -

বিভাণ্ডক ঃ ক্ষমা -- ? ক্ষমাৰ অযোগ্য তই ; ভঙ্গ কৰালি তই মোৰ পণ । ক্ৰোধৰ ক্ৰোধাগ্নিত দহিছো মই । আঃ ক্ষমা নাই, দয়া নাই আজি মোৰ হৃদয়ত --

ঋষ্য ঃ মহাৰাজক ক্ষমা কৰা পিতা ; প্ৰজাৰ হিতৰ বাবে ৰাজনে অনালে মোক ---

বিভাণ্ডক ঃ মুখ বন্ধ কৰ পাপীষ্ঠ ; তয়ো দোষী, অকৃতজ্ঞ তই । পিতাৰ কষ্টক, পিতাৰাৰ পালনক ভৰিৰে মোহাৰি দৌৰি আহিলি তই নাৰীৰ পাছে ? নুবুজিলি তই পিতাৰাৰ ত্যাগক । মাতৃহীন নিঠৰুৱা হৈ জন্মতে যেতিয়া ক্ষুধা -তৃষ্ণাত কান্দিছিলি তই দিকবিদিক হেৰুৱাই পেলাইছিলো মই । পুষ্পৰ

ৰেণু আৰু মধু এই আঙুলিত লৈ তোৰ মুখত দি বিনিদ্ৰ ৰজনী কটাইছিলো মই --- মিছাতেই কৰিলো তোক বেদজ্ঞ, মিছাতেই কৰিলো তোক শাস্ত্ৰজ্ঞ ; নিচিনিলি তই দুৰ্জনক ? নকঁপিল হৃদয় তোৰ পিতৃ বাক্য কৰিলি উলংঘন অতি হেলাৰঙে ----

ঋষ্য ঃ পিতা, আৰু নক'বা একো তোমাৰ বচনে মোৰ ভাঙিছে হৃদয় ; জানো পিতা যি পুত্ৰই পিতৃবাক্য কৰি উলংঘন উচ্ছৃংখল জীৱন কৰে যাপন শাস্ত্ৰই কয় তাকে অধম পুত্ৰ । আজি মই তোমাৰ অধম পুত্ৰ ; তোমাৰ কুলৰ কুলাঙ্গাৰ মই । তিৰস্কাৰ নকৰি পিতা এনে অধম কুলাঙ্গাৰক তুমি নিজ হাতে আজি দিয়া দণ্ড ----

লোম ঃ নহয়, নহয় ঋষিবৰ, ভুল কৰিছো মই ; পাপ কৰিছো মই । নিজ স্বাৰ্থ পূৰণৰ হেতু পিতৃৰ পৰা পুত্ৰক পৃথক কৰালো মই । গুণৱান তৱ পুত্ৰক জোঁৱাইৰূপে পাবৰ ইচ্ছা জাগি আমিয়ে পতালো বিবাহ তৱ অনুমতি নলৈ ---

বিভাণ্ডক ঃ জানো, সকলো জানিলো , যত অকাৰ্য ঘটিল সৱে তয়েই কাৰণ । তয়ে অনৰ্থকৰ মূল , তয়ে দায়ী, তোৰ ওপৰতে বৰষিম আজি মোৰ কোপাগ্নিক ----

শান্তা ঃ ক্ষমা, ক্ষমা কৰক ঋষিবৰ ; হে ঋষিবৰ, নীতিমতে মোৰ পিতাই আপোনাৰ পৰা লব লাগিছিল অনুমতি । ৰীতিমতে আমিও বিবাহৰ ক্ষণত আপোনাৰপৰা লব লাগিছিল আশীষ । এই কথা জানিও ঋষিবৰ আমি অল্পমতীয়ে বাৰে বাৰে কৰিলো অপৰাধ । হে ঋষিবৰ , সৰ্ব দোষ আমাৰ কৰক মৰিষণ ; চৰণত পৰি আপোনাৰ -- ই কি ঋষিবৰ, এয়া কি ? আপোনাৰ চৰণ হৈছে তেজেৰে ৰাঙলী ? আঃ কেনেদৰে সহিছে আপুনি ইমান যান্ত্ৰনা ? আহক , আহক ঋষিবৰ, আপোনাৰ চৰণ আমি দিওঁ ধোৱাই --

বিভাণ্ডক ঃ যি দুখ মই পাইছো হৃদয়ত তাৰ তুলনাত নহয় একো এই ৰক্তক্ষৰণ --

শান্তা ঃ আপোনাৰ দুখ বুজি পাইছো আমি ; তথাপি ঋষিবৰ , আপোনাৰ শুশ্ৰূষা কৰ্তব্য আমাৰ --

বিভাণ্ডক ঃ তুমি কিয় মোক কৰিবা শুশ্ৰূষা ?

শান্তা ঃ আপুনি মোৰ পিতৃ তুল্য ; পুত্ৰবধু যে এতিয়া মই আপোনাৰ ---

বিভাণ্ডক ঃ নাই নাই ; এই বিবাহত মোৰ নাই সন্মতি ----

শান্তা ঃ সন্মতি নাথাকিলেও ঋষিবৰ আপুনি অতিথি আমাৰ ; এই আসন গ্ৰহণ কৰি কৰক বিশ্ৰাম ---

বিভাণ্ডক ঃ বিশ্ৰামৰ হেতু অহা নাই মই এই স্থানে --

শান্তা ঃ নালাগে বাৰু বিশ্ৰাম কৰিব ; ক্ষন্তেক বহক ঋষিবৰ --( বহুৱাই দিয়ে ) -- হায় হায়, বহুদূৰ পদব্ৰজে আপুনি কৰিলে গমন ; দুই চৰণ আপোনাৰ গৈছে উখহি --- ( ঋষিৰ চৰণ পিটিকি দিয়ে ) পিতা, ঋষিবৰৰ বাবে জলৰ কৰক ব্যৱস্থা --

বিভাণ্ডক ঃ আঃ নালাগে জল ; কন্যাৰ পৰিচৰ্যাৰে ৰাজন নোৱাৰা কটাব শাম মোৰ ক্ৰোধাগ্নিক ----

লোম ঃ ঋষিবৰ, কন্যাৰ শুশ্ৰূষাত নাই মোৰ কোনো স্বাৰ্থ ; কন্যা মোৰ গুণৱতী কোমল হৃদয়া ; কৃপা কৰি শান্তাৰ শুশ্ৰূষাক নকৰিব অৱজ্ঞা ---

শান্তা ঃ নালাগে পিতা আৰু নকৰিবা অনুৰোধ । ভুল যদি কৰিছো আমি ভূগিম দণ্ড । হে ঋষিবৰ, যদি আপুনি ভাৱে মোক চলনাময়ী বুলি ; যদি আপুনি ভাৱে তৱ পুত্ৰক মই কৰিছো চালনা , তেন্তে ঋষিবৰ আছে আপোনাৰ তপোবল , ভস্ম কৰক মোক এই ক্ষণতে --

বিভাণ্ডকঃ সেই বুলিতো মই কোৰা নাই তোমাক ---

শান্তা ঃ পুত্ৰবধু জানো নহয় নিজ কন্যা সম ? যদি আপুনি মোক কৰা নাই সন্দেহ , যদি আপুনি মোক কৰা নাই ঘৃণা তেন্তে কিয় নলয় মোক আপুনি জীৱ দৰে আদৰি -----

বিভাণ্ডকঃ শান্তা --( শোকত সাৰটি ধৰে ); কিয় কৰিম মই তোমাক সন্দেহ ? কিয় কৰিম মই তোমাক ঘৃণা ? তোমাৰ দৰে গুণৱতী নাৰীক প্ৰথম দৰ্শনতে মই পালো চিনি । আই শান্তা, পুত্ৰ মোৰ অতি অবুজন ; নাই সংসাৰৰ জ্ঞান । ইয়াৰ দায়িত্ব তোমাৰ ওপৰত গটালো আই --

ঋ+শা ঃ পিতা ---( সকলোৰে সাৰটি কান্দে )

লোম ঃ হে ঋষিবৰ, কিদৰে কৃতজ্ঞতা জনাওঁ আপোনাক ? ধন্য হ'ল আজি এই লোমপাদৰ জীৱন ।

বিভাণ্ডকঃ নহয় ৰাজন , কৃতজ্ঞ মই তব কন্যা তথা আমাৰ পুত্ৰবধু শান্তাৰ ওচৰত । হে জগতবাসী, পুত্ৰবধু শান্তাই আজি আমাৰ ভ্ৰম কৰালে আঁতৰ । আমি মূঢ়জনে নকৰি স্বীকাৰ নিজ দুৰ্বলতাক দোষাৰূপ কৰি গলো জগতৰ সমস্ত নাৰী জাতিক । হে মাতৃস্বৰূপা জগতৰ সতী নাৰীগণ, আমাৰ দোষ আপোনাসৱে কৰিব মৰিষণ। বাচা ঋষ্যশৃংগ, আমি এতিয়া আশ্ৰমে কৰোঁ গমন । কিছুকাল থাকি অংগৰাজ্যে পত্নীসমে যাবা তুমি নিজ আশ্ৰমে । আমি এতিয়া সৰ্বজনৰ পৰা মাগিছো বিদায় --- হৰি ঔম, হৰি ঔম, হৰি ঔম --- ( প্ৰস্থান )

লোম ঃ ভগৱন্ত হৈছে প্ৰসন্ন ; সৰ্বদিশে আজি হৈছে মঙ্গল । আজি মই অতিকে আনন্দিত ; পাতিম ৰাজ্যত আজি মহা আনন্দৰ উৎসৱ । ব'লা যাঁও সকলো , উৎসৱৰ কৰোঁগৈ আয়োজন ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত শ্ৰীবিষ্ণু ---**

বিষ্ণু ঃ ঋষি বিভাণ্ডকৰ ভ্ৰম কৰালো আঁতৰ । নাৰীতে আছে সৌন্দৰ্যতা , নাৰীতে আছে তেজস্বীতা, নাৰীতে আছে শীতলতা, গভীৰতা আৰু সহিষ্ণুতা । বুজিলে ঋষিয়ে শান্তাৰ সান্নিধ্যত নাৰীৰ এই মহানতাক । যি নহওক সকলো প্ৰস্তুতি আমাৰো গতি কৰিছে সমাপ্তিৰ দিশে । বশিষ্ঠৰ পৰা লভি পৰামৰ্শ অযোধ্যা নৃপতি দশৰথে এইবাৰ আমাৰ অতিকে প্ৰিয় ঋষ্যশৃংগৰ দ্বাৰা পুত্ৰ কামনাৰে পাতিছে অশ্বমেধ যজ্ঞ । যজ্ঞৰ পুণ্য তুমি লভিবা দশৰথ ; অচিৰেই অযোধ্যাৰাজ দশৰথৰ পুত্ৰৰূপে আমি মৰতত নৰৰূপে লম অৱতাৰ । যাওঁ এতিয়া আমি নিজ কৰ্তব্যত --

গীত ঃ ( ৰাগ - বসন্ত ; তাল - চুতকলা )

**এহিবুলি ৰঙ্গমনে চলে পদ্মপাণি ।**
**নৰৰূপে অৱতৰোঁ বুলি ধৰণীত ।।**
**কৃপা কৰি ঋষ্যশৃংগক কৰিলা মহান।**
**নিৰন্তৰে নৰে ডাকি বোলা নাৰায়ণ।।**

**সূত্ৰ ঃ শ্ৰীবিষ্ণুৰ প্ৰস্থান । ইমানতে নাটভাগিৰ সমাপ্তি ঘটে ।**

গীত ঃ ( ৰাগ - কল্যাণ, তাল - খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

## মুক্তিমঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি, -- ঋষ্যশৃংগ উপাখ্যান -- নাটকং সম্পূৰ্ণম ।।

সমাপ্ত

# নাট



## শনিৰ প্ৰতিজ্ঞা পূৰণ,
## দুষ্মন্ত শকুন্তলাৰ পুনৰ মিলন


ডি.টি.পি/সংগ্ৰাহক
ৰিডম্ কম্পিউটাৰ পইণ্ট,
তিতাবৰ ষ্টেচন তিনিআলি
☎ ৯৪৩৫৬ ৩৫৫৩১

# ভাৱৰীয়া সকল

১। সূত্ৰধাৰ
২। শ্ৰীবিষ্ণু
৩। শনিদেৱ
৪। ইন্দ্ৰ
৫। চন্দ্ৰ
৬। কাৰ্ত্তিক
৭। দুষ্মন্ত (ৰজা)
৮। অজিত (দুষ্মন্তৰ ভাতৃ)
৯। মন্ত্ৰী
১০। দেৱজিত (সেনাপতি)
১১। কালজিত (বিদ্ৰোহী সেনাপতি)
১২। কন্ব মুনি
১৩। শাঙ্কৰ ( কন্ব মুনিৰ শিষ্য )
১৪। দুৰ্বাসা মুনি
১৫। দুদ্ধৰ্ষ (দৈত্যৰাজ)
১৬। বীৰন্দ্ৰেসুৰ (সেনাপতি)
১৭। ৰক্ষজিত ( দৈত্যৰ নন্দন )
১৮। সৰ্বদমন (দুষ্মন্তৰ পুত্ৰ শিশু)

স্ত্ৰী- চৰিত্ৰ

১। শকুন্তলা
২। প্ৰিয়ম্বদা
৩। অনসূয়া

মুখা ঃ

হৰিণ , সিংহৰ পোৱালী

**শ্ৰীকৃষ্ণয়ে নমো নমঃ**

**শ্লোক ঃ নাৰায়নং নমস্কৃতং নৰো বৈষ্ণৱ নৰোত্তম।**
**দেৱী সৰস্বতী ব্যাসং ততোজয় মুদিৰয়েত।।**

অপিচ ঃ যেনাকাৰী শ্ৰীবিষ্ণু যুগে যুগে অৱতৰি। ধৰ্ম সংস্থাপনায় দুষ্টক সংহাৰি।।

গীত ঃ নান্দী ( ৰাগ- সুহাই, তাল - একতাল )

**জয় জয় দেৱ নাৰায়ণ। তুৱা পাৱে কৰোহো প্ৰণাম।।**
**ভূমি ভাৰ সংহাৰ কাৰণ। নানা ৰূপ ধৰা নাৰায়ণ।।**
**পুৰন্দৰ দৰ্প চূৰ্ণ কৰি। দুষ্মন্তৰ মনোবাঞ্চা পূৰ্ণ কৰি।।**
**বিবাহক কৰিলা শকুন্তলা। ৰাম হৰি ৰাম বোলা।।**

সূত্ৰ ঃ নাট্যন্তে সূত্ৰ ধাৰং অলমতি বিস্তৰেনং, প্ৰথমে মাধৱো মাধৱ ইতোক্তা নত্বা সভাসদ সম্বোধ্যায়।

শ্লোক ঃ ভোঃ ভোঃ সভাসদ যুয়ং শৃণুধং শ্ৰদ্ধয়া ধৃণা, ইয়ং **শনিৰ প্ৰতিজ্ঞা পূৰণ, দুষ্মন্ত শকুন্তলাৰ পুনৰ মিলন** নাম নাটকং শ্ৰৱণে মুক্তি সাধকম।।

অথ ভটিমা

**জয় জয় নাৰায়ণ পূৰ্ণ ব্ৰহ্ম সনাতন**
**তুৱা পাৱে কৰোহো বন্দন।**
**দুষ্টক দমন কৰি পথিৱীৰ ভাৰ হৰি**
**ৰক্ষা কৰা সাধু সন্ত গণ।।**
**কন্বৰ পালিতা জী শকুন্তলা**
**দুষ্মন্তই বিবাহ কৰিলা।**
**বিধিৰ বিপাকে দুৰ্বাসাৰ অভিশাপে**
**শকুন্তলাই অপমান পাইলা।।**
**অহংকাৰী পুৰন্দৰে একদিনা স্বৰ্গপুৰে**
**গ্ৰহৰাজক অপমান দিলা।**
**দৈত্যৰ সঙ্গে আহি গ্ৰহৰাজ শনিদেৱে**
**দেৱেন্দ্ৰৰ দৰ্প হৰিলা।।**
**নিজ দোষে অনুতাপ কৰি ৰাজা দুষ্মন্তই**
**শকুন্তলাক ভাৰ্যাৰূপে লৈলা।**
**হেন জানি নৰলোকে এৰি আন কাম**
**ৰাম হৰি ৰাম হৰি বোলা।।**

## শ্লোক নৃত্য ঃ

সূত্ৰ ঃ আহে সঙ্গী, আকাশে কি বাদ্য বাজত ?

সঙ্গী ঃ আহে সঙ্গী, আকাশে দেৱ বাদ্য বাজত বাজত বাজত।

সূত্ৰ ঃ আ-হাহা মিলল মিলল, আহে সভাসদ হামো যাকেৰি কথা কহৈছি ওহি জগত পতি শ্ৰীবিষ্ণু এহি সভাৰ মধ্যে আৱত, আৱত, আৱত। তাক দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি বোল।

**ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্তঃ**

**সূত্ৰ ঃ সভাত শ্ৰীবিষ্ণুৰ সভাত ---**

শ্লোক ঃ প্ৰৱেশং মকৰোৎ শ্ৰীবিষ্ণু শংখ চক্ৰ গদাধৰং। শ্যামল পীত বসনং গলে বনমালা বিভূষিতং।।

**গীত ঃ (ৰাগ- সিন্ধুৰা, তাল - একতাল)**

**পৰম পুৰুষ প্ৰভু দিলা দৰিশন ।**
**যাক দেখি মহা সুখী হুৱে সৰ্বজন।।**
**কৰ যোগ কঙ্কন ৰুণ জুন ৰুল ।**
**পীত বস্ত্ৰ পৰিধান সৰ্ব বক্ষ স্থল ।।**
**হেন মতে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ডাকি হৰি হৰি বোলা সভাসদ নৰ।।**

বিষ্ণু ঃ দুষ্টক দমন আৰু সন্তক পালন কৰিবৰ বাবেই যুগে যুগে অৱতাৰ আমাৰ । দেৱৰাজ ইন্দ্ৰৰ অত্যাচাৰ দিনক দিনে বাঢ়িব ধৰিছে। ইন্দ্ৰৰ অত্যাচাৰত দেৱগণো আজি অসন্তুষ্ট ; আৰু বেছি সময় নাই, কৰিব লাগিব ইন্দ্ৰৰ দৰ্পচূৰ্ণ । গ্ৰহপতি শনিৰ চক্ৰান্তত, দুদ্ধৰ্ষ দৈত্যৰ হতুৱাই অম্ৰাৱতী আক্ৰমণ কৰাই ইন্দ্ৰক কৰিম দমন । আনফালে শকুন্তলা -- হাঃহাঃ শকুন্তলাৰ শয়নৰ সপোন, মনৰ কল্পনাত মনুষ্য ৰাজা দুষ্মন্তক কৰাম স্থাপন । যাওঁ এৱে নিজ কৰ্ত্তব্যত হওঁ অগ্ৰসৰ -

**সূত্ৰ ঃ বিষ্ণুৰ প্ৰস্থান। আনফালে সভাত শকুন্তলা, অনসূয়া আৰু প্ৰিয়ম্বদাৰ প্ৰৱেশ -**

**গীত ঃ ( ৰাগ - শ্ৰীগান্ধাৰ ; তাল - ধৰমজৌতি )**

**সভাত প্ৰৱেশ কৰে সতী শকুন্তলা।**
**লগে চলে অনসূয়া আৰু প্ৰিয়ম্বদা।।**
**লয়লাসে প্ৰৱেশিলা সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

শকুন্তলা ঃ সখী মোৰ অনসূয়া আৰু প্ৰিয়ম্বদা, প্ৰতি ক্ষণে প্ৰতি পলে মন মোৰ হয় অশান্ত । অসংখ্য দানৱে আমাৰ এই আশ্ৰম ধৰিছে আগুৰি । উসঃ সখী চোৱাচোন, আশ্ৰমৰ উদ্যানৰ অৱস্থা অসুৰ দানৱে কৰিলে কেনেকুৱা ?

অনসূয়া ঃ সখী শকুন্তলা, তাৰ কাৰণে তুমি কোনো চিন্তা নকৰিবা । ভগৱান যদি আমাৰ হয় সহায় আৰু তোমাৰ দৰে সখীয়ে যদি সদায় এই উদ্যানত কৰা বিচৰণ তেনেহ'লে সখী, অসুৰ দানৱে অনিষ্ট কৰিলেও নকমে আমাৰ উদ্যানৰ জেউতি ---

প্ৰিয়ম্বদা ঃ সত্য কথা সখী, আমাৰ সখী শকুন্তলাৰ দৰে নাই ৰূপৱতী এই বসুন্ধৰাত --

শকুন্তলা ঃ তোমালোকৰ যে কথা -- ব'লা, আৰু নকৰোঁ পলম সৌ সৰোবৰৰ পৰা আনোগৈ জল -

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে আশ্ৰমত কন্বমুনি আৰু শিষ্য শাঙ্কৰৰ প্ৰৱেশ --**

**গীত ঃ ( ৰাগ ঃ পয়াৰ ; তাল ঃ পৰিতাল )**

**প্ৰৱেশয় কন্বমুনি অতি ধীৰে ধীৰে।**
**শিষ্য সঙ্গে চলি চিন্তান্বিত মনে ।।**
**হৰি নাম মুখে লৈয়া মুনি আহি গৈলা।।**
**নিৰন্তৰে লোকে ডাকি হৰি হৰি বোলা।।**

শাঙ্কৰ ঃ প্ৰণাম গুৰুদেৱ --- গুৰুদেৱ দেখো আপোনাক চিন্তান্বিত মনে ? কওক গুৰুদেৱ, কি চিন্তাই দহিছে আপোনাক ?

কন্বমুনি ঃ তুমি সঠিক কথাই কৈছা শাঙ্কৰ ; সঁচাই চিন্তিত আজি মই । শান্তিময় আশ্ৰমৰ শান্তি আজি হেৰাল অকস্মাত ; অসুৰ - দানৱৰ কুদৃষ্টি পৰিছে আজি আমাৰ আশ্ৰমত । কেনেকৈ কৰোঁ সংগ্ৰহ পূজাৰ নৈবেদ্য ? কেনেকৈ কৰোঁ আমাৰ নৈমিত্তিক কৰ্তব্য ?

শাঙ্কৰ ঃ গুৰুদেৱ, তপস্বী আমি ; হাজাৰ দুৰ্যোগ আহিলেও কৰি যাম আমাৰ কৰ্তব্য । পূজাৰ নৈবেদ্য যোগাৱৰ বাবে চিন্তা নকৰিব গুৰুদেৱ; শাঙ্কৰে তাৰ কৰিব যোগাৰ --

যোগাৰৰ বাবে চিন্তা নকৰিব গুৰুদেৱ; শাঙ্কৰে তাৰ কৰিব যোগাৰ --

কন্বমুনি ঃ কিন্তু, কেনেদৰে পঠাঁও তোমাক গভীৰ বনলৈ --- ?

শাঙ্কৰ ঃ মোৰ বাবে চিন্তা নকৰিব গুৰুদেৱ ; আপোনাৰ আশীষ শিৰে লৈ নিমিষতে মই পূজাৰ পুস্প কৰিম যোগাৰ । গুৰুদেৱ, মই আহিলো ---- ( **প্ৰস্থান** )

কন্বমুনি ঃ যোৱা শাঙ্কৰ, তোমালোকেই সাহস মোৰ । এই বিষণ্ণ সময়তো আই শকুন্তলাই দিছে মোক অপাৰ আনন্দ । সঁচাই সময় যে অতি দূৰন্ত ; সৌ সিদিনা মালিনীৰ তীৰৰ পৰা উদ্ধাৰ কৰা কন্যা শিশুটি আজি ভৰ যৌৱনা ---(**আঁঠু লৈ** ) হে ভগৱান, কৃপা কৰা অভাগিনী শকুন্তলাক, শক্তি দিয়া মোক যাতে মই শকুন্তলাক উপযুক্ত পাত্ৰক গতাব পাৰোঁ ।

**সূত্ৰ ঃ এনেতে শকুন্তলা আহি মুনিক যি কয় -----**

শকুন্তলা ঃ গুৰুদেৱ, তৱ কন্যা শকুন্তলাৰ সেৱা গ্ৰহণ কৰক ---- (**সেৱা কৰে**)

কন্বমুনিঃ উঠা আই শকুন্তলা ; দীৰ্ঘজীৱি হোৱা ।

শকুন্তলা ঃ গুৰুদেৱ, কিয় দেখো আপোনাৰ বিষাদিত মন ? কওঁকচোন গুৰুদেৱ, কিয় আপোনাৰ দুই নয়নে চকুলো বব ধৰিছে , আঃ কান্দিছে কিয় গুৰুদেৱ ?

কন্বমুনি ঃ কান্দিছো আই, ভৱিষ্যতেও কান্দিব লাগিব। তুমিতো নাজানা তোমাৰ জন্মৰ অকথ্য কাহিনী।

শকুন্তলা ঃ নাজানো গুৰুদেৱ, নাজানো কিয় , ক'ৰ পৰা আহি পালো মই এই স্থান ? যেতিয়াই ভাবো এই বিষয়ে , হওঁ সচকিত , আছে নেকি বাৰু কিবা কলংকিত অধ্যায় এই অভাগিনীৰ জনমত ? গুৰুদেৱ, কৃপা কৰি আজি কওকচোন কোন মোৰ মাতা - পিতা ?

কন্বমুনি ঃ ক'ম শকুন্তলা, ক'ম আজি তোমাক তোমাৰ জন্মৰ কৰুণ কাহিনী। ঋষি বিশ্বামিত্ৰ আছিল তপস্যাত । তেতিক্ষণে আহিল সৰগৰ পৰা অপেশ্বৰী মেনকা ; মেনকাৰ লাৱণ্য ৰূপে বিশ্বামিত্ৰৰ তপস্যা কৰিলে ভঙ্গ । দুয়ো দুয়োকে পাহৰি কামাতুৰ হৈ ঘটিল দৈহিক মিলন ।

শকুন্তলাঃ গুৰুদেৱ, আশংকা মোৰ যেন হ'ব প্ৰমাণিত ; আৰু নকৰিব বৰ্ণন --

কন্বমুনি ঃ নহয় আই, তুমি জানিবই লাগিব ; দুয়োৰে মিলনত মেনকাৰ গৰ্ভে জন্ম হৈছিল এটি কন্যা ৰতন । কিন্তু নিজৰ মান মৰ্য্যদা ৰাখিবৰ বাবে সেই নিস্পাপ শিশুক মালিনী তীৰত পেলাই মেনকাই স্বৰ্গপথে কৰিলে গমন । তেনে সময়ত মইয়ো গৈছিলো মালিনী তীৰলৈ । দেখা পাই ক্ৰন্দনৰত কন্যা শিশুক অতি মৰমেৰে তুলি ল'লো মই এই কোলাত ---

শকুন্তলা ঃ বুজিলো , বুজিলো গুৰুদেৱ, সঁচাকৈয়ে মই অতি দুৰ্ভগীয়া । হে জননী, এইয়া তোমাৰ কেনে আচৰণ ? যদি ত্যাগেই কৰিব লাগে তেন্তে কিয় জনম দিলা আমাক ? জন্মদি দলিয়াই দিয়াতকৈ কিয় গলত চেপি মোক নকৰিলা হত্যা -- ( কান্দে )

কন্বমুনি ঃ শকুন্তলা, উঠা আই , নকৰিবা বেজাৰ । অদৃশ্যৰ লিখন কোনে খণ্ডন কৰিব পাৰে ?

শকুন্তলা ঃ গুৰুদেৱ, আজিৰ পৰা এই শকুন্তলাই আপোনাকেই পিতা বুলি কৰিম সম্বোধন । আপোনাৰ বিনে মোৰ আশ্ৰয়দাতা নাই কোনোজন। হে মোৰ আশ্ৰয় দাতা পিতা, দিয়ক আশীৰ্বাদ --

কন্বমুনি ঃ উঠা আই, তোমাক নিজ কন্যাৰ দৰেই মই কৰিছো লালন পালন আৰু কৰি যাম কৰ্তব্য পালন । আঁহা এতিয়া, শাঙ্কৰে পূজাৰ নৈবেদ্য লৈ আহিব ; কৰিম শ্ৰীহৰিক আৰাধনা --

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। ইফালে মহাৰাজ দুষ্মন্ত, মন্ত্ৰী আৰু সেনাপতি দেৱজিতৰ প্ৰৱেশ ---**

গীত ঃ ( ৰাগ - মাহুৰ ; তাল - পৰিতাল )

**প্ৰৱেশয় মহাবীৰ দুষ্মন্ত ৰাজন।**
**লগে আহে পাত্ৰ মন্ত্ৰী যত সৈন্যগণ।।**
**যাক দেখি প্ৰজাগণে কম্পে থৰাথৰ।।**
**ৰাম কৃষ্ণ বোলা সবে সভাসদ নৰ।**

দুষ্মন্ত ঃ মন্ত্ৰীবৰ আৰু সেনাপতি , মহান পুৰুৰ বংশজ মই ; কৰিছো হস্তিনাত শাসন । বাৰু কওকচোন, আছেনে কুশলে মোৰ প্ৰজাগণ ? কৰিছে নেকি কোনোজনে বিদ্ৰোহ আচৰণ ?

দেৱজিত ঃ মহাৰাজ, বৰ্তমান সকলো প্ৰজাই সুখেৰে কটাইছে জীৱন। কৰা নাই কোনেও বিদ্ৰোহ আচৰণ। তাৰ বাবে চিন্তা কৰাৰ নাই প্ৰয়োজন।

দুষ্মন্ত ঃ উত্তম, অতি উত্তম দেৱজিত । মন্ত্ৰীবৰ, বহুত দিনৰ পৰাই মনত মোৰ মৃগয়া যাত্ৰাৰ জাগিছে হেঁপাহ । মৃগয়ালৈ গ'লে জাগে মনত আনন্দ অপাৰ । গতিকে মন্ত্ৰীবৰ, ভাবিছো কালিলৈ প্ৰভাততে কৰোঁ মৃগয়া যাত্ৰা ; নহয় মানে মনৰ তৃপ্তি পূৰণ নাহো ঘূৰি বনৰ পৰা --

মন্ত্ৰী ঃ মহাৰাজ, আপুনি যদি মৃগয়ালৈ যায় , তেন্তে এই বিশাল সাম্ৰাজ্য কোনে কৰিব তদাৰক ?

দুষ্মন্ত ঃ তাৰবাবে চিন্তা নকৰিব মন্ত্ৰীবৰ , ভাতৃ অজিতৰ হাতত ৰাজ্যভাৰ গতাই কেইটামান দিনৰ বাবে মই কৰিম মৃগয়া যাত্ৰা । বাৰু, আজিলৈ ইমানতে সভা ভঙ্গ কৰা হওঁক।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে দুষ্মন্তৰ সহকাৰী সেনাপতি কালজিতৰ প্ৰৱেশ -**

**গীত ঃ ( ৰাগ - নাটমল্লাৰ ; তাল - ৰূপগঞ্জল )**

**প্ৰৱেশয় কালজিত ৰাজ সেনাপতি ।**
**প্ৰতি খোজে বীৰৰ ভয়ে কঁপিছে মেদিনী।।**
**যাৰ ভয়ে সৈন্যগণ হয় কম্পমান।।**
**হৰি কৃষ্ণ বোলা সবে সভাসদ গণ।**

কালজিত ঃ বিদ্ৰোহ, বিদ্ৰোহ, বিদ্ৰোহৰ দাবাগ্নি দপদপকৈ জ্বলি উঠিছে। প্ৰতিশোধৰ অগ্নি উমি উমি জ্বলিব লাগিছে বিদ্ৰোহৰ পূজাৰী এই কালজিতৰ বুকুত । আঃ মূৰ্খ ৰাজা দুষ্মন্ত, আৰু কিমান দিন তুমি ৰাজ্য শাসন কৰিবা ? আৰু বেছি দিন নাই, যিদিনাই তুমি এই কালজিতক প্ৰধান সেনাপতিৰ ভাৰ কাঢ়ি নি অন্যায়ভাৱে দেৱজিতক পাতিলা প্ৰধান সেনাপতি সেইদিনাই বিদ্ৰোহৰ প্ৰচণ্ড শিখা জ্বলালো প্ৰাণত । কাৰো সাধ্য নাই ইয়াক নিৰ্বাপিত কৰাৰ । চলে-বলে - কৌশলে নিধন কৰি দুষ্মন্তক হস্তিনাৰ একছত্ৰী ৰজা হ'ব এই কালজিত অনতিপলমে হাঃ হাঃ -- যাঁও, নিজ কাৰ্যত হওঁ অগ্ৰসৰ --- (প্ৰস্থান)

**সূত্ৰ ঃ আনফালে দুষ্মন্তৰ ভাতৃ অজিত কুমাৰ হাতত অৰ্ঘ্য লৈ সভাত প্ৰৱেশ ----**

**গীত ঃ ( ৰাগ - আশোৱাৰী ; তাল একতাল )**

**সভাৰ মাজে প্ৰৱেশয় অজিত কুমাৰ।**
**প্ৰভুক চিন্তিয়া আহে আনন্দ অপাৰ।।**
**এহিমতে প্ৰৱেশিলা সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

অজিত ঃ ( স্তুতি )-------------- হে প্ৰভু ভগৱন্ত কৃপাৰ ঠাকুৰ ।
অধমক কৰা দয়া মায়া হৌক দুৰ ।।
জয় জয় কৃপাময় দেৱ লীলা পতি ।
তোমাৰ চৰণে মাগোহো অমূল্য ভকতি ।।

কথা ঃ হে দয়াময় , কৰুণা সাগৰ দয়া কৰি অধমক এবাৰ দেখাদি এই দুৰ্ভগীয়াৰ হৃদয় শীতল কৰা প্ৰভু । যাঁও এৱে মই দাদাৰ সমীপে ---

**সূত্ৰ ঃ অজিতৰ প্ৰস্থান । আনফালে ৰাজসভাত প্ৰথমে দুষ্মন্ত , মন্ত্ৰী, দেৱজিত আৰু কালজিত । এনেতে অজিত আহে --**

অজিত ঃ দাদা, ভাতৃ অজিতৰ সেৱা গ্ৰহণ কৰক।

দুষ্মন্ত ঃ উঠা ভাই, তোমাৰ আগমণলৈকে মই কৰিছো অপেক্ষা ---

অজিত ঃ কওঁক দাদা, কিবা কায্য মই কৰিম সাধন ?

দুষ্মন্ত ঃ ভাই অজিত, মৃগয়া যাত্ৰাৰ অভিলাষ জাগিছে মোৰ প্ৰাণত । সেই হেতু কিছুদিন তুমি ৰাজ্য কৰা তদাৰক ----

অজিত ঃ দাদা, ৰাজ কাৰ্যতকৈ মই শ্ৰীহৰিৰ ভকতিতহে পাঁও অধিক সন্তুষ্টি ---

দুষ্মন্ত ঃ ৰাজ কাৰ্য নহয় বাধা হৰি ভকতিত ; তুমি মোক নিৰাশ নকৰিবা ভাতৃ ----

অজিত ঃ নিৰাশ নকৰোঁ দাদা ; কিন্তু দাদা, চাৰিওফালে নিৰ্জনতা বিৰাজ কৰে বনত । আছে বিপদ ; হাবিৰ হিংস্ৰ জন্তুয়ে আপোনাক ধৰিব আগুৰি। অসুৰ - দানৱেও কৰিব পাৰে অত্যাচাৰ । সেয়েহে দাদা চিন্তান্বিত মই, কৰোঁ অনুৰোধ, আপুনি মৃগয়ালৈ নালাগে যাব ----

দুষ্মন্ত ঃ কিয় তুমি মিছাতে কৰিছা চিন্তা ? হস্তিনাৰ একছত্ৰী ৰজা মই। নকৰোঁ অলপো ভয় বনৰ পশুলৈ । পাওঁ যদি সন্মূখত দৈত্য , দানৱ কিম্বা নাগ - নাগেশ্বৰক এপাত শৰে সকলোকে কৰিম নিপাত ।

মন্ত্ৰী ঃ কুমাৰ, ময়ো যাম ৰাজনৰ লগত মৃগয়াৰ হেতু । সেই কাৰণে তুমি কোনো চিন্তা নকৰিবা। মাত্ৰ তুমি ভালদৰে ৰাজ্য তদাৰক কৰিবা।

অজিত ঃ তেন্তে আপোনাসবৰ আদেশ কৰিছো গ্ৰহণ ---

দুষ্মন্ত ঃ উত্তম , ভাতৃ উত্তম ; দেৱজিত, তুমি আমাৰ ৰথ প্ৰস্তুত কৰি ৰাখাগৈ মৃগয়াৰ হেতু।

দেৱজিত ঃ ভাল মহাৰাজ, এতি ক্ষণে ৰথ মই কৰিম প্ৰস্তুত --- **(প্ৰস্থান)**

দুষ্মন্ত ঃ কালজিত, তুমিও ৰাজ্যৰ ভালদৰে কৰিবা নিৰীক্ষণ। সৈন্যসকলক ৰাখিবা সচেতন কৰি নিজ কৰ্তব্যৰ প্ৰতি ---

কালজিতঃ আদেশ শিৰোধাৰ্য মহাৰাজ ------

দুষ্মন্ত ঃ তেন্তে ব'লা , খন্তেক বিশ্ৰাম লৈ আমি মৃগয়া যাত্ৰা কৰিম আৰম্ভ ---

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । কালজিতে অকলে অকলে যি কয় -----**

কালজিত ঃ মৃগয়া যাত্ৰা কৰিবি মূৰ্খ, মৃগয়া যাত্ৰাই ৰাজ্যলৈ আনিব এক ভীষণ কালসৰ্পক। হাঃ হাঃ আজি কালজিতৰ আনন্দৰ দিন। আজি কালজিতৰ উৎসৱৰ দিন। হাঃ হাঃ যা যা মূৰ্খ , মৃগয়া যাত্ৰাত তই তোৰ মনৰ অভিলাষ কৰি ল পূৰণ আৰু এই কালজিতে এই সুযোগতে মনৰ সপোন বাস্তৱত কৰিব পৰিণত হাঃ হাঃ হাঃ ----- ( **প্ৰস্থান** )

**সূত্ৰ ঃ আনফালে সভাত এটি মৃগৰ প্ৰৱেশ ---- ( বাজনা - ভংগী )**

**সূত্ৰ ঃ মৃগৰ প্ৰস্থান । আনফালে দুষ্মন্ত আৰু মন্ত্ৰীসহ মৃগয়া যাত্ৰা ---**

**গীত**

**মৃগয়াৰ হেতু ৰাজা লৈয়া ধনুশৰ।**
**লগে চলে পাত্ৰ মন্ত্ৰী মহা ধনুধৰ।।**
**মৃগ দেখি দুয়ো বীৰ শৰ প্ৰহাৰিলা।।**
**সভাসদ গণে ডাকি হৰি হৰি বোলা।**

**সূত্ৰ ঃ ৰজা মৃগ খেদি আশ্ৰমত সোমায়। আনফালে আশ্ৰমৰ উদ্যানত শকুন্তলা, অনসূয়া আৰু প্ৰিয়ম্বদা ; এনেতে আঘাটপ্ৰাপ্ত হৈ মৃগ আহে ---**

শকুন্তলা ঃ চোৰা সখী অনসূয়া, আশ্ৰমৰ মৃগটো আহিছে দৌৰি মোৰ কাষলৈ অতি ভয়াতুৰ হৈ।

অনসূয়া ঃ আঃ চোৰাচোন , মৃগটিৰ গাৰ পৰা কেনেদৰে বৈছে তেজ ? বোধ কৰোঁ কোনোবা শত্ৰুৱে কিম্বা ব্যাধে ইয়ালৈ কৰিছিল শৰ প্ৰহাৰ ---

প্ৰিয়ম্বদা ঃ সৌৱা, সৌৱা কোনোবা এজন ধনু শৰ লৈ আমাৰ ফালে আহিব ধৰিছে। নিশ্চয় তেওঁৱেই আমাৰ মৃগটোক আঘাট কৰিলে ---

**সূত্ৰ ঃ** **এনেতে দুষ্মন্ত আৰু মন্ত্ৰীবৰ আহে ----**

প্ৰিয়ম্বদা ঃ **(ৰজাৰ প্ৰতি)** হেৰা ব্যাধ , তুমি মৃগটোক কিয় শৰ প্ৰহাৰ কৰি কষ্ট দিলা ?

দুষ্মন্ত ঃ আঃ কাক কৰিছা তুমি ব্যাধ সম্বোধন ? নিচিনা তুমি মোক ? হোৱা নাই মোৰ হেঁপাহ পূৰণ ; হে বালিকা , মোক বাধা নিদিবা তুমি ?

অনসূয়া ঃ যিয়েই নহওক আপুনি এনেহেন মৃগটিক হত্যা কৰিবলৈ আপোনাৰ নালাগেনে দয়া ?

দুষ্মন্ত ঃ আঃ বালিকাহঁত, তোমালোকৰ যুক্তি মই শুনিব নোখোজো। পুনঃ বাৰ কওঁ তোমালোকক, বাধা নিদিবা মোক । কিমান কষ্টৰে এই মৃগটো অৰণ্যৰ পৰা আনিছো খেদি । এতিয়া আকৌ এনে বাধা । মন্ত্ৰীবৰ, আঁতৰ কৰাওক মোৰ পথৰ কণ্টক --

শকুন্তলা ঃ **(আগবাঢ়ি গৈ)** ক্ষান্ত হওঁক বীৰবৰ। সখীগণ আমাৰ অতিকে নিৰ্বোধ ; ক্ষমা কৰক এওঁলোকৰ মূৰ্খামিক । আশ্ৰমৰ মৃগ ইটো অতি মৰমৰ, দিনে ৰাতিয়ে চৰি ফুৰে এই আশ্ৰম বনত । হে বীৰবৰ, মাগিছো প্ৰাণ ভিক্ষা আমি এই মৃগৰ --

দুষ্মন্ত ঃ উসঃ কি কৰোঁ ? বাৰু, তোমাৰ অনুৰোধ মই কৰিলো ৰক্ষা । প্ৰাণদান দিলো এই মৃগয়াক ; লগতে হৈছো আচৰিত একে নাৰী হৈ আচৰণত ইমান ভিন্নতা --

শকুন্তলা ঃ ধন্যবাদ ; পাছে হে বীৰবৰ, জানিব পাৰিমনে আপোনাৰ সত্য পৰিচয় ?

দুষ্মন্ত ঃ হস্তিনাৰ একছত্ৰী ৰাজা মই দুষ্মন্ত ; আহিছিলো মৃগয়াৰ হেতু মনৰ উলাহত। এইয়ে মোৰ সত্য পৰিচয়। বাৰু, জানিব পাৰোঁনে মই তোমাৰ পৰিচয় ?

শকুন্তলা ঃ কন্বদেৱৰ কন্যা আমি, বাস কৰোঁ আশ্ৰম উদ্যানত । এইয়া মোৰ মৰমৰ সখী অনসূয়া আৰু প্ৰিয়ম্বদা আৰু মই এওঁলোকৰ সখী শকুন্তলা । এইয়ে আমাৰ সত্য পৰিচয়। হে বীৰবৰ, এই শকুন্তলাৰ আছে এটা অনুৰোধ তযু চৰণত।

দুষ্মন্ত ঃ শকুন্তলা, তোমাৰ ব্যৱহাৰে মোহিছে আমাক । কোৱা, কি অনুৰোধ আছে মোৰ ওচৰত ?

শকুন্তলা ঃ হে ৰাজন, যদি দেখা দিয়ে আমাৰ গুৰুদেৱক। অতিশয় আনন্দ পাব গুৰুদেৱে মনত। এইয়ে অনুৰোধ তযু চৰণত।

দুষ্মন্ত ঃ নহয় শকুন্তলা, আশ্ৰমলৈ গ'লে বহুত পলম হ'ব আমাৰ ----

অনসূয়া ঃ আমাক ক্ষমা কৰিব মহাৰাজ ; সখীৰ অনুৰোধ ৰক্ষা কৰি আজিৰ কাৰণে আপোনাসৱ আমাৰ আশ্ৰমতে থাকক । কৃপা কৰি অতিথি সৎকাৰৰ আমাক দিয়ক সুযোগ ---

দুষ্মন্ত ঃ মন্ত্ৰীবৰ, এতিয়া সময়ো সন্ধ্যা হ'ল আৰু সমগ্ৰ অৰণ্য ঘূৰি আমাৰ শৰীৰো অৱশ হৈ পৰিছে । গতিকে আজিৰ কাৰণে এই আশ্ৰমত থকাৰ ব্যৱস্থাকে কৰোঁ।

মন্ত্ৰী ঃ আপুনি উচিত চিন্তাই কৰিছে মহাৰাজ ।

দুষ্মন্ত ঃ শকুন্তলা , কেৱল তোমাৰ অনুৰোধ ৰাখিলো মই । লৈ ব'লা আমাক আশ্ৰমলৈ --

শকুন্তলা ঃ অশেষ ধন্যবাদ ৰাজন ; ব'লক গুৰুদেৱৰ লগত কৰাঁও সাক্ষাত --

**সূত্ৰ ঃ** **সকলোৰে প্ৰস্থান। আনফালে দেৱৰাজ ইন্দ্ৰ, কাৰ্তিক, চন্দ্ৰৰ সভাত প্ৰৱেশ -**

গীত ঃ ( ৰাগ - মাহুৰ ; তাল - একতাল, পৰিতাল )

**প্ৰৱেশয় সভাৰ মাজে দেৱ পুৰন্দৰ।**
**সঙ্গে আহে ৰঙ্গমনে যতেক অমৰ।।**
**চাৰিদিশে বেঢ়ি আছে যত দেৱগণ।**
**বোলা হৰি হৰি যত সভাসদ গণ।**

ইন্দ্ৰ ঃ হাঃ হাঃ দেৱৰাজ মই দেৱ সমাজৰ ; তেত্ৰিশ কোটি দেৱতাৰ ময়ে পালক ; সুৰপতি মই বজ্ৰপাণি মই ; মোৰ বৈভৱত , মোৰ বিক্ৰমত স্তম্ভিত হৈ ত্ৰিজগত কৰিছে গুণগান মোৰেই নামত হাঃ হাঃ ---------------------------------------------------

চন্দ্ৰ ঃ এয়া আপোনাৰ মাথো অহংকাৰ দেৱৰাজ ; হেৰুৱাইছে আপুনি মান মৰ্যাদা । কি বিক্ৰম , কি সৌন্দৰ্য্য সকলোতে আপুনি পাছ পৰা এক মনুষ্যৰ আগত ---------------

ইন্দ্ৰ ঃ চন্দ্ৰদেৱ , এয়া আপোনাৰ মিথ্যা বচন ; কদাপি নাথাকে পুৰন্দৰ এক মনুষ্যৰ তলত --

চন্দ্ৰ ঃ এয়াই সত্য ; মৰতৰ একছত্ৰী ৰজা দুষ্মন্ত অতিকে বিক্ৰম ; অতিকে ৰূপবান --

ইন্দ্ৰ ঃ কি ক'লা চন্দ্ৰ ? মই সখা দুষ্মন্ততকৈ বিক্ৰমত , সৌন্দৰ্য্যত পিছপৰা ?

চন্দ্ৰ ঃ অ দেৱৰাজ, নহ'লেনো কোন যুক্তি মতে অপেশ্বৰী মেনকাৰ কন্যা শকুন্তলাই আপোনাৰ সখা দুষ্মন্তক স্বামীৰূপে মনত কৰিছে গ্ৰহণ। কেৱল শকুন্তলাই কিয় সৰগৰ কোনোবা অপেশ্বৰীয়েও এদিন আপোনাক তেজি শ্ৰেষ্ঠ বুলি দুষ্মন্তকেই যাঁচিব প্ৰেমৰ সম্ভাষণ --

ইন্দ্ৰ ঃ (খঙেৰে) চন্দ্ৰ ...

চন্দ্ৰ ঃ সত্যক নোৱাৰি সহিব এতিয়া কিয় কৰিছে ক্ৰোধ ? চিৰ সত্যকেই মই কৰি যাম ব্যক্ত -- অহংকাৰী দেৱেন্দ্ৰ আজি ; মাথো মিথ্যা দৰ্প ----

ইন্দ্ৰ ঃ আঃ ভৃত্ত্য হৈ চন্দ্ৰই মোক কৰে অপমান ; আঃ এতিয়াই তোক মই ---

কাৰ্ত্তিক ঃ ক্ষান্ত হওঁক দেৱগণ, ক্ষান্ত হওঁক ; মিছাতে কিয় বাৰু কৰিছে কন্দল ? দেৱতাই যদি নিজৰ মাজতে কৰে কন্দল নাহাঁহিবনে জগতে আমাক ? চন্দ্ৰদেৱ, জানে জগতে আপোনাক শান্ত সমাহিত বুলি ; তেনেস্থলত ক্ৰোধান্বিত হৈ আপুনি দেৱৰাজকে কৰিলে অপমান । এয়া জানো উচিত কাৰ্য হৈছে দেৱতাৰ বাবে ?

চন্দ্ৰ ঃ দেৱৰাজ, আপোনাক মই কৰিলো ভীষণ অপমান। মোৰ দোষ মাৰ্জনা কৰক দেৱৰাজ।

ইন্দ্ৰ ঃ চন্দ্ৰদেৱ, উঠক , উঠক ; আপোনাৰ বচনে শিকালে মোক ; দৃষ্টিপাত কৰালে মোক অন্য এক দিশত । বাৰু, এই বিষয়ত মই কৰিম চিন্তা ; এতিয়া বলক আজিলৈ সভা ভঙ্গ কৰা হওক

**<u>সূত্ৰ ঃ সকলোৰে প্ৰস্থান, ইফালে গ্ৰহৰাজ শনিৰ প্ৰৱেশ আৰু যি কয় ----</u>**

<u>গীত- (ৰাগ ঃ ------; তাল ঃ ----------)</u>

**সভাত প্ৰৱেশ কৰে শনি গ্ৰহপতি ।**
**নীল বৰ্ণ কেশ তাৰ দেখিতে কুমতি ।।**
**হাতে অস্ত্ৰলৈ আহে মহা দৰ্প কৰি ।**
**সামাজিক লোকে ডাকি বোলা হৰি হৰি ।।**

শনি ঃ সমস্ত গ্ৰহৰ অধিপতি মই গ্ৰহৰাজ শনি হাঃ হাঃ --অ মই দেৱদ্ৰোহী ; পুৰন্দৰৰ মই প্ৰতিদ্বন্দী ; মোৰ মান , মোৰ যশত ভীতিগ্ৰস্ত হৈ দেৱ পুৰন্দৰে জ্বলাই ৰাখিছে হৃদয়ত ঈৰ্ষাৰ অগনি -- তথাপি দিছে দেৱৰাজে মোক নিমন্ত্ৰণ আজি দেৱসভালৈ ? কিয় ? কিয় ? নিশ্চয় আছে কিবা গোপন অভিসন্ধি কপতীয়া ইন্দ্ৰৰ মনত । আঃ ময়ো গ্ৰহপতি, কৰি যাম তেনে কৰ্ম যত হব মোৰ স্বাৰ্থ সিদ্ধি । বাৰু , নিমন্ত্ৰণ কৰিছো গ্ৰহণ, জানি লওঁ , বুজি লওঁ কি অভিসন্ধি আছে পুৰন্দৰৰ মনত ---

**<u>সূত্ৰ ঃ শনিৰ প্ৰস্থান। আনফালে সভাত ইন্দ্ৰসহ দেৱগণ ; এনেতে শনি আহে --</u>**

শনি ঃ দেৱৰাজ, গ্ৰহপতিৰ প্ৰণাম গ্ৰহণ কৰক। কিয়বা মতালে আমাক ?

ইন্দ্ৰ ঃ গ্ৰহপতি, বিশেষ কাৰণত মই তোমাক মতাই আনিছো ৰাজসভালৈ। তুমি এক মহান উপকাৰ সাধন কৰিব লাগে। কোৱা গ্ৰহপতি , কৰিবানে সহায় মোক ?

শনি ঃ হঠাৎ এনে কি মহান উপকাৰ সাধিব পাৰে এই গ্ৰহৰাজ শনিয়ে ?

ইন্দ্ৰ ঃ শুনা গ্ৰহৰাজ , মৰ্ত্ত্যৰ ৰজা দুষ্মন্ত পুৰু বংশে জন্ম তাৰ, কন্বৰ আশ্ৰমত মেনকাৰ কন্যা শকুন্তলাক কৰিছে অত্যাচাৰ, অতি শীঘ্ৰে গৈ লৈ আঁহা শকুন্তলাক স্বৰ্গধামলৈ।

শনি ঃ হাঃ হাঃ দেৱৰাজ, নন্দন কাননত আপুনি শচীসমে সুখেৰে কটাইছে জীৱন । তদ্ৰূপে পুৰুবংশ

মহাবীৰ দুষ্মন্তই কন্বৰ আশ্ৰমত সুখেৰে কটাইছে জীৱন। শকুন্তলাও হৈছে সুখী ৰাজনৰ উপস্থিতিত। তেনেস্থলত কিয় মই কৰোঁ অকাৰ্য ?

ইন্দ্ৰ ঃ নকৰিবা প্ৰশ্ন ; যোৱা গ্ৰহৰাজ, মোৰ আজ্ঞা কৰা পালন ----

শনি ঃ তেনে কাম কদাপি পালন কৰিব নোৱাৰো দেৱৰাজ -----

ইন্দ্ৰ ঃ গ্ৰহৰাজ, পুনৰবাৰ কৰোঁ অনুৰোধ। দুষ্মন্তৰ পৰা শকুন্তলাক হৰণ কৰি লৈ আঁহা স্বৰ্গধামলৈ।

শনি ঃ হাঃ হাঃ শকুন্তলাক হৰণ কৰাই দেৱৰাজে কৰিব ভোগ আৰু এই গ্ৰহৰাজে শিৰে লব লাগে মহাপাপৰ দোষ ? দেৱৰাজ, সুৰপতি নামলৈ কৰিছা তুমি অম্ৰাৱতী শাসন। যদি তোমাৰ বাহুত আছে শকতি, কিয় তেন্তে সখাৰ বিৰুদ্ধে অস্ত্ৰ ধৰি উদ্ধাৰি নানা শকুন্তলাক ?

ইন্দ্ৰ ঃ **(খঙেৰে)** জিভা সংযত কৰি কথা ক'বা শনি। সত্য অসত্য বিচাৰ নকৰি তুমি মোক দেৱসভাত কৰিছা অপমান।

শনি ঃ শুনা, শুনা দেৱৰাজ, যদি তুমি অম্ৰাৱতীৰ মঙ্গল কামনা কৰা শকুন্তলাৰ আশা পৰিত্যাগ কৰা। নতু মৰতৰ একছত্ৰী ৰজা দুষ্মন্তই তোমাৰ দৰে শত সহস্ৰ দেৱৰাজলৈ নকৰে কুণ্ঠিত, তোমাৰ নিচিনা দেৱক ৰাখিব শকুন্তলাৰ আঁচলৰ অন্ধ কাৰাগাৰত।

ইন্দ্ৰ ঃ **(খঙেৰে)** গ্ৰহৰাজ, ইমান অপমান মোৰ নহয় সহ্য। চাই লোৱা, চাই লোৱা দেৱমণ্ডলী, তোমালোকৰ সাক্ষাতত আজি এই দেৱৰাজ ইন্দ্ৰই দেৱদ্ৰোহী শনিক শতবাৰ কৰোঁ পদাঘাট --- **( পদাঘাট কৰে )**

শনি ঃ আঃ শনিক পদাঘাট। আঃ দেৱৰাজ, শুনি লোৱা এই শনিৰ ভৱিষ্যৎ বাণী। আজি তুমি মোক দেৱসভাত দিলা যি অপমান তাৰ ফলত এই সোণৰ অম্ৰাৱতীপুৰ শ্মশানত মই পৰিণত কৰাম। পদচ্যুত কৰাম তোমাক দেৱৰাজৰ পৰা। হাতে গলে জিঞ্জিৰি লগাই ৰাখিম বন্দী কৰাই অন্ধকাৰ কাৰাগাৰত। চকুলো বোৱাই এদিন নহয় এদিন তুমি এই গ্ৰহৰাজ শনিৰ চৰণত পৰি মাগিবা ভিক্ষা। তেতিয়া বুজিবা এই শনিক অপমান কৰাৰ পৰিণাম কিমান ভীষণ হাঃ হাঃ -- প্ৰতিজ্ঞা, এয়া মোৰ ভীষণ প্ৰতিজ্ঞা --- **(প্ৰস্থান)**

ইন্দ্ৰ ঃ আঃ আক্ৰমণ কৰা, দেৱগণ দেৱদ্ৰোহী শনিক বন্দী কৰি আনা মোৰ সমীপে ---

কাৰ্তিক ঃ গ্ৰহপতি ক'ত পলাবি তই, নোৱাৰ সাৰিব। পৰ্বত, পাহাৰ য'তেই নাথাকক তাৰপৰাই হাতে গলে বান্ধি আনিম দেৱতাৰ অন্ধ কাৰাগাৰলৈ --

ইন্দ্ৰ ঃ ব'লা দেৱগণ, সকলো ব'লা, শনিক বিচাৰি আনো ---

**সূত্ৰ ঃ দেৱতাসকলৰ প্ৰস্থান। আনফালে দৈত্যৰাজ দুৰ্দ্ধৰ্ষ, সেনাপতি বীৰেন্দ্ৰসুৰ আৰু পুত্ৰ ৰক্ষজিতৰ প্ৰৱেশ -----**

গীত ঃ ( ৰাগ- কানাড়া, তাল- পৰিতাল )

**সভাৰ মাজে প্ৰৱেশিলা দৈত্যৰ ৰাজন।**
**হাতে শূল লৈয়া আছে যত সৈন্যগণ।।**
**বীৰদৰ্পে পাইলা গৈয়া সভাৰ ভিতৰ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ।।**

দুৰ্দ্ধৰ্ষ ঃ সেনাপতি বীৰেন্দ্ৰসুৰ, দিয়া মোক ৰাজ্যৰ সম্বাদ ? কোৱা সেনাপতি, কৰিছেনে প্ৰজাই মোৰ গুণগান ? কৰে নেকি কোনোবাই বিদ্ৰোহ আচৰণ -------------------- ?

বীৰেন্দ্ৰ ঃ দৈত্যৰাজ, সকলো প্ৰজাই গাইছে আপোনাৰ গুণ গান। আদেশ পালন কৰি আপোনাৰ প্ৰজাগণে তেজিছে বিষ্ণু পূজা ; নিতে ভজে মাথো আপোনাৰ চৰণ ----------

দুৰ্দ্ধৰ্ষ ঃ সন্তুষ্ট হলো সেনাপতি ; পাছে, তথাপি মোৰ পৰাণ নহয় শান্ত। দৈত্যবৈৰী দেৱতাৰ বিৰুদ্ধে জাগে মোৰ ৰণৰ হেঁপাহ অতিকে দুৰ্বাৰ --

বীৰেন্দ্ৰ ঃ দৈত্যৰাজ, এই বীৰেন্দ্ৰসুৰেও শয়নে সপোনে লৈ ফুৰিছে হেঁপাহ স্বৰ্গ জয়ৰ। দৈত্যৰাজ, লাগে মাত্ৰ আপোনাৰ আদেশ, নিমিষতে ধ্বংস কৰিম দেৱতাৰ আলয় হাঃ হাঃ ---

ৰক্ষজিত ঃ কিন্তু পিতা স্বৰ্গৰ দেৱৰাজ মহা বজ্ৰধাৰী। কেনেকৈ কৰিব ৰণ দেৱৰ লগত ?

দুৰ্দ্ধৰ্ষ ঃ **(খঙেৰে)** ৰক্ষজিত, কাপুৰুষৰ বচন নকৰিবি উচ্চাৰণ। যি দেৱতাই দৈত্যকুলক অসভ্য অনাৰ্য্য বুলি কৰে নিন্দা; যি দেৱতাই পিতৃ পিতামহক হত্যা কৰি প্ৰতিশোধৰ অগনি জ্বলালে দুৰ্বাৰ তেনে দেৱতাৰ লগত আমি কি নকৰিম সংগ্ৰাম ?

ৰক্ষজিত ঃ পিতা, ভুল বুজিছে আপুনি মোক। দৈত্য ৰক্ত মোৰ শৰীৰতো আছে বৈ; প্ৰতিশোধৰ অগনি মোৰ হৃদয়তো জ্বলি আছে দাউ দাউকৈ। তথাপি যদি মোৰ বচনে আপোনাক দিলে দোষ তেন্তে অধম পুত্ৰ বুলি ক্ষমিব মোক --

দুৰ্দ্ধৰ্ষ ঃ উঠা মোৰ পুত্ৰ ৰক্ষজিত, জানো মই তোমাক ভালদৰে। তুমি মোৰ সপোন; তুমি ভৱিষ্যত দৈত্যকুলৰ। তোমাৰ বচনে সন্ধান দিলে মোক অন্য পথৰ। হয় যদি ইন্দ্ৰ বজ্ৰপাণি, ময়ো কৰিম তপ শূলপাণিক। লাভ কৰি অজেয় বৰ আক্ৰমণ কৰিম দেৱেন্দ্ৰৰ অমৰাৱতী -- পুত্ৰ আৰু সেনাপতি, তোমালোকে কৰিবা অপেক্ষা; যাঁও মই শূলপাণিক তপস্যাৰ হেতু --

বীৰেন্দ্ৰ ঃ দৈত্যপতি, আপোনাৰ আগমনলৈ আমি কৰিম অপেক্ষা ---

দুৰ্দ্ধৰ্ষ ঃ তেন্তে পুত্ৰ, আৰু সেনাপতি মই কৰোঁ যাত্ৰা -- হৰ হৰ মহাদেৱ -- ( প্ৰস্থান )

ৰক্ষজিত ঃ যাওক পিতা, ব'লা সেনাপতি, আমিও যাঁও নিজ কৰ্তব্যত --

**<u>সূত্ৰ ঃ</u>** **<u>সকলোৰে প্ৰস্থান। আনফালে আশ্ৰম বনত শকুন্তলা ---</u>**

শকুন্তলা ঃ নাজানো কি হৈছে মোৰ ? নবহে আজি উদ্যানত মন; বাৰে বাৰে যাব খোজে অতিথিৰূপী ৰাজনৰ কাষে --; এয়াই নেকি প্ৰেম ? মই বাৰু ৰাজনৰ প্ৰেমত পৰিছো নেকি ?

**<u>সূত্ৰ ঃ</u>** **<u>এনেতে দুষ্মন্ত আহে ---</u>**

দুষ্মন্ত ঃ সঁচাই পৱিত্ৰ ভূমি মহৰ্ষি কন্বৰ। মৃগ হত্যাৰ জিঘংসা মনৰ পৰা মোৰ গ'ল আঁতৰি; শান্তিময়ী হ'ল মোৰ অশান্ত হৃদয়, ইচ্ছা হয় মোৰ ৰাজকাৰ্য্য দিওঁ বিসৰ্জন --( শকুন্তলাক দেখি ) শকুন্তলা, উদ্যানৰ মাজত তুমি অকলে অকলে কি কৰিছা ?

শকুন্তলা ঃ কি কৰিম ? নিঃসঙ্গ জীৱনত বনৰ নিৰ্জনতাই হৈছে মোৰ একান্ত লগৰী --

দুষ্মন্ত ঃ কিয় কোৱা এনে বাণী ? নিৰ্জন বনতে জানো সুগন্ধি বিয়পাই ফুলি থকা নাই অজস্ৰ পুষ্প। চোৱাচোন, লৈ আহিছো তেনে এপাহ পুষ্প কেৱল তোমাৰ বাবে; লোৱা তুমি তোমাৰ কেশত গুজি।

শকুন্তলা ঃ সঁচাই যদি আনিছে এই পুষ্প কেৱল এই দুখুনীৰ বাবে তেন্তে আপুনিয়ে কিয়বা নিদিয়ে গুজি আমাৰ কেশত ?

দুষ্মন্ত ঃ ( গুজি দিয়ে ) কিযে অপূৰ্ব ৰূপ তোমাৰ; সৰগৰ চন্দ্ৰমা যেন নামি আহিছে ধৰাৰ বক্ষলৈ। এনেহেন মুখ খনিত বিষাদৰ কলীয়া ডাৱৰ নানিবা কদাপি; নোৱাৰিম সহিব মই

**<u>সূত্ৰ ঃ</u>** **<u>এনেতে মন্ত্ৰীবৰ -----</u>**

মন্ত্ৰী ঃ উত্তম ৰাজন, উত্তম কাৰ্য কৰিছে, এফালে বিশাল ৰাজ্য ভাতৃৰ হাতত গতাই, আনফালে আপুনি শকুন্তলাৰ লগত হৈছে প্ৰেমত মগন --

দুষ্মন্ত ঃ মন্ত্ৰীবৰ, অসময়ত আপুনি কিয় ইয়াত -- ?

মন্ত্ৰী ঃ মহাৰাজ, ৰাজ কৰ্তব্য আপুনি গৈছে পাহৰি; এদিন দুদিন কৰি কেইবাদিনো আমি কটালো ঋষিৰ আশ্ৰমত; সেইহেতু আহিলো মই ---

দুষ্মন্ত ঃ কৰ্তব্যৰ জ্ঞান নিদিব মোক -- বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ মই ৰজা দুষ্মন্ত -- শুনক ৰাজমন্ত্ৰী বুলি ক্ষমিছো আজি --দিছো আদেশ যাওক আপুনি ৰাজ্যলৈ ঘূৰি --

মন্ত্ৰী ঃ যিবা আজ্ঞা ৰাজন ; আজিয়ে ৰাজ্যলৈ মই কৰিম গমন -- ( **প্ৰস্থান** )

শকুন্তলা ঃ ব'লক বীৰবৰ , আমিও অতি শীঘ্ৰে এই স্থান পৰিত্যাগ কৰোঁ।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে অৰণ্যৰ মাজত অজিতে যি কয় ----**

অজিত ঃ হে ভগৱান, এফালেদি কৰিব লাগে ৰাজ্যশাসন আৰু আনফালেদি বিচাৰিছো মই শ্ৰীহৰিৰ মধুৰ দৰ্শন। হে দাদা , মৃগয়ালৈ গৈ কিয় কৰিছা অত বেলি ? আঁহা দাদা, সোনকালে আঁহা ঘূৰি ; ৰাজ্যৰ তদাৰকত মই নাপাঁও শান্তি ---

**সূত্ৰ ঃ এনেতে কালজিত -----**

কালজিতঃ কুমাৰ ... কুমাৰ ...

অজিত ঃ কালজিত , কিয় আহিলা তুমি মোৰ সমীপে ---

কালজিত ঃ শুনা কুমাৰ, এক বিশেষ কাৰণত তোমাৰ ওচৰলৈ মই দৌৰি আহিছো।

অজিত ঃ আহিছা দৌৰি ; কিয় ? দাদা মোৰ ৰাজ্যলৈ মৃগয়াৰ পৰা আহিছে ঘূৰি ?

কালজিত ঃ নহয় কুমাৰ, মৃগয়াৰ পৰা তোমাৰ দাদা ঘুৰি নহাতোহে অতিকৈ উত্তম ---

অজিত ঃ কালজিত , এয়া কি কৈছা তুমি --- ?

কালজিত ঃ হাঃ হাঃ হাঃ, কি বুজিবা তুমি ৰাজনীতিৰ খেলা ? নহয় ই ভকতিৰ মায়া ----

অজিত ঃ কথাৰ ৰহণ নাসানিবা কালজিত ; সকলো ভাঙি পাতি কোৱা ---

কালজিত ঃ শুনা কুমাৰ, দুষ্মন্ত মহাবীৰ গ'ল মৃগয়ালৈ। ৰাজ্যৰ ক্ষন্তেকীয়া তদাৰক নোহোৱা তুমি । দুষ্মন্তকৈ অধিক যোগ্য তুমি । কৰা ঘোষণা , তুমিয়েই একছত্ৰী ৰজা এই বিশাল হস্তিনাৰ । সকলো সৈন্যক হাত কৰি দুষ্মন্তক কৰা নিধন ।

অজিত ঃ কি ক'লা কালজিত ? দাদাক হত্যা কৰি হ'ব লাগে মই হস্তিনাৰ একছত্ৰী সম্ৰাট । আঃ কালজিত, এনে বাক্য যাতে মই নুশুনো দুনাই --

কালজিত ঃ তুমি ভুল নকৰিবা অজিত ; তোমাৰ শুভ চিন্তক মই । তুমি যদি হোৱা হস্তিনাৰ ৰজা, সমস্ত জগতে তোমাক কৰিব সন্মান আৰু .... আৰু --

**সূত্ৰ ঃ বেগেৰে দেৱজিত আহি কালজিতক যি কয় ----**

দেৱজিত ঃ আৰু , আৰু কি আছে কালজিত কোৱা আমিও শুনো ----

কালজিত ঃ আঃ দেৱজিত , পদে পদে কিয় পাঁও তোৰ সাক্ষাত ?

দেৱজিতঃ হাঃহাঃ মূৰ্খ কালজিত, তোৰ সপোন কদাপি নহয় পূৰণ। যত দিন থাকিব এই দেৱজিত , ততদিন হেঙাৰ হৈ তোৰ পথত পাবি মোক । আঃ কু-চক্ৰান্তকাৰী , পাপাত্মা, ৰাজদ্ৰোহী কালজিত , কালসৰ্প তই হস্তিনাৰ ।

কালজিত ঃ আৰু তই কি ৰাজভক্ত ? কুমাৰ, এই দেৱজিতক নকৰিবা বিশ্বাস ; বহুৰূপী ভণ্ড ই হস্তিনাৰ ধূমকেতু । ৰাজ্যলোভী নৰ পিশাচ । কুমাৰ, ইয়াক অতি সোনকালে হত্যা কৰা ---

অজিত ঃ সাৱধান কালজিত, কোন সত্য, কোন শুদ্ধ নালাগে বুজাব । আঃ আজি দিম তোক উচিত দণ্ড

কালজিত ঃ বেচ তেন্তে , মইয়ো হ'লো প্ৰস্তুত যুদ্ধৰ বাবে । পাৰা যদি নিজ প্ৰাণ কৰা ৰক্ষা ।

গীতঃ ( ৰাগ- মল্লাৰ , তাল- ৰচক)

এহি বুলি কালজিতে যুদ্ধ আৰম্ভিলা ।
মহাক্ৰোধে তিনিওবীৰে প্ৰহাৰ কৰিলা ।।
পদভৰে বসুমতী কঁপিব লাগিলা ।
নিৰন্তৰে ৰাম হৰি ডাকি সৱে বোলা ।।

**সূত্ৰ ঃ তিনিওৰে যুদ্ধ হয়। যুদ্ধত কালজিতক বন্দী কৰি দেৱজিতে যি কয় ----**

দেৱজিত ঃ হাঃ হাঃ এই শক্তিলৈয়ে ৰাজদ্ৰোহী আঁচৰণ কৰিছ কালজিত ? ক মূৰ্খ, এতিয়া কি শাস্তি তোক কৰিম প্ৰদান।

কালজিত ঃ বন্দী মই, শাস্তিলৈ নকৰোঁ ভয়: যি শাস্তি কৰ প্ৰদান তাকেই কৰ। কিন্তু মনত ৰাখিবি দেৱজিত, এই অপমানৰ প্ৰতিশোধ অতি ভীষণ।

অজিত ঃ দেৱজিত, বন্দী কৰি ৰাখিম ইয়াক আমাৰ অন্ধ পোতাশালত। দাদাৰ আগমণলৈ কৰিম অপেক্ষা। দাদাই দিব ইয়াক যোগ্য শাস্তি। লৈ ব'লা দেৱজিত, লৈ ব'লা ইয়াক ---

**সূত্ৰ ঃ বন্দীক লৈ সকলোৰে প্ৰস্থান। আনফালে সভাত আউলী বাউলী হৈ শকুন্তলা --**

শকুন্তলা ঃ ক'ত ক'ত মোৰ প্ৰাণৰ দেৱতা ? নাই ইয়াতো; কেনি যাওঁ, কেনি গ'লে পাম মই দেৱৰ সন্ধান, হে মোৰ হৃদয়ৰ দেৱতা কিয় এই শকুন্তলাক ইমান কষ্ট দিছা ? কিমান মৰমেৰে কিমান যত্নেৰে মালাধাৰী গাঁঠিছিলো তোমালৈ। কিন্তু কিয় মোক আজি তুমি কৰিছা প্ৰত্যাখ্যান ---

**সূত্ৰ ঃ এনেতে দুষ্মন্ত ------**

দুষ্মন্ত ঃ তপোবনৰ মাজত কোনে মাতে ৰিঙিয়াই --- **(অলপ আগবাঢ়ি)** অ' সৌৱা শকুন্তলা --- (ওচৰ চাপি) শকুন্তলা... শকুন্তলা...

শকুন্তলা ঃ (নিমাত)

দুষ্মন্ত ঃ তুমি অভিমান কৰিছা শকুন্তলা ? মোৰ ওপৰত ? বাৰু চোৱাচোন শকুন্তলা, তোমাসবৰ বাবেই শৰীৰ মোৰ তেজেৰে কৰিলো ৰাঙলী।

শকুন্তলা ঃ কি ক'লে দেৱ ? শৰীৰ কৰিছে ৰাঙলী। (**দুষ্মন্তৰ হাত চুই**) ই কি ? আপোনাৰ দেহৰ পৰা ওলাইছে তেজ ? দেৱ, কোনে কৰিলে আপোনাৰ এনে অৱস্থা ?

দুষ্মন্ত ঃ শকুন্তলা, নকৰিবা বেজাৰ, কন্বদেৱৰ আজ্ঞা পালি অসুৰৰ লগত কৰি ৰণ তোমালোকৰ তপোবন কৰিলো মুক্ত। নিধন কৰি অসুৰ ততালিকে আহিছো কেৱল তোমাকেই বিচাৰি

শকুন্তলা ঃ আজিৰ পৰা আপোনাক ৰণক্ষেত্ৰলৈ যাবলৈ কদাপি নিদিওঁ মই অনুমতি ---

দুষ্মন্ত ঃ হাঃ হাঃ কিয় -- ? --- কোৱাচোন ইয়াৰ কাৰণ ?

শকুন্তলা ঃ আপুনি জানো বুজা নাই দেৱ --- ?

দুষ্মন্ত ঃ তথাপি, শুনিব বিচাৰোঁ মই তোমাৰ মুখেৰে --

শকুন্তলা ঃ যিদিনাই পাইছো সাক্ষাত সেইদিনাৰ পৰাই আপোনাৰ সঙ্গকে বিচাৰি ফুৰোঁ মই আপোনাৰ পাছে পাছে। তথাপি বুজা নাই আপুনি এই অভাগিনীৰ হৃদয়ৰ বাণী।

দুষ্মন্ত ঃ কিয় নুবুজিম শকুন্তলা; মোৰো একেই দশা; যাঁও বুলিও যাব পৰা নাই আশ্ৰমৰ পৰা কেৱল তোমাৰ বাবে। ভাবিছো, লৈ যাম আশ্ৰমৰ যৌৱন মাধুৰী ৰাজ কাৰেঙলৈ --

শকুন্তলা ঃ তেন্তে কৰিছো মিনতি, নিজ হাতে ফুলেৰে গাঁঠি আনিছো মই আপোনালৈ এই মালাধাৰী, আনন্দৰে গ্ৰহণ কৰি এই অভাগিনীক কৰক উদ্ধাৰ --- (**মালা পিন্ধাই সেৱা কৰে**)

দুষ্মন্ত ঃ উঠা শকুন্তলা, কৰি গন্ধৰ্ব বিবাহ ভাৰ্যাৰ মৰ্যদা দিলো তোমাক। তোমাৰ মালাধাৰীৰ বিপৰীতে মই এই সোণৰ আঙুঠিটো কৰিলো প্ৰদান, (**হাতত আঙুঠি পিন্ধাই**) শুনা শকুন্তলা, নাম মোৰ দুষ্মন্ত মৰতৰ একছত্ৰী ৰজা, আঙুঠিত লিখা আছে এই কথা, চলন ফুৰণ সকলো সময়তে ৰাখিবা তুমি ইয়াক তোমাৰ লগতে --

শকুন্তলা ঃ আপোনাৰ এই উপহাৰ কদাপিতো নেৰোঁ মই। সদায় ৰাখিম হাতত। এতিয়া ব'লক যাওঁ আমি আশ্ৰম কক্ষলৈ। অসুৰৰ লগত ৰণ কৰি ক্লান্ত হৈ পৰা প্ৰাণৰ দেৱতাক বিচি দিম তাত মই পদুম পাতেৰে।

**সূত্ৰ ঃ দুয়োৰে প্ৰস্থান। আনফালে দৈত্যৰাজৰ সভাত বীৰেন্দ্ৰসুৰ আৰু ৰক্ষজিত ---**

রক্ষজিত ঃ সেনাপতি, পিতা গ'ল তপস্যাৰ হেতু । এতিয়াও অহা নাই ঘুৰি। প্ৰতি পলে, প্ৰতি ক্ষণে মন মোৰ হৈছে অস্থিৰ পিতাৰ বাবে --

বীৰেন্দ্ৰ ঃ কুমাৰ, তাৰ কাৰণে কোনো চিন্তা নকৰিবা। দৈত্যপতিৰ মনোবাঞ্চা পূৰ্ণ হ'লেই অচিৰেই ঘুৰি আহিব নিজ ৰাজ্যলৈ । অ সৌৱা চোৱা কুমাৰ, হাতে মহাশূল লৈ আনন্দ মনেৰে আহিছে আমাৰ কাষলৈ দৈত্যপতি ---

**সূত্ৰ ঃ** **এনেতে দুৰ্দ্ধৰ্ষ দৈত্য আহে ---**

দুৰ্দ্ধৰ্ষ ঃ পুত্ৰ ৰক্ষজিত, মনোবাঞ্চা পূৰ্ণ হ'ল মোৰ । শূলপাণিক আৰাধনা কৰি মই পালো এই মহাশূল । সাৱধান দেৱতা, এইবাৰ দুৰ্দ্ধৰ্ষৰ হাতত তহঁতৰ নহ'ব ৰক্ষা । আক্ৰমণ কৰি অম্রাৱতীপুৰ দেৱতাৰ বক্ষ ফালি ৰক্তৰ তুলিম মহা প্লাৱন হাঃ হাঃ ---

**সূত্ৰ ঃ** **এনেতে গ্ৰহৰাজ শনি -------**

শনি ঃ দৈত্যপতিৰ কামনা নিশ্চয় হ'ব পূৰণ ----

দুৰ্দ্ধৰ্ষ ঃ কোন তুমি, কিবা হেতু প্ৰৱেশিলা মোৰ নগৰে ?

শনি ঃ দৈত্যপতি, গ্ৰহৰাজ মই শনি ; আনন্দৰে বাস কৰিছিলো শনিধামত । কিন্তু দেৱৰাজ ইন্দ্ৰৰ অত্যাচাৰত থাকিব নোৱাৰি বনে বনে ঘুৰিছো মনৰ দুখেৰে। উপায়হীন হৈ দৌৰি আহিছো আপোনাৰ কাষে । হে দৈত্যপতি, দয়া কৰি আশ্ৰয় দিয়ক মোক আপোনাৰ কাষত ।

বীৰেন্দ্ৰ ঃ দৈত্যপতি, জানে জগতে গ্ৰহৰাজ শনি মহাচক্ৰান্তকাৰী । যদি দিয়ে আপুনি ইয়াক আশ্ৰয় জানিব দৈত্যপতি কালসৰ্প হৈ খুটিব এদিন মধ্যম তালুত । অনুৰোধ কৰিছো দৈত্যপতি, অতি শীঘ্ৰে দুৰ কৰক এই দেৱদ্ৰোহী শনিক।

ৰক্ষজিত ঃ পিতা , সেনাপতিয়ে উচিত কথাকে কৈছে। দেৱতা হৈ দৈত্যৰ আশ্ৰয় লৈ কিয় সানিব কলঙ্ক ই নিজৰ নামত ?

দুৰ্দ্ধৰ্ষ ঃ নহয় পুত্ৰ, নিৰাশ্ৰয়ক আশ্ৰয় দান অতিকে মহান । দৈত্যইও এনে নীতিক কৰে সন্মান। **(শনিৰ প্ৰতি)** শুনা গ্ৰহৰাজ, মই তোমাক দিছো আশ্ৰয় । কিন্তু মনত ৰাখিবা, চক্ৰান্ত নসহো মই ; অনুগত হৈ মোৰ চৰণ তলত কৰিব লাগিব কাৰ্য তুমি মোৰ আদেশত ---

শনি ঃ দৈত্যপতি, এই অধমে চিৰদিন থাকিম আপোনাৰ অনুগত হৈ আৰু আপোনাৰ সকলো কাৰ্য্যতে কৰিম সহায় । তাৰ বাবে কোনো সন্দেহ নকৰিব দৈত্যপতি ।

দুৰ্দ্ধৰ্ষ ঃ হাঃ হাঃ সুখী হলো মই তোমাৰ বচনত । তেন্তে ব'লা, কালিলৈ প্ৰভাততে কৰিম যুদ্ধ যাত্ৰা ---

**সূত্ৰ ঃ** **দৈত্যৰ প্ৰস্থান। শনিয়ে অকলে অকলে যি কয় ----**

শনি ঃ হাঃ হাঃ প্ৰতিজ্ঞা পূৰণৰ বাবে মই সকলো কৰিম । দেৱৰাজ, তোমাৰ অহংকাৰ নাথাকে বেছিদিন । গ্ৰহৰাজ মই শনি ; আজি দৈত্যৰ লৈছো মই হৃদয়ত স্থান ; কালিলৈ এই শনিয়ে দৈত্যৰ মগজুক কৰিব গ্ৰাস । প্ৰতিশোধ , প্ৰতিশোধ , ভীষণ প্ৰতিশোধ হাঃ হাঃ ---

**সূত্ৰ ঃ** **শনিৰ প্ৰস্থান । আনফালে কন্বই যি কয় ----**

কন্বমুনি ঃ নৰপতি দুষ্মন্তই আশ্ৰমত ভৰি দিয়াৰ লগে লগেই দুৰ হৈ গ'ল সকলো বিঘিনি । ধনুৰ টংকাৰত দুৰ্দান্ত ৰাক্ষসবোৰে কৰিলে পলায়ন । নিশ্চয় দুষ্মন্তই এতিয়া নিজ ৰাজ্যলৈ ঘূৰি যাবলৈ বিচাৰিব অনুমতি । কিন্তু শকুন্তলা ; কেনেদৰে বিদায় দিম মই চেনেহৰ আইক ? নাই , নাই ৰাজনক কৰিম অনুৰোধ কিছুদিন যেন আশ্ৰমতে ৰাখে শকুন্তলাক । যাওঁ মই ৰাজনৰ লগত কৰোঁগৈ আলাপ -------

**সূত্ৰ ঃ** **কন্বৰ প্ৰস্থান। আনফালে উদ্যান বনত শকুন্তলা ---**

শকুন্তলা ঃ নাজানো কিয় আজি মোৰ মনত লাগিছে বিষাদ ? হৃদয়ে যেন বাৰে বাৰে উচুপি কান্দিব বিচাৰে । কিয় -- ? কিয় মোৰ মন হৈছে অশান্ত ---

সূত্ৰ ঃ **এনেতে দুষ্মন্ত ---------**

দুষ্মন্ত ঃ শকুন্তলা, শকুন্তলা ---

শকুন্তলা ঃ দেৱ , ই কি আপোনাৰ দুনয়ত দেখো অশ্ৰুৰ লোটক । কিয় , কি হৈছে আপোনাৰ ?

দুষ্মন্ত ঃ শকুন্তলা, ৰাজ্যলৈ ওলালো যাবলৈ । যাবৰ সময়ত তোমাক এবাৰ দেখা কৰি যাঁও ---

শকুন্তলা ঃ ৰাজ্যলৈ কৰিব গমন আৰু মোক এবাৰ কৰি যায় দৰ্শন ? অৰ্থাৎ, এৰি থৈ মোক - --- নাই নাই , এনে হ'ব নোৱাৰে --- আপোনাৰ লগতে মোকো লৈ যাওঁক।

দুষ্মন্ত ঃ গুৰুদেৱে কৰিছে ইচ্ছা কিছুদিন তোমাক আশ্ৰমত ৰাখি পঠাব নিজে তোমাক আমাৰ কাষলৈ

শকুন্তলা ঃ নাই নাই গুৰুদেৱে লৈছে এয়া অনুচিত সিদ্ধান্ত ; ইয়াৰ মই কৰিম প্ৰতিবাদ ---

দুষ্মন্ত ঃ তেনে অকাৰ্য কদাপি নকৰিবা প্ৰিয়ে ; তোলনীয়া জী যদিও তোমাৰ প্ৰতি গুৰুদেৱৰ আছে অপাৰ চেনেহ । প্ৰতিবাদ কৰি তেওঁৰ অন্তৰত নিদিবা আঘাট ; পত্নীৰূপে এই বচন দিয়া তুমি মোক --

শকুন্তলা ঃ স্বামী, এয়া কি বচন দিলে মোক --- ( **পয়াৰ** )

নাযাব নাযাব স্বামী মোক এৰি থৈয়া ।
কিমতে থাকিবো স্বামী মনে দুখ লৈয়া ।।
চৰণত ধৰোঁ স্বামী নাযাব আঁতৰি ।
হৃদয়ৰ দেৱ মোৰ কৰিছো মিনতি ।।

দুষ্মন্ত ঃ শুনা মোৰ প্ৰিয়ে, নকৰিবা বেজাৰ । হস্তিনাৰ ৰজা মই নাম দুষ্মন্ত আৰু তুমি মোৰ মৰমৰ পত্নী । যদি গুৰুদেৱে তোমাক পঠিওৱাত কৰে বিলম্ব হস্তী , দোলা - ভাৰী লৈ আহিম মই তোমাক নিবলৈ। তুমি নকৰিবা বেজাৰ ; নিজৰ কৰ্ত্তব্য মই নাযাওঁ পাহৰি । এতিয়া মই বিদায়হে মাগো শকুন্তলা ---- ( লাহে লাহে গমন কৰে )

শকুন্তলা ঃ নাই নাই স্বামী , নাযাব মোক এৰি --

**গীত ঃ (ৰাগ- মল্লাৰ, তাল- পৰিতাল )**

**ৰাজ্য দিশে চলে ৰাজা অতি দুখমনে।**
**চিন্তান্বিত শকুন্তলা কান্দিছে সঘনে।।**

শকুন্তলা ঃ গুচি গ'ল নিজ ৰাজ্যলৈ মোৰ হৃদয়ৰ দেৱতা । নোৱাৰিলো ৰাখিব মোৰ চকুৰ আগত । নাযাব , নাযাব স্বামী , ঘূৰি আহক --- স্বামী , স্বামী ----

সূত্ৰ ঃ **সকলোৰে প্ৰস্থান । আনফালে সভাত ঋষি দুৰ্বাসাৰ প্ৰৱেশ --**

**গীত -(ৰাগ ঃ কানাড়া ; তাল ঃ পৰিতাল )**

**আৰত দুৰ্বাসা কয়ো প্ৰৱেশ।**
**গছ লতা তৰু তৃণ আশ্ৰম সুৱেশ।।**
**কন্বৰ আশ্ৰম পথে গমন কৰিলা।**
**ৰাম হৰি ৰাম হৰি নিৰন্তৰে বোলা ।।**

সূত্ৰ ঃ **দুৰ্বাসাৰ প্ৰস্থান । আনফালে স্বামী বিৰহত আতুৰ হৈ শকুন্তলাই যি কয় --**

শকুন্তলা ঃ নোৱাৰোঁ আৰু সহিব স্বামীৰ বিচ্ছেদ বেদনা । নোৱাৰোঁ ক'ব গুৰুদেৱক হ্যদয়ৰ বেথা । কি কৰোঁ মই ? অ সৌৱা , সৌৱা প্ৰাণনাথ মোৰ ফালে আহিব ধৰিছে -- নাথ ; ই কি, নহয় প্ৰাণ নাথ, মাথো প্ৰহেলিকা ---- ( আঁঠু লৈ ) হে মোৰ আৰাধ্য দেৱতা , দয়া কৰি এই অভাগিনীক এবাৰ দিয়া দেখা।

সূত্ৰ ঃ **শকুন্তলা ভাবুক হৈ থাকে । এনেতে দুৰ্বাসা আহে -----------**

দুৰ্বাসা ঃ আজি বহুত দিনৰ মুৰত মই আহিছো কন্বৰ আশ্ৰমলৈ । পাছে শুনা নাই হৰি ধবনি ,

আশ্ৰম চোন আজি নিতাল নিস্তব্ধ ; কি কৰোঁ ---(**শকুন্তলাক দেখি**) অ’ সৌৱা দেখোন শকুন্তলা --- আই শকুন্তলা, কুটিৰত বন্ধু কণ্ব আছেনে ?

শকুন্তলা ঃ ( নিমাত )

দুৰ্বাসা ঃ শকুন্তলা, বন্ধু কণ্ব কুটিৰত আছেনে ?

শকুন্তলা ঃ ( নিমাত )

দুৰ্বাসা ঃ (**ডাঙৰকৈ**) শকুন্তলা, শকুন্তলা --( শকুন্তলা নিমাত ) আঃ ইমান স্পৰ্দ্ধা এই অবোধ নাৰীৰ । দুৱাৰত দুৰ্বাসাক ৰাখি ভাবিছ তই ধেমালী বুলি । মোক কৰিলি অৱজ্ঞা । ক্ষমা নাই, দয়া নাই, পাবি তই উচিত প্ৰতিফল। শুন হেৰ’ মদগৰ্বী নাৰী , দিলো তোক মহা অভিশাপ, যি জনৰ স্মৃতিত তই কৰি আছ ধ্যান, সেইজনে পাহৰিব সৰ্ব স্মৃতি তোৰ, মদগৰ্বৰ দৰে বিস্মৃতিৰ অন্ধকাৰে পূৰ্ব স্মৃতি তাৰ পেলাব পাহৰি , দেখিলেও নিচিনে, সেই প্ৰিয়জনে তোক ভাবিব অপ্ৰিয় বুলি । হিয়াধুনী কান্দিবি তই ; দুৰ্বাসাৰ এই অভিশাপ জানিবি নিশ্চয় ----

<u>**সূত্ৰ ঃ বেগেৰে অনসূয়া আহি দুৰ্বাসাৰ ভৰিত ধৰি যি কয় -----**</u>

অনসূয়া ঃ গুৰুদেৱ ? আছিল সখীয়ে তেওঁৰ স্বামীক ভাবি গুণী । নুশুনিলে আপোনাৰ মাত। চৰণত ধৰিছো গুৰুদেৱ, মোৰ সখী শকুন্তলাৰ প্ৰতি দিয়া অভিশাপ মোচন কৰক ---

দুৰ্বাসা ঃ (**খঙেৰে**) আঃ ক্ষমা নাই, দয়া নাই অবোধ বালিকা ---

অনসূয়া ঃ (**কান্দি**) সখী, উঠা সখী শকুন্তলা, নকৰিবা ধ্যান আৰু স্বামী দুষ্মন্তক । চোৱা সখী, অকালতে মহৰ্ষি দুৰ্বাসাই তোমাক দিলে অভিশাপ ----

শকুন্তলা ঃ ( **চমক খাই** ) কি সখী, মহৰ্ষিয়ে মোক দিলে অভিশাপ ? কিন্তু কিয় -- ?

দুৰ্বাসা ঃ শুন মদগৰ্বী নাৰী শকুন্তলা। দুষ্মন্তক ধ্যান কৰি আজি তই এই দুৰ্বাসাক কৰিলি অপমান। যিজনৰ স্মৃতি কৰি আছ ধ্যান, সেইজনে পাহৰিব সৰ্বস্মৃতি তোৰ ----

শকুন্তলা ঃ নাই নাই মহৰ্ষি , এনে শাপ নিদিব মোক ; মাতৃৰ অনাদৰ পালো জন্মতে ; এতিয়া নোৱাৰোঁ সহিব স্বামীৰ অনাদৰ --- <u>( বিলাপ )</u>

ক্ষমা কৰক ঋষিবৰ ধৰোঁ চৰণত ।
নাজানি লাঞ্ছনা দিলো তোমাৰ মনত ।।
অভিশাপ খণ্ডাওঁক মোৰ চৰণত ধৰোঁ ।
মিনতি কৰিছো দেৱ চৰণত পৰোঁ ।।

দুৰ্বাসা ঃ শকুন্তলা, এবাৰ এই দুৰ্বাসাৰ মুখে উচ্চাৰণ হোৱা কথা নহয় খণ্ডন। তথাপি আছে যদি কিবা এটা চিন তাৰদ্বাৰাই দুষ্মন্তই তোমাক ভাৰ্যা ৰূপে কৰিব গ্ৰহণ । এতিয়া মই আহিলো।

<u>**সূত্ৰ ঃ দুৰ্বাসাৰ প্ৰস্থান, কান্দি কান্দি অনসূয়াই শকুন্তলাক যি কয় ----**</u>

অনসূয়া ঃ উঠা সখী , নকৰিবা বেজাৰ ভাগ্যৰ লিখন ইটো, নিয়তিৰ পৰিহাস । সখী উঠা, নহ’বা হতাশ নকৰিবা চিন্তা , চোৱা সখী, ৰাজা দুষ্মন্তই দি যোৱা এই সোণৰ আঙুঠি এতিয়াও আছে তোমাৰ হাতত । ইয়েই হ’ব চিন তোমালোকৰ বিবাহৰ ----

শকুন্তলা ঃ সখী, এই অভাগিনী শকুন্তলাৰ এতিয়া এই আঙুঠিয়ে শেষ ভৰষা -- (**কান্দে**)।

অনসূয়া ঃ নাকান্দিবা সখী, ব’লা আমি কুটিৰলৈ গৈ অলপ বিশ্ৰাম লওঁগৈ ----

<u>**সূত্ৰ ঃ শকুন্তলা আৰু অনুসূয়াৰ প্ৰস্থান। আনফালে আশ্ৰমত কণ্বমুনি -----**</u>

কণ্বমুনি ঃ আজিয়েই শকুন্তলা স্বামী গৃহলৈ যাত্ৰাৰ শুভদিন ; এই শুভদিনতে মই মোৰ কন্যাক স্বামী গৃহলৈ পঠাব লাগিব। কিন্তু , ইমান দিনে মোৰ বুকুৰ মাজত ৰখা কন্যা মোৰ শকুন্তলাক কেনেকৈ পঠাঁও মোৰ পৰা আঁতৰাই ? হে প্ৰভূ , মোক শক্তি দিয়া ---- (**কান্দে**)

<u>**সূত্ৰ ঃ এনেতে শাঙ্কৰ সোমাই আহে ---**</u>

শাঙ্কৰ ঃ গুৰুদেৱ , এনে হেন শুভ ক্ষণত কিয় দেখো আপোনাৰ নয়ন সিক্ত ?

কন্বমুনি ঃ (কান্দি) শাঙ্কৰ, মালিনীৰ পাৰৰ পৰা আনিছিলো তাইক বুকুত সোমাৱায়, লালিতা পালিতা কৰি মই কৰিলো স্নেহৰ নন্দিনী। শুক্ল পক্ষৰ জোনৰ দৰে দিনে ৰাতিয়ে মোৰ আশ্ৰমৰ জেউতি চৰাইছিলি গুৰুদেৱ বুলি মাতি; হাঁহি ধেমালীৰে সখীহতঁৰ লগত ফুলনীত দিছিলে পানী ; গুচি গ'লে তাই কাক মাতিম আজিৰপৰা মই শকুন্তলা বুলি ?

শাঙ্কৰ ঃ নক'ব গুৰুদেৱ, আৰু নোৱাৰিম সহিব -- নোৱাৰিম ভেদিব ময়ো শোকৰ বন্যা ; শিশুৰ পৰা এই দুচকুৰ আগতে তাই হ'ল ডাঙৰ । কেনেদৰে এতিয়া তাইক দিওঁ বিদায় --

**<u>সূত্ৰ ঃ</u>** **<u>শকুন্তলাক কইনা সাজে সজাই অনসূয়া , প্ৰিয়ম্বদাই লৈ আনে --</u>**

প্ৰিয়ম্বদা ঃ গুৰুদেৱ ---

কন্বমুনি ঃ আই শকুন্তলা, শুনা পিতাৰ হিত উপদেশ। স্বামীগৃহত জ্যেষ্ঠজনক উচিত সম্ভাষণ জনাবা, নানিবা মনলৈ ক্ৰোধ ভাৱ ; সবাকে বুলিবা মিঠা বচন , স্বামীগুৰুৰ মনত কদাপি নিদিবা কষ্ট । মনত ৰাখিবা তোমাৰ স্বামী মৰতৰ একছত্ৰী সম্ৰাট । স্বামীৰ কৰ্তব্যত নিদিবা বাধা -

শকুন্তলা ঃ **(কান্দি)** পিতা, আপোনাৰ শীতল কোলা এৰি থাকিব পাৰিম জানো মই ?

কন্বমুনি ঃ কিয় বেজাৰ কৰিছা আই ? মহাৰাজ দুষ্মন্তৰ ভাৰ্যা তুমি ; নাকান্দিবা আই, যোৱা আই আশ্ৰমৰ সবাৰ পৰা লোৱা বিদায় --

শকুন্তলা ঃ **(পিতাৰ চৰণত ধৰি)** পিতা, শেষ সেৱা কৰিব গ্ৰহণ। হে মোৰ মৰমৰ আশ্ৰমৰ জ্যেষ্ঠ জন, পশু, পক্ষী , তৰু - লতাগণ মোক দিয়া বিদায় ; সখীসৱ -- **( সকলোৰে সাৱটি ধৰি কান্দে)**

কন্বমুনি ঃ আই , আৰু নকৰিবা পলম । আঁহা সৱে মিলি কিছুদুৰ শকুন্তলাক দিওঁ আগুৱাই । পাছে শাঙ্কৰৰ লগত তুমি দুষ্মন্তৰ ৰাজ্যে কৰিবা গমন । অনসূয়া , লৈ ব'লা সখীক ---

**<u>সূত্ৰ ঃ</u>** **<u>শকুন্তলা স্বামীগৃহে যাত্ৰা কৰে ----</u>**

<u>গীত ঃ ( ৰাগ - বেলোৱাৰ ; তাল - ধৰমজৌতি )</u>

**মনে দুখে শকুন্তলা চলে স্বামীৰ গৃহে।**
**দুয়ো সখী চলি যাই সখীৰ লগতে ।।**
**বৃদ্ধ কন্ব পাছে চলি কান্দিবাক ধৰে।**
**ৰাম নাম লোৱা সৱে সভাসদ নৰে।।**

**<u>সূত্ৰ ঃ</u>** **<u>সকলোৰে প্ৰস্থান। আনফালে সভাত প্ৰথমে দুষ্মন্ত, অজিত আৰু মন্ত্ৰীবৰ ; ক্ষন্তেক পাছত দেৱজিতে কালজিতক বন্দী কৰি লৈ আহে ----</u>**

দেৱজিত ঃ মহাৰাজ, লৈ আহিলো ৰাজদ্ৰোহীক ; কৰক ইয়াৰ উপযুক্ত বিচাৰ --

দুষ্মন্ত ঃ কালজিত, কোৱাচোন কি কাৰণত কৰিছিলা তুমি ৰাজদ্ৰোহ আচৰণ ?

কালজিত ঃ মহাৰাজ, মই মোৰ কৰ্ত্তব্য কৰিছো, তাৰ বিনে কৰা নাই ৰাজদ্ৰোহ আচৰণ।

অজিত ঃ **(খঙেৰে)** কালজিত, যদি তই তোৰ মঙ্গল কামনা কৰ, তেনেহ'লে ৰাজসভাত সত্য তথ্য প্ৰকাশ কৰ । দাদা মোৰ দয়াবান ; সৰ্ব দোষ তোৰ কৰিব ক্ষমা ।

কালজিত ঃ মহাৰাজ, যি কালজিতে আপোনাৰ আদেশ কৰে পালন, যি কালজিতে সদায় আপোনাৰ কৰে হিত চিন্তা, তেনে কালজিতে ৰাজদ্ৰোহ কৰা বুলি আপুনি জানো কৰিব বিশ্বাস ?

দেৱজিত ঃ **(খঙেৰে)** ভণ্ড কালজিত , ব্যক্ত কৰ তোৰ ষড়যন্ত্ৰ ৰজাৰ সন্মূখত ।

কালজিত ঃ ৰঙা চকু নেদেখুৱাবি দেৱজিত । বন্দী মই, সেই হেতু তোৰ ইমান অহংকাৰ। যদি মই মুক্তি পাঁও কৰিম তোৰ মই ৰক্ত পান ।

দুষ্মন্ত ঃ কালজিত, এয়ে নেকি তোৰ সজ আচৰণ ? এইয়ে নেকি তোৰ মনুষ্যৰ চিন ? নিজ আচৰণেই আজি তই দিলি নিজ পৰিচয় -- দেৱজিত, এই মূহুৰ্ত্তে ইয়াৰ কৰা শিৰচ্ছেদ ।

মন্ত্রী ঃ ক্ষান্ত হওক ৰাজন, বন্দীজনক হত্যা কৰা নহয় উচিত সিদ্ধান্ত ---

দুষ্মন্ত ঃ তেন্তে শুন ৰাজদ্ৰোহী কালজিত, ৰাজদ্ৰোহী আচৰণৰ বাবে আজিয়েই মই তোক দিলো নির্বাসন দণ্ড । দেৱজিত, খুলি ৰাখা ৰাজপোছাক এই মহাপাপীৰ ।

**সূত্ৰ ঃ কালজিতৰ ৰাজপোচাক খোলে -----**

কালজিত ঃ শুনক মহাৰাজ, দিছে মোক নির্বাসন দণ্ড ; তাত মোৰ নাই আক্ষেপ । কিন্তু মহাৰাজ , এই অপমানৰ প্ৰতিফল ভূগিব আপুনি ; তাৰ প্ৰতিফল ভূগিব সমস্ত ৰাজ্যই --

দুষ্মন্ত ঃ মুখ বন্ধ কৰ পাষণ্ড ; মন্ত্ৰীবৰৰ পৰামৰ্শতহে দিয়া নাই তোক প্ৰাণদণ্ড । দেৱজিত , অতি সোনকালে এই পাষণ্ডক মোৰ ৰাজ্যৰ পৰা বাহিৰ কৰি দিয়া।

দেৱজিত ঃ আদেশ শিৰোধায্য মহাৰাজ --ব'ল অধম, পালি যোগ্য পুৰস্কাৰ ---

**সূত্ৰ ঃ দেৱজিতে বন্দীক লৈ যায় । এনেতে শাঙ্কৰ আৰু শকুন্তলা আহে ---**

শাঙ্কৰ ঃ মহাৰাজৰ জয় হওঁক -----

দুষ্মন্ত ঃ কোৱা তপস্বী, কিবাহেতু আহিলা মোৰ সমীপে ?

শাঙ্কৰ ঃ মহাৰাজ, আহিলো আমি গুৰুদেৱৰ আজ্ঞা মানি । বচন অনুসাৰেই গুৰুদেৱে পঠাইছে আপোনাৰ শকুন্তলাক আপোনাৰ সমীপে। তপস্বীগণো হৈছে সুখী ৰাজন আপোনাৰ শুভ কাৰ্যত । ৰাজন, আৰু আছে এটি অতি সুখবৰ, মহান পুৰু বংশৰ বংশজ আজি শকুন্তলাৰ গৰ্ভত ---

দুষ্মন্ত ঃ ই কি শুনিছো মই, স্বপ্ন নে দিঠক এয়া --- ?

শাঙ্কৰ ঃ যোৱা আই ৰাজনক কৰা সেৱা -----

শকুন্তলা ঃ হে মোৰ আৰাধ্য দেৱতা , অহাত হ'ল মোৰ বহুত পলম । তাৰ বাবে ক্ষমা কৰক এই অভাগীক । লৈ আহিছো স্বামী নিজ হাতে গাঁঠি এই মালাধাৰী, কৰক গ্ৰহণ ---

দুষ্মন্ত ঃ ( বাধা দি ) আচৰিত ; কোন শকুন্তলা ? ক'ৰ শকুন্তলা ? এই নাৰী মোৰ নহয় পৰিচিতা ।

শকুন্তলা ঃ স্বামী ; কিয় কৰিছে এনে ব্যৱহাৰ ? যদি কিবা মোৰ হৈছে অপৰাধ চেনেহৰ পত্নী বুলি মোৰ অপৰাধ মাৰ্জনা কৰক স্বামী ---

দুষ্মন্ত ঃ আঃ বাৰে বাৰে মোক স্বামী বুলি নকৰিবা সম্বোধন -- । কোৱা, কোন তুমি চলনাময়ী ? দিয়া মোক সত্য পৰিচয় ---

শকুন্তলা ঃ নাথ, এয়া কি কৈছে আপুনি ? অত হেঁপাহেৰে গুৰুদেৱ কন্ব মুনিৰ আশ্ৰমৰ পৰা আহিছো আমি । মালিনীৰ তীৰে দিব আমাৰ পৰিচয় ; আশ্ৰমৰ পুষ্পইও দিব আপোনাৰে মোৰে প্ৰণয়ৰ কথা ; তথাপি শুধিছে আপুনি মোৰ পৰিচয় --

দুষ্মন্ত ঃ আঃ বন্ধ কৰ , বন্ধ কৰ তোৰ চতুৰালি ; ক'ৰ মিথ্যাবাদিনী তই ?

শকুন্তলা ঃ মিথ্যাবাদিনী নহয় মই ; আমাৰ বিবাহৰ চিন আছে মোৰ গৰ্ভত ---

দুষ্মন্ত ঃ স্তব্ধ হ কুলটা নাৰী ; ক'ৰ পাপ, কাৰ পাপ আনি দিছহি তই আমাক যাঁচি --- ?

শকুন্তলা ঃ নাথ , এয়া কি কৈছে আপুনি ; আমাৰ পবিত্ৰ সম্পৰ্কক নিদিব কলংক -- ( কান্দে )

শাঙ্কৰ ঃ নাকান্দিবা আই ; বুজিলো ক্ষত্ৰিয়ৰ চৰিত্ৰ ; প্ৰেমৰ মিথ্যা জালেৰে মাথো তোমাৰ যৌৱন কৰিলে উপভোগ । ব'লা আই ঘূৰি যাঁও আমাৰ আশ্ৰমে ---

মন্ত্ৰী ঃ ৰাজন , আপোনাৰ হৈছে কি ? কিবাদৰে আপুনি গৈছে পাহৰি মৃগয়া যাত্ৰাৰ কথা ? এই নাৰীক সাক্ষাত লভিছিলো আমি ---

দুষ্মন্ত ঃ কি কৰোঁ মন্ত্ৰীবৰ ? মনত মোৰ চলিছে দণ্ড , হৃদয়ৰ কোনোবা কোনে ক'ব খোজে অতিকে আপোন মোৰ এই নাৰী ; কিন্তু মুহূৰ্ততে বিবেকে কয় সাৱধান দুষ্মন্ত , নহয় এয়া স্বভাৱজাত সৰল নাৰী । কেনেকৈ নিজ হাতে মেলি লওঁ পাপৰ দুৱাৰ ? তথাপি দুষ্মন্ত মই , কৰিম সুবিচাৰ

--- হে তপস্বী আৰু নাৰী শকুন্তলা , আছে যদি কিবা প্ৰমাণ , আছে যদি কিবা চিন দেখুওৱা আমাক ; মানি লম তেতিয়া শকুন্তলা আমাৰ ।

শকুন্তলা ঃ প্ৰমাণ ? কিবা চিন -- ? অ সাক্ষীৰূপে দিম মই আপোনাৰ প্ৰথম প্ৰণয়ৰ উপহাৰ -- ( **আঙুঠি চাই** ) ই কি, দুভাৰ্গ্য মোৰ , হেৰাল আঙুঠি মোৰ । হায় হায় কি কৰোঁ মই ?

দুষ্মন্ত ঃ হাঃ হাঃ পুনৰ অভিনয় । বুজিলো কু-চৰিত্ৰা, বেশ্যা, কলঙ্কীনি নাৰী তই। অপবিত্ৰ কৰিলি তই মোৰ ৰাজসভা ।

শকুন্তলা ঃ নাথ, আৰু অপবাদ নিদিব আপুনি । অপবাদৰ গ্লানি নোৱাৰোঁ সহিব । নাথ, হাতত আছে আপোনাৰ তৰোৱাল । হত্যা কৰি চিৰ মুক্তি দিয়ক এই অভাগিনীক ।

দুষ্মন্ত ঃ তাকে কৰিলোহেঁতেন ; নাৰী বুলি আছো ধৈৰ্য ধৰি । মন্ত্ৰীবৰ, আজিলৈ ৰাজসভা স্থগিত ৰখা হ'ল । আৰু শুনক মন্ত্ৰীৰৰ, এই বেশ্যা নাৰীক ডিঙিত কলহ বান্ধি উটুৱাই দিব নদীৰ গৰ্ভত ----- **(প্ৰস্থান )**

মন্ত্ৰী ঃ শকুন্তলা, কি কৰিম মই ? নাজানো কিয় মহাৰাজে তোমাক কৰিলে প্ৰত্যাখ্যান ? যোৱা শকুন্তলা, পুনৰ তুমি আশ্ৰমলৈ ঘুৰি যোৱা ---

শকুন্তলা ঃ ইমান অপমান , ইমান ককৰ্থনা ; নাই নাই কলংকৰ কালিমা সানি নাযাঁও ঘুৰি মই আশ্ৰমলৈ । নাথাকো আৰু জীয়াই । বিসৰ্জন দিম এই জীৱন মালিনীৰ গৰ্ভত --( **প্ৰস্থান** )

শাঙ্কৰ ঃ শকুন্তলা , শকুন্তলা ---- ( **প্ৰস্থান** )

মন্ত্ৰী ঃ সকলো বিধিৰ লিখন ; আমি দুৰ্বল মনুষ্যই কেনেদৰে সুমতি দিম ৰাজনক ।

**সূত্ৰ ঃ মন্ত্ৰীবৰৰ প্ৰস্থান । আনফালে অসুৰৰ ৰাজসভা ----**

দুৰ্দ্ধৰ্ষ ঃ সেনাপতি , প্ৰস্তুত আছেনে মোৰ বিপুল বাহিনী ? আজিয়ে কৰিম আক্ৰমণ অম্ৰাৱতীপুৰ।

বীৰেন্দ্ৰ ঃ দৈত্যপতি, দহ লক্ষ্য সৈন্য মই কৰিছো সাজু । হাতে তীক্ষ্ণ শোণিত লৈ , দুৰ্বাৰ ৰণৰ হেঁপাহ বুকুত লৈ সাজু আছে সেনাগণ তৱ আদেশলৈ --

দুৰ্দ্ধৰ্ষ ঃ হাঃ হাঃ ধন্য ধন্য সেনাপতি, ধন্য তোমাৰ ৰণৰ আয়োজন ----

ৰক্ষজিত ঃ এইবাৰ আমাৰ জয় অনিবাযŀ পিতা , দেৱতাৰ ৰক্ত পানৰ বাবে সাজু আছো মই --

দুৰ্দ্ধৰ্ষ ঃ গ্ৰহপতি, ওলোৱা তুমিয়ো আমাৰ লগতে স্বৰ্গ আক্ৰমণৰ হেতু। দৈত্যদ্ৰোহী আৰু তোমাৰ লাঞ্ছনাকাৰী দেৱ পুৰন্দৰক দিওঁ যোগ্য পুৰস্কাৰ ---

শনি ঃ তাৰ বাবেই কৰিছো অধীৰ অপেক্ষা । আছে মোৰ পণ। অভিমানী অহংকাৰী নিৰ্বোধ ইন্দ্ৰৰ কৰি দৰ্প চূৰ্ণ, কাঢ়ি লৈ অমৰাৱতী তোমাকেই কৰিম অৰ্পণ । মাথো চলিবা তুমি মোৰ আঁচনিত --

দুৰ্দ্ধৰ্ষ ঃ ধন্য ধন্য সখা মোৰ শনি গ্ৰহপতি। নাচি উঠ, নাচি উঠ মোৰ শীতল ৰক্তধাৰ, নাচি উঠ মোৰ মহাশূল দেৱতাৰ শোণিত বিচাৰি হাঃ হাঃ -- সেনাপতি, ওলোৱা সকলোটি , বিজয় গৌৰৱে জয়ধ্বনী কৰা মেদিনী কঁপাই ---

বীৰেন্দ্ৰ ঃ জয় দৈত্যপতি দুৰ্দ্ধৰ্ষৰ , জয় দৈত্যপতি দুৰ্দ্ধৰ্ষৰ , জয় দৈত্যপতি দুৰ্দ্ধৰ্ষৰ ---

**যুদ্ধযাত্ৰা**

**স্বৰ্গপুৰে চলি যাই দৈত্য মহাৰাজ।**
**মহাক্ৰোধে লগে চলে দেৱ গ্ৰহৰাজ।।**
**হাতে অস্ত্ৰ শূল লৈয়া অতিকে ভীষণ।**
**ৰাম কৃষ্ণ বোলা সৱে সভাসদগণ।।**

**সূত্ৰ ঃ যুদ্ধ যাত্ৰা কৰি দৈত্যগণৰ প্ৰস্থান । আনফালে ইন্দ্ৰ আৰু চন্দ্ৰদেৱ ----**

ইন্দ্ৰ ঃ চন্দ্ৰদেৱ, কিয় দেখো মই ভীষণ অমঙ্গল ? বাওঁ বাহু, বাওঁ চকু লৰিছে সঘনে ; ই কি মোৰ ৰাজসিংহাসন কঁপিছে থৰা থৰ। নাজানো দেৱ, কি ভীষণ অমঙ্গল হ'ব দেৱসমাজত ?

**সূত্ৰ ঃ এনেতে কাৰ্ত্তিকে আহি যি কয় ---**

কাৰ্ত্তিক ঃ দেৱৰাজ, দেৱৰাজ দৈত্যপতি দুৰ্দ্ধৰ্ষে স্বৰ্গ আক্ৰমণৰ হেতু তীব্ৰ বেগে আহিব ধৰিছে --

ইন্দ্ৰ ঃ কি ক'লা কাৰ্ত্তিক দুৰ্দ্ধৰ্ষ দৈত্যই মোৰ স্বৰ্গৰাজ্য কৰেহি আক্ৰমণ ?

কাৰ্ত্তিক ঃ হয় দেৱৰাজ, তীব্ৰ বেগে ৰণ হুংকাৰে আহিছে দৈত্য ; দৈত্যৰ সঙ্গে আহিছে গ্ৰহপতি শনি

ইন্দ্ৰ ঃ আঃ শনি ; বুজিলো তোৰেই চালনা এয়া । সাজু হোৱা , সাজু হোৱা দেৱগণ দৈত্যৰ হাতৰ পৰা ৰক্ষা কৰা অম্ৰাৱতীপুৰ --

**সূত্ৰ ঃ এনেতে জয়ধ্বনী দি দৈত্যগণ সোমাই আহে ----**

দুৰ্দ্ধৰ্ষ ঃ হাঃ হাঃ পাপাত্মা পিতৃবৈৰী অধম দেৱতা। আজি তহঁতৰ মিলিব মৰণ ; যদি প্ৰাণলৈ আছে মমতা , গতাই অম্ৰাৱতী এই দুৰ্দ্ধৰ্ষক পৰাধীনতা কৰ স্বীকাৰ ---

ইন্দ্ৰ ঃ অধম দৈত্য , দেৱৰাজ ইন্দ্ৰ মই তহঁতৰ দৰে অসভ্য দৈত্যৰ নকৰে বশ্যতা স্বীকাৰ ।

দুৰ্দ্ধৰ্ষ ঃ বেচ তেন্তে, ধৰ অস্ত্ৰ ---

**গীতঃ**

**(ৰাগ- মাহুৰ , তাল- পৰিতাল )**

**লাগিলেক সমৰ আজি অতি ভয়ংকৰ।**
**পদভৰে ত্ৰিভূৱন কম্পে থৰাথৰ ।।**
**হেন জানি নিৰন্তৰে এৰা আন কাম।**
**পাতক চাৰোক ডাকি বোলা ৰাম ৰাম।।**

**সূত্ৰ ঃ যুদ্ধত ইন্দ্ৰ আৰু দুৰ্দ্ধৰ্ষৰ বাহিৰে সকলোৰে ৰণ কৰি প্ৰস্থান -----**

ইন্দ্ৰ ঃ অনায্য , অত্যাচাৰী , অধম দৈত্য , দিম তোক আজি মই উচিত পুৰস্কাৰ। চা , ল'লো হাতে মই ভীষণ বজ্ৰ, পাৰ যদি ৰক্ষা কৰ নিজৰ প্ৰাণ।

দুৰ্দ্ধৰ্ষ ঃ আঃ ইন্দ্ৰ, নকৰিবি গৰ্ব ; আছে মোৰ হাততো এই ভীষণ শূল । মাথো দে যুদ্ধ ---

**সূত্ৰ ঃ যুদ্ধ হয় -- ( বাজনা - ভংগী )**

**সূত্ৰ ঃ যুদ্ধত ইন্দ্ৰ বন্দী হয়, শনি আহি যি কয় --------**

শনি ঃ হাঃ হাঃ স্বৰ্গৰ দেৱৰাজ পুৰন্দৰ বন্দী আজি দৈত্যৰ হাতে । ক'ত গ'ল তোমাৰ অহংকাৰ ? ক'ত হেৰাল তোমাৰ পৰাক্ৰম ? দৈত্যপতি, বন্দী কৰি ৰাখক পুৰন্দৰক আপোনাৰ পদতলত --

দুৰ্দ্ধৰ্ষ ঃ হাঃ হাঃ তাকে কৰিম গ্ৰহৰাজ ; আহ ইন্দ্ৰ, দিম তোক আজি উচিত পুৰস্কাৰ।

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান। আনফালে সভাত চিন্তান্বিত মনে দুষ্মন্ত আৰু মন্ত্ৰীবৰ । এনেতে দেৱজিত আহে --**

দেৱজিত ঃ মহাৰাজ, মহাৰাজ, এজন মাছমৰীয়াৰ হাতৰ পৰা মই উদ্ধাৰ কৰি আনিছো আপোনাৰ এই সোণৰ আঙুঠি । আঙুঠিত লিখা আছে মহাৰাজ আপোনাৰ নাম ---

দুষ্মন্ত ঃ **(আঙুঠি চাই)** এই আঙুঠি, এই আঙুঠি এদিন মই শকুন্তলাক কৰিছিলো প্ৰদান । হায় হায় কি কৰিলো মই ? আহিছিল প্ৰিয়তমা মোৰ কাষে ; কিন্তু আঃ কৰি ককৰ্থনা ভৰা ৰাজসভাত দিলো মই তাইক গতিয়াই । কিয়, কিয় মই প্ৰাণৰ পুতলীক নাপালোঁ চিনি ?

মন্ত্ৰী ঃ ধৈয্য ধৰক মহাৰাজ , ধৈৰ্য ধৰক ---

দুষ্মন্ত ঃ ধৈয্য মই নোৱাৰোঁ ধৰিব। পৰিছে মনত মোৰ অতীত স্মৃতি, মৃগয়া যাত্ৰা , কন্বদেৱৰ আশ্ৰম আৰু প্ৰাণৰ প্ৰিয়ে মোৰ শকুন্তলা ; সেনাপতি, ক'ত আছে মোৰ শকুন্তলা ?

দেৱজিত ঃ ক্ষমা কৰিব মহাৰাজ ; শকুন্তলাৰ সংবাদ পোৱা নাই আমি --

দুষ্মন্ত ঃ কি কৈছা দেৱজিত ? পোৱা নাই সংবাদ -- ? অপমানিতা হৈ বাৰু শকুন্তলাই -- নাই নাই

মন্ত্ৰীৱৰ, মোৰ সম নাই নিদাৰুণ এই ধৰাৰ বক্ষত --- ( **বিলাপ** )

হাঁ হাঁ বিধি কিনো মোৰ কপালে লিখিলা ।
মোৰ দোষে শাস্তি ভোগে প্ৰিয়ে শকুন্তলা ।।
কৈত আছা প্ৰাণ প্ৰিয়ে কৈত আছা আজি ।
তোমাৰ বিৰহে মোৰ প্ৰাণ যাব ফুটি ।।

**সূত্ৰ ঃ এনেতে অজিত আহি দুষ্মন্তক যি কয় -----**

অজিত ঃ দাদা, নকৰি আৰোহন ৰাজসিংহাসনত কিয় আজি আছে ভূমিত চকুলো বোৱাই । কওঁক দাদা , আপোনাৰ হৈছে কি ?

দুষ্মন্ত ঃ মহাপাপী মই ; নিজ প্ৰিয়তমা শকুন্তলাক পাপীনি বুলি মই নিষ্ঠুৰ নিৰ্ম্মমভাৱে দিলো দলিয়াই

অজিত ঃ অস্থিৰ নহ'ব দাদা ? সকলো ভাগ্যৰ লিখন --

দুষ্মন্ত ঃ নহয় ভাই, এয়া মোৰ ভুলৰ পৰিণাম । লোৱা ভাই , মোৰ এই তীক্ষ্ণ তৰোৱাল ; হত্যা কৰি মোক নিষ্ঠুৰ দুষ্মন্তৰ নাম ধৰাৰ পৰা কৰা লুপ্ত ।

অজিত ঃ প্ৰলাপ নবকিব দাদা --

দুষ্মন্ত ঃ নহয় প্ৰলাপ, নহয় এয়া প্ৰলাপ -- অ সৌৱা, চাৰিওফালে দেখো মই প্ৰাণৰ শকুন্তলাক । শকুন্তলা, শকুন্তলা, প্ৰেমময়ী, মধুমতী প্ৰিয়ে মোৰ, দয়া কৰি ক্ষন্তেক ৰোৱা, গৈছো মই দুষ্মন্ত তোমাক লম আদৰি । শকুন্তলা, শকুন্তলা ---- ( **প্ৰস্থান** )

অজিত ঃ দাদা -- দাদা ; দেৱজিত, গুচি গ'ল দাদা মোৰ । কি কৰোঁ কি কৰোঁ মই ?

মন্ত্ৰী ঃ সকলো প্ৰভূৰ লীলা ; নিশ্চয় হ'ব সুবিচাৰ । এতিয়া ব'লা, ৰাজনৰ আগমনলৈ কৰোঁ অপেক্ষা

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে স্বৰ্গত বন্দী ৰূপে ইন্দ্ৰই যি কয় ----**

ইন্দ্ৰ ঃ উসঃ কিযে ভাগ্য মোৰ । কি যে নিয়তিৰ পৰিহাস। যি দেৱৰাজে সোণৰ শয্যাত কৰিছিল শয়ন , যি দেৱৰাজে অম্ৰাৱতীৰ ৰজাহৈ তেত্ৰিশ কোটি দেৱতাক কৰিছিলে শাসন , আজি সেই দেৱৰাজ বন্দীৰূপে দৈত্যৰ তিলতিলকৈ ভূগিছে শাস্তি । হে প্ৰভূ, মোক উদ্ধাৰ কৰা -

**সূত্ৰ ঃ এনেতে দুদ্ধৰ্ষ আহি যি কয় ----**

দুদ্ধৰ্ষ ঃ হাঃ হাঃ কেনে চমৎকাৰ , কেনে মনোৰম আজি দেৱৰাজৰ বন্দীত্বৰ জীৱন ; শুনা দেৱৰাজ, দিছো সুযোগ, বশ্যতা স্বীকাৰ কৰা তুমি এই দুদ্ধৰ্ষৰ ; ভৃত্য ৰূপে থাকা দৈত্য- দানৱৰ ; মুক্তি লভিবা তেতিয়া বন্দীত্বৰ পৰা ---

ইন্দ্ৰ ঃ অসম্ভৱ, দেৱৰাজে কদাপি দৈত্য - দানৱৰ বশ্যতা নকৰে স্বীকাৰ ।

দুদ্ধৰ্ষ ঃ বেচ, বন্দীত্বৰ জীৱন তেন্তে কৰ অতিবাহিত --( পদাঘাত কৰে ) চাঁও বাৰু তোৰ কিমান স্বাভিমান, চাওঁ বাৰু তোৰ কিমান দৰ্প, হাঃ হাঃ পৰি থাক, পৰি থাক হাঃ হাঃ-- (**প্ৰস্থান**)

ইন্দ্ৰ ঃ হে প্ৰভূ , কিয় তুমি এই দৈত্যৰ জীৱন নকৰা শেষ ---

**সূত্ৰ ঃ এনেতে শনি আহি যি কয় -----**

শনি ঃ হাঃ হাঃ পুৰন্দৰ, বন্দীত্বৰ জীৱন অতিকে মধুৰ ; নহয়নে বাৰু ?

ইন্দ্ৰ ঃ কিয় মোক কৰা উপহাস ?

শনি ঃ উপহাস ? হাঃহাঃ উপহাস নহয় পুৰন্দৰ ; এয়া সন্তুষ্টি ; প্ৰতিজ্ঞা পূৰণৰ অনাবিল সন্তুষ্টি হাঃ

ইন্দ্ৰ ঃ গ্ৰহপতি, গ্ৰহপতি, মোক মুক্তি লাগে ; তুমি মোক মুক্ত কৰা ---

শনি ঃ হাঃ হাঃ মুক্তি ; তোমাৰ মুক্তি ? কিয় দেৱৰাজ , তুমিতো সৰ্ব শক্তিমান ; তেত্ৰিশ কোটি দেৱতাৰ পালক তুমি ; তেন্তে কিয় আজি এই গ্ৰহপতিৰ ওচৰত মুক্তি লাগে, মুক্তি লাগে বুলি কৰিছা ক্ৰন্দন ? আঃ পাহৰা নাই আজিও মই দেৱ সভাৰ সেই তিক্ত অপমান --

ইন্দ্ৰ ঃ গ্ৰহপতি , মোৰ দোষ , মোৰ ভুল কৰিছো স্বীকাৰ । মাত্ৰ তুমি মোক মুক্তি দিয়া --

শনি ঃ হাঃ হাঃ জানো পুৰন্দৰ, জানো তোমাক ভালদৰে ; ভণ্ড তুমি , নিজ স্বাৰ্থ সিদ্ধিৰ বাবে আজি গ্ৰহৰাজৰ আগত কৰিছা অভিনয় --

ইন্দ্ৰ ঃ নহয় গ্ৰহপতি, নহয় এয়া অভিনয় ; সঁচাই অনুতপ্ত মই ; অহংকাৰত মত্ত হৈ তোমাক কৰিলো অপমান ; দেৱতাৰ হিত উপদেশ নকৰি গ্ৰহণ কৰি গৈছিলো মাথো দাম্ভিক আচৰণ । তাৰ প্ৰতিফলো আজি পাইছো হাতে হাতে । গ্ৰহপতি , নতশিৰে মই তোমাৰ চৰণত কৰিছো মিনতি মুক্তি দিয়া মোক এই বন্দীত্ব জীৱনৰ পৰা ----

শনি ঃ হাঃ হাঃ আজি মোৰ প্ৰতিজ্ঞা হৈছে পূৰণ । চোৱা জগতবাসী , দৰ্প চূৰ্ণ কৰি দেৱৰাজৰ মোক কৰা অপমানৰ ললো পোতক - **(বন্দীত্বৰ পাশ খুলি)** যোৱা দেৱৰাজ, তোমাক মুক্তি দিলো

ইন্দ্ৰ ঃ গ্ৰহপতি, মোৰ শতকোটি অপৰাধ মাৰ্জনা কৰা --**(সেৱা কৰে)** গ্ৰহপতি, কৰোঁ অনুৰোধ ; দুৰ্দ্ধৰ্ষ দৈত্যক বধত দেৱতাক কৰা সহায় --

শনি ঃ দেৱৰাজ, দুৰ্দ্ধৰ্ষ দৈত্যৰ নহয় দেৱতাৰ হাতে মৰণ । মহাদেৱৰ আশীষ আছে তাৰ শিৰত । আপুনি সহায় লওক মনুষ্যৰ ৰাজন দুষ্মন্তৰ ; তেওঁৰ হাততে দুৰ্দ্ধৰ্ষৰ হ'ব পৰাজয় --

ইন্দ্ৰ ঃ দুষ্মন্তৰ -- ? কিন্তু ---

শনি ঃ কিয় ? মনুষ্যৰ সহায় বিচাৰিলে দেৱৰ দেৱত্ব --

ইন্দ্ৰ ঃ নাই নাই গ্ৰহপতি, অচিৰেই মই দুষ্মন্তৰ চাপিম কাষ । এতিয়া কৰোঁ প্ৰস্থান --

**<u>সূত্ৰ ঃ প্ৰথমে ইন্দ্ৰৰ পাছত শনিৰ প্ৰস্থান। আনফালে অৰণ্যত দুষ্মন্ত ---</u>**

দুষ্মন্ত ঃ আঃ আৰু কিমান বিচাৰিম, যেনিয়েই যাওঁ তেনিয়েই পাইছো মাথো শূন্য । ইয়াতেই এদিন মই অসুৰৰ লগত কৰিছিলো সংগ্ৰাম। উদ্ধাৰ কৰিছিলো অসুৰৰ পৰা কন্বদেৱৰ আশ্ৰম । দেখা পাওঁ দূৰত সৌৱা কন্বদেৱৰ আশ্ৰম আৰু সৌৱা দুৰত দেখিছো মই মালিনী তীৰ । কিন্তু মোৰ প্ৰাণৰ পুতলী শকুন্তলা ক'ত ? বুজিলো অপমানিত , অৱহেলিত হৈ শকুন্তলাই ইহ সংসাৰৰপৰা মাগিলে বিদায় । নাই নাই, এনে হ'ব নোৱাৰে ময়ো তেজিম এই জীৱন -- হে স্বৰ্গবাসী, হে মৰ্ত্যবাসী সাক্ষী হোৱা তোমালোক এই দুষ্মন্তৰ কৰুণ পৰিণতিৰ --

**<u>সূত্ৰ ঃ দুষ্মন্তই আত্মহত্যা কৰিব খোজে , ইন্দ্ৰই বাধা দি যি কয় ----</u>**

ইন্দ্ৰ ঃ সখা, সখা, এয়া কি কাৰ্য কৰিব ওলাইছা ?

দুষ্মন্ত ঃ কোন, কোনে মোৰ কাযত বাধা দিয়াহি । অ' পুৰন্দৰ ; মোক বাধা নিদিবা সখা -- মোৰ দৰে পাপীৰ বাবে এয়াই হব উচিত শাস্তি । যোৱা সখা , গুচি যোৱা তুমি স্বৰ্গ ধামে -

ইন্দ্ৰ ঃ কেনেদৰে যাম স্বৰ্গ ধামে ? দৈত্য দুৰ্দ্ধৰ্ষৰ হাতত স্বৰ্গৰাজ্য হ'ল থান বান। সমগ্ৰ অম্ৰাৱতী শ্মশানত হ'ল পৰিণত। এটি এটি কৰি সকলো দেৱতা বন্দীশালত কটাইছে জীৱন।

দুষ্মন্ত ঃ দৈত্যৰ হাতত দেৱতাৰ পৰাজয় ? কি কৈছা তুমি ? হাতে বজ্ৰ ধৰি আছিলা তুমি দেৱতাৰ পালক হৈ ; তেনেস্থলত কোন শক্তিৰে দৈত্য দানৱে তোমাক কৰিব পাৰে পৰাস্ত ? অসম্ভৱ এয়া অসম্ভৱ --

ইন্দ্ৰ ঃ সম্ভৱ , সখা সম্ভৱ ; এয়াই ঘটিল বাস্তৱত । সেই হেতু তোমাৰ সহায় বিচাৰি আহিছো মই । মোক বিমুখ নকৰিবা সখা --

**<u>সূত্ৰ ঃ এনেতে শনি আহি দুষ্মন্তক যি কয় ----</u>**

শনি ঃ ৰাজন , পুৰন্দৰক নকৰিবা বিমুখ ; আমিও কৰোঁ অনুৰোধ , দৈত্যৰ হাতৰপৰা উদ্ধাৰ কৰি স্বৰ্গ ৰাজ্য দেৱতাক কৰা প্ৰদান ।

দুষ্মন্ত ঃ হে দেৱমণ্ডলী, নিজ কৰ্মফলে শক্তিহীন , পত্নীহাৰা মই দুভগীয়া দুষ্মন্ত । তেনেস্থলত কোন শক্তিৰে মই যুদ্ধ কৰিম দৈত্য - দানৱৰ লগত।

*আঃবাণী ঃ দুষ্মন্ত, নকৰিবা বেজাৰ ; প্ৰথমে তুমি দেৱসমাজৰ অত্যাচাৰী দৈত্যকুলক নিঃশেষ কৰি স্বৰ্গ ৰাজ্য কৰা উদ্ধাৰ ---*

দুষ্মন্ত ঃ প্ৰভূ , তযু আজ্ঞা কৰিম পালন। কৰিলো পণ, নিপাত কৰি দেৱ শত্ৰুক উদ্ধাৰ কৰি স্বৰ্গ ৰাজ্য দেৱতাক কৰিম প্ৰদান । ওলোৱা দেৱ, সকলোটি সাজুহৈ ৰণক্ষেত্ৰলৈ ---

গীত ঃ ( ৰাগ - ভাটিয়ালী ; তাল - একতাল )

**স্বৰ্গৰ দিশে চলি যাই দষ্মন্ত ৰাজন।**
**সঙ্গে যাই দেৱগণ স্থিৰ কৰি মন ।।**

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে দৈত্যৰ ৰাজসভা ---**

দুৰ্দ্ধৰ্ষ ঃ আঃ সেনাপতি, সত্য আছিল তোমালোকৰ বচন । কদাপি নহয় শনি বিশ্বাসৰ যোগ্য । মিত্ৰদ্ৰোহ কৰি আচৰণ পুৰন্দৰক দিলে মুক্তি গ্ৰহৰাজ শনিয়ে ---

বীৰেন্দ্ৰ ঃ বিশ্বাসঘাটক, পাপাত্মা শনি। তোৰো আৰু বেছি দিন নাই । দৈত্যপতি, কৰক আদেশ বন্দী কৰি আনো সেই বিশ্বাসঘাটক শনিক ।

ৰক্ষজিত ঃ হয় পিতা, মইয়ো কৰিছো পণ , কপটীয়া শনিক হাতে গলে জিঞ্জীৰী লগাই বন্দী কৰি গটাম তযু চৰণত।

দুৰ্দ্ধৰ্ষ ঃ নিশ্চয় শনিক আমি কৰিম নিধন । কিন্তু তাৰ পূৰ্বে বন্দী দেৱগণৰ কৰোঁ বিচাৰ । কালিলৈ প্ৰভাততে এটি এটি কৰি বন্দী দেৱতাৰ বক্ষ ফালি দেৱতাৰ ৰক্তৰে স্বৰ্গভূমিত কৰিম সৃষ্টি ৰক্তৰ মহা প্লাৱন হাঃ হাঃ ----

**সূত্ৰ ঃ এনেতে দুষ্মন্ত সোমাই আহে --**

দুষ্মন্ত ঃ সাৱধান দৈত্য , তহঁতৰ অত্যাচাৰ আৰু নচলিব স্বৰ্গত ---

দুৰ্দ্ধৰ্ষ ঃ আঃ কোন তই ? অকস্মাতে আহি মহাবলী দৈত্যক বোল এনে অশুভ বচন ?

**সূত্ৰ ঃ এনেতে ইন্দ্ৰ আৰু শনি আহে ----**

ইন্দ্ৰ ঃ অধম দৈত্য, আজি তহঁতৰ নহব নিস্তাৰ । ত্যাগ কৰি স্বৰ্গৰাজ্য গুচি যা নিজ ৰাজ্যলৈ।

দুৰ্দ্ধৰ্ষ ঃ অ পলৰীয়া ইন্দ্ৰ, তয়ো আহিলি সঙ্গে লৈ মিত্ৰদ্ৰোহী লম্পট শনিক। দেৱতাৰ ভয়ত প্ৰাণ লৈ পলায় আহি দৈত্যৰ অধীনত ভৃত্য হৈ থাকি মিত্ৰদ্ৰোহ আচৰণ কৰাৰ আজি দিম উচিত প্ৰতিফল ।

শনি ঃ মুখৰ কথাৰ নাই প্ৰয়োজন ; চিন্তা কৰ তহঁতে নিজ প্ৰাণ ৰক্ষাৰ বাবে ---

দুৰ্দ্ধৰ্ষ ঃ সেনা গণ , কৰা আক্ৰমণ ----

**সূত্ৰ ঃ সমদল যুদ্ধ হয়। দুৰ্দ্ধৰ্ষ আৰু দুষ্মন্তৰ বাদে বাকীসকলৰ ৰণ কৰি প্ৰস্থান --**

দুষ্মন্ত ঃ সাৱধান দৈত্য ; বহু অন্যায় বহু অত্যাচাৰ কৰিলি স্বৰ্গত ; আজি পাবি তাৰ উচিত প্ৰতিফল।

দুৰ্দ্ধৰ্ষ ঃ আঃ মুৰ্খ ; মুখৰ কথাৰ নাই প্ৰযোজন । তোৰ ৰক্ত পানৰ বাবে মোৰ তীক্ষ্ণ অস্ত্ৰ হৈছে লালায়িত । মাথো ৰণ কৰ তই মোৰ সমে ---

গীত ঃ (ৰাগ ঃ ভাটিয়ালী ; তাল ঃ ৰচক )

**লাগিল সমৰ আজি অতি ভয়ংকৰ ।**
**মহাক্ৰোধে দুয়ো বীৰে কৰিলে প্ৰহাৰ ।।**
**অস্ত্ৰাঘাটে দৈত্যবীৰ ভূমিত পৰিলা ।**
**সভাসদ লোকে ডাকি ৰাম ৰাম বোলা ।।**

**সূত্ৰ ঃ দুষ্মন্তৰ প্ৰহাৰত দুৰ্দ্ধৰ্ষ ভূমিত বাগৰি পৰি যি কয় ---**

দুৰ্দ্ধৰ্ষ ঃ হে বীৰৰ শিৰোমণি , দিয়া তোমাৰ সত্য পৰিচয় --

দুষ্মন্ত ঃ শুনা দৈত্যবীৰ, পুৰু বংশত জন্ম মোৰ মৰতৰ বীৰ মনুষ্য নাম দুষ্মন্ত , সখা মোৰ দেৱৰাজ দেৱ পুৰন্দৰ । এইয়ে মোৰ সত্য পৰিচয় ।

দুৰ্দ্ধৰ্ষ ঃ ধন্য তোমাৰ বংশ, ধন্য তোমাৰ বীৰত্ব ; হে বীৰ , প্ৰাণদান দিয়া এই অধমক ---

দুষ্মন্ত ঃ কিন্তু তাৰ পূৰ্বে দিব লাগিব তুমি স্বৰ্গৰাজ্য দেৱতাক ।

দুৰ্দ্ধৰ্ষ ঃ স্বৰ্গৰাজ্য দেৱতাৰেই, মদগৰ্বে কৰিছিলো স্বৰ্গ আক্ৰমণ। কৰিলো মহাভুল, মোৰ ভুল ক্ষমা কৰি দিয়ক প্ৰাণ দান ---

দুষ্মন্ত ঃ তেন্তে দিলো তোমাক প্ৰাণদান ; যোৱা স্বৰ্গ এৰি তুমি নিজ ৰাজ্যলৈ। কিন্তু সাৱধান, ভৱিষ্যতে স্বৰ্গ ৰাজ্য জয়ৰ আশা নানিবা মনত।

দুৰ্দ্ধৰ্ষ ঃ ভাল ৰাজন, মৰতত বিস্তাৰিত হ'ব তোমাৰ নাম । এতিয়া মই বিদায়হে কৰিছো ।

**সূত্ৰ ঃ দুৰ্দ্ধৰ্ষৰ প্ৰস্থান । আনফালে ইন্দ্ৰ আৰু শনিদেৱ আহে ---**

ইন্দ্ৰ ঃ সখা, কিদৰে ধন্যবাদ জনাওঁ তোমাক ; স্বৰ্গ মোৰ কৰিলা উদ্ধাৰ ---

দুষ্মন্ত ঃ শ্ৰীহৰিৰ কৃপাতেই দৈত্যৰ সমে ৰণ কৰি স্বৰ্গ ৰাজ্য কৰিছো উদ্ধাৰ । সখা, গটালো তোমাক স্বৰ্গপুৰী ; প্ৰহপতি, আমাকো এতিয়া দিয়ক বিদায় ---

শনি ঃ যোৱা ৰাজন , দিছো আশীষ মৰতত গৈ পূৰ্ণ হ'ব তোমাৰ মনৰ কামনা ।

দুষ্মন্ত ঃ আপোনাসবৰ আশীষেৰে ধন্য কৰিছো আমাৰ জীৱন -- এতিয়া মই বিদায়হে মাগো ।

ইন্দ্ৰ ঃ ৰ'বা সখা ; বিদায় বেলিকাত আৰু দেৱতাক কৰা উপকাৰৰ চিন স্বৰূপে মই এই মাল্য, তোমাক কৰিলো প্ৰদান - **(মালা পিন্ধায় )** শনিদেৱ, আহক সখাক দিওঁ আগুৱাই --

**সূত্ৰ ঃ সকলোৰে প্ৰস্থান । আনফালে সভাত এটি সিংহৰ পোৱালীৰ সৈতে শকুন্তলাৰ শিশু পুত্ৰ সৰ্বদমনৰ প্ৰৱেশ ---**

গীত ঃ ( ৰাগ - নাটমল্লাৰ ; তাল - ধৰমজৌতি )

**চলি আহে সভাৰ মাজে শকুন্তলা সুত ।**
**সঙ্গে আহে বনৰ পশু দেখিতে সুৰেশ ।।**
**ধীৰে ধীৰে পাইলা গৈয়া সভাৰ ভিতৰ ।**
**ৰাম হৰি ৰাম হৰি বোলা নিৰন্তৰ ।।**

**সূত্ৰ ঃ সভাত প্ৰৱেশ কৰি সৰ্বদমনে সিংহ পোৱালীৰ লগত খেলা কৰে ----**

সৰ্বদমন ঃ আহ সখা , এইফালে আহ ----

**সূত্ৰ ঃ নেপথ্যত শকুন্তলাৰ মাত --( সৰ্বদমন , বাচা সৰ্বদমন )**

সৰ্বদমন ঃ আই , আই -- গৈছো আই ; আহ সখা, আয়ে মাতিছে মোক --

**সূত্ৰ ঃ খেলি খেলি সৰ্বদমনৰ প্ৰস্থান। আনফালে দুষ্মন্তই যি কয় --**

দুষ্মন্ত ঃ কাৰ কণ্ঠস্বৰ শুনো এই তপোবনত ? কোনে মাতিছে কাক ? ই কি ? কোন সেই সুন্দৰ বালক ? খেলা কৰে সিংহ পোৱালীৰ লগত। আঃ লাহে লাহে হ'ল অন্তধ্যান। যদি হয় বালকৰ কিবা অনিষ্ট ? নাই, নাই মইয়ো যাওঁ বালকৰ লওঁ সন্ধান ।

**সূত্ৰ ঃ দুষ্মন্তৰ প্ৰস্থান। আনফালে শকুন্তলা; এনেতে সৰ্বদমন আহে ----**

সৰ্বদমন ঃ কিয় মাতিলা আই ?

শকুন্ত ঃ সোণ, হিংস্ৰ জন্তুৰ লগত তুমি আৰু নকৰিবা ধেমালী । তোমাক মই অন্য কিবা আনি দিম।

সৰ্বদমন ঃ হ'ব আই ; আই , আজি মই আপোনাক এটা কথা সুধিম । লগৰীয়াই বাৰে বাৰে সুধে মোৰ পিতাৰ নাম । কওঁকচোন আই, মোৰ পিতা কোন ? কিবা নাম তেওঁৰ ?

শকুন্তলা ঃ ( খঙেৰে ) বাচা --- ?

সৰ্বদমন ঃ তেওঁ বাৰু দেখিবলৈ কেনেকুৱা ? কওঁকচোন আই, মোৰ প্ৰশ্নবোৰৰ উত্তৰ পালে হিংস্ৰ সিংহ

পোৱালীৰ সৈতে মই আৰু নকৰোঁ খেলা । কওঁক আই ---

শকুন্তলা ঃ সোণ ---- **(কান্দে )**

সৰ্বদমন ঃ আই, আই তুমি কান্দিছা কিয় ? নাকান্দিবা আই , পিতাৰ কথা সুধিলে যদি তুমি পোৱা দুখ নুশুধো মই আৰু পিতাৰ পৰিচয় --

**সূত্ৰ ঃ তেনেতে দুষ্মন্ত আহি যি কয় ----**

দুষ্মন্ত ঃ অ এই সুন্দৰ বালকেই সিংহৰ পোৱালীৰ লগত কৰিছিলে খেলা । বালক , এইফালে আঁহাচোন ---- কোন তুমি ? কি নাম তোমাৰ ?

সৰ্বদমন ঃ মোৰ নাম সৰ্বদমন ; এওঁ মোৰ মাতা , নাম শকুন্তলা ---

দুষ্মন্ত ঃ কি ? শকুন্তলা ? মোৰ প্ৰাণৰ পুতলী শকুন্তলা --; আৰু এই বালক ? উসঃ বাচা মোৰ হৃদয়ৰ মণি, আচলৰ ধন, আঁহা বাচা তুমি মোৰ কাষলৈ আঁহা --- **(সৰ্বদমনক কোলাত লয় ।)**

শকুন্তলা ঃ কোন আপুনি, পৰৰ পুত্ৰক কিয় এনেদৰে লৈছে কোলাত তুলি ?

দুষ্মন্ত ঃ মোক বাধা নিদিবা ; পুত্ৰক এবাৰ বুকুত সাৱটি লবলৈ দিয়া প্ৰিয়ে --

শকুন্তলা ঃ প্ৰিয়ে -- ? কোন , কোন আপুনি --- ?

দুষ্মন্ত ঃ মই , মোক চিনা নাই ? কেনেকৈ চিনিবা ? মহান পুৰু বংশত কালিমা সানি, নিজ পত্নীক মিথ্যা অপবাদৰ গ্লানি দি মহা পাপ অৰ্জন কৰা মহাপাপী যে মই দুষ্মন্ত ---

শকুন্ত ঃ নাথ , **( ভৰিত ধৰি )** নাথ মোক ক্ষমা কৰক। নাথ, নাজানি মই কটুবাক্য কৰিলো প্ৰয়োগ ।

দুষ্মন্ত ঃ শকুন্তলা, নধৰিবা মোৰ চৰণত ; তোমাৰ অপৰাধী মই। বিচাৰি ফুৰিছো তোমাক বাতুলৰ দৰে । মোক ক্ষমা কৰা শকুন্তলা ; মোৰ বাবেই পালা তুমি অশেষ যান্ত্ৰণা ---

শকুন্তলা ঃ মৃত্যুকে লওঁ বুলি আঁকোৱালি আহিছিলো আপোনাৰ কাষৰ পৰা । কেৱল এই পুত্ৰৰ বাবেই আছো জীয়াই এই কাশ্যপৰ আশ্ৰমে । পিঁশাচিনী বুলি আপুনিয়ে বাহিৰ কৰি দিছিল মোক ৰাজসভাৰ পৰা । পাছে এতিয়া কেনেদৰে পালে চিনি আমাক ?

দুষ্মন্ত ঃ প্ৰত্যাখান কৰিছিলো মই তোমাক সবাৰে আগত, নাজানো হৈছিল মোৰ কি ? পাছে যিদিনাই মোৰ নাম যুক্ত সোণৰ আঙুঠি আহি পৰিল মোৰ হাতত , সেই মূহুৰ্ত্বতে এই আঙুঠিয়ে সকলো অতীত স্মৃতি আনি দিলে মোৰ অৱচেতন মনত । মহাপাপী মই ; নিশ্চয় ভূগিম বিধাতাৰ শাস্তি ; তাৰ আগতেই তুমি মোক শাস্তি দিয়া শকুন্তলা --

শকুন্তলা ঃ নাথ, এয়া কি কৈছে আপুনি ? গুৰুৰ আদৰ্শৰে আশ্ৰমৰ পালিতা নাৰী মই শকুন্তলা ; এজনা পতিকেই হৃদয়ত স্থাপন কৰি আজিও ফুৰিছো স্বামীৰূপে আপোনাৰ প্ৰতিচ্ছবিকে লৈ --

দুষ্মন্ত ঃ তেন্তে প্ৰিয়ে, এই আঙুঠি গ্ৰহণ কৰি আমাৰ পুনৰ মিলনৰ পথ কৰা সোণালী -**(আঙুঠি পিন্ধাই)**

শকুন্তলা ঃ নাথ, নাথ --- **(সেৱা কৰে)** -- সোণ, সেৱা কৰা তোমাৰ পিতাৰাক ।

সৰ্বদমন ঃ কি আই , এইয়া মোৰ পিতা ? পিতা, পিতা ---- ( সেৱা কৰে )

দুষ্মন্ত ঃ উঠা প্ৰিয়ে, উঠা বাচা ; নধৰিবা চৰণত মোৰ । হ'ল মোৰ মনোবাঞ্চা পূৰণ। আজি পুনৰ দুষ্মন্ত - শকুন্তলাৰ পৱিত্ৰ মিলন হ'ল সম্পূৰ্ণ ।

শকুন্তলা ঃ ব'লক নাথ, আমি গুৰুদেৱক সেৱা কৰোঁগৈ।

দুষ্মন্ত ঃ ব'লা প্ৰিয়ে, গুৰুদেৱক সেৱা জনাই যাত্ৰা কৰিম আমি সপৰিয়ালে নিজ ৰাজ্যৰ দিশে ।

গীত ঃ ( ৰাগ - ভাটিয়ালী ; তাল - পৰিতাল )

পুত্ৰ ভাৰ্যাক সঙ্গে লৈয়া দুষ্মন্ত ৰাজন ।
গুৰুক সাক্ষাতৰ হেতু চলে ৰঙ্গ মন ।।
এহি বুলি নৰ লোক এৰা আন কাম ।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ।।

সূত্ৰ ঃ তিনিও গুৰুৰ পাশে গমন কৰে। ইমানতে নাটখনিৰ যৱনিকা পৰে।

গীত- ( ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান )

জয় জয় নাৰায়ণ তযু বিনে নাই কেৰ
তোমাৰ চৰণে হৌক গতি।
তযু গুণ নাম স্মৰি দুৰ্ঘোৰ সংসাৰ তৰি
তযু পদে হৌক মোৰ গতি।।
অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

মুক্তি মঙ্গল ভটিমা

নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্মা হৰে সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলে সদা যাৰ গুণ গায়।
হেন গুৰু চৰণত প্ৰণামো সদায়।।
সৰ্ব অপৰাধ কৰাহা মোচন।
চৰণে শৰণ লৈলো কমললোচন।।

ইতি, শনিৰ প্ৰতিজ্ঞা পূৰণ, দুষ্মন্ত - শকুন্তলাৰ পুনৰ মিলন নাটৰ সমাপতি ভেল ।

## সমাপ্ত

মূল নাটভাগি যথেষ্ট দীঘল আছিল বাবে মূল নাট্যৰূপকাৰ গৰাকীলৈ (অজ্ঞাত) শ্ৰদ্ধা জনাই বৰ্তমান সময়ৰ লগত মিলাই আমি নাটভাগি সম্পাদনা কৰিছো। ইয়াত অনেক ভুল - ত্ৰুটি থাকি যাব পাৰে। সৰ্ব অপৰাধ মাৰ্জনা কৰে যেন।

সেৱাৰে ---
শ্ৰী ৰাজীৱ গগৈ
তিতাবৰ